# অসমৰ সংস্কৃতি-কোষ

মুখ্য সম্পাদক
ড° নাৰায়ণ দাস

সম্পাদক
ড° পৰমানন্দ ৰাজবংশী

সহকাৰী সম্পাদক
গোলাপ সূত

অসমীয়া বিভাগ
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ হৈ

জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী-১-ৰ দ্বাৰা প্ৰকাশিত

*ASOMAR SANSKRITI-KOSH :* (THE PARTICLES OF ASSAMESE CULTURE) Collections of 858 items on different aspects of Culture of Asom and its adjoining areas edited by Dr. Narayan Das (Chief Editor) and Dr. Paramananda Rajbongshi (Editor), Published by Jyoti Prakashan, Guwahati-1 on behalf of Assamese Department, Pragjyotish College, Guwahati-9 (Assam)
First Edition : March, 2009. Price : Rs. 200.00 only

প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০০৯

সম্পাদনা সমিতি ঃ

ড° দয়ানন্দ পাঠক ঃ সভাপতি
ড° নাৰায়ণ দাস ঃ মুখ্য সম্পাদক
ড° পৰমানন্দ ৰাজবংশী ঃ সম্পাদক
গোলাপ সূত ঃ সহকাৰী সম্পাদক
ড° প্ৰণতি শৰ্মা গোস্বামী ঃ সদস্য
অধ্যাপক বৈকুণ্ঠ ৰাজবংশী ঃ সদস্য
ড° কল্পনা তালুকদাৰ ঃ সদস্য
ড° ইন্দ্ৰাণী কলিতা ঃ সদস্য
বিমল চন্দ্ৰ বৰদলৈ ঃ সদস্য

অক্ষৰ বিন্যাস ঃ শৰ্মিলা দাস

মূল্য ঃ ২০০.০০ টকা

ছপাশাল ঃ
অৰোৰা ফাইন আৰ্টচ্
বামুণীমৈদাম, গুৱাহাটী-২১

# উছৰ্গা

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ
অসমীয়া বিভাগক
আন্তৰিক সেবাৰে ধন্য কৰা
প্ৰয়াত
সৰ্বানন্দ ৰায়
গদাধৰ দেব শৰ্মা
ড° কিৰণ চন্দ্ৰ শৰ্মাৰ
পবিত্ৰ স্মৃতিত ।

# মুখবন্ধ

মানুহ এক সাংস্কৃতিক জীৱ। জৈৱিক জীৱনৰ লগত অঙ্গাঙ্গীভাৱে সম্পৃক্ত হৈ থাকে মানুহৰ সাংস্কৃতিক জীৱন। কৃষ্টি-সংস্কৃতি ওপৰৰপৰা আবিৰ্ভূত হোৱা বস্তু নহয়। ই মানুহৰ ভিতৰৰপৰা নিভৃতে নিগৰি অহা এক চেতনাপ্ৰবাহ, এই চেতনা প্ৰবাহে জীৱনক সুন্দৰ কৰে, সুষম কৰে। মানৱ সৃষ্টিৰ দিনাৰপৰা মানুহে বিভিন্ন ভাৱে নিজৰ জীৱনচৰ্যা আৰু অন্তৰ জগতক বিকশিত ৰূপত প্ৰতিষ্ঠা দিবলৈ আমৰণ প্ৰয়াস কৰি আহিছে। এনে কৰিবলৈ যাওঁতে মানুহ কঠোৰতম পৰীক্ষা-নিৰীক্ষাৰ সন্মুখীন হৈ আহিছে। ক'ৰবাত মানুহ উজুটি খাইছে, ক'ৰবাত আকৌ নতুন অনুপ্ৰেৰণাৰে আত্মসংস্কাৰ কৰিবলৈ সাহস গোটাই নিজকে অগ্ৰসৰ কৰাব পাৰিছে। এনে প্ৰচেষ্টা ভুল আৰু সংশোধনৰ প্ৰক্ৰিয়াৰ মাজেৰে অৰ্থাৎ Trial and Error প্ৰক্ৰিয়াৰ মাজেৰে অগ্ৰসৰ হোৱাটো লক্ষণীয়। কৃষ্টি-সংস্কৃতি যে অতীতৰ পৰা এটা ৰূপতেই বৰ্তিছে তেনে নহয় কৃষ্টি-সংস্কৃতিৰ ৰূপান্তৰো ঘটিছে। ৰূপান্তৰ অৰ্থাৎ নিজকে পৰিবৰ্তিত পৰিবেশ পটভূমিত খাপখুৱাই লোৱাৰ প্ৰৱণতাও ব্যক্তি তথা সমাজৰ সাংস্কৃতিক ঐতিহ্যৰ এক মৌলিক কথা। কৃষ্টি-সংস্কৃতিৰ মাজতো এক আত্ম বিশ্লেষণী ক্ষমতা নিহিত থাকে। এই ক্ষমতাই প্ৰয়োজন সাপেক্ষে কৃষ্টি-সংস্কৃতিৰ পৰিবৰ্তন, পৰিবৰ্ধন, পৰিশোধন আৰু পৰিসংকোচন ঘটাই থাকে। সামাজিক জীৱনৰ পটভূমি ব্যক্তি তথা সমাজৰ সাংস্কৃতিক প্ৰেক্ষাপটৰ ওপৰত নিৰ্ভৰশীল। এখন দেশৰ অৰ্থনীতি আৰু সমাজৰ সামগ্ৰিক মানসিকতাই সেই সমাজৰ সাংস্কৃতিক পৰিবেশক বহুপৰিমাণে পৰিচালনা কৰে। সেইবাবেই আমাৰ জীৱন কালতেই আমাৰ সাংস্কৃতিক ঐতিহ্যৰ অনেক সোণৰূপ হেৰাল। অথচ অনেক অৰ্বাচীন কথা কামো আমাৰ ঐতিহ্যৰ অন্তৰ্ভুক্ত হ'ল। এটা সময়ত অসমীয়া মানুহৰ বিয়া-সভাবোৰত বিয়াগীতৰ পয়োভৰ আছিল। বিয়াগীত অবিহনে বিয়া-সবাহ নজমিছিল। আজি বিয়া-সবাহৰপৰা বিয়াগীত অদৃশ্য হ'ল। এয়া সমাজ জীৱনত ঘটা পৰিবৰ্তনৰ ফল। আজিকালি বিভিন্ন কাৰণত বিয়া-সবাহবোৰ সৰু চোতালৰপৰা বিবাহভৱন পাইছে। ধাননি পথাৰৰপৰা বিহুগীত নৃত্য চহৰৰ বিহু মঞ্চত উপনীত হৈছে। বিহুৰ বতৰত পিঠাপনাৰ ঠাই দখল কৰিছে হোটেল ৰেষ্টোৰাৰ 'ফাষ্টফুদ' আৰু আধুনিক বিচিপিয়ে। এতেকে বিয়া-সবাহৰ লগত সম্পৃক্ত হৈ থকা অনেক সামাজিক উৎসৱ-পাৰ্বণ আমাৰ সাংস্কৃতিক মানচিত্ৰৰপৰা অদৃশ্য হৈ গ'ল। পৰিৱেশ্য কলা, বাচিক কলা, গাৰ্হস্থ্য জীৱনৰ বৰ্ণাঢ্য ৰীতি-নীতি আদিৰ মাজেৰে আমাৰ সাংস্কৃতিক ঐতিহ্যই

জীপ পাই আহিছে। এটা জাতিৰ সাংস্কৃতিক জীৱন সেই জাতিৰ কৃষি কেন্দ্ৰিক বিধি ব্যৱস্থাৰ ওপৰত ঘাইকৈ নিৰ্ভৰশীল হয়। কৃষিৰ সম্পৰ্ক মাটিৰ লগত, পানীৰ লগত। মাটি পানীৰ বক্ষতেই আমাৰ লোকজীৱনৰ প্ৰাণস্পন্দন। মাটি পানীৰ লগতেই সম্পৃক্ত হৈ আছে আমাৰ লোক বিশ্বাস, অবিশ্বাস, অন্ধবিশ্বাস আৰু কিছু নিষিদ্ধ চেতনা। যেনে, নিশাৰ ভাগত হালধি ক্ৰয় কৰিব নাপায়। পাৰিবাৰিক জীৱনত পত্নীয়ে নিজৰ স্বামীৰ নাম উচ্চাৰণ কৰিব নাপায় ইত্যাদি।

পৰিৱেশ্য কলাৰ লগতে বাচিক কলাও আমাৰ সাংস্কতিক জীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। লোকনৃত্য, গীত-মাত, গায়ন-বায়ন আদিৰ মাজেৰেও আমাৰ সাংস্কৃতিক জীৱন উদ্ভাসিত। এনে প্ৰতিটো কলা যে স্থিতাৱস্থাতেই আছে তেনে নহয়। সময় আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ আঁচোৰ এনে প্ৰতিটো কলা কৰ্মতেই ভাস্বৰ।

অসম বৰ্ণাঢ্য জাতি-জনজাতিৰ বাসভূমি। পিছে আমাৰ এই গ্ৰন্থত অসমক সংকুচিত ৰূপত চোৱা হোৱা নাই। বৰ অসমৰ কথাহে ভবা হৈছে। প্ৰতিটো জনগোষ্ঠীৰ নিজস্ব ভাষা বা দোৱান আছে। এনে প্ৰতিটো ভাষাৰেই যে লিপি আছে তেনে নহয়। লিপি অবিহনেও একোটি ভাষা যুগ যুগ ধৰি প্ৰচলিত হৈ আছে। ভাষাৰ লগতো সংস্কৃতিৰ নিবিড় সম্পৰ্ক। সংস্কৃতিৰ বৰঘৰৰ সৰু বৰ অনেক কথা ভাষাৰ মাজেৰেই অভিব্যক্ত। এনে দৃষ্টিৰে চাবলৈ গ'লে অসমভূমিয়ে সাংস্কৃতিক ঐতিহ্যৰ মণিমুকুতাৰে আমাৰ সকলোকে প্ৰাণ প্ৰাচুৰ্য প্ৰদান কৰিছে।

তথাকথিত আধুনিকতাৰ চাক্‌নৈয়াই সংস্কৃতিৰ মণি-মুকুতাবোৰ গুৰুত্ব হীন আৰু নিষ্প্ৰভ কৰিবলৈ চেষ্টা কৰি আহিছে যদিও সময়ত আকৌ ওলোটা খৰ নমৰাও নহয়। বিজ্ঞান আৰু আধুনিক প্ৰযুক্তিৰ আগ্ৰাসনে আমাৰ লোক সংস্কৃতি আৰু লোকসত্তাক মোহাৰি পেলাবলৈ যত্ন কৰিছে যদিও সেয়া বিভিন্ন কাৰণত সম্ভৱ হৈ উঠা নাই। আধুনিক যুগত মানুহে নৈতিক প্ৰমূল্যৰ স্খলন প্ৰত্যক্ষ কৰিছে। তেনে পৰিণতিত ক্ষতবিক্ষত হোৱা ব্যক্তিয়ে পুনৰ হেৰোৱা লোক ঐতিহ্যৰ সন্ধানত ব্ৰতী হোৱাও সমানেই পৰিলক্ষিত। সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতেই লোক জীৱনক পুনৰ নিৰীক্ষণ কৰাৰ এক প্ৰবল মানসিকতা ভাস্বৰ হৈ উঠিছে। মাটিৰ লগত ছিন্ন হোৱা এনাজৰীডাল পুনৰুদ্ধাৰ কৰাৰ প্ৰতিও আমাৰ সকলোৰে আগ্ৰহ-অনুকম্পা বাঢ়িছে। এনে প্ৰচেষ্টাৰ দ্বাৰা মানুহে তেওঁলোকৰ স্বাভাৱিক সাংস্কৃতিক সত্তাকেই প্ৰতিপন্ন কৰিছে। তেনে সত্তা প্ৰহৃত হ'লে তেওঁলোকৰ হৃদয়ত বেদনাবোধ জাগে। আমি Acculturationৰ কথা কওঁ। বিভিন্ন তথা ভিন্ ভিন্ কৃষ্টি-সংস্কৃতিৰ সমাহাৰ আৰু সমন্বয় মানৱ ইতিহাসৰ এক শাশ্বত সত্য। এই কথাও সমানেই সঁচা যে আমি বিভিন্ন দিশৰপৰা সাংস্কৃতিক আগ্ৰাসনৰ পৰা মুক্ত নহয়।

অসমৰ জাতীয় সংস্কৃতিৰ ক্ষেত্ৰত এক কঠোৰ প্ৰত্যাহ্বান আহি পৰিছে। এটা জাতিয়ে গোলকীকৰণৰ পটভূমিত কিমানদিন নিজৰ কৃষ্টি-সংস্কৃতিক নিকা-নিভাঁজ কৰি ৰাখিব পাৰিব? ভূ-মণ্ডলীকৰণৰ পৃষ্ঠভূমিত আমাৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰলৈ নন ধাৰণা, জীৱনচৰ্যা আৰু জীৱনবীক্ষাৰ আগমন ঘটিছে। স্বাভাৱিক প্ৰক্ৰিয়াৰ মাজেৰে তেনেবোৰ ধ্যান-ধাৰণা আৰু আদব কায়দাবোৰ আমাৰ নিজৰ মাটি -পানীত জীণ নোযোৱাও নহয়। তত্ৰাচ্ অনেক কথা-কাম জীণ নোযোৱাকৈ ওপঙি আছে। কেতিয়াবা অনেক চেষ্টাৰ অন্ততো মৰাপাটৰ খেতি হোৱা পথাৰখনত চাহপাতৰ খেতি নহয়। আমাৰ কৃষ্টি- সংস্কৃতিৰ ক্ষেত্ৰতো এনেবোৰ কথাই এক বিশেষ সংকটৰ সৃষ্টি নকৰা নহয়। ভূ-মণ্ডলীকৰণে বহুজাতিক সংস্কৃতিৰ দুৰন্ত প্ৰবাহ আমাৰ মানুহৰ মাজলৈকো প্ৰবাহিত কৰিছে। অসমৰ নতুন প্ৰজন্মই আমাৰ সাংস্কৃতিক জীৱনৰ অনেক কথা নজনা হ'ল, নুবুজা হ'ল, উপেক্ষা কৰা বহু কথা তেওঁলোকৰ বাবে আচহুৱা হ'ল। আনকি ভালকৈ অসমীয়া ক'বপৰা বা লিখিবপৰা মানুহৰ সংখ্যাও অনুক্ৰমে টুটি আহিছে। আমাৰ ভাষা, সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মৰ মনৰ অনীহা মন কৰিবলগীয়া। তেতিয়া ভাবো, আমি দৈহিকভাৱে জীয়াই থাকিলেও সাংস্কৃতিকভাৱে অথবা অসমীয়া হোৱাৰ গুণ গৰিমাৰে জীয়াই থাকিব পাৰিমনে?

আজি আমি গৌৰব বোধ কৰিছো যে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে *অসমৰ সংস্কৃতি-কোষ* নামেৰে এখন গধুৰ গ্ৰন্থ প্ৰণয়ণ কৰি উলিয়াবলৈ মৰসাহ কৰিছে। আমাৰ অসমীয়া বিভাগটোৰ কাম কাজ আৰু চিন্তা-চৰ্চাৰ বিষয়ে অসমৰ বৌদ্ধিক মহল অৱগত। ইতিমধ্যে উক্ত বিভাগৰ উদ্যোগত তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আন্তৰিক আৰু আপ্ৰাণ চেষ্টাৰ ফলত অনেক বাচকবনীয়া গ্ৰন্থ প্ৰকাশিত হৈছে। প্ৰকাশিত প্ৰতিখন গ্ৰন্থই পাঠকসকলৰপৰা আদৰ-আদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিভাগটোৱে অগ্ৰজ তথা অনুজসকলৰ সম্মিলিত প্ৰচেষ্টাত এক বিশেষ শিক্ষাসদী তথা গৱেষণা কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ অগ্ৰসৰ হোৱাটো আমাৰ বাবে কম আনন্দৰ কথানে?

*অসমৰ সংস্কৃতি-কোষ* গ্ৰন্থখনৰ পূৰ্বে *অসমীয়া সংস্কৃতিৰ কণিকা* নামৰ এখন গ্ৰন্থ ইতিমধ্যে অসমীয়া বিভাগে প্ৰকাশ কৰি সুধী সমাজৰ প্ৰশংসা লাভ কৰিছে। *অসমৰ সংস্কৃতিকোষ* গ্ৰন্থখন এই দিশত এক বলিষ্ঠ পদক্ষেপ। গ্ৰন্থখনৰ মুখ্য সম্পাদক অধ্যাপক ড° নাৰায়ণ দাস। ড° দাস আমাৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী। তেওঁ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰপৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰিছে। তেখেত পণ্ডিত মানুহ। অথচ তেওঁৰ পণ্ডিতাভিমান নাই। তেখেতৰ মুখ্য সম্পাদনাতে গ্ৰন্থখনৰ প্ৰস্তুতি আৰু প্ৰকাশ। তেখেতৰ লগত গাতে লাগি থকা গ্ৰন্থখনিৰ সম্পাদনা সমিতিৰ আন সদস্য/সদস্যা কেইগৰাকী হ'ল- বৰ্তমানৰ অসমীয়া বিভাগৰ মুৰব্বী ড° পৰমানন্দ ৰাজবংশী, ড° প্ৰণতি

শৰ্মা গোস্বামী, অধ্যাপক বৈকুণ্ঠ ৰাজবংশী, ড° কল্পনা তালুকদাৰ, ড° ইন্দ্ৰাণী কলিতা, সহকাৰী সম্পাদক গোলাপ সূত আৰু আন আন প্ৰবক্তাবৃন্দ। প্ৰবক্তাসকলৰ উপৰিও অনেক উদ্যোগী ছাত্ৰ-ছাত্ৰীৰ অৰিহণাও নিহিত হৈ আছে গ্ৰন্থখনৰ ভিতৰে বাহিৰে। তেওঁলোক সকলোৰে প্ৰতি মহাবিদ্যালয়ৰ তৰফৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গ্ৰন্থখনে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ অনেক হেৰোৱা দিগন্ত উদ্ধাৰিব বুলি আশা কৰিলোঁ। লগতে ইয়াৰ দ্বাৰা আমাৰ জাতীয় জীৱনৰ বৰ্ণাঢ্য সাংস্কৃতিক সত্তাৰ পৰিচয় দাঙি ধৰিব পৰা হ'ব বুলি আমাৰ বিশ্বাস।

১৫ ডিচেম্বৰ, ২০০৮

দয়ানন্দ পাঠক

অধ্যক্ষ, প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী

# মুখ্য সম্পাদকৰ নিৱেদন

মহাবাহু লৌহিত্যৰ বিস্তীৰ্ণ পাৰলৈ অন্ন-বস্ত্ৰৰ সন্ধানত যুগে যুগে অহা মংগোলীয়, ভূমধ্য সাগৰীয় (দ্ৰাবিড়ীয়) আৰু নৰ্ডিক (আৰ্য) প্ৰজাতিৰ লোকসকলৰ লোক বিশ্বাস, আচাৰ-বিচাৰ, নৃত্য-গীত, ক্ৰীড়া-কৌতুক, ধৰ্মানুষ্ঠান, পূজা-পাৰ্বণ প্ৰভৃতিৰ সুষম সমাহৰণ আৰু সমন্বয়ত পৰিস্ফুট হৈছে অসমৰ বৰ্ণাঢ্য সংস্কৃতি-শতদল। অসমীয়া সংস্কৃতি এক মাত্ৰিক নহয়, বহুমাত্ৰিক। কৃষ্টি-সংস্কৃতিৰ কিছুখিনি সৰ্বভাৰতীয় সংস্কৃতিৰ প্ৰভাৱত গঢ় লোৱা আৰু বহুখিনি থলুৱা ভাৱে বিকশিত হোৱা। থলুৱা সংস্কৃতিৰ সম্পদসমূহক সমীক্ষকসকলে লোক-সংস্কৃতি আখ্যা দিছে। এই লোকসংস্কৃতিয়ে মাৰ্গীয় সংস্কৃতিৰ পৰিপুষ্টিত ভালেখিনি সাহায্যদান কৰাটো বহুজন মান্য কথা। বিভিন্ন জনজাতিয়ে লুইতপৰীয়া সংস্কৃতি বিকাশত ভাবাহীন আৰহণা যোগাইছে। ওপৰত উল্লেখ কৰা মাৰ্গীয়, লোক অথবা জনজাতীয় সংস্কৃতিৰ ভিন্ন দিশৰ আহল বহল আলোচনাৰ অভাৱ নাই; পিছে এখনি গ্ৰন্থত পোৱা আলোচনা আনখনিত পাবলৈ নাইকিয়া। তদুপৰি কিছুসংখ্যক সু আলোচনা সাময়িকী আৰু বাতৰি কাকতত্তে সীমাবদ্ধ। লাগ বুলিলেই বিচাৰি পোৱা টান। সংস্কৃতিৰ বিভিন্ন সম্পদৰ বিষয়ে খৰচি মাৰি জনাটো ভাল; অথচ থূল মূলকৈ জনাৰো আৱশ্যকতা নুই কৰা টান। থোৰতে জানিবলৈ হ'লে আলোচনাৰ পৰিসৰ সীমিত হোৱা প্ৰয়োজন। বহল কথা চমুকৈ প্ৰকাশ কৰা অসুবিধা গুণে এই জাতীয় আলোচনা সমৃদ্ধ গ্ৰন্থ অসমীয়া ভাষাত সীমিত। এই অভাৱলৈ লক্ষ্য ৰাখি ইংৰাজী ১৯৯৬ চনতে অসমীয়া বিভাগৰপৰা *অসমীয়া সংস্কৃতিৰ কণিকা* শীৰ্ষক সৰুপুথি এখনি প্ৰকাশ কৰা হৈছিল। গ্ৰন্থখনিয়ে পঢ়ুৱৈসমাজৰ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হয়। ইং ২০০৬ চনত সেইখনিৰ পৰিবৰ্ধিত তৃতীয় তাঙৰণ প্ৰকাশ পায়। এইবেলি আমি উক্ত গ্ৰন্থখনিকে মূল ভেটি কৰি পাঠক সমাজলৈ আগবঢ়ালোঁ- ৮৫৮ টা প্ৰবিষ্টিসমৃদ্ধ *অসমৰ সংস্কৃতি-কোষ*। ইয়াত উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা প্ৰতিটো জাতি-জনজাতিৰ বৰ্ণাঢ্য সংস্কৃতিৰ কিছু আভাস দিয়াৰ যত্ন কৰা হৈছে। চমু কথাত বৰ অসমৰ সাংস্কৃতিক প্ৰবিষ্টি যুগুতাবলৈ প্ৰবীণসকলে মন নকৰা বাবে নবীনৰ কাষ চাপিব লগা হৈছে। ইয়াৰ বিষয়বস্তুৰ স্থিতি আছে— বিস্তৃতি নাই। বিশেষজ্ঞসকলৰ আলোচনাৰ আধাৰত আৰু বিজ্ঞজনক সোধ-পোছ কৰি ইয়াৰ প্ৰবিষ্টিসমূহ যুগুতোৱা হৈছে। ইয়াৰে বহুসংখ্যক প্ৰবিষ্টি *অগ্ৰদূত, আজি, আমাৰ অসম,*

*জনমভূমি, নতুন দৈনিক, প্ৰতিদিন, প্ৰান্তিক*প্ৰভৃতিত প্ৰকাশিত সাংস্কৃতিক নিবন্ধৰ আধাৰত লিখা। এই ছেগতে উপৰ্যুক্ত বাতৰি কাকত আৰু সাময়িকীসমূহৰ ঋণ স্বীকাৰ কৰি সিবোৰৰ সম্পাদকসকললৈ কৃতজ্ঞতা জনালোঁ। অসমীয়া বিভাগৰ এই গ্ৰন্থখনিৰ মুখ্য সম্পাদনাৰ ভাৰ আমাৰ ওপৰত অৰ্পণ কৰি বিভাগীয় মুৰব্বী আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° পৰমানন্দ ৰাজবংশীৰ লগতে উক্ত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধেয় ড° দয়ানন্দ পাঠকে আমাক কৃতজ্ঞতাৰ পাশত বান্ধিছে। সম্পাদনা সমিতিৰ সন্মানীয় সদস্যসকলৰ লগতে প্ৰবিষ্টি লেখক-লেখিকাসকললৈ শলাগ শৰাই যাচিলোঁ। সহকাৰী সম্পাদক আৰু আমাৰ প্ৰাক্তন ছাত্ৰ শ্ৰীগোলাপ সূতলৈ ধন্যবাদ। কোষ গ্ৰন্থখনিৰ প্ৰকাশনাৰ গধুৰ দায়িত্ব বহন কৰা জ্যোতিপ্ৰকাশনৰ শ্ৰীযুত নগেন শৰ্মাদেৱো আমাৰ শলাগৰ ভাগী।

তাৰিখ ঃ ১৪-২-০৯

নাৰায়ণ দাস
অতিথি অধ্যাপক আৰু প্ৰাক্তন মুৰব্বী
অসমীয়া বিভাগ
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়

# জপনামুখত

ইং ১৯৯৪ চনতেই প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ হৈ পোন প্ৰথম নিজা খৰছত *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাব* নামেৰে গ্ৰন্থ এখন প্ৰকাশ কৰিছিলোঁ। মুখ্যত ঃ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ প্ৰতি আমি দৃষ্টি ৰাখিছোঁ যদিও অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ যিটো দিশৰ চিন্তা-চৰ্চা কম সেয়া পূৰ্ণ কৰিবৰ বাবেই আমাৰ বিভাগে গ্ৰন্থ নিজা ৰবীয়াকৈ প্ৰস্তুত কৰি প্ৰকাশত গুৰুত্ব দি আহিছে। এই বাবেই আমি প্ৰকাশ কৰি উলিয়াও *অসমীয়া সংস্কৃতিৰ কণিকা* নামৰ গ্ৰন্থখনি। এই গ্ৰন্থখনে অভূতপূৰ্ব সঁহাৰি লাভ কৰে— অসমৰ সহৃদয় পাঠক সমাজৰপৰা। *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাব* নামৰ গ্ৰন্থখনে সম্প্ৰতি তৃতীয় সংস্কৰণত ভৰি দিয়াৰ দৰে এই *অসমীয়া সংস্কৃতিৰ কণিকা* গ্ৰন্থখনিয়ে তৃতীয় সংস্কৰণৰ মুখ দেখিছে। ড° নাৰায়ণ দাসৰ সম্পাদনাত অসমীয়া বিভাগে ১৯৯৮ চনত প্ৰকাশ কৰি উলিয়াইছে অজ্ঞাত লেখকৰ *কথা-ঘোষা* নামৰ দুষ্প্ৰাপ্য গ্ৰন্থখনি। আমাৰ এই বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীসুশীল শৰ্মাৰ অৱসৰৰ দিনটোত সম্ভাষণ জনাওঁ তেখেতৰেই নিৰ্বাচিত এটি অনবদ্য কাব্য সংকলন *জোনাক বাতিৰ আৰতি* (১৯৯৮)ৰ জৰিয়তে। ৰামধেনু যুগৰ এই বিশিষ্ট কবি গৰাকীৰ কোনো কাব্যগ্ৰন্থ আগতে প্ৰকাশ হোৱা নাছিল। ইং ২০০১ চনত আমাৰ সম্পাদনাত *অসমীয়া জাতি আৰু সংস্কৃতি* নামৰ অন্য এখনি গ্ৰন্থ অসমীয়া বিভাগে প্ৰকাশ কৰিছে। এই গ্ৰন্থখনিৰো দ্বিতীয় সংস্কৰণ প্ৰকাশৰ পথত।

এইবেলি ড° প্ৰণতি শৰ্মা গোস্বামী আৰু ড° বিভা ভৰালীৰ যুঁটীয়া সম্পাদনাত আমি প্ৰকাশ কৰিছোঁ অসমীয়া *ভাষা-সাহিত্যৰ শোভা* শীৰ্ষক গ্ৰন্থখনি। প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমলৈ দৃষ্টি ৰাখি উল্লিখিত গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে। দুয়োগৰাকী সম্পাদিকাই নিষ্ঠা সহকাৰে গ্ৰন্থখনি সম্পাদনাত গুৰুত্ব দিছে।

পাঁচশ তেইছটা প্ৰবিষ্টিৰে *অসমীয়া সংস্কৃতিৰ কণিকাৰ* পৰিবৰ্ধিত সংস্কৰণ ইতিমধ্যে আমাৰ বিভাগৰ হৈ চন্দ্ৰ প্ৰকাশে প্ৰকাশ কৰিছে।

অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ বিভিন্ন প্ৰবিষ্টিৰে এখনি *সংস্কৃতি-কোষৰ* প্ৰকাশৰ বাবে এক মহৎ লক্ষ্য আৰু উদ্দেশ্যৰে আমি *অসমীয়া সংস্কৃতিৰ কণিকা* নামৰ গ্ৰন্থখনি প্ৰস্তুত কৰিছিলোঁ প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে। এতিয়া আঠশ আঠাবনটা প্ৰবিষ্টিৰে *অসমৰ সংস্কৃতি -কোষ* আমি ভৱিষ্যতে পৰিবৰ্ধিত ৰূপত প্ৰকাশ কৰাৰ উদ্দেশ্যৰে প্ৰকাশৰ বাবে আগবঢ়াইছে দিছোঁ। এইবেলি নতুন প্ৰবিষ্টি সংযোগত বিশেষভাৱে সহযোগ আগবঢ়াইছে- ড° উপেন

ৰাভা হাকাচামে আৰু লগতে আমাৰ ছাত্ৰ মনোজ কুমাৰ দাস, নচিফা ইছলাম ৰাজবংশী, নীলাক্ষী কলিতা, কৰবী খেৰকটাৰী, বিনীতা পাঠক আদিয়ে আগবঢ়াইছে একান্ত সহযোগ। সহযোগী সম্পাদক শ্ৰী গোলাপ সূতৰ কথা নক'লোৱেই যেনিবা। বিভাগীয় সতীৰ্থ আটাইৰে সহযোগিতা অবিহনে গ্ৰন্থখনে প্ৰকাশৰ মুখ নেদেখিলেহেঁতেন। অধ্যক্ষ মহোদয়ে আগকথা লিখি দিয়াৰ উপৰিও আমাক প্ৰেৰণা দিয়াৰ বাবে শলাগ জ্ঞাপন কৰিলোঁ।

আচলতে এইগ্ৰন্থখনিৰ সিংহভাগ কৃতিত্বৰ দাবী কৰিব পাৰে আমাৰ আটাইৰে শ্ৰদ্ধেয় মুখ্য সম্পাদক ড° নাৰায়ণ দাস ছাৰে। তেখেতৰ ব্যক্তিগত উদ্যোগতেই আমি এই বৌদ্ধিক নাওখন চলাই নিছোঁ সম্পাদকৰ নামাৱলী গাত পিন্ধি। শ্ৰদ্ধেয় ছাৰলৈকো নিৱেদিছোঁ আমাৰ বিশেষ কৃতজ্ঞতা। শ্ৰীমতী গিৰিবালা তালুকদাৰলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

বিজ্ঞসকলে আমাৰ অনিচ্ছাকৃত ভুল-ত্ৰুটী শুধৰাই দিলে ভৱিষ্যতে পৰবৰ্ধিত সংস্কৰণত আমি শুধৰাম বুলি প্ৰতিশ্ৰুতি দিলোঁ। শেষত গ্ৰন্থখনি আন্তৰিকতাৰে আমাৰ বিভাগৰ হৈ প্ৰকাশৰ বাবে আগবঢ়া জ্যোতিপ্ৰকাশৰ স্বত্বাধিকাৰ শ্ৰী নগেন শৰ্মা দেৱলৈকো শলাগৰ শৰাই নিৱেদিছোঁ।

তদুপৰি যিসকলে একক নিষ্ঠাসহকাৰে প্ৰবিষ্টিসমূহ আমালৈ প্ৰেৰণ কৰিছে সেইসকলো ধন্যবাদৰ পাত্ৰ। ধন্যবাদৰ পাত্ৰী অক্ষৰ বিন্যাসৰ শৰ্মিলা দাস।

আগৰ গ্ৰন্থকেইখনৰ দৰে এই গ্ৰন্থখনিক পাঠক সমাজে আদৰি ল'লে আমি নিজকে ধন্য মানিম।

গুৱাহাটী
২৭ ডিচেম্বৰ, ০৮

পৰমানন্দ ৰাজবংশী
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়

# নিবন্ধকাৰ পৰিচিতি

| | | |
|---|---|---|
| অ. চৌ. | ঃ | অঞ্জনা চৌধুৰী (ছয় মাইল, গুৱাহাটী) |
| আ. ব. | ঃ | আৰতি বৰঠাকুৰ (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা) |
| ই. ক. | ঃ | ড° ইন্দ্ৰানী কলিতা (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| উ.ৰা.হা. | ঃ | ড° উপেন ৰাভা হাকাচাম (গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰিডাৰ) |
| ক.খে. | ঃ | কৰবী খেৰকটাৰী, (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| ক. ব. | ঃ | কমলেশ্বৰ বৰা (দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰবক্তা) |
| ক. তা. | ঃ | ড° কল্পনা তালুকদাৰ (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| কি. ক. | ঃ | কিশোৰ কলিতা (ছমৰীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| গ. পে. | ঃ | ড° গণেশ পেগু (বিশিষ্ট গৱেষক) |
| গো. সূ. | ঃ | গোলাপ সূত (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| জি. ৰ. | ঃ | জিয়াউৰ ৰহমান (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ প্ৰাক্তন ছাত্ৰ) |
| জ্যো. ডে. | ঃ | জ্যোৎস্না ডেকা (গৱেষিকা ছাত্ৰী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়) |
| জ্যো. দা. | ঃ | জ্যোৎস্না দাস (*দশৰূপকৰ* সহযোগী ভাঙনিকাৰ) |
| দ. পা. | ঃ | ড° দয়ানন্দ পাঠক (অধ্যক্ষ, প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়) |
| দে. ডে. | ঃ | দেৱজিৎ ডেকা (প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰবক্তা) |

দী. দে. : দীপিকা দেৱী (অতিথি প্ৰৱক্তা, অসমীয়া বিভাগ, প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়)

দু. ব.: দুলেন বৰা (গৱেষক-ছাত্ৰ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়)

দে. দা. : দেৱজিৎ দাস (দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা)

ধ. ব. : ধৰ্মেশ্বৰ বড়া (দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু নিবন্ধকাৰ)

ন. ই. ৰা. : নছিফা ইছলাম ৰাজবংশী (ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰৱক্তা)

ন. চৌ. : নমিতা চৌধুৰী (দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰৱক্তা)

না.দা. : ড° নাৰায়ণ দাস (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী আৰু অতিথি অধ্যাপক)

নি. শ. : নিৰল শৰ্মা (দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মুখ্য সহায়ক আৰু *কৌমুদীৰ* সম্পাদক)

নী. ক. : নীলাক্ষী কলিতা (পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা)

প. কু. ডে. : পংকজ কুমাৰ ডেকা (ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা)

প. ৰা. : ড° পৰমানন্দ ৰাজবংশী (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক)

প. পা. : পৰিণীতা পাটোৱাৰী (গৱেষিকা-ছাত্ৰী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়)

প. আ. : পশ্চিমউদ্দিন আহমেদ (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক)

পা. দ. : পাপৰি দত্ত (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ প্ৰাক্তন ছাত্ৰী)

পৃ. ক. : ড° পৃথাৰাণী কৰ (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা)

প্ৰ. শ. গো. : ড° প্ৰণতি শৰ্মা গোস্বামী (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা প্ৰৱক্তা)

| | | |
|---|---|---|
| প্র. দা. | ঃ | প্ৰসেনজিৎ দাস (উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ গৱেষক) |
| ফ. তা. | ঃ | ফণিধৰ তালুকদাৰ (বি. এইচ. বি. কলেজৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক) |
| ব. কু. দা | ঃ | ড° বলেন্দ্ৰ কুমাৰ দাস (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন জ্যেষ্ঠ প্ৰবক্তা আৰু পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ ) |
| ব. চে. | ঃ | বৰ্ণালী চেতীয়া (গৱেষিকা ছাত্ৰী, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়) |
| বি. ভূ. ব | ঃ | বিন্দু ভূষণ বৰা (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ বাণিজ্যিক বিভাগৰ প্ৰবক্তা) |
| বি. পা. | ঃ | বিনীতা পাঠক (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ শাখাৰ প্ৰাক্তন ছাত্ৰী) |
| বি. ভ. | ঃ | ড° বিভা ভৰালী (প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন জ্যেষ্ঠা প্ৰবক্তা আৰু সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ) |
| বি. চ. ব. | ঃ | বিমল চন্দ্ৰ বৰদলৈ (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা) |
| বী. কু. শ. | ঃ | বীৰেন্দ্ৰ কুমাৰ শৰ্মা (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক) |
| বৈ. ৰা. | ঃ | বৈকুণ্ঠ ৰাজবংশী (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা) |
| ভূ. সি. | ঃ | ভূপেন সিং (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ) |
| ম.কু.দা. | ঃ | মনোজ কুমাৰ দাস (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ প্ৰাক্তন ছাত্ৰ) |
| ম. গো. | ঃ | মঞ্জু গোস্বামী (আৰ্য বিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা) |
| ম. দে. | ঃ | মঞ্জুলা দেৱী (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অতিথি প্ৰবক্তা) |
| য. মা. | ঃ | যমুনা মালী (দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা প্ৰবক্তা) |

ৰ.ৰ.দা. : ৰঙ্গ ৰঞ্জন দাস (গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আইন গৱেষণা অনুষ্ঠানৰ গৱেষণা বিষয়া)

স. শ. : সংগীতা শৰ্মা (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ প্ৰাক্তন ছাত্ৰী)

সু. শ. : সুশীল শৰ্মা (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক)

সো. বু. : ড° সোণালী বুঢ়াগোহাঞি (প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ জ্যেষ্ঠা প্ৰৱক্তা)

হে. ৰা. : হেমেন ৰাজবংশী (টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা)

• • •

# বিষয়-সূচী


অইনিঃতম /১
অগৰুৰ ব্যৱহাৰ /২
অগ্নিগড়/২
অংকীয়া ভাওনা/৩
অনাকটা কাপোৰ /৪
অপৰাজিতা পূজা/৪
অপ্সৰা নৃত্য /৫
অপেচৰী নাম / অপেচৰী সবাহ /৫
অম্বুবাচী /৬
অৰ্ধচন্দ্ৰ /জোনবিৰি /৭
অ'ৰি - (এউৰি) গীত /৭
অশোকাষ্টমী /৮
অসম /৯
অসম নামৰ ব্যুৎপত্তি /৯
অসমত আয়ুৰ্বেদ চৰ্চা /১০
অসমত জ্যোতিষ চৰ্চা /১১
অসমত দেৱদাসী নৃত্যৰ পৰম্পৰা /১২
অসমত ৰং প্ৰস্তুত কৰা প্ৰণালী /১৩
অসমৰ খেল ধেমালি /১৪
অসমৰ গছ -গছনি /১৫
অসমৰ চৰাই- চিৰিকতি /১৬
অসমৰ চাহ জনজাতি সমাজত লোকবিশ্বাস/১৭
অসমৰ চাহ জনজাতিৰ লোকাচাৰত ঘটি -পানী/১৮
অসমৰ চাহ জনজাতিৰ লোকাচাৰতপীৰা/১৯
অসমৰ চিত্ৰ-কলা /১৯
অসমৰ ধান- চাউল /২১
অসমৰ নদ-নদী /২২
অসমৰ নাও খেল/২৩
অসমৰ পৰ্বত ভৈয়ামৰ আনদ্ধ বাদ্য /২৪
অসমৰ পৰ্বত ভৈয়ামৰ ঘনবাদ্য /২৫
অসমৰ পৰ্বত ভৈয়ামৰ ততবাদ্য /২৬
অসমৰ পৰ্বত ভৈয়ামৰ সুষিৰবাদ্য /২৬
অসমৰ পাটী শিল্প/২৭
অসমৰ পুথিচিত্ৰ : *অজামিলোপাখ্যান* /২৮
অসমৰ পুথিচিত্ৰ : *অজামিল উপাখ্যান নাট* /২৯
অসমৰ পুথিচিত্ৰ : *অধ্যাত্ম ৰামায়ণ* /২৯
অসমৰ পুথিচিত্ৰ : *অনাদি পাতন* /৩০
অসমৰ পুথিচিত্ৰ : *অষ্টমস্কন্ধ ভাগৱত* /৩০
অসমৰ পুথিচিত্ৰ : *আদ্য দশম* (ৰুচিবাপু চিত্ৰিত) /৩১
অসমৰ পুথিচিত্ৰ : *আনন্দ লহৰী* /৩২
অসমৰ পুথিচিত্ৰ : *একাদশস্কন্ধ ভাগৱত* /৩২
অসমৰ পুথিচিত্ৰ : *কৰ্ণপৰ্ব* /৩৩
অসমৰ পুথিচিত্ৰ : *কীৰ্তন* /৩৩
অসমৰ পুথিচিত্ৰ : *কুমৰহৰণ কাব্য* /৩৪
অসমৰ পুথিচিত্ৰ : *গদ্য ভাগৱত* /৩৫
অসমৰ পুথিচিত্ৰ : *গীত গোবিন্দ* /৩৫
অসমৰ পুথিচিত্ৰ : *চিত্ৰ ভাগৱত* /৩৬
অসমৰ পুথিচিত্ৰ : *তীৰ্থ কৌমুদী* /৩৭
অসমৰ পুথিচিত্ৰ : *দৰং ৰাজবংশাৱলী* /৩৮
অসমৰ পুথিচিত্ৰ : *ধৰ্ম পুৰাণ* /৩৯
অসমৰ পুথিচিত্ৰ : *পাৰিজাত হৰণ অংক* /৪০
অসমৰ পুথিচিত্ৰ : *বৃহৎ উষাহৰণ* /৪০
অসমৰ পুথিচিত্ৰ : *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* /৪১
অসমৰ পুথিচিত্ৰ : *ভক্তি - ৰত্নাৱলী* /৪২
অসমৰ পুথিচিত্ৰ : *ভাগৱত পুৰাণ* (সংস্কৃত) /৪২
অসমৰ পুথিচিত্ৰ : *মাধৱ কন্দলিৰ ৰামায়ণ* /৪৩
অসমৰ পুথিচিত্ৰ : *লৱ-কুশৰ যুদ্ধ* /৪৪
অসমৰ পুথিচিত্ৰ : *শংখচূড় বধ* /৪৫
অসমৰ পুথিচিত্ৰ : *শ্ৰীহাটী সত্ৰৰ আদ্য দশম* /৪৫
অসমৰ পুথিচিত্ৰ : *হস্তিবিদ্যাৰ্ণৱ* /৪৬
অসমৰ পুৰণি স্থাপত্য /৪৭
অসমৰ পোক -পৰুৱা /৪৯
অসমৰ বনৌষধি /৪৯
অসমৰ বাদ্য -যন্ত্ৰ /৫০
অসমৰবৃত্তিয়াল সম্প্ৰদায় সমূহ /৫১
অসমৰ বেজ বেজালি /৫২
অসমৰ মাছ -পুঠি /৫৩
অসমৰ মাছ ধৰা সজুলি /৫৪
অসমৰ মানুহৰ চোতালখন /৫৪
অসমৰ মুৰুলীধৰ কৃষ্ণৰ ধাতৱ মূৰ্তি /৫৫

অসমৰ লাডুৱা গোপাল আৰু
লক্ষ্মীনাৰায়ণৰ ধাতৱ মূৰ্তি /৫৫
অসমৰ শৈৱ মূৰ্তিকলা /৫৬
অসমৰ হাতী দাঁতৰ শিল্প /৫৭
অসমীয়া আহাৰ -পানী /৫৭
অসমীয়া কাপোৰৰ চানেকি /৫৯
অসমীয়া তিৰোতাৰ সাজপাৰ /৬০
অসমীয়া পাগুৰি /৬১
অসমীয়া পিঠা-পনা /৬২
অসমীয়া পুৰুষৰ সাজ /৬২
অসমীয়া প্ৰসাধন সামগ্ৰী /৬৪
অসমীয়া বাৰমাহী গীত /৬৫
অসমীয়া মানুহৰ উপাধি /৬৫
অসমীয়া লোক সংস্কৃতিত কল /৬৬
অসমীয়া লোকসংস্কৃতিত কুকুৰা চৰাই /৬৭
অসমীয়া লোক সংস্কৃতিত বাঁহ /৬৮
অসমীয়া লোক সংস্কৃতিত হুদু চৰাই /৬৯
অসমীয়া সংস্কৃতিত ঢেঁকী /৭০
অসমীয়া সংস্কৃতিত তুলসী /৭১
অসাৰেকা পঙ্খ /৭২
অক্ষয় বন্তি /৭২
আ-অলংকাৰ /৭৩
আইনাম /৭৪
আইলাপূজা /৭৫
আওচা-পাটানি-পাচাৰা /৭৬
আকাশ বন্তি /৭৭
আখেৰি চাহাৰ ছোম্বা /৭৭
আখৈ /৭৮
আখৈ তোলা /৭৯
আগ অনা /৭৯
আঙঠি /৮০
আঙঠি পিন্ধোৱা /৮০
আঙঠি লুকোৱা খেল /৮১
আজান ফকিৰ /৮২
আঠমঙলা /৮৩
আঠে তিতা মাহে পিঠা /৮৩
আতছ বাজী /৮৪
আপং /৮৫
আপাটানি সমাজৰ বিয়াবাৰু /৮৫
আপী ওজা /৮৭
আমবাৰীৰ মৃন্ময় ভাস্কৰ্য /৮৭
আমবাৰীৰ শৈলমূৰ্তি কলা /৮৮
আমৰলি টোপ /৮৯
আৰাণ উৎসব /৮৯
আৰ্ণৰ্মি আহেম কাচিলুত /৯০
আৰনাই /৯১
আঁৰিয়া /৯১
আৰিয়া /৯১
আলপনা /৯২
আল্‌লগা বামুণ /৯২
আলি-আই- লৃগাং /৯৩
আহোম যুগৰ অস্ত্ৰ শস্ত্ৰ /৯৪
আহোম যুগৰ কৰ কাটল /৯৪
আহোম যুগৰ স্থাপত্য /৯৫
আহোম যুগীয় মহিষমৰ্দিনীৰ
ধাতৱ-প্ৰতিমা /৯৬
আহোম সকলৰ সাজৰ বাবে দৰৱৰ
পিঠা প্ৰস্তুতি/৯৭
আয়তীৰ তেল -সিন্দূৰ /৯৭
ঈদল-ফিতৰ /৯৮
উধান উঠোৱা/৯৮
উপনয়ন /৯৯
উম্ৰাপূজা /১০০
এলেং আঁচচ /১০১
ওজাপালি /১০২
ওম্‌ফা পূজা /১০৩
ওৱাংগালা /১০৩
কঁকাল চিএল পিঠা /১০৫
কণ্ডালী বিহুৰ গীত-মাত
(দক্ষিণ কামৰূপৰ) /১০৫
কচুগুটি খেল /১০৬
কঠ /১০৬
কঁঠাল পিঠা আৰু কল পিঠা /১০৭
কণীযুঁজ /১০৭
কধৰা টনা খেল /১০৮
কনাই /১০৮
কপালী / টিক্‌লী /১০৯
কপৌ ফুল /১১০
কবীৰা গীত /১১১
কমৰধনি বা কৰ্থনি /১১১

কমাৰ শালিৰ শব্দ /১১২
কৰতাল /১১২
কৰভাৰ /১১৩
কৰম পুৰুষ /১১৩
কৰাই ১ /১১৪
কৰাই ২ /১১৫
কৰাল /১১৫
কলা খাৰ /১১৬
কল্যাণ ধৰমান /১১৭
কড়ি খেল /১১৭
কাজল বুলীয়া দাঁত /১১৮
কাণ ফুলি /১১৯
কাণ বিন্ধনি /১১৯
কাতি পূজা /১২০
কাতি বা কঙালী বিহু /১২১
কাতি গাছি /১২২
কামৰূপ নামৰ ব্যুৎপত্তি /১২৩
কামৰূপীয়া ঢুলীয়া /১২৪
কামাখ্যা দেৱালয়ৰ দেৱলীয়া লেখ /১২৫
কামাখ্যা ধামৰ অম্বুবাচী মেলা /১২৫
কামাখ্যা ধামৰ চ'ৰাব্ৰত /১২৬
কামাখ্যা ধামৰ পুষ্যাভিষেক উৎসৱ /১২৬
কামাখ্যা নামৰ ব্যুৎপত্তি /১২৭
কাম্বুং/কাম্বং /১২৮
কাৰছি পূজা /১২৯
কাৰ্বি মহিলাৰ আ অলংকাৰ /১২৯
কাৰ্বিসকলৰ সাজ-পাৰ /১২৯
কাৰ্বি সকলৰ দেহাল উৎসৱ /১৩০
কাৰ্বি সকলৰ বয়ন শিল্প /১৩১
কাৰ্বি সংস্কৃতিত বিয়াবাৰু /১৩১
কাৰা বাঁহী /১৩২
কালঝাৰ সত্ৰৰ জগন্নাথৰ নাম উৎসৱ /১৩২
কাল সংহতি /১৩৩
কালি /১৩৪
কাঁহ /১৩৪
কাজী আৰু খাৰলি /১৩৫
কিৰাত সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্য /১৩৫
কীৰ্তন /১৩৬
কুকি জনজাতিৰ সাজ-পাৰ /১৩৭
কুকি সকলৰ আ-অলংকাৰ /১৩৭
কুকুৰা যুঁজ ১ /১৩৮
কুকুৰা যুঁজ ২ /১৩৮
কুণ্ডিল নগৰৰ মৃন্ময় ভাস্কৰ্য /১৩৮
কুমাৰৰ বাচন বৰ্তন /১৩৯
কুমাৰী পূজা /১৪০
কুলা বুটী /১৪১
কুশান গান /১৪২
কুঁহিলা শিল্প /১৪২
কুঁহিয়াৰ শাল /১৪৩
কুঁহিয়াৰ শালৰ শব্দ /১৪৪
কৃষি সম্বন্ধীয় লোকবিশ্বাস /১৪৪
কেঁচাই খাতী /১৪৫
কেঁকোৰা দোলা /১৪৫
কেক /১৪৬
কোচ আমোলৰ অসমত শৈৱ ধৰ্ম /১৪৬
কোচ ৰাভাসকলৰ কন্তুক-বাম্বেক পূজাৰ গীত /১৪৭
কোমল চাউল /১৪৭
কোমোৰা খেল /১৪৮
কৌতুকী পূজা /১৪৮
খচনে বা খদাবাং /১৪৯
খঞ্জৰি /১৪৯
খটৰা সত্ৰৰ পচোতি উৎসৱ /১৫০
খদা, পাচি আৰু কুলা /১৫১
খনিকৰ /১৫২
খৰম /১৫৩
খৰিকা টনা কৰা /১৫৩
খৰিচা /১৫৪
খৰি দিয়া /১৫৫
খাচি সকলৰ বিয়াবাৰু /১৫৬
খাতিৰ ভাৰ /১৫৬
খাৰু /১৫৭
খুলি গুটি খেল /১৫৭
খুলীয়া ভাউৰীয়া /১৫৭
খ্ৰীং খ্ৰীং বাইথ /১৫৮
খেতৰ /১৫৯
খেতি বাতিৰে সম্পৰ্কিত শব্দ /১৬০
খেৰ পুঁজি /১৬০
খেৰাই /১৬১
খেল প্ৰথা /১৬১

খোক্‌চি পূজা /১৬২
খোপা /১৬৩
খোল /১৬৪
খোলা চাপৰি পিঠা /১৬৪
গগনা /১৬৫
গছ বিয়া /১৬৬
গন্ধ /১৬৬
গৰখীয়া ভাৰ /১৬৭
গৰখীয়া সবাহ /১৬৭
গৰু গাড়ীৰে সম্পৰ্ক থকা শব্দ /১৬৮
গলপতা /১৬৮
গ'লিৰ নাম /১৬৯
গড়গএরা চিত্ৰশৈলী /১৬৯
গাঁঠিয়ন খুন্দা /১৭০
গা-ধন-কৰ /১৭১
গাভৰু চাং /১৭১
গাম খাৰু, মুঠি খাৰু /১৭২
গামছা / পাজাল /১৭২
গামোচা / ১৭৩
গাৰজা পূজা /১৭৪
গাবৈ ব্ৰত /১৭৫
গাৰো জনজাতিৰ সাজ-পাৰ /১৭৫
গাৰোসকলৰ আগালমাকা /১৭৬
গাৰোসকলৰ দোচীয়া উৎসৱ /১৭৭
গাৰো সকলৰ মাঙোনা /১৭৮
গাৰোসকলৰ মৃতদেহ সৎকাৰ /১৭৮
গাৰোসকলৰ ৰংচুগালা /১৮৯
গীতাল / গীদাল /১৭৯
গুমৰাগ নৃত্য /১৮০
গুৰু আসন /১৮১
গেৰবা উৎসৱ /১৮১
গোছ উঠা উৎসৱ /১৮২
গোছ ৰোৱা বা ভুঁই ৰোৱা উৎসৱ /১৮৩
গোপাল ভোগ /১৮৩
গোপী ভংগি /১৮৩
গোপী যন্ত্ৰ /১৮৪
গোৱালিনী যাত্ৰা /১৮৪
গোসাঁই প্ৰৱেশৰ নাচ /১৮৫
গোসাঁই বিহু /১৮৫
ঘট /১৮৬
ঘণ্টা /১৮৬
ঘৰ জোঁৱাই আৰু ঢোকা ৰখা /১৮৬
ঘৰ-বাৰী /১৮৭
ঘিলা খেল /১৮৮
ঘিলাখেল আৰু বিহুগীত /১৮৯
ঘোঁৰা বাক /১৮৯
চক'ঢাৰি /১৯০
চকো-মাখাম তানকায়
(মদ আৰু ঝুগলী পতা) /১৯০
চকলং /১৯১
চজুন (কাৰ্বি) /১৯১
চট্‌কা গান /১৯২
চতুৰ্দশ শতাব্দীৰ অসমৰ বাসুদেউ
উপাসনা /১৯২
চন্‌চাৰী পূজা /১৯৩
চঁপাপতীয়া কাপোৰ /১৯৩
চমৰীয়া সত্ৰৰ মৃন্ময় ভাস্কৰ্য /১৯৪
চ'মাংকান /১৯৫
চৰ অঞ্চলৰ মহিলাৰ গহনা-গাঁঠৰি /১৯৫
চৰমগা প্ৰথা /১৯৬
চলুং উৎসৱ /১৯৭
চহৰাই পৰব /১৯৮
চড়ক পূজা বা চৈতপৰব /১৯৮
চাউল ভোজনি /১৯৯
চাং /২০০
চামাদি /২০১
চাৰিশু‌া /২০২
চাৰুল পৰব /২০২
চালিনাচ /২০৩
চাহ জনজাতিৰ ফুছপুণীমা'ৰ পূজা /২০৪
চিংফৌসকলৰ বিয়াবাৰু /২০৫
চিতা /২০৫
চিতিপতি /২০৬
চিত্ৰাচল - কল্যাচলৰ নৱগ্ৰহপূজা /২০৬
চিফুং /২০৭
চিৰা /২০৮
চিয়াঁ গীত /২০৮
চিয়াঁহি প্ৰস্তুত কৰা প্ৰণালী /২০৯
চু /২১০
চুঙাপিঠা /২১০

চুজেঁ /২১১
চুতীয়াসকলৰ গৰখীয়া ভোজ বা
গৰখীয়া চাউল /২১২
চুতীয়াসকলৰ ন-ভুঁই /২১২
চুতীয়াসকলৰ পানী তোলা বৰ সবাহ/২১৩
চুতীয়াসকলৰ ভঁৰালত পিঠা দিয়া /২১৩
চুন্নত /২১৪
চেও চাপৰি নাম /২১৪
চেৰ' নাচ /২১৫
চেৰাঢেক /২১৬
চেৰা বিহু /২১৭
চেৰ্জা /২১৭
চৈতেলি গোৱা /২১৭
চোমদেৱ, ছেংদেৱৰ পূজা /২১৮
চৌ খেল /২১৯
চৌ পূজা /২১৯
ছংখং পূজা /২২০
ছগ্রামিছৰা /২২১
ছঠ পূজা /২২২
ছয়গাঁৱৰ ভাস্কৰ্য কলা /২২৩
ছয়গাঁৱৰ মূৰ্তি কলা /২২৪
ছাথাৰ গীত আৰু নৃত্য /২২৫
ছোঁ মুখা /২২৫
ছোংবাই তাংগুি/হাছং/লাঙামাৰা
(কাচাইখাতী) /২২৬
জগদ্ধাত্রী পূজা /২২৭
জননী /২২৮
জপা /২২৯
জপাথোৱা /২২৯
জলডাঙৰীয়াৰ ঠগী পূজা /২৩০
জহং উৎসৱ /২৩১
জয়ঢোল /২৩২
জয়ন্তীয়া সমাজৰ বিয়াবাৰু /২৩২
জয়সাগৰ দেৱালয়ৰ বিষ্ণুমূৰ্তিত
পূজা- সেৱাৰ্থে নিয়োজিত
বিষয়া-কৰ্মচাৰী /২৩৩
জাকাত /২৩৪
জাগাৰ (কালী/হোলী) /২৩৫
জাগাৰ পূজা /২৩৫
জাংফাই কেৰু /২৩৬
জাপি /২৩৬
জামুগুৰি হাটৰ বাঘাংচেঁটা /২৩৭
জাৰী গীত /২৩৮
জাৰী যোঁৰা /২৩৯
জিকিৰ /২৪০
জিৰ কেদাম /২৪১
জিন /২৪২
জুনা /২৪৩
জেউৰা খুউৰা /২৪৩
জেং বিহু /২৪৪
জেজেৰা দল /২৪৫
জেঠুৰা উৎসৱ /২৪৫
জেতুকা /২৪৬
জেমী নগা জনজাতিৰ সাজ -পাৰ /২৪৭
জেমী নগাসকলৰ পৰম্পৰাগত
আ-অলংকাৰ /২৪৭
জোনবিল মেলা /২৪৮
জোৰণ (তেলৰ ভাৰ) /২৪৯
জোৰা বা গণিকা /২৫০
ঝুমকা /২৫০
ঝুমুৰ নাচ /২৫০
ঝুমুৰ নৃত্য /২৫১
টকা /২৫২
টাই আহোম চিত্রশৈলী /২৫৩
টাই ফাকিয়ালৰ বিয়াবাৰু /২৫৩
টাই ফাকেৰ টোপোলা ভাত /২৫৪
টাং ভোটা /২৫৫
টাংখুল সকলৰ বিয়াবাৰু /২৫৫
টুকুৰীয়া পূজা /২৫৫
টু হ্রাং /২৫৬
টুটু পৰৱ /২৫৭
টুকং সকলৰ চদগ্রৌ /২৫৮
টেকেলি পিঠা /২৫৯
টেমেকা /২৫৯
টেৰা কটা ভাস্কৰ্য /২৬০
টোকাৰী /২৬২
ঠগা /২৬২
ডখৰা খাৰ /২৬২
ডম্বৰু /২৬৩
ডাকৰ বচনত লোক চিকিৎসা /২৬৩

ডিণ্ডিম /২৬৪
ডিমাছা কছাৰীৰ গেৰবা উৎসব /২৬৪
ডিমাছা জনগোষ্ঠীৰ বিবাহ উৎসব /২৬৫
ডিমাছা জনজাতিৰ সাজ-পাৰ /২৬৬
ডিমাছাৰ বুচুমা বিহু /২৬৭
ডিমাছাসকলৰ পৰম্পৰাগত
আ-অলংকাৰ /২৬৭
ডিমাছাসকলৰ বিয়াবাৰু /২৬৮
ডুকুলা /ডুকুলি/ডুগি /২৬৯
ডুগডুগী /পেচন্দাৰ /২৬৯
ডেকাচাং /২৭০
ঢাক /২৭০
ঢুলীয়া চং /২৭১
ঢুলীয়া ভাওনা /২৭১
ঢেঁকী শাল /২৭২
ঢেপা ঢুলীয়া /২৭৩
ঢোল /২৭৪
ঢোলক /২৭৫
ঢোলবিৰি /২৭৬
তাঁত শাল /২৭৬
তাঁতশাল পূজা /২৭৭
তবলা /২৭৮
তামোলৰ আমোল মোল /২৭৮
তাম্ৰেশ্বৰী মন্দিৰৰ গোসাঁনী /২৭৯
তাল /২৮০
তালপিঠা /২৮১
তিৰিৰ মিঠা খাৰী /২৮১
তিলনি /২৮১
তিৱা সকলৰ ইয়ালিং উৎসব /২৮২
তিৱাৰ বোকা নাচ /২৮৩
তিৱাসকলৰ লাংখুন পূজা /২৮৪
তিৱা সমাজৰ মায়পথালা /২৮৪
তিহাৰ /২৮৫
তুলাপাত /২৮৬
তেজপুৰ-চিত্ৰলেখা উদ্যানত (কোলপার্ক)
সংৰক্ষিত ভাস্কৰ্য /২৮৭
তেজপুৰ-বৰালিমৰা সত্ৰৰ ভাস্কৰ্য /২৮৮
তেজপুৰ-বামুণী পাহাৰৰ স্থাপত্য-
ভাস্কৰ্য /২৮৯
তেজপুৰ-মাজ গাঁৱৰ মন্দিৰৰ ভাস্কৰ্য /২৮৯
তেজপুৰৰ মৃন্ময় ভাস্কৰ্য /২৯০
তেলীশাল /২৯১
তোলনি বিয়া /২৯২
ত্ৰিহুলীয়া গোসাঁই উলিওৱা মেলা /২৯৩
ত্ৰৌৰ্যতিক যন্ত্ৰ /২৯৪
থাবল চোংবী নৃত্য /২৯৫
থিয়নাম /২৯৫
থুৰিওৱা তামোল /২৯৬
থুৰীয়া /২৯৬
থোকাসোণা /২৯৭
দ'খনা /২৯৭
দগৰ /২৯৭
দচৈ /দসৈঁ /দশৈ /২৯৮
দধিমন্থন উৎসৱৰ লোকবিশ্বাস /২৯৯
দ-পৰ্বতীয়াৰ শৈল মন্দিৰৰ ভাস্কৰ্য /৩০০
দ-পৰ্বতীয়াৰ শৈৱ মন্দিৰৰ স্থাপত্য /৩০১
দবুৰ উয়ুঁ (পূজা) /৩০১
দৰ পূজা /৩০২
দৰঙী চিত্ৰশৈলী /৩০৩
দৰঙৰ দেউল /৩০৪
দৰঙৰ বাসুদেউ পূজা /৩০৫
দৰঙৰ মথনী /৩০৫
দশ পুতুল ব্ৰত /৩০৭
দশ সংস্কাৰ /৩০৭
দহৰ ফুৰোৱা /৩০৮
দক্ষিণ কামৰূপৰ কণ্ডালী বিহুৰ
গীত-মাত /৩০৯
দক্ষিণ কামৰূপৰ তোলনি বিয়াৰ
লোকবিশ্বাস/৩১০
দক্ষিণ কামৰূপৰ পেক্‌ভাওনা/৩১০
দক্ষিণ কামৰূপৰ সভা/৩১২
দক্ষিণ কামৰূপৰ সুঁৱৰি উৎসৱত
মালা দিয়া প্ৰথা/৩১২
দক্ষিণপাট সত্ৰৰ ৰাস/৩১৩
দাদাৰীয়া/৩১৪
দায়দি (কাঁহ বাদ্য)/৩১৫
দাহৰি ৰাভাসকলৰ তৰাঙৰ গীত/৩১৫
দিন ভাওনা/৩১৫
দীপান্বিতা/৩১৫
দুশৰি /৩১৬

দুন্দুভি /৩১৭
দুৰ্গা পূজাৰ কৃষিৰ অৰ্চনা /৩১৮
দেওধা /৩১৯
দেওধনী নাচ /৩১৯
দেওধনী নাচৰ মেছা /৩২০
দেনাপাৰা / দেনাবাৰা /৩২০
দেৱদাসী নৃত্য /৩২১
দেৱী মহিষমৰ্দিনী দুৰ্গাৰ অহা-যোৱা সম্পৰ্কীয় বিশ্বাস /৩২২
দৈয়ন দিয়া /৩২৩
দোতাৰা /৩২৩
ধনগুলৈ /৩২৪
ধৰমৰ ঘট /৩২৪
ধান উঠা উৎসৱ /৩২৫
ধান তাবিচ /৩২৫
ধুৰা নাট /৩২৬
ধেমালি আৰু চাহিনি /৩২৬
ধোঁৱা চাং /৩২৭
ন-কইনা আদৰা /৩২৮
ন-কইনা বিদায় /৩২৮
ন খোৱা বা নবান্ন উৎসৱ /৩২৯
নগাঁও ন থানৰ মৃন্ময় ভাস্কৰ্য/৩৩০
নগাঁও যোগীথানৰ মৃণ্ময় ভাস্কৰ্য/৩৩১
ন-গাধীৰ লগোৱা/৩৩১
নংক্ৰেম/৩৩১
নগ্ৰাং /৩৩২
নন্দোৎসৱ /৩৩৩
নৰকাসুৰ পাহাৰত প্ৰাপ্ত বিষ্ণুৰ ধাতৱ মূৰ্ত্তি/৩৩৩
নলবাৰীৰ ৰাস/৩৩৪
নাকফুলি/৩৩৫
নাগাৰা /৩৩৬
নাঙল ধোৱা পিঠা /৩৩৬
নাঙল-যুঁৱলি/৩৩৭
নাঙেলী গীত /৩৩৯
নাটুৱা /৩৩৯
নাড়ু ভংগি /৩৪০
নাথ সম্প্ৰদায়ৰ ৰাতি খোৱা সেৱা /৩৪১
নামঘৰ /৩৪১
নাম ডুমডুমীয়া সত্ৰৰ আহিনী মেলা /৩৪২
নামবন উৎসৱ /৩৪৩
নামাজ /৩৪৩
নাৰায়ণী মুদ্ৰা /৩৪৫
নিকাহ /৩৪৬
নিকা সংহতি /৩৪৬
নিচুকনি গীত /৩৪৭
নিমছ'কেকদে /৩৪৮
নি'য়কুম উৎসৱ /৩৪৯
নিয়ৰ ভঙা চিৰা/৩৪৯
নেকলেচ/৩৫০
নেজাল তৰা সম্পৰ্কীয় লোকবিশ্বাস/৩৫০
নেপালী সকলৰ তীজ উৎসৱ /৩৫০
নেপুৰ /৩৫১
নেপুৰ বা নুপুৰ /৩৫২
নোক-ফান-টে /৩৫২
পকালাড়ু /৩৫৩
পঁচতি /৩৫৩
পতাজাল /৩৫৪
পখী/৩৫৫
পঃৰাগ /৩৫৬
পলকুট /৩৫৭
পলাশবাৰীৰ ৰাস/৩৫৮
পয়চাংকেন /৩৫৯
পয়লেং /৩৬০
পঞ্চামৃত /৩৬০
পাইক প্ৰথা /৩৬১
পাইং পিঠা /৩৬২
পাউৰা তোলা /৩৬২
পাখোৱাজ /৩৬৩
পানী টেঙা /৩৬৩
পানী পৰুৱা দিয়া /৩৬৪
পাবনি উছৱ /৩৬৪
পাৰ নৃত্য /৩৬৫
পাৰ বাঁহ বা পাউৰাদেও /৩৬৬
পাৰ্হি ডোলা /৩৬৬
পাল নাম /৩৬৬
পাশা খেল /৩৬৮
পিঠা খোৱা সভা /৩৬৮
পুথুৰী খন্দা পদ্ধতি /৩৬৯
পুতলা নাচ /৩৭০

পুৰণি অসমৰ ইন্দ্ৰৰ ধাতৱ প্ৰতিমা /৩৭০
পুৰণি অসমৰ গণপতিৰ ধাতৱ প্ৰতিমা /৩৭১
পুৰণি অসমৰ জগদ্ধাত্ৰীৰ ধাতৱ প্ৰতিমা /৩৭২
পুৰণি অসমৰ তাৰাৰ ধাতৱ মূৰ্তি /৩৭২
পুৰণি অসমৰ ত্ৰিপুৰ ভৈৰৱীৰ ধাতৱ মূৰ্তি /৩৭২
পুৰণি অসমৰ দেৱী কালীৰ ধাতৱ প্ৰতিমা /৩৭৩
পুৰণি অসমৰ দেৱী চণ্ডীৰ ধাতৱ প্ৰতিমা /৩৭৩
পুৰণি অসমৰ প্ৰাক্ আহোম যুগীয় দশভুজাৰ ধাতৱ প্ৰতিমা /৩৭৪
পুৰণি অসমৰ বলভদ্ৰ পূজা /৩৭৪
পুৰণি অসমৰ বাসুদেউ উপাসনা /৩৭৫
পুৰণি অসমৰ বৌদ্ধ ধাতৱ প্ৰতিমা /৩৭৬
পুৰণি অসমৰ বৌদ্ধ অৱলোকিতেশ্বৰৰ ধাতৱ প্ৰতিমা /৩৭৬
পুৰণি অসমৰ বৌদ্ধ দেৱী চুন্দাৰ ধাতৱ প্ৰতিমা /৩৭৬
পুৰণি অসমৰ বৌদ্ধ দেৱীৰ হাৰীতীৰ ধাতৱ প্ৰতিমা /৩৭৭
পুৰণি অসমৰ মনসাৰ ধাতৱ মূৰ্তি /৩৭৭
পুৰণি অসমৰ মনসাৰ শৈল মূৰ্তি /৩৭৮
পুৰণি অসমৰ মহিষমৰ্দিনীৰ স্বৰ্ণপ্ৰতিমা /৩৭৯
পুৰণি অসমৰ মাটিৰ নাও /৩৭৯
পুৰণি অসমৰ মাটিৰ শিল্প /৩৮০
পুৰণি অসমৰ যমীৰ ধাতৱ প্ৰতিমা /৩৮১
পুৰণি অসমৰ লক্ষ্মীৰ ধাতৱ প্ৰতিমা /৩৮১
পুৰণি অসমৰ শৈৱ ধাতৱ মূৰ্তি /৩৮২
পুৰণি অসমৰ সূৰ্যৰ ধাতৱ প্ৰতিমা /৩৮২
পুৰণি অসমৰ সোণ কমোৱা পদ্ধতি /৩৮৩
পুৰণি অসমৰ হয়গ্ৰীৱ উপাসনা /৩৮৪
পুৰুষ সংহতি /৩৮৫
পুষুৰা /৩৮৫
পুহীয়া পিঠা /৩৮৬
পেঁপা /৩৮৭
পেল্‌কা বা পেল্‌কানি /৩৮৭
পোহন বিয়া /৩৮৭
প্ৰাগ্‌জ্যোতিষ নামৰ উৎপত্তি /৩৮৯
প্ৰাচীন কামৰূপত শৈৱধৰ্ম /৩৮৯
ফকৰা/৩৯০
ফচৌ /৩৯১
ফল কটাৰী সলোৱা বিয়া/৩৯২
ফাট বিহু /৩৯২
ফাতেহা-ই-দোৱাজ-দহম /৩৯৩
ফাৰকান্তি উৎসৱ /৩৯৩
ফালি/৩৯৪
ফিতৱা বা ফেতৰা/৩৯৪
ফেনী পিঠা/৩৯৫
বকলা পুথি /৩৯৬
বগেজাৰী / বহুৱঙী গীত/৩৯৬
বংশীগোপাল মন্দিৰৰ সভা /৩৯৭
বন্যাহাউ /৩৯৮
বৰত উৎসৱ/৩৯৮
বৰদৈচিলা/৩৯৯
বৰপীৰা/৩৯৯
বৰপেটাৰ আটছবাজী/৪০০
বৰভেটিৰ ন-লগোৱা উৎসৱ/৪০১
বৰ্হমথুৰি /৪০১
বহৰি সত্ৰৰ জেঠৰ সভা /৪০২
ব'হাগ বিহুৰ লোকবিশ্বাস /৪০৩
বহুৱা/৪০৪
বড়ো কছাৰীৰ জন্ম প্ৰকৰণ/৪০৫
বড়ো জনগোষ্ঠীৰ বিয়াবাৰু/৪০৬
বাই জাবা (ৰণ নৃত্য)/৪০৭
বাউটি /৪০৭
বাখৰ প্ৰস্তুত পদ্ধতি/৪০৭
বাগৰুম্বা /৪০৮
বাঘ নখৰ লটকন /৪০৮
বাঘপাৰাৰ মৃন্ময় ভাস্কৰ্য /৪০৯
বাজু /৪০৯
বাটনাম বা বাট কীৰ্তন /৪১০
বাথৌ পূজা /৪১১
বানত বস্ত্ৰ /৪১২
বাম্বোল পিটা /৪১২
বাৰলামফা /৪১৩
বাৰে চহৰীয়া ভাওনা /৪১৪
বালা /৪১৫
বালিসত্ৰৰ আৰিয়া উৎসৱ /৪১৫
বাঁশ পূজা /৪১৬
বাসন্তী পূজা /৪১৭

বাঁহ টনা বা বাঁহ ভঙা উৎসৱ /৪১৭
বাহী বিয়া /৪১৮
বাঢ়নী /৪১৯
বাযখো /৪১৯
বিচুদাবেবা আৰু গীত-নৃত্য /৪২০
বিদ্যাৰম্ভ /৪২০
বিশ্বনাথৰ গোসাঁই ফুৰোৱা উৎসৱ /৪২১
বিহুগীত /৪২২
বিহুগীতত কোম্পানী আমোলৰ চিত্ৰ /৪২২
বিহুগীত-বনগীতত ঘিলা খেল /৪২৩
বিহুগীতত চৰাই-চিৰিকতি আৰু জীৱ-জন্তু /৪২৪
বিহুনাচ /৪২৫
বিহু মৰা গীত /৪২৬
বিয়াৰ পানী তোলা উৎসৱ /৪২৬
বিয়াৰ দৰা আদৰা /৪২৭
বীৰা /৪২৮
বুকনি/ বহনি / ৪২৮
বুদ্ধ পূৰ্ণিমা /৪২৯
বুৰঞ্জীৰ প্ৰবাদ-প্ৰবচন /৪৩০
বুলবুলি যুঁজ /৪৩১
বুঢ়া ডাঙৰীয়া /৪৩১
বৃন্দাবনী বস্ত্ৰ /৪৩২
বৃক্ষ পূজা /৪৩৩
বেই /৪৩৪
বেণা /৪৩৫
বে দেইন খ্লাম /৪৩৫
বেৰজাল /৪৩৬
বেলি ঘূৰ ঘূৰ খেল /৪৩৭
বৈৰাগী /৪৩৮
বৈশাখী উৎসৱ /৪৩৮
ব্ৰহ্মচাৰী সত্ৰৰ বোকা ভাওনা /৪৪০
ব্ৰহ্ম সংহতি /৪৪০
ব্ৰহ্মপুত্ৰ নদ /৪৪১
বৌদ্ধ ঐতিহ্য আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰ /৪৪২
ভথেলি /৪৪৩
ভস্মাচল মন্দিৰৰ শিৱ পূজা /৪৪৩
ভাইত বাবীৰ মৃন্ময় ভাস্কৰ্য /৪৪৪
ভাইফোঁটা বা ভাতৃ দ্বিতীয়া /৪৪৫
ভাইৰা /৪৪৬
ভাত পিঠা /৪৪৭
ভাদ মাহৰ নাম /৪৪৭
ভাৱী গান /৪৪৮
ভাৱাইয়া আৰু চট্‌কা /৪৪৯
ভূত চতুৰ্দশী /৪৪৯
ভেকুলী বিয়া /৪৫০
ভেৰী /৪৫১
ভেলদিয়া উৎসৱ /৪৫১
ভোৰতাল /৪৫২
মগৰদানা /৪৫২
মঙ্গল চোৱা /৪৫৩
মংলা পূজা /৪৫৩
মচুপ /৪৫৪
মটৰমণি /৪৫৪
মণিকূট /৪৫৪
মণিপুৰৰ ৰাস /৪৫৫
মণিমালা /৪৫৬
ম'তা বা মহ্‌তা /৪৫৬
মদনোৎসৱ /৪৫৭
মদাৰগুৰি সত্ৰৰ সিংহাসনৰ চিত্ৰিকা /৪৫৭
মনসা পূজা /৪৫৮
মপিনঃ গালং কৃষি উৎসৱ /৪৫৯
ম'হ যুঁজ /৪৬১
মহৰম /৪৬১
মহালয়া /৪৬২
মহোহো /৪৬২
মাই কুচুম ফাই /৪৬৩
মাইহাং /৪৬৪
মাকো /৪৬৫
মাঘ বিহু /৪৬৫
মাঘবিহুৰ লোকবিশ্বাস /৪৬৬
মাঘবিহুৰ শলিয়া খেদা প্ৰথা /৪৬৭
মাঘোৎসৱ /৪৬৮
মাঝি সম্প্ৰদায়ৰ আৰ্সি পাজ্ঞা /৪৬৯
মাটি আখৰা /৪৭০
মাটি কুটা দেৱালয়ৰ সুঁৱৰি মহোৎসৱ /৪৭১
মাটিৰ শিল্প /৪৭২
মাদল /৪৭৩
মাদলি তাবিচ /৪৭৩
মাকণী নৃত্য /৪৭৪

মাৰৈ পূজা /৪৭৫
মালগোসাঁই পূজা /৪৭৬
মালিনী থানৰ স্থাপত্য-ভাস্কৰ্য /৪৭৭
মাহকৰাই /৪৭৮
মায়ঙৰ তন্ত্ৰ-মন্ত্ৰ /৪৭৮
মায়তাৰি ৰাভাসকলৰ গ্ৰি'মবুদাৰ গীত /৪৭৯
মায়তাৰি ৰাভাসকলৰ তৰাংকাজিৰ গীত /৪৮০
মায়তাৰি ৰাভাসকলৰ দদান গীত
(হয়মাৰু) /৪৮০
মিচিং পুৰুষ-মহিলাৰ সাজ-পাৰ /৪৮১
মিচিং সংস্কৃতিত বিয়াবাৰু /৪৮১
মিচিমি তিতা আৰু বৰবিহ /৪৮২
মিধু আৰু আঃবাংগীত /৪৮৩
মিৰ্জা-মাইলাটা পাহাৰৰ বাঘেশ্বৰী থানৰ
স্থাপত্য ভাস্কৰ্য /৪৮৩
মিৰিজিম /৪৮৪
মুখাগ্নি /৪৮৪
মুৰং ঘৰ /৪৮৫
মৃতকৰ ছাঁ কঢ়িওৱা উৎসৱ /৪৮৫
মৃদংগ /৪৮৬
মেখেলা /৪৮৬
মেজাংকৰী /৪৮৭
মেৱা /৪৮৮
মে-দাম-মে-ফী /৪৮৮
মৈ আৰু মৈ টকা /৪৮৯
মৈদাম /৪৯০
মৈষাল আৰু মাহুতৰ গীত /৪৯১
মোগলাই পাগুৰি /৪৯২
মোৱাথ্চু উছৱ /৪৯৩
যঁতৰ /৪৯৩
যঁতৰ কটা বুঢ়ী /৪৯৪
যৰক্ষাৰ বা যখাৰ /৪৯৪
যাত্ৰা সম্পৰ্কীয় লোকবিশ্বাস /৪৯৫
যাত্ৰা সান্দহ /৪৯৬
ৰঙালী বিহু /৪৯৭
ৰংকেৰ পূজা /৪৯৮
ৰংদানী আৰু মায়তাৰী ৰাভা /৪৯৮
ৰংদানী ৰাভাৰ ফাৰকান্তিৰ গীত /৪৯৯
ৰংদানী ৰাভাৰ বিবাহ পদ্ধতি /৫০০
ৰংদানী ৰাভাসকলৰ হাছং পূজাৰ গীত /৫০১
ৰজাঘৰীয়া চালিনাচ /৫০১
ৰবাব /৫০১
ৰমজান আৰু ৰোজা /৫০২
ৰহঢলা পুখুৰী-১ /৫০৩
ৰহঢলা পুখুৰী -২ /৫০৩
ৰাচেং /৫০৪
ৰান্ধনি শাল /৫০৪
ৰাভা মহিলাৰ আ-অংলকাৰ /৫০৬
ৰাভাসকলৰ অগ্নি পূজাৰ গীত /৫০৬
ৰাভাসকলৰ অৱনদ্ধ বাদ্য /৫০৭
ৰাভাসকলৰ কাম্বুং বিয়া /৫০৭
ৰাভাসকলৰ কায়বি'কায় বা ভৰি
বি'কায় বিবাহ /৫০৮
ৰাভাসকলৰ কৃষিৰ লগত জড়িত গীত /৫০৮
ৰাভাসকলৰ ক্ৰাংছি ভৰি বিবাহ /৫০৯
ৰাভাসকলৰ গছ কটা গীত /৫০৯
ৰাভাসকলৰ জাঙয় ধাংকায় বা জাঙয়
ছি'ংকায় বিবাহ /৫১০
ৰাভাসকলৰ ততবাদ্য /৫১০
ৰাভাসকলৰ নলুৱা চলুৱাৰ গীত /৫১১
ৰাভাসকলৰ নাখেম তানকায়
(সিন্দল প্ৰস্তুতকৰণ) /৫১১
ৰাভাসকলৰ নব বৰ্ষৰ গীত /৫১২
ৰাভাসকলৰ নোক ধাংকায় বা কায়
পায়কায় বিবাহ /৫১৩
ৰাভাসকলৰ বিবাহ /৫১৩
ৰাভাসকলৰ বেমাৰ আজাৰৰ লগত
জড়িত দেৱতাৰ পূজাৰ গীত /৫১৩
ৰাভাসকলৰ ভুৰি ছি'ংকায়/
থুছি ছেকায় বিবাহ /৫১৪
ৰাভাসকলৰ লেমা বিয়া বা সাজা বিয়া /৫১৫
ৰাভাসকলৰ মানছালেংকা /৫১৬
ৰাভাসকলৰ মিগুনজি (শুকান পাচলিৰ গুড়ি)
আৰু মিখি তানকায় /৫১৭
ৰাভাসকলৰ সাজ-পানী চকো,
ছিনছিনা, মাখাম /৫১৭
ৰাভাসকলৰ সুষিৰ বাদ্য /৫১৮
ৰাভা সমাজৰ বাঢ়নী কটা প্ৰথা /৫২০
ৰামতাল /৫২০
ৰামদিয়াৰ ভঠেলি /৫২১

ৰিং বা দুলটপ /৫২১
ৰি'ফান /৫২২
ৰেচতে পেঁচ /৫২৩
লখিমী সবাহ /৫২৪
লক্ষ্মী পূজা /৫২৪
লটাকটা পুথি /৫২৫
লাই হাৰাওবা /৫২৬
লাউচেকি /৫২৭
লাওটোকাৰী /একতাৰা /৫২৭
লাওপল্লা বা লাওপুলি পিঠা /৫২৭
লাটুম খেল /৫২৮
লাপাং /৫২৮
লেৰা টানা বিহু /৫২৯
লোকাপাৰ /৫২৯
ব'ল কেতেৰ /৫৩০
বানচোৰা /৫৩১
শংখ /৫৩২
শবৰোৎসব /৫৩২
শৰাই /৫৩৩
শলিতা লগোৱা /৫৩৪
শাওনীয়া পূজা বা শাওনীয়া পূজা /৫৩৪
শাখা /৫৩৫
শিবৰাত্ৰি /৫৩৫
শুকতি / শিনল / নাখেম /৫৩৬
শুদ্ধিকৃত্য /৫৩৭
শেন যুঁজ /৫৩৮
শোণিতপুৰ-শিঙৰি মন্দিৰৰ স্থাপত্য
ভাস্কৰ্য /৫৩৯
শোণিতপুৰৰ মূৰ্তি কলা /৫৩৯
শোণিতপুৰৰ স্থাপত্য কলাৰ বৈশিষ্ট্য /৫৪০
শ্বপৌং য়ৌংমানও পয় /৫৪১
শ্বৰে কদৰ /৫৪২
শ্বৰে বৰাত /৫৪৩
শ্বৰে মে'ৰাজ /৫৪৩
শ্ৰাৱনী / ৰবিতপনী / জনৈ পূৰ্ণিয়া /৫৪৪
সখিপতা /৫৪৪
সত্যনাৰায়ণ পূজা /৫৪৫
সত্ৰৰ গঠন প্ৰণালী /৫৪৫
সত্ৰৰ বিষয়বৰীয়া /৫৪৬
সত্ৰৰ সংজ্ঞা /৫৪৭
সত্ৰীয়া চিত্ৰশৈলী /৫৪৮
সদাশিৱৰ সকা: '৫৪৮
সন্ধি পূজা /৫৪৯
সপ্তম শতাব্দীৰ কামৰূপৰ বস্তু
সংস্কৃতি /৫৪৯
সভাগন্ধ /৫৫০
সৰ্বেবাৰীৰ সভা /৫৫১
সৰমালা /৫৫২
সৰি বা সুঁৰৰী /৫৫৩
সাঁজ /সাঁজ পানী /৫৫৪
সাঁচি পাত /৫৫৫
সাত বিহু /৫৫৬
সাতবাজ মৰি এক বাজ কৰা /৫৫৭
সাত শাক তোলা বিহু /৫৫৭
সাত শাকী /৫৫৮
সাতসৰী /৫৫৯
সান্দহ /৫৬০
সিংহাসন /৫৬০
সিদল /৫৬১
সিন্দূৰ /৫৬২
সুতুলি পিঠা /৫৬২
সুঁৱাগুৰি তোলা /৫৬৩
সুঁৱেৰি /৫৬৪
সূত্ৰধাৰী নাচ /৫৬৪
সূত্ৰধাৰৰ সাজপাৰ /৫৬৫
সোণাপুৰ ইঁহৰা গাঁৱৰ মহিষ মৰ্দিনীৰ
ধাতৱ প্ৰতিমা /৫৬৬
সোণাপুৰ ইঁহৰাত প্ৰাপ্ত বিষ্ণুৰ ধাতৱ
মূৰ্তি /৫৬৬
সোণামাকৰি /৫৬৭
সোণাৰায় পূজা /৫৬৭
সোণোৱাল কছাৰীৰ জেঙামৰা বিয়া /৫৬৮
সোণোৱ'ল কছাৰীৰ বিয়া /৫৬৮
সোণোৱাল কছাৰীৰ ছকৰিৰ টকা /৫৬৯
হজ /৫৭০
হৰকলা /৫৭১
হাইতাল /৫৭১
হাউ বা হাদুগুদু খেল /৫৭২
হাঁচতি /৫৭২
হাছি (মাৰাংগা) /৫৭৩

হাছাং পূজা /৫৭৩
হাজোৰ পুষ্প শিল্প /৫৭৪
হাজোৰ পোৱামক্কাৰ উৰুচ উৎসৱ/৫৭৫
হাট ফাটৰ দান /৫৭৬
হাতী যুঁজ /৫৭৭
হাতী শালৰ শব্দ /৫৭৭
হাতে লিখা পুথিৰ মলাটৰ চিত্ৰিকা /৫৭৮
হানা ঘোঁৰা বা জাৰী ঘোঁৰা /৫৭৯
হাৰ /৫৭৯
হাসলি বা হাচলি /৫৮০
হাড় শুচি কৰা বিয়া /৫৮০
হীৰাৰ বাচন- বৰ্তন /৫৮০
হুচৰি /৫৮১
হুদুম দেওৰ পূজা /৫৮২
হুৰুম /৫৮৩
হেংদান /৫৮৩
হেঙুল /৫৮৪
হেজাৰী ভাওনা /৫৮৫
হেতালি খেল /৫৮৬

সংযোজন ঃ

আঁকমাৰী/ কুটনি/কাঠি /৫৮৬
কৱচ কাপোৰ /৫৮৭
কাপ মৈলাম /৫৮৮
ছিৰীলুইত আৰু অসমীয়া লোক সংস্কৃতি /৫৮৯
ফুৰালুঙ্ পূজা /৫৯০
বৰপেটাৰ ডবা /৫৯০
বৰপেটাৰ হোলী /৫৯১
মহী /৫৯২

# অসমৰ সংস্কৃতি-কোষ

।। অইনিঃতম।।

মিচিংসকলৰ সংস্কৃতি বৈচিত্ৰ্যময় আৰু বৰ্ণাঢ্য। অইনিঃতম মিচিং সংস্কৃতিৰ অনবদ্য অৱদান ' মিচিং জন-সমাজত প্ৰচলিত বিভিন্ন গীত-পদবিলাকৰ ভিতৰত অইনিঃতম অন্যতম। প্ৰেম আৰু বিৰহ বিষয়ক অইনিঃতম গীতবোৰ মিচিং জন-জীৱনৰ আন্তৰিক অনুভৱৰ সু-প্ৰকাশ বুলি ক'ব পাৰি। অসমীয়া বিহুগীত, বনগীতৰ সমতুলা অইনিঃতমৰ ভাব-ভাষা আৰু সুৰ মাধুৰ্যই স্বাভাৱিকতে মানুহৰ অন্তৰত আনন্দৰ হিল্লোল তোলে।

মিচিং ভাষাত 'অই' শব্দৰ অৰ্থ 'চেনাই', 'প্ৰিয়জন', 'সোণ', 'মইনা' ইত্যাদি। অইনিঃতম শব্দটো এনেদৰে নিষ্পন্ন হৈছেঃ অই + নিঃ + তম্, ✓ নিং 'ধাতুৰ অৰ্থ নিচুকোৱা, মৰমৰ গীত গাই বিমোহিত কৰা। -তম প্ৰত্যয়ৰ অৰ্থ উদ্দেশ্য, যাক উদ্দেশ্য কৰি গোৱা হয়। গতিকে অইনিঃতমৰ অৰ্থ হ'ল প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা প্ৰেমৰ গীত।

অইনিঃতমৰ উৎপত্তি কেতিয়া হৈছিল কোৱা টান ' পৃথিৱীৰ সকলো লিখিত সাহিত্যৰ আৰম্ভণিতে মৌখিক সাহিত্যৰ সৃষ্টি হোৱাৰ দৰে মিচিং ভাষাতো লোকগীতি সমূহ মৌখিক সাহিত্য হিচাপেই সৃষ্টি হৈছে। সময়ৰ সোঁতত অইনিঃতমৰ ভাব, ভাষা আৰু সুৰৰ ক্ষেত্ৰত পৰিৱৰ্তন পৰিলক্ষিত হোৱা দেখা যায়।

সৌন্দৰ্যপিপাসু মিচিং লোকৰ সৰল প্ৰাণৰ ভাষাময় অভিব্যক্তি অইনিঃতমত প্ৰকাশ পায় জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আশা-নিৰাশা, প্ৰেম-ঘৃণা, মিলন-বিচ্ছেদ, হতাশা ইত্যাদি ৰূপে। তদুপৰি সমসাময়িক সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ প্ৰতিফলনো গীতবোৰৰ যোগেদি চিত্ৰিত হয়।

অইনিঃতম দুটা পংক্তিত বিভক্ত। প্ৰথম পংক্তিত সাধাৰণতে নৈসৰ্গিক ৰূপৰ বৰ্ণনা আৰু দ্বিতীয় পংক্তিত প্ৰকৃতিৰ সৈতে চহা কবি বা গায়ক-গায়িকাৰ ব্যক্তিগত জীৱনৰ তুলনা বা উপমা-

আচি চিকুৰ চিকুৰ ক / মিকচি চিকুৰ চিকুৰ ক,<br>
আচি চিকুৰ পুনয়েকী / মিকচি চিকুৰ পুনপীমা।

(পানীৰ জুৰিও জুৰি আৰু চকুৰ পানীও জুৰি, জুৰিৰ পানী শুকায়, চকুৰ পানী নুশুকায়।) প্ৰেম-প্ৰণয়মূলক অইনিঃতমৰ অধিকাংশই প্ৰেয়সীৰ দৈহিক সৌন্দৰ্য-সুষমাৰ বৰ্ণনাৰে সমৃদ্ধ। অইনিঃতমৰ ভাষা সৰল আৰু চিত্তাকৰ্ষক। অইনিঃতমবোৰ প্ৰাকৃতিক উপমা আৰু চিত্ৰকল্পৰ মাধুৰ্যৰে সমুজ্জ্বল।

অইনিঃতমক কোনো কোনো মিচিং উপভাষাত 'আবে' ৰূপেও আখ্যা দিয়া দেখা যায়। আবে = আঃ + বে, আহঃ বিশেষ্যবাচক উপসৰ্গ ✓ বে = মাত, শব্দ, সুৰ অৰ্থাৎ

সুৰ লগাই গোৱা কথা বা গীত বা প্ৰণয় গীত।

বাস্তৱ জীৱনৰ লগত সম্পৰ্কযুক্ত নৈসৰ্গিক ৰূপ বৰ্ণনাৰ অন্তৰালত মানসিক আৱেগ অনুভূতি প্ৰকাশক অইনিঃতম মিচিং সমাজৰ অমূল্য সম্পদ।

বৈ. ৰা

**।। অগৰুৰ ব্যৱহাৰ।।**

অগৰুৰ বাবে অসম দেশ প্ৰখ্যাত। মধ্য অসম আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ কূলত প্ৰচুৰ পৰিমাণে অগৰু গছ থকাৰ সংবাদ ইতিহাসত পোৱা যায়। ইয়াৰ আন নাম সাঁচিগছ। এই গছ বেচ ডাঙৰ-দীঘল হয়। ব্যক্তিগত, সামাজিক আৰু ধৰ্মীয় জীৱনত অগৰুৰ ব্যৱহাৰ অতি তাৎপৰ্যপূৰ্ণ। প্ৰাগ্‌জ্যোতিষ বিজয়ৰ পিছত মধ্যম পাণ্ডৱ ভীমসেনে এই ৰাজ্যৰপৰা অগৰু সংগ্ৰহ কৰাৰ কথা পোৱা যায় - মহাভাৰতৰ সভা পৰ্বত। পাণ্ডৱসকলে ৰাজসূয় যজ্ঞ কৰা কালত প্ৰাগ্‌জ্যোতিষৰপৰা অসামান্য মণি-মুক্তা আৰু স্বৰ্ণ-ৰোপ্যৰ লগতে লাভ কৰিছিল - সুগন্ধিযুক্ত অগৰু। কালিদাসৰ ৰঘুবংশৰ ৰঘু কামৰূপলৈ আহোঁতে কালা গুৰুদ্ৰুমত (অগৰু) তেওঁৰ হাতী বন্ধাৰ কথা বিবৃত হৈছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰতো উল্লেখ আছে- কামৰূপ ক্ষেত্ৰত অন্যান্য মূল্যবান গছৰ লগতে পোৱা যায় অগৰু গছ। কুমাৰ ভাস্কৰবৰ্মাই হৰ্ষ শিলাদিত্যলৈ আন আন উপঢৌকনৰ লগতে পঠিয়াইছিল - কৃষ্ণগুৰু তৈল (অগৰু তেল)। কাশ্মীৰৰাজ মুক্তাপীড় ললিতাদিত্যই প্ৰাগ্‌জ্যোতিষপুৰ আক্ৰমণ কৰা কালত প্ৰজ্জ্বলিত কৃষ্ণগুৰু বনৰপৰা ধূপ-ধূনা নিৰ্গত হোৱা দেখিবলৈ পোৱাৰ উজ্জ্বল বৰ্ণনা লিপিবদ্ধ হৈছে - ৰাজতৰংগিণীৰ চতুৰ্থ তৰংগত। আইন-ই-আকবৰীৰ দ্বিতীয়খণ্ডত আছে - কামেৰুণৰ (কামৰূপৰ) পৰ্বতমালাত পোৱা প্ৰচুৰ পৰিমাণৰ আগৰ গছ কাটি লোকে তাৰপৰা অগৰু তেল উলিয়ায়। খৰালি কালত এই কাম আৰম্ভ হয়। অগৰু তেল প্ৰসাধন সামগ্ৰী। আগৰ গছৰ টুকুৰা গুড়ি কৰি উলিওৱা চূৰ্ণ ধূপ প্ৰস্তুত কৰা কামত বহুলভাৱে প্ৰয়োগ কৰা হৈছিল। পুৰণি অসমত তুলাপাতৰ ব্যৱহাৰৰ পূৰ্বে পুথি-পাঁজি লিখা হৈছিল আগৰ বা সাঁচি গছৰ ছালৰপৰা প্ৰস্তুত কৰা সাঁচিপাতত। অসমৰ বাহিৰে ভাৰতৰ কোনো ঠাইতে সাঁচিপাতত লেখাৰ নজিৰ নাই। দাক্ষিণাত্যৰ চন্দনৰ যি গুৰুত্ব, পূৰ্ব ভাৰতৰ অসম দেশত অগৰুৰ সেই একেই গুৰুত্ব। না. দা.

**।। অগ্নিগড়।।**

অংকীয়া ভাওনাৰ সৈতে নিগূঢ় সম্পৰ্ক থকা শব্দ এটা হ'ল - অগ্নিগড়। যিকালত বিজুলী বাতি অথবা মেন্টোল লাইটৰ ব্যৱস্থা নাছিল, সেই কালত অংকীয়া ভাওনা অভিনয় কৰাৰ ক্ষেত্ৰত অগ্নিগড়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে - 'অসমীয়া ভাৱনাত কাঠৰ তোৰণাকৃতিৰ ওপৰত ৯ টা অথবা ১৮ টা

প্ৰদীপ জ্বলাই তাৰ তলেদি ভাৱৰীয়াক প্ৰৱেশ কৰিবলৈ দিয়া হয়। ইয়াক অগ্নিগড় বোলা হয়। (*পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়*, পৃ. ৫৯) ৰামচৰণ ঠাকুৰে 'চিহ্ন যাত্ৰা'ৰ প্ৰসংগত লিখিছে - 'কুটিলা জোৰাক তাক কোঙ্গোৰা কৰিল/কানিৰ আৰিয়া লগাই অগ্নিগেৰা দিল।' (*গুৰুচৰিত*, পদ ১৪৯৩) ৰামচৰণ বৰ্ণিত 'অগ্নিগেৰা'ই হ'ল অগ্নিগড়। ইয়াক স্থাপনা কৰা হয় - নামঘৰৰ কোঠাত। দুফালে দুটা খুটা থকা অলংকৃত তোৰণাকৃতিৰ কাঠেৰে সজা এই অগ্নিগড কাঠচলাত নটা বা ততোধিক ফুটা থাকে। বাঁহৰ সৰু সৰু খুটিত মৰাপাট, সূতা অথবা কাপোৰ মেৰিয়াই মিঠাতেলত তিয়াই উপৰি উক্ত ফুটাবোৰত সোমাই জ্বলাই দিয়ে। অগ্নিগড়ত ৯ অথবা ১২ ডাল শলিতা জ্বলোৱা প্ৰয়োজন, অধিক হ'লে আপত্তি নাই - কিন্তু ক'ম হ'ব নোৱাৰে। ন ডাল শলিতা নৱবিধা ভক্তিৰ প্ৰতীক আৰু বাৰডালি শলিতা হ'ল - দ্বাদশস্কন্ধ ভাগৱত অথবা দ্বাদশাদিত্যৰ প্ৰতীক। *অগ্নিগড়ৰ* শলিতাবোৰত অগ্নি জ্বলোৱাৰ লগে লগে আৰম্ভ হয় - 'বৰ প্ৰৱেশ'ৰ নাচ আৰু 'নটুৱাৰ গান'। না. দা

।। অঙ্কীয়া ভাওনা ।।

অসমত নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে শ্ৰীমন্ত শঙ্কৰদেৱে বিশেষ শ্ৰেণীৰ নাট ৰচনা কৰি অভিনয়ৰ ব্যৱস্থা কৰিছিল। শঙ্কৰদেৱক অনুসৰণ কৰি পিছলৈ মাধৱদেৱকে আদি কৰি তেওঁলোকৰ শিষ্য-প্ৰশিষ্য সকলেও এই শ্ৰেণীৰ নাটক ৰচনা আৰু অভিনয়ৰ ব্যৱস্থা কৰিছিল। এই নাটসমূহৰ অঙ্কীয়া নাট আৰু তাৰ অভিনয়ক অঙ্কীয়া ভাওনা বোলা হয়। অসমীয়া নাট্য সাহিত্যৰ প্ৰথম নিদৰ্শন অঙ্কীয়া নাট ভাওনা সৃষ্টিৰ আদৰ্শ মূলতঃ সংস্কৃত নাটক, মধ্যযুগীয় ভাৰতীয় লোকনাট্যানুষ্ঠান আৰু অসমৰ থলুৱা লোকনাট্যানুষ্ঠান। ভাওনাৰ আৰম্ভণিতে গায়ন-বায়নে ধেমালি নামৰ মাংগলিক অনুষ্ঠানেৰে অভিনয়ৰ সূচনা কৰে। ধেমালিৰ পিছত সূত্ৰধাৰে মঞ্চত প্ৰৱেশ কৰি নান্দীপাঠৰ দ্বাৰা *ভো ভো সভাসদ* বুলি ভটিমা এটিৰে নাটকৰ কাহিনীৰ আভাস দি মূল নাট-ভাওনাৰ সূচনা কৰে। নাট-ভাওনাৰ সমাপ্তিৰ পিছত সূত্ৰধাৰ, গায়ন, বায়নৰ দলে মুক্তিমঙ্গল ভটিমাৰে অনুষ্ঠানটো সামৰে। অঙ্কীয়া নাটৰ সূত্ৰধাৰ একেধাৰে গায়ক, নৰ্তক পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক। অঙ্কীয়া ভাওনা উচ্চ-মঞ্চত অভিনীত নহয়। নামঘৰ বা সত্ৰৰ সমতল ভূমিতে ৰভাতলীত অনুষ্ঠিত হয়। সাজ-সজ্জাৰ ক্ষেত্ৰত অসাধাৰণ অদ্ভূত চৰিত্ৰৰ মুখাৰ প্ৰয়োগ ভাওনাৰ প্ৰধান বৈশিষ্ট্য। ভাওনাৰ আন এক বিশেষ বৈশিষ্ট্য হৈছে ভাওনাৰ আৰম্ভণিৰেপৰা শেষলৈ গীতৰ প্ৰাধান্য। তদুপৰি ভাওনাত বিভিন্ন নৃত্য আছে চৰিত্ৰবোৰে নিজ বৈশিষ্ট্য অনুসৰি নৃত্য কৰে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে নৃত্য-গীতৰ এনে প্ৰাধান্যলৈ লক্ষ্য কৰি কৈছে - *অঙ্কীয়া নাট আকৃতি বিচাৰতহে নাটক কিন্তু প্ৰকৃতি বিচাৰত গীতিকাব্য।*

ক.খে.

**।। অনাকটা কাপোৰ ।।**

কোনো অস্ত্র-শস্ত্রৰে নকটাকৈ তাঁতশালৰপৰা উলিয়াই অনা কাপোৰেই অনাকটা (কা. আনাকাটা) কাপোৰ। এই কাপোৰ তাঁতশালত এবাৰত মাত্র এখনেই বোৱাটো উল্লেখযোগ্য। সাধাৰণতে কাতি, পুহ আৰু চ'তৰ মাহত মঙ্গল, শনি আৰু ৰবিবাৰে অমাবস্যা তিথিত এই কাপোৰৰ বাটি নাকাঢ়ে, কাপোৰো নবয়। উকা আৰু ফুলাম উভয়বিধ কাপোৰৰে প্রচলন আছে যদিও ফুলাম অনাকটাৰ প্রয়োগ প্রচুৰ। বোৱা হোৱাৰ পিছত চাৰি বাটি (= জাকি) 'ব' সূতা নকটাকৈ শালৰ ওপৰতে উঘা অথবা চেৰেকীত লৈ কাপোৰখন উলিয়াই আনি দুফালৰ ওলমি থকা 'দহি' বোৰ চালে চকু ৰোৱাকৈ জালৰ দৰে গুঠি পেলায়। অসমীয়া সংস্কৃতিত অনাকটা কাপোৰৰ স্থান বিশিষ্ট। বিয়াৰ দিনা দৰা-কইনাই অনাকটা 'তেল পাতনি' বস্ত্র পৰিধান কৰাটো এটা সাধাৰণ দস্তুৰ। কইনাৰ চাদৰ অথবা শাৰী আৰু দৰাৰ ধুতিৰ লগতে চেলেং-চাদৰ সদায় অনাকটা হোৱা বাঞ্ছনীয়। দৰাই কলৰ গুৰিত গা ধুই অনাকটা কাপোৰেৰে গা মোচে। ঘটত মেৰিয়াই থোৱা সৰু কাপোৰখনো অনাকটা। নান্দীমুখ শ্রাদ্ধৰ কালত চাৰিটা কলপুলি পুতি তাত এখনি অনাকটা ফুলাম চাদৰ মেৰিয়াই দিয়াটো নিয়ম। দৰা বৰণ আৰু লগুণ গাঁঠি বন্ধা কামতো অনাকটা গামোচা ব্যৱহাৰ হয়। বিয়াৰ পিছদিনা কইনাই দৰাঘৰ গছকিবলৈ যাওঁতে কলৰ গুৰিৰপৰা দৰা ঘৰলৈ যোৱা পথ ছোৱাত এখনি অনাকটা কাপোৰ পাৰি দিয়া বিধেয়।

প্রথম সন্তান সম্ভৱা বিবাহিতা স্ত্রীক অনাকটা বস্ত্র নিদিলেই নহয়। উত্তৰ কামৰূপত এই অনাকটা কাপোৰখিনিক কোৱা হয় *আক্‌ল*। এই আক্‌লখনি কোনো কোনো অঞ্চলত উকাকৈ আৰু আন কোনো অঞ্চলত ৰঙীন পাৰি দি ফুলামকৈ বোৱা দেখা যায়। নৱজাতকৰ গাত দিয়া প্রথমখন বিছনান সর্বদা অনাকটা হোৱা বাঞ্ছনীয়। শিশুৰ অন্ন প্রাসন্ন, কাণ বিন্ধোৱা প্রভৃতি অনুষ্ঠানতো এইবিধ কাপোৰ আগ বঢ়ায়। মৃতকৰ শ্রাদ্ধকালত শ্রাদ্ধকর্তাই অনাকটা ধুতি-গামোচা আৰু চেলেং পৰিধান কৰে। *গীতা-ভাগৱত* প্রভৃতি পাঠৰ কালত গুৰিবন্ধা *চটাই* বা ঢাৰিত অনাকটা কাপোৰ পাৰি দি তাতে পাঠকক বহিবলৈ দিয়াটো নিয়ম। এনেদৰে দেখা যায় যে অসমীয়া মানুহৰ জন্মৰেপৰা মৰণলৈকে অনুষ্ঠিত বিভিন্ন ধর্মীয় অনুষ্ঠানত অনাকটা বস্ত্রই এক গুৰুত্বপূর্ণ ভূমিকা ল'বলৈ সমর্থ হৈছে।

না. দা.

**।। অপৰাজিতা পূজা ।।**

অপৰাজিতা দেৱী দুর্গাৰ এটা নাম (*কূর্ম পুৰাণ*)। এবিধ ঔষধিযুক্ত লতাৰো নাম অপৰাজিতা। শাৰদীয় দুর্গাপূজাৰ দশমী তিথিৰ দিনা দেৱীক বিসর্জন দিয়াৰ থিক পিছতে

ঈশান কোণত অষ্টদশ বিশিষ্ট পদুম আঁকি লৈ তাৰ ওপৰত এডাল অপৰাজিতা লতা ৰাখি অপৰাজিতা পূজা কৰাৰ পদ্ধতি আজিও অব্যাহত। দেৱী অপৰাজিতা নীলপদ্মৰ পাপৰিৰ দৰে শ্যাম বৰ্ণা, সৰ্প অলংকাৰেৰে উজ্জ্বলা। মূৰ-চন্দ্ৰ কলা শোভিতা, ত্ৰিনয়ন সমন্বিতা, শংখ-চক্ৰ ধাৰিণা, বৰদা আৰু অভয় দাত্ৰী পীনোন্নত পয়োধৰা, শ্যামা আৰু পদ্মমালা ভূষিতা। এই মূৰ্তিৰ ৰূপ কল্পনাত বিষ্ণু-মায়া লক্ষ্মী আৰু শিৱ শক্তি শিৱানীৰ ৰূপ বৈচিত্ৰ্য সান-মিহলি হৈ পৰা বুলিব পাৰি। দেৱী অপৰাজিতা নামেৰে লতা জাতীয় অপৰাজিতা নামৰ সাদৃশ্যৰ ভেটিত অপৰাজিতা লতাই পূজাৰ স্থান পোৱা বুলি কোনো কোনোৱে মন্তব্য আগবঢ়ায়। তান্ত্ৰিকপদ্ধতিত যোনীৰূপা অপৰাজিতাৰ বুকুত লিংগৰূপী কৰবীৰ স্থাপনাৰে এই পূজা ভাগ সম্পন্ন কৰাটো উল্লেখযোগ্য।

না.দা.

।। অপ্সৰা নৃত্য।।

ভগৱান শ্ৰী কৃষ্ণই গোবৰ্ধন ধাৰণ কৰি গোকুলবাসীক ৰক্ষা কৰাৰ পিছত অনুশোচনাত দগ্ধ ইন্দ্ৰদেৱে বাসুদেৱৰ মনোৰঞ্জনৰ বাবে আকাশৰ অপ্সৰা মণ্ডলীক মৰতলৈ নমাই আনি তেওঁলোকৰ হতুৱাই নৃত্য গীতৰ আয়োজন কৰিছিল। এই নৃত্যই গাম্ভীৰ্যপূৰ্ণ সত্ৰীয়া পৰিৱেশত আজিও দক্ষিণপাট আৰু আউনীআটী সত্ৰত বৰ্তি আছে। এইবিধ নৃত্য আউনীআটী সত্ৰত ব'হাগ আৰু মাঘবিহুৰ দিনৰ সবাহত পৰিৱেশিত হয়। এই নৃত্যত মূৰত বেণী গোঁথা চুলি, ওৰ্‌ণা, কিৰীটি, বুকু ঢকা চোলা, কঁকালত কৰধনি আৰু ভৰিলৈকে ওলোমা ঘূৰি নৰ্তকীয়ে পৰিধান কৰে। ঢোলক বাদ্যৰ ব্যৱহাৰ ইয়াৰ মনকৰিব লগীয়া বৈশিষ্ট্য। হাজোৱালীয়া বাজানাত বজোৱা এই নৃত্যত দেওধ্বনি নৃত্যৰ ৰূপাংগ আত্ম-লুক্কায়িত হৈ থকাৰ সম্ভাৱনা দেখিছে ড° শ্ৰী শ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে। ৰজাঘৰত এইপদ নৃত্যই বিশেষ সমাদৰ লাভ কৰিছিল।

(ড° পীতাম্বৰ দেৱগোস্বামীৰ *সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্যৰ* আধাৰত যুগুতোৱা)

না. দা.

**।। অপেচৰীৰ নাম, অপেচৰীৰ সবাহ ।।**

অপেচৰা নাম বা অপেচৰী সবাহ নাৰীসকলৰ এটি উল্লেখযোগ্য অনুষ্ঠান। সৰু ল'ৰা-ছোৱালী অকাৰণে শুকাই-খীনাই গ'লে, চকু-মুখ বেঁকা কৰি ওপৰলৈ চাই থাকিলে, হাত-ভৰি পয়ালগা ৰোগীৰ দৰে বিকল হ'লে সৰলচিতীয়া আইসকলে অপেচৰীয়ে দোষ ধৰা বুলি ধৰি লয় আৰু অপেচৰী সবাহ পাতি ভক্তি ভাৱে নাম গায়। তাৰবাবে অসুখ হোৱা ল'ৰা-ছোৱালীৰ ঘৰৰ চোতালত দুপৰবেলা যথাক্ৰমে সিন্দুৰ, ফুল আৰু পিঠাগুড়িৰে তিনিটা এককেন্দ্ৰিক বৃত্তৰ মণ্ডল সাজি তাৰ ভিতৰতে পূবমুৱাকৈ নখনি

আগলতি পাত পাৰি অপেচৰাৰ বাবে আসন পাতে। আসনৰ সোঁফালে অপেচৰাই জল-কেলি আৰু বিচৰণ কৰিব পৰাকৈ দুটি সৰু কৃত্ৰিম পুখুৰী আৰু সিন্দূৰেৰে এটি আলি সাজি দিয়ে। পূজাৰ বাবে তিনি বা পাঁচ-জনী অকুমাৰী ছোৱালীক গা-পা ধুৱাই নতুন সাজ-পাৰ পিন্ধাই উপৰ্যুক্ত মণ্ডলৰ সমুখত ঢাৰি আৰু কাপোৰ পাৰি বহুৱায়। ধুপ-দীপ-ধুনা আৰু নৈবেদ্য আগবঢ়াই আয়তীসকলে আৰম্ভ কৰে অপেচৰা নাম। নামত গায় -

'সোণৰে একাডালি জৰী ৰূপৰে একডালি জৰী,
আকাশৰেপৰা নামে অপেচৰা হাতত ধৰা-ধৰি কৰি'।'

এই গীতবোৰত ভক্তহৃদয়ৰ সৰলতা আৰু আকুলতা সুন্দৰকৈ প্ৰকাশ পায়। আবেলিৰ লগে লগে অপেচৰী সবাহৰ সামৰণি মাৰে নিম্নোক্ত নামেৰে -

'বিদায় দিয়া আই হে গধূলি হ'ল / নাম শুনিবাৰ ছলে আই নামৰ মাজে ৰল।
বিদায় দিয়া নিৰ্মালি মূৰত তুলি লওঁ / বিদায় দিয়া অপেচৰী ঘৰা-ঘৰি যাওঁ।'

না. দা.

**।। অম্বুবাচী (আমতী, সাথ)।।**

**অসমৰ** প্ৰাচীন লোকাচাৰসমূহৰ অন্যতম হৈছে অম্বুবাচী উৎসৱ। অম্বুবাচী উৎসৱক নামনি অসমত আমতী, আমেতী আৰু সাথ বুলিও কোৱা হয়। নাৰী ৰজস্বলা হোৱাৰ দৰে পৃথিৱী ৰজস্বলা হোৱাৰ এক লোকবিশ্বাসৰ ভিত্তিতেই আহাৰৰ মাহৰ সাত দিন পিছত এই উৎসৱ পালন কৰা হয়। নাৰী এগৰাকীৰ দৰে চাৰিদিনৰ মূৰত আমতীৰ চুৰাৰ ওৰ পৰে আৰু পাঁচদিনত শুদ্ধি হয়। এই চাৰিদিনত পৃথিৱীখন অশুদ্ধি হৈ থাকে বুলি বিশ্বাস কৰি হিন্দুসকলে যিকোনো ধৰণৰ গুৰুত্বপূৰ্ণ কাম অথবা মাংগলিক কাম কৰাৰপৰা বিৰত থাকে। বিশেষকৈ হাল, কোৰৰ ব্যৱহাৰ, ফল-মূল চিঙা, মাটি খন্দা আদি নিষেধ। কামাখ্যাকে আদি কৰি সকলো মঠ-মন্দিৰৰ পূজা-সেৱাও এই সময়ত বন্ধ থাকে। বিধৱাসকলে কেৱল ফল-মূল ভক্ষণ কৰিয়েই সেই দিন কেইটা কটায়। সধবাসকলে বৰাত বা ব্ৰত পালন কৰে। এই বৰাত উৎসৱ সধবা তিৰোতাই নদী, পুখুৰী অথবা জলাশয়ৰপৰা সংগ্ৰহ কৰা বোকা মাটিৰ কৃষি কাৰ্যৰ এক বিশেষ সম্পৰ্ক আছে। জেঠ-আহাৰৰ সংক্ৰান্তিৰ দিনা পুৱা সাথৰ আসনত বিশেষ ধৰণে পূজা সেৱা কৰা হয় আৰু আহাৰৰ তিনি তাৰিখে অৰ্থাৎ সাথ আৰম্ভ হোৱাৰ সপ্তম দিনা বৰাত পূজা হয়। এই বৰাত বা ব্ৰত পূজাৰ লগত সাবিত্ৰী-সত্যবানৰ কাহিনীৰ বিশেষ সম্পৰ্ক আছে।

এই সাথৰ পিছতে অম্বুবাচী বা আমতী আৰম্ভ হয়। লোক জীৱনত কাল্পনিক আমতী বুঢ়ীৰ প্ৰভাৱ আজিও বিদ্যমান।

অসমৰ কামাখ্যাক কেন্দ্ৰ কৰি অন্যান্য শক্তিপীঠ অথবা দেৱী পূজাৰ থানসমূহত আমতী উৎসৱ মহা সমাৰোহেৰে পালন কৰা হয়। বিশেষকৈ কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাত অসমৰ উপৰি ভাৰতৰ অন্যান্য ঠাইৰ ভক্তবৃন্দৰ যোগদানে এই লোক উৎসৱটিৰ মৰ্যাদা অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে।

সংস্কৃত 'অম্বুবাচী' শব্দৰপৰা এই আমেতী বা আমতী শব্দৰ সৃষ্টি হৈছে। সংস্কৃত 'সপ্ত' বা 'সপ্তক'ৰপৰা এই আহাৰ মাহৰ সাতদিনৰ সমাহাৰ 'সাথ' শব্দৰ উৎপত্তি হ'ব পাৰে।

আমতীৰ নিবৃত্তিৰ সময়ত বাচন-বৰ্তন, সাজ-পোছাক, ঘৰ-দুৱাৰ আদি ধুই-মচি পৰিষ্কাৰ কৰাটো এই আমতী বা সাথৰ এক অন্যতম বৈশিষ্ট্য।

মুঠৰ ওপৰত মাতৃ-প্ৰধান আৰ্য-ভিন্ন জনগোষ্ঠীৰ লোক-বিশ্বাসৰ ভিত্তিত গঢ লৈ উঠা অম্বুবাচী বা আমতী অথবা সাথ উৎসৱ প্ৰজনন কৃত্যৰ এক মনোমোহা উদাহৰণ।

প শা

**।। অৰ্ধচন্দ্ৰ / জোনবিৰি ।।**

জোন সদৃশ গহনা কাঁচিজোনটোৰ দৰে লকেট এটা সাজি চেইন এডালত বা গাম লগাই পিন্ধা হয়। কাঁচিজোনে আকাশত শোভা কৰাৰ দৰে নাৰীৰ বুকুত শোভা কৰে।

প্ৰ শ গো

**।। অ'ৰি (এউৰি) গীত ।।**

কামৰূপৰ ম'হো-হোৰ লেখীয়া গোৱালপাৰাৰ লোক অনুষ্ঠানটো অ'ৰি অথবা এউৰি অনুষ্ঠান ৰূপে জনা যায। আঘোণ মাহৰ পূৰ্ণিমা তিথিত ডেকাসকলে দলবদ্ধ হৈ ঘৰে ঘৰে গীত গাই পা-পইচা খুজি ফুৰে। এই গীতখিনিকে অ'ৰি অথবা এউৰি মগা গীত ৰূপে স্বীকৃতি দিয়া হৈছে। ডেকাইতে বছৰত এদিনহে মাগিব। গতিকে মাগন কাৰ্য হ'লেও প্ৰকৃততে ই এটা খেলহে। গীতত আছে - 'বছৰেৰ খেলা, আমি নকৰং হেলা।' বছৰেকত এদিন মাত্ৰ মাগিব, সেইবাবে কমকৈ ধান দিলে নহ'ব কমেও একুলা দিব লাগিব - 'অৰি ৰে হাপাং পাং / এক কুলা ধান পাং//' কোনো কোনো গীতত কুলাৰ সলনি দোণ শব্দ পোৱা যায় 'আগ দুৱাৰতে দুকুলা কুন / ধান দিবি এক দুন//' অ'ৰি গীতত ভালেখিনি থলুৱা গছ-লতা, ফল মূল প্ৰভৃতিৰ নাম পোৱাটো উল্লেখযোগ্য। কিছু সংখ্যক চৰাই-চিৰিকতিৰো নাম উল্লেখ হোৱাটো মন কৰিবলগীয়া। লক্ষ্মী আৰু দুৰ্গা দেৱীও এই গীতৰ মাজেদি এভুমুকি দিছে। গতিকে দ্বিজেন নাথে ক'বৰদৰে, 'ৰচনা ৰীতিৰ ফালৰপৰা অথবা সুৰ-সংযোজনাৰ ফালৰপৰা অ'ৰি গীতবোৰৰ বিশেষ বিশেষত্ব বা বৈচিত্ৰ্য নাথাকিলেও গীতবোৰত প্ৰতিফলিত লোক-সমাজ, পাৰিপাৰ্শ্বিকতা, পথাৰ-সমাৰ তথা প্ৰকৃতি ৰাজ্যৰ বিভিন্ন চিত্ৰই আমাক লোকগীতৰ

লোক সমাজখনৰ ভালেমান নজনা কথা জনাত সহায় কৰে। সমাজখনক বুজাত বা উপলব্ধি কৰাত তথ্য পাতিৰ যোগান ধৰে।' না. দা.

**।। অশোকাষ্টমী ।।**

পুৰণি কালত বসন্ত কালত উদ্‌যাপিত উৎসৱসমূহৰ ভিতৰত 'অশোক-দোহদো' এটা। এই উৎসৱ সাধাৰণতে ৰাজপ্ৰাসাদত উদ্‌যাপিত হৈছিল। *সৰস্বতী কণ্ঠাভৰণৰ* মতে এই উৎসৱ অনুষ্ঠিত হৈছিল - চ'ত মাহৰ ত্ৰয়োদশী তিথিত। সেই কালত এটা লোক বিশ্বাস আছিল যে যুৱতীৰ পাদস্পৰ্শত অশোক ফুল মঞ্জুৰিত হয়। সেইবাবে ৰাজপ্ৰসাদৰ যুৱতী ৰাণীয়ে অশোক ফুলত এটা নিৰ্দিষ্ট দিনত চৰণ স্পৰ্শ দিছিল। মহাকবি কালিদাসৰ *মালবিকাগ্নিমিত্ৰম্* নাটত মালবিকাই নূপুৰযুক্ত চৰণেৰে অশোক ফুলৰ গুৰিত মৃদু আঘাত দিয়াৰ কেইদিনমান পিছত ফুলজোপা ফুলি উঠাৰ বৰ্ণনা আছে। চ'ত মাহৰ শুক্লা ষষ্ঠী আৰু অষ্টমী তিথি দুটা অশোক ষষ্ঠী আৰু অশোকাষ্টমী ৰূপে পৰিচিত। প্ৰথমটো তিথিত ছোৱালীসকলে অশোকৰ কলি খাইছিল। অষ্টমীৰ দিনাখন শোক মুক্তিৰ কামনাত স্ত্ৰী-পুৰুষ নিৰ্বিশেষে আঠোটিকৈ অশোক কলি খোৱাৰ বিধান পোৱা যায়।

অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰত স্নানৰ বিধান আছে। সেইদিনা ব্ৰহ্মপুত্ৰৰ স্নানত গংগাস্নানৰ সমান ফল পোৱা যায়। পোন প্ৰথমে ব্ৰহ্মপুত্ৰৰ পানীত নামি ব্ৰহ্মপুত্ৰক প্ৰণাম কৰা হয় এই মন্ত্ৰেৰে ঃ

'ব্ৰহ্মপুত্ৰো মহাভাগ শান্তনুকুল নন্দন।
অমোঘা গৰ্ভ সম্ভুত পাপং লৌহিত্য মে হৰ।।'

মন্ত্ৰ মতা শেষ হ'লেই পানীত বুৰ মৰা প্ৰয়োজন। তাৰ পিছত অশোকৰ কলি আঠোটা পানীৰে সৈতে ভক্ষণ কৰিব লাগে নিম্নোক্ত মন্ত্ৰটি গায় -

"ত্বাম শোক হৰাভীষ্ট মধুমাস সমুদ্ভৱ।
পিবামি শোকসন্তাপো মামশোকং সদা কুৰু ।।"

অশোকাষ্টমীৰ দিনা বহুতে পিতৃ পুৰুষৰ তৰ্পণ কৰে - অস্থি যথাবিহিত ভাৱে উটাই দিয়ে। শুৱালকুছিৰ *অশোকাষ্টমী* মেলা প্ৰখ্যাত। এই মেলালৈ স্নান কৰাবৰ অৰ্থে হাজোৰ মাধৱ, কেদাৰ আৰু কামেশ্বৰ; বংশৰৰ ভৃংগেশ্বৰ; বামুন্দীৰ ধাৰেশ্বৰ আৰু শুৱালকুছিৰ সিদ্ধেশ্বৰৰ চলন্তা বিগ্ৰহ ঢোলে-ডগৰে, গায়নে-বায়নে সমদল যাত্ৰাৰে নৈৰ বালি পোৱায় আৰু নিৰ্দিষ্ট স্থানত সিসকলক শাৰী শাৰীকৈ ৰাখে। গোসাঁইসকলক চোৱা লোকে লোকাৰণ্য হয়। ভক্তসকলে গোঁসাইসকলক সশ্ৰদ্ধ প্ৰণাম জনায়। বিয়লিৰ লগে লগে অষ্টমী মেলা লহিয়াবলৈ আৰম্ভ কৰে। মেলা উপলক্ষে নদীৰ বালিত অগণন দোকান-পোহাৰ বহে আৰু কিনা-বিকা চলে। নগাঁও-শিলঘাটতো আড়ম্বৰপূৰ্ণ ভাৱে অশোকাষ্টমীৰ মেলা উদ্‌যাপিত হয়। না. দা.

।। অসম।।

ভাৰতবৰ্ষৰ অংগৰাজ্য অসম দেশৰ উত্তৰ-পূব কোণত অৱস্থিত (২৪°১০/ আৰু ২৭°৫৮ উত্তৰ অক্ষাংশ আৰু ৮৯°৪৯/ আৰু ৯৭°২৬/ পূব দ্ৰাঘিমাংশ)। ইয়াৰ মাটিকালি ৭৮৪৩৮ বৰ্গকিলোমিটাৰ, জনসংখ্যা ২৬৬,৫৫,৫২৫ (২০০১) আৰু জনসংখ্যাৰ ঘনত্ব (প্ৰতি বৰ্গ কিলোমিটাৰত) ৩৪০ জন।

**চাৰিসীমা ঃ** ভৌগোলিকভাৱে অসমৰ কোনো প্ৰাকৃতিক সীমা নাই। বৰ্তমানে অসমৰ যি চাৰিসীমা, সি ৰাজনৈতিকভাৱেহে নিৰ্ধাৰণ কৰা হৈছে। প্ৰকৃততে উত্তৰ-পশ্চিমলৈ উত্তৰ বংগৰ এক সংকীৰ্ণ ভূমিখণ্ডৰ দ্বাৰাহে অসম ভাৰতৰ অন্যান্য ৰাজ্যৰ সৈতে সংলগ্ন। বৰ্তমান অসমৰ উত্তৰে ভূটান আৰু অৰুণাচল প্ৰদেশ, পূবে অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু মণিপুৰ, দক্ষিণে মিজোৰাম আৰু ত্ৰিপুৰা, পশ্চিমে মেঘালয়, বাংলাদেশ আৰু পশ্চিমবঙ্গ অৱস্থিত।

**প্ৰাকৃতিক বিভাগ ঃ** অসমৰ প্ৰধান প্ৰাকৃতিক ভাগ তিনিটা। (১) ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, (২) বৰাক উপত্যকা অঞ্চল আৰু (৩) কাৰ্বি আংলং আৰু উত্তৰ কাছাৰৰ পাহাৰীয়া অঞ্চল।

**জলবায়ু ঃ** অসমৰ জলবায়ু ঘাইকৈ গৰম আৰু সেমেকা মৌচুমী জলবায়ু। জলবায়ুত জলীয়া ভাপৰ মাত্ৰা অধিক, তাপমাত্ৰাৰ গড় মজলীয়া গ্ৰীষ্মকালত গড়ে ৩০ ডিগ্ৰী চেলছিয়াছ আৰু শীতকালত গড়ে ১৮ ডিগ্ৰী চেলছিয়াছ। বতৰৰ তাৰতম্য অনুসৰি অসমত বছৰটোক চাৰিটা ঋতুত ভগাব পাৰি। (১) শীতকাল ঃ নৱেম্বৰ-জানুৱাৰী; (২) প্ৰাক্ মৌচুমী কাল ঃ ফেব্ৰুৱাৰী-এপ্ৰিল, (৩) মৌচুমী কাল ঃ মে'-জুলাই আৰু (৪) উত্তৰ মৌচুমী কাল ঃ আগষ্ট-অক্টোবৰ। অসমত গড় বৰষুণ বছৰি ১২০০ মি. মি.।

**প্ৰ. দা.**

।। অসম নামৰ বুৎপত্তি ।।

অসম হ'ল ভাৰতৰ পূৰ্বোত্তৰৰ সু-প্ৰাচীন ৰাজ্য প্ৰাগজ্যোতিষ অথবা কামৰূপৰ নিতান্ত অৰ্বাচীন নাম। নিসন্দেহে ভাৰতৰ পূবৰ শ্যান বা আহোমসকলৰ অসম আগমনৰ পৰাই ৰাজ্যখনৰ নাম অসম হ'বলৈ আৰম্ভ কৰে। ঘাইকৈ মধ্যযুগৰ কোচ-কমতাৰ ৰজা-ৰাইজ, বঙ্গৰ নবাবসকল আৰু পিছলৈ মোগলসকলেও হয়তো পূবৰ এই ৰাজ্যখনৰ ক্ষেত্ৰত এই নতুন নামটোৰ ব্যৱহাৰ কৰিবলৈ লয়। অৱশ্যে বুৰঞ্জীত এই নাম তেতিয়া *অচম, অচমে*, বুলিহে উল্লেখ আছিল আৰু আজিৰ 'অসম' শব্দ তাৰ শেহতীয়া ৰূপান্তৰ।

*অচম* শব্দৰ উৎপত্তি লৈ বিভিন্ন ব্যাখ্যা আছে। ভাষাবিদ্‌সকলৰ মতে আহোম ভাষাত 'চাম' ধাতুৱে পৰাজিত কৰা বা হোৱা বুজায়। গতিকে তাৰ আগত নোহোৱা অৰ্থত অসমীয়া আদি বৰ্ণ 'অ' যোগ হৈ 'অচাম' বা 'অচম' শব্দই পৰাজিত নোহোৱা বা

অপৰাজিত অৰ্থকে সূচাইছে। কিছুমানে আকৌ *অসম* শব্দৰে 'আনৰ সমান নহয় অৰ্থাৎ অসমান' অৰ্থাৎ শ্ৰেষ্ঠ এই অৰ্থ বুজোৱা বুলি ক'বলৈ বিচাৰে। বাডেন পাৱেল নামৰ এগৰাকী পণ্ডিতে আকৌ *অচম* শব্দটোৰ মূল বিচাৰি বড়ো ভাষাৰ *হা-চম* (নামনি ভূ-ভাগ বা সমভূমি) শব্দৰ ওচৰ চাপিছে।

যিয়েই নহওক অচম শব্দই বুৰঞ্জি যুগত আৰু বৰ্তমানতো ভাষা-সাহিত্যৰ ক্ৰম-বিবৰ্তনৰ যুগত তাৰ বানান আৰু ৰূপৰ ক্ষেত্ৰত ভালেখিনি সাল-সলনি হৈ এতিয়া *অসম* ৰূপকেই পৰিগ্ৰহ কৰিছে আৰু ইয়াৰপৰাই আজিৰ *অসমীয়া* আদি ৰূপৰো জন্ম দিছে আৰু এই *অসম, অসমীয়া* আদি ৰূপেৰে ভাৰতৰ পূব প্ৰান্তৰ এই ঠাইখনক বুজোৱাৰ উপৰি ইয়াৰ বাসিন্দা আৰু ভাষা-সাহিত্য-সংস্কৃতি আদিৰো স্বকীয় স্বৰূপৰ কথা সূচাইছে। অৱশ্যে *অসমে* আৰু আজি আগৰ দৰে ভাৰতৰ সমগ্ৰ পূৰ্বোত্তৰকে নুবুজাই পূৰ্বোত্তৰৰ লৌহিত্যৰ তীৰৱৰ্তী সমভূমি অঞ্চল সূচোৱা ৰাজ্য ক্ষেত্ৰ এখনতহে তাৰ পৰিসৰ সীমিত কৰি ৰাখিছে। একালৰ *অসম* বা *বৰ অসম* আজি সাতোখন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যলৈ ৰূপান্তৰিত হৈছে। ৰাজনৈতিকভাৱে বিচ্ছিন্ন হৈ পৰিছে যদিও, সাংস্কৃতিক বা অৰ্থনৈতিক ভাৱে ইবোৰৰ ভাগ্য বা দুৰ্ভাগ্য একেডালি নেদেখা এনাজৰিৰেই আজিও সাঙোৰ খাই আছে।

সু. শ.

**।। অসমত আয়ুৰ্বেদ চৰ্চা ।।**

অসমত আয়ুৰ্বেদ চৰ্চাৰ শুভাৰম্ভ কেতিয়াৰেপৰা হৈছিল, সেই বিষয়ে ইতিহাস নীৰৱ। অৱশ্যে কুমাৰ ভাস্কৰ বৰ্মাৰ ডুবি শাসনত বজ্ৰদত্তই আন শিক্ষাৰ লগতে হাতী আৰু ঘোঁৰা পালনৰ শিক্ষা লোৱা বুলি উল্লিখিত হৈছে। *যোগশতকৰ* ৰচয়িতা নাগাৰ্জুনক ৰত্নপালৰ সমসাময়িক বজ্ৰযানী বৌদ্ধ ৰূপে পণ্ডিতসকলে অভিমত দিয়াটো উল্লেখযোগ্য। *হস্ত্যায়ুৰ্বেদৰ* ৰচয়িতা *পালকাপ্য* মুনিক বহুতে অসমৰ লোক বুলিব খোজে। অসমীয়া ঔষধৰ পুথিবোৰ *নিদান* ৰূপে খ্যাত। এনে নিদানৰ পুথি অজস্ৰ। গদ্য আৰু পদ্য উভয়তে এনে পুথি লিখা হৈছিল। কোচৰজা বিশ্বসিংহ নিজে চিকিৎসা শাস্ত্ৰত পাৰদৰ্শী লোক আছিল। কোচ নৃপতিসকলে পশু চিকিৎসাতো মনোযোগ দিয়াৰ সাক্ষ্য হ'ল - পৰিব্ৰাজক ৰালফ্ ফিটচ্‌ৰ টোকা। আহোম স্বৰ্গদেৱসকলো এই ক্ষেত্ৰত পিছপৰা নাছিল। স্বৰ্গদেৱ ৰুদ্ৰ সিংহৰ দিনত কনৌজৰ শ্যামদাস বঙালক মাতি আনি ৰচনা কৰা বৃহৎ *আয়ুৰ্বেদ নিদান* এখনি *পূৰ্বভাৰতীত* আছে। চৌৰাশীটা অধ্যায়ত সমাপ্ত হোৱা অনুৰূপ নিদান এখনি দক্ষিণকূলতো উদ্ধাৰ হৈছে। এই পুথিত মানুহৰ উপৰি গৰু-ম'হ আৰু চৰাই-চিৰিকতিৰো বেমাৰৰ বিধান দিয়াটো উল্লেখযোগ্য। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ ৰাজত্বকালত ৰচা অনংগ কবিৰাজৰ *বৈদ্যকল্পতৰুত* নাড়ীজ্ঞানৰ সবিশেষ পোৱা যায়।

ব্ৰজনাথ শৰ্মা প্ৰণীত *বৈদ্ধ সাৰোদ্ধাৰ* সংস্কৃতত লিখিলেও মাজে মাজে অসমীয়াও আছে। সাৰংগধৰৰ *চিকিৎসা সংগ্ৰহ* শীৰ্ষক সাঁচিপতীয়া পুথিৰ মূল বক্তব্য নাড়ীজ্ঞান। একে বিষয়ৰ আন এখনি ভাল সাঁচিপতীয়া গ্ৰন্থ হ'ল - *চিকিৎসা সংহিতা*। বৈদ্য বাচস্পতিৰ সাঁচিপতীয়া *আতংক দৰ্পণ* হ'ল সংস্কৃত *নিদান-লিংগৰ* টীকা। নাৰায়ণ দাস কবিৰাজ সংকলিত *ব্যাধি সংস্কাৰত* বেমাৰৰ পথ্যাপথ্য আৰু অজ্ঞাত লিখকে ৰাজবল্লভৰপৰা চয়ন কৰা *দ্ৰব্যগুণত* বিভিন্ন বনৌষধিৰ গুণাগুণ বৰ্ণিত হৈছে। ১৬৫৫ শকত লিখা শালিনাথৰ *ৰসমঞ্জৰী*, কেয়দেৱৰ *পথ্যাপথ্য বিৰোধ*, ৰামচন্দ্ৰ ভট্টৰ *ৰসেন্দ্ৰ কল্পদ্ৰুম* আয়ুৰ্বেদৰ আন আন উল্লেখনীয় গ্ৰন্থ। *ব্যাধি গুচাবৰ কথা, চিকিৎসা গ্ৰন্থ, চিকিৎসা তন্ত্ৰ-মন্ত্ৰাদিৰ গ্ৰন্থকাৰৰ* নাম জনা নাযায়।

অষ্টাদশ শতাব্দীৰ প্ৰথম তৰংগত সুকুমাৰ বৰ কাথে পশু-চিকিৎসা গ্ৰন্থ *হস্তিবিদ্যাৰ্ণৱ* ৰচনা কৰে। ইয়াৰ মূল সংস্কৃত *গজেন্দ্ৰ চিন্তামণি।* দৰঙী ৰাজত্ব কালত সাগৰখৰি দৈৱজ্ঞই *ঘোঁৰা নিদান* আৰু সূৰ্যখৰি দৈৱজ্ঞই ৰচনা কৰে *অশ্বনিদান।*

আধুনিক কালতো আয়ুৰ্বেদ চৰ্চাৰ ধাৰাটি অসমত ব্যাহত হোৱা নাই। আনন্দ চন্দ্ৰ আগৰৱালাই *অৰুন্ধতীৰ উপাখ্যানৰ* ত্ৰয়োদশ-চতুৰ্দশ অধ্যায়ত বনৌষধিৰ গুণা-গুণ বৰ্ণাইছে। গংগাৰাম দাস তহচিলদাৰৰ *বৈদ্য অমৰত* হাতী আৰু পশুৰ বহু বেমাৰৰ ঔষধৰ বিধান পোৱা যায়। কবি লোলিম্বৰাজৰ *বৈদ্য জীৱনৰ* অসমীয়া ভাঙনি আগবঢ়াইছে - থানেশ্বৰ শৰ্মাই। তীৰ্থনাথ গোস্বামীয়ে প্ৰকাশ কৰা *অসমীয়া ঘৰুৱা দৰৱত* ভালেখিনি বনৌষধিৰ কথা আছে। শান্তনু তামুলীৰ *অসমীয়া বনৌষধি*, ৰবিচন্দ্ৰ শৰ্মাৰ *বনৌষধি দ্ৰব্যৰ গুণ আৰু তাৰ ব্যৱহাৰ*, যোগেশ্বৰ শৰ্মাৰ *দ্ৰব্যগুণ তৰংগিণী*, যাদব শৰ্মাৰ *দ্ৰব্যগুণ*, গুণাৰাম খনিকৰৰ *সহজলভ্য বন দৰৱৰ গুণ* আৰু অন্যান্য গ্ৰন্থ আয়ুৰ্বেদ চৰ্চাৰ সুন্দৰ নিদৰ্শন। বৰ্তমানে আৰু ভালেকেইজন ভেষজবিদে বনৌষধিৰ ওপৰত গ্ৰন্থ ৰচনা কৰি অসমীয়া চিকিৎসা বিজ্ঞানৰ সাহিত্য চহকী কৰিছে।

না. দা.

**।। অসমত জ্যোতিষ চৰ্চা ।।**

পুৰণি অসমত জ্যোতিষৰ যে নিয়ত চৰ্চা হৈছিল, তাক এই ভূখণ্ডৰ প্ৰাচীন নাম 'প্ৰাগ্‌জ্যোতিষে' প্ৰমাণ কৰে। প্ৰাচ্য জ্যোতিষৰ দেশেই 'প্ৰাগ্‌জ্যোতিষ'। গুৱাহাটীৰ চিত্ৰাচল পাহাৰ তথা নৱগ্ৰহ মন্দিৰ যে পুৰণি জ্যোতিষ চৰ্চাৰ কেন্দ্ৰভূমি আছিল, তাক প্ৰখ্যাত জ্যোতিষী অধ্যাপক পুৰুষোত্তম ভট্টাচাৰ্যদেৱে বলিষ্ঠ যুক্তিৰে প্ৰমাণ কৰিছে। অসমত অগণন জ্যোতিষৰ পুথি উদ্ধাৰ হৈছে। তাৰে কিছুখিনি সৰ্বভাৰতীয় গ্ৰন্থৰ অসমীয়া প্ৰতিলিপি হ'লেও ভালেখিনি পুথি যে থলুৱাভাৱে সংকলন কৰা হৈছিল, তাক দোহাৰিবৰ প্ৰয়োজন নাই। গ্ৰহ-নক্ষত্ৰৰ উপাসনাৰ প্ৰণালীবদ্ধ ৰচনা *কামৰূপীয় নিবন্ধীয় খণ্ডসাধ্য*

নামৰ প্ৰখ্যাত সংস্কৃত গ্ৰন্থখনি কোনো কোনো পণ্ডিতৰ মতে খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ ৰচনা কৰা। ৰজা বৈদ্যদেৱৰ *কমৌলী* তাম্ৰশাসনত ভৱিষ্যত ক'ব পৰা জ্যোতিষীৰ কথা আছে। আহোম যুগত দৈৱজ্ঞ-জ্যোতিষক কিমান গুৰুত্ব দিয়া হৈছিল, তাক *দেওধাই অসম বুৰঞ্জীৰ চণ্ডীবৰ* দৈৱজ্ঞই সাক্ষ্য দিয়ে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ *ডেস্ক্ৰিপটিভ কেটেলগ অব আচামিজ মেনুস্ক্ৰিপ্‌টচত* ২৩ খন সংস্কৃত আৰু এখনি অসমীয়াত লিখা জ্যোতিষ পুথিৰ বিৱৰণী দিয়াটো উল্লেখযোগ্য। এইখিনিতে ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী সম্পাদিত *কেটেলগ অব সংস্কৃত মেনুস্ক্ৰিপট্‌চ এট ডি. এইচ. এ. এচ.ত* ৮৪ খন সংস্কৃত জ্যোতিষ পুথিৰ তালিকা দিয়াটোও স্মৰণযোগ্য। দামোদৰ মিশ্ৰৰ *জ্যোতিষ-সাৰ-সংগ্ৰহ* খ্ৰীষ্টীয় চতুৰ্দশ শতাব্দীৰ ৰচনা। নৰনাৰায়ণ আৰু চিলাৰায়ৰ গুৰু পীতাম্বৰ সিদ্ধান্ত বাগীশে *গ্ৰহণ কৌমুদী* আৰু *সিদ্ধান্ত-কৌমুদী* নামৰ দুখনি প্ৰখ্যাত জ্যোতিষৰ পুথি লিখে। প্ৰায় একে সময়তে ৰচনা কৰা আন আন জ্যোতিষৰ গ্ৰন্থৰ ভিতৰত *জ্যোৰ্তিমুক্তাৱলী* (বংশী বাদন শৰ্মা, ১৭২০ শক), *সম্বৎসৰ গণনা* (কৃষ্ণদেৱ মিশ্ৰ, ১৭৩৩ শক), *অদ্ভুত সাৰঃ* (মহাদেৱ শৰ্মা), *দিন কিৰণাৱলী* (কৱিৰাজ চক্ৰৱৰ্তী, ১৬৪৩ শক), *জ্যোতিৰ্মালা* (লক্ষ্মীপতি শৰ্মা, ১৯৬১ শক), *জ্যোতিষ তত্ত্বম্‌* (ৰঘুনন্দন ভট্টাচাৰ্য, ১৭৭৪ শক), *জ্যোতিষ সূত্ৰম্‌* (শ্ৰীকৰ্ণ চক্ৰবৰ্তী, ১৭৫০ শক), *জ্যোতিষসংক্ষেপঃ* (হৰিদেৱ শৰ্মা) *সময়ামৃতম্‌* (মথুৰা নাথ বিদ্যালংকাৰ), *দীপিকা প্ৰকাশ* (ৰাঘৱ, ১৭৩৩ শক), *পঞ্জিকাৰ্যা* (১৭৫৪ শক), *সৎ-কৃত্য-মুক্তাৱলী* (ৰঘুনাথ) আদিৰ নাম একে উশাহতে ল'ব পাৰি। একাদশ শতাব্দীৰ প্ৰখ্যাত জ্যোতিষী পণ্ডিত সত্যানন্দৰ *ভাস্বতী* গ্ৰন্থ অসমীয়া গদ্যলৈ ভাঙনি কৰে ডাক সৰস্বতীৰ পুত্ৰ কবিৰাজ চক্ৰৱৰ্তীয়ে। ড° সূৰ্যকুমাৰ ভূঞাই লিখিছে, মিৰজুমলাই অসম আক্ৰমণ কৰোঁতে তেওঁৰ লগত আহিছিল ইউৰোপৰ লুবিয়েৰ নামৰ এজন ইউৰোপৰ লোক। তেওঁ অসমৰপৰা জ্যোতিষৰ পুথি এখন ইউৰোপলৈ লৈ যায় আৰু সেই পুথিৰ ভিত্তিত ইটালীয় জ্যোতিৰ্বিদ জিঅ'ভানি ডমিনিক কেছিনিয়ে ১৬৯১ খ্ৰীষ্টাব্দত আবিষ্কাৰ কৰে এটি জ্যোতিৰ্বিজ্ঞানৰ সূত্ৰ। এইটোৱে নিশ্চিতভাৱে প্ৰমাণ কৰে যে পুৰণি অসমত জ্যোতিৰ্বিজ্ঞানৰ উন্নতমানৰ প্ৰণালীবদ্ধ চৰ্চা হৈছিল।

না. দা.

**।। অসমত দেৱদাসী নৃত্যৰ পৰম্পৰা।।**

ভাৰতৰ ভিন্ন প্ৰান্তৰ দৰে পুৰণি অসমতো শিৱ মন্দিৰসমূহৰ গইনা লৈ দেৱদাসী নৃত্যই বিকাশ লাভ কৰিছিল। মহাৰাজাধিৰাজ বনমাল বৰ্মাদেৱৰ তেজপুৰ তাম্ৰশাসনত আছে -শোণিতপুৰৰ হাটকশূলীন শিৱ মন্দিৰটো পুনৰ্নিৰ্মাণ কৰাৰ পিছত ৰজাই মন্দিৰলৈ আন আন সামগ্ৰীৰ লগতে বেশ্যাও দান কৰিছিল। ফলিত প্ৰয়োগ কৰা *দলুহাংগনা*শব্দই দেৱালয়ৰ তিৰোতা অৰ্থাৎ নৰ্তকীক বুজায়। হাটকশূলীন শিৱমন্দিৰৰ নৰ্তকীৰ নৃত্য দেৱদাসী

নৃত্যৰ বাহিৰে আন একো নহয়।। আহোম যুগত স্বৰ্গদেৱ গদাধৰ সিংহৰ আজ্ঞাত বিশ্বনাথৰ শিৱমন্দিৰলৈ আঠগৰাকী নৰ্তকী দিয়াৰ কথা ফলিত পোৱা যায়। আহোম স্বৰ্গদেউসকলে শিৱসাগৰৰ শিৱ দ'ল, সলাল বিশ্বনাথৰ দেৱালয়, ডুবিৰ পৰিহৰেশ্বৰ আদিৰ মন্দিৰ পুনৰ্নিৰ্মাণ কৰি তাত নটী নিয়োগ কৰাটো ঐতিহাসিক কথা। সূৰ্যমাৰ মহন্তৰ ঘৰত পোৱা *অসম বুৰঞ্জীত* সত্ৰাজিতে বিশ্বনাথ মন্দিৰৰপৰা তিনিজনী নটিনী অপহৰণ কৰি নিয়াৰ সংবাদ আছে। *দেওধাই অসম বুৰঞ্জী*তো সত্ৰাজিতে সলাৰ দেওঘৰৰপৰা তিনিজনী নটিনী লৈ যোৱাৰ কথা পোৱা যায়। চিনাতলীয়া নটৰ জীয়াৰী ফুলমতীযে জয়দৌলত নাচি থাকোঁতে শিৱসিংহই দেখি মোহিত হৈ তেওঁক পাটৰাণী পাতিছিল। শ্ৰী শ্ৰী ৰংগনাথ মন্দিৰত দেৱদাসী প্ৰথা মানৰ তৃতীয় আক্ৰমণলৈকে বৰ্তি থকাটো তাৎপৰ্যপূৰ্ণ। দেৰগাঁৱৰ নেঘেৰিটিঙ শিৱালয়, বিশ্বনাথ দেৱালয, হাজোৰ মাধৱ মন্দিৰ আৰু কামৰূপৰ ডুবিৰ দেৱদাসী নৃত্যৰ পৰম্পৰা দীৰ্ঘদিনীয়া। ডুবিৰ দেৱদাসী নৃত্যই বৰ্তমানে পুনৰ্নকৈ ঠন ধৰি উঠিছে।

না দা

।। অসমত ৰং প্ৰস্তুত কৰা পদ্ধতি ।।

পুৰণি কালৰেপৰা অসমীয়া মানুহে থলুৱা বিভিন্ন প্ৰাকৃতিক আৰু আন পদাৰ্থৰ সংমিশ্ৰণেৰে বিবিধ ৰং প্ৰস্তুত কৰি নিজৰ সাজ পাৰ নিত্য ব্যৱহাৰ্য আহিলা-পাতি আৰু সুকুমাৰ কলাত তাৰ প্ৰয়োগ ঘটাইছিল। বাণভট্টই *হৰ্যচৰিতত* লিখিছে কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষ শিলাদিত্যলৈ যি উপঢৌকন পঠিযাইছিল, সেই উপঢৌকনৰ বিভিন্ন সামগ্ৰীৰ ভিতৰত এবিধ আছিল ভোজ পত্ৰৰ দৰে কোমল 'জাইফুল বৰণীয়া পাট কাপোৰ'। ১৬২০ শকত কছাৰী ৰজাই আহোম স্বৰ্গদেৱক এখনি ৰং চণ্ডীয়া ফুলাম পাটী উপহাৰ দিয়াৰ কথা বুৰঞ্জীত আছে। পুথি চিত্ৰৰ উপৰি বাঁহ-কাঠৰ বিভিন্ন দ্ৰব্য সম্ভাৰত ৰং সানি অসমীয়া লোকে সৌন্দৰ্যবোধৰ পৰিচয় দিছিল। *ফুল-চন্দন* গ্ৰন্থত বেণুধৰ শৰ্মাই লিখিছে 'মজাঠী, জৰধ জেতুকা, পলাশৰ ছাল-ফুল, নীল, কেহৰাজৰ ৰস, পুৰৈ শাক, জামুকৰ ছাল, কুহুম ফুলৰ গুটি - এইবোৰৰেই কাপোৰ বোলোৱা হৈছিল।' (পৃঃ১০৯) শ্ৰীকনক শৰ্মা সম্পাদিত *সাংস্কৃতিকাত* (১৯৭৬) শ্ৰীচিদানন্দ বৰুৱাই লিখা 'অসমৰ শিল্প কলাত ৰঙৰ বুৰঞ্জী' শীৰ্ষক লেখাত বিবিধ গছ-লতাৰ শিপা, পাত, ঠাল, ফল, ফুল, বাকলি আৰু গুটিৰপৰা কেনেদৰে বিভিন্ন ৰঙ প্ৰস্তুত কৰা হৈছিল, তাৰ মনোজ্ঞ আলোচনা আগবঢ়াইছে। সেই প্ৰবন্ধৰপৰা তলত ৰং কৰা কিছু গছ-গছনিৰ নামোল্লেখ কৰা হ'ল - (ক) আম - আম, মাধুৰী, শিলিখা আৰু জামু গছৰ বাকলি গুড়ি কৰি ক'লা ৰঙ প্ৰস্তুত কৰা হৈছিল। ঢাকিৰ ছাইৰপৰাও ক'লা ৰং পোৱা যায়। (খ) আমলখি - আমলখি ফল শিলিখাৰ বাকলিৰে সিজাই ক'লা ৰং কৰা হৈছিল, (গ) কেহৰাজ - কেহৰাজৰ পাতৰপৰা ক'লা ৰং পাব পাৰি, চুলি ক'লা কৰিবলৈ ইয়াক

প্ৰয়োগ কৰা হয়, (ঘ) খৈৰা - চুণৰ সৈতে এই গছৰ ৰস মিহলালে ঘোলা ৰঙা ৰং উঠে। (ঙ) জাতি কৰৈ - এইগছৰ বাকলিৰ সৈতে দাগল গছৰ পাত মিহলাই পগালে ইটা ৰঙৰ সৃষ্টি হয়, (চ) জৰথ - কলাখাৰৰ সৈতে এই গছৰ গুটি উতলাই ৰং কৰিবলগীয়া কাপোৰ বা সূতা ডুবাই থৈ ৰ'দত থৈ দিলে উজ্বল হালধীয়া হৈ পৰে, (ছ) জেতুকা - ইয়াৰ পাত খুন্দিলে ৰঙচুৱা ৰং পোৱা যায়, (জ) তেপুৰ - তেপুৰৰ বাকলিৰ গুড়ি, ভূমৰতি পাত, মিঠাতেল, গুৰুৰ মুত আৰু পানী মিহলাই ৰং কৰিবলগীয়া কাপোৰ বা সূতাখিনি জুইত উতলাই পিছত কাপোৰখন ৰ'দত দিলে গাঢ় হালধীয়া হয়, (ঝ) নীলগছ - নীলগছৰ পাত ঢেঁকীত খুন্দি চুণৰ পানীৰে মিহলালে নীলা ৰং পোৱা যায়, (ঞ) পলাশ - আঁচু গছৰ শিপাৰে পলাশ ফুল একেলগ কৰি কাপোৰ উহালে হালধীয়া হৈ পৰে, (ট) বাহক - বাহক পাত উতলাই হালধীয়া ৰং কৰা হৈছিল, (ঠ) বেল - বেলৰ খোলাৰপৰাও হালধীয়া ৰং পোৱা হয়, (ড) মদাৰ - শুকুৱাই থোৱা মদাৰ ফুল উতলাই ৰঙা ৰং প্ৰস্তুত কৰা হৈছিল, (ণ) পানী পিয়লি - এই গছৰ পাতৰ সৈতে বেলেগে বেলেগে নীল গছৰ পাত, মজাঠি আৰু হালধি মিহলাই যথাক্ৰমে নীলা, ৰঙা আৰু হালধীয়া ৰং তৈয়াৰ কৰা হৈছিল। ওপৰত উল্লেখ কৰা এই ৰংবোৰ সাধাৰণতে কাপোৰ আৰু সূতা ৰং কৰাত ব্যৱহাৰ হৈছিল। বাঁহৰ কাঠি-কামী-দৈ আদিতো উপৰ্যুক্ত ৰংসমূহ সানিব পৰা গৈছিল। কাঠৰ বয়-বস্তু বোলোৱাৰ ক্ষেত্ৰত হেঙুল, হাইতাল আৰু সিন্দূৰৰ ব্যৱহাৰ আছিল সৰ্বাধিক। নীলা, হালধীয়া গেৰোমাটি আৰু ঢল বা খৰিমাটি চিত্ৰ-কৰ্মত ব্যৱহৃত ৰং।

না. দা.

**।। অসমৰ খেল-ধেমালি।।**

অৱসৰ বিনোদন আৰু ৰং-ৰহইচৰ বাবে অসমৰ মানুহে ঢুকি নোপোৱা কালৰেপৰা বিভিন্ন খেল-ধেমালি কৰি আহিছে। অসমত নিগাজীকৈ বস-বাস কৰা বিভিন্ন জাতি-জনজাতিৰ মাজত ভিন্ন নামৰ ভালেসংখ্যক খেল-ধেমালি প্ৰচলিত। আবহমান কালৰেপৰা প্ৰচলিত হৈ অহা কিছু সংখ্যক খেলে মধ্যযুগত ৰাজ-পৃষ্ঠপোষকতা লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰাক্ শংকৰ যুগৰ কবি মাধৱ কন্দলিৰ *ৰামায়ণত* (লংকাকাণ্ড) হনুমানৰ মুখেদি ৰাক্ষসবোৰৰ মাজত প্ৰচলিত যিবোৰ খেলৰ লেখ দিছে, সেইবোৰ খেল চতুৰ্দশ শতাব্দীৰ বৰ অসমত চল্‌তি থকা বুলি অনুমান কৰিব পাৰি। কন্দলিৰ *ৰামায়ণত* আকুটি-ভ্ৰুকুটি, খেড়ি, গোৱাল-গোৱালী, ঘিলা, জুৱা, ঝুণ্টি, টোকৰা, টোপখেড়ি, দলি যুঁজ, পাশা, ফল-ফুল খেল, ভণ্টা, মালযুদ্ধ, লৰমৰা, লুনি আৰু হাতা হাতি খেলৰ নাম উল্লিখিত হৈছে। তলত পুৰণি অসমত প্ৰচলিত কিছু সংখ্যক খেল-ধেমালিৰ নাম উল্লেখ কৰা হ'ল -

১। আঙুঠি খেল, ২। আদা খেল, ৩। আলি চিগা খেল, ৪। ইৰিকটি-মিৰিকটি (ইচনি-বিচনি) খেল, ৫। উকুলি-মুকুলি, ৬। কঁকাল চিগা, ৭। কচু গুটি খেল, ৮। কণী যুঁজ, ৯। কপৌ-কু-খেল, ১০। কড়িখেল, ১১। কলহ ভঙা খেল, ১২। কাণী-মুনি খেল, (চকুত কাপোৰ বন্ধা), ১৩। কুকুৰ খেল (কুকুৰ-পোৱালি), ১৪। কুকুৰা যুঁজ (কুকুৰা ঠেঙীয়া), ১৫। খৰ-বাগৰ খেল, ১৬। খালি-ফুটি খেল, ১৭। গছ-কুমটি (গছ-কৰদি) খেল, ১৮। গামোচা চেৰোৱা, ১৯। ঘাই পকোৱা, ২০। ঘিলা, ২১। চকু মুদা, ২২। ঢাক-ঘোঁৰা-বাহৰ ঠেং, ২৩। চাকি-চুকুৰী, ২৪। চিলনি-চিলনি খেল, ২৫। চিকিমিকি, ২৬। চোবা-চুই খেল, ২৭। ছাবিশটা বকুল বা তেতেলী গুটিৰ খেল, ২৮। টোকৰ মৰা, ২৯। টোপা খেল, ৩০। তৰোৱাল ঘুৰোৱা, ৩১। তাই-সাই, ৩২। তাংগুটি, ৩৩। দৰা-কইনা, ৩৪। দ'ল (দৌল) সজা, ৩৫। দাইৰাবান্দা, ৩৬। দোলা ৩৭। ধোপ, ৩৮। নাওখেল, ৩৯। নাগৰী, ৪০। নিগনি মেকুৰী, ৪১। পাক ঘূৰণি, ৪২। পাশা, ৪৩। বাটা, ৪৪। বাঘ-গৰু (বাঘ বোল), ৪৫। বুলবুলি যুঁজ, ৪৬। ভাকুট কুট্ নুট ৪৭। মল্লযুদ্ধ, ৪৮। মংগল, ৪৯। ম'হ যুঁজ ৫০। মুঠি যুঁজ, ৫১। মোগল পাঠান, ৫২। লাঠিখেল, ৫৩। লুকাভাকু (লুকালুকি), ৫৪। লেটেকু, ৫৫। শালিকা ভোগ, ৫৬। শেন যুঁজ, ৫৭। সোল খেল, ৫৮। হাও (হৈ গুদু), ৫৯। হাত উলিওৱা, ৬০। হাতী যুঁজ, ৬১। হাথাবাটা, ৬২। হাফোলা ৬৩। হেতোলি আদি। ইয়াৰে কিছু সংখ্যক খেল থলুৱা আৰু কিছু সংখ্যক উত্তৰ ভাৰতীয় বুলিব পাৰি।

না দা

।। অসমৰ গছ-গছনি।।

হাবি-বননিৰে ভৰা অসমৰ মূল্যবান গছ-গছনিৰে ঠাহ খোৱা। বাঁহ-কাঠৰ পৰ্যাপ্তিৰ বাবেই অসমৰ সংস্কৃতিত বাঁহ-কাঠৰ স্থান বিশিষ্ট। অসমত যথেষ্ট সংখ্যক বনৌষধিও পোৱা যায়। সেই বনৌষধিসমূহৰ কাণ্ড, ছাল, পাত, ফল-ফুল, ৰস আৰু শিপা ঔষধৰূপে ব্যৱহাৰ কৰাটো তাৎপৰ্যপূৰ্ণ। অসমত পোৱা বনৌষধিৰ ভিতৰত অনন্তমূল, অশোক, আদা, আমলখি, ওলকচু, কৰ্দৈ, কালমেঘ, কেহৰাজ, কোটাহী বেঙেনা, চজিনা, জামু, জেতুকা, ডালিম, দুৰ্বৰি, তুলসী, দোৰোণ, নেফাফু, নহৰু, নিম, পনৌনৌৰা, পলাশ, বচ, বাহক, বেলিপকা, ভেঁকুৰি তিতা, ভেদাই লতা, ভৃংগৰাজ, মাটি কঁঠাল, মান-কচু, মানিমুনি, ৰুদ্ৰাক্ষ, শিলিখা, সৰ্পগন্ধা সিজু, হালধি আৰু হেলচিৰ নাম একে উশাহতে ল'ব পাৰি। অসমত কাক, কোটোহা, জাতি, নল, বিজুলী, ভলুকা প্ৰভৃতি বাঁহ উৎপন্ন হয়। সেইবাবে ঘৰ-দুৱাৰ, নিত্য-নৈমিত্তিক ব্যৱহাৰ্য সা-সঁজুলি অসমীয়া মানুহে বাঁহেৰে সাজি লৈছিল। বাঁহ-গাঁজ আহাৰৰ অন্তৰ্ভুক্ত কৰি লৈছিল। অসমৰ হাবিত পোৱা গছৰ ভিতৰত কেইবিধমান হ'ল -

অগৰু, অৰ্জুন, আজাৰ, আম, আমাৰি, উৰিয়াম, ঔ, কঁঠাল, কৰৈ, কেচেৰু, খখন, খহতা ডিমৰু, গন্ধসৰৈ, গমাৰি, চতিয়না, চন্দন, চাউলধোৱা, চাম, চামৰতাৰু, চিধা, চিৰিচ, চেগুণ, টিকনি বন্ধা, ডেৱা, তৰকচপা, তিতাচপা, তিতাবৰ, তেপেচিয়া, দেৱদাৰু, ধাউ, ধামনা, নাক ডেওনা, নাঙল ভঙা, নাহৰ, পমা, পানী চিকতি, পানী হিদল, পাৰলি, বকৰোম, বনচম, বাঘনখ, বান্দৰ কন্দা, মাকৰি, মাছ কইটা, মিছকুৰি, ৰিঠা, লোচন, শলখ, শাওলা, শাল, শিমলু, শিৰীষ, শিলিখা, সৰল, সোণাৰু, হোলোং ইত্যাদি। অগৰু অসমৰ বাহিৰলৈ ৰপ্তানী কৰা হৈছিল। অগৰুৰ ছালৰপৰা প্ৰস্তুত কৰা হৈছিল সাঁচিপাত। চন্দনৰপৰা প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰাটো কাৰো অবিদিত নহয়। সত্ৰ-নামঘৰৰ খুটা, চ'তি, দুৱাৰৰ চৌকাঠ, সিংহাসন, পুথি থোৱা ঠগা, মগৰদিয়া নাও, দোলা খাটোলা, হাউদা - সকলোবোৰ সামগ্ৰীয়ে সজা হৈছিল কাঠেৰে। বিভিন্ন ধৰণৰ ঢোল কাঠেৰে তৈয়াৰ কৰা হয়। গৃহস্থী জীৱনত ব্যৱহৃত বৰপীৰা, চালপীৰা, তামুলীপীৰা, পেৰা, চোৰপেৰা, বৰপেৰা, উৰল, বৰনাও, পাৰ্শ্বেনাও, মাৰনাও - আদিও অসমত প্ৰাপ্ত কাঠেৰেই সাজি উলিওৱা হৈছিল। দাৰু শিল্পত অসমীয়া শিল্পীয়ে আন সুকুমাৰ কলাৰ দৰেই সৃজনী প্ৰতিভাৰ স্বাক্ষৰ দিবলৈ সমৰ্থ হৈছে।

না. দা.

**।। অসমৰ চৰাই-চিৰিকতি ।।**

অসম চৰাইৰ বাবে বিখ্যাত। লাগনি গছেৰে ভৰা এই ভূখণ্ড। তৰহে তৰহে ফল খাবলৈ পাই দেশ-বিদেশৰ বহু চৰাই ইয়ালৈ ঢাপলি মেলে। খাল-বিল, নদী সৰু-বৰ মাছেৰে ভৰা। মাছ খাবলৈ বিধে বিধে চৰাই ইয়ালৈ আহি নিগাজীকৈ থাকিবলৈ লয়। বসন্ত কালত বিভিন্ন চৰাইৰ আৰাৱত অসমৰ আকাশ-বতাহ মুখৰিত হৈ পৰে। তলত কিছু সংখ্যক অসমত পোৱা চৰাইৰ নাম তালিকাভুক্ত কৰা হ'ল-

আকুহি বগ, আজান, ইটাগুৰীয়া, এৰাখাটী, উকহ, উলুমৈৰা, কঁঠালগুটীয়া, কণামুচৰি, কপৌ, কলঘোক, কলাখাতি, কাইঠাৰা, কাকৈছিৰা, কাণকুৰুলা, কাম, কুকুৰা, কুকুহা, কুৰুৱা, কুলি, কৃষ্ণ, কেচকেচি, কেতেকী, কোঢ়া, গঙাচিলনী, গছখোলা, গৰখীয়া, গেৰাটিয়া, গুৱাটোকৰা, ঘৰশালিকা, চুঙা বাদুলী, চুটিয়া শালিকা, চেকচেকীয়া, চোকা, জিকৰ, টিপচী, টিয়াঁ, টুনী, ডঁৰিক, ডুবৈ, ঢোৰা কাউৰী, তিতৰ তেলটুপী, তেলীয়াসাৰেং, দলপুঙা, দলমৈৰা, দহিকতৰা, দহিদল, দাউক, দেউকণা, দেউঘঁটা, দেউ ৰাজহাঁহ, ধনেশ, নাকৰ খেচখেচিয়া, নিহা, নেঘেৰি, পাটমাদৈ, পাটসিয়া, পাতিহাঁহ, পানীকাউৰী, পানীবগ, পানী হাঁহ, পাৰ, পাৰ্ঘুমা, ফেঁচা, ফেঁচু, ফেঁচুলুকা, বগলী, বটা, বন কুকুৰা, বৰটোকোলা, বৰ বগ, বাদুলি, বালিঘোঁৰা, বালিমাহী, বিহুৱা, বুলবুলি, ভাটৌ, মইনা, মনিয়ৰি, মাছৰোকা, মৰ, ম'ৰা, মৌপিয়া, ৰাজহাঁহ, লৰিয়লি, শগুন, শৰালী, শামুখ ভঙা, শেন, সাৰেং,

সখিয়তী, হনুমান, হয়ঁকলি, হুইতাল, হেতুলুকা, হুদু ইত্যাদি। অসমৰ পৰ্বত-ভৈয়াম উভয়তে এই চৰাইবোৰ পোৱা যায়। ওপৰত উল্লেখ কৰা বহুবিধ চৰায়ে অসমীয়া সাহিত্য-সংস্কৃতিত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাটো তাৎপৰ্যপূৰ্ণ। শেন, কুকুৰা আৰু বুলবুলি যুঁজ আহোম যুগৰ জনপ্ৰিয় খেল। চৰাইৰ মাত আৰু আচৰণক গইনা লৈ ভালেখিনি অসমীয়া লোকবিশ্বাসে গা-কৰি উঠিছে। কুকুৰা চৰাইৰ নাম এই ক্ষেত্ৰত সৰ্বাগ্ৰে উল্লেখনীয়। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ কল্যাণত অসমৰ বহু নামী-অনামী চৰাই আমাৰ অতি আপোন হৈ পৰিছে। না. দা.

**।। অসমৰ চাহজনজাতি সমাজত প্ৰচলিত লোকবিশ্বাস ।।**

অসমৰ চাহজনজাতি সমাজত অলেখ লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। দৈনন্দিন সমাজত প্ৰচলিত এই লোকবিশ্বাসবোৰে এই জনগোষ্ঠীৰ সমাজ জীৱনৰ এটি দিশত পোহৰ পেলায়। চাহ জনজাতিসমাজত বিশ্বাস আছে যে বামুণ, নাপিত আৰু শূদ্ৰিৰ একেলগে ভ্ৰমণ কৰাটো অমংগলীয়া। যাত্ৰাকালত হাঁচি মৰাটো অমংগলজনক, হাতত ভিক্ষা পাত্ৰ লৈ অহা ভিক্ষাৰী তিৰোতা, ধোবা, গোৱাল, নাপিত, খালি কলহ, বিধবা তিৰোতা, ক'লাবৰণৰ বামুণ, দাটি নাইকিয়া মুছলমান পাওনা, শুকান ডালত পৰি ৰমলীয়াই থকা কাউৰী অমংগলীয়া, কিন্তু যাত্ৰাকালত এগৰাকী বেশ্যা, গাই আৰু দামুৰী, কাষত কলহ লৈ পানী আনিবলৈ যোৱা তিৰোতা, ভৰা কলহত সৰহীয়াকৈ ফুলি থকা ফুল আদি দেখাটো মংগলজনক। হাঁচিয়াটো অমংগলীয় যদিও বুঢাৰ হাঁচি, ল'ৰাৰ হাঁচি, ৰোগীৰ হাঁচি, বলেৰে মৰা হাঁচি এই ক্ষেত্ৰত গ্ৰহণযোগ্য নহয়। গৰুৰ হাঁচিক মৃত্যু কাৰণ বুলি বিশ্বাস কৰা হয়। ঘৰৰ খুঁটাত, গছত, গৰুৰ ভৰিত, গৰুৱে নেজ মেৰিয়ালে, গৃহস্থৰ মংগল সূচায় বা বিৰাট অঘটন ঘটা সংকেত দিয়ে। যাত্ৰাকালত পিছফালৰপৰা চিএঁৰি মতাটো অশুভজনক কিন্তু নিজৰ মাকে পুতেকক পিছফালৰপৰা নাম কাঢি মতাটো মংগলজনক বুলি ভবা হয়। কাউৰী অমংগলীয়া কিন্তু যেতিয়া ঘৰত পৰি ৰমলিয়ায় তেতিয়া আলহী অহা বুলি ভাবে। ৰাতি কাউৰীয়ে ৰমলিয়াটো অমংগলৰ লক্ষণ। ৰাতি সাপ শব্দৰ পৰিবৰ্তে জৰী, পোক বা দীঘলীয়া বুলিহে কয়। সেইদৰে ৰাতিৰ ক্ষেত্ৰত হাতীক বুজাবলৈ গোসাঁই বা গণেশ বাবা বুলি কয়। ৰাতি চূণ শব্দৰ পৰিবৰ্তে বগা বুলি কয়। সাপক লৈ নানা বিশ্বাস প্ৰচলিত। বহুতে সাপক দেৱতা ৰূপে পূজা কৰে আৰু মহাদেৱৰ অন্য এটা ৰূপ বুলি গণ্য কৰে। শুইথকা মানুহক সাপে ফণা মেলি সূৰ্যৰ তাপৰপৰা ৰক্ষা কৰিলে তেনে মানুহ ভৱিষ্যতে ৰজা বা অতি আধ্যবন্ত লোক হয় বুলি জনবিশ্বাস আছে। চাহজনগোষ্ঠীৰ কিছুমান সম্প্ৰদায়ে মনসা দেৱীক সন্তানৰ অধিপতি বুলি জ্ঞান কৰে। সাপে সাধাৰণতে পুত্ৰ সন্তান দান দিয়ে বুলি চাহ শ্ৰমিকসকলৰ বিশ্বাস। সপোনত গৰ্ভৱতী তিৰোতাই সাপ দেখিলে পুত্ৰ সন্তান লাভ কৰে। যাত্ৰাকালত নিজ বাঁওফালে সাপ দেখাটো শুভ লক্ষণ নহয় কিন্তু

সোঁফালে দেখিলে মঙ্গলজনক। সাপে পৰিয়ালৰ মৃত্যু হোৱা লোকৰ আত্মা ধৰি ৰাখে বুলি বিশ্বাস কৰে। চাহ জনজাতিসকলে ভাৱে যে বাসুকীয়ে এহেজাৰ ফণাৰে পৃথিৱীখন ডাঙি ধৰি আছে। সেই বাসুকীয়ে এটা ফণাৰপৰা আন এটালৈ পৃথিৱীৰ ভৰ সাল-সলনি কৰিলেই ভূমিকম্প হয়। মাটিত পুতি থোৱা ধন-সম্পতিৰ গৰাকী সাপ বুলি বিশ্বাস কৰে। সাপে খুঁটি মৰা শৰটো দাহ নকৰি নৈ উটুৱাই দিয়াটো নিয়ম। আহাৰৰ অম্বুবাচী সময়ত গাখীৰৰ লগত আমৰ ৰস মিহলি কৰি খালে বছৰটোৰ বাবে সৰ্পদংশন নিবাৰণ হয় বুলি ভাৱে। মনসা পূজা সময়ত ধূপ নজ্বলায়। ধূপৰ গোন্ধ পালে মনসা দেৱী তুষ্ট হোৱাতকৈ অধিক কষ্ট হয়। এইবোৰৰ উপৰি অনেক লোকবিশ্বাস চাহ জনগোষ্ঠীৰ সম্প্ৰদায় ভেদে ভিন্ ভিন্ ভাৱে প্ৰচলিত হৈ আহিছে। এই লোকবিশ্বাস বোৰে চাহ শ্ৰমিকৰ জনজীৱনৰ সংস্কাৰধৰ্মী চৰিত্ৰ উজলাই তুলিছে।

(উৎস ঃ বিপিন চন্দ্ৰ মাহাতোৰ *বিবৰ্তনত চাহজনগোষ্ঠীৰ জীৱন আৰু সংস্কৃতি গ্ৰন্থ*।)

গো.সূ.

**।। অসমৰ চাহ জনজাতিৰ সমাজত প্ৰচলিত লোকাচাৰত ঘটি-পানী।।**

ঘটি পানীৰ প্ৰচলন এই জনগোষ্ঠী এটি লোকাচাৰ। চাহ জনগোষ্ঠীৰ বিভিন্ন পূজা-পাৰ্বণত এঘটি পানীৰে সকলোবোৰ শুদ্ধ কৰি লোৱা হয়। তাৰ পিছতহে অন্যান্য কাম কাজ আৰম্ভ হয়। গৃহস্থই যেতিয়া কিবা কামনা কৰে, তেতিয়া শুদ্ধভাৱে একমনে গোসাঁই থান, নামঘৰ, তুলসী বেদী আদিত এঘটি পানী ঢালি আৰাধ্য দেৱতাৰ নামত চাকি জ্বলায়। দৰা আদৰাৰ সময়ত দৰাক পীৰা এখনৰ ওপৰত কাঁহৰ কাঁহী থৈ ঘটি পানীৰে ভৰি ধুৱাই দিয়া নিয়ম। চাহজনগোষ্ঠীৰ বিশেষকৈ কুৰ্মী সম্প্ৰদায়ৰ মাজত চিনাকি অচিনাকি অতিথি আহিলে প্ৰথমে হাত মুখ ধুবলৈ ঘটি পানী দিয়ে। গৃহস্থৰ ঘৰত ছোৱালী জন্ম হ'লে বয়োবৃদ্ধসকলে কয়— 'হা গো বেটী সবদিনেক ঘটি পানী এটাক আশা ৰহি।' ছোৱালী বিয়া দিলে আৰু তাইৰ ঘৰলৈ গ'লে অন্ততঃ এঘটি পানীৰ সদায় আশা থাকিব।) চাহজনগোষ্ঠীৰ মাঘ বিহুত তুচু পূজা কৰা হয় আৰু ৰাইজে ঘৰে ঘৰে গৈ তুচু নৃত্য পৰিৱেশন কৰে। তুচুৰ ভাসানী (তুচু দেৱীক নদীত উটুৱাই দিয়া কাৰ্য)ৰ পিছদিনা গাঁৱৰ ল'ৰা-ছোৱালী আটায়ে বয়োজ্যেষ্ঠ সকলক ঘৰে ঘৰে গৈ লগত লৈ যোৱা ঘটি পানীৰে ভৰি ধুৱায় আশীৰ্বাদ লয়। গৃহস্থই ঘৰত কিবা অনুষ্ঠান পাতি ৰাইজক আমন্ত্ৰণ কৰি সমজুৱাক ঘটি পানীৰে আদৰে। গৃহস্থৰ কিবা দোষ বা বিচাৰ থাকিলে ৰাইজে ঘটি পানী গ্ৰহণ নকৰিব আৰু এইয়া গৃহস্থৰ বাবে এক অপমান জনক কথা। ঘটি পানীৰ ব্যৱস্থা অসমৰ আন জনগোষ্ঠীৰ মাজত বিৰল। চাহ জনগোষ্ঠীৰ ঘটি পানীৰ প্ৰচলন বৰ আদৰণীয় প্ৰথা।

(উৎস ঃ বিপিন চন্দ্ৰ মাহোতোৰ *বিৱৰ্তনত চাহজনগোষ্ঠীৰ জীৱন আৰু সংস্কৃতি গ্ৰন্থ*।)

গো.সূ.

**।। অসমৰ চাহ জনগোষ্ঠীৰ লোকাচাৰত পীৰা ।।**

চাহজনগোষ্ঠীৰ সমাজ জীৱনত ভালেমান নীতি নিয়ম আৰু লোকাচাৰ প্ৰচলিত। এই লোকসকল অতিথি পৰায়ণ।সাধাৰণতে, চাহজনগোষ্ঠী লোকে অতিথি গ'লে প্ৰথমতে পীৰালিত বহিবলৈ এখন পীৰা আনি দিয়ে আৰু পিছতেই হাত মুখ ধুবলৈ এঘটি পানী আগবঢ়ায়। এই পানীখিনিয়েই ঘটি পানী বোলা হয়। চাহজনজাতি সমাজত সাধাৰণতে চাৰিবিধ পীৰা ব্যৱহৃত হৈ আহিছে— ১) বৰপীৰা— এই পীৰাৰ ব্যৱহাৰ বৰ সন্মানজনক প্ৰথা। গোসাঁই,পুৰোহিত, বিশেষ ব্যক্তি, গুৰু, মন্দিৰৰ মুখ্য পূজাৰীক এই বৰ পীৰাৰ আসনত বহিবলৈ দিয়া হয়, ২) চামৰপীৰা- এই পীৰাৰ ব্যৱহাৰ সুকীয়া। পীৰাখনত বিভিন্ন নক্সা কাটি ৰং দিয়া হয় বাবে দেখিবলৈ ধুনীয়া হয়। দৰা-কইনা নোওৱা, কইনা সজোৱা, দৰা আদৰা, শৰণ বা দীক্ষা লোৱা আদি কামত এই পীৰা ব্যৱহাৰ হয়। বিভিন্ন পূজা-পাৰ্বণত এই পীৰাত আলপনা আঁকি পিঠাগুড়ি ছটিয়াই পূজা সম্পন্ন কৰে, ৩) ডুখৰি পীৰা - ঘৰুৱা বিভিন্ন কামত এই পীৰাৰ ব্যৱহাৰ কৰে। অতিথিক বহিবলৈ দিয়া হয়। পীৰাত বহি ভাত খালেহে ভোজন শুদ্ধ হয় বুলি এই জনগোষ্ঠীৰ বিশ্বাস, ৪) সভা পীৰা- অন্যান্য পীৰাতকৈ সভাপীৰা আকাৰত ডাঙৰ। সমাজৰ সভা, বিচাৰ সভা আদি পৰিচালনা কৰা ব্যক্তিজনক এই আসন দিয়া হয়। এই পীৰা গাঁৱৰ গাঁওবুঢ়াৰ ঘৰতে থোৱা হয়। তেওঁৰ অনুমতি সাপেক্ষেহে এই পীৰা বাহিৰলৈ লৈ যাব পাৰিব।

গো.সু.

**।। অসমৰ চিত্ৰকলা ।।**

সুকুমাৰ কলাৰ ভিতৰত চিত্ৰকলা অন্যতম। মধ্যযুগত অসমত চিত্ৰবিদ্যাৰ অনুশীলন চলিছিল - ৰজাঘৰ আৰু সত্ৰসমূহত। কালক্ৰমত দুয়ো ঠাইত চিত্ৰিত কৰা পুথিচিত্ৰসমূহে দুটি ভিন্ন শৈলীৰ ৰূপত মূৰ্তিমান হৈছিল। এটা ধৰ্মনিৰপেক্ষ ৰাজকীয় শৈলী আৰু আনটো ধৰ্মাশ্ৰিত সত্ৰীয়া শৈলী - এই শৈলী দুটাৰ উল্লেখ কৰিছিল ড° সুনীতিকুমাৰ চট্টোপাধ্যায় ডাঙৰীয়াই। পূৰ্ব ভাৰতৰ পুথিচিত্ৰৰ গৱেষণা কৰা ড° ৰজতানন্দ দাশগুপ্তই পূৰ্বাঞ্চলৰ পুথিচিত্ৰক সাতোটা শৈলীৰ অন্তৰ্ভুক্ত কৰিছে। পিছে অসম দেশৰ লেখীয়া সৰু ঠাই এখনিত প্ৰাপ্ত কম সংখ্যক পুথিচিত্ৰক ইমান কেইটা শৈলীত বিভাজন কৰাৰ যুক্তি নাই। পুথিৰ মলাটৰ চিত্ৰক এটি সুকীয়া শৈলী ৰূপে স্বীকৃতি দিয়া ড° দাশগুপ্তই সত্ৰসমূহৰ বেৰ, চ'তি, খুঁটা প্ৰভৃতিত অংকিত চিত্ৰবোৰক আলোচনাৰ ভিতৰলৈ অনা নাই। কোনো কোনো সত্ৰৰ সিংহাসনসমূহতো বাৰেৰহণীয়া চিত্ৰ অংকন কৰা হৈছে। সেইবোৰেও সত্ৰীয়া শৈলীৰে লগুণ-গাঁঠি বান্ধে। সেইফালৰপৰা মধ্যযুগীয় অসমীয়া চিত্ৰকলাক নিম্নোক্ত শৈলী কেইটাৰ অন্তৰ্ভুক্ত কৰিব পাৰি - ক. ধৰ্মাশ্ৰিত সত্ৰীয়া শৈলী, খ. ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত বিকশিত চাকচিক্য ভৰা গড়গঞা

শৈলী, গ. লোককলাৰ আধাৰত বিকশিত দৰঙী শৈলী আৰু ঘ. টাই-আহোম লিপি আৰু ভাষাত ৰচিত ধৰ্মাশ্ৰিত গ্ৰন্থৰ আহোম শৈলী।

সত্ৰৰ খনিকৰসকলে সিংহাসন, পুথিৰ বাকচ, পুথিৰ বকলা, চ'তি-বেৰ প্ৰভৃতিত হেঙুল-হাইতালেৰে বোলাই যিবোৰ চিত্ৰ অংকন কৰিছিল, সেইবোৰক সত্ৰীয়া শৈলীৰ চিত্ৰ বুলিব পাৰি। এই শৈলীত অংকিত পুথিচিত্ৰৰ সংখ্যা ভালেখিনি। তাৰ ভিতৰত *চিত্ৰ-ভাগৱতৰ* নাম সৰ্বাগ্ৰে উল্লেখনীয়। ইয়াৰ মূল নগাঁও-বালিসত্ৰৰ তুলাপতীয়া পুথি। এই শৈলীৰ আন পুথিৰ ভিতৰত ১৭৬৫ খ্ৰীষ্টাব্দত ৰুচি বাপুৰ দ্বাৰা চিত্ৰিত *দশম,* দক্ষিণপাট সত্ৰত সংৰক্ষিত *আদ্য দশম* আৰু *অজামিলোপাখ্যান,* পুৰণি বুৰ্কাৰপৰা সংগ্ৰহ কৰি নি তেজপুৰৰ অসম চিত্ৰকলা সংগ্ৰহালয়ত সংৰক্ষিত *ভাগৱত-ষষ্ঠস্কন্ধ,* শিৱসাগৰৰ কোনোবাখিনিত প্ৰাপ্ত *সমুদ্ৰ মন্থন,* লণ্ডনৰ বৃটিছ মিউজিয়ামস্থ দুখনি *ভাগৱত-পুৰাণ* (ও. আৰ. ৪৭৮০ আৰু এডিচনেল ১২২৩৩), ব্ৰহ্মদেশত থকা *অষ্টমস্কন্ধ ভাগৱত* আৰু গোৱালপাৰা-গোসাঁইবৰি সত্ৰত সংৰক্ষিত *সচিত্ৰ দশমৰ* উপৰি পূবথৰীয়া মাধৱ আতাসত্ৰৰ *ৰঙালী কীৰ্তন,* ঈশ্বৰ হাটী সত্ৰৰ *কীৰ্তন,* ন-বুৰ্কাসত্ৰৰ *চিত্ৰ-কীৰ্ত্তন,* মধুপুৰ সত্ৰৰ *চিত্ৰ-কীৰ্তন,* আইভেটি ন-সত্ৰৰ সচিত্ৰ *পাৰিজাত হৰণ নাট,* মংগলদৈ অঞ্চলত প্ৰাপ্ত *অনাদি পাতন,* নগাঁও-আঁহতগুৰিৰ সত্ৰ বিশেষত সংৰক্ষিত *সচিত্ৰ ৰামায়ণ,* কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত থকা *ৰামায়ণ-সুন্দৰাকাণ্ড,* উপেন্দ্ৰ নাথ লেখাৰু সংগৃহীত তুলপতীয়া *লংকাকাণ্ড,* বাৰেঘৰ সত্ৰৰ *অধ্যাত্ম ৰামায়ণ,* মায়ামাৰা দিনজয় সত্ৰৰ *শ্ৰীভাগৱত-মৎস্য চৰিত আৰু কুমৰ হৰণ,* কামৰূপৰ ৰামপুৰ গাঁৱত প্ৰাপ্ত *ভগৱৎ গীতা,* নগাঁও কৰতিপাৰ সত্ৰৰ *ভক্তি-ৰত্নাৱলী,* কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত থকা *লৱ-কুশৰ যুদ্ধ* আৰু *কৰ্ণ পৰ্ব* ( .৮৪১ খ্ৰী), নগাঁও-চামুগুৰি সত্ৰত থকা *নিমিনৱ-সিদ্ধ সংবাদ* (১৮১৭ খ্ৰী) আৰু *ভক্তি-প্ৰদীপৰ* নাম উল্লেখযোগ্য।

গড়গাঞা শৈলীৰ প্ৰখ্যাত পুথি চিত্ৰ বোৰ হ'ল - *হস্তীবিদ্যাৰ্ণৱ, শংখচূড়বধ, ভাগৱত-ষষ্ঠ স্কন্ধ* (১৬৫৯ শক), বৃটিছ মিউজিয়ামত থকা *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* ব্ৰহ্ম খণ্ডৰ পৰা দুৰ্গাৰামে কৰা সচিত্ৰ ৰূপ (ও.আৰ,১১৩৮৭), *ধৰ্ম পুৰাণ, কীৰ্তন-ঘোষা* (এডিচনেল ১২২৩৪), বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষিত দৰঙীৰজা কৃষ্ণ নাৰায়ণৰ উল্লেখ থকা *অষ্টমস্কন্ধ,* কবিৰাজ চক্ৰবৰ্তীৰ *গীত-গোবিন্দ,* শিৱসিংহৰ দিনত চিত্ৰিত *আনন্দ লহৰী, দৰং ৰাজবংশাৱলী,* ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ দ্বাৰা চিত্ৰিত *কল্কি পুৰাণ* আৰু নাজিৰাৰ বুধবৰীয়া সত্ৰত সংৰক্ষিত *কুমৰ হৰণ।*

দৰঙী চিত্ৰশৈলীৰ ভিতৰত *তীৰ্থ কৌমুদী, তৃতীয় স্কন্ধ ভাগৱত, অষ্টম স্কন্ধ ভাগৱত আৰু চাহাপৰী উপাখ্যান* প্ৰখ্যাত। টাই-আহোম শৈলীৰ দুখনি তুলাপতীয়া পুথি পোৱা গৈছে - *ফুং চিন* (১৪৭৩ খ্ৰী) আৰু *চুক-টাস্ত্ৰা কিম্পং* (১৫২৩ খ্ৰী)। ওপৰত উল্লেখ

কৰা পুথিৰ উপৰি আৰু বহুসংখ্যক সচিত্র পুথি অসমৰ বিভিন্ন সত্ৰত সংৰক্ষিত হৈ আছে।

না. দা.

**।। অসমৰ ধান-চাউল ।।**

কৃষিভিত্তিক দেশ অসম। ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা ইয়াৰ জন-গণে বিভিন্ন পদ্ধতিত খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে। ধান অসমৰ প্ৰধান খেতি। আহু, শালি, বাও - এই তিনিওটা খেতিয়ে অসমত হয়। অসমত হোৱা ধানৰ নাম অনেক। তলত কিছুসংখ্যক ধানৰ নাম *ৰঘুনাথ চৌধাৰী ৰচনাৱলীৰ* পৰা উদ্ধৃত কৰি দিয়া হ'ল -

অগ্নিশালি, আইজুং, আইজুৰি, আহুজহা, আহুবৰ্ণি, আমঠুকীয়া বৰ্ণি, আলাই জাবৰি, কচুডলা, কঠীয়েলেৱা, কণজহা, কণিধান, কপৌশালি, কলমদানী, কলাপাজিয়ৈ, কলাবৰ্ণি, কলামণি, কয়াবৰ্ণি, কঁহামাগুৰী, কাওধান, কাজীৰঙা, নেউলী, কাতিশালি, কাৰজালি, কালজিৰা, কালধুমা, কাৰৈজাপৰী, কাস্যধান, কুঁহিযৰী, কেকোৱা, কেকোৱা মাগুৰী, কেচেলেপা, কেটেংবোকা, কেতেকী শালি, কেহজুল, কেহেৰ পাচি, খৰখৰি বোকা, খৰিকা জহা, খৰিকাজুল, খৰিকামুঠি, খলিহা আমলা, খলিহৈ কসা, গন্ধ মুৰীয়া জহা, গৰু চকুৱা, গলমোচৰা বৰাধান, গাৰ্জীয়া বাও, গাৰো ইকিৰা, গাৰোবোকা, গুৱামালী, গোপক্ষী বৰ্ণি, গেৰেম আহু, ঘোৰাজুল, ঘোলডিমৰু, চৰাই টুনীধান, চামৰাই, চেঙা, চেপেতি বোকা, চাপিলেধান, চৈত্ৰাণী, জৰাধানৰ, জাবৰা ধান, জামিলে বৰধান, জামুগুটীয়া বৰধান, জুৰীয়া, জুলবৰ, জেৰণি ধান; টেঙৰে টেঙা গুৰি বৰধান, টেঙাগাছি, টেঙেন ধান, ঢুলীয়া আহু, ঢোল মাগুৰি, ঢৌ-খৌ, তৰকেকোৱা, তৰামগুলী, তিলবৰা, তুলসী জহা, তেলগাজ ছুৰা, দৰিকণা বৰা, দল-মাগুৰি, দহকা, দাংবৰা, দাংবোকা, নাৰায়ণ জহা, নিপতীয়া আহু, নিয়ৰ গদং, নিয়া বাবু, নেঘেৰি ধান, পটেশ্বৰী, পত্নী-প্ৰসাদ, পয়ৰা বোকা, পাজিয়ৈ, পাণেমোৰী, পানী চেঙা, পানীশালি; ফুলগাজ জহা, ফেটী সজ্জল, বকুল বৰাধান, বগা খুকুৰি, বগা জুৰীয়া, বগা ফলী, বগা শাহী, বগী চাপিলে, বগী তেংৰাই, বতাকান্ধিয়া বাও, বৰাধান, বৰা আহু, বাঁহৰাঙী, বাঙনগুটি, বাটিকপাহী, বেজীয়া ইকীৰা, বেজীয়া জহা, বেজীয়া মাগুৰী, বেতগুটি বৰধান, বোকাধান, বোকা জহিংগীয়া, মকুৱা-মাগুৰি, মইনাগিৰি, মণিগাঁথা, মধুকৰ মালতী জহা, মাটি আঁচোৰা, মালচঙৰা, মালচোৰা, মাল বৰা, মালভোগ বোকা, মায়ৰং, মিছিধান, মূৰ মহৰা,মেকুৰী পাচি বৰধান,মেগলা বৰা, মেৰেজুৰিয়া, মৈলেতি, ৰঙা বৰা, ৰঙা বৰধান, ৰঙা বোকা, ৰঙা মেছা, ৰমৰায়মুখী, ৰামপাল জহা ইত্যাদি। উজনি অসমত এই ধানৰ দুই এবিধৰ নাম বেলেগ।

না. দা.

**।। অসমৰ নদ-নদী ।।**

অসম নদী-মাতৃক দেশ। অসমৰ সভ্যতা-সংস্কৃতিৰ বৰপথাৰ সোণ-সেৰীয়া হৈ উঠিছে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ অগণন উপনৈ, শাখা নৈ, সুঁতি প্ৰভৃতিৰ আধাৰত। অসম আৰু বৰাক উপত্যকাৰ বাৰে-বৰণীয়া লোক-সাহিত্য আৰু লোকগীতত বহু নদ-নদীৰ নামোল্লেখ হৈছে। ধ্ৰুপদী সংস্কৃত সাহিত্যৰ উপৰি আধুনিক অসমীয়া সাহিত্যত নদ-নদীসমূহে কেনেধৰণৰ গুৰুত্বপূৰ্ণ স্থানত সমাসীন হৈছে, তাৰ আলোচনা-বিলোচনা ভালেখিনি। তলৰ ছেদকেইটাত ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ উপনৈ সমূহৰ এখনি তালিকা যুগুতাই দিয়া হ'ল-

**(ক) ব্ৰহ্মপুত্ৰ দক্ষিণ পাৰৰ উপনৈ ঃ**

(১) আজুকা নৈ/লাইকাজান (২) মহমৰা জান (৩) ডিব্ৰু নৈ (ডুমডুমা, ডাঙৰী, (ঢলা) (৪) আইজান (৫) ডিব্ৰুগড় নলা (৬) বুঢ়ীদিহিং (নামচিক, টিৰাপ, নামদাং, ডিৰাক, নামচাং, ডিগবৈ, টিপলিং, টিংৰাই, দিচাম, চেঁচা) (৭) বলমা, (৮) দিচাং (টিমন, টাওকাক, চফ্ৰোই, দিবৈ, ডিমৌ (৯) দৰিক (টিমুক) (১০) দিখৌ (নামদাং, মিটাং, নামতি, ডিমৌনৈ) (১১) জাঁজী (১২) টীয়ক (মুদৈজান, জগদুৱাৰ জান, কাকজান, দিহাজান, মেলেং, ককিলা) (১৩) ভোগদৈ (১৪) কাকডোঙা (ঘিলাধাৰী, কাছজান, ঢ'লি) (১৫) গেলাবিল নৈ (১৬) ধনশিৰি (দিফু, চুঙাজান, দেওপানী, নামবৰ, দৈয়াং, দৈগ্ৰাং, কলিয়নি, (১৭) দিফলু, (১৮) মৰা দিফলু (কাইপানী) (১৯) বাৰঘোপ (২০) কলং (মিছা, দিজু, পাথৰী, ননৈ) (২১) কপিলী (মাইনটাং লংক্ৰিনলা, আমৰিং, দৈয়াং) (২২) ডিগাৰু (উমপ্ৰি, দীঘলপানী), (২৩) কদম (২৪) মৰা লেতেৰী (২৫) লেতেৰী (২৬) সোণাৰী (২৭) সোণাই (২৮) আমচাং (২৯) ভৰলু (৩০) বশিষ্ঠ (৩১) খনা (৩২) কালভোগ (৩৩) কালমণি (৩৪) কুলসী (ৰাণী, বকো, শিংৰা, দেওছিলা, গেৰুৱা, ফুলনি) (৩৫) কৃষ্ণাই (দুধনৈ) (৩৬) বলবলা (৩৭) জিঞ্জিৰাম (বাঁশবাৰী, মাগোৰা, কলা, দিলনি)।

**(খ) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উপনৈ ঃ**

(১) ছিম্লে (২) লেকো (৩) জোনাই (৪) কৰং (৫) বুঢ়ীসুঁতি (৬) দিকাৰী (৭) জমিজং (৮) সোমখং (৯) ছিমেন (১০) টঙানি (১১) চাৰিকড়ীয়া (গাই, মৰিঢল), (১২) কড়া নৈ (কাইটাং জান, দাং ধৰা) (১৩) জীয়াধল (১৪) সোৱণশিৰি (ঘাগৰ, কাকৈ, সোমদিৰি) (১৫) ৰঙা নৈ (১৬) পাভ (শিংৰা, গৰুখাতী জান) (১৭) মেনেহা (১৮) দিক্ৰং (মৰনৈ, কাঁচিকটা, মৰাদিক্ৰং), (১৯) পিছলা (২০) খাবৈ (২১) বিহালী (২২) বৰগাং (২৩) জিনজীয়া (২৪) বুঢ়ীগাং (২৫) সাধাৰু (২৬) ঘিলাধাৰী (২৭) জীয়াভৰলী (ওপৰ দিকৰাই, খাৰী দিকৰাই, বৰ দিকৰাই) (২৮) মৰাভৰলী (২৯) দিপুটা (৩০) জীয়াগাভৰু (৩১) ঠেলামৰা (৩২) বেলশিৰি (দীঘলজুলি, বেথাজুলি, গড়জুলি)

(৩৩) ধনশিৰি (৩৪)দৈফাম (৩৫) মৰা ধনশিৰি (৩৬) মংগলদৈ (মৰানৈ, বেগা নৈ) (৩৭) নোৱানদী (৩৮) বেংনদী (৩৯) ননৈ (কুলসী) (৪০) বৰনদী (৪১) চেঁচা (৪২) পুঠিমাৰী (শুক্লা বৰলীয়া, ঘাগ্ৰা) (৪৩) পাগলাদিয়া (৪৪) বুঢ়াদিয়া (৪৫) টিহু (৪৬) কালদিয়া (৪৭) পহুমৰা (৪৮) মানাহ (৪৯) বেঁকী (৫০) চম্পাৱতী (৫১) গৌৰাং (৫২) সোণকোষ (৫৩) গদাধৰ।

**(গ) বৰাকৰ উত্তৰ পাৰৰ উপনৈ ঃ**

(১) জিৰি (জেনাম, দীঘলী) (২) জিৰিগাং (দিকছু, লাবাক) (৩) ৰত্নী (৪) মধুৰা (৫) জাতিংগা (ভালু) (৬) লাৰাং (৭) গুমৰা (৮) বালিচৰা।

**(ঘ) বৰাকৰ দক্ষিণ পাৰৰ উপনৈ ঃ**

(১) সোণাই (ৰুকনি, পানচৰা, ধলাই) (২) ঘাগ্ৰা (৩) ধলেশ্বৰী আৰু কাটাখাল (৪) গুমটি, (৫) ছিংলা।

প্ৰ. দা

**।। অসমৰ নাওখেল ।।**

আনন্দ বিনোদন তথা উৎসাহ - উদ্দীপনা লাভৰ উদ্দেশ্যে অসমীয়া সমাজত নানান খেল-ধেমালি চলি আহিছে। নদী মাতৃক অসম দেশত প্ৰচলিত বিবিধ খেল-ধেমালিৰ ভিতৰত এটি বিশেষ আকৰ্ষণীয় আনন্দদায়ক খেল হ'ল নাওখেল। কেৰেলাৰ দৰে অসমৰ নাওখেলো সৰ্বজনবিদিত। অসমত ৰজা-মহাৰজাসকলৰ আনন্দ-বিনোদনৰ বাবে প্ৰজাসকলে নাওখেলৰ প্ৰৱৰ্তন কৰিছিল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত সম্ভৱত পোন প্ৰথমবাৰৰ বাবে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত নাওখেল প্ৰৱৰ্তিত হৈছিল। বিশেষ বিশেষ উৎসৱ-পাৰ্বণৰ লগত নাওখেল জড়িত হৈ আছে। বিশেষকৈ শুৱালকুছি, বৰপেটা, ৰামদিয়া, কুকুৰমৰা, ধুবুৰী, গৌৰীপুৰ আদিত নাওখেল অনুষ্ঠিত হোৱা দেখা যায়। শুৱালকুছিৰ হোলোং নাও বা নাওশালৰ বিভিন্ন উল্লেখৰ পৰাই শুৱালকুছিয়া নাওৰ বিষয়ে জানিব পাৰি। সম্প্ৰতি যদিও আগৰ সেই হোলোং নাও বা নাওশালৰ কৰ্মী নাই তথাপিও নাওৰ সোঁৱৰণি ৰক্ষাৰ্থে নাওখেল পতা হয়। মহাপুৰুষ শংকৰদেৱৰ তিৰোধান তিথিৰ দিনা আজিও শুৱালকুছিত ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত নাওখেল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। সেইদৰে বৰপেটা সত্ৰৰ লগত জড়িত প্ৰধান, তিনিটা উৎসৱ শংকৰদেৱ, মাধৱদেৱ আৰু মথুৰা দাস বুঢ়া আতাৰ কীৰ্তনত নাওখেল আজি কিছু বছৰ আগলৈকে অনুষ্ঠিত কৰাটো অপৰিহাৰ্য আছিল। এই নাওখেল বৰপেটা সত্ৰৰ খটখটীৰ জান আৰু মৰানদীত উদযাপন কৰা হৈছিল। কিন্তু এতিয়া এই নাওখেল মৰানদীৰ পৰিবৰ্তে মঞ্চতহে দেখিবলৈ পোৱা যায়। আনহাতে খটখটীৰ জানো বন্ধ কৰি দিয়া হ'ল। বিশ্ৰেই নহওঁক *ৰংঘৰ ৰংমেল, বৰপেটাৰ নাওখেল* প্ৰবাদ বাক্যই বৰপেটাৰ পৰম্পৰাগত নাওখেলৰ জনপ্ৰিয়তাৰ কথাই

সোঁৱৰাই দিয়ে। ৰামদিয়াতো গুৰুজনাৰ তিৰোভাৱ তিথিৰ দিনাই বৰ জাক-জমকতাৰে নাওখেল প্ৰতিযোগিতা হয়। কুকুৰমৰা, গৌৰীপুৰ, ধুবুৰীত দুৰ্গোৎসৱ দশমী তিথিত আৰু ঈদৰ দিনা নাওখেল অনুষ্ঠিত হয়। অঞ্চল বিশেষে (ধাৰাপুৰ ধোপৰতল) লক্ষ্মীপূজাৰ লগত সংগতি ৰাখিও নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয়।

খেল নাওবোৰ হেঙুল হাইতাল লগাই বিভিন্ন চিত্ৰ-বিচিত্ৰ নক্সা খোদিত কৰা হয়। খেল নাওবোৰৰ ভিতৰত বিশেষকৈ ময়ূৰ পংখী নাও অতি মনোমোহা। প্ৰায় ১৮০ হাত মান দীঘল আৰু প্ৰায় ৪ হাত মান বহল খেল নাওবিলাকত ভালেকেইজন মানুহ বহিব পাৰে।

নাওখেলৰ নাৱৰীয়াসকলে কিছুমান গীত গায়। গীত নাওখেলৰ এটি অপৰিহাৰ্য অংগ। খেল নাওবোৰত একোজনকৈ গীতাল থাকে। ঠাই বিশেষে (বৰপেটা) গীত লগাই দিয়া নামতী বা পাঠকক *কণাকাটা* বুলিও শুনা যায়। তেওঁ বিভিন্ন হাতৰ মুদ্ৰা আৰু শৰীৰ নৃত্যভংগীৰে বঠাৰ চাবে চাবে গীত গায়। তেওঁৰ লগে লগে বাইচাসকলে (নাও বাওঁতা)ও প্ৰতিযোগিতাত পুৰষ্কৃত হোৱাৰ আশাৰে আপোন-পাহৰা হৈ গীত গায়। নাৱৰীয়াসকলে একেৰাহে নাও বাই গৈ থাকোঁতে আমনি নালাগিবৰ বাবে আৰু উৎসাহ বঢ়াবৰ বাবে বঠাৰ ছেৱে ছেৱে যি গীত জোৰে সেই গীতকে নাওখেলৰ গীত বা নাওবোৱা গীত বোলে। এই শ্ৰেণীৰ গীতত কৃষ্ণই ৰাধাক যমুনা পাৰ কৰি দিয়া, সাউদ বেপাৰলৈ যোৱা, সাউদৰ পত্নীৰ বিৰহ-ব্যথা আদিৰ বিৱৰণ পোৱা যায়।

সেইদৰে ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ আলমত ৰচা গীতবোৰত ধৰ্মৰ, প্ৰভাৱ পৰিদৃষ্টমান। আনহাতে কিছুমান গীতৰ বিষয়বস্তু সম্পূৰ্ণৰূপে নাওকেন্দ্ৰিক।

নাওখেলৰ গীতৰ এটা প্ৰধান লক্ষণীয় দিশ হ'ল ই ধৰ্ম নিৰপেক্ষ গীত। হিন্দুই আল্লাক কেন্দ্ৰ কৰি আৰু মুছলমানে ৰাম-কৃষ্ণ-হৰিক লৈ গীত পৰিৱেশন কৰে। ইয়েই সমাজত ঐক্য তথা সম্প্ৰীতিৰ ভাব জগাই তোলে।

মুঠতে অসমৰ বিভিন্ন ঠাইত উদ্‌যাপিত নাওখেল পাৰস্পৰিক সম্পৰ্কৰ এনাজৰীডাল অধিক সুদৃঢ় কৰি তোলে।

ক. তা.

**।। অসমৰ পৰ্বত-ভৈয়ামৰ আনদ্ধ বাদ্যযন্ত্ৰ ।।**

ভাৰতীয় নাট্যশাস্ত্ৰসমূহৰ মতে বাদ্য চাৰিবিধ— তত, আনদ্ধ বা অনবদ্ধ, সুষিৰ আৰু ঘন— 'ততং চৈবাৱনদ্ধং চ ঘনং সুষিৰমেৱ চ/চতুৰ্বিধংতু বিজ্ঞেয় মাতোদং লক্ষণান্বিতম' (*নাট্যশাস্ত্ৰ*, ২৮/১) 'তত্ততং সুষিৰং চাৱনদ্ধং ঘনমিতি স্মৃতম্/চতুৰ্ধা তত্ৰ পুৰ্বাভ্যং শ্ৰুত্যাদি দ্বাৰতো ভবেৎ//, (*সংগীত-ৰত্নাকৰ*, বাদ্যাধ্যায় ৬/৪)। মাটি, কাঠ, বাঁহ অথবা ধাতুৰ খোলা সাজি চামৰাৰে এমুখ বা দুমুখ বন্ধ কৰি বজোৱা বাদ্যযন্ত্ৰসমূহৰ

নাম অনবদ্ধ বা আনদ্ধ বাদ্য। অসমত এনেবিধ বাদ্যৰ বহুল প্ৰয়োগ দেখা যায়। যেনে- কহালি বা কাহাল, কুৰকুৰি, খুমুচি, খোল, গোমুখ, জয়ঢাক, ডংকা, ডবা, ডম্বৰু, ডিণ্ডিম, ঢাক, ঢোল (ওজাৰ ঢোল, কৰকা ঢোল, জয়ঢোল, ঢেপা ঢোল, পাতি ঢোল আদি), ঢোলক, ঢুলকী, তবলা, দগৰ, দামা বা দামামা, দুন্দুভি, নাগৰা (বৰ নাগৰা, সৰু নাগৰা), পটহ, পাখোৱাজ, মাদল, মৃদংগ আদি। অসমৰ পৰ্বত-ভৈয়ামত বসবাস কৰা বিভিন্ন জনজাতিসকলৰো বহুবিধ আনদ্ধ বাদ্য-যন্ত্ৰ আছে। তলত তাৰে কেইবিধমানৰ নামোল্লেখ কৰা হ'ল— (ক) কাৰ্বি— চেং (জনপ্ৰিয় ঢোল) আৰু চেংবুৰুপ (কঁকালত বান্ধি বজোৱা ঢোলাকৃতিৰ বাদ্য); (খ) কুকি— খুবং (ঢোল, টাই— কংপাত (বৰঢোল); (গ) ডিমাছা— খ্ৰাম (ঢোল); (ঘ) জেমীনগা— ইনচুম (ঢোল); (ঙ) তিৱা— খ্ৰাম (ঢোল); খ্ৰামবাৰ (খ্ৰামতকৈ চুটি ঢোল) (চ) দগৰা বা তুম্বাং (ঢোল); (ছ) দেউৰী— ঢোল টং দুৰুম (ঢোল) আৰু শাল মৰা (ঢোলজাতীয়); (জ) ভাইফে—খুবাংপি ঢোল আৰু খুবাংনেই (সৰু ঢোল); (ঝ) বড়ো— খাম (ঢোল) (ঞ) মৰাণ— ধুতং (ঢোলৰ ছেওৰ বাবে); (ট) মিচিং— দেম্ভৰু আৰু দুম দুম (ঢোল); (ঠ) ৰাভা— হেম বা খাম (ঢোল); (ড) ৰাংখল— খুবং, খুবংপুই, খুবংটো আৰু খুবং পুষ্ট (সৰু, মধ্যম আৰু সৰু ঢোল); (ঢ) হাজং— ঢোল আৰু ঢোল্‌কি (ঢোল বাদ্য)। পৰ্বত-ভৈয়ামত প্ৰচলিত উপৰ্যুক্ত আনদ্ধ বাদ্যযন্ত্ৰসমূহৰ প্ৰাচুৰ্যই অসম দেশৰ নৃত্য-গীতৰ প্ৰাচুৰ্য সূচায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *অসমৰ বাদ্য-যন্ত্ৰ* আধাৰত যুগুতোৱা।)

না. দা.

**।। অসমৰ পৰ্বত-ভৈয়ামৰ ঘনবাদ্য ।।**

'ঘনবাদ্যসমূহৰ গঠন এনেধৰণৰ যে তাৰপৰা কোনো নিৰ্ধাৰিত স্বৰ প্ৰকাশ বা সুৰ সৃষ্টি কৰিব পৰা নাযায়। সেই কাৰণে উচ্চাংগ শাস্ত্ৰীয় সংগীতত এনে ধৰণৰ বাদ্য অতি কম দেখা যায়... কেৱল তাল ৰাখিবৰ বাবেহে এনে ধৰণৰ বাদ্য উপযোগী বুলি গণ্য কৰা হয়। (*ভাৰতীয় বাদ্য-যন্ত্ৰ* : বি চৈতন্যদেৱ)। ঘনবাদ্যসমূহ সাধাৰণতে ধাতু, বাঁহ বা কাঠেৰে তৈয়াৰী। অসমত ব্যৱহাৰ হোৱা এই শ্ৰেণীৰ বাদ্যৰ ভিতৰত কৰতাল, কাঁহ(বৰকাঁহ, সৰুকাঁহ) কিংকিণী খঞ্জৰিকা খুটিতাল, খেৰেঙ্গী তাল, ঘণ্টা, জুনুকা, ঝাঞ্জৰ, টকা, তাল, টিলিঙা, নেপুৰ, ভোৰতাল, মন্দিৰা প্ৰভৃতি উল্লেখযোগ্য। জনজাতিসকলে নৃত্য-গীতত ব্যৱহাৰ কৰা এই জাতীয় বাদ্যসমূহ হ'ল— (ক) কাৰ্বি— চেংচ (কাঁহৰ খুটিতাল), (খ) কুকি— দাহ্‌পি, দাহ্‌বু, দাহ্‌পাবু (বৰকাঁহ, মাজু কাঁহ, সৰু কাঁহ), (গ) জেমী নগা— ইমটুবাই (কৰতাল), হেমৰেও (কাঁহ), (ঘ) তিৱা— টকা, তাল, চন্দ্ৰাই লৌ, (ঙ) দেউৰী— টকা, তাল, (চ) বড়ো— থৰ্‌কা, জথা (খুটিতাল সদৃশ), (ছ) বেইটে— ডাৰবিৰো (সৰু কাঁহ), ডাৰপুই (বৰকাঁহ), (জ) ভাইফে— দাকৃপি (জাপিৰ

আকৃতিৰ বৰকাঁহ), (ঝ) মৰাণ— টকা, তাল, (ঞ) মিচিং— কক্‌তেৰ টকা, দেও ঘণ্টা, ৰামতাল, মাৰবং (কাঁহ), লেলং (বৰকাঁহ), (ট) ৰাভা— মাঞ্চালেংকো আদি।

ওপৰৰ ঘনবাদ্যসমূহৰ ব্যৱহাৰে অসমৰ পৰ্বত-ভৈয়ামৰ উন্নত সংগীত চৰ্চাৰ ধাৰা এটিত পোহৰ পেলায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *অসমৰ বাদ্যযন্ত্ৰ*ৰ আধাৰত যুগুতোৱা)।

না. দা.

**।। অসমৰ পৰ্বত-ভৈয়ামৰ ততবাদ্য।।**

তন্ত্ৰীযুক্ত বা তাঁৰৰ দ্বাৰা সুৰ সঞ্চাৰ কৰা বাদ্যসমূহেই ততবাদ্য। বিশ্বৰ কথা বাদেই ভাৰতভূমিতে এইবিধ বাদ্যৰ সংখ্যা গণনাৰে শেষ কৰা টান। মোটামুটিভাৱে এইবিধ যন্ত্ৰক তিনিটা শাখাত ভগাব পাৰি (ক) স্বৰগুঞ্জন আৰু ছন্দৰক্ষাৰ বাবে ব্যৱহৃত তন্ত্ৰীযন্ত্ৰ (খ) বহুতাঁৰ তন্ত্ৰীযন্ত্ৰ, ইয়াত একোটা স্বৰৰ বাবে এডালকৈ সুকীয়া তাঁৰ থাকে আৰু (গ) একতাঁৰ তন্ত্ৰীযন্ত্ৰ। ইয়াত এডাল তাঁৰেৰেই বহু স্বৰ তুলিব পাৰি। অসমৰ তত বাদ্যৰ ভিতৰত একতাৰা বা লাউটোকাৰী, খমক, গোপীযন্ত্ৰ, চাৰিগুা বা চেৰ্জা, টোকাৰী, দোতাৰা, বিপঞ্চি, বীণা (ৰামবীণা, ৰুদ্ৰবীণা আদি), বেণা, ৰবাব আদি।

পূৰ্বাঞ্চলৰ ভিন্ন জনজাতিৰ মাজত ব্যৱহাৰ হোৱা ততবাদ্যসমূহ হ'ল— (ক) কাৰ্বি— মুৰিতপং, (খ) কুকি— চেলেংদাহ, (গ) জেমীনগা— ইন্‌ৰা (বীণ) আৰু কুমতাই, (ঘ) ডিমাছা— খ্ৰামডুবুং (ডুবুং অৰ্থাৎ কঁহুৱাবনৰ ঠাৰিৰে তৈয়াৰী), (ঙ) তিৱা— বেণু, (চ) দেউৰী— টোকাৰী বীণ, (ছ) বড়ো— চেৰ্জা, (জ) বেইটে— চেৰেঞ্জা, (ঝ) মিচিং— কেকুং (বীণ), টোকাৰী আৰু দেন্দুন, (ঞ) ৰাভা— চেৰ্‌জা, (ট) ৰাংখল— চেৰাগুা, চমপেৰেং আদি। ওপৰত উল্লেখ কৰা পৰ্বত-ভৈয়ামৰ বিচিত্ৰ ততবাদ্যসমূহে এই ভূখণ্ডৰ উন্নত সংগীত সাধনাৰ ধাৰা এটিত পোহৰ পেলায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *অসমৰ বাদ্যযন্ত্ৰ*ৰ আধাৰত)

না. দা.

**।। অসমৰ পৰ্বত-ভৈয়ামৰ সুষিৰ বাদ্য-যন্ত্ৰ।।**

ভাৰতীয় সংগীতশাস্ত্ৰ অনুযায়ী বাদ্য চাৰিবিধ— 'তত সুষিৰ আনদ্ধ ঘন বাদ্য চাৰি বিধ।' মুখেদি ফুঁদি বজোৱা বাদ্যযন্ত্ৰবোৰ সুষিৰ বাদ্যৰূপে পৰিচিত। পুৰণি কালৰেপৰা অসমৰ পৰ্বত-ভৈয়ামত লৌকিক আৰু শাস্ত্ৰসন্মত বহুসংখ্যক সুষিৰ বাদ্যৰ ব্যৱহাৰ দেখা যায়। ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰচলিত এইবিধ বাদ্যৰ ভিতৰত কালি (জয়কালি, বীৰকালি আদি) গগনা, পেঁপা, (নৰাৰ পেঁপা, নল পেঁপা, বিভিন্ন পাতৰ পেঁপা, চিকাৰী পেঁপা, জুৰীয়া পেঁপা পুতলা পেঁপা আদি), বাঁহী (মুখবাঁশী বা বম বাঁশী আদি), বেণু

বা মুৰুলী, ভেৰী (ৰামভেৰী, ৰণভেৰী আদি), মহৰি, শিঙা (খং শিঙা, ৰণশিঙা আদি), শানাই, সুতুলী আদি। অসমৰ বিভিন্ন জনজাতিৰ মাজত প্ৰচলিত সুষিৰ বাদ্যসমূহ হ'ল— (ক) কাৰ্বি— পাচেং আৰু মুৰিতপং (চেহ্নাইৰ আকৃতিৰ), (খ) কুকি— গচেম, ফেইফিট, শিলকি আদি, (গ) ডিমাছা— মুৰি (পেঁপা), চুপিন (বাঁহী), আৰু মুৰি ৱাটিছা (বাঁহী), (ঘ) জেমী নগা— কেবুইকে (ম'হৰ শিঙৰ পেঁপা) আৰু মেটিয়াম (বাঁহৰ বাঁহী), (ঘ) তিৱা— থোৰাং (বাঁহী) আৰু পাংচি (বাঁহী), (ঙ) দেউৰী— গগনা, পেঁপা, শিঙা, (চ) বড়ো— গংগনা আৰু চিফুং, (ছ) ভাইফে— ফেইফিট (বাঁহৰ বাঁহী), লি-লু (বাঁহী), আৰু শিক্‌মি পেত (শিঙা), (জ) মিচিং— এজুক তাপুং (তিতা লাউৰখোলাত সজা পেঁপা), গুংগাং (গগনা) তু-লু (বাঁহী বিশেষ), দুমেপ, পুনি বা কুৰুলি (বাঁহী) আৰু শিঙা, (ঝ) ৰাভা— খাৰা ব্ৰাংছি (দীঘল নলবাঁহৰ বাঁহী, ইয়াৰ আন নাম কাঢ়া নল), জাপ খাৰা বাঁহী, ছিংগা (শিঙা), ব্ৰাংছি (বাঁহী), বুবুৰেঙা (ঘাঁহৰ পৰা তৈয়াৰী) আৰু লাখৰ বাঁহী, (ঞ) ৰাংখল-চেৰেঙা, খেইলে, ৰোচেম (বাঁহী), (ট) হাজং— বাঁহৰ বাঁহী। পৰ্বত-ভৈয়ামত ব্যৱহাৰ হোৱা উপৰ্যুক্ত সুষিৰ বাদ্যসমূহে বৰ অসমৰ নৃত্য-গীতৰ প্ৰাচুৰ্যত এচেৰেঙা পোহৰ পেলায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *অসমৰ বাদ্যযন্ত্ৰ* আধাৰত যুগুতোৱা) না. দা

**।। অসমৰ পাটী শিল্প ।।**

পাটী শিল্পই অসমৰ অৰ্থনৈতিক দিশত কিছু অৰিহণা যোগোৱাৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক দিশকো চহকী কৰা বুলিব পাৰি। অসমৰ উজনি নামনি সৰ্বত্ৰ পাটী শিল্প আছে। আহোম ৰাজত্ব কালৰেপৰা অসমত পাটী শিল্পৰ চলতি আছিল। স্ত্ৰী-পুৰুষ উভয়ে পাটী সজা কাম কৰে। পুৰুষক পটীয়া আৰু তিৰোতাক পটীয়ানী ৰূপে জনা যায়। আহোমৰ আমোলত কেঁচামাল পোৱা বিভিন্ন অঞ্চলত পটীয়াসকলক থাপিছিল। উজনিৰ বহুঠাইত আজিও পটীয়াগাঁও আছে। যোৰহাটৰ নিকটৱৰ্তী পটীয়া গাঁও বিগত কালত পাটী শিল্পৰ প্ৰাণকেন্দ্ৰ আছিল। দ -ঠাইত প্ৰচুৰ পৰিমাণে গজা বনজাতীয় উদ্ভিদ পাটীদৈৰে (Crinogeyne Dichotoma) পাটী সজা হয়। গাঢ় সেউজীয়া গছ জোপাৰ ঠাল-ঠেঙুলি নাই যদিও কেতিয়াবা মূল গছ জোপাত গাঁঠি ধৰাৰ ফলত তিনিটাকৈ ঠেঙুলি ওলায়। তাৰ নাম আঙুলি দৈ। যথেষ্ট টান পাটী দৈৰ গছবোৰ কাটি আনি বঠি বা মৈদাৰে ফালি ৰ'দত শুকুৱাই তিনিদিনমান পানীত গড়োৱা প্ৰয়োজন। গড়োৱাৰ অন্তত বিশেষ কৌশলেৰে প্ৰয়োজনীয় পাটী একৰাব লাগে। এনেকৈ এবোৱা পাটীৰ নাম সূত। আনহাতে ভিতৰৰ কোমল অংশ মূৰতি নামেৰে জনা যায়— যাৰ দ্বাৰা উৎকৃষ্ট পখা, দৰখ আদি তৈয়াৰ কৰিব পাৰি। তমাল ৰূপেও সিবোৰ ব্যৱহাৰ হয়। যথেষ্ট জটিল বকতুপৰা সূত এবোৱা কাৰ্যত পটীয়া বা পটীয়ানীয়ে হাত ভৰিৰ বিশেষ কৌশল প্ৰয়োগ কৰে।

সূতবোৰ যথেষ্ট মিহি গুণে তাৰ কাষ দুটা বৰ চোকা হয়। সেইবাবে এই কার্যত শিল্পীসকলে আঙুলিত কাপোৰ মেৰাই লয়। পাটীৰপৰা বিচিত্ৰ বিচনী, ঢৰা, শীতলপাটী, নীল পাটী, বকলা পাটী, ধানী পাটী প্রভৃতি সাজি উলিওৱা হয়। পাটীৰে সজা সামগ্রীসমূহ সহজতে মোটকাব পৰাৰ বাবে ই দৈনন্দিন জীৱনত ব্যৱহাৰৰ বাবে উপযোগী। পাটীয়ে অসমীয়া গীত মাত আৰু ফকৰা-যোজনাত এডুখৰি ঠাই লোৱাটো উল্লেখযোগ্য- দৃষ্টান্তৰূপে *ওৰে ৰাতিটো টোপোনি নধৰে ঢাৰি পাটীতে বাগৰি ফুৰো / পাটীৰ তিৰোতাই ছ মাহলৈ কান্দিব ক'লৈ গৈ আছিলা বুলি। (ব'হাগী), পাটীত শুচি তিৰীৰ পাৰ, পানীত শুচি ডোমৰ নাও// পাটীৰ সতী পট্টাৰ মাটি/ চাকিত দিলে, পাটীত নাটে/* আদি।।

৭ মে' ২০০৭ত প্রকাশিত হেমেন কুমাৰ শইকীয়াৰ 'বিলুপ্তিৰ পথত পটীয়া গাঁৱৰ ঐতিহ্যমণ্ডিত পাটী শিল্প' প্রবন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *অজামিলোপাখ্যান*।।**

মহাপুৰুষ শঙ্কৰদেৱে পদবন্ধ কৰা ষষ্ঠস্কন্ধ *ভাগৱতৰ* অজামিল-উপাখ্যানখনিয়ে মধ্যযুগীয় সত্ৰীয়া আৰু ৰাজপৃষ্ঠপোষকতাৰে সমৃদ্ধ গড়গএা- উভয় চিত্রশৈলীৰ যোগেদি আত্মপ্রকাশ কৰা দেখা যায়। সত্ৰীয়া চিত্রশৈলীৰ প্রথমখনি পুথিচিত্র দক্ষিণপাট সত্ৰৰ পুথিশালাত থকা বুলি জনা যায়। এই পুথিখনিৰ বৈশিষ্ট্য হ'ল - কথা আৰু চিত্রিকাৰ চাৰিওফালে ভিন্ন ৰঙৰ পুষ্প-লতিকাৰ মণ্ডন কৰ্মৰ সংযোজন (*গৌৰৱময় অসম*, চিত্রফলক নং ৫৬)। এই শৈলীৰ দ্বিতীয়খনি সাঁচিপতীয়া পুথি কামৰূপ জিলাৰ পুৰণি বুৰ্কা সত্ৰত আছে। ১৩.৪ × ৩৫ ছে.মি. জোখৰ এই পুথিচিত্ৰখনিৰ কিছু সংখ্যক ফলকৰ দুয়োমূৰ আংশিকভাৱে নষ্ট হৈছে। পুথিচিত্রখনিৰ কেইটামান ফলক তেজপুৰৰ অসম চিত্ৰকলা সংগ্রহালয়ত সংৰক্ষিত। এইখনি পুথিচিত্রৰ সৈতে *চিত্ৰ-ভাগৱতৰ* চিত্ৰৰ এটা চকুত পৰা পাৰ্থক্য হ'ল— মোগলাই টুপীৰ পৰিবৰ্তে জৈন পদ্ধতিৰ শিৰস্ত্ৰাণৰ প্ৰয়োগ আৰু ৰাজপুতী ধৰণৰ আগ কপাললৈকে নাৰীসকল লোৱা ফুলাম ওৰণিৰ বহুল ব্যৱহাৰ।

১৬৫৯ শকত ৰাজ-পৃষ্ঠপোষকতাত চিত্রিত গড়গএা শৈলীৰ *ষষ্ঠস্কন্ধ ভাগৱতৰ* অন্তিম ফলকটি মাথোঁ ব্ৰহ্মদেশৰপৰা সংগ্ৰহ কৰি আনি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সুৰক্ষা দিয়া হৈছে। ইয়াৰ এটা পিঠিত আছে— '১৬৫৯ শকৰ আহাৰ মাহৰ ১৫ দিন যাওঁতে কৃষ্ণ-ত্রয়োদশী তিথিত ছবিৰে সৈতে বধ লিগিৰা নামে পণ্ডিত এজনে লিখি মহাৰাজ শিৱসিংহক অর্পণ কৰা' আৰু আনটো পিঠিত 'গায়ন বায়ন নৃত্যকাৰী শ্ৰীশ্ৰী শিৱসিংহ মহাৰাজা, শ্ৰীশ্ৰী অম্বিকা নাম মহাদেৱীএ শ্ৰীশ্ৰী তিপাম ৰাজা সহিতে কৌতুক' কৰা দৃশ্য।

*না.দা.*

**।। অসমৰ পুথিচিত্ৰ ঃ অজামিল উপাখ্যান নাট ।।**

মেজেঙাতৰ চলিহা বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰী ৰামদেৱে ভাওনাৰ উপযোগীকৈ যুগুত কৰা *অজামিল উপাখ্যান* চিত্ৰৰূপে ১৬৩৭ শকত (অৱিত্ৰিৰসাগো শকে) খনিকৰ বিষ্ণুৰামে সম্পাদনা কৰিছিল। মাত্ৰ এঘাৰখনি তুলাপাতত সমাপ্ত হোৱা নাটখনিৰ চিত্ৰৰূপ দানত খনিকৰ বিষ্ণুৰামে কুশলহস্তৰ পৰিচয় দিব পাৰিছে। তুলাপাত কেইখিলাত কামৰৰ লতাকটা কামটো আন খনিকৰৰ। পুথিচিত্ৰখনিৰ শিল্পকাৰ্মৰ আলোচনা প্ৰসংগত ড° নৰেন কলিতাই কয়— 'চৰায়ে ফল খাই থকা ৰূপাংগেৰে বেশ্যাৰ লগত পুৰুষ এজনৰ অনংগ ক্ৰীড়াক, ফুলৰ চৌপাশে ভোমোৰাই গুণগুণাই উৰি ফুৰা কাৰ্যৰদ্বাৰা অজামিলৰ চিত্তত গুঞ্জৰণ তোলা নাৰী আসক্তিক ... অজামিলৰ পতন বুজাবলৈ পৰ্বতী সজাই পৰাই তোলা হৈছে।' (*অসমৰ পুথিচিত্ৰ*)।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *অধ্যাত্ম ৰামায়ণ* ।।**

খ্ৰীষ্টীয় অষ্টাদশ শতাব্দীৰ মেজেঙাৰ চলিহা বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰী ৰামদেৱে সংস্কৃত *অধ্যাত্ম ৰামায়ণ* খনিৰ সুন্দৰা কাণ্ডটো পদবন্ধ কৰিছিল। এই পুথিখনিৰ *পুতলা* লেখিছিল খনিকৰ বিষ্ণুৰামে। পুথিচিত্ৰখনিৰ বৰ্তমানে ছটা ফলকহে উদ্ধাৰ হৈছে। পুথিচিত্ৰখনিৰ চিত্ৰিকাখিনি সত্ৰীয়া চিত্ৰশৈলীৰ চাকচিক্যপূৰ্ণ গড়গঞা চিত্ৰশৈলীৰ কোনো প্ৰভাৱ নাই। আলোচিত সুন্দৰাকাণ্ডটোৰ সম্পূৰ্ণ পুথিচিত্ৰ এখনি বাৰেঘৰ সত্ৰতে সংৰক্ষিত হৈছে। ১৭৬৭ খ্ৰী.ত. চিত্ৰিত পুথিচিত্ৰখনি উক্তসত্ৰৰ প্ৰখ্যাত খনিকৰ পূৰ্ণ কাম আতাৰ সৃষ্টি ৰূপে সাব্যস্ত কৰা হৈছে। পূৰ্ণকামে তেওঁৰ পুথিচিত্ৰত পূৰ্বজ বিষ্ণুৰামে আঁকা সুন্দৰাকাণ্ডৰ চিত্ৰশৈলীকে অনুসৰণ কৰিলেও তাত নিজৰ সৃজনী প্ৰতিভাৰ পেলাবলৈ সক্ষম নোহোৱা নহয়। ড° নৰেন কলিতাৰ ভাষাত, 'তিনি চতুৰাংশ মুখাৱয়ৱৰ প্ৰাচুৰ্য আৰু সেইবোৰৰ নিখুঁত অংকন, অভিব্যক্তিসুলভ মুখাৱয়ৱ, সত্ৰীয়া চন্দ্ৰকলাৰ ওপৰত থকা ৰং লগোৱা ক্ষেত্ৰত ৰাজস্থানী চিত্ৰৰ দৰে পাহকটা মেঘমালা, ধূসৰ নীলাভ বৰণেৰে চিত্ৰত পোহৰ বিতৰণ, ৰাজপুত-মোগল উৎসৱৰ দুৱাৰ তোৰণৰ ব্যৱহাৰ, সত্ৰীয়া ঐতিহ্যৰ হেঙুলীয়া পৰ্বতী আদি ভালেখিনি সম্পদ পূৰ্ণকামৰ চিত্ৰত দেখিবলৈ পোৱা যায়।' মানৱৰ ৰসাভাৱৰ লগত প্ৰকৃতিৰ ৰসাভাৱৰ মণিকাঞ্চন সংযোগ *অধ্যাত্ম ৰামায়ণ*ৰ চিত্ৰিকাৰাজিৰ এটি চকুত পৰা বৈশিষ্ট্য। হেঙুলীয়া ৰঙৰ লগত ধূসৰ নীলাভ ৰঙৰ প্ৰয়োগ পূৰ্ণকাম আতাৰ চিত্ৰিকাৰ আন এটি চকুৰপৰা বিষয়। ৰং মেলনৰ বৈশিষ্ট্যয়ো *অধ্যাত্ম ৰামায়ণ*খনিক এক সুকীয়া মাত্ৰা প্ৰদান কৰা বুলিব পাৰি।

(ড° নৰেন কলিতাৰ *অসমৰ পুথিচিত্ৰ* গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *অনাদি পাতন* ।।**

*ভাগৱত পুৰাণ*ৰ তৃতীয় স্কন্ধৰ ভিতৰত *অনাদি পাতন* খণ্ডটি অধিক জনপ্ৰিয়। উক্ত খণ্ডটিৰ একাধিক সাঁচিপাত-তুলাপতীয়া পুথিচিত্ৰ ইতিমধ্যে উদ্ধাৰ হৈছে। এই ক্ষেত্ৰত জয়জয়তে মাজুলীৰ পুৰণি চামগুৰি সত্ৰত সংৰক্ষিত সাঁচিপতীয়া চিত্ৰপুথিখনিৰ নাম ল'ব পাৰি। ৪৫ × ১৮ ছে.মি. জোখৰ পুথিখনিৰ ফলক সংখ্যা ১৯ আৰু ৰঙীন চিত্ৰৰ সংখ্যা হ'ল- ৪২। প্ৰতিটো ফলকৰ একোটা ফালত এখনি অথবা দুখনি চিত্ৰিকা দেখা যায়। প্ৰতিখনি চিত্ৰিকাৰ আকাৰ ভিন্ ভিন্। দৃষ্টান্ত স্বৰূপে, প্ৰথম ফলকৰ চিত্ৰিকাখনি ৩৭.৫ × ৬ ছে.মি. অথচ দ্বিতীয় ফলকৰ প্ৰথম ফালে থকা চিত্ৰখনিৰ জোখ ১৭ × ১৯ ছে.মি.। উজ্জ্বল ৰঙেৰে পটভূমি বোলোৱা চিত্ৰিকাসমূহত ৰঙাৰ উপৰি নীলা, ক'লা, সেউজীয়া, বগা আৰু হালধীয়া ৰঙৰ প্ৰয়োগ চকুত পৰে। দ্বিতীয় ফলকৰ দ্বিতীয়ফালে চিত্ৰিত কৰা অতল, বিতল, সুতল, তলাতল, মহাতল আৰু ৰসাতল চিত্ৰণত চিত্ৰশিল্পীৰ দক্ষতা প্ৰকাশ পাইছে। পূৰ্ণ চক্ৰত দ্বাদশ ৰাশি চিত্ৰিত কৰাৰ ক্ষেত্ৰতো শিল্পীৰ দক্ষতাৰ পৰিচয় প্ৰোজ্জ্বল। চিত্ৰপুথিখনিৰ সাজ-পাৰ, গহনা-গাঁঠৰি, শৰাই, শিৰৰ মুকুট প্ৰভৃতিত পুৰণি অসমীয়া সাংস্কৃতিক সম্পদসমূহে এঙামুৰি দিছে। ঘৰ-দুৱাৰ প্ৰভৃতিৰ চিত্ৰণ ৰীতিতো তৎকালীন অসমীয়া গৃহ নিৰ্মাণ পদ্ধতিৰ ছাপ নপৰাকৈ থকা নাই।

১৭০৪ শক অথবা ১৭৮২ খ্ৰীষ্টাব্দত চিত্ৰিত মৰিগাঁৱৰ কুঁজী সত্ৰৰপৰা কামৰূপ অনুসন্ধান সমিতিয়ে সংগ্ৰহ কৰা সাঁচিপতীয়া পুথিচিত্ৰখনিৰ ফলক সংখ্যা ২৯ আৰু বেলেগ বেলেগ আকাৰৰ চিত্ৰিকাৰ সংখ্যা হ'ল – ৩৯। দৰঙী চিত্ৰশৈলীত চিত্ৰিত *তীৰ্থ কৌমুদী*ৰ চিত্ৰিকাৰে অভিন্ন আলোচিত *অনাদি পাতন*ৰ চিত্ৰিকাৰাজিৰ বৈশিষ্ট্য সন্দৰ্ভত ড° নৰেন কলিতাৰ বক্তব্য হ'ল— 'চিত্ৰ শৈলী বহুলাংশে মানৱ ৰূপবদ্ধ আৰু সামান্য ভাৱে জীৱ-জন্তুৰ চিত্ৰ ৰচনাত সীমাবদ্ধ হৈ পৰিছিল।' মৰিগাঁও জিলাৰ কুঁজীসত্ৰৰ পৰা অসম ৰাজ্যিক সংগ্ৰহালয়ে সংগ্ৰহ কৰা তুলাপতীয়া *অনাদি পাতন* খনিৰ ফলক সংখ্যা ২৫ আৰু বিভিন্ন আকাৰৰ চিত্ৰিকাৰ সংখ্যা ৫০। পুথিখনিৰ চিত্ৰিকাৰাজি উচ্চ মানদণ্ডৰ।

(আধাৰ গ্ৰন্থ ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ঃ *A Bilingual Annual Publication* ত (২০০৭) প্ৰকাশিত 'অসমত ভাগৱত পুৰাণ আৰু তৎসংক্ৰান্ত গ্ৰন্থৰ পুথিচিত্ৰ')

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *অষ্টমস্কন্ধ ভাগৱত* ।।**

মহাপুৰুষ শংকৰদেৱ বিৰচিত *অষ্টমস্কন্ধ* ভাগৱতৰ পুথিচিত্ৰকৰ্ম সত্ৰীয়া আৰু দৰঙী উভয় শৈলীতে সম্পন্ন হৈছিল। প্ৰথমটো শৈলীত চিত্ৰিত পুথিখনি শিৱসাগৰত থকাৰ কথা সদাৰি কৰিছিল- শিল্পী যুগল দাসে (লীলাগগৈ আৰু হৰিপ্ৰসাদ নেওগ সম্পা. *অসমীয়া সংস্কৃতি*, পৃ. ২৪২)। নগাঁও জিলাৰ কলিয়াবৰৰপৰা সংগ্ৰহ কৰি বৰ্তমানে ৰাজ্যিক

সংগ্ৰহালয়ত সংৰক্ষণ কৰা *অষ্টমস্কন্ধ ভাগৱতৰ* সাঁচিপতীয়া গ্ৰাহ-গজেন্দ্ৰ উপাখ্যান খণ্ডটোৰ ফলক সংখ্যা ৫৭। ৫৪ X ১৪ ছে.মি জোখৰ সাঁচিপতীয়া পুথিখনিৰ প্ৰতিটো ফলকৰ প্ৰতিটো পিঠিত চিত্ৰিত চিত্ৰিকাসমূহৰ আকাৰ ভিন্ ভিন্। দৰঙী শৈলীত চিত্ৰিত আলোচ্যমান স্কন্ধটিৰ পুথিচিত্ৰৰ দুটা প্ৰতিলিপি উদ্ধাৰ হৈছে— প্ৰথমটো মংগলদৈ ঠাকুৰপাৰা গাঁৱৰ বিমলানন্দ ভট্টাচাৰ্যৰ ঘৰত; ১৭০৫ শকৰ দৰঙী ৰজা কুমাৰ সমুদ্ৰ নাৰায়ণৰ আদেশত ই চিত্ৰিত হয়। দ্বিতীয়টি ১৭২৯(?) শকত দৰঙী ৰজা কৃষ্ণনাৰায়ণৰ পৃষ্ঠপোষকতাত চিত্ৰিত। পিছৰখনি পুথিচিত্ৰ বৰ্তমানে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সুৰক্ষা দিছে। ৰঙত ৰেখাৰ প্ৰাধান্য আৰু লোককলাৰ প্ৰবল হেঁচা-দৰঙী চিত্ৰ শৈলীৰ দুটা অন্যতম বৈশিষ্ট্য। এই দুয়োটা বৈশিষ্ট্যৰ মণিকাঞ্চন সংযোগে *বলিছলন* আৰু *অমৃত মন্থনক* স্বকীয়তা প্ৰদান কৰিছে।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *আদ্য দশম (ৰুচিবাপু চিত্ৰিত)* ।।**

মহাপুৰুষ শংকৰদেৱৰ *আদ্য দশমখনি* সত্ৰীয়া শৈলীত চিত্ৰিত কৰাৰ পৰম্পৰা এটিৰ সৃষ্টি হৈছিল যদিও সময়ৰ অগ্ৰগতিৰ লগে লগে সত্ৰীয়া চিত্ৰশৈলীত ৰাজকীয় গড়গঞা চিত্ৰশৈলীৰো একাধিক ৰূপাংগৰ মণিকাঞ্চন সাধিত হৈছিল। ৰুচিবাপুৰদ্বাৰা চিত্ৰিত *আদ্য দশমখনি* ইয়াৰ সুন্দৰ নিদৰ্শন। আলোচ্যমান পুথিচিত্ৰখনি ভিন্ন আকাৰৰ ১৪৩খনি চিত্ৰিকাৰে ভাস্বৰ। পুথিচিত্ৰখনিৰ পটভূমি এফালে যদি ৰঙা আৰু উজ্জ্বল হালধীয়া ৰঙেৰে বোলোৱা হৈছে, তেনেহ'লে ফলকৰ আনটো ফাল হালধীয়া আৰু ঈষৎ সেউজীয়া ৰঙেৰে বোলোৱাটো তাৎপৰ্যপূৰ্ণ। মানৱদেহৰ ৰূপাংকনত চিত্ৰকৰে মনযোগ দিয়াৰ ফলত দেহৰ ভিন্ন অংগ-প্ৰত্যংগৰ গতিশীলতা চকুত লগা। অন্তৰৰ ভাব-অনুভূতিৰ বহিঃ প্ৰকাশত চিত্ৰকৰ সফল হোৱা বুলিব পাৰি। সাজপাৰ খোপা, চৰাই চিৰিকতি প্ৰভৃতিৰ ৰূপাংকনত থলুৱা প্ৰভাৱ পৰিস্ফুট। দৃষ্টান্তস্বৰূপে, ১৬১ নং ফলকৰ ক ফালে আছে গৌৰবৰ্ণা গোপীৰ দেহাৱৰণত মেখেলা চাদৰ আৰু কলডিলীয়া খোপা। একেখনি ফলকৰ খ ফালটোত চিত্ৰিত সেউজীয়া ঘাঁহনিৰ মাজে মাজে চৰি ফুৰা গাভীৰ চিত্ৰণত গতিশীলতা বৰ্তমান। একেদৰে ৬৭ নং ফলকৰ খ ফালে চিত্ৰিত ইন্দ্ৰৰ আদেশত মহামেঘগণে মানবীয় ৰূপত মূৰ্তিমান হৈ আকাশমাৰ্গত মুষলধাৰা বৰ্ষণ কৰিবলৈ অহা দৃশ্যও জীৱন্ত আৰু গতিশীল। শ্ৰীকৃষ্ণৰ হয়াসুৰ বধ আৰু ৰাম-কৃষ্ণৰ ৰথত উঠি কৰা ৰণ যাত্ৰাৰ দৃশ্যত শিল্পীৰ দক্ষতা ফৰিং ফুটা। সত্ৰীয়া আৰু গড়গঞা চিত্ৰশৈলীৰ সংমিশ্ৰণ ঘটোৱা ৰুচিবাপু চিত্ৰিত ১৬৭টা সাঁচিপতীয়া ফলকত (জোখ ৪৭ X ১৩ ছে.মি.) সম্পূৰ্ণ হোৱা পুথিচিত্ৰখনি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে গোলাঘাটৰ দেৱৰাম শৰ্মাৰ ঘৰৰপৰা সংগ্ৰহ কৰি আনি কামৰূপ অনুসন্ধান সমিতিৰ কাৰ্যালয়ত জমা দিছিল। পুথিচিত্ৰখনিৰ ৰচনা আৰু চিত্ৰিত কৰাৰ কাল ১৬৮৭শক অথবা ১৭৬৫ খ্ৰীষ্টাব্দ।

(উৎস ঃ নাৰায়ণ দাস ঃ *পুৰণি অসমৰ চিত্ৰকলা* (১৯৭৯), *সত্ৰ সূৰ্যত* প্ৰকাশিত (১৯৭৯) সত্ৰীয়া শৈলীৰ পুথিচিত্ৰ নিবন্ধ)।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *আনন্দ লহৰী* ।।**

গড়মূৰ সত্ৰৰপৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰি কামৰূপ অনুসন্ধান সমিতিৰ পুথিশালাত জমা দিয়া সাঁচিপতীয়া পুথিচিত্ৰখনি ৬৭টা ফলকত (জোখ - ৪২ x ১২ ছে.মি.) সম্পূৰ্ণ হৈছে। অৱশ্যে বৰ্তমানে সেইখনিৰ মাজৰ ৩৭ আৰু ৩৮ সংখ্যক ফলক দুখনি নাই। শ্ৰীমদ্ শংকৰাচাৰ্যই ৰচনা কৰা *সৌন্দৰ্য লহৰীখন*ৰ নিৰ্ভৰযোগ্য অসমীয়া পদ ভাঙনি কৰে— স্বৰ্গদেৱ শিৱসিংহ আৰু প্ৰমথেশ্বৰী ওৰফে বৰৰজা ফুলেশ্বৰীৰ আদেশ শিৰোধাৰ্য কৰি অনন্ত আচাৰ্যই। পুথিখনি উপৰ্যুক্ত ৰজা-ৰাণীৰ আমোলতে সত্ৰীয়া চিত্ৰশৈলীত চিত্ৰিত। পুথিখনিত চিত্ৰিকাৰ সংখ্যা ১২৪। চিত্ৰিকাসমূহৰ আকাৰ ভিন্ ভিন্। মূল *সৌন্দৰ্যলহৰীখন* নৰ্মান ব্ৰাউনে সম্পাদনা কৰে। সেইখনিও সচিত্ৰ। হ'লেও সংস্কৃত খনিৰ চিত্ৰিকাখিনিৰ কলমে অসমীয়াখনিৰ ওপৰত অকণো প্ৰভাৱ পেলাবপৰা নাই। বৰঞ্চ *গীত-গোৱিন্দ*খনিৰ চিত্ৰিকাৰ সৈতেহে *আনন্দ লহৰীৰ* চিত্ৰিকাই লগুণ গাঁঠি বান্ধিছে। পুৰুস-মহিলাৰ মুখবোৰ প্ৰায়ে একাষৰীয়াকৈ অঁকা। গছ-গছনিৰ চিত্ৰণ বাস্তৱ ভিত্তিক নহয়। শৰাই, ভোগজৰা প্ৰভৃতিৰ চিত্ৰণ চমৎকাৰ। সৌমাৰ পীঠত সৰ্বদা বাসকৰা ভৱাণী আৰু গনেশৰ লগতে কবি অনন্ত আচাৰ্যৰ প্ৰতিকৃতি। চিত্ৰিত হৈছে ৬০খ ফলকত। ৬১ ক.ত চিত্ৰিত হৈছে- শিৱসিংহ আৰু প্ৰমথেশ্বৰীৰ প্ৰতিকৃতি ৰজা-ৰাণী মুখামুখিকৈ সিংহাসন বহি থকা। যুগল সিংহৰ মুখত ড্ৰেগনৰ ছাপ মচিব নোৱাৰা। ৬১. খ আৰু ৬২. কত ৰংপুৰৰ গড় আৰু অট্টালিকা চিত্ৰিত হৈছে। ৬২.খনত জয়সাগৰ পুখুৰীৰ উপৰি নগৰীৰ উদ্যান দেখা যায়। ৬৭ সংখ্যক ফলকলৈকে ৰজা-ৰাণী-পাত্ৰ-মন্ত্ৰী প্ৰভৃতিৰ প্ৰতিকৃতি আছে। এই আটাইবোৰ চিত্ৰতে গড়গাঞা চিত্ৰশৈলীৰ ৰাজকীয় চাকচিক্য পাবলৈ নাইকিয়া।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *একাদশস্কন্ধ ভাগৱত* ।।**

মূল সংস্কৃতৰপৰা শ্ৰীশ্ৰী শুভদেৱ গোস্বামী প্ৰভুৱে ১৬৯৯ শকত অসমীয়ালৈ ভাঙনি কৰা *একাদশ স্কন্ধ ভাগৱত*ৰ সাঁচিপতীয়া (৪২.৫ x ১৫ ছে.মি.) পুথিচিত্ৰখনিৰ ফলক সংখ্যা ৮১। মাজুলীৰ দক্ষিণপাট সত্ৰত সংৰক্ষিত পুথিচিত্ৰখনিৰ মাজৰ ঊনৈশখনি ফলকত চিত্ৰিকা দেখা নাযায়। প্ৰতিটো ফলকৰ প্ৰতিটো ফালে এখন, দুখন অথবা তিনিখনি চিত্ৰিকা শোভিত। পুথিচিত্ৰখনিৰ পৰ্বতী ৰঙাৰ পৰিৱৰ্তে হিটাবুলীয়া। বগা, ৰঙা, নীলা, হালধীয়া, সেউজীয়া আৰু ক'লা ৰঙেৰে চিত্ৰিকাৰাজিৰ ৰূপবন্ধ সম্পূৰ্ণ কৰা হৈছে। ইয়াৰে প্ৰথম খিলাত ভাগৱতৰ ব্যাখ্যাৰত শুকদেৱৰ 'ডিঙিত তিনিবৰণীয়া পবিত্ৰ উপবীত।

কৰ্ণত কুণ্ডল, হাতত হস্তকংকন পৰিধান কৰা। এওঁৰ জটা নিতম্বৰ তললৈ ওলমি পৰা।' আশী সংখ্যক পাতত চিত্ৰিত *গোপীসকল মৰিছা* বুলি লেখাৰ ওপৰত 'তিনিগৰাকী গোপীয়ে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিচত শোকত বিহ্বলা হৈ ভূমিত বাগৰি আছে' চিত্ৰিকাখনি চিত্ত আকৰ্ষক।

(আধাৰগ্ৰন্থ ঃ মাধৱবৈশ্যৰ *বৈষ্ণৱ চিত্ৰৰ ধাৰা।*)

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *কৰ্ণপৰ্ব।।*

প্ৰাক্ শংকৰ যুগৰ কবি হৰিবৰ বিপ্ৰই জৈমিনীৰ *অশ্বমেধ পৰ্বৰ*পৰা পদবন্ধ কৰা *লৱকুশৰ* যুদ্ধ খনি সত্ৰীয়া শৈলীত চিত্ৰিত কৰাৰ পিছত উনবিংশ শতাব্দীৰ দুৰ্গা পঞ্চাননে *মহাভাৰতৰ* কৰ্ণ পৰ্বখিনি অসমীয়ালৈ ভাঙি সেইখনিক নিজে পুথিচিত্ৰৰ ৰূপ দিছিল। কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থগাৰত সংৰক্ষিত তুলাপতীয়া পুথিচিত্ৰখনি ৪৪টা ফলকত সম্পূৰ্ণ হোৱা। প্ৰতিটো ফলকৰ জোখ- ৫৮ × ১৯ছে.মি.। পুথিচিত্ৰখনিত ভিন্নজোখৰ ৫৪ খনি চিত্ৰিকা দেখা যায়। লেখক আৰু খনিকৰ একেজন হোৱাৰ কাৰণে দুৰ্গা পঞ্চাননে কথাবস্তুৰ চিত্ৰ ৰূপ দানত দক্ষতাৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। পৰম্পৰাৰ পৰা ফালৰি কাটি খনিকৰে আপোন মনে চিত্ৰিকাত ৰঙ মেলিছে, ৰেখা ডৌল সাজিছে। অন্যান্য ৰং থাকিলেও ক'লা আৰু হালধীয়া ৰঙে প্ৰায়খিনি চিত্ৰিকাতে প্ৰভুত্ব বিস্তাৰ কৰাত বহুসময়ত চিত্ৰিকাৰাজিয়ে কলা ৰসিকৰ দৃষ্টি শাঁত পেলাব নোৱাৰা যেন লাগে। সীমিত স্থাপত্য আৰু ৰথ আদিৰ চিত্ৰণ মনোৰম। যুদ্ধ বিগ্ৰহৰ গতিশীলতা পুথিচিত্ৰখনিৰ এটি বৈশিষ্ট্য।

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *কীৰ্তন* ।।

মহাপুৰুষ শংকৰদেৱৰ সৰ্বাধিক জনপ্ৰিয় পুথি *কীৰ্তনৰ* কেবাখনি পুথিচিত্ৰ বৰ্তমান পোহৰলৈ আহিছে। এনে পুথিচিত্ৰৰ ভিতৰত যোৰহাট জিলাৰ কৰভাৰ কাথবাপু সত্ৰৰ সাঁচিপতীয়া পুথিখনিৰ জয়জয়তে ল'ব পাৰি। ১৫ X ৩৭ ছে.মি. জোখৰ পুথিচিত্ৰখনিৰ ফলক সংখ্যা -১৪৭। চিত্ৰিকাসমূহ সত্ৰীয়া শৈলীত অংকিত যদিও পুৰুষৰ কিছু সংখ্যক পাগুৰি *মোগলাই* নহয়; *জৈন চিত্ৰকল্পৰ* চিত্ৰিকাৰ দৰেহে। লক্ষ্মী, সেৱাকিনী প্ৰভৃতিৰ মুখমণ্ডল একাষৰীয়াকৈ অংকন কৰিলেও মুখাৱয়ৱত বাস্তৱৰ স্নিগ্ধতা বৰ্তমান। নেঘেৰি খোপাৰ অৱস্থিতিও উপেক্ষণীয় নহয়। নাৰীৰ পিন্ধন উৰণত ফুল বছা মেখেলা-চাদৰ লক্ষণীয়। ধেনুভিৰীয়া বৃত্তৰ অন্তৰ্গত পটভূমিৰ ৰং ৰঙা, তাৰ বাহিৰৰ চাৰিওফালৰ ৰং গাঢ় নীলা। শিল্পী মাধৱ বৈশ্যাই শুৱালকুছিৰ শ্ৰীশ্ৰী ঈশ্বৰ হাটী সত্ৰত সংৰক্ষিত ৪৭.৫ × ১৫ ছে.মি. জোখৰ সাঁচিপতীয়া ৫৪ টা ফলকত সম্পূৰ্ণ হোৱা (চিত্ৰিত ফলক -৪৪ আৰু চিত্ৰিকা সংখ্যা - ১১২)। সচিত্ৰ *কীৰ্তন* এখনিৰ কথা সদৰি কৰিছে। সেইখনি নীলা আৰু

ৰঙা ৰঙেৰে বোলোৱা। অষ্টদল পদ্ম শোভিত লটাকটাৰ অলংকৰণ দৃষ্টিযোগ্য। কামৰূপৰ ন-বুৰ্কা সত্ৰত সংৰক্ষিত তুলাপতীয়া *চিত্ৰ কীৰ্তন* খনিৰ ৰং আৰু ৰেখা বৰ্তনাৰ সুষমাই চিত্ৰপ্ৰেমীৰ চকু জুৰায়। ১৭৫৯ খ্ৰীষ্টাব্দত চিত্ৰিত নগাঁও মাধ আতা সত্ৰত ৰক্ষিত *বাঙলী কীৰ্তন* খনিৰ মাজত চিত্ৰিকা, কাষত লটাকটা। পুথি চিত্ৰখনিৰ মূৰ্তিসমূহৰ পশ্চাৎপট ৰঙা হ'লেও ধেনুভিৰীয়া; ৰেখাৰ উৰ্ধাংশ নীলা, হালধীয়া আদি ৰঙেৰে বোলোৱা। মধুপুৰ সত্ৰৰ *চিত্ৰ-কীৰ্তন*, নগাঁও জখলাবন্ধাৰপৰা সংগ্ৰহ কৰি নি বৰদোৱাৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা কেন্দ্ৰত ৰখা *কীৰ্তন* আৰু মৰিগাঁৱৰ বাচনাঘাটত পোৱা লোক-কলাৰ প্ৰভাৱ পুষ্ট *কীৰ্তন*খনিৰ চিত্ৰিকাসমূহে সত্ৰীয়া চিত্ৰ শৈলীৰ জয়যাত্ৰা সূচায়। যোৰহাট-চেঁচা সত্ৰৰপৰা নি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ৰখা সচিত্ৰ *কীৰ্তন* (১৬৯৩শক)ৰ 'চিত্ৰত থকা মৰকত হৰিৎ পৰ্বতী, পৰিপ্ৰেক্ষিত, প্ৰকৃতি চিত্ৰণ, প্ৰাঞ্জল জমি আৰু থোলোকা মুখাৱয়ৱ অংকন কৰাৰ ৰীতিৰ সাদৃশ্য আছে ৰজাঘৰীয়া চিত্ৰশৈলীৰ লগত।' অসম ৰাজ্যিক সংগ্ৰহালয়ত *কীৰ্তনৰ* অসমাপ্ত পুথিচিত্ৰৰ দুটি প্ৰতিলিপি সংৰক্ষিত হৈছে। ইয়াৰে এখন সাঁচিপতীয়া আৰু সেইখনি গৰহাটৰ পৰা সংগৃহীত। দ্বিতীয়খনি কাগজত চিত্ৰিত। লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত কীৰ্তনৰ চিত্ৰিকাৰাজি *বাঙলী কীৰ্তনৰ* চিত্ৰিকাৰে অভিন্ন। কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰৰ সংৰক্ষিত সাঁচিপতীয়া *শ্যাসন্ত হৰণ* খনিৰ চিত্ৰিকামালাত গড়গঞা চিত্ৰশৈলীৰ চাকচিক্য বৰ্তমান। সত্ৰীয়া আৰু গড়গঞা চিত্ৰশৈলীৰ প্ৰভাৱ পুষ্ট *কীৰ্তনৰ* আলোচিত পুথিচিত্ৰসমূহে মধ্যযুগীয় ভাৰতীয় চিত্ৰকলাক যে কেনেধৰণে সমৃদ্ধিশালী কৰিছে, তাক কোৱাৰ আৱশ্যক নাই।

(আধাৰগ্ৰন্থ ঃ Choudhury R.D.and Kalita., N.- *Manuscript Paintings from Kamarup Anusandhan Samiti*; নৰেন কলিতা- *অসমৰ পুথিচিত্ৰ*)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *কুমৰ হৰণ কাব্য* ।।**

*ভাগৱত পুৰাণৰ* দশমস্কন্ধৰ ৬২-৬৩ অধ্যায়ত বৰ্ণিত উষা-অনিৰুদ্ধৰ কাহিনীৰ আলমত বৈষ্ণৱ কবি অনন্ত কন্দলিয়ে *কুমৰ হৰণ* শীৰ্ষক জনপ্ৰিয় হৰণ কাব্যখনি ৰচনা কৰে। এই কাব্যখনিৰ চিত্ৰৰূপ দিয়াটো উল্লেখযোগ্য। উক্ত সাঁচিপতীয়া পুথিচিত্ৰখনি এতিয়া নগাঁৱৰ ৰাইডঙীয়া অঞ্চলৰ প্ৰসিদ্ধ দিচিয়াল সত্ৰৰ ভৱকান্ত মহন্ত ডাঙৰীয়াৰ ঘৰত সংৰক্ষিত। অষ্টাদশ শতাব্দীত চিত্ৰিত পুথিখনে গড়গঞা চিত্ৰশৈলীৰ প্ৰতিনিধিত্ব কৰে।

সত্ৰৰ শিচ আৰু ৰজাঘৰৰ বিষয়া বিশেষে ৰজাঘৰৰ খনিকৰৰ হতুৱাই চিত্ৰিত কৰি দানস্বৰূপে সত্ৰলৈ আগবঢ়োৱা পুথিখনি অন্তৰংগ প্ৰমাণৰ ভেটিত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত চিত্ৰিত হোৱাৰ সম্ভাৱনা দেখিছে কলা সমালোচকে ড° নৱেন

কলিতাই। তেওঁৰ ভাষাত, 'কুমৰ হৰণৰ আঞ্চলিক ঐতিহ্য ভালেখিনি আছে যদিও প্ৰকৃতি চিত্ৰণৰ ক্ষেত্ৰত এই ঐতিহ্যৰ মাজত আগতে নেদেখা অধোমুখী দেৱদাৰুৰ উপস্থিতি সঘনে লক্ষ্য কৰিব পাৰি।' (*অসমৰ পুথিচিত্ৰ*, পৃ. ৪৩)। সোণপানী ছটিওৱা পুথিখনে নিঃসন্দেহে ৰজাঘৰৰ সমৃদ্ধিশালী দিশটোত এচেৰেঙা স্পষ্ট পোহৰ পেলায়। ৰজাঘৰৰ খনিকৰৰ হতুৱাই চিত্ৰিত কৰা গুণে পুথিচিত্ৰখনিত ৰাজপুত আৰু মোগল চিত্ৰশৈলীৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। স্থাপত্য, পটভূমি চিত্ৰণ, জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ উপৰি নাৰীসকলৰ মুখাৱয়ব আৰু বেশভূষাত এই প্ৰভাৱ স্পষ্ট। পুৰুষৰ চোলা, জামা, মোগলাই টুপী প্ৰভৃতিত মোগল চিত্ৰশৈলীৰ হেঁচা স্বস্তিকৰ। মায়াময় পৰিৱেশ সৃষ্টিৰ বাবে চিত্ৰিত নিশাৰ আকাশৰ চিত্ৰণত পাহাৰী চিত্ৰকলাৰ স্নিগ্ধতাই ভুমুকি মাৰিছে।

না.দা.

**।। অসমৰ পুথিচিত ঃ *গদ্য ভাগৱত* ।।**

যোৰহাটৰ পূবফালে ৰাষ্ট্ৰীয় পথৰ দাঁতিতে অৱস্থিত পুনিয়া সত্ৰৰ অধিকাৰৰ হাতত গোপালদেৱৰ বাক্য ধৰি হেণ্ডুলীয়া যদুমণিদেৱে ৰচনা কৰা '*গদ্য ভাগৱত*'ৰ সাঁচিপতীয়া পুথিচিত্ৰ এখনি দেখা যায়। ৫৮টা ফলক যুক্ত পুথিচিত্ৰ খনিৰ প্ৰতিটো ফলকৰ জোখ ৬৭.৫ X ২০ ছে.মি.। প্ৰতিটো ফলকৰ প্ৰত্যেকফালে এখন, দুখন অথবা তাতকৈও অধিক চিত্ৰ সম্বলিত পুথিচিত্ৰখনিত সৰ্বমুঠ ১১৮খনি চিত্ৰিকা আছে যদিও মাজৰ বহু সংখ্যক ফলক হেৰালুকী হোৱাটো দুৰ্ভাগ্যজনক। নাভিৰন্ধ্ৰত অষ্টদল বিশিষ্ট শতদলৰ চিত্ৰ শোভিত গড়গঞা চিত্ৰশৈলীত চিত্ৰিত পুথিচিত্ৰত ৰঙা, নীলা, হালধীয়া, সেউজীয়া, ধোঁৱা বৰণীয়া, ক'লা, বেঙুনীয়া, গুলপীয়া আৰু ইটাৰঙৰ সন্নিৱেশ চমকপ্ৰদ। '*ৰুক্মিণীৰ সয়ম্বৰ*' আখ্যানৰ চিত্ৰ এখনিৰ পৰিচয় প্ৰসংগত শিল্পী মাধৱ বৈশ্যদেৱে দিয়া বৰ্ণনাৰপৰা পুথিচিত্ৰখনিৰ চিত্ৰিকা সম্বন্ধে ধাৰণা এটি কৰিব পাৰি— 'চিত্ৰৰ বাঁওফালে সুসজ্জিত ঘোঁৰাৰ ওপৰত বলৰাম। এওঁৰ পিছফালে পাঁচজন সৈন্য। সৈন্যগণে বগা চাপকণ চোলা আৰু পায়জামা পিন্ধি কান্ধত ৰঙা বৰণীয়া চাদৰ লৈছে। মূৰতো ৰঙা ৰঙৰ পাগুৰি সযতনে পিন্ধিছে। ...বলোৰামৰ শিৰোভৰণ স্বৰূপ ত্ৰিকোণ আকৃতিৰ হিৰণ্য মুকুট জকমকীয়া।... ৰথৰ জকমকীয়া ঘোঁৰা চাৰিটাৰ অলপ দূৰৈত সোঁফালে দুজন ব্ৰাহ্মণে সাজি কাচি ধূপ-দীপ, পাদ্য-অৰ্ঘ সহিতে হাতত একোখনি শৰাই লৈ ... কৃষ্ণক ভক্তিপূতভাৱে আদৰণি জনাইছে...।' (*বৈষ্ণৱ চিত্ৰৰ ধাৰা*, পৃ. ৬১)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *গীত -গোবিন্দ* ।।**

আহোম স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ পৃষ্ঠপোষকতাত ১৬৭৬ শকত কবিৰাজ ৰামনাৰায়ণ ব বিশ্বজ চক্ৰবৰ্তীৰদ্বাৰা অনূদিত জয়দেৱৰ *গীত গোবিন্দৰ* পুথিচিত্ৰৰ সাঁচিপতীয়া

প্ৰতিলিপিটো কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰৰপৰা নি অসম প্ৰকাশন পৰিষদে ১৯৮৬ত প্ৰকাশ কৰিছে। মূল পুথিচিত্ৰৰ সাঁচিপতীয়া জোখ ৪১ × ১২ ছে.মি.। ৬২টা ফলক যুক্ত পুথিচিত্ৰখনিৰ মাজৰ - ২, ২৭, ৩১, ৩৪, ৪৬ আৰু ৪৯ সংখ্যত পাত কেইখিলা নাই। ১৪ আৰু ৪১ এই দুটা ফলক কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থগাৰত সংৰক্ষিত। পুথিচিত্ৰখনিৰ চিত্ৰিকা সংখ্যা ১৩২। সমগ্ৰ ভাৰতবৰ্ষত *গীত-গোবিন্দৰ* পুথিচিত্ৰ অগণন। ৰাজপুত, মোগল, কাংগ্ৰা আদি চিত্ৰশৈলীত চিত্ৰিত সংস্কৃত ৰস কাব্যখনিৰ চিত্ৰ পৰম্পৰা লুইতৰ পাৰলৈ সম্প্ৰসাৰিত হোৱাটো সুখকৰ। পুথিচিত্ৰখনি ৰাজপৃষ্ঠপোষকতাত চিত্ৰিত হ'লেও ইয়াৰ চিত্ৰিকা ৰাজিয়ে গড়গঞা চিত্ৰশৈলীৰ প্ৰতিনিধিত্ব নকৰে; সত্ৰীয়া চিত্ৰশৈলীৰ লক্ষণহে ইয়াত পৰিস্ফুট। সেইবাবে কলা-সমালোচক ড° নৰেন কলিতাই সত্ৰৰ চাৰিবেৰৰপৰা খনিকৰ ৰাজসভালৈ গৈ পুথিচিত্ৰখনিৰ চিত্ৰকৰ্ম সম্পাদন কৰা বুলি অভিমত দিছে। কদম্বকে আদি কৰি বিভিন্ন গছ-গছনি ইয়াত চিত্ৰিত হৈছে যদিও সিবোৰ বাস্তৱ ভিত্তিক নহয়। পৰ্বতীৰ ৰঙ মেলনৰ ক্ষেত্ৰতো কিছু বৈশিষ্ট্য বৰ্তমান। নিশা কুঞ্জবনত শ্ৰীকৃষ্ণ শুই থকা দৃশ্য এটিৰ পটভূমিক সম্পূৰ্ণ কলা ৰঙেৰে বোলোৱাটো মন কৰিবলগীয়া। অমূৰ্ত বস্তুক খনিকৰে মানৱীয় ৰূপত চিত্ৰণ কৰাৰ প্ৰচেষ্টা শলাগৰ যোগ্য। মেঘক মূৰত পাগমৰা দুটি অসুৰৰ ৰূপত নাইবা চাৰিবেদক চাৰিজন মানুহৰ ৰূপত আৰু গুঞ্জৰী, কৰ্ণাটি, ভৈৰৱী, বসন্ত, বৰাদি প্ৰভৃতি ৰাগসমূহ মনুস্য ৰূপত চিত্ৰিত কৰাটো এই খিনিতে উল্লেখ কৰিব পাৰি। পুথিচিত্ৰখনিত কেবাটাও প্ৰতিকৃতি আছে। সিবোৰৰ ভিতৰত মহাৰাজ ৰুদ্ৰসিংহ আৰু তেওঁৰ পৰিষদবৰ্গৰ চিত্ৰিকা দুখনি প্ৰধান। ১৭ক ফলকত মহাৰাজ ৰুদ্ৰসিংহ দুফালে ৰাজ মহিষী আৰু ৰাজমাওৰ উপৰি লিগিৰা আৰু দাসীকো চিত্ৰিত কৰা হৈছে । ৩৫ক ফলক খনিতো দুজন পাত্ৰ, দুজন মন্ত্ৰী, মুখ্যমন্ত্ৰী, তামুলী, স্বৰ্গদেৱ আৰু আৰোৱাণ ধৰাৰ চিত্ৰ দেখা যায়। পীৰা এখনিত দুটা পাখিযুক্ত সিংহৰ চিত্ৰণ দৃষ্টি যোগ্য। কবি জয়দেৱ আৰু পদ্মাৱতীৰ প্ৰতিকৃতিও ইয়াত আছে। বটা, তামুলীপীৰা, গছা, টোকাৰী, মেখেলা, লহঙা আদি অসমীয়া কলা সম্পদ চিত্ৰিত *গীত গোবিন্দ* খনিত প্ৰেম বিৰহিনী ৰাধাক জুইৰ শিখাই চৌদিশৰপৰা বেড়ি ধৰা দৃশ্য কলাসন্মত। নাৰীৰ গলধন ওলমি পৰা খোপা আৰু পুৰুষৰ কিৰীটিৰ নমিত অংশত বিহুৱা ডেকাৰ বিহুৱাৰ মূৰত মৰাৰ ঢং আন এটি লক্ষ্য কৰিবলগীয়া বিষয়। সৰ্বভাৰতীয় *গীত-গোবিন্দৰ* পুথিচিত্ৰৰ ভঁৰাললৈ লুইতপৰীয়া খনিকৰে কিছু পৰিমাণে হ'লেও অৱদান আগবঢ়োৱা এটা অসমীয়াৰ বাবে গৌৰৱৰ কথা।

না.দা.

।। অসমৰ পুথিচিত - *চিত্ৰ ভাগৱত* ।।

সাহিত্য-ৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাই নগাঁৱৰ বালিসত্ৰৰপৰা তুলাপতীয়া সচিত্ৰ *আদ্য দশম* পুথি এখনি নি ৫০১ শংকৰাব্দত *চিত্ৰ ভাগৱত*নাম দি প্ৰকাশ কৰা পুথিচিত্ৰখনি

সত্ৰীয়া চিত্ৰশৈলীৰ সুন্দৰ নিদৰ্শন। পুথিখনিত ১৫৬ টা ফলকৰ উপৰি শেষত সাঁচিপাতৰ এটি বকলা থকাটো উল্লেখযোগ্য। পুথিচিত্ৰখনিৰ প্ৰতিটো ফলকৰ প্ৰায় দুয়ো পিঠিতে চিত্ৰৰ সংযোজনা চকুত লগা। ৫৩ × ১৭ ছে.মি. জোখৰ পুথিচিত্ৰখনিত থকা ৰঙীন চিত্ৰিকাৰ সংখ্যা - ৩১২। আলোচিত তুলাপতীয়া প্ৰতিলিপিটোৰ এটা ফলকত লিখা ১৪৬১শক শব্দটো পুথিখনি নকল অথবা চিত্ৰিত কৰাৰ সময় বুলিব নোৱাৰি। কলা বিশেষজ্ঞ ড° মোতীচন্দ্ৰই পুথিখনিৰ একাধিক ফলকৰ চিত্ৰ পৰীক্ষা কৰি সেইখনিৰ চিত্ৰকৰ্ম সপ্তদশ শতাব্দীৰ অন্তিম অথবা অষ্টদশ শতাব্দীৰ আৰম্ভণিত সম্পন্ন হোৱা বোলাটো তাৎপৰ্যপূৰ্ণ।

*চিত্ৰ-ভাগৱতৰ* একোখনি ফলকক ধেনুভিৰীয়াকৈ কেবাটাও ভাগ কৰি প্ৰতিটো ভাগতে কৰা বিষয়বস্তুৰ চিত্ৰায়ণে কলা ৰসিকক জৈন *কল্পসূত্ৰ* সমূহৰ চিত্ৰলৈ মনত পেলাব। জৈন পুথিচিত্ৰসমূহৰ দৰে *চিত্ৰ ভাগৱতৰো* পটভূমি উজ্জ্বল ৰঙা, হেঙুলীয়া অথবা নীলা। নৰ-নাৰীৰ-মুখায়বৰ প্ৰায়খিনিয়ে একাষৰীয়াকৈ অঁকা। আকৰ্ণ বিস্তৃত মস্যাকৃতিৰ চকু, মুখ আৰু দেহাৱয়ৱ অংকনত কৌণিক ৰীতি/সুষম প্ৰয়োগ, তিলফুলীয়া জোঙা নাক, বহল আৰু এঢলীয়া কপাল ক্ষীণ কঁকাল আদিৰ চিত্ৰণ ৰীতিয়ে গুজৰাটী অথবা ৰাজপুত চিত্ৰশৈলীলৈ মনত পেলায়। ভৰিৰ আঙুলিৰ দৰে কঠিন কৰ্মৰ চিত্ৰাংকনত আগ্ৰহ দেখুৱা শিল্পীয়ে নৰদেহৰ বাহ্যিক ৰূপাংকনতেই অধিক গুৰুত্ব দিয়া দেখা যায়। স্ত্ৰী-পুৰুষৰ সাজ-পাৰত চিত্ৰকৰে মনযোগ দিয়াটো উল্লেখযোগ্য। পুৰুষৰ শিৰত মোগলাই টুপী আৰু কান্ধৰ দুয়োফালে আঁঠুৰ তললৈ ওলোমাই লোৱা ফুলাম চাদৰখনি চকুত লগা। তিৰোতাসকলে সাধাৰণতে শাৰী পৰিধান কৰিছে। শাৰী পিন্ধা পদ্ধতি ৰাজপুত ধৰণৰ। খোপাত আঁৰি লোৱা পুষ্পমালাৰ অলংকৰণ সুন্দৰ। বৰষুণ, নদী, হ্ৰদ আদিৰ চিত্ৰণ অবাস্তৱ। ঘৰ-বাৰীৰ চিত্ৰণত মধ্যযুগীয় অসমীয়া স্থাপত্য শৈলীয়ে এভুমুকি দিছে। চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৰ অংকনত শিল্পীয়ে বহু পৰিমাণে কুশলহস্তৰ পৰিচয় দিয়া বুলিব পাৰি। নৃত্যৰ দৃশ্যৰাজিত ছন্দ আৰু গতিশীলতাক উপেক্ষা কৰা টান। ড° মোতীচতন্দ্ৰই ক'বৰ দৰে, 'গীতিময় ব্যঞ্জনা, সহজ-সৰল গঠনৰীতি, নাটকীয় বৰ্ণনা আৰু সুন্দৰ ৰঙৰ ব্যৱহাৰে চিত্ৰ ভাগৱতৰ এনে বটি সৌন্দৰ্য দান কৰিছে, যাৰ লগত একে বিষয়ৰ ওপৰত চিত্ৰিত উদয়পুৰ বা আন ঠাইৰ চিত্ৰসমূহৰ কোনো তুলনা নহয়।'

না.দা.

।। অসমৰ পুথিচিত্ৰ - *তীৰ্থ কৌমুদী* ।।

দৰঙী চিত্ৰশৈলীত চিত্ৰিত প্ৰখ্যাত সাঁচিপতীয়া পুথিখিন হ'ল— দৰঙী ৰাজপৃষ্ঠপোষকতাত পোৱা বুলি সাব্যস্ত কৰা *তীৰ্থ-কৌমুদী*। পুথিচিত্ৰখনিৰ ফলক সংখ্যা হ'ল- ৫০। ইয়াত জয়ন্তীয়া ৰাজ্যৰপৰা আৰম্ভ কৰি ভাৰতৰ বিভিন্ন তীৰ্থক্ষেত্ৰলৈ পথৰ

দূৰত্ব আৰু তীৰ্থ ক্ষেত্ৰবোৰৰ ভৌগোলিক আৰু ঐতিহাসিক বিৱৰণৰ লগতে মহিমা উল্লেখ কৰিছে।' (*অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*)। ইয়াৰ প্ৰথমখনি ফলকৰ চিত্ৰিকাই বাস্তৱভিত্তিক। তাৰ বিষয়বস্তু কামৰূপ আৰু জয়ন্তীয়া ৰজাৰ প্ৰতিকৃতি। মঠ-মন্দিৰসমূহৰ চিত্ৰণৰ ক্ষেত্ৰত অসমীয়া মেজি আৰু টঙিয়ে মূৰ দাঙি উঠিছে। পুৰুষৰ পিন্ধনত ধুতি, তিৰোতাসকলৰ পিন্ধনৰ মেখেলা- চাদৰ। মেখেলা বক্ষস্থানত মেথনি মৰা অৱস্থাত চিত্ৰিত। বিভিন্ন তীৰ্থস্থানত নৰ-নাৰীৰ যি নগ্ন চিত্ৰ আঁকিছে, সেয়া বক্ষদেহৰ উৰ্ধাংশহে। মুখবোৰ প্ৰায়ে একাষৰীয়াকৈ আঁকিছে যদিও দুই এটা সমুখৰপৰা অঁকা চিত্ৰও নথকা নহয়। মংগলা দেৱীৰ চিত্ৰখনি সমুখৰপৰা চিত্ৰিত। একেধৰণে চিত্ৰিত কামাক্ষা দেৱীৰ চিত্ৰণ ৰীতিত ড° ৰজতানন্দ দাশগুপ্তই *স্তুতি গোৱিন্দৰ* মলাটত চিত্ৰিত দেৱীৰ অংকন কৰ্মৰ প্ৰভাৱ লক্ষ্য কৰিছে। দৰঙী চিত্ৰশৈলীত চিত্ৰিত *তীৰ্থ কৌমুদী* পুথিচিত্ৰৰ চিত্ৰিকা ৰাজিৰ মাজেদি অসমীয়া লোককলাৰ বহু বৈশিষ্ট্যই এডামুৰি দিয়াৰ সুযোগ গ্ৰহণ কৰিছে।

(আধাৰ গ্ৰন্থ ঃ নাৰায়ণ দাস - *পুৰণি অসমৰ চিত্ৰকলা*।)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *দৰংগ ৰাজ বংশাৱলী* ।।**

দৰঙী ৰজা সমুদ্ৰনাৰায়ণৰ আদেশত সূৰ্যখড়ি দৈৱজ্ঞই ১৮০৬ খ্ৰীষ্টাব্দত (?) ৰচনা কৰা *দৰংগ ৰাজবংশাৱলী*শীৰ্ষক পুথিচিত্ৰখনি ১০৪টা সাঁচিপতীয়া ফলকত লিখা। পুথিখনিৰ জোখ- ১২ X ৪২ছে.মি.। দৰঙী ৰাজসভাত ১৮০৪ খ্ৰীষ্টাব্দত চিত্ৰিত হৈছিল *অষ্টমস্কন্ধ ভাগৱত*খনি। ৰজা কৃষ্ণনাৰায়ণৰ পৃষ্ঠপোষকতাত চিত্ৰিত এই পুথিচিত্ৰখনিত ৰাজসভাত অথবা গড়গাঞা চিত্ৰশৈলীৰ বিপৰীতে চহা লোককলাৰ আধাৰত বিকশিত দৰঙী চিত্ৰশৈলী প্ৰকাশ পাইছিল। *দৰংগ ৰাজবংশীৱলীৰ* চিত্ৰিকাৰাজিত দৰঙী চিত্ৰশৈলীৰ ছাপ তেনেই নগণ্য। ড° ৰজতানন্দ দাশগুপ্তই পুথি চিত্ৰখনিৰ চিত্ৰিকাসমূহে গড়গাঞা চিত্ৰশৈলীৰ - degenerate style বুলিলেও তাত সত্ৰীয়া চিত্ৰশৈলীৰো কেইটামান বৈশিষ্ট্য বৰ্তমান। গড়গাঞা আৰু সত্ৰীয়া শৈলীৰ সুষম সংমিশ্ৰণৰ সুফল আলোচিত পুথিচিত্ৰখনিৰ সন্দৰ্ভত ড° নবেন কলিতাৰ মন্তব্য হ'ল– 'দৰং ৰাজবংশীৱলীয়ে ৰাতিটোৰ ভিতৰতে চহা শৈলীটো বৰ্জন কৰি চৌখীন চিত্ৰশৈলীক তাৰ আসনত বহুৱাই আমূল পৰিবৰ্তন সাধন কৰিছিল' যদিও দেশৰ অভাৱনীয় পৰিস্থিতিৰ বাবে *দৰং ৰাজবংশাৱলীতে* দৰঙী ৰাজসভাৰ চিত্ৰশৈলীটোৰ যৱনিকা পৰিছিল।' (*অসমৰ পুথিচিত্ৰ*, পৃ. ৫১)। ৰাজ সিংহাসনত উপবিষ্ট নৃপতিক সেৱা জনোৱা অমাত্যগণ, কেবা মহলীয়া ঘৰৰ গবাক্ষত চিত্ৰিত পুৰুষ-মহিলাৰ চিত্ৰিকাসমূহে গড়গাঞা চিত্ৰশৈলীৰে লগুণ-গাঁঠি বান্ধে। নাও আৰু যুদ্ধৰ চিত্ৰসমূহ সত্ৰীয়া শৈলীয়ে অভিন্ন। জীৱ-জন্তুবোৰ সত্ৰীয়া শৈলীৰ সমকক্ষ নহ'লেও সিবোৰ সৌন্দৰ্য বিৰ্বজিত

নহয়। নৃত্য, গীত আৰু বাদ্যৰ চিত্ৰবোৰত খনিকৰৰ নৈপুণ্য প্ৰকাশ পাইছে। ড° দাশগুপ্তই কোৱা The paintings lack depth and are not true of life কথাষাৰ সম্পূৰ্ণ সত্য নহয়।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *ধৰ্মপুৰাণ* ।।**

লণ্ডনৰ ব্ৰিটিছ্ লাইব্ৰেৰীৰ *ওৰিয়েণ্টেল এণ্ড ইণ্ডিয়ান অফিচ্ কলেক্‌ছন চেকচনত* যি এঘাৰখনি অসমীয়া সাঁচিপাত-তুলাপতীয়া পুথি সংৰক্ষিত হৈছে, তাৰে তিনিখনি হ'ল পুথিচিত্ৰ। সেইকেইখনি হ'ল – ৩৫১খনি চিত্ৰিকা সম্বলিত তুলাপতীয়া *কীৰ্তন-ঘোষা,* চাৰিশখনি চিত্ৰিকা শোভিত সাঁচিপতীয়া *ব্ৰহ্মবৈবৰ্ত পুৰাণ* আৰু স্বৰ্গদেব শিৱসিংহ মহাৰাজৰ পৃষ্টপোষকতাত কবিচন্দ্ৰদ্বিজে ৰচনা কৰা *ধৰ্মপুৰাণ*ৰ ৩৫০খনি কলাসম্মত উন্নত চিত্ৰিকা শোভিত সাঁচিপতীয়া (জোখ ১৭ x ৫৮ছে.মি.) পুথিচিত্ৰখনি। ১৭৩৫ খ্ৰীষ্টাব্দত চিত্ৰিত পুথিখনিৰ চিত্ৰকৰ ৰূপে বধ লিগিৰাক কোনো কোনোৱে সব্যস্ত কৰি দিলেও পুথিত থকা 'পদ *ধৰ্মপুৰাণ*ৰ কৰাই লিখাইলন্ত মনোহৰ' শাৰীটোৱে লিগিৰাৰ আদেশত আনে চিত্ৰিত কৰাটোহে সূচায়। পুথিচিত্ৰখনিৰ প্ৰথম ফলকৰ বাঁওফালে বৰৰজা অম্বিকাদেৱী আৰু সোঁফালে সিংহাসন বহি থকা শিৱসিংহ মহাৰাজক খনিকৰে আঁঠু কাঢ়ি পুথিচিত্ৰখনি আগবঢ়োৱা চিত্ৰিকা আছে। খনিকৰৰ সৈতে বহি থকা বাকী সাতজন লোকক পৰিচয় লিপিত 'দাসগন' আখ্যা দিছে। মহাৰাজৰ পিছত বহি চোঁৱৰ ধৰি থকা লোকা এজনৰ উপৰি আন তিনিজন লোককো দেখা যায়। পুথিচিত্ৰখনিৰ দ্বিতীয় আৰু তৃতীয় ফলকত ৰাজপুত্ৰ তিপাম ৰজাক মোগল বেশভূষাত চিত্ৰিক কৰাটো উল্লেখযোগ্য । অন্তিম ফলকত ৰজা-ৰাণীৰ হাতীত তুলিবলৈ কৰা শোভাযাত্ৰাৰ চিত্ৰিকাখনিত ছত্ৰধাৰীৰ উপৰি চোঁৱৰ ধৰা লোকজনকো ৰূপবন্ধত বন্দী কৰিছে। ৰাণী-অম্বিকাই কাণত জমককীয়া জাংফাই কেৰু আৰু মেখেলা-চাদৰ পৰিধান কৰিছে। ৰজা আৰু পাত্ৰসকলে মূৰত মৰা পাগুৰিত সোণপানী ছটিওৱা। দেৱৰাজ ইন্দ্ৰই শুকুলা হাতীত উঠি দানৱৰ সৈতে সংগ্ৰামত লিপ্ত হোৱা চিত্ৰিকাখনৰ গতিশীলতা চমকপদ। দেৱৰাজৰ সোঁ দিশত ত্ৰিশূল হস্ত জঁটা-বাঘ ছাল পৰিহিত নান্দী-ভৃংগী সমেত মহেশ। বাঁওফালে মুষিকৰ পিঠিত বহি যুদ্ধলৈ যাত্ৰা কৰা গণপতি আৰু তেওঁৰ আগত ৰাজহংসত উঠা চতুৰানন ব্ৰহ্মাক জীৱন্ত ৰূপত দেখা যায়। মধ্যযুগীয় অসমৰ পূজা-পাতল আৰু বিভিন্ন সাংস্কৃতিক সম্পদেৰে পুথিচিত্ৰখনি ভৰা। গছ-লতিকা আৰু পুষ্প ৰাজিৰ চিত্ৰণো মনোৰম। এইখনি চিত্ৰৰ বৈভৱৰ ক্ষেত্ৰত সুপ্ৰসিদ্ধ ঐতিহাসিক পণ্ডিত ড° প্ৰতাপচন্দ্ৰ চৌধুৰী আৰু ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ মন্তব্য প্ৰণিধান যুক্ত— 'Painted work stands unequalled from the stand point of aesthetics and the contemporary painted manuscripts from other parts of India

rural and miniatures not excluded,.' (Introduction to *Ananda Lahari*)

(গুৱাহাটী আৰ্টিষ্টচ্ গীল্ডৰ ৰূপালীজয়ন্তী সংখ্যা *চিহ্নত* প্ৰকাশিত কাকলি বৰকাকতিৰ (Assamse manuscripts at the British Library Collection প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *পাৰিজাত হৰণ* ।।

মধ্যযুগীয় অসমত ৰজাঘৰ-সত্ৰসভা উভয়তে অকল যে পদবন্ধ পুথিৰাজিকহে চিত্ৰিত কৰা হৈছিল, এনে নহয়; মহাপুৰুষজনাৰ অংকমালাৰ চিত্ৰৰূপ দিয়াতো খনিকৰসকলে উৎসাহ দেখুৱাইছিল। এনে অংকৰ ভিতৰত ১৮৩৬ খ্ৰীষ্টাব্দত নগাঁৱৰ আইভেটি ন সত্ৰৰ অধিকাৰ শশধৰ আতাই সত্ৰীয়া — শৈলীত চিত্ৰিত কৰা মহাপুৰুষ জনাৰ *পাৰিজাত হৰণ* অংকখনি উল্লেখযোগ্য। গছ-গছনিৰ ৰূপাংকনহীন পুথিচিত্ৰখনিত ভাওনাৰ নাটকীয়তাৰ গতানুগতিকতাৰ বিপৰীতে মধ্যযুগীয় অসমীয়া সংস্কৃতিৰ ভিন্ন দিশৰ চিত্ৰণতহে গুৰুত্ব দিয়াটো তাৎপৰ্যপূৰ্ণ। দ্বাৰকা নগৰীৰ সিংহদ্বাৰ, চৌদিশৰ প্ৰাচীৰ, দ্বাৰী প্ৰভৃতিৰ চিত্ৰণত খনিকৰৰ মৌলিকৰ প্ৰকাশ পাইছে। খুলীয়া, তালীয়া, নৃত্যৰত সূত্ৰধাৰ প্ৰভৃতিৰ ৰূপবন্ধ চলমান। ইন্দ্ৰৰ সৈতে শ্ৰীকৃষ্ণৰ যুদ্ধৰ চিত্ৰিকাত কলাসন্মত। এককথাত ড° নৱেন কলিতাৰ ভাষাত, 'বিশুদ্ধ সত্ৰীয়া শৈলীৰ চিত্ৰ হিচাপে শশধৰ আতাৰ *পাৰিজাত হৰণ*নাটৰ চিত্ৰৰাজি চিত্ৰ নিৰ্মিত আৰু ব্যঞ্জনা পৰিপ্ৰেক্ষিত আদি ভালেকেইটা দিশৰপৰা ঊনবিংশ শতিকাৰ ভিতৰতে উৎকৃষ্ট বুলিব পাৰি।' (*অসমৰ পুথিচিত্ৰ*) আলোচিত পুথিচিত্ৰখনিৰ আন দুটি মনকৰিবলগীয়া বৈশিষ্ট্য হ'ল-- (১) ইয়াৰ চিত্ৰসমূহত প্ৰাথমিক ৰঙৰ প্ৰলেপ সানি ভূমি বন্ধন কৰা হোৱা নাই, (২) ইয়াৰ লেখক আৰু খনিকৰ একেজন ব্যক্তি - শশধৰ আতা।

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *বৃহৎ উষাহৰণ* ।।

দ্বিজ ৰামানন্দই ১৬৫২ শকৰ ১৬ কাতিত *বৃহৎ উষাহৰণ* কাব্যখনিৰ কাব্যৰূপ সমাপ্ত কৰাৰ লগে লগে তাক চিত্ৰৰূপ দিয়া হৈছিল। চলিহা বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰী ৰামদেৱৰ পাণ্ডিত্য মুগ্ধ হৈ স্বৰ্গদেউ শিৱসিংহই উপহাৰ স্বৰূপে সত্ৰাধিকাৰলৈ পঠোৱা পুথিচিত্ৰখনি বৰ্তমানে ওপৰ নাজিৰাৰ বুধবাৰী সত্ৰত আছে। পুথিখনিৰ অন্তিম ফলকত স্পষ্টভাৱে উল্লেখ আছে যে পুথিখনিৰ ৰচনা আৰু চিত্ৰকৰ্ম শিৱসিংহ আৰু প্ৰমথেশ্বৰীৰ নিৰ্দেশ সমাপ্ত কৰা হৈছিল। একেখনি ফলকত চিত্ৰিত মহাৰাজা আৰু মহাৰাণীৰ প্ৰতিকৃতি দুটাই উপৰ্যুক্ত সতাতা প্ৰতিপন্ন কৰাত অকুণ্ঠ সাহায্য আগবঢ়ায়। পটভূমিকাৰ স্থাপত্য শৈলী, নাৰীসকলৰ সাজ-পাৰ, মুখাবয়বৰ চিত্ৰণ আৰু গছ-লতিকাৰ অংকন ৰীতি সম্পূৰ্ণৰূপে ৰাজপুত চিত্ৰশৈলীৰ দ্বাৰা প্ৰভাৱান্বিত। হাতী, ঘোঁৰা আৰু চৰাই-চিৰিকতিৰ

চিত্ৰণ বাস্তৱভিত্তিক; ৰঙৰ মসৃণ মেলন আৰু ৰেখাৰ অপূৰ্ব বিন্যাসত কুশলহস্তৰ পৰিচয় প্ৰোজ্জ্বল। *হস্তীবিদ্যাৰ্ণৱৰ* দৰে ইয়াতো অনামী খনিকৰৰ পৰিপেক্ষি গুণৰ সাৰ্থক প্ৰয়োগে চকু জুৰায়। শৃংগাৰৰ কাঞ্চনবৎ উজ্জ্বল চিত্ৰিকাসমূহৰ অংকন কৰ্মত মধ্যযুগীয় মোগল চিত্ৰশৈলীৰ প্ৰভাৱ লক্ষ্য কৰিবলগীয়া।

(উৎস ঃ গুৱাহাটী আৰ্টিষ্টচ্ গীল্ডৰ ৰ পালীজয়ন্তী বৰ্ষ সংখ্যা *চিহ্নত* প্ৰকাশিত নাৰায়ণ দাসৰ 'ৰজাঘৰীয়া পৃষ্ঠপোষকত'ত 'পুৰণি অসমৰ চিত্ৰকলা')

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* ।।

লণ্ডনৰ ব্ৰিটিছ লাইব্ৰেৰীত যি তিনিখনি পুথিচিত্ৰ আছে, তাৰে এখনি হ'ল—১৮৩৬ খ্ৰীষ্টাব্দত চিত্ৰিত সাঁচিপতীয়া (জোখ - ২৪.৫ × ৬৪ ৫ছে.মি.) *ব্ৰহ্মবৈৱৰ্ত পুৰাণ*। দুৰ্গাচাৰ্যই পদবদ্ধ কৰা পুৰাণখনিৰ প্ৰতিলিপি যদুৰাম চাংকাকতিয়ে কৰাৰ পিছত দুৰ্গাৰাম খেথাই পুথিচিত্ৰৰ ৰূপ দিযে। পুথিচিত্ৰখনিৰ ৪০০ চিত্ৰিকাৰ সংযোজন উল্লেখযোগ্য। *ব্ৰহ্মবৈৱৰ্ত পুৰাণ* খনিৰ খণ্ড চাৰিটা— গনেশখণ্ড, ব্ৰহ্মখণ্ড, প্ৰকৃতি খণ্ড আৰু কৃষ্ণখণ্ড। ধৰ্মভিত্তিক গ্ৰন্থ হ'লেও পুথিচিত্ৰখনিত পৃষ্টপোষক স্বৰ্গদেৱ পুৰন্দৰ সিংহৰ বহু সংখ্যক প্ৰতিকৃতি সংৰক্ষিত হৈছে আৰু সিবোৰে ৪৪টা ফলত আগুৰিছে। ৰজা-ৰাণীৰ উপৰি পুথিচিত্ৰখনিত পুষ্পহস্ত শ্ৰীশ্ৰীৰুদ্ৰসিংহ মহাৰাজা, গোঁফ থকা শ্ৰীশ্ৰীৰাজেশ্বৰ সিংহ আৰু তেওঁৰ পুত্ৰ সৰুজনা গোহাঁই আৰু নিৰ্ভয় সিংহৰ প্ৰতিকৃতিও দেখা যায়। ৰাজ চ'ৰাৰ চিত্ৰিকা এখনত সোঁফালে থকা তিনি কোঠাযুক্ত দুচলীয়া ঘৰৰ সোঁমাজত বাঁওফাললৈ মুখ কৰি থকা পুৰন্দৰ সিংহ, তেওঁৰ পিছত চোঁৱৰ ধৰা (আৰোৱান ধৰা) আৰু তিনিজন কৰ্মচাৰী, সমুখত নৃপতিলৈ হাতযোৰ কৰি বহি থকা তিনিজনা পাৰিষদ, তেওঁলোকৰ পিছত চকীত বহি থকা চাহাবী সাজৰ চাৰিজন ইংৰাজ বিষয়া, তেওঁলোকৰ পিছত আঠজন লংপেণ্ট চোলা পৰিহিত বিদেশী চিপাহী আৰু তেওঁলোকৰ পিছত বহি থকা সেৱকৰ চিত্ৰিকাখনি জীৱন্ত। স্বৰ্গদেৱ হাতীত উঠি চিলনী মৰা, চিকাৰ কৰা, সিংহ বাঘৰ যুঁজ চোৱা আদিৰ চিত্ৰিকাসমূহ বাস্তৱ ভিত্তিক। মণ্ডলকাৰে শ্ৰীকৃষ্ণই গোপীৰ কাষে কাষে কৰা নৃত্য (পাঁচজন কৃষ্ণ পাঁচ গৰাকী গোপী), তাৰ কাষত চাৰিটা গৰু আৰু কুঞ্জবনৰ মাজত মুনিৰ নৃত্যৰত চিত্ৰিকাখনি বেচ চলমান। ইয়াৰে এখনি চিত্ৰিকাত মূৰত পাখি গুজি ফুলনিৰ মাজে মাজে কৰা মনোৰম নৃত্যৰ দৃশ্যটি চালে চকুৰোৱা। স্থাপত্য কলাৰ সুন্দৰ নিৰ্দশনো পুথিচিত্ৰখনিত আছে। সাপ বেং চৰাই-চিৰিকতিৰ চিত্ৰণতো খনিকৰৰ কুশল হস্তৰ পৰিচয় প্ৰোজ্জ্বল। গছ-লতিকা আৰু পুষ্প সম্ভাৰৰ চিত্ৰিকাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ত্ৰিভংগ ভংগীত থকা মুৰুলীধাৰী কৃষ্ণৰ দুই এটি মূৰ্তিৰ উপৰি ৰাধাৰো প্ৰতিকৃতিৰ মুখাৱয়ৱৰ উপৰি আ-অলংকাৰ আদিতো চীন, বৰ্মা আদিৰ মূৰ্তিৰ প্ৰভাৱ মচিব নোৱাৰা। হ'লেও পুথিচিত্ৰখনিত

'আহোম ৰজাঘৰৰ অস্তমিত সমস্ত সমৃদ্ধিৰ অস্তমিত সমৃদ্ধিৰ আকস্মিক দীপ্তি প্রকাশ পাইছে।... পুথিখনৰ চিত্ৰকেইখনত দেখিবলৈ পোৱা বৰ্ণ গৌৰৱ আৰু চৌখিন ষ্টাইলাইজেশ্যন ৰজাঘৰৰ এনে এটা অৱস্থাৰেই পৰিচায়ক বুলি ভাবিব পাৰি।' (ড° নৰেন কলিতা, *অসমৰ পুথিচিত্ৰ*, পৃ. ৮৫)

আধাৰ গ্ৰন্থ - *Marg* No. 36/1 Images and Traditions Restivals of India in Great Britain; *চিহ্ন*ৰূপালী জয়ন্তী বৰ্ষ সংখ্যা, গুৱাহাটী আৰ্টিষ্টচ্ গীল্ড)।

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *ভক্তি ৰত্নাৱলী* ।।

বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি-ৰত্নাৱলী*খনিৰ সমস্ত শ্লোকেই *ভাগৱত পুৰাণ*ৰপৰা চয়ন কৰা। মহাপুৰুষ মাধৱদেৱে পদবন্ধ কৰা এইখনি ভক্তি গ্ৰন্থৰ পুথিচিত্ৰ কোচবেহাৰৰ মধুপুৰ সত্ৰত আৰম্ভ কৰি আউনিআটী সত্ৰলৈকে উদ্ধাৰ হোৱাটো মন কৰিবলগীয়া। আউনি আটী সত্ৰৰ সাঁচিপতীয়া প্ৰতিলিপিটো লতাকটা। ১৬৫৩ শকৰ মাঘমাহৰ গুৰুবাৰৰ দিনা সমাপন কৰা কলিয়াবৰৰ নিকটবৰ্তী কৰতিপাৰ ন-সত্ৰৰ সম্পদ সচিত্ৰ *ভক্তি-ৰত্নাৱলী*খন ১৪৫টা ফলকৰ সমষ্টি। ইয়াত মুঠতে ১৯৪ খনি বহুৰঙী চিত্ৰিকাৰ সংযোজন ঘটিছে। মাধৱ বৈশ্যৰ ভাষাত, 'চিত্ৰসমূহত প্ৰধানকৈ ৰঙা, নীলা, হালধীয়া, বগা, স্বভাৱজ বৰ্ণ ক'লা, গুলপীয়া, আকাশী, ঈষৎ সেউজীয়া আদি উপবৰ্ণ ভাৱব্যঞ্জক ৰূপে ব্যৱহৃত হৈছে। (*বৈষ্ণৱ চিত্ৰৰ ধাৰা*, পৃ. ৮১) ৰজাঘৰীয়া খনিকৰসকলে তেওঁলোকৰ পুথিচিত্ৰত ৰজা-ৰাণীৰ প্ৰতিকৃতি অংকন কৰাৰ দৰে এইখনি *ৰত্নাৱলী*তো মাধৱদেৱ আৰু বিষ্ণুপুৰীৰ প্ৰতিকৃতি অংকনৰ প্ৰচেষ্টা লক্ষ্য কৰিবলগীয়া। বৰ্তমানে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সুৰক্ষা দিয়া ভক্তি জ্ঞাপক সত্ৰীয়া শৈলীৰ পুথিচিত্ৰ খনিৰ চিত্ৰিত কাল - ১৭৩২ খ্ৰীষ্টাব্দ। তিতাবৰ-মহিমাবাৰীৰ কমলাবাৰী সত্ৰত সংৰক্ষিত *ৰত্নাৱলী*ৰ পুথিচিত্ৰখনি ড° নৰেন কলিতাই খ্ৰী. ১৬৬১ ৰ পৰা ১৬৮৩ খ্ৰীষ্টাব্দৰ ভিতৰত সচিত্ৰ কৰা বুলি সাব্যস্ত কৰিছে (*অসমৰ পুথিচিত্ৰ* পৃ .২৯)। ইয়াৰ চিত্ৰিকাসমূহ এহাতে *চিত্ৰ ভাগৱত* আনহাতে *গীত-গোবিন্দ*ৰ চিত্ৰশৈলীৰে লগুণ গাঁঠি বান্ধিছে। আলোচিত ভক্তি গ্ৰন্থখনিৰ আন এটি সচিত্ৰ প্ৰতিলিপি সেৱাৰ সম্পদ ৰূপে সংৰক্ষিত হৈছে- কামপুৰত। একে আষাৰে ক'ব লাগিলে *ভক্তি ৰত্নাৱলী*ৰ পুথিচিত্ৰ কেইখনি সত্ৰীয়া শৈলীৰ অন্তৰ্ভুক্ত। না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *ভাগৱত পুৰাণ ( সংস্কৃত )* ।।

মধ্যযুগীয় অসমত *ভাগৱত পুৰাণ*ৰ বিভিন্ন স্কন্ধৰ চিত্ৰৰূপ সত্ৰীয়া গড়গঞা আৰু দৰঙী চিত্ৰশৈলীত সম্পন্ন হোৱাটো পুথিচিত্ৰৰ সৈতে পৰিচয় থকা লোকসকলে ভালদৰে জানে। পদ ভাগৱতৰ দৰে সংস্কৃত *ভাগৱত পুৰাণ*ৰ ষষ্ঠ আৰু সপ্তম স্কন্ধ দুটিৰ পুথিচিত্ৰ উদ্ধাৰ হোৱাটো অসমবাসীৰ বাবে গৌৰৱৰ কথা। নগাঁওৰ কৰ্চু সত্ৰত সংস্কৃত *ভাগৱত*

*পুৰাণৰ* ষষ্ঠ আৰু সপ্তমস্কন্ধৰ এখনি পুথিচিত্ৰ সযত্নে ৰক্ষিত হৈছে। ষষ্ঠ স্কন্ধটোৰ প্ৰতিটো ফলকৰ কাষৰত লতা-পুষ্পৰ মণ্ডন কৰ্ম আৰু মাজত চিত্ৰ-বৈভৱ সুখকৰ। গড়গএগ্ৰা চিত্ৰশৈলীৰ অভ্যন্ত কোনো অনামী খনিকৰে আঁকা তিনিজন যমদূতে অজামিলক লৈ যোৱা আৰু তেওঁলোকৰ পিছত ব্ৰাহ্মণৰ ওচৰত কিৰীটি শোভিত চতুৰ্ভুজ বিষ্ণুদূতৰ জীৱন্ত আৰু গতিশীল। ইয়াৰে চিত্ৰিকা এখনি বহুৰঙী ৰূপত *অসমৰ পুথিচিত্ৰত* (প্লেট নং ৩৭) মুদ্ৰিত হৈছে। সপ্তমস্কন্ধৰ পুথিচিত্ৰখনৰ চিত্ৰিকত ষষ্ঠস্কন্ধৰ চিত্ৰিকাৰ বলিষ্ঠ ৰং আৰু ৰেখাৰ মনোৰম ৰূপ পোৱা নাযায়। এইজন খনিকৰে 'অকল ডৌল ৰেখাৰ ওপৰতে গুৰুত্ব আৰোপ' কৰাটো লক্ষ্য কৰিবলগীয়া। ড° নৰেন কলিতাই ষষ্ঠ স্কন্ধৰ পুথিচিত্ৰখনি ১৭৮৫ খ্ৰীষ্টাব্দত আৰু দ্বিতীয়খনি উক্ত খ্ৰীষ্টাব্দত এক দুই বছৰ পিছত চিত্ৰিত কৰা বুলি অভিমত দিছে। *(অসমৰ পুথিচিত্ৰ)*

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *মাধৱ কন্দলিৰ ৰামায়ণ* ।।**

নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচণ্ড প্ৰবাহে লুইতৰ পাৰৰ ধৰ্ম সাহিত্য আৰু সমাজ ব্যৱস্থাক চুই যোৱাৰ দৰে চিত্ৰশিল্পৰ ক্ষেত্ৰকো স্পৰ্শ কৰিছিল। সত্ৰীয়া চিত্ৰশৈলী ৰূপে কলা-সমীক্ষকৰদ্বাৰা স্বীকৃত চিত্ৰশৈলীত *ভাগৱত-পুৰাণৰ* উপৰি মহা কাব্য *ৰামায়ণ* আৰু মহাভাৰতৰ পদবন্ধকো চিত্ৰিত কৰা হৈছিল। মাধৱ কন্দলিৰ *ৰামায়ণৰ* পুথিচিত্ৰ এখনি নগাঁও আঁহতগুৰি সত্ৰত সংৰক্ষিত হোৱাৰ কথা ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে একাধিক স্থানত উল্লেখ কৰিছে। সুসাহিত্যিক উপেন্দ্ৰনাথ লেখাৰুৰ হাতত থকা অসমাপ্ত মাধৱ কন্দলি *ৰামায়ণৰ* লংকা কাণ্ডৰ চিত্ৰকাত শাড়ীৰ ফুল আৰু আ-অলংকাৰত খাটি সোণ পানী চৰোৱা দেখা যায়। মাজুলীৰ বেঙেনাআটী সত্ৰৰপৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰি কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত জমা দিয়া সাঁচিপতীয়, (জোখ-৪৪ × ১২ছে.মি.) পুথি চিত্ৰখনিৰ চিত্ৰণ কাল ১৬৩৭শক। সত্ৰীয়া শৈলীৰ *চিত্ৰভাগৱতৰ* দৰে ধেনুভিৰীয়াকৈ কেবাটাও ভাগ কৰি তাৰ ভিতৰত চিত্ৰিকাসমূহ অংকন কৰা হৈছে। ইয়াৰ পটভূমি ৰঙা। নৰ-নাৰী, দেৱতা-বান্দৰসকলৰ মুখবোৰ একাষৰীয়াকৈ অঁকা। মাছৰ দৰে চকু, মুখ আৰু দেহৰ ৰূপাংকনত কৌণিক ৰীতিৰ সুষম প্ৰয়োগ, তিলফুলীয়া জোঙা নাক, এঢলীয়া কপাল আৰু লাহী কঁকাল পুথিচিত্ৰৰ নৰ-নাৰী সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য। নদী, হ্ৰদ প্ৰভৃতিৰ চিত্ৰণ অবাস্তৱ। নীলাৰঙৰ ওপৰত বগা ৰেখাৰে খলপা-খলপিকৈ পানীৰ দ্যোতনা কৰা দেখা যায়। হ্ৰদবোৰ বৰ্গক্ষেত্ৰত অথবা আয়তক্ষেত্ৰাকাৰ। পৰ্বত-পাহাৰবোৰৰ চিত্ৰণ গতানুগতিক। গছ-লতিকাৰ চিত্ৰণ সীমিত। ৰাৱণৰ অশোক বনৰ চিত্ৰণত খনিকৰে কুশল হস্তৰ পৰিচয় দিছে। ৰাৱণৰ প্ৰতিস্থিতি অংকনত খনিকৰৰ উৎসাহ পৰিলক্ষিত। দশাননৰ পোহৰখনি হাতৰ চিত্ৰণ চকুত পৰা। নাৰীসকলৰ সাজ-সজ্জা চিত্ৰণত খনিকৰে মনযোগ

নিদিয়া নহয়। হাতী আৰু ঘোঁৰাৰ চিত্ৰণ সুন্দৰ। ঘোঁৰাৰ ভৰিৰ খোজত গতিশীলতা বিদ্যমান। মাছ, মগৰ আৰু কাছৰ চিত্ৰণত লোককলাৰ প্ৰভাৱ পুষ্ট। স্পষ্ট ৰেখাৰ মাজত ৰঙৰ মেলন সুন্দৰ। ৭০টা ফলকত সম্পূৰ্ণ হোৱা পুথিচিত্ৰখনিৰ প্ৰতিটো ফলকৰ দুয়োফালে চিত্ৰিকাসমূহ অংকিত কৰা। পুথিচিত্ৰখনিত মুঠতে ১২৩ খনি চিত্ৰিকা আছে।

(আধাৰ গ্ৰন্থ ঃ *Manuscript Paintings from Kamarupa Anusanthan Samiti*)

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *লৱকুশ যুদ্ধ* ।।**

সত্ৰীয়া চিত্ৰশৈলীত চিত্ৰিত এখনি প্ৰখ্যাত পুথিচিত্ৰ হ'ল - প্ৰাক্‌শংকৰ যুগৰ কবি হৰিবৰ বিপ্ৰৰ *লৱ-কুশৰ-যুদ্ধ*। এই সাঁচিপতীয়া পুথিখনিৰ দুটি অসম্পূৰ্ণ নকল আহোম নৃপতি চন্দ্ৰকান্ত সিংহৰ পৌত্ৰ কেশৱকান্ত যুৱৰাজৰ পত্নী মাহেন্দ্ৰী দেৱীৰপৰা সংগ্ৰহ কৰি কামৰূপ অনুসন্ধান সমিতিৰ গ্ৰন্থাগাৰত সুৰক্ষা দিয়া হৈছে। প্ৰথম খনি পুথিচিত্ৰৰ জোখ ৩৭.৬৫ X ১৪ ছে.মি.। ইয়াত থাকিব লগা কৰি ১১ টা ফলকৰ ১ আৰু ৬ সংখ্যক ফলক নাই। দ্বিতীয়খনি ৪২ × ১৬ছে.মি.। ইয়াতো থাকিব লগা ৩৪টা ফলকৰ ২৪ আৰু ২৫ সংখ্যক ফলক দুখনি নাই। দুয়োখনি পুথিচিত্ৰৰে প্ৰতিটো ফলকৰ প্ৰতিফালে এখনিকৈ চিত্ৰিকা আছে। কেৱল দ্বিতীয়খনিৰ ২৬ সংখ্যক পত্ৰৰ দ্বিতীয় ফালে কোনো চিত্ৰ নাই আৰু ৩২ সংখ্যক ফলকৰ দ্বিতীয়ফালে তিনিখনি চিত্ৰিকা আছে। ৩৪ সংখ্যক ফলকৰ - দুইফালে চিত্ৰ আছে কিন্তু কোনো লিখা নাই। আন পুথিচিত্ৰৰ দৰে বৰ্তমানৰ পুথিচিত্ৰ দুয়োটা প্ৰতিলিপিৰে চিত্ৰিকাসমূহ বেলেগ বেলেগ জোখৰ। ড° মহেশ্বৰ নেওগে পুথিচিত্ৰখনিৰ চিত্ৰকৰ্ম আহোম ৰজাৰ পৃষ্ঠপোষকতাত সম্পন্ন হোৱাৰ সম্ভাৱনা দেখিছে আৰু ড° ৰজতানন্দ দাশগুপ্তই ইয়াক ১৭৪০-৪৪ খ্ৰীষ্টব্দৰ চিত্ৰ সম্পদ বুলিছে। ড° নৱেন কলিতাৰ মতে পুথিচিত্ৰখনিৰ চিত্ৰ শৈলীটো ৰাজেশ্বৰ সিংহৰ দিনৰহে। তেওঁৰ মতে, 'লৱ-কুশৰ যুদ্ধৰ চিত্ৰত ফটুফটীয়া ৰেখাৰ গৌৰৱেৰে সত্ৰীয়া চিত্ৰশৈলীটো সৌষ্ঠৱপূৰ্ণ হৈ প্ৰকাশ পাইছিল।' পুথিচিত্ৰখনিৰ বৈশিষ্ট্য কেইটা বৰ্ণাবলৈ গৈ ড° মহেশ্বৰ নেওগে লিখিছে- - 'মানুহৰ চিত্ৰবোৰ পৰস্পৰৰপৰা সুকীয়াকৈ একোজন ব্যক্তি হিচাপে অঁকাৰ চেষ্টা বিশেষভাৱে মন কৰিবলগীয়া।' 'চাপৰ পীৰাৰ দৰে ৰথ; বাস্তৱতকৈও প্ৰতীকৰ ওচৰা-ওচৰি গছ; ৰাজস্থানী সম্প্ৰদায়ৰ লগত মিলা চকু; চতুৰ্দশ-ষোড়শ শতিকাৰ জৈন সম্প্ৰদায়ৰ দৰে শিৰস্ত্ৰাণ; মুখৰ আৰু শৰীৰৰ পাৰ্শ্ব দৃষ্টি, জীৱন্ত জীৱ-জন্তু; পৰিপ্ৰেক্ষিতৰ অভাৱ; ৰঙৰ সৰ্ব সমতা' পুথিচিত্ৰখনিৰ কেইটামান মন কৰিব লগীয়া বৈশিষ্ট্য (*লৱ-কুশৰ যুদ্ধ*, পাতনি) নাৰীসকলৰ মূৰৰ ওৰণি লোৱা ভংগী আৰু কেশ বিন্যাস ৰীতি *চিত্ৰ ভাগৱত*কৈ উন্নত। যুদ্ধ বিগ্ৰহৰ দৃশ্যবোৰত সীমাবদ্ধতা থকা স্বত্বেও গতিশীল। লৱই ৰামৰ সৈতে

কৰা যুদ্ধৰ চিত্ৰিকাখন ইয়াৰ সুন্দৰ নিদৰ্শন। পুথিচিত্ৰখনিত খনিকৰসকলে হেঙুল, হাইতাল, নীল আৰু ধলৰ ব্যৱহাৰ কৰা দেখা যায়।

না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ *শংখচূড় বধ*।।**

ৰাম নাৰায়ণ কবিৰাজ চক্ৰৱৰ্তীকৃত *শংখচূড় বধ* কাব্যৰ মূল *ভাগৱত পুৰাণ*। সতী তুলসীৰ পূৰ্বজন্ম বৃত্তান্ত, শংখচূড়ৰ সৈতে প্ৰণয় আৰু বিবাহ, শংখচূডৰ সৈতে মহাদেৱৰ যুদ্ধ, ছদ্মবেশী কৃষ্ণৰদ্বাৰা তুলসীৰ সতীত্ব নাশ প্ৰভৃতি কাব্যখনিৰ মূল কথা। ১৬৪৮ শকত ৰচনা আৰু চিত্ৰিত কৰা ৬০ x ১৬ ছে.মি. জোখৰ সাঁচিপতীয়া পুথিচিত্ৰখনি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে ইংৰাজী ১৯৩৩ চনত লাভ কৰে যদিও বৰ্তমানে পুথিখনিৰ ৪,১১, ২৩, ২৬, ২৮, ২৯, ৪০, ৪৯, ৫৫, ৫৬, ৭২, ৭৫, ৭৭, ৭৯, ৮৪ আৰু ১০৫ সংখ্যক ফলকবোৰ পাবলৈ নাইকিয়া। ৰজাঘৰীয়া গডগঞা চিত্ৰশৈলীৰ প্ৰতিনিধিত্ব কৰা পুথিচিত্ৰখনিত ভিন্ন জোখৰ ১৫৭ খনি চিত্ৰিকা আছে। সতী তুলসী, ৰাণী আৰু বিভিন্ন নাৰীৰ চিত্ৰণত কাংগ্ৰা চিত্ৰশৈলীৰ স্নিগ্ধতা সহজে অনুভূত হয়। বেৰৰ ইটাত দাগ দি কৰা সৌন্দৰ্য বৰ্ধনৰ প্ৰচেষ্টা, গম্বুজ সমেত স্থাপত্য, নাৰীৰ অৰ্ধ নিমীলিত দৃষ্টি, হাতত ফুল লৈ থকা ব্যক্তি, বিশেষ ভংগীত শয্যাত শয়ন কৰা তুলসীৰ ৰূপবন্ধ প্ৰভৃতিত মোগল চিত্ৰকলাৰ প্ৰভাৱ মচিব নোৱাৰা। যুদ্ধ-বিগ্ৰহ আৰু শৃংগাৰ ৰসাশ্ৰিত কাহিনী অংশৰ ৰূপ দানত অনামী চিত্ৰশিল্পীয়ে আপোন মনৰ মাধুৰী মিশ্ৰণৰ সুযোগ গ্ৰহণ কৰিছে। সম-সাময়িক জীৱনৰ চিত্ৰণো মনোৰম। স্বৰ্গদেউ গদাধৰ সিংহই তেওঁৰ ৰাজসভাত পণ্ডিতসকলৰ সৈতে আলাপ কৰা, হ্ৰদ এটাৰ কাষত থকা মন্দিৰৰ ওচৰত এজন পাখোৱাজ বজোৱা লোকৰ ৰূপবন্ধ, স্বৰ্গদেউ ৰুদ্ৰসিংহই জয়ন্তা আৰু কছাৰী ৰজা, মন্ত্ৰী তিনিজনা, ফুকন আৰু সেনা বিভাগৰ উচ্চ বিষয়বৰ্গৰ সৈতে আলোচনা ৰত চিত্ৰিকাখনি জীৱন্ত আৰু গতিশীল। *হস্তিবিদ্যাৰ্ণৱৰ* দৰে এইখনি পুথিচিত্ৰৰো নাভিদেশ বিভিন্ন পুষ্প সম্ভাৰেৰে চমকপ্ৰদ।

আধাৰ গ্ৰন্থ ঃ Neog. M. - *The Art and Painting in Assam.*, নাৰায়ণ দাস- *পুৰণি অসমৰ চিত্ৰকলা*। না.দা.

**।। অসমৰ পুথিচিত্ৰ ঃ শ্ৰীহাটীসত্ৰৰ *দশম*।।**

কামৰূপ জিলাৰ শ্ৰীহাটীসত্ৰৰ সাঁচিপতীয়া (জোখ ৫০ × ১৭ ছে.মি.) পুথিচিত্ৰ *আদ্য দশম* খনি বৰ্তমানে নৱগঠিত গোৱালপাৰা জিলাৰ গোসাঁইবাৰী সত্ৰত সংৰক্ষিত হৈছে। সত্ৰীয়া শৈলীত চিত্ৰিত পুথিচিত্ৰখনিৰ চিত্ৰ বৈভৱৰ পৰিচয় দিবলৈ গৈ সুখ্যাত লোক সংস্কৃতি বিদ্ পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাই লিখিছে— 'পুথিখনিৰ প্ৰতিটো পৃষ্ঠাৰ বৰ্ণনীয় বিষয়ক বিভিন্ন ৰঙৰ সহায়ত চাক্ষুস ৰূপ দিয়া দেখা যায়। এই পুথিখনিৰ চিত্ৰশৈলীৰ

মোটিফ সত্ৰীয়া চিত্ৰশৈলীৰ মেটিফৰ ওচৰ চপা। প্ৰতিটো পৃষ্ঠাৰ চাৰিওফালে দাঁতিত বিভিন্ন ধৰণৰ চিত্ৰ অংকিত কৰা হৈছে। লতা-চিত্ৰৰ সোঁমাজত চিত্ৰ আৰু চিত্ৰৰ চাৰিও দাঁতিত বিভিন্ন ধৰণৰ চিত্ৰ অংকন কৰা হৈছে। লতা-চিত্ৰৰ সোঁমাজত চিত্ৰ আৰু চিত্ৰৰ চাৰিওফালে বৰ্ণনীয় বিষয়ক বাঙ্ময় ৰূপ দিয়া দেখা যায়। অৱশ্যে মাজে মাজে দুই - এটা পৃষ্ঠাত লতা-চিত্ৰ নাই; বৰ্ণনীয় বিষয়ৰ লগত সংগতি ৰাখি বিভিন্ন চিত্ৰহে অংকন কৰা হৈছে (পৃ. ১১৩ক. ১৩১খ ইত্যাদি)।... হেঙুল হাইতালেৰে ৰঞ্জিত সাঁচিপাতত ৰচিত *আদি দশম* পুথিখনিৰ চিত্ৰশৈলীত নাৰী-পুৰুষৰ শাৰীৰিক অৱয়ব, আ-অলংকাৰ, পোচাক-পৰিচ্ছদ, যেনে- চক্ষু, বক্ষ, স্তন, কঁকাল, হাতৰ-ভৰি-আঙুলি, নাক-কাণ, ওঁঠ, কণ্ঠ আদি স্পষ্ট আৰু সূক্ষ্ম। তেনেদৰে কণ্ঠ আভৰণ (গলপতা, মণিমালা, হাৰ), খাৰু, আঙুঠি, কুণ্ডল আদি অলংকাৰ, কেশ-বিন্যাস, কবৰী বন্ধন, তিলক, পাগুৰি, দাড়ি-গোঁফ, শিৰস্ত্ৰাণ, অস্ত্ৰ-শস্ত্ৰ, ধনু-শৰ- তৰোৱাল, ঢাল, লৰু, ভাৰবাৰি আদিৰ চিত্ৰ বাস্তৱানুগ। বিভিন্ন জীৱ-জন্তু যেনে- হাতী, ঘোঁৰা, গৰু, মাছ, সাপ আদিৰ চিত্ৰত সতৰ্কতাৰে অংকন কৰা দেখা যায়।' (*আদ্য দশম,* আগলতি পাত, পৃ. ৮)। সত্ৰীয়া চিত্ৰশৈলীত এই পুথিখনিৰ বহু গোপীয়ে পৰিধান কৰা মেখেলা জনজাতীয় স্ত্ৰীয়ে পৰিধান কৰা অধোবস্ত্ৰৰ প্ৰভাৱ মচিব নোৱাৰা।

না.দা.

।। অসমৰ পুথিচিত্ৰ ঃ *হস্তিবিদ্যাৰ্ণৱ* ।।

শাস্তুনাথ বিৰচিত, বৰ্তমানে বিলুপ্ত *গজেন্দ্ৰ চিন্তামণি*ৰপৰা বিষয় বস্তু সংগ্ৰহ কৰি অসমীয়াত ৰচনা কৰা হাতী পুথি *হস্তিবিদ্যাৰ্ণৱ*ৰ বৰ্তমানলৈকে অসমত তিনিটা প্ৰতিলিপি উদ্ধাৰ হৈছে। আহোম স্বৰ্গদেৱ শিৱসিংহ আৰু বৰৰজা অম্বিকাদেৱীৰ আদেশ অনুযায়ী সুকুমাৰ বৰকাথে ১৬৫৬ শকত সংকলন কৰা পুথিখনি পুথিচিত্ৰৰ ৰূপদান কৰিছিল দিলবৰ আৰু দোসাই নামৰ দুজন চিত্ৰকৰে। অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা আলোচিত সাঁচিপতীয়া পুথিখনত (জোখ ৫৮ × ১৬ ছে.মি.) আদিতে ১৯৩ টা ফলক আছিল যদিও বৰ্তমানে ১৩৯ টা হে ফলক বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত হৈছে। পুথিচিত্ৰখনিৰ চিত্ৰিকাৰাজি বৰ্ণনাত্মক হোৱা গুণে তাত শিল্পীৰ তুলিকাৰ স্বাধীনতা সীমিত হ'বলৈ বাধ্য। হ'লেও ইয়াত চিত্ৰিত গছ-গছনিবোৰ বাস্তৱৰ ওচৰ চপা। পাহাৰৰ বুকু ভেদি মাছ-মগৰ বক্ষত লৈ ভৈয়ামৰ অভিমুখে প্ৰবহমান নদীৰ দৃশ্য চমকপ্ৰদ। অৱশ্যে ইয়াত নদীৰ তুলনাত মাছৰ দেহাৱয়ব যথেষ্ট ডাঙৰ। দূৰ-দূৰণিৰ পৰ্বত-পাহাৰ আৰু দূৰ-নিকটৰ হস্তী পালৰ চিত্ৰণত চিত্ৰকৰৰ পৰিপ্ৰেক্ষি গুণৰ পৰিচয় পৰিস্ফুট। জীৱ-জন্তুৰ ভিতৰত বিভিন্ন হাতীৰ চিত্ৰণ নিখুঁত। সমসাময়িক জীৱনৰ ভিতৰত মল্লযুদ্ধৰ চিত্ৰিকাখনিয়ে দৰ্শকক মোগল চিত্ৰশৈলীৰ কথা মনত পেলাব। স্বৰ্গদেৱ শিৱ সিংহ, ৰাণী অম্বিকা, সুকুমাৰ বৰকাথ, দুই চিত্ৰকৰ আৰু অষ্টদিক্‌পালৰ চিত্ৰিকা ইয়াত আছে। সাজ-পাৰৰ মনোৰম চিত্ৰণত চিত্ৰশিল্পীৰ

দক্ষতা পৰিস্ফুট। স্থাপত্যৰ নিদৰ্শনাবোৰ আহোম, নে মোগল-ৰাজপুতৰ, তাক এষাৰতে কোৱা টান। পুথিচিত্ৰখনি গড়গঞা চিত্ৰশৈলীৰ উজ্জ্বল নিদৰ্শন।

*হস্তিবিদ্যাৰ্ণৱ*ৰ দ্বিতীয়টো প্ৰতিলিপি (৮০ খিলা সাঁচিপাতৰ, জোখ ৪২ X ১০ ছে.মি.) *গজেন্দ্ৰ চিন্তামণি*নামেৰে সংৰক্ষিত হৈছে তিতাবৰৰ ওচৰৰ বিৰিণাশায়েক গোসাঁই গাঁৱৰ বছা ৰাজখোৱা পৰিয়ালত। পুথিচিত্ৰখনিৰ প্ৰতিটো ফলকৰ দুয়োফালে চাৰিটাকৈ হাতীৰ ৰূপবন্ধ আছে। ড° নৱেন কলিতাৰ দৃষ্টিত চিত্ৰখনিৰ 'ৰূপ বন্ধবোৰ সত্ৰীয়াৰ দৰে ষ্টাইলাইজড্ আৰু কনভেনচনেল হোৱাৰ বিপৰীতে বাস্তৱৰ লগত যথাযথ।' এই পুথিচিত্ৰখনি চিত্ৰিত হৈছিল ১৭১৩ খ্ৰীষ্টাব্দত। *হস্তিবিদ্যাৰ্ণৱ*ৰ তৃতীয়টো প্ৰতিলিপি সংৰক্ষিত হৈছে মাজুলীৰ আউনিআটী সত্ৰত। সাঁচিপতীয়া পুথিখনিৰ সচিত্ৰ ফলক সংখ্যা ( জোখ ৬০X ১৯ ছে.মি.) ১৪৮ ।ইয়াৰে উকা ফলক এটিত লিখা আছে— *চিৰিং ফুকনৰ কুলতভৱ শ্ৰীছোলাধৰা ফুকনৰ চিত্ৰে হাতী পুথি*। পুথি চিত্ৰখনিত ৰাজঘৰীয়া গড়গঞা শৈলীৰ সৈতে সত্ৰীয়া শৈলীৰ মধুৰ মিশ্ৰণ চকুত লগা। প্ৰাকৃতিক ভিন্ন দৃশ্যৰ ৰূপদানত চিত্ৰকাৰে কুশল হস্তৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

(উৎস ঃ নাৰায়ণ দাস ঃ *পুৰণি অসমৰ চিত্ৰকলা*, ড° নৱেন কলিতা ঃ *অসমৰ পুথিচিত্ৰ*)

না.দা.

## ।। অসমৰ পুৰণি স্থাপত্য ।।

পুৰণি অসম বা প্ৰাগ্‌জ্যোতিষত গুপ্ত যুগৰেপৰা অগণন মঠ-মন্দিৰ, দুৰ্গ আৰু অট্টালিকা নিৰ্মাণ কৰাৰ প্ৰমাণ পোৱা যায় - বিদেশী পৰ্যটকৰ টোকাত, তাম্ৰশাসন আৰু ধৰ্মীয় গ্ৰন্থত। পিছে সেমেকা জলবায়ু আৰু প্ৰবল ভূমিকম্পই এই ভূখণ্ডৰ কোনো এটা মঠ-মন্দিৰকে সম্পূৰ্ণৰূপে অক্ষত অৱস্থাত থাকিবলৈ দিয়া নাই। তথাপি বিভিন্ন স্থানত থকা ধ্বংসাৱশেষৰ পৰা পুৰণি অসমৰ স্থাপত্য-কলাৰ বিষয়ে এটা থূল-মূল ধাৰণা কৰি ল'ব পাৰি। অসমৰ সবাতোকৈ প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষটো উদ্ধাৰ হৈছে - শোণিতপুৰ জিলাৰ দ-পৰ্বতীয়াত। মন্দিৰটোৰ ভেটি, শিলৰ চৌকাঠ আৰু কেইটামান স্তম্ভ এতিয়াও আছে। চৌকাঠৰ ভাস্কৰ্যসমূহ গুপ্ত শৈলীৰ বিতোপন নিদৰ্শন। শিল ইটা উভয়কে মন্দিৰটোত প্ৰয়োগ কৰাটো উল্লেখযোগ্য। এই মন্দিৰটো তিনিটা ভাগত বিভাজিত - গৰ্ভগৃহ, মণ্ডপ আৰু মুখমণ্ডপ। গৰ্ভগৃহৰ চাৰিওফালে এটি প্ৰদক্ষিণ পথ আৰু গৰ্ভগৃহৰপৰা পানী ওলাই যোৱা শৈলনলী এটি এতিয়াও বৰ্তমান। তেজপুৰৰ ঘৰপোৱা চুবুৰীতো দুটা শৈলমন্দিৰৰ ধ্বংসাৱশেষ আছে। তাৰে এটাৰ দ্বাৰ-শিৰপট্টিত আছে পাঁচটা মন্দিৰৰ শিখৰ দেশৰ অনুপম ৰূপ। মন্দিৰটোৰ দ্বাৰ শিলালীত এজোপা গছৰ অলংকৰণ কলাসম্মত। ইয়াৰ মন্দিৰৰ দ্বাৰশাখাৰ নিম্নাংশতো দ-পৰ্বতীয়াৰ দৰে

গংগা আৰু যমুনাৰ দ্বিভংগিম ঠামৰ আৱহনী ভংগিৰ মূৰ্তি খোদিত কৰা। তেজপুৰ-বামুণী পাহাৰত একেলগে আছিল সাতোটা মন্দিৰ। মাজৰ মন্দিৰটো আছিল সবাতোকৈ ডাঙৰ। ইয়াৰো দ্বাৰ-শিৰপট্টিত পঞ্চমন্দিৰ-শিখৰ উদগত হোৱা দেখা যায়। কোলপাৰ্কেতো (চিত্ৰলেখা উদ্যান)এনেদৰে মন্দিৰ উদগত হোৱা দ্বাৰ-শিৰপট্টি সুৰক্ষিত হৈছে।

নগাঁও জিলাৰ ডবকাৰ ওচৰৰ মিকিৰ আটিত নটা মন্দিৰৰ স্তুপীকৃত ৰূপ দেখিবলৈ পোৱা যায়। তিনিশাৰীত সম্পূৰ্ণ হোৱা এই মন্দিৰ কেইটাৰ মাজৰ মন্দিৰটো তেজপুৰৰ দৰে আছিল সবাতোকৈ ডাঙৰ। হাওঁৰাঘাটৰ নিকটৱৰ্তী মৌদংগাত (দেৱস্থান) নটা মন্দিৰৰ ভেটি পোৱা হৈছে। গোঁসাই জুৰি, ৰাজবাৰী (যোগীজান) আদিতো নটা মন্দিৰৰ থুপ একেলগে থকা বুলি ড° নিশিপদ চৌধুৰীয়ে সাব্যস্ত কৰিছে। অৱশ্যে শিঙৰিৰ মন্দিৰ ভগা গাঁৱত সাতোটাহে মন্দিৰৰ ধ্বংসাৱশেষ আছে। শিঙৰি, বামুণীপাহাৰ প্ৰভৃতিৰ ধ্বংসাৱশেষত গৰ্ভগৃহ আৰু মণ্ডপ সংলগ্ন অন্তৰালৰ অৱস্থিতি মন কৰিবলগীয়া। অভয়াপুৰীৰ কামতেশ্বৰী মন্দিৰ আৰু চোমৰা শালীৰ দেৱীমন্দিৰৰ ধ্বংসাৱশেষত আকৌ মূল মন্দিৰটো মাজতে ৰাখি তাৰ চাৰিকোণে চাৰিটা সৰু মন্দিৰ স্থাপনা কৰা দেখা যায়। কামৰূপৰ শুৱালকুছিৰ সিদ্ধেশ্বৰী মন্দিৰটো প্ৰাক্-আহোম যুগৰ মন্দিৰ ৰূপে সাব্যস্ত কৰিছে। মন্দিৰটো সজা হৈছিল ঘাইকৈ ইটাৰে।

প্ৰাক্ আহোম যুগীয় মন্দিৰবোৰৰ নিম্নাংশৰ নিৰ্মাণ শৈলী এনেধৰণৰ - ক। মন্দিৰলৈ সোমাই যোৱা প্ৰৱেশ তোৰণ, খ। মণ্ডপ বা নাট মন্দিৰ, গ। গো-পুৰম বা প্ৰৱেশ গৃহ আৰু ঘ। গৰ্ভগৃহ। গৰ্ভগৃহত উপাস্য দেৱতাৰ বিগ্ৰহ সংস্থাপিত হয়। গৰ্ভগৃহৰ অধিষ্ঠানবোৰ চাৰিচুকীয়া আছিল। চাৰিচুকীয়া গৰ্ভগৃহৰ বিমান আছিল চতুঃৰথ যুক্ত। পিছলৈ সৌন্দৰ্য বৰ্ধনৰ বাবে সিবোৰ সপ্তৰথ বা তাতকৈ অধিক ৰথযুক্ত কৰা দেখা যায়। বিমানক মানুহৰ দেহৰ সৈতে তুলনা কৰে। যেনে - পাদ, জংঘা, স্কন্ধ আৰু শিৰ বা শিখৰ। মন্দিৰত শিখৰৰ স্থান বিশিষ্ট। শিখৰ অনুযায়ী মন্দিৰবোৰক বেলেগ বেলেগ নাম দিয়া হৈছে। যেনে - ক. নাগৰ। ইয়াৰ ভেটি চাৰিচুকীয়া। শিখৰ এঢলীয়া হৈ য'ত মিলে তাতেই থাকে আমলক। তাৰ ওপৰত কলসী আৰু তাৰ ওপৰত উপাস্য দেৱতা অনুযায়ী ত্ৰিশূল, চক্ৰ আদি। খ. বেশৰ - দক্ষিণ বিন্ধ্যৰ আকৃতিৰ। ভেটি ঘূৰণীয়া কক্ষাকৃতিৰ আৰু গ. দ্ৰাবিড়- দক্ষিণ ভাৰতীয় ৰীতিৰ। গম্বুজ ছয় বা আঠচুকীয়া। কেতিয়াবা পিৰামিডাকৃতিৰ। অসমৰ অধিকাংশ মন্দিৰেই উত্তৰ ভাৰতীয় নাগৰ পদ্ধতিৰ। দুই-এটা মন্দিৰত বেশৰাকৃতিৰ গম্বুজেও স্থান পাইছিল। সিদ্ধেশ্বৰী মন্দিৰৰ শিখৰে তাৰ প্ৰমাণ। সেই মন্দিৰৰ শিখৰত আমলক নাই। এক কথাত, পুৰণি অসমৰ স্থাপত্য কলা সৰ্বভাৰতীয় নাগৰ-বেশৰ পদ্ধতিত গঢ় লৈ উঠা।

না. দা.

**।। অসমৰ পোক-পৰুৱা ।।**

অসমত যথেষ্ট পৰিমাণে বৰষুণ হয়। বন-জংগল বহু। গতিকে এই ভূখণ্ডত পোক-পৰুৱাও অগণন । সকলোৰে পৰিচিত কিছুসংখ্যক পোক-পৰুৱাৰ নাম তলত বৰ্ণানুক্ৰমিক ভাৱে উল্লেখ কৰা হ'ল- আমপোতনি, আমৰলি, আলহী পৰুৱা, উঁই, উঁই চিৰিঙা, উৰহ, ককা, কাকতি ফৰিং, কালিন্দী ভোমোৰা, কুকুৰ মাখি, কুণকুণি মাখি, কুঁজী বিচা, কুমটি, কুম জেলেকুৱা, কুমাৰণি, কেৰেলুৱা, খৰিকা গান্ধী, গাগিনী, গান্ধী পোক, গুণগুণি, গোম চেলা, গুৰি পৰুৱা, গুবৰুৱা, চগা, চৰহা, চাম চৰিয়া, চিনাজোক, জেঠী, জেলুক, জেলুকীয়া, কেচু, জোক, টকৌ, টৌকা পৰুৱা, টোপোলাকটা, ডাঁহ, ঢৰীয়া, তামুলী পৰুৱা, তামুলী ফৰিং, তেলেনী পৰুৱা, দিনকণা, পইতাচোৰা, বগা পৰুৱা, বৰ কেৰেলুৱা, বৰ মকৰা, বাঘ মকৰা, বিছা পখিলা, বোন্দাকেচু, ভালুক মকৰা, ভুতুনী মহ, ভেনা মাখি, মজাৰলি, মহ, মাখি, মাটিছেলা, মোৰা পোক, ৰঙা পোক, লেকলৌ পৰুৱা, শুকানি পৰুৱা, শুকানি ফৰিং, শূৰ পোক, সোণ পৰুৱা, আদি।

প্ৰ. দা.

**।। অসমৰ বনৌষধি ।।**

খৃষ্টজন্মৰপৰা ভাৰত ভূমিত বিভিন্ন ৰোগ নিৰাময়ৰ বাবে বাৰে বৰণীয়া বনৌষধি ব্যৱহাৰ হৈ আহিছে। *ঋগ্বেদৰ* দশম মণ্ডলত বিভিন্ন উদ্ভিদৰ ৰোগ নিবাৰণী ক্ষমতাৰ উল্লেখ পোৱা যায়। *অথৰ্ববেদতো* ভালেসংখ্যক ৰোগ নিৰাময়কাৰী গছ-গছনিৰ নাম আছে। বেদোত্তৰ যুগত ৰচিত বহুশ্ৰুত *চৰকসংহিতাত* সমীক্ষকসকলৰ মতে সাতশবিধ ঔষধৰ নামোল্লেখ হৈছে। আজি ভাৰতৰ চিকিৎসা বিজ্ঞানত ব্যৱহাৰ কৰা প্ৰায় দুহাজাৰ বিধ ঔষধৰ প্ৰায় পোন্ধৰ শ বিধ বনৌষধিৰপৰা প্ৰস্তুত কৰাটো উল্লেখযোগ্য। বনৌষধিসমূহৰ পাত,কাণ্ড, ছাল, ফল, বীজ আৰু শিপাৰপৰা ঔষধ প্ৰস্তুত কৰা হয়। অসমৰ পৰ্বত-ভৈয়ামত সহজ লভ্য কিছুসংখ্যক বনৌষধিৰ নাম তালিকাভুক্ত কৰা হ'ল- অনন্ত মূল, অমিতা, অৰ্জুন, অযোবান, অশোক, আকণ, আকাশ বীৰ, আগ্যাচিতা, আদা, আম, আমলখি, উৰিয়াম, এড়া, ঔটেঙা, কঁঠাল, কণা শিমলু, কণিবিহ, কৰ্দৈ, কপাহ, কাউৰিমণি, কাল মেঘ, কুকুসূতা, কুঁজি থেকেৰা, কুণ্ডলী, কেএগ্ৰবন, কেহৰাজ, কোমোৰা, কোটহা বেঙেনা, খুতুৰা, গঠিয়ন, গুবামৰী, গুলঞ্চ, ঘৃতকমাৰী, চজিনা, চতিয়না, চন্দন, চাউল ধোৱা, ছালকুঁৱৰী, ছাইকাছ, ছেংমৰা, জৰাটেঙা, জয়ন্তী ফুল, জবা ফুল, জামু, জিলমিল শাক, জিৰা, টেঙেচি শাক, টুবুৰী লতা, ঢোঠনি শাক, ডালিম, তৰাগছ, তৰুৱা কদম, তিতা ভেকুৰি, তিতা বাহকা, তুলসী, তেতেলী, তেজমুই, দালচিনি, দাগিদ দিগা, দুধখৰি, দেবীটোকান, ধতুৰা, নৰসিংহ, নগাটেঙা, নয়ন তাৰা, নল, নহৰু, নিলাজীবন, নেফাফু, পচতীয়া, পদিনা, পদুম, পলাশ, পহুশোকোটা, পনৌনৌৰা, পাণ, পাতে গাজা,

পিঁয়াজ, পিত্তকচুৰা, পিপলি, পুত্ৰবীণ, বক ফুল, বকুল, বনপিঠা, বগাফুট কলা, বৰফুল, বচ, বনকচু, বননীল, বন নহৰু, বন তুলসী, বন জালুক, বৰসোণ, বৰিয়াল, বৰ থেকেৰা, বাঘ আচোঁৰা, বান্দৰ কেকোৰা, বান্দৰ দেৰা, বাহকা, ব্ৰাহ্মী, বিয়নি ধৰা, বিহলঙনি, বেল, বেলপৰা, ভাতঘিলা, ভীম কল, ভৃংগৰাজ, ভেদাই লতা, ভেটেতিতা, ভোট এড়া, ভোট বেঙেনা, ভোমোৰা, মচেন্দৰী, মদাৰ, মণিছাল, মহানিম, মাটিকঁঠাল, মানিমুনি, মাটিকাদুৰী, মেদেলুৱা, মুকুতা মঞ্জৰী, মোঠা, যম লাখুটি, লতাকস্তুৰী, লেটা গুটি, শিমলু, শিলিখা, শেৱালি, শুকনি লতা, সৰ্পগন্ধা, সৰ্পজিভা, সৰিয়হ, সিজু, সোণাৰু, হমখাম গছ, হাচিয়তি, হৰাজোৰা লতা, হালধি, হাতী খুতুৰা, হেঙুলীয়া শাক, হেলঞ্চি আদি।

প্ৰ. দা.

**।। অসমৰ বাদ্যযন্ত্ৰ ।।**

অসমত সংগীত বিদ্যাৰ চৰ্চা দীৰ্ঘদিনীয়া। শাস্ত্ৰীয় আৰু লোক সংগীতত ব্যৱহাৰ হোৱা বিভিন্ন বাদ্যযন্ত্ৰক ভাৰতীয় সংগীত শাস্ত্ৰৰ ভেঁটিত অনৱদ্ধ বা লয়যন্ত্ৰ (=ঢোল আদি), তত বা তাঁৰৰ যন্ত্ৰ (= বীণা), সুষিৰ বা বতাহেৰে সুৰৰ সৃষ্টি কৰা যন্ত্ৰ (= বাঁহী) আৰু ঘন বা দুটা বস্তু সংঘাত কৰি বজোৱা যন্ত্ৰ (= তাল) এই চাৰিটা ভাগত ভগাব পাৰি। তেজপুৰৰ চিত্ৰলেখা উদ্যান (কোলপাৰ্ক)ত সজাই থোৱা এচটা শিলৰ ভাস্কৰ্যত পেঁপা, ঢোল, তাল, বাঁহী, আৰু বীণাৰ অৱস্থিতি মন কৰিবলগীয়া। কামাখ্যাৰ বেণুগোপালৰ বাঁহীটো সুন্দৰ। ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসনত 'পঞ্চ মহাশব্দ' কৰাৰ উল্লেখ আছে। এই পঞ্চশব্দ বুলিলে হয় শিঙা, তম্মট (নাগেৰা), শঙ্খ, ভেৰী আৰু জয়ঘণ্টা, নহয় শঙ্খ, মৃদংগ, পাখোৱাজ, দুন্দুভি আৰু ঢোলক নহ'লেবা 'শঙ্খ, মৃদংগ, মুৰজধবনি, দুমদুম, দুন্দুভি, ঢোল'ক বুজায়। *কালিকা পুৰাণ* আৰু *যোগিনী তন্ত্ৰত* তুৰ্য, মৃদংগ, পটহ, বীণা, বেণু, ভেৰী, শঙ্খ আদি বাদ্যযন্ত্ৰৰ বহল প্ৰয়োগ চকুত লগা। প্ৰাক্‌শংকৰী যুগৰ কবি মাধৱ কন্দলিৰ লেখাত কৰতাল, কাহাল/কাহালি, কেন্দেৰা, খুমুচি, জিজিৰি, ঝাঝৰ, টোকাৰী, ডগৰ, ঢোল, তবলা, দণ্ডি, দোতৰা, দোশৰী, বাঁহী, বীণা, বীৰঢাক, ভেমচি, ভেৰী, মৰ্দল, মোহৰী, ৰামতাল, ৰুদ্ৰ বিপঞ্চী, ৰেমচি আদিৰ নাম পোৱা যায় *(লংকাকাণ্ড আৰু কিষ্কিন্ধা কাণ্ড)*। হৰিবৰ বিপ্ৰৰ *বব্ৰুবাহনৰ* যুদ্ধতো একেখিনি বাদ্যযন্ত্ৰৰ নামেই উল্লিখিত হৈছে।

শংকৰী যুগৰ বাদ্য যন্ত্ৰৰ ভিতৰত খুটিতাল, খমক, খোল, পাতিতাল, ভোৰতাল আৰু মৃদংগ প্ৰধান। এই যুগত সাৰেংদাৰৰো চলতি হয়। আহোম আৰু কোচ নৃপতিসকলৰ ৰাজ্যলৈ ঢুলুকী, তবল, পাখোৱাজ আৰু বৰাবৰ আমদানি ঘটে। ৰাজসভাত স্থান পোৱাৰ পিছত ঢোলোক আৰু পাখোৱাজে সত্ৰৰ চাৰিবেৰলৈকেও সম্প্ৰসাৰিত হয়। কোচ নৃপতি বিশ্বসিংহৰ অভিষেক উপলক্ষে যিবোৰ বাদ্য বজোৱা হৈছিল, যিবোৰৰ ভিতৰত অন্তৰু

(নে ডম্বৰু?), উপাংগ (বাঁহৰ কৰতাল), কবিলাস, কৰতাল, খঞ্জৰিকা (খঞ্জৰী), খোল, গোগোনা (গগনা), গোমুখ, ঘন্টা, জম্ফ (জগজম্প বা ডবা), জয়কালি (ৰণভেৰী), ঝিমিৰিকা, ঝিলি, ঝোঞ্জৰা, টোকাৰী, ডগৰ, ঢাক, ঢোল, তবল, ডুৰী, দুন্দুভি, দোচাৰি, দোতৰা, ধোমাচি, নাগাৰা, বৰকাংস, বাঁহী, বীৰকালি (যুদ্ধত বজোৱা ডাঙৰ পেঁপা), ভেৰী, মচুৱাই, মন্দিৰা, মুৰুলী, মৃদংগ, মোহৰী, ৰবাব, ৰামতাল, ৰামবেণা, ৰামশিঙা, ৰুদ্ৰক, সাৰিন্দা আৰু সিংহবান প্ৰধান। কোচ ৰাজ্যত শাহ্নাই বা শানাই বাদ্যৰো ব্যৱহাৰ হয়। অসমৰ ঢোল দুবিধ - জয়ঢোল আৰু পাতিঢোল। বিয়া বাৰুত জয়ঢোলৰ প্ৰয়োগ অধিক। মংগলদৈৰ ফালে ঢেপাঢোলৰ ব্যৱহাৰ আছে। সত্ৰসমূহত দুবিধ খোল চলে - জৰা কলীয়া আৰু চিতলমুখী। বড়োসকলে ব্যৱহাৰ কৰা বাঁহীবোৰ দীঘল। নাম চিফুং। অসমৰ শিঙা কেবাবিধো। যেনে - খংশিঙা, ৰণশিঙা, ৰামশিঙা আদি। বিহুত ব্যৱহাৰ কৰা ম'হৰ শিঙৰ পেঁপা আৰু গগনাই সমগ্ৰ ভাৰত ভূমিকে চমক লগাইছে। অসমৰ বাদ্য যন্ত্ৰৰ ভালেখিনি পূজা-পাৰ্বণত ব্যৱহাৰ হয়।

না. দা.

**।। অসমৰ বৃত্তিয়াল সম্প্ৰদায়সমূহ ।।**

পুৰণি অসমত প্ৰাপ্ত বিভিন্ন অভিলেখ আৰু পুথি-পাঁজিৰ সহায়ত এই ভূখণ্ডত বসবাস কৰা বিভিন্ন বৃত্তিয়াল সম্প্ৰদায়ৰ বিষয়ে ধাৰণা এটি কৰিব পাৰি। লিপিসমূহে প্ৰমাণ দিয়ে যে ব্ৰাহ্মণসকল তেওঁলোকৰ বেদশাখা, গোত্ৰ তথা প্ৰবৰৰ ওপৰত প্ৰতিষ্ঠিত আছিল। বনমাল বৰ্মাৰ তেজপুৰ শাসনত শাণ্ডিল্য গোত্ৰৰ, বলবৰ্মাৰ নগাঁও শাসনত কপিল গোত্ৰৰ কন্বশাখাৰ, বৰগাঁও দানলিপিত পৰাশৰ গোত্ৰৰ, ৰত্নপালৰ শুৱালকুছি দানপত্ৰত ভৰদ্বাজ গোত্ৰৰ আৰু ইন্দ্ৰপালৰ গুৱাকুছি তাম্ৰশাসনত কাশ্যপ গোত্ৰৰ ব্ৰাহ্মণৰ উল্লেখ আছে। পুৰণি প্ৰাগ্‌জ্যোতিষৰ অভিলেখমালাত কৰণ, কায়স্থ, দৈৱজ্ঞ আৰু লেখক - এই বৃত্তিয়াল সম্প্ৰদায়ৰ নাম পোৱা যায়। কৰণ, কায়স্থ আৰু লেখকসকলৰ বৃত্তিৰ মিল মন কৰিবলগীয়া। প্ৰস্থান কলশ নামৰ বৈদ্য বিশেষে ৰচনা কৰা *শুভংকৰ পাটক* অভিলেখৰ বৈদ্যসকল পৰৱৰ্তী কালত ওজা ৰূপে পৰিচিত হ'ল। লিপিমালাত কৈৱৰ্ত তথা মাছমৰীয়া সম্প্ৰদায়ৰ উল্লেখ আছে। কুম্ভকাৰ (কুমাৰ) আৰু তন্তুবায় (তাঁতী) সম্প্ৰদায়ৰো উল্লেখ নথকা নহয়। পুষ্পভদ্ৰা অভিলেখত উল্লিখিত হাড়ীৰ নাম পৰৱৰ্তী সাহিত্যতো পোৱা যায়। *ভাগৱত-পুৰাণৰ* অনুবাদ কৰোঁতে মহাপুৰুষে উল্লেখ কৰা 'যবন কংক গোৱাল' আৰু 'ৰজক তুৰুক'ৰ গোৱাল-ৰজক হ'ল বৃত্তিয়াল সম্প্ৰদায়। শংকৰদেৱৰ লেখাতে কমাৰ, কুমাৰ, চমাৰ, চঁড়াল, নট, বণিয়া, সূতাৰ প্ৰভৃতিৰ উল্লেখ পোৱা যায়। গুৰু-চৰিতসমূহত কাটনী, খৰীয়া, তাঁতী, ধোবা, নাপিত, শালৈ, হীৰা, প্ৰভৃতি বৃত্তিয়াল লোকৰ নাম সঘনে উল্লিখিত হৈছে। বুৰঞ্জীসমূহতো কমাৰ, কঁহাৰ,

কাটনি, কাঠকটীয়া, খনিকৰ, গুণা কটীয়া, চমাৰ, জৰাধৰা, জোলা, তাঁতী, তেলী, তাঁতী, দুলীয়া, ধোবা, নাপিত, পটীয়া, বাঢ়ৈ, বেজ, মৰীয়া, মালী, মুচীয়াৰ, লেখাৰু, শিলাকুটী, সোণাৰী, সোণোৱাল প্ৰভৃতি অগণন বৃত্তিয়াল লোকৰ নাম পোৱা যায়। গতিকে মাধৱ কন্দলিয়ে ক'বৰ দৰে অসম *দেশ চৌত্ৰিশ জাতিৰ দেশ।*

না. দা.

**।। অসমৰ বেজ-বেজালি ।।**

প্ৰাচীন কালৰেপৰা অসম বেজ-বেজালিৰ বাবে বিখ্যাত। বেজ-বেজালি বুলি কওঁতে মন্ত্ৰ আৰু নিদান বা চিকিৎসা বিদ্যাও সোমাই আছে। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহে ক'ম বেছি পৰিমাণে মন্ত্ৰৰ প্ৰতি আসক্ত। কামৰূপ তন্ত্ৰ মন্ত্ৰৰ দেশ ৰূপে ইতিহাস প্ৰসিদ্ধ। জন-বিশ্বাসমতে কামৰূপৰ মানুহে মন্ত্ৰ কৰি হেনো মানুহক ভেৰা কৰিব পাৰিছিল। *দৰং-ৰাজবংশীৱলীত* বৰ্ণিত আছে, বীৰ চিলাৰায়ে হেনো গৌড়ৰ নৱাবৰ বন্দীশালত থাকোঁতে মন্ত্ৰৰ দ্বাৰা সৰ্প সৃষ্টি কৰি নৱাবৰ মাতৃক দংশন কৰে আৰু পিছত নিজেই *সাদহৰা মন্ত্ৰ* কৰি ভাল কৰে। মুঠতে, কামৰূপত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা পুৰণি যদিও প্ৰাক্ শংকৰী যুগত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰসাৰৰ সময়ছোৱাত ইয়াৰ প্ৰাধান্য বৃদ্ধি পায়। ষোড়শ শতিকাত ৰচিত যোগিনীতন্ত্ৰ মতে সম্ভৱতঃ খ্ৰীষ্টীয় নৱম শতিকা মানৰ পৰাই হয়তো কামৰূপ ইন্দ্ৰজাল বিদ্যা তথা তন্ত্ৰ-মন্ত্ৰৰ কেন্দ্ৰস্থল হৈ পৰে।

বংগদেশ, উৰিষ্যা, পাঞ্জাৱ আদি বিভিন্ন ঠাইত মন্ত্ৰৰ প্ৰচলন থাকিলেও গেইট চাহাবৰ মতে বেছিভাগ মন্ত্ৰই কামৰূপত ৰচিত। কামাখ্যা পীঠক উপলক্ষ্য কৰি মন্ত্ৰবোৰ সৃষ্টি হৈছিল বুলি বিভিন্ন গ্ৰন্থত পোৱা যায়। সেইদৰে মায়াঙৰ মন্ত্ৰও সৰ্বজনবিদিত।

ব্ৰাহ্মণ-অব্ৰাহ্মণ সকলো শ্ৰেণীৰ মানুহে মন্ত্ৰবোৰ প্ৰয়োগ কৰিব পাৰে। সেইফালৰপৰা মন্ত্ৰবোৰ বিভিন্ন সম্প্ৰদায়ৰ লোকে ৰচা যেন অনুমান কৰিব পাৰি। কোনো কোনো মন্ত্ৰত এফালে চাৰিবেদৰ প্ৰধানকৈ অথৰ্ব বেদ আৰু আনফালে কোৰান, কৰমা, ফিৰিঙ্গি, মহম্মদ আদি নামৰো উল্লেখ আছে। তিনিশ তেষষ্ঠি বাণৰ ভিতৰত কোৰাণ বাণ অন্যতম বুলি বায়ু কৰতীত পোৱা যায়। অসমীয়া ভাষাত ব্ৰহ্মাকৰতী, বিষ্ণু কৰতী, ৰুদ্ৰ কৰতী, পানী কৰতী, ৰাম কৰতী, অগ্নিবাণ, পক্ষাৰাজ মন্ত্ৰ, সুদৰ্শন মন্ত্ৰ, সৰ্বঢাক মন্ত্ৰ, ধৰণী মন্ত্ৰ, পুষ্পজৰা মন্ত্ৰ মোহিনীমন্ত্ৰ, বীৰাজৰামন্ত্ৰ আদি অসংখ্য মন্ত্ৰ পুথি পোৱা গৈছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে বিশেষকৈ মন্ত্ৰসমূহ অথৰ্ব বেদ, বৌদ্ধ আৰু হিন্দু তন্ত্ৰ-শাস্ত্ৰ আৰু জনজাতিসকলৰ বিশ্বাসৰ সংমিশ্ৰণত গঢ়ি উঠিছে। মন্ত্ৰসমূহ অব্ৰাহ্মণ বেজে ব্যৱহাৰ কৰা বাবেই ই বেদৰ বাহিৰৰ সাহিত্য নাইবা *ওভোটা বেদ* বুলিও ক'ব পাৰি। যিয়েই নহওঁক এই মন্ত্ৰসমূহৰ মাজেৰে অসমীয়া লোক-বিশ্বাস, ধৰ্ম, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ আদিৰ বিষয়ে কিছু আভাস পাব পাৰি। মন্ত্ৰপুথিত ৰামায়ণ, মহাভাৰত তথা বিভিন্ন পুৰাণ-

উপপুৰাণৰ কাহিনী সন্নিৱিষ্ট হৈ আছে। বিৰিঞ্চি কুমাৰ বৰুৱাই সেয়েহে 'মন্ত্ৰ সাহিত্যক ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ লোক সংস্কৰণ' বুলি ব্যক্ত কৰিছে। মন্ত্ৰবোৰ ভালকৈ বিশ্লেষণ কৰি চালে তাৰ ভিতৰত লোক-দেৱতা, কামশাস্ত্ৰ, ভেষজ আৰু আয়ুৰ্বেদ বিদ্যা, শাসন সম্পৰ্কীয় আদি বিবিধ বিষয়ৰ উল্লেখ পোৱা যায়। লোক বিশ্বাসৰ লগত সম্পৰ্কিত অতি প্ৰাকৃত জীৱৰ ভিতৰত যেনে– ভূত, প্ৰেত, পিশাচ, খেত, খেতৰী, যক্ষ, ৰক্ষ, যোগিনী, ডাকিনী, বীৰা, নাগিনী, জলকুবেৰ আদি নাম পোৱা যায়।

মন্ত্ৰ বুলি কওঁতে সু-মন্ত্ৰ আৰু কু-মন্ত্ৰ দুবিধ মন্ত্ৰৰ কথা ক'ব পাৰি। সু-মন্ত্ৰ হ'ল উপকাৰী আনহাতে কু-মন্ত্ৰ হ'ল অপকাৰ সাধন কৰা। বিভিন্ন মন্ত্ৰোচ্চাৰণেৰে অসমত ওজা, বেজ, কবিৰাজ, দেউৰী আদিয়ে ৰোগ-নিৰাময়, ভূত-প্ৰেত, অপায়-অমঙ্গল দূৰ কৰিবলৈ যত্ন কৰে। আনকি প্ৰাচীন আয়ুৰ্বেদীয় চিকিৎসা আঠোটা ভাগত বিভক্ত। সেইসমূহ এনেধৰণৰ- শল্যতন্ত্ৰ, শালক্যতন্ত্ৰ, কায়-চিকিৎসা, ভূত-বিদ্যা, শিশু চিকিৎসা, অগদ তন্ত্ৰ, ৰসায়ন তন্ত্ৰ আৰু বাজীকৰণ।

অকল মানুহৰ ৰোগ-নিৰাময়ৰ বাবেই যে মন্ত্ৰ প্ৰয়োগ কৰা হয় এনে নহয় পশু-পক্ষীৰ ৰোগ আৰোগ্য কৰিবলৈও মন্ত্ৰ প্ৰয়োগ কৰা হয়।

মুঠতে, অসমীয়া সাহিত্যৰ এক বিস্তৃত অধ্যায় মন্ত্ৰই সামৰি আছে।

ক.তা.

**।। অসমৰ মাছ-পুঠি ।।**

নদ-নদী, খাল-বিল আদিৰে পৰিপূৰ্ণ অসম। তৰহে তৰহে মাছ পুঠি ইয়াত পোৱা যায়। ইয়াত পোৱা সৰু-বৰ বিভিন্ন মাছৰ কেইবিধমান হ'ল - আৰি, ইন্দুলী, এলেং, ককিলা, কচ, কৰতি, কয়া, কাইঠা, কাটনি, কাটিশলা, কাণকুলি, কান্দুলী, কুঠি, কাৱৈ, কুৰ, খৰিয়া, খলিহনা, খাৱৈভাঙী, গংগাটোপ, গাঁচি, গঠিয়া গোমলা, গৰৈ, গৰুৱা, গাগল, গেঠু, গেদগেদী (ভেহেৰী), ঘাৰবেকী, ঘিলচন্দা, ঘুগুলী, ঘুমেখাইতী, ঘেলা, চম্পা, চাৰ্তেক, চিতল, চেঙেলী, চেঙা, চেনিপুঠি, চেলকণা, ছুন্দা, ছৰতি, জাউৰীয়া, জিকাঠী, জুঙা, তোৰা, দৰিকণা, দাঁত মাণিকা, দোখৰ, দোতকৰ, নাদনী, নাদলবামী, নাৰ, নাৰীয়া, পাখৰী পুঠি, পাণবৰ, পাভ, পুঠি, বচা, বটু, বৰদৈয়া, বৰালী, বৰলিয়া, বাট, বতিয়া, বামী, বালিটোকা, বাঁহপেটীয়া, বাহঁ, বেচা, বেজিনী, বোকাঘৰীয়া, বোৰ্কা, ভকুৱা, ভোকাপুঠি, মৰঠি পুঠি, মাগুৰ, মাটিশলা, মানমুনি, মাশোল, মিৰিকা, মোৱা, ৰৌ, লাউপাতা, শাল, শিঙৰা, শিঙি, শিলঘৰীয়া, ৰৌ, শোল আদি। ইয়াৰ বাহিৰেও কিছু সংখ্যক বিদেশী মাছো আজি অসমৰ খাল-বিলত পোহা হৈছে। কমনকাৰ্প, গোল্ডফিচ, গ্ৰাচকাৰ্প, চিলভাৰ কাৰ্প, জাপানী কাৱৈ, জাভাপুঠি প্ৰভৃতি। এই মাছবোৰে আমাৰ লোকগীত, লোক-গাথা আৰু সাধুকথাক চহকী কৰিছে। লোকগীতৰ দুটা মান উদাহৰণ

- 'চৰিয়াত জীয়াবা মাগুৰ এহালি, কইনাৰ আগতে থবা' (বিয়া নাম), 'মাগুৰ মাছে খেলা খেলে ৰাধাৰ পোহন বিয়া', 'বৌ-বৰালী সৰকি গ'ল, পুঠি-খলিহা পাহে পাহে ৰ'ল।' 'একেটা বিলতে দুটি মাছ ওপজে শাল-শোল দুইজন' আদি।

না. দা

**।। অসমৰ মাছ ধৰা সঁজুলি ।।**

খাল-বিল, নদী-নলাৰে ভৰা অসম 'শস্যে মৎস্যে অনুপাম।' পানীৰ মাছ ধৰিবৰ বাবে মানুহে বিভিন্ন উপায় উদ্ভাৱন কৰি লৈছিল আৰু তাৰ ফলস্বৰূপে আমি বিভিন্ন ধৰণৰ সা-সঁজুলি দেখিবলৈ পাইছোঁহঁক। তলত সিবোৰৰ নাম উল্লেখ কৰা হ'ল - আদিল, কাপ, খালৈ (মাছ থোৱা বাঁহৰ সঁজুলি), খোকা, গালফুলা, চকলেট, চহৰা, চুকি, চেকে, চেপা, জকাই বা জাকৈ, জাল (খেৱালি, ঘোকোট, টঙনা আৰু লাঙি), জিলিকনি, জুলুকি, ডিঙৰা, খুহা, দলঙা, দাৰকি, দলঙা, প'ল, পাউৰী, পৰং, বানা, শলহা, হুকুমা আদি। মাছ মৰা সঁজুলিবোৰ বাঁহ-বেতেৰে তৈয়াৰী। জালসমূহ অৱশ্যে সূতাৰে বোৱা হয়। যাঠি আৰু বৰ্শাৰে মাছ হানি মাৰিব পাৰি। জোঙৰো একে কাম। ইবোৰ লোৰ সঁজুলি। ৰাতি মাছ কাটিব পাৰি জোঁৰ, ভোটা বা চাকিৰ পোহৰত।

না. দা.

**।। অসমৰ মানুহৰ চোতালখন ।।**

সংস্কৃত চত্বাল মূলৰপৰা চোতাল শব্দটো নিষ্পন্ন হৈছে। জাতি-বৰ্ণ নিৰ্বিশেষে অসমৰ প্ৰত্যেক ঘৰ মানুহৰ দুৱাৰমুখৰ চোতালখন জীৱন-যাত্ৰাৰ অবিচ্ছেদ্য অংগৰ দৰে। বিশেষকৈ অসমৰ গাঁৱলীয়া সমাজত এখন আদৰ্শ ঘৰৰ প্ৰথম শোভা হ'ল চোতালখন কেন্দ্ৰ কৰি গঢ়ি উঠা এক শৃংখলাবদ্ধ পৰিৱেশ। অসমৰ মানুহৰ বিভিন্ন ব্যৱহাৰিক কাৰ্যাৱলী, উৎসৱ-পাৰ্বণ, ধৰ্মীয় কৃত্য সম্পাদনৰ বাবে চোতালখন নহ'লেই নহয়। এই থলীতেই ককা-আইতাই শিশুক ফুলকোঁৱৰ-মণিকোঁৱৰৰ সাধু কয়; আজৰি পৰত সুখ-দুখৰ ভাৱ বিনিময় কৰে; দৈনন্দিন কাৰ্যাৱলী আৰু ভৱিষ্যতৰ পৰিকল্পনা সম্বন্ধে নানান গুৰুত্বপূৰ্ণ আলোচনাৰ সূত্ৰপাত হয়। সৰু অপৰাধৰ গোচৰ সোধ-পোচ হয়, কৃষিকৰ্মৰে জড়িত বিভিন্ন সঁজুলিৰ নিৰ্মাণ আৰু মেৰামতি হয়; এনেকি খেতিয়কে কৰ্মব্যস্ত মুহূৰ্ততো আঘোণ-পুহৰ চোতালৰ ৰ'দ কাঁচিয়লিৰ আমেজ ল'বলৈ নাপাহৰে। কৃষকে ধান, মাহ, সৰিয়হৰ বীজ উলিয়ায় এই চোতালখনতেই। ই শিশুসকলৰ গীত-মাত আৰু ভাওনা আদিৰ পৰিৱেশন থলী। অসমীয়া নাৰীৰ লখিমীশাল তাঁতশালক কেন্দ্ৰ কৰি বিভিন্ন কুটীৰ শিল্প কৰ্মও গঢ়ি উঠে এই চোতালখনতেই। জনজাতিসকলৰ প্ৰায় ভাগৰে তাঁতশাল চাংঘৰৰ ওপৰত হ'লেও ইয়াৰ লগত সম্পৰ্কিত ব-তোলা, বাটি

কঢ়া, মহুৰা ফুৰোৱা আদি কামবোৰ চোতালখনতে সম্পন্ন হয়। আমাৰ সমাজত প্রতিঘৰৰ বোৱাৰীহঁতে কাউৰীপুৱাতে উঠি বাহী চোতালখন সাৰি পৰিষ্কাৰ কৰাটো এক পৰম্পৰা। এই চোতালৰ দাঁতিতে এজোপা শেৱালি ফুল আৰু একোণত তুলসী পুলি ৰুই অথবা কাষতে পতা গোসাঁইঘৰত গৃহিণীহঁতে সন্ধিয়া এগছি বন্তি জ্বলাই প্রার্থনা কৰাটোও অসমীয়া লোকাচাৰৰ ভিতৰুৱা। অসমীয়া সমাজত জন্ম-মৃত্যু-বিবাহ সংক্রান্তীয় আৰু নানান ধর্মীয় সংস্কাৰ চোতাল প্রাঙ্গনতে সম্পন্ন হয়। নৱজাতকৰ সূর্য দেখুৱা উছৱ, নামনিৰ গণনি উৎসৱ, বিবাহ, হুচৰি-বিহু, মৃতকৰ শ্মশান যাত্রাৰ প্রাক-কর্ম, মৃতকৰ দহা-কাজ, গৰখীয়া সকাম, ভঙুৱা সকাম, বার্ষিক এঘৰীয়া ভাওনা আৰু বহুবোৰ পূজা-পার্বণৰ কৃত্য চোতালতে সম্পন্ন হয়। অৱশ্যে নগৰীয়া ধৰণ-কৰণ, বিজ্ঞান মানসিকতা আৰু প্রযুক্তিবিদ্যাৰ উন্নয়নে বর্তমান অসমীয়া সমাজত আন আন লোকসম্পদৰ দৰে চোতালখনৰ গুৰুত্বও কিছু পৰিমাণে হ্রাস কৰিছে। বি ভূ ব

**।। অসমৰ মুৰুলীধৰ কৃষ্ণৰ ধাতৱ মূৰ্তি ।।**

ভগবান শ্রীকৃষ্ণৰ ত্রিভংগ ভংগীৰ বংশীবাদন ৰূপটো মনোহৰ। অসমত এই ৰূপৰ কেবাটাও ধাতু মূর্তি উদ্ধাৰ হৈছে। ইয়াৰে দুটামান লক্ষীমপুৰৰ চামধৰা গাঁৱৰপৰা সংগ্ৰহ কৰি ৰাজ্যিক সংগ্ৰহালয়লৈ অনা। প্রায় ২০ছে মি আৰু ১২ছে.মি উচ্চতাৰ মূর্তি দুটা পদ্মীপীঠৰ ওপৰত দণ্ডায়মান। হাতত বাঁহী বজোৱাৰ মুদ্রা আছে যদিও বাঁহী দুটা পোৱা নাই। সম্ভৱতঃ বাঁহী দুটা সুকীয়াকৈ গঢ়ি হাতৰ মাজত সংস্থাপন কৰা হৈছিল। সংগ্ৰহালয়ে বৰপেটা জিলাৰ বিল্বেশ্বৰ দেৱালয়ৰপৰা সংগ্ৰহ কৰা আন এটি মধ্যযুগীয় ধাতৱ বংশী গোপালৰ মূর্তিৰ (উচ্চতা ৮ ছে.মি.) কথাও এইখিনিতে উনুকিয়াবলগীয়া। তেজপুৰ-বেচেৰীয়াৰ মদাৰগুৰি সত্ৰত সংৰক্ষিত পিতলৰ বংশী গোপাল মূর্তিটি (১৫ x ৭ ছে. মি.) ৰুদ্ৰসিংহ স্বৰ্গদেৱৰদ্বাৰা প্রদত্ত বুলি কোৱা হয়। কামৰূপ জিলাৰ গোবিন্দপুৰ সত্ৰৰপৰা সংগ্ৰহালয়ে সংগ্ৰহ কৰা মুৰুলীধৰ কৃষ্ণৰ মূর্তিটোৰ (উচ্চতা ৩০ছে মি ) ভংগী মনোৰম আৰু সেইটি অষ্টাদশ খ্রীষ্টাব্দৰ সম্পদ। তেজপুৰৰ কেতেকেশ্বৰৰ সমীপৱর্তী চিপহা সত্ৰত সংৰক্ষিত পিতলৰ দ্বিভংগিম ঠামৰ মুৰুলীধৰৰ (উচ্চতা প্রায় ২২ছে.মি.) সৌন্দর্য চকুতলগা। ওপৰত উল্লেখ কৰা মুৰুলীধাৰী কৃষ্ণৰ ধাতৱ মূর্তি কেইটিত অজ্ঞাত ভাস্কৰ শিল্পীৰ সৃষ্টিধর্মী প্রতিভাৰ স্বকীয়তা প্ৰকাশ পাইছে।

না দা.

**।। অসমৰ লাড়ুৱা গোপাল আৰু লক্ষ্মী নাৰায়ণৰ ধাতৱ মূৰ্তি ।।**

শিশু কৃষ্ণই হাতত লাডু লৈ আঁঠুকাঢ়ি যোৱা দৃশ্যটিয়ে অসমীয়া ভাস্কৰক আকর্ষণ কৰাটো স্বাভাৱিক। আহোম ৰাজত্বকালত নির্মিত ভালেকেইটি পিতলৰ লাড়ুৱা গোপালৰ মূর্তিয়ে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ বীথী শোভা কৰিছে। তাৰে ভিতৰত লক্ষীমপুৰৰ

চামধৰা গাঁৱৰপৰা সংগ্ৰহ কৰি অনা প্ৰতিমা দুখনি (প্ৰথমখনি ৭ ছে.মি. আৰু দ্বিতীয় খনি ১০ ছে.মি. উচ্চতাৰ) উল্লেখযোগ্য। ৰাজ্যিক সংগ্ৰহালয়ে শিৱসাগৰ জিলাৰ কচুমাৰী গাঁৱৰপৰা খ্ৰীষ্টীয় সপ্তদশ-অষ্টদশ শতাব্দীত নিৰ্মাণ কৰা এটি ধাতৰ লক্ষ্মী - নাৰায়ণৰ মূৰ্তি সংগ্ৰহ কৰি গৌৰৱৰ ভাগী হৈছে। দ্বিভুজ নাৰায়ণে তেওঁৰ সোঁ কৰঙণত লক্ষ্মীক তুলি লৈ চুম্বন কৰা দৃশ্য জীৱন্ত। মূৰ্তি যুগলৰ সমুখত আছে অঞ্জলিমুদ্ৰাৰ ভক্ত।

না.দা.

**।। অসমৰ শৈৱ মূৰ্তি কলা।।**

শৈৱধৰ্মৰ বাবে পুৰণি প্ৰাগ্‌জ্যোতিষ কামৰূপ প্ৰখ্যাত। কুমাৰ ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে অসমত পৰ্যাপ্ত পৰিমাণে শিৱমন্দিৰ দেখিছিল যদিও আজি অসমত অপৰ্যাপ্ত পৰিমানে শিৱৰ প্ৰতিমা উদ্ধাৰ হোৱা নাই। উদ্ধাৰ হোৱা শৈল প্ৰতিমা সমূহক (ক) চটীয়া শিলৰ কটা মূৰ্তি (খ) পাহাৰৰ গাত কটা মূৰ্তি আৰু (গ) শৈলদ্বাৰৰ দ্বাৰশাখা বা শিৰপট্টিত খোদিত মূৰ্তি -এই তিনি ভাগত ভগাব পাৰি। সৌম্য, উগ্ৰ আৰু নৃত্যৰত অৱস্থাত প্ৰাপ্ত শৈল-শৈৱ প্ৰতিমাৰ কোনোটো সৌম্যৰূপৰ আৰু আন কোনোটা উগ্ৰৰূপত খোদিত কৰা। শিৱৰ একক ৰূপৰ উপৰি যৌগিক ৰূপো পোৱা যায়। যৌগিক ৰূপৰ ভিতৰত উমা-মহেশ্বৰ, অৰ্ধনাৰীশ্বৰ আৰু হৰি-হৰ মূৰ্তি উল্লেখযোগ্য। অসমত লকুলিশ শিৱৰ শৈল প্ৰতিমাৰ সংখ্যা তেনেই নগন্য। এই ক্ষেত্ৰত জয়জয়তে উল্লেখ কৰিব পাৰি দ-পৰ্বতীয়াৰ শৈৱ মন্দিৰৰ দ্বাৰ- শিৰপাট্টিৰ মাজত খোদিত উৎকটিকাসন ভংগীত উপবিষ্ট গুপ্ত শৈলীৰ লকুলীশ শিৱ মূৰ্তিটোৰ কথা। দ্বিহস্ত ঈশান শিৱৰ মূৰ্তি এটি কোলপাৰ্কত সংৰক্ষিত হৈছে। দণ্ডায়মান আৰু বৃষভৰ পিঠিত আসীন দুটা দ্বিহস্ত শিৱমূৰ্তি দেখা যায় কামাখ্যাৰ কেদাৰেশ্বৰ শিৱ ধামত। গজান্তক শিৱ মূৰ্তি এটা নুমলিগড়ৰপৰা আনি ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিছে। পঞ্চ-বক্ত্ৰ শিৱৰ শৈল প্ৰতিমা এখনো সংগ্ৰহালয়ত দেখা যায়। উমা-মহেশ্বৰৰ বিতোপন প্ৰতিমা নগাঁও- ডবকা, মিকিৰ আটি, বিশ্বনাথৰ শিৱ মন্দিৰ, মহামায়া থান, বুঢ়া-মায়াং পাহাৰ, কছোশিলা, চণ্ডিকা দেৱালয়-চান্দমাৰী আদিত পোৱা গৈছে। হৰিহৰৰ মূৰ্তি উদ্ধাৰ হৈছে দেওপানী (দুটা), উত্তৰ গুৱাহাটী আদিত। নটৰাজ শিৱৰ সবাতোকৈ সুন্দৰ দশভুজৰ মূৰ্তিটো পোৱা গৈছে আমবাৰীত। গুৱাহাটীৰ উৰ্বশীত আৰু আন এটি ৰাজ্যৰ কোনোবা খিনিৰপৰা সংগ্ৰহ কৰা — নটৰাজৰ মূৰ্ত্তি এটা সংগ্ৰহালয়ে সুৰক্ষা দিছে।

ভৈৰৱীৰূপী শিৱৰ বিতোপন শৈল প্ৰতিমা এখনি পোৱা গৈছে-মদন কামদেৱ মন্দিৰত। ওপৰত উল্লিখিত মূৰ্তিমালাৰ ভালেখিনিতে এটা কালত ভক্তই পূজাভাগ আগবঢ়োৱা বুলিব পাৰি।

না.দা.

**।। অসমৰ হাতী দাঁতৰ শিল্প।।**

অসম হাতীৰ বাবে প্ৰখ্যাত। আহোম যুগত পৰ্যাপ্ত পৰিমানে প্ৰাপ্ত হাতীৰ দাঁত আৰু হাড়ৰ গইনা লৈ কাৰীকৰী শিল্পই গা কৰি উঠাৰ সুযোগ পাইছিল। আহোম স্বৰ্গদেৱসকলে আন দেশৰ ৰজা- মহাৰজালৈ আগবঢোৱা বিভিন্ন উপঢৌকনৰ ভিতৰত মূল্যবান হাতীৰদাঁতেও স্থান পাইছিল। স্বৰ্গদেৱ জয়ধ্বজ সিংহই নবাব ঔৰংজেবলৈ হাতীদাঁতৰ পাটী, গা আচোঁৰা, কাকৈ প্ৰভৃতি উপহাৰ দিয়াৰ কথা বুৰঞ্জীত আছে। স্বৰ্গদেৱ চুডৈফা বা তেজসিংহই আজমতাৰালৈ আগবঢোৱা আন উপহাৰৰ লগতে হাতীদাঁতৰ খুৰাৰে তৈয়াৰী সোণৰ পীৰা দুখনো আছিল। কমলেশ্বৰ সিংহই ভোটদেশৰ ৰজালৈ হাতীদাঁতৰ মেলা, পোষ্টা খাট প্ৰভৃতি পঠোৱাৰ সংবাদ ভুবনচন্দ্ৰ সন্দিকৈয়ে সদৰি কৰিছে। আঁহহীন আৰু যথেষ্ট টান হোৱা বাবে হাতীদাঁত কাটি বিভিন্ন চালে চকু ৰোৱা বস্তু সাজিব পাৰি। ফ্ৰেন্সিছ হেমিলটনে তেওঁৰ টোকাত লিখি গৈছে যে অসমীয়া হাতীদাঁতৰ শিল্পীযে বেঁকা হাতীদাঁত পোন কৰাৰ কৌশলটো জানিছিল। বেঁকা হাতীদাঁতৰ ওপৰত এক বিশেষ অনুপাতত মাটি আৰু গোবৰ মিহলাই জুইত সেকি তাক পোন কৰি লোৱা হৈছিল। আহোমৰ আমোলত হাতীদাঁতৰ কাম কৰা লোকসকলক *বজ্ৰাৰ* বা *বজ্ৰাৰ খনিকৰ* ৰূপে জনা গৈছিল। মিঃ আই. ডোনেল্ড চাহাবে তেওঁৰ Monograph of Ivory Carving in Assam গ্ৰন্থত অসমীয়া বজ্ৰাৰ খনিকৰসকলৰ নৈপুণ্যৰ কথা বখনি গৈছে। অসমীয়া কাৰিকৰে হাতীদাঁতৰপৰা ফণি, মূৰত মৰা শলা, পিঠি খজুৱা হাতোৰা, লাঠি, লাঠিৰ মূৰ, টেমা, সফুঁৰা আদি সজাৰ উপৰি বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তি, জীৱ জন্তু, শৰাই প্ৰভৃতি সাংস্কৃতিক সম্পদ নিৰ্মাণ কৰিছিল। আউনিআটী সত্ৰত সংৰক্ষিত হাতীদাঁতৰ পাটীখন দীঘলে প্ৰায় ১২০ ছেঃ মিঃ আৰু পুতলে প্ৰায় ৯০ ছেঃ মিঃ। সিখনৰ দৈৰ্ঘ্যৰ কেনেকৈ কোমল কৰিছিল,সেই কৌশল আজি আমাৰ অজ্ঞাত। বৰপেটাত কেইজনমান স্থানীয় শিল্পীয়ে অদ্যাপি হাতীদাঁতৰ শিল্পটো জীয়াই ৰখাটো গৌৰৱৰ কথা।

(যুগল দাসৰ *লোককলাৰ* আপাৰত যুগুতোৱা)

না দা.

**।। অসমীয়া আহাৰ-পানী ।।**

ভৌগোলিক পৰিৱেশে মানুহৰ খাদ্য-সম্ভাৰৰ ভিন্নতা আনয়নত প্ৰভূতভাৱে প্ৰভাৱ বিস্তাৰ কৰাৰ কথাটো ইতিমধ্যে সমাজতাত্ত্বিকসকলৰদ্বাৰা স্বীকৃত হৈছে। অসমৰ জলবায়ু খেতিৰ উপযোগী। ধান ইয়াৰ প্ৰধান খেতি বাবে ইয়াৰ লোকে ইয়াৰপৰা প্ৰস্তুত কৰা বিভিন্ন সম্ভাৰ খাদ্যৰূপে গ্ৰহণ কৰে। *যোগিনীতন্ত্ৰত* বৰ্ষা আৰু শীতকালীন বিভিন্ন শ্ৰেণীৰ ধানৰ নাম পোৱা যায়। মাধৱ কন্দলিৰ লেখাত 'শালি তণ্ডুল' আৰু 'খৰিকাজহাৰ পিঠা'ৰ সোৱাদ পাওঁ। ধান-চাউলৰপৰা প্ৰস্তুত কৰা আখৈ, চিৰা, পিঠা পনা, মুড়ি আৰু

সান্দহ অসমীয়া লোকৰ আহাৰ। বিহুৱা ডেকাই 'কলাজহা চাউলৰ ভাত' 'বকুল বৰা ধানৰ কৰাই', 'দেৱাভজা চিৰা', কোমল (বোকা) চাউল আৰু শুকান পিঠাগুড়িৰ সোৱাদ ল'বলৈ পাহৰা নাই। গৰু-ম'হৰ গাখীৰেৰে ক্ষীৰ আৰু পায়স ৰান্ধি তাক নিজেও খাইছিল - দেৱতালৈয়ো আগবঢ়াইছিল। লোকে ঘিউ আৰু ঘোলো ব্যৱহাৰ কৰিছিল।

সকলো মানুহেই ফলাহাৰ কৰে। অসমীয়া লোকো ইয়াৰ ব্যতিক্ৰম নহয়। চীনা পৰিব্ৰাজক হিউৱেনচাঙে পুৰণি কামৰূপত কঁঠাল আৰু নাৰিকলৰ প্ৰাচুৰ্য দেখিছিল। *যোগিনীতন্ত্ৰত* বহু ফলৰ নামোল্লেখ হৈছে। মাধৱ কন্দলি ৰামায়ণতো বিধে বিধে ফলৰ নাম পোৱা যায়। তামোল খোৱাটো অসমীয়ালোকৰ এটা দীৰ্ঘদিনীয়া ৰীতি। সেইবাবে ইয়াৰ লোকে তামোল-পাণৰ বাৰীত যথেষ্ট মনযোগ দিছিল। *ফাতিয়াহ-ই-ইব্ৰিয়াত* অসমীয়া মানুহে প্ৰচুৰ কেঁচা তামোল খোৱাৰ কথা উল্লিখিত হৈছে। শাক-পাচলি খোৱা ৰীতি সমগ্ৰ ভাৰতবৰ্ষতে বৰ্তমান। *যোগিনীতন্ত্ৰত* বহুবিধ শাক-পাতৰ নাম পোৱা যায়। বনৰীয়া আৰু কৃষিজাত উভয়বিধ শাকেই অসমীয়া লোকৰ প্ৰিয়খাদ্য। বাহকা, বক, কলফুল, শেবালি ফুল, চজিনাফুল আদিও অসমীয়াই খাদ্যৰূপে গ্ৰহণ কৰে। টেঙা আৰু খাৰৰ ৰন্ধন প্ৰণালীয়ে অসমীয়া খাদ্য সম্ভাৰক আন ঠাইৰপৰা পৃথক কৰিছে। আঞ্জাৰ সোঁৱাদ বঢ়াবলৈ মচলাৰ প্ৰয়োজন। *যোগিনীতন্ত্ৰত* আদা, জিৰা, জলকীয়া, জালুক, কৰ্পূৰ আৰু সৰিয়হৰ নাম পোৱা যায়। *ডাকৰ বচনত* ৰন্ধা-বঢ়াৰ বিষয়ে বহু কথা আছে। 'ফোৰণ মৰা' আঞ্জা খাবলৈ বেচি সোৱাদ। আঞ্জা ৰান্ধি খোৱাৰ উপৰি অসমীয়া লোকে মাছ, আলু আৰু শাক-পাচলি ভাজি, পুৰি, খৰিকাত দি আৰু পাতত দিয়ো খাইছিল। *কুমৰ হৰণ* কাব্যত 'মুগৰ ডালিত ঘৃত চিনি চুৰা দিয়া', বাখৰেৰে 'খাসিৰ মাংস' ৰন্ধা, পাৰাৱতৰ কতলা, কচ্চপৰ মাংসত বৰকলা, হৰিণৰ মাংসত হিঙৰ ফোৰণ, ৰম্ভামূলেৰে গাহৰিৰ মাংস, 'চিত্ৰ ফলিত কৰ্পূৰ' 'বৰালিৰ ঘান্টি, ৰউ মাছত মচুৰ', 'কছে বছে বেসুআৰি শৌলে মূলে সংগ', 'বাঙ্গোনে মাগুৰে আৰু আৰি মাছত পালংগ', 'কাঠি অৰা কৰি ইলীহ কান্দোল', 'জামিৰ সোলংগ দিয়া লফাৰ আমোল', 'বদৰীৰ আমোল চিনি' আৰু 'পকা তেতেলীত গুৰৰ ৰস', দিয়া বৰ্ণনা জিভাৰ পানী অহা। *হৰগৌৰী বিলাসত* মাছেৰে আঞ্জা ৰন্ধাৰ নিৰ্দেশ দিছে এনেদৰে ঃ 'বৌৱে ঔৱে ভাল শোলে মূলে জাল। মাগুৰে জিম খৰিচা। কাৱৈ পালংগ, গৰৈ সলংগ, বচে বাচা কৰদৈয়া।' আহোম স্বৰ্গদেৱসকলৰ দিনত চাংমাইসকলে সাধাৰণ শাক-পাতকে জুতি লগাকৈ ৰান্ধিব জানিছিল। জন-জাতীয় লোকৰ উপৰি সাধাৰণ অসমীয়া লোকসকলেও মাজে-সময়ে সুৰা ব্যৱহাৰ কৰিছিল। বাণে উল্লেখ কৰিছে, কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষলৈ 'সুস্বাদু সুৰাৰ গন্ধ ওলাই থকা উল্লকৰ পাত্ৰ' পঠিয়াইছিল।

*না.দা.*

**।। অসমীয়া কাপোৰৰ চানেকি ।।**

'সোণোৱালী বুটা বচা অসমীয়া পাট/জিকিমিকি কৰে চোৱা সোণালী দেহাত/
দুগদুগী, গামখাৰু, থুৰীয়া চমকে,/ মেখেলাৰ পাতলিত ময়ুৰ জিলিকে।'

উপৰোক্ত গীত ফাঁকিৰ পৰাই ক'ব পাৰি অসমীয়া বয়ন শিল্প অতি উন্নত মানৰ। ৰিহা-মেখেলা-চাদৰ, গামোচা আদিত অসমীয়া শিপিনীয়ে নিজস্ব কল্পনাৰে সুন্দৰ সুন্দৰ চানেকি সজা দেখা যায়। এড়ি, কপাহী, পাট, মুগা আদি সকলো কাপোৰত গুণা বা সূতাৰে কাম কৰা দেখা যায়। চালিধৰা ময়ূৰ, উৰণীয়া মইনা-শেন বা বিভিন্ন চৰাই, ভোমোৰা, পখিলা, গৰুড় পখী, গড়, হাতী, ঘোঁৰা, বাঘ, সিংহ, কলগছ, নাৰিকল গছ আদি বিভিন্ন ধৰণৰ গছ, লতা, লিহিৰি পাত, গোলাপ, পদুম, আঠপহীয়া, ছপহীয়া বা চাৰিপহীয়া ফুল, কেৰুমুখীয়া ফুল, চিৰাফুটুকী বুটা, কেছ, কঙ্কা, লটকণ, মগৰ, জোন-বেলি-তৰা আদিৰে অসমীয়া শিপিনীয়ে তাঁতত সপোন ৰচে। বিহুগীতত তাৰেই প্ৰতিফলন ঘটিছে এইদৰে—

'ৰিহাতে বাছিলোঁ ফুটুকি ডবুৱা/ গামোচাত বাছিলোঁ কেঁচ/
তোমাৰ মোৰোকনি লেচিয়া মোহনী/ ভাঙিব নোৱাৰো পেচ্।'

আনহাতে জনজাতীয়সকলে ৰেখা, ত্ৰিভুজ আদি জ্যামিতিক চিত্ৰও কাপোৰত বোৱা দেখা যায়। চাদৰ-মেখেলা, গামোচাত ফুল তৰা গছ-লতা আদিৰ লগতে নাচনী, জাপি, ঢোল পেপা, জোনবিৰি, ঢোলবিৰি আদি বিভিন্ন ৰঙীন সূতাৰে সজাই তোলা দেখা যায়। অসমীয়া কাপোৰৰ চানেকি সম্পৰ্কে তাঁতীৰ জুনাত ভালেখিনি কথা আছে।

গোসাঁইৰ গামোচাত ফুলৰ উপৰি শৰাই, বন্তি গছা, ধুপদানি, ধুনাদানি আৰু ৰাম, কৃষ্ণ, হৰি আখৰো বছা হয়। প্ৰাচীন অসমৰ উন্নত বয়ন শিল্পৰ উল্লেখযোগ্য নিদৰ্শন হ'ল শঙ্কৰদেৱৰ দ্বাৰা বৃন্দাবনী বস্ত্ৰ। নানা বৰণীয়া সূতাৰে কৃষ্ণ লীলাৰ ভালেমান দৃশ্যপট কাপোৰত বোৱাইছিল—

পাটশিল্প আৰু বয়ন বিদ্যাই আহোম স্বৰ্গদেউসকলৰ সময়ছোৱাত উন্নতিৰ শিখৰত আৰোহন কৰিছিল। কিংখাপ, কাৰ্চিবি, মেজাঙ্কৰী আদি বিবিধ কাপোৰ শিপিনীয়ে বৈ লৈছিল। সেই যুগৰ কাপোৰৰ চানেকিৰ বিষয়ে জনা গাভৰুৰ গীতত পোৱা যায় এনেদৰে-

'জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি/মাজত বাখৰামি কৰা/
কঁকালত মাৰিলে জৰদৰ টঙালি/ দেখিলে জিলমিল কৰা।'

বৰ্তমান বিজ্ঞানৰ যুগত নানান যন্ত্ৰপাতিৰ ব্যৱহাৰৰ দ্বাৰা অসমীয়া কাপোৰত অনেক মনোমোহা চানেকি বছা হৈছে। অসমীয়া কাপোৰৰ চানেকি অসমৰ এক আপুৰুগীয়া সম্পত্তি।

ক.তা.

**।। অসমীয়া তিৰোতাৰ সাজ-পাৰ ।।**

পিন্ধা সাজযোৰ অসমীয়া তিৰোতাৰ সৌন্দৰ্যবোধ আৰু লজ্জাবোধৰ পৰিচায়ক। সামাজিক অৱস্থা আৰু বিৱাহিত-অবিৱাহিত ভেদে অসমীয়া মহিলাৰ সাজ-পাৰ বেলেগ বেলেগ। প্ৰাক্-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ কিছুসংখ্যক তিৰোতাই যে শাৰী পিন্ধিছিল তাক লিখিত সাহিত্যই প্ৰমাণ কৰে। শ্বেত নেত শাৰীৰ বৰ্ণনাৰে মহাপুৰুষৰ ৰচনা ভাস্কৰ। উজনি-নামনিৰ বিয়ানামতো শাৰীয়ে ভুমুকি নমৰাকৈ থকা নাই। কটিবস্ত্ৰ বুজাবলৈ সাধাৰণতে মেখলা শব্দৰ প্ৰয়োগ আছে। এটা কালত মেখলা স্ত্ৰী-পুৰুষ উভয়ে পৰিধান কৰিছিল। সেইবাবে পুৰুষৰ সাজৰ বৰ্ণনাতো পোৱা যায় - 'শ্যাম কটি পীত ধতি উৰৱে মেখেলা'। ৰিহা-মেখেলা অসমীয়া মহিলাৰ সম্ভ্ৰান্ত সাজ। কোনো কোনোৱে ইয়াক মংগোলয়ড সংস্কৃতিৰপৰা অহা বুলি অনুমান কৰে। অৱশ্যে দ্ৰাবিড় ভাষা-গোষ্ঠীৰ লোক বিশেষকৈ কেৰেলাৰ মহিলাই পৰিধান কৰা সাজযোৰ অসমীয়াৰ মেখেলা-চাদৰেৰে অভিন্ন। কেৱল চাদৰ লোৱা পদ্ধতিটো আমাতকৈ অলপ ভিন্ন। অজন্তাৰ নাৰী চিত্ৰতো মেখেলাৰ প্ৰয়োগ মন কৰিবলগীয়া। অজন্তাৰ চিত্ৰৰ দৰেই সাধাৰণ অসমীয়া আৰু জনজাতীয় তিৰোতাই বুকুত মেথনি মাৰি আঁঠুৰ ওপৰলৈ পেলাই মেখেলা পিন্ধাটো কাৰো অবিদিত নহয়। উচ্চ শ্ৰেণীৰ অসমীয়া তিৰোতাই ভৰিৰ সৰু গাঁঠিলৈকে বিস্তৃত মেখেলা পিন্ধে আৰু বুকুৰপৰা ৰিহা মেৰাই লয়। ৰিহাই কাঁচলিৰ কাম কৰে। বৈষ্ণৱ যুগৰ সাহিত্যত প্ৰাপ্ত 'কুচৰ কাঞ্চুলি'ৰ কাম সমাধা কৰা ৰিহাই পিছ পিনৰ মেখেলাৰ এটি অংশ ঢাকি ধৰি কঁকালৰ ঋজুতা আৰু নিতম্বদেশৰ বৰ্তুল ৰেখাৰ স্পষ্টীকৰণত সহায়ক হয়। ফুলবচা ৰিহাৰ আঁচলটো শোভাবৰ্ধনৰ সহায়ক। সম্ভ্ৰান্ত তিৰোতাসকলে ৰিহাৰ ওপৰত এখনি চাদৰো ব্যৱহাৰ কৰিছিল। ৰিহা-মেখেলা-চাদৰ - তিনিওখন বস্ত্ৰই উকা অথবা বিভিন্ন ফুলবচা আছিল। মহাপুৰুষে মহিলা ব্যৱহৃত নেতৰ খোন্টাজালিৰো সম্ভেদ দিবলৈ কাৰ্পণ্য কৰা নাই। আহোম যুগত মতা মানুহৰ দৰে মহিলাৰো সাজ-পাৰৰ কিছু পৰিৱৰ্তন হয়।

'আহোম ৰজাৰ কুঁৱৰীয়ে পাট বা মোমচেঙৰ ওপৰত সোণৰ গুণাৰে লতাফুলেৰে কাৰ্চিপৰ বনকৰা মেখেলা, ফুল-লতা বাছি বোৱা পাটৰ ৰিহা আৰু পাটৰ কাপোৰত চিত্ৰ-বিচিত্ৰকৈ কাৰ্চিপৰ বনকৰা ঘূৰী' পিন্ধিছিল।

ড° লীলা গগৈয়ে *টাই সংস্কৃতিৰ ৰূপৰেখাত* অসমীয়া তিৰোতাই পিন্ধা বিভিন্ন ৰিহাৰ লেখ দিছে এনেদৰে - আঁচু অলীয়া ৰিহা, আচলে-পাৰিয়ে গুণাকটা ৰিহা, কেছ্বছা ৰিহা, গাৰিয়লী ৰিহা, গুণাকটা ৰিহা, দহি অলীয়া ৰিহা, বহেলগা ৰিহা আদি। একেদৰে মেখেলাৰ ভিন্ন প্ৰকাৰবোৰ হ'ল কাৰ্চিপৰ বনকৰা মেখেলা, কিংখাপৰ মেখেলা, গুণাকটা মেখেলা, গোমচেঙৰ মেখেলা, চাটনৰ মেখেলা, নৰা-মেখেলা, বুটাবছা মেখেলা, মুগাৰ

মেখেলা, মেজাংকৰী মেখেলা আদি। আহোম যুগত চেলেং কাপোৰো ভিন্ন প্ৰকাৰৰ আছিল।

না দা

।। অসমীয়া পাগুৰি ।।

ৰ'দ, বতাহ-বৰষুণ-ঠাণ্ডাৰপৰা আত্মৰক্ষা কৰিবলৈ আৰু সৌন্দৰ্যৰ বৰ্ধনৰ বাবে মানুহে মূৰত পাগুৰি মাৰে। ইয়াৰ সংস্কৃত নাম *উষ্ণীষ*। শীত-বাতাদিৰপৰা ৰক্ষা পাবলৈ যে উষ্ণীষৰ প্ৰয়োজন, তাক *সুশ্ৰুত সংহিতাৰ* নিদান স্থানৰ চতুৰ্বিংশতি অধ্যায়ত বৰ্ণিত হৈছে। *আশ্বলায়ন গৃহ্যসূত্ৰৰ* এঠাইত উষ্ণীষঃ কৃত্বা ৰূপে যিটো বাক্য আছে তাৰ বৃত্তি হ'ল - *আহত বাসসা শিৰোভি বেষ্টাতৰ্থঃ* অৰ্থাৎ কাপোৰেৰে মূৰ বন্ধা। একেখনি গ্ৰন্থতে ঋত্বিকসকলে ৰঙা ৰঙৰ পাগুৰি মৰাৰ কথা পোৱা যায় (৯।৭।৩) ধনীলোকে ক্ষৌম বা পাটৰ কাপোৰেৰে পাগুৰি মাৰিছিল। ৰাজবল্লভে উল্লেখ কৰিছে যে লঘু পাগুৰি চুলিৰ হিতকৰ, কান্তিজনক, ৰজোবাত আৰু কফৰ নিবাৰক। আনহাতে আটিল আৰু গধুৰ পাগুৰি পিত্তজনক আৰু চক্ষু ৰোগকাৰক। বৰ্তমানে মূৰৰ পাগুৰি মৰাৰ বৈশিষ্ট্য চাযে মানুহজন পাঞ্জাবী নে মাৰাঠী নে হিন্দুস্থানী, তাক ধৰিব পাৰে। ভিন্নাকৃতিৰ পাগুৰিৰ কথা মেদিনীকোষকাৰেও উল্লেখ কৰিবলৈ পাহৰা নাই ( উষ্ণীষস্ত্ত শিৰোবেষ্টে কিৰীটে লক্ষণান্তৰে)।

কুমাৰ ভাস্কৰবৰ্মাই কনৌজৰ বৌদ্ধ মহামেলত শিৰোবেষ্টনেৰে যোগ দিয়াটো তাৎপৰ্যপূৰ্ণ। পুৰণি ভাস্কৰ্যতো পাগুৰিৰ প্ৰয়োগ চকুত লগা। বৰ অসমৰ বিভিন্ন জনজাতীয় লোকে আজিও ভিন্ন ধৰণে মূৰত পাগুৰি মাৰে। হালুৱৈসকলে ৰ'দ-বতাহৰ প্ৰতিৰোধক ৰূপে দীঘল কাপোৰ এখন আজিও মূৰত মাৰি লয়। গাঁৱৰ ডেকাসকলে মূৰত গামোচা মৰা অদ্যাপি প্ৰচলিত। মুছলমান ঐতিহাসিক কাজিমে সাধাৰণ অসমীয়ালোকেও যে মূৰত পাগুৰি মাৰিছিল, তাক উপহাসৰ সুৰত উল্লেখ কৰিছেহি। আহোম যুগত পাগুৰি মৰা প্ৰথাৰ ব্যাপকতা অনুমান কৰিব পাৰি। ৰজা, বিষয়া আৰু সম্ভ্ৰান্ত লোকসকলৰ উপৰি সৈনিকসকলেও মূৰত কাপোৰ বন্ধাটো উল্লেখযোগ্য।

মধ্যযুগত ওজাপালিৰ ওজাই মূৰত পাগ মাৰিছিল। সত্ৰৰ গায়ন-বায়ন আৰু সূত্ৰধাৰৰ পাগ আছিল চকুত লগা। বগা আৰু ৰঙীন উভয়বিধ কাপোৰকে অসমীয়া লোকে পাগুৰিত ব্যৱহাৰ কৰাটো উল্লেখযোগ্য। ড° লীলা গগৈয়ে টকাপাগ, কুম্ভম বুলীয়া পাগ, গুণাকটা পাগ, চিকণ পাগ, ফটৌ, বৰপাগ, মথুৰাপাগৰ উল্লেখ কৰিছে। পুৰণি অসমৰ চিত্ৰকলাত যিবোৰ পাগুৰি দেখা যায় তাৰ সৰহখিনিৰ নাম মোগলাই পাগুৰি। এক কথাত ক'ব পাৰি যে অসমীয়া মানুহে প্ৰাক্ আহোম যুগৰেপৰা সণ্টালনিভাৱে মূৰত বিভিন্ন ধৰণৰ পাগুৰি মাৰি আহিছে আৰু সিবোৰে অসমীয়া জাতিৰ

স্বকীয়তা প্ৰদানত সাহায্য দান কৰিছে।

না. দা.

**।। অসমীয়া পিঠা-পনা ।।**

কৃষি প্ৰধান দেশ অসম। অসমত ধান, তিল, গুড়. নাৰিকল, কল প্ৰভৃতি পৰ্যাপ্ত পৰিমাণে উৎপন্ন হয়। সিবোৰেৰে অসমীয়া মানুহে পিঠা-পনা কৰি নিজেও খায় - আনকো খুৱায়। ঘনাই পিঠা খোৱাটো অসমীয়া মানুহৰ স্বভাৱ। যদিও কোৱা হয় - 'আঠে তিতা, মাহে পিঠা', তথাপি কাৰ্যক্ষেত্ৰত সপ্তাহে সপ্তাহে পিঠা নাখালে যেন অসমীয়াৰ পেটেই নভৰে। আঘোণ-পুহ মাহত দৈনন্দিন পুৱা-গধূলি লোকে পিঠা খায়। পিঠা সাধাৰণতে পিঠাগুড়িৰে সজা হয় আৰু তাৰ লগত গাখীৰ, নাৰিকল, তিল, গুড় প্ৰভৃতি মিহলি কৰি খাবলৈ অধিক স্বাদযুক্ত কৰি তোলাটো সকলোৰে জনা কথা। বহুতে জিৰা আৰু জালুকৰ গুড়িৰ উপৰি কৰ্পূৰ মিহলি কৰি পিঠাৰ সোৱাদৰ ভিন্নতা অনাৰ লগতে দীৰ্ঘ দিনলৈ নোগোন্ধোৱাকৈ ৰখাৰো ব্যৱস্থা কৰে। তলত কেইবিধ মান পিঠাৰ নামোল্লেখ কৰা হ'ল -

কঁঠালপিঠা (কঁঠাল চালি পিঠাগুড়িৰে মিহলাই তেলত ভজা, কলপাতত দি পাটচৰুত দি ভজা), কলপিঠা (প্ৰস্তুত প্ৰণালী কঁঠাল পিঠাৰে অভিন্ন), খলাচাপৰি বা ধাপৰী বা চিটাই ধাপৰী বা হেজাৰ মুখী পিঠা, গৰগৰী পিঠা (গোৱালপাৰাত এই পিঠা মাঘ বিহুত গৰুক খুৱায়), ঘিলা পিঠা, চুঙা বা দাং পিঠা, টেকেলি মুখত দিয়া বা কেট্‌লী মুখত দিয়া বা ঘোটি পিঠা, টোপোলা বা কঁকাল চিগা পিঠা, তাল পিঠা, তিল পিঠা (কাঁচি জোন আৰু দুইকাণ পকোৱা), নাৰিকল পিঠা (তিল পিঠাৰে অভিন্ন ৰূপত প্ৰস্তুত কৰা হয়), পাত পিঠা, পানী পিঠা, ফেণী পিঠা, লাও পুলি পিঠা (কোমল পানীলাও পানীত সিজাই পিঠাগুড়ি সানি ঘিলা ৰূপত সাজি তেলত ভাজি জুলীয়া গুড়ত দি প্ৰস্তুত কৰা পিঠা), সাহৰ পিঠা (তিলপিঠাৰ দৰে পিঠাৰ মাজত তিল নিদি ঘন গাখীৰ, পিঠাগুড়ি আৰু চেনীৰ মণ্ড দি সজা পিঠা), সুতুলি পিঠা আদি।

না. দা.

**।। অসমীয়া পুৰুষৰ সাজ ।।**

সাজ-পাৰে লিংগ ভেদৰ সংকেত বহন কৰাৰ উপৰি বৰ্ণ-ধৰ্ম, ধনী-দুখীয়া প্ৰভৃতিৰো পাৰ্থক্য সূচায়। পিন্ধা সাজযোৰ চায়ে মানুহজন ব্ৰাহ্মণ নে সত্ৰাধিকাৰ, সন্ন্যাসী নে বৈৰাগী তাক চিনিব পাৰি। সাজ-পাৰৰ জৰিয়তে এটা জাতিৰ সৌন্দৰ্যবোধ, অৰ্থনৈতিক অৱস্থা, ভৌগোলিক অৱস্থান প্ৰভৃতি সুন্দৰ ভাৱে প্ৰকাশ পায়। পুৰণি অসমৰ সাজ-পাৰৰ বিৱৰণ পৰ্যাপ্ত বুলিব নোৱাৰি। *কালিকা পুৰাণ, যোগিনীতন্ত্ৰ* আৰু বাণৰ *হৰ্ষ চৰিতৰ* পৰা পুৰণি অসমৰ সাজ-পাৰৰ বিষয়ে কিছু জনা যায়। ভাস্কৰ্য আৰু মূৰ্তিকলাৰ-

পৰা এই বিষয়ে কিছু অনুমান কৰিব পাৰি। মধ্যযুগৰ সচিত্ৰ পুথিসমূহে ৰজা-ৰাণী, বিষয়াবৰ্গ, সন্নাসী, নট-নটী প্ৰভৃতিৰ সাজ-পাৰৰ ৰূপৰেখা অংকণত সহায় কৰে। *কালিকা পুৰাণত* আছে - অসমীয়া সাজ-পাৰক বস্ত্ৰ অথবা আচ্ছাদন বোলা হৈছিল (৬৯ অধ্যায়) আৰু চিলোৱা অথবা নিচিলোৱা উভয় বিধ বস্ত্ৰৰে ব্যৱহাৰ আছিল (৬৯।২), ভাস্কৰ্যসমূহৰপৰা অনুমান কৰিব পাৰি যে পুৰুষসকলে অতীত কালতো ধুতি পৰিধান কৰিছিল। কঁকালত মেৰিয়াই লোৱা বস্ত্ৰখিনি পৰিবেশেৰে বান্ধি ৰখা আৰু সমুখৰ পিনে কোঁচখাই থকা সেই বস্ত্ৰ জানুদেশ অথবা তাৰ কিঞ্চিৎ তললৈ ওলমি থকা অসমৰ প্ৰাক্ আহোম যুগীয়া ভাস্কৰ্য আৰু মূৰ্তিকলাই সাক্ষী দিয়ে। সৈনিক যুঁজাৰুসকলে আঁঠুলৈ ওলোমা ধুতিৰ আগ দুটা কৰঙনৰ মাজেদি সৰকাই নি পিছফালে পোন্ধ (কামৰূপী টানা) মাৰিছিল। উচ্চশ্ৰেণীৰ লোকে সাধাৰণতে দুখন বস্ত্ৰ পৰিধান কৰিছিল। তাৰে প্ৰথমখন ধুতি। সম্ভ্ৰান্ত লোকৰ ধুতিয়ে গৈ কেতিয়াবা আঁঠু স্পৰ্শ কৰিছিল। ধুতিৰ এটা আঁচলেৰে সমুখৰ ফালে দীঘলীয়াকৈ মাৰিছিল থোৰ। কুমাৰ ভাস্কৰবৰ্মাই এনে কুণ্ডলী পকোৱা বস্ত্ৰ হংসবেগৰ হাতত হৰ্ষশিলাদিত্যলৈ পঠিওৱা কথা *হৰ্ষচৰিতত* পোৱা যায়। কোনো কোনোৱে ধুতিৰ সমুখৰ ফালে থোৰ নামাৰি পূৰণ চিনৰদৰে গাঁঠি লৈছিল।

সম্ভ্ৰান্ত লোকে পৰিধান কৰা আনখন বস্ত্ৰ হ'ল *উত্তৰীয়* বা *পিচৌৰা*। এই বস্ত্ৰ সাধাৰণতে ডিঙিত পেলাই দুবাহুৰ ওপৰেদি আনি সমুখৰ ফালে ওলোমাই ৰখা হয়। প্ৰাক্ আহোম যুগৰ পুৰুষে চোলা পিন্ধাৰ নজিৰ এতিয়ালৈ পোৱা নাই। অসমৰ পুৰুষে মূৰত পাগুৰি মাৰিছিল। কনৌজৰ ধৰ্মানুষ্ঠানত কুমাৰ ভাস্কৰবৰ্মাই বত্নখচিত মুকুট পৰিধান কৰাৰ কথা পোৱা যায়। জনজাতীয় লোকসকলেও মূৰত পাগুৰি মাৰে। পুৰণি পুথিত ভালেবিধ পাগুৰিৰ চিত্ৰ আছে। গাঁৱৰ ডেকাই মূৰত গামোচা মাৰি বিহু মৰা ৰীতি আজিও প্ৰচলিত। মুছলমান লিখক কাজিমেও এই কথা উল্লেখ নকৰাকৈ থকা নাই।

আহোম যুগত পুৰুষৰ বিশেষকৈ ৰজা আৰু ডা ডাঙৰীয়াসকলৰ সাজ-পাৰৰ ভালেখিনি পৰিৱৰ্তন হয়। চোলাৰ প্ৰচলন এই যুগৰ আন এটা উল্লেখনীয় কথা। ড° লীলা গগৈয়ে এঙাচোলা, গোমচেঙৰ চোলা, চাটনৰ চোলা, নৰা-চোলা, বুকুচোলা, মিৰ্জাই চোলা আৰু মোগলাই চোলাৰ নাম লৈছে। চেলেং, চুৰিয়া (কপাহী, পাট, মুগা আৰু চিকণ-পাটৰ), টঙালি (জৰদৰ আৰু পাটৰ গুণাকটা), পাগ (উকা পাগ, কুক্ষম বুলীয়া পাগ, গুণাকটা পাগ, চিকণ পাগ, ফচৌ, বৰ পাগ, মথুৰা পাগ, মোগলাই পাগ আদি), জামা (আতলচৰ জামা, কপাহী তাঁতৰ জামা কুঁহিয়াৰ পতীয়াৰ চাটনিৰ জামা, জৰজৰ জামা, মলমলৰ জামা আদি) আৰু হাঁচতিৰো (তামোল বন্ধা হাঁচতি, মূৰ হাঁচতি, সূতা দিয়া হাঁচতি আদি) বহুল প্ৰয়োগ আছিল। চৌগা চাপকণৰো চলতি হৈছিল। প্ৰতিঘৰতে তাঁতৰপৰা অসমীয়া পুৰুষে নিজৰ সাজ-পাৰ পোৱাত অকণো অসুবিধা নহৈছিল। উৎসৱ

আৰু পূজা পাৰ্বণ উপলক্ষে অসমীয়া পুৰুষে নতুন সাজ-পাৰ পৰিধান কৰিছিল।

না. দা.

**।। অসমীয়া প্ৰসাধন সামগ্ৰী ।।**

বিভিন্ন অভিলেখ আৰু পুৰণি সাহিত্যাই সাক্ষ্য দিয়ে যে পুৰণি অসমত সুগন্ধি দ্ৰব্য আৰু প্ৰসাধন সামগ্ৰীৰ অভাৱ নাছিল। বাণভট্টৰ *হৰ্ষচৰিতে* সাক্ষ্য দিয়ে যে অসম দেশ অগৰু, চন্দন, কাঠ, কস্তুৰী মৃগ আৰু গো শীৰ্ষৰ কাৰণে প্ৰখ্যাত আছিল। *কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ* ওপৰত ভিত্তি কৰি ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে তেওঁৰ *দ্য হিষ্ট্ৰি অব চিভিলাইজেশ্বন অব দ্য পিপল অব আচাম* গ্ৰন্থত লিখিছে যে অসমৰ বিভিন্ন ঠাইত জোংগ, ডোংগ, প্ৰামেৰু, জাগ, তুজপা আদিকৈ ভিন্ন বিধৰ চন্দন আৰু ভেষজ বৃক্ষ পোৱা গৈছিল। কৌটিল্যাই অসমত পোৱা অশোক গ্ৰামক, জোংগক, গ্ৰামেৰুক, সুৱৰ্ণকুণ্ড্যক, পূৰ্ণদ্বীপক, পাৰলৌহিত্যক, অন্তৰ বাত্য প্ৰভৃতি বিভিন্ন সুগন্ধি দ্ৰব্যৰ বহল বিৱৰণী দিয়াত কাৰ্পণ্য কৰা নাই। *কালিকা পুৰাণ* (৬৯/৩৭-৫৩, ৮৬/৩৯) ত চূৰ্ণীকৃত, ঘৃষ্ট, দাহকৰ্ষিত, সম্মৰ্দজৰস, প্ৰাণ্যংগোম্ভৱ - প্ৰভৃতি বিভিন্ন ব্যৱহাৰৰ নিৰ্দেশ দিয়াটো তাৎপৰ্যপূৰ্ণ। উপযুক্ত সুগন্ধি জাত প্ৰসাধনসমূহৰ অসমৰ স্ত্ৰী-পুৰুষ নিৰ্বিশেষে ব্যবহাৰ কৰা বুলি সাব্যস্ত কৰিব পাৰি। ড° চৌধুৰীয়ে উল্লেখ কৰিছে যে অসমীয়া নাৰীয়ে হাতীদাঁত, মহ'ৰ শিং অথবা কাঠ-বাহঁৰ কাকৈৰে কেশ-বিন্যাস কৰি সৌন্দৰ্যবোধৰ পৰিচয় প্ৰোজ্জ্বল কৰিছিল। মধ্যযুগত চুলি বন্ধাৰ বৈশিষ্ট্যই বিভিন্ন খোপাৰ সৃষ্টি কৰিছিল। যেনে - উধনীয়া, কলডিলীয়া , ঘিলা, চকা, চেলা, তগৰ, তেঁতেলী, থিয়, নেঘেৰী, লিগিৰী খোপা আদি। খোপাত বিভিন্ন ফুল গুজি লোৱাটো অসমীয়া নাৰীৰ সৌন্দৰ্যবোধৰ পৰিচায়ক (টানি উচ্চ কৰি খোপা/ মালতী ফুলৰ ভিতৰত দিলা থোপা। - শংকৰদেৱ)। ৰত্নপালৰ বৰগাঁও শাসনত অসমীয়া তিৰোতাই অংগ সজ্জাৰ কালত মণিময় দৰ্পণ ব্যৱহাৰ কৰাটো চকুত লগা বিষয়। বনমালবৰ্মাৰ তেজপুৰ শাসনে স্পষ্টকৈ কৈছে যে এই ভূখণ্ডৰ তিৰোতাই গোন্ধ তেল চুলিত আৰু সুগন্ধি দ্ৰব্য বুকুত ঘঁহিছিল। *কালিকা পুৰাণে* উল্লেখ কৰিছে পূৰ্বাঞ্চলৰ নাৰীয়ে চকুত অঞ্জন আৰু দাঁত বোলাই বৰতৃপ্তি পাইছিল। বিহুগীতত জামুৰে বোলোৱা দাঁতৰ উল্লেখ আছে। কপালত সিন্দূৰ অথবা অগৰু চন্দনেৰে পুৰুষ-স্ত্ৰী উভয়ে ফোঁট বা তিলক পৰিধান কৰিছিল (শিৰত সিন্দূৰ আগুৰু দিলা ফোট /ৰুক্মিণী হৰণ; ৰঞ্জে তিলক কপোলক চানি/- ৰুক্মিণী হৰণ নাট) সম্ভ্ৰান্ত বংশৰ তিৰোতাসকলে গাৰ ছাল মিহিকৈ ৰাখিবলৈ এবিধ ঘৰুৱা পমেটম আৰু চুলি বঢ়াবলৈ সুগন্ধি তেল ব্যৱহাৰ কৰিছিল। স্বৰ্ণময়ী দেৱী বৰদলৈয়ে *আৱাহনৰ* ৭/১২ সংখ্যাত লিখা এটাত ইয়াৰ সবিশেষ আছে। *পকা সুমথিৰাৰ বাকলিৰ ওপৰৰ হালধীয়া ছাল মিহিকৈ কাটি বগা সৰিয়হৰ ফুল গোটাই পিৰিকা শাকৰ ফুল মিলাই খুন্দি, ৰস উলিয়াই কেঁচা হালধিৰ*

ৰসো মিলাই মাটিৰ চৰুত গৰুৰ ঘিৰে সৈতে তপতাৰ লাগে। মিশ্ৰণখিনি গোট মাৰিলে নমাই থৈ তাত অগৰু চন্দন মিহলালেই অসমীয়া পমেটম হয়। ইয়াক ঘঁহিলে মুখ নাফাটে। মুৰৰ উফি আৰু গাৰ দুৰ্গন্ধ আঁতৰাবলৈকেও অসমীয়া মানুহে থলুৱা গছ-পাত ব্যৱহাৰ কৰি সুফল পাইছিল। হাতে লিখা *আয়ুৰ্বেদ নিদান* আৰু অন্যান্য পুথিত তাৰ সবিশেষ আছে। কেতেকী ফুলৰ ৰেণু গালত ঘঁহা ৰীতি কিছুদিন আগলৈ চলিতি আছিল। জেতুকাৰে হাত বোলাই বৰ্হমঠুৰিৰে ওঁঠ ৰঙালী কৰি গছকত যঁতৰ ভাঙিথৈ বিহু মাৰিবলৈ যোৱাৰ চিত্ৰৰে বিহুগীতসমূহ ভাস্বৰ।

না দা

।। অসমীয়া বাৰমাহী গীত ।।

অসমীয়া মৌখিক সাহিত্যৰ ভঁৰালত লোকগীতৰ ভূমিকা অধিক। অসমীয়া লোকগীতৰ জগতখনত বাৰমাহী গীতে এখন উল্লেখযোগ্য স্থান গ্ৰহণ কৰি আছে। বাৰমাহৰ প্ৰাকৃতিক পৰিৱেশ অনুসৰি বিৰহী প্ৰিয়াৰ মনলৈ চিন্তাৰ ধুমুহা আহে আৰু তাকেই কবিত্বময় ভাষাৰে গীতৰ সুৰত প্ৰকাশ কৰে। বাৰমাহৰ বিৱৰণী থকাৰ কাৰণেই এইবিধ গীতক বাৰমাহী গীত বোলা হয়। বাৰমাহী গীত নামনি অসমত অধিক প্ৰচলিত হোৱা দেখা যায়। এই গীত কামৰূপ, বৰপেটা আৰু গোৱালপাৰা জিলাতহে শুনিবলৈ পোৱা যায়, কিন্তু অঞ্চল বিশেষে একে গীতেই ভিন্ন ৰূপত পোৱা যায়। বৰ্তমানৰ দৰে প্ৰাচীন কালত যাতায়তৰ সুচল নাছিল। তেতিয়াৰ দিনত লোকসকলে নাও, গৰুৰ গাড়ী, ঘোঁৰা বা গাধৰ পিঠিত বস্তু বাহানি তুলি বেহা বেপাৰলৈ গৈছিল। এইবোৰৰ বিষয়ে বাৰমাহী গীতত সুন্দৰ বৰ্ণনা আছে। বাৰমাহী গীত স্বাভাৱিকতে পুৰুষ মহিলা উভয়ৰে মুখত শুনিবলৈ পোৱা যায়। বাৰমাহী গীতৰ বিষয়বস্তু হ'ল প্ৰিয়জনৰ বিৰহ। বিভিন্ন কাৰণত প্ৰিয়জনৰ পৰা আঁতৰি থাকি দুয়ো পক্ষই বাৰমাহী গীততে মনৰ আকুল ভাব প্ৰকাশ কৰে। অসমীয়া ভালেমান বাৰমাহী গীত আঘোণত আৰম্ভ হৈ কাতিত শেষ হৈছে। আগৰ দিনত আঘোণ মাহৰ পৰা বছৰ আৰম্ভ হৈছিল। ইয়াৰ পৰা বাৰমাহী গীতৰ প্ৰাচীনত্ব সম্পৰ্কে অনুমান কৰিব পাৰি। কেইটামান অসমীয়া বাৰমাহী গীত হ'ল— *মধুমতীৰ গীত*, *কন্যা বাৰমাহী*, *সীতা বাৰমাহী*, *ৰাধা বাৰমাহী* ইত্যাদি।

নী.ক.

**।। অসমীয়া মানুহৰ উপাধি ।।**

অসমীয়া মানুহৰ উপাধি অনেক। এই উপাধিসমূহ জাতি গোত্ৰ, ধৰ্ম-বৰ্ণ, বৃত্তি, খেল, বিষয়বাব প্ৰভৃতিৰপৰা অহা। নিধানপুৰ তাম্ৰশাসনত কৰ, কুণ্ড, ঘোষ, দত্ত, দেৱ, নন্দী, নাগৰ, মিত্ৰ, ভট্ট, সেন, সোম প্ৰভৃতি উপাধি পোৱা যায়। মাধৱ কন্দলিৰ ৰামায়ণত *সন্দিকৈ* উপাধি চকুত পৰে। মধ্যযুগীয় বুৰঞ্জী, চৰিতপুথি আৰু তাম্ৰলেখসমূহত ভালেখিনি

উপাধি পোৱা যায়। বৰ্তমানে শ্ৰীসুমন্ত চলিহাই তেওঁৰ *আধুনিক অসমীয়া শব্দকোষত* অসমীয়া মানুহৰ উপাধিসমূহ একত্ৰিত কৰাৰ যত্ন কৰিছে। তলত কিছুসংখ্যক উপাধি উল্লেখ কৰা হ'ল —

অধিকাৰী, অধ্যাপক, আচাও, আচাৰ্য, আৰন্ধৰা, ইন্তি, উজীৰ, ওজা, কছাৰী, কটকী, কন্দলি, কৰ্মকাৰ, কলিতা, কাকতি, কাঠকটীয়া, কাথ (বৰা, বৰুৱা, হাজৰিকা), কামান, কাৰ্কী, কাৰ্জী, কাশ্যপ, কুটুম, কুমাৰ, কুৰ্মী, কেওট, কৈৱৰ্ত, কোচ, কোঁৱৰ, খনিকৰ, খাউণ্ড, খাক্‌লাৰী, খাটনিয়াৰ, খাৰঘৰীয়া ফুকন, খেৰকটাৰী, গগৈ, গন্ধীয়া, গাম, গায়ন, গিৰি, গোৱালী, গোস্বামী, গোহাঞি বৰুৱা, গৌতম, ঘাটোৱাল, চক্ৰৱৰ্তী, চমুৱা, চলিহা, চহৰীয়া, চাংকাকতি, চাংমাই, চিৰিংফুকন, চুতীয়া, চেতীয়া, জালভাৰী ফুকন, টাকৰীয়া, টেৰশ, টেৰং, টেৰণ, টেৰাংগী, ঠাকুৰ, ঠাকুৰীয়া, ঠেঙাল, ডাওকা, ডেকা ফুকন, ডেকা ৰজা ঢেকিয়াল ফুকন, তৰফদাৰ, তহবিলদাৰ, তাছু, তামুলী, তাঁতী, তামুলী, ফুকন, তালুকদাৰ, তেলী, দত্ত, দত্তচৌধুৰী, দত্ত বৰুৱা, দৰবধৰা দলে, দহোটীয়া, দলৈ, দস্তিদাৰ, দাস, দিহিঙিয়া, দুৱৰা, দুৱৰী, দেউৰী, দেৱ অধিকাৰী, দেৱ গোস্বামী, দেৱ চৌধুৰী, দেৱ নাথ, দেৱ ৰায়, দেৱ শৰ্মা, দেৱান, দৈমাৰী, দোৱানীয়া, নবিচ, নৰহ, নাওবৈচাফুকন, নাজিৰ, নাথ, নাৰ্জাৰী, নাৰ্জী, নেওগ, পদ্মপতি, পাংগিং, পাচনি, পাটগিৰি, পাঠক, পাতৰ, পাত্ৰ, পাদুন, পামেগাম, পাল, পূজাৰী, পেগু, ফাটোৱালী, ফুকন, ফৌজদাৰ, বণিক্য, বণিয়া, বৰকটকী, বৰকাকতি, বৰগোহাঞি, বৰঠাকুৰ, বৰপাত্ৰ গোহাঞি, বৰপূজাৰী, বৰবৰা, বৰবৰুৱা, বৰা, বৰ্মন, বৰ্মা, বৈৰাগী, বৰুৱা, বশিষ্ঠ, বসুমতাৰী, বাইলুং, বাগলাৰী, বাঢ়ৈ, বাৰিক, বায়ন, বিলতীয়া, বুজৰবৰুৱা, বুঢ়াগোহাঞি, বেজ, বেজবৰুৱা, বৈদ্য, বৈশ্য, বন্ম, ভৰালী, ভাজনি, ভুঞা, ভূমিজ, মজিন্দাৰ বৰুৱা, মজুমদাৰ, মৰল, মৰাণ, মহন্ত, মিচিং, মিৰি, মিলিক, মিশ্ৰ, ভাগৱতী, মুক্তিয়াৰ, মুদৈ, মেচ, মেদক, মেধি, মেনা, মোহন, যখৰীয়া, ৰংপি, ৰাইডঙীয়া, ৰাজ-কুমাৰ, -কোঁৱৰ, -খোৱা, -গুৰু, -পুত, বংশী, ৰাভা, ৰায়-চৌধুৰী, -বৰুৱা, -মেধি, লহকৰ, লাংখাচা, লালুং, লিগিৰা, লেখাৰু, শইকীয়া, শৰণীয়া, শৰ্মা, তামুলী,-পাঠক, -বৰুৱা, শালৈ, শেনচোৱা, শ্যাম, শ্ৰুতিকৰ, সন্দিকৈ, সভাপণ্ডিত, সাউদ, সিংহ, ফুকন, সূত, সূতাৰ, সূত্ৰধাৰ, সেনাপতি, সোণোৱাল, সৌকাধৰা, স্বৰ্গীয়াৰী, স্বৰ্ণকাৰ, হাকাচাম, হাগজেৰ, হাজৰিকা, হাঞ্চে, হাতী মুৰীয়া, হাতী বৰুৱা, হালৈ, হিলৈদাৰী, হোজাই ইত্যাদি। অসমীয়া মানুহৰ উপাধিবোৰৰ অধ্যয়নৰ দ্বাৰা অসমীয়া সমাজৰ বিভিন্ন দিশ পৰিষ্কাৰভাবে জানিব পাৰি।

না. দা.

**।। অসমীয়া লোক সংস্কৃতিত কল।।**

অসমীয়া জন জীৱনত কলৰ আসন বিশিষ্ট। অসমত সাধাৰণতে আঠিয়া,

চেনীচম্পা, মালভোগ, মনোহৰ, জাহাজী, সেন্দুৰী, পোৰা, কেচেলেপা প্ৰভৃতি জাতৰ কল প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। বিহুগীত বন্দিত আঠিয়া কলৰ গা-গছ, পাত, মূঢ়া, ডিল প্ৰভৃতিও কামত লগা। মাগুৰ মাছৰ সৈতে কলডিলৰ ভাজিৰ সোৱাদ পাহৰিব নোৱাৰা। কলডিলৰ আৰ্হিত অসমীয়া মহিলাই বান্ধে কলডিলীয়া খোপা। ভীমকলৰ গা-গছ আৰু মূঢ়াৰ পৰা প্ৰস্তুত কৰা কলাখাৰ অসমীয়াৰ নিজস্ব সম্পদ। বিয়া-বাৰু, সকাম-নিকাম আদিত মাহ-প্ৰসাদ আৰু ভোজ-ভাত খাবলৈ কলপাত অপৰিহাৰ্য। কলৰ দোনা আৰু *চটিয়াত* জলাপন আৰু ভোজ ভাত খোৱাটো তৃপ্তিকৰ। কলৰ দোনাত প্ৰস্তুত কৰা গৰম ঘন মিঠৈ ঢালি প্ৰস্তুত কৰা লিকটা মিঠৈৰ সোৱাদ দীৰ্ঘদিনলৈ জিভাত লাগি থাকে। ভীম কলৰ *মাথা* কাটি কুটি খুন্দি মাছৰ মূৰেৰে ৰন্ধা ব্যঞ্জনৰ সোৱাদ খোৱা জনেহে উপলব্ধি কৰিব পাৰে। পকা কল চালনিৰে চাকি পিঠাগুড়িৰে মিহলাই কলপাতত চেপেটাকৈ মেৰিয়াই পাট চৰুত সেকি লোৱা কলপিঠা অথবা পিঠাগুড়ি পানীৰে সানি উতলা পানীত দি সজা কঁকাল চিগা বা পানীপিঠাৰ সোৱাদ অসমীয়া লোকে জানে। পূজা-সেবাত কল, পাত, গা-গছ আৰু পুলি নহ'লেই নহয়। দুৰ্গা পূজাত নৱপত্ৰিকাৰ পূজাত কলগছৰ স্থান তুংগশীৰ্ষত। নৈবেদ্যাদি আগবঢ়োৱা হয়— আগলি কলপাতত। বিভিন্ন পূজাৰ নৈবেদ্য আৰু ভোগ কলৰ দোনাত আগবঢ়োৱাটো সাধাৰণ নিয়ম। আগৰ দিনত বিয়া-সবাহ আৰু সকাম-নিকামৰ ৰভা দিয়া হৈছিল কলপাতেৰে। অসমীয়া জন-সমাজত সদ্যজাত কেচুৱাক আগলি কলপাতত শুৱাই দিয়া নিয়ম। পুষ্পিতা ছোৱালীক নোৱাই ধুৱাই আইসকলে পোনপ্ৰথমে আগলি কলপাত এখনত ফল-মূল খাবলৈ দিয়ে। আগতে পিতৃ -মাতৃৰ মৃত্যু হ'লে পুত্ৰসকলে অশৌচৰ দিনকেইটা কলপাতত শুইছিল, বহিছিল শুকান কলপাতেৰে সজা কঠত। মাঘমহীয়া মেজি সজাত শুকান কলপাত নহ'লেই নহয়। ব'হাগ বিহুৰ কালত কল পচলা খোৱাটো অপৰিহাৰ্য। পচলাকলৈ ৰচিত উজনি-নামনিৰ *পচলাৰ জুনা* লোকসাহিত্যৰ অনুপম সামগ্ৰী। বাণিজ্য সম্পদৰূপে তাহানিতে ডাক-পুৰুষে কলক স্বীকৃতি দি গৈছে— 'তিনিশ ষাঠি জোপা কৰা কল/ মাহেকে পষেকে চিকুণাবা তল।।'

না. দা.

।। অসমীয়া সংস্কৃতিত কুকুৰা চৰাই ।।

অষ্ট্ৰিকভাষী আৰু তেওঁলোকৰ সমগোত্ৰীয় তিব্বত বৰ্মীসকলৰ মাজত কুকুৰা চৰাইৰ প্ৰাধান্য সৰ্বত্ৰ বিদ্যমান আৰু সৰ্ব প্ৰথম অষ্ট্ৰিক ভাষীসকলেই কুকুৰা চৰাই ঘৰচীয়া কৰে বুলি ক'ব পাৰি। পূজা আৰু উচৰ্গাৰ নিমিত্তে তেওঁলোকে কুকুৰাক সৰ্বশ্ৰেষ্ঠ জীৱ বুলি গণ্য কৰে। সকলো সামাজিক সাংস্কৃতিক জীৱনৰ লগত এই চৰাই জড়িত হৈ আছে। পূজা-উৎসব, আচাৰ-অনুষ্ঠান, লোক-বিশ্বাস, কিম্বদন্তীত ইয়াৰ স্থান বিশেষ মন কৰিব

লগীয়া। অষ্ট্ৰিক আৰু তিব্বত বৰ্মী ভাষাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকাৰ হেতু অসমৰ পাহাৰ আৰু ভৈয়াম উভয়ৰে মানুহৰ সামাজিক আৰু ধৰ্ম সম্পৰ্কীয় জীৱনতো কুকুৰা চৰাই আৰু কণীৰ স্থান অৰ্থপূৰ্ণ। অসমীয়া বিয়াত দৰা-কইনা নোওৱা বেইৰ তলত দুটা কণী পুতি থোৱা নিয়ম। কামৰূপত পুষ্পিতা হোৱাৰ পিছত ছোৱালীয়ে স্বামীৰ ঘৰলৈ আহোঁতে লগত কণী এযোৰ অনা নিয়ম। ই নিশ্চয় উৰ্বৰতাৰ প্ৰতীক।

কছাৰীসকলে পৰিয়ালৰ কোনোলোকৰ মৃত্যুত গ্ৰাম্যদেৱতাৰ সন্মুখত কুকুৰা বলি দিয়ে। ইয়াৰ উপৰি কুকুৰা এটা বা গাহৰি এটা মাৰি তাৰ মঙহেৰে আঞ্জা এভাগ মৃতকৰ শিতানত থয়। লগতে ৰোগ নিৰাময় কৰিবলৈ আৰু অসুখ-বিসুখৰপৰা হাত সাৰিবলৈ অসমৰ বহুতো জনজাতিয়ে কুকুৰা বলি দিয়ে। দুঃস্বপ্নৰ কুফলৰপৰা হাত সাৰিবলৈ কুকুৰা উছৰ্গা কৰি শুদ্ধিকৰণৰ অনুস্থান পতা হয়। অনেক ধৰ্ম সম্বন্ধীয় উৎসৱ আৰু ক্ৰিয়া পদ্ধতিত কুকুৰা আৰু কণীৰ ভূমিকা আছে। স্থানীয় দেৱ-দেৱী আনকি হিন্দু দেৱ-দেৱীৰ অৰ্থেও কুকুৰা উছৰ্গা কৰা হয়। আহোমসকলৰ মাজত এটা ঐতিহ্য আছে যে খুন্‌লুং আৰু খুনলায়ে স্বৰ্গৰপৰা *কাই চান-মুং* বা স্বৰ্গীয় কুকুৰাৰ পাখি লৈ আহিছিল। দেওধাইসকলৰ মাজত কুকুৰা বলি দিয়াটো প্ৰাচীন আহোম পূজা পাতলৰ অত্যন্ত গুৰুত্বপূৰ্ণ অংগ হিচাপে আজিও পৰিগণিত। ইয়াৰ উপৰি আহোমসকলৰ মাজত কুকুৰা কাটি শপত খোৱাৰ প্ৰথা আছে। আহোমসকলৰ এক বিশেষ শ্ৰেণীৰ বিষয়াই মতা বা মাইকী কুকুৰাৰ ঠেং পৰীক্ষা কৰি ভৱিষ্যত মঙ্গল-অমঙ্গল গণিছিল।

ব. চে.

**।। অসমীয়া লোকসংস্কৃতিত বাঁহ ।।**

অসমত বাঁহ শিল্প প্ৰচলনৰ ইতিহাস বহুদিনীয়া। বাণভট্টৰ *হৰ্ষচৰিত*ত উল্লেখ থকা মতে অতীত অসমৰ বাঁহশিল্প বৰ উন্নত আছিল। গ্ৰন্থখনৰ মতে, কামৰূপৰ ৰজা ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ বহুৰঙী বাঁহৰ চুঙা আৰু বাঁহৰ সঁজাত চৰাই উপহাৰ হিচাপে পঠাইছিল। বিশেষ তাৎপৰ্যপূৰ্ণ কথা যে এসময়ত মংগোলীয় জনজাতিৰ মাজতে বিশেষ প্ৰভুত্ব ৰাজত্ব কৰা এই বাঁহশিল্পই অথবা বাঁহসংস্কৃতিয়ে কালক্ৰমত আৰ্য, নিষাদ আৰু মংগোলীয় সংস্কৃতিৰ ত্ৰিবেণী সংগমত গঢ় লোৱা বিশাল অসমীয়া সংস্কৃতিকে সমৃদ্ধ কৰি তুলিলে। আমাৰ জাতীয় কবিতাসমূহ, প্ৰবচন, ডাকৰ বচন, যোজনা, লোকবিশ্বাস, লোকউৎসৱ, লোকপৰিবেশ্য কলা, লোকগীত, স্থাপত্য-ভাস্কৰ্য আদিত বাঁহৰ উল্লিখন দেখাৰ। অসমৰ বাঁহকেন্দ্ৰিক উৎসৱসমূহৰ ভিতৰত কামৰূপত প্ৰচলিত *ভঠেলি* অন্যতম। মাঘবিহুৰ মেজি, ভেলাঘৰ নিৰ্মাণ, চুঙাপিঠা পোৱা, দৰঙৰ লামজাকৰা উৎসৱৰ বাঁহভঙা কৃত্যত, বিবাহ অনুষ্ঠানৰ বিভিন্ন কৃত্যত, নামনি অসমৰ পচতি উৎসৱত, মৃত্যু সংক্ৰান্তীয় বিভিন্ন মাংগলিক কৰ্মত, দৰঙৰ পুতলা উটোৱা, মজু উটোৱা আদি কৃত্যত বাঁহৰ প্ৰচুৰ

ব্যৱহাৰ দেখা যায়। পথালিকৈ বাঁহ ৰাখি দৰা আগচাটো অসমীয়াৰ পুৰণি পৰম্পৰা। নামনি অসমৰ মহোহো উৎসৱ, বাম্বোলপিতা উৎসৱ আদি জনপ্ৰিয় লোকনৃত্যসমূহত বাঁহৰ টোকোনেই ঘাই ভূমিকা। বৰপেটাৰ হ'লী উৎসৱত বাঁহভঙা অনুষ্ঠান অতি জনপ্ৰিয়। বিভিন্ন উৎসৱত সংগত কৰা বাদ্যযন্ত্ৰ যেনে— ঢোল, গগনা, বাঁহী আদিও বাঁহেৰে তৈয়াৰ কৰা হয়। খাদ্যশিল্প, সুকুমাৰ কলা আৰু ব্যৱহাৰিক জীৱন এই আটাইবোৰতে বাঁহৰ ভূমিকা অনস্বীকাৰ্য। বাঁহগাজ আৰু খৰিছা অসমীয়া থলুৱা খাদ্যসম্ভাৰৰ ভিতৰুৱা। বাঁহৰ চুঙাত দেশীয় মদ পান কৰাটো জনজাতীসকলৰ সংস্কৃতিৰ ভিতৰুৱা কথা। অসমীয়া থলুৱা পদ্ধতিত গৃহ নিৰ্মাণৰ প্ৰতিটো সামগ্ৰীয়ে যেনে— খুঁটা, চ'তি, মাৰলি, ৰুৱা, কাঠি-কামি টমাল, কৰ্কিলা, জেঠী, ঢাপলিকা, শিয়াল, টাঁটি, কগলী বাঁহ, দমৰা, বহিখোৱা, চালি, বৰচাঙ আদি সকলোবোৰ বাঁহেৰে সজা হয়। অসমীয়া শিপিনীৰ বুকুৰ আমঠু তাঁতশালখনৰ মহৰা থোৱা খোঁৰা-টোকোৰা, চালিমাৰি, দোৰ্পতি, গৰকা, নিগনিখুঁটা, নাচনী, দাংমাৰি, উঘা-চেৰেকীৰপৰা মাঁকোৰ শলিতালৈকে প্ৰায় সকলোবোৰ বস্তুৱেই বাঁহৰে নিৰ্মিত। কৃষিভিত্তিক গঞা জীৱনত নিত্য-ব্যৱহাৰ্য প্ৰায়ভাগ সামগ্ৰীয়েই বাঁহেৰে তৈয়াৰী। বাঁহক কেন্দ্ৰ কৰি অসমীয়া সমাজত বহুবোৰ জনবিশ্বাসৰ প্ৰচলন আছে। বাঁহ ফুলাটো অসমীয়া সমাজত অপায়-অমংগলৰ আগজাননী বুলি বিশ্বাস কৰা হয়। জয়াল ঠাইলৈ ৰাতি-বিয়লি গ'লে ভূত-প্ৰেতে বাঁহ পেলাই বাট আগচে বুলি বিশ্বাস আছে। অসমীয়া মানুহে শনি আৰু মঙলবাৰ আৰু অমাৱস্যা- একাদশীত বাঁহ কাটিব নাপায় বুলি বিশ্বাস কৰে। মুঠতে, অসমত উৎপাদন হোৱা ভলুকা, জাতি, বেতী, নল, মকাল, কাক, দলৌ, বজাল, বিজুলি, কটহ, কগলী ইত্যাদি প্ৰজাতিৰ বাঁহ আৰু তাৰপৰা উৎপন্ন সামগ্ৰীয়ে অসমীয়া সাংস্কৃতিক জীৱন সমৃদ্ধ কৰাৰ লগতে বিভিন্ন জাতি, সংস্কৃতিৰ বাটচ'ৰাত এক সুকীয়া মৰ্যাদা তথা বৈশিষ্ট্য প্ৰদান কৰিছে।

পা. দ.

**।। অসমীয়া সংস্কৃতিত হুদু চৰাই ।।**

অসম চৰাই চিৰিকতিৰ এখনি অপূৰ্ব বাসস্থান। অসমদেশৰ পাহাৰে ভৈয়ামে অলেখ চৰায়ে বাস কৰে। এনে বহুতো চৰাইক লৈ অসমৰ সমাজ সংস্কৃতিত অনেক জনবিশ্বাস গঢ় লৈ উঠিছে। চৰাইৰ মাত, চৰাইৰ আগমনে সুমঙ্গল, অমঙ্গলৰ বাৰ্তাও মাতি আনে বুলি অসমীয়া লোকবিশ্বাসত জনমত গঢ়ি উঠিছে। অসমৰ হুদু চৰায়ে চৰাইৰ বহল জগতখনত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰায় ৬০ ছে.মি. দীঘল হুদু চৰাই ফেঁচা জাতিৰ অমঙ্গলীয়া বিবেচিত এবিধ চৰাই। হুদু শক্তিশালী, লগতে ই আকৰ্ষণীয় চৰাই। ইংৰাজীত ইণ্ডিয়ান ঈগল-আউল (Indian Eagle-Owl) নামেৰে বা বুৱ বুৱ (Bubo Bubo) নামেৰে ই জনাজাত।

অসমীয়া সমাজ-সংস্কৃতিৰ বহুল পাহ্যৰত হুদু চৰাইক লৈ অনেক বিশ্বাস গঢ় লৈছে। হুদু চৰাইৰ গহীন মাতে ভয়াবহ পৰিৱেশৰ সৃষ্টি কৰে। গৃহস্থৰ ঘৰত আগনিশা হুদুই মাতিলে গৰু মৰে আৰু পিছনিশা মাতিলে গৃহস্থৰ ঘৰত অমঙ্গলৰ সূচনা হয়, লগতে গৃহিণীৰো মৃত্যু সূচনা কৰে বুলি বিশ্বাস। হুদুই মাতিলে শত্ৰুতা বাঢ়ে আৰু ৰাজকীয় বিশিষ্ট লোকৰো মৃত্যু হয় বুলি বিশ্বাস কৰা হয়। হুদু চৰায়ে মানুহৰ ঘৰত বাঁহ সাজিলে গৃহস্থৰ ঘৰত এবছৰলৈ ভীষণ বিপদ আহে বুলি বিশ্বাস। ঘৰৰ ভেঁটিত হুদু পৰিলে বা হুদু ঘৰৰ ভিতৰত সোমালেও সেই ঘৰৰ ভেঁটি উচ্ছন্ন হয় বুলি অসমীয়া সমাজত সৰ্বজন বিদিত। হুদুৰ হু-দু-হু-দু মাতে বাঘ অহাৰ আগলি বাৰ্তাও বহন কৰে বুলি কোনো কোনোৱে কয়। হুদু আৰু হুদুৰ মাতক লৈ অসমীয়া সংস্কৃতিত ফকৰা-যোজনা, জতুৱা ঠাঁচ আদিও প্ৰচলিত আছে। উদাহৰণ স্বৰূপে — *হুদুখেদা দিয়া, হুদুমুৰা, হুদুমাতা, হুদুবুঢ়া* ইত্যাদি। হুদু সম্পৰ্কে নানা সাধুকথাও অসমীয়া লোক-সাহিত্যত পোৱা যায়। এনেদৰে হুদু চৰায়ে অসমৰ লোক সংস্কৃতিত এক বিশেষ স্থান লাভ কৰিছে।

ম.গো.

**।। অসমীয়া সংস্কৃতিত ঢেঁকী ।।**

অসমীয়া সংস্কৃতিত ঢেঁকীৰ স্থান বিশিষ্ট। ইয়াৰ দৈৰ্ঘ সম্পৰ্কে লোকোক্তি হ'ল— *আঢ়ৈ ডেৰে গজে মুঠি*। অৰ্থাৎ ঢেঁকীৰ ফিছাখন হ'ব লাগে আঢ়ৈ হাত (প্ৰায় এক মিটাৰ), কঁতৰাৰপৰা থোৰা লগোৱা ঠাইলৈ এগজ এক মুঠি (প্ৰায় ১ মিটাৰ ২০ ছে.মি.) আৰু থোৰাৰপৰা আগটো হ'ল ডেৰ হাত (অৰ্থাৎ প্ৰায় পয়সত্তৰ ছে.মি.)। ঢেঁকীৰ কাৰণে আয়তক্ষেত্ৰাকাৰ (জোখ ১১ × ১৪ ছে.মি.) আহুই কাঠ প্ৰশস্ত। থোৰাৰ বাবে টান কাঠৰ ভিতৰত আহুই, পালিয়ন, মাধুৰী আম হ'লে ভাল। ঢেঁকীটোৰ কতৰা লগোৱা ঠাইৰ উপৰি থোৰা লগোৱা ঠাইখিনি ওপৰভাগৰ মূৰটোতো বহুতে লতা-ফুল কাটে। বাঁহৰ থোৰাত ব্যৱহাৰ হয় ভলুকা বাঁহ। ঢেঁকীৰ সৈতে সম্পৰ্ক থকা নামনি অসমৰ শব্দকেইটা হ'ল— ফিছা, কাত্‌ৰা (কঁতৰা; ঢেঁকীৰ হেঁচাত কাত্‌ৰা নাচে বৰীৰ কথাত বেটা নাচে), থুৰা (=থোৰা, ঢেঁকী যদি বেকা হয়, ঢেঁকীৰ থুৰা খয় যায়) পথ্‌লি (= খুবলি, ৰাজাই ভাল পায় যাক ঢেঁকী পথ্‌লি নালাগে তাক), মলুৱা বাৰি (=আষল শলা), সতিনী বাৰি (কঁতৰা আৰু থোৰাৰ মাজত পোতা দুডাল মাৰি), দাণ্ডা বাৰি (=উচ্‌ল বাৰি), লুৰি বাৰি (বাঢ়নী মাৰি), খচ্‌ৰা বাৰি (চিৰা বা সান্দহ খুচৰিবলৈ ব্যৱহাৰ কৰা চেপেতা বাৰি), ঢেঁকী জৰী (ফিছাৰ ওপৰত চালিৰে সৈতে বন্ধা ৰচী) সতিনী জৰী (থোৰাৰ আগত ৰচী এডাল বান্ধি ঢেঁকী দিওঁতে বা বাঁওহাতে টনা ৰচী) আৰু খাম বা খামা (গুল)। ঢেঁকীক নাৰদৰ বাহন ৰূপে গণ্য কৰা হয়। দুপৰীয়া বেলা শুদা ঢেঁকী বজোৱা নিষেধ। ঢেঁকী শালত শুলে শণিয়ে ধৰে বুলি লোকে কয়। দীৰ্ঘদিন জুৰি বৰষুণ নাহিলে বহুতে গৃহস্থৰ ঢেঁকী চুৰি কৰি

নি ওভোতাকৈ পোতে। বিয়াৰ সান্দহ খুন্দা পৰ্বত ঢেঁকী নহ'লেই নহয়। কোনো কোনো ঠাইত বাঁহী বিয়াৰ দিনা দৰা-কইনাক ঢেঁকী দিবলৈ দি ৰং তামচা কৰে। ঢেঁকী পতাৰ দিনা ঠাই বিশেষে ঢেঁকীত তেল, সিন্দূৰ আৰু দুবৰি আগবঢ়ায়। বংগদেশত দশহৰাৰ দিনা ঢেঁকীশালত তেল, সিন্দূৰ দি আলপনা সজায়। ঢেঁকীক কৈ অসমীয়াত বহুতো খণ্ডবাক্য, ফকৰা -যোজনা আৰু সাঁথৰৰ সৃষ্টি হোৱাটো মন কৰিবলগীয়া। যেনে- ঢেঁকী থুৰীয়া বুদ্ধি (ভোটা বুদ্ধি); ঢেঁকী থুৰীয়া মাৰ (গুৰুতৰ মাৰ পিট); ঢেঁকী ফুৰা (লাহে লাহে ঢেঁকীৰে পৰিষ্কাৰ কৰা); ঢেঁকীৰ গৰিক (জনৰব); ঢেঁকীত মহে খা, উৰাতত ফৰ ফৰা (নোহোৱা কথা গাত পাতি ল); ঢেঁকী থোৰা পাতি নাক কাট্ (বৰকৈ অপমান কৰ্), ঢেঁকীশাল ফুৰিলে খুদকণৰ অভাৱ নোহোৱা; ঢেঁকীটো লৰক ফৰক, কঁতৰাটো ভগা, কোন ক'লৈ গৈছে, তাৰেহে লগা; ঢেঁকীত বৰা, কলঙত পানী, বাৰীত খুতুৰা শাক (আয়োজনৰ অভাৱ); হেন হেন পাকত, ঢেংকী থোৰাও সোমাই নাকত; কথা নহয় বাদী/ ঢেঁকী মৰে চাউল কোবাই/কঁতৰাই মৰে কান্দি; কলিয়া বৰত পৈয়েক মৰিল/ ঢেঁকী দিওঁতে মনত পৰিল, যাৰ নাই কেচুৰা, ঢেঁকী থোৰা নচু বা, এদঁতীয়া হাতী, ধান খুঁই পাচি পাচি (ঢেঁকী), এটা মাথো নিগনি শ পুৰা ধান কাটে /নেজডালত ধৰিলেহে জাপ মাৰি উঠে/'এনেদৰে অসমীয়া লোক সংস্কৃতিত ঢেঁকীৰ জয়যাত্ৰা আজিও অব্যাহত।

না.দা.

।। অসমীয়া সংস্কৃতিত তুলসী ।।

অসমৰ কথাই নকওঁ, ভাৰতীয় সংস্কৃতিতে তুলসী গছে এক বিশিষ্ট স্থানত সমাসীন হ'বলৈ সমৰ্থ হৈছে। *ব্ৰহ্মবৈবৰ্ত*, স্কন্দ আৰু *পদ্মপুৰাণৰ* উত্তৰ খণ্ডত তুলসী সম্পৰ্কে কেবাটাও কাহিনী বিবৃত হৈছে। শেষোক্ত পুৰাণখনিৰ স্বৰ্গখণ্ডৰ মতে, দেৱাসুৰৰ সমুদ্ৰমন্থন কালত হৰিপ্ৰিয়া তুলসীৰ আৱিৰ্ভাৱ হয়। একেখনি পুৰাণৰ সাক্ষ্য মতে, তুলসী কানন সৰ্বপাপহাৰী। যিয়ে এই গছ ৰোৱে বা পালন কৰে, তেওঁৰ সৰ্বপাপ ক্ষয়প্ৰাপ্ত হয়। ইয়াৰ পাতত থাকে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ উপৰি দেৱগণ, গংগা আৰু পুষ্কৰাদি তীৰ্থ। তুলসীৰ পাত গাত লৈ ঢুকোৱা লোকজন গৈ বিষ্ণুলোক পায়গৈ। ইয়াৰ মূলগত জলপান কৰি চাণ্ডালো বৈকুণ্ঠ প্ৰাপ্ত হয়। সেইবাবেই অগণন ভক্তই আজিও তুলসী গুড়িত পানী দি গায়— 'বিষ্ণু প্ৰিয়া, ভক্তজনৰ জ্ঞানদাত্ৰী, জগদ্ধাত্ৰী, বিষ্ণু ভক্তি প্ৰদায়িনী তুলসী দেৱীক স্নান কৰাওঁ' (গোবিন্দ বল্লভাং দেবীং ভক্ত চৈতন্য কাৰিণীং। স্নাপয়তি জগদ্ধাত্ৰী বিষ্ণু ভক্তি প্ৰদায়িণীং।।) গা ধুওৱা কাৰ্যৰ পিছত সৌহাতেৰে এটা এটাকৈ তুলসীপাত চিঙি পাত্ৰত ৰখা উচিত। দ্বাদশী, অমাবস্যা, পূৰ্ণিমা, সংক্ৰান্তি, ৰোবাৰী পুৱা, কালসন্ধ্যা আৰু ৰাতিৰ পৰত তুলসী চিঙা নিষেধ। তুলসীৰ ডাল ভঙা বেয়া- শ্যামাপি তুলসী বিষ্ণোঃপ্ৰিয়া গৌৰী বিশেষতঃ (*পদ্মপুৰাণ*)। বগা আৰু কলা উভয় তুলসীয়ে বিষ্ণুৰ প্ৰিয়। তুলসীৰ

সৈতে ৰখা ফুল কেতিয়াও বাঁহী নহয়। তুলসীৰ প্ৰতি শ্ৰদ্ধা জনাই কাতি মাহত ভগৱান বিষ্ণুলৈ এশ আঠোটা পাত আগবঢ়োৱা ৰীতি বহু ঠাইত প্ৰচলিত। ঢিপত তুলসী পুলি ৰুই সদায় মচি গধূলি বেলা চাকি জ্বলাই নৈবেদ্য আগবঢ়োৱা দস্তুৰ অসমীয়া সমাজত আছে। অসমৰ পাতি ৰাভাসকলে মাৰৈ পূজাত তুলসীৰ ডাল-পাত ব্যৱহাৰ কৰে। কাৰ্বি জনগোষ্ঠীয়ে তুলসীক পূজাৰ সামগ্ৰী ৰূপে গণ্য কৰে। অসমৰ কাতিবিহুত তুলসী তলত চাকি জ্বলাই বিভিন্ন কৃত্যৰ মাজেদি আনন্দ উপভোগ কৰাটো কাৰো অচিনাকি নহয়। হাজোৰ হয়গ্ৰীৱ মন্দিৰত তুলসীৰ মালাৰ গুৰুত্ব অপৰিসীম। মহাপুৰুষীয়া সত্ৰসমূহতো তুলসীমালাৰ ব্যাপক প্ৰচলন চকুত পৰে। *আয়ুৰ্বেদত* তুলসীৰ গুণা গুণ ভালেখিনি বিবৃত হৈছে। ই শ্লেষ বাত-ক্ৰিমি নাশক, ৰুচি কাৰক, উষ্ণ, ক টুত্ব আৰু তিক্ত গুণ যুক্ত। ছালৰ বেমাৰৰ ই মহৌষধ। অসমীয়া মানুহে মৌজলৰ সৈতে তুলসীৰ ৰস মিহলাই কাহ-কফ আতৰায়। শুকান পাতৰ গুড়িৰে নাকৰ বেমাৰ ভাল কৰে। অসমীয়া প্ৰবাদ-প্ৰবচনতো তুলসীৰ নাম পোৱা যায়। যেনে- তুলসীৰ লগত কলপটুৱাৰ মুক্তি হোৱা, তুলসী পতীয়া বামুণ (অতিৰিক্ত নৈষ্ঠিক বামুণ), তুলসীৰ পাত কেনে? কৌ পাত যেন তেনে; দিলে তুলসী নিদিলে মাটি। শুৱলৈ নাপালো পুৱালে ৰাতি। এনেদৰে অসমীয়া সংস্কৃতিত তুলসীয়ে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে।

না.দা.

**।। অসাৰকো পন্দ্ৰ ।।**

*অসাৰকো পন্দ্ৰ* অৰ্থাৎ আহাৰ মাহৰ পোন্ধৰ তাৰিখ। এই দিনটো নেপালী সম্প্ৰদায়ৰ লোকসকলে এক বিশেষ দিন হিচাপে পালন কৰি আহিছে। কৃষিজীৱী নেপালী জনগণে নিৰ্দিষ্ট এই দিনটোত পথাৰত প্ৰথম ভুঁই ৰোৱা পৰ্ব আৰম্ভ কৰে। মনকৰিবলগীয়া যে, এই দিনটোত *দহি-চিউৰা* (দৈ-চিৰা) খোৱাৰ এক বিশেষ নিয়ম আজিও নেপালী সমাজত প্ৰচলিত। *দহি-চিউৰা* খোৱাৰ এই প্ৰসংগটোৰ উল্লেখ আনকি নেপালী *বাৰমাসে* (বাৰমাহী) গীতটো পোৱা যায়—

*অসাৰকো পন্দ্ৰ দহি চিউৰা খানু। সবতীৰ্থ ছোড়ী মালিকা জানু।।* অৰ্থাৎ
*আহাৰ মাহত দৈ চিৰা খাবা । আন তীৰ্থ এৰি মালিকা যাবা।।*

আকৌ আহাৰ মাহৰ এই ভুঁইৰোৱা সময়ছোৱাত ৰোৱনী আৰু হালোৱাৰ মাজত ৰতিৰস সম্পৰ্কীয় কিছুমান উচ্ছ্বাসপূৰ্ণ গীতমাত চলে। এই গীতবোৰ *অসাৰে* বা *ৰসিয়া* গীত বুলি জনা যায়।

নি.চ.

**।। অক্ষয়বস্তি ।।**

বৰপেটা সত্ৰৰ থূল উজনিৰ কমলাবাৰী, জৰাবাৰী আদিৰ উপৰি দামোদৰী পন্থৰ

কিছু সংখ্যক সত্ৰৰ এটি চকুত লগা সম্পদ হ'ল - অক্ষয়বন্তিৰ স্থিতি। যি গছি বন্তি জ্বলোৱা দিন ধৰি জ্বলি থাকে, কোনো দিনে নুনুমায়, সেয়ে অক্ষয়বন্তি। এই শব্দটোৰ সমাৰ্থক আনটো শব্দ হ'ল - অখণ্ড প্ৰদীপ। কোচ ৰজা ৰঘুদেৱে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰ পুনৰ্নিৰ্মাণ কৰি তাত অখণ্ড প্ৰদীপ প্ৰজ্জ্বলনৰ নিৰ্বন্ধন কৰা কথা *দৰং ৰাজবংশাবলীত* বিবৃত হৈছে (পদ ৬৮৩) এই অখণ্ড প্ৰদীপ প্ৰজ্জ্বলনত যাতে কোনো ধৰণৰ বাধা নপৰে, তালৈ লক্ষ্য ৰাখি আহোম স্বৰ্গদেৱ গৌৰীনাথ সিংহই দুই ব্যক্তিক ১৭১০ শকত ৭২৭ পুৰা মাটি তাম্ৰফলি কৰি দিয়াটো তাৎপৰ্যপূৰ্ণ (*প্ৰাচ্য শাসনাৱলী,* ফলি নং ৮৮)। অক্ষয় বন্তি বৈষ্ণৱ সজ্জনৰ দৃষ্টিত ধৰ্মবিশ্বাসৰ প্ৰতীক- নৈমিষাৰণ্যত সৌনকাদি মুনিসকলে সহস্ৰ বৰ্ষ জুৰি অনুষ্ঠিত কৰা সত্ৰানুষ্ঠানৰ গৌৰৱোজ্জ্বল কথা ই যেন সোঁৱৰাই দিয়ে। মহাপুৰুষ মাধৱদেৱে বৰপেটাত প্ৰকাণ্ড বগুিয়াল ঘৰ মুকলি কৰা কালত গুৰু আসনৰ সমুখত জয়জয়তে এগছি বন্তি জ্বলাই দিছিল। সেই বন্তি অক্ষয়বন্তিৰ দৰে জ্বলি থকাৰ থকাৰ আশা কৰা হৈছিল। পিছত জুই লাগি সেই ঘৰ ভষ্মীভূত হ'ল, কিন্তু সেই দিনাই মথুৰাদাস আতাৰ ঘৈণীয়েকে জুই ছাই আঁতৰাই পোৱা ভিটাৰ বন্তি গছি নতুনকৈ জ্বলাই দিছিল। *কথা-গুৰু-চৰিতত* আছে 'কেনে, আমাৰনো পোৱাভিটাত বন্তি জ্বলিছেনে? বোলে বাপ সেই নিশাই চাই গুচাই বালাই মাক আএ লগালে, একনিশা দিয়া খতি নাই।' (পৃষ্ঠা ৫১৩)। সেই গছি বন্তিয়ে আজিও জ্বলি আছে। বন্তিৰ বাবে যাতে তেলৰ অভাৱ নহয় তালৈ লক্ষ্য ৰাখি সত্ৰৰ ভঁৰালত মিঠাতেল মজুত ৰখাৰ ব্যৱস্থা কৰাটো তাৎপৰ্যপূৰ্ণ। দক্ষিণকোলৰ চমৰীয়া সত্ৰতো অক্ষয়বন্তি উজ্জলি আছে। যদি কেতিয়াবা কিবা কাৰণত ইয়াৰ বন্তি নুমাই যায়, তেনেহ'লে বৰপেটাৰ বন্তিৰপৰা জুই আনি ইয়াক জ্বলাব লাগিব। দামোদৰী পন্থাৰ কিছুমখিনি সত্ৰতো এনেদৰে অক্ষয়বন্তি জ্বলাই ৰখা নীতি প্ৰচলিত হৈ আহিছে। বন্তিৰ স্থিৰ আলোকে ভক্তৰ অন্তৰ্জগত ভক্তিভাৱেৰে পূৰাই পেলায়। না. দা.

**।। আ-অলংকাৰ ।।**

অসমৰ বিগত কালৰ আ-অলংকাৰৰ বিষয়ে ভাস্কৰ্য, পুৰণি সাহিত্য আৰু লিপিসমূহৰপৰা এটি স্পষ্ট ধাৰণা কৰি ল'ব পাৰি। কুমাৰ ভাস্কৰবৰ্মাই হৰ্ষ-শিলাদিত্যলৈ পঠিওৱা বিভিন্ন উপঢৌকনৰ ভিতৰত গজমুক্তা খটোৱা বালা অন্যতম। বনমালবৰ্মাৰ তেজপুৰ শাসনকালত কিংকিণীৰ উল্লেখ আছে (কিংকিণীভিঃ)। সাধাৰণতে অলংকাৰসমূহ সোণ-ৰূপেৰে গঢ়োৱা হৈছিল আৰু মুৰৰপৰা ভৰিলৈকে তাক পৰিধান কৰিছিল। *কালিকা পুৰাণৰ* মতে ডিঙিৰ ওপৰত ৰূপৰ অলংকাৰ পৰিধান কৰা নহৈছিল, লো আৰু কাঁহৰ অলংকাৰ পিন্ধাটো নীতি-বিৰুদ্ধ আছিল। ভাস্কৰ্যসমূহে নাখৰ পতোৱা হাৰ পিন্ধাটো নিশ্চিত কৰে। কাণত কুণ্ডল পিন্ধাও ভালে সংখ্যক ভাস্কৰ্যত দেখা যায়। মাধৱ কন্দলিৰ

*ৰামায়ণত* সীতা দেৱীলৈ উপহাৰ দিয়া 'বত্ৰিশ অলংকাৰ'ৰ কথা উল্লিখিত হৈছে। কন্দলিৰ ৰামায়ণত আঙুঠি, উজঝন্টি, কংকণ, কুণ্ডল, গজমুক্তা, নূপুৰ, বলয়, শলকা, সাতসৰি হাৰ আদিৰ নাম পোৱা যায়। বৈষ্ণৱ আৰু আহোম যুগত ভালে সংখ্যক সোণ-ৰূপৰ অলংকাৰৰ নাম পোৱা যায়। তলত কিছু সংখ্যকৰ নামোল্লেখ কৰা হ'ল - অৰ্ধচন্দ্ৰ শিৰোমণি (কাঁচি জোন গঢ়ি লটকনেৰে চিতি পতি), আঙুঠি (উকা আঙুঠি, চিৰিপতা আঙুঠি, জেঠীনেজী আঙুঠি, পদুমকলি আঙুঠি, বাখৰামি আঙুঠি, বাবৰি ফুলীয়া আঙুঠি, মৰানেজীয়া আঙুঠি, শেনেপতা আঙুঠি আদি), কংকণ, কংকালি, কৰধনি, কৰ্ণবালা, কলক, কঙ্কা, কাঞ্চি (কঁকালৰ হাৰ) কাণফুল, কানখিচা, কিংকণী (ভৰিৰ নূপুৰ), কুণ্ডল (কাণ ফুল), কেৰু (উকা কেৰু, কঁৰীয়া, জাংফাই কেৰু, জাংফাই থুৰীয়া, নেজেপতা, বাখৰ পতা সোণৰ থুৰীয়া, বাখৰ পতা ৰূপৰ থুৰীয়া, বৰৈ লগা কেৰু, লংকেৰু, লোকাপাৰ, কেয়ুৰ, খঞ্জাখিলি (লোকপাৰৰ দৰে কাণফুল), খাৰু, গল্লাব (কাণৰ কুণ্ডল), গামখাৰু (উকা ৰূপৰ, উকা সোণৰ আৰু বাখৰামি), চাকিশলা (ঘূৰণীয়া ফুলৰ চাকিৰদৰে বেৰী), চাৰিপতীয়া সোণৰ ডলা, জেঠী (চিতিপতিৰ জেঠী), জোনবিৰি, ঝুমকা, টাৰ (বাজু), ঢৰীয়াবিৰি, ঢোলবিৰি, দুগদুগী, নয়নমণি, ন-সৰী, নাকফুল, পাজোপ, পাৰ চকুৱা বিৰি, পেচন্দাৰ (দুগ্ দুগী), পোৱালমণি, ফুটি মণি, বাখৰপতা ৰূপৰ থুৰীয়া, বাখৰাম (কণ্ঠশোভা, চিটফুল), বানা, বালিচৰী, মণিমঞ্জীৰ (ভৰিৰ গহনা), মতামণি, মাদলি, মুকুতামণি, মুঠিখাৰু, শিলিখা বিৰি, সাতসৰি হাৰ (সাতডলীয়া স্বৰ্ণসূত্ৰ), সাতঢৰীয়া সোণৰ মণি ইত্যাদি।

না. দা.

**।। আইনাম ।।**

সৰলচিতীয়া অসমীয়া ধৰ্মপ্ৰাণা নাৰীৰ ভক্তি বিগলিত অন্তৰৰ পৰা নিগৰি ওলোৱা অসমীয়া লোক সাহিত্যৰ অন্যতম ঠাল আইনামবোৰৰ মাজেৰে তেওঁলোকৰ নাৰীসুলভ সৰল বিশ্বাস আৰু প্ৰগাঢ় ভক্তিৰ পৰিচয় পোৱা যায়। আইনামবোৰৰ অধিষ্ঠাত্ৰী দেৱী 'অম্বিকা চণ্ডিকা ভৱাণী কালিকা' বা শীতলা হ'লেও এই আটাইবোৰ নামে একেটাই মাথো অৰ্থ সূচনা কৰে - সেয়া হ'ল দেৱী পাৰ্বতী। সেইবাবে পাৰ্বতীকেই আইনামবোৰৰ অধিষ্ঠাত্ৰী দেৱী বুলি ক'ব পাৰি।

গাঁৱত যেতিয়া বসন্ত ৰোগে বা অইন কোনো ৰোগে দেখা দিয়েহি, তেতিয়া শীতলা দেৱীক মাতৃজ্ঞান কৰি অতি আপোনজন বুলি ভাবি একান্ত শ্ৰদ্ধা আৰু ভক্তি সহকাৰে নামবোৰৰ দ্বাৰা আহ্বান কৰা হয়। বসন্ত ৰোগে ভুমুকি মৰা গাঁও বা ৰোগীৰ ঘৰত আগলতি পাত বা নতুন কাপোৰেৰে ঢাকি কাঠৰ পীৰাৰ ওপৰত আঢ়ৈ চাউল আৰু বগা ফুল দি এখনি আসন আৰু আগত ধূপ-ধূনা নৈবেদ্যাদি তিৰোতাবোৰে

ভক্তিভাৱে ৰোগী বা ৰাইজৰ মঙ্গলৰ স্তুতি-মিনতি কৰে - 'আইকে প্ৰণাম কৰোঁ, দুই চৰণে ধৰোঁ। আইৰ চৰণত ভক্তি কৰি, সুখ সাগৰক তৰোঁ।।' কিন্তু আইসকলে ভাগৱতীক পাৰ্থিৱ যি বস্তুকেই উপচাৰ ৰূপে আগবঢ়াই সন্তুষ্ট কৰিব খোজে সেই বস্তুৱেই কিবা কাৰণে অপবিত্ৰ, সেইকাৰণে পুৰা-গধুলি নাম পূজাৰে পূজিবলৈ দেৱীৰ ওচৰত আকুতি জনাইছে - 'যেই বস্তু দিওঁ মাতৃ সেই বস্তু চুৱা। আপোনাৰ নামে মাতৃ আপুনি সন্তোষ হোৱা'।।

আইনামবোৰৰ পৰা আইগোসাঁনীৰ ন ভনী বা বাৰ ভনীৰ কথা জনা যায় যদিও (সিপাৰে কোন যায়এ যাতেৰী লোক। নভনী বাৰভনীৰ নামক যাওঁ পাৰ কৰা মোক এ) আন কিছুমান নামত আকৌ শীতলা দেৱীৰ সাতভনীৰ কথাহে পোৱা যায় (উজাই আহিলে আইৰে সাতোভনী)।

আইনামবোৰৰ মাজেদি অসমীয়া সমাজ জীৱনৰ ধকুৱা চিত্ৰ প্ৰকাশ পোৱাৰ লগতে অসমীয়া জাতীয় বৈশিষ্ট্যও সুন্দৰকৈ ফুটি উঠিছে। ওচৰত থকা নদী, কপাহী কাপোৰ আদিৰ লগত অসমীয়া নাৰীৰ সম্বন্ধ আছে। সেয়েহে আইনামৰ মাজেদি বিৰিঙি উঠিছে কপাহী গামোচাৰ কথা - 'আইৰ পাৰ মচা কপাহী গামোচা' আৰু চিনাকি নদীৰ চিনাকি ঘাটৰ বৰ্ণনা 'পিছলাৰ ঘাটতে আয়ে পানী তোলে, তামৰে কলসী লৈ।'

আইনামবোৰ মূলত ভক্তিমূলক প্ৰশস্তি গীত হ'লেও ই একেবাৰে সাহিত্যিক গুণ বিবৰ্জিত ৰচনা নহয়। গীতবোৰৰ মাজত থকা কল্পনাৰ বৈচিত্ৰ, ভাষাৰ লালিত্য আৰু প্ৰকাশভংগীৰ স্বচ্ছতাই ইয়াৰ সাহিত্যিক সৌন্দৰ্য বহু পৰিমাণে বঢ়াই তুলিছে। সেয়েহে অনুভৱৰ আন্তৰিকতা আৰু আত্মনিবেদনৰ ভাব প্ৰকাশি উঠা আই নামবোৰে ভাল কবিতা বুলিও দাবী কৰিব পাৰে।

বৈ. ৰা.

**।। আইলা পূজা ।।**

দেৱী পক্ষৰ নৱমী তিথিত উত্তৰ কামৰূপৰ স্থান বিশেষৰ গাভৰু-তিৰোতা মিলি উদ্‌যাপন কৰা দেৱীৰ লৌকিক পূজাই আইলা বা আউলা পূজা। ড° হেমন্তকুমাৰ শৰ্মাই এই শব্দটোৰ বুৎপত্তি দেখুৱাই তিনি ধৰণে - ক। সংস্কৃত অন্দিকা শব্দৰপৰা অহা - আৰিয়া (পোহৰ) শব্দই লোকমুখত পৰি আইলা হৈছে, খ। সিঁচৰতি হৈ থকা অথবা ভাগৰিপৰা অৰ্থতো 'আইলা' ব্যৱহাৰ হ'ব পাৰে। আইলা পূজাৰ দিনা দেৱী পূজা সমাপ্তিৰ ফালে আগবাঢ়ে আৰু, গ। 'আকুলা' শব্দৰ পৰাও 'আইলা' শব্দ আহিব পাৰে। এই পূজা উপলক্ষে গাভৰু তিৰোতাসকলে ভালেসংখ্যক বাঁহৰ জোৰ জ্বলাই পোহৰ কৰি দেৱী-দুৰ্গাক পূজেঃ উদ্দেশ্য ভাল পিপিনী হোৱা আৰু মনোমত দৰা পোৱা। দেৱী পূজা উপলক্ষে অবিবাহিতা ছোৱালী কিছু সংখ্যক মিলি ৰাতিপুৱাৰ

ভাগতে ফুল-তুলসী সংগ্ৰহ কৰি কিছু বেলি হোৱাৰ লগে লগে পূজাৰ যোগাৰ কৰাত লাগে। পূজাৰ সামগ্ৰীৰ ভিতৰত চোতালত নহ'লে নামঘৰৰ সমুখত দেৱী প্ৰতিমা স্থাপনৰ কাৰণে চাৰি কোণী বেদী এখন সাজি তাত মণ্ডল সাজে। চাৰিকোণী বেদীৰ চাৰিও কোণত চাৰিটা কলপুলি ৰুই ৰচী মেৰাই তাত ৰং বিৰঙৰ কাপোৰ আৰু ফুলৰ মালা আঁৰি থয়। এই আসনত এটি মজু ৰাখি তাকে দেৱী দুৰ্গা ৰূপে কল্পনা কৰি চাকি-বন্তি, ধূপ-ধূনা জ্বলাই তেওঁলোকে ফুল-বেলপাতেৰে দেৱীক পূজা কৰি, নাম গাই সূতা কাটি কাপোৰ বয়। ওৰে নিশা এনেকৈয়ে পাৰ হয়। পুৱাৰ লগে লগে কাপোৰ বোৱা শেষ হোৱাত সেইখিনি দেৱী দুৰ্গালৈ উছৰ্গা কৰে। মহা নৱমী তিথিত গাভৰু-তিৰোতাসকলে ওৰে নিশা সূতা কাটি কাপোৰ বৈ গীত গায়, তাকে আউলা পূজাৰ নাম কোৱা হয়। এই গীত এনেধৰণৰ—

ঘোষা - আই নাৰায়ণী সিংহ বাহিনী পূজা লোৱা ঠাকুৰাণী হে।
মা হে নাৰায়ণী সিংহ বাহিনী, পূজা লোৱা ঠাকুৰাণী হে।।
পদ - অঞ্জলি অঞ্জলি দিছে পুষ্পাঞ্জলি।
দেৱী আইৰ চৰণত তল হে, মাই হে নাৰায়ণী!
আকাশত দেৱে পূজে, পাতালতে নাগে।
পৃথিৱীত মনুষ্যে পূজে নানান ভক্তি ভাৱে।
নাজানিলো তুতি ভক্তি এ নাজানিলো ভাৱ।
এখন্তেক তুষ্ঠ হ'বা ভগৱতী মাৱ।।

(কামৰূপী লোকগীতি সংগ্ৰহ)

না. দা.

**।। আওচা-পাটানি - পাচাৰা ।।**

অভিভক্ত গোৱালপাৰা জিলাৰ জনসাধাৰণে পৰিধান আৰু সাজপাৰৰ এটা সুকীয়া বৈশিষ্ট্য বৰ্তমান। ইয়াৰ পুৰুষসকলে পৰিধান কৰা কাপোৰখন নাম আওচা বা আংছা। কাপোৰখন দীঘলে ছয় হাত আৰু দীঘ-পথালি উভয়তে ধুতিৰ দৰে লেখিয়া সৰু পাৰিযুক্ত। লোক বিশ্বাস অনুযায়ী ছহতীয়া আওচাখনি ষড়ৰিপু দমনৰ অন্যতম আহিলা। অৱশ্যে কোনো কোনো গোৱালপৰীয়া পুৰুষে কেতিয়াবা কেতিবায়া আওচাৰ পৰিৱৰ্তে গামোচাও পৰিধান নকৰা নহয়। গোৱালপৰাৰ তিৰোতাসকলে পৰিধান কৰা অধোবস্ত্ৰখনিৰ নাম-পাটানি। বড়ো তিৰোতাসকলে পিন্ধা দখনাৰে ইয়াৰ কিছু সাদৃশ্য থাকিলেও দখনাৰ দীঘে পথালিয়ে ফুল দেখা যায়; কিন্তু পাটানিত ফুলৰ পৰিৱৰ্তে পাৰি থাকে আৰু সেইখনি যথেষ্ট বহল। কাপোৰখনিয়ে বুকুৰপৰা ভৰিলৈ ঢাকি ধৰে। পাটানিৰ পাৰি পাঁচোটা যদিও আজিকালি তাৰ সংখ্যা তিনিলৈ অৱনমিত হ'ল। পাচাৰা হ'ল ম্লাৰকালি উৰা কাপোৰ।

ইয়াক এণ্ডি আৰু সূতা উভয়ৰে প্ৰস্তুত কৰা হয়। এৰিসূতাৰে প্ৰস্তুত কৰা কাপোৰখন এৰি পাচাৰা অথবা এণ্ডি। অঞ্চল বিশেষে ইয়াক টানা, ফোটা আদিও বোলে। ঠাণ্ডা দিনত যে পাচাৰাখন অতি প্ৰয়োজনীয় বস্ত্ৰ, তাক লোক গীতে প্ৰমাণ কৰে - ছাতা লাঠী টানা/তাক চাৰিলে দিনতে কানা। আন এটা লোক গীততো আছে — 'অ' কি অৰে পতিধন/পাচাৰা লাগোয়া খৈছুং শালত/গঢ়াবাৰ সূতা নাই//

(অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিবেশনৰ স্মৃতি গ্ৰন্থ *চান্দৰ ডিঙাত* প্ৰকাশিত পৱিত্ৰকুমাৰ নাথৰ 'গোৱালপৰীয়া লোক সংস্কৃতিত কাপুৰ কানি' নিবন্ধৰ আধাৰত যুগুতোৱা।) না দা.

**।। আকাশবন্তি ।।**

আহিন কাতি মাহত পথাৰত গৰ্ভৱতী শইচ। গৰ্ভৱতী নাৰীক ঘৰখনে, সমাজখনে সতৰ্ক দৃষ্টিত ৰখাৰ দৰে আমাৰ পথাৰৰ লখিমীকো কৃষিজীৱী সমাজখনে আটোম-টোকাৰিকৈ ৰাখিবলৈ যত্ন কৰে যাতে অপায় অমংগল স্বৰূপ পোক পতংগই এই গৰ্ভৱতী লখিমীক কোনো অনিষ্ট সাধন কৰিব নোৱাৰে। সেয়ে আহিন কাতিৰ সংক্ৰান্তিৰপৰা সমগ্ৰ কাতি মাহজুৰি পথাৰত সন্ধিয়া আকাশবন্তি জ্বলোৱা হয়। পথাৰত তেল শলিতাৰ চাকি জ্বলোৱাৰ উপৰি বিভিন্ন উপায়েৰে বন্তি বা জোৰ জ্বলায়। ফলত এই বন্তি শিখাত পোক-পতংগবোৰে আত্মাহুতি দিয়ে অথবা আঁতৰি যায়। বাঁহ বা কাঠৰ টুকুৰা জোৰা দি ওপৰমূৰটোত বন্তি গছি কাযদাকৈ থাপন কৰি সমগ্ৰ নিশা জুৰি জ্বলোৱা হয়। কোনো কোনো অঞ্চলত নিজ ঘৰৰ চোতালত অথবা ভঁৰাল ঘৰৰ কাষত আকাশবন্তি জ্বলায়। সমগ্ৰ কাতিমাহ জুৰি অসমত হিন্দুসকলে ভঁৰালঘৰৰ সমুখত থকা তুলসীজোপাৰ গুৰিত নাইবা ভঁৰাল ঘৰৰ সমুখত মাটি চাকিৰ বন্তি জ্বলায়। সমগ্ৰ অসমৰ মঠ-মন্দিৰ, সত্ৰসমূহত চাকিবন্তি জ্বলাই কীৰ্তন ভাগৱত অথবা অন্যান্য ধৰ্ম গ্ৰন্থ পাঠ কৰা হয়। অকল অসমতেই নহয় পশ্চিমবংগতো সমগ্ৰ কাতি মাহত আকাশ দীপ অথবা আকাশ প্ৰদীপ জ্বলায়। সূৰ্যই এইখিনি সময়ত তুলাৰাশিৰ অৱস্থান কৰাৰ বাবে সন্ধিয়া ভগবান বিষ্ণুক তেলৰ বন্তিৰে আবাহন কৰা হিন্দু ধৰ্মৰ এক বিশিষ্ট অংগ। এই বন্তি প্ৰজ্বলনৰ ফলত স্বৰ্গগত পৰিয়ালৰ আত্মাই সন্তুষ্টি লাভ কৰে ফলত পৰিয়ালত শান্তি বিৰাজ কৰে। মানুহৰ লোক বিশ্বাস সমগ্ৰ কাতিমাহ জুৰি কাৰ্তিক দেৱতাই গৰ্ভৱতী লখিমীক পহৰা দিয়ে বাবেই পোহৰ জ্বলোৱা হয়।

প. ৰা.

**।। আখেৰী চাহাৰ ছোম্বা ।।**

আৰবী চফৰ মাহৰ শেষত যিটো বুধবাৰ পৰে তাকে আখেৰী চাহাৰ ছোম্বা কোৱা হয়। এই দিনটোতে হজৰত মোহম্মদ মোস্তাফা (দঃ) ৰোগমুক্ত হৈ গোছল

(স্নান) কৰিছিল। সেই কাৰণে এই দিনটোত গোছল কৰাটো ভাল। (মোস্তাহাব)।

এই তাৰিখত দুই ৰাকাত নফল নামাজ পঢ়া আৰু ধৰ্মমতে (শৰিয়ত) সম্মত আমোদ-প্ৰমোদ কৰা, ভাল বস্তু খোৱা আৰু ভাল কাপোৰ পৰিধান কৰাটো উত্তম কাম। নফল নামাজৰ পৰা চোৱাব (পুণ্য) হয় আৰু শাৰীৰিক উন্নতি হয়।

প. আ.

।। আখৈ ।।

আকাৰত কিছু ডাঙৰ বৰা ধান, গোমধান প্ৰভৃতি চালি-জাৰি লৈ ৰ'দত শুকুৱাই ফুলি উঠাকৈ মাটিৰ পাটচৰু অথবা লোৰ কেৰাহিত বালি দি জুইৰে ভাজি প্ৰস্তুত কৰা পুষ্টিকৰ খাদ্যই আখৈ (স. *খদিকা,* বাংলা *খই*)। উত্তৰ ভাৰতত আখৈৰ ব্যৱহাৰৰ ইতিহাস দীৰ্ঘ দিনীয়া। প্ৰাজপত্য বিবাহৰ লাজ-হোম অনুষ্ঠানত আখৈ নহ'লেই নহয়। এই অনুষ্ঠানত দৰা-কন্যা উভয়ে যজ্ঞ কুণ্ডৰ কাষলৈ আহি পূব ফালে মুখ কৰি ঠিয় হোৱাৰ পিছত কন্যাই দক্ষিণফালে থাকি নিজৰ হস্তাঞ্জলি দৰাৰ হস্তাঞ্জলিৰ ওপৰত ৰখাৰ পিছত কন্যাৰ ভায়েকে বাঁওহাতেৰে আখৈৰ পাত্ৰটো ধৰি দৰা-কন্যাৰ মিলিত হস্তাঞ্জলিৰ ওপৰত সোঁহাতেৰে দুবাৰ আখৈ দিব লাগে। সেই আখৈত অলপ ঘিউ সিঁচি দিয়া প্ৰয়োজন। পিছত সেই আখৈ এবাৰ এবাৰকৈ তিনিবাৰ জুইত আহুতি ৰূপে প্ৰদান কৰি কন্যাই তিনিটা মন্ত্ৰ উচ্চাৰণ কৰিব লাগে- ১. ওম্ আৰ্যমনং দেৱং কন্যা অগ্নিময়ক্ষত। স নো অৰ্যমা দেৱঃ প্ৰেতো মুঞ্চতু মা পতেঃ স্বাহা।। ইদমৰ্যম্ণে অগ্নয়ে- ইদন্ন মম।।, ২. ওম্ ইয়ং নাৰ্যুপব্ৰূতে লাজা নাবপন্তিকা। আয়ুষ্মানস্তু মে পতিৰে ধন্তাং জ্ঞাতয়ো মম স্বাহা।। ইদ মগ্নয়ে - ইদন্ন মম।।, ৩. ওম্ ইমা ল্লাজ-অনাবপাম্যগ্নৌ সমৃদ্ধিকৰণং তব। মম তুভ্যং চ সংবননং তদগ্নিৰ নুমন্যতা মিয়তং স্বাহা।। ইদ মগ্নয়ে — ইদন্ন মম।। অসমৰ বিয়াতো এই প্ৰথা আছে। দহা কৰ্মত নদী বা পুখুৰীৰ পাৰলৈ গৈ মাটিৰ চৰুত আখৈ ফুটাই তাৰে লাৰু বান্ধি পিণ্ড আগবঢ়োৱা হয়। তোলনি বিয়াত পুষ্পিতা হোৱাৰ তৃতীয় দিনা মোমায়েকৰ ঘৰত আখৈ ভাঁজোতে আখৈ গোটা হ'লে ছোৱালীজনীয়ে ভৱিষ্যতে ল'ৰা আৰু পাহিমেলা হ'লে ছোৱালী জন্ম দিয়ে বুলি লোক বিশ্বাস আছে। মাত নোলোৱা ল'ৰা-ছোৱালীক গাখীৰেৰে আখৈ খুৱালে মাত ওলায় বুলিও আন এটা লোক বিশ্বাস নথকা নহয়। গাখীৰৰ সৈতে আখৈ খোৱাটো সাধাৰণ দস্তুৰ। কোনো কোনোৱে চেনি বা গুড় জুলীয়া কৰি লাডু বান্ধে। তাৰ নাম আখৈ লাডু। আখৈক লৈ অসমীয়াত একাধিক খণ্ডবাক্যৰ সৃষ্টি হৈছে। যেনেঃ - আখৈ-গৰীয়া, আখৈ-তোলা, আখৈ ফুটা দিয়া, আখৈ ফুটি ধান নুফুটা আদি। ইয়াক লৈ সৃষ্টি হোৱা প্ৰবচন এটা এনেধৰণৰ-

আখৈৰ তপত, তিৰীৰ শপত, লুইতৰ বালি/ ইয়াত সজাত গ'লে দিনতে চকু খালি।।

না.দা.

।। আখৈতোলা ।।

বৈদিক লজ্জাহোমৰ ক্রিয়াকে অসমীয়াত আখৈতোলা কোৱা হয়। ই এটি মাংগলিক কাৰ্য। বিয়াৰ দিনা কন্যাৰ মাকে আখৈ ভাজে। আখৈ ফুটিলে ভাল, নুফুটিলে অমংগলৰ আগজাননী বুলি কোৱা হয়। ভাযেকে দিনৰ দিনটো উপবাসে অথবা নিৰামিষে থাকি লজ্জাহোমৰ কালত কন্যাৰ হাতত আখৈ তুলি দিয়ে। সেই আখৈ কন্যাই নিজে যজ্ঞাগ্নিত প্রদান কৰিব লাগে যদিও তেওঁৰ হৈ দৰাযে তাক অৰ্পণ কৰে আৰু অৰ্পণ কৰা কালত দৰাই বাঁওহাতৰ বুঢ়া আঙুলিত ধৰি কয় - 'হে প্রিয়ে, সৌভাগ্য লাভৰ বাবে মই তোমাৰ পাণি গ্রহণ কৰিলোঁ। তোমাৰ স্বামীয়ে যাতে বৃদ্ধকাল অবধি জীয়াই থাকি তোমাৰ দায়িত্ব বহন কৰিব পাৰে, তাৰ বাবে অৰ্যমা, সবিতা, পাবন্দি আদি দেৱতাই তোমাক মোৰ হাতত আজি অৰ্পণ কৰিছে।'

না দা

।। আগ অনা ।।

আগ অনা কৃষি চপোৱাৰ প্রাৰম্ভিক মাংগলিক প্রথা। আঘোণ মাহৰ প্রাৰম্ভৰেপৰা ইয়াৰ শুভ-আৰম্ভ। সোম, বুধ আৰু বৃহস্পতি - আগ অনাৰ বাবে প্রশস্ত বাৰ। অৱশ্যে সেই দিন কেইটাত অমাৱস্যা, একাদশী বা পূর্ণিমা হ'লে আগ অনাটো নিষেধ। সাধাৰণতে দিনৰ প্রথম প্রহৰতে আগ অনা হয়। ধানৰ আগ আনিবৰ দিনা চোতাল আৰু ভঁৰাল ঘৰটো গোবৰ মাটিৰে লিপাটোও সাধাৰণ নিয়ম। পুৱাৰ পৰতে গা-পা ধুই তিতা কাপোৰখন নসলোৱাকৈ ডিঙিত আন এখনি কাপোৰ মেৰাই আগলি কলপাত আৰু কাঁচি এখনি লৈ পথাৰলৈ গৈ লখিমীলৈ সেৱা জনাই পূব অথবা দক্ষিণ মুৱাকৈ একে উশাহতে তিনি বা পাঁচটা পকা ধানৰ শীহ কাটি আগলি কলপাতখনত ভালদৰে মেৰাই ভক্তিভাৱে মূৰত তুলি লৈ ঘৰলৈ প্রত্যাবর্তন কৰে। অঞ্চল বিশেষে আগ আনিবলৈ যাওঁতে আগলি কলপাতৰ উপৰি অনাকটা কাপোৰ এখন আৰু দোণ এটিও লগত লৈ যায়। পথাৰত দোণৰ ওপৰত কাপোৰ আৰু আগলতি কলপাতখনি থৈ ধানৰ শীহ কাটি আনি মেৰাই লয়। আগ লৈ উভতি আহোঁতে কোনো ফালে চোৱা আৰু কাৰো সৈতে কথা পতা নিষেধ। ধানৰ আগ অনা মানুহজন আহি পদূলি মুখ পোৱাৰ লগে লগে ঘৰৰ জ্যেষ্ঠজনে পাণ এপাতেৰে বা দি অথবা চৌবৰেৰে বিচি ভঁৰাললৈ আগবঢ়াই নিয়ে আৰু আগৰেপৰা সজাই থোৱা পীৰাখনিত কলপাতেৰে মেৰাই অনা ধানৰ শীহ কেইটা পূব অথবা দক্ষিণ মুৱাকৈ থৈ বিচনিৰে বা দি চাকি-বন্তি আৰু ধূপ-ধূনা জ্বলাই প্রসাদ এখনো আগবঢ়ায়। কোনো কোনোৱে সন্ধিয়া পৰত ভকত সজ্জনক মাতি আনি এক অধ্যায় গীতা অথবা ভাগৱত পাঠ কৰে। আগ অনা পৰ্ব ইমানতে ইতি পৰে। বহুতে সেইদিনা নিৰামিষ খায়। তিনি দিনৰ মূৰত ধানৰ শীহ কেইটা ভঁৰালৰ খুটাত

বান্ধি থয়। ঘৰৰ মাংগলিক কৰ্মত তাক ব্যৱহাৰ কৰে। আগ অনাৰ পিছৰেপৰা পথাৰত ধান কটা আৰু ঘৰলৈ ধানৰ ভাৰ অনা আৰম্ভ হয়।

না. দা.

**।। আঙঠি ।।**

হাতৰ আঙুলিত পিন্ধা ঘূৰণীয়া গঢ়ৰ অলংকাৰ। সোণ, ৰূপ, তাম, পিতল, শংখ, হাতীদাঁত আদি বিভিন্ন ধাতু আৰু পদাৰ্থেৰে আঙঠি গঢ়োৱা হয়। আঙঠিৰ আৰ্হিবোৰ জীৱ-জন্তু, গছ-লতা, তৰু-তৃণ, ফুল-ফল আদিত আৰ্হিত গঢ়োৱা হয়। আৰ্হি অনুযায়ী আঙঠিবোৰ বিভিন্ন নাম দিয়া হয়। যেনে- কেৱল সোণৰে গঢ়া উকা আঙঠি, বাখৰ পতা আঙঠি, জেঠিনেজীয়া আঙঠি, সৰুদৈয়া জাপি আকৃতিৰ আঙঠি, গৰু চকুৱা আঙঠি, শেনপতা আঙঠি, হৰিণচকুৱা আঙঠি, ম'ৰাপখীয়া পদুমকলি, চিৰিপতা হীৰাপতোৱা, বাৱৰিফুলীয়া, মাছ আঙঠি, সাপ আঙঠি, পোহাৰী আঙঠি ইত্যাদি। আন এবিধ আঙঠি হ'ল তৰ্জনী আঙঠি। পুৰুষে তৰ্জনী আঙুলিত এই আঙঠিটো পৰিধান কৰিছিল। হীৰা পতোৱা আঙঠি বিধ বৰ মূল্যবান আছিল বাবে আগতে ৰজা-মহাৰজাইহে ইয়াক পৰিধান কৰিছিল। আন এবিধ বিশেষ আঙঠি আছিল *টিক ধৰা আঙঠি* । সোণ আৰু ৰূপ মিহলি কৰি এই আঙঠিটো গঢ়োৱা হৈছিল। বিৱাহৰ নীতি-নিয়মতহে এই আঙঠিটো ব্যৱহাৰ কৰা হয়। বাখৰ পটোৱা আঙঠিটোত বিভিন্ন ৰঙৰ বাখৰ খজা থাকে। পোহাৰী আঙঠিটো পোহাৰীবিলাকে মূৰত লৈ ফুৰোৱা পাচিটোৰ দৰে । মিনা কৰা আঙঠিত ৰঙা, সেউজীয়া আদি মিনা কৰোৱা হয়। পুৰুষে পিন্ধা *মোহৰ আঙঠিটো* মোহৰৰ সাঁচ দি গঢ়োৱা । ই অভিজাত্য আৰু চহকী শ্ৰেণীৰ সূচনা কৰে। আঙঠিয়ে হতাশা, হৃদৰোগ, মানসিক উত্তেজনা আদি দূৰ কৰে। বেলেগ বেলেগ আঙুলিত আঙঠি পৰিধান কৰাৰ ফলত ভিন্ন ভিন্ন বেমাৰৰ উপশম হয়। কনিষ্ঠ আঙুলিত আঙঠি পৰিধান কৰিলে হতাশা, মূৰৰ বিষ, জ্বৰ আদি ৰোগৰপৰা আৰাম পোৱা যায়। অষ্ট ধাতুৰ আঙঠিত পাথৰ লগাই পিন্ধিলে পিন্ধোতাৰ শক্তিৰ বিকাশ হয়। সোণ-ৰূপৰ পৰশে চৰ্মৰোগ নিৰাময় কৰে। খাদ্যবস্তুত সোণ-ৰূপৰ পৰশ পৰিলে ই বিশুদ্ধ হয় বুলি বিশ্বাস আছে। অৱশ্যে আঙঠিৰ ভিতৰফালে সদায় পৰিষ্কাৰ কৰি ৰখা প্ৰয়োজন। নহ'লে ইয়াৰপৰা নানা প্ৰকাৰৰ বীজাণু সংক্ৰমণ হৈ চৰ্মৰোগ বিয়পাৰ সম্ভাৱনাহে অধিক।

প্ৰ.শ. গো.

**।। আঙঠি পিন্ধোৱা ।।**

অসমীয়া বিৱাহ পদ্ধতিত আঙঠি পিন্ধোৱা এটা উল্লেখযোগ্য মাঙ্গলিক পৰ্ব। পূৰ্বতে এই পৰ্বটো সীমিত ভাৱে অনুষ্ঠিত কৰা হৈছিল যদিও বৰ্তমান ইয়াক অতি জাক জমকতাৰে

অনুষ্ঠিত কৰা হয়। সাধাৰণতে বিয়াৰপৰা প্ৰায় এমাহ দুমাহমান আগত এই আঙঠি পিন্ধোৱা পৰ্বটো অনুষ্ঠিত কৰা হয়।

আঙঠি পিন্ধোৱাৰ বাবে দৰাঘৰৰ লোকসকলে আগবেলাৰ ভিতৰতে কইনা ঘৰলৈ প্ৰস্থান কৰে। উক্ত দিনা দৰাৰ লগত দৰাৰ বন্ধু-বান্ধৱ, ভাই-ভনী, ভাগিন আদি লোকসকল যায়। আঙঠি পিন্ধোৱাত একমাত্ৰ নবৌৱেকৰ বাদে আন দৰাতকৈ জ্যেষ্ঠ ব্যক্তি যাব নাপায়। সমগ্ৰ অসমতে এই পৰ্বটোৰ প্ৰচলন আছে যদিও ঠাই বিশেষে ইয়াৰ ৰীতি নীতিৰ কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। আঙঠি পিন্ধোৱাত সম্ভাৰ হিচাপে কাপোৰ এজোৰ (ঠাই বিশেষে বেছিও দিয়ে), আঙঠি, সিন্দূৰ, আৰ্চী-ফণি, সুগন্ধি তেল, তামোল-পাণ (কোনো কোনো অঞ্চলত তামোলৰ থোক আৰু পাণৰ গোট এটা) নিয়ে। কইনা ঘৰ পোৱাৰ পিছত কইনা ঘৰৰ লোকসকলে দৰাঘৰৰ লোকসকলক নঙলা মুখৰ পৰা আদৰি নি নিৰ্দিষ্ট স্থানত বহিবলৈ দিয়ে। দৰা ঘৰৰ পৰা নিয়া পাৰীত কইনাক বহুৱাই কাপোৰ, আৰ্চী ফণি, সুগন্ধি তেল আদি প্ৰদান কৰে। তাৰ পিছত দৰাই কইনাক আঙঠিৰে শিৰত তলৰপৰা ওপৰলৈ তিনিবাৰ সিন্দূৰ দিয়ে আৰু আঙঠিটো কইনাৰ সোঁহাতৰ আঙুলিত পিন্ধাই দিয়ে। পিছত কইনায়ো দৰাক আঙঠি পিন্ধায় আৰু দৰাৰ ভৰি চুই সেৱা কৰে। সকলো কাৰ্য শেষ হোৱাৰ পিছত দৰা -কইনাই এক লগ হৈ থাপনাৰ ওচৰত আঁঠু লৈ ভগৱানলৈ সেৱা আগবঢ়ায়। পিছত কইনাই দৰাঘৰৰ লোকসকলক *মান* ধৰে। দৰাঘৰৰ লোকসকলক কইনা ঘৰত বিশেষভাৱে চাহ-ভাতেৰে আপ্যায়ন কৰা হয়। কি.ক.

**।। আঙঠি লুকোৱা খেল।।**

অসমীয়া বিয়া উৎসৱত আঙঠি লুকোৱা খেল এটি এৰাব নোৱাৰা অনুষ্ঠান। দৰা-কইনাৰ বিয়া হৈ যোৱাৰ পিছত উভয়ৰে ঘৰতে এই খেল অতি আমোদজনক খেল হিচাপে গণ্য কৰা হৈ আহিছে। বিবাহৰ অন্তত কইনা ঘৰত দৰা-কইনাক ঘৰত বহুৱাই কইনাৰ ভনীয়েক-মাহীয়েক-ভতিজা ছোৱালীহঁতে এই খেল পাতে। এটা খৰাহী বা দুণিত চাউল ভৰাই লৈ দৰা-কইনা দুয়োৰে দুটা আঙঠি চাউলৰ মাজত ভৰাই দিয়া হয়। দৰাই লুকুৱালে কইনাক আৰু কইনাই লুকুৱালে দৰাক চাউলৰ মাজত আঙঠি বিচাৰিবলৈ দিয়া হয়। আঙঠি লুকুৱা খেলৰ অৰ্থ হ'ল গাৰ্হস্থ্য জীৱনত ঘৰুৱা সা-সম্পত্তি বা ধন বিতৰ একোটা অংশ লুকুৱাই ৰাখি ঘৰুৱা জীৱনটো স্বচ্ছল কৰি ৰখাটো। দৰা-কইনা দুয়োয়ে আঙঠি লুকুৱাই ঘৰুৱা জীৱনত সুখ-শান্তি অনাৰ লগতে সম্পত্তিৰ ওপৰতো লক্ষ্য ৰাখে। কইনা ঘৰৰ দৰে দৰা ঘৰতো ন-কইনা ঘৰ সোমোৱাৰ পিছত এই খেল চলে। অসমীয়া বিবাহ অনুষ্ঠানত এই খেল অতি আমোদজনক। এই আঙঠি লুকুৱা খেলৰ মাজেৰে দাম্পত্য জীৱনৰ সুখ-শান্তি আৰু স্বচ্ছল পাৰিবাৰিক জীৱনৰ কামনা কৰা হয়। এই অনুষ্ঠান চলি থাকোঁতে দৰা ঘৰে কইনাঘৰক আৰু কইনা ঘৰে দৰা ঘৰক লৈ নানান ৰগৰ কৰা

দেখা যায়। কেতিয়াবা ৰগৰৰ মাত্ৰা চৰি গৈ দুয়োপক্ষৰ মাজত কাজিয়াৰো সূত্ৰপাত হয়। তথাপি প্ৰাচীনকালৰেপৰা এই খেল আমাৰ সমাজত চলি আছে। ই কোনো বৈদিক বা শাস্ত্ৰ সন্মত অনুষ্ঠান নহয়। বৰং ইয়াক এটা স্ত্ৰীলোকাচাৰ বুলিহে ক'ব পাৰি। দুয়োখন ঘৰতে আঙঠি লুকুৱা খেলৰ অন্তত দৰাই কইনাক আঙঠিটো পিন্ধাই দিয়ে আৰু কইনাই সেৱা জনাই দৰাক আঙঠিটো ঘূৰাই দিয়ে। কোনো কোনো ঠাইত আজি-কালি ইয়াৰ লগতে দৰা-কইনাক হাতেৰে তামোল বা নাৰিকল ফালিবলৈও দিয়া হয়।

ম. গো.

।। **আজান ফকীৰ** ।।

যিসকলে মুছলমান ধৰ্মগুৰুৱে পবিত্ৰ বাণীসমূহ সহজ-সৰল ভাষাত জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল, তাৰ ভিতৰত আজান ফকীৰ অন্যতম। আজান ফকীৰৰ অন্য নাম শ্বাহ মিলন। শ্বাহ মিলন পূৰ্বতে অসমৰ লোক নাছিল বুলি বহুতে ক'ব খোজে। কিছুমানে তেওঁক আজমীৰৰপৰা, আন কিছুমানে আৰব দেশৰপৰা অহা বুলি ধাৰণা কৰে। দুই-এটা জিকিৰতো এনে উল্লেখ পোৱা যায় - 'ভিখাৰী আজানে কয় আহো পৰদেশ', 'ভাটীৰপৰা আহিল চাহাব আটাই ডাঢ়ি পকা।' অৱশ্যে এনেকুৱা প্ৰমাণৰ ভেটিত আজান ফকীৰক অসমৰ বাহিৰৰপৰা অহা লোক বুলি থিৰাংকৈ ক'ব নোৱাৰি। কিয়নো জিকিৰত উল্লেখ থকা *পৰদেশ, ভাটী* শব্দই অসমৰ পশ্চিম অঞ্চলৰ কামৰূপ, গোৱালপাৰা আদি ঠাইকো নিৰ্দেশ কৰিব পাৰে।

আজান ফকীৰৰ সময় সম্পৰ্কে বিভিন্ন পণ্ডিতে মত পোষণ কৰে। চৈয়দ আব্দুল মালিকে আজান ফকীৰৰ বংশাৱলী আৰু ঐতিহাসিক ঘটনাবোৰৰ বিভিন্ন দিশ বিশ্লেষণ কৰি কৈছেঃ 'মুঠতে যদি আজান চাহাবে ১৬৩৫ চন মানৰপৰা ১৬৯০ চন মানলৈকে অসমত আছিল বুলি ধৰা হয় তেনেহলে জিকিৰত উল্লেখ কৰা 'দহ শ বাৰন্ন হিজিৰি' আৰু ১৬৮৮ চনত চকু কঢ়োৱাৰ কথা সঁচা বুলি সাব্যস্ত হয়।' অৱশ্যে অসম বুৰঞ্জীয়েও কয় ৰূপাই দা ধৰাই আজান ফকীৰৰ চকু কাঢ়ে ১৬০৮ শকত। ড° সত্যেন্দ্ৰ নাথ শৰ্মা ডাঙৰীয়ায়ো আজান ফকীৰৰ সময় সপ্তদশ শতিকাৰ শেষ ভাগ বুলি ইংগিত দিছে- 'শ্বাহমিলন বা আজান ফকীৰে সপ্তদশ শতিকাৰ শেষ ভাগত জিকিৰ ৰচনাৰ সূত্ৰপাত কৰে।'

আজান ফকীৰে পবিত্ৰ ইছলাম ধৰ্ম প্ৰচাৰ কৰি থাকোঁতেই আহোম ৰজাই ধৰাই নি ৰূপাই দা ধৰাক ফকীৰৰ চকু কাঢ়িবলৈ আদেশ দিয়ে। এনে নিষ্ঠুৰ অমানৱীয় আদেশ শুনি আজান ফকীৰে আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰে আৰু তেওঁৰ চকু যোৰ নিজে নিজে সুলকি পৰে আৰু আজান চাহাবে ৰূপাইক দিয়ে।

ধৰ্মীয় গোড়ামীৰ বিপৰীতে ধৰ্ম সহিষ্ণুতা, বৈষয়িক চিন্তাৰ ঠাইত আধ্যাত্মিক চিন্তা-চৰ্চা - এয়াই হ'ল আজান চাহেবৰ শিক্ষা। বৈ. ৰা.

**।। আঠ মঙলা ।।**

সংস্কৃত *অষ্টমংগল* শব্দৰপৰা আঠমঙলা শব্দটো অহা। সাধাৰণতে বিয়াৰ আঠদিনৰ দিনা দৰাক শহুৰেকৰ ঘৰলৈ খাবলৈ নিমন্ত্ৰণ জনায়। এয়ে আঠমঙলা। অৱশ্যে বিয়া হোৱা মাহটোৰ সংক্ৰান্তি ৩-৪ দিনত পৰিলে সেই ৩-৪ দিনৰ ভিতৰতে আঠমঙলা অনুষ্ঠান পাতিব লাগে। নামনি অসমত ইয়াক *নিয়াতা দিয়া* (সং-নিমন্ত্ৰণ) বা *নেওতা খুওৱা* বোলা হয়। দৰা, দৰাৰ সখি আৰু অনুজ এজন বা তিনিজন কইনাঘৰলৈ যোৱা নিয়ম। সাধাৰণতে দৰাতকৈ জ্যেষ্ঠজনে আঠমঙলালৈ নাযায়। যাব লগা হ'লেও দৰা গৈ পোৱাৰ আগতে তেনেজনে কন্যাঘৰত খাই-বৈ আহে (অঞ্চল বিশেষে)। দৰা আৰু তেওঁৰ লগত যোৱা কেইজনক কইনাঘৰে পোনতে বিভিন্ন পিঠা-লাড়ু আৰু জলপান খুৱায়। দ্বিতীয়বাৰ আঠখন আঞ্জাৰে ভাত আৰু পায়স খাবলৈ দি তৃতীয়বাৰ লঘু আহাৰ আগবঢ়ায়। কোনো কোনো অঞ্চলত দৰা গৈ পদূলিমুখ পাওঁতে পুনৰ্বাৰ আমন্ত্ৰণ জনাই আনি তৃতীয়বাৰৰ লঘু আহাৰ খাবলৈ দিয়ে। বিয়া নোহোৱা খুলশালী ছোৱালীইঁতে নতুন ভিনদেউক পিঠা-লাড়ু খুওৱা কালত বিভিন্ন ধৰণৰ নিৰ্দোষ ৰং-ৰহইচ কৰাটো এটা দস্তুৰ। আঠমঙলাত তিতা-টেঙা দিয়া নিষেধ। সিয়ে শহুৰ-জোঁৱাইৰ সম্পৰ্ক টেঙা-তিতা কৰিব পাৰে বুলি এটি লোকবিশ্বাস আছে।

অসমত আঠমঙলা খুওৱাটো এটা পুৰণি প্ৰথা। কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশ্ব সিংহৰ পিতৃ হৰিদাসে আঠমঙলা অনুষ্ঠান পতা বুলি জনা যায়। ইং ১৮৯২ চনত প্ৰকাশিত The Marriage System of the People of Assam গ্ৰন্থত হেমচন্দ্ৰ বৰুৱাই আঠমঙলাৰ সবিশেষ দিছে। মিত্ৰদেৱ মহন্তৰ *কুকুৰীকণাৰ আঠমঙলা* এখনি সকলোৰে উপভোগ্য প্ৰহসন।

না. দা.

**।। আঠে তিতা মাহে পিঠা ।।**

অসমীয়া মানুহৰ খাদ্য তালিকাত তিনিটা অপৰিহাৰ্য নাম - তিতা, টেঙা আৰু খাৰ। অৱশ্যে এসাজত উক্ত তিনিটা বস্তুৰ ভক্ষণ নিসিদ্ধ। তিতা-খোৱা প্ৰসংগত *ডাকৰ বচনৰ* বন্ধন প্ৰকৰণত আছে - ক. 'আঠে পখে খাবা তিতা, খ. আঠত তিতা দাঁতত লোণ, উদৰ ভৰিবা তিনি কোণ, গ. আঠে তিতা মাহে পিঠা, মংগলে নাখাবা কৰাই।' অসমৰ গাঁৱে-ভূএে পোৱা তিতা আঞ্জাৰ পাচলি হ'ল - তিতা কেৰেলা, তিতা ফুল, দোৰোণ ফুলৰ আগ, বাহকা, বেতগাজ, ভেকুৰি তিতা, শেৱালি ফুল আৰু কোমল পাত, শোকোতা, হেলেচি আদি। ঠাই বিশেষে মাছেৰে তিতা নাখায় - হালধিও নিদিয়ে। ব'হাগৰ চেৰা বিহুৰ দিনা সাত-শাকী খোৱাৰ দৰে তিতা খোৱাৰো দস্তুৰ প্ৰচলিত হৈ আহিছে। এই সাত তিতা হ'ল - তিতা কেৰেলা, তিতা ফুল, নিম, বাহকা, ভেকুৰি গুটি,

ভেটাই তিতা আৰু হেলচি শাক। এই আটাইবোৰ এক গোট কৰি ৰান্ধি খালে বছৰেকলৈ কৃমিৰ অতিচাৰ ৰুদ্ধ হয় বুলি এটি জনবিশ্বাস আজিও প্ৰচলিত। কৃমিৰ উৎপাতৰপৰা অব্যাহতি পাবলৈ মানুহে চিৰতা আৰু কালমেঘৰ গা-গছ আৰু পাত তিয়াই থৈ তাৰ পানী খায়। জ্বৰত তিতা উপাদেয়। উচ্চ ৰক্ত চাপত ব্যৱহাৰ কৰা সৰ্পগন্ধা, নেফাফু আৰু নৰসিংহ - আটাইকেইবিধে তিতাগছৰ অন্তৰ্ভুক্ত।

না. দা.

।। **আতছবাজী** ।।

আতছবাজী নিৰ্মাণৰ এটি ধাৰা সত্ৰসমূহৰ গইনা লৈ বিকশিত হোৱাৰ সুযোগ পায়। সত্ৰৰ গোসাঁই মহন্তসকলেই এই বিদ্যাত পাৰ্গত আছিল। মাজুলীৰ চামগুৰি আৰু নগাঁৱৰ চৰাইখোলা সত্ৰৰ নাম এইখিনিতে ল'ব পাৰি। *প্ৰাচীন কামৰূপীয় কায়স্থ সমাজৰ ইতিবৃত্তত* আছে যে কায়স্থ গোসাঁইসকল খাৰ-বাৰুদ নিৰ্মাণত সৰ্বদা আগবঢ়া। আহোম স্বৰ্গদেৱসকলে যখাৰ তুলিবৰ বাবে তাম্ৰফলি কৰি মাটি বৃত্তিও দান দিছিল। *প্ৰাচ্য শাসনাৱলীতে* এনে দৃষ্টান্ত ভালেখিনি সংৰক্ষিত হৈছে। ৰাজ অনুগ্ৰহ লাভ কৰা গোসাঁই মহন্তসকলে যঁখাৰ তুলি গন্ধকাদিৰ মিশ্ৰণেৰে ফট্‌কা আৰু হিলৈৰ উপৰি ভাওনাৰ বাবেও 'ফিৰ ফিৰি', চেঙেলি ফুলজাৰী, চক্ৰবাণ, ভুইচঁপা, মহতা আদি আতছবাজীৰ কাম কৰাটো উল্লেখযোগ্য। গোহালীঘৰ গোবৰেৰে মচি কেইদিনমান ব্যৱহাৰ নকৰাকৈ থৈ দিলেই তাত যখাৰ উঠে। মধ্যযুগত তেনেকৈয়ে যখাৰ সংগ্ৰহ কৰা হৈছিল। যৰক্ষাৰ অথবা যখাৰ সংগ্ৰহ কৰা লোকসকল যখৰীয়া ৰূপে খ্যাত আছিল।

ড° কেশৱানন্দ দেৱগোস্বামীয়ে *অংকীয়া ভাওনা* গ্ৰন্থত আতছবাজী প্ৰস্তুত প্ৰণালী আৰু তাৰ জোখৰ কথা লিখিছে এনেদৰে - ক. মহতা ঃ- 'যখাৰ সাত তোলা, গন্ধক তিনি তোলা, হাইতাল এতোলা আৰু ভেঁকুৰী গছৰ এঙাৰ তিনিতোলা'ৰ মিশ্ৰণেৰে এটা মহতা হয়। খ. ফুলজাৰী ঃ- 'যখাৰ ছয়তোলা, গন্ধক তিনি তোলা, বাহক গছৰ এঙাৰ আধাতোলা আকণ গছৰ এঙাৰ আধাতোলা আৰু লোণ গুড়ি আঢ়ৈ তোলা'ৰ মিশ্ৰণ দি ফুলজাৰী প্ৰস্তুত কৰিব পাৰি। প্ৰথমতে এঙাৰখিনি নেমুৰসত তিয়াই (গোল দি) পিছত শুকুৱাব (খৰাই) লাগে। গ. চেঙেলিঃ- 'যখাৰ আঠ তোলা, গন্ধক এতোলা, ভেঁকুৰী গছৰ পোৰা এঙাৰৰ গুড়ি ডেৰ তোলা আৰু বাহক গছৰ পোৰা এঙাৰৰ গুড়ি ডেৰ তোলা'ৰ মিশ্ৰণত চেঙেলি এটা সাজিব পাৰি চেঙেলিৰ সৰু ফুটাটোত জুই দিলে ফিৰিঙতিৰ দৰে উজ্বল পোহৰ ওলায়। ঘ. চক্ৰবাণ ঃ- 'যখাৰ সাত তোলা, গন্ধক দুতোলা, আকণ গছৰ এঙাৰ আধাতোলা, বাহক গছৰ এঙাৰ আধাতোলা আৰু লোৰ গুড়ি এসিকি ভৰৰ।' এইখিনি দ্ৰব্য সম্ভাৰেৰে দুটা চেঙেলি সাজি তাৰ সহায়ত এটা চক্ৰবাণ সম্পূৰ্ণ কৰিব লাগে।

*আয়ুৰ্বেদ নিদান* শীৰ্ষক হাতে লিখা সাঁচিপতীয়া পুথি এখনিৰ বাষষ্ঠি বানত 'আতষবাজিৰ গছ সাজিবৰ কথা' আছে এনেদৰে - 'যখাৰ দুভাগ মন্দ আকণ খৰিৰ এভাগ পেৰাহ্ন সবাকে গুড়ি কৰিব কাকত পাতৰ গছ সাজিব তাৰ ভিতৰ ফোপোলাকৈ লৈ ভৰাব তাৰে জুই লগাব। চাৰিও দিকি জোনাকি পৰুৱা হেন হ'ব।'

'যখাৰ আঠ ভাগ, গন্ধক এভাগ, আংগৰ আঠ ভাগ পৰাহ্ন আঢ়ৈ ভাগ আকৌ তেন মতে কাকত ভৰাই জুই লগাব জোনাকি পৰুৱা হেন হ'ব।'

না. দা.

**।। আপং।।**

নৈ পৰীয়া মিচিং লোকসকলৰ মাজত বহুলভাৱে প্ৰচলিত পানীয় বিধৰ নাম *আপং।* মিচিংসকলে আপং দৈনন্দিন জীৱনত ব্যৱহাৰ কৰাৰ উপৰি উছৱ-পৰব, ধৰ্মীয় কাম-কাজ আৰু অপদেৱতাৰ নৈবেদ্য ৰূপেও ব্যৱহাৰ কৰি আহিছে। আপং ঘাইকৈ দুবিধ— (ক) *নগজিন* বা *নগিন আপং* (বগা মদ) আৰু (খ) *পঃৰব আপং* (ছাইমদ)। আপং মূলতঃ চাউলৰপৰা প্ৰস্তুত কৰা হয়। বৰা, জহা, বাও আদিৰে তৈয়াৰ কৰা আপং সদায় উৎকৃষ্ট। কোনো কোনোৱে পকা কঁঠাল, কণীধান, ভীমকল আদিৰ পৰাও আপং প্ৰস্তুত নকৰা নহয়। আপং তৈযাৰ কৰিবলৈ পোনতে চাউল অথবা ফলখিনি ভাতৰ দৰে সিজাই ডলা এখনত ঠাণ্ডা হ'বলৈ মেলি দি হাবিৰ পৰা সংগ্ৰহ কৰা ঔষধি গুণসম্পন্ন বনপাত আনি গুড়ি কৰি ৰ'দত শুকুৱাই পিঠাগুড়িত পানী মিহলাই তৈয়াৰ কৰা আঁপপ (বাখৰ) সিদ্ধ কৰি থোৱা ভাতৰ সৈতে মিহলাই শুকান কলহত ধানখেৰেৰে সোপা দি ৰখাৰ তিনি চাৰিদনৰ পিছত সেইখিনি পকি উঠে। নিৰ্দিষ্ট দিনত পকি উঠা ভাতখিনি কলহৰপৰা উলিয়াই পৰিমাণ মতে পানী ঢালি ছেকিলে যি বগা বা পাতল গুলপীয়া ৰস নিসৃত হয়, সেয়ে *নগিন আপং*। পঃৰব আপং প্ৰস্তুত কৰা পদ্ধতি এনে ধৰণৰ— পোনতে চাউলখিনি পানীত সিজাই কিছু সময় ডলাত মেলি দি ধানখেৰ আৰু তুঁহ গুড়িৰ ছাইৰে ভাতখিনি সানি পুনৰ্বাৰ ঔষধিযুক্ত আঁপপৰ গুড়িৰে মিহলাই পোৰা কলহত কেঁচা কলপাতৰ মেৰনি দি দহ-পোন্ধৰ দিন ভালকৈ বান্ধি ৰাখি পকি উঠাৰ পিছত ভালখিনি (আৰুগ) উলিয়াই বাঁহৰ জুলকিত (তাঃচুগা) ভৰাই অলপ অলপকৈ পানী ঢালি ছেকিলে যি ক'লা-কজলা-ৰঙা ৰঙৰ ৰস নিসৃত হয়, সেয়ে *পঃৰব আপং বা ছাইমদ*। আপঙে মিচিং জনগোষ্ঠীক জী থকাৰ প্ৰেৰণা যোগায়। না. দা.

**।। আপাটানি সমাজৰ বিয়া বাক।।**

অৰুণাচল প্ৰদেশৰ আন এক লেখত লবলগীয়া জনজাতি হ'ল আপাটানি। সোঁৱণশিৰি জিলাত সিঁচৰতি হৈ থকা আপাটানি জনজাতীয় সমাজত দুটা প্ৰধান গোষ্ঠী *মিটে* (Mite) আৰু *মুৰা* (Mura)। মুৰা সকল মিটে সকলতকৈ নিম্ন মৰ্যাদা পায় যদিও

দুয়োটা গোষ্ঠীৰ মাজত বুজাবুজি আছে। আপাটানি সমাজত বিবাহক এক সামাজিক অনুষ্ঠান হিচাপে মৰ্যাদা দিয়া হয়। এওঁলোকৰ স্বগোত্ৰত বিয়া-বাৰু কৰাৰ প্ৰচলন নাই। দুটা ভিন্ ভিন্ গোত্ৰৰ মাজতহে বিয়া-বাৰু সম্ভৱ হয়। তদুপৰি পিতৃ কুলৰ মাজত যি দৰে বিবাহ নহয়, মাতৃকুলৰ সম্বন্ধীয় লোকৰ লগতো বিবাহ নিষিদ্ধ। অসমীয়া সমাজৰ দৰে আপাটানি সমাজতো এজন পুৰুষে নিজৰ খুলশালীৰ লগত বিয়া হোৱাত আপত্তি নাথাকে যদিও এনে বিবাহৰ প্ৰচলন সীমিত। বহুবিবাহ পদ্ধতি গ্ৰহণযোগ্য যদিও প্ৰথমা স্ত্ৰীৰ মৃত্যু বা প্ৰথমা স্ত্ৰী সন্তান হীনা হ'লে বংশ ৰক্ষাৰ খাতিৰত দ্বিতীয় বিবাহ পদ্ধতি গ্ৰহণযোগ্য হয়। সচৰাচৰ আপাটানি যুৱক-যুৱতীয়ে নিজৰ নিজৰ জীৱন সংগী নিৰ্বাচন স্বাধীনভাৱে কৰে। উপযুক্ত বয়সত মনৰ মিল হোৱা এহাল যুৱক-যুৱতীয়ে স্ব-ইচ্ছাৰে বিয়া-বাৰু কৰাত সামাজিক বাধা নাই যদিও দুটা পৰিয়ালৰ পিতৃ-মাতৃৰ কইনা চোৱা, দৰা চোৱা পিছত দুয়ো পক্ষৰ মতামত সাপেক্ষে বিবাহ কাৰ্য সমাপন হোৱাটো স্বাভাৱিক নিয়ম। বিবাহৰ ক্ষেত্ৰত ধনী-দুখীয়াৰ ভেদাভেদ থকা দেখা যায় যদিও ধনী ঘৰৰ ছোৱালী আৰু দুখীয়া ঘৰৰ ল'ৰাৰ মাজত পছন্দ-অপছন্দৰ কথাটোত গুৰুত্ব দিয়া হয়। আপাটানি সমাজত *কন্যাৰ মূল্য* অৰ্থাৎ বিয়াৰ পিছত কইনাৰ লগত ধন সম্পদ দিয়াৰ বাধ্য বাধকতা নাই।

সাধাৰণতে বিবাহৰ আৰম্ভণিতে ল'ৰাৰ অভিভাৱকে *নিবু* (পুৰোহিত)ৰ দ্বাৰা মংগল চোৱাই লয়। মংগল চাওঁতে যদি দৰা- কইনাৰ মাজত বিবাহ সম্পৰ্কত অমংগল লক্ষণ ধৰা পৰে, তেন্তে তেনে বিয়া বাতিল কৰা হয়। অন্যথা ল'ৰাৰ সম্পৰ্কীয় লোকে ছোৱালীৰ পক্ষক লগ ধৰে আৰু মতামত বিনিময়ৰ অন্তত সৰ্বসন্মতভাৱে বিবাহ কাৰ্যত আগবাঢ়ে। তেতিয়া কন্যা পক্ষই ল'ৰা আমন্ত্ৰণ জনায়। ল'ৰাই মাক-বাপেক, বন্ধু-বৰ্গ, অন্যান্য সম্বন্ধীয় আৰু চুবুৰীয়া গণ্য মান্য লোকক লৈ কইনাৰ ঘৰলৈ যায়। কইনা পক্ষই দৰাপক্ষক আপঙৰে আপ্যায়িত কৰি কন্যাৰ মাকে ভাবী জোঁৱাইক হালধীয়া পতিযুক্ত বগা কাপোৰ উপহাৰ স্বৰূপে আগবঢ়ায়। ইয়াক *মেগব পলী* অৰ্থাৎ *জোঁৱাইৰ কাপোৰ* বুলি কোৱা হয়। আপাটানি সমাজত বিয়া কেইবাটাও পৰ্যায়ত সমাপন হয়। তাৰে কেইটামান ল'ৰা পক্ষত, কেইটামান ছোৱালী পক্ষত পৰম্পৰাগত প্ৰথাৰে সম্পন্ন কৰে। এই পদ্ধতিত প্ৰথমে দৰাৰ ঘৰত *চুবুটাত* ৰীতি-নীতি মনা হয়। ল'ৰা-ছোৱালী উভয়ে *চুবু টাত*ত অংশ লয়। সিদিনা এটা মেথোন আৰু এটা গৰু বলি দিয়া হয়। নিবুয়ে দৰা কইনাৰ কল্যাণৰ হেতু প্ৰাৰ্থনা কৰে। ছোৱালী পক্ষত কৰা ৰীতি হ'ল- *আইৰপাড়ু*। দৰাৰ অভিভাৱকে কইনা পক্ষক মেথোন উপহাৰ দিয়ে। *আৰিপাড়ুত* সাধ্যানুসৰি মেথোনৰ সলনি টকা বা শস্য দিলেও হয়। উপহাৰ প্ৰদানৰ অন্তত ছোৱালী ঘৰত ভোজ ভাতৰ আয়োজন চলে। খাই বই উঠি দৰাই কইনা লৈ ঘৰলৈ ওভোটে। সচৰাচৰ কইনা দৰাৰ ঘৰলৈ যায় যদিও দৰাও কইনাৰ ঘৰত কিছুদিন থকা দেখা যায়।

আপাটানি সমাজত কেতিয়াবা *মিলু - ছি-আদু* অৰ্থাৎ *বলপূৰ্বক বিবাহো* পৰিলক্ষিত হয়। এই বিবাহত এজনী ছোৱালীয়ে বলপূৰ্বক ভাবে অন্য এজন পুৰুষৰ ঘৰত সোমায়। শেষত ল'ৰা জনৰ ঘৰত বিবাহ কাৰ্য সম্পন্ন কৰে।

প. পা.

।। আপী ওজা ।।

অবিভক্ত কামৰূপ আৰু দৰং জিলাৰ বিভিন্ন ঠাইত এক শ্ৰেণীৰ ওজা আছে। সেই ওজাপালি দলটোত ওজা, দাইনাপালি আৰু পালি - আটায়ে ছোৱালী। ছোৱালীৰ যি ওজাপালি অনুষ্ঠান, সেয়ে কামৰূপত *আপী ওজা* আৰু দৰঙত *লিকিৰী ওজাপালি* ৰূপে খ্যাত। বিয়াহ গোৱা ওজাপালিৰ আদৰ্শতে এইবিধ ওজাপালিৰ বিকাশ। নলবাৰী, ব্যাসকুছি, দক্ষিণ কামৰূপৰ বিভিন্ন স্থান আৰু দৰঙত এই দল দেখা যায়। বিভিন্ন পূজা-পাতল আৰু সভা উপলক্ষে ৰামায়ণ, মহাভাৰত আৰু ভিন্ন পুৰাণৰ পদ আবৃত্তি কৰি নৃত্য ভংগিমাৰে আপী ওজাই তেওঁলোকৰ পৰিৱেশ্য কলা পৰিৱেশন কৰাটো উল্লেখযোগ্য। আপী ওজাই হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ ভাষাত 'ভমকা ফুলীয়া মেখেলা আৰু ফুলাম আগুৰাণ পৰিধান কৰে; হাতত খাৰু, কাণত ডুল আৰু ডিঙিত মণিমালা পিন্ধি চুলি মেলি দলত থিয় দিয়ে আৰু অন্যান্য ওজাৰ দৰে নৃত্য-গীত পৰিৱেশন কাৰ্যত দলটো পৰিচালনা কৰে।' ৰেবানাথ শৰ্মাই জনাইছে যে আপী ওজাই নিজে তাল নবজায়। দাইনাপালি আৰু পালি কেইজনেহে দুই হাতেৰে তাল বজায়। কোনো কোনো ঠাইৰ আপী ওজাত আকৌ ওজা আৰু দাইনাপালীহে ছোৱালী, বাদ্যবাদক পালিবোৰ পুৰুষ। উত্তৰ কামৰূপৰ ব্যাসকুছি অঞ্চলৰ আপী-ওজা প্ৰখ্যাত।

না দা

।। আমবাৰীৰ মৃন্ময় ভাস্কৰ্য।।

ইংৰাজী ১৯৬৯ চনত গুৱাহাটীৰ আমবাৰীত খনন কাৰ্য চলাওতে শিলৰ লগতে একাধিক মৃন্ময় ভাস্কৰ্যও উদ্ধাৰ হৈছে। এনে ভাস্কৰ্যৰ ভিতৰত প্ৰথমতে উল্লেখ কৰিব লাগিব-ফোঁপোলাকৈ নিৰ্মাণ কৰা নাৰীমূৰ্তিৰ একাংশৰ কথা। এনে নাৰীমূৰ্তি উত্তৰ প্ৰদেশৰ-অহিচ্ছত্ৰত উদ্ধাৰ হৈছে। গুপ্তকালীন মূৰ্তিৰে সাদৃশ্য থকা আলোচিত মূৰ্তিটোৰ শিৰোদেশ, বাহুযুগল আৰু সৌৰক্ষ ভাগিল যদিও ডিঙিৰ কলাসম্মত আহল-বহল গলপতা আৰু কঁকালৰ কৰধনিৰ সৌন্দৰ্য অনুপম। কবি নৱকান্ত বৰুৱাৰ দৃষ্টিত 'এই ৰহস্যময়ী নাৰীমূৰ্তি দেৱী নে মানৱী ক'ব নোৱাৰি; কিন্তু এবাৰ কথা ক'ব পাৰি সি হ'ল, এই নাৰী মূৰ্তি যেন অনন্ত যৌৱনা উৰ্বশী।' ড° এইচ. ডি. সাংকালিয়াৰ ভাষাত, ' মূৰ্তিটো অকল শ্ৰেষ্ঠতম কলা-সম্পদেই নহয়, পোৰা মাটিৰ ভাস্কৰ্যৰ ভিতৰতে শ্ৰেষ্ঠ এই কাৰণেই যে ভিতৰ ফোঁপোলা এই মূৰ্তিটো হয়তো দুটা সাঁচত গঢ়া হৈছিল। অথবা বালি বা সমৰ সজ্জাৰ

ওপৰত গঢ় দি নিখুঁত কৰণ কৌশলৰ প্ৰদৰ্শনেৰে কেয়লীন কলা সম্পদটি প্ৰকাশ কৰা হৈছিল।' (*অসম সাহিত্য সভা পত্ৰিকা*, ৪৪ বৰ্ষ, ৩-৪ সংখ্যা)। আমবাৰীৰ খনন কৰ্মত উদ্ধাৰ হোৱা আন মৃন্ময় ভাস্কৰ্য কেইটা হ'ল - (১) অৰ্ধভগ্ন গনেশ মূৰ্তি। ফোঁপোলাকৈ নিৰ্মাণ কৰা গণপতিৰ শিৰত কিৰীটি-মুকুট, সোঁহাতলৈ অগ্ৰসৰ হোৱা শুঁড়ডাল, বহল কাণ দুখনি, আৰু পশ্চাৎপটৰ গোলাকাৰ ক্ষেত্ৰৰ পদুমৰ পাহিৰ লগতে মুকুতাৰ মণ্ডনকৰ্ম দৃষ্টি যোগ্য (২) অৰ্ধভগ্ন যোগী মূৰ্তি - যোগাসনত উপবিষ্ট প্ৰলম্ব উদৰৰ এই মূৰ্তিটো হয় যোগেশ্বৰ শিৱৰ, নহয় বুদ্ধদেৱৰ (৩) যোনীপীঠ সমেত শিৱলিংগ। গুপ্তশৈলীৰ মৃন্ময় ভাস্কৰ্যৰে অভিন্ন এই সম্পদৰাজি সময়ৰেখাৰ ফালৰ পৰা ষষ্ঠ-সপ্তম শতাব্দীৰ পৰৱৰ্তী নহয়।

(*অসম সাহিত্য সভা পত্ৰিকা*ৰ এক চত্বাৰিংশবৰ্ষ তৃতীয় সংখ্যাত প্ৰকাশিত নাৰায়ণ দাসৰ — 'অসমৰ মৃন্ময় ভাস্কৰ্যৰ ধাৰা'ৰ আধাৰত যুগুতোৱা।)

না.দা.

**।। আমবাৰীৰ শৈলমূৰ্তিমালা।।**

গুৱাহাটীৰ মাজ মজিয়াত থকা আমবাৰীত ইং ১৯৬৯ চনত ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াই পকীঘৰ সাজিবলৈ মাটি খান্দোঁতে উদ্ধাৰ হোৱা বিভিন্ন প্ৰত্নতাত্ত্বিক সম্পদে দেশৰ পুৰাতাত্ত্বিকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়।ইং ১৯৭০-৭১ চনত প্ৰণালীবদ্ধ ভাৱে খনন কাৰ্য চলোৱাৰ ফলত ভালেসংখ্যাক প্ৰত্নতাত্ত্বিক সামগ্ৰী উদ্ধাৰ হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগ আৰু প্ৰত্নতত্ত্ব জৰীপ বিভাগে এই সম্পদসমূহ পোহৰলৈ আনে। এই খনন কৰ্মত ভালে মান শৈৱমূৰ্তি উদ্ধাৰ হোৱাটো উল্লেখযোগ্য। সিবোৰ আহোম আৰু প্ৰাক্ আহোম যুগৰ। আকাৰ-প্ৰকাৰলৈ লক্ষ্য ৰাখি সিবোৰক বহলভাৱে দুটা ভাগত ভগাব পাৰি - ক. সৰু আকৃতিৰ মূৰ্তি আৰু খ. ডাঙৰ আকৃতিৰ মূৰ্তি। (ক) ইং ১৯৬৯ত উদ্ধাৰ হয় দহোটা মহিষ মৰ্দিনী আৰু তিনিটা' বিষ্ণুমূৰ্তি; সূৰ্যমূৰ্তি উদ্ধাৰ হয় তিনিটা। একেবাৰে সৰু শিৱলিংগ ওলায় চাৰিটা। গজ ব্যালৰ সৰু মূৰ্তিও পোৱা গৈছে। দশভুজা মহিষ মৰ্দিনীৰ মূৰ্তিবোৰ ২০ ছে ঃমিঃ × ১৫ ছেঃমিঃ জোখৰ। দেৱীৰসৈতে অসুৰৰ ৰণ আৰু ত্ৰিশূলেৰে সিংহবাহনা দেৱীৰ অসুৰ দলন প্ৰতিধ্বনি প্ৰতিমাৰে বিষয়বস্তু। স্থানকভংগীৰ বিষ্ণুমূৰ্তিকেইটা চতুৰ্হস্তৰ আৰু আয়ুধবোৰ হ'ল শংখ-চক্ৰ-গদা আৰু পদ্ম। পাদদেশত গৰুড় পক্ষী উদগত। একজোখৰ সৰু সূৰ্য মূৰ্তিবোৰ দ্বিহস্তৰ। পদ্মহস্ত দেৱতাজন মাত্ৰ এটা ঘোঁৰাই টনা ৰথত উপবিষ্ট। শিৱ লিংগসমূহৰ উচ্চতা প্ৰায় ১৩ ছেঃমি। এই ঠাইতে ক'লা শিলত কটা সপ্তসৰ্পফণাযুক্ত মনসাৰো অৰ্ধভগ্ন মূৰ্তি এটা উদ্ধাৰ হৈছে। (খ) ডাঙৰ আকৃতিৰ শৈল প্ৰতিমা কেইখনি হ'ল - (১) বিষ্ণুৰ ন টা (২) সূৰ্যৰ তিনিটা (৩) নটৰাজৰ এটা (৪) গংগাৰ এটা (৫) যমুনাৰ ১টা (৬) ঋষিৰ মূৰ্তি চাৰিটা আৰু (৭)

অগ্নিৰ মূৰ্তি এটা। দুটা বিষ্ণুমূৰ্তিৰ তলত ক্ৰমে *মাধৱ* আৰু *বাহন* এই শব্দ দুটা খোদিত কৰা আছে। মূৰ্তিবোৰ প্ৰাক্ আহোম যুগৰ। একেলগে ইমানবোৰ দেব-দেৱীৰ মূৰ্তি একেলগে পোৱাৰ কাৰণ হ'লঃ উক্ত স্থানৰ পৰা মূৰ্তিবোৰ বিভিন্ন স্থানলৈ নাৱেৰে যোগান ধৰা হৈছিল। আমবাৰীত মূৰ্তিমালা নিৰ্মাণ কৰাৰ কোনো প্ৰমাণ অদ্যাপি উদ্ধাৰ নোহোৱালৈ চাই ক'ব পাৰি সিবোৰ অনাও হৈছিল আন ঠাইৰ পৰা।

(ড° ৰবীনদেৱ চৌধুৰী ৰচিত অসমীয়া আৰু ইংৰাজী নিবন্ধমালাৰ আধাৰত যুগুতোৱা।)

না.দা.

**।। আমৰলি টোপ।।**

অসমৰ জনজাতি লোকসকলৰ মাজত দেখা পোৱা খাদ্যবস্তুৰ ভিতৰত এবিধ প্ৰিয় খাদ্য হ'ল আমৰলি টোপ। আমৰলি পৰুৱাই গছত বাহ বান্ধি থাকে। এইবিধ পৰুৱাৰ ৰঙ হালধীয়া আৰু ইয়াৰ পোকৰ অংশত এবিধ এচিড জাতীয় পানীয় জমা থাকে। শত্ৰুৰ আক্ৰমণ এইবিধ পৰুৱাই নিজে প্ৰাণ দিও প্ৰতিহত কৰিবলৈ চেষ্টা কৰে। পৰুৱা বিধে মুখেৰে কামুৰি নিজৰ গাৰ পিছ অংশৰপৰা এচিড জাতীয় পানী অকণমান কামোৰা ঠাইত বাকি দিয়ে। লগে লগে অসহ্য বিষ অনুভৱ হয়। চ'ত-ব'হাগ মাহত এইবিধ পৰুৱাৰ বাহত যথেষ্ট কণী থাকে। ইয়াক টোপ বুলিও কয়। এই টোপ খোৱা মানুহে আমৰলি পৰুৱাৰ বাহৰপৰা টোপবোৰ কৌশলেৰে সংগ্ৰহ কৰি আনি পৰিষ্কাৰ কৰি সিবোৰ তেলত ভাজি লয় আৰু মদ বা নিচাজাতীয় পানীয়ৰ লগত পৰিবেশন কৰে। টোপটোৰ সোৱাদ কিছু টেঙেচি হয়। এই ভজা টোপ কোনো কোনোৱে ভাতৰ লগতো *ভাজি* হিচাপে খায়। বড়ো, চাহ জনজাতি, আহোম আৰু তাই লোকৰ ই বৰ প্ৰিয় খাদ্য। তদুপৰি এডী পলুৱে বাহ সজাৰ এসপ্তাহ বা দহ দিনৰ পিছত বাহটোৰ ভিতৰৰপৰা লেটাবোৰ উলিয়াই তাক ভাজি কৰি পৰিবেশন কৰাও দেখা যায়। উজনি অসমত আহোমসকল আৰু অসমৰ অন্যান্য জনজাতীয় লোকৰ মাজত এইবিধ খাদ্য বৰ প্ৰিয়।

গো. সূ.

**।। আৰাণ উৎসৱ ।।**

অৰুণাচলৰ আদিসকলে বছৰেকত উদযাপন কৰা বিভিন্ন উৎসৱৰ ভিতৰত আৰাণ উৎসৱ অন্যতম। এই পূজা সাধাৰণতে মাঘ মাহত বিবাহ উপলক্ষে পতা হয়। আৰাধ্য দেৱতাৰ আশীৰ্বাদ লোৱাৰ লগতে উপৰি পুৰুষৰ আশীৰ্বাদো মগা হয় এই পূজাৰ মাধ্যমেৰে। পূজাৰ আগদিনা সৰগৰপৰা আহি পূজা কৰা ঘৰৰ চুকত বৈ থকা পূৰ্বপুৰুষৰ আত্মাক তেওঁলোকে উৎসৱ উপলক্ষে খাবলৈ লোৱা মদ মাংস ঘৰৰ চুকেদি পেলাই দিয়াটো মন

কৰিব লগীয়া। কাৰ্বিসকলৰ মৃতকৰ শ্ৰাদ্ধৰ আড়ম্বৰপূৰ্ণ অনুষ্ঠান *চমাংকান* অথবা মিচিং সম্প্ৰদায়ে ৰঙালী বিহুৰ সমধৰ্মী ফাগুন মাহৰ প্ৰথমটো বুধবাৰত পতা *আলি-আই-লৃগাং* উৎসৱৰ দুই এটা ৰূপাংগ আৰাণ উছৱেৰে মিলি যায়। এই পূজাত ডেকাসকলে হাবিৰপৰা বিভিন্ন খাদ্য সম্ভাৰ গোটাই সৰু ল'ৰা ছোৱালীক উপহাৰ দি মৰম যাচে। সাধাৰণতে ৰাজহুৱাভাৱে উদ্‌যাপন কৰা এই উৎসৱ এঘৰীয়াকৈও পালন কৰা হয়। অপায়-অমংগলৰপৰা পৰিত্ৰাণ পোৱাৰ মানসে আদি- সকলে মানস কৰা সামগ্ৰী এই পূজাতে আগবঢ়োৱাৰ সুযোগ লয়।।

(*আমাৰ অসমৰ* ৮ ফেব্ৰুৱাৰী, ২০০৫ ত প্ৰকাশিত মৃগেন শৰ্মাৰ 'আদি জনজাতিৰ আৰাণ উৎসৱ' নিবন্ধৰ আধাৰত যুগুতোৱা।)

না.দা

।। আৰ্ণাম আহেম কাচিলুত।।

অসমৰ প্ৰাচীন খিলঞ্জীয়া বিভিন্ন জনগোষ্ঠীৰ সমূহৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাৰ এক নিজস্ব বৈশিষ্ট্য বিদ্যমান। মূলতঃ কৃষিজীৱী এই জনগোষ্ঠীসমূহৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানসমূহ কৃষিভিত্তিক। কাৰ্বি সমাজৰ সুকীয়া সুকীয়া সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান প্ৰাচীন কালৰেপৰাই বৰ্তি আছে। তেনে এক ধৰ্মীয় অনুষ্ঠান হ'ল *আৰ্ণাম আহেম কাচিলুত*। অৰ্থ হ'ল-*আৰ্ণাম* মানে গোসাঁই, *আহেম* মানে ঘৰ আৰু *কাচিলুত* মানে প্ৰৱেশ কৰা। অৰ্থাৎ গোসাঁই ঘৰত প্ৰৱেশ কৰা ধৰ্মীয় অনুষ্ঠান। এই অনুষ্ঠান এক বিশেষ জনগোষ্ঠীৰ অনুষ্ঠান। বৰ্তমান কামৰূপ জিলাৰ ডিমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত দক্ষিণ পামত বসবাস কৰা কাৰ্বি জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত প্ৰথাৰে জীয়াই ৰখা এক ঐতিহ্যমণ্ডিত অনুষ্ঠান। ডিমৰীয়া ৰাজপৰিয়ালৰ মান-মৰ্যাদা আৰু ধৰ্মীয় পৰম্পৰাৰ চিন স্বৰূপ আৰ্ণাম আহেম কাচিলুত হ'ল মূলতঃ শিৱৰ পূজা। ৰাজ -পৰিয়ালৰ পূজা-পাৰ্বণৰ পুৰোহিতজনক ডেউ-ধৰা নামে জনা যায়। পৰৱৰ্তী কালত মুখ বাগৰি ডেধৰা হয়। বৰ্তমানৰ ডে-ধৰা গৰাকী হ'ল দক্ষিণ পামৰ বিমল ৰাহাং ডে-ধৰা। ডে-ধৰা পৰিয়ালৰ মাজত প্ৰচলিত আৰ্ণাম আহেম কাচিলুত কালক্ৰমত ৰাজহুৱা পূজা হিচাপে পালন কৰা হয়। ইয়াক ৰং বং আৰ্ণাম বুলি কোৱা হয়। জনশ্ৰুতি অনুসৰি ডিমৰীয়া ৰাজপৰিয়ালৰ এগৰাকী মহিলাই জাকৈ বাই থাকোঁতে এটি *শালগ্ৰাম* পায়। এই শালগ্ৰামটো যথাবিহিত পূজা অৰ্চনাৰে স্থাপন কৰি পূজা-পাতল কৰা হয়। বিশ্বাস মতে শিৱৰ প্ৰতীক ৰূপী এই শালগ্ৰামটো শিৱৰ বাঘৰূপ হিচাপে গণ্য কৰা হয়। শিৱৰ ব্যাঘ্ৰ ৰূপটোক *তিকে আৰ্ণাম* বোলা হয়। জনবিশ্বাস মতে, এবাৰ হেনো দক্ষিণ পামত এটি বাঘে আতংকৰ সৃষ্টি কৰিছিল। তিকে আৰ্ণামে উপযুক্ত পূজাৰপৰা বঞ্চিত হৈ ক্ৰোধত হেনো আতংকৰ সৃষ্টি কৰে। পৰৱৰ্তী কালত বাঘ ৰূপী শিৱক সন্তুষ্ট

কৰাৰ আৰ্থে আৰ্ণম আহেম কাচিলুত ৰাজহুৱা ভাৱে উদ্‌যাপনৰ দিহা কৰা হয়। এই পৰম্পৰা বৰ্তমানো ধৰ্মীয় মৰ্যাদাৰে পালিত হৈ আহিছে।

প. পা.

।। আৰনাই।।

গামোচা অথবা সেই জাতীয় আঁৰ কাপোৰ এখন ডিঙিত মেৰাই মেল-মিটিং আৰু ধৰ্মীয় উছৱ-অনুষ্ঠানলৈ যোৱাটো অসমীয়া মানুহৰ এটা দস্তুৰ। এই দস্তুৰ বড়োসকলৰ মাজতো আছে। আগতে তেওঁলোকে ডিঙিত ফালি মেৰাইছিল। আজিকালি তাৰ ঠাই অধিকাৰ কৰিছে মাফলাৰ জাতীয় আৰনায়ে। এই শব্দটো ৰাজেন্দ্ৰলাল নাৰ্জাৰীৰ *বড়ো অসমীয়া অভিধান* (১৯৬২) অথবা ভবেন নাৰ্জীৰ *বৰো- অসমীয়া অভিধানত* (২০০৫) পোৱা নাযায়। বিভিন্ন দৈৰ্ঘৰ কম পুতলৰ দুই আচুৰ উপৰি পাৰিতো ৰুচি সম্মত চানেকিৰ ফুল বচা আৰনাই বড়ো সংস্কৃতিৰ আজি অপৰিহাৰ্য অংগ হোৱাটো তাৎপৰ্যপূৰ্ণ। উক্ত গলবন্ধাখনক কাৰ্বিত চিথক আপিৰ, গাৰোত গটক' ৰানিবাৰা, ৰাভাত পাজাৰ আৰু চিবা ভাষাত ফালি বোলে।

জ্যো দা.

।। আঁৰিয়া ।।

বৰ্তমানৰ পাট-কাঁহী অথবা পিঠাগুড়ি চলা চালনীৰ দৰে ঘূৰণীয়া বাঁহৰ সঁজুলি। কোনোবা ঘৰত মানুহ ঢুকালে তৃতীয় দিনা তিলনি পাতিব লাগে। সেইদিনা জ্ঞাতি আৰু ৰাইজে মৃতকৰ ঘৰলৈ পিঠাগুড়ি, এৰাঁ গাখীৰ, কল প্ৰভৃতি আনি খাবলৈ দি উপবাসে থকা লোক সকলৰ ব্ৰত ভঙাটো নিয়ম। পিঠাগুড়ি আগৰ দিনত আঁৰিয়াত আনিছিল। আঁৰিয়াৰ পিঠাগুড়ি যাতে অইনে দেখা নাপায়, সেইবাবে তাৰ ওপৰত সদায় এখনি কাপোৰ আঁৰ দি লৈ অহা হৈছিল। আঁৰ দি অনা বাঁহৰ সঁজুলিয়ে আঁৰিয়া। আজি কালি ইয়াৰ ব্যৱহাৰ নাইকিয়া হৈ পৰিল।

না. দা.

।। আৰিয়া ।।

হেমকোষে 'আৰিয়া'ৰ অৰ্থ দিছে এনেদৰে - 'জুই লগাই পোহৰ কৰিবৰ কাৰণে বন্ধা ফটা কানিৰ মুঠা; ফটা কানিৰ মুঠাত লগোৱা জুই।' ইয়াৰ আন নাম জোৰা (কা. জৰা)। মধ্য যুগত ৰাতি অনুষ্ঠিত হোৱা অংকীয়া ভাওনাত পোহৰ বিকিৰণৰ অন্যতম আহিলা আছিল আৰিয়া। প্ৰস্তুত প্ৰণালী - ক. সাধাৰণতে তিনি মিটাৰমান দৈৰ্ঘৰ বাঁহৰ কাঠী কৰি তাৰে ভালেমান মুঠা বান্ধি মুঠাটোৰ এমূৰে মিঠাতেলত জুবুৰিয়াই খোৱা ফটাকানি অথবা সূতাৰ শকত জমুঠি এটি ভালদৰে বান্ধি তাত জুই লগোৱা হয়। জমুঠিটোৰ আকাৰ ভেদে পোহৰ কম-বেচি হোৱাটো স্বাভাৱিক। বাঁহৰ কাঠীবোৰ বিমানেই দীঘল

হ'ব, আৰিয়াৰ স্থায়িত্বও হ'ব সিমানেই বেছি, খ. কেতিয়াবা কেতিয়াবা গাঁঠি থকা বাঁহৰ চুঙাত মিঠাতেল ভৰাই ওপৰত শকতকৈ সূতা অথবা মৰাপাটৰ শলিতা দিয়ো আৰিয়া সজা হয়। আৰিয়া সাধাৰণতে মাটিতে পুতি থোৱা হয় যদিও কোনো কোনো সত্ৰ-নামঘৰত কলগছ পুতি তাৰ ওপৰতো স্থায়ী ৰূপে ইয়াক স্থাপন নকৰা নহয়। ভাৱৰীয়াসকলৰ প্ৰৱেশৰ নৃত্য ভংগিমাৰ কালত আৰিয়া ধৰা লোকে আৰিয়া জ্বলাই লৈ তেওঁলোকৰ লগে লগে আগ-পিছ কৰি থাকে। *চিহ্ন যাত্ৰাৰ* কালত আৰিয়া জ্বলোৱাৰ সংবাদ চৰিত পুথিয়ে সদৰি কৰিছে। দক্ষিণ ভাৰতৰ মধ্যযুগীয় নাট্যানুষ্ঠান যক্ষগান-বয়লাট প্ৰভৃতিতো দুটা আৰিয়া ধৰি ভাৱৰীয়াসকলৰ লগে লগে আগলৈ আৰু পিছলৈ অহা-যোৱা কৰিছিল। ভকতীয়া দৃষ্টিত অংকীয়া ভাওনাৰ আৰিয়া যুগল হ'ল - নৱবিধা ভক্তিৰ অন্যতম শ্ৰৱণ-কীৰ্তনৰ প্ৰতীকী ৰূপ।

না. দা.

**।। আলপনা ।।**

লোকবিশ্বাসৰ ভিত্তি লোকমনৰ শৈল্পিক প্ৰকাশ হ'ল আলপনা। পশ্চিমবংগ তথা পশ্চিম অসমৰ লোক সমাজত বিশেষভাৱে জনপ্ৰিয় এই আলপনা সামাজিক তথা ধৰ্মীয় বিভিন্ন অনুষ্ঠানত এক অপৰিহাৰ্য চিত্ৰিত শিল্প। ভাৰতৰ বিভিন্ন ৰাজ্যত এই আলপনা অংকনৰ পাৰ্থক্য থাকিলেও সচৰাচৰ এই লোককলাত হাত আৰু আঙুলিৰ ব্যৱহাৰ প্ৰধান মাধ্যম। ঘৰুৱা উৎসৱ অনুষ্ঠানত হাতৰ আঙুলিৰে বৃত্তাকাৰ ৰেখা, সূৰ্য, পদুম ফুল, দেৱ-দেৱীৰ পদচিহ্ন, কলগছ, ফুল আদি অংকন কৰাৰ উপৰি বিভিন্ন ভৌতিক সম্পদৰ চিত্ৰ অংকন কৰে। গৃহসজ্জাতো আল্পনা অপৰিহাৰ্য। তন্ত্ৰৰ সূক্ষ্ম বৈশিষ্ট্যও এই আলপনাত পৰিলক্ষিত।

প্ৰাচীন চিকাৰীজীৱী সমাজে বিভিন্ন জীৱজন্তু পদচিহ্ন অনুসৰণ কৰি প্ৰাপ্তিৰ সম্ভাৱনা প্ৰকট কৰিছিল। তাৰপিছত কৃষিজীৱী সমাজখনে এনেধৰণৰ পদচিহ্ন সৌভাগ্যৰ প্ৰতীক হিচাপে শষ্য, শষ্যৰ দেৱ বা দেৱতা অথবা প্ৰাকৃতিক পটক মোটিফ হিচাপে ল'লে। এনে পট চিহ্নই সৌভাগ্যৰ প্ৰতীক বুলি প্ৰচলিত লোকবিশ্বাসৰ আধাৰতেই লোকসমাজৰপৰা শিষ্ট সমাজলৈকে ই আজিও জনপ্ৰিয় ৰূপত ব্যৱহাৰ্য হৈ পৰিল। ৰেখাংকিত লোকমনৰ মনোৰম চিত্ৰিত শৈল্পিক কৰ্ম আলপনা মানুহৰ সংস্কৃতিৰ এক মাধুৰ্যমণ্ডিত নিৰ্যাস!

প.ৰা.

**।। আল্‌লগা বামুণ।।**

১৫৬২ খৃষ্টাব্দত ল'ৰা ৰজাৰ দিনত চিলাৰায়ে অসমদেশ আক্ৰমণ কৰাত আহোম ৰজাই ছল কৰি সকলো খেলৰ মানুহ গোটাই কপিলা বলধত তুলি লগুণ পিন্ধাই

যুদ্ধলৈ পঠালে। চিলাৰায়ে বলদ গৰু আৰু বামুণ বধৰ পাপলৈ ভয় কৰি যুদ্ধ নকৰি গুছি গ'ল। তেতিয়া ৰজাই এই বামুণ সেৱী ৰণুবাবোৰক পুৰস্কাৰ দিব খোজাত তেওঁলোকে ৰজাক বামুণ কৰি ৰাখিবলৈ খাটিলে। তেওঁলোকক তেতিয়াৰ পৰা *আল্‌লগা বামুণ* বোলে। এই আল্‌লগা বামুণ আঁঠ শ্ৰেণীৰ উলুৱাল, ঘৰিয়াল, বেহাল, পিঠিয়াল, পেটাল, মলুৱাল, শিয়াল আৰু শিশুপাল।

স. দে.

**।। আলি আই লৃগাং ।।**

আলি আই লৃগাংৰ অৰ্থ এনেদৰে দেখুৱাব পাৰি ঃ 'আলি' মানে মাটিৰ তলত হোৱা আলু বা বীজ, আঃই মানে গছৰ গুটি বা ফল-মূল, 'লৃগাং' মানে সিঁচা বা সিঁচিবলৈ আৰম্ভ কৰা অৰ্থাৎ পথাৰত শস্য সিঁচাৰ প্ৰথম দিন।

প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটোত আলি আঃই লৃগাং উৎসৱ অনুষ্ঠিত হয়। মিচিংসকলে ফাগুনৰ প্ৰথম বুধবাৰৰ দিনটোক লক্ষ্মীৰ দিন ৰূপে গণ্য কৰে। এই দিনৰপৰাই মিচিং গাঁওসমূহত ৰাজহুৱা ভাৱে বা ব্যক্তিগত ভাৱে পথাৰত আহুধানৰ বীজ সিঁচাৰ কাম আৰম্ভ কৰে। এই উপলক্ষে সামূহিক ভাৱে গাঁওবোৰত পাঁচ দিন ধৰি লৃগাং উৎসৱ পালন কৰা হয়। বসন্ত কালত অনুষ্ঠিত হোৱা এই উৎসৱক 'বসন্ত উৎসৱ' (Spring Time Festival) বুলি কোৱাৰ সাৰ্থকতাও নোহোৱা নহয়। উৎসৱৰ পাঁচোটি দিনতে প্ৰত্যেক ঘৰৰ ডেকা-গাভৰুসকলে ঢোল, পেঁপা, গগনা, বৰকাঁহ, তাল আদি বজাই গুমৰাগ্ নৃত্য নাচে। বিশ্বাস প্ৰচলিত আছে, লৃগাং উৎসৱত গুমৰাগ নাচ নানাচিলে, বৰকাঁহ নবজালে বৰষুণ নহয়, পথাৰত সিঁচা বীজবোৰ অংকুৰিত নহয়।

আলি আঃই লৃগাঙৰ নাচত কি আছে বাৰু? আলি আঃই লৃগাঙত যি নাচ নচা হয় সি অতি চমকপ্ৰদ নাচ। উক্ত নৃত্যক মিচিংসকলে *গুমৰাগ্ পাকচ চঃনাম্* বুলি কয়। এই নাচত আছে মিচিং ডেকা-গাভৰুৰ (মৃম্ বুৰ্ য়াঃমে) প্ৰাণভৰা যৌৱনৰ আবেগ প্ৰকাশ আৰু মুকলিভাৱে আটায়ে অই-নিঃতম গাই সৰু-ডাঙৰ অথবা ধনী-দুখীয়াৰ প্ৰভেদ নাৰাখি অংশ গ্ৰহণ কৰাৰ উৎসাহ। প্ৰিয়জনৰ লগত মুকলিভাৱে গীত গাই নচাৰ সুবিধা আৰু ইটোৱে সিটোক ভাল পোৱাৰ সম্ভেদৰ ৰিংবি গাচেং, গাপা গাঃৰে য়াম্ব, মিবু গালোগ্ ইত্যাদি পৰিধান কৰিহে গুমৰাগ নাচত অংশ গ্ৰহণ কৰে।

উৎসৱৰ দিনা বিশেষ ভোজৰ আয়োজন কৰা হয়। উক্ত ভোজত খাবৰ কাৰণে কৌপাতত বৰাধানৰ চাউল বান্ধি বিশেষ ধৰণে সিজোৱা হয়। তাক *পুৰাং* বুলি কোৱা হয়। *পুৰাঙৰ* লগতে খাব পৰাকৈ মাছ-মাংস আৰু আপঙৰ ব্যৱস্থা কৰা হয়। ইয়াৰ তাৎপৰ্য হ'ল আগন্তুক বছৰটোত যাতে খাদ্য সামগ্ৰী প্ৰাচুৰ্যৰে ভঁৰালত ভৰপুৰ হয় তাৰ কাৰণে আপং, মাছ মাংস, যোগাৰ কৰি ইষ্ট দেৱতাক অৰ্থাৎ *দঃঞি পঃলো* (সূৰ্য-চন্দ্ৰ)

লগতে পূৰ্ব পুৰুষসকলক স্মৰণ কৰা হয়। লগতে নিজস্ব প্ৰথানুসাৰে সকলো মৃত পূৰ্ব পুৰুষসকললৈ নামাৰ্চন কৰি জল পিণ্ড আগবঢ়ায়।

আলি আঃই লৃগাং বিহুটো মিচিং সমাজৰ প্ৰাণ, মিচিং জাতিৰ আত্মা জীয়াই থকাৰ চিৰন্তন আনন্দ, ইয়াক এৰি মিচিং জাতিয়ে আন একো কথা ভাবিব নোৱাৰে।

গ. পে.

**।। আহোম যুগৰ অস্ত্ৰ-শস্ত্ৰ।।**

আহোম স্বৰ্গদেৱসকলৰ সৈন্য-সামন্ত যে বীৰ আৰু সাহসী আছিল, তাক দোহাৰিবৰ আৱশ্যক নাই। ভাৰত প্ৰখ্যাত মোগল বাহিনীয়ে বাৰে বাৰে অসম আক্ৰমণ কৰিছিল যদিও বিজয়ৰ দীৰ্ঘম্যাদী ধ্বজা উৰাবলৈ সমৰ্থ হোৱা নাছিল। আহোম ৰাজত্বৰ প্ৰথম ছোৱাত সেনাসকলে 'বৰছা, তৰোৱাল, বাৰু, কাঁড়, ধেনু, যাঠি, দা' প্ৰভৃতিলৈ ৰণক্ষেত্ৰলৈ গৈছিল যদিও পৰৱৰ্তী কালত তেওঁলোকে বিভিন্ন অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰা সজ্জিত হৈ শত্ৰুৰ বিপক্ষে থিয় দিছিল। তলত তাৰ আভাস দিয়া হ'ল— (ক) বৰতোপ— বৰ বৰতোপ, হাতীমুখীয়া বৰতোপ, টুবুকী বৰতোপ, মিঠা হোলোং তোপ, বাঘমৰা তোপ, (খ) হিলৈ— কামায়ণ, কেঁচাইহিলৈ, খকা হিলৈ, গাঁঠীয়া, জমুৰ, টোৱাহিলৈ, পহলংগী, বাছাদাৰী হিলৈ, ৰাম চংগী হিলৈ আদি, (গ) বন্দুক-বৰতোপৰ গুলী— টকৌ গুলী, তামোল গুলী, বগৰী গুলী, বেলগুলী, মাহ গুলী আৰু লাও গুলী, (ঘ) হেংদান-তৰোৱাল-কালিকা লগা তৰোৱাল, খাপৰী তৰোৱাল, গুপ্তি তৰোৱাল, জুই তৰোৱাল, জোং তৰোৱাল, তাই তৰোৱাল, দুমুখীয়া তৰোৱাল, দেও হেংদান, নৰা তৰোৱাল, বৰাহী তৰোৱাল, বিজুলী তৰোৱাল, মৰাণ তৰোৱাল, মন্ত্ৰপূত তৰোৱাল, মুঠি তৰোৱাল, লাঠী তৰোৱাল, হাত হেংদান আদি, (ঙ) ধেনু— ইন্দ্ৰধেনু, কাৰফাই ধেনু, চুঙা ধেনু, জুই কাঁড় ধেনু, টাইধেনু, তিনি কাঁড়ধেনু, দেও ধেনু, নৰা ধেনু, নগা ধেনু, বৰাহী ধেনু, বাঘ ধেনু, বাটলু গুটি ধেনু, চটিয়া ধেনু, বিহকাঁড় ধেনু আৰু মৰাণ ধেনু, (চ) জাঠী-জোঙ— আবৰ জাঠী, খামটি বৰছা, টাই বৰছা, দেও জাঠী, দেও বৰছা, নগাজাঠী, নৰাজোং, পাখী জাঠী আৰু মৰাণ শূল; (ছ) ঢাল— গা ঢাল, চুটি ঢাল, দীঘল ঢাল, দেও ঢাল, পাখী ঢাল, বুকু ঢাল আৰু হাত ঢাল। ওপৰত উল্লেখ কৰা অস্ত্ৰ-শস্ত্ৰবোৰ নিষ্ঠাৰে এচাম কৰ্মীয়ে নিৰ্মাণ কৰাত আগভাগ লৈছিল।

(যোগেন দত্তৰ *বুৰঞ্জীৰ মণি-মুকুতাৰ* আধাৰত যুগুতোৱা।) না. দা.

**।। আহোম যুগৰ কৰ-কাটল ।।**

ইন্দ্ৰবংশী আহোম স্বৰ্গদেৱসকলে ৰাজ্যখনৰ উন্নয়নমূলক কাম সুচাৰুৰূপে সম্প্ৰদান কৰিবলৈ প্ৰজাৰপৰা কৰ-কাটল লোৱাৰ ব্যৱস্থা কৰিছিল। কামৰূপ অঞ্চলক বিভিন্ন পৰগণাত বিভক্ত কৰি প্ৰত্যেক পৰগণাৰপৰা নিয়মীয়াকৈ কৰ আদায় কৰা হৈছিল। দৰং দেশতো একে নিয়মেই কৰ আদায় কৰা দেখা যায়। এডোৱাৰ্ড গেইট চাহাবে

উল্লেখ কৰিছে যে দৰং দেশৰ কৰ-কাটলৰ ব্যৱস্থা আন অঞ্চলতকৈ অলপ বেলেগ আছিল। স্বৰ্গদেৱসকলে প্ৰদান কৰা ফলিবোৰত বিভিন্ন কৰ-কাটলৰ স্পষ্ট উল্লেখ দেখা যায়। যেনে - 'কৰ-কাটল-পদ পঞ্চক-চোৰ চিনলা-ধুমুচি-মাৰেসা হাট-ঘাট দান খুট সৰ্ব বাব পৰিত্যাগ হ'ল।' (ফলি নং ৮৯ ঃ *প্ৰাচ্য শাসনাৱলী*, কৰ-কাটল-পদ-পঞ্চক -*বেঠ*-বেগাৰ-জলকৰ-যৱক্ষৰ-চোৰ-চিনানা-ধুমুচি-মাড়েসা - দণ্ড-বন্ধ- চকি-হাচ -ঘাট -ফাট দান খুঁত ৰাজদণ্ড ব্যতিৰেক ....' (ফলি নং ৮০, *প্ৰাঃ. শা*)। ইয়াৰে কৰ হ'ল - মাটি খোৱা বাবদ ৰজাক দিব লগা ধন। পুৰণি দিনত পাইকে মাটিখোৱা বাবে ৰজাৰ ওচৰত গাৰে খাটি দিব লাগিছিল। কিবা কাৰণত দিব নোৱাৰিলে যি ধন ভৰিব লাগিছিল, সেয়ে *কাটল*। সাধাৰণ পাইকে বিষয় পালে যি ধন ভৰিব লাগিছিল, সেয়ে *পদ* আৰু ৰৰগুণি বা পাঁচাই হ'ল পঞ্চক। ৰজাঘৰীয়া হাতী, ম'হ প্ৰভৃতি ধৰাৰ বাবেও প্ৰজাই কৰ দিব লাগিছিল। তাৰ নাম *বেঠ* আৰু ৰাজ-প্ৰয়োজন মতে ধন কৰি দিব লগীয়া বাবেই *বেগাৰ* বা ব্যগৰ। নৈ, বিল, পুখুৰী, প্ৰভৃতিত মাছ ধৰিবৰ বাবে যি কৰ দিব লগীয়া হৈছিল, সেয়ে জলকৰ। হিলৈৰ খাৰ তৈয়াৰ কৰিবৰ বাবে প্ৰতিঘৰে যখাৰ তুলি দিব লাগিছিল। কোনোৱে নোৱাৰিলে তাৰ সলনি যি কৰ দিব লগাত পৰিছিল সেয়ে যৱক্ষৰ, জবাক্ষৰ বা জয়ক্ষাৰ। সৰু সুৰা চুৰিৰ শাস্তি বাবদ পোৱা কৰেই *চোৰ*, ব্যভিচাৰ দোষৰ শাস্তি ৰূপে দিব লগা ধন *চিনলা* বা ছিনলা আৰু নিৰ্বংশ মানুহৰ সম্পত্তি ৰজাই পোৱা বাবেই *ধুমুছি*। ছোৱালী বিয়া দিলে ৰজাই যি ফেৰি ধন পাইছিল তাৰ নাম *ঘামেশা*। বজাৰৈলে বস্তু ক্ৰয় কৰিবলৈ আনি ৰজাঘৰক সদায় দান কৰ দিব লাগিছিল। নদী পাৰ হ'ব লগা হ'লেও এই কৰ প্ৰযোজ্য হৈছিল। মাটি বাদ দি আন দ্ৰব্য সম্ভাৰৰ ওপৰত লগোৱা কৰেই *খুট* বা *খুত*। জগৰৰ বাবে দিয়া পীড়ন *দণ্ড* আৰু *বন্ধ*। সপ্তাহত এদিন অথবা দুদিন বহু মানুহ গোটখাই বেচা-কিনা কৰা ঠাইখিনিৰ বাবে যি কৰ দিবলগীয়া হৈছিল সেয়ে *হাট কৰ*। ৰজাৰ নগৰ অথবা গড়ৰ পৰা হাট-বজাৰৰ পাতিবলৈ যি ঠাই দিছিল, তাৰ বাবে জনসাধাৰণে ভৰিব লগা কৰৰ নাম *চকি* আৰু নাৱেৰে অথবা থলেৰে বেহা-বেপাৰ কৰা লোকসকল একত্ৰ হৈ ৰাজহ দিয়া ঠাইৰ নাম *ফাট*। ফাটৰ কৰেই *ফাটকৰ*। বিয়াত হোম পুৰি বামুণে লাভ কৰা মাটিৰ বাবে দিব লগা কৰেই মাৰেছা বা *মাৰোশা*। দেখা যায় যে আহোম স্বৰ্গদেৱসকলৰ দিনত কৰ-কাটল কম নাছিল। কৰ-কাটলৰ বোজাত কেতিয়াবা কেতিয়াবা জনসাধাৰণ বেঁকা হ'বলৈ বাধ্য হৈছিল।

না. দা.

।। আহোম যুগৰ স্থাপত্য ।।

ইন্দ্ৰবংশী আহোম স্বৰ্গদেৱসকলৰ ৰাজত্বকালত অসমৰ স্থাপত্য কলাই কিছু পৰিমাণে স্বকীয় পথেদি অগ্ৰসৰ হোৱাটো উল্লেখযোগ্য। অসমৰ সেমেকা জলবায়ু আৰু প্ৰবল ভূমিকম্পৰ কাৰণে এই যুগৰ আৰম্ভণিতে বাঁহ-কাঠ প্ৰভৃতিৰে ঘৰ-বাৰী নিৰ্মাণ কৰা হৈছিল যদিও পিছলৈ, ঘাইকৈ আহোম স্বৰ্গদেৱসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছৰেপৰা

দ'ল-দেৱালয় আৰু অন্যান্য অট্টালিকা শিল-ইটাৰে বন্ধাত আত্মনিয়োগ কৰে। প্ৰাক্ আহোম যুগীয় ভালে সংখ্যক মন্দিৰ এই যুগতে শিল-ইটাৰে পুনৰ্নিৰ্মাণ কৰাটো মন কৰিবলগীয়া। এই যুগৰ স্থাপত্যক মোটা-মুটি ভাৱে চাৰিটা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি - ক. দ'ল-দেৱালয়, খ. অট্টালিকা, গ. সাঁকো আৰু ঘ. মৈদাম। জয়জয়তে আহোমসকলে ইটাতকৈ চটীয়া আৰু লঠিয়া শিল মন্দিৰ নিৰ্মাণত সৰহকৈ ব্যৱহাৰ কৰিছিল। শিল কাটিবলৈ সৃষ্টি কৰিছিল - শিলাকুটি ফৈদ। শিল আৰু ইটা উভয়কে গাঁঠিবলৈ অভিনৱ কৰাল ব্যৱহাৰ কৰা হৈছিল। দ'ল তিনিবিধ - শিৱ দ'ল, বিষ্ণু দ'ল আৰু দেৱী দ'ল। শিৱসাগৰৰ প্ৰখ্যাত শিৱ দ'ল - গৰ্ভগৃহ, গোপুৰম, মণ্ডপ আৰু তোৰণৰ বিতোপন সমষ্টি। শিখৰ নাগৰকৰ প্ৰকাৰ ভেদ। ইয়াৰ মূল শিখৰৰ উপৰি চৌদিশে উপশিখৰ অথবা উৰমঞ্জীৰ সংযোজন চকুতলগা। ইয়াৰ গৰ্ভগৃহত সোঁমাজত শিৱলিংগ আৰু চৌদিশত প্ৰতিষ্ঠা কৰা হৈছে - গণেশ, বিষ্ণু, সূৰ্য আৰু দেৱী দুৰ্গাক। শিখৰৰ শুকনাসাত কৰ্দৈশিৰৰ অলংকৰণ মনোৰম। ওপৰত সাধাৰণ শিখৰৰ পৰিৱৰ্তে ইটাৰ ঘূৰণীয়া চাৰিটা চকুত লগা *বাচনৰ* ওপৰত স্বৰ্ণখচিত কলচী আৰু তাৰ ওপৰত ত্ৰিশূল। গৌৰীসাগৰ অথবা জয়সাগৰৰ শিৱদৌলৰ শিখৰো ইয়াৰ অনুৰূপ। শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ দেৱী দ'লত তিলকৰ সংযোজন এটি উল্লেখযোগ্য বিষয়। ইয়াত 'বংগ গৃহ'ৰ ইটাৰ চালেৰে গো-পুৰমৰ সুন্দৰ নিদৰ্শন দেখা যায়। গৌৰীসাগৰ আৰু শিৱসাগৰৰ বিষ্ণু দ'লৰ শিখৰত সৰু সৰু বৰ্গক্ষেত্ৰ আৰু তাৰ মাজত সুদৰ্শন চক্ৰৰ অলংকৰণ কলাসন্মত।

ৰাজ অট্টালিকাৰ ভিতৰত ৰংপুৰৰ দুমহলীয়া ৰংঘৰ তলাতল ঘৰ আৰু গড়গাঁৱৰ সাতমহলীয়া কাৰেং ঘৰ উল্লেখযোগ্য। ৰংঘৰৰ স্থাপত্য অসমীয়া চাংঘৰৰ শৈলীৰ। অট্টালিকাৰ দুৱাৰ খিৰিকি আদিৰ নিৰ্মাণত ইছলামীয় প্ৰভাৱ চকুত পৰে। দুচলীয়া দুই এটা তোৰণত গৌড়ীয় প্ৰভাৱো স্পষ্ট।

শিলসাঁকোৰ ভিতৰত নামডাঙৰ শিলসাঁকো প্ৰখ্যাত। বহু টুকুৰা শিলেৰে যে এই শিলসাঁকো তৈয়াৰ কৰা হৈছে, তাক ধৰাই টান। গাঁঠনিসমূহ অধিক মজবুত কৰিবলৈ লোৰ শলখা ব্যৱহাৰ কৰা হৈছিল। দৰিকাৰ শিলসাঁকো আজিও অক্ষত।

শিল-ইটাৰ মৈদামসমূহ আহোম স্থাপত্যৰ সুন্দৰ চানেকি। বুৰঞ্জীত মৈদাম নিৰ্মাণৰ সবিশেষ পোৱা যায়। না. দা.

**।। আহোম যুগীয় মহিষমৰ্দিনীৰ ধাতৱ প্ৰতিমা ।।**

আহোম স্বৰ্গদেৱসকলৰ আমোলত নিৰ্মিত কেবাখনো পিতলেৰে নিৰ্মিত দশভুজাৰ মূৰ্তি উদ্ধাৰ হৈছে। তেজপুৰৰ ভৈৰৱী দেৱালয়ত মহিষমৰ্দিনী দুৰ্গাৰ পিতলৰ প্ৰতিমা এখনিত (৪ X ২০ ছে.মি.) যথাবিহিত ভাৱে পূজা-অৰ্চনা কৰা হয়। দেৱীৰ বাহনত চীনা ড্ৰেগনৰ ছাপ বিৰাজমান। দেৱীৰ সৈতে সংগ্ৰামৰত অসুৰ বেচ জীৱন্ত। ভুৱি পৰিহকেশ্বৰৰ

পূজাৰ বিগ্ৰহ, পিতলৰ মহিষমৰ্দিনীৰ প্ৰতিমাখনি বৰৰজা ফুলেশ্বৰীৰ দ্বাৰা প্ৰদত্ত। তিনিচুকীয়াৰ পুৰণি নাদ এটিৰপৰা উদ্ধাৰ কৰি ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া মহিষমৰ্দিনী (৩৯ X ৩০ ছে.মি.) ত্ৰিনয়না আৰু দশভুজা। বেলেগকৈ লগাই দিয়া বাবে হয়তো দশভুজৰ আয়ুধবোৰ নাই। দেৱীৰ সোঁ ভৰি সিংহ পৃষ্ঠত আৰু বাঁওভৰি অসুৰৰ কান্ধত সংস্থাপিত। ম'হৰ দেহ অংশ নাই- মাথো মূৰটো সিংহ আৰু অসুৰৰ পীঠৰ ওপৰত দেখা যায়। পীন পয়োধৰা দেৱীৰ কটিবস্ত্ৰৰ চমকপ্ৰদ ৰূপদানত ভাস্কৰে কুশল হস্তৰ পৰিচয় দিব পাৰিছে। অসুৰৰ শিৰোস্ত্ৰাণ, কটিবস্ত্ৰ আৰু জোতাত মোগল প্ৰভাৱ মচিব নোৱাৰি। শৈলীৰ ফালৰপৰা ইয়াক কোনোপধ্যেই খ্ৰীষ্টীয় অষ্টদশ শতাব্দীৰ আগলৈ ঠেলিব নোৱাৰি। প্ৰায় সমসাময়িক মহিষমৰ্দিনীৰ আন এখনি পিতলৰ প্ৰতিমা পোৱা গৈছে— ডেৰগাঁৱৰ ওচৰৰ নেঘেৰিটিং শিৱদ'লত। তিনিচুকীয়াৰ দেৱী প্ৰতিমাৰ সৈতে এইখনি প্ৰতিমাৰ সাদৃশ্যই সৰহ। অমিল মাথোন, অসুৰৰ ৰূপদানত। সিংহৰ দ্বাৰা সোঁ বাহুত আক্ৰান্ত অসুৰে ভীষণৰ দৰে আঠু কাঢ়ি দেৱীলৈ চাই থকা দৃশ্য পুলকজনক। এইখনি প্ৰতিমাৰো হস্তায়ুধবোৰ পাবলৈ নাইকিয়া। সোঁফালৰ পঞ্চম বাহুত ওভোতাকৈ সংস্থাপিত ত্ৰিশূলডাল অধুনা কালৰ।

(গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ বছৰেকীয়া প্ৰকাশন *চিহ্ন* (১৯৮৩)ত প্ৰকাশিত লেখকৰ অসমৰ ধাতৱ মূৰ্তিৰ আধাৰত যুগুতোৱা)।

না দা.

**।। আহোমসকলৰ সাজৰ বাবে দৰবৰ পিঠা প্ৰস্তুতি ।।**

এই দৰবৰ পিঠাবোৰ প্ৰস্তুত কৰিবলৈ কিছুমান বনৌষধিৰ প্ৰয়োজন। এইবোৰ হ'ল পানী মখুৰী, গপচৈ, মানিমুনি, বনজালুক, চেনিবন, টেমেনাপাত, বিহলঙনি, তেজমুৰিৰ শিপা, কপৌঢেকীয়া, কঠালৰ পাত আৰু কঠালৰ শুকান ডিলা, সিয়নি সাৰত্তা, দুৱামেলি, মাহুদি, জেতুলীপকা, হেলচৰ পাত, কুঁহিয়াৰৰ আগ, বন আমৰ পাত ইত্যাদি। বনৌষধিবোৰ নিৰ্দিষ্ট পৰিমাণত তুলি আনি ৰ'দত দিয়াৰ পিছত খুন্দি গুড়ি কৰা হয়। পিছত চাউলৰ লগত দৰবখিনি সানি ঢেঁকীত খুন্দা হয়। ঔষধ মিহলি পিঠাগুড়ি খিনি সামান্য পানী দি লাডু বা ঘিলা পিঠা সাজি লোৱা হয়। ইয়াৰ লগত পুৰণি পিঠাগুড়ি ভাঙি দিয়া হয়। পিঠাবোৰৰ পাচিত ধানখেৰ পাৰি কিণ্বনৰ বাবে কেইদিনমান ৰখা হয়। পিছত পাচিৰপৰা উঠাই কিছু সময় ৰ'দত দি, ধোঁৱাচাঙত ৰখা হয়। ডলাত বিহলঙনী পাতেৰে ঢাকি দি ধোঁৱা চাঙত ৰখা সাঁজৰ পিঠা ৬/৭ দিনৰ পিছত ব্যৱহাৰৰ উপযোগী হৈ উঠে।

সো.বু.

**।। আয়তীৰ তেল-সিন্দূৰ ।।**

অসমীয়া বিয়া এখনৰ প্ৰস্তুতি পৰ্বৰেপৰা সমাপ্তিৰ অন্তিম অৱস্থালৈকে গাঁৱৰ আয়তীসকলে গাই-বাই, সহায়ক হাত আগবঢ়াই দিহা-পৰামৰ্শ দি যি গুৰুত্বপূৰ্ণ ভূমিকা

লয়, তাৰ তুলনা নাই। দৰা-কইনাক নোৱাৰলৈ বোৱাৰী পুৱাতে উঠি পানী ঘাটলৈ গৈ পানী তোলা, দৰা-কন্যা ধুওৱা, সুৱাগুৰি তোলা এই আটাইবোৰ কামত আয়তীসকল যেন একছত্ৰী সম্ৰাজ্ঞী। বিয়াৰ দিনা দৰা-কইনাক নোৱাবলৈ আয়তীসকলে এবাৰ - এবাৰকৈ তিনিবাৰ পানী তোলে। ৰাতিপুৱা এবাৰ। দুপৰীয়াৰ পিছত দুবাৰ। অঞ্চল বিশেষে তাৰ তাৰতম্য চকুত নপৰা নহয়। পানী তুলি অহাৰ পিছত আয়তীসকলক ৰভা তলীত সসন্মানে বহিবলৈ দি তামোল-বটা আগবঢ়োৱাটো নিয়ম। তামোল চালি খোৱাৰ পিছত আয়তীলৈ আগবঢ়োৱা হয় গোন্ধ তেল আৰু সিন্দূৰ। প্ৰতিগৰাকীৰ মূৰে মূৰে গোন্ধতেল ঢালি দি কপালত দিয়া হয় বহলকৈ সিন্দূৰৰ ফোট। আগেয়ে গোন্ধ তেল নিবলৈ আয়তীসকলে ঘৰৰপৰা সৰু পাত্ৰ একোটা লৈ আহিছিল। সকলোৱে যাতে সমানে তেল পায়, তাৰবাবে ব্যৱহাৰ কৰিছিল এটি জোখা সাজ - নাম বিহা (আমঠুৰ বাকলিৰে সজা সাজ)। একো বিহা তেল লৈ জা-জলপান খাই আয়তীসকল আনন্দমনেৰে ঘৰা-ঘৰি গৈছিল। এতিয়া ঘৰলৈ তেল নিয়া প্ৰথা নাই কিন্তু ৰভাতলীত আয়তীলৈ তেল-সিন্দূৰ আগবঢ়োৱা প্ৰথা অদ্যাপি প্ৰচলিত।

না. দা

**।। ঈদল ফিতৰ ।।**

ঈদ মুছলমানসকলৰ অতি পৱিত্ৰ উৎসৱ। ঈদ দুটা। এটাৰ নাম ঈদল ফিতৰ আৰু আনটোৰ নাম ঈদুজ্জেহা বা বকৰী ঈদ।

আৰবী ৰমজান মাহৰ ৰোজাৰ শেষত যিটো ঈদ পালন কৰা হয় তাৰ নাম ঈদল ফিতৰ। সৰু ল'ৰা-ছোৱালী আৰু ৰুগীয়া লোকৰ বাহিৰে সকলো মুছলমানে ৰমজান মাহৰ ফৰজ ৰোজা ৰাখে অৰ্থাৎ উপবাসে থাকে। এইদৰে এমাহ ৰোজা ৰখাৰ পিছত শুক্লপক্ষৰ দ্বিতীয় দিনা আকাশত নতুন জোন দিয়াৰ লগে লগে ৰোজা ৰখা শেষ হয়। পিছদিনা ৰাতিপুৱা (ছাৱাল মাহৰ প্ৰথম তাৰিখ) দুপৰীয়া এঘাৰ বজালৈকে সকলো মুছলমান লোকে নতুন পোছাক পিন্ধি ঈদগাহ, মছজিদ আদিত নামাজ পঢ়ি এই উৎসৱ পালন কৰে। ঈদে মুছলমান লোকসকলৰ অন্তৰত সমভাব আৰু একতা আনে আৰু মানুহৰ অন্তৰত পৰোৱাৰ দিগাৰে আলমত (আল্লাহতালাৰ) প্ৰতি ভক্তি ভাৱৰ ইন্ধন জগাই তোলে। ঈদল ফিতৰৰ নামাজ পঢ়াৰ আগতে যেন্তুৰা বা ছদকায়ে ফিতৰ আদায় কৰিব লাগে বাবে ইয়াৰ নাম ঈদল ফিতৰ। ফিতৰা গৰীব মিস্কিনৰ দিব লগীয়া এটি নিৰ্দিষ্ট দান।

প. আ.

**।। উধান উঠোৱা ।।**

অসমীয়া সমাজৰ পাকঘৰৰ ঘাই অংশ থকা আখলত উধান বা চৌকা থাকে।

সাধাৰণতে এটা উধানৰ দুয়োকাষে দুটা সৰু সৰু উধান থাকে। ঘাই উধানৰ তলত খৰি দি জ্বলোৱা জুইৰ উত্তাপ কাষৰ উধানলৈকো যায় আৰু এইদৰে একেখিনি ইন্ধনেৰে তিনিটা চৌকাত ৰন্ধন কৰিব পাৰি। উজনি অসমৰ টাই-আহোম সম্প্ৰদায়ৰ মানুহৰ ঘৰত পিতৃস্থানীয় লোকৰ মৃত্যু হ'লে উধানৰো কিছু সংস্কাৰ কৰা হয়। মৃত্যু হোৱা প্ৰথমজন ব্যক্তি যদি পিতৃ হয় তেন্তে ঘাই উধানৰ সোঁফালৰ সৰু উধানটো আঁতৰাই দিয়া হয়। মাতৃৰ মৃত্যু প্ৰথম হ'লে বাঁওফালৰ সৰু উধানটোহে উঠোৱা নিময়। সময়ত পিতৃ-মাতৃ দুইজনৰ মৃত্যু হোৱাৰ লগে লগে পাকঘৰৰ উধান সম্পূৰ্ণকৈ উঠাই দিয়া হয়। শ্ৰাদ্ধাদিৰ পিছত নতুনকৈ সাজি লোৱা উধানত গৃহস্থই প্ৰথম পাক কৰা নিষেধ। প্ৰথম ভাত সাঁজ আমিষ হয় আৰু ইয়াক ঘৰৰ বাহিৰৰ মানুহৰে ৰন্ধোৱা হয়। নতুন উধানত ৰন্ধা প্ৰথম ভাত সাঁজ খাবলৈ কেইজনমান ভকতক নিমন্ত্ৰণ কৰা হয়। ভকতৰ আশীৰ্বাদ লোৱাৰ পিছতহে সেই উধান ঘৰৰ মানুহে ব্যৱহাৰ কৰে।

সো. বু.

।। উপনয়ন ।।

এটা ধৰ্মীয় পৰ্ব। হিন্দুধৰ্মত মূলতঃ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকৰ মাজত প্ৰচলিত ল'ৰাৰ জাতকৰ্ম সমূহৰ ভিতৰত এবিধৰ নাম উপনয়ন। স্থান ভেদে উপনয়নক লগুণ দিয়নি, লগুণ-দেনি অৰ্থাৎ লগুণ পিন্ধোৱা কাৰ্য বুলি কোৱা হয়। লগুণ হৈছে এবিধ বিশেষ (চেমৃঠি নামৰ) কপাহৰ নিৰ্দ্ধাৰিত পদ্ধতিৰে কটা সূতা। এই সূতাৰপৰা বিধিসম্মত নিয়মেৰে গাঁঠি, বিশিষ্ট মন্ত্ৰপূত কৰি পৱিত্ৰ লগুণ প্ৰস্তুত কৰা হয়। উপনয়নৰ দিনা ল'ৰাক আনুষ্ঠানিকভাৱে পৱিত্ৰ লগুণ পিন্ধোৱাৰ পিছত গোটেই জীৱন নিয়ম-নীতিৰ মাজেৰে ইয়াক পিন্ধি থকা নিয়মিত কৰ্তব্য হিচাপে বিবেচনা কৰা হয়। ধৰ্মপ্ৰাণ লোকসকলে লগুণক এক পৱিত্ৰ বস্তু হিচাপে পৰম ভক্তিৰে পৰিধান কৰে। বৈদিক ভাষাত লগুণক *যজ্ঞোপৱিত* বুলি কোৱা হয়। এই যজ্ঞোপৱিত বা লগুণত ন-গুণ (৯ গুণ) সূতা থাকে। এই ন-গুণৰ কথিত ভাষাত উচ্চাৰণৰ ৰূপান্তৰ ঘটি 'লগুণ' হোৱা বুলি ধাৰণা কৰিব পাৰি। এই লগুণ দান কৰি অৰ্থাৎ যজ্ঞোপৱিত পিন্ধাই ব্ৰাহ্মণ কুলৰ দীক্ষা দিয়াটোৱে উপনয়নৰ একমাত্ৰ লক্ষ্য নহয়। নৈতিক জীৱন যাপন কৰাৰ শপত গ্ৰহণ কৰাই জ্ঞান চৰ্চাৰ পথত উদ্‌গণি দিয়াটো ইয়াৰ অন্যতম লক্ষ্য। ল'ৰাৰ উপনয়নৰ কাৰ্য কৰাৰ বিধিসম্মত বয়স ন বছৰত উপনীত হোৱাৰপৰা বাৰ বছৰ বয়স পূৰ্ণ হোৱালৈ। এই বয়স অতিক্ৰম কৰাটো 'ব্ৰাত্য' অৰ্থাৎ দূষণীয় বুলি বিবেচনা কৰা হয়। উপনয়নৰ বয়স প্ৰাপ্ত হোৱাৰ লগে লগে ল'ৰাই জীৱনৰ *ব্ৰহ্মচাৰ্য* আশ্ৰমৰ কালছোৱাত প্ৰৱেশ কৰে। সেইবাবে উপনয়নৰ কাৰ্য সম্পাদন কৰা সময়ত ল'ৰাজনক 'ব্ৰহ্মচাৰী' হিচাবে মান কৰা হয়। ব্ৰহ্মচাৰ্য ব্ৰত পালনৰ মহত্ব সম্পৰ্কে আৰু ইয়াক ৰক্ষা কৰাৰ কাৰণে পালন কৰিবলগীয়া

নৈতিক আচৰণ সম্পৰ্কে উপনয়নৰ সময়ত শিক্ষা প্ৰদান কৰা হয়। প্ৰাচীন কালত উপনয়নৰ কাৰ্যৰ পিছত ল'ৰাই বেদ পঢ়িবলৈ গুৰুৰ ওচৰলৈ গৈছিল।

নানা লৌকিক নিয়ম-নীতিৰ মাজেৰে উপনয়ন কাৰ্য আনুষ্ঠানিকভাৱে পতা হয়। পুৰোহিতৰ পৰিচালনাত উপনয়ন অৰ্থাৎ লগুণ পিন্ধোৱা কাৰ্য সম্পাদন কৰা হয় ল'ৰাৰ পিতৃ - পিতৃ অবিহনে পৰিয়ালৰ আন জ্যেষ্ঠ ব্যক্তিৰ দ্বাৰা। জাত কৰ্ম সমূহৰ ভিতৰতে উপনয়ন আটাইতকৈ দীঘলীয়া (দিন জোৰা) কাৰ্য; ই গাম্ভীৰ্যপূৰ্ণ আৰু দৰ্শনীয়ও। লৌকিক আচাৰ অনুসৰি ল'ৰাৰ মাতৃ সমন্বিতে নিমন্ত্ৰিত মহিলাসকলে অধিবাস, পানীতোলা, দৰা ধুওৱা, ভিক্ষাদান আদি উপনয়ন কাৰ্যৰ বিভিন্ন স্তৰত উৰুলি, গীত, পদ আদিৰে সক্ৰিয় সহযোগ কৰি এই কাৰ্য উৎসৱমুখৰ কৰি তোলে।

হোমত ঘি সহকাৰে পৱিত্ৰ সমিধৰ আহুতি দান, ভৰিত পাদুকা পিন্ধি লগুণ পৰিধান কৰি কান্ধত পলাশৰ দণ্ড আৰু হাতৰ আঁজলিত পানী লৈ ব্ৰহ্মচাৰীৰ হোম প্ৰদক্ষিণ; আঁৰ কাপোৰৰ তলত পিতৃ আৰু পুৰোহিত গুৰুৰ ওচৰত শপত গ্ৰহণ, গায়ত্ৰী মন্ত্ৰৰ অনুশীলন; মাতৃ সমন্বিতে মহিলাসকলৰপৰা ব্ৰহ্মচাৰী ভিক্ষা গ্ৰহণ; ব্ৰহ্মচাৰীৰ গৃহত্যাগ যাত্ৰা আদি কাৰ্য এহাতে মোহনীয়, আনহাতে গাম্ভীৰ্যপূৰ্ণ। যদিও উপনয়ন কাৰ্য দিনটোৰ ভিতৰতে সমাপন হয়, পৰৱৰ্তী তিনি দিন, স্থান ভেদে সাত দিন পৰ্যন্ত ব্ৰহ্মচাৰীৰ ব্ৰতৰ কাল। এই কেইদিন ব্ৰহ্মচাৰী দিনটো উপবাসে থাকি সন্ধিয়া উপনয়নৰ দিনা ভিক্ষা কৰি পোৱা সাত্ত্বিক আহাৰৰ ভোজন (হবিচ) কৰা নিয়ম। এই কালছোৱাত পুৰোহিত অৰ্থাৎ গুৰুজনে ব্ৰহ্মচাৰীক বিহিত বিধি অনুসৰি ত্ৰিকাল সন্ধ্যা, গায়ত্ৰী জপ আদিৰ অনুশীলন কৰোৱা আৰু ধৰ্মীয় নৈতিক শিক্ষা প্ৰদান কৰা নিয়ম।

বী. কু. শ.

**।। উভ্ৰা পূজা ।।**

ৰাভা জনগোষ্ঠীৰ টোটলাৰাভা ফৈদৰ মাজত প্ৰচলিত এটি অন্যতম ধৰ্মীয় উৎসৱ হ'ল *উভ্ৰা পূজা*। বছৰৰ প্ৰথম মাহত সাত বিহুৰ পিছত যিকোনো এদিন এই পূজা সমূহীয়াভাৱে উদ্‌যাপন কৰা হয়। গাঁৱৰ বৰমূৰীয়াসকল ৰাতিপুৱা নদীৰ পাৰত গৈ এখন মাহ-প্ৰসাদেৰে ঠগি পাতে। তাতেই এহাল কুকুৰা চৰাই বলি দি গা-পা ধুই ঘৰলৈ আহে। তাৰ পিছত মূল পূজাৰ আয়োজন কৰে। গাঁৱৰ ভিতৰত বা বাহিৰত আওহতীয়া ঠাইত এজোপা ডাঙৰ গছৰ তলত দুপৰীয়া এই পূজাৰ আয়োজন কৰা হয়। কলৰ দোণাৰে এখন ভেল (ভুৰ) সাজি থাপনা পতা হয়। মাহ-প্ৰসাদ, ধূপ-দীপ, ফল-মূলৰ লগতে কণী আৰু এযোৰ পাৰ চৰাই পূজাৰ উপচাৰ হিচাপে ব্যৱহাৰ কৰা হয়। এইখিনি কাম গাঁৱৰ গোসাঁইঘৰৰ দেউৰীজনেই কৰে। থাপনা পতাৰ পিছত আমন্ত্ৰণ কৰি অনা আয়তীসকলে আই নাম পৰিবেশন কৰে। আবেলি চাৰিমান বজাত নাম-প্ৰসংগ সামৰি

পূজাৰ সকলোবোৰ উপচাৰ ভূৰখনত তুলি নি নদীত উটুৱাই দিয়ে নদীৰপৰা অহাৰ পিছত কানীয়াবোৰে কানি আৰু মদ খাই ধেমালি কৰে আৰু মাহ-প্ৰসাদ খাই সকলোৱে ঘৰা-ঘৰি যায়। এই মূল পূজাৰ সংগতি ৰাখি মাজ নিশা বাট পূজা কৰে। এই পূজাৰ দায়িত্ব দেউৰীৰ লগতে গাঁৱৰে কেইজনমানক দিয়া হয়। তেওঁলোকে মাজনিশা গাঁৱৰ এটা মূৰত গৈ মাজ ৰাস্তাতে মাহ-প্ৰসাদেৰে ঠগি পাতে। তাতে এহাল কুকুৰা বলি দি পূজা সামৰা হয়। এনেকৈয়ে ৰাভাসকলে উম্ৰা পূজা অনুষ্ঠিত কৰি আহিছে। আন আন জনজাতীয় জনগোষ্ঠীৰ দৰে ৰাভাসকলেও বিশ্বাস কৰে যে মাৰি-মৰক, অপায়-অমঙ্গল, দুখ-দুৰ্দশা এই সকলোবোৰৰ মূলতে হ'ল ভূত-প্ৰেত, দেৱ-দেৱতা, চয়তান আদি। এই সকলক সন্তুষ্ট কৰি ৰখা বা গাঁৱৰপৰা আঁতৰাই পঠিয়াব নোৱাৰিলে গাঁওবাসী ৰাইজক ৰক্ষা কৰাৰ বিকল্প পথ নাই। সেই উদ্দেশ্য আগত ৰাখিয়ে ৰাভাসকলে প্ৰতি বছৰে উম্ৰা পূজা অনুষ্ঠিত কৰে। **ফ. তা.**

**।। এলেং আঁচ্চ ।।**

অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত ডেকা চাং এক লেখত ল'বলগীয়া অনুষ্ঠান। বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত থকাৰ দৰে দেউৰী সমাজতো এই ডেকা চাং আছে। দেউৰীসকলে এই ডেকা চাঙক *এলেং আঁচ্চ* বুলি কয়। এই ডেকা চাং অৰ্থাৎ *এলেং আঁচ্চ* সাধাৰণতে গাঁওখনৰ মধ্যস্থান নাইবা দাঁতিত তেওঁলোকে সাজি লয়। গাঁওখনৰ প্ৰায় সকলো ডেকাই যাতে সহজতে আহি উপস্থিত হ'ব পাৰে এনে এডোখৰ মুকলি মূৰীয়া ঠাই তেওঁলোকে বাচি লোৱা দেখা যায়। গাঁৱৰ উদীয়মান ডেকা, অবিবাহিত ব্যক্তি অথবা প্ৰাপ্তবয়স্ক লোকো এলেং আঁচ্চৰ সদস্য হোৱা দেখা যায়। এই অনুষ্ঠানৰ আচাৰ-ব্যৱহাৰ ৰীতি-নীতি মুখে মুখে প্ৰচলিত যদিও তাকে তেওঁলোকে বিধি বুলি মানি চলে বা মানি চলিবলগীয়া হয়। ইয়াত বিবাহিত পুৰুষ বা মহিলা গাভৰু আদিৰ স্থান নাই। কেৱল অবিবাহিত পুৰুষসকলহে এই অনুষ্ঠানৰ সদস্য; কিন্তু কিছুমান ক্ষেত্ৰত ইয়াৰ কঠোৰ নীতি সামান্য শিথিল কৰাও দেখা যায় কামৰ গুৰুত্বলৈ চায়। এলেং আঁচ্চ সাজোঁতে সাধাৰণতে বাঁহ বা কাঠৰ খুঁটাৰে চাং পতা হয় আৰু তাৰ ওপৰত বাঁহেৰে বেৰ,চাং আদি সজা হয়।ই প্ৰায় ১০ৰপৰা ২০ ফুট পৰ্যন্ত ওখ। উঠা নমাৰ বাবে জখলাৰ ব্যৱস্থা তেওঁলোকে কৰি লয়। এই এলেং আঁচ্চই এজন নতুনকৈ উঠি অহা ডেকাৰ বাবে সম্পূৰ্ণ আৰ্থিক, সামাজিক, সাংস্কৃতিক আদি দিশৰ গভীৰ জ্ঞান আহৰণৰ কেন্দ্ৰীয় অনুষ্ঠান স্বৰূপ। এই এলেং আঁচ্চতেই বিশেষকৈ আজৰি সময়ছোৱাত খালৈ, জাকৈ, নাঙল আদি সজা, খেলা-ধূলা, গীত মাত, ঢোল, পেঁপা, বাঁহী আদি সজাৰ কামো কৰা হয়। মূলত দেউৰীসকলৰ আৰ্থ-সামাজিক-সাংস্কৃতিক আদি সকলো দিশতে এলেং আঁচ্চৰ যথেষ্ট ভূমিকা আছে বুলি ক'ব পাৰি। **ম.কু.দা.**

**।। ওজাপালি ।।**

ওজাপালি অসমৰ এক অৰ্ধ নাটকীয় পৰিবেশ্য কলা। সৰ্বভাৰতীয় কথকতা-পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক ওজাপালি প্ৰাচীন কালৰেপৰা অসমত এক জনপ্ৰিয় কলা হিচাপে প্ৰচলিত। ওড্ৰ-মাগধী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপখোৱা ওজাপালি অনুষ্ঠান ভাৰতীয় মাৰ্গী সংগীত-পৰম্পৰাৰপৰা জন্ম। ইয়াৰ উদ্ভৱ আৰু বিকাশত মন্দিৰৰ প্ৰভূত অৰিহণা আছে। এই ওজাপালি কলা শৈলীৰ উদ্ভৱ আৰু বিকাশ সন্দৰ্ভত বিভিন্ন মিথ আৰু জনশ্ৰুতি জড়িত হৈ আছে। এক দৈৱিক মতবাদ অনুসৰি বৃহন্নলাৰূপী অৰ্জুনৰদ্বাৰা এইবিধ কলা স্বৰ্গৰপৰা মৰ্ত্যত প্ৰচলিত হয়। পাৰিজাত নামৰ এগৰাকী মহিলাই স্বপ্নৰদ্বাৰা এই কলা আয়ত্ব কৰি শিষ্যসকলক শিকায় বুলিও বিয়াহৰ ওজাপালিসকলে বিশ্বাস কৰে। ব্যাসকলাই আৰু কেন্দুকলাই এই দুগৰাকী ব্যক্তিবিশেষো ওজাপালিৰ জনক বুলি জনশ্ৰুতি প্ৰচলিত। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ বিশিষ্ট পণ্ডিত বেদাচাৰ্যৰ *স্মৃতি ৰত্নাকৰ*, অসমৰ তাম্ৰশাসন, গুৰু-চৰিত-কথা আৰু বৈষ্ণৱ যুগৰ বিভিন্ন সাহিত্যত এই ওজাপালি কলা-শৈলী প্ৰাচীন কালৰেপৰা প্ৰচলন থকাৰ বিভিন্ন তথ্য দেখা পোৱা যায়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত এই মাৰ্গীয় সংগীত পৰম্পৰাই মহাকাব্য অথবা পুৰাণৰ কাহিনী গীত, নৃত্য আৰু অভিনয়ৰ মাধ্যমেৰে প্ৰচাৰ কৰা এক জন-চিত্ত বিনোদক লোক-কলা শৈলীৰূপে বৰপীৰা পাৰি বহিল।

ওজাপালি অনুষ্ঠানক বিষয়বস্তুৰ ফালৰ পৰা দুটা ভাগত ভগাব পাৰি, -

(১) মহাকাব্য আশ্ৰয়ী আৰু (২) মহাকাব্য অনাশ্ৰয়ী।

মহাকাব্য আশ্ৰয়ী ওজাপালিক আকৌ সাতোটা উপভাগত ভাগ কৰিব পাৰি। ভাগসমূহ হ'ল - (১) বিয়াহৰ অথবা সভা গোৱা ওজাপালি, (২) ৰামায়ণ অথবা ৰামায়ণ ওজাপালি, (৩) ভাউৰা বা ভাইৰা ওজাপালি, (৪) দুৰ্গাবৰী ওজাপালি, (৫) সত্ৰীয়া ওজাপালি, (৬) পাঞ্চালী ওজাপালি, (৭) দুলড়ী ওজাপালি।

একেদৰে মহাকাব্য অনাশ্ৰয়ী ওজাপালিক পাঁচ ভাগত ভগাব পাৰি -

(১) সুকনানি ওজাপালি, (২) বিষহৰী গান, (৩) মাৰে গান, (৪) পদ্মা-পুৰাণৰ গান, (৫) টুকুৰীয়া ওজাপালি।

ওজা আৰু পালি এই দুইবিধ অনুষ্ঠান-নিৰ্বাহিকাৰদ্বাৰা ওজাপালি অনুষ্ঠান সংগঠিত। পালি আকৌ দুবিধ - দাইনাপালি আৰু সাধাৰণ পালি। গীত, নৃত্য, বাদ্য, ৰাগ, তাল, লয়, মুদ্ৰা, গতি, ভংগী আদিত সুদক্ষ ওজাৰ শাৰীৰিক গঠন আকৰ্ষণীয় হোৱা উচিত। প্ৰখৰ স্মৃতিশক্তি ওজাৰ অন্য এক প্ৰয়োজনীয় গুণ। নৃত্য-গীতৰ পৰিচালক ওজাই দিহা, ৰাগ আদি প্ৰথমে লগাই দিয়ে পালিসকলে সহযোগ কৰে। দাইনাপালি বা অন্য পালিৰ

দ্বাৰা ওজাই পৰিবেশন কৰা গীতবোৰ কথিত গদ্যত ৰসালভাৱে অথবা অভিনয় সংগীত দৰ্শকক বুজাই দিয়ে। দাইনা পালিৰ পিছতেই বানা ধৰা বা গোৰপালিৰ স্থান। ইয়াৰ পিছতেই সহায়ক বা আগপালিৰ গুৰুত্ব। ওজাপালিৰ ৰূপ অনুসৰি ওজা আৰু পালিসকলৰ সাজ-পোছাক বিভিন্ন ধৰণৰ। মাথো সকলোৱে বিভিন্ন ধৰণৰ অয়-অলংকাৰ পৰিধান কৰে। কোনো ওজাপালিৰ ওজাই জামাৰ উপৰিও মূৰত বিশেষ ধৰণৰ টুপী পিন্ধে অথবা পাগ মাৰে। মুখ্যতঃ ধৰ্মীয় দিশৰ লগত সম্পৃক্ত বাবেই ওজাপালিৰ সকলোৱে শুভ্ৰ পোচাক পৰিধান কৰে। বিভিন্ন শাস্ত্ৰীয় ৰাগ-ৰাগিণী গোৱা ওজাপালিয়ে অনুষ্ঠানত সচৰাচৰ পঞ্চস্তৰ বা অংগৰ সংযুতি পৰিদৃশ্যমান। ধৰ্মীয় প্ৰকাৰ্য, জন-চিত্তবিনোদন, নৈতিক শিক্ষা, প্ৰচাৰ মাধ্যম, সামূহিক অনুভূতি আৰু আনুগত্য প্ৰকাশৰ মাধ্যমৰূপে ওজাপালিয়ে প্ৰাচীন কালৰেপৰা ৰজাঘৰ-প্ৰজাঘৰ উভয়পক্ষতে বিশেষ সমাদৰ লাভ কৰি আহিছে। প. ৰ.

।। ওম্‌ফা পূজা।।

আহোমসকলে পালন কৰা ওম্‌ফা পূজাৰ প্ৰধান উপাস্য দেৱতা হ'ল ফা-ন্যু বা লেংদন। এই লেংদন দেৱতাই মুংফী ৰাজ্যৰ পৰা খুন্‌লুং আৰু খুন্‌লাইক ম্যাংৰি-ম্যাংৰামলৈ পঠাওঁতে যি উৎসৱ পালন কৰা হৈছিল সিয়েই কালক্ৰমত ওম্‌ফা পূজাৰ ৰূপ গ্ৰহণ কৰা বুলি বিশ্বাস কৰা হয়। আহোমসকলে ৰাজ্য, প্ৰজা, ধন-ধান, ঐশ্বৰ্য তথা শত্ৰু জয়ৰ বাবে এই পূজা কৰিছিল। ওম্‌ফা পূজাত ফৰিং, হাঁহ, কুকুৰা, গাহৰি, ছাগলী, গৰু, ম'হ আনকি হাতীও বলি দিয়া হৈছিল। এই পূজাৰ বাবে এখন আঠকোণীয়া বেদী নিৰ্মাণ কৰা হয় আৰু তিনি শ্ৰেণী দেৱতাৰ বাবে তিনিখন চাং সজা হয়। কেন্দ্ৰীয় বেদীত আহোমসকলৰ প্ৰাকৃতিক শক্তিৰ আধাৰ দেৱতা লেংদন (স্বৰ্গাধিপতি), লাংদিন (পৃথিৱী), খাওখাম (জলদেৱতা) প্ৰভৃতি সাতজনক পূজা কৰা হয়। এই প্ৰধান দেৱতাসকলৰ বাহিৰেও ছেং মুন ছেং বান (চন্দ্ৰ-সূৰ্য) আৰু জ্যাছিংফা (বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী)কো উপাসনা কৰা হয়। বেদীৰ সন্মুখত কল গছৰ খুঁটা এটা প্ৰতিষ্ঠা কৰি তাত একুৰি পাঁচ গছ চাকি দয় মা লুং যুৰা (প্ৰকৃতি দেৱতা)-ৰ উদ্দেশ্যে প্ৰজ্বলিত কৰা হয়। অতীতত আহোমসকলে যুদ্ধক্ষেত্ৰত পৰিধান কৰা *কৱচ* ওম্‌ফা পূজাত বলি দান কৰা প্ৰাণীৰ তেজেৰে ৰঞ্জিত কৰা হৈছিল আৰু এই পূজাৰ বলিৰ তেজেৰে স্বৰ্গদেও প্ৰমুখ্যে আহোম সেনাপতি তথা সৈন্যসকলে কপালত তিলক পৰিধান কৰিছিল।

দে. দা.

।। ওৱাংগালা ।।

গাৰো জন-জাতিসকলৰ আটাইতকৈ শ্ৰেষ্ঠ আৰু উল্লেখযোগ্য অনুষ্ঠান হ'ল ওৱাংগালা। ওৱাংগালা মূলতঃ কৃষি ভিত্তিক অনুষ্ঠান হ'লেও কৃষিৰ লগত ইয়াৰ তেনে

কোনো পোন-পতীয়া সম্পৰ্ক নাই। আহিন-কাতি মাহত খেতি চপোৱাৰ সময়ত গাৰো বিশ্বাসৰ শস্যৰ দেৱতা *মিছিচালজং* বা *চালজং* (সূৰ্যদেৱতা) দেৱতালৈ কৃতজ্ঞতাৰ চিন স্বৰূপে মদ-মাংসৰে উপচাৰ আগবঢ়োৱা হয় আৰু আনুষ্ঠানিক ভাৱে খামাল বা পুৰোহিতৰদ্বাৰা চালজং দেৱতালৈ প্ৰাৰ্থনা জনোৱা হয়। ওৱাংগালা অনুষ্ঠানৰ প্ৰস্তুতি অৱশ্যে তেওঁলোকৰ খেতিৰ আৰম্ভণিৰ সময়ৰ পৰাই চলে। ইয়াৰ বাবে নিৰ্দিষ্ট কোনো দিন-বাৰ থকাৰ কথা জনা নাযায়। খেতি চপোৱাৰ পিছত সমজুৱাভাৱে মিলি দিন স্থিৰ কৰি লোৱা হয়। উৎসৱৰ নিৰ্দিষ্ট দিনত প্ৰথমে গাঁৱৰ মুখিয়াল *নগাঁমা* (গাওঁবুঢ়া) জনৰ ঘৰতে শস্য দেৱতাৰ নামত পূজা পতা হয়। মদ, মাংস আৰু ঘৰতে প্ৰস্তুত কৰা চু (লাওপানী) দেৱতালৈ আগবঢ়োৱা হয়। ইয়াৰ পিছত গোটেই গাঁওবাসীয়ে *নকমাৰ* ঘৰতে এসাজ খায়। খোৱা-বোৱাৰ অন্তত প্ৰথমে বয়সীয়াল লোকসকলে আৰু পিছত ডেকা-গাভৰুহঁতে নাচ-গান কৰে। পিছদিনা ৰাতিপুৱা গাঁওবাসী পুনৰ মুখিয়াল জনৰ ঘৰলৈ আহে তাতে *চাচাত* নামৰ ওৱাংগালাৰে আন এটি পৰ্ব পালন কৰে। *চাচাতৰ* বাবে ঢোল, খোল, নাগেৰা আৰু কাঁহৰ চৰিয়া আকৃতিৰ বাদ্য বজোৱা হয়। বয়সীয়াল লোকসকলে গাৰোসকলৰ নিজা *মিল্লাম* (ঢাল-তৰোৱাল) লৈ *গ্ৰিকা* নামৰ এবিধ নাচ নাচে। ডেকাসকলে চৰাই খেদাৰ নিচিনাকৈ মুখেৰে শব্দ কৰে। কোনো কোনো আঢ্যৱন্ত মুখিয়ালৰ ঘৰত *চাচাতৰ* সময়ত ধূনী জ্বলোৱা ৰীতি প্ৰচলিত আছে। ইয়াৰ পিছত পানী মিহলি চাউলৰ গুড়িৰে ঘৰৰ বেৰত প্ৰলেপ দিয়া হয় আৰু উপস্থিত মানুহখিনিৰ গাতো ঘঁহি দিয়া দেখা যায়। ইয়াক এক পৱিত্ৰতাৰ প্ৰতীক বুলি গণ্য কৰা হয়।

ইয়াৰ পিছতহে গাই-গুটীয়া ভাৱে নিজৰ ঘৰত *চাচাত* পালন কৰা হয়। প্ৰত্যেক ঘৰ মানুহে 'চু' প্ৰস্তুত কৰে। ঘৰে ঘৰে বনোৱা 'চু' হ'লেহে ওৱাংগালা উছৱৰ অন্ত পৰে।

ওৱাংগালা অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ল ঢোল আৰু নাচৰ প্ৰতিযোগিতা। গাঁও বিলাকৰ মাজত এই প্ৰতিযোগিতা চলে। ইয়াৰ বাবে এশ এটা ডাঙৰ-দীঘল আকৃতিৰ ঢোল যোগাৰ কৰা হয়। ল'ৰা, ডেকা, বুঢ়া মানুহ, তিৰোতা সকলোৱে ইয়াত ভাগ ল'ব পাৰে। নিজৰ জাতীয় পোচাক পৰিধান কৰি, মূৰত চৰাইৰ পাখি আৰু গছৰ পাত আদি গুজি, নক্‌মাই হাতত এখন দা আৰু বয়সীয়ালসকলে *মিল্লাম* লৈ নাচে। তাৰ মাজৰপৰাই এটি শ্ৰেষ্ঠ দল বাচি উলিওৱা হয়। মুকলি পথাৰত বিঁৰাট জন সমূদ্ৰৰ মাজত এই ওৱাংগালা নৃত্য অনুষ্ঠিত হয়। বিহুৰ ৰাঙলী পৰিবেশত অসমীয়া ডেকা-গাভৰুৱে চা-চিনাকি হোৱাৰ দৰে ওৱাংগালা উৎসৱতো গাৰো ডেকা-গাভৰুৰ হিয়া দিয়া-নিয়াৰ সোণালী সুযোগ উপস্থিত হয়।

প্ৰ. শ. গো.

**।। কঁকাল চিপ্ৰা পিঠা।।**

কঁকাল চিপ্ৰা বা কঁকাল চিগা অথবা টোপোলা পিঠা প্ৰস্তুত কৰিবলৈ কেইখনমান আঠীয়া কলৰ পাত, পিঠাগুড়ি আৰু অলপ নিমখ যোগাৰ কৰিলেই যথেষ্ট। প্ৰথমতে কলপাতবোৰ জোখকৈ কাটি, ধুইমেলি অলপ সময় ৰ'দত দিব লাগে। ৰ'দত দিয়াৰ সুবিধা নহ'লে জুইত অলপ সেকি পাতবোৰ নাফাটিবলৈ নৰম কৰি লোৱা প্ৰয়োজন। পিঠাগুড়িত নিমখ মিহলাই চেঁচা পানী সানি অলপ অলপকৈ কলপাতৰ মাজত দি চাৰিওফালৰপৰা পাতখন মুৰি (ভাঁজ কৰি) মাজ ভাগত কলৰ চোটনি অথবা ধানখেৰেৰে টানকৈ বান্ধ এটা দিব লাগে। বান্ধটো দিওঁতে পিঠাখন চেপেটা হোৱাৰ উপৰি গাঁঠি দিয়া ঠাইডোখৰ চিপ্ৰা হোৱা দৰকাৰ। বন্ধাৰ পিছত গৰম হৈ থকা কেৰাহীৰ পানীত পিঠাবোৰ এখন এখনকৈ দি দহমিনিটমান উতলাই নমাই চেঁচা হোৱাৰ পিছত পাতবোৰ খুলি পেলোৱাৰ পিছত কঁকালচিপ্ৰা পিঠা খাব পৰা হয়গৈ। ধান কটা কালত খেতিয়কসকলে খোৱা পিঠা-পনাৰ ভিতৰত কঁকালচিপ্ৰা পিঠা অন্যতম।

জ্যো দা

**।। কণ্ডালী বিহুৰ গীত মাত।।**

কাতি বিহুত ঘৰে ঘৰে তুলসীৰ গুৰিত চাকি জ্বলায় আৰু সেই তুলসীৰ চাৰিওফালে ল'ৰা ছোৱালীবোৰে আহি গীত গায়। দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ মাজত প্ৰচলিত গীত এনেধৰণৰ ঃ (১) তুলসী তলে তলে মৃগপশু চৰে (২) তাহাক মাৰিব লাগি ৰামে যতন কৰে (৩) তুলসী মৰি গেল, পাতো সৰি গেল (৪) ভকতে গাঁঠিলা মালা (৫) সেই মালা ধাৰি ৰুক্মিণীৰ পিন্ধাল। (৬) যেন সৰগৰে তৰা (৭) ধূলাই লুতুৰ পুতুৰ, হৰি ধূলাই লুতুৰ পুতুৰ (৮) ধূলা ঝাৰেকিৰি কোলা ল বাপে ঠাকুৰ হৰিবোল'। নহিৰা সত্ৰাপাৰাৰ কৈৱৰ্ত অঞ্চলত গীতটো অলপ বেলেগঃ অ' তুলসীৰ গৰে গৰে মৃৰ্গা পশু চৰে/ অ' তাহাক মাৰিবা লেগি ৰামে যতন কৰে/ অ' তুলেসীৰ ফুল হৰি তুলেসীৰ ফুল/ অ' সেই তুলসীৰে ৰাইজে আহি ৰাইজে নাপায় ভুল/ অ' তুলেসীৰ মালা হৰি তুলসীৰ মালা /' কুকুৰীযা অঞ্চলত চলিত গীতটোত দুটা মান পাৰ্থক্য এনেধৰণৰ ১শাৰী - তুলসীৰ গৰে গৰে, ২ শাৰীৰ পিছত দুটা নতুন শাৰী - ৰামে খোৱা তুলসী লক্ষ্মণে ঢালে পানী/গোবৰ্দ্ধন দিয়া মুচে সীতা ঠাকুৰাণী /৪ শাৰীৰ পিছতো এটা নতুন শাৰী 'ভকতৰ পিছে পিছে কৰে ঘুতুৰ মুতুৰ।' এই অঞ্চলৰ গীতটো ইয়াতে শেষ। ৰৰ হদুমপুৰ অঞ্চলৰ গীতটোৰ আৰম্ভণিতে দুটা নতুন শাৰীৰ হ'ল- 'কাৰ ঘৰে ঘৰে লগাই চাকি/ গোসাঁই ফুৰে দিনে ৰাতি/ কাৰ ঘৰে লগাই হৰি নামে কিএ /' ৰামপুৰ কৈৱৰ্ত সমাজত প্ৰচলিত গীতটোত ৰুক্মিণীৰ ঠাইত ৰাধিকা আৰু অন্তিমৰ শাৰীটো হ'ল - 'এ ৰাম জয় হৰি, এল্লু ভতাহ কৰি/' বাজিৰিপাৰাৰ দাস সম্প্ৰদায়ৰ মাজত প্ৰচলিত গীতটোৰ

মাজত তিনিটা শাৰী হ'ল 'ভকাতে গাঁঠিলা মালা/ সেই মালাধাৰি ৰাহ্নীক পিন্ধালা ৰাহ্নীয়ে সৰগৰ তাৰা/ কলা তুলসীৰ গৰে কলীয়াই এ বুঢ়া গঁহইৰ' /'

নি.শ.

**।। কচু গুটি খেল ।।**

কচু গুটি অসমৰ এটি পুৰণি জনপ্ৰিয় খেল। এই খেল দুজন ল'ৰা-ছোৱালী খেলে। দুটা দলৰ মাজতো এই খেল অনুষ্ঠিত হয়। দুজনৰ মাজত খেলিবলৈ হ'লে - এজনে লাউ, জিকা বা ভোলৰ গুটি এটা পিঠিৰ ফালে এখন হাতত লৈ মুঠি মাৰি দুয়োখন মুঠিমাৰা হাত আগলৈ আনে। দ্বিতীয় জনে।—

'অলৌ গুটি টলৌ গুটি কচু গুটি লাই।

এইখন হাতৰ গুটিটো এইখন হাতে পায়।।' - এই দৰে গাই প্ৰথম জনৰ ইখনৰ পিছত আনখন হাত ছোৱে। যিখন হাতত গীতটো শেষ হয়, সেইখন হাত নিয়ম অনুযায়ী মেলি দিব। যদি সেইখন হাতত গুটিতো থাকে, তেন্তে সেই গুটিটো দ্বিতীয় জনে আনি লুকুৱাব পাৰিব, কিন্তু যদি গুটিটো নাপায়, তেন্তে প্ৰথম জনেই গুটি লুকোৱাৰ পুনৰ সুযোগ পাব।

দুই দলৰ মাজত হোৱা কচু গুটি খেল - দুই শাৰীত দুটা দল হ'ব। ঘাই খেলুৱৈজনে গুটিটো পিছফালে হাত দি থকা খেলুৱৈ কেইজনৰ হাতত দি আহে। তেতিয়া বাকীবোৰে 'অলৌগুটি তলৌগুটি' গীতটো গাই গুটিৰ সন্ধান কৰে। পালেই ইটো পক্ষৰ হাতলৈ গুটিটো আহিব আৰু লুকাব পাৰিব।

না. দা.

**।। কঠ।।**

মাটিত বহিবলৈ সজা আসনৰ ভিতৰত কঠৰ স্থান বিশিষ্ট (সং. কট, অৰ্থ তৃণৰ আসন)। কঠৰ আৰ্হিৰ আবিষ্কাৰক ৰূপে মহাপুৰুষ মাধৱদেৱলৈ আঙুলিয়া হয়। নামঘৰত বহি নাম -প্ৰসংগ কৰিবলৈ মাধৱ পুৰুষে নিৰ্মাণ কৰা তৃণাসনখনিৰ নাম কঠ বোলা কথাষাৰি *গুৰুচৰিত কথাত* পোৱা যায়— 'একদিনা চোট আতা কঠ সাজি কল থৰুৱা সজকৈ ধুই- পখালি দিলে নি গুৰুজনাক। বোলে বাপ, আতে বহি হৰিকথা চৰ্চা যাব। বোলে আৰ কি নাম দিছা? বোলে বাপ কট নাম দিয়া হৈছে। বোলে সজ নাম হৈছে। আতে বহি হৰিগুণ শ্ৰৱণ-কীৰ্তন কৰিব। দেহৰ কটমট বাসনা দূৰ হ'ব ভকতৰ। তাৰপৰা কঠৰ আৰ্হি হ'ল।' বিভিন্ন তৃণজাতীয় মুঠাৰে তৈয়াৰী হয় কঠ। সিবোৰৰ ভিতৰত (ক) শুকান কল- থৰুৱা (শুকান কলপাতৰ মাজৰ থোৰটো) (খ) ছিৰিলা-ছিৰিলি পাতেৰে বাৰিষাৰ পানীত তলযোৱা ঠাইত গজা গা কোমল, সোপোকা কুঁহিলা, আৰু (গ) সুগন্ধি শিপাযুক্ত বন মুঠা (সং মুস্তা) প্ৰধান। মুঠাক কোনো কোনো অঞ্চলত *গুণ্ডল* ৰূপেও

জনা যায়। তৃতীয়বিধ তৃণেৰে গোঁঠা কঠৰ প্ৰচলন সৰ্বাধিক। হাতেৰে গোঁঠা এইবিধ আসন নগাঁৱৰফালে আজিকালি বিশেষ শালত বোৱা হয়। ঘৰুৱা কামৰ বাবে কোনো কোনোৱে কুঁহিয়াৰৰ জাবৰিৰেও কঠ গোঁঠে। পিছে তেনে কঠত পৰুৱা নুঠিবলৈ খাৰণি পানীত উহাব লাগে। ব্ৰাহ্মণ আৰু কোনো কোনো সত্ৰত খুব কম সংখ্যক সৰু কুশৰ কঠ দেখা যায়। বৈষ্ণৱ সত্ৰ-নামঘৰত তৃণাসন কঠৰ ব্যৱহাৰ সৰ্বাধিক।।

না. দা

।। কঁঠাল পিঠা আৰু কলপিঠা।।

অসমীয়া সমাজত কঁঠাল পিঠা আৰু কলপিঠা জনপ্ৰিয়তা আজিও কমা নাই। এই দুয়োবিধ পিঠা সাজিবলৈ চালি লোৱা কঁঠাল, চালিলোৱা ভীমসকল বা কেচুলেপা অথবা জুৰিমণি কলৰ মণ্ড, কেঁচা পিঠাগুড়ি আৰু অলপ চেনি অথবা গুড় ভালদৰে গোটাকৈ মিহলাই অলপ নিমখ দি ইতিমধ্যে জুইত সেকি ৰখা ২৫-৩০ ছেঃ মিঃ জোখৰ পুৰঠ কলপাতৰ মাজত অলপ অলপ কৈ উক্ত মিশ্ৰণবোৰ দি দুজাপ কৰি ওপৰে ওপৰে বেলনাৰে বেলি এখন এখনকৈ মাটিৰ পাট চৰু, কেৰাহী অথবা টাৱাত সেকিব লাগে। মন কৰিবলগীয়া, পাতখিলা পিঠাৰপৰা এৰা দিলেহে পিঠাখন সম্পূৰ্ণ ভাৱে সিদ্ধ হোৱা বুলি ধৰিব লাগে। কঁঠাল অথবা কলৰ মিশ্ৰণবোৰ কলপাতত নেসেকি তেলত ডুবাই ভাজিও খাব পাৰি। কোনো কোনোৱে চালিলোৱা কঁঠাল অথবা কলত আধা ভজা পিঠাগুড়িও মিহলায়।

জ্যো. দা.

।। কণী যুঁজ ।।

কণী যুঁজ অসমীয়াৰ এটি প্ৰিয় খেল। ব'হাগ বিহুৰ কেইদিনমান আগৰেপৰাই ই আৰম্ভ হৈ বিহু উৰুৱালৈকে কণী যুঁজ চলি থাকে। যুঁজ সাধাৰণতে পাতিহাঁহৰ কণীৰে যুঁজায়। খেলাৰুসকলে বিভিন্ন ঠাইৰপৰা টান কণী কিনি আনি যুঁজলৈ সাজু হয়। টান কণীৰ নাম সৈয়া (বা হৈয়া)। কড়ি অথবা নখেৰে টুকুৰীয়াই কণীৰ কাঠিন্য নিৰূপণ কৰিব লাগে। কণী-যুঁজৰ আগতে দুই যুঁজাৰুৰ মাজত 'দৰ-দাম' ঠিক কৰা প্ৰয়োজন। 'দৰ-দাম'ৰ দ্বাৰা কণীৰ জোঙা আৰু বহল- এই ফাল দুটাৰ কোনটোৰ দ্বাৰা কণীক যুঁজোৱা হ'ব তাকেই বুজায়। দৰ-দাম ঠিক হোৱাৰ পিছত এজনে কণীৰ এটা ফালেৰে আনজনৰ কণীটোৰ নিৰ্দিষ্টকৈ দিয়া ফালটোত খুন্দা মাৰি দিয়ে। যাৰ কণী ভাগে, তেওঁ কণীটো কণী নভগা জনক দিব লাগে। কোনো কোনোৱে হাঁহ কণীৰ মাজত দুই এটা কুকুৰা অথবা গিনিফাউলৰ কণী মিহলাই কণী যুঁজায়। পিছত উল্লেখ কৰা কণীসমূহ হেনো পাতিহাঁহৰ কণীতকৈ টান। কোনো কোনোৱে সাত বিহুলৈকে সৈয়া বা হৈয়া কণী নভগাকৈ ৰাখি গৌৰৱৰ ভাগী হয়। এনে কণীক কোৱা হয় - 'সাত বিহুৰ সৈয়া

কণী।' কণী যুঁজত আবাল -বৃদ্ধ-বনিতা সবৰে সম অধিকাৰ।

না. দা.

**।। কধৰা টনা খেল।।**

কধৰাৰ অৰ্থ আধাৰি বা বিৰিয়া। উত্তৰ কামৰূপত শব্দটো কধ্‌ৰা ৰূপে উচ্চাৰিত হয়। মাটিৰ কলহ, টেকেলি, চৰু প্ৰভৃতি বস্তুৱাই থবলৈ বাঁহৰ পাতল কামী, খেৰ আদিৰে বৃত্তাকাৰ ভাৱে তৈয়াৰ কৰা সম্ভাৰ পদৰ নাম কধৰা। খেলৰ বাবে তৈয়াৰ কৰা কধৰাটো চল্লিচ- ষাঠি ছেন্টিমিটাৰ ব্যাসৰ। বাঁহৰ পাতল কামীৰে পোনতে সাজি লোৱা কধৰাটোত চাৰি-পাঁচ ছেঃ মিঃ শকতকৈ কল গছৰ শুকান আঁহ খেৰ মেৰিয়াই লোৱা হয়। পিছত শকত আবত ডেকা এজনে দুহাতেৰে এফালে সেই কধৰাটোত ধৰাৰ পিছত পাঁচ- ছয়জন ডেকাই কঁকালত হাতেৰে ধৰি এটা শাৰীত থিয় দিয়ে। একেদৰে কধৰাটোৰ আনটো ফলতো প্ৰথমে বলবান ডেকা এজনে দুহাতেৰে ধৰি লোৱাৰ পিছত প্ৰথম ফালটো সমান সংখ্যাক ডেকাই দ্বিতীয় দলপতিৰ কঁকালত ধৰি থিয় দিয়াৰ লগে লগে দুয়োটা দলে দুয়োফালে টনাটনি কৰে। যিটো দলে কধৰাটো নিৰ্দিষ্ট সীমা এটা পাৰ কৰি নিব পাৰে, সেইদলেই কধৰা টনা খেলত জয়ী হয়। কেতিয়াবা আকৌ এটা কধৰা দুজন ডেকাই মাটিত বহি লৈ ইজনৰ ভৰিৰ পতা আনজনৰ ভৰিৰ পতাত লগাই লৈ দুহাতেদি কধৰা এটা টনাটনি কৰে। যিজনে কধৰাটো টানি আনজনক উঠাই আনিব পাৰে, তেওঁ খেলত জিকে।

আগতে কধৰা টনা খেলটো বৰপেটাত বৰ জনপ্ৰিয় আছিল। বৰপেটাৰ বাইশখন হাটীৰ মাজত এই খেল মাঘৰ দোমাহীৰ দিনা অনুষ্ঠিত হৈছিল। বৰ দোমাহীৰ দিনাখন হাটীৰ ল'ৰা- বুঢ়াই দলবান্ধি নদীত গা ধুবলৈ যাওঁতে লৈ যায় কধৰা এটা। যি হাটীৰ মাজেদি দলটো যায়, সেই হাটীৰ ডেকা দলৰ সৈতে এই খেল খেলি নিজৰ শক্তি প্ৰদৰ্শন কৰি নদীৰ পানীত বুৰ মাৰেগৈ। শক্তি প্ৰদৰ্শনৰ এই আমোদজনক খেলটো আদি পিছে নিষ্প্ৰভ হৈ পৰিছে।

(*দৈনিক অসম*, জানুৱাৰী ২০০২,ত প্ৰকাশিত শ্ৰী ব্ৰজগোপাল দাসৰ নিবন্ধৰ আধাৰত যুগুতোৱা।)

দে.দা

**।। কনাই ।।**

কনাই সম্পৰ্কে হেমকোষত আছে ঃ 'ডিমৰু গুটি, আৰৈ চাউল আৰু দুৰ্বাৰ টোপোলা; তাক তোলনি বিয়াত সন্তান স্বৰূপে ছোৱালীৰ কোলাত দিয়া যায় আৰু শান্তি বিয়াৰ অন্তত দৰা-কন্যা দুয়ো দুইৰ কোলাত দিয়া দি কৰে।' ওপৰৰ শাৰীটোৰপৰা বুজা যায় যে *কনাই* ছোৱালীৰ কোলাত দুটা উৎসৱত দিয়া হয় - ক. তোলনি বিয়া

আৰু খ শান্তি বিয়া। অৱশ্যে দুযোটা নাৰীৰ উৎসৱেই পালন কৰা হয় - ছোৱালীৰ প্ৰথম কন্যা কাল হোৱাত। হ'লেও তাৰ কিঞ্চিৎ পাৰ্থক্য আছে। মাক-বাপেকৰ ঘৰত থকা অবিবাহিতা কন্যাৰ পুষ্পোৎসৱেই তোলনি বা *নোৱাই-তোলনি বিয়া।* আনহাতে বাল্যবিবাহৰ দেউনা পাৰ হৈ মাক-বাপেকৰ ঘৰত থকা ছোৱালীৰ পুষ্পোৎসৱেই হ'ল *শান্তি বিয়া।* এতিয়া বাল্য বিবাহ উঠি গৈছে, কিন্তু এটা কালত ইয়াৰ চলতি আছিল। আগবিয়া হোৱা ছোৱালীজনী যদি নিজৰ মাক বাপেকৰ ঘৰত থাকোঁতে পুষ্পিতা হয়, তেনেহ'লে কন্যাঘৰে বাঁহ-বেতৰ জপাৰ ভিতৰত কনাই ভৰাই কেইজনীমান ছোৱালী আৰু তিৰোতাক দৰা ঘৰলৈ পঠিয়াই দি সেই সংবাদটো দিছিল। আনহাতে দৰা ঘৰত পুষ্পিতা হ'লে দৰাঘৰে কনাইৰ যোগেদি কন্যাঘৰলৈ সংবাদ প্ৰেৰণ কৰাটো উল্লেখযোগ্য। জপাৰ ভিতৰত পঠিওৱা বাবে নামনি অসমত ইয়াক *জপা খোৱা* বোলা হয়।

নামনি অসমত কনাইক কোৱা হয় - *জননী* বা *গাজী*। ইয়াত থাকে - গজা ডিমৰু গুটি, ডালিমৰ কলি, আৰৈ চাউল এমুঠি দুবৰি বন এমুঠি, পানৰ শীহ এটা, তামোল পাণ এযোৰ, বাৰমহীয়া বেঙেনাৰ ফুল, বগা বা ৰঙা ফুলৰ মালা এধাৰ, মুদ্ৰা (এটকা) এটা, আঙুঠি বা খাৰু এপাত আৰু পঞ্চ-শিল্প ডবুনা কটাৰী এখন। এই আটাইবোৰ সম্ভাৰ অনাকটা কাপোৰ এখনত বন্ধা নিয়ম। *কনাই* (বা কানাই) শব্দটো কৃষ্ণ শব্দৰ পৰা অহা। *জননী* শব্দই মাতৃক আৰু *গাজী*য়ে অংকুৰ বা গজালি অৰ্থ সূচায়। সময় পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত বাল্য-বিবাহ নাইকিয়া হ'ল যদিও তোলনি বিয়াৰ জৰিয়তে জপাৰ ভিতৰত কনাই অনা-নিয়া পদ্ধতিৰ যতি পৰা নাই। জপা এতিয়া দৰা ঘৰৰ পৰিবৰ্তে কন্যাৰ মোমায়েক অথবা ওচৰ সম্পৰ্কীয় লোকৰ ঘৰত ৰখা হয়। কইনা পুওৱাৰ পিছত টকা বা আঙুঠি হাতত দি জযজযতে মাকে কনাইটো জীয়েকৰ কোঁচত দিয়ে। অনুক্ৰমে আন সম্পৰ্কীয় আইসকলে পা-পইচা দি কইনাৰ কোঁচত কনাই দিয়া নিয়ম। উজনি-নামনি উভয়তে কনাই জননী বা গাজী লৈ ভালেখিনি গীত-মাতৰ সৃষ্টি হোৱাটো তাৎপৰ্যপূৰ্ণ।

না দা

।। কপালী / টিকলি।।

অসমীয়া মহিলাই কপালত পৰিধান কৰা আন এবিধ অলংকাৰ। ই লটকন এটাৰে সৈতে সোণৰ শিকলি এডালেৰে সংযুক্ত। কেতিয়াবা সোণৰ শিকলিৰ সলনি মুকুতাৰ মালাৰেও লটকনটো গাঁঠা থাকে। চিতিপটিৰ দৰে ইয়াৰো লটকনটো কপালৰ সোঁমাজত পৰাকৈ শিকলিডালেৰে শিৰৰ ওপৰেৰে নি পিছফালে চুলিত হুক লগাই পৰিধান কৰা হয়। পৰিৱেশ আৰু প্ৰয়োজন অনুসাৰে এইবিধ গহনাকো নৃত্য শিল্পীসকলে পৰিধান কৰে। কইনাৰ বাবে ই অপৰিহাৰ্য। শিৰোমণি বা কপালী পৰিধান কৰাৰ ফলত মস্তিষ্ক সতেজ হৈ থাকে বুলি বিশ্বাস কৰা হয়। সংবেদক স্নায়ুতন্ত্ৰ নিয়ন্ত্ৰণ কৰাতো ই সহায়ক হয়।

শিৰত সোণৰ অলংকাৰ পৰিধান কৰাৰ ফলত চুলি নিৰোগী আৰু স্বাস্থ্যকৰ হয় আৰু ই মগজু শীতল কৰি ৰাখে।

প.শ.গো.

**।। কপৌ ফুল।।**

'পাহাৰ বগাই বগাই / কপৌফুল আনিছো/ তোমাকে পিন্ধামে বুলি,
মাৰক ফাঁকি দি /বিহুলৈ আহিবা / চেৰেকী আনোগৈ বুলি।'

অসমৰ লোক-সংস্কৃতিত কপৌফুলৰ স্থান অপৰিহাৰ্য। বসন্তকালীন কৃষি উৎসৱ ৰঙালী বিহুৰ সৈতে কপৌৰ সম্পৰ্ক অংগাংগি। বিহুৰ বতৰত চেনায়ে নিজহাতে বোৱা হেঁপাহৰ গামোচাখনি মনৰ মানুহজনক আগবঢ়োৱা আৰু পৰ্বত-পাহাৰ বগাই কপৌফুল বিচাৰি আনি ডেকাই নিজৰ চেনেহীৰ কলডিলীয়া খোপাত পিন্ধাই দিয়াতহে বিহুৰ তাৎপৰ্য নিহিত হৈ আছে।

বিহু মাৰিবলৈ যোৱা কোনো গাভৰুৰ খোপাত কপৌফুল নহ'লে সেই গাভৰুৰ খোপা উকা, সৌন্দৰ্যহীন। দীঘল চুলিটাৰেৰে খোপাটি বান্ধি বিহু নাচিবলৈ অথবা বাহিৰলৈ গ'লে কপৌফুল লাগিবই, কাৰণ নাৰীৰ অংগ ৰাগৰ অপৰিহাৰ্য সম্পদ হৈছে এই কপৌফুল।

পিছে কপৌফুল সহজলভ্য নাছিল। পাহাৰৰ অটব্য অৰণ্যৰ প্ৰকাণ্ড, ওখ গছৰ ফেৰেঙণিত জন্ম পোৱা কপৌফুল সহজলভ্য নহয় বাবে নাৰীৰ হেঁপাহৰ সম্পদ। ইয়াক কেনেদৰে কষ্টৰ মাজেৰে সংগ্ৰহ কৰি প্ৰেমিকাকক দিয়া কাৰ্য — প্ৰকৃত প্ৰেমিকৰ পৰিচয়। সেয়েহে এই দুঃসাহসিক কৰ্মৰ পৰিচয় ডেকাই প্ৰেয়সীক দিহে ভাল পায়-

'ৰিঙেকৈ পহুৰে / শিং ঐ ৰঙিলী /ৰিঙেকৈ পহুৰে শিং।
মোৰ ধনৰ খোপালৈ কপৌফুল বিচাৰি/পালোগৈ পৰ্বতৰ টিং।।'

আকৌ বঁহীয়া অথবা সতেজহীন কপৌফুল নাপালে প্ৰেমিকাৰ খং অভিমানে আকাশীগংগা পায়গৈ- 'পকি নেমুটেঙা সৰিল / বঁহীয়া কপৌফুল পেলাওঁ দলিমাৰি / নাহৰ ফুলৰ জেউতি চৰিল।'

অসমৰ কপৌৰ ভনীয়েক কেইবাজনীও। বসন্তকালত ভুমুকি মৰা এই ভনীয়েককেইজনীৰ অন্যতম হৈছে— ভাটৌ ফুল, হাইঠা ফুল, সখিয়তী ফুল, শালিকী ফুল আদি। পিছে কপৌফুল আটাইকেইজনীতকৈ সৌন্দৰ্যত এৰোপ চ'ৰা। ইয়াৰ এক সুকীয়া গাম্ভীৰ্যও আছে। কপৌ ফুল অৰ্কিড প্ৰজাতিৰ ৰাণী বুলি ক'লেও বঢ়াই কোৱা নহয়-

'কপৌ ফুলে নুশুৱায় তোকো ঐ মইনা/তগৰ ফুলে নুশুৱায় তোক;
কিনো দায়-জগৰ /লগালো মইনা /ভাল মুখে নেমাত মোক।'

অসমৰ সংস্কৃতি এই কপৌফুলৰ গুৰুত্ব অসীম। আমাৰ লোক-জীৱন, লোক-

সাহিত্যৰ উপৰি আধুনিক সাহিত্যতো কপৌ ফুলে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। বিশেষকৈ অসমীয়া গীতি-সাহিত্যতো কপৌ ফুলে সৌন্দৰ্যৰ, প্ৰেমৰ প্ৰতীকী ৰূপত আজিও নিজৰ স্থান অদ্বিতীয় হিচাপে অক্ষুণ্ণ ৰাখিছে।

প. ৰা.

**।। কবীৰা গীত ।।**

কবীৰৰ বিষয়ে অসমত বিভিন্ন আখ্যান প্ৰচলিত হৈ আহিছে। এনে কেইটামান আখ্যান ডাঃ জন পিটাৰ বেডে *Assam in the Eighteenth Century* শীৰ্ষক গ্ৰন্থখনিত একগোট কৰা দেখা যায়। ৰামচৰণ ঠাকুৰৰ *গুৰুচৰিত* মতে গুৰুজনা দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰোঁতে কবীৰৰ মঠত সোমায়। তাতে গুৰুজনাই কবীৰৰ নাতি-জীয়েক তৰোছি বা তোৰছিক লগ পায়। তেওঁ ভগৱন্তই কবীৰৰ বেশ লৈ কবীৰৰে ঘৰৰ চাল ছোৱা, কুকুৰৰ বেশ লৈ ৰুটি খোৱা আৰু সন্তজনাৰ মৃত্যুত হিন্দু মুছলমান উভয়ে শটো ছুবলৈ অমান্তি হোৱাত চৈতন্যদেৱে কান্ধত তুলি নি গংগাত উটাই দিয়াৰ কাহিনী বৰ্ণায়। অনিৰুদ্ধ দাসৰ *গুৰু-বৰ্ণনা* মতে, প্ৰথমবাৰৰ তীৰ্থ ভ্ৰমণতে গুৰু জনাই কবীৰৰ জীয়েকক লগ পায়। *বৰদোৱা চৰিত* মতে, আমাৰ গুৰুজনাই দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ কালত কবীৰক বাটত দেখা পায়। অসমত কবীৰে ৰচনা কৰা বুলি সাব্যস্ত কৰা একাধিক গীত-পদ পোৱা যায়। ড° মহেশ্বৰ নেওগ সম্পাদিত *ভক্তি গীত সংকলনত* এনে তিনিটা গীত সংকলিত হোৱাটো তাৎপৰ্যপূৰ্ণ। গীত তিনিটিৰ সন্দৰ্ভত ড° নেওগৰ মন্তব্য হ'ল - 'কবীৰৰ ৰচনাতকৈ কোনো অসমীয়া কবিৰ ৰচনা যেনহে অনুমান হয়, নিশ্চয় কবীৰৰ প্ৰতি অসমীয়া বৈষ্ণৱসকলৰ অসীম শ্ৰদ্ধা-প্ৰীতিৰ আৰু কবীৰৰ ধৰ্মমতৰ প্ৰতি শ্ৰদ্ধাৰ পৰিচয়।' কবীৰা গীতিৰ দুটাত ৰাগৰ নাম উল্লিখিত হৈছে - যথাক্ৰমে কৌমুদ আৰু আশোৱাৰী ৰূপে। প্ৰথম গীত দুটিত শিশু কৃষ্ণই ৰূপালী যমুনাৰ বালিত গৰু চৰোৱা আৰু খেল খেলাৰ কথা বৰ্ণিত হৈছে। তৃতীয়টো দীঘলীয়া গীতত শংকৰদেৱৰ উপৰি (কলিত শংকৰ নামক ধৰি) চৈতন্য, ৰমানন্দ, হৰিব্যাস, নিত্যানন্দ, বৃন্দাবন দাস আৰু 'ৰূপ-সনাতন পাৎচা দোভায়া'ৰ উল্লিখন মন কৰিবলগীয়া। কবিৰ ভণিতা এনেধৰণৰ - ক. দীন কবীৰে কহে পৰমাণ, খ. ভণয় কবীৰে ৰাম দেহ ভকতি আৰু গ. হামু কবীৰা অশিছ জাতি।

না. দা.

**।। কমৰধনি/কৰধনি বা কৰ্ধনি ।।**

এইবিধ কঁকালত পিন্ধা অলংকাৰ। প্ৰাচীন অসমীয়া সমাজত আঢ্যৱন্ত পৰিয়ালৰ লোকে বিশেষকৈ পুৰুষসকলে এই অলংকাৰ পৰিধান কৰিছিল। এতিয়া ইয়াৰ প্ৰচলন একেবাৰে নাই বুলিবই পাৰি। অৱশ্যে সৰু সৰু ল'ৰা-ছোৱালীৰ কঁকালত কিছু সৰলীকৃত ৰূপত

কৰধনি গঢ়াই পিন্ধোৱা হয়। কিছুমানে ক'লা সূতাত কড়ি বা ৰূপৰ বা তামৰ মুদ্ৰা ফুটা কৰি পিন্ধোৱা দেখা যায়। জন-বিশ্বাসমতে স্বাস্থ্য ভালে ৰাখিবলৈ প্ৰতিকাৰ হিচাপে কৰধনি পিন্ধোৱা হয়। নামনি অসমত ইয়াক *ডোৰা* বুলি কোৱা হয়। অতীজত ৰোমৰ মানুহে কঁকালত টঙালিৰ দৰে মৰা চিংগুলাম (Singulam) নামৰ অলংকাৰৰ লগত কৰধনিৰ অনেক মিল আছে। চন্দ্ৰহাৰ বুলি এবিধ অলংকাৰ কঁকালত পিন্ধা দেখা গৈছিল। কঁকালত পিন্ধা এই আভূষণ বিধে কঁকালক ভাগৰমুক্ত কৰি ৰাখে। ইয়াক পৰিধান কৰিলে পাচন শক্তি বৃদ্ধি পায়। ই মহিলাৰ মাহেকীয়া নিয়মীয়া কৰি ৰখাত সহায় কৰে। কঁকাল আৰু পিঠিৰ বিষ, হাৰ্ণিয়া আদিৰো উপশম ঘটোৱাত ই সহায় কৰে। পেট সম্বন্ধীয় ৰোগৰ লগে লগে কঁকালৰ তলৰ প্ৰায় সকলো বেমাৰৰ বাবে লাভদায়ক। ৰূপৰ কমৰধনি ব্যৱহাৰ কৰিলে কঁকালৰ বিষ পূৰামাত্ৰাই নাশ হয় বুলি বিশ্বাস আছে। ই পেটৰ অনাৱশ্যক চৰ্বি ৰোধ কৰে আৰু কঁকাল সুস্থ আৰু নিৰোগী কৰি ৰাখে।

প্ৰ. শ. গো.

**।। কমাৰ-শালিৰ শব্দ ।।**

লোৰ কাম কৰা লোকসকল কমাৰ ৰূপে পৰিচিত। আহোম যুগত চৰাইদেউ পৰ্বতৰ কাষত এঙেৰা খাটত কমাৰ শাল থকাৰ কথা জনা যায়। আহোম যুগত অসমীয়া কমাৰসকলেই অসমীয়া মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সকলো ধৰণৰ লোৰ সঁজুলি আৰু অস্ত্ৰ-শস্ত্ৰ গঢ়িছিল। কমাৰ-শালত ব্যৱহাৰ হোৱা কেইটামান সঁজুলি হ'ল - অৰ্কিযা, আখলশলা, এঙাৰ, চাৰচী, চাৰোল, চেনী, চুংগী, নলী, নাওৰা, নিয়াৰী, পচৰঙী, পণ্ডু, পাটা, বাগী, বেনা, ভাতি, ৰেতি, শাণ, লাইন, গৰাহ, হাৰপাতা, হাতুৰী আদি।

না দা.

**।। কৰতাল।।**

'ঝাঝৰ ৰেমচি বাজে, ৰামতাল আৰু কৰতাল। (মাধৱকন্দলি) সংস্কৃত কৰতালৰ মূলগত অৰ্থ হ'ল তলদ্বয় চপৰিওৱাৰ ফলত হোৱা শব্দ। অৰ্থাৎ কৰতাল ধ্বনি। 'তালধ্বনি কৰতালে' (হেমচন্দ্ৰ) ইয়াৰ সাদৃশ্যত চক্ৰকাৰ ধাতুৰ বাদ্যক কোৱা হয় কৰতাল। বংগদেশ, বাংলাদেশ আদিত কৰতাল পিতলৰ দ্বাৰা তৈয়াৰী। পিছে অসমত কৰতালৰ অৰ্থান্তৰ ঘটিছে। অভিধানসমূহে তাৰ সাক্ষী। যেনে— (ক) চাৰি চটা বাঁহৰ এবিধ বাদ্য, হাতে পতি দুচটা লৈ তাক বজোৱা যায়, এটা কড়িৰে ঘঁহি, বজোৱা এচটা খাঁজ কটা বাঁহ (দেখ দেখকৈ ইয়াত একে নামেৰে দুবিধ বাদ্য সূচিত হৈছে)-*হেমকোষ*, (খ) ভালেমান খোপ বা খাঁজ কটা এচলা বাঁহ হাতৰ মুঠিত লৈ এটা কড়িৰে বজোৱা বাদ্য। (ইয়াত ৰেপনিক কৰতাল বোলা হৈছে)-*চন্দ্ৰকান্ত অভিধান*। *অসমৰ বাদ্যযন্ত্ৰ*ত ধৰ্মেশ্বৰ দুৱৰাই বাদ্যবিধৰ চিনাকি দিছে এনেদৰে— 'প্ৰায় আঠ ইঞ্চি দীঘল গুৰি বাঁহ এপাব ফালি

চাৰিডোখৰ কৰি তাৰে কৰতাল সজা হয়।.. দুয়োখন হাতত দুপাতকৈ এই বাঁহ কেইচটা লৈ কৌশলেৰে কলাপূৰ্ণভাৱে বাঁহ কেইচটাই পৰস্পৰে আঘাত কৰাকৈ হাত দুখন মেলি আৰু জপাই কৰতাল বজোৱা হয়।' ভক্তিমূলক গীতপদ পৰিবেশনত কৰতাল প্ৰয়োগ কৰা হয়।

না দা

**।। কৰভাৰ ।।**

অসমত সত্ৰ-সংস্কৃতিৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। বিশেষকৈ সাংস্কৃতিক ক্ষেত্ৰখনত সত্ৰ-সংস্কৃতিয়ে মুখ্য ভূমিকা লোৱা দেখা যায়। সমগ্ৰ অসমৰ বিভিন্ন ঠাইত মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে সত্ৰ স্থাপন কৰিছে। এই সত্ৰসমূহৰ ভিতৰত অন্যতম এখন সত্ৰ হ'ল মাধৱদেৱে স্থাপন কৰা *বৰপেটা সত্ৰ*. দৈনন্দিন চলা নাম-প্ৰসঙ্গ, কীৰ্তন আদিৰে মুখৰিত হৈ থাকে বৰপেটা সত্ৰৰ পৰিৱেশ। এই সত্ৰৰ এটি অন্যতম অনুষ্ঠান হ'ল- *কৰভাৰপ্ৰথা*। মহাপুৰুষ শংকৰদেৱৰ মৃত্যুৰ পিছত বাৰ্ষিক তিথিৰ দিনা ডেকাৰপৰা বুঢ়ালৈকে সকলো লোকে চাউল, খৰি, তেল, নিমখ, দৈ গাখীৰ, গুড়, পাণ-তামোল আদি লৈ উপস্থিত হ'বলৈ মাধৱদেৱে জাননী দিয়ে। এনেদৰে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা ভক্তিসহকাৰে বিভিন্ন দ্ৰব্য সামগ্ৰী আগবঢ়োৱা কাৰ্যই পৰৱৰ্তী সময়ত *কৰভাৰৰ* ৰূপ লোৱা বুলি ভবাৰ যথেষ্ট অৱকাশ আছে। মহাপুৰুষ মাধৱদেৱে আৰম্ভ কৰা এই কৰভাৰ পৰম্পৰা সম্প্ৰতি পাঁচশ বছৰ পুৰণি এক পৰম্পৰা- যি আজিকোপতি এই সত্ৰত চলি আছে। মহাপুৰুষ মাধৱদেৱ আৰু মথুৰা দাস আতাৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছতো দুয়োজন গুৰুৰ তিথিত বৰপেটা সত্ৰত কৰভাৰ শোধোৱা নিয়ম প্ৰৱৰ্তিত হোৱা পৰিলক্ষিত হয়। এই কৰভাৰ যাত্ৰা সত্ৰৰ হাটীসমূহৰ *হাটীয়াঘৰৰ* পৰা আৰম্ভ হয় মূল সত্ৰলৈ। সত্ৰৰ সত্ৰাধিকাৰে *শৰণীয়া* ভকতৰ মূৰত তেলৰ টেকেলি তুলি দিয়াৰপৰা এই যাত্ৰা আৰম্ভ হয়। এই চাকিটোক *গুৰুবন্তি*বুলি কোৱা হয়। এই যাত্ৰাত গায়ন-বায়ন, ওজাপালি আদি সকলো উপস্থিত থাকে। সত্ৰত উপস্থিত হোৱাৰ পিছত প্ৰথমে সত্ৰৰ মঠৰ চোতালত ভকতৰ *কৰভাৰ* সমূহ শোধাই দিয়া হয়। শেষত হাটীসমূহত নিয়োজিত বৰাসকলৰ তত্বাৱধানত *কৰভাৰ* লোকসকলৰ মাজত ভাগ কৰি দিয়া হয়। মূলতঃ বৰপেটা সত্ৰৰ এই *কৰভাৰ* অনুষ্ঠান সত্ৰীয়া সমাজতে নহয়। অসমৰ জাতীয় সমাজত আস্থা, বিশ্বাস আৰু শ্ৰদ্ধাৰ এক প্ৰতীক স্বৰূপ।

(*দৈনিক জনসাধাৰণৰ কৰভাৰ*প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

ম. কু. দা

**।। কৰম পৰব ।।**

অসমৰ চাহ বাগিছাৰ লোকসকলে ধুম-ধামেৰে আয়োজন কৰা *কৰম পৰব* বা

*কৰম পূজা* হ'ল কৃষি তথা উৰ্বৰতাৰ পৰব। এই পৰবৰ বাবে *ঝাৰা* তোলাটো সবাতোকৈ প্ৰয়োজনীয় কথা। যিসকল জীয়াৰী-বোৱাৰীয়ে এই পূজাত অংশ গ্ৰহণ কৰিবলৈ বিচাৰে, তেওঁলোকে নিৰ্দিষ্ট পূজাৰ তিনি, পাঁচ বা সাত দিনৰ পূৰ্বে ঢোল-বাঁহী-মাদল আদি বজাই ধূপ-দীপ-নৈৱেদ্যৰে ভক্তিভাৱে নৈৰ ঘাটলৈ গৈ গা-পা ধুই ধূপ-দীপেৰে আৰতি কৰি লগত দিয়া পাচিত প্ৰত্যেকে একাঁজলিকৈ বালি ভৰোৱা প্ৰয়োজন। এই বালিতেই কৰমতীসৱে লগত নিয়া মাহ-সৰিয়হ আদি সিঁচি দি নিজৰ ঠাইডোখৰ চিনি থয়। পূজাৰ দিনালৈ মাহ-সৰিয়হ প্ৰভৃতি তিনি-চাৰি আঙুল বাঢ়ে। ইয়াকে কোৱা হয় - *ঝাৰা*।

ঝাৰা তোলাৰ পিছত তাক জগোৱা নিয়ম। তাকে কৰিবলৈ পূজা থলীত এডাল কৰম বা চিকা মৰলীয়া গছৰ ডাল পোতে। কোনো কোনোৱে তাৰ কাষত বাঁহৰ আগ আৰু জৰীগছৰ ডাল থয়। কুঁহিয়াৰ পুতিও পৰবৰ শুভাৰম্ভ নকৰা নহয়। এনেভাৱে ডাল পুতি কৰা পূজাৰ নাম *ডাল কৰম*। বাঁহৰ আগ ভাগ সৰু সৰুকৈ ফালি তাক মোটোকাই ফুল যেন কৰি মাটিত পুতি কৰা পুজাৰ নাম *ফুল কৰম*। সন্ধ্যাৰ লগে লগে উপবাসে থকা কৰমতীসকলক পুৰোহিতে বহুৱাই লৈ কৰম পূজাৰ প্ৰৱৰ্তক কৰমা আৰু ধৰমাৰ কাহিনী শুনায়। লগে লগে মুকলি হয় নৃত্য-গীতৰ *আখড়া*। ইয়াক কোৱা হয় ঝুমুৰ নাচ বা *ঝুমুৰ* গান। ওৰে নিশা বিভিন্ন সুৰ-তাল আৰু লয়ত চলে-ঝুমুৰ নাচ আৰু গান। ৰাতিপুৱাৰ লগে লগে কৰম ডালটো উভালি কৰমতীসকলে নাচি-বাগি নি নৈ বা পুখুৰীত উটায়। সেই দিনাই গধূলি অথবা আঠ দিনৰ দিনা *গাড়া ভোতা* পাতে।

কৰম পৰব বছৰৰ তিনিটা সময়ত উদ্‌যাপিত হয় - ক. ভাদ মাহৰ শুক্লা-একাদশী তিথিত। এই তিথিৰ পৰবৰ নাম *জীতিয়া কৰম*। খ. আহিন মাহৰ বিজয়া দশমীৰ দিনা। এই পৰব *বুড়ী কৰম* ৰূপে জনাজাত আৰু গ. আঘোণ মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপিত পৰব। ইয়াক ৰাস ঝুমুৰ বোলে। তিনিওটা কৰম পৰবৰ ভিতৰত জীতিয়া কৰমেই সৰ্বশ্ৰেষ্ঠ (দেউৰাম তাছাৰ *চাহ বাগিছা পূজা-পৰবৰ* আধাৰত যুগুতোৱা)

না. দা.

**।। কৰাই [১] ।।**

এটা কালত কৰাই বা কৰাইগুড়ি গাঁৱলীয়া সমাজত মুখৰোচক জলপান আছিল। ইয়াৰ বাবে যিকোনো বিধৰ বোকা ধান লাগে। ধানখিনি আবেলি পৰত পানীৰে ভৰা থালীত বাকি তলত অলপ জুই দি পিছদিনা পুৱাতে থালীৰ তলত পুনৰাই জুই দি ধানবোৰ ফটালৈকে সিজাই পানীৰপৰা তাক তৰিয়াই (টুকি থৈ) ভালকৈ মচা চোতালত পাতলকৈ মেলি দি ৰ'দত শুকাব লাগে। এদিন বা দুদিনত ধান শুকায়। শুকোৱা ধান দাঁতত দিলে *মুকুত মুকুত* শব্দ কৰে। শুকোৱা ধান ঢেঁকীত খুন্দি ৰঙচুৱা চাউলখিনি ডলাত লৈ তাত নিমখ পানী সিঁচি ভালদৰে সানি আকৌ এবাৰ ৰ'দত শুকোৱা প্ৰয়োজন। শুকোৱা

চাউলবোৰ কেৰাহি অথবা মাটিৰ পাটচৰুত লৈ ভাজিলে ৰঙচুৰা মুড়িত পৰিণত হয়। সেই মুড়ি চাহ, এণ্ডা বা দৈ গাখীৰত ডুবাই খাবলৈ ভাল। কোনোৱে আকৌ সেই মুড়িবোৰ ভজাৰ লগে লগে ঢেঁকীত খুন্দি গুড়ি কৰি পেলায়। এই গুড়ি নাম কৰাইগুড়ি। মলমলীয়া গোন্ধৰ কৰাই গুড়িত এণ্ডা বা দৈ গাখীৰ আৰু জুলীয়া গুড মিহলাই খাবলৈ যে কিমান সোৱাদ তাক খোৱা জনেহে জানে।

না.দা

**।। কৰাই ২ ।।**

মাঘ বিহুৰ কালত কামৰূপৰ চমৰীয়াত আৰম্ভ কৰি সমগ্র অবিভক্ত গোৱালপাৰাত প্রস্তুত কৰা এবিধ উপাদেয় জলপান হ'ল- কৰাই (কামৰূপী আৰু গোৱালপৰীয়া *কাৰাই* সং কটাহ)। ইয়াক প্রস্তুত কৰিবলৈ বগা বৰা চাউলৰ প্রয়োজন। পোনতে চাউলখিনি চালনীৰে চালি নভঙা চাউলবোৰ একাষৰীয়া কৰি লৈ এৰাতি পানীত তিয়াই পিছ দিনা পানীৰপৰা তৰিয়াই (টুকি থোৱা) লৈ আকৌ এৰাতি নিয়ৰ খুৱাব লাগে। তাৰ পিছত দুখন চৌকাত জুই জ্বলাই তাত দুটা মাটিৰ পাট চৰু বা .লাৰ কেৰাহি তুলি দি পোনতে প্রথমটো চৰুত ভিজা চাউলখিনি অলপমান তপতাই গৰম বালিৰ দ্বিতীয়টো চৰুত সেইখিনি ঢালি দি কিছুপৰ লাৰি থাকিলে সৰু সৰু আখৈৰ ৰূপ লয়। সেইখিনি ডলা এখনত ঢালি ঠাণ্ডা হোৱাৰ লগে লগে চালি লোৱা প্রয়োজন। তেনে কৰিলে বালিৰ উপৰি নুফুটা চাউলখিনি তলত পৰে। তাৰ পিছত তাত বেলেগকৈ ভাজি ৰখা আদা, তিল, মাটিমাহ প্রভৃতি অনুপাত মতে মিহলাই ল'লেই (ভজা তিল-মাহ আদি আখৈতকৈ বহুগুণে কম হ'ব লাগে) সি খোৱাৰ উপযোগী কৰাই প্রস্তুত হৈ উঠে। এনে কৰাই বাচনত সাফৰ মাৰি ভালে দিনলৈ সাঁচি খাব পাৰি।

জ্যো দা

**।। কৰাল ।।**

আহোম যুগত চটীয়া, লঠিয়া আৰু ইটাৰে যিবোৰ মঠ-মন্দিৰ নির্মাণ কৰিছিল সেইবোৰত বজ্রলেপ দিয়াৰ প্রয়োজন হৈছিল। বজ্রলেপক অসমীয়াত কোৱা হয় কৰাল। আহোম যুগৰ চাংৰুং ফুকনসকলে থলুৱা সামগ্রীৰে কৰাল তৈয়াৰ কৰি তাক মঠ-মন্দিৰ, শিলসাঁকো আৰু মৈদামত ব্যৱহাৰ কৰিছিল। এক নির্দিষ্ট অনুপাতত গুড়, চুণ, তেল, ধুনা, বৰালী মাছ, মাটিমাহ আৰু শণ মিহলাই তৈয়াৰ কৰা হৈছিল কৰাল। কোনো কোনো ক্ষেত্রত উপর্যুক্ত সামগ্রীসমূহৰ উপৰি গাখীৰ, বৰা চাউল আৰু হাঁহকণীবো মিশ্রণ দিয়া হৈছিল। ডেৰগাঁৱৰ দ'ল নির্মাণ কৰা কালত কি কি সামগ্রী কি পৰিমাণে মিশ্রণ ঘটাইছিল তাক *চাংৰুং ফুকনৰ বুৰঞ্জীত* লিপিবদ্ধ কৰা হৈছে এনেদৰে : 'আতে লাগিছে লঠিয়া শিল ৫০৪৭০ টা, ইটা ১০৫৫০২০ খন, গুড় ১৪৯০ কলহ, মাহ ২১৪

পুৰা, শন ৩০ ভাঙ্গ, তেল ৪৪ কলহ, মাছ ৪৫ ভাঙ্গ, চুণ গুড়ি ৪৫২০ ঢোল, চক চুণ ৩৬৩০ কলহ।' উপৰ্যুক্ত বুৰঞ্জীখনত গড়গাঁৱৰ কুঁজীঘৰৰ কৰালৰ হিচাপটো দিছে এনেদৰে - 'আতে গড় ৩৭২০ কলহ, মাহ ৫২৮ ঢোল, শন ৫২৮ ঢোল, শামুকৰ গুড়ি ৭০০০০ ঢোল, বৰালি মাছ ৬০ ভাঙ্গ, তেল ৩০ কলহ চকা চুণ ৮০৮৪ কলহ, শিল-চুণগুড়ি ৬১০০ ঢোল।' ভুবন চন্দ্ৰ সন্দিকৈদেৱে উল্লেখ কৰিছে যে ডবা, ঢোল, খোল, মৃদংগ প্ৰভৃতি চোৱা কামত কৰ্কৰা ভাত আৰু লোৰৰ কৰাই বা গুড়িৰে প্ৰস্তুত কৰা কৰাল ব্যৱহৃত হৈছিল। বিভিন্ন ধাতুৰ গুড়ি, জন্তুৰ চৰ্বি, উদ্ভিদ আৰু পোক-পৰুৱাৰ লাদৰ পৰাও মধ্যযুগীয় কৰাল প্ৰস্তুত কৰাটো উল্লেখযোগ্য।

না. দা.

**।। কলা খাৰ।।**

নামটোৱে সূচায় যে কলগছৰুপৰা প্ৰস্তুত কৰা খাৰেই কলাখাৰ। সাধাৰণতে আহিন-কাতি মাহত ভীম বা আঠিয়া কলৰ গা-গছৰপৰা আলুলৈকে টুকুৰা টুকুৰকৈ কাটি পাতল পাতলকৈ চিৰি ৰ'দত এসপ্তাহমান শুকাব লাগে। শুকোৱাৰ পিছত সেইবোৰ জুইত পোৰাৰ পিছত ওলোৱা ছাইবোৰ থুপুৰিয়াই চালনীৰে চালি মাটিৰ পাত্ৰত ভৰাই থোৱা প্ৰয়োজন। আগৰ মানুহে ছাইৰ পাত্ৰবোৰ কধৰা পাৰি ঢেঁকীঘৰৰ একোটা কোণাত ৰাখিছিল। প্ৰয়োজনীয় কালত তলীত বিন্ধা কৰা মাটিৰ পাত্ৰ অথবা পানী লাওৰ খোলাত কেইমুঠিমান খাৰ ছাই ভৰাই তাতে পানী ঢালি দিয়াৰ পিছত ওপৰৰ পাত্ৰটোৰ তলত পাতি থোৱা দ্বিতীয়টো মাটিৰ পাত্ৰত টোপাল টোপালকৈ খাৰ নিগৰি পৰি আঞ্জাত খোৱাৰ উপযোগী কলাখাৰৰ প্ৰস্তুতি পৰ্ব শেষ কৰে। কলাখাৰৰ গুণ বহুত। ই হজম ক্ষমতা বঢ়ায়, কৃমি নাশ কৰে। পেটৰ বিষত অসমীয়াই আগতে কলাখাৰৰ সৈতে মিহলোৱা পানী খাই আৰোগ্য হৈছিল। ইয়াৰে মূৰ ধুলে চুলি ফিৰ্ ফিৰিয়া হয়। বিছাই ডকা ঠাইত ঘঁহি দিলে খজুৱতি কমে। জোকে ধৰিলে কলাখাৰ ঘঁহি দিয়াৰ লগে লগে জোকে এৰা দিয়ে। আগৰ দিনৰ মানুহে কলাখাৰ অথবা ভাত ৰন্ধা খৰিৰ ছাইত পানী দি ছেকি উলিওৱা খৰি ছাইৰে জুইত কাপোৰ উহাই পিন্ধিছিল। খাৰত উহোৱা কাপোৰ পৰিষ্কাৰ হয়, সকলো প্ৰকাৰৰ বীজাণু ধ্বংস হয়। অসমীয়াৰ প্ৰিয় কলাখাৰৰ গইনা লৈ ভালে কেইটা খণ্ড বাক্য আৰু প্ৰবাদৰ সৃষ্টি হৈছে। যেনে - খাৰ কঢ়া (কাপোৰৰ খাৰ কঢ়া), খাৰ ধৰা (খাৰ লগা বাবে পচা), খাৰঘূলি (হিলৈৰ খাৰ জমা ৰখা ঘোকট ভূমি), খাৰ ঘৰ (খাৰ ৰখা ঘৰ),খাৰ-বাৰুজ (হিলৈ মৰা সঁজুলি), খাৰ মাটি, খাৰনি চটা, খাৰনি সতাঁ, খাৰনি সৰা, খাৰ ছাই (বেশ্যা, / খাৰলি আৰু 'খাৰ খোৱা জিভা / মুখত আহে কিবা//' 'খাৰে উখুৱাই দুসাজ খাবা / বুঢ়াই থেৰাই দুহাল বাবা।' /'খাৰ দিবা চাকি / গুঁড় দি মাৰিবা মাখি//' 'ক বুলিলে নাজানে ৰত্নাৱলী চায়।'/'পচলা খাৰৰ জুতি নাজানে / ভোজ ৰান্ধিবলৈ যায়।' পুৰণি

অসমীয়া সাহিত্যতো খাৰ এলাগী হোৱা নাই - 'অমৃতক এৰি কোনে খায় খাৰ পানী//'

জ্যো. দা.

।। কল্যাণ খৰমান ।।

অংকীয়া ভাওনাৰ সৈতে সম্পৰ্ক থকা এটি চিনাকি শব্দ হ'ল - কল্যাণ -খৰমান। অংকীয়া নাট-ভাওনালৈ লক্ষ্য কৰিলে দেখা যায় যে গুৰু দুজনাই যি ৰাগৰ সৈতে যি তাল প্ৰয়োগ কৰিছিল, পৰৱৰ্তী নাট্যকাৰসকলে সেই ৰাগৰ সৈতে সেই তালকে প্ৰয়োগ কৰিছিল। আন কথাত গুৰু দুজনাৰ অংককে অনুগামীসকলে আৰ্হিৰূপে গ্ৰহণ কৰিছিল। মহাপুৰুষ দুজনাৰ ৰাগ-তালবোৰ এনেধৰণৰ - আশোৱাৰী পৰিতাল, কানাৰা-পৰিতাল, গৌৰী-ৰূপক, বেলোৱাৰ-ৰূপক আদি। দুখনমান নাটৰ শেষত গুৰু দুজনাই প্ৰয়োগ কৰিছিল - কল্যাণ-খৰমান ৰাগ-তালৰ। খৰমান তাল বাৰ মাত্ৰাৰ। ইয়াত মুঠতে তাল পৰে চাৰিটা। তালখনিৰ দ্বিতীয়, পঞ্চম, সপ্তম আৰু অষ্টম মাত্ৰাত তালি পৰাত সুৰটো গাম্ভীৰ্যপূৰ্ণ হয়গৈ। বিষাদ-বিলাপৰ কাৰণে কল্যাণ ৰাগ বেচ উপযোগী। সেইবাবে মহাপুৰুষ দুজনাৰ একাধিক নাটৰ শেষত কল্যাণ খৰমান ৰাগ তালৰ গীত সংযোজনা কৰিছিল। গুৰু দুজনাৰ পৰৱৰ্তী নাট্যকাৰসকলে এই আৰ্হিকে লৈ নাট শেষ কৰিছিল কল্যাণ খৰমানেৰে। অথচ মহাপুৰুষ শংকৰদেৱৰ নাটতে ইয়াৰ ব্যাতিক্ৰম পোৱা যায়। যেনে - *পাৰিজাত হৰণ* নাটৰ সামৰণিত আছে পূৰবী খৰমান। কেলিগোপাল শেষ হৈছে - অহিৰ- একতালিৰে। নাটৰ মাজতো আনকি বিষাদ ভেম প্ৰভৃতি ভাব প্ৰকাশ কৰিবলৈ মহাপুৰুষে কল্যাণ ৰাগৰ প্ৰয়োগ ঘটাইছে। *পাৰিজাত হৰণ নাটৰ* জৌতি তালত দিয়া 'মানিনী মাই নয়ন পংকজ ঝুৰে বাৰি' গীতটোৰ কথা এইখিনিতে উনুকিয়াব পাৰি। তদুপৰি কল্যাণ ৰাগৰ সৈতে যে খৰমান তাল থাকিব লাগে, তাৰো কোনো ধৰা বন্ধা নিয়ম নাই। *পাৰিজাত হৰণ নাটৰে* শচী সত্যভামাৰ বাকযুদ্ধ দৰ্শোৱা 'মানুষি, সাহস ঐচন তোহাৰি' গীতটোৰ তাল খৰমান। অথচ তাৰ স্থান নাটখনিৰ মাজতে।

না. দা.

।। কড়ি খেল ।।

'কড়িৰ ঢালতে কড়ি নুফুটিলে কপালত দি যাওঁ দুখ।' - কড়ি ফুটিলে ভাল - নুফুটিলে কাল। বছৰৰ আৰম্ভণিতে খেলা কড়ি ফুটা মানে ধৰণী সোণালী শইচেৰে নদন-বদন হোৱা আৰু নুফুটা মানেই অনাবৃষ্টি, অতিবৃষ্টি, বন্যা আদিয়ে আগুৰি ধৰা। কড়ি প্ৰজননৰ প্ৰতীক। ইয়াৰ সহায়ত গুটি গজোৱা আৰু পকোৱা সকলোৰে জনা কথা। আদিম সমাজৰ যৌন বিশ্বাসৰ লগতে শস্য সম্পদ বৃদ্ধিৰ ধ্যান-ধাৰণাও কড়ি খেলৰ মাজেদি প্ৰকাশ পায়। কাৰো মতে; কড়িৰ ঢালখন আই বসুমতীৰ আৰু খেলখন হ'ল - কৃষি জীৱনৰ প্ৰতীক। অসমত কড়ি খেলৰ শুভাৰম্ভ কেতিয়াৰ পৰা হৈছিল,

তাক কোৱা টান; কিন্তু আহোম যুগত এই খেলৰ জনপ্ৰিয়তা থকাটো খাটাং। অসমৰ বিভিন্ন প্ৰান্তৰৰ শৈলখণ্ডত কড়ি খেলৰ ঢাল কটা দেখিবলৈ পোৱা যায়। আহোম স্বৰ্গদেৱসকলৰ ভিতৰ চ'ৰাৰ প্ৰধান খেল আছিল - কড়ি খেল।

কড়িৰ ঢালখন মাটিত আঁকি লোৱাটো নিয়ম। ইয়াক দুজন অথবা চাৰিজনেও খেলিব পাৰে। সাধাৰণতে পাঁচটা কড়িৰে এজনে খেলা প্ৰয়োজন। কড়ি কেইটা এখন হাতত লৈ মাটিত মাৰি দিয়াৰ পিছত এটা ওপৰমুৱা হ'লে এক, আৰু পাঁচটা ওপৰমুৱা হ'লে দহ নম্বৰ পায়। আটাইকেইটা কড়ি তলমুৰ হ'লে তাক মুদ্ৰা বোলে। দহ নম্বৰ পোৱা খেলুৱৈ জনে গুটি *জগাব* পাৰে। চাৰিজনে খেলিলে দহ নম্বৰ পোৱাৰ পিছত প্ৰত্যেকজনেই কড়ি জগাই বলোৱা আৰম্ভ কৰাটো নিয়ম। গুটি বলাওঁতে যদি আনৰ কড়িৰ ওপৰত পৰে তেন্তে সেই কড়ি 'খতম' বা মৰে। তেতিয়া তাক নতুনকৈ জগাব লাগে। এবাৰত দহ নম্বৰ পোৱা জনে পুনৰ গুটি মৰাৰ সমৰ্থ লাভ কৰে; কিন্তু তিনিবাৰ মাৰোঁতেও যদি দহ ফুটে তেন্তে তেওঁৰ সমস্ত নম্বৰেই অথলে যায়। ঢালখনত পুৰণ চিনেৰে জৰা সজোৱা হয়। জৰাৰ গুটি কাটিব নোৱাৰি। ঢালখনত থকা মুঠ আঠোটা সংখ্যা এনেদৰে গণনা কৰিব লাগে - আঠোৰ (১) কাঠোৰ (২) নলৰ (৩) জৰা (৪X) বামুণ (৫) আটাই (৬) বাণছি (৭) ঘোঁৰা (৮) প্ৰথমতে যিজনৰ গুটি ঘাইত উঠে, তেওঁ প্ৰথম হয়। বৰ্তমানৰ লুডু খেল কড়ি খেলৰ উন্নত ৰূপ বুলিব পাৰি।

না. দা.

**।। কাজলবুলীয়া দাঁত ।।**

ভাৰতীয় চৌষষ্টিকলাৰ ভিতৰত দাঁত বলোৱা কৰ্মক বাৎস্যায়নে *কামসূত্ৰত* (১/৩) দশন বসনাংগৰাগত আলোচনা কৰি কলাবিদ্যাৰ অন্তৰ্ভুক্ত কৰিছে। প্ৰাচীন ভাৰতত সোণালী অথবা ৰূপালী ৰঙৰ দাঁত কৰাটো এটা দস্তুৰেই আছিল। দাঁত বোলাবলৈ সৃষ্টি হৈছিল এশ্ৰেণী খনিকৰৰ। তেওঁলোকক *দন্তলেখক* বোলা হৈছিল। দাঁত দীৰ্ঘম্যাদী আৰু ক্ষণস্থায়ী এই দুয়োটা ৰূপত বলোৱাৰ কথা ইতিহাসত পোৱা যায়। পুৰণি অসমতো পৰ্বত-ভৈয়ামৰ তিৰোতাৰ দাঁত বলোৱা পদ্ধতি নথকা নহয়। *কালিকাপুৰাণত* লৌহিত্যতীৰৱৰ্তী তিৰোতাই দাঁত কলা কৰাৰ উল্লেখ আছে। জনজাতীয় লোকসকলে তেওঁলোকৰ দাঁতবোৰ ৰঙা, নীলা অথবা ক'লাকৈ বোলোৱা দেখা যায়। বিয়া দিবলৈ ওলোৱা অসমৰ ছোৱালীক আগেয়ে ক'লাকৈ দাঁত বোলাই দিয়া হৈছিল। কিয়নো নৱ-পৰিণীতাৰ শুভ্ৰ দাঁতে স্বামীৰ পৰমায়ু টুটায় বুলি এটা প্ৰবল লোক বিশ্বাস প্ৰচলিত আছিল। দাঁত ক'লা কৰা পদ্ধতি একাধিক। কিছুমানে আম, জাম, জিয়া, মধুৰী আম আদিৰ ছালত লোৰ গুড়ি মিহলাই উতলাই কহ তৈয়াৰ কৰে। সেই কহ দাঁতত লগাই দিলে দাঁতবোৰ ক'লা হয়। আন কিছুমানে *পাত চাধা* দাঁতত লগায়ো দাঁতৰ বৰণ সলায়,

আন কিছুমানে আকৌ দা বা কুঠাৰৰ কাযত জ্বলি থকা গোটা জাতি বাঁহৰ আধা কেঁচা টুকুৰা এটা থিয়কৈ ৰাখে। জ্বলি থকা বাঁহৰ টুকুৰাটোৰপৰা জলীয় ভাপ আৰু ৰঙচুৱা জুলীয়া ৰস কিছু গৈ কুঠাৰ বা দাখনৰ মুখত কিছু পৰ পৰি পৰি অগ্ৰখনৰ মুখত ক'লা ৰঙৰ ডাঠ চামনি এটা বন্ধাৰ সুযোগ দিয়ে। এই চামনিটোৱে *কাজলী*। সিবোৰ শামুকৰ খোলাৰে চুঁচি আনি আঙুলিৰে দাঁতত লগাই আঁহত খৰিৰ জুইৰ আণ্ঠাৰে কিছুপৰ তাপ দিলেই ডালিম গুটীয়া দাঁতবোৰে কাজল বুলীয়া ৰূপ ধৰে। সেই ৰং হয় দীৰ্ঘম্যাদী। বলোৱা দাঁতক বীজাণুৱে সহজতে আক্ৰমণ কৰিব নোৱাৰে গুণে আগৰ দিনত কাজল বুলীয়া দাঁত মৃতকৰ লগত গৈছিল বুলি প্ৰবাদ আছে।

না. দা.

।। কাণফুলি ।।

কাণৰ লতিত ফুটা কৰি পিন্ধা অলংকাৰ। সোণ, ৰূপৰ উপৰিও অন্যান্য অনেক ধাতুৰে কাণফুলি বা কাণফুল গঢ়োৱা হয়।। ই বিভিন্ন চানেকিৰ হ'ব পাৰে। কিছুমান কাণফুলিৰো পিছপিনে পিন্ধিবৰ বাবে পেঁচ গজাল (স্ক্ৰু) লগোৱা থাকে। কিছুমানত থাকে হাকোটা। কিছুমান কাণফুলি কাণৰ লতিত ওলমি থাকে আৰু কেতবোৰ অইন চানেকিৰ কাণফুল কাণৰ লতিত লাগি থাকে। অঞ্চল বিশেষে কিছুমান কাণফুল বেলেগ বেলেগ চানেকিৰে গঢ়োৱা হয়। সেইবাবে তাৰ নামো হয় বেলেগ বেলেগ। নামনি অসমৰ কোনো কোনো ঠাইত ইয়াক *কাণপাছা* বুলিও জনা যায়। ওলমি থকা সাধাৰণ ধৰণৰ কাণফুলিক *দুল* বুলিও কোৱা হয। ইয়াৰ চানেকি অন্যান্য সকলো অলংকাৰতকৈ বেছি। প্ৰাচীন কালত মহিলাই *কাণখছা* (সংস্কৃত কালীক) পৰিধান কৰিছিল। ইয়াৰ উপৰি নাখৰ পটোৱা মুকুতা লগোৱা, মিনা কৰা, উকা সোণ বা ৰূপেৰে গঢ়োৱা অনেক আৰ্হিৰ কাণফুলি পোৱা যায়। কাণৰ লতিৰ ওপৰৰ ফালে ফুটা কৰিও ঘূৰণীয়া ফুলৰ চাকিৰ দৰে থেৰি কাণফুলী পিন্ধা হয়। এনেধৰণৰ কাণফুলিক পিপলিপটা নতুবা চাকিশলাই বুলিও কোৱা হয়। কাণপাছা সাধাৰণতে বকুল,গুটিমালি, শেৱালি, খৰিকাজাই আদি ফুলৰ আৰ্হিত নতুবা মাছ,পাৰ, ম'ৰাচৰাই, সাপ, জোনবাই,ঢোল, জাপি আদিৰ চানেকিত গঢ়োৱা হয়। কিছুমান কাণফুলি থুৰীয়া গঢ়ৰ; কেবল ইয়াৰ ঠাৰিডালহে ৷ টি।

প্ৰ শ গো.

।। কাণ বিন্ধনি ।।

কাণ বিন্ধনি বা *কৰ্ণবেদ* হিন্দুৰ এটা সংস্কাৰ। শুভ দিন, তিথি আৰু ক্ষণ চাই কাণ বিন্ধনি কাৰ্য সম্পাদন কৰা গুণে ইয়াক পঞ্জিকা ভিত্তিক উৎসৱৰ অন্তৰ্ভুক্ত কৰা হয়। পঞ্জিকা মতে জন্মৰাশি, জন্ম নক্ষত্ৰ আৰু জন্মমাহ ৰবি, শনি, মংগলবাৰ আৰু হৰিশয়নত বাদে চ'ত মাহ এৰি উত্তৰায়ণ কালত অযুগ্ম বছৰত পুষ্যা, অশ্বিনী, হস্তা, শ্ৰৱণা, ধনিষ্ঠা,

চিত্ৰা, অনুৰাধা মৃগাশিৰা ৰেৱতী, স্বাতী, উত্তৰ ফল্গুনী, উত্তাৰাষাঢ়া, উত্তৰ ভাদ্ৰপদ আৰু পুনৰ্বসু নক্ষত্ৰত বুধ, তুলা, ধনু আৰু মীন লগ্নত তৃতীয়, একাদশ, পঞ্চম, নৱম আৰু কেন্দ্ৰত শুক্ৰ গ্ৰহ থাকিলে তৃতীয়, ষষ্ঠ আৰু একাদশত পাপ গ্ৰহ পালে কৰ্ণবেধ প্ৰশস্ত। ছয় কাণ নৌহওঁতেই অৰ্থাৎ এহাল ল'ৰা-ছোৱালী হোৱাৰ লগে লগে কাণ বিন্ধনি কাম শেষ কৰা ভাল। তৃতীয় সন্তান উপজিলে তাক *ষট্‌কৰ্ণ* বোলে। তৃতীয় সন্তান জন্মাৰ পিছত তিনিওটাৰ বা যিকোনো এটাৰ কৰ্ণবেদ শাস্ত্ৰই বাৰণ কৰিছে। আজিকালি সাধাৰণতে ছোৱালীৰ কাণ ফুটায় যদিও আগৰ কালত ল'ৰা-ছোৱালীৰ নিৰ্বিশেষে কৰ্ণবেদ কৰা হৈছিল। লোকবিশ্বাস মতে, ল'ৰাৰ কাণ ফুটালে একুহীয়া ৰোগ নহয়। সুশ্ৰুতেও (শৰীৰ স্থান ১৬/১) কৰ্ণবেদৰ দ্বাৰা কোষবৃদ্ধি বা শিৰাৰোগ প্ৰতিৰোধ কৰাৰ কথা উল্লেখ কৰিছে। পুৰাকালত লোকে বিজয়া দশমী তিথিত কাণ বিন্ধনি কাৰ্য সম্পাদন কৰিছিল। কিবা কাৰণত এই তিথিৰ দিনা শনি বা মংগলবাৰ পৰিলে তাৰ পিছদিনা পুৱাৰ বেলা চোতালত বৰপীৰা এখনত *অনাকটা* কাপোৰ এখন পাৰি নতুন সাজ পিন্ধা ছোৱালীজনীক বহিবলৈ দি আয়তীসকলৰ উৰুলি জোকাৰৰ মাজত কাণ বিন্ধাইছিল। আগৰ দিনত কেটেলা পহুৰ কাঁইটেৰে কাণ বিন্ধালেও পৰৱৰ্তী কালত নেমু, পনিয়লৰ কাঁইটৰ উপৰি বেজীৰো ব্যৱহাৰ চলিল। কাণ বিন্ধোৱা তিৰোতাজনীক এটা সিধা আৰু পাঁচ সিকি (১২৫ পইচা) আগবঢ়োৱা নিয়ম। কাণ বিন্ধনিৰ পিছত শিশুটিক মিঠাই খাবলৈ দি উপস্থিত আয়তীসকলকো মাহ-প্ৰসাদ খুওৱা ৰীতি নামনি অসমত অদ্যাপি প্ৰচলিত।

না. দা.

**।। কাতি পূজা ।।**

কাতি পূজা গোৱালপাৰা আৰু কোচবেহাৰত কাতি মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হয়। ইয়াৰ মূল *স্কন্ধ পুৰাণোক্ত* কাৰ্তিক পূজা যদিও ইয়াত শাস্ত্ৰীয় আচাৰ-নীতিৰ হেঁচা প্ৰায় শূণ্য আৰু লৌকিক আচাৰ-নীতিৰহে প্ৰাধান্য পৰিলক্ষিত হয়। বংশবৃদ্ধি আৰু শস্য উৎপাদনৰ ঐকান্তিক কামনাৰে এই অনুষ্ঠানৰ আয়োজন কৰে - 'কাতি ঠাকুৰেৰ বৰে পুত্ৰ পাইচং কোলে - কাতি ঠাকুৰৰ বৰেশম্ আসিচে ঘৰে।।'

চাৰিটা কল পুলি পুতি মাজত ময়ূৰৰ স্কন্ধ সমাসীন কাৰ্তিকৰ মূৰ্তি স্থাপন কৰি পূজা মণ্ডপ সজোৱাৰ পিছত সেই মণ্ডপতে ঘট, ধানৰ শিহ আৰু চাৰিটা পুলিত চাৰিখন ধনু-কাড় আঁৰি থোৱা প্ৰয়োজন। কাতি পূজা সম্পূৰ্ণ ভাবে স্ত্ৰীআচাৰযুক্ত অনুষ্ঠান গতিকে ইয়াত সাময়িকভাৱে যোগদান কৰা ব্ৰাহ্মণ আৰু ঢাকুৱাজনৰ বাহিৰে আন কোনো পুৰুষেই এই পূজা চাব নোৱাৰে। একমাত্ৰ তিৰোতাৰ অনুষ্ঠান গুণে এই পূজাৰ নৃত্য-গীতত অশ্লীলতাৰ ছাপ স্পষ্ট। গীত গাই যাওঁতে ভাষাই মুকলি বিচাৰে; ছন্দোময় নৃত্যৰ গতিত শিথিল হয় গাৰ অংগ-বস্ত্ৰ।

শিবৰ সৈতে চণ্ডীৰ বিয়াৰ কাহিনী বৰ্ণনাৰে *কাতি-সিজ্জন* খণ্ডৰ আৰম্ভ হয়। ইয়াত সন্তানকামী তিৰোতা এজনীক কাতিৰ মাক সজাই এযোৰ কল আৰু এযোৰ তামোল-পাণ তেওঁৰ কোলাত দি এখন কাপোৰেৰে ঢাকি দিব লাগে। সেয়া সন্তানৰ প্ৰতীক। তিৰোতাসকলে আৰম্ভণিতে চণ্ডীৰ গৰ্ভধাৰণ আৰু গৰ্ভ বৃদ্ধিৰ বৰ্ণনা গাই মূক অভিনয় কৰে। কাতিৰ জন্মৰ পিছত থাকে অশৌচ খেদোৱাৰ বৰ্ণনা। কাতিৰ পিছত ঘূৰি ঘূৰি কৰা এই নৃত্যত আদি ৰস বাৰুকৈয়ে প্ৰকাশ পায়। এইবোৰৰ পিছত *আগ নেওয়া* অংশৰ অৱতাৰণা। এই খণ্ডত নাট্যধৰ্মী গুণ অধিক ৰূপত পৰিস্ফুট হয়।

কাতি পূজাৰ দ্বিতীয় খণ্ডতে থাকে কৃষি-কৰ্মৰ প্ৰতীক অভিনয়। এজনী তিৰোতাই পুৰুষৰ সাজ পিন্ধি কাল্পনিক নাঙল-যুঁৱলি লৈ হাল জোৰে। গৰু হয় দুজনী সৰু ছোৱালী। এনেতে বাঘৰ গৰ্জন। বাঘে গৰু লৈ যায়। পিছত যেনিবা বাঘ মাৰি গৰু ওভোটাই আনে। তাৰ পিছত পুনৰ্বাৰ খেতি কৰাৰ দীঘলীয়া নৃত্য-গীতৰ অভিনয়। অৱশেষত আগ *নেওয়া কাৰ্যৰ* অভিনয়। যি গৰাকী তিৰোতাই সন্তান কামনাৰে কাতিপূজা ভাগ আগবঢ়ায়, তেওঁ থাপনাত আগতে পুতি থোৱা ধান গোছৰপৰা আঠুকাঢ়ি সভক্তিৰে ধানৰ শীহ কাটি কুলাত ভৰায়। আয়তীসকলৰ উৰুলি-জোকাৰ চলি থাকে। তাৰ পিছত মৰণা মাৰি ধান জাৰি-জুৰি সোমাই থোৱাৰ অভিনয়। ইয়াৰ পিছত *ভাটিয়া বেপাৰীৰ* প্ৰৱেশ। তেওঁৰ সৈতে দৰ-দাম কৰি ধান বিক্ৰী কৰে। অৱশেষত *বাদুল-হানা* বা বাদুলি -খেদাৰ অভিনয় বহলভাৱে অনুষ্ঠিত হয়। ইয়াত সংলাপ নাই আৰু অভিনয়ো মূকাভিনয় পৰ্যায়ৰ। ওৰে নিশা জাগি কাতি পূজাৰ অভিনয় কৰা আয়তীসকলে পুৱাৰ সুৰুযে ভুমুকি নৌমাৰোঁতেই অভিনয়ৰ সামৰণি মাৰি গায় - 'এভাই হাৰিয়া পাপ যেইল ছাড়িয়া/পাপ যেইল পূণ্য হইল /হৰি কথা হইল ।।'

না. দা.

## ।। কাতি বা কঙালী বিহু ।।

প্ৰকৃতিৰ প্ৰভাৱ মানুহৰ সৈতে কিমান নিবিড় তাৰ এটা উজ্জ্বল নিদৰ্শন কাতি বিহু বা কঙালী বিহু। আহিনৰ শেষত সূৰ্যৰ তুলাৰাশিত সংক্ৰমণত কাতি বা কঙালী বিহু অনুষ্ঠিত হয়। তুলাৰাশিৰ সংক্ৰমণত হোৱা কাতিৰ সংক্ৰান্তিক জলবিষুব বোলা হৈছে। এই সময় ছোৱাত মানুহৰ শস্যৰ ভঁৰাল উদং হোৱাৰ উপক্ৰম হয় আৰু আনহাতে অনাগত শুভদিনৰ বাবে, ভঁৰাল নতুনকৈ ভৰি উঠিবৰ বাবে পথাৰৰ লখিমী দেৱতাৰ উদ্দেশ্যে শৰাই, নৈবেদ্য আদি আগবঢ়োৱা হয়। শস্য ক্ষেত্ৰ পুনৰ উৰ্বৰা হৈ উঠিবলৈ প্ৰাৰ্থনা জনোৱা হয়। ভোগৰ সম্ভাৰ কমি আহে বাবেই এই বিহুৰ আন নাম কঙালী।

কাতি বিহুত ধৰ্মীয় অনুলেপন বিদ্যমান। তুলসী তলত চাকি দিয়া, ৰাৱী চিকুণোৱা আদিৰ দ্বাৰা শস্যৰ অপকাৰী পোক পৰুৱা নিধন কৰাৰ লগতে অতি কষ্টেৰে গঢ়ি

তোলা খেতি ডৰা নদন-বদন হোৱাৰ প্ৰতি প্ৰাৰ্থনা জনোৱা হয়। আই লখিমীক আদৰিবলৈ প্ৰতিগৰাকী অসমীয়াৰ ঘৰে ঘৰে, ভিতৰে-বাহিৰে চাকি জ্বলোৱা হয়। আন দুটি বিহুৰ দৰে ইয়াতো প্ৰকৃতি পূজা বিদ্যমান। কাতি বিহুৰ সময়ত ভোগ বা আনন্দ উছৱৰ পয়োভৰ কম যদিও ই যথেষ্ট ক্ৰিয়াবহুল অনুষ্ঠান।

নতুনকৈ ভেটি বা ঢাপ বান্ধি তুলসী ৰুই গোটেই মাহটো জুৰি তুলসীৰ তলত বন্তি জ্বলোৱা হয়। এই বিহুতে লক্ষ্মী আৰু দামোদৰক যুগল ভাৱে বন্দনা কৰা উদ্দেশ্যে ওখকৈ বাঁহৰ আগত চাকি বান্ধি *আকাশ বন্তি* প্ৰজ্বলন কৰা হয়। শাস্ত্ৰতো ইয়াৰ উল্লেখ আছে।

"দামোদৰায় নভসি তুলায়াং লোলয়া সহ।
প্ৰদীপং তে প্ৰমচ্ছামি নমোহনন্তায় বেধসে।।"

কাতি মাহৰ তিথিক অতি পুণ্য তিথি বুলি গণ্য কৰি, নাম-কীৰ্তন, পাঠ আদি কৰি ভগৱানৰ উদ্দেশ্যে গোসাঁই ঘৰ, গোহালি ঘৰ, বাৰী, পদূলি আৰু থকা ঘৰত ধূপ-ধূনা নৈবেদ্য যচা হয়। নামনি অসমত সৰু সৰু ল'ৰা-ছোৱালীবোৰে তুলসীৰ চাৰিওফালে ঘূৰি হাতত চাপৰ মাৰি তাল বজাই নাম ধৰে। সৰু ল'ৰা-ছোৱালীৰ বাবে ই অতি আমোদজনক। কোনো কোনো অঞ্চলত নাঙল ধোৱা পিঠা খোৱা উৎসৱ পাতি খেতিয়কসকলৰ আজৰি সময়ৰ ক্ষণিক অভিব্যক্তি ডাঙি ধৰা হয়। কাতি বিহু দেখাত কঙালী হ'লেও সংস্কৃতিৰ ক্ষেত্ৰত ইয়াক কঙালী বুলি ক'ব নোৱাৰি।

প্ৰ. শ. গো.

**।। কাতি গাছা ।।**

আহিনৰ শেহত সূৰ্যই তুলাৰাশিত স্থিত হোৱা কালত পছিম অসমত অনুষ্ঠিত হয় কাতিগাছা অৰ্থাৎ কাতিবিহু। অন্যান্য লোকৰ লগতে হাজংসকলেও এই উৎসৱ পালন কৰে। প্ৰায় পয়চল্লিশ ছেন্টিমিটাৰ উচ্চতাৰ তিনিডাল বাঁহ, কাঠ অথবা বাকলি গুছোৱা মৰাপাটৰ শুকান গা গছেৰে (কামৰূপত তাৰ নাম *পাটাৰ কাঁয়্*) সজা গাছাত মাটিৰ চাকি বা ঔটেঙাৰ বাকলিত কপাহৰ শলিতাৰে মিঠাতেলৰ বন্তি প্ৰজ্বলন কৰি মা লক্ষ্মীৰ নামত এযোৰ পাণ-তামোল আৰু অন্যান্য সামগ্ৰীৰে পথাৰত নৈবেদ্য ভাগ আগবঢ়োৱাটোৱে এই উছৱৰ মূল কথা। পোক পৰুৱা আৰু কীট-পতংগই খেতি নষ্ট নকৰাৰ উদ্দেশ্যে কৃষিক্ষেত্ৰত বন্তি জ্বলোৱা হয়। সেইদিনা প্ৰতি ঘৰতে সন্ধিয়া তুলসীৰ গুৰিতো চাকি জ্বলাই ওখ বাঁহ এডালত আকাশ বন্তি জ্বলোৱাটো কাতিগাছা উছৱৰ আন কৃত্য। খেতিপথাৰত চাকি দি ল'ৰা-ছোৱালীয়ে গায়- 'সগাৰে ধান আউল বাউল /আমাৰ ধান সিধাই চাউল।' গোহালিত চাকি জ্বলোৱা কালতো গায় - 'সগাৰে গৰু লেঙেৰা ভেঙেৰা আমাৰ গুৰু ভইসেৰ পাৰা।' সন্ধিয়া কালত হাজং ডেকাইঁতে হাতে হাতে একোটাকৈ

*মছাল* (শুকান মৰাপাটৰ খৰিৰ জোৰ) লৈ দলবদ্ধ ভাবে লৰা লৰি কৰি প্ৰাণ উজাৰি গায়- 'কাতি আহে আঘোণ যায় / মসা মাও পোৰা যায়।।' অৱশেষত ডেকাইতে জ্বলা জোৰবোৰ নঙলা মুখত পুতি থৈ ঘৰ সোমায়।

প্ৰ. দা

**।। কামৰূপ নামৰ ব্যুৎপত্তি ।।**

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত একালৰ প্ৰাগ্‌জ্যোতিষ ক্ষেত্ৰখনেই পিছলৈ ঐতিহাসিক কালত ক্ৰমে কামৰূপলৈ ৰূপান্তৰিত হৈছিল; আৰু সেয়ে, ইয়াৰ কলেৱৰো প্ৰাচীন প্ৰাগ্‌জ্যোতিষৰ দৰে আজিৰ বিহাৰৰ পূব অঞ্চলৰপৰা ক্ৰমে উত্তৰ-বংগ আৰু নেপাল-ভূটানকো সামৰি পূৰ্বোত্তৰৰ প্ৰায় সাতোখন ৰাজ্যকেই সাঙুৰি লৈছিল। *কামৰূপ* নামৰ উৎপত্তি সম্পৰ্কে *কালিকাপুৰাণে* সেয়ে ব্যাখ্যাও দাঙি ধৰিছে এইদৰে যে পূৰ্বতে মিথিলাৰ (বিহাৰৰ) ৰজা নৰকে এই ৰাজ্যৰ অসুৰ ৰজাসকলৰ ওপৰত আধিপত্য বিস্তাৰ কৰি কামাখ্যা দেৱীৰ ভাৰ গ্ৰহণ কৰাৰপৰাই এই ৰাজ্যৰ নামো কামৰূপ (হয়তো দেৱী নাম অনুসাৰেই) হ'লগৈ। সেয়ে মহাকাব্য আৰু পুৰাণৰ পাতত কামৰূপ নামৰ উল্লেখ নাথাকিলেও, পৰৱৰ্তী সংস্কৃত সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত এই নামৰ উল্লেখ আছে।

কালিদাসে তেওঁৰ *ৰঘুবংশৰ* পাতত প্ৰাগ্‌জ্যোতিষৰ লগে লগে কামৰূপ নামৰো উল্লেখ কৰিছে। ইয়াৰ উপৰিও বৈয়াকৰণ হেমচন্দ্ৰ আৰু ৰাজশেখৰৰ গ্ৰন্থতো এই নামেৰেই পূৰ্বোত্তৰৰ এই দেশখনক চিনাক্ত কৰা হৈছে। ৰজা চন্দ্ৰগুপ্তৰ এলাহাবাদৰ শিলালিপিতো *কামৰূপ* নামৰ উল্লেখ আছে। ৬৪৩ খ্ৰীঃ ত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউয়েনচাঙৰ বৰ্ণনাত *কামৰূপ* নামৰ উল্লেখ আছে; কিন্তু সবাকো নিষ্প্ৰভ কৰি এই দেশতেই ৰচিত *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্ৰই* (ষোড়শ শতিকা) এই কামৰূপৰ প্ৰাচীন সীমা আৰু বিস্তৃতি সম্পৰ্কে (নেপালস্য কাঞ্চনাদ্ৰিম্ .... *যোগিনীতন্ত্ৰ*) বিতং বিৱৰণ দাঙি ধৰিছে। অষ্টাদশ শতিকাত ৰচিত *হৰগৌৰী সংবাদতো* ইয়াৰ বিভিন্ন পীঠ, যেনে - কামপীঠ, ৰত্নপীঠৰো বৰ্ণনা দাঙি ধৰিছে।

পুৰাণৰ গল্প অনুসৰি প্ৰাগ্‌জ্যোতিষৰ নীলাচল পাহাৰত দেৱাদিদেৱ মহাদেৱৰ শাপত ভস্ম হৈ দেৱতা কামদেৱে পুনৰ স্বৰূপ লাভ কৰাৰ বাবেও দেশখনৰ নাম *কামৰূপ* হোৱা বুলি ব্যাখ্যা আছে; কিন্তু ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতিদেৱে তেখেতৰ স্বকীয় ব্যাখ্যা দাঙি ধৰিবলৈ গৈ পুনৰ একালৰ অষ্ট্ৰিক গোষ্ঠীৰ দেৱী *কামক* বা *কামুক-ৰ* ওপৰ চাপিছে আৰু একালৰ এই অনাৰ্য মূলীয় দেৱীৰ উপস্থিতিৰ বাবে ঠাইখনৰ নামো পিছলৈ *কামক* বা *কামৰূপ* হোৱা বুলি ঠাৱৰ কৰিছে। অৱশ্যে চৰ্যাপদ আৰু *হৰ গৌৰী সংবাদেও* দেশখনৰ নাম হিচাপে *কামৰূ* শব্দৰ সাক্ষ্য বহন কৰি আহিছে।

সু. শ.

**।। কামৰূপীয়া ঢুলীয়া ।।**

অসমৰ ঐতিহ্য বহনকাৰী আন এটি মূল্যবান কৃষ্টি হ'ল কামৰূপীয়া ঢুলীয়া। ই সম্পূৰ্ণভাৱে লৌকিক আৰু বৰ জনপ্ৰিয় অনুষ্ঠান। ঢুলীয়া অনুষ্ঠানটিত ভাগ লোৱা লোকসকলৰ অভিনয় কৌশল আৰু হাস্য-ব্যংগ কৌতুকবোৰেই অনুষ্ঠানটিৰ মুখ্য আকৰ্ষণ। ইয়াত ধৰ্মীয় ভাৱৰ পোনপটীয়া সম্পৰ্ক নাই যদিও অনুষ্ঠানটিৰ সৃষ্টিৰ গুৰিত নিশ্চয় ধৰ্মৰ কথা জড়িত আছে। অসমৰ মঠ-মন্দিৰবোৰত দেৱতাৰ বন্দনাৰ সময়ত অন্যান্য বাদ্য যন্ত্ৰৰ লগতে মুখ্য বাদ্য ঢোলো ব্যৱহাৰ কৰা হৈছিল। মন্দিৰৰ বাহিৰতো ঢোলৰ যথেষ্ট সমাদৰ আছিল আৰু কালক্ৰমত ই এটা সুকীয়া অনুষ্ঠানতেই পৰিণত হৈছিল। ঢুলীয়া অনুষ্ঠানৰ কেন্দ্ৰস্থল নলবাৰী অঞ্চল। অসমৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠানত ঢুলীয়া অনুষ্ঠান পৰিৱেশিত হৈছিল - সভা, উৎসৱ আদিৰ মুকলি মঞ্চতে ই অভিনীত হৈছিল। ভাও দিয়া ঠাইখিনিক *খলা* বোলা হৈছিল। *খলা* সজাবৰ বাবে কলগছ আৰু কলপাত ব্যবহৃত হৈছিল। ঢুলীয়া অনুষ্ঠানত পুতলা নাচৰ সাদৃশ্য থকাৰে চাই বহুতে ইয়াক পুতলা নাচৰ ক্ৰমবিকশিত ৰূপ বুলি ক'ব খোজে। অনুষ্ঠানটিত বহুত মানুহৰ দল এটি থাকে। ঘাই ঢুলীয়া, খৰমৰা ঢুলীয়া, কুস্তিদিয়া ঢুলীযা, টেমেকা, মহলাধাৰী, সূত্ৰধাৰ আৰু অন্যান্য ভালেমান ব্যক্তিবদ্বাৰা ই গঠিত হয। তেওঁলোক স্বভাৱ শিল্পী। তেওঁলোকৰ কাহিনীৰ কোনো লিখিত ৰূপ নাই। মৌখিক ভাৱে আৰু কোনো অনুশীলন নকৰাকৈ তেওঁলোকে কাহিনী প্ৰদৰ্শন কৰিব পাৰিছিল।

অনুষ্ঠানৰ প্ৰদৰ্শনৰ বাবে লাগতিয়াল সামগ্ৰীবোৰো দলটিৰ লোকসকলে নিজে নিজেই যুগুতাই লৈছিল। ঢোল আৰু অভিনয়ৰ বাবে প্ৰয়োজনীয় কাঁড়, লাঠি, মাৰি, যাঠি-জোং জাতীয় বস্তুবোৰ নিজেই যতনাই লৈছিল। প্ৰসাধনৰ সৰু-সুৰা সামগ্ৰীবোৰো ঘৰতেই তৈয়াৰ কৰি লৈছিল। প্ৰসাধনৰ বাবে চাউলৰ গুড়িৰ ব্যৱহাৰ বৰকৈ কৰা হৈছিল। মতা মানুহে ধুতিখন শাৰীৰ দৰে কৰি লৈ আৰু মোছ থাকিলে হাতেৰে ঢাকি তিৰোতাৰ স্থান পূৰণ কৰিছিল। মাতটোও সামান্য সৰু কৰি উলিয়াইছিল। প্ৰথমতে বৰঢোলত *গুৰুঘাত* মাৰি অনুষ্ঠানটি আৰম্ভ কৰা হয়। তাৰ পিছত গুৰিঢোল বজাই খলা ফুৰোৱা বাদী আদি কাৰ্য অনুষ্ঠিত কৰে। ঢোলৰ বাজনা, চং, কুস্তি, খেল -ধেমালি আদি চাৰ্কাচ আৰু কেৰিকেচাৰ ধৰ্মী। মুখাৰ ব্যৱহাৰ ইয়াৰ এটি মনকৰিবলগীয়া বৈশিষ্ট্য। ভাৱৰীয়াৰ চৰিত্ৰবোৰ নিয়ন্ত্ৰণাধীন কৰিবলৈ সূত্ৰধাৰ জাতীয় চৰিত্ৰ এটাও ইয়াত থাকে। ঢুলীয়াই পদ গাই কাহিনী ব্যাখ্যা কৰে। কিন্তু ঢুলীয়া অনুষ্ঠানৰ কোনো লিখিত বিৱৰণ নথকাৰ ফলত ইয়াৰ প্ৰাচীনত্ব কিমান দূৰ ৰক্ষা পৰিছে তাক সতকাই কোৱা টান। এনে এটি মনোৰঞ্জক অনুষ্ঠান সম্প্ৰতি মৃতপ্ৰায়; কিন্তু কেইজনমান উঠি অহা ব্যক্তিৰ প্ৰচেষ্টাত ই পুনৰ জীপ লৈ উঠিবলৈ আৰম্ভ কৰিছে। প্ৰ. শ. গো.

**।। কামাখ্যা দেৱালয়ৰ দেৱলীয়াৰ লেখ।।**

কামাখ্যা মন্দিৰৰ নিত্য-নৈমিত্তিক পূজা সেৱা প্ৰভৃতি সুকলমে চলাবলৈ বৰফুকনে ভিন্ন স্তৰৰ লোক নিয়োগ কৰাৰ বহল তালিকা *নাও বৈচা ফুকনৰ অসম বুৰঞ্জীত* পোৱা যায়। তালিকাখন এনে ধৰণৰ- বৰ দেউৰী (দেৱালযত পূজা কৰা ব্ৰাহ্মণ), সৰু দেউৰী (বৰ দেউৰীৰ অনুপস্থিতিত পূজা কৰা বাপু), পৰিচালক (নৈবেদ্য সজাই দিয়া লোক), আঠপৰীয়া (দিনে ৰাতিয়ে আঠপৰ পহৰা দিয়া লোক), তেলী (তেল যোগনীয়াৰ), মালী (ফুল আৰু মালা যোগান ধৰোঁতা), ধোবা (দেৱালয়ৰ কাপোৰ কাণি ধোৱা ব্যক্তি), নাপিত (পুৰোহিত আৰু আনসকলৰ দাড়ি চুলি কটা লোক), কমাৰ (লোৰ যতন নিৰ্মাণ কৰা লোক), কুমাৰ ( মাটিৰ সাজ বাচন যোগনীয়া), চমাৰ (চুণ যোগনীয়া), কালীয়া (কালী বাদক), ঢুলীয়া (ঢোল বাদক), বলীকটীয়া (বলি কটা লোক), গায়ন (গায়ক), পাখৌ জিয়া গায়ন, নাচনিয়াৰ (নৃত্যত পাৰদৰ্শী জন), নেগেৰিয়া ( নাগাৰা বজোৱা ব্যক্তি), খাতোৱাল (দেৱালয়ৰ খাতত থাকি শস্য যগোৱা), বাৰি চোৱা (দেৱালয়ৰ বাৰীত উপহাৰ দ্ৰব্যৰ খেতি কৰা লোক), বেলি চোৱা (বেলি চাই পূজাৰ কাল নিৰ্ধাৰণ কৰা লোক), চাউল কৰা (চাউল বচা লোক), মলখু বচা (পূজাৰ মলখু চাউল বাছি দিয়া লোক) আৰু পানী তোলা (দেৱালয়ৰ বাবে পানী পুখুৰীৰপৰা তুলি অনা লোক)। না. দা

**।। কামাখ্যা ধামৰ অম্বুবাচী মেলা।।**

সাধাৰণতে আহাঁৰ মাহত মৃগশিৰা নক্ষত্ৰৰ তিনিপদ শেষ হ'লে চতুৰ্থপাদ আদ্ৰা নক্ষত্ৰৰ প্ৰথম পাদৰ ভিতৰত পৃথিবী ঋতুমতী হয় বাবে এই সময়ক অম্বুবাচী কোৱা হয়। অম্বুবাচীৰ প্ৰথম তিনিদিন চুৱা, চতুৰ্থ দিনা শুদ্ধি। অম্বুবাচী (অসমীয়া আমতী) সমগ্ৰ উত্তৰ পুৱ ভাৰত ভূমিতে পালন কৰা হয় যদিও কামাখ্যাৰ অম্বুবাচী মেলাৰ বৈশিষ্ট্য সুকীয়া। অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা ধামৰ দুৱাৰ বন্ধ ৰখা হয়। ফলস্বৰূপে সেই কেইদিন দেৱী-দৰ্শন নিষিদ্ধ। চতুৰ্থদিনা মন্দিৰ খোলাৰ পিছত দেৱীৰ স্নান, পূজা প্ৰভৃতি সমাপন হোৱাৰ পিছৰ পৰাহে দৰ্শকে দেৱীক দৰ্শন কৰিব পাৰে। পূৰ্বভাৰতৰ অন্যান্য প্ৰান্তৰৰ দৰে কামাখ্যা ধামতো ব্ৰাহ্মণ বিধবাসকলে অম্বুবাচীৰ প্ৰবৃত্তিৰপৰা নিবৃত্তিৰ পিছতো দেৱীৰ ভোগ শেষ নোহোৱা পৰলৈকে ফলাহাৰ ভক্ষণ কৰি থাকে। চুৱাৰ কেইদিন সৰ্পভয় নিবাৰণৰ বাবে কোনো কোনোৱে দুগ্ধপান কৰে। ইঘৰে সিঘৰলৈ ফল-মূল আগবঢ়ায়; প্ৰবৃত্তিৰ আগতে মাটিৰ কলহত পানী জমা কৰি কলপাতৰ ওপৰত তুলি থয় আৰু দৈ পাতে। ভাৰতৰ ভিন্ন প্ৰান্তৰপৰা অহা (আজিকালি বিদেশৰো লোক আহে) লাখ লাখ ভক্তই তিনিও দিনে কামাখ্যা মন্দিৰৰ চৌপাশে থাকি নাম-কীৰ্তন কৰে, মন্দিৰৰ বাহিৰতে ধূপ-দীপ জ্বলাই দেৱীক প্ৰণাম জনায়। অম্বুবাচীৰ নিবৃত্তিৰ দিনা পাণ্ডাসকলে ভক্তসকললৈ আবগঢ়ায় *ৰক্ত বস্ত্ৰ*। দেৱীপীঠৰপৰা অনা এই ৰক্তবস্ত্ৰ শৰীৰত ধাৰণ কৰিলে

অভীষ্ট সিদ্ধি হোৱাৰ বিশ্বাস প্ৰবল। সেইবাবেই পুৰুষে সেই ৰক্ত বস্ত্ৰ সোঁহাতত বা ডিঙিত আৰু মহিলাসকলে বাঁওহাতত বা ডিঙিত ধাৰণ কৰে। এই কাপোৰ লগত ৰাখি আন ঠাইত জপ কৰিলেও মনৰ কামনা পূৰণ হোৱাৰ কথা *কুব্জিকা* তন্ত্ৰৰ সপ্তম পটলত কথিত হৈছে। এই ৰক্ত বস্ত্ৰ ধাৰণ কৰি শ্মশান অথবা মৃতকৰ ঘৰলৈ যোৱাটো নিষেধ। কামাখ্যা ধামৰ অম্বুবাচী মেলাই আন্তৰ্জাতিক আৰু জাতীয় সম্প্ৰীতিত ভালেখিনি অৰিহণা যোগাইছে।

না. দা.

**।। কামাখ্যাধামৰ চ'ৰাব্ৰত ।।**

আঘোণৰ পূৰ্ণিমা তিথিৰ ৰাতিবেলা কামৰূপৰ কোনো কোনো ঠাইৰ দৰে কামাখ্যা ধামতো চৰা-ব্ৰত পালন কৰা হয়। চৰা শব্দৰ অৰ্থ হ'ল -সভক্তিৰে দেৱ দেৱীলৈ আগবঢ়োৱা উপাচাৰ। এই ব্ৰত উপলক্ষে বিবাহিতা আৰু বিবাহযোগ্যা গাভৰুহঁতে ওৰে দিন উপবাসে থাকি ৰাতি দেৱী কাত্যায়ণীক পূজা কৰে। মাহ প্ৰসাদ, ধূপ-দীপ আৰু অন্যান্য উপচাৰৰ উপৰি *শোভেৰী*নামৰ এটি পাত্ৰ, মটিৰে নিৰ্মিত বহুসংখ্যক চৰাই মূৰ্তি, নানা বৰণৰ ফুল, ৰবাব টেঙা প্ৰভৃতি এই ব্ৰতত প্ৰয়োজনীয় সামগ্ৰী। এই ব্ৰতত এজন পুৰোহিত লাগে। তেওঁৰ নিৰ্দেশত ব্ৰত কাৰিণীসকলে শোভেৰীত পুষ্প পত্ৰ আগ কৰি কাত্যায়ণী দেৱীলৈ পূজাভাগ আববঢ়ায়। পূজাৰ ক্ষেত্ৰত তেওঁলোকে চৰা-ব্ৰতৰগীত পৰিৱেশন কৰে। দেৱী-কাত্যায়ণীৰ গুণ গৰিমা বৰ্ণনাই গীতৰ কেন্দ্ৰবিন্দু। ৰাতিপুৱাৰ লগে লগে ব্ৰতৰ সামৰণি পৰে আৰু শোভেৰীৰ লগতে ফল-মূল প্ৰভৃতি বিসৰ্জন দিয়ে। *শ্ৰীমদ্ভাগৱতত* উল্লিখিত কাত্যায়ণী ব্ৰতৰ সৈতে (১০/১২ অধ্যায়) চৰা ব্ৰতৰ একাধিক ক্ষেত্ৰৰ মিল আছে। স্বামীৰ মংগল কামনা আৰু উপযুক্ত জীৱনৰ লগৰী পোৱাই এইব্ৰত পালনৰ মূল উদ্দেশ্য)।

(ড° হেমন্ত কুমাৰ শৰ্মাৰ *Fairs and Festivals in the District of Kamrup* গ্ৰন্থৰ আধাৰত যুগুতোৱা) না.দা.

**।। কামাখ্যা ধামৰ পুষ্যাভিষেক উৎসৱ ।।**

কামাখ্যা ধামত প্ৰতিবছৰে পুহমাহৰ কৃষ্ণপক্ষৰ দ্বিতীয়া অথবা তৃতীয়া তিথিত পুষ্যা নক্ষত্ৰ যোগত পুষ্যাভিষেক বা হৰ-গৌৰীৰ বিবাহ উৎসৱ পালিত হয়। *কালিকাপুৰাণত* পুষ্যাস্নান বিধি শীৰ্ষক অধ্যায় (৮৬) এটিয়ে আছে। সেইমতে ৰজাই আনুষ্ঠানিক ভাৱে পুহমাহৰ পুষ্যা নক্ষত্ৰত স্নান -দানৰ অন্তত শিৱ- চণ্ডীৰ আৰাধনাৰে শিশুৰ মনোৰঞ্জন হেতু পুতলা বিয়া পাতিলে চণ্ডিকা সন্তুষ্ট হোৱাৰ কথা উল্লিখিত হৈছে। অৱশ্যে আজি-কালি ইয়াৰ পুহন বিয়া উপ-পুৰাণখনিৰ বৰ্ণনাৰ দৰে নহয়। আজিকালি বিয়াৰ আগদিনাখন কামাখ্যা মন্দিৰত থকা চলন্ত শিৱৰ মূৰ্তিটো কামেশ্বৰ মন্দিৰলৈ নি তাতে অধিবাস কৰা হয়। পিছদিনাখন আয়তীসকলে গীত-পদ গাই পানীতুলি হৰ-গৌৰীৰ মূৰ্তি যুগল ধুৱায়। স্নানৰ পিছত শিৱৰ মূৰ্তিটো দোলাৰূঢ় কাৰি কামাখ্যা মন্দিৰলৈ অনা হয়। মন্দিৰৰ সমুখ

পোৱাৰ লগে লগে লৌকিক প্ৰথা মতে চাউল ছটিযাই গৌৰীৰ কাষত শিৱক স্থাপন কৰি *শ্ৰী কামেশ্বৰ-কামেশ্বৰী পাঞ্চাল্য বিবাহ পদ্ধতি* মতে বিবাহ পৰ্ব সমাপ্ত কৰে। এই উৎসৱৰত হোম আদিৰ লগতে হৰ-গৌৰীক বেহ ঘূৰোৱাটো মন কৰিবলগীযা। বিয়াৰ পিছত দুয়োটা মূৰ্তিকে নিৰ্দিষ্ট স্থানত ৰখা হয়। বিয়াৰ পিছদিনা অনুষ্ঠিত হয় *বাহী বিয়া*। সেইদিনা কামাখ্যাৰ বহুলোকে আদা খায়। *শ্ৰী কামেশ্বৰ*-কামেশ্বৰী *পাঞ্চাল্য বিবাহ* পদ্ধতিত আছে, হৰ-গৌৰীৰ বাৰ্ষিক বিবাহ অনুষ্ঠানে ধুমুহা, বজ্ৰপাত আৰু গ্ৰহৰ কুদৃষ্টিৰ পৰা ৰক্ষা কৰে।

(ড° হেমন্ত কুমাৰ শৰ্মাৰ *Fairs and Festivals in the District of Kamrup* গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না দা

**।। কামাখ্যা নামৰ ব্যুৎপত্তি ।।**

*যোগিনীতন্ত্ৰ*ত দেৱী ভগৱতীযে শিৱক প্ৰশ্ন কৰিছে - 'কামাখ্যা কোন লোক কোৱা'। শিৱে উত্তৰ দিলে- 'কামাখ্যা দেৱী ব্ৰহ্মৰূপা, পৰমবিদ্যাৰে অভিন্ন । শিৱে আকৌ ক'লে যে কালী আৰু কামাখ্যা অভিন্না। দেৱীযে কালীৰূপে অৱতীৰ্ণা হৈ কেশী দৈত্যক বধ কৰি এটি নতুন ৰূপ ল'লে *যানিমণ্ডল* ইয়াক অৰ্চনা কৰি ব্ৰহ্মাই ভবিষ্যতে সৃষ্টি ৰচিবলৈ সম্ভৱ হ'ব। (*যোগিনী* ১।১৫।৫৫) কামাখ্যাৰ যোনিপীঠ আৰু যোনিমণ্ডল ভিন্নঠাই। যোনিপীঠ অন্তৰ্গত নীলপৰ্বতৰ মনোভাৱ গুহাৰ ভিতৰত যোনিমণ্ডল অৱস্থিত। পিছে যোনিমণ্ডলক কামাখ্যা বোলাৰ কাৰণ *যোগিনী তন্ত্ৰই* জনোৱা নাই। *কালিকা পুৰাণে* কয় - দেৱীয়ে গোপনে শিৱৰ সৈতে সম্ভোগ কৰিবলৈ বিচৰাত দেৱীৰ নাম কামাখ্যা হয় (কামাৰ্থমাগ্নতা যস্মাঙ্কয়া সাৰ্দ্ধং মহাগিৰৌ/কামাখ্যা প্ৰোচ্যতে দেৱী নীলকূট ৰহোগতা// -*কালিকাঃ* ৬২।১) পুৰাণখনিত (৬০।৫৬) দেৱী কামাখ্যাৰ দুটা ভিন্ন ৰূপৰ ছবি আঁকিছে - এটা সম্ভোগ আৰু আনটো সংহাৰ মূৰ্তি। প্ৰথম মূৰ্তিত দেৱীয়ে হাতত ফুলৰ মালা লৈ ৰঙা পদুম ফুলৰ ওপৰত আসন লয়। দ্বিতীয় মূৰ্তিত দেৱীয়ে হাতত খড়গ লৈ প্ৰেতৰ ওপৰত আসন ভংগীত থাকে। দুটা ভিন্ন সময়ত এই ৰূপ দুটাৰ বিকাশ সম্ভৱ হৈছে।

কামাখ্যা শব্দটোৰ মূলগত অৰ্থ - কামা নামক। দেৱীৰ আন নাম কামা (কামদা কামিনী-কামা-কান্তা-কামাংগ দায়িনী-*কালিকা* ৬২।২ )। ড° বাণীকান্ত কাকতিয়ে *কামা* শব্দটো আৰ্য ভিন্ন অষ্ট্ৰিক ভাষাৰপৰা অহাৰ সম্ভাৱনীয়তা লক্ষ্য কৰিছে। *কামই* (পুৰণি খামেৰ), *কামায়াত* (ছাম), *কামেত* (খাচী), *কোমুই* (চাওতালী) আদি শব্দৰ অৰ্থ হ'ল প্ৰেত, মৰাশ। কেশী দৈত্যৰ শ্মশানত আবিৰ্ভাৱ দেৱীৰ এটি নাম *কামা*। ড° কাকতিয়ে কেশী শব্দটোও অষ্ট্ৰিকৰ পৰা অহা বুলি অনুমান কৰিছে। খাচি ক্সেহ (সৰল গছ)>কেসেহে >কেশে > কেশি। ড° কাকতিয়ে অনুমান কৰিছে - সৰল গছেৰে

আবৃত্ত এখনি শ্মশান আছিল। সেই গছ পুৰি পৰ্বত মুকলি কৰি কোনোৱাই *কামা* নামৰ শ্মশান দেৱীৰ অৰ্চনা আৰম্ভ কৰে। কালক্ৰমত এই কামা দেৱীয়ে মহাকালীলৈ ৰূপান্তৰিত হ'ল। *যোগিনীতন্ত্ৰ* আৰু *কালিকা পুৰাণৰ* উপাখ্যান আৰু কামা শব্দই অনুমান কৰাত সহায় কৰে যে জয়জয়তে মহাকালীৰ অৰ্চনা অসম ভূমিত সংহাৰ মূৰ্তিত চলি তন্ত্ৰ যুগত যোনিপূজাৰ প্ৰৱৰ্তনৰ লগে লগে '*কামা - কালীৰ* সংহাৰ মূৰ্তিৰ দ্বৈত ৰূপ হিচাপে যোনিপূজা ইয়াৰ চামিল কৰা হ'ল, (*পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*, পৃ. ২৪ )।

না. দা.

**।। কাম্বুং/কাম্বং ।।**

ৰাভাসকলৰ ই এবিধ চাদৰ। ৰাভা মহিলাই বুকুখন ঢাক খোৱাকৈ ২/৩ হাত দীঘল আৰু ১/১/২ হাত বহল জোখত এই কাপোৰখন বৈ লয়। আঁচলৰ এছোৱা বুকুৰ ওপৰত উলিয়াই থৈ বাঁও মেৰদি বাঁও কাষলতিৰ তলত খোঁচ মাৰি ইয়াক পিন্ধা হয়। ই বিভিন্ন প্ৰকাৰৰ— ক) *কাম্বুং মিছি/কাম্বুং মুছুক পাংকায়* ঃ ক'লা নতুবা বেঙুনীয়া মূল গাৰ ওপৰত দীঘে দীঘে বগা পটি থকা কাম্বুং। সাধাৰণতে ৰংদানী মহিলাই বেঙুনীয়া আৰু মায়তৰী ৰাভা মহিলাই ক'লা ৰঙকে প্ৰাধান্য দিয়ে। বৰ্তমান এই বিধ কাপোৰ কেঁচুৱাক বোকোচাত লওঁতে বৰকৈ ব্যৱহাৰ কৰা হয় বাবে কাম্বুং মানেই বোকোচাত লোৱা কাপোৰ (বাছেক) বুলিহে বহুতৰ ধাৰণা। ৰাভা পৰম্পৰাগত *ছিতা বন্ধা* নামৰ বিৱাহ ৰীতিৰ উপঢৌকন হিচাপে অন্যান্য সা-সামগ্ৰীৰ সৈতে খোক বা হোৰাত ভৰাই কন্যাৰ ঘৰত ইয়াক পঠোৱা হৈছিল। খ) *জাৰা বাফক* ঃ বিশেষ কৌশল খটুৱাই সী লোবা তিনি খলপীয়া কাপোৰ। দুয়োপিনৰ কুচাৰ (পাতলি) বিশেষ যত্ন সহকাৰে *কাংকাৰ- তাঁতী* শালত বৈ লোৱা হয় আৰু তাৰ পিছত মূল *জাৰাৰ* সৈতে সী দিয়া হয়। মাজৰ মূল জাৰাখন যদি ৰঙা ৰঙৰ তেন্তে *নিদিদাম / নেন্‌ছাক* আৰু ক'লা ৰঙৰ হ'লে *নিদিদাম / নেন্‌আক'* বোলা হয়। এই কাপোৰখন ৰাচ আৰু দৰেপতি ব্যৱহাৰ নকৰাকৈ চামত্ৰং বা ছিৰিৰে ঠেকুচি কপকপীয়াকৈ বৈ লোৱা হয়। বায়খো পূজাৰ ছাথাৰ নৃত্যত অংশ গ্ৰহণ কৰিবৰ বেলিকা নতুবা উৎসৱে পাৰ্বণেহে গাভৰুসকলে ইয়াক ব্যৱহাৰ কৰিছিল। বিধবা নাৰী এগৰাকীৰ বাবে এনে কাপোৰ পিন্ধা সামাজিক ভাৱে নিষেধ। গ) *জাৰা কাম্বুং* ঃ জাৰা বাফকৰ সৈতে একে মাথোন ইয়াৰ জালী কটা থাকে। ইয়াক কাংকৰ তাঁতী শালৰ বাহিৰে অন্য শালত বৈ উলিয়াব নোৱাৰি। এই বিশেষ কাপোৰৰ দ্বাৰাই ৰাভা শিপিনীৰ চূড়ান্ত কৃতিত্ব গণ্য কৰা হয়। অৰ্থাৎ যিজনী শিপিনীয়ে ইয়াক বৈ উলিয়াব পাৰে তেওঁৰ বাবে বব নোৱৰা কোনো কাপোৰ নাই।

উ.ৰা.হা.

### ।। কাৰছি পূজা।।

কাৰছি বা কৰছি পূজা ত্ৰিপুৰাত জনজাতিসকলৰ মাজত প্ৰচলিত এবিধ অতি জনপ্ৰিয় উৎসৱ। কিন্তু এই পূজাত ত্ৰিপুৰাত থকা হিন্দু বঙালী সকলৰ পৰম্পৰাৰ প্ৰভাৱ বিদ্যমান। পূজাত যি মূৰ্তি সজা হয়, তাত সম্পূৰ্ণকৈ মূৰ্তি নাসাজি কেৱল মূৰৰ অংশহে সজা হয়। মূৰ্তিত চৌবিশ জনা দেৱতাৰ মুখাৱয়ব সন্নিবিষ্ট হয়। সেইবোৰ হ'ল - হৰ, উমা, হৰি, মা, বালী, কুমাৰ গনেশ, ব্ৰহ্মা, পৃথিৱী, গঙ্গা, অবদি (Abdi), অগ্নি, কামেশ আৰু হিমাদ্ৰি। এই আটাইবোৰ দেৱ-দেৱীকে দুৰ্গা পূজাত মহামায়া দুৰ্গা আৰু তেওঁৰ পৰিয়ালবৰ্গক যি ভাৱে পূজা কৰা হয়, ঠিক সেইভাৱে পূজা- অৰ্চনা কৰা হয়। এই পূজাৰ সময়ত ত্ৰিপুৰাত জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে বিভিন্ন মানুহৰ সমাগম হয়।। প্ৰায় সাৎ শ বছৰীয়া পুৰণি এই পূজাৰপৰম্পৰাই জনজাতি আৰু অজনজাতি সকলো ত্ৰিপুৰা বাসীকে একতাৰ দোলেৰে বান্ধি ৰাখিছে।

প.কু.দা

### ।। কাৰ্বি মহিলাৰ আ-অলংকাৰ ।।

কাৰ্বি মহিলাসকলে পৰম্পৰাগতভাৱে ৰূপৰ অলংকাৰ আৰু ভিন্নৰঙৰ মণি পিন্ধি ভাল পায়। ৰূপ আৰু ৰঙা মণিৰে গঁথা *লেক পেংখাৰা*, ৰঙা আৰু নীলা-মণিৰ মাজত ৰূপ মিহলাই কাৰুকৰ্ম খচিত *লেক পেংমুই*, লেক পে ঙ্গিৰি নামৰ ৰূপৰ মালা, ৰূপৰ সৰু-বৰ মণিৰে চালে চকুৰোৱাকৈ গঁথা *বনমেলা*, ৰূপৰ সিকি আৰু বং বিৰঙৰ মণিৰে গঁথা *লেকাসিকি* কাৰ্বিমহিলাৰ ডিঙিৰ প্ৰিয় অংলকাৰ। ৰঙা মণিৰ মাজে মাজে উঁণী কাপোৰৰ টুকুৰাৰে গঁথা *লেক মান্দুলি*, ৰূপৰ কাৰুকৰ্মখচিত *লেকৰূবে*, তিনি ডলীয়া সূতাৰে ৰং বিৰঙৰ মণি গঁথা *লেকবাইকম্*, দুইমূৰে সামান্য জোঙা ৰূপৰ গোটা মণিৰে প্ৰস্তুত কৰা ডিঙিৰ অলংকাৰ, ডাঙৰ কমলা ৰঙৰ মণিৰ মাজে মাজে উঁণী কাপোৰৰ টুকুৰাৰে গঁথা *লেকপিলা*প্ৰভৃতি অংলকাৰো কাৰ্বি মহিলাই পিন্ধা দেখা যায়। তেওঁলোকে কাণৰ ফুটা ডাঙৰ কৰি তাতে পিন্ধে ডাঙৰ ডাঙৰ *নথেংপী* (থুৰীয়া) আৰু দুহাতত ৰৈট (খাৰু)। দহোটা আঙুলিত ৰূপৰ *আৰুান* (আঙুঠি) পিন্ধাটো কাৰ্বি মহিলাৰ এটা সাধাৰণ দস্তুৰ। অৱশ্যে আধুনিক সভ্যতাৰ আগ্ৰাসনে কাৰবি মহিলাৰ সাজপাৰৰ লগতে আ-অলংকাৰতো পৰিৱৰ্তন অনা চকুত পৰে

(উৎস ঃ উনপঞ্চাশত্তম অসম সাহিত্য সভাৰ বাগছিনা নগৰৰ স্মৃতিগ্ৰন্থ *ৰ'জাকআহিব* (১৯৮২)।

জ্যো.দা.

### ।। কাৰ্বিসকলৰ সাজপাৰ ।।

কাৰ্বি পুৰুষ-মহিলাই পৰিধান কৰা সাজপাৰ সৰল কিন্তু সৌন্দৰ্যময়। পুৰুষ সকলে

গাত *চই হংখৰ* আৰু *চয় আপং* নামৰ চোলা। *প'হ* নামৰ পাগুৰি আৰু ধুতি পৰিধান কৰে। তিৰোতাসকলে কঁকালৰপৰা ভৰিৰ কলাফুলৰ ওপৰত পৰাকৈ *পিনী* নামৰ ক'লা মেখেলা পিন্ধে। এইখনি আহি পাজাংৰে, আফিদপ, আচাস্তক কিজক, হুন্‌কি ৰানচম প্ৰভৃতি ভিন্ন চানেকিৰে বোৱা হয়। মেখেলাখনক *ৱামকক* নামেৰে সৰু টঙালি এখনেৰে কঁকালত বান্ধি লোৱাটো উল্লেখযোগ্য। আগৰ দিনত কাৰ্‌বি মহিলাসকলে বুকুত *জিছ'চেপেৰ* অৰ্থাৎ মেথনি মাৰিছিল। গাত মেৰাই লৈছিল ৰং বিৰঙৰ সূতাৰে বোৱা *পোছেলং* আৰু *পেকক*। তেওঁলোকে কটাৰী এখন *চুই* নামৰ সৰু মোনা এখনিত ভৰাই লৈ ফুৰাটো এটা অংগৰাগ ৰূপে গণ্য কৰে।

জ্যো.দা.

## ।। কাৰ্বি সকলৰ দেহাল উৎসৱ।।

দেহাল বা দেওশাল কাৰ্বিসকলৰ এটি অন্যতম প্ৰধান উৎসৱ। এই উছৱ ফাগুন মাহৰ যিকোনো সোম বা মংগলবাৰত অনুষ্ঠিত হয়। পূজাৰ প্ৰস্তুতিপৰ্বত ৰাইজে *আৰ্নাম-আমোল* (ভগৱানৰ মেল) পাতি তালুকদাৰ নিৰ্বাচন কৰাৰ পিছত তেওঁ ঘৰেপতি ভাত আৰু মদৰ চাউল সংগ্ৰহত লাগি যায়। উছৱৰ এসপ্তাহৰ আগতে আ'লং আহাৰ সিজাই তালুকদাৰৰ লগতে *মেনছহেল* (গাভৰু) আৰু *আলং আহাৰ* (পূজাৰ বাবে প্ৰস্তুত কৰা মদ) বিৰ লুত (শুদ্ধ) কৰা নিয়ম। সেইদিনাৰপৰা পূজাৰ বিভিন্ন সামগ্ৰী সংগ্ৰহত লাগে। সপ্তাহজুৰি পূজাৰ সামগ্ৰী সংগ্ৰহৰ পিছত শনিবাৰে ৰাইজ মিলি মাছ মাৰে। এনেকৈ ছদিন যোৱাৰ পিছত সোমবাৰে *জগান* ক আমন্ত্ৰণ জনায়।) গাঁৱৰ প্ৰতি ঘৰৰে এজনে মিৰ কি ক্ৰুং (মালা গঁথা) উৎসৱেৰে *জগান* আৰম্ভ কৰে। সেইদিনাৰপৰাই দেওধনী, তালুকদাৰ,বাংঠে, হুজা আদিয়ে পূৱাৰেপৰা লঘোণ দিয়ে৷ দেওধনী এই পূজাৰ অন্যতম অংগ; তেওঁৰ নিৰ্দেশত পূজাৰ মূল কাম সম্পাদিত হয়। *জগানৰ* দিনা সন্ধিয়া দেওধনী সহ দেহালত থাপনা দিবলৈ যাওঁতে চেং, মুকি আৰু চংনক (ঢোল, পেঁপা, ঢাল) নিয়া নিয়ম। মংগলবাৰে পূজাৰ মূল কৰ্ম সমূহ সম্পাদিত হয়। সেইদিনা দেওধনীৰ সৈতে ডেকা-গাভৰুৱে বৰ্ণিল নৃত্য পৰিবেশন কৰে- বলি বিধান চলে। দেওধনীয়ে পাত্ৰ হাততলৈ কেঁচা তেজো পান কৰা দেখা যায়। ৰাতি বাৰ বজামানত পূজা শেষ হয়। পূজাৰ শেহত দেও বিসৰ্জন দি ৰাইজে বিশ্ৰাম লয়, হৰপানী পান কৰি স্ফূৰ্তি কৰে। বুধবাৰে পুৱাৰ পৰতে বলিৰ হাঁহ- পাৰ কাটি সামূহিক ভোজৰ ব্যৱস্থা কৰে। পূজাৰ শেষত ৰং ৰহইচৰ মাজেদি *আৰ্নাম* অনা হয়। প্ৰীতি ভোজৰ অন্তত তালুকদাৰৰ দায়িত্ব শেষ হয়। পূজাৰ শেষত অজানিত ভুল ক্ৰটীৰ বাবে ইজনে সিজনৰ ওচৰত ক্ষমা মাগে। এক কথাত কাৰ্বি সকলৰ দেহাল পূজা হ'ল গাঁৱৰ সৰ্বাংগীন উন্নতিৰ বাবে দেৱ-দেৱীৰ ওচৰত কৰা কাতৰ প্ৰাৰ্থনা।।

(*আমাৰ অসমত* ৮ ফেব্ৰুৱাৰী ২০০৬ত প্ৰকাশিত ৰবীন ভূঞাৰ প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

দে.দা

**।। কাৰ্বি সকলৰ বয়নশিল্প।।**

অসমৰ পাৰ্বত্য জিলাকেইখনত সংখ্যাগৰিষ্ঠভাৱে বাস কৰা মঙ্গোলীয় নৃ গোষ্ঠীৰে তিব্বত-বৰ্মীয় ভাষা পৰিয়ালৰ অন্তৰ্গত কুকী-চীন উপশাখাৰ কাৰ্বি (মিকিৰ) জনগোষ্ঠীৰে সংস্কৃতি বহুবৰ্ণাঢ্যময়। কাৰ্বিসকলৰ নিজা সাজ-পাৰ সৰল হ'লেও বৈশিষ্ট্যপূৰ্ণ। হাতৰ তাঁতশালত (বৰ্তমান উৰণীয়া মাকো ব্যৱহাৰ কৰা দেখা যায়) ৰঙা, হালধীয়া আদি বিভিন্ন ৰঙৰ সূতাৰে তৈয়াৰী ফুলাম কাৰুকাৰ্য খচিত কাপোৰৰপৰা নিৰ্মিত এওঁলোকৰ পুৰুষ বস্ত্ৰৰ ভিতৰত ৰিকং (ফুলাম লেংটি), প'হ (পাগুৰি) অন্যতম। আকৌ পুৰুষসকলে এখন ৰং বিৰঙৰ কাপোৰ সোঁমাজত সমানে ভাঁজ দি মূৰ সোমাব পৰাকৈ কাটি জোৰা লগাই *যি চ'ই* (দহিকটা চোলা) নামৰ বস্ত্ৰ পৰিধান কৰে। ই এওঁলোকৰ সামগ্ৰিক জাতীয় পৰিচয় বহন কৰিব পৰাকৈ সক্ষম। কাৰ্বি তিৰোতাসকলে পিনি (মেখেলা), জিছ' (মেথনি), 'বাম কক' (কঁকালত মেখেলাৰ ওপৰত মৰা পটি) অপৰিহাৰ্য বস্ত্ৰ। কাৰ্বি মহিলাসকলে সাধাৰণতে আঁঠুলৈকে পৰা ক'লা ৰঙৰ মেখেলা পৰিধান কৰে। বুকুৰ ওপৰেদি মেৰিয়াই ব্যৱহাৰ কৰা মেথনি (জিছ') খন সাধাৰণতে বিয়াৰ পিছৰ তিৰোতাসকলৰ প্ৰায় খুলি ৰখা দেখা যায়। কাৰ্বি বয়োবৃদ্ধসকলে গাত *পেছাৰপী* চাদৰ, সম্ভ্ৰান্ত মহিলাই দুতৰপীয়া *পেচেলেং* চাদৰ আৰু গাভৰুহঁতে *পেজাংফঙ, পেদুৰফিছ* আদি চাদৰ পৰিধান কৰে। বয়স আৰু মৰ্যাদা অনুসৰি এওঁলোকে আ-অলংকাৰৰ লগতে ভিন্ ভিন্ বস্ত্ৰ ব্যৱহাৰ কৰাটো বিশেষ মন কৰিবলগীয়া বিষয়। আধুনিক বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱে কাৰ্বি বয়নশিল্পলৈ দ্ৰুত পৰিবৰ্তন আনিছে যাৰ ফলত তেওঁলোকৰ কাপোৰৰ থলুৱা সৌন্দৰ্য আৰু বৈশিষ্ট্য নতুন নতুন সম্পৰীক্ষা আৰোপিত হৈছে।

পা. দ.

**।। কাৰ্বি সংস্কৃতিত বিয়া বাৰু ।।**

বিবাহ এক পবিত্ৰ বান্ধোন। সকলো সমাজতে পৰম্পৰাগত ৰীতি-নীতিৰে বিবাহ উৎসৱ পতা হয়। কাৰ্বি সমাজতো বৈবাহিক নীতি নিয়মেৰে বিবাহ কাৰ্য সমাপন কৰা হয়। কাৰ্বিসকলে একে খেলত বিয়া নকৰায়। বিভিন্ন আনুষ্ঠানিক পৰ্বত ডেকা-গাভৰু দেখা সাক্ষাত হোৱাৰ পিছত লাগিলে অভিভাৱকৰ সমৰ্থনত বিয়া কৰোৱা হয়। ছোৱালী পছন্দ হ'লে ল'ৰা ঘৰে আঙুঠি বা খাৰু কইনা ঘৰত দি আহে। লগত লাওপানী লৈ যায় হং নামৰ পাত্ৰত দি কন্যাৰ পিতৃক সন্মান জনায়। কাৰ্বি সমাজত মাহীয়েকৰ ছোৱালী বিয়া কৰোৱাটো অতি উত্তম; নহ'লে মাকৰ ফৈদতহে বিয়া কৰাব পাৰে। কাৰ্বি সমাজত দুই

ধৰণে বিয়া হয়। (১) *আকৈ জয়* অৰ্থাৎ গা-ধন নিদিয়াকৈ ছোৱালীক বিয়া কৰাব পাৰে কিন্তু এই বিয়াত ছোৱালী পিছদিনাই শাহুৰ ঘৰলৈ যাব লাগে। ছোৱালীৰ লগত পিতৃ-মাতৃ বয়োজ্যেষ্ঠই আহাৰ পানী (মদ) লৈ দৰাঘৰৰ অভ্যৰ্থনাৰ বাবে যাব লাগে আৰু তেওঁলোকে একেদিনাই ঘূৰি আহিব লাগে (২) আনবিধ বিৱাহ হৈছে *একিমেন* অৰ্থাৎ পক্কা বিয়াৰ ৰীতি। এই বিয়াত দৰাই শহুৰৰ ঘৰত এৰাতি, এবছৰ বা আজীৱন ধৰি থাকিব পাৰে। এই বিয়াত ছোৱালীক কোনো গা-ধন দিব নালাগে। কাৰ্বি সমাজত বৈৱাহিক সম্পৰ্ক খুব মধুৰ হয়। তেওঁলোকৰ মাজত কাজিয়া খুব কম লাগে। কেতিয়াবা এনে ঘটনা হ'লেও *মি* বা সামাজিক কমিটিয়ে বিচাৰ কৰে। বিৱাহ বিচ্ছেদ বৰ কম আৰু যৌতুক প্ৰথাৰ প্ৰচলন নাই। এই সমাজত বাল্য বিৱাহৰ প্ৰচলন নাই কিন্তু বিধবা বিৱাহৰ প্ৰচলন আছে। এই ক্ষেত্ৰত বিধবা বৌয়েকক দেওৰেকে বিয়া কৰাব পাৰে। কাৰ্বিসকলৰ মতে বৈৱাহিক সম্পৰ্ক ঈশ্বৰৰ বৰদান। তেওঁলোকে ভাবে, এই ধুনীয়া পৃথিবীৰপৰা অশুভ শক্তি লোপ পাবৰ কাৰণে ঈশ্বৰে বিৱাহ প্ৰথাৰ সৃষ্টি কৰিছে। সেয়ে বিৱাহৰ অনুষ্ঠানিক গীতত তেওঁলোকে *ইষ্টদেৱতা হামফুইক মাক ৰামক* আন্তৰিক কৃতজ্ঞতা জনায়।

জ্যো. ডে.

## ।। কাৰা বাঁহী ।।

ৰাভাসকলৰ সুষিৰ বাদ্যৰ ভিতৰত কাৰা বাঁহী অন্যতম। নল বাঁহেৰে সজা এই বাঁহীৰ দৈৰ্ঘ প্ৰায় দুই-আঢৈ মিটাৰ। এই বাঁহীটোৰ বৈশিষ্ট্য এইখিনিতে যে ইয়াত সুৰ তুলিবলৈ এটাও ফুটা নাই। ৰাভা সংস্কৃতিৰ বিশেষজ্ঞ ৰাজেন ৰাভাৰ ভাষাত, 'মাথোন বাঁহডালৰ আগমূৰত ফুঁ দিংঃ পৰা এটা বিন্ধা থাকে আৰু আন মূৰত সুৰৰ গভীৰতা ৰক্ষাৰ বাবে খাপ খোৱাকৈ এটা ডাঙৰ বাঁহৰ চুঙা লগোৱা থাকে।' ৰাভাসকলৰ ই এটা বিশেষ বাদ্য যন্ত্ৰ। ভাৰতবৰ্ষৰ কোনো জনজাতিৰ মাজতে অনুৰূপ বাঁহীৰ প্ৰচলন নাই। এই বাদ্য-যন্ত্ৰৰ সুৰ, তাল আৰু বাদ্য কৌশল যথেষ্ট জটিল। দীৰ্ঘ দিনীয়া অনুশীলন অবিহনে কাৰা বাঁহীৰ মন মোহনীয় ধ্বনি তোলাটো অসম্ভৱ।

না. দা.

## ।। কালঝাৰ সত্ৰৰ জগন্নাথৰ নাম উৎসৱ ।।

কালঝাৰ সত্ৰৰ পৰম্পৰাগত আচাৰ অনুষ্ঠান আদিৰ উপৰি দুটা উৎসৱ বিশেষ ভাৱে পালন কৰা হয়। এটি হ'ল- শ্ৰী শ্ৰী দৌলংসৱ আৰু আনটি হ'ল - শ্ৰী শ্ৰী জগন্নাথৰ নাম। জগন্নাথ সৃষ্টিকৰ্তা ভগৱন্তৰ অন্য এটি নাম। প্ৰতি বছৰে জেঠ মাহৰ পূৰ্ণিমা তিথিত মহাপ্ৰভু শ্ৰী শ্ৰী জগন্নাথৰ নাম তিনিদিনীয়া কাৰ্যসূচীৰে গুৰু শাস্ত্ৰৰ উপদেশ মানি কালঝাৰ সত্ৰবাসীয়ে পালন কৰে। পূৰ্বতে এই নাম চাৰিদিনীয়া আছিল যদিও বৰ্তমান তিনিদিনহে পালন কৰে। এই অনুষ্ঠান কালঝাৰ সত্ৰৰ আটাইতকৈ পবিত্ৰ আৰু আনন্দমুখৰ , ভকতিপূৰ্ণ

বুলি মানি লোৱা হয়। সত্ৰবাসী সকলো মুনিহ-তিৰোতা,যুৱক- যুৱতী, বৃদ্ধ- বৃদ্ধা তথা কিশোৰ -কিশোৰীয়ে এই উৎসৱ কায়- বাক্য- মনে সহযোগ কৰি মোক্ষ মাৰ্গ কামনা কৰে।

কালঝাৰ সত্ৰবাসীয়ে জগন্নাথ নামৰ আগদিনা চৰু-হাড়ি কাপোৰ-কানি ধুই পবিত্ৰ হয়। নামৰ দিনাখন সত্ৰবাসীয়ে নিৰামিষ ভোজন কৰাটো বাধ্যতামূলক। আনহাতে নামৰ সময়ত অশুচত থকা পৰিয়ালে আৰ্থিক দান, প্ৰসাদ, পানী দিব নোৱাৰে। এই অনুষ্ঠানৰ প্ৰথম দিনা ফেহুঁজালিতে ভকতবৃন্দ আৰু আই - মাতৃসকলে গায়ন-বায়ন তথা নাম গাই ভাগৱত ভ্ৰমণ কৰে। ভাগৱত ভ্ৰমণৰপৰা ঘূৰি আহি সত্ৰৰ কীৰ্তন ঘৰত পুৱাৰ প্ৰসংগেৰে দ্বিতীয় কাৰ্যসূচী আৰম্ভ কৰে। দুপৰীয়া সময়ত নাম সামৰি প্ৰসাদ বিতৰণ কৰা হয়। অৱশ্যে মূল শৰাই একেদৰেই ৰাখি থোৱা হয়। আবেলি মূল শৰাইৰ কাষতে ৰাতিৰ বাবে প্ৰসাদৰ শৰাই আগবঢ়োৱা নিয়ম। মাহ প্ৰসাদৰ উপৰিও লাড়ু, পিঠাগুড়ি, মিঠৈ, আদি দিয়া হয়। আবেলিৰ প্ৰসংগেৰে আৰম্ভ হোৱা ঘোষানাম নিশা আঠ-ন বজালৈকে চলি থাকে। ঘোষানাম সামৰাৰ লগে লগে গাঁৱৰ তথা আমন্ত্ৰিত বীৰনাম দলে বীৰনাম প্ৰদৰ্শন কৰে। বীৰনাম শেষ হোৱাৰ লগে লগে কালঝাৰ সত্ৰৰ জগন্নাথ নাম উৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীৰো সামৰণি পৰে। বল্লভ চন্দ্ৰ গোস্বামীদেৱৰ তিৰোভাৱ তিথি পালনেৰে দ্বিতীয় দিনাৰ এই অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। গোস্বামীদেৱ কালঝাৰ সত্ৰৰ পূৰ্বৰ গোসাঁই। তিথিৰ যাৱতীয় নিয়ম-কানুন শেষ হোৱাৰ পিছত আবেলি শৰাই পাতি মহাপুৰুষ মাধৱদেৱৰ *অৰ্জুন ভঞ্জন* বা *দধিমন্থন* নাট প্ৰদৰ্শন কৰা হয়। নাট মঞ্চৰ শেষত ৰাজহুৱা হৰিধ্বনি কৰি প্ৰসাদাদি গ্ৰহণ কৰি দ্বিতীয় দিনাৰ কাৰ্যসূচী সামৰা হয়। পুৱাৰ প্ৰসঙ্গ আৰু ভাগৱত পাঠেৰে তৃতীয় দিনাৰ কাৰ্যসূচী পাতনি মেলা হয়। আবেলি বিশেষভাৱে আয়তীসকলে নাম আৰম্ভ কৰে। মহিলাৰ নামৰ শেষত প্ৰসাদ হিচাপে লাড়ু দিয়া হয়। তৃতীয় দিনাৰ আয়তীসকলৰ এই অনুষ্ঠানলৈ আন আন বহু ঠাইৰ নামতীসকলক আমন্ত্ৰণ কৰা হয়। আন ঠাইৰ পৰা অহা দলসমূহক শৰাই, যাতায়ত আৰু উপযুক্ত মাননি সত্ৰৰ নাম পৰিচালনা সমিতিয়ে বহন কৰে। পুৰণি কালত কালঝাৰ সত্ৰৰ চাৰিওফালে জংঘলে ভৰি থকা বাবে বাঘে গৰু-গাই খাইছিল। সেয়েহে বাঘৰ পৰা ৰক্ষা পাবলৈ কীৰ্তন ঘৰৰ পিছফালে শৰাই আগবঢ়োৱাৰ নিয়ম সম্প্ৰতিও আছে।

দু. ব.

।। কালসংহতি ।।

ভৱানীপুৰীয়া গোপাল আতাৰপৰা বঢ়া সত্ৰসমূহক কালজৰীয়া আৰু সংহতিৰ বিচাৰত কাল-সংহতিৰ সত্ৰ ৰূপে জনা যায়। এই সংহতিৰ অনুগ্ৰামীসকলে গোপাল আতাক মাধৱদেৱৰ একমাত্ৰ উত্তৰাধিকাৰী জ্ঞান কৰে। *বৃত্তী-বিবেক* বত্নৰ দৃষ্টিত, 'কালপুৰীয়া নাৰায়ণৰ বৈকুণ্ঠৰপৰা কালসংহতি আনি গুৰুজনে মাধৱ পুৰুষক দেখুৱালেহি।' এই

সংহতিত ‘কালপুৰীয়া নাৰায়ণ সম্প্ৰদা, গুৰুচৰণ কাণ্ঠা, সৰ্বকৰ্মৰহিত প্ৰবৰ্তন, গুৰুপদে সৰ্বভাৱদৰ্শন শৰণ, গুৰুকৃত্যেৰে ভজন দৃঢ়।’ তদুপৰি এই সংহতি ‘পথৰ প্ৰতি সত্ৰ পৃথক নীতি প্ৰবৰ্তন। দুখনত এক কথা নহই, যথা বিষয়া শিষ্য ভকত তথা সত্ৰীয়া ভকত। ... ব্ৰাহ্মণ মহন্তো একে ব্যৱস্থাৰে প্ৰবৰ্তে। ব্ৰাহ্মণৰ সন্ধ্যা গায়ত্ৰী নাই।... শ্ৰাদ্ধ বিবাহ মাত্ৰ লোকজনক দৰ্শাই কৰে।’ এই সংহতিৰ কোনো সত্ৰতে বিষ্ণু, বেণু গোপালৰ মূৰ্তি পাবলৈ নাইকিয়া। সাম্যবাদী মনোভাৱ এই সংহতিৰ অন্যতম বৈশিষ্ট্য। বাৰেঘৰ সত্ৰৰ শ্ৰীৰাম আতাই নক্তে নগাসকলৰ ৰজাক শৰণ দিছিল। বিভিন্ন জনগোষ্ঠীৰ লোকক শৰণ দিয়াৰ কালত গুৰুসকল যথেষ্ট উদাৰ হৈ জনগোষ্ঠীৰলোকৰ মাজত প্ৰচলিত খাদ্যাভ্যাস আৰু বিশ্বাসক স্বীকৃতি দি থৈছিল। ড° নেওগৰ ভাষাত, ‘কাল সংহতি সদায় চৰমপন্থী, বিপ্লৱী। এই সম্প্ৰদায়ে সততে ৰজাঘৰৰ নিগ্ৰহ ভোগ কৰিছিল; শেহান্তৰত এই সম্প্ৰদায়ৰ মাজৰপৰা বিপ্লৱৰ জুই ভমক কৰি দেশ জুৰি জ্বলি উঠিল। (*শ্ৰী শ্ৰী শংকৰদেৱ*)। এই সত্ৰৰ গোসাঁইসকলে মালা বস্তু ব্যৱহাৰ নকৰাটো তাৎপৰ্যপূৰ্ণ। তদুপৰি আনুষ্ঠানিক নাম কীৰ্তনত শৰাই সজোৱা নাইবা আগবঢ়োৱা গুৱা- পাণৰ আগ-গুৰি কটা ব্যৱস্থা এই সংহতিত বিৰল। *কাৰ্যসেৱা* নামৰ উপাসনা সাত্বিক, নৈমিত্তিক অনুষ্ঠান ৰূপে এইসংহতিৰ সত্ৰত পালন কৰা হয়।’ (ড° নিৰজনা মহন্ত)

না.দা.

**।। কালি ।।**

‘শংখ ঘণ্টা ঢাক ঢোল শিংখা কালি ভেৰী/জয়কালি ৰামবেণা বজাৱে মহৰি।।’ (*দৰং ৰাজবংশাৱলী*) সুষিৰ বাদ্য কালি নামটো সংস্কৃত *কাহল* শব্দৰ পৰা অহা। প্ৰায় পয়চল্লিশ ছে. মি. দৈৰ্ঘৰ পিতলেৰে তৈয়াৰী কালিৰ আগৰ মুখখন গাটোতকৈ ভালেখিনি বহল; ফুঁ দিয়া অংশটোৰ পৰা গাটো অনুক্ৰমে ডাঙৰ। এই ডাঙৰ অংশটোত সাত, আঠ অথবা ন টা ফুটা থাকে। ফুঁওৱা অংশত এটা সৰু পেঁপাৰ থুৰি লগাই কালি বজোৱা হয়। অসমত ব্যৱহৃত বিভিন্ন কালিৰ ভিতৰত জয়কালি, বীৰকালি আৰু যোৰকালি উল্লেখযোগ্য। বিয়া-বাৰু আৰু বিভিন্ন উছৱত বিশেষকৈ নামনি অসমত ঢুলীয়া দলৰ সৈতে কালীয়াও থাকে। বিয়াত কালীয়াৰ কৰুণ সুৰে কাঠবুকীয়া জনৰো হৃদয় সেমেকাই পেলায়। আগৰ কালত দেৱদাসী নৃত্যৰ প্ৰাৰম্ভতে জয়কালি বজোৱাৰ পৰম্পৰা আছিল যদিও দুই এঠাইত কালি বজোৱাৰ নিয়মো নথকা নহয়।

না. দা.

**।। কাঁহ ।।**

শংখ ভেৰী কাংখ ভেমচি খুমচি
ঢোলত পৰিল বাৰি।।— মাধৱ কন্দলি

মাধৱ কন্দলিৰ ৰামায়ণত বাদ্যযন্ত্ৰৰূপে স্থান পোৱা 'কাংখ'ই সূৰ্যখড়ি দৈৱজ্ঞ প্ৰণীত *দৰং ৰাজবংশাৱলী*তো স্থান পাইছে। 'ৰামতাল ৰামবীণা বাযে বৰকাংখ।' ঘন বাদ্যৰ অন্তৰ্ভুক্ত কাঁহেৰে নিৰ্মিত পাৰ উঠা কাঁহীৰ আকৃতিৰ বাদ্যবিধৰ আকৃতিলৈ চাই নাম দুটা- বৰ কাঁহ আৰু সৰু কাঁহ। কাঁহৰ কাষত ফুটা এটা কৰি ৰছীৰে ওলোমাই বা কাঠেৰে আঘাত কৰি ধ্বনিৰ সৃষ্টি কৰা হয়, ইয়াক সাধাৰণতে মন্দিৰত ডবা আৰু ঢাক-ঢোলৰ সৈতে সংগত কৰা চকুত পৰে। বৰ অসমৰ কুকি, ৰাংখল আদিৰ মাজত বৰকাঁহ আৰু সৰু কাঁহ যথাক্ৰমে *দাহপি* আৰু *দাকচল* ৰূপে জনা যায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *অসমৰ বাদ্যযন্ত্ৰ*ৰ আধাৰত যুগুতোৱা।)

না দা

**।। কাহঁদী আৰু খাৰলি ।।**

কাহঁদী (সং কাশমৰ্দ) আৰু খাৰলি অসমীয়া মানুহৰ দুবিধ মুখৰোচক খাদ্য। টেঙা আৰু খাৰ অসমীয়া মানুহে নাখালেই নহয়। কাহঁদী আৰু খাৰলি হ'ল যথাক্ৰমে টেঙা আৰু খাৰযুক্ত খাদ্য। চকল চকলকৈ কটা আম ৰ'দত অলপ শুকাই লৈ ৰঙা জলকীয়া সৰিয়হ বটি মিঠাতেল, মা-মচলা আদিৰে মিহলাই সিবোৰ চকলিওৱা আমৰ ... সানি ৰ'দত শুকাই ল'লেই কাহঁদী হ'ব পাৰে। বঙা অথবা ... সৰিয়হ বটি ... লোণ আদি মিহলাই কলপাতত দুদিনমান বান্ধি ৰ'দত দি খাৰলি খোৱা হয়। দুদিনমান কলপাতত বান্ধি থলে হেনো খাৰলিৰ চোক উঠে। ... বহুল প্ৰচলনৰ পূৰ্বে প্ৰত্যেক অসমীয়াই কাহঁদী আৰু খাৰলি কৰি খাইছিল। বৰ্তমানে কোনো কোনোৱে ইয়াক ব্যৱসায় ৰূপে লোৱা দেখা গৈছে। ব্যংগাত্মক ভাবত অসমীয়া সাহিত্যত শব্দ দুটিৰ বহুল প্ৰয়োগ কৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই। না দা

**।। কিৰাত সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্য ।।**

অসমীয়া সংস্কৃতি ভাৰতীয় আৰ্য সংস্কৃতি হ'লেও ইয়াত কিৰাত কিম্বা মংগোলীয় সংস্কৃতিৰ ছাপ মচিব নোৱাৰা। কিৰাত জনগোষ্ঠীৰ লোকেৰে বৰ অসম ভৰা। অসমৰ ভৌগোলিক পৰিৱেশে মংগোলীয় জনগোষ্ঠীক বিভিন্ন স্থানত বসবাস কৰিবলৈ বাধ্য কৰাইছে। সময় আগবঢ়াৰ লগে লগে সুকীয়া সুকীয়া চাইত, সুকীয়া পৰিৱেশত জীৱন যাপন কৰিবলগীয়া হোৱাৰ ফল স্বৰূপে সেইলোকৰ মাজত কিছু সুকীয়া সাংস্কৃতিক বৈশিষ্ট্যই গা-কৰি উঠিলেও এই জনগোষ্ঠীৰ মানুহখিনিৰ কিছু সংখ্যক উমৈহতীয়া মিল পৰিলক্ষিত হয়। এনে মিলৰ কথা জয়জয়তে তালিকাবদ্ধ কৰে *ডাব্লিউ চি স্মিথ* নামৰ খ্ৰীষ্টান পাদুৰী পণ্ডিত এজনে। সেই মিলবোৰ হ'ল - ক. গাখীৰ নোখোৱা, খ গাত টেটু অঁকা ৰীতি, গ চাংঘৰত বসবাস, ঘ মাণুহ ওপৰত মৰাশ সংকাৰ, ঙ ঢাল-তৰোৱাল ব্যৱহাৰ, চ তামোল খাইকে কেঁচা তামোল-পাণৰ ব্যৱহাৰ, ছ. দুন্নুখীয়া খিয়

কমাৰৰ ভাতীৰ ব্যৱহাৰ, জ. পাহাৰ-পৰ্বতত বসবাস আৰু আদিম পদ্ধতিত কৃষি কৰণ, ঝ. প্ৰাক্‌বিবাহ যৌন সম্পৰ্কৰ সামাজিক স্বীকৃতি, ঞ. মৰংঘৰৰ অৱস্থিতি, ট. মূৰ চিকাৰ প্ৰথা, ঠ. ৰাজনৈতিক শক্তিৰপৰা মুক্ত আৰু ড. সাধাৰণ পদ্ধতিৰ তাঁতশালৰ প্ৰয়োগ। ইয়াৰ উপৰি আৰু কেইটামান কিৰাত সংস্কৃতিৰ সাধাৰণ বৈশিষ্ট্য ড° লীলা গগৈয়ে উল্লেখ কৰিছে - ক. কৈৰাতজ ধৰ্মৰ প্ৰভাৱ, খ. ঝুম খেতিৰ জনপ্ৰিয়তা, গ. দেৱ-দেৱীৰ পূজাত কেঁচা তেজৰ উপহাৰ, ঘ. নিজা অস্তিত্ব ৰক্ষাৰবাবে অসীম চেষ্টা, ঙ. বিপদ-আপদ, ৰং-ৰহইচ সকলোতে সামূহিক দায়িত্ব গ্ৰহণ, চ. বিৱাহত গা-ধন লোৱাৰ ব্যৱস্থা, ছ. বিভিন্ন জাতি-বৰ্ণৰ ভেদাভেদ হীনতা, জ. মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা, ঝ. শুকান মাছ-মাংস খাদ্যৰূপে গ্ৰহণ, ঞ. সৰলতা, ট. সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত চাউলৰপৰা প্ৰস্তুত কৰা লাওপানীৰ বাধাহীন উন্মুক্ত ব্যৱহাৰ আৰু ঠ. হিন্দুৰ আদৰ্শত অস্পৃশ্য বুলি বিবেচিত কুকুৰা-গাহৰি আদিক খাদ্য ৰূপে গ্ৰহণ; অৱশ্যে ওপৰত উল্লেখ কৰা লক্ষণবোৰ উমৈহতীয়া হ'লেও আজিকালি তাৰে দুই-এটা বৈশিষ্ট্য সময়ৰ সোঁতত লোপ পাইছে। দৃষ্টান্ত স্বৰূপে নগাসকলৰ মুণ্ড চিকাৰ অথবা কোনো কোনোৱে কামাখ্যা বা কেঁচাইখাতীৰ সমুখত দিয়া নৰবলি ব্যৱস্থা এতিয়া পাবলৈ নাইকিয়া। না. দা.

।। **কীৰ্তন** ।।

*নামলীলা গুনাদীনাং উচ্চৈ ভাষা তু কীৰ্তনম্* — এই কীৰ্তন প্ৰাচীন কালৰে পৰা প্ৰচলিত । নৱম-দশম শতিকাৰ চৰ্যাগীতৰপৰা ভক্তি আন্দোলন তথা অসমৰ নব বৈষ্ণব ধৰ্মলৈকে এই *কীৰ্তন* অতি জনপ্ৰিয় পৰিৱেশ্য কলা। ইষ্টদেৱতা অথবা ইষ্ট গুৰুৰ প্ৰশংসাসূচক স্মৰণ। লীলা মাহাত্ম্য বৰ্ণন সংগীতানুষ্ঠানকে কীৰ্তন বোলা হয়। বিশেষকৈ অসম আৰু পশ্চিমবংগত এই কীৰ্তনৰ মাধ্যমেৰে চৰ্যাপদ, মনসা মঙ্গল অথবা মনসা কাব্য, বৈষ্ণৱ পদাৱলী, ভকতীয়া ৰীতি-নীতি, ভক্তি আন্দোলনে জনসাধাৰণৰ মাজত বিশেষ গুৰুত্ব লাভ কৰিছিল। নৱধা ভক্তিৰ দ্বিতীয় অংগ এই কীৰ্তন নাম আৰু লীলা— এই দুই প্ৰকাৰে বিভক্ত। মুখ্যতঃ শ্ৰীকৃষ্ণ অথবা বিষ্ণু নাম আৰু লীলাই কীৰ্তনত মুখ্য স্থান অধিকাৰ কৰিছে। এই কীৰ্তনত মাৰ্গীয়ৰ উপৰি লোক-সংগীতৰ সুৰেও প্ৰাধান্য লাভ কৰিছে। ভাৰতৰ সকলোবোৰ বিষ্ণু মন্দিৰতেই এই কীৰ্তন এক অপৰিহাৰ্য অংগ।

শ্ৰীমন্ত শংকৰদেৱে একশৰণ নাম ধৰ্ম প্ৰচাৰ কৰোঁতে অসম তথা সম্প্ৰতি পশ্চিমবংগত বহু ঠাইত কীৰ্তনৰ পদ ৰচনা কৰাই নহয় সুৰ কৰি গাইছিল, ভক্ত সকলক শিকাইছিল। শ্ৰীকৃষ্ণৰ নাম তথা লীলামাহাত্ম্যৰ এই পদবোৰ সংগ্ৰহিত ৰূপত প্ৰিয় শিষ্য মাধৱদেৱ আৰু ৰামচৰণ ঠাকুৰৰ একান্ত প্ৰচেষ্টাত আমি *কীৰ্তন* পুথি হিচাপে লাভ কৰোঁ। এই *কীৰ্তন* অসমৰ জনসাধাৰণৰ আটাইতকৈ জনপ্ৰিয় তথা পবিত্ৰ ধৰ্মগ্ৰন্থ হিচাপে পৰিগণিত। কীৰ্তন অসমৰ মৌকোঁহ। প.ৰা.

**।। কুকি জনজাতিৰ সাজ-পাৰ ।।**

উত্তৰ কাছাৰ জিলাত বাস কৰা আন এটা জনজাতি কুকিসকলৰ সাজ-পাৰৰ ক্ষেত্ৰত স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হয়। এওঁলোকে পৰম্পৰাগতভাৱে কপাহৰপৰা সূতা তৈয়াৰ কৰি নিজ হাতেৰে *পনকল* নামৰ এবিধ তাঁতশালত কাপোৰ বৈ লয়। কুকি পুৰুষসকলেবগা কাপোৰেৰে *ডেলকপ* নামৰ এবিধ পাগুৰি ব্যৱহাৰ কৰে। অৱশ্যে নৃত্যৰ সময়ত তেওঁলোকে *ভকুলগে* নামৰ চৰাইৰ পাখি তথা *টুইপাহ* নামৰ এবিধ ৰঙীন সূতাৰ দ্বাৰা তৈয়াৰী ফুল মূৰত পৰিধান কৰা পৰিলক্ষিত হয়। পুৰুষসকলে সাধাৰণতে *চংখল* নামৰ এক প্ৰকাৰ জেকেট চোলা পিন্ধি তাৰ ওপৰত এখন চাদৰ মেৰিয়াই লোৱা দেখা যায়। সামাজিক প্ৰতিপত্তি থকা ব্যক্তিসকলে সাপৰ ছালৰ অনুকৰণত ফুল বছা চাদৰ ব্যৱহাৰ কৰে। আনহাতে শৰীৰৰ তলচোৱাত পুৰুষসকলে *ডেলচেম* এখন ধুতী পিন্ধে। খেতি-বাতি কৰা সময়ত ৰ'দ-বৰষুণৰপৰা শৰীৰক ৰক্ষা কৰিবলৈ কুকি নগাসকলে মূৰৰপৰা পিঠিলৈ আবৰি থকা এবিধ বাঁহৰ বিশেষ জাপি ব্যৱহাৰ কৰে। কুকি মহিলাসকলে পৰিধান কৰা সাজ-পাৰ অত্যন্ত মনোমোহা। এই জনজাতিৰ মহিলাসকলে *খমটল* নামৰ কলা ৰঙৰ মেখেলা, *পনমংভম* নামৰ চাদৰ আৰু *চংখল* নামৰ হাত দীঘল চোলা পিন্ধা দেখা যায়।

ন.চৌ.

**।। কুকিসকলৰ আ-অলংকাৰ ।।**

কুকি স্ত্ৰী-পুৰুষ উভয়ে কেইপদমান অলংকাৰ পৰিধান কৰি সৌন্দৰ্যবোধৰ পৰিচয় প্ৰদৰ্শন কৰে। এওঁলোকে বিভিন্ন আকাৰ আৰু ৰঙৰ মণি সংগ্ৰহ কৰি তাৰে পৰা কেইবিধমান অলংকাৰ তৈয়াৰ কৰি লোৱাটো উল্লেখযোগ্য। এনে মণিমালাৰ ভিতৰত *খিচং, খিমুল হপ নেমনেল* প্ৰভৃতিৰ নাম একেলগে উচ্চাৰণ কৰিব পাৰি। নাৰীয়ে পৰিধান কৰা এই মালাবোৰ বুকুত পৰাকৈ ঢিলা কৰি পিন্ধে। আনহাতে পুৰুষে তাক ডিঙিত লিপিট খোৱাকৈ পিন্ধাটো দস্তুৰ। কাণত পিন্ধা অলংকাৰ পদৰ নাম *বিকলম*। এই পদ অলংকাৰ দামী পাথৰ, হাতীৰ দাঁত আৰু দামী কাঠেৰে নিৰ্মিত। হাতত পিন্ধা খাৰুক কোৱা হয় *চাওভেই, হাঁহ* অথবা *ফেলচেহ*। কুকি পুৰুষ-মহিলা নিৰ্বিশেষে বিভিন্ন আকাৰৰ ধাতু, *বাঁহ* বা কাঠেৰে তৈয়াৰী পাইপ হুপি থকাটো পৰম্পৰা। নিৰ্মাণ সামগ্ৰীভেদে পাইপসমূহৰ নাম বেলেগ বেলেগ। যেনে— শিল আৰু পিতলেৰে সজা পাইপক *চুপেংগলং* অকল পিতলেৰে নিৰ্মিত হ'লে *চুম বিহ গলং* আৰু কাঠেৰে তৈয়াৰী কিন্তু মুখখন পিতলৰ হ'লে সি *গজুং গলং* আখ্যা পায়।

(ধৰ্মেশ্বৰ দুৱৰাৰ *উত্তৰ কাছাৰ পাহাৰৰ লোক সংস্কৃতি* গ্ৰন্থৰ আধাৰত)

জ্যো.দা.

**।। কুকুৰা যুঁজ ।।**

হিতেশ্বৰ বৰবৰুৱাই *আহোমৰ দিনত* লিখিছে 'ৰজা ডাঙৰীয়া আদিয়ে টোলৰ ভিতৰতে কুকুৰা যুঁজাই ৰং চাইছিল, কিন্তু আহোম বিলাক হিন্দু ধৰ্মত দীক্ষিত হ'বৰেপৰা এই কুকুৰা যুঁজৰ প্ৰচলন সিবিলাকৰ ভিতৰত বন্ধ হ'ল।' (পৃ. ৪৪৭) দুটা সমান মতা কুকুৰাৰ যুঁজেই 'কুকুৰা যুঁজ। পৰিব্ৰাজক চাহাবুদ্দিনে লিখি থৈ গৈছে - অসমৰ কুকুৰা যুঁজত কেতিয়াও পিছ নোহোকে - দুটাৰ ভিতৰত এটা নমৰালৈকে সিহঁতে যুঁজ কৰি থাকে। আহোম যুগত কুকুৰাচোৱা খেলে কুকুৰাৰ যোগান ধৰিছিল। চাহ বাগিচাৰ বনুৱা অসমীয়াহঁতে এতিয়াও হাট বহাৰ দিনা হাটৰ ওচৰতে কুকুৰা যুঁজ পতা দেখা যায়। কোনো কোনোৱে যুঁজৰ সময়ত কুকুৰাৰ ঠেঙত চোকা অস্ত্ৰ বান্ধি দি যুঁজখন অধিক ৰক্তাক্ত কৰি তোলে। গৰখীয়া ল'ৰাহঁতে এখন ভৰি পিছফালে হাতেদি ধৰি আনখন হাত নিজৰ কান্ধত থৈ এভৰিৰে দেও দি দি ইজনে-সিজনক আক্ৰমণ কৰি এটা খেল খেলে। ইয়াৰ নামো *কুকুৰা* যুঁজ।

না. দা.

**।। কুকুৰা যুঁজ ২ ।।**

কুকুৰা যুঁজ পুৰুষসমাজৰ আমোদৰ খেল। কুকুৰা যুঁজত অংশলোৱা পুৰুষে এখন ভৰিৰে দেওদি দেওদি ইজনে সিজনক খুন্দিয়াই পেলাব লাগে। কুকুৰা যুঁজৰ বাবে খেল পথাৰত বৃত্তাকাৰ ক্ষেত্ৰ এটা আঁচ টানি লোৱা হয়। কুকুৰাবোৰে (কুকুৰা যুঁজত অংশ লোৱা খেলুৱৈ) এটা ভৰি পিছফালে এখন হাতেৰে ধৰি ল'ব। আনখন হাতেৰে ভৰিটো ধৰি থকা হাতখনৰ বাহুত ধৰি থাকিব। এজন পৰিচালকে যুঁজ আৰম্ভ কৰাৰ ইংগিত দিয়াৰ লগে লগে দেও দি দেও দি কুকুৰাবোৰে ইটোৱে সিটোক খুন্দিয়াই পেলাবলৈ যত্ন কৰিব। যুঁজত অৱতীৰ্ণ হোৱা কুকুৰাৰ ধৰি থকা ভৰিটো হাতৰ পৰা এৰা পৰিলে, বাহুত থকা হাত বাহুৰপৰা খহি পৰিলে আৰু যুঁজ ক্ষেত্ৰৰ আঁচৰ বাহিৰত ভৰি দিলে সেইটো কুকুৰা যুঁজৰ পৰা বাহিৰ হ'ব। শেষলৈ বৰ্তি থাকিব পৰা কুকুৰাটো জয়ী বুলি ঘোষিত হ'ব। ক.ব.

**।। কুণ্ডিন নগৰৰ মৃন্ময় ভাস্কৰ্য ।।**

বৰ্তমান অৰুণাচল প্ৰদেশৰ কুণ্ডিন নগৰৰপৰা প্ৰাচ্যবিদ ব্লকে ইংৰাজী ১৯০৫ চনত সোল্লখনি ভাস্কৰ্য সম্বলিত মৃন্ময় ফলক উদ্ধাৰ কৰিছিল। তাৰে সৰহখিনিকে ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া হৈছে। অসমৰ ডিমাপুৰ আৰু অন্যান্য স্থানত উদ্ধাৰ হোৱা কিৰাত শৈলীৰ ভাস্কৰ্যৰ সৈতে উক্ত নগৰত প্ৰাপ্ত মৃন্ময় ভাস্কৰ্যসমূহৰ সাদৃশ্য লক্ষ্য কৰি ব্লক চাহাবে সিবোৰক Semi barbarian kind আখ্যা দিছে (কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগৰ বাৰ্ষিক প্ৰতিবেদন, ১৯০৬-৭, পৃঃ ২৭)। ইয়াৰ ভাস্কৰ্যসমূহ হ'ল ১. সোঁ হাতত লাঠি আৰু বাওঁফালে কঁকালৰপৰা ওলোমি থকা দাড়ি হীন টুপী পিন্ধা ধাবমান সৈনিক, ২. বাঁওহাত

কঁকালত আৰু সোঁহাত ওপৰলৈ দাঙি থকা এজন নৃত্য শিল্পী। শিল্পীৰ হাতে কাণে অলংকাৰ আছে, ৩. নৃত্যৰত অৱস্থাত থকা এজন দাড়ি থকা লোক। তেওঁৰ সোঁহাতত যাঠি, বাওঁহাতেৰে এটা অস্পষ্ট বস্তু দাঙি আছে, ৪.বাও হাতত এডাল মাৰি লৈ কঁকালত সংস্থাপন কৰি সোঁহাতেৰে এটা বাদ্য যন্ত্ৰ ওপৰলৈ দাঙি চকু বহলাই থকা নৃত্যৰত এহাল পুৰুষ। তেওঁলোকৰ তললৈ নামি যোৱা চুলিবোৰ কেঁকোৰা, ৫. দোজোপা গছৰ মাজত থকা ছটা ময়ুৰে আনটোৰ গাত পাক লোৱা, ৬ এজোপা গছৰ পিছফালে পিছ ভৰিৰে শৰীৰৰ ভৰ থৈ থিয় দি জিভা মেলি গছ জোপাৰ ফালে আগুৱাই যোৱা বাঘ বা সিংহ। ইয়াৰ নেজৰ চুলিবোৰ পাঁচভাগে বিভক্ত হোৱা, ৭ জীন লগোৱা এটা ধাৱমান ঘোঁৰা। এনে সতেজ ঘোঁৰাৰ ভাস্কৰ্য সমগ্ৰ ভাৰততে বিৰল বুলি ড° চি ডি দাসগুপ্তই মন্তব্য দিছে, ৮. দুটা অসমান ব্যাসৰ এককেন্দ্ৰিক বৃত্ত। বৃত্তৰ মাজত কেবাটাও টৌৱে মনোৰম দৃশ্যৰ সৃষ্টি কৰিছে, ৯. পাঁচখিলা জোঙা পাতেৰে এডাল গছ ১০. এটা পূৰ্ণ বিকশিত পদুম, যাৰ পাহিবোৰৰ মাজত মণিমালা বৰ্তমান, ১১. দুটা বৰ্গক্ষেত্ৰ এটা কেন্দ্ৰৰ মাজত মনোৰমকৈ সংস্থাপন কৰি অষ্টদলৰ এটি ফুল তুলিছে, ১২ চৰাই এজনীৰ ডিঙিত ধৰি তললৈ নামি অহা এটা চৰাই, ১৩ নটা দীৰ্ঘলীয়া পাহিয়ে আগুৰি থকা এটা ফুল, ১৪ পদুম ফুলৰ আকাৰৰ দুটা বৃত্তৰে গঠিত অলংকাৰ, ১৫ দুইখণ্ডত বিভাজিত এটা চৰাই আৰু ১৬. পাঁচ ভাগ হোৱা এটা চৰাই 'মৃন্ময় ভাস্কৰ্যৰ গৱেষক পণ্ডিত ড° চি ডি দাসগুপ্তই তেওঁৰ *অৰিজিন এণ্ড ইভোলিউশ্বন অব ইণ্ডিয়ান ক্লে স্কাল্পচাৰ*। কলিকতা বিশ্ববিদ্যালয়, ১৯৫১) গ্ৰন্থত কুণ্ডিন নগৰত প্ৰাপ্ত মৃন্ময় ভাস্কৰ্যসমূহক অসম শৈলী ৰূপে নামকৰণ কৰিছে।

না.দা.

## ।। কুমাৰৰ বাচন-বৰ্তন ।।

সংস্কৃত কুম্ভকাৰ শব্দৰপৰা অহা কুমাৰ -এই বৃত্তিয়াল জাতিটোৰ কথা মধ্যযুগীয় পদ পুথিৰ লগতে চৰিত পুথিতো পোৱা যায়। কুমাৰ ভাস্কৰবৰ্মাৰ নিধনপুৰ শাসনত 'কুম্ভকাৰ গৰ্ত' শব্দৰ উল্লিখন মন কৰিবলগীয়া। আহোম যুগত কুমাৰসকলে বাচন-বৰ্তন গঢ়াৰ উপৰি মঠ-মন্দিৰৰ বাবে ইটা,নাদৰ পাট, পানীৰ নলা, মূৰ্তিৰ ফলি প্ৰভৃতি সজাৰ কথা পোৱা যায়-'কুমাৰ আনিয়া ইটা সাজিবাক দিলা' (*দৰং ৰাজবংশাৱলী*)। কুমাৰসকলে সৰহ ভাগ পাত্ৰ চাকত গঢ়ে। প্ৰায় এশ ছেঃমিঃ তকৈ অলপ বেছি ব্যাসৰ চাকটোৰ টান কাঠ আৰু পূৰঠ ভলুকা বাঁহেৰে সাজি বেতেৰে ভালদৰে বান্ধি লয়। চাকৰ চাৰিও মোৰ ফলীয়া বাঁহেৰে মেৰাই বান্ধি লৈ সেইখনি ঘূৰাবলৈ তলৰ সোঁমাজতে *নাই হল*নামৰ কৰে বা নাহৰ গছৰ ধুৰা এডাল দি চাক ঘূৰাবলৈ *চাকনলী* বা সাখুটি এডাল ব্যৱহাৰ কৰে। অৱশ্যে কিছুমান পাত্ৰ চাকত নিদি হাতেৰেও গঢ়া হয়। প্ৰদীপ চলিহাদেৱে *পুৰণি*

*অসমৰ কাৰিকৰী শিল্পত* অসমীয়া কুমাৰে গঢ়া সঁজুলিবোৰৰ নাম উল্লেখ কৰিছে এনেদৰে - (১) থালি (২) জঁকা (৩) হাড়ি (৪) খোলা (৫) বেৰীয়া (৬) চৰু (৭) সাতৰ (এজন মানুহে ভাত ৰন্ধা চৰু) (৮) চাকলি (পিঠা ভজা পাত চৰু) (৯) সানেকী (তিলপিঠা ভজা মেলাহি চৰু (১০) মলা (১১) মলা চৰু (১২) বান মলা (১৩) চেৰা চৰু (১৪) জোঙা (১৫) কলহ (১৬) আদ কলহ (১৭) টেকেলি (১৮) চাক (১৯) ভূৰুকা (২০) ঘট (২১) ভেটুৰা (২২) নদীয়া (চৰিয়াৰ আকৃতিৰ পাত্ৰ) (২৩) মঠীয়া (জাপাকাটা (২৪) ডবা (২৫) নাগেৰা (২৬) ডগৰ (২৭) খোল (২৮) টেমেকা (২৯) সুতুলি (৩০) চেৰাগদান (৩১) ধুনাবান (৩২) গছা (৩৩) চাকি (৩৪) আকাশ বন্তি (৩৫) দুণৰি (৩৬) মৈলাম (৩৭) মুহি (সোণ ৰূপ গলোৱা পাত্ৰ) (৩৮) বাটমলা (জাপচাকি) (৩৯) কেৰি (গুড় ভৰোৱা টেকেলি) (৪০) জালৰ গুড়া আদি। কুমাৰৰ এই বাচন-বৰ্তনবোৰে মৃৎশিল্পীসকলৰ কলামনৰ পৰিচয় দিয়ে।

না.দা.

## ।। কুমাৰী পূজা ।।

ষোল্ল বা তাতকৈ কম বয়সীয়া 'অ নূঢ়া অদৃষ্ট-ৰজস্কা' কন্যাৰ পূজাই কুমাৰী পূজা। কুমাৰী সৰ্ববিদ্যা স্বৰূপিণী। *যোগিনীতন্ত্ৰত* আছে - কুমাৰী পূজাত জাতি-ভেদে নাই (জাতিভেদো ন কৰ্তব্যঃ)। জাতিৰ বিচাৰ কৰা জন নৰকত পতিত হ'বলৈ বাধ্য (নৰকান্ন নিবৰ্ততে)। এই পূজা অবিহনে সমস্ত দেৱতাৰ পূজা, হোম প্ৰভৃতি অথলে যায়। আগমবাগীশে কুমাৰী সপক্ষে *জ্ঞানাৰ্ণৱতন্ত্ৰৰপৰা* যি শ্লোকৰ উদ্ধৃতি দিছে, তাত আছে - কুমাৰী যোগিনী স্বৰূপা আৰু পৰাদেৱতা। কুমাৰীক পুষ্প দিলে তাৰ ফল হয় মেৰু সমান - ভোজন কৰালে ত্ৰিলোকক ভোজন কৰোৱাৰ পুণ্য আৰ্জিত হয়। বিভিন্ন বয়সৰ কুমাৰীৰ নাম বেলেগ বেলেগ। যেনে - এক বছৰীয়া (সন্ধা), দুই বছৰীয়া (সৰস্বতী), তিনি বছৰীয়া (ত্ৰিধা), চাৰি বছৰীয়া (কালিকা), পাঁচ বছৰীয়া (সুভগা), ছয় বছৰীয়া (উমা), সাত বছৰীয়া (মালিনী), আঠ বছৰীয়া (কুব্জিকা), ন বছৰীয়া (কালসন্দৰ্ভা), দহ বছৰীয়া (অপৰাজিতা), এঘাৰ বছৰীয়া (ৰুদ্ৰাণী), বাৰ বছৰীয়া (ভৈৰবী), তেৰ বছৰীয়া (মহালক্ষ্মী), চৈধ্য বছৰীয়া (পীঠ নায়িকা), পোন্ধৰ বছৰীয়া (ক্ষেত্ৰজ্ঞা) আৰু ষোল বছৰীয়া (অম্বিকা-*তন্ত্ৰসাৰ*)। শাৰদীয় দুৰ্গোৎসৱৰ সপ্তমী, অষ্টমী আৰু মহানৱমী তিথিত দুৰ্গা পূজাৰ পিছতে কুমাৰী পূজা কৰাৰ বিধি আছে। কামৰূপৰ কামাখ্যা মন্দিৰ কুমাৰী পূজাৰ বাবে ভাৰত প্ৰখ্যাত। দুৰ্গা পূজাৰ দিন কেইটাৰ উপৰি আমতীৰ শুদ্ধিৰ দিনাও কুমাৰী পূজা কৰিব পাৰি। এতিয়াও পাওাৰ অকুমাৰী ছোৱালীক গা-পা ধুৱাই নতুন কাপোৰ-কানি পিন্ধাই চাপৰ বেদী কিংবা কাপোৰৰ ওপৰত বহাই ভক্তিৰে সেই কুমাৰীলৈ আগবঢ়ায় পায়স-পৰমান্ন, ফল-মূল, সুগন্ধি তেল, আয়না -ফণী, বস্ত্ৰ-অলংকাৰ,

ধূপ-দীপ, পুষ্প-পত্ৰ আৰু মালা। পুৰোহিতে মন্ত্ৰ পঢ়ে, ভক্তই বিভিন্ন উপাচাৰ কুমাৰীৰ চৰণত অৰ্ঘ্য ৰূপে আগবঢ়ায়। পূজা চলি থকা কালত কামাখ্যা মন্দিৰৰ বাহিৰত শংখ-ঘন্টা-ঢোল প্ৰভৃতি বাদ্য বাজি থাকে। পূজাৰ অন্তত ভক্তই কুমাৰী ভোজন কৰাই দক্ষিণা আগবঢ়োৱাটো নিয়ম। কুমাৰীয়ে ভক্তৰ মূৰ চুই আশীৰ্বাদ কৰে - 'ভাল হওক, মংগল হওক।'

*যোগিনীতন্ত্ৰ*ই নিৰ্দেশ দিছে। (১।১৭।৩২)। আন কুমাৰীৰ কথা বাদেই, বেশ্যাৰ কুমাৰীকো যদি পূজিব লগা হয়, তেন্তে তেওঁকে যত্নেৰে ধন-সোণ-ৰূপ আদি দি আনন্দেৰে পূজা কৰা প্ৰয়োজন। অতীতত চৈত্ৰবংশৰ নৃপতি বিশ্বন্তৰে কাঞ্চী নামৰ বেশ্যাৰ কুমাৰী এজনীক পূজা কৰা ঠাইখনৰ নাম কাঞ্চীপুৰ হয়। একেদৰে মহামুনি কাম্পিল্যয়ো কুমাৰী পূজা কৰাত কুমাৰীয়ে সেই নগৰীত শিলা হৈ ৰয়। *দেৱী পুৰাণত* কৈছে - 'পুজয়েৎ ব্ৰাহ্মণাঞ্চ কন্যাং বালাং তথৈবচ' (৩২।৪৪)

কুমাৰী পূজাৰ সোঁ বা দক্ষিণ আৰু বামাচাৰ উভয় পদ্ধতিতে পূজা চলে। অকুমাৰী ছোৱালীক নিমন্ত্ৰণ কৰি নি দুপৰীয়াৰ ভোজন কৰোৱা নীতি অসমৰ বিভিন্ন ঠাইত অদ্যাপি প্ৰচলিত।

না দা

**।। কুলা-বুঢ়ী ।।**

অসমীয়া বিবাহ উৎসৱত কুলা-বুঢ়ীৰ কাৰুকাৰ্য এক আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ বিষয়। বিবাহৰ লগত জড়িত স্ত্ৰী-আচাৰসমূহৰ ভিতৰত এই কুলা-বুঢ়ীও অন্যতম। অসমৰ স্থান বিশেষে কুলা-বুঢ়ীৰ কাৰুকাৰ্য ভিন্ ভিন্। বিয়াৰ আগদিনা সাধাৰণতে অধিবাসৰ পিছত এগৰাকী বযোজ্যেষ্ঠা তিৰোতাই মূৰত এখন কুলা লৈ বিভিন্ন প্ৰকাৰে অংগী-ভঙ্গী কৰি নাচে বাবে তেওঁক কুলা-বুঢ়ী আখ্যা দিয়া হয়। এই কুলাখনত চাউল, তামোল-পাণ, চাকি-বন্তি আদি অপৰিহাৰ্য। কেৱল প্ৰাপ্তবয়স্কা নাৰীৰ উপস্থিতিত কুলা বুঢ়ীয়ে নৃত্য গীত কৰে। গীতবোৰ যৌনগন্ধী আৰু নৃত্যও যৌন-ইংগিতধৰ্মী। যুগ্ম জীৱন যাপন কৰিবলৈ ওলোৱা কইনাজনীক যৌন জীৱনৰ শিক্ষা দিয়া ই এক পৰোক্ষ মাধ্যম বুলি ক'ব পাৰি।

অসমৰ গ্ৰাম্য-জীৱনৰ ঠাই বিশেষে অদ্যাপিও কুলা-বুঢ়ীয়ে বিবাহ উৎসৱত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।

ভাৰতৰ অন্যান্য ঠাইতো হিন্দু বিবাহ উৎসৱত প্ৰাপ্তবয়স্কা নাৰীৰ এনে একচেতীয়া যৌনগন্ধী নৃত্য-গীতৰ অনুষ্ঠান আজিকোপতি চলি আছে।

প. ৰা.

**।। কুশান গান ।।**

অবিভক্ত গোৱালপাৰাত প্ৰচলিত এক জনপ্ৰিয় লোক-নাট্যানুষ্ঠান। কোচসকলে গোৱা গানৰ পৰা কুশান অথবা সীতাৰ পুত্ৰ কুশৰ দ্বাৰা প্ৰচাৰিত গীতৰ পৰা এই *কুশান* শব্দৰ উদ্ভৱ হোৱা বুলি বহুতে বিশ্বাস কৰে। কোনো কোনোৱে কোচ ৰাজত্বৰ আগৰে পৰা এই কুশান গানৰ প্ৰচলন হোৱা বুলি ক'ব খোজে। যদিও কুশান গানত *ৰামায়ণৰ* কাহিনীহে গোৱাৰ নিয়ম কিন্তু স্থান বিশেষে বহু কুশান গানৰ দলে *মহাভাৰত* আৰু অন্যান্য পুৰাণৰ গীতো পৰিবেশন কৰা দেখা যায়।

প্ৰায় একুৰিৰো অধিক কলা-কুশলীৰে এই অনুষ্ঠান পৰিপূৰ্ণ। গানৰ মূল গায়কজনক কোৱা হয় *গীদাল*। গীদালে ওজাপালি ওজাৰ দৰে হাতত চোঁৱৰ লৈ গোটেই অনুষ্ঠানটোৰ গুৰি বঠা ধৰে। গীদালে লগাই দিয়া পদবোৰ পাইল বা পালিয়ে সুৰ ধৰি গায়। খোল, তাল, পেঁপা, বাঁহী, দোতাৰা বাদ্য বজোৱা বাদক বা বাইনে গীতৰ সংগীত পৰিৱেশন কৰে। সংগীতৰ তালে তালে চুকুৰীসকলে নৃত্য পৰিৱেশন কৰে। গীদাল— দোৱাৰীয়ে ওজাপালি অনুষ্ঠানৰ দৰে গীত-পদ অৰ্থব্যঞ্জক মুদ্ৰাসহ পৰিৱেশন কৰে। কেতিযাবা বিসংগতিপূৰ্ণ হাস্যৰসাত্মক উপ-কাহিনীও তেওঁলোকে উপস্থাপন কৰে। তেতিয়াই চুকুৰীসকলে নাচে। কুশান গানত বেণাৰ ব্যৱহাৰ অপৰিহাৰ্য। সম্প্ৰতি কুশান গানত *কৃত্তিবাসী ৰামায়ণৰ* পদ গোৱা হয় যদিও প্ৰাচীন কালত এই পৰম্পৰা নাছিল। মাধৱ কন্দলি, দুৰ্গাবৰৰ অসমীয়া ৰামায়ণ দুষ্প্ৰাপ্য হোবা বাবে দাঁতি কাষৰীয়া কৃত্তিবাসী ছপা *ৰামায়ণৰ* সহজলভ্য সংস্কৰণসমূহে কুশান গানৰ দলক বেছি উপকৃত কৰাৰ ফলতেই এনে হ'বলৈ পাইছে। আগতে পুৰুষেই নাৰীৰ সাজ-সজ্জা পৰিধান কৰি চুকুৰী হৈছিল যদিও সম্প্ৰতি নাৰীয়ে এই কাৰ্য সম্পাদন কৰা পৰিলক্ষিত হৈছে।

প ৰা.

**।। কুঁহিলা শিল্প।।**

ভাৰতৰ বিভিন্ন প্ৰান্তত কুঁহিলা শিল্প বিকশিত হোৱা দেখা যায়। স্থানভেদে ইয়াৰ নাম বেলেগ বেলেগ। পশ্চিমবংগত *শোলা* , বিহাৰত *কেৰলা,* উৰিষ্যাত *শোলা,* তামিলনাডুত *বেনডম,* উত্তৰ প্ৰদেশত *তাল খুকুৰী* আৰু কৰ্ণাটকত *বেণ্ডু* নামেৰে পৰিচিত। কুঁহিলা পানীত জন্মা এবিধ উদ্ভিদ। ৯০-১২০ ছে. মি. গভীৰতাৰ বিল, হোলা, দ পথাৰ আদিত জন্মা প্ৰায় ১৮০ ছে. মি. উচ্চতাৰ কুঁহিলাক মোটামুটিভাৱে দুটা ভাগত ভগোৱা হয়- (ক) খৰি কুঁহিলা আৰু (খ) পানী কুঁহিলা। ই দেখাত বগা আৰু ঠুনুকা। অসমত এইবিধ উদ্ভিদ কুঁহিলা, পানী কুঁহিলা, পানী কুল্লা, পানীমুল্লা, কাণশূলা প্ৰভৃতি নামেৰে পৰিচিত। এইবিধ শিল্প ধুবুৰী জিলাৰ গোলোকগঞ্জ, ঢেপঢেপী, আগমণি, উচিতা, কালডোবা, গৌৰীপুৰ, দেৱগুৰ হাজদাহ আৰু ঝা পুছাবাৰীত ঠন ধৰি উঠা দেখা যায়।

কুঁহিলাকপৰা প্ৰস্তুত কৰা কলাত্মক সম্ভাবসমূহ হ'ল— কদম ফুল, কালীৰ মুখা, মনসা মণ্ডপ, বিভিন্ন দেৱী পূজাৰ হাৰ, ফুল, হাৰ-মালা, সপ্তৰঙী ফুলৰ উপৰি ঘোঁৰা-ঘুঁড়ীৰ পূজাৰ সামগ্ৰী। এইবিধ শিল্পৰ বৈশিষ্ট্য সম্পৰ্কে ড° বীৰেন্দ্ৰনাথ দত্তদেৱৰ বহুমূলীয়া মন্তব্য হ'ল— 'কাৰিকৰী দক্ষতা আৰু ৰূপদানৰ অদ্ভুত কলাপূৰ্ণ ভংগীৰ কাৰণেহে ই অতুলনীয়। অসাধাৰণ দক্ষতাৰে কুঁহিলাক নানা আকাৰত কাটি সেইবোৰৰ সহায়ত বিবিধ দেৱ-দেৱী, চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু ফল-ফুল আদিৰ ৰূপ দিয়া হয় আৰু স্থানীয় শৈলীৰে ৰঙৰ ব্যৱহাৰ কৰি সেইবোৰক জীৱন্ত কৰি তোলা হয়। এই মূৰ্তি আৰু খেলনাবোৰত প্ৰকৃতিৰ অনুকৰণ কৰিবৰ অযথা প্ৰয়াস নাই, বৰং আছে প্ৰকৃতিৰ অনুকৰণ শিল্পৰ নিজা ভাষাৰে বাঙ্ময় প্ৰকাশ। এই ভাষা ইমান সূক্ষ্ম যে ই উচ্চস্তৰৰ কলা বুলি পৰিগণিত হ'ব পাৰে।'

(*অসমীয়া সংস্কৃতিৰ* অন্তৰ্গত 'গোৱালপাৰাৰ সংস্কৃতি' নিবন্ধৰ পৰা) না দা.

**।। কুঁহিয়াৰ শাল ।।**

'অধিক বাঢ়েত গুৰ ধমনা', 'তিনি পো ছয় নাতি, তেহে কৰিবা কুঁহিয়াৰ খেতি'। এই ফকৰাবোৰ কুঁহিয়াৰ খেতিৰ লগত জড়িত। কুঁহিয়াৰ বছৰেকীয়া খেতি। চ'ত ব'হাগ মাহত ইয়াক ৰোৱা হয় আৰু পুহৰপৰা চ'ত মাহৰ ভিতৰত পেৰা হয়। এই খেতিৰ বাবে বেছি মানুহ লাগে। তিনি পো ছয় নাতি কথাই তাকেই ইংগিত দিয়ে। ইয়াৰ আন এটা অৰ্থ হ'ল ৰুবলৈ ব্যৱহাৰ কৰা কুঁহিয়াৰ আগটোত তিনিটা প্ৰধান গজালি আৰু সিহঁতৰ কাষে কাষে ছটা শাখা গজালি থাকিব লাগে। তেনেবোৰ *আগৰ* কুঁহিয়াৰ খেতি ভাল হয়। কুঁহিয়াৰ শালত কুঁহিয়াৰ পেৰা হয়। শালখনত তিনিটা লোহাৰ *ভীম* থাকে। ডাঙৰটো হ'ল মতা ভীম। ইয়াৰ মাজৰ লোহাডাল ওপৰলৈ ওলোৱা। *তাত মুগা* বহুৱাই এডাল কাতৰি ভৰোৱা হয়। গৰু যুঁৰলীৰে সেই যুতি এডাল মৈটকাৰে কাতৰিডাল ঘূৰোৱা হয়। মতা ভীমটো ঘূৰাৰ লগে লগে তাৰ গাত সংলগ্ন মাইকী আৰু পোৱালী ভীম দুটাও ঘূৰে। পোৱালী ভীমৰ গাত *সিৰ* থাকে। এইবোৰে কুঁহিয়াৰ ফালে। কুঁহিয়াৰ পোৱালী আৰু মাইকী ভীমৰ মাজেদি গৈ মতা আৰু মাইকী ভীমৰ মাজত চেপা খাই বিপৰীত দিশেৰে *ডাবৰি* হৈ ওলাই যায়। *ৰস* খিনি তলৰ *ৰহতা* নামৰ লোহাৰ পাট এচলাতে পৰি নিগৰি গৈ আন পাত্ৰত পৰেগৈ। ওচৰতে প্ৰকাণ্ড জালিগাঁতত *তেৰা* পাতি তাত ৰস বা ৰহ অৰ্থাৎ কেঁচা ৰহবোৰ পগোৱা হয়। ক্ৰমান্বয়ে ৰসবোৰ ডাঠ হৈ আহে। এক নিৰ্দিষ্ট পদ্ধতিৰ মাজেৰে পাগ লৈ লৈ নিৰ্দিষ্ট সময়ত *তেৰা* জালিগাঁতৰপৰা নমোৱা হয়। কেৱাজনো বাঢ়ৈ থাকিলে ভিন্নজনৰ ভিন্ন মতত কাম কৰিলে নিৰ্দিষ্ট সময়ত তেৰা নমোৱা নহয় ফলত গুৰ ধমনা হয়।

গো. সু.

**।। কুঁহিয়াৰ শালৰ শব্দ ।।**

পুৰণিকালৰেপৰা অসমত প্ৰচুৰ পৰিমাণে কুঁহিয়াৰ উৎপন্ন হৈছিল। কুঁহিয়াৰৰ জাত ভিন্ ভিন্। জাভা, বোম্বাই পাখৰি আদি। বাৰিষা কালত ৰোপণ কৰা কুঁহিয়াৰবোৰ লক্ষ্মীপূজাৰ কালৰেপৰা খাবলৈ আৰম্ভ কৰে। পূজা-পাতলত কুঁহিয়াৰ নহ'লেই নহয়। পুহ মাহৰেপৰা কুঁহিয়াৰৰ গুৰিতকৈ আগটোহে অধিক মিঠা হয়। অসমীয়াত এষাৰ কথা আছে - 'আঘোণ গৈ পৰিল পুহ। কুঁহিয়াৰৰ গুৰি এৰি আগ চুহ'। ফাগুন মাহ পৰাৰ লগে লগে কুঁহিয়াৰ পেৰা আৰম্ভ হয়। কুঁহিয়াৰ পেৰি তাৰপৰা ৰস উলিয়াই সেই ৰস পগাই গুড় প্ৰস্তুত কৰাটো এটা কষ্টসাধ্য কাম। এই কাম আগতে শালৈসকলে সম্পন্ন কৰিছিল। বিভিন্ন মিঠাই আৰু গুড় প্ৰস্তুত কৰা শালৈসকলৰ উল্লিখন *কথা গুৰুচৰিত* আৰু পুৰণি তামৰ ফলিত পোৱা যায় (*প্ৰাচ্য শাসনাৱলী,* ফলি নং ৩১) কুঁহিয়াৰ পেৰা হয় কুঁহিয়াৰ শালত (কা. কেৰ্কা শাল)। ইয়াৰ সৈতে সম্পৰ্ক থকা কেইটামান শব্দ হ'ল - কৰণি, কাতৰি, কেঁচা ৰহ, খৰ মিঠাই (কা.) গেদেৰি (গুড় পাগোতে পোনতে পেলোৱা গেদ অংশ), চালনী, জাকি, জাবৰি (ৰসহীন, কুঁহিয়াৰ গছৰ খণ্ড), জুলীয়া গুড়, জেলুকা গুড়, ঢিমা মিঠাই, থালী, নিচিলা (জাবৰি ৰসত বান্ধি দি কৰা মিঠাই), ফুট (জেলেকা ফুট, পকা ফুট, ৰোৱা ফুট), ভীম মূৰী (মূৰীয়াল), ৰহীপাট, সেওট আদি। না. দা.

**।। কৃষি সম্বন্ধীয় লোক বিশ্বাস।।**

অসমীয়া মানুহ প্ৰধান ভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে কৃষি সম্বন্ধে অসমীয়া মানুহৰ মাজত ভালেখিনি লোকবিশ্বাস দেখিবলৈ পোৱা যায়। অসমীয়া মানুহৰ প্ৰধান খেতি ধান। ধান খেতি কৰিবলৈ হাল বাঁওতে প্ৰথম দিনা পূবমুৱা বা দক্ষিণমুৱাকৈ হাল জোৰা হয়। একাদশী, পূৰ্ণিমা, অমাৱস্যা, দোমাহী, পূজা পৰ্ব আদিত হালখতি পালন কৰা হয়। পথাৰত কঠিয়া ৰোৱাৰ প্ৰথম দিনা কলগছ এডাল পুতি গৃহস্থই লক্ষ্মী দেৱীক আৰাধনা কৰি বাঁও হাতেৰে প্ৰথমে গোছা দিয়ে। কঠিয়া ৰোৱাৰ শেষৰ দিনাখন ৰোৱনীয়ে পথাৰত তিনি মুঠি ডাঙৰ ডাঙৰ গোছাৰে পথাৰত ভঁৰাল সাজি কঠিয়া ৰোৱাৰ সামৰণি মাৰে। খেতিত পোক- পৰুৱাই নধৰিবৰ কাৰণে ভাঙৰ গছ আদি পোতা হয়। আহু ধান পুহ -মাঘ আৰু শালি ধান জেঠ- আহাৰ মাহত কৰিব লাগে। খেতি চপোৱাৰ আগতে ভাল দিন চাই আগ অনা হয়। ধান চপোৱা শেষ হোৱাৰ পিছত ধানবোৰ ভঁৰালত ৰখা হয়। ঋতুমতী হোৱা অৱস্থাত তিৰোতাৰ ভঁৰাল ঘৰত প্ৰৱেশ নিষেধ। গা নোধোৱাকৈও ভঁৰাল চুব নাপায়। নতুন ধানৰ চাউলৰপৰা প্ৰসাদ দি ন-খোৱা ভোজ পতা হয়। ভাদ-আহিন মাহত মাহখেতি কৰিব লাগে। আনহাতে কলপুলি ভাদ মাহত পুতিব নাপায়। নাৰিকল খাই তামোল গছ ৰুলে তামোলবোৰ খাবলৈ নাৰিকলৰ লেখীয়া হয়। তামোল

গছৰ পুলি তিনি চাৰিবাৰ উঠাই ৰুলে চাপৰতে লাগে। তামোল ফাটি সৰিলে তামোলৰ গছৰ গুৰিত গৰুৰ কেঁচা গোবৰ দিয়া হয়। নাৰিকলৰ প্ৰথম থোক ওলালে একে উশাহতে থোকটো কাটি দিয়া হয়। নাৰিকল গছত ফল নধৰিলে গছডালত এটা ফুটা কৰি তাত চাকি বন্তি জ্বলোৱা হয়। মাঘ বিহুৰ মেজিৰ বাঁহেৰে আম, কঁঠাল, নাৰিকল, তামোল আদি গছত কোবালে ফল বেছিকৈ ধৰে বুলি এটা বিশ্বাস আছে। পাণ শাওন মাহত ৰুব লাগে। ঋতুমতী অৱস্থাত তিৰোতাই পাণ ছিগা নিষেধ। ফাগুন-চ'তত বাঁহ গছৰ গুৰিত মাটি দিব লাগে। বাঁহ গছ চৌহদৰ দক্ষিণ আৰু পূবদিশত ৰুব নালাগে। লাও, কোমোৰা, জিকা, ভোল আদি ৰোৱা সময়ত ল'ৰা ছোৱালী বোকোচাত লৈ ৰুলে ফল প্ৰচুৰ পৰিমাণে লাগে। জিকা আৰু ভোল মংগল আৰু শনিবাৰে ৰুব নালাগে। বাৰীত হোৱা বিভিন্ন খেতিত লোকৰ *মুখ* বা *চকু* নালাগিবৰ বাবে খেৰৰপৰা সজা *চৌ* আঁৰি দিয়া হয় আৰু পচা ফলবোৰ তিনিডাল শলাৰে বিন্ধাই নঙলাৰ মুখৰ বাটত থৈ দিয়া হয়।

কি. ক.

### ।। কেঁচাইখাতী ।।

কেঁচাইখাতীক তাম্ৰেশ্বৰী অথবা একজটা নামেৰেও জনাজাত। ভাৰতীয় শক্তি ৰূপৰ মূল আধাৰ হ'ল আদ্যা শক্তি। এই আদ্যা শক্তিৰেই কালী, চণ্ডী, তাৰা, উগ্ৰচণ্ডা, চামুণ্ডা, তাম্ৰেশ্বৰী, একজটী, কেঁচাইখাতী আদি ভিন্ন ৰূপ বুলি শাক্ত পন্থীসকলে বিশ্বাস কৰি আহিছে। শক্তি ৰূপক ভয়ংকৰ নাৰী মূৰ্তিৰ কল্পনাৰ পৰম্পৰা এক উল্লেখযোগ্য বৈশিষ্ট্য। একেদৰে অসমতো প্ৰাচীন কালৰেপৰা এনে পৰম্পৰা চলি আহিছে। তাম্ৰেশ্বৰী, কেঁচাইখাতী আদি শক্তিৰূপৰ উৎস আৰ্য-ভিন্ন প্ৰজাতিৰ। পিছলৈ আৰ্যীয় ধ্যান-ধাৰণাৰ লগত একীভূত হৈ শক্তি ৰূপৰ অংগাংগী হৈ পৰে।

অসমৰ আৰ্য-ভিন্ন জনগোষ্ঠীৰ মাজত কেঁচাইখাতী বা তাম্ৰেশ্বৰী জনপ্ৰিয় শক্তিৰূপী দেৱী। এই দেৱীৰ সমুখত প্ৰাচীন কালত নৰবলিৰ বিধান আছিল। দেওধাৰ নৃত্য এই পূজাৰ অপৰিহাৰ্য অংগ। আজিকালি নৰবলিৰ পৰিবৰ্তে দেৱীৰ সমুখত ম'হ, ছাগলী, হাঁহ, পাৰ আদি বলি দিয়া হয়।

উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ *তাম্ৰেশ্বৰী মন্দিৰ* নামৰ উপন্যাসত তাম্ৰেশ্বৰী অথবা কেঁচাইখাতী পূজাৰ বিশদ বিৱৰণ পোৱা যায়।

প. বা

### ।। কেঁকোৰা দোলা ।।

আহোম যুগত ৰজা, ডা-ডাঙৰীয়া আৰু গোসাঁই মহন্তসকলৰ এবিধ সম্ভ্ৰান্ত বাহন আছিল দোলা। অৱশ্যে দোলা সৰ্ব-ভাৰতীয় বাহন আৰু সংস্কৃত সাহিত্যতো ইয়াৰ বিৱৰণী পোৱা যায়। অসমৰ দোলাৰ নাম কেইবাটাও। যেনে - কেঁকোৰা দোলা, চেকৰ লগা

দোলা, পার্হি দোলা আদি। আহোমসকলৰ পূৰ্বে চুতীয়াসকলে কেঁকোৰা দোলা ব্যৱহাৰ কৰিছিল। ১৪২২-২৩ শকত আহোমসকলে চুতীয়াৰ বিৰুদ্ধে ৰণ দি তেওঁলোকক পৰাজিত কৰি তেওঁলোকৰপৰা যিবোৰ সম্পদ লাভ কৰিছিল তাৰে অন্যতম আছিল কেঁকোৰা দোলা। আহোম ফ্ৰা চেং মুংগ বৰগোহাঁয়ে ইয়াক নতুন ৰূপত সজাই তোলে। হৰকান্ত বৰুৱা সদৰামিনৰ ভাষাৰেই - 'তলে কেঁকোৰা দোলাকে লুটিয়াই ওপৰে কেঁকোৰা মাৰি দি তলে কাপোৰৰ পৰ্হি ও নালৰপৰা ছুটিকৈ ঢেকৰ দাপোণ লগাই, নক্সা লৰাই কেঁকোৰা দোলা কৰিলে।' (*আসাম বুৰঞ্জী*) পার্হি আৰু কেঁকোৰা দোলাৰ সাদৃশ্য দেখুৱাই ড° লীলা গগৈয়ে লিখিছে - 'দুয়োবিধ দোলাৰে ছৈৰ দুয়োমূৰে ফেঁট তোলা আৰু ওপৰলৈ ওখ হৈ ঘোৰ-খোৱা মাৰিডালৰ গলধনত বিন্ধা থাকে। ঢেকৰৰ ওপৰলৈ যোৱা লোহা, পিতল বা কাঁহৰ খুটাত দুয়োমূৰে দুটা জোঙা খুটি থাকে। দুয়োমূৰৰ খুটি ছৈৰ বিন্ধাত খুৱাই দিয়ে। তেতিয়া দোলাত যাওঁতে ৰ'দ-বৰষুণ নাপায়।' (*টাই সংস্কৃতিৰ ৰূপৰেখা*) কেঁকোৰা আৰু পার্হি দোলাত দুখনকৈ দাপোণ ৰখাটো উল্লেখযোগ্য।

না. দা.

**।। কেৰু ।।**

কেৰু কাণত পিন্ধা অলংকাৰ। ইয়াক অকল সোণৰে গঢ়া হয়। বাখৰ খটোৱা নহয়। অসমৰ বৰপেটা জিলাত ই এক বিশিষ্ট অলংকাৰ। আগতে এই অলংকাৰ পদ বৰপেটা অঞ্চলৰ বয়সীয়া মহিলা সকলে পৰিধান কৰিছিল। অৱশ্যে আজিকালি বৰপেটাৰ উপৰি অন্যান্য ঠাইৰ মহিলায়ো পৰিধান কৰে। ই আছিল বৰপেটা অঞ্চলৰ বিশেষ মৰ্যাদাসম্পন্ন অলংকাৰ। এতিয়া বৰপেটাৰ বাহিৰে অন্যান্য ঠাইতো কেৰু গঢ়োৱা হয়। এটা সময়ত এইপদ অলংকাৰৰ ব্যৱহাৰ কমি গৈছিল যদিও এতিয়া ই কিছু পৰিশীলিত ৰূপত পুনৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। অতি দুখীয়া সম্প্ৰদায়ৰ মহিলাই সোণৰ সলনি ৰূপৰ কেৰু গঢ়ায়ো পৰিধান কৰে। চানেকি অনুযায়ী কেৰুৰ নাম বেলেগ বেলেগ। যেনে - সোণৰ কেৰু, ৰূপৰ কেৰু, বাখ্ৰাম কেৰু, বৰৈ দিয়া কেৰু, জাংফাই কেৰু, লং কেৰু ইত্যাদি।

প্ৰ. শ .গো

**।। কোচ আমোলৰ অসমত শৈৱধৰ্ম ।।**

'পুৰণি কমতাৰাজ্যৰ ৰাজধানীক কেন্দ্ৰ কৰি জীপ পাই উঠা কোচ ৰাজবংশই .... কামৰূপৰ প্ৰাচীন শৈৱধৰ্মৰ ঐতিহ্যৰ ভেঁটিত নিজকে গঢ় দি তুলিছিল যেন লাগে । শৈৱধৰ্মী ব্ৰাহ্মণৰ প্ৰভাৱ তেওঁলোকৰ ৰাজধানীত পৰাৰ আগতো *কালিকা পুৰাণত* বৰ্ণিত ধৰণৰ জনজাতীয় শিৱ পূজা কোচ ৰজাসকলে নিশ্চয় পৈত্ৰিক বিভূতিৰূপে পাইছিল।' (ড° মহেশ্বৰ নেওগ-*অসমৰ ধৰ্মৰ বুৰঞ্জী ; আন্ধাৰ আৰু পোহৰ*)। কোচ ৰাজ্য প্ৰতিষ্ঠাতা বিশ্বসিংহ শিৱ বীৰ্য-শম্ভূত। তেওঁ দেৱী দুৰ্গাক পূজা কৰাৰ লগতে কমতেশ্বৰী মন্দিৰৰ

উত্তৰস্থ শিৱ বাণেশ্বৰ পীঠত শিৱ-শংকৰলৈ পূজা ভাগ আগ বঢ়াইছিল। কামাখ্যা দেৱীৰ একান্ত উপাসক হৈয়ো মহাৰাজ নৰ-নাৰায়ণে অসম ৰাজ্য মাৰিবলৈ স-সৈন্যে যাত্ৰা কৰা কালত সোণকোষৰ তীৰবৰ্তী থানাগিৰিত কছাৰী ৰীতিৰে শিৱ পূজা কৰাটো উল্লেখযোগ্য (*দৰং ৰাজবংশাৱলী*)। ৰজাই উত্তৰদুৱাৰৰ ভোট-কছাৰী সকলক গোট খুৱাই ৰাজাজ্ঞা ঘোষণা কৰাটোও এইখিনিতে স্মৰণযোগ্যঃ

'গোঁসাই কমল আলি মধ্যে সীমা কৰি/ উত্তৰৰ ফালে আছে যতেক কছাৰী।।
সেহিফালে দেৱালয় আছে যত যত / কোচে মেচে পূজিবেক মোহোৰ বাক্যত।।
দক্ষিণফালে পূজা ব্ৰাহ্মণে কৰিব /এহি নিবন্ধনে সবে ধৰ্ম প্ৰবৰ্তিব ।।'

(*দৰং ৰাজবংশাৱলী*, পদ ৩৩৬-৩৭)। কোচ নৃপতিসকল যে শিৱ পূজক আছিল, তাৰ আন এটি সাক্ষ্য হ'ল - তেওঁলোকৰ মুদ্ৰাত উৎকীৰ্ণ শিৱৰ উল্লিখনঃ 'শ্ৰীশ্ৰী শিৱচৰণ কমল মধুকৰ')

(ড° নবীন চন্দ্ৰ শৰ্মাৰ *শিৱ-পুৰাণ*ৰ আধাৰত যুগুতোৱা)

না.দা.

## ।। কোচা ৰাভাসকলৰ কস্তুক - বাছেক পূজাৰ গীত ।।

কোচবিহাৰ, জলপাইগুৰি জিলাৰ লগতে অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চলত বাস কৰা কোচা ৰাভাসকলে গৃহদেৱী হিচাপে কস্তুক আৰু বাছেক পূজা কৰে। এই পূজা কৰা হয় ভূত-প্ৰেত, বেমাৰ আজাৰ, বিপদ-আপদৰপৰা হাত সাৰিবলৈ। তদুপৰি ধন-ধান কামনা কৰাও এই পূজাৰ অন্যতম উদ্দেশ্য। তেওঁলোকৰ ধাৰণা, কস্তুক আৰু বাছেক বায়েক-ভনীয়েক। সেয়ে একেলগে দুযো দেৱীকে পূজা কৰে। পূজাৰ সময়ত দেউৰীয়ে (পূজাৰী) তলত উদ্ধৃত স্তোত্ৰ উচ্চ সুৰে গাই দেৱীৰ আৰাধনা কৰে—

*হল জল জিনু উ / হল জল জিনু উ / সোনা নাও নাবু উ / হাতীৰাই তাছাই*
*/ঘোঁৰা বুউ তাছাই /হল জল জিনু উ/হল জল জিনু উ ইত্যাদি*

(সৰলাৰ্থ ঃ হে আই কস্তুক, বাছেক। তোমালোক দুয়ো বাই-ভনী। হে কস্তুক! তোমাৰ কাৰণে সোণৰ ঘৰৰ ব্যৱস্থা কৰিছোঁ। হে বাছেক! তোমাৰ কাৰণেও ৰূপৰ ব্যৱস্থা কৰিছোঁ। আমাৰ প্ৰতি কৃপা আছেনে? হাতীৰ পিঠিত উঠি উভতি নাযাবা। ঘোঁৰাৰ পিঠিত উঠিও উভতি নাযাবা। হে কস্তুক হে বাছেক! আমাৰ প্ৰতি কৃপা পৰবশ হোৱা।)

উ.ৰা.হা.

## ।। কোমল চাউল।।

অসমীয়া মানুহৰ এবিধ জনপ্ৰিয় জলপান হ'ল কোমল চাউল। আগতে বিয়া-বাৰু, পূজা-শ্ৰাদ্ধ সকলোতে কোমল চাউল ব্যৱহাৰ হৈছিল। সাধাৰণতে আমপাখি, চকোৱা প্ৰভৃতি বোকা ধান কোমল চাউলৰ বাবে প্ৰশস্ত। পতান নথকা বোকা ধান

পানীত তলযোৱাকৈ আগদিনাই কেৰাহী বা থালীত তিয়াই থৈ পিছদিনা সেই ধানখিনি ফাট মেলাকৈ দপ্‌দপীয়া জুইত উথাব লাগে। আৰৈমূৰীয়া নহ'বলৈ সিজাই থকা ধানখিনি মাজে সময়ে লৰাই থকা ভাল। ধান ফটাৰ পিছত থালীৰপৰা ধানবোৰ কাঠৰ হেতাৰে পাচিত কাঢ়ি লৈ পানীখিনি নিগৰাৰ পিছত ঢাৰি পাৰি পাতলকৈ মেলি টান ৰ'দত শুকাব লাগে। ভালকৈ শুকাবলৈ ঢাৰিৰ ধানখিনি ঘনাই লাৰি থকা প্ৰয়োজন। একে ৰ'দে শুকোৱা ধানৰ চাউল সোনকালে পানীত কোমলে, খাবলৈ সোৱাদ হয়। শুকোৱা ধান ঢেঁকীত বানিলেই কোমল চাউল প্ৰস্তুত হয়। সেই চাউল পানীত তিয়াই দৈ আৰু জুলীয়া গুড়েৰে আলহী অতিথিক আপ্যায়ন কৰাৰ লগতে নিজেও খাই গঞালোক পৰিতৃপ্ত হয়। কোনো কোনোৱে কোমল চাউল কেৰাহীত ভাঁজি ঢেঁকীত খুন্দি সান্দহৰ দৰে গুড়ি কৰিও খায়। আগৰ দিনত অসমীয়া লোক দূৰ -দূৰণিলৈ গ'লে কোমল চাউল আৰু কলৰ টোপোলা এটি বান্ধি লৈ যোৱাটো দস্তুৰ আছিল। কামৰূপত কোমল চাউল *বোকা চাউল* ৰূপে পৰিচিত।

জ্যো. দা.

**।। কোমোৰা খেল ।।**

এদল ল'ৰা-ছোৱালী ইটোৱে সিটোৰ কঁকালত ধৰি এডাল শিকলিৰ ৰূপত থিয় দিয়ে। প্ৰথম জনে খুঁটা বা গছত ধৰি থাকে। অন্য দলটোৱে আহি ক'ব - 'ইৰিকটি মিৰিকটি বাঁহৰ শলা, মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা/ ৰজাৰ জীয়েকে ফুৰিবলৈ যাওঁতে পহু পোৱালী এটি পালে, তাকে খাবলৈ জালি চাই কোমোৰা এটি দিয়া।' কঁকালত ধৰা ঘাইটোৱে তপৰাই উত্তৰ দিব - 'তাৰে এটি নিয়া।' কোৱা মাত্ৰকে পিছৰটোক দ্বিতীয়টো দলে টানি এৰুৱাব খোজে। ছিঙিব পাৰিলে আৰু এটা কোমোৰা খোজে। খেলটো এনেকৈয়ে চলি থাকে; কিন্তু ছিঙিব নোৱাৰিলে দ্বিতীয় পক্ষ হাৰে। চিগা কোমোৰাটো জালি নে পূৰঠ তাক পৰীক্ষা কৰিবলৈ ল'ৰাইতে 'কোমোৰা' ল'ৰাটোৰ টিকাত চিকুটি, পিঠিত টুকুৰিয়াই ধেমালি কৰে। গাঁওবোৰত আজি কালিও এই খেল প্ৰচলিত।

না. দা.

**।। কৌত্‌কৌ পূজা ।।**

শৰৎ ঋতুৰ পিছতেই আহে হেমন্ত। আলি-পদূলি ফৰকাল, ধাননি পথাৰ সোণোৱালী হোৱাৰ বতৰ। এনে এটা সুন্দৰ বতৰতে দিন বাৰ চাই অসমৰ অন্যতম এক জনগোষ্ঠী হাজংসকলে কৌত্‌কৌ পূজা আয়োজন কৰে। কাৰ্তিক দেৱতাক স্মৰণ কৰি কৰা পূজাকে হাজংসকলে কৌত্‌কৌ বোলে। হাজং সমাজত এক জনবিশ্বাস আছে যে কোনো সন্তানহীন নাৰীয়ে শুদ্ধ মনেৰে কাৰ্তিক দেৱতালৈ পূজা আগবঢ়াই সন্তুষ্ট কৰিব পাৰিলে সন্তান লাভ

সম্ভৱ হ'ব পাৰে। এই পূজাত কেৱল মহিলাসকলৰহে স্থান। গৃহস্থৰ চোতালত নাইবা নিৰিবিলি ঠাইত নিশাৰ ভাগত এই পূজা সম্পন্ন কৰা হয়। এই পূজাত ওৰে নিশা জীয়াৰী-বোৱাৰী-বৃদ্ধাসকলে বিভিন্ন নৃত্য-গীত কৰি আনন্দত মতলীয়া হয়। নৃত্য-গীতত অশ্লীলতাই প্ৰাধান্য লাভ কৰে। কৌত্কৌ পূজাৰ বাবে প্ৰথমে চাৰিডাল কলপুলিৰে সুন্দৰকৈ এখন মণ্ডপ সাজি লোৱা হয়। মণ্ডপৰ ওপৰত চান্দৰ কাপোৰ আঁৰি লব লাগে ইযাৰ পিছত মণ্ডপৰ সোঁমাজত কাৰ্তিক ঠাকুৰক স্থাপন কৰা হয়। সমুখৰ ফালে পূজা নৈবেদ্যসমূহ সজোৱা হয়। তাৰ পিছত মণ্ডপৰ চাৰিওফালে গাভৰুসকলে ঘূৰি ঘূৰি গীত গাই নৃত্য কৰিবলৈ ধৰে। পূজাৰ শেষত গৃহস্থৰ মনোকামনা পূৰ্ণ হওক বুলি কাৰ্তিক ঠাকুৰৰ ওচৰত স্তুতি কৰি মহিলাসকলে আশীৰ্বাদ দিযে। পূজাৰ আযোজক দম্পতিহালে সু সন্তান লাভ কৰক - ইয়াকে মহিলাসকলে মনে-প্ৰাণে কামনা কৰে। কৌত্কৌ পূজাৰ গীতসমূহ হাজং লোকসাহিত্যৰ এক গাইগুটীয়া সম্পদ।

পা দ

**।। খচনে বা খদাবাং ।।**

ৰাভাসকলৰ মূৰত চুলি খোপা ঢাক খোৱাকৈ মেৰিযাই লোৱা কাপোৰ। ই দীঘলে ২ হাত আৰু বহলে ১ হাত। দেখাত জাৰা বাফকৰ সৈতে আৰ্হিত একে। ইয়াক দুই ধৰণে পিন্ধিব পাৰি— 'খুচু মাক্ৰং নামৰ এবিধ ধাতৰ শল' বা কৈটেলা পক্ষ কাঁইটেৰে চৰাইৰ জ্ঞ যেন আকৃতি কৰি নতুবা সাধাৰণভাৱে। গতিকে দেখা গ'ল যে প্ৰাচীন কালত ৰাভা ৰমণী এগৰাকীয়ো মংগোলীয় নাৰীৰ সাজ-সজ্জাৰ অন্যতম বৈশিষ্ট্য তিনিখনীয়া বস্ত্ৰ অনুসাৰে ৰিফান-কাম্বুং খদাবাং-এই তিনিখন কাপোৰেৰে সাজ-সজ্জা কৰিছিল। বৰ্তমানৰ ৰাভা মহিলাই বুকুৰ পৰা সৰু গাঁঠিলৈ মেৰিযাই ধৰা ৰিফান ফটাৰে মেঠনি মাৰি, কান্ধৰপৰা বুকুৰ মাজেদি ঢাক যোৱাকৈ আংচা নেন (ফুলাম চাদৰ) পেলাই লৈ আৰু কঁকালত আংচা বা টঙালিৰে বান্ধ দি সাজোন কাচোন কৰে। ঘৰুৱা পৰিবেশত কাম-বন কৰোঁতে মূৰত ধূলি বালি নালাগিবৰ বাবে আংচাৰে খোপা বান্ধি লোৱা দেখা যায়। সেইদৰে আজিকালিৰ সকলো ৰাভা মহিলাই ফুলাম উলৰ নতুবা কঁপাহী 'আলন' (shawl) ব্যৱহাৰ কৰে। ৰাভা সমাজত বিবাহিতা নাৰীৰ ওৰণি লোৱাৰ প্ৰথা নাই। অৱশ্যে অতীজতে কইনাৰ সাজ হিচাপে মায়তৰী ৰাভা ৰমণীয়ে এবিধ বগা ক'লা দুই পৰীয়া কাপোৰ (নেন খং গ্ৰাপ কায়) ওৰণি হিচাপে ব্যৱহাৰ কৰিছিল।

উ.ৰা.হা

**।। খঞ্জৰি ।।**

আনদ্ধ যন্ত্ৰ খঞ্জৰিৰ গঠন প্ৰণালী সহজ। পোন্ধৰ-সোতৰ ছে. মি. জোখৰ মহানিম অথবা কঁঠালৰ খোলা এটাৰ এফাল ছাগলীৰ ছালেৰে ছোৱা হয়। আনটো ফাল খোলা।

এই খোলাটোৰ পাৰটোত সৰু সৰু ফুটা কৰি পিতল বা আন ধাতুৰ সৰু সৰু তাল তিনি চাৰিখনকৈ তাঁৰৰ শলাৰে একেলগে বান্ধি ৰখা হয়। এখন হাতেৰে কাঠৰ খোলাটোৰ পাৰত ধৰি আনখন হাতেদি চামৰাৰ ওপৰত চপৰিয়াই চপৰিয়াই বাদ্যটো বজাওতে ধাতুৰ সৰু সৰু তালবোৰ জুন জুনকৈ বাজি উঠি এটি শ্ৰুতিযোগ্য ধ্বনিৰ সৃষ্টি কৰে। লোকগীত পৰিৱেশনৰ কালত ইয়াক সংগত কৰা হয়। খঞ্জৰি মালিতাত আছেঃ খঞ্জৰি যে মহা ভক্ত জানা সৰ্বঠাই/সিকাৰণে বজাই ফুৰে শংকৰ গোসাঁই।। (*ঢোলৰে উৰুলি ঢোলৰে কুৰুলি*)

বড়ো সমাজত প্ৰচলিত খঞ্জৰিৰ গঠন পদ্ধতি বেলেগ ধৰণৰ। এই বাদ্যৰ বাবে প্ৰয়োজন দুচলা প্ৰায় চৌবিশ ছে. মি. জোখৰ কাঠ। কাঠ দুচলাৰ মাজডোখৰ হাতেৰে ধৰিব পৰাকৈ ৰাখি দুয়োটা ফাল ফুটা কৰি তাতে সৰু সৰু ধাতুৰ তাল তাঁৰেৰে গাঁঠি দিয়ে। এখন হাতেদি কাঠ দুচলাৰ মাজত ধৰি মেলা-জপোৱা কৰিলে তালবোৰ জুনজুনাই বাজি উঠে। বড়ো নাচনীয়ে *বৰদৈ চিখ্‌লা* নাচৰ কালত সোঁহাতেদি খঞ্জৰি বজোৱা দেখা যায়।

না. দা.

**।। খটৰা সত্ৰৰ পচেতি উৎসৱ ।।**

অসমীয়া সংস্কৃতিৰ এটি আনন্দপূৰ্ণ অনুষ্ঠান পচতি উৎসৱ। সংস্কৃত *পঞ্চ* শব্দৰ পৰা পৰা *পচতি* শব্দ ওলাইছে। শিশুৰ জন্মৰ পঞ্চম দিনা অশৌচ গুচাবৰ বাবে পতা উৎসৱৰ ভিত্তিতে ভগৱান কৃষ্ণৰ জন্মৰ পঞ্চম দিনা পচতি উৎসৱ পতাৰ প্ৰথা প্ৰচলিত হৈ আহিছে। এই উৎসৱতকোনো কোনো অঞ্চলত নামঘৰত থকা কৃষ্ণৰ মূৰ্তিজনা গাখীৰেৰে ধুই পখালি সেই পানী খায় আৰু মূৰত লয়। সেই পানী খালে আৰু মূৰত ল'লে পূণ্য হয় বুলি বিশ্বাস কৰে। এই উৎসৱত ঠাই বিশেষে *পুতনা বধ, দধি মথন, যমলাৰ্জুন ভংগ, নলকুবেৰ-মণিকুবেৰ উদ্ধাৰ* আদি ভাওনা কৰি দেখুওৱা হয়। পচতি উৎসৱৰ মাজেৰে মহাপুৰুষ শংকৰদেৱে প্ৰৱৰ্তন কৰা নাট-ভাওনাৰ আভাস ফুটি উঠে। এই উৎসৱ অৰ্ধ-নাটকীয় হিচাপে লোকনাট্যৰ উল্লেখযোগ্য অনুষ্ঠান। নামনি অসমৰ বৰপেটা, নলবাৰী অঞ্চলত ভাদ-আহিন মাহৰ সংক্ৰান্তিত পচতি উৎসৱ পালন কৰা হয়।

দৰং জিলাৰ দিপিলা মৌজাৰ খটৰা সত্ৰত ভাদ- আহিন মাহৰ সংক্ৰান্তিত ভগৱান কৃষ্ণৰ *পচেতি উৎসৱ* অতি উলহ মালহেৰে পালন কৰা হয়। মাধৱদেৱে সুন্দৰী দিয়াত থকা সময়ত তেওঁৰ শিষ্য লেচাকনীয়া গোবিন্দ আতৈয়ে ১৫৬৮খৃঃত সত্ৰখন প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত ঠাইখন গভীৰ অৰণ্যৰে ভৰা আছিল আৰু তাত খট নামৰ দুৰ্দান্ত জাতি এটাই বসতি কৰিছিল। পিছত খটসকলৰ দৰ্প হৰণ কৰি ঠাই ডোখৰৰ নাম *খট-হৰা—খটৰা* ৰখা হয়। ঠাইখন দ্বাপৰ যুগৰ অসুৰবংশীয় ৰজা খটাসুৰৰ ৰাজ্য আছিল বুলিও

প্ৰবাদ আছে। সত্ৰত ৰঘুনাথ মন্দিৰ আছে আৰু তাত ৰাম, লক্ষ্মণ, সীতা, হনুমানৰ মূৰ্ত্তি আছে। (*পবিত্ৰ অসম*, পৃ. ২১৬)। নিকা সংস্কৃতি মূলৰ এই সত্ৰখনিত পতা *পচেতি উৎসৱৰ* এক বিশেষ ভূমিকা আছে। সত্ৰৰ বৰগছত বন্তি প্ৰজ্বলন, নাম-কীৰ্তন, ভাগৱত পাঠ, উৰুলি- জোকাৰেৰে উৎসৱ টি মুখৰিত হোৱাৰ লগতে শিশুসকলৰদ্বাৰা দধিমন্থন, পুতনা বধ আদি ভাওনাও পতা হয়। উৎসৱ উপলক্ষে সত্ৰত তিনিদিনীয়াকৈ মেলাৰ আয়োজন হয়। মেলাত বিভিন্ন বস্তুৰ উপৰি তামোল, নাৰিকল, ফল-মূলৰ পুলি বিক্ৰী হয়। *পচেতি উৎসৱৰ* এই মেলাৰপৰা পুলি আদি আনি ৰুলে ভাল ফল পোৱা যায় বুলি বিশ্বাস কৰা হয়।

*পচেতি উৎসৱ* ধৰ্মীয় উৎসব হিচাপে পালন কৰি দৰং জিলাৰ এই অঞ্চলটি সেই সময়ছোৱাত আনন্দ মুখৰ কৰি তোলা হয়। ঘৰে ঘৰে আলহী অতিথিৰ আগমন হয়। মেলাত ভালেমান ব্যৱসায়িক প্ৰতিষ্ঠান, থিয়েটাৰ আদিৰো আয়োজন হয়।

ৰাইজৰ দ্বাৰা নিৰ্বাচিত পৰিচালনা সমিতিয়ে চলোৱা এই খটৰা সত্ৰৰ *পচেতি উৎসৱে* পৰম্পৰাগত ভাৱে অসমীয়া সংস্কৃতিৰ বহল পথাৰখন উজ্বলাই ৰাখিছে।

ম গো

।। খদা, পাচি আৰু কুলা ।।

অসমীয়া সংস্কৃতি 'বাঁহ-সংস্কৃতি' বুলি কহতে ক'ব খোজে। বিভিন্ন প্ৰজাতিৰ বাঁহ বেত অসমৰ হাবি-বননিয়ে সিঁচৰতি হৈ আছে। বাঁহৰ বিবিধ সামগ্ৰী গৃহস্থালিৰ প্ৰয়োজনৰ খাতিৰতে সজা হয়। এই সামগ্ৰীবোৰ বিশেষকৈ কৃষি কৰ্মৰ লগত জড়িত। অসমীয়া দৈনন্দিন জীৱনত বাঁহেৰে তৈয়াৰী খদা, পাচি, কুলাৰ ব্যৱহাৰ অত্যন্ত প্ৰয়োজনীয়। খদা, পাচি, কুলা সজাটোক এক প্ৰকাৰ বয়ন বিদ্যা বুলিব পাৰি। বাঁহৰ কাঠিৰে সজোৱা খদা দেখিবলৈ গোলাকৃতি, বহল, মেলাহি মুখৰ। সাধাৰণতে গোহালিৰ গোবৰ পেলাবলৈ খদা ব্যৱহাৰ কৰা হয়। তদুপৰি পথাৰৰ জাবৰ-জোথৰ আদি নিতৌ চাফা কৰিবলৈ অসমীয়া চহা খেতিয়কে খদা ব্যৱহাৰ কৰে। অসমীয়া সমাজত খদা সম্পৰ্কীয় ভালেমান লোকবিশ্বাস পোৱা যায়। যাত্ৰাৰ সময়ত ভঙা খদা দেখা অশুভজনক। কিন্তু সেই ভঙা খদা নজৰ নালাগিবৰ বাবে গছ-গছনিত আঁৰি থোৱা হয়। তেনেদৰে ফল নধৰা গছত আঁৰি থ'লে ফল লাগে বুলিও এক লোকবিশ্বাস আছে। পাচি দেখিবলৈ গোল আৰু বহল মুখৰ। সাধাৰণতে বাঁহৰ কাঠিৰে পাচি সজা হয়। অঞ্চল বিশেষে পাচিৰ গঢ় বেলেগ বেলেগ। সৰু পাচি, ডাঙৰ পাচি আদি বিভিন্ন ধৰণৰ পাচি পোৱা যায়। অসমীয়া মানুহৰ ব্যৱহাৰিক জীৱনত বাঁহেৰে সজা পাচিৰ প্ৰয়োগ খুব বেছি। কৃষকে পথাৰত শস্য চপোৱাৰপৰা, গৃহিণীয়ে ঘৰুৱা বিভিন্ন কামত ইয়াক ব্যৱহাৰ কৰে। পাচি সম্পৰ্কীয় ভালেমান ফকৰা-যোজনাই অসমীয়া লোকসাহিত্য ভঁৰাল চহকী কৰি ৰাখিছে। উদাহৰণ স্বৰূপে -- 'হাতীৰ

পাছত পাচি পতা', 'বনৰ নাই কুটাগছি, খাবলৈ লাগে পাচি পাচি'; 'এপাচি শাকত এটা জালুক'; 'আহক আঘোণ, আহক পুহ, পাচিয়ে পাচিয়ে বিলাম তুঁহ,' ইত্যাদি। কুলা দেখিবলৈ অৰ্ধাকৃতিৰ যদিও অলপ দীঘলীয়া চেপেটা, বহল আকাৰৰ। ধান, চাউল, দাইল আদি বিভিন্ন সামগ্ৰী জাৰিবলৈ বা বাচিবলৈ অসমীয়া জীয়াৰী-বোৱাৰীয়ে কুলা ব্যৱহাৰ কৰে। অসমীয়া বিৱাহ কাৰ্যৰ লগতো কুলাৰ সম্পৰ্ক আছে। অসমীয়া বিৱাহ উৎসৱৰ এটি উল্লেখযোগ্য অনুষ্ঠান হ'ল *সুৱাগুৰি তোলা*। দৰা-কইনা দুয়ো ঘৰতে বিৱাহৰ দিনা দৰা আৰু কইনাক গা ধুওৱাৰ পিছত সুৱাগ তোলা হয়। সেই সুৱাগ তোলোঁতে সাধাৰণতে কুলা অপৰিহাৰ্য। বিয়া গীতৰ মাজত কুলাৰ উল্লেখ পোৱা যায়। এইদৰে —

চাউল চালিবৰে/ৰূপহী চালনী/বহি জাৰিবৰে কুলা;
জীয়াৰী ধনেৰে/কিনো দ'ল বন্ধাবা/উৰি যায় শিমলু তুলা।

ক. তা.

।। **খনিকৰ** ।।

হেমচন্দ্ৰ বৰুৱাই *খনিকৰ* শব্দৰ অৰ্থ দিছে এনেদৰে - (সং. খন্ (খান) খোল + কৰ, কৰোঁতা) শিল বা কাঠ কাটি আৰু খুলি মূৰ্তি কৰোঁতা; এতেকে মাটিৰ মূৰ্তি সাজোঁতা, চিত্ৰকৰ।' মূৰ্তি নিৰ্মাতা বা চিত্ৰকৰৰ উপৰি ভাওনাত বৰণৰ কাম কৰা ব্যক্তিসকলকো খনিকৰ ৰূপে জনা যায়। অসমীয়া ভাওনাত খনিকৰৰ স্থান বিশিষ্ট। তেওঁ ক. ভাৱৰীয়াক ৰং-বৰণৰ কাম কৰা, খ. ভাৱৰীয়াৰ বাবে কিৰীটি, চোঁ মুখা, পাগ প্ৰভৃতি সাজি দিয়া, গ. পোছাক-পৰিচ্ছেদৰ ব্যৱস্থা কৰা, ঘ. সূত্ৰধাৰৰ নিৰ্দেশমতে ভাৱৰীয়াসকলক পোছাক-পৰিচ্ছেদ পিন্ধাৰ নিৰ্দেশ দিয়া, ঙ. পুথি নকল কৰা, চ. পুথি চিত্ৰিত কৰা, ছ. সিংহাসন সজা, জ. নামঘৰৰ চটি-চৌকাঠ আদিত চিত্ৰ কাটি তাক বিভিন্ন ৰঙেৰে বলোৱা, ঝ. কাঠৰ মূৰ্তি কটা, ঞ. সত্ৰৰ বৰ নাও চিত্ৰিতকৰা প্ৰভৃতি কৰ্ম সম্পাদন কৰিব লগাত পৰে। যদিও গুৰুজনাই বেশকাৰ আসি পিন্ধাই বস্ত্ৰক, মালাকৰ - (*কীৰ্তন*,১১৩২) আদিৰ উল্লেখ কৰিছে, যদিও ছবি আঁকোতাজনক চিত্ৰকৰ নাইবা সিংহাসন নিৰ্মাণ কৰা জনক বাঢ়ৈ বুলি সুকীয়াকৈ জনা যায়, তথাপি সামগ্ৰিক ভাৱে এই সমস্ত কৰ্ম খনিকৰৰ দ্বাৰাই সু-সম্পাদিত হয়। খনিকৰজন বহু বিদ্যা আৰু কলাত কুশলী লোক। তেওঁলোক নাট্য শাস্ত্ৰতো পাৰদৰ্শী হোৱা প্ৰয়োজন। কোন চৰিত্ৰৰ মুখৰ ৰং কেনেকুৱা, কোন চৰিত্ৰই কি পোছাক পিন্ধা প্ৰয়োজন, সেইবোৰ খনিকৰজনৰ নখদৰ্পণত থাকে। অসমত এই বিদ্যা পুত্ৰ-পৌত্ৰাদি ক্ৰমে চলি আহিছিল। এই কালত ই *খনিকৰ* উপাধিলৈ ৰূপান্তৰিত হয়। হয়তো এই বিদ্যাই জয়জয়তে সত্ৰৰ চাৰিবেৰৰ ভিতৰত জন্মগ্ৰহণ কৰি পিছলৈ অসমীয়া সমাজৰ ভিন্ন ক্ষেত্ৰলৈ সম্প্ৰসাৰিত হয়। মহাপুৰুষ

শংকৰদেৱ আছিল খনিকৰী বিদ্যাৰ অপ্ৰতিদ্বন্দ্বী নায়ক। তেৰাৰ বংশ পৰম্পৰা ৰক্ষা কৰি চামুগুৰি সত্ৰই খনিকৰী বিদ্যাৰ ধাৰাটো অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।

পুৰণি অসমত হিন্দুৰ উপৰি মুছলমান খনিকৰো আছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহই ভাটি দেশৰপৰা যি আঠঘৰ মুছলমান আনিছিল, তাৰে এঘৰ আছিল খনিকৰ। শিল - কাঠৰ মূৰ্তি কটাৰ লগতে খনিকৰে যে ছবি আঁকা কামতো আত্মনিয়োগ কৰিব লাগিছিল, তাৰ সুন্দৰ নিদৰ্শন হ'ল - *হস্তীবিদ্যাৰ্ণৱৰ* 'দুই খনিকৰ দিলবৰ আৰু দোচাই। দিলবৰ নিঃসন্দেহে ইছলাম ধৰ্মালম্বী লোক। আহোম ৰাজত্বৰ কালত কোনো খনিকৰ পৰিয়ালক ৰজাঘৰে পোহ-পাল দিয়াৰ সাক্ষ্য বুৰঞ্জীত পোৱা যায়। আগৰ গাঁওবোৰত ৰং-বৰণৰ কাম কৰা ভালেমান খনিকৰ আছিল। ভাল খনিকৰক ইখন গাঁৱৰপৰা আনখন গাঁৱলৈ নিমন্ত্ৰণো কৰি নিয়া হৈছিল। বহু খনিকৰে অভিনেতাক ৰং ঘঁহি দিয়াৰ পিছত নিজেও বহুৱাৰ বেশত মঞ্চত প্ৰৱেশ কৰি দৰ্শকক আনন্দ দিছিল। দেৱ দেৱীৰ মূৰ্তি সজা খনিকৰসকলৰ সাধাৰণ বিদ্যা বেছি নাথাকিলেও দেৱ দেৱী বিষয়ক মন্ত্ৰবোৰ কণ্ঠস্থ আছিল আৰু তাৰ আলমতে লেখনী বুলাবলৈ সমৰ্থ হৈছিল। পুথিৰ নকল কৰা অশিক্ষিত খনিকৰে পুথিৰ প্ৰতিটো আখৰৰ পাক্ এনে শুদ্ধকৈ নকল কৰিব পাৰিছিল যে তাৰ তুলনা নাই। কথিত আছে, এটা আখৰৰ ওপৰত মাখি এটা পৰি থাকোঁতে খনিকৰ এজনে তাকো অবিকল চিত্ৰিত কৰি পেলাইছিল।

না দা

।। খৰম ।।

অসমীয়া চহা সমাজত কোনো কোনো ঠাইত এতিয়াও খৰমৰ ব্যৱহাৰ দেখা যায়। *ৰামায়ণতো* ৰামচন্দ্ৰই খৰম পিন্ধাৰ কথা পোৱা যায়। ভৰিৰ তলুৱাৰ আকৃতিত লঘু অথচ টান কাঠেৰে খৰম সজা হয়। খৰম তিনি প্ৰকাৰৰ দেখা যায়। এবিধত তিনিটা ফুটা কৰি আধুনিক চেণ্ডেলৰ দৰে মৰাপাটৰ *চেলা* (মহিলাৰ বেণীৰ আকৃতিৰ চেপেটা ৰচা) লগোৱা থাকে। আন এবিধত ভৰিৰ পতাৰ সমানত খৰমৰ দুয়োফালে বহল ৰবৰেৰে সংযোগ কৰা থাকে। তৃতীয় বিধত ভৰিৰ বুঢ়া আঙুলিৰ ভিতৰফালে টুপ লগোৱা গজালৰ দৰে খুঁটি এটা থাকে। ভৰিৰ বুঢ়া আঙুলি আৰু তাৰ কাষৰ আঙুলিৰ চেপাত খুঁটিটো ৰাখি খোজ কঢ়া হয়। চেণ্ডেল হ'ল খৰমৰ নতুন সংস্কৰণ।

গো. সু.

।। খৰিকাটানা কৰ।।

শুনোতে অস্বাভাবিক যেন লাগিলেও স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ আমোলত কামৰূপৰ প্ৰজাই খৰিকাটানা নামেৰে এটা নতুন কৰ আদায় দিব লগা পৰিছিল। ইং ১৮২১ খ্ৰীষ্টত মানৰ দ্বাৰা খেদা খাই চন্দ্ৰকান্ত সিংহ গুৱাহাটী পালেহি। মানক খেদিবলৈ কোম্পানীৰপৰা

ভেৰণীয়া সৈন্য-সামন্ত অনাৰ প্ৰয়োজন হ'ল। তাৰ কাৰণে প্ৰয়োজন টকাৰ। ৰাজকোষ শূন্য। কামৰূপৰ চৌধাৰী, তালুকদাৰ, পাটোৱাৰী আৰু ঠাকুৰীয়াসকলৰ সৈতে আলোচনা কৰা হ'ল। চৌধাৰীসকলৰ নিজা টকা আছে। পিছে সেই টকা দেশৰ কামত ভাঙিবনে? উপায় দিলে-প্ৰজাৰপৰা নতুনকৈ এটা কৰ আদায় কৰিব লাগে। কৰৰ নাম দিলে *খৰিকাটানা*। শুকান চান খেৰৰ খৰিকা এদম বান্ধি চোতালত পেলাই লৈ কেইজন-মানৰ আগত চৌধাৰীয়ে তাৰপৰা এমুঠি খৰিকা টানি উলিয়াব। যিমানডাল খৰিকা ওলাল সিমান ঘৰ গৃহস্থৰপৰা চৌধাৰীয়ে কৰ আদায় কৰি ৰজাক ভেটিব। কৰৰ পৰিমাণ হ'ল— বৰলোক- তিনিটকা, মজলীয়া লোক -দুটকা, জনসাধাৰণ-এটকা আৰু বন্দী-বেটী পঞ্চাশ পইচা (আঠ অনা)। এই কৰ জনমূৰি নহয়, ঘৰমূৰিহে। ঘৰ মানে ভাতৰ চৰু। একেঘৰৰ মানুহৰ পাঁচ ভায়েক-ককায়েকে একেটা হাউলীতে থাকি পাঁচটা চৰুত ৰান্ধিলে তাক পাঁচ ঘৰ ৰূপে গণ্টিত ধৰিব। চতুৰ কোনো কোনো চৌধাৰীয়ে তেওঁলোকৰ বাৰীৰ বাহিৰৰ চতুৰ্হদৰ বাবদ তিনিটকাকৈ খৰিকাটানা কৰ স্বৰ্গদেৱলৈ পঠোৱাৰ ব্যৱস্থা কৰাত হজুৱা বনুৱা বহুতে কৰৰপৰা অব্যাহতি ল'বলৈ চৌধাৰীহঁতৰ চতুৰ্হদত সোমাল। চৌধাৰীয়ে বিনামূলীয়া বান্ধা পালে। চন্দ্ৰকান্তৰ পিছত আহি ওলাল মানসকল। তেওঁলোকক ৰচদ লাগে। ৰচদ কিনিব ক'ৰ পৰা? চৌধাৰীসকলে উপায় দিলে— *খৰিকাটানা*। আগতে খৰিকাটানা ব্যৱস্থা আছিল এককালীন। এতিয়া তাৰ কোনো ছেদ-ভেদ নোহোৱা হ'ল। মানে ধৰিলেই খৰিকা টানিব— প্ৰজাৰপৰা কৰ আদায় কৰিব। বহুতে তাৰ ফলত চকুৰে সৰিয়হ ফুল দেখা পালে।

(সদানন্দ চলিহাৰ *গুৱাহাটী ঃ বুৰঞ্জীৰ খলাবমাত* পুথিৰ পৰা যুগুতোৱা)

না. দা.

**।। খৰিচা (বাঁহ গাজ) ।।**

অসমীয়া মানুহে খোৱা এবিধ বৈশিষ্ট্যপূৰ্ণ খাদ্য হ'ল খৰিচা। ইয়াক বাঁহ-গাজৰপৰা প্ৰস্তুত কৰা হয়। বড়ো ভাষাত ইয়াৰ নাম *মেৱা*। কটহ, ভলুকা, কেকোঁৱা আদি বাঁহৰ কোমল গজালি কাটি ওপৰৰ বগুৱা কেইটা আঁতৰাই গোলাকাৰ চকলা-চকলকৈ কুটি ঢেঁকী, উড়লত আধা খুন্দা কৰি অথবা পটাত মোটাকৈ বটি অলপ পানী মিহলাই মাটিৰ টেকেলীত ভৰাই কলপাতেৰে মুখখন ভালদৰে বান্ধি তিনি-চাৰিদিন থৈ দিব লাগে। তিনি-চাৰিদিনৰ মূৰত বাঁহ-গাজবোৰ টেঙা হয় আৰু তেতিয়া তেল-লোণ সানি ভাতেৰে অথবা আঞ্জা ৰান্ধি খাব পাৰি। কোনো কোনোৱে সোনকালে টেঙা হ'বলৈ গুড়ি-বাঁহ গাজত দুপাত মান কুঁজী থেকেৰা মিহলায়। এনেকৈ প্ৰস্তুত কৰা বাঁহ গাজক খৰিচা বোলা হয়-*পকা খৰিচা*। পকা খৰিচাৰ পানী আঁতৰাই ৰ'দত শুকাই দীৰ্ঘ দিনলৈ ৰাখি থ'ব পাৰি। পকা খৰিচাৰপৰা আঁচাৰ তৈয়াৰ কৰা ব্যৱসায়িক প্ৰতিষ্ঠান আছে।

কোনো কোনোৱে কুটা বাঁহ-গাজ কলহত নথৈ গ্যসধি সানি ৰ'দত শুকাই থয়। শুকোৱাৰ পিছত গুড়ি কৰে। তাৰ নাম *শুকান খৰিচা* অথবা *জ্রিম খৰিচা*। অৱশ্যে পকা-খৰিচা ৰ'দত শুকালেও শুকান খৰিচাই হয়। তাকো আঞ্জাত ব্যৱহাৰ কৰে। বসন্ত ওলোৱাৰ পিছত নাড়ী শীতল কৰিবলৈ অসমীয়া মানুহে শুকান খৰিচা ব্যৱহাৰ কৰাৰ পৰম্পৰা আছে। গোৱালপাৰাৰ কোনো কোনো অঞ্চলত আকৌ বাঁহৰ গজালি এবেগেতমান ওলোৱাৰ পিছত তাক মাটি কলহেৰে ভালদৰে ঢাকি থয়। কেইদিনমানৰ পিছত সেইটো কবিৰ দৰে ফুলি উঠে। তেতিয়া তাক কাটি আনি আঞ্জা ৰান্ধি খায়। খৰিচাক গইনা লৈ কেইবাটাও অসমীয়া প্ৰবচনৰ সৃষ্টি হৈছে। তাৰে এটা হ'ল - 'তোমাৰ বাৰীৰ বাঁহ-গাজ/তাৰেই কৰিছোঁ খৰিচা / তাকে লৈ সলাই ধান দোণ লওঁ/কথাটো মন কৰিছা'।

না. দা.

।। খৰিদিয়া ।।

খৰিদিয়া শব্দটোই দক্ষিণ কামৰূপৰ সমাজ জীৱনত এটি বিশেষ তাৎপৰ্যপূৰ্ণ অৰ্থ বহন কৰিছে। অৰ্থৰ উপৰি ই সমাজ জীৱনত আজিও এক গুৰুত্বপূৰ্ণ প্ৰথা ৰূপে পৰিগণিত হৈ আহিছে। এই প্ৰথাৰ লগতে সমাজৰ ঐক্য-সংহতি, পাৰস্পৰিক বুজাপৰা আৰু সহায় সহযোগৰ কথাও জড়িত হৈ আছে। এতিয়া প্ৰশ্ন হয়, এই খৰিদিয়া নো কি? মানুহ মৰণশীল। এই পৃথিৱীত জন্মলাভ কৰিলে এদিন পৃথিৱীৰ বুকুতে বিলীন হ'বই লাগিব। মানুহ দাহন কৰা কাৰ্যক উক্ত অঞ্চলত খৰি দিয়া বোলে। সংস্কৃত কাষ্ঠ সংস্কাৰৰ অৰ্থ শৱদাহন। তাৰ পৰিৱৰ্তিত আঞ্চলিক ৰূপ খৰিদিয়া। মানুহৰ মৃত্যুৰ পিছত ঐক্যবদ্ধভাৱে শ্মশান যাত্ৰা আৰু সমাজ আকাৰে শদাহন কৰা বা সৎকাৰ কথা নিয়ম পুৰণি কলীয়া । নিজৰ খেল বা পাৰা বা চুবুৰিৰ মানুহৰ মৃত্যু হলে শ্মশানত দাহন কৰা কাৰ্যক কাঠ সংস্কাৰ কৰা বা খৰি দিয়া বুলি দক্ষিণ কামৰূপত এতিয়াও চলি আছে। আনহাতে আকৌ শ্মশানলৈ যাওঁতে প্ৰতিঘৰ মানুহৰ একোজন ব্যক্তিয়ে নিজৰ ঘৰৰপৰা এখন দা বা কুঠাৰ আৰু এডোখৰ খৰি কান্ধত নিয়া নিয়ম এতিয়াও চলি আছে। দাহন কাৰ্যত সেই খৰিডাল ব্যৱহাৰ কৰা হয়। দাহন কাৰ্যত প্ৰতিঘৰৰ একোডাল খৰি দিয়া প্ৰথাটোক খৰি দিয়া আখ্যা দিয়া হয়। খৰিদিয়া প্ৰথাই এহাতে সমাজত ঐক্য-সংহতি আৰু সহায়-সহযোগৰ অৰ্থ বহন কৰিছে। আনহাতে মানুহজনৰ প্ৰতি জীৱিত কালত মৰম স্নেহ আৰু যি কৰ্তব্য আছিল, মৃত্যুৰ পিছতো সেই একেই মৰম স্নেহ আৰু দায়িত্ব বোধৰ অৰ্থও বহন কৰিছে। শ্মশানলৈ যাওঁতে হাতত দা বা কুঠাৰ নিয়াৰ মূলতে আছে লোক বিশ্বাস। প্ৰচলিত লোক বিশ্বাস মতে শ্মশানলৈ যোৱা সময়ত হাতত অস্ত্ৰ থাকিলে কোনো ভূত প্ৰেতে কাষ চাপিব নোৱাৰে বা অপকাৰ কৰিব নোৱাৰে।

ধ. ব.

**।। খাছি সকলৰ বিয়া-বাৰু ।।**

মাতৃ প্ৰধান খাছি সমাজত একে গোত্ৰৰ মাজত বিৱাহ নিষিদ্ধ। খাছি সমাজত নাৰীয়ে এক বিশেষ স্থান অধিকাৰ কৰে। নাৰীয়ে নিজৰ জীৱন-সংগী নিজে বাচি লোৱাৰ সম্পূৰ্ণ অধিকাৰ পায়। ল'ৰা-ছোৱালীৰ মাজত মনৰ মিল হ'লে বা দুয়োৰে মত মিলিলে বিৱাহ সম্পৰ্ক স্থাপন হয়। কিন্তু ল'ৰাৰ যদি বিৱাহত মত নাথাকে তেতিয়াহ'লে ছোৱালীৰ আত্মীয়সকলে লগ-লাগি ল'ৰাজনক বিৱাহ কৰাবলৈ বাধ্য অথবা মান্তি কৰাই বিৱাহ কাৰ্য সমাপন কৰে। বিয়াৰ পিছত দৰাই শাহুৱেকৰ ঘৰত থাকিব লাগে। শাহুৱেকৰ ঘৰত কিছুদিনৰ বাবে থাকি প্ৰথম সন্তান জন্ম হোৱাৰ পিছত সিহঁতে নিজাববীয়াকৈ ঘৰ সাজি থাকিবলৈ লয়। ছোৱালীজনীয়ে মাকৰ ঘৰত যিমান দিনলৈ থাকে সিমান দিনলৈ উপাৰ্জনৰ সমুদায় ধন মাকৰ হাতত দিব লাগে। মাকে ঘৰখনৰ ভৰণ-পোষণৰ দায়িত্ব বহন কৰে।

খাছি সমাজত বহুবিৱাহ প্ৰচলন খুব কমেই দেখা যায়। কিন্তু বিৱাহ বিচ্ছেদ প্ৰায়ে হয়। চৰিত্ৰহীনতা, সন্তানহীনতা, মনোমালিন্য আদি কাৰণত বিৱাহ বিচ্ছেদ হয়। কোনো দাম্পতীয়ে এবাৰ বিৱাহ বিচ্ছেদ হ'লে সিহঁতৰ মাজত পুনৰ বিৱাহ হ'ব নোৱাৰে; কিন্তু সিহঁতে আন কাৰোবাৰ লগত বিৱাহত বহিব পাৰে। ইয়াত কোনো বাধা নাই। বিৱাহ বিচ্ছেদ হ'লে ল'ৰা-ছোৱালী মাকৰ লগত থাকে। যদি বিৱাহ বিচ্ছেদত এজনৰ সন্মতি নাথাকিলে বিচ্ছেদ খোজা জনে ক্ষতিপূৰণ দিব লাগে। খাছি ভাষাত ইয়াক *কা মিন ৰাইন* বা *কায়েম* বোলা হয়। খাছি সমাজত বাল্যবিৱাহৰ প্ৰচলন নাই। বিধৱা বিৱাহৰ প্ৰচলন কিন্তু ব্যাপকভাবে দেখা যায়।

ৰ.ৰ.দা.

**।। খাতিৰ ভাৰ ।।**

অসমীয়া বিয়াৰ আৰম্ভণিৰেপৰা অন্তিমলৈকে ভাৰ একোখন আগ কৰি নিয়াটো এটা দস্তুৰ। দৰা-কইনাৰ ৰাশি-জোৰা অহাৰ পিছত বিয়া থিক কৰিবলৈ দৰাৰ পিতৃ কইনাৰ ঘৰলৈ যায়। তেওঁ লগত কেইজনমান লোক লৈ যোৱাটো নিয়ম। যাত্ৰাকালত খৰিকটীয়া, তেলী, জুই লৈ যোৱা লোক অথবা মৰাশ দেখা বেয়া। যাত্ৰা কৰোঁতে দৰাৰ বাপেকে এজনৰ কান্ধত এখনি ভাৰ দি বিভিন্ন দ্ৰব্য-সম্ভাৰ কইনাৰ ঘৰলৈ লৈ যায়। সেই ভাৰতে থাকে - গাখীৰ, কল, লাডু, তামোল-পাণ, শাক-পাচলি, মাছ আদি। বিয়া খাটং কৰিবলৈ যাওঁতে লগত নিয়া এই ভাৰখনক কোৱা হয় *খাতিৰ ভাৰ* বা *খাটাৰ ভাৰ* অথবা *খাটা লোৱা ভাৰ*। কইনাঘৰত দুপৰীয়া খাই বৈ কইনাৰ দেউতাকে কইনা সম্প্ৰদান কৰিব বুলি কথা দিয়ে; দৰাৰ পিতৃয়েও বাক্‌দান কৰে।

না. দা.

**।। খাৰু।।**

খাৰু হাতত পিন্ধা অলংকাৰ। হাতৰ সৰু গাঁঠিৰপৰা আৰু অলপ ওপৰলৈ যাব পৰা ঘূৰণীয়া নানা তৰহৰ আৰ্হিৰ অলংকাৰ। সৰু ছোৱালীৰপৰা গাভৰু জীয়াৰী,বোৱাৰী আটাইৰে নিত্য ব্যৱহাৰ্য অলংকাৰ হ'ল খাৰু। সোণ,ৰূপ, লো, তাম, পিতল, শংখ, হাঁতীৰ দাত, কাঁচ আৰু অন্যান্য পদাৰ্থেৰে খাৰু তৈয়াৰ কৰা হয়। খাৰু কেইবা বিধৰ- মণি বা দেওখাৰু, গামখাৰু, মুঠিখাৰু, কংকন, পেচন্দাৰ, কঙ্কা, খুচৰীয়া খাৰু, বালা, কলি, বাউটি, পটিয়া খাৰু ইত্যাদি। পটিয়া খাৰুক কোনো কোনো অঞ্চলত *চুৰি* বুলিও কোৱা হয়। ই অসমৰ বৈশিষ্ট্যপূৰ্ণ অলংকাৰ। অসমৰ এই খাৰুবিলাকৰ মূৰৰফালে কোনো আৰ্হিত হাতী, সিংহ, সাপ, বাঘ, মেথোন আদিৰ মুখ সন্নিৱিষ্ট কৰা থাকে। ই অসমীয়া মানুহৰ প্ৰকৃতি প্ৰীতিৰ নিদৰ্শন দাঙি ধৰে।

প্ৰ. শ. গো.

**।। খুলি গুটি খেল।।**

খুলি গুটি খেল দুজনে খেলা আজৰি পৰৰ জিৰণিৰ খেল। সেই উদ্দেশ্যে মাটিত সমানে দুটা শাৰীত পাঁচটাকৈ সৰু সৰু খুলি খান্দি প্ৰত্যেকটো খুলিতে পাঁচটাকৈ গুটি ভৰাই লোৱা হয়। গুটিবোৰ শিলৰ অথবা গছৰ গুটি অথবা মাটিৰে সজা বাটলু গুটিও হ'ব পাৰে। খেল বিধৰ নিয়ম উল্লেখনীয়। দুয়োজন খেলুৱৈয়ে পঁচিশটাকে গুটি ল'ব আৰু নিজৰ ফালৰ পাঁচোটা খুলিত পাঁচটাকৈ গুটি ভৰাব। এজনে নিজৰ ফালৰ যিকোনো এটা খুলিৰপৰা গুটি উঠাই লৈ ঘড়ীৰ কাটাৰ দিশত অথবা বিপৰীত দিশেৰে প্ৰত্যেকটো খুলিত এটা এটাকৈ গুটি ভৰাই যাব। ভৰাই অন্ত পৰাৰ পিছৰ খুলিৰপৰা গুটি উঠাই লৈ পুনৰ একেদৰে গুটি ভৰাই যাব। এই প্ৰক্ৰিয়াৰে খেলি থাকোঁতে কোনোবা পাকত গুটিৰ ভাগ নপৰাকৈ খালী খুলি থাকি যাব। সেই খালী খুলিটো অতিক্ৰম কৰি পিছৰ খুলিত যিমান গুটি থাকে সেয়া তেওঁৰ হাতলৈ যাব। এনেকৈ নিজৰ বাবে পঁচিশটা গুটি আদায় কৰিব নোৱাৰিলে তেওঁৰ খুলি আনজনক বন্ধকত দিব লাগিব অথবা আন জনৰপৰা ধাৰে ল'ব লাগিব। বন্ধকত থকা খুলিত বন্ধক দিওঁতাই গুটি ভৰাব আৰু সেয়া তেওঁৰে হ'ব। এনেকৈ আটাইকেইটা খুলি তেওঁৰ হাতলৈ গ'লে তেওঁৰ খেল পকিব আৰু তেওঁ বিজয়ী হ'ব। খেলটো বৰ আমোদজনক।

ক.ব.

**।। খুলীয়া ভাউৰীয়া ।।**

দৰঙৰ এক ঐতিহ্যমণ্ডিত সম্পূৰ্ণ লোক-নাট্যানুষ্ঠান হৈছে খুলীয়া ভাউৰীয়া। ওড্ৰ মাগধী প্ৰবৃত্তি আশ্ৰিত খুলীয়া ভাউৰীয়া প্ৰচীন কালৰেপৰা দৰং আৰু ইয়াৰ দাঁতি কাষৰীয়া কামৰূপৰ দুই এঠাইতো প্ৰচলন আছিল। লোক-শিক্ষা অথবা নৈতিক শিক্ষা প্ৰদানেৰে

মহিমামণ্ডিত খুলীয়া ভাউৰীয়া দৰঙৰ জনসাধাৰণৰ আটাইতকৈ জনপ্ৰিয় অনুষ্ঠান। গোটেই নিশা জুৰি চলি থকা এই খুলীয়া ভাউৰীয়াৰ ঐতিহ্যৰ লগত অৱশ্যে দৰঙৰ ওজাপালি, ঢুলীয়া আৰু পুতলা নাচ আদি অৰ্ধ নাটকীয় অনুষ্ঠানসমূহৰ লগতহে সম্পৰ্ক বেছি।

অংকীয়া নাট্যানুষ্ঠানৰ দৰে খুলীয়া ভাউৰীয়া এক নাট্যানুষ্ঠান। এই ঢুলীয়া ভাউৰীয়াৰ লগত অংকীয়া নাটকৰ কিছু বহিৰংগ আংগিকৰ মিল থকা দেখা যায়। নৃত্য-ভংগীৰে খুলীয়া ভাউৰীয়াৰ চৰিত্ৰসমূহে প্ৰৱেশ-প্ৰস্থান কৰে আৰু চৰিত্ৰসমূহে পদ্যধৰ্মী সংলাপৰ ব্যৱহাৰ কৰে। ঢুলীয়া অনুষ্ঠানৰ 'চং' পৰিৱেশনো এই অনুষ্ঠানৰ অন্যতম বৈশিষ্ট্য। একাধিক বহুৱাই নাটকৰ কোনো গুৰু-গম্ভীৰ স্পৰ্শকাতৰ মুহূৰ্তত প্ৰৱেশ কৰি দৰ্শক শ্ৰোতাক হাস্য ৰসেৰে বুৰাই পেলায়।

খোল বাদন এই লোক-নাট্যানুষ্ঠানৰ এক অপৰিহাৰ্য অংগ। অনুষ্ঠানৰ আৰম্ভণিতে অংকীয়া নাটকৰ দৰে খুলীয়াবোৰে খোল ঘাটেনীৰ অনুষ্ঠান আৰম্ভ কৰাৰ পিছত সোঁহাতত চোঁৱৰ লৈ নাচি নাচি ওজাই আচাৰ-খোলাত প্ৰৱেশ কৰে। খুলীয়াৰ লগত তালুৱৈৰ ভূমিকাও গুৰুত্বপূৰ্ণ। অংকীয়া নাটকৰ সূত্ৰধাৰতকৈ খুলীয়া ভাউৰীয়াৰ ওজাৰ স্থান যেন এখোপ ওপৰত। ওজাই পদেৰে নাটকৰ কাহিনীভাগৰ আগজাননী, চলন্ত বিৱৰণী মতামত আগবঢ়োৱাৰ উপৰি প্ৰয়োজন সাপেক্ষে কোনো চৰিত্ৰ অথবা বহুৱাৰ সৈতে সংলাপ প্ৰয়োগো কৰে। আচাৰ-খোলা অৰ্থাৎ মঞ্চত চৰিত্ৰসমূহ প্ৰৱেশ কৰাৰ আগে আগে আৰিয়া ধৰাৰ ব্যৱস্থাও আছে।

নাটকৰ কাহিনী *ৰামায়ণ-মহাভাৰতৰ*পৰা বুটলি অনা যদিও যুদ্ধ বিষয়ক বিশেষকৈ বধ কাব্যসমূহৰ আধাৰত ৰচিত কাহিনীক খুলীয়া ভাউৰীয়াই অগ্ৰাধিকাৰ দিয়ে। যুদ্ধ খুলীয়া ভাউৰীয়াৰ অন্য এক অপৰিহাৰ্য অংগ। নৃত্য-ভংগিত যুদ্ধ দৰ্শকৰ অন্যতম আকৰ্ষণ। পয়াৰ অথবা বিলাপো এই অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ অংগ।

খোলৰ গুৰুত্ব আৰু ভাউৰীয়াৰ অন্যতম ভূমিকাৰ বাবে এই লোক-নাট্যানুষ্ঠানক *খুলীয়া ভাউৰীয়া* বোলা হয়। ভাউৰীয়াসকলে স্থানীয় ৰং আৰু পোছাক পৰিচ্ছদেৰে সাজ-সজ্জা কৰে। পুৰুষেই মহিলাৰ চৰিত্ৰত অভিনয় কৰে। মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য।

অনুষ্ঠানৰ শেষত সমূহ কলা-কুশলীয়ে আচাৰ-খোলালৈ আহি 'অপৰাধ বিনাশন' পদ গাই সমবেত দৰ্শকৰ সমুখত আঁঠু লৈ অনুষ্ঠান সামৰে।

দৰঙত খুলীয়া ভাউৰীয়া আজিকোপতি এক জনপ্ৰিয় লোক-নাট্যানুষ্ঠান।

প. ৰা.

**।। খ্ৰীং খ্ৰীং বাইথ ।।**

সোণোৱাল কছাৰী সকলৰ এক ঐতিহ্যমণ্ডিত উৎসৱ হৈছে বাইথ উৎসৱ বা পূজা। এই পূজা চ'ত মাহৰ দ্বিতীয় সপ্তাহত উজনিৰ ডাঙৰী অঞ্চলৰ বৰপথাৰ গাঁৱত

অৱস্থিত বাইথ মন্দিৰত প্ৰথমতে তিনিদিনীয়াকৈ উদ্‌যাপন কৰা হৈছিল। সোণোৱাল কছাৰীসকলৰ চিৰ আৰাধ্য গুৰু *খ্ৰীং খ্ৰীং* দেৱতাৰ পূজা বাইথ পূৰ্বতে গৰখীয়াসকলে কৰিছিল বুলি জনা যায়। বাইথ নামটো হ'ল এটা দোৱনীয়া পৰিয়ালৰ নাম। সপ্তদশ শতিকাৰপৰা নৱম শতিকাৰ সময়চোৱাত সোণোৱাল কছাৰীবিলাক প্ৰায়ে বৈষ্ণৱপন্থী হোৱাত এই পূজা কৰিবলৈ এৰিছিল, কিন্তু অষ্টাদশ শতিকাৰ শেষৰ ফালে পুনৰ এই পূজা কৰিবৰ বাবে বাইথ পৰিয়ালৰ মানুহ এজন অনা হ'ল আৰু সেইদিনাৰপৰাই এই পূজাৰ নাম বাইথ পূজা হিচাপে জনাজাত হ'ল।

চ'ত মাহৰ দ্বিতীয় সপ্তাহত কোনো এটি দেওবাৰে মূল পূজাৰীয়ে পূজাৰ বেদীত চাকি-বন্তি, ধূপ-ধুনা, তামোল-পাণ, হয়দাং গীতৰ বাদ্যযন্ত্ৰ, বাঁহী, খুটিতাল ম'ৰা চৰাইৰ পাখি আৰু বলি কটা দা আদি নমাই আনি লগতে পঞ্চামৃতো দেৱতাৰ ওচৰত আগবঢ়ায়। ৰাতি সকলোৱে বহি পৃথিৱীৰ সৃষ্টিতত্ত্ব আৰু মানৱৰ অতীত বুৰঞ্জী ব্যাখ্যা কৰে। ইয়াকে দেও নমোৱা বুলি কয়। সোমবাৰৰ দিনা বলি বিধান, পূজা-পাঠ আদি কৰা হয়। সকলোৱে ৰাতিপুৱা নিজ নিজ ঘৰৰ থাপনাত দিয়া বন্তি গছি বাইথ দেৱতাৰ নামত অৰ্পণ কৰে। পূজাৰ দিনা দেৱতাক সন্তুষ্ট কৰিবলৈ কুকুৰা বলি দিয়া হয়। বলিৰ তেজ উপাস্য দেৱতাৰ চৰণত অৰ্পণ কৰে। পুৰোহিতে ৰাইজৰ মংগল কামনা কৰি এনেধৰণে বেদমন্ত্ৰ পাঠ কৰে—

*ওম ৰাজা খ্ৰীং! খ্ৰীং ৰাজা ধৰণী / গজাই গুৰু ঢাকনি! আপুনি আয়লাসত ফুৰিছে, আয়লাসত ঢাকিছে/ দিন খায়, দিন দেখিছে, ৰাতি দেখিছে/ মতে আছে তাৰ পৰাই আশীৰ্বাদ কৰক, চাৰি মুঠি জীৱৰ/ যেন নিস্তাৰ হওক। ভা .. ........ ভু।*

মংগলবাৰে সকলোৱে পুৱা হয়দাংগীত গাই ৰং-ধেমালিৰ কৰে। শেষত সকলোৱে লগ-লাগি পঞ্চামৃত খায় আৰু মাংসৰে ভোজ-ভাত খোৱাৰ পিছত বাইথ পূজাৰ সামৰণি মাৰে। ব.ৰ.দা.

।। খেতৰ ।।

খেতৰো এবিধ অপদেৱতা। খেতৰবোৰৰ আকৃতি চুটি-চাপৰ। ইহঁতৰ পুৰুষ-স্ত্ৰী ভেদা-ভেদ আছে। পুৰুষবোৰক খেতৰ আৰু স্ত্ৰী বোৰক খেতৰী বোলা হয়। ইহঁত সাধাৰণতে অটব্য হাবিত বাস কৰে। কালসন্ধিয়া সময়ত ওলায়। ইহঁত ওলোৱা সময়ত যদি সেই ঠাইৰে কোনো মানুহ বা গৰখীয়াই গৰু আনিবলৈ যায় তেতিয়া সিহঁতে তেওঁলোকক পথভ্ৰষ্ট বা পথত আউল-বাউল লগাই দিয়ে। চিনাকি ৰাস্তাও অচিনাকি হৈ পৰে। চকুৰে একো মনিব নোৱাৰা হয় আৰু মাটিত অচেতন হৈ পৰি থাকে। কিছুমান মানুহক খেতৰে কণা কৰি পেলায় বুলি লোকবিশ্বাস আছে। খেতৰবোৰ পখৰা-চিখৰা, আঁক-বাক্ যেন, আৰু ইহঁতে বগা কাপোৰ পৰিধান কৰে। ইহঁতে ধৰিলে সৰু ল'ৰা-ছোৱালীয়ে কান্দি থাকে, গা জিকাৰে, ৰঙা ক'লা পৰে, গাখীৰ নোখোৱা হয়। ইহঁতে সৰু

দামুৰী ধৰি লুকুৱাই থৈ গৰখীয়াক হাঁহাকাৰ কৰি মাৰে। ইবোৰে মানুহ নাখায়, মানুহক ভয়হে খুৱায় আৰু মানুহৰ আলাই-আথনি নোহোৱা কৰে। খেতৰে পোৱা লোকে বাঁহ গছৰ একেবাৰে ওপৰতো উঠিব পাৰে। গছৰপৰা মাটিত পেলাই মানুহৰ অৱস্থা নাইকিয়া কৰি পেলাই বুলি মানুহৰ বিশ্বাস।

প.পা.

**।। খেতি-বাতিৰে সম্পৰ্কিত শব্দ ।।**

কৃষি প্ৰধান ঠাই অসম। কৃষিজীৱী অসমীয়া। কৃষি কৰ্ম সম্পাদিত হয় পথাৰত। কৃষি কৰ্মৰ বাবে এহাল গৰুৰ প্ৰয়োজন। লগতে লাগে হালখন। হালৰ সা-সঁজুলি ভালে কেইপদ। এই আটাইবোৰৰ নাম আছে। সেইবোৰে অসমীয়া শব্দৰ ভঁৰাল চহকী কৰিছে। তলত তাৰ কিছু আভাস দিয়া হ'ল -

ক সা-সঁজুলি - আল, ঈহ, উখনি (ওখোন, আখন, আখান), এচাৰি (কা. লৰু), কাচি, কোৰ (কোদাল), খন্টি, খদা, খেৰ, গলবান্ধ, গোহালি, ডাকুৰা, ডুলি, দৰখ, দাঙৰি, দৌল বাৰি, ধান গঢ় দিয়া মাৰি, নৰা, নাঙলৰ ডিলা, নাঙলৰ মুঠি, নাকী, পাচন, পুজি, ফাল কাঠি, বৰতি, বাংকা, বিৰিয়া, ভঁৰাল (কা. ভাখেৰি) ভাৰখদা, মুখখাৰা, মৈ, মৈ-জৰী. যুঁৱলি, যুঁৱলিৰ খিলা, যোত, ৰণিয়া, শাল (কা. শয়াল) হাল, হালোৱা, হুলাবাৰি আদি।

খ. কৃষি-কৰ্ম বুজোৱা শব্দ - আঁকিওৱা, আগ অনা. আলি দিয়া, উখুনিওৱা, কঠিয়া তোলা, কঠিয়া পাৰা, কঠিয়া ৰোৱা, কাৰোৱা, খেৰ জোকোৰা, গুছি লোৱা, গোছ দিয়া, চহকৰা, চহ্কি, দবলিওৱা, ধান কটা, ধানবিচা, ধান বোৱা, ধূলি কঠিয়া, পেক দিয়া, বৰণ দিয়া, ভুঁইৰোৱা, মৰণা পেলোৱা, মৰণা মৰা, মুঠি ভঙা, মৈয়ৱা, লেচি কঠিয়া, সমাৰ পেলোৱা, সিঁচা, হাল উঠা, হাল খতি, হাল বোৱা, হালোৱা, হালুৱৈ ইত্যাদি। অসমীয়া সংস্কৃতিৰ ইতিহাসত এই শব্দবোৰৰ গুৰুত্ব ভালেখিনি। না. দা.

**।। খেৰ পুঁজি।।**

অসমীয়া কৃষক সমাজৰ এটা উল্লেখযোগ্য সম্পদ হ'ল খেৰ পুঁজি। খেৰ পুঁজি নিৰ্মাণত অসমীয়া সমাজৰ শিল্পকলাৰ পৰিচয় পোৱা যায়। ইয়াক সাজিবলৈ এহাতমান ওখকৈ এখন বাঁহৰ চাং সজা হয়। চাংখন সাধাৰণতে ভলুকা বা জাতি বাঁহেৰে চাৰি কোণীয়াকৈ সজা হয়। অৱশ্যে কিছুমান খেৰ পুঁজি চাং নোহোৱাকৈও সজা হয়। চাঙৰ মাজত এটা বাঁহ বা কাঠৰ খুঁটা থিয়কৈ পোতা হয়। বতাহ বৰষুণত পুঁজিটো বাগৰি নপৰিবৰ কাৰণে এই খুঁটাটো দিয়া হয়। ধান খেৰবোৰ ৰ'দত ভালদৰে শুকাই লৈ এই খুঁটাটোকে আশ্ৰয় কৰিয়ে চাংখনৰ ওপৰত ভালদৰে জপা হয়। খেৰ পুঁজিবোৰ দেখিবলৈ মন্দিৰৰ চূড়াৰ দৰে। ইবোৰৰ তলৰ অংশতকৈ মাজৰ অংশ কিছু পৰিমাণে শকত আৰু ওপৰলৈ ক্ৰমে জোঙা হয়। বৰষুণৰ পানী পৰি যাতে খেৰবোৰ নষ্ট নহয় সেই বাবে ওপৰ ভাগ জোঙা কৰে।

খেৰ পুঁজিবোৰ সাধাৰণতে গোহালিৰ ওচৰত মুকলি ঠাইত আৰু থকা ঘৰৰপৰা কিছু নিলগত নিৰ্মাণ কৰা হয়। কোনো কোনো ঠাইত খেৰ পুঁজিৰপৰা চাকি লৈ খেৰ অনা নিষেধ। পুৰণি অসমীয়া সংস্কৃতিৰ চানেকি বহন কৰি অহা খেৰ পুঁজিক লৈ নানা প্ৰবাদ-প্ৰবচন, সাঁথৰ আদিৰ প্ৰচলন পোৱা যায়। তেনে এটি সাঁথৰ হ'ল - 'এডাল হাড়, কৌটি কৌটি নোম/ বাৰীৰ চুকত বহি আছে লোধোম ধোম//'

কি. ক.

**।। খেৰাই ।।**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বড়োসকলেও প্ৰজনন আৰু উৰ্বৰাৰ প্ৰতীকৰূপত খেৰাই উৎসব পালন কৰে। এই খেৰাই উৎসব ব'হাগ বিহুৰ দৰে বসন্তকালীন উৎসৱ। বিশেষকৈ কৃষিৰ লগত ই এক ঋতুধৰ্মী নৃত্য। সিজু গছক *বাথৌ দেৱতা* হিচাপে গণ্য কৰি বড়োসকলে পৰম্পৰাগতভাৱে পূজা পাতে। তাৰ পিছত মদ খাই সমূহীয়াভাৱে নাচে। খেৰাইৰ বুৎপত্তিগত অৰ্থ এচাম পণ্ডিতে এইদৰে দিছে - খেৰাই হ'ল খাৰ + আই। অৰ্থাৎ 'খাৰ' মানে হ'ল দৌৰা বা গতি কৰা আৰু 'আই' মানে হৈছে গোসাঁনী। আই মাতৃক সন্তুষ্ট কৰিবৰ বাবে যি নৃত্য কৰা হয় সেয়ে খেৰাই নৃত্য। কোনো কোনোৰ মতে 'খ'-ৰ অৰ্থ আঠু কঢ়া, 'ৰা' মানে সম্বোধন কৰা আৰু 'ই'-ৰ অৰ্থ হ'ল ঈশ্বৰৰ উদ্দেশ্যে নৃত্য।

বাথৌ দেৱতাৰ সমুখত বিভিন্ন উপাচাৰ, বলিৰ জীৱ-জন্তু, পশু-পখী থৈ, দেওধনীয়ে পূব মুখ কৰি গমাৰী কাঠৰ পীৰাত বহে। ওজাই পিছত বহি আঠু লৈ মন্ত্ৰ মাতে। ওজাৰ পিছত বুঢ়া-মেথাসকল বহে। দেউৰীয়ে দেওধনীৰ বাঁওপিনে কিছু আঁতৰত আঁঠু লৈ বহে। আনপিনে আচৰিতভাৱে খেৰাই নৃত্য চলি থাকে। পূজা শেষ হৈ যোৱাৰ পিছতো এইধৰণৰ নৃত্য-গীত চলি থাকে। খাম, চিফুং, ৰিভিঙ, ৰামতাল, গুৱা, খোৱাং, বঙ্গনা আদি এই নৃত্যত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰ।

মুঠৰ ওপৰত বসন্তকালীন খেৰাই উৎসৱ আৰু নৃত্য বড়ো-কছাৰীসকলৰ এক জাতীয় উৎসৱ সদৃশ।

ব. কু. দা.

**।। খেল প্ৰথা।।**

আহোমসকলৰ ৰাজত্ব কালত প্ৰৱৰ্তিত পাইক প্ৰথাৰ প্ৰথম পৰ্যায়ত তিনি বা চাৰিজন কৰ্মঠ লোকক একেলগ কৰি একোটা 'গোট' কৰা হৈছিল। গোটৰ ডাঙৰ সমষ্টিবোৰক কোৱা হৈছিল 'খেল'। প্ৰথম অৱস্থাত একোটা অঞ্চলৰ আটাইবোৰ পাইককলৈ একোটা স্থানীয় খেল পতা হৈছিল। যেনে— চামগুড়ি অঞ্চলৰ পাইকৰ সমষ্টিক চামগুড়ীয়া, ডিমৰুগুড়ি অঞ্চলৰ পাইকক ডিমৰুগুড়ীয়া আদি। কালক্ৰমত একোটা কামত পাৰ্গত লোকক একেলগ কৰি একোটা খেলৰ সৃষ্টি কৰা হৈছিল। দৃষ্টান্ত

স্বৰূপে, সোণ কমোৱা কামত পাৰ্গত লোক মিলাই সোণ কমোৱা খেল গঠন কৰা হৈছিল। একেদৰে খৰি যগোৱা, নাও সজা, নাও চলোৱা, ধেনু সজা, কাঁড় সজা প্ৰভৃতি কামৰ বাবে সুকীয়া সুকীয়া খেল আছিল। একোটা খেল পৰিচালনাৰ বাবে আছিল একোজন *খেলদাৰ*। একোটা খেলৰ পাইকে নিৰ্দিষ্ট কৰি দিয়া কামৰ বাহিৰে আন খেলৰ কাম কৰাৰ সুযোগ নাছিল। তদুপৰি প্ৰতিজন পাইকে লাভ কৰা দুপুৰা মাটি খেলৰ নামত মঞ্জুৰী দিয়াটোও তাৎপৰ্যপূৰ্ণ।

না. দা.

**।। খোক্‌চি পূজা ।।**

অসমৰ প্ৰাচীন জনজাতি ৰাভা সকলৰ লোকধৰ্ম আৰু লোক-বিশ্বাস সম্পৃক্ত এবিধ উৎসৱ হ'ল খোক্‌চি পূজা। এই বিধ পূজাত ৰাভাসকলৰ বহুতো কিংবদন্তি সোমাই আছে। এই কিংবদন্তি মতে শ শ বছৰ আগতে থোপে আৰু নেচে নামৰ দুগৰাকী বাই-ভনীয়ে এখন গাঁৱত বাস কৰিছিল। এবাৰ দুই বাই-ভনীয়ে হাবিত খৰি লুৰিবলৈ যাওঁতে বাটৰ কাষত থকা ডোঙা এটাৰ পৰা এটি জীয়া মাছ পাই ঘৰলৈ লৈ আহিছিল। ঘৰলৈ আহি মাছটোৰ ঠাইত তেওঁলোকে এটি বিস্ময়কৰ শিলহে দেখা পালে। দুই বাই-ভনীয়ে শিলটো ককা-দেউতা আৰু দেউতাকক দেখুওৱাত, ককাদেউতাকে শিলডোখৰ লিৰিকি বিদাৰি চাই তাক দেৱ শিল বুলি কৈ তেওঁৰ নাতি-ছোৱালী খোপে আৰু নেচেক ভক্তি ভাৱেৰে ভৰাঁলত থবলৈ নিৰ্দেশ দিয়ে। আৰু সেই ভৰাঁলতে শিলডোখৰে এজনী দিব্যৰূপধাৰী সুন্দৰী কন্যালৈ ৰূপান্তৰিত হৈ ঘৰৰ সকলোকে তেওঁক পূজা কৰিবলৈ নিৰ্দেশ দিয়ে। ঘৰৰ আটাইয়ে সুন্দৰী দেৱকন্যাৰ নিৰ্দেশ মতে পূজা কৰি আকাংক্ষিত ফল লাভ কৰে। পিছলৈ এইজনা দেৱীয়ে ৰাভাসকলৰ ৰাভাকায় (উপাস্য দেৱী) হৈ খোক্‌চি নামেৰে পূজিত হ'বলৈ ধৰিলে।

এই খোক্‌চি পূজাত ৰংদানি গৌৰীৰ ৰাভাসকলে পূজা উপলক্ষে দেৱীৰ থানত পৰম্পৰাগত ভাৱে এডোখৰ শিল স্থাপন কৰি তাত দেৱীৰ পূজাৰ প্ৰয়োজনীয় সম্ভাৰেৰে ৰীতিমতে দেৱী খোক্‌চিক পূজা কৰে। পূজাত নল খাগৰিৰে সাত তৰপীয়া মেজি সাজি তাত অগ্নি সংযোগ কৰি সেই অগ্নিৰ ওপৰত নিৰ্দিষ্ট পুৰোহিতসকলে নৃত্য কৰি সকলোকে আচৰিত কৰি তোলে। এই নৃত্যত অংশগ্ৰহণ কৰা পুৰোহিতসকলে পূজাৰ সাতদিন আগৰে পৰা নিৰ্দিষ্ট ব্ৰত কৰি দেৱীৰ আশিস নিৰ্মালি গ্ৰহণ কৰি অলৌকিক শক্তিৰ অধিকাৰী হয়। অগ্নিৰ চাৰিওকাশে নৃত্য কৰা বাবে ৰাভাসকলে খোক্‌চি পূজাক অগ্নি পূজা বুলিও কয়। ৰাভাসকলে যাতে সুখে-সন্তোষে জীৱন নিৰ্বাহ কৰিব পাৰে, জীৱন ধাৰণৰ মূল কৃষি-শস্য বোৰৰ উৎপাদন বৃদ্ধি হয়, তাৰ বাবে খোক্‌চি দেৱীৰ আগত প্ৰাৰ্থনা জনাই গাহৰি বলি দিয়ে।

এনেদৰে জেঠ মাহৰ পূৰ্ণিমা তিথিত বা কোনো এটা দেওবাৰে ৰাভাসকলৰ সমাজত পৰম্পৰাগতভাবে কিম্বদন্তি আৰু ধৰ্মীয় লোকবিশ্বাসৰ ধাৰণাৰে সৃষ্টি হোৱা খোক্‌চি পূজা মহা আড়ম্বৰপূৰ্ণকৈ নিয়ম-নীতিৰে উদ্‌যাপিত হৈ আহিছে।

স. দে.

।। খোপা ।।

কেশবিন্যাসৰ এটি চমকপ্ৰদ সৃষ্টি হ'ল খোপা। সংস্কৃত কবৰী শব্দই অসমীয়াত খোপা শব্দৰে জনাজাত। প্ৰাচীন কালৰেপৰাই বৰ্তমান সময়লৈকে দীঘল কেশটাৰি আটি বান্ধি খোপা বন্ধাৰ ৰীতি চলি আহিছে। দীঘল কেশটাৰিয়ে আমনি নকৰিবলৈ নতুৱা কেশৰ সৌন্দৰ্য বৰ্ধনৰ বাবে নাৰীসকলে খোপা বান্ধে। অসমীয়া তিৰোতাৰ খোপা বন্ধাৰ ৰীতিৰ অলেখ নিদৰ্শন প্ৰাচীন ভাস্কৰ্য আৰু চিত্ৰত পোৱা যায়। অসমীয়া নাৰীৰ খোপা বন্ধা ৰীতিৰ লগত সৰ্বভাৰতীয় প্ৰাচীন ৰীতিৰ সাদৃশ্য মন কৰিবলগীয়া। অসমীয়া নাৰীয়ে কেশৰ সৌন্দৰ্য বৰ্ধনৰ বাবে নানা আকৃতিৰ খোপা বান্ধে। তেনে খোপাৰ ভিতৰত — কলডিলীয়া খোপা, মালতী খোপা, ঘিলাচকা, লাহতী খোপা, চেলা, তগৰ, তেঁতেলী, নেঘেৰী, লিগিৰী, উধনীয়া, ইংৰাজী এচ (S) আখৰটোৰ দৰে এচ্ খোপা, আগমূৰলৈ পিছফালৰ চুলি টানকৈ আনি আটি বন্ধা টাই নট্ বা টপ নট্ খোপাও নাৰীসকলৰ মাজত জনপ্ৰিয়। অসমীয়া নাৰীয়ে কেশসজ্জা কৰি গলধনত পৰাকৈ খোপা বান্ধে। এহাত এমুঠন বহল খোপাই হ'ল সৌন্দৰ্যৰ আধাৰ। বিবাহৰ দিনাখন কইনাই খোপা বন্ধা ৰীতি পূৰ্ব প্ৰচলিত নিয়ম। উত্তৰ পূৰ্বাঞ্চলৰ নানা জাতি-উপজাতিৰ মাজতো খোপা বন্ধা ৰীতি আছে। অসমীয়া বিহুনাচত নাচনীয়ে খোপাত গগণা গুজি বিহু নাচ নচা দেখা যায়। অকল নাৰীয়েই যে খোপা বান্ধে এনে নহয়, সমাজৰ বিভিন্ন শ্ৰেণীৰ পুৰুষেও খোপা বান্ধে। ব্ৰাহ্মণ, পুৰোহিত শ্ৰেণীয়ে শিখা বন্ধনৰ ৰীতিতে খোপা বান্ধে। জঁটাধাৰী সন্ন্যাসীয়েও জঁটা বন্ধন কৰা দেখা যায়। সৌন্দৰ্যবৰ্ধনৰ বাবে খোপাত নানা তৰহৰ ফুল, মালা আৰু অলংকাৰ পিন্ধাৰ ৰীতি প্ৰাচীন কালৰেপৰা প্ৰচলিত। অসমীয়া লোকগীতৰ সঁফুৰা বিহুগীত, বনগীত, বিয়ানাম আদিত ইয়াৰ নিদৰ্শন অলেখ পোৱা যায়।

লাহতী খোপাতে কিনো ফুল গুজিলা/কিহেৰে বোলালা হাত...?

অসমীয়া পুৰণি কাব্য সাহিত্যতো কবি-সাহিত্যিকসকলে নাৰীয়ে খোপাবান্ধি তাত ফুল গুজাৰ কথা উল্লেখ কৰিছে। শংকৰদেৱৰ ৰুক্মিণী হৰণ কাব্যত তিৰোতাই ওখকৈ খোপা বান্ধি তাত মালতীৰ ফুল গুজি লোৱাৰ উল্লেখ আছে (পদ-২৫৫)। সেইদৰে শংকৰদেৱৰ ভাগৱত দশম স্কন্ধৰ নন্দোৎসৱ অংশতো উচ্চল খোপা বান্ধি ফুল গুজাৰ কথা উল্লেখ কৰিছে। অসমীয়া সমাজ-সংস্কৃতি-সাহিত্যত খোপা কেশসজ্জাৰ এক বিশেষ কলা। পুৰণি পুথি, কাব্য সাহিত্যৰ উপৰিও আধুনিক কবি গীতিকাৰৰ কাব্য আৰু গীতত

খোপাৰ ভূমিকা উল্লেখযোগ্য। ধৰ্মীয় লোকাচাৰ আদিৰ ক্ষেত্ৰতো ব্ৰাহ্মণসকলৰ চূড়াকৰণৰ আগতে চুলি খোপা বান্ধি ৰখা দেখা যায়। বৰ্তমান যুগত সৌন্দৰ্য বৰ্ধনৰ বাবে বজাৰৰ প্ৰসাধন সামগ্ৰীত বহুতো সজ্জিত খোপা ক্ৰয় কৰিবলৈ পোৱা যায়। চুলি নথকা নাইবা চুটি চুলিৰ মহিলায়ো কৃত্ৰিম খোপাৰে সৌন্দৰ্য বঢ়াব পৰা হ'ল। খোপাই কেশসজ্জাৰ ক্ষেত্ৰত যি ভূমিকা লৈছে যি সঁচাকৈয়ে উপভোগ্য।

ম.গো.

**।। খোল ।।**

মৃদংগ মন্দিৰা খোল ধোমচিৰ শুনি ৰোল

গোগোনা যে বজাৱে মুৰৰী।।— দৰং ৰাজবংশাৱলী

খোল, ঢোলাদিৰ লেখিয়া আনদ্ধ বাদ্যযন্ত্ৰ। সত্ৰীয়া সংগীতৰ সৈতে ইয়াৰ সম্পৰ্ক নিবিড়। এইবিধ বাদ্য আদিতে মৃদংগৰ দৰে মাটিৰে নিৰ্মিত হৈছিল। এই বাদ্যৰ জনপ্ৰিয়তাত মহাপুৰুষ শংকৰদেৱৰ অবদান অনস্বীকাৰ্য। গুৰুচৰিত কথাত আছে 'গুৰু কপিলীমুখৰ কলঙ কাষৰ কুমাৰত খোল গঢ়ালে জোখ দি দাইনা সাত আঙুল বাঞা তেৰ আঙুল হ'ল চালে।' সময়ৰ পৰিৱৰ্তনৰ লগে লগে খোল মাটিৰ লগতে কাঠেৰেও সজা পদ্ধতি চলতি হয়। ইয়াৰ সোঁমুখ সৰু আৰু বাঁওমুখ ডাঙৰ। উভয় মুখে চামৰাৰ দ্বাৰা ছোৱা। ধ্বনি নিয়ন্ত্ৰণৰ বাবে ছালৰ মাজত তাপ্লি লগোৱা হয়। ইয়াৰ বিভিন্ন অংগবোৰ হ'ল— (ক) দাইনা— যি অংশ সোঁহাতেৰে বজোৱা হয় (খ) বেৱা — বাঁও হাতেৰে বজোৱা ফালটো (গ) অলি— খোলৰ দুমূৰৰ ডিমাৰ মুখত লাগি থকা অংশ (ঘ) মলুৱা— তালি আৰু কাটনিৰ ছাল দুখন বৰতিৰে সজা যিটো আঙুঠিৰ লগত ডিমাৰ মুখত বান্ধে, সেই আঙুঠিটো (ঙ) কাটনি–– তালি দুখন ধৰি ৰাখিবলৈ যিখন ছাল বান্ধি লৈ শেষত কাটি দিয়ে, সেয়ে (চ) বৰতি— যিডাল চামৰাৰ ৰছীৰে তালি দুয়োখনতে ডিমাৰ মুখত বান্ধি ৰাখে, সেয়ে (ছ) ঘুণ— খোলৰ দুয়ো ফালে তালিৰ সোমাজৰ কলা অংশ (জ) পুলি— মলুৱা আৰু কাটনি ছালৰ মাজত থকা চৌব্ৰিশটা সৰু সৰু ফুটাবোৰ (ঝ) ডিমা— খেলাৰ মাটি বা কাঠেৰে নিৰ্মিত অংশটোৰ নাম হ'ল ডিমা। খোলৰ স্বৰ চাৰিটা— ধেই, দাও, খিত, আৰু দিত।

না. দা.

**।। খোলা চাপৰি পিঠা।।**

খোলা চাপৰি পিঠাৰ আন নাম হাজাৰমুখী। এই বিধ পিঠাৰ বাবে যিকোনো চাউল অথবা খুদ হ'লেই যথেষ্ট। পোনতে চাউল অথবা খুদখিনি পানীত অলপ পৰ তিয়াই পিছত তাক তৰিয়াই থৈ (টুকিঅনা) পানী নিগৰাৰ পিছত ঢেঁকী বা উৰল অথবা চামত খুন্দি পানীৰে গুলি লোৰ কেৰাহী অথবা কুমাৰৰ পাটচৰু (উজনিত তাৰ নাম

সানেকি) জুইৰ ওপৰত তুলি লৈ পোৰাটো নিয়ম। পিঠাখন লাগি নধৰিবৰ বাবে বহুতে কেৰাহীটোত মিঠাতেল দিয়ে। সৰহকৈ তেল দি ভজা পিঠা মচ্মচীয়া হোৱা গুণে খাবলৈ ভাল। পিঠা পোৰোতে বহুতে মাটি অথবা ধাতুৰ ঢাকনিও ব্যৱহাৰ কৰে। খেতিয়কসকলে ধান ৰোৱা, কটা-মৰা উভয় কালতে সমানেই খোলা চাপৰি পিঠা খাই পৰিতৃপ্তি লাভ কৰে।

জ্যো. দা.

।। গগনা ।।

'আগলি বাঁহৰে লাহৰী গগনা বহি তাঁতৰ পাটত বাওঁ;
'বিজুলী বাঁহৰে লাহৰী গগনা বহি তাঁতৰ পাটত বাওঁ'।

আগলি বাঁহৰে লাহৰী গগনা সজাৰ কিটিপতো বিহুগীতত আছে - 'দুফালে দুচাটি মাজতে এচাটি মুগা সূতা লগায়ে বাওঁ,—' ইয়াক দাঁতেৰে কামুৰি ধৰি আঙুলিৰে কঁপাই বজোৱা হয়। ইয়াৰ মাত অতি মিহি, কিন্তু মিঠা। ভালদৰে গগনা বজাবলৈ অনুশীলনৰ প্ৰয়োজন। মংগোলয়ড অথবা কিৰাত জনগোষ্ঠীৰ অন্তৰ্গত আটাইবোৰ জাতি-উপজাতিৰ মাজত গগনাৰ প্ৰয়োগ চকুত লগা। মিচিং ভাষাত ইয়াক কোৱা হয় গুংগাং। গুংগাঙৰ ব্যৱহাৰ আদিসকলৰ মাজতো আছে। নেপালী আৰু দুই-এটা জনজাতিয়ে বাঁহৰ উপৰি ধাতুৰেও গগনা সাজি লয়। এটা কালত মিচিং ডেকা-গাভৰুৱে গুংগাঙৰ জৰিয়তে মনৰ ভাব বিনিময় কৰিছিল। বিহুৱা অসমীয়া ডেকাই সাজি দিয়া বিজুলী বাঁহৰ গগনাখনি তাঁতশালৰ শিপিনী লাহৰী জনীয়ে তাঁতৰ পাটত বহি বাইছিল আৰু কেতিয়াবা তাকে লৈ বড়ৰ তললৈ ঢাপলি মেলিছিল।

'ধনে সাজি দিয়া লাহৰী গগনা বহি বড়ৰ তলত বাওঁ।
ধনো নাহিলে গগনা ফাটিলে খৰিকা মঙলত চাওঁ।।

লাহৰী গগনাৰ লাহৰী সুৰত মিলনাকাংক্ষী ডেকাৰ মানসিক অৱস্থা পুতৌ লগা -

ত'তে শুনিলো ইয়াতে চিনিলোঁ লাহৰীয়ে গগনা বায়;
লাহৰী মাতেৰে মাতিলি মইনা শৰীৰে সৰ্বাক যায়

গগনা দুবিধ - ছোৱালীয়ে বজোৱা লাহৰী বা ৰূপহী গগনা আৰু ল'ৰাই বজোৱা ৰামধন গগনা।

গছতলৰ বিহুৱে নগৰৰ বিহুতলীত স্থান পোৱাৰ লগে লগে গগনাৰ কোমল সুৰে নগৰীয়াজনৰো চিত্ত পৰশি যাবলৈ সমৰ্থ হৈছে।

না. দা.

**।। গছ বিয়া ।।**

গছ বিয়া ভাৰতবৰ্ষৰ এটি প্ৰাচীন উৎসৱ। মহাকবি কালিদাসৰ শকুন্তলা নাটকত (তৃতীয় অংক) সহকাৰৰ সৈতে নৱমল্লিকা লতাৰ বিয়াৰ কথা উল্লিখিত হৈছে। বাণভট্টই কাদম্বৰী কথাত (উত্তৰ ভাগ) সহকাৰৰ সৈতে মাধৱীলতাৰ বিয়াৰ বৰ্ণনা দিছে। গছ বিয়া বুলিলে সাধাৰণতে অশ্বত্থ আৰু বট বৃক্ষৰ বিয়াৰ কথা বুজোৱা হয়। অশ্বত্থ গছ ভগৱান শ্ৰীকৃষ্ণৰ আৰু বট লক্ষ্মী অথবা ৰাধাৰ প্ৰতীক (ৰাধানাথ দেৱশৰ্মা - যজুৰ্বেদীয় বিৱাহ পদ্ধতি)। ৰাধানাথ দেৱশৰ্মাই বৃক্ষ বিৱাহৰ নিয়ম-নীতি ভৱিষোত্তৰ পুৰাণৰপৰা সংগ্ৰহ কৰি তেওঁৰ গ্ৰন্থত সন্নিবিষ্ট কৰা দেখা যায়। সাধাৰণতে গছৰ দাঁতি, পুখুৰী অথবা নৈৰ পাৰ বা ৰাজহুৱা নামঘৰত একেলগে থকা ফলধৰা অশ্বত্থ আৰু বট গছৰ বিয়া পতা হয়। সাধাৰণতে শুভ বিয়াৰ দিনতে গছ বিয়াও পাতিব লাগে। বিয়াৰ দিনা দুয়োজোপা গছৰ গুৰি চিকুণাই কাপোৰ মেৰাই সুশোভিত কৰা দৰকাৰ। সাধাৰণ বিয়াৰ দৰে ইয়াতো আয়তীয়ে পানী তোলে, ব্ৰাহ্মণে অধিবাস, ঘট স্থাপন, শ্ৰাদ্ধ, হোম আৰু পূজা সম্পন্ন কৰে। দুয়োজোপা গছত লগ্ন গাঁঠি বান্ধি পানী ঢলাৰো প্ৰয়োজন। বিয়া সম্পন্ন হোৱাৰ পিছত পুৰোহিতক দান-দক্ষিণা আৰু নিমন্ত্ৰিত অভ্যাগতক অভ্যৰ্থনা নকৰিলেই নহয়। লোকবিশ্বাস আছে, এনেদৰে গছ বিয়া পাতি দিয়াজনৰ পাৰ্থিৱ সমস্ত পাপ ক্ষয় হয় আৰু কৃষ্ণ-লক্ষ্মীৰ কৃপাত মৃত্যুৰ পিছত ব্ৰহ্মলোক পায়গৈ। আগতে এই বিৱাহ প্ৰায়বোৰ অঞ্চলতে সম্পন্ন হৈছিল। আজি-কালি এই বিয়া দেখা মনত নপৰে।

না. দা.

**।। গন্ধ ।।**

দৌলোৎসৱ এটি সৰ্ব ভাৰতীয় উৎসৱ। অসমতো ইয়াক উলহ-মালহেৰে পালন কৰা হয়। সৰ্ব সাধাৰণৰ উপৰি সত্ৰসমূহতো দৌলোৎসৱ অনুষ্ঠিত হয়। বৰপেটা সত্ৰৰ দৌল সকলোৰে জনাজাত। ইয়াত দৌলৰ প্ৰথম দিনটো গন্ধ ৰূপে পৰিচিত। সেইদিনা ভক্তসকলে পথাৰৰপৰা খাগৰি, ইকৰা আদি যোগাৰ কৰি কীৰ্তন ঘৰৰ সমুখৰ চোতালত এটি ডাঙৰকৈ মেজি সজায়। আবেলি পৰত দৌলগোবিন্দ প্ৰভুক গায়নে-বায়নে ভাঁজ ঘৰৰ পুব দুৱাৰেদি উলিয়াই আনি মঠৰ পকী চোতালখনৰ মাজত এখনি বৰ শৰাইত ৰাখে। কীৰ্তন ঘৰৰ মূল দুৱাৰেদি কলিয়া ঠাকুৰকো বাহিৰলৈ উলিয়াই আনি দৌল গোবিন্দৰ লগতে একেখনি বৰশৰাইত কিছু পৰ ৰাখি থয়। পিছত গায়নে-বায়নে গোসাঁইক লৈ যায় মেজি পুৰাবলৈ। গোসাঁইৰ পিছে পিছে আগবাঢ়ে অগণন ভক্ত জনগণ। মেজিৰ চতুষ্পাশে গোসাঁইক সাত পাক ঘুৰায়। ইয়াক মেজি বা মাঘ পুওৱা বোলে। মেজি পুওৱাৰ পিছত গোসাঁইক দৌললৈ লৈ যোৱা হয়। প্ৰথম খলপাৰপৰা সপ্তম খলপালৈ

উত্তোলন কৰোঁতে সাতপাক ঘূৰাই লৈ গোঁসাইক দৌলত বহুৱায়। লগে লগে ঘোষা-কীৰ্তন আৰু ব্যাস-কীৰ্তন চলে। ৰাতি লীলামালা, ভটিমা, গুণমালা, সেৱা কীৰ্তন প্ৰভৃতি সম্পন্ন কৰি বৰধেমালিৰে শুভাৰম্ভ কৰে ভাওনাৰ। বহু ৰাতিলৈ ভাওনা চলে। ভাওনাৰ অন্তৰ লগে লগে গন্ধৰো সামৰণি পৰে।

না. দা.

।। গৰখীয়া ভাৰ ।।

এটা কালত নামনি অসমত দৰাই বিয়া কৰাবলৈ কন্যা ঘৰলৈ যাওঁতে দৰাৰ লগে লগে বাৰ গোপালৰ উদ্দেশ্যে এখনি ভাৰ নিব লাগিছিল। এই ভাৰখনৰ নাম গৰখীয়া ভাৰ। গৰখীয়া ভাৰৰ এটা টেকেলীত বোকা চাউল (কোমল চাউল) অথবা চিৰা, আন এটাত ভাল দৈ, তৃতীয়টোত - পকা লাড়ু, এআখি কল আৰু এটি টোপোলাত এপোণ তামোল আৰু এটা (এগোট) পাণ। লাড়ুবোৰ আকাৰত ডাঙৰ আৰু ৈম হ'ব লাগে। গাখীৰত পানী উঠিলে নাইবা টেঙা পৰিলে কন্যাঘৰত উপস্থিত থকা গৰখীয়া ল'ৰাইতে দৰাক পদূলি মুৰতে বাধা দি ৰাখে - দৰাক দণ্ড বিহে। গৰখীয়া ল'ৰা সন্তুষ্ট হ'লে ভগবান শ্ৰীকৃষ্ণ সন্তুষ্ট হয় বুলি দৰাঘৰে পৰাপক্ষত গৰখীযা ভাৰখন ভালদৰেই লগত লৈ যায়। সময় পৰিবৰ্তনৰ প্ৰেক্ষাপটত আজিকালি গৰখীয়া ভাৰে মেলানি মাগিছে

না দা

।। গৰখীয়া-সবাহ ।।

চৰণীয়া পথাৰলৈ গৈ গৰু চাৰিবপৰা হোবা ল'ৰাই গৰখীয়া। গৰখীয়া ল'ৰাক আমন্ত্ৰণ কৰি আনি খুওৱা-বুওৱা আৰু সেৱা সৎকাৰ কৰাই গৰখীয়া-সেৱা, গৰখীয়া পোহা, গোপাল-সেৱা, গৰখীয়া সবাহ অথবা ৰাখল-পূজা (গোৱালপাৰা)। গৰখীয়া ল'ৰাক ভগবান শ্ৰীকৃষ্ণৰ ৰখোৱাল ৰূপেৰে কল্পনা কৰি গএৱ লোকে এই অনুষ্ঠান পাতে। গৰখীয়া ল'ৰাক সন্তুষ্ট কৰা মানে ভগবান শ্ৰীকৃষ্ণক সন্তুষ্ট কৰা। গৰখীয়া সেৱাৰ কাৰণ একাধিক - ক. নিঃসন্তান দম্পতিয়ে পুত্ৰ সন্তান কামনাৰ্থে গৰখীয়া সেৱাৰ আয়োজন কৰে, খ. গো-জাতিৰ শ্ৰীবৃদ্ধিৰ কামনাত কোনোৱে গোপাল পূজা আগবঢ়ায়, গ সৰু ল'ৰাৰ অসুখ বিসুখ হ'লে বা বয়স অনুযায়ী বাঢ়িব নোৱাৰিলে ল'ৰাৰ আৰোগ্য অথবা নিজৰ গৰু-গাই হেৰাই পোৱাৰ পিছত বহুতে গৰখীয়া পোহে, ঘ. এজন প্ৰখ্যাত জ্যোতিষীৰ মন্তব্যৰ ওপৰত ভিত্তি কৰি ড° ভৃগুমোহন গোস্বামীয়ে লিখিছে যে শনিৰ কোপ দৃষ্টিৰপৰা হাত সাৰিবলৈ মানুহে গৰখীয়া সেৱা পাতে।

গৰখীয়া-সেৱাৰ বাবে বাৰজন গৰখীয়া হ'লে ভাল। বাৰ-গোপালৰ অভাৱত পাঁচজন গৰখীয়া ল'ৰাক সেৱকে নিজৰ ঘৰলৈ পুৱাৰ বেলাতে আমন্ত্ৰণ কৰি নি প্ৰত্যেককে গা-পা ধুৱাই গামোচা আদি কাপোৰ আগবঢ়াই চোতাল অথবা পিৰালিত

ঢাৰি আৰু কাপোৰ পাৰি দি তাতে সিহঁতক পূবলৈ মুখ কৰি বহিবলৈ দিয়ে। বহাৰ পিছত বাৰ-গোপাললৈ আগবঢ়োৱা হয় একোডাল এচাৰি বা লৰু আৰু সৰু কটাৰী একোখন। লগতে একোটা মুদ্ৰা দিয়াও প্ৰয়োজন। এই উপহাৰৰ পিছত বহা ঠাইতে জলপান দি দুপৰীয়া ভূৰি-ভোজন কৰাই আকৌ একোটাকৈ মুদ্ৰা (বহুকাল পূৰ্বে আছিল এটি পুণিকা, পইচা, চৰতীয়া, একানী, দুৱানী, সিকি আদি) অৰিহণা ৰূপে আগবঢ়াই গৰখীয়া কেইজনক শ্ৰদ্ধাৰে বিদায় দিব লাগে।

অবিভক্ত কামৰূপত নতুনকৈ জগা গাইৰ গাখীৰ কটা বা টেকেলীত সাঁচি সেই দৈ গাখীৰেৰে এমাহৰ দিনা পিঠাগুড়ি, কল আৰু গুড় মিহলাই গোপাল ভোগ প্ৰস্তুত কৰি গৰখীয়া ল'ৰাক খাবলৈ মাতে। গৰখীয়া-ভোগ দিয়াৰ পিছত সেই গাখীৰ দেৱকাৰ্যত লগাব পাৰি। দামুৰী অথবা ডাঙৰ গৰু হেৰাই পোৱাৰ পিছতো আবেলি পৰত বাৰ গোপালক মাতি আনি গোপাল-ভোগ খুৱায়। দক্ষিণ কামৰূপত ব'হাগ-বিহুৰ কালত উদ্‌যাপিত সৰি বা সুঁৱৰি উৎসৱত বাৰ-গোপাল সেৱা অপৰিহাৰ্য। দৰাই কন্যা ঘৰলৈ বিয়া কৰাবলৈ যাওঁতে গৰখীয়া ল'ৰাক সেৱিবলৈ এখনি গৰখীয়া-ভাৰ নিনিলেই নহয়

না. দা

**।। গৰু গাড়ীৰে সম্পৰ্ক থকা শব্দ ।।**

পুৰণি অসমৰ যান-বাহনৰ ভিতৰত গাড়ী আছিল অন্যতম। এই গাড়ী টানিছিল - গৰু বা ম'হে। গৰু গাড়ীৰে সম্পৰ্ক থকা কেইটামান শব্দ হ'ল - আওট (যুঁৱলিং থকা), আৰাগজ, এচাৰি, কাছেনি, চাং, চৈ, জোটনি ৰচী, টেটেলা, থৰকা, থিলা, ধুৰা পাচান (কা.), পুথি, বালা, বাঁহ, বোম বাঁহ, মুগুা, যুঁৱলি, লেঙেৰী, শাল, (কা. শয়াল) হাল, হালপটা ইত্যাদি।

না. দা

**।। গলপতা ।।**

ডিঙিত পিন্ধা এবিধ আপুৰুগীয়া অলংকাৰ। এইবিধ অলংকাৰ ডিঙিত লিপিট খাই পৰাকৈ পৰিধান কৰা হয়। গলপতা লগোৱা ফুলবোৰ বিভিন্ন চানেকিৰ আৰু ৰং বিৰঙৰ বাখৰপটোৱা হ'ব পাৰে। আমাৰ দিনত গলপতাৰ ফুলবোৰ পোৱালমণিৰে গাঁথা হৈছিল আজিকালি অৱশ্যে যিকোনো মণিৰেই গাঁথা হয়। গলপতাত ব্যৱহৃত ফুলবোৰ তলে-ওপৰে দুধাৰি মণিমালাৰে বান্ধি গাঁথা হয়। ৰত্নময় গলপতা আৰু গুলিয়া গলপতা নামৰ দুবিধ গলপতাৰ নাম প্ৰাচীন সাহিত্য অধ্যয়ন কৰিলে প্ৰায়েই শুনিবলৈ পোৱা যায়। এই দুবিধ বাখৰ পতোৱা আৰু ইয়াত একোটিকৈ লটকন ওলমি থাকে। উত্তৰ ভাৰততো এই অলংকাৰৰ প্ৰচলন আছে। ডিঙিত লিপিট খুৱাই পিন্ধিব পৰাকৈ গলপতা ধাৰৰ দুয়োমূৰে তাছেলৰ সূতা লগোৱা থাকে। এই সূতাডাল ৰঙা, নীলা, সেউজীয়া বা অন্যান্য ৰঙৰ হয় গলপতাৰ ফুলবোৰ সোণ, কেঁচা সোণ বা পাতিসোণৰেও গঢ়োৱা হয়। কোনো কোনো

ঠাইত গলপতাক কণ্ঠশোভা নামেৰে জনা যায়।

প্ৰ.শ. গো.

।। গ'লিৰ নাম ।। (গোহালিৰ নাম)

বৰপেটা জিলাৰ বজালী অঞ্চলত প্ৰচলিত এটি সৰু জনকৃষ্টি মূলক অনুষ্ঠান হ'ল গ'লি বা গোহালিৰ নাম। ই কৃষিভিত্তিক অনুষ্ঠান নহ'লেও কৃষিৰ লগত জড়িত এটি অনুষ্ঠান। 'গো-লক্ষ্মীক' পূজা কৰাই গ'লিৰ নামৰ মুখ্য উদ্দেশ্য। এই নামৰ গোসাঁই - গো বালক ভগৱান। নামনি অসমত এওঁকেই 'গইৰখা গহে' বা 'গইৰখা গইয়' বোলা হয়।

অসমৰ গাঁওবোৰ বাৰিষা কালত জেকা আৰু চেঁচুকীয়া হৈ পৰে। গৰুৰ গোবৰ-মূতে এই অৱস্থাক অধিক লেতেৰা আৰু অপৰিষ্কাৰ কৰি তোলে। ফলত এই সময়ত গৰুৰ নানান বেমাৰ আজাৰ আদি হয়। গৰু মৃত্যুৰ মুখত পৰাও দেখা যায়। গৰুক এনে অৱস্থাৰপৰা ৰক্ষা কৰিবলৈ সাধাৰণতে এই নামৰ আয়োজন কৰা হয়। ইয়াৰ মূল কথা গৰুক নতুন ঘৰ দিয়া। সাধাৰণতে নতুন গোহালি দিবৰ দিনাই এই নামৰ আয়োজন কৰা হয়। এই নামত অইন ক্ৰিয়া-কৰ্মৰ দৰে বেছি বাহুল্য নাই। শৰাইত মাহ-প্ৰসাদৰ নৈবেদ্য আৰু কেঁচা ভোগ ইয়াৰ প্ৰধান উপাচাৰ। কেঁচা গাখীৰ, ঘিউ, মৌ, চেনি, গোটা চাউল এই কেইপদ উপকৰণেৰে ভোগ তৈয়াৰ কৰা হয়। কোনো কোনোৱে কেঁচা গুড়াৰ (পিঠাগুড়ি) লাড়ুও বনায়। ইয়াত সাধাৰণতে জুইত বনোৱা বস্তু দিয়া নহয়। এই নামত ওচৰ-চুবুৰীয়াক মাতি, নামগোৱা, পুথি পাঠ কৰা আৰু হৰিধ্বনি দিয়া হয়। এই নামৰ পিছত গৰুক ওপৰৰ চাংঘৰত তুলি নতুনকৈ স্থাপন কৰা হয়। গধূলি পথাৰৰপৰা গৰু ঘূৰি অহাৰ আগতেই সাধাৰণতে এই নাম শেষ কৰা হয়, যাতে গৰু পথাৰৰপৰা আহি আৰু পুৰণা ঘৰত সোমাব নালাগে।

গ'লিৰ নামৰ জৰিয়তে গঞা ৰাইজে গো-লক্ষ্মী আৰু গৰখীয়া গোসাঁইক সেৱা সন্মান আৰু পূজা কৰাৰ জৰিয়তে আওপকীয়াকৈ খেতি আৰু খেতিৰ প্ৰধান সম্বল গৰু-ম'হক শ্ৰদ্ধা-ভক্তি কৰি কৃষিৰ উৎপাদনৰ ওপৰত গুৰুত্ব দি আহিছে। গ'লিৰ নামৰ লগত অসমৰে দুই এখন ঠাইৰ দুই এটি সৰু-সুৰা অনুষ্ঠানৰ মিল দেখা যায়। গোৱালপাৰা অঞ্চলৰ ৰাখালপূজা, উজনি অসমৰ গৰখীয়া-সবাহ, নামনি অসমৰ গোপাল সেৱা আৰু বজালী অঞ্চলত প্ৰচলিত গ'লিৰ নামক একে পৰ্যায়ৰ অনুষ্ঠান বুলি ক'ব পাৰি।

প্ৰ শ গো.

।। গড়গঞা চিত্ৰশৈলী ।।

মোগল, ৰাজপুত অথবা পাহাড়ী চিত্ৰকলাৰ দৰে মধ্যযুগীয় অসমৰ আহোম আৰু দৰঙী নৃপতিসকলৰ (দৰং ৰাজবংশাৱলী মাত্ৰ) পৃষ্ঠপোষকতাত আত্ম প্ৰকাশ কৰা

গড়গঞা চিত্ৰশৈলী পূৰাদমে দৰবাৰী কলা। এই কলাত চিত্ৰশিল্পীসকলৰ সৃজনীমূলক প্ৰকাশভংগীৰ বিপৰীতে ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ আশা-আকাংক্ষা, চিন্তা- ভাৱনা আৰু ৰাজ-দৰবাৰ অথবা হেৰেম কাৰেঙৰ প্ৰতিচ্ছবিহে প্ৰোজ্জ্বল ৰূপত ধৰা দিয়ে (ষ্টেলা কামাৰিছ— দ্য আৰ্ট অব ইণ্ডিয়া, ১৯৫৪। বহিঃ ৰাজ্যৰ কুশল হস্তৰ শিল্পীক স্বৰাজ্যলৈ আমন্ত্ৰণ কৰি আনি তেওঁলোকৰ উন্নত মানৰ কলা-কৌশল পুথিচিত্ৰত প্ৰয়োগ কৰা দেখা যায়। চিত্ৰকৰসকলে এইশৈলীত সত্ৰীয়া চিত্ৰশৈলীৰ স্বভাৱজ বৰণ পৰ্বতীত মেলাৰ পৰিবৰ্তে যোগজ বৰণৰ ভিন্ ভিন্ চাকচিক্যপূৰ্ণ ৰঙ প্ৰয়োগ কৰিছিল। সপ্তদশ অষ্টদশ শতাব্দীত ৰজাঘৰৰ আপদাল পাই বিকশিত হোৱা চিত্ৰশৈলীৰ সন্দৰ্ভত ড° ৰজতানন্দ দাশগুপ্তৰ মন্তব্য হ'ল– 'The school was gifted into the highly sophisticated body of metro politan culture of Gargoan and actually the native genious remained untouched by this new form of art' উক্ত নৱ বিকশিত চিত্ৰশৈলীৰ সৈতে সম সাময়িক ভাৰতীয় বিভিন্ন চিত্ৰশৈলীৰ যোগসূত্ৰ সুস্পষ্ট। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে ক'বৰ দৰে – 'a happy blending of the basic Eastern Indian style of religious miniatures found in Orissa, Bengal and Assam with the more sophisticated Mogul and Rajasthani and possibly also Kangra art of the west.' (Assam and Indian) আলোচিত চিত্ৰশৈলীয়ে ধৰ্ম নিৰপেক্ষতাৰ সুন্দৰ নিদৰ্শন এটি ৰাখি গৈছে। সমসাময়িক জীৱন ধাৰাৰ প্ৰতিফলন, নৃত্য গীতাদি উৎসৱমুখৰ পৰিবেশৰ চিত্ৰণ, জীৱ-জন্তুৰ যুদ্ধ, আহোম যুগীয় স্থাপত্যৰ ভিতৰত ৰজাৰ সৈতে উপবিষ্ট ৰাণী, ৰাজসভাৰ সজীৱ চিত্ৰণ, ৰাজকীয় শোভাযাত্ৰা, সত্ৰীয়া চিত্ৰশৈলীত বিৰল সেউজীয়া গছ-লতিকা আৰু নদ-নদী পৰিশোভিত পটভূমি— গড়গঞা চিত্ৰশৈলীৰ কেইটামান মন কৰিবলগীয়া বৈশিষ্ট্য। এই চিত্ৰশৈলীৰ খনিকৰসকলৰ দূৰত্ব, ঘনত্ব আৰু পৰিপ্ৰেক্ষিতাৰ জ্ঞান শলাগিবলগীয়া। সৌন্দৰ্যময় অক্ষৰলেখৰ কলা (calligraphy) এই শৈলীৰ আন এটি বৈশিষ্ট্য।

(আধাৰ গ্ৰন্থ ঃ নাৰায়ণ দাস ঃ পুৰণি অসমৰ চিত্ৰকলা) না.দা.

**।। গাঁঠিয়ন খুন্দা ।।**

বিবাহ অসমীয়া সমাজৰ প্ৰাণময় উৎসৱ; অসমীয়া সংস্কৃতিৰ এটি প্ৰধান উপাদান। অসমীয়া সমাজৰ বিয়া এখনত বিয়া ঠিক হোৱাৰ পিছৰেপৰা বিভিন্ন নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ আদি পালন কৰাৰ পৰ্ব আৰম্ভ হয়। ইয়াৰ ভিতৰত গাঁঠিয়ন খুন্দাও বিয়াখনৰ এটি সামাজিক আচাৰ।

বিয়াৰ অধিবাসৰ দিনা সন্ধিয়া অধিবাস পূজাৰ লগতে গাঁঠিয়ন খুন্দা কাম আৰম্ভ হয়। সেইদিনা সন্ধ্যা নামে-গুণে অধিবাস পূজা শেষ হোৱাৰ পিছত মড়লৰ কাষত কইনাক বহুওৱা হয়। কইনাৰ সমুখত শিলৰ পটা এখনত গাঁঠিয়ন, মুঠা, গন্ধ-বিৰিণা

আদি থোৱা হয়। কইনাক বেৰি থকা চাৰি গৰাকী অকুমাৰী ছোৱালীয়ে কইনাৰ লগতে পটাগুটি ধৰি গাঁঠিয়ন খুন্দে। কোনো কোনো ঠাইত কইনাকে ধৰি সাতগৰাকী আয়তীয়ে ইয়াক খুন্দে। সেই সময়ত আয়তীসকলে উৰুলি দিয়ে আৰু নাম গাই থাকে। গাঁঠিয়ন খুন্দা কালত আয়তীসকলৰ মূৰৰ ওপৰত এখন চাদৰ ধৰি ৰখা নিয়ম। সেই সুযোগতে ৰাংঢালী তিৰোতাসকলৰ মাজত ৰং ধেমালি আৰম্ভ হয়। কোনোবা এগৰাকীয়ে ইজনীৰ চাদৰ সিজনীৰ চাদৰত বান্ধি দিয়ে, কাৰোবাৰ চোঁৰত আকৌ শিল, ইটা, আদি বান্ধি উঠিব নোৱাৰা কৰি পেলায়। খুন্দা গাঁঠিয়ন তেলত ডুবাই দুবৰিৰ আগেৰে কইনাৰ মূৰত অলপ অলপকৈ দিয়া হয়। হাঁহি-ধেমালিৰ মাজেৰে গাঁঠিয়ন খুন্দা হৈ যোৱাৰ পিছতে ঘৰৰে কোনোবা এজনে কইনাক তিনিবাৰ 'হবিষান্ন' খুৱাই দিয়ে। খাই উঠাৰ পিছত কইনাৰ মোমায়েকে কইনাক দাণ্ডি ভিতৰলৈ লৈ যায়। এনেদৰে ঘটা আনন্দোচ্ছল পৰিৱেশত বিয়াৰ গাঁঠিয়ন খুন্দা সামৰণি পৰে।

বি. ভ.

।। গা-ধন কৰ।।

মধ্যযুগীয় কামৰূপত প্ৰচলিত কৰ বিশেষৰ নাম-গা-ধন। এটা কালত কামৰূপ দেশৰ মোগল ফৌজদাৰসকলে পৰগণাবোৰৰপৰা প্ৰজাৰ ৰাজহ আদায় কৰিবলৈ নিয়োগ কৰিছিল চৌধাৰীসকলক। তেওঁলোকে ৰাজহ আদায় কৰি আপোন ভাগটো ৰাখি বাকীখিনি চৰকাৰী কোষাগাৰত জমা দিছিল। কালক্ৰমত কামৰূপত বৰফুকন ৰাজ প্ৰৱৰ্তিত হ'ল। তেওঁলোকে মোগলসকলৰ ৰাজহ আৰু ভূমি বন্দবস্তি নীতি বাহাল ৰাখি তাৰ ওপৰত তেওঁলোকৰ নিজস্ব পাইক আৰু খেল পদ্ধতি দুটাও সন্নিবিষ্ট কৰিলে। এটা কালত পাইকৰ প্ৰয়োজন কমি আহিল। গতিকে পাইকৰ ওপৰত এটা নতুন কৰ আৰোপত লাগি গ'ল। সিদ্ধান্ত হ'ল - পাইকসকলে গোট হিচাপে ডেৰ টকাকৈ অৰ্থাৎ গাই পতি প্ৰায় ৩৭ পইচাকৈ কৰ এটা আদায় দিলে পাইক ৰূপে খাটি দিয়াৰপৰা অব্যাহতি পাব। এই নতুনকৈ আৰোপিত কৰটোৱে গা-ধন। এই কৰ আদায়ৰ দায়িত্বত থাকিল চৌধাৰীসকল। কোনোবা প্ৰজাই এই কৰ আদায় দিব নোৱাৰিলে চৌধাৰীসকলে সেই কৰ বৰফুকনত আদায় দিছিল। তাৰ বিনিময়ত সাধাৰণ প্ৰজাই বিনমূলীয়াকৈ চৌধাৰীৰ ঘৰত কাম বন কৰিব লগাত পৰিছিল।

না. দা.

।। গাভৰু চাং ।।

বৰ অসমত যুগ যুগ ধৰি বসবাস কৰি অহা পৰ্বতীয়া জন-জাতিসকলৰ কেইটামান মন কৰিবলগীয়া বৈশিষ্ট্যৰ এটা হ'ল - গাভৰু চাঙৰ স্থিতি। ডেকা চাঙৰ দৰে গাভৰু চাংবোৰো শিক্ষা-দীক্ষা আৰু আমোদ-প্ৰমোদৰ প্ৰসূতি গৃহ। অৱশ্যে আজিকালি নতুন

সভ্যতাৰ সম্প্ৰসাৰণে বিভিন্ন জন-জাতিৰ মাজৰপৰা গাভৰু-চাঙবোৰ আঁতৰাই নি বিস্মৃতিৰ বুকুত স্থান দিলেগৈ। এটা সময় আছিল - যিটো সময়ত গাত কাপোৰ লোৱা গাভৰুৱে সাংসাৰিক জীৱনৰ বিচিত্ৰ অভিজ্ঞতা লাভ কৰিবলৈ এই চাঙত আশ্ৰয় লৈছিল। সাংসাৰিক শিক্ষাৰে শিক্ষিতা হৈ চাং এৰি দাম্পত্য জীৱনৰ পাতনি তৰিছিল। গাভৰু চাং কেৱল গাভৰুৰ নিবাস-থলী। ডেকা-বুঢ়া কোনোৱে তাত ভৰি দিব নোৱাৰে। বৰ্তমানে অৰুণাচল প্ৰদেশৰ টাংচাসকলৰ মাজত গাভৰু চাং দেখিবলৈ পোৱা যায়। আগতে আও আৰু আন আন নগাৰ মাজতো গাভৰু-চাং আছিল।

না. দা.

**।। গাম খাৰু, মুঠি খাৰু ।।**

অসমীয়া পুৰুষ-মহিলাৰ সৌন্দৰ্যবোধৰ স্বাক্ষৰ হ'ল - গামখাৰু আৰু মুঠি খাৰু। গাম খাৰুৰ সন্দৰ্ভত হেমচন্দ্ৰ বৰুৱাই লিখিছেঃ 'আগেয়ে তাক মিৰিৰ গামে পিন্ধিছিল, এতেকে পুৰুষে পিন্ধা এবিধ খাৰু। এই খাৰু সাধাৰণতে তিনি সিৰীয়া আৰু ৰূপৰ। সোণৰ গাম খাৰুৰো প্ৰচলন নোহোৱা নহয়। সোণৰ গাম খাৰুবোৰত বাখৰ পতাই দেখাত অধিক সুন্দৰ কৰি তোলা হৈছিল। মতা মানুহে পিন্ধা গাম খাৰু কালক্ৰমত নাৰীৰ হাত পায়হি। বিয়া-বাৰুৰ উপৰি বিহু কালত ইয়াক হাতত পিন্ধি নচাটো এটা সাধাৰণ কথা। বিহুগীতত আছে - 'হাতত গাম খাৰু কোনে দিলে আইকণ, বহিলে জুনুকাই বাজে।'

মুঠিখাৰুৰ পৰিচয় প্ৰসংগত হেমকোষে লিখিছে - 'মুঠি মাৰি সুমুৱা খাৰু, কেইবাডাল চেপেটা বালা লগলগাই সজা এবিধ খাৰু।' ইয়াৰ সবিশেষ দিবলৈ গৈ শিল্পী যুগল দাসে অসমৰ লোক-কলাত লিখিছে - 'অসমীয়া তিৰোতা মানুহে হাতত মুঠি খাৰু বা খুচুৰীয়া খাৰু পিন্ধিছিল। মুঠিখাৰুৰ নিচিনা দীঘলীয়া হাতৰ অলংকাৰ অনেক পুৰণি ভাস্কৰ্যত পোৱা যায়। দাক্ষিণাত্যৰ আইহলী মন্দিৰৰ মহিষ মৰ্দিনী দুৰ্গাৰ হাতৰ খাৰু মুঠিখাৰু যেন লাগে (চতুৰ্থ খ্ৰীষ্টাব্দ)। সোণৰ মুঠিখাৰুত বাখৰ পতোৱাও হৈছিল। আহোম ৰজাৰ কুঁৱৰীসকলৰ মুঠি খাৰুবোৰত হেনো হীৰা পতোৱা আছিল। মুঠি খাৰু আলংকাৰিক গঠনত কিছু পৰিমাণে লোক শিল্পৰ পৰিকল্পনা দেখা যায়।' (পৃষ্ঠা ৩৬) গাম-খাৰু, মুঠিখাৰু অসমীয়া সমাজত আজিও প্ৰচলিত।

না. দা.

।। গামছা /পাজাল ।।

ৰাভাসমাজৰ পুৰুষৰ সাজ-পাৰ তেনেই সাধাৰণ। ল'ৰাৰপৰা বুঢ়ালৈকে অধোবাস হিচাপে গামচা/পাজাল অৰ্থাৎ চুৰিয়া ব্যৱহাৰ কৰে। ই দীঘলে ৪-৪½ হাত আৰু বহলে ১½-২ হাত। চুৰিয়া পিন্ধাৰ ঢং অৰ্থাৎ ফেচ্ছনৰ তাৰতম্যতা নথকা নহয়। পুৰণিকলীয়া

বয়োবৃদ্ধসকলে নাভিৰ তলত গাঁঠি দি নিপিন্ধি ছেংকাপাতৰ (কঁকালত ৰখা মন্ত্ৰপূত জৰী) সহায়ত তলপেটৰ বাওঁকাষে আটিলকৈ গুঁজি দি আঁচলৰ সন্মুখ অংশ থোৰ উলিয়াই পিছৰ অংশ দুই উৰুৰ মাজেদি সৰকাই নি পিছফালে খোঁচা দি পোন্ধ মাৰি পিন্ধে। আধুনিক ফেছনমতে সচৰাচৰ কাপোৰখন ২ঃ১ অনুপাত জোখত (১অংশ সন্মুখপিনে লেম্‌লেমীয়াকৈ থোৰ উলিয়াই ২অংশ কৰঙনৰ বাঁও উৰুয়েদি পাৰ কৰি তপিনাৰ পিছপিনে পোন্ধ মাৰি) নাভি দেশৰ কিছু তলত দুই খোচোনাৰ বিপৰীতফালে গুঁজি দিয়ে। পোন্ধটোৰ এছোৰা ময়ূৰৰ পাখি যেন কৰি ওলোমাই ৰাখে। আজিকালি অৱশ্যে বাহিৰত চলা-ফুৰা কৰা যুৱকসকলে পোন্ধ নমৰাকৈ দুয়ো পাৰি আঁচল সমুখপিনে মাটি চুই থকাকৈ তলবস্ত্ৰৰ ওপৰেদি নাভিৰ বহু তলত গাঁঠি দি পিন্ধিহে সুচল পায়, কিন্তু এনে সাজ যি কোনো ৰাজহুৱা সভা, সামাজিক উৎসৱ আদিত নিষিদ্ধ। কোনো কোনোৱে কাম কৰোঁতে সুবিধাজনক বাবে আৰু সৰু সৰু ল'ৰাই লৰা-ঢপৰাত সুচল পাবলৈ কোঁচাই লৈ লেঙুটি সদৃশ হাফপেন্টৰ দৰে চুটিকৈও পিন্ধে। এনেদৰে পিন্ধা ৰীতিক পাজাল ক্ৰেংকায় কায়; পোন্ধ মাৰি পিন্ধাক তৰগোজ জোকায় আৰু পোন্ধ নমৰাকৈ পিন্ধা ৰীতিক এক বান্ধিয়া বোলা হয়। সমাজৰ গণ্য-মান্য লোকে কলাফুল ছেৰা আৰু নগণ্য মানুহে আঁঠুমুৰীয়া চুৰিয়া পিন্ধাৰ ৰীতি আছিল। বয়োবৃদ্ধ এজনে মূল বগা গাৰ ওপৰত নীলা ৰঙা সেউজীয়া পাৰি দিয়া আৰু ডেকাসকলে ৰঙা-ক'লা-হালধীয়া ৰঙৰ পাজাল ফাক্ৰা (পখৰা) পচন্দ কৰে। আঁচবোৰ পোন হ'লে জি'গনাতা পাজাল আৰু বৰ্গক্ষেত্ৰাকাৰ হ'লে তি'পায় আংচো বোলা হয়। ৰংদানী ৰাভা পুৰুষে কিন্তু ডাঠ ৰঙা বা ক'লা গা যুক্ত পাজাল পিন্ধিহে ভাল পাইছিল কাৰণ এনে ৰঙৰ কাপোৰত সহজতে মলি-মাকটি হোৱা চকুত নপৰিছিল।

উ.ৰা.হা.

**।। গামোচা ।।**

হেমচন্দ্ৰ বৰুৱাই গামোচা শব্দটো সংস্কৃত গাত্ৰ-মাৰ্জনী শব্দেৰে সাদৃশ্য দেখুৱাই তাৰ অৰ্থ দিছে এনেদৰেঃ 'গা ধুই পানীটোকা সৰু কাপোৰ, এতেকে তামোল বন্ধা বা মূৰত বন্ধা সৰু কাপোৰ।' ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, গামোচা মূলতে আছিল অংগ বস্ত্ৰ (অংগবস্ত্ৰ >অংগোচ্ছা >গামোচা) কাৰ্যভেদে ব্যৱহাৰ কৰা গামোচাৰ আকাৰ ভিন্ ভিন্। ই দীঘলে ১.৩০ ছেন্টিমিটাৰৰ পৰা ১.৮৫ ছে. মি. আৰু বহলে ৬০ ছে. মিটাৰৰ পৰা ৮৫ চেন্টিমিটাৰ পৰ্যন্ত। সকলো ধৰণৰ গামোচাৰে দীঘৰ দুই ফালে পাৰি থাকে। পথালিৰ দুই ফালে আঁচু বা আঁচু পাৰি দেখা যায়। গামোচাৰ পাৰি, আঁচু ফুল সাধাৰণতে ৰঙা। সেউজীয়া বা আন ৰঙো ব্যৱহাৰ নকৰা নহয়। গাৰি দিয়া গামোচাৰো চাহিদা আছে। বিহুৰ কালত বিহুৱা ডেকাই মূৰত গামোচা গাঁঠি মাৰি লয়, কঁকালত টঙালি বান্ধে। নামঘৰলৈ যাওঁতে ডিঙিত গামোচাখন মেৰাই লোৱাটো দস্তুৰ। পূজা-

সেৱাৰ কালতো ভিত্তিত গামোচাখন থাকেই। মান-সৎকাৰ কাৰ্যতো ইয়াৰ প্ৰয়োগ হয়। কাম-বন কৰোঁতে গাঁৱলীয়া লোকে গামোচাখনকে মেৰাই লয়। গা ধোৱা কালত, গাধুই গা মোচা কৰ্মত অথবা পানীত নামি কাম কৰা কালতো অসমীয়া গঞা লোকৰ অংগবস্ত্ৰ হ'ল - গামোচা। ড° লীলা গগৈয়ে তিয়নী গামোচা, পানী গামোচা আৰু ফুটুকী দিয়া গামোচাৰ লেখ দিছে। নোৱনি গীতত পোৱা যায়; 'গা চাই গামোচা আনাগৈ ঘুনুচা কঁকাল চাই আনাগৈ ধুতি।' 'বিহুগীত'তো গামোচাই এডুখৰি ঠাই নোপোৱা নহয়। 'ডিবৰু জিলাৰ সূতাৰে' বোৱা 'বাবৰি ফুলীয়া' 'আইদেউৰ গামোচাখন' পাবলৈ সকলোৱে হেঁপাহ কৰে; কিন্তু তাক বোৱতে যদি কেনেবাকৈ কেণা লাগে, তেনে অৱস্থাত চেনেহীয়ে দুখেৰে গায় - 'ধনলৈ এ বুলি গামোচা বৈছিলো ফুলতো লাগিলে কেণা।' বিহুৱতী চৰায়ে বিহু বিহু কৰাৰ লগে লগে মাক, বায়েক, ভনীয়েক অথবা মৰমৰ জনীয়ে 'মৰমৰ দীঘ দি চেনেহৰ বাণি বই হেপাহৰ আঁচুৰে বোৱা' গামোচাখনি বিহুৱান ৰূপে পুতেক, ভায়েক, ককায়েক অথবা মৰমৰ জনলৈ আগবঢ়ায়। কিন্তু যাৰ মাক নাই - মৰমৰ লাহৰী নাই তাক গামোচা বই দিব কোনে? তেনেজনে দুখেৰে গায়ঃ

'আই নাই মাউৰা তিৰি নাই বৰলা গামোচা দিওঁতা নাই।'

নামঘৰৰ গুৰু আসন অথবা সত্ৰৰ সিংহাসনতো গামোচা এখন পাৰি নিদিলেই নহয়। এনেবোৰ উদাহৰণে স্পষ্টকৈ প্ৰমাণ কৰে যে অসমীয়া সংস্কৃতিত গামোচাই এক গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সমৰ্থ হৈছে।

না. দা.

**।। গাৰজা পূজা।।**

গাৰজা শব্দৰ বিষয়ে বিভিন্নজনে বিভিন্ন মতামত দাঙি ধৰে যদিও ইয়াৰ উৎপত্তিৰ প্ৰকৰণগত অৰ্থ বৰ্তমানলৈ উলিওৱা হোৱা নাই।

সাধাৰণতে ইয়াক অপদেৱতা নাশ কৰাৰ বাবে কৰা পূজা হিচাপে মনা হয়। প্ৰতিখন গাঁৱতে গাৰজাশালি নামেৰে এখন স্থায়ী থান থাকে আৰু তাতেই এই গাৰজা পূজা পতা হয়। অঞ্চলভেদে এই পূজা বছৰত কিমানবাৰ হ'ব তাৰ সংখ্যাও বেলেগ বেলেগ। কিছুমান অঞ্চলত এই পূজা বছৰেকত এবাৰ, কিছুমানত দুবাৰ আৰু কিছুমানত চাৰিবাৰ পৰ্যন্ত এই পূজা সম্পন্ন কৰা হয়। ইয়াৰে প্ৰথমটো পূজা হয় জেঠ-আহাৰ মাহত, দ্বিতীয়টো ভাদ মাহত, তৃতীয়টো কাতি-আঘোণ মাহত আৰু শেষ তথা চতুৰ্থটো পূজা হয় মাঘ-ফাগুন মাহত।

বড়ো কবিৰাজসকলৰ মন্ত্ৰৰপৰা স্পষ্ট হৈ পৰে যে গাৰজা ১৮ প্ৰকাৰৰ আছে। অঞ্চলভেদে এই গাৰজাৰ নামো বেলেগ বেলেগ হোৱা দেখিবলৈ পোৱা যায়। এই পূজাত বলি বিধানৰ প্ৰচলন আছে যদিও ইয়াৰ কোনো নিৰ্দিষ্টতা নাই। কুকুৰাৰ কণী

কিন্তু এই পূজাত (সকলো অঞ্চলতে) অৰ্পণ কৰা হয়। আৰু আৰ্য দেব-দেৱী বাৰ গোপাল, বাৰ গোপীনীৰ কাৰণে তিনিটা পাৰ চৰাই উৰুৱাই দিয়া হয়। লক্ষণীয়ভাবে গাৰজা পূজাত মহিলাসকলে পোনপোটীয়াকৈ কোনো ভাগ নলয়। তথাপিও বছৰৰ শেষ পূজাটোত পূজাৰ লগত সংগতি ৰাখি মহিলাসকলৰ বাবে ৰং-ৰহইচ কৰাৰ সুবিধা কৰি দিয়া হয়।

(কৃতজ্ঞতা- ভূপেন নাৰ্জাৰী)

ক. তা.

।। গাৰৈ ব্ৰত ।।

ত্ৰিপুৰাত বসবাস কৰা বঙালী সম্প্ৰাদয়ৰ লোক, যিসকলৰ পূৰ্বজসকল বিশেষকৈ আগৰ পূব পাকিস্তান বা বৰ্তমানৰ বাংলাদেশৰ বাসিন্দা আছিল, তেওঁলোকৰ মাজত গাৰৈ ব্ৰত অতি জনপ্ৰিয়। এই অঞ্চলৰ বঙালী হিন্দুসকলৰ লোকাচাৰ মতে আহিনৰ সংক্ৰান্তিৰ দিনা প্ৰতিগৰাকী বোৱাৰীয়ে তেওঁলোকৰ মৃত শাহুৱেকৰ নামত এসাঁজ ভাত উৎসৰ্গা কৰিব লাগে। এইক্ষেত্ৰত তেওঁলোকে কেৱল ঝুম খেতিত উৎপন্ন হোৱা ধানৰ চাউলেৰেহে ভাত সাজ দিয়াটো এটি প্ৰচলিত পৰম্পৰা। এই চাউল জনজাতীয় লোকসকলে পাহাৰৰ এঢলীয়া ঠাইত জঙ্গল মুকলি কৰি বছৰে বছৰে স্থান সলনি কৰা ঝুম খেতিৰ হোৱাটো বাঞ্ছনীয়। গতিকে এই পৰম্পৰাই হয়তো এই কথাকে সূচায় যে বঙালী সম্প্ৰদায়ৰ বোৱাৰীসকলৰ নিশ্চয় ঝুম খেতিৰ লগত সম্বন্ধ থকা জনজাতীয় পৰিয়ালবোৰৰ লগত কিবা যোগসূত্ৰ আছিল। এই গাৰৈ ব্ৰতৰ সময়ত বোৱাৰীসকলে মৃত শাহুৱেকৰ ভাতসাঁজ ৰান্ধি বাঢ়ি আগবঢ়াই নিদিয়ালৈকে উপবাসে থকাটো এটা নিয়ম।

ব.কু.দা.

।। গাৰো জনজাতিৰ সাজ-পাৰ ।।

মেঘালয়ৰ গাৰোসকল এটা কালত পিন্ধা-উৰাত উদাসীন আছিল বাবে তেওঁলোকৰ পিন্ধা-উৰা অতি সাধাৰণ। অতীতকালত উক্ত সমাজৰ পুৰুষসকলে গানদো নামৰ এবিধ কৌপিন পৰিধান কৰিছিল। এই কাপোৰখন প্ৰায় ছয় ইঞ্চিমান বহল আৰু ছয় ফুটমান দীঘল। আনহাতে গাৰো মহিলাসকলেও এহাততকৈ কম বহলৰ গামোচা আকৃতিৰ ৰেখিং বা গানা-ৰেখিং নামৰ এখন কাপোৰ কঁকালত মেৰিয়াই লৈছিল। সেই সময়ত পুৰুষ-মহিলা উভয়ে শৰীৰৰ উৰ্ধ অংশ উন্মুক্ত কৈ ৰাখিছিল। প্ৰাচীন কালত সম্ভ্ৰান্ত গাৰো লোকসকলৰ উপৰি উৎসৱৰ সময়ত ডেকা-গাভৰুসকলেও এবিধ বিশেষ ধৰণৰ পাগুৰি মূৰত মাৰিছিল। বৰ্তমান সময়ত আধুনিকতাৰ প্ৰভাৱত তেওঁলোকৰ সাজপাৰৰ ক্ষেত্ৰত যথেষ্ট পৰিবৰ্তন সাধিত হৈছে। বৰ্তমানে গাৰো মহিলাসকলে নিজ হাতে বোৱা দাকমান্দা নামৰ ভৰি গেৰোহালৈকেপৰা এখন ৰং-বিৰঙৰ ফুলাম কাপোৰ কঁকালত মেৰিয়াই পিন্ধে।

দাকমান্দাৰ উপৰি তেওঁলোকে ব্লাউজ আৰু চাদৰো ব্যৱহাৰ কৰা দেখা যায়। আনহাতে ওৱাংগালা উৎসৱত নৃত্য কৰাৰ সময়ত মহিলাসকলে অসমীয়া পাটকাপোৰেৰে তৈয়াৰী এবিধ মাৰাং জাচকু নামৰ অতি মূল্যবান পোছাক পৰিধান কৰে। সেইদৰে গাৰো পুৰুষসকলে উৎসৱৰ সময়ত কান্ধৰ ওপৰেদি গাঁঠি দি পিন্ধা পান্‌দ্ৰা নামৰ এবিধ বিশেষ সাজ ব্যৱহাৰ কৰে। পৰম্পৰাগত গাৰো সাজ-পাৰ প্ৰধানকৈ পাহাৰীয়া অঞ্চলৰ গাৰোসকলৰ মাজতহে দেখিবলৈ পোৱা যায়। অসম-মেঘালয় সীমান্তত বাস কৰা গাৰোসকলৰ মাজত অসমীয়া সাজ-পাৰৰ প্ৰভাৱ পৰাটো তাৎপৰ্যপূৰ্ণ। এই অঞ্চলৰ বহুতো মহিলাই মেখেলা চাদৰ আৰু পুৰুষসকলে ধুতী-চোলা বা গামোচা পৰিধান কৰা দেখা যায়।

ন.চৌ.

**।। গাৰোসকলৰ আগালমাকা।।**

গাৰোসকলৰ আগালমাকা হ'ল কৃষিভিত্তিক লোক উৎসৱ। গাৰোসকল কৃষিজীৱী লোক। ঝুম খেতি হ'ল তেওঁলোকৰ প্ৰধান খেতি। পাৰ্বত্য অঞ্চলত বাস কৰা গাৰোসকলৰ বাবে ঝুম খেতি কৰাটো অতি কষ্টকৰ কাম। ঝুম খেতিৰ বাবে গাৰোসকলে এডোখৰ ঠাই নিৰ্বাচন কৰি লয়। ঝুম খেতি কৰা ভূমিক আখিং বোলা হয়। এই আখিং এজন নোক্‌মাৰ অধীনত থাকে বাবে তেওঁক আখিং নোক্‌মা বোলে। আঘোণ-পুহ মাহত নিৰ্দিষ্ট আখিঙৰ মাটি প্ৰত্যেক পৰিয়ালৰ প্ৰয়োজন মতে ভাগ কৰি লয়। সৰহ সংখ্যক পৰিয়ালৰ মাটি বেছি আৰু কম সংখ্যক পৰিয়ালৰ মাটি কম। প্ৰত্যেক পৰিয়ালে নিজৰ নিজৰ মাটি দখল কৰি তাৰ চিন স্বৰূপে অলপ-অচৰপ হাবি-জংঘল কাটি লয়। ই কৃষিকৰ্মৰ এক প্ৰাৰম্ভিক অৱস্থা আৰু ইয়াক গাৰো ভাষাত ওফাতা বুলি কোৱা হয়। ইয়াৰ পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে নিজ নিজ মাটি পৰিষ্কাৰ কৰি কৃষি উপযোগী কৰি তোলে। তাৰ পিছত মানুহখিনি নিজ গাঁৱলৈ ঘূৰি আহি আগালমাকা উৎসৱ পালন কৰে। এই উৎসৱ পালনৰ উদ্দেশ্য হ'ল— আৰম্ভ কৰিব খোজা ঝুম খেতি যাতে নদন-বদন হয়। দেৱ-দেৱীসকলে প্ৰয়োজনীয় বৃষ্টি দি শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে শস্যৰ নানা প্ৰকাৰৰ অপায়-অমঙ্গল দূৰ কৰে। তাৰ কাৰণে প্ৰাৰ্থনা জনোৱা হয়।

"অনুষ্ঠানটিৰ আৰম্ভণিতে এডোখৰ দীঘল বাঁহ মাটিত পোতা হয়। বাঁহডোখৰৰ গুৰিত কলপাত পাৰি সিদ্ধ ধান, ভাত, মাংস, শুকান মাছ আদি ৰখা হয়। তাৰ লগত এটি পাত্ৰত চু (মদ) ৰখা হয়। দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ ডেকা-গাভৰুৱে চু পান কৰি ওৰে ৰাতি নাচ-গান কৰি কটায়। পিছদিনাও গোটেই দিন-ৰাতি সকলো মানুহে আনন্দ উৎসৱ কৰি কটায়। দ্বিতীয়দিনা ৰাতিহে আনন্দ উৎসৱ শেষ হয়। এই উৎসৱৰ

সামৰণিক দামা গোগাতা বোলে। আগালমাকা উৎসৱ সমাপ্তিৰ পিছদিনাৰপৰা শস্যৰ গুটি সিঁচিবলৈ আৰম্ভ কৰে। এই আগালমাকা উৎসৱত যি নৃত্য কৰা হয়, সেই নৃত্যৰ লগত আচিৰোকা গীত পৰিবেশন কৰা হয়। আচিৰোকা হ'ল কৃষি উৎসৱ আগালমাকাৰ লগত জড়িত গীত। এই আগালমাকা উৎসৱক অসমীয়া গোছ দিয়া বা গোছ ৰোৱা উৎসৱৰ লগত তুলনা কৰিব পাৰি।" (ড° থিমল মজুমদাৰ ঃ জনজাতি আৰু গাৰো জনজাতি।)

গো. সু.

।। গাৰোসকলৰ দোচীয়া উৎসৱ।।

গাৰোসকলে বিবাহ উৎসৱক দোচীয়া বুলি কয়। প্ৰত্যেক সমাজৰ প্ৰতিটো সম্প্ৰদায়ৰ দৰে গাৰো সমাজতো বিয়া পৰম্পৰাগত কিছুমান ৰীতি-নীতিৰে পালন কৰা হয়। গাৰোসকলে বিয়া দুই ধৰণে পালন কৰে। এবিধ হৈছে নোক্ৰম আৰু আনবিধ হৈছে আগাতে। নোক্ৰম বিয়া হৈছে পৰিয়ালৰ উত্তৰাধিকাৰী হিচাপে মনোনীত কন্যা গৰাকীয়ে বিয়া কৰাই দৰাক কইনাৰ ঘৰলৈ লৈ আহি পৰিয়ালৰ সদস্য বুলি গ্ৰহণ কৰে। গাৰো ভাষাত নোক্ৰম মানে উত্তৰাধিকাৰী। আগতে বিয়া হৈছে - বিয়াৰ পিছত দৰা-কইনাই শহুৰ-শাহুৰ লগত নাথাকি বেলেগ ঠাইত থাকিও সংসাৰ পাতিব পাৰে। এইধৰণৰ বিয়াত কইনাজনী উত্তৰাধিকাৰী নহয়। গাৰো ভাষাত আগাতে মানে পৰিয়ালৰ উত্তৰাধিকাৰী নোহোৱা আন আন কন্যাসকল। অসমীয়া ব্ৰাহ্মণসকলৰ দৰে গাৰোবিলাকৰো পৰম্পৰাগত ৰীতি অনুসৰি একে গোত্ৰৰ মাজত বিবাহ নিষিদ্ধ অৰ্থাৎ দৰা-কইনা দুয়ো দুটা বেলেগ গোত্ৰৰ হব লাগে। নোক্ৰম বিবাহৰ নোক্ৰমগৰাকীক শৈশৱ অৱস্থাতে মনোনীত কৰা হয়। এই বিধ বিয়াত সাধাৰণতে নিজ ভাগিনীয়েকক প্ৰথম অগ্ৰাধিকাৰ দিয়ে। দৰা হিচাপে মনোনীত ল'ৰাজনক গাঁৱৰ ডেকা ল'ৰাৰ হতুৱাই ধৰাই আনি নোক্ৰমৰ লগত পৰম্পৰাগত প্ৰথাৰে বিয়া পাতি দিয়া হয়। কেতিয়াবা দৰাজন পলাই যায় আৰু তেতিয়া ধৰি লৈ আনে। অৱশ্যে এবাৰো পলাই নগৈ বৈ যোৱাজনক টোকোনা বুলি হেয় জ্ঞান কৰে। যদি তিনিবাৰকৈ পলাই যায, তেনেহ'লে অনিচ্ছুক বুলি গণ্য কৰি বেলেগ পাত্ৰক মনোনীত কৰি বিয়া পতা হয়। বিয়াত খামালে (পুৰোহিত) দুটা কুকুৰা চৰাই আনি দৰা-কইনাৰ পিঠিত চপৰিয়াই দিয়ে আৰু দেৱ-দেৱীৰ উদ্দেশ্যে সুৰ লগাই মন্ত্ৰপাঠ কৰে। দৰা-কইনাই কুকুৰা দুটাৰ পিঠিত কোবাই কোবাই সেইদিনাৰপৰা বৈবাহিক জীৱন আৰম্ভ কৰা বুলি মানি লয়। খামালে কুকুৰা দুটাৰ মূৰ ছিঙি সেই তেজ দৰা-কইনাৰ পিঠিত ঘঁহি দিয়ে। অসমীয়া বিয়াৰ দৰে এওঁলোকেও বিয়াত বিয়ানাম লগতে জোৰা নামো গায়। ৰাতিৰ ফালে আত্মীয় স্বজন, ওচৰ চুবুৰীয়া, বন্ধুবান্ধৱ, শুভাকাংখী সকলক আপ্যায়িত কৰি দোচীয়া

উৎসৱ সম্পন্ন কৰে।

অ. চৌ.

।। গাৰোসকলৰ মাঙোনা ।।

গাৰো সমাজৰ প্ৰচলিত লোক উৎসৱ সমূহৰ ভিতৰত মাঙোনা অন্যতম। এই উৎসৱ মৃত্যু ক্ৰিয়াৰ লগত জড়িত। গাৰো সমাজ এখনত এটা বছৰৰ ভিতৰত মৃত্যু হোৱা লোকসকলৰ সমূহীয়া শ্ৰাদ্ধ বছৰটোৰ শেষত নিৰ্দিষ্ট কোনো এটা দিনত পতা হয়। ইয়েই মাঙোনা উৎসৱ। গাৰো সমাজত কোনো ব্যক্তিৰ মৃত্যু ঘটিলে শিঙা বজাই গাঁৱত জাননী দিয়ে। গাঁৱৰ মানুহে সমূহীয়াভাৱে শ সংকাৰ কৰে। সংকাৰ কৰাৰ পিছত মৃত ব্যক্তিৰ উদ্দেশ্যে এটি সৰু ঘৰ (দেলং)ত মৃতকৰ অশৰীৰী আত্মাৰ বাবে কেতবোৰ বস্তু সেই সৰু ঘৰটোত ৰখা হয়। মৃতকৰ আত্মা মাঙোনা উৎসৱ নপতালৈকে দেলঙত থাকে বুলি গাৰো সমাজত বিশ্বাস কৰা হয়। দেলঙৰ লগতে এটি মূৰ্তি (কিমা) সজোৱা হয়। কিমা হ'ল মৃত ব্যক্তি জনাৰ স্মৃতিচাৰণ। এনেদৰে বছৰটোৰ ভিতৰত মৃত্যু হোৱা ব্যক্তিসকলোৰে আত্মা দেলঙত বিদ্যমান হৈ থাকে। বছৰটোৰ শেষত মৃতকৰ পৰিয়ালে গাঁৱৰ সমজুৱাৰে সৈতে যেতিয়া মাঙোনা উৎসৱ পালন কৰে তেতিয়াহে মৃতকৰ আত্মাৰ শুদ্ধি হয়। এই মাঙোনা উৎসৱৰ লগত কাবে নামৰ এক শ্ৰেণীৰ মালিতা গীত গোৱা হয়। বছৰৰ শেষত পতা এই মাঙোনা উৎসৱ আৰু অসমীয়া বছৰেকীয়া শ্ৰাদ্ধৰ মিল লক্ষ্য কৰা যায়।

(ড° বিমল মজুমদাৰৰ জনজাতি আৰু গাৰো জনজাতিৰ আধাৰত যুগুতোৱা)

গো. সু.

।। গাৰোসকলৰ মৃতদেহ সংকাৰ ।।

যিসকল গাৰো খ্ৰীষ্টধৰ্মী তেওঁলোকে মৃতদেহ কবৰ দিয়ে। যি সকল চংচাৰিক অথাৎ হিন্দু তেওঁলোকে কোনোৱা দূৰত থাকিলে, তেওঁলোকক তিনিদিনলৈ বাট চাই মৃতদেহ ৰাখি থয়। সেই তিনিদিন তেওঁলোকৰ সমাজৰ ডেকাল'ৰাবিলাকে, ওচৰ-চুবুৰীয়া আৰু আত্মীয়-স্বজনে মদ্যপান কৰি কৰুণ সুৰত ক্ৰাম বজাই, জুই জ্বলাই পোহৰ কৰি ৰখি থাকে। খবৰ ল'বলৈ অহা লোকসকলে সামৰ্থ অনুযায়ী চাউল, মদ, কুকুৰা, বলদ আদি লৈ আহে। এনে প্ৰথা যদিও বাধ্যতামূলক নহয় তথাপিও তাক অনুসৰণ কৰিয়ে আহিছে। চাংচাৰিকসকলে মৃতদেহ দাহ কৰাৰ আগেয়ে আত্মীয়ৰ হতুৱাই দেশীমদৰ (চুৰিচ্ছিৰ) দ্বাৰা মৃতদেহ স্নান কৰায়। অৱশ্যে যিসকল আৰ্থিকভাৱে দুৰ্বল, তেওঁলোকক পানীৰ দ্বাৰা স্নান কৰায়। পাৰিলে নিজ গাঁৱৰ ভিতৰত বা নিজ চৌহদৰ ভিতৰত মৃতদেহ সংকাৰ কৰে। মৃতদেহ ভস্মীভূত হোৱাৰ পিছত তাৰে ওপৰত এটা বাঁহেৰে ঘৰ সাজি থয়।

এইঘৰটোক গাৰো ভাষাত দেলং বুলি কয়। এই দেলঙত মৃতকৰ উদ্দেশ্যে তেওঁ ব্যৱহাৰ কৰা বস্তু, খাদ্য, পানীয়, ধান আদি নৈৱেদ্য হিচাপে আগবঢ়ায়। বহুদিন পিছত খেতি চপোৱাৰ পিছত মাঙোনা বা ৱানগালা উৎসৱত এই দেলংটো পুৰি পেলায়। মৃতদেহ সৎকাৰৰ পিছত পান-ভোজনৰো আয়োজন কৰে।

অ.চৌ.

।। গাৰোসকলৰ ৰংচুগালা।।

গাৰোসকলে কৃষিৰ আৰম্ভণিতে আগালমাকা উৎসৱ পতাৰ দৰে কৃষিৰ শেষৰ কালত ৰংচুগালা উৎসৱ পালন কৰে। ই গাৰোসকলৰ অন্যতম কৃষি উৎসৱ। গাৰো ভাষাত ৰংচু মানে চিৰা। গতিকে উৎসৱ অনুষ্ঠিত কৰাৰ অৰ্থ হ'ল নতুন শস্য খাবলৈ আৰম্ভ কৰা। নতুন শস্য পকাৰ সময়ত ঘৰে ঘৰে প্ৰস্তুত কৰা চু (মদ) সংগ্ৰহ কৰি অনা হয়। খেতিৰ আধাপকা ধানৰপৰা চিৰা প্ৰস্তুত কৰা হয়। প্ৰথমতে উপাস্য দেৱ-দেৱীলৈ চিৰা আৰু মদ আগবঢ়োৱা হয়। তাৰ পিছত গাঁৱৰ ৰাইজে চিৰা আৰু মদ পৰিৱেশন কৰি আনন্দ কৰে। এই উৎসৱ পতাৰ আগেয়ে খেতিৰ নতুন শস্য খোৱা নিষেধ। গাৰোসকলৰ এই উৎসৱৰ লগত অসমীয়াৰ ন-খোৱা উৎসৱৰ মিল লক্ষ্য কৰা যায়।

(ড° বিমল মজুমদাৰৰ জনজাতি আৰু গাৰো জনজাতিৰ আধাৰত যুগুতোৱা)

গো. সু.

।। গীতাল / গীদাল।।

অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ গোৱালপাৰাত জনপ্ৰিয় লোকধৰ্মী নাট্যানুষ্ঠান কুশান-গান। কুশান-গান বা ৰাৱণ - গান নৃত্য গীত সংলাপ আৰু অভিনয়ৰ সমষ্টি। কুশান-গান পদটো দুটা শব্দৰ সমষ্টি ঃ কুশ আৰু গান। কুশ শব্দটো সীতাৰ পুত্ৰ কুশৰ পৰা আহিব পাৰে। গান শব্দটোৱে গীত আৰু অভিনয়ৰ অৰ্থ বুজায়। পৰম্পৰা মতে ৰামৰ পুত্ৰ লৱ-কুশই প্ৰথমে ৰামায়ণ গীত আবৃত্তি কৰিছিল। কুশান গানৰ বিষয়বস্তু ৰামায়ণ কথা। কুশান গানত বেণা অপৰিহাৰ্য বাদ্যযন্ত্ৰ। সেইবাবে কুশান গানক বেণা - গান বুলিও কয়। এই গানত ১৪/১৫ জন শিল্পী থাকে। তাৰে নেতা বা মুখ্যজনক বোলা হয় মূল বা গীতাল বা গীদাল। দলৰ এজন প্ৰধান সহকাৰী বা দোৱাৰী (দোহাৰী), কেইবাজনো পাইল (পালি) বাইন (বায়ন) আৰু নৃত্য কৰাত পাকৈত বালক (চেংড়া) থাকে। গীদালে ওজাপালিৰ ওজাৰ দৰে হাতত চোঁৱৰ লৈ গোটেই অনুষ্ঠানটোৰ গুৰি বঠা ধৰে।

কুশান গানৰ অভিনয় সৰস্বতী দেৱীৰ বন্দনাৰে আৰম্ভ হয়। প্ৰথমে বেণা সংগত কৰি গীত গাই গীতালে মঞ্চত প্ৰৱেশ কৰি মঞ্চ ৰ চাৰিওফালে বৃত্তাকাৰ ভাৱে ঘূৰে। গীতালৰ পিছতেই দোৱাৰী বা চেংড়া কেইজনমানে মঞ্চত প্ৰৱেশ কৰে। এওঁলোকে গীতালক গীত পদ নৃত্য আদি পৰিৱেশনত সহায় কৰে। দোৱাৰী হ'ল গীতালৰ দক্ষিণ হস্ত স্বৰূপ।

-গান-খুহুতীয়া কথাত তেওঁ পাৰ্গত হ'ব লাগে। হাস্য ব্যঙ্গৰ সৃষ্টিতো দোৱাৰীৰ অৱদান থত লবলগীয়া। কুশান গানত দোৱাৰীৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। গীদালে লগাই দিয়া বোৰ পাইল বা পালিয়ে সুৰ ধৰি গায়। খোল, তাল, পেঁপা, বাঁহী, দোতাৰা বাদ্য াৱা বাদকে গীতৰ সংগীত পৰিবেশন কৰে। সংগীতৰ তালে তালে চুকুৰীসকলে ্য পৰিবেশন কৰে। গীদাল বা গীতাল আৰু দোৱাৰীয়ে ওজাপালি অনুষ্ঠানৰ দৰে চ পদ অৰ্থব্যঞ্জক মুদ্ৰাসহ পৰিবেশন কৰে। কেতিয়াবা গীতৰ মাধ্যমেদি গীতৰ বিৰতিত হিনীৰ একোটা অংশৰ অভিনয় আৰু সংলাপৰ ব্যৱস্থা কৰি বিষয়বস্তু দৰ্শনীয় আৰু াদনীয় কৰি তোলে। তদুপৰি আখ্যানৰ লগত সম্পৰ্ক নথকা পায়াৰ আৰু চট্‌কা ৰ লঘু গীত পৰিবেশন কৰি দৰ্শকক আনন্দিত কৰে।

ম. দে.

**গুমৰাগ (চঃমান) নৃত্য ।।**

**গুমৰাগ** নৃত্য মিচিং জনজাতিৰ জাতীয় পৰিচয়জ্ঞাপক নৃত্য। কৃষিজীৱী মিচিং াজৰ **গুমৰাগ** নৃত্য কৃষিৰ সৈতে সম্পৰ্কযুক্ত। এই নৃত্য আলি আই লৃগাং উৎসৱত ৰিবেশন কৰে। প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে অনুষ্ঠিত কৰা শস্য সিঁচা উৎসৱ লি আই লৃগাঙৰ খোৱা বোৱা আৰু অতিতি সৎকাৰ সমাপ্ত হোৱাৰ পিছত গুমৰাগ ্য আৰম্ভ হয়। মিচিং সমাজে বিশ্বাস কৰে যে ডেকা-গাভৰুৰ গুমৰাগ নৃত্যৰ মূৰ্চ্ছনাই মতীক বেছি উৰ্বৰা কৰি তোলে। শস্যৰ শ্ৰীবৃদ্ধি সাধনত এই নৃত্যই বৰঙণি যোগায়। ্লখ্য যে মিচিংসকলে পঃৰাগ উৎসৱতো (নৰা-ছিগাবিহু) গুমৰাগ নৃত্য পৰিবেশন ৰ। পঃৰাগ উৎসৱত অংশ গ্ৰহণ কৰিবলৈ অন্য গাঁৱৰ ৰাইজক মিনম বা অতিথি াপে নিমন্ত্ৰণ জনায়। এই আমন্ত্ৰিত অতিথিক বাটৰপৰা উৎসৱথলী মুৰংঘৰলৈ গুমৰাগ ৰ যোগেদি আগবঢ়াই নিয়ে। আলি আই লৃগাঙৰ গুমৰাগ নৃত্যত সকলো ৰাইজে শগ্ৰহণ কৰে। গুমৰাগৰ ঢোল আৰু নাচৰ সমলয় মন কৰিবলগীয়া। লৃগাং নিঃতম ীতৰ চেৱে চেৱে গুমৰাগ নৃত্য পৰিৱেশন কৰে। এই নৃত্যত বিভিন্ন অংগী-ভংগীত াশ পায় মাটি চহ কৰা, কঠিয়াতোলা, ভূঁইৰোৱা, তাঁতবোৱা, ধানদোৱা, শস্য হালি লৈ থকা ইত্যাদি কাৰ্য। ঢোলৰ লগতে এই নৃত্যত পেঁপা আৰু বৰকাঁহো ব্যৱহাৰ কৰে। ৰ সকলো লোকেই তেওঁলোকৰ জাতীয় পোচাক পৰিধান কৰি গুমৰাগ নৃত্যত শগ্ৰহণ কৰে। প্ৰতিঘৰ গৃহস্থৰ চোতালত এই নৃত্য পৰিৱেশন কৰে। ঘৰে ঘৰে গোৱা ৰাগে গাঁওখনৰ প্ৰতিঘৰলৈ সহায়-সহযোগৰ বাৰ্তা বহন কৰি আনে। মিচিং সকলে াস কৰে যে ঢোলৰ চাপৰ আৰু নৃত্যত বসুমতীৰ বুকু কম্পিত হয়। ধৰিত্ৰীক জাগৰণ াই এই নৃত্যৰ উদ্দেশ্য। অৱশ্যে গীত নৃত্যৰ সমাহাৰত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি আৰু সকলোৰে মন আনন্দ উলাহত নাচি উঠে। বিভিন্ন দেৱ-দেৱীক আকৰ্ষিত কৰাও

এই নৃত্যৰ অন্যতম লক্ষ্য। ডেকা-গাভৰুৰ একতাৰ শক্তিৰে সকলোকে নির্ভয়ে জীয়াই থকাৰ প্রেৰণাও এই নৃত্যই যোগায়। গুমৰাগ নৃত্য আবেলি-সন্ধিয়া আৰম্ভ হৈ ওৰে ৰাতি প্রতি ঘৰত আশীর্বাদ দি শেষ ৰাতি সমাপ্ত হয়।

গো.সু.

।। গুৰুআসন ।।

অসমীয়া সামাজিক আৰু ধর্মীয় জীৱনক সঞ্জীৱিত কৰা নামঘৰৰ এক অবিচ্ছেদ্য অংগ গুৰুআসন। মহাপুৰুষীয়া ধর্মত মণিকূটৰ গুৰুআসনভাগিক সাক্ষাত ভগৱান কৃষ্ণৰ প্রতীকস্বৰূপে জ্ঞান কৰা হয়। এই আসনভাগি সাতখলপযুক্ত। প্রতিটো খলপে ভক্তিধর্মৰ তত্ত্ব কেতবোৰৰ নিদর্শন দাঙি ধৰে। গুৰু-আসনৰ সর্বোচ্চখলপত মহাভাগৱত গ্রন্থ বা গুণমালা পুথি এভাগি প্রতিষ্ঠা কৰা হয়। গুৰুআসনত থকা সিংহৰ প্রতীকে হৰি নামৰ অর্থ ব্যক্ত কৰে আৰু এই সিংহ ৰূপী হৰিনামে হৰিভক্তিৰ অন্তৰায় হস্তীসদৃশ ৰিপুসমূহক দমন কৰি থকা দৃশ্য গুৰুআসনত দেখা যায়। হৰিনামত শৰণ ল'লেই মানৱ আত্মা সংযম হৈ পৰে আৰু এই সংযমতাৰ প্রতীক গুৰুআসনৰ কাছ। অর্থাৎ-কাছৰূপী জীৱক হৰিভক্তিৰ অন্তৰায় হস্তীয়ে দমন কৰি থাকে। জীৱক হস্তীৰ দমনৰ পৰা সিংহৰূপী হৰিনামে ৰক্ষা কৰে আৰু জীৱই ঈশ্বৰমুখী হয় তথা ঈশ্বৰৰ কৰুণা লাভ কৰে। গুৰু আসনত খোদিত গৰুড় সমস্ত বেদৰ সাৰবস্তুৰ প্রতীক। গুৰুআসনৰ ওপৰত থকা চন্দ্ৰতাপখনিৰ শুভ্ৰবর্ণ একশৰণ হৰিনাম ধর্মৰ প্রতীক। গুৰুআসনৰ সন্মুখত প্রজ্বলিত বন্তিগছি গুৰু বন্তিৰ প্রতীক। এনেদৰে গুৰুআসনৰ সমগ্ৰ প্রতীকে ভক্তি তত্ত্ব প্রকাশ কৰিছে। এইতত্ত্বসমৃদ্ধ গুৰু-আসন তিনি প্রকাৰৰ দেখা যায়। সিংহাসন, গৰুড়াসন আৰু ময়ূৰাসন। এই গুৰু আসনভাগি বৈষ্ণৱ ধর্মৰ অপৰিহার্য সম্পদ হোৱাৰ লগতে শংকৰী যুগৰ ভাস্কর্য শিল্পৰো এক সুন্দৰ নিদর্শন।

বি. পা.

।। গেৰবা উৎসৱ।।

বৰলুইতৰ পাৰত বাসকৰা ডিমাছা কছাৰীসকলে প্রতিবছৰে খেতি আৰম্ভ কৰাৰ পূর্বে ফাগুন মাহৰ শুক্লপক্ষৰ শুকুৰ বা দেওবাৰে পালন কৰে গেৰবা উৎসৱ। গেৰবাৰ অর্থ গাৰবা (ভগৱানক দিয়া ভোগ)। ৰাইজক সকলো ধৰণৰ বিপদ-আপদৰপৰা ৰক্ষা কৰিবলৈ আৰু অনাগত খেতি-বাতি নদন-বদন হোৱাৰ আকূতিৰে পুৰণিক বিদায় দি নতুন বছৰক স্বাগত জনোৱাৰ প্রাক্-মুহূর্তত বছৰেকৰ বাবে শিৱলৈ (ব্ৰাই শিৱাৰায়) ভোগ আগবঢ়াই গেৰবা উৎসৱ পালন কৰা নিয়ম। এমাহমানৰ আগৰেপৰা উৎসৱৰ বাবে যা-যোগাৰ কৰা হয়। গাঁওবুঢ়াই (খুনাঙ) সহাকাৰীৰ সহায়ত (ডিলি) গাঁৱৰপৰা

টকা-পইছা বা ধান-চাউল সংগ্ৰহ কৰি তিৰোতাসকলৰ দ্বাৰা লাও পানী (জুছি) প্ৰস্তুত কৰে। পূজাৰ সম্ভাৰসমূহৰ ভিতৰত কলপাত, বাঁহ, কপাহী সূতা, পিঠাগুড়ি, তামোল-পাণ, কেঁচাকল, চুৰাত প্ৰস্তুত কৰা নিৰামিষ তৰকাৰী, লাওপানী, চাকি, তেল, এঘটি পানী, কণী, পহুশিঙৰ অকণমান গুড়ি, শিৱ-পাৰ্বতীৰ নামৰ এহাল পখৰা ছাগলী, মতা কুকুৰা আৰু তিনিটা মাইকী কুকুৰা প্ৰধান। তিৰোতাৰ প্ৰৱেশ ৰুদ্ধ এই উছৱত পুৰুষসকলে হাবিলৈ গৈ এডোখৰ ঠাই পূজাৰ বাবে চিকুণাই লয়। পূজাৰ দিনাখন পুৰোহিতে নতুন কাপোৰ পৰিধান কৰি বাঁহৰ খুঁটি পুতি গাঁৱৰ পথ ৰুদ্ধ কৰি দিয়ে। বাৰ বজালৈ সকলো লঘোণে থাকি পূজাথলীত আঠখন কলপাতত দেৱতালৈ ভাত, তামোল—পাণ, পিঠাগুড়ি, লাওপানী, পিঠাগুড়িৰে ৰন্ধা মাংস, শুকানকৈ ভজা মাংস আদি পূবমুৱাকৈ শিৱ-পাৰ্বতীলৈ আগ কৰি ৰাইজৰ মংগল কামনাৰে পুৰোহিতে মন্ত্ৰ মাতে। উপাস্য দেৱতালৈ ভোগ আগবঢ়োৱাৰ পিছত ৰাইজে খোৱা বোৱা কৰি ঘৰা ঘৰি যায়।

(অসমীয়া প্ৰতিদিনৰ ১৮ মাৰ্চ ২০০৬ ত প্ৰকাশিত আলোনুনিছা থাওছেনৰ টোকাৰ আধাৰত যুগুতোৱা)

না. দা.

**।। গোছ উঠা উৎসৱ ।।**

গোছ লোৱা উৎসৱেৰে আৰম্ভ কৰা পথৰুৱা কৃষি উৎসৱৰ সামৰণি মৰা হয় - গোছ উঠা উৎসৱেৰে। ধান ৰোৱা শেষ হোৱাৰ দিনা আঠ অথবা দহ মুঠি কঠিয়া সুকীয়াকৈ ৰাখি সেইখিনি কঠিয়া একগোটকৈ নিজৰ খেতিপথাৰখনিৰ এটি কোণত পুতি থয়। কোনোৱে এক গোছ কৰাৰ পৰিবৰ্তে ডাঙৰ-ডাঙৰকৈ কেই গোছ মান ঘূৰণীয়াকৈ ৰুই সোঁমাজত এক গোছ ৰোৱে। আন কোনোৱে আকৌ ঘূৰণীয়াকৈ ৰোৱাৰ পৰিবৰ্তে চতুৰ্ভুজ আকাৰত ৰুই ভঁৰাল (কামৰূপত ভাখৰী) বান্ধে। ভঁৰাল বন্ধা হোৱাৰ পিছত খেতিয়কে তাৰ ওপৰত লক্ষ্মী গোসাঁনীৰ নাম লৈ পানী ছটিয়ায় আৰু পিছলৈ নোচোৱাকৈ ঘৰলৈ যাত্ৰা কৰে। কোনো কোনো লোকে আগলৈ বৰষুণ হোৱাৰ কামনাৰে ভঁৰাল বন্ধা ঠাইৰ ওপৰত দুহাতেৰে পানী সিঁচি থৈ অহা দেখা যায়।

হাল উঠাৰ দিনা খেতিয়কে ঘৰত নাঙল ধোৱা উৎসৱ পাতে। সেইদিনা নাঙল যুঁৱলি সুন্দৰকৈ ধুই-মচি নাঙল থোৱা ঠাইত ৰখাৰ ব্যৱস্থা কৰি ঘৰৰ আটায়ে নাঙল ধোৱা পিঠা বা ভাত পিঠা খায়। এই পিঠাৰ সন্দৰ্ভত ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে - 'কেঁচা পিঠাগুড়ি পানীৰে সানি লৈ বাঁহৰ চালনীত ঘঁহাই ঘঁহাই উতলা পানীত দিলে টান মাৰি সৰু সৰু পুলিৰ আকৃতিৰ পিঠা হয়। কোনো ঠাইত এই নাঙল ধোৱা উৎসৱ আহিন-কাতি মাহৰ সংক্ৰান্তিত পালন কৰে।'

না. দা.

**।। গোছ ৰোৱা বা ভুঁই ৰোৱা উৎসৱ ।।**

'খেতি আৰম্ভ কৰাৰেপৰা ৰুই তুলি; দাই-চপাই, ধান বহুই শুকুৱাই খুন্দা ভজালৈকে বিভিন্ন আচাৰ-অনুষ্ঠান আৰু সংস্কাৰ অসমীয়া গৃহস্থী এখনে মানে (ড° নিৰ্মলপ্ৰভা বৰদলৈ)। গোছ ৰোৱা (কামৰূপত গোছা দিয়া), গুচি লোৱা বা ভুঁই ৰোৱা কৃষিৰ প্ৰস্তুতি পৰ্বৰ এটি উৎসৱ। আহু, পৰ্‌মা অথবা বৰোধানৰ ক্ষেত্ৰত গোছ ৰোৱা উৎসৱ নাপাতে - জেঠ আহাৰ মাহৰপৰা ৰোৱা বাও অথবা শালি ধানৰ ক্ষেত্ৰতহে ই প্ৰযোজ্য। সোম, বুধ, বৃহস্পতিবাৰ অথবা জ্যোতিষীৰ অনুমোদিত বাৰতহে প্ৰথম গোছ ৰোৱা নিয়ম। পথাৰৰ আলিমূৰত আগলতি কলপাত এখনিত ধূপ-দীপ জ্বলাই কচুপুলি আৰু তৰাপুলি একোটাকৈ ৰুই তাত তামোল এযোৰ দি 'গুৰুত লগাম, গোসাঁইত লগাম, বাৰ ভকতক খুৱাম' বুলি আই লখিমীক নদন-বদন হ'বলৈ মনে মনে প্ৰাৰ্থনা জনাই গোছ ৰুবলৈ আৰম্ভ কৰে। প্ৰথমে সাত বা পাঁচ গুছি ধান ৰোৱাটো নিয়ম। শুভকাৰ্যৰ স্বাক্ষৰ ৰূপে গোছ ৰোৱাৰ দিনা ঘৰৰ গৰু হালৰ শিঙত তেল ঘঁহি দিয়ে আৰু পথাৰত হালোৱা-ৰোৱনীক জা-জলপান খুৱায়। প্ৰথম গোছ ৰোৱা কাৰ্যৰ গইনা লৈ কোনো কোনো অঞ্চলত একাধিক ৰং ৰহইচে এঙামূৰি দি উঠিছে। গোছ লোৱা দিনটোত গৃহস্থই সাধাৰণতে মাছ-মাংস নাখায় আৰু লক্ষ্মীদেৱীৰ প্ৰিয় দুধকচু প্ৰভৃতি ব্যৱহাৰ কৰে।

না. দা.

**।। গোপাল ভোগ ।।**

নামনি আৰু মধ্য অসমত বিস্তীৰ্ণ অঞ্চলত প্ৰচলিত এই ভক্তিমূলক সকাম পোহনীয়া গৰু-গাইৰ লগত জড়িত। ভগবান কৃষ্ণই পিতাকক গো-পালনৰ সহায় কৰিছিল; সেয়ে তেওঁক মানুহে গোপালকৃষ্ণ বুলি কয়। বিশেষ আনুষ্ঠানিকতা নথকা এই সকামত কিশোৰক গোপাল জ্ঞান কৰি সন্ধ্যা সময়ত তেওঁলোকৰ উদ্দেশ্যে নৈবেদ্য আগবঢ়ায়। পকা কল, গাখীৰ, চেনি বা গুড় আৰু সামান্য কেঁচা জহা চাউল এই সকামৰ নৈবেদ্য। গোহালি ঘৰ পৰিষ্কাৰ কৰি তাতে সকাম পতা হয়-গৃহস্থই বয়সত সৰু হ'লেও গোপ-বালকসকলৰ আগত আঁঠু লয়-তেওঁলোকেও গোহালি গৰু-গাইৰে উপচি পৰিবলৈ আশীৰ্বাদ দি প্ৰসাদ গ্ৰহণ কৰে।

সো. বু.

**।। গোপী ভংগি ।।**

গোপীসকলৰ নৃত্যৰ নামেই গোপী ভংগি। নাটকৰ নায়িকা ৰংগভূমিলৈ আহোঁতে এই ভংগিত অহা প্ৰয়োজন। ই লাস্যপূৰ্ণ হোৱাটো বাঞ্ছনীয়। এই লাস্যময়ী নৃত্যৰ সৈতে সাধাৰণতে সুহাই, গৌৰী, মাহুৰ প্ৰভৃতি ৰাগ গোৱা হয়। এই নাচ দুভাগত বিভক্ত -

খোলৰ বোলৰ নাচ আৰু শ্লোক-গীতৰ নাচ। অনপল্লৱ, কদম্ব আৰু স্বস্তিকা হাতৰ বহুল প্ৰয়োগ দেখা যায়। এই নাচৰ সাজ-পাৰৰ লেখ প্ৰদীপ চলিহাদেৱে দিছে এনেদৰেঃ কঁকালত ঘূৰি। তাৰ ওপৰত কুমৰণি বা ছায়ঘূৰি, কঁকালত ফুলবছা টঙালি। গাৰ দুয়োকাষে দুখন আঁচল বা আয়তন। বুকুত কাচল বা কাচলি। মূৰত ওখ খোপাৰ ওপৰত ওৰণি। ওৰণিখন খহি নপৰিবলৈ থুতৰিৰ তলত বেজি সূতাৰে গাঁঠি দি লয়।' (শংকৰী নৃত্য)।

না. দা.

।। গোপীযন্ত্ৰ।।

গোপী যন্ত্ৰৰ আন নাম আনন্দ লহৰী। কোনো কোনোৱে ইয়াক খমক অভিধাৰে চিনাকি দিব খুজিলেও (অসমীয়া বিশ্বকোষ) ধৰ্মেশ্বৰ দুৱৰাই (অসমৰ বাদ্যযন্ত্ৰ) দুয়োবিধকে সুকীয়া বাদ্যযন্ত্ৰৰ আসনত স্থান দিছে। বাংলাদেশত এই যন্ত্ৰটিৰ খোলটো লাও বা কাঠৰ দ্বাৰা নিৰ্মিত হয়। অবিভক্ত গোৱালপাৰাত অৱশ্যে নিমকাঠ ফোপোলা কৰিহে খোলা সজাটো নিয়ম। খোলটোৰ পিছফাল সম্পূৰ্ণৰূপে চামৰাৰে গাঁথি লৈ তাৰপৰা মুগাৰ তাঁৰ এডাল উলিয়াই আনি সন্মুখৰ ফালে বাঁহ এডালত লগাই লোৱাৰ লগতে তাঁৰ এডাল ত্ৰিভুজাকৃতি কৰি তৰ্জনী আঙুলিত লগাই ল'ব লাগে। বাঁও হাতেদি বাদ্যৰ সূতাডাল ধৰি কাষলতিৰ তলত যন্ত্ৰটো লৈ তৰ্জনী আঙুলিটোৰে বাদ্যটো বজোৱা সাধাৰণ নিয়ম। বৈষ্ণৱসকলে আধ্যাত্মিক গান পৰিৱেশন কৰা কালত এই বাদ্যযন্ত্ৰটি ব্যৱহাৰ কৰাটো উল্লেখযোগ্য।

(শিৱানন্দ শৰ্মা সম্পাদিত গোৱালপাৰা জিলা সংস্কৃতি সংৰক্ষণ স্মৃতি গ্ৰন্থৰ আধাৰত যুগুতোৱা।)

না. দা.

।। গোৱালিনী যাত্ৰা ।।

মুখাৰ ব্যৱহাৰ থকা অবিভক্ত গোৱালপাৰা জিলাৰ এবিধ জনপ্ৰিয় নাট্যানুষ্ঠান হ'ল গোৱালিনী যাত্ৰা। এই যাত্ৰাত সংলাপ অৱশ্যে নিৰ্দিষ্ট নহয় - ভাৱৰীয়াসকলে ৰঙ্গথলীতে বুজাবুজিৰে বিভিন্ন সংলাপ আৰু ভংগি ব্যৱহাৰ কৰাটো উল্লেখযোগ্য। লাউৰ খোলাৰ মুখা এই যাত্ৰাত ব্যৱহাৰ হয়। এজনী গোৱালিনীক কেন্দ্ৰ কৰি কিছুমান বিক্ষিপ্ত ঘটনাৰ সংযোজনাৰে দৰ্শকৰ মনোৰঞ্জন কৰাই এই যাত্ৰাৰ মূল কথা। যেনে - এটা দৃশ্য ঃ বিয়া-বলিয়া ভেৰাকান্ত! বহু কষ্টেৰে সি বিয়া কৰালে। ঘৰলৈ কন্যাক আনি ওৰণি দাঙি দেখে যে সেয়া কন্যা নহয় - ল'ৰাহে। গোৱালীনী যাত্ৰাত থকা চৰিত্ৰসমূহৰ ভিতৰৰ গোৱালনী, ম'হ-গুৱাল, বৰকান্দাজ, মাছ-পোহাৰী, বাঘ, ভালুক, ম'হ লগুৱা আদি প্ৰধান। এই যাত্ৰাত দোতৰাৰে গোৱা মইষালী গীতবোৰ সুশ্ৰাব্য।

না. দা.

**।। গোসাঁই প্ৰৱেশৰ নাচ ।।**

শ্ৰীকৃষ্ণ অথবা শ্ৰীৰামচন্দ্ৰই সংগী সমন্বিতে ৰঙ্গভূমিত যি নাচেৰে প্ৰৱেশ কৰে, তাকেই কোৱা হয় গোসাঁই প্ৰৱেশৰ নাচ অথবা কৃষ্ণ প্ৰৱেশৰ নাচ। জয়জয়তে গোসাঁয়ে অগ্নিগড়ৰ তলত, আঁৰ কাপোৰৰ আঁৰত সেৱা ভংগিত থাকি আঁৰ-কাপোৰ আঁতৰোৱাৰ লগে লগে ললিত লয়তে হাতেদি মংগলসূচক ভংগি দেখুৱাই নাচৰ পাতনি তৰে। বহাৰপৰা গোসাঁই থিয় হয় আৰু পদচালনাৰে নৃত্য কৰি হাতেৰে বংশীবাদন ভংগিমা দেখুৱাই ত্ৰিভংগ ভংগিত থিয় দি, নাচৰ সামৰণি পেলায়। নাচটোৰ ভাগ দুটা - বাজনাৰ নাচ আৰু শ্লোকৰ নাচ। ৰাম-কৃষ্ণ উভয়ৰে নাচ-বাজনা অভিন্ন, শ্লোক আৰু তাৰ নাচহে বেলেগ। সূত্ৰধাৰী নাচৰদৰে এই নাচৰো অন্তিম অংশৰ নাচ দ্ৰুত লয়ত সম্পন্ন হয়। সত্ৰীয়া-নাচৰ বিশাৰদ প্ৰদীপ চলিহাদেৱৰ ভাষাত, 'গোসাঁই নাচত বংশী হস্ত, স্বস্তিক পদ, অলপদ্ম, পতাক হস্তৰ বাদে অন্য শাস্ত্ৰীয় আংগিকৰ প্ৰয়োগ নাই।'

গোসাঁই নাচৰ সাজ-পাৰ এনেধৰণৰ ঃ 'পিন্ধা ধুতিখন হালধীয়া। বাউসীলৈকে গা ঢকা হালধীয়া চোলা। পিছফালে বাউসীৰপৰা আঁঠুলৈকে বা কঁকাললৈকে ওলমি পৰা নীল ৰঙৰ নানা চম্‌কিৰে কৰা কাৰু -কাৰ্য খচিত কাপোৰ .......... .কঁকালত কৰধনি। ডিঙিত মণিমালা। হাতত খাৰু; মূৰত কাৰুকাৰ্য খচিত ওপৰৰ ভাগত ম'ৰা পাখী গজা এটি কিৰিটি।' (সুৰেশ চন্দ্ৰ গোস্বামী ঃ অসমৰ নৃত্য-নাট্য-কলা, পৃঃ ১৩০)।

না. দা.

**।। গোসাঁই বিহু ।।**

ব'হাগ বিহুৱে অসমীয়া জন-জীৱনত বাৰুকৈয়ে আলোড়িত কৰে। একেদৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাম-ধৰ্মই এসময়ত অধিকাংশ লোককেই প্ৰভাৱান্বিত কৰিছিল। ইয়াৰ ফলশ্ৰুতিতেই ব'হাগ বিহুৰ সাতোটা গুৰুত্বপূৰ্ণ দিনৰ মাজত গোসাঁই বিহুত অন্তৰ্ভুক্ত হ'ল। অসমীয়ালোকে গৰু বিহু, মানুহ বিহু পালন কৰাৰ পিছতেই গোসাঁই বিহুও পালন কৰে। উক্তদিনা গোসাঁই ঘৰ অথবা সত্ৰ, নামঘৰ, মন্দিৰ আদি ভালদৰে সাৰি-মছি চাকি-বন্তি জ্বলোৱা হয়। নাম-কীৰ্তন কৰা হয় নাইবা কীৰ্তন-দশম আদি ভক্তিমূলক গ্ৰন্থ পাঠ কৰা হয়। ইয়াৰ অন্তত গৰখীয়া বা কিশোৰসকলক চাহ জলপানেৰে আপ্যায়ন কৰে। গোসাঁই থাপনাত ভক্তি সহকাৰে ফুলাম গামোচা আগবঢ়োৱা হয়। গুৰু-ভকতলৈ চুৰিয়া-গামোচা যঁচা হয়।

স্থান বিশেষে পুৰুষসকলে লগত খোল-তাল মৃদংগ আদিৰে ভক্তিমূলক গীত-পদ গাই ঘৰে ঘৰে আশীৰ্বাদ দি ফুৰে।

প. ৰা.

।। ঘট ।।

হিন্দু পূজা অৰ্চনা আৰু বিভিন্ন আচাৰ অনুষ্ঠানত এটি অপৰিহাৰ্য সম্পদ হৈছে ঘট। পোৰামাটি অথবা কাঁহ আৰু পিতলৰ বিশেষভাৱে নিৰ্মিত এই ঘট মূলতঃ জলপাত্ৰ। দেৱতাৰ প্ৰতীকী ৰূপত পূজিত এই ঘট আকৃতি অনুসৰি নাগঘট, মঙ্গলঘট, দ্বাৰঘট আদি নামেৰে জনাজাত। মূলতঃ পূজা অনুষ্ঠানত পঞ্চ ৰঙৰ মণ্ডলৰ মাজত এই ঘট স্থাপন কৰি চাৰিওপিনে পঞ্চশষ্য চটিয়াই দিয়া হয়। এই ঘটত কোনো পুখুৰী বা নৈৰ পৱিত্ৰ জল পূৰ্ণ কৰি ইয়াত পঞ্চপল্লৱ সোমাই দিয়া হয়। পঞ্চৰত্নও নিয়মমতে দিব লাগে। সিন্দূৰৰ স্বস্তিক মূৰ্তি অংকন কৰি ৰঙা সূঁতা ঘটটোত মেৰাই দিয়া হয়। ঘটটোৰ বাহিৰত দৈ চটিয়াই দিয়াৰ নিয়ম। এই ঘটৰ ওপৰত ঠাৰিযুক্ত ডাব নাৰিকল আৰু ৰঙা গামোচা দি ইয়াৰ ওপৰত ফুল দিয়া হয়। স্থানভেদে ইয়াৰ হীন-দেৰি হয়। দৰঙৰ মৃন্ময় মূৰ্তিহীন গোন্ধ চৌপৰি অথবা অন্যান্য পূজানুষ্ঠানত এই ঘটটিক ধৰমৰ ঘট বোলা হয়। বিৱাহ অনুষ্ঠানত ঘট অপৰিহাৰ্য। বিৱাহ কাৰ্যৰ আনুসংগিক পানী তোলা,নোৱাই তোলনি বিয়া, দৰা-কইনাক ধুওৱা আদিতো ঘট অপৰিহাৰ্য। প.ৰা.

।। ঘন্টা।।

'শংখ-ঘন্টা-ঢাক-ঢোল-শিংখা-কালি-ভেৰী' (দৰং ৰাজবংশোৱলী) ঘন বাদ্যৰ অন্তৰ্গত ঘন্টা ধাতুৰে নিৰ্মিত আৰু গোটেঙা আকাৰৰ বাতিটোৰ দৰে বাদ্য যন্ত্ৰ। মঠ-মন্দিৰ, দ'ল-দেৱালয় সমূহত এডাল হাকোটাৰে ওলোমাই ৰখা ঘন্টা বাদ্যৰ মাজত সাধাৰণতে ধাতুৰে নিৰ্মিত এটি কলি ওলোমোৱা থাকে। হাতেৰে জোকাৰি দিলে কলিটো বাদ্যটোৰ পাৰত লাগি শব্দ সৃষ্টি কৰে। কেতবোৰ ঘন্টাৰ পাৰত মাৰিৰে কোবাই একে লেঠাৰিয়ে স্বৰৰ সৃষ্টি কৰিব পাৰি। ঘন্টাৰ ক্ষুদ্ৰ বাদ্যবিধ টিলিঙা ৰূপে পৰিচিত। অসমত মন্দিৰসমূহত যে প্ৰাচীন কালৰেপৰা ডাঙৰ ঘন্টাৰ প্ৰয়োগ হৈছিল তাৰ প্ৰমাণ হ'ল গুৱাহাটী - কাহিলিপাৰাৰ ওডালবাক্ৰাত প্ৰাপ্ত শ্ৰীকুমাৰৰ ধাতৱ ঘন্টাটো। ইয়াৰ লিপিত আছে- 'দেৱাসুৰৰাজ হস্ত্যন্তক, তেওঁৰ (অৰ্থাৎ ইন্দ্ৰৰ) পূজাৰ ৰক্ষক ইন্দ্ৰ সদৃশ শ্ৰীকুমাৰ ৰাজে দেৱতা পূজাৰ কাৰণে এই ঘন্টা প্ৰদান কৰিলে'।

না. দা.

।। **ঘৰ-জোঁৱাই আৰু ঢোকা ৰখা** ।।

একমাত্ৰ কন্যা-সন্তানৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ বৃদ্ধকালৰ চোৱা-চিতা আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ বাবে নিজৰ কন্যাক কোনোবা দুখীয়া ল'ৰালৈকে বিয়া দি বিয়াৰ পিছত দৰাক তেওঁলোকৰ ঘৰত স্থায়ীভাৱে ৰাখি থয়। দৰাৰ স্থায়ী নিবাসভূমি পিতৃ ভিঠাৰ পৰিবৰ্তে শহুৰ-ভিঠা হয়গৈ। এনেকৈ জোঁৱাই ৰখাকে ঘৰ জোঁৱাই ৰখা (নামনিত ঘৰ জিয়া ৰখা) কোৱা হয়। জোঁৱায়েকে শহুৰ-শাহুৰ অন্তিম

কালত চোৱা-মেলাৰ গধূৰ দায়িত্ব লোৱাৰ উপৰি মৃত্যুৰ পিছত দহা-শ্ৰাদ্ধ আদিও সম্পাদন কৰে।

ঢোকা ৰখা পদ্ধতিটোও ঘৰ-জোঁৱাই ৰখাৰ দৰেই। পতিৰ সৈতে বিচ্ছেদ হোৱা অথবা স্বামীৰ মৃত্যু হোৱা তিৰোতাই নিজৰ ভৱিষ্যত জীৱনৰ সাৰথি ৰূপে এজন পুৰুষক চপাই লয়। পুৰুষজনে পিতৃৰ ঘৰ এৰি আহি তিৰোতাজনীৰ ঘৰত থাকি নতুন সাংসাৰিক জীৱন আৰম্ভ কৰে। এনেকৈ থকা পুৰুষ ঢোকা বা চপনীয়া থকা বুলি পৰিচিত হয়। চপনীয়া থকা প্ৰথাৰ সৈতে বৈদিক অথবা লৌকিক কোনো আচাৰ-নীতি জড়িত নাথাকে। কোনো কোনো ৰাইজক আমন্ত্ৰণ কৰি নি এসাজ খুৱাই ৰাইজৰ এজনৰূপে স্বীকৃতি লয়।

না. দা.

।। ঘৰ-বাৰী ।।

অসমীয়া মানুহৰ ঘৰ-বাৰীৰ এটি সুকীয়া বৈশিষ্ট্য বিৰাজমান। অসমীয়া মানুহে নিজৰ বাৰীখনত বেলেগ বেলেগ কামৰ বাবে ভিন্ ভিন্ ঘৰ সাজে। এই ঘৰবোৰ হ'ল কীৰ্তনঘৰ, গোহালিঘৰ, চ'ৰাঘৰ, তাঁত বোৱা ঘৰ, ঢেঁকীঘৰ, পাক্ বা ৰান্ধনী ঘৰ, বুলনী চ'ৰা, ভঁৰালঘৰ, মাৰলঘৰ, শোৱনি ঘৰ আদি। বহু মানুহৰ বাট-চ'ৰাও থাকে। পাহাৰ আৰু এঢলীয়া ঠাইত বাস কৰা লোকে চাংঘৰ সাজে। চাংঘৰৰ বেৰবোৰ বাঁহ-কাঠৰ। আহোম স্বৰ্গদেৱসকলে ৰংঘৰ, তলাতল ঘৰ, পাটঘৰ, হোলোংঘৰ আৰু শিঙৰি ঘৰ সাজিছিল। ঘৰৰ বাবে খুঁটাৰ প্ৰয়োজন। খুঁটা বেলেগ বেলেগ। যেনে - কুমৰ খুঁটা, পানী বা পাৰিৰ খুঁটা, বৰখুঁটা, মূধৰ খুঁটা আদি। খুঁটাবোৰ সুকাঠী বা আওকাঠী অথবা বাঁহৰ। খুঁটাৰ মূৰত চ'তি বা মাৰলি লগাবলৈ কটা হয় আল আৰু কাণ। দ-খুঁটাৰ গাঁত খন্দা কামত বাঁহৰ থোকা উৰি ব্যৱহাৰ হয়। ঘৰৰ চ'তি কেবা প্ৰকাৰৰ। যেনে - জোৰ বা ভৰলুৱা চ'তি, ফুল'চ'তি আদি। চ'তিৰ ওপৰত চাল ৰাখিবলৈ থাকে দমৰা বা বহিখোৱা। দমৰাৰপৰা বেঁকাকৈ কুমৰ খুঁটালৈ দুডাল ফ'কাম লগোৱা হয়। চাল ৰাখিবলৈ তিনিডাল বা পাঁচডাল মাড়লিৰ প্ৰয়োজন। মাড়লিৰ ওপৰত চালখন বহি নোযোৱাকৈ চালৰ পুতলৰ সমানকৈ জালি বাঁহ লগায়। চালবোৰত আঁখি ৰখা কামীৰ ৰুৱা বা কটহ, জাতি আদি বাঁহৰ গোটা ৰুৱা, কামী আৰু জেঠি থাকে। চাল দুবিধ - দুটীয়া মোৰেৰে বোৱা হেঁদালি চাল আৰু তলে-ওপৰে যোৰ কামী দি মাজত জেঠিৰে বোৱা শীতলী চাল। চালবোৰ তমালেৰে গঁঠা হয়।

তমাল কেবাবিধো। যেনে - কাঁটীয়া, নলীয়া, পিঠিয়া আদি। তমালৰ গাঁঠিও বহু ধৰণৰ। যেনে - আলগাঁঠি, কোমোৰা গাঁঠি, টোপা বা থোপা গাঁঠি, দোমুখা গাঁঠি, পাউৰা চৌকা বান্ধ, পিছলা বান্ধ, মুখাবান্ধ, মতা গাঁঠি, ৰূপহী গাঁঠি, হাতী সাঙোৰা

গাঁঠি ইত্যাদি।

খেৰেৰে চাল ছোৱা হয় পানীপতাৰপৰা। পোনতে খেৰ পাৰি তাৰ ওপৰত ছাৱনি কামী পাৰি বেচা বান্ধি অনুক্ৰমে ওপৰলৈ ছাই যাব লাগে। প্ৰথমে বান্ধিব লাগে বাও চালি। এনে ৰীতিৰ নাম মদালিওৱা। পানীপতাৰ বেচাৰ নাম পানীবেচা। মূধত লাগি থকা বেচাৰ নাম হহুঁৱা বেচা। হহুঁৱা বেচা ৰখা হয় হহুঁৱা কামীৰে। এই কামীটোত আন এটা বেঁকা কামী ৰাখে। নাম ম'ৰা কামী। পানীপতাৰ খেৰ চালতকৈ ওলোমাই দিয়া হয়। তাক কোৱা হয় আওলা।

দুচলীয়া ঘৰৰ উপৰি তিনিচলীয়া, চৌচলীয়া আৰু টুপ দিয়া ঘৰ আছে। টুপঘৰ গোলমূৰীয়া আৰু কোকৰীয়া। নামঘৰৰ মূধত থাকে ঢেকেৰী চালি। ভঁৰাল ঘৰত গছৰ মূৰাৰ ওপৰত কাঠৰ গাধৈ বান্ধে। গাধৈত চোংহলাৰ বেৰ থাকে। চোং হলাৰ মাজত বন্ধা যোৰ কামীৰ নাম খামোচা। গাধৈত থিয়কৈ দিয়া - বাঁহৰ ছটাবোৰ লিটিকাই। গাধৈবোৰ বোৱা হয় অজলা যোৰেৰে।

ঘৰত বাঁহৰ বেৰ থাকে। বেৰৰ একেবাৰে তলত গঁৰিলা বা বাৰতা। বেৰৰ আন সামগ্ৰী বোৰ হ'ল - খবুৱা, কুকুৰ, সাৱটা, পোলাবন্ধা আদি। ঘৰত বিভিন্ন দুৱাৰ থাকে। সিবোৰ হ'ল - ডাং দিয়া দুৱাৰ, শলখা লগা দুৱাৰ, চোঁচনি দুৱাৰ আদি। দুৱাৰৰ তলত দুৱাৰ দলি বা গঁৰিলা দিয়া হয়। বহুঘৰৰ ভিতৰত আটাল দেখা যায়। আখল শালত পানী চাং, পাভটি চাং আদি থাকে। অসমৰ ঘৰ-বাৰী আৰু ইয়াত ব্যৱহাৰ কৰা সা-সজুলিবোৰক লৈ ভালেখিনি গীত-মাত, ফকৰা-যোজনা আদিৰ জন্ম হৈছে। (ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ গৃহ-নিৰ্মাণ আলোচনাৰ ভেটিত যুগুতোৱা)।

না. দা.

।। ঘিলা খেল ।।

পুৰণি অসমৰ জনপ্ৰিয় খেলসমূহৰ ভিতৰত ঘিলা খেল অন্যতম। ইয়াক গাইগুটীয়া ভাৱে খেলাটো উল্লেখযোগ্য। খেলটোৰ বাবে মাটিত ছটা ঘৰৰ ক্ষেত্ৰ এখনি আঁকি লোৱা প্ৰয়োজন। ছটা ঘৰৰ নামবোৰ তলৰপৰা ওপৰলৈ হ'ল - (১) হাতী, (২) মাউত, (৩) দালি (দালি সদায় দুভাগত বিভাজিত), (৫) ঠগি আৰু (৬) চকুমুজা। এই খেলত গুটি হিচাপে আগতে ঘিলা ব্যৱহাৰ কৰা গুণেই খেলটোৰ নাম ঘিলা খেল।

প্ৰথমে গুটিটো বা ঘিলাটো হাতীত মাৰি দি ভৰি এখনেৰে লঠিয়াই আটাই কেইটা ঘৰ পাৰ কৰিব লাগে। ঠেলোতে যদি ঘিলাটো আঁকত পৰে নাইবা ভৰিৰে আঁক গছকে নাইবা দলিত যদি ভৰি পেলাব নোৱাৰে, নিজৰ কটা ঘৰত যদি ভৰি নপৰে অথবা আনে কটা ঘৰটো যদি নেচেৰায়, তেন্তে খেলুৱৈজন মৰে। ঘিলাটো আটাই কেইটা ঘৰলৈ অনাৰ পিছত হাতীৰ মূৰত খোজ দি মূৰৰ ওপৰেৰে ঘিলাটো পাৰ কৰি ঘৰ

কটাটো নিয়ম। সবাতোকৈ সৰহ ঘৰ কটাজনেই প্ৰথম হয়।

না. দা.

।। ঘিলা খেল আৰু বিহু গীত।।

একালত অসমত হাবিয়ে বননিয়ে ঘিলা লতাৰ গছ আছিল উভৈনদী। অসমীয়া জনসংস্কৃতিত ঘিলাগছৰ এখনি সুকীয়া আসন আছে। আহোম স্বৰ্গদেৱসকলৰ দিনত ৰজা ঘৰলৈ ঘিলা যোগান ধৰিবলৈ একশ্ৰেণীলোকক নিয়োগ কৰাটো তাৎপৰ্যপূৰ্ণ। অসমীয়াৰ অন্যতম জনপ্ৰিয় খেলে বিহুগীততো এডুখৰি ঠাই ল'বলৈ সমৰ্থ হৈছিল। বিহুৰ আগে আগে ঘিলাখেলাৰ বতৰা বিহুগীতত আছে - 'বৰৰে তলতে ধনে ঘিলা খেলে / সোণ পোৱালৰে মণি / ইৰিণা- বিৰিণা সবে নাচি উঠে / বিহুৰে বতৰা শুনি।' /' বিহুৱা ডেকাই মনে বিচৰাজনীক জীৱনৰ লগৰী কৰিব নোৱাৰি ঘিলাৰ নামলৈ সান্ত্বনা দিবলৈ নাপাহৰে - ' মাকৰী ঘিলাৰে ফাক্ ঐ লাহৰী / মাকৰী ঘিলাৰে ফাক / মাৰৰ ঘৰত আছু বাৰ বছৰ / আৰু বাৰ বছৰ থাক ।' হাবিয়ে বননিয়ে কপৌ ফুলৰ সন্ধান কৰা ডেকাই মাকৰী ঘিলা মৰাৰ দৃশ্য চাক্ষুস কৰে (গছতে আছিলে মাকৰী ঘিলাটি / তলত সৰি সৰি পৰে।' যৌৱনত সোমাই আত্মহাৰা ডেকাই 'তোমাৰে যৌৱন জুৰি বিলা চকলীয়া / ঘোঁৰা ফানে যেন চুলি' বুলি মনৰঞ্জনীক ৰূপক উপমাৰে বুৰাই গায় ঃ 'ঘিলাৰে তলতে ডঁৰিক ফান্দ পাতিলো / শহুৰত ভেটিমগৈ বুলি / ৰাতিনো দুপৰত মই গৈ ওলালো / তুমি নাপাৰিবা গালি/' ঘিলা আৰু ঘিলাখেল কেন্দ্ৰিক বনগীতৰ বহু স্তৱক এতিয়াও উদ্ধাৰৰ অভাৱত অনাদৰী হৈ আছে।

(আমাৰ অসমৰ দেওবৰীয়া আলোচনা পূৰ্বাচল প্ৰকাশিত (৬ এপ্ৰিল, ২০০৩) উপেন দত্তৰ অসমীয়া বনগীত আৰু বিহুগীতত ঘিলাখেল নিবন্ধৰ আধাৰত)

না. দা.

।। ঘোঁৰাবাক ।।

ঘোঁৰাবাক সাধাৰণতে পানীৰ আশে পাশে থাকে বুলি মানুহৰ বিশ্বাস। ঘোঁৰা বাকে মাছ, বেঙ, ভেকুলী আদি খায় যদিও মাছ ইহঁতৰ বেছি প্ৰিয়। ঘোঁৰাবাক সম্পৰ্কে অসমীয়া ভাষাত একাধিক সাধু কথাও আছে। ঘোঁৰাবাকে জন্তু-মানুহ আদি সকলোৰে ৰূপ ল'ব পাৰে। ৰাতি মাছ মাৰিবলৈ যোৱা মানুহক ঘোঁৰাবাকে পিছ ধৰে। ইহঁতৰ বোলে একো একোটা জোলোঙা থাকে। জাল মাৰি বাকবোৰে নিজে মাছ বিচাৰিবও পাৰে। মাছমৰীয়াই বিলত বা পুখুৰীত মাছ মাৰি থাকিলে বাকে মনে মনে মাছ খাই মাছবোৰ শেষ কৰি থয়। কেতিয়াবা মাছমৰীয়াজনক মাৰি বা অচেতন কৰি মাছমৰীয়াজনৰ ৰূপ ধাৰণ কৰি গৃহস্থৰ ঘৰলৈও যায় বুলি মানুহৰ বিশ্বাস আছে। ঘোঁৰাবাকে মানুহক ছলনা কৰি চিনাকি মানুহৰ মাত মাতি ঘৰৰ পৰা মানুহক উলিয়াই লৈ যাব পাৰে। সেই বাবে

মাজ-ৰাতি মানুহে মাতিলে কোনো মানুহ উঠি যাব নাপায় বুলি আমাৰ মানুহে বিশ্বাস কৰে। ঘোঁৰাবাকবোৰ সাধাৰণতে দেখিবলৈ দীঘল, ভৰি-হাতবোৰ দীঘল-দীঘল। বেছি ওখ-পাখ, ক্ষীণ মানুহক ঘোঁৰাবাকৰ দৰে বুলি গ্ৰাম্য সমাজত কোৱা যায়। ঘোঁৰাবাকবোৰে মানুহ সাধাৰণতে নামাৰে। মানুহৰপৰা মাছ কাঢ়ি নি বা মনে মনেহে খায়। মাছ খাব নাপালেহে মানুহক কিছু অপকাৰ কৰে বা পানীত পেলাই দিয়ে। মানুহৰ দিন বেয়া হ'লে ইহঁতে ফুচুলাই মাছ মাৰিবলৈ মাতি নিয়ে- কোনো চিনাকি মানুহৰ ৰূপ ধাৰণ কৰি। ঘোঁৰাবাকৰ চুলি নাথাকে, কেতিয়াবা থাকিলেও দুই এডালহে থাকে বুলি লোকে কয়।

প. পা.

।। চক ঢাৰি ।।

হেমকোষে চক ঢাৰিৰ সংজ্ঞা দিছে এনেদৰেঃ '(অং. চক্, চক্ৰ, ঘূৰণীয়া+চৰা, আসন্) এবিধ ঘূৰণীয়া বহা ঢাৰি, মেৰ-ঢৰা।' চন্দ্ৰকান্ত অভিধানৰ মতে 'ঢাৰি হ'ল- 'কাঠিৰে সজা চেপেটা মাটিত বহা আসন।' চলন্ত অভিধানত আছে-'দাঁতিত কেইবাটাও বাওৰ ওপৰত ফুল তুলি বন্ধা পাটি-ঢৰা; মেৰ-ঢৰা।' ওপৰৰ সংজ্ঞা তিনিটাৰ দ্বাৰা বুজিব পাৰি যে চক ঢাৰি এবিধ ঘূৰণীয়া ঢাৰি। তাক বাঁহৰ মিহি কাঠি অথবা পাটী দৈৰে বোৱা নিয়ম। লেহুকা হোৱা বাবে তলত বাঁহেৰে বোৱা এখনি জেলেপ লগাই ওপৰত গোলাকাৰ বাঁহৰ চিকণ গুৰি অথবা বেতৰ বাও লগাই তাত ফুল তোলা হয়। বাওৰ ফুল চক ঢাৰিৰ অন্যতম আকৰ্ষণ। দুটাকৈ বাও লগোৱা, ঘোঁৰা, হাতী, হৰিণ, বিভিন্ন ফুল আৰু আখৰ তোলা, পাটীৰে বোৱা দৃষ্টিযোগ্য চক ঢাৰি এখনিৰ আলোক চিত্ৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ অসমীয়া লোক সংস্কৃতি গ্ৰন্থত সন্নিবিষ্ট হৈছে (চিত্ৰফলক নং ১৯)। সত্ৰ নামঘৰ আদিত সম্ভ্ৰান্ত জনৰ আসন হ'ল চক ঢাৰি। এই ঢাৰি সাধাৰণতে বেৰত আঁৰি থোৱা হয়। সৌন্দৰ্যবৰ্ধক ৰূপেও ইয়াৰ এখনি সুকীয়া আসন আছে।

না. দা

।। চকো-মাখাম তানকায় (মদ আৰু ঝুগলী পতা) ।।

ৰাভা তিৰোতাৰ ই এদিনীয়া কাম। ৰাভা গৃহিণীয়ে নিজৰ বাবে আৰু ৰাজহুৱা কামৰ বাবে প্ৰয়োজনীয় ভিন্ ভিন্ জোখৰ আৰু ভিন্ ভিন্ চোকৰ মদ প্ৰস্তুত কৰাত সিদ্ধহস্ত। সাধাৰণতে ঘৰুৱা কামত আলহী আপ্যায়নৰ বাবে মাখাম (ঝুগলী), ছিনছিনা (ৰহী মদ/পোহন মদ) প্ৰস্তুত কৰে আৰু ৰাজহুৱা কামত চকোঝাৰি, চকো দামব্ৰং প্ৰস্তুত কৰে। তদুপৰি চিতি চকো, চকো ছোকায় (পাকামদ) আদিও দুই একে প্ৰস্তুত কৰিব জানে। পূজাৰ কামত অৱশ্যে পুৰুষেও মদ প্ৰস্তুত কৰে। এইবোৰ এৰতীয়া (চুথাৰ), দুৰতীয়া (চুছায়) নতুবা তিনিৰতীয়া (চিনাল) হ'ব পাৰে। প্ৰাচীন কালত বায়খোচুং পূজাত চুৰ্চুং গোত্ৰৰ নাৰীয়ে অকলে অটব্য হাবিৰ মাজত থকা থানত গৈ পূজাৰ বিশেষ নৈবেদ্য

মায়ছুক প্ৰস্তুত কৰিব লাগিছিল আৰু শুচি-শুদ্ধাচাৰ নহ'লে বায়খো দেৱীয়ে বাঘৰ ৰূপ লৈ ৰান্ধনীক ভক্ষণ কৰিছিল। সেইদৰে মৃতকৰ বাবে প্ৰস্তুত কৰা মদ-ভাত (মায়ছুক) একমাত্ৰ তিৰোতাসকলেহে প্ৰস্তুত আৰু তৰ্পণ কৰিব পাৰে। গোৰামদ (চকো দুৱা) হ'ল প্ৰথমে পানী দিয়াৰ পিছত বৈ যোৱা অৱশিষ্ট মদ। পানী নিদিয়াকৈ মদৰ হাড়ীত নিগৰি পৰা ৰসকে চকো ৰাংচি (মদৰ ৰহী) বোলা হয়। মদ প্ৰস্তুত কৰা কাৰ্যৰ লগত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস জড়িত হৈ আছে।

উ.ৰা.হা.

।। চকলং।।

আহোমসকলে গন্ধৰ্ব প্ৰথাৰে সম্পাদিত কৰা বিবাহ পদ্ধতিক চকলং বুলি জনা যায়। ৰাতি বিবাহৰ শুভলগ্নত বেদীৰ সন্মুখত সোণ, ৰূপ, পিতল বা কাঠৰ গছাত ১০৮ টা চাকি চোমদেৱ প্ৰমুখ্যে ১০৮ জনা দেৱতাৰ উদ্দেশ্যে প্ৰজ্বলিত কৰা হয়। গছাৰ সন্মুখত এক অষ্টবাহুযুক্ত মৰল সাজি ইয়াৰ ওপৰত জোঁৱাই বৰণৰ কাপোৰ-কানি, বৰণমালা আৰু দুটা গাৰু চক্ ভৰাই এখন শৰাই কন্যা পক্ষৰদ্বাৰা সসম্ভ্ৰমে ৰখা হয়। একেদৰে দৰাপক্ষৰ পৰাও কন্যাৰ উদ্দেশ্যে অনা দ্ৰব্যৰ সৈতে আন এখন শৰাই ওচৰা-ওচৰিকৈ ৰাখে। ইয়াৰ পিছত উভয় পক্ষৰ মধ্যস্থ ব্যক্তিৰূপে দেওধাই পণ্ডিতে দৰা-কন্যাক তেওঁলোকৰ সাত-পুৰুষৰ চমু বিবৃতি শুনায় আৰু কড়ি-টোপোলা বজাই যুগ্ম জীৱনৰ বাবে প্ৰয়োজনীয় উপদেশ দুয়োপক্ষৰ উদ্দেশ্যে তিনিবাৰকৈ প্ৰদান কৰে। দেওধাই পণ্ডিতৰ উপদেশ প্ৰদানৰ অন্তত দৰাই গাৰু-চক্ এটা স্পৰ্শ কৰি কন্যাৰ ফালে আগবঢ়াই দিয়ে আৰু কন্যাই এটা চক্ স্পৰ্শ কৰি দৰাৰ পিনে আগবঢ়ায়। ইয়াৰ পিছত দুয়োপক্ষৰপৰা স্থাপন কৰা শৰাই দুখনৰ ঢাকোন গুছাই স্পৰ্শ কৰা নিয়ম। দৰাৰ ফালৰ শৰাইখন কন্যাৰ ফাললৈ তথা কন্যাৰ পিনৰ শৰাইখন দৰাৰ পিনলৈ স্থানান্তৰিত কৰিব লাগে। তাৰ পিছত মৰলৰ ওপৰত এখন বৰকাঁহী পতা হয় আৰু ইয়াত দৰা-কন্যাই টেমী-কটাৰী সলোৱা-সলি কৰি প্ৰীতি খেল খেলে। অৱশেষত দৰা-কন্যাই দেওধাই পণ্ডিত আৰু অন্যান্য জ্ঞাতি-গুৰুৰ আশীৰ্বাদ লৈ চকলং ভাঙি ভিতৰলৈ প্ৰস্থান কৰে। কোনো কোনো ঠাইত চকলঙৰ দিনা ভকতক ভোজভাত খুৱাই দৰা-কন্যাই ভকত-সেৱা কৰে।

দে. দা.

।। চজুন (কাৰ্বি) ।।

কাৰ্বি জনগোষ্ঠীৰ চ'জুন পূজা এবিধ উল্লেখযোগ্য উৎসৱ। এই পূজাক সৰগদেউ পূজাও বোলা হয়। কাৰণ এই পূজাত ইন্দ্ৰ, ৰুদ্ৰ, অগ্নি আদি দেৱতাক পূজা অৰ্পণ কৰা হয়। এই পূজা উপলক্ষে গৃহস্থই যিমান বিলাক আত্মীয় স্বজন বা বংশৰ মানুহ থাকে

সকলোকে পূজাৰ বহুদিন আগতে নিমন্ত্ৰণ কৰিব লাগে। এই নিমন্ত্ৰিত আত্মীয় মানুহবিলাকেও পূজা উপলক্ষে মাননি অৰ্থাৎ হৰ-হাক, হৰতিবুক লগত আনি দিয়ে। এই পূজাত গৃহস্থ বা আত্মীয়সকলে ভগৱানৰ নামত গাহৰি, কুকুৰা আদি উছৰ্গা কৰে। পূজা সমাপ্ত হোৱাৰ পিছত গাহৰিৰ ঠেং, কুকুৰাৰ মাংস সকলোকে ভগাই দিয়া হয়। এই মাংসৰ ভাগ পূজা কৰা পূজাৰীজনেও পায়।

নী.ক.

।। চট্‌কা গান ।।

পশ্চিম অসমৰ বিভিন্ন জনগোষ্ঠী বিশেষকৈ ৰাজবংশী সম্প্ৰদায়ৰ মাজত প্ৰচলিত চট্‌কা গান এক জনপ্ৰিয় পৰিৱেশ্য কলা। প্ৰেম বা শৃংগাৰ ৰসাত্মক গীতৰ ভাৱাইয়াৰ বিপৰীত বৈশিষ্ট্যপূৰ্ণ গীত হ'ল চট্‌কা গান। শৃংগাৰ মূল ৰস হ'লেও চট্‌কাত শ্লেষ আৰু ব্যংগই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। পিছে বিমল হাস্যৰস আৰু কৰুণ ৰসো এই গীতত পৰিলক্ষিত। গহীন, গম্ভীৰ মানেই ভাৱাইয়া আৰু চঞ্চল অথবা কিছু তৰল মানেই চট্‌তা। গীতৰ গতিও জান-জুৰিৰ দৰে ক্ষিপ্ৰ। আনহাতে ভাৱাইয়া যেন এখন বিস্তীৰ্ণ নৈ। পিছে চঞ্চল অথবা তৰল হ'লেও চট্‌কা গানৰ মাজত কেতিয়াবা দেখা যায় গভীৰ বেদনাৰ মৰ্মবাণী, সমাজ জীৱনৰ কৰুণ প্ৰতিচ্ছবি। (প্ৰেম জানে না ৰসিক কালাচাঁদ/ওৰে ঘুইৰে মৰে/কতদিন বন্ধুৰ সংগে হৰি দৰশন বন্ধুৰে)। কিছু তৰল অৰ্থাৎ লৌকিক ৰসযুক্ত এইবিধ পৰিৱেশ্য কলাৰীতি ক্ষিপ্ৰ গতিময় হোৱাৰ বাবে জনসাধাৰণৰ মাজত ই অতি জনপ্ৰিয়। দোতোৰা অপৰিহাৰ্য বাদ্যযন্ত্ৰ। এটি গীতৰ উদাহৰণ ঃ অ' মোৰ ভাওজীয়া কয়/অ' মোৰ ননদীয়া কয়/মুই সুন্দৰী ৰান্ধোন জানিস না/আৰে না না নাৰে...মুই সুন্দৰী ৰান্ধোন জানিস না...!

প.ৰা.

।। চতুৰ্দশ পঞ্চদশ শতাব্দীৰ অসমত বাসুদেৱ উপাসনা।।

মধ্য অসমৰ বিভিন্ন ধ্বংসাৱশেষ উদ্ধাৰ হোৱা শৈল বাসুদেৱ প্ৰতিমাই স্পষ্ট ভাৱে প্ৰমাণ কৰে যে খ্ৰীষ্টীয় নৱম শতাব্দীৰেপৰা এই ভূখণ্ডত পঞ্চৰাত্ৰ পদ্ধতিত বাসুদেৱৰ পূজা উপাসনা চলিছিল। কালিকা পুৰাণত দিক্কৰবাসিনী পীঠত চলা বাসুদেৱ উপাসনাৰ সুন্দৰ ছবিএখনি পোৱা যায়। পিছে যোগিনীতন্ত্ৰত আলোচিত দেৱতাজনাৰ পূজা-অৰ্চনাৰ কোনো স্বাক্ষৰ পাবলৈ নাইকিয়া। উল্লেখযোগ্য যে লক্ষীমপুৰ জিলাৰ দুখন তামৰ ফলিয়ে পঞ্চদশ শতাব্দীৰ আগভাগলৈ উত্তৰ -পূৰ্ব অসমত যে বাসুদেৱৰ অৰ্চনা অব্যাহত আছিল তাৰ স্পষ্ট প্ৰমাণ দিয়ে। ইয়াৰে প্ৰথম- খনি তামৰ ফলি ইং ১৯১০ চনত ধেনুখনা বিলত আৰু দ্বিতীয়খন ইং ১৯৩২ চনত ঘিলামৰাৰ ওচৰত উদ্ধাৰ হৈছিল। সত্যনাৰায়ণ নৃপতিৰদ্বাৰা

প্ৰদত্ত প্ৰথমখন ফলিৰ কিছু অংশ ধ্বংশ প্ৰাপ্ত হ'লেও পাঠৰ যোগ্য হৈ থকা অংশত গণপতিক নমস্কাৰ জনোৱাৰ পিছত দৈত্যাৰি বাসুদেৱ ঈশান আৰু তুহিন গিৰি সুতা অম্বাক স্মৰণ কৰা হৈছে। কালিকাপুৰাণোক্ত বাসুদেৱ অৰ্চনত উল্লিখিত পঞ্চদেৱতাৰ ভিতৰত উপৰ্যুক্ত তিনিজনা দেৱতা অন্তৰ্ভুক্ত। মচখোৱা খণ্ডত ব্ৰহ্মা আৰু ৰামৰ নাম থকা সম্ভাৱনা দেখিছে ড° নেওগে। দ্বিতীয়খন ফলিত লক্ষ্মীনাৰায়ণ ৰজাই ৰবিদেৱক পুণ্য বিহুৰ দিনা মাটি দান কৰাৰ কথা আছে। মনকৰিবলগীয়া কথা, ৰবিদেৱৰ পুত্ৰ হৰি হ'ল - বাসুদেৱোৰ্চনে ৰতঃ অৰ্থাৎ বাসুদেৱ পূজা কৰা লোক। গতিকে কোৱাত অসুবিধা নাই যে আলোচিত দুয়োখন ফলিয়ে বাসুদেৱ পূজা অৰ্চনাক উৎসাহিত কৰাৰ অৰ্থে প্ৰদত্ত হৈছিল। লক্ষীমপুৰ জিলাৰ কঢ়া নৈ আৰু চাৰিকৰীয়া নৈৰ মাজ অংশত অদ্যাপি বাসুদেৱ থান এখনি আছে। সেইখনিৰ আন নাম নৰোৱা গোসাঁইৰ সত্ৰ।

( ড° মহেশ্বৰ নেওগৰ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতিৰ আধাৰত যুগুতোৱা)

না. দা.

।। চন্‌চাৰী পূজা ।।

চন্‌চাৰী পূজা নেপালী সম্প্ৰদায়ৰ দ্বাৰা পালিত এক উল্লেখযোগ্য পূজা। এই পূজা মূলতঃ দেৱী পূজা। অৱশ্যে মনকৰিবলগীয়া যে এই পূজা ঘৰত কৰা নহয়, সমাজৰ মানুহে গোট খাই ঘৰৰ বাহিৰৰ কোনো মুকলি ঠাইতহে এই পূজা পাতে। সাধাৰণতে এই পূজা আঘোণ, ব'হাগ বা জেঠ মাহত অনুষ্ঠিত হয় আৰু বছৰত দুবাৰ এই উৎসৱ পতা হয়। মূলতঃ বিভিন্ন বেমাৰ-আজাৰৰপৰা ৰক্ষা পাবৰ বাবে নেপালী মানুহে পৰম্পৰাগতভাৱে এই পূজা পালন কৰি আহিছে।

নি.চ.

।। চঁপা পতীয়া কাপোৰ ।।

মধ্যযুগীয় অসমত পাট, মুগা আৰু এৰী পৰ্যাপ্ত পৰিমানে উৎপাদিত হৈছিল আৰু সিবোৰৰপৰা সূতা কাটি অসমীয়া শিপিনীয়ে তৰহে তৰহে কাপোৰ বৈ লৈছিল। শুৱালকুছি আৰু পলাশবাৰীৰ মিহি আৰু ফুলাম কাপোৰে মোগল সম্ৰাটৰো চকু থৰ কৰিবলৈ সমৰ্থ হৈছিল। খৃষ্টজন্মৰ পূৰ্বেই লিং চি নামৰ চীনা ৰাণীয়ে পাট পলুৰপৰা সূতা আহৰণ কৰা বিদ্যাটো খ্ৰীষ্টজন্মৰ কিছুকাল পিছত লুইতৰপাৰলৈ সম্প্ৰসাৰিত হয়। আহোম স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলৰ প্ৰয়োজনীয় পাট মুগা উৎপাদনৰ বাবে উজনিৰ চোমনি গাঁও, চোমদাৰ, কাটনি, জোলা, যুগী প্ৰভৃতি গাঁও আৰু খেলে পলু পুহি সূতা কটা কাৰ্যফেৰা সম্পাদন কৰা বিৱৰণ বুৰঞ্জীত পোৱা যায়। মুগা পলুক চোম, দীঘলতি আৰু সোঁৱালু গছত নেমেলি পাণচঁপা আৰু মেজাংকৰী গছৰ পাত খাবলৈ দিলে সূতাবোৰ টান

হোৱাৰ উপৰি সিবোৰ যথাক্ৰমে ৰূপ আৰু সোণ বৰণীয়া হয়। শিৱসাগৰৰ অঞ্চলত বিশেষত চঁপাপতীয়া আৰু ডিব্ৰুগড় জিলাৰ দক্ষিণ অঞ্চলৰ লগতে শিৱসাগৰৰ পূব অঞ্চলত মেজাংকৰী সূতা উৎপাদন হোৱাটো উল্লেখযোগ্য। সম্ভ্ৰান্ত লোকৰ কথা বাদেই, সাধাৰণ শ্ৰেণীৰ লোকেও মুগাপলুক চঁপা আৰু মেজাংকৰী গছৰ পাত খুৱাই চঁপাপতীয়া আৰু মেজাংকৰী সূতা উলিয়াই কাপোৰ বৈ লৈছিল। শুভ্ৰতাৰফালে লক্ষ্য ৰাখি চঁপাপতীয়া কাপোৰক বুৰঞ্জীয়ে ধলপাট বুলিছে।

(ড° লীলা গগৈৰ অসমৰ সংস্কৃতি গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

**।। চমৰীয়া সত্ৰৰ মৃন্ময় ভাস্কৰ্য।।**

দক্ষিণ কামৰূপৰ ঐতিহ্যময় চমৰীয়া সত্ৰৰ মঠটি স্বৰ্গদেৱ লক্ষ্মীসিংহই ১৬৯৩ শকৰ জেঠ মাহত নিৰ্মাণ কৰায়। উক্ত মঠটিৰ বহিৰ্জংঘা বিভিন্ন মূৰ্তি সম্বলিত মৃন্ময় ফলকেৰে সুশোভিত। অষ্টদশ শতাব্দীৰ মৃন্ময় কলাৰ এই কলাসন্মত নিদৰ্শনবোৰৰ অধিকাংশই আজি জহি পমি গৈছে। মঠটিৰ সোঁফালৰ প্ৰথম আঠখনি ফলক নষ্ট হ'ল। নৱম আৰু দশম ফলক দুখনিত চিত্ৰিত হৈছে কালিয় দমন আৰু ৰাসলীলা। ত্ৰয়োদশ-পঞ্চদশ ফলক কেইখনিৰ মূৰ্তিসমূহ চিনিবৰ উপায় নাই। ষোড়শ ফলকত অনন্তশায়ী বিষ্ণু, সপ্তদশখনত মহিষ পৃষ্ঠত যমৰাজ আৰু অষ্টাদশ খনত ত্ৰিশূল হস্ত মহেশ্বৰ। ঊনবিংশখনিত সাতোটা ঘোঁৰাই টনা ৰথত সূৰ্যদেৱ, বিংশ সংখ্যক খনিত দঢ়ীয়া-আসন ভংগীৰ ব্ৰহ্মা, একবিংশ খনিত শিৱ, দ্বাবিংশখনিত চতুৰ্হস্ত পঞ্চানন শিৱ, ত্ৰয়বিংশ খনিত নমস্কাৰহস্তা নাৰী, চতুবিংশখনিত আয়ুধ হস্ত ইন্দ্ৰদেৱ, আৰু পঞ্চবিংশখনিত অষ্টভুজা ত্ৰিমুখী ভদ্ৰকালী। পিছৰ তিনিখনিত যথাক্ৰমে অগ্নি, কাৰ্তিক আৰু কুবেৰৰ প্ৰতিমা বিদ্যমান। মূল মঠটোৰ দুকাষৰ জংঘাতো মৃন্ময় ফলক আছে। সোঁফালৰ বেৰত আছে-স্থানক ভংগীৰ-শংখ-পদ্ম-গদা-চক্ৰধাৰী বিষ্ণু, শ্ৰীকৃষ্ণৰ হয়াসুৰ বধ, গ,ঘ,ঙ আৰু চ ফলক কেইখনিত দুজন পুৰুষৰ সংগ্ৰাম, ছ খনিত জন্তুৰ ওপৰত সমাসীন লোক এজন, জ আৰু ঝ সংখ্যক ফলক দুখনিত নমস্কাৰ হস্তা দুগৰাকী নাৰী। একেদৰে বাঁওফালৰ বেৰত খাঁজি দিয়া ফলকত আছে ক. গণপতি, খ. কল্কি, গ. বুদ্ধ , ঘ. পৰশুৰাম, ঙ. ৰাম, চ. বামন, ছ. নৰসিংহ, জ. বৰাহ, ঝ. কূৰ্ম্ম আৰু ঞ. মৎস্য- এই দশাৱতাৰৰ জীৱন্ত ৰূপ। ভালেকেইখনি ফলকৰ তলত অনামী শিল্পীয়ে পৰিচয়নামা লিখি যোৱাটো মন কৰিবলগীয়া। যেনে-- কুবেৰ, কাৰ্তিক, অগ্নি। সত্ৰীয়া চিত্ৰকলাৰ প্ৰভাৱেৰে পৰিপুষ্ট চমৰীয়া সত্ৰৰ মৃন্ময় ভাস্কৰ্য বোৰ অধ্যয়নৰ সামগ্ৰী।

না.দা.

।। চ'মাংকান ।।

কাৰবিসকলৰ চ'মাংকান অথবা মৃতকৰ শ্ৰাদ্ধৰ অনুষ্ঠান তেওঁলোকৰ জাতীয় উৎসৱসদৃশ। পূৰ্বজন্মৰ কৰ্মফল বিশ্বাস কৰা কাৰবিসকলে মৃতকৰ শ সংকাৰ আদৰ্শনীয়ৰূপে কৰে। মৃতকৰ জীৱন কাহিনীক লৈ অভিজ্ঞ তিৰোতা অথবা ওছেপীয়ে ভাত-আঞ্জা ৰান্ধি চাৰ্হে গীত গায়। মৃতকৰ মৃত্যু উৎসৱ কাৰবিসকলে মহা ধুমধামেৰে পাতে। সময়-সুবিধা অনুসৰি তেওঁলোকে এই উৎসৱ পাতে। প্ৰায়ে বসন্ত কালতেই চ'মাংকান পতা দেখা যায়। চ'মাংকনৰ প্ৰকৃত অৰ্থ হৈছে খাচীয়া নৃত্য। খাচীয়াসকলৰ ৰীতিৰে মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান নৃত্যসহ পালন কৰাৰ বাবেই হয়তো চ'মাংকান নাম হ'ল। গাৰো, লুচাই, মিজো, জনজাতীয়সকলেও একেদৰে মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান পাতে।

এই চ'মাংকান নৃত্য অথবা উৎসৱ আয়োজনৰ ফলত মৃতকৰ আত্মাই দুখ-ক্লেশৰ পৰা মুক্তি লাভ কৰি শান্তি পায় বুলি কাৰবিসকলে বিশ্বাস কৰে। চ'মাংকানৰ প্ৰথম দিনটোক ৰ-কেহুম বোলে। এই দিনটোত হাতত ঢাল-তৰোৱাল লৈ নৃত্য-গীত সহকাৰে মৃতকৰ অস্থি ধান খেৰেৰে সজা মৃতকৰ প্ৰতিকৃতিৰ ভিতৰত সযতনে থৈ দিয়ে। দ্বিতীয় দিনটোক কানছু অথবা সৰু নাচ, তৃতীয় দিনটোক কানপি বা বৰনাচ বোলে। অন্তিম দিনা বানজাব কেকু অনুষ্ঠানৰ মাধ্যমেৰে মৃত ব্যক্তিগৰাকীৰ পাৰ্থিব সংস্কাৰ কাৰ্য শেষ কৰে। গোটেই কেইদিন ওছেপীৰ ভূমিকা গুৰুত্বপূৰ্ণ।

চ'মাংকানত ঢোল-পেঁপা, ঢাল-তৰোৱালৰ লগতে জাম্বিলী-আথনৰ গুৰুত্ব অপৰিহাৰ্য। ইয়াক ইহলোক-পৰলোকৰ মাজত যোগসূত্ৰ অৰ্থাৎ সাঁকো বুলি বিশ্বাস কৰা কাৰবিসকলে সেয়ে জাম্বিলী-আথন সুন্দৰকৈ সজাই-পৰাই লয়। ইয়াৰ মাজেদি কাৰবিসকলৰ শিল্পীমনৰ মনোৰম ৰূপ ফুটি উঠে। ঢোল-পেঁপা, জাম্বিলী-আথন লৈ দলে-বলে ৰাইজে যোগদান কৰে। এখন গাঁৱৰ লোকে আন গাঁৱৰ লোকসকলক মহা সমাৰোহেৰে আদৰে। গাভৰুৱে জিৰ ঈক আৰু ডেকাইঁতে ৰ'জাৰু মূৰত লৈ বৃত্তাকাৰে নাচ-গান কৰি আনন্দ প্ৰকাশ কৰে।

আচলতে এই চ'মাংকানৰ মাধ্যমেৰে কাৰবি জাতিৰ ঐতিহ্য অথবা লোক-সংস্কৃতিৰ প্ৰতিফলন সুন্দৰকৈ প্ৰকাশ পায় বুলি ক'ব পাৰি। প. ৰা.

।। চৰ অঞ্চলৰ মহিলাৰ গহনা-গাঁঠৰি ।।

গহনা-গাঁঠৰিৰ প্ৰতি নাৰী সমাজৰ দুৰ্বলতা চিৰন্তন। চৰৰ মহিলাসকলে দিনৰ দিনটো শস্য ক্ষেত্ৰতে ব্যস্ত থাকিলেও দেহক আকৰ্ষণীয় ৰূপত সজাবলৈ আপাদ মস্তকত বিভিন্ন অলংকাৰ পৰিধান কৰে। সিবোৰ হ'ল— ক) কপালত পিন্ধা - সীতা পাটি; খ) চুলিত পিন্ধা - চুলগুটি; গ) কাণত পিন্ধা-উন্তি, কাণপাশা, জোমকা, বালী, মাছিপাত, মাৰকী আদি; ঘ) নাকত পিন্ধা- বিভিন্ন প্ৰকাৰৰ নাকফুল। যেনে- কইল্যা ফুল, চিৰ ফুল,

ছাতি ফুল, তাশ ফুল, তাৰা ফুল, পাণ, ফুল, ৰেচফুল আদি। ইয়াৰ উপৰি নাকত নখ আৰু বুল্ল্যাকেও শোভা কৰে; ঙ) ডিঙিত পিন্ধা - আদুলি, কুণ্ঠী বা ধান তাবিচ, কামৰাঙা (কৰদৈ) মালা, ছেকল পুতি মালা, চন্দ্ৰহাৰ, নাহাইল্যাৰা, বিস্কুট মালা, মটৰ মালা, সিকি ছাব্ৰা আদি; চ) কঁকালত পিন্ধা-মাঞ্জাৰ গোট; ছ) বাহুত পিন্ধা - কাটা বাজু, ছিপ বাজু, মগৰ দানা বাজু আদি; জ) হাতৰ সৰু গাঁঠিত পিন্ধা - ঝুৰি খাৰু বয়লা, মুঠিখাৰু আদি; ঝ) আঙুলিত পিন্ধা- অংগুট; এও) ভৰিত পিন্ধা-গোল খাইবে, বাঘ খাৰু, বললা কড়ি আদি; ট) ভৰিৰ আঙুলিত পিন্ধা- অংগুট। চৰ অঞ্চলৰ মহিলাসকলে পৰিধান কৰা সৰহসংখ্যক গহনা-গাঁঠৰিয়ে ৰূপৰদ্বাৰা নিৰ্মিত।

[চান্দৰ ডিঙাত (অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনৰ স্মৃতিগ্ৰন্থ, ১৯৯৭) প্ৰকাশিত কাছেমা খাতুনৰ চৰ অঞ্চলৰ গহনা-গাঁঠৰি প্ৰবন্ধৰ আধাৰত যুগুতোৱা]।

জ্যো.দা.

**।। চ'ৰ মাগা প্ৰথা।।**

পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনাখন আবাল-বৃদ্ধ বনিতা মিলি সমজুৱাভাৱে লগভাত খাবলৈ আঘোণৰ অন্তিম সপ্তাহৰ পৰা পুহ মাহৰ কিছু দিনলৈ গাঁৱে গাঁৱে প্ৰতিখন ঘৰলৈ গৈ নানা ধৰণৰ চং-বং কৰি ধন সংগ্ৰহ কৰাৰ বাবে পৰম্পৰাভাৱে হাজং সমাজত চলি অহা লোক উৎসৱটোৰ নামেই হ'ল চ'ৰ মাগা বা চ'ৰখেলা উৎসৱ। অঞ্চলভেদে এই উৎসৱৰ বাবে ধন সংগ্ৰহৰ কাল কাতি মাহৰ শুক্লা পঞ্চমী তিথিত আৰম্ভ কৰি পুহ মাহৰ অন্তিম দিনালৈকে অব্যাহত ৰখা দেখা যায়। অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত এউৰি মাগা আৰু কামৰূপত প্ৰচলিত মহো-হো উৎসৱৰ সৈতে চ'ৰ মাগা উৎসৱৰ একাধিক ক্ষেত্ৰত সাদৃশ্য বৰ্তমান। এই উৎসৱত 'দিন ধাৱা' আৰু 'ভালুক নাচ'ৰ প্ৰদৰ্শন অপৰিহাৰ্য। ভালুক নাচত কিছু সংখ্যক ল'ৰাক শুকান কল চোঁচনি আৰু ফটা ছাতিৰ কলা কাপোৰ মেৰাই ভালুক সজোৱা দেখা যায়। দিন ধাৱাৰ গীতবোৰ হাস্যৰসাত্মক। যেনে— 'ছালে ৰৈছে ছাল কোমোৰা/বেৰায় ৰৈয়ে সিঙা/যাহাৰ বাৰীতে ইয়াৰ বিয়া/কুকুৰে বজায় শিঙা/টাম্‌কু তিন চুঙা' 'ভালুক নাচ'ৰ গীত— 'কুক ভালুক কুক/গিৰি ঘৰলা গুলি ভৰা (গোহালী ভৰা)/গৰু হতক/ঘৰ ভৰা যপাল (সন্তান) হতক/ভাণ্ডাৰ (ভঁৰাল) ভৰা ধান হতক/বাক্‌ছা ভৰা টাকা হতক/বছৰে বছৰে আম্মা ভালুক/পেট ভৰেয়া খাবা পীতক।' চৰ মাগা উৎসৱত পৰিৱেশন কৰা আন কিছুমান গীত 'খুব মাগা' বা 'শিৱ-শিৱে' গীতৰূপে পৰিচিত। এই গীত আজি কালি একোডালকৈ এছাৰি বা টাঙোন হাতত লৈ ল'ৰা-ছোৱালী উভয়ে পৰিৱেশন কৰে।

(১৩ ফেব্ৰুৱাৰী, ২০০৫ ৰ আজিত প্ৰকাশিত পৰেশ হাজঙৰ প্ৰবন্ধৰ আধাৰত)

না. দা.

।। **চলুং উৎসৱ** ।।

অৰুণাচল প্ৰদেশৰ চিয়াং আৰু লোহিত জিলাত থকা আদি জনজাতীয় সমাজত অন্যতম উৎসৱ হ'ল চলুং উৎসৱ বা চলুং পূজা। অসমৰ কৃষিভিত্তিক উৎসৱ বিহুৰলেখীয়াকৈ চলুং উৎসৱও মূলতঃ কৃষি ভিত্তিক। জুলাই আগষ্ট মাহত সচৰাচৰ এই উৎসৱ আদি সকলে অতি পুৰণি কালৰেপৰা সামাজিক আৰু ধৰ্মীয় ৰীতি-নীতি, আচাৰ ব্যৱহাৰেৰে পালন কৰি আহিছে। এই উৎসৱৰ লগত জড়িত হৈ আছে- আদি জনজাতি লোকসকলৰ পৌৰাণিক কাহিনী আৰু জন বিশ্বাস। চলুঙৰ অৰ্থ হ'ল মেথোনৰ জাক বা উৎসৱত ভাগ লোৱা মানুহৰ গোট। পৌৰাণিত আখ্যান মতে লিটুং বাবু আৰু লিমাং নামে নামৰ মহামাৰীয়ে আদি সমাজৰ বহুজনৰ সংহাৰ কৰিছিল। ডনীপল নামৰ ভগৱানক তেওঁলোকে মহামাৰীৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰাৰ্থনা জনাইছিল। ডনীপলে তেওঁলোকক চলুং উৎসৱ পাতিবলৈ আদেশ কৰিছিল। তেতিয়াৰ পৰাই আদি সমাজত চলুং উৎসৱৰ আৰম্ভ হয়। দুটা ভিন্ ভিন্ উপলক্ষে চলুং পূজা পতা হয়। প্ৰথমতে আগম নামৰ জীৱ জন্তুৰ দেৱতাক পূজা কৰে। এই পূজাত ডেকা লৰাবোৰে নৃত্য কৰে আৰু আপং খায়। দ্বিতীয়তে ঝুমখেতি কৰাৰ অন্তত। ইয়াক চলুং প'নং কোৱা হয়। এইটো সম্পূৰ্ণ কৃষি ভিত্তিক। এই উৎসবত গাভৰুসকলে নৃত্য কৰে। এই উৎসৱ বিভিন্ন গাঁৱত বিভিন্ন দিনত উদ্‌যাপন কৰা হয়। এই উৎসৱৰ কোনো নিৰ্দিষ্ট দিন বাৰ নাই। গাঁওবুঢ়া বা গাঁওসভাৰ মুৰব্বীজনে চলুং উৎসৱৰ নিৰ্দিষ্ট দিন ঠাৱৰ কৰে আৰু সেই অনুসৰি ভিন্ ভিন্ গাঁৱত ভিন্ন তাৰিখত এই উৎসৱ পালন কৰা হয়। তাৰিখ নিৰ্দ্দিষ্ট হোৱাৰ পিছতেই আৰম্ভ হয় চাউলৰপৰা তৈয়াৰী আপং প্ৰস্তুত কৰাত। সাত দিনীয়াকৈ এই উৎসৱ ধুম ধামেৰে পালন কৰা হয় যদিও এই উৎসৱ দহ দিন ধৰি পালন কৰাও দেখা যায়।

চলুং পূজাৰ আকৰ্ষণ হ'ল পনুং নৃত্য। প্ৰথম দিনাৰে পৰা পনুং নৃত্য আৰম্ভ হয়। বিশেষকৈ ৰাতিহে পনুং নৃত্য পৰিৱেশন কৰা হয়। ১৪-১৮ বছৰীয়া আদি গাভৰুসকলে এই নৃত্যত ভাগ লয়। অসমৰ বিহুৱতীসকলৰ দৰে এওঁলোকক পনুং বোলা হয়।

সামাজিক দৃষ্টিকোণৰপৰা চালে দেখা যায় যে চলুং উৎসৱ সুখ-সমৃদ্ধিৰ উৎসৱ। ঝুমখেতিৰ বাবে মাটি চহায়, বীজ ৰোপন কৰি আজৰি পৰত সকলো সুখ, কষ্ট পাহৰি আদি জনগোষ্ঠীৰ লোকসকলে চলুং পূজা পাতে। উৎসৱৰ সময়ত তেওঁলোকে অন্য কৰ্ম নকৰি আনন্দত মতলীয়া হৈ থাকে।

আদিসকলৰ সামাজিক, সংস্কৃতিক, কৃষি আৰু ধৰ্মীয় চিন্তা-চৰ্চা মূলতঃ কৃষি ভিত্তিক যদিও ধৰ্মীয় ৰীতি নীতি, আচাৰ ব্যৱহাৰৰ প্ৰতিফলন স্পষ্ট ৰূপত প্ৰকাশ পায়- মেথোন আৰু গাহৰি বলি দিয়া কাৰ্যৰ যোগেদি। শস্যৰ দেৱী কিনে নানেক চলুং পূজাত ধৰ্মীয়

পৰম্পৰাৰে পূজা কৰা হয় যদিও অন্যান্য দেৱ-দেৱীলৈকেও পূজা ভাগ আগবঢ়োৱা হয়।

প. পা.

**।। চহৰাই পৰব ।।**

সাওঁতালসকলৰ মূল উছৱ ৰূপে চহৰাই পৰৱক চিনাক্ত কৰিব পাৰি। অসমৰ বাহিৰত এই পৰব খেতি চপোৱাৰ পিছত পাঁচদিন জুৰি অনুষ্ঠিত কৰা হয় যদিও অসমৰ চাহ বনুৱাসকলে ইয়াক কাতি মাহৰ দীপান্বিতাৰ কালতহে পালন কৰে। গো সেৱাই এই পৰবৰ মূল কথা। ইয়াক ঠাই বিশেষে বাঁধনা পৰব ৰূপেও জনা যায়। এই পূজাত গোৱা গীতবোৰ জাহালি ৰূপে পৰিচিত। এই পৰব আৰম্ভ হোৱাৰ এসপ্তাহমান আগৰেপৰা চাহ বনুৱা ৰাইজে গৰুৰ মূৰ শিঙ আদিত মিঠাতেল ঘঁহি দি আদৰ-সাদৰকৈ ৰাখে। দেৱালীৰ পিছত শুক্লা পঞ্চমী অথবা সপ্তমী তিথিত পৰব শেষ হয়। সেইদিনা অনুষ্ঠিত হয় গোহাল পূজা। ইয়াৰ প্ৰচলিত নাম গৰয়া। সেইদিনা লোকে গুড়মিশ্ৰিত পোৰা-পিঠা সাজে। গোহালি চিকুণাই গোবৰেৰে মচি আলপনা আঁকে ।আলপনা অঁকা হয় পিঠাগুড়িৰ সৈতে পূৰৈ শাকৰপৰা খুন্দি চেপি উলিওৱা ৰসৰ মিশ্ৰণ ঘটাই। গধূলি পৰত ভৰি ধুৱাই অনা গৰুক পঘাৰে বান্ধি পোৰা পিঠা, দুবৰি, আঁৰৈ চাউল আৰু সিন্দূৰেৰে ভৰা কাঁহী এখনত মাটিৰ চাকি জ্বলাই সেইখন গৰুৰ মুখত তিনিবাৰ মান ঘূৰাই দুবৰি আৰু চাউল গালৈ ছটিয়াই দি কপালত সিন্দূৰৰ ফোট আঁকি পোৰা পিঠা খুৱায়। গৰুৱে খোৱাৰ পিছত মানুহে পিঠা পনা খায়। গৰখীয়াবোৰে সেই দিনা পাৰিতোষিক পায়। দেৱালীৰ নিশা বহুতে ঢোল-মাদল লৈ জাহালি গাবলৈ আহে। গো-বন্দনাৰ লগতে আন আধ্যাত্মিক গীত ইয়াৰ অন্তৰ্ভুক্ত। এটা গীতৰ নমুনা - 'ক'ন শিংগে লেবে বৰদা তেল সিন্দূৰ গো' / ক'ন শিংগে লেবে দুব ধানৰে /দুন শিংগে লেবে বৰদা তেল সিন্দূৰ গ'/ কপালেত লেবে দুব ধানৰে।।' (- হে বলধ, কোনটো শিঙত তেল, সিন্দূৰ, দুবৰি বন আৰু ধান লবা? দুয়োটা শিঙতেই তেল, সিন্দূৰ আৰু কপালত দুবৰি বন, ধান ল'বা।) কিছুমান চাহ বাগানৰ শ্ৰমিকে গোহাল পূজা বা গৰয়াত বাঘুত অৰ্থাৎ ব্যাঘ্ৰ দেৱতাৰ পূজাও কৰি ৰঙা কুকুৰা এটি বলি দিয়ে।।

(নাৰায়ণ ঘাটোৱাৰৰ বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি গ্ৰন্থৰ আধাৰত যুগুতোৱা।)

না. দা.

**।। চড়ক-পূজা বা চৈত-পৰব ।।**

অসমৰ চাহ জনজাতিসকলে পালন কৰা এটি প্ৰধান বসন্তোৎসৱ হৈছে চৈত পৰৱ বা চড়ক পূজা। চ'ত মাহৰ শেষৰ ভাগত অনুষ্ঠিত কৰাৰ বাবে এই উৎসৱক চৈত-পৰৱ বোলা হয়। আচলতে পশ্চিমবংগৰ পুৰুলীয়া জিলাৰপৰা অহা চাহ জনজাতিৰ

মাজত এই চড়কপূজা বা চৈত-পৰৱৰ প্ৰভাৱ অপৰিসীম। এই উৎসৱ সমূহীয়াকৈ পতাৰ বাবে অন্যান্য চাহ জনজাতিসকলেও ইয়াত সমানে অংশগ্ৰহণ কৰে। এই পূজাৰ কৰণীয় বিধি কঠিন হোৱাৰ বাবে সকলো ঠাইতে এই উৎসৱ পতা দেখা নাযায়। পূজাৰ পুৰোহিতজনক 'নায়ক' বোলা হয়। অংশগ্ৰহণকাৰী ভক্তসকলে দুদিন আগৰেপৰা উপবাসে থাকি শিৱমন্দিৰত পূজা সেৱা আগবঢ়ায়। ভক্তসকলে নৈত গা ধুই তিতা কাপোৰেৰে দেৱতাৰ জয়ধ্বনি কৰি নিজৰ জিভা, ডিঙি, বুকু আৰু পিঠিত ছাতিৰ তাঁৰৰ সমান মোটা তাঁৰ দুই-তিনিডালকৈ সকলোৱে দেখাকৈ সমবেত ৰাইজৰ আগত বিন্ধি সুমুৱাই দিয়ে। তাঁৰ সোমোৱা ঠাইত কিছু সিন্দূৰ আৰু ঘিউ দিয়ে। সেইদৰে বিন্ধোতে ভক্তসকলে কোনো কষ্ট নোপোৱা আৰু বিন্ধা ঠাইত তেজ নোলোৱা বুলি বিশ্বাস চলি আহিছে। এই ভক্তসকলক শাৰী পাতি মন্দিৰলৈ লৈ গৈ যথাৰীতি পূজা সম্পাদন কৰে। কোনো কোনো ঠাইত ভক্ত এজনক পিঠিত জোঙা ৰিং সদৃশ আঁকুশ এটিৰে বিন্ধি দিয়ে। সেই আঁকুশত এডাল টান ৰচি বান্ধি সেই খুঁটাটোত ওলোমাই দি প্ৰায় আধাঘণ্টামান সময় ৰাখে। উপস্থিত ৰাইজে ফল-মূল আদি তেওঁলৈ দলিয়াই দিলে তেওঁ তাৰে যি পাৰে ধৰি খায়। কোনো কোনো ঠাইত পাৰ চৰাইয়ো দলিয়াই দিয়া হয়। তেনে পাৰ চৰাই দুলি থকা ভক্তজনে থাপ মাৰি ধৰি তেজ পান কৰে। পূজা শেষ হ'লে কাঠৰ খুঁটাটো পুখুৰীত পেলাই থোৱাৰ নিয়ম।

এনেদৰে অসমৰ বিভিন্ন চাহ জনজাতি অধ্যুষিত অঞ্চলত চড়ক পূজা বা চৈত পৰব পালন কৰা হয়। স্থান ভেদে অৱশ্যে এই পূজাৰ বিধি-ব্যৱস্থা কিছু পৰিমাণে বেলেগ।

প. ৰা.

**।। চাউল ভোজনি ।।**

বৰপেটা জিলাৰ কোনো কোনো অঞ্চলত 'চাউল ভজনি' নামৰ এটি ধৰ্মীয় উৎসৱ পালন কৰা হয়। মাঘ মাহৰ বিশেষ তিথি বা অন্যান্য দিনত এই অনুষ্ঠানটি প্ৰধানভাৱে গাঁৱৰ ভকতনী আইসকলে অনুষ্ঠিত কৰে। এই উদ্দেশ্যে এখন গাঁৱৰ ভকতনীসকলে নিৰ্দিষ্ট দিনটোত ওচৰ-পাজঁৰৰ গাঁওবোৰৰ আইসকলক নিমন্ত্ৰণ কৰে। অনুষ্ঠানটি পৰিচালনা কৰিবলৈ এগৰাকী গোসাঁই বা অধিকাৰক মতা হয়। ওচৰ-পাজঁৰৰ গাঁৱৰ আইসকলে প্ৰত্যেকেই চাউল, দালি, আলু, কোমোৰা, পূৰৈ শাক, নিমখ, হালধি, জলকীয়া, তেজপাত আদি বিভিন্ন দ্ৰব্য লৈ নামঘৰলৈ আহে। যিখন গাঁৱৰ আইসকলে ভজনি পাতে, তেওঁলোকেও বিভিন্ন বস্তু যোগাৰ কৰে। বুট, মুগ, বিবিধ ফল-মূল, সহিতে ধূপ-ধূনা, চাকি জ্বলাই নামঘৰত এখন ঠগী দিয়ে। বিভিন্ন ঠাইৰ আইসকল আহি নামঘৰত উপস্থিত হোৱাৰ পিছত নাম-কীৰ্তন আৰম্ভ কৰা হয়। নাম-কীৰ্তনৰ

অন্তত অধিকাৰ বা গোসাঁয়ে চৰিত পুথিৰ আঁত ধৰি চাউল ভোজনিৰ বিষয়ে ব্যাখ্যা কৰে। ব্যাখ্যা শেষ হোৱাৰ পিছত ভাগৱত পাঠ কৰা হয়। ভকত-ভকতনীসকলে ভক্তিত গদ্ গদ্ হৈ ভাগৱত-কথা শ্ৰৱণ কৰে আৰু ভক্তিৰসত অৱগাহন কৰি আধ্যাত্মিক আনন্দত আপ্লুত হৈ পৰে। শেষত ঠগী ভাঙি সকলোৰে মাজত গাজী বিতৰণ কৰা হয়। গাজীৰ লগতে চাউল, দালি আদি বিভিন্ন বস্তুবোৰো প্ৰসাদৰূপে সকলোৰে মাজত ভগাই দিয়ে। কোনো কোনো নামঘৰত আকৌ ভকত-ভকতনীসকলে বস্তুবোৰ ৰান্ধি-বাঢ়ি নামঘৰতে ভগাই খায়।

বৰপেটা জিলাৰ কোনো কোনো অঞ্চলত চাউল ভোজনিৰ প্ৰচলন আছে যদিও বৰপেটাৰ আয়তীসকলে চাউল ভোজনি বুলি কোনো অনুষ্ঠান কীৰ্তন ঘৰত নাপাতে। কেৱল অন্য ঠাইৰ লোকসকলে বৰপেটা সত্ৰ দৰ্শন কৰিবলৈ আহোঁতে লগত চাউল, দালি আদি বস্তু লৈ আহে। নাম-প্ৰসংগৰ পিছত সেইবোৰ ভকত-ভকতনীয়ে ভগাই লয়। তদুপৰি বৰপেটা অঞ্চলত কোনো গণ্যমান্য ব্যক্তিৰ মৃত্যু হ'লে শ্ৰাদ্ধৰ পিছত গৃহস্থই চাউল, দালি, নিমখ, আদি কীৰ্তন ঘৰত দান কৰে। পিছত সেইবোৰ হাটীৰ মানুহে ভগাই মেলি লৈ যায়।

মহাপুৰুষ শংকৰদেৱ মাধৱদেৱ প্ৰচাৰিত অসমৰ বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা অনুযায়ী চাউল ভোজনি অনুষ্ঠান পালন কৰা হয় বুলি অনুমান কৰিব পাৰি। মহাপুৰুষ দুগৰাকীয়েও বিভিন্ন ঠাইৰ ভক্তসকলে সত্ৰ-নামঘৰলৈ লৈ অহা দ্ৰব্যবোৰ তেওঁলোকৰ মাজতে বিতৰণ কৰিছিল বুলি বিভিন্ন চৰিত পুথিত উল্লেখ পোৱা যায়। হয়তো শংকৰ মাধৱৰ এই পৰম্পৰাৰ অনুগামী হৈয়ে আজিও কোনো অঞ্চলৰ বৈষ্ণৱ সমাজে চাউল ভোজনিৰ দৰে ধৰ্মীয় উৎসৱ পালন কৰি আহিছে।

বি. ভ.

।। চাং ।।

চাং চিনি নোপোৱা অসমীয়া লোক নাই। উজনিৰ ফালে ই মচা, পাভটি নামেৰেও পৰিচিত। বড়ো ভাষাত ই বচাং নামে আৰু নামনিত আতাল নামে জনাজাত। সাধাৰণতে 'বস্তু তুলি থ'বৰ কাৰণে বা মানুহ শুবলৈ অলপ ওখকৈ বাঁহ বা কাঠেৰে সজা যতন' বিধৰ নাম চাং। লাও, কোমোৰা, জিকা, ভোল আদি বগাবলৈ বাঁহেৰে দিয়া হেঁদালিৰো একেই নাম। পাশ্চাত্য সভ্যতাৰ প্ৰভাৱ পৰাৰ পূৰ্বে লুইতপৰীয়া অসমীয়াই বেলেগ বেলেগ চাং সাজি ভিন্ন কামত তাক ব্যৱহাৰ কৰিছিল। তেনে কেইবিধমান চাং হ'ল— ক. চোৰ চাং - আগৰদিনত শোৱা চাঙৰ ওপৰত কেইবা তৰপ গাধৈৰে মজবুত বেৰ দি ধনী লোকসকলে তাত বহুমূলীয়া বস্তু ৰাখিছিল। নামটো চাং যদিও আচলতে সি এটা সৰু কোঠাহে। খ.

ধোঁৱা চাং - জুহাল আৰু আখলৰ ওপৰত সজা চাংখনি ধোঁবা চাং। এই চাঙৰ বয় বস্তু সেমেকি নাযায়, পোক পৰুৱাই নধৰে। গ বৰ চাং-বৰঘৰৰ ভিতৰত শোৱাৰ উপযোগীকৈ সজা ওখ বাঁহ কাঠৰ যতৰেই বৰচাং, ঘ. হেঁদালি চাং - ঘৰুৱা সৰু সুৰা বস্তু তুলি থ'বলৈ সজা চাংখনি হেদালি চাং ৰূপে পৰিচিত। অঞ্চল বিশেষে ইযাক বাদুলি চাঙো বোলে, ঙ. পানী চাং - সাধাৰণতে আখলত পানীৰ কলহ ৰখাৰ বাবে সজা চাংখন। চ. হুদলা চাং - ভঁৰালৰ ভিতৰত ধান থোৱা চাং খন হুদলা চাং ৰূপে পৰিচিত। চাং শব্দৰ আন আন ব্যৱহাৰো মন কৰিবলগীয়া। যেনে - ৰজাঘৰীয়া চাং (ৰাজহাউলীৰ অৰ্ন্তভাগ), ডেকা চাং (বিভিন্ন জনজাতিৰ ডেকাসকলে গাঁও, পহৰা দিয়াৰ বাবে আৰু অবিবাহিত কালত থকাৰ বাবে সজা ঘৰ), নগা চাং (নগাসকলৰ গাঁও), গাভৰু চাং (জনজাতীয় অবিবাহিতা গাভৰু থকা চাংঘৰ) আদি। চাং শব্দলৈ অসমীযাত সৃষ্টি হোৱা খণ্ডবাক্যবোৰ এনেধৰণৰ -চাং পতা কথা, অকাশত চাং পতা কথা (মিছাকথা যোৰা দি মৰা ফিতাহি), চাঙত উঠ (নৰীয়াৰ ভাও জুৰি কাম নকৰি শুই থকা লোক), চাঙত তুলি থ (আলসুৱাকৈ ৰাখ), চাঙত তুলি ধোঁৱা দে (ধোঁৱা দি আদৰুৱাকৈ ৰাখ (ব্যংগ), ইত্যাদি।

(চলন্ত অভিধানৰ আধাৰত যুগুতোৱা)

না .দা

।। চামাদি ।।

বিভিন্ন জাতি জনজাতি মিলি গঢ়ি উঠিছে বৃহৎ অসমীযা জাতি। তিৱা সকলো অসমৰ এক অতি পুৰণি জনজাতি। এই তিৱা জনজাতিৰ সমাজতে দেখা যায় চামাদিৰ প্ৰচলন। চামাদিৰ অৰ্থ হৈছে ডেকা চাং। অসমৰ বিভিন্ন জনজাতিবোৰৰ দৰে তিৱা সমাজতো চামাদি বা ডেকাচাঙৰ প্ৰচলন আছে। তিৱা সমাজ জীৱনত চামাদিয়ে এটা গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰি আছে। গাঁৱৰ দহ বছৰ অতিক্ৰম কৰা ল'ৰাক চামাদিত থাকিবলৈ দিয়া হয়। এওঁলোকক কোৱা হয় খাৰা পাছ্যাই। এই খাৰাপাছ্যাইসকলে যেতিয়া চামাদিত ছবছৰ অতিক্ৰম কৰিব, তেতিয়া তেওঁলোকক খৰকিয়া পাছ্যাই বুলি কোৱা হয়। খাৰাপাছ্যাই সকলক অগ্ৰজ খৰকিয়া পাছ্যাই সকলে বিভিন্ন ধৰণৰ কাম কাজ শিকায়। ই হ'ল ভাতৃ প্ৰেম আৰু সম্প্ৰীতিৰ কেন্দ্ৰস্থল। সংসাৰৰ বান্ধোনত সোমোৱাৰ আগলৈকে তিৱা ডেকাসকলে চামাদিত থাকে। অগ্ৰজ খৰকিয়া পাছ্যাইৰ মাজৰপৰা নিৰ্বাচন কৰা হয় চামাদিৰ নেতাক। এওঁক কোৱা হয় চাংদলৈ। চাংদলৈৰ নিৰ্দেশত ডেকাসকলে বাঁহবেতৰ কাম, খেতিৰ কাম আৰু উৎসৱ-পাৰ্বণৰ নীতিনিয়মবোৰ শিকি লয়। চামাদিৰ প্ৰচলিত নিয়ম অনুসৰি প্ৰতি ছবছৰৰ মূৰে মূৰে চামাদি ভাঙি নতুনকৈ চামাদি নিৰ্মাণ কৰে। ইয়াৰ ফলত ডেকাসকলৰ গৃহ নিৰ্মাণৰ কামো শিকা হৈ যায়। তিৱা সমাজৰ বসন্ত উৎসৱ ছগ্ৰামিছুৱা, পিঠাগুড়ি খুন্দা উৎসৱ বানছুৱা আদিত চামাদিৰ ডেকাসকলেই আগভাগ লয়। ছগ্ৰামিছুৱাত

ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰসমূহ চামাদিতে অতি যত্ন সহকাৰে ৰখা হয়। পাংচি ফেলানি অৰ্থাৎ বাঁহী সজা কামো ইয়াতে সম্পন্ন কৰা হয়। পাংচিফেলানিৰ বাবে মদ প্ৰস্তুত কৰিবলৈ চাংদলৈয়ে প্ৰতিঘৰৰপৰা চাউল সংগ্ৰহ কৰে। চামাদিত অনুষ্ঠিত হোৱা এই পাংচি ফেলানিত যোগ নিদিয়া সকলে এপাচিকৈ চাউল জৰিমনা ভৰে। ৱানছুৱা উৎসৱতো গাঁৱৰ গাভৰুসকলে চামাদিৰ চাংদলৈ আৰু ডেকাসকলক গাঁৱত আদৰণি জনায়। তাৰ পিছত পৰম্পৰাগত সাজ-পোচাক পিন্ধি ডেকাসকলে চাংদলৈৰ ঘৰৰ চোতালত পিঠাগুড়ি খুন্দা উৎসৱ পালন কৰে। চাংদলৈৰ ঘৰতে ৱানছুৱাটো পতাৰ নিয়ম। চামাদিত থকা সমস্ত ডেকাকে ৰাইজৰ সাৰ্বজনীন বুলি ক'ব পাৰি। এনে ব্যৱস্থাৰ ফলতে বৰ্তমান সমাজত দেখা দিয়া বদগুণ সমূহ তিৱা সমাজত সোমাব পৰা নাই।

নী.ক.

**।। চাৰিশুৱা ।।**

খোল কৰতাল বাৰে নাগাৰা মৃদংগ।

দোতাৰ চাৰিশুৱা বাঁশী ৰবাব উপাংগ।।— দৰংৰাজবংশাৱলী।

ততবাদ্য শ্ৰেণীৰ অন্তৰ্গত চাৰিশুৱা (বড়ো চেৰ্‌জা) বা চেৰেন্দাৰ লক্ষণীয় দিশ হ'ল— তাৰ আকৃতি বা গঠন। ইয়াৰ 'গাটোৰ মাজৰ অংশটো ইমান চেপা খোৱা যে দেখাত ওপৰ আৰু তল ভাগ দুটা বেলেগ অংশ যেন লাগে। তলৰ অংশটো সৰু আৰু দেখাত নাচপতিটোৰ দৰে' (বি. চৈতন্যদেৱৰ ভাৰতীয় বাদ্যযন্ত্ৰ, পৃ. ১১৫)। এই অংশটোৰ ওপৰ ভাগ পাতল চামৰাৰে ছোৱা হয়। ইয়াৰ ওপৰ ভাগৰ প্ৰথম অংশ অনুক্ৰমে টুঁচিমুৱা আৰু দ্বিতীয় ডাঙৰ আৰু দুয়োকাষ চৰাইৰ পাখিৰ দৰে মেলা আৰু ঘোৰখোৱা। এই অংশটো মুকলি। টুঁচিমুৱা অংশত পুনৰ সৰু খোল এটা কৰি তাত তিনিডাল কাঠৰ সৰু শলা ভৰোৱা প্ৰয়োজন। পিছত সেই শলাকেইডাললৈকে তলৰ অংশটোৰ মূৰৰপৰা তিনিডাল মুগা সূতা বান্ধি ল'লেই বাদ্যটো সম্পূৰ্ণ হয়। তাঁৰৰ কাম কৰা ত্ৰিসূত্ৰৰ নাম যথাক্ৰমে বাম, সুৰ আৰু জিল। সূতাকেইডাল আৱশ্যক অনুযায়ী টান-ঢিলা কৰিব পাৰি। বাদ্যটো বজাবলৈ ধনুভিৰীয়া ঘোঁৰা ফানেৰে বন্ধা ৰেপনি এডাল ব্যৱহাৰ কৰা হয়। পূৰ্বাঞ্চলৰ ভিন্ন জনজাতিৰ উপৰি উত্তৰ ভাৰতৰ পাহাৰীখণ্ডৰ লগতে বিহাৰৰো একাধিক জনজাতিয়ে আলোচিত বাদ্যবিধৰ অনুশীলন কৰাটো উল্লেখযোগ্য।

না. দা.

**।। চাকল পৰৱ ।।**

অসমৰ বিভিন্ন জনজাতীয় গোষ্ঠীসমূহৰ ভিতৰত চাহ জনজাতীয় গোষ্ঠী অন্যতম। এওঁলোক মূলতঃ কৃষিজীৱী। বছৰৰ বিভিন্ন মাহত এই লোকসকলে কৃষিৰ শ্ৰীবৃদ্ধি তথা জাতিটোৰ সৰ্বাংগীন উন্নতিৰ বাবে বিভিন্ন উৎসৱ পাৰ্বণ আদি পালন কৰা দেখা যায়।

ইয়াৰ ভিতৰত বসন্তকালত পালন কৰা এক কৃষিভিত্তিক উৎসৱ হ'ল— চাৰুল পৰৱ। চ'ত মাহৰ পঞ্চমী, সপ্তমী আৰু নৱমী তিথিত এই উৎসৱ পালন কৰা হয়। এই সময়ছোৱাত চাহ শ্ৰমিকসকলে ঘৰে ঘৰে ন বিধ আঞ্জাৰে খোৱা লোৱাৰ আয়োজন কৰে। বিশ্বাস আছে যে এনে কৰিলে বিভিন্ন বেমাৰ আজাৰৰপৰা হাত সাৰি থাকিব পাৰি। উৎসৱৰ দিনা উপবাসে থাকি গোঁসাই ঘৰ (মাঁড়েঘৰ)ত কুকুৰা বলি দি দেৱতাক আৰাধনা কৰে। ইয়াৰ পিছত তেওঁলোকে গাঁৱৰ আটায়ে লগ লাগি ঘৰে ঘৰে নাচি ফুৰে আৰু গৃহস্থক একোপাহ ফুল মূৰত দি মংগল কামনা কৰি আৰ্শীবাদ দিয়ে। এই দলত গাঁৱৰ মুখিয়াল ফুলধৰিয়া পাহান আৰু কটোৱালো উপস্থিত থাকে। এই উৎসৱত চাহ জনজাতিসকলৰ বিভিন্ন গোষ্ঠীৰ বিশেষকৈ ওৰাং খাড়িয়া, চাওতাল, মুণ্ডা, মাঝি আদিৰ লোকসকলে বৰ আন্তৰিকতাৰে সমিলমিলেৰে ভাগ লয়। চাহ জনজাতিসকলৰ ঐক্য-সংহতি, শান্তি সম্প্ৰীতিৰ প্ৰতীক স্বৰূপ এই চাৰুল পৰৱ যদিও বিভিন্ন সম্প্ৰাদায়ৰ লোকসকলে একেলগে এই উৎসৱ পালন কৰে তথাপি কিছুমান ৰীতি নীতিৰ ইফাল সিফাল হোৱা দেখা যায়। মুণ্ডা, খাড়িয়াসকলৰ এই উৎসৱটোক বেওছাৰলী পৰৱ বুলি কোৱা হয় আৰু তেওঁলোকে এই উৎসৱ জেঠ আহাৰ মাহত সোণাৰু ফুলাৰ সময়ত পালন কৰে। চাহ জনজাতিসকলৰ এই বসন্তকালীন উৎসৱ চাৰুল পৰৱত বিভিন্ন খেল-ধেমালি আৰু ৰং ৰহইছৰ আয়োজন কৰা দেখা যায়। মূলত চাহ জনজাতীয় লোকসকলৰ এই উৎসৱে অকল জনজাতীয় সংস্কৃতিয়ে নহয় সমগ্ৰ অসমীয়া সংস্কৃতিকে সমৃদ্ধিশালী কৰি তুলিছে।

ম.কু.দা.

।। চালি নাচ ।।

সত্ৰৰ এটি উল্লেখযোগ্য নাম চালিনাচ। চালিনাচৰ বুৎপত্তি সম্পৰ্কে মতানৈক্য আছে। যেনে - ক. মণিৰাম দত্ত বায়ন মুক্তিয়াৰদেৱৰ মতে ভাগৱত বৰ্ণিত হৰমোহনৰ মোহিনী নৃত্যই চালি। এই নাচ নাচিলে ম'ৰাই চালি ধৰা যেন দেখি গুণে নাচটোৰ নাম চালি 'পিন্ধি শাৰী খোন্টাজালি যেন মৈৰা কৰে চালি।' খ. শ্ৰীকৃষ্ণই পথাৰত গৰু চাৰোঁতে যি নৃত্য কৰিছিল, সেয়ে চালি; গ. নাৰদ বৈকুণ্ঠলৈ গৈ ছালিকা নৃত্য প্ৰদৰ্শন কৰাৰ কথা হৰিবংশত বিবৃত হৈছে। সংগীত ৰত্নাকৰত ছালিক্য নৃত্যৰ লক্ষণ পোৱা যায়; ঘ. চৰিত পুথিত আছে, মহাপুৰুষ মাধৱদেৱে পোন প্ৰথমে বৰপেটাত ৰঙ্গিয়াল গৃহত চালি নাচ কৰাইছিল যাৰ ফলত কোচ ৰজাই কটোৱাল সুৱানন্দৰ হতুৱাই সত্ৰ তালাছ কৰিবলৈ বাধ্য হৈছিল। মাধৱদেৱৰ ৰাজসূয় কাব্যত চালি নাচৰ এটি আদৰ্শ লুকাই থকা বুলি কোনোৱে কয় - 'মকৰ কুণ্ডল গণ্ড প্ৰকাশে প্ৰচুৰ / চালি কৰি নাচে যেন দুগোটা ময়ুৰ।'

সত্ৰ ভেদে চালি নাচৰ ভংগিমাৰ পাৰ্থক্য দেখা যায়। খোলৰ বোলৰো কিছু

গৰমিল ধৰা পৰে। বহুতৰ মতে চালি নাচ আঠ খন। আৰম্ভণি ৰামদানিয়ে নাচৰ ভিন্নতা আনে। প্ৰতিখন চালি নাচৰ ভাগ তিনিটা - ক. ৰামদানি, খ. গীতৰ ঘাতৰ নাচ আৰু গ. মেলা নাচ। ৰামদানিত সুকীয়া সুকীয়া তালৰ ব্যৱহাৰ মন কৰিবলগীয়া। ইয়াৰ নামবোৰ বেলেগ বেলেগ। যেনে - সৰু ৰামদানি, বৰ ৰামদানি, হাজোৱলীয়া ৰামদানি আৰু কলাকটীয়া ৰামদানি। দুখনকৈ ৰামদানি প্ৰত্যেকখন চালি নাচত পৰা দেখা যায়। ধীৰ লয়ত আৰম্ভ হৈ এই নাচ দ্ৰুত লয়ত পৰিণত হয়।

নাচৰ সাজ-পাৰৰ বৰ্ণনা ডঃ নেওগে দিছে এনেদৰেঃ 'খোপা মূৰৰ ওপৰত বান্ধি ওৰোণাৰে ঢাকি মুখখন উলিয়াই ঠুটৰিৰ তলত বতিয়াৰে সী গাঁঠি মাৰি দিয়ে। খোপাৰ তলতো তেনে গাঁঠি পৰে। ডিঙিত ফুলৰ মালা। গাত ক'লা মখমলৰ কাপোৰ। তাৰ ওপৰত বাহুৰ ওপৰে পটি মেৰিয়াই আনি কঁকালত পকাই বন্ধা হয়। কঁকালত ....... টঙালি। তলত বগা লহঙা। তাৰ ওপৰত বনকৰা আচল বা ৰিহা দুচলা। ........ ভৰিত নেপুৰ...... হাতৰ মুঠিত আৰু বাহুৰ তলত চাৰিপাত বাজু।' (সত্ৰীয়া নৃত্য) কমলাবাৰী, জৰাবাৰী, ভোগপুৰ, বেলগুৰি প্ৰভৃতি সত্ৰৰ চালিনাচ প্ৰখ্যাত।

না. দা.

**।। চাহ জনাজাতিৰ ফুছপুণী মা'ৰ পূজা ।।**

অসমৰ চাহ মজদুৰ সমাজৰ ওড়িছী হৰিজনীয়াসকলে পুহ বা আঘোণ মাহৰ সংক্ৰান্তিৰ আগদিনা ম'হ, ডাঁহ, পোক-পৰুৱা আদিৰ অত্যাচাৰৰপৰা ৰক্ষা কৰিবলৈ সিহঁতৰ অধিষ্ঠাত্ৰী দেৱী ফুছপুণী মা'ৰ পূজা পালন কৰে। এই পূজাৰ দিনা ফুছপুণী মা'ৰ বেদী ঘৰৰ চুকত প্ৰতিষ্ঠা কৰা হয়। তাৰ পিছত মড়া ৰুটি, চমেন পিঠা, পুড় পিঠা আৰু পায়সেৰে নৈবেদ্য আগবঢ়োৱা হয়। পূজাৰ দিনা ঘৰৰ স্বামী-স্ত্ৰী উভয়ে দিনটো উপবাসে থাকি সন্ধিয়াৰ আগে আগে এই পূজাৰ সমাপন কৰে। পূজাৰ দিনা ওচৰ চুবুৰীয়াসকলকো নিমন্ত্ৰণ কৰা হয়। পূজা শেষ হোৱাৰ পিছত সকলোৰে মাজত প্ৰসাদ বিতৰণ কৰাৰ পিছত চেমনীয়া আৰু পুৰুষসকলৰ আগত এটা আধা ভঙা কেৰাহীত তেল সিন্দুৰ আদিৰে ফোট দি তাত কিছু তুঁহ গুড়ি আৰু জুইৰ আঙঠা ভৰাই চোতাল উলিয়াই দিয়া হয়। ইয়াক তেওঁলোকে ভূৰচী বুলি কয়। পিছত ঘৰৰ গৃহিণীয়ে ঘৰৰ চুকে-কোণে থকা মকৰা জাল আদি চফা কৰি আনি ভূৰচীত দিয়ে আৰু উপস্থিত সকলোৱে হৰিধ্বনি দি গান গাই গাই ভূৰচী লৈ গাঁও পৰিভ্ৰমণ কৰিবলৈ ওলাই যায়। গাঁৱৰ অন্যান্য লোকসকলেও এই দলটোৱে কঢ়িয়াই নিয়া ভূৰচীত নিজৰ নিজৰ ঘৰত মকৰা জাল আদি আনি পেলায় আৰু দলটোক পিঠা-পনা, দা-দক্ষিণা দি বিদায় দিয়ে। এইদৰে গাঁও পৰিভ্ৰমণ কৰা শেষ হ'লে কোনো তিনিআলিৰ সঙ্গমস্থলত ভূৰচী নমায় অথবা ওচৰৰ নদী-পুখুৰী আদিত বিসৰ্জন দিয়া হয়। দলটোৱে লাভ কৰা পিঠা-পনা আদি নিজৰ মাজত ভগাই লয় আৰু এনেদৰে ফুছপুণী

পূজাৰ অন্ত পৰে।

ন.চৌ.

**।। চিংফৌ সকলৰ বিয়া বাৰু।।**

অসমৰ উজনি অঞ্চলত বসবাস কৰা চিংফৌ জনগোষ্ঠীৰ লোকসকলৰ বিয়াবাৰু, সাংস্কৃতিক ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত ৰীতি বুলিব পাৰি। অন্যান্য জনগোষ্ঠীৰ দৰেই চিংফৌসকলৰ বিবাহ পদ্ধতি উল্লেখনীয়। বিয়াৰ সম্বন্ধ ৰক্ষা কৰোতে চিংফৌসকলে নিয়মৰ বান্ধোনত থাকিবলগীয়া হয়। ল'ৰাই ছোৱালী পছন্দ কৰিলে ল'ৰাৰ ঘৰৰপৰা ছোৱালী ঘৰলৈ কটকী পঠোৱাৰ নিযম আছে। বিয়াত ৰাজী হ'লে ছোৱালী ঘৰৰ মাক-বাপেক, খুৰাক, মামাক আদিয়ে ল'ৰাৰ ঘৰৰপৰা গা-ধন লোৱা নিয়ম। মঙ্গল চাই বিবাহৰ দিন ধাৰ্য কৰা হয়। ল'ৰা ঘৰৰপৰা ছোৱালী ঘৰলৈ মাইকী মানুহ বিয়াৰ দিন ঠিক কৰিবলৈ যায়। দিন বাৰ ঠিক হোৱা পিছত গা-ধন হিচাপে ছোৱালীৰ মাক-বাপেক, মামাক খুৰাক আদিক এখন দা, এটা ভেলভেট চোলা, এখন কাপোৰ দিব লাগে। চহকীসকলে সোণ-ৰূপ, যোৰা ম'হ আদি দিয়ে। ছোৱালী ল'ৰাৰ ঘৰত আনিহে বিয়া পতা হয়। ল'ৰাঘৰত ছোৱালী ঘৰৰ মানুহ মাতি আনি বিবাহ কাৰ্য সম্পন্ন কৰা হয়। দৰা-কইনাই ঘৰতে বোৱা সাজ পৰিধান কৰাতো বাধ্যতামূলক। অলংকাৰ হিচাপে মণি আৰু মালা ব্যৱহাৰ কৰে। বৈবাহিক মাঙ্গলিক (খৈয়াদ) কাৰ্য অনুষ্ঠিত হয় নিমন্ত্ৰিত ৰাইজৰ সাক্ষীত। দেওধায়ে (দুমচা) বিয়াৰ মাঙ্গলিক কাৰ্য সম্পন্ন কৰাৰ পিছত উপস্থিত বয়োজ্যেষ্ঠ লোকে উপৰিপুৰুষৰ কাহিনী শুনাই দৰা-কইনাক আশীৰ্বাদ দিয়ে। বিয়াত ঘৰুৱা দেৱতাক (থিমৰুন) পূজা কৰি মূল দেৱতালৈ (নাটগুন) পূজা অৰ্চনা আগবঢ়ায়। চিংফৌ সমাজত দৰাক লানুমনাম আৰু কইনাক নুমনানজান বুলি কয়। বিবাহস্থলত উপস্থিত ৰাইজক গাহৰি, মাছ, ছাগলী, মুৰ্গী আদিৰে ভোজ দিয়া হয়। বিবাহৰ মাঙ্গলিক কাৰ্যত উপস্থিত থকা লোকে চিংফৌৰ পৰম্পৰাগত সাজ-পোছাক পিন্ধাটো বাধ্যতামূলক।

তথ্য সংগ্ৰহ ঃ বিছা নং চিংফৌ ৰজা, বিছা গাঁও, লিডু, অসম।

প.কু. ডে.

**।। চিতা ।।**

ভাৰতীয় হিন্দু সমাজত শৱদাহৰ জলন্ত অগ্নিকুণ্ডকে চিতা বোলা হয়। একেদৰে অসমৰো হিন্দুসমাজে স্বাভাৱিকভাৱে অথবা দুৰ্ঘটনাজনিত কাৰণত মৃত ব্যক্তি চিতাৰ মাধ্যমেৰে শৱ দাহ কৰে। এই চিতা সচৰাচৰ কোনো নৈৰ পাৰত, পৱিত্ৰ মঠ-মন্দিৰৰ কাষত স্থাপন কৰা হয়। গ্ৰাম্য সমাজত সমূহীয়া শ্মশান নাথাকিলেও নিজৰ মাটিৰ নিজঞ্জাল স্থানত চিতা সজা হয়। আত্মহত্যা কৰা ব্যক্তিক চিতাত তোলা নহয়। সচৰাচৰ চিতা চাৰে তিনি হাত হ'ব লাগে। মৃতদেহটোৰ মূৰ উত্তৰ মুৱাকৈ চিতাত তোলা হয়। সাধাৰণতে বাঁহ

আৰু কাঠেৰে এই চিতা সজোৱা হয়। মৃত ব্যক্তিৰ নিজৰ বাঁহ কাঠ হ'লে ভাল। বিশেষকৈ মৃত ব্যক্তিৰ বাঁহনি ডৰাৰপৰা কেঁচা পুৰঠ বাঁহ অনা হয়। পৰাপক্ষত সেই বাঁহনি ডৰাৰ বাঁহ ঘৰুৱা কামত ব্যৱহাৰ কৰা নহয়। লাগনি কাঠ-বাঁহ সচৰাচৰ ব্যৱহাৰ কৰা হয় যদিও ঘিউ এই চিতাকৰ্মৰ বাবে অপৰিহাৰ্য সম্পদ। চন্দন কাঠেৰে শৱদাহ প্ৰথা পুণ্য বুলি গণ্য কৰা হয় যদিও সম্প্ৰতি ই দুষ্প্ৰাপ্য হৈ পৰাত এডোখৰ হ'লেও চন্দন কাঠ চিতাত দিয়া হয়। হিন্দু মানুহৰ জীৱনৰ অন্তিম পৰিণতি যিহেতু শ্মশানৰ এই চিতা সেয়ে অসমৰ সংস্কৃতিত চিতাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।

প.ৰা.

**।। চিতিপটি।।**

মহিলা সকলে মূৰত বা শিৰতপৰিধান কৰা অলংকাৰ। ইয়াক বিশেষকৈ বিয়াৰ দিনা আৰু নোৱাই-তোলনী বিয়াৰ দিনা কইনাক পিন্ধোৱা হয়। ইয়াৰ তিনিটা ভাগ থাকে। মাজৰ ভাগ শিৰৰ সেওঁতাৰে পিন্ধাই দিয়া হয় আৰু কাষৰ হাৰ দুডালে কইনাৰ মুখখন বাওৰে বন্ধাৰ দৰে বান্ধি ৰাখে। চিতিপটিৰ লটকনটো কপালৰ মাজভাগত অলপ ওপৰৰ ফালে পৰি থকাকৈ পৰিধান কৰা হয়। ই মহিলাৰ শিৰৰ শোভাবৰ্ধন কৰে। সেইবাবে চিতিপটিক শিৰশোভাও বোলা হয়। প্ৰাচীন কালৰ চিতিপটিৰ লটকনটো তৰাৰ গঢ়ৰ আছিল। ধ্ৰুৱতৰাই চন্দ্ৰ আদিক জ্যোতিষ্মান কৰাৰ দৰে কপালৰ তৰাগঢ়ী চিতিপটিৰ লটকনটোৱে তিৰোতামানুহৰ মুখখন অধিক উজ্জ্বল কৰি তোলে বুলিয়েই তৰাসদৃশ লটকনটো চিতিপটিত আঁৰি লোৱা হৈছিল। পিছত তৰাৰ সলনি অনেক ন ন আৰ্হিৰে ইয়াক তৈয়াৰ কৰিবলৈ লোৱা হ'ল। কিছুমান ৰাখৰ খটোৱা গঢ়ৰ লটকনো ওলায়। ই মহিলাৰ কপালত জিলিকি থাকে। চিতিপটিৰ হাৰৰ শেষৰ অংশ চুলিত মাৰিবলৈ হাকোটা লগোৱা থাকে। চিতিপটিৰ পৰিধান কৰাৰ আঁৰত এটি জনবিশ্বাস প্ৰচলিত আছে। সেইটো হৈছে তিৰোতা মানুহৰৰ মূৰত জেঠী পৰাটো মংগলৰ চিন সেয়েহে অসমীয়া তিৰোতাই মূৰত জেঠীনেজীয়া চিতিপটি পৰিধান কৰিছিল। সুৱৰ্ণৰ জেঠি বুলি জেঠীনেজীয়া চিতিপটি এবিধৰো পূৰ্বতে প্ৰচলন আছিল। নৃত্য পৰিবেশন কৰোঁতে প্ৰয়োজন অনুসাৰে শিল্পী গৰাকীয়ে চিতিপটি ব্যৱহাৰ কৰে।

প্ৰ. শ. গো.

**।। চিত্ৰাচল-কল্পাচলৰ নৱগ্ৰহপূজা।।**

কালিকা পুৰাণৰ বিৰাশীত্তম্ অধ্যায়ত চিত্ৰশৈল বা প্ৰাক্ নামে পৰ্বতত নৱগ্ৰহ পূজাৰ বিধান দিছে। নৱগ্ৰহ হ'ল যথাক্ৰমে - সূৰ্য, চন্দ্ৰ, মংগল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতু। বৰ্তমানে চিত্ৰাচল পাহাৰত ১৬৭৪ খ্ৰীষ্টাব্দত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰা মন্দিৰটো সমতল অষ্টভুৰ্জ ক্ষেত্ৰত ওপৰত প্ৰতিষ্ঠিত। আদিতে

অষ্টভুজৰ ওপৰত প্ৰতিষ্ঠিত অষ্ট-দেৱালৰ উচ্চতা আছিল প্ৰায় ২১০ ছে. মি., পিছলৈ প্ৰায় ১২০ ছে. মি. উচ্চতাৰ জংঘা সাজি তাতে চালি দিয়া হৈছিল। মন্দিৰৰ ভিতৰত সূৰ্যকলৈ অষ্টদিশত গ্ৰহবেদীমণ্ডলৰ সৈতে কুণ্ডত নটা শিৱ লিংগৰূপী বিগ্ৰহৰ স্থাপনা লক্ষণীয়। ১৫ ছে. মি. নীচস্থ কুণ্ডৰ ওপৰত (সূৰ্যৰ শিৱলিংগটো বিশ ছে. মি. তলত) ৬১ ছে. মি. বাহুৰ ন ভুজী একোটা শিৱলিংগ ৰূপী বিগ্ৰহ সংস্থাপিত। এটা বিগ্ৰহৰপৰা আন দিশৰ মাজৰ গ্ৰহটোৰ দূৰত্ব প্ৰায় ৩২৫ ছে. মি.। পূবত শুক্ৰ, অগ্নিকোণত চন্দ্ৰ, দক্ষিণত মংগল, নৈঋতত ৰাহু, পশ্চিমত শনি, বায়ুকোণত কেতু, উত্তৰত বৃহস্পতি আৰু ঈশান কোণত বুধৰ লিংগৰূপ দৃশ্যমান। যি গ্ৰহ যি দিশত প্ৰতিষ্ঠা কৰা হৈছে, সেই দিশৰ লিংগদেহত ৰেখাদৌল আৰু দিগ্ বিন্দু অংকন কৰা দেখা যায়। অৱশ্যে সূৰ্য লিংগত তেনে কোনো চিহ্ন নাই। ইংৰাজী ১৯৫৯ চনত নৱগ্ৰহৰ পূৰ্বদিশৰ কম্বাচলৰ মাটি খান্দোতে নৱগ্ৰহ দেৱালয়ৰ অনুৰূপ অষ্টশিৱ লিংগ উদ্ধাৰ হৈছে। অৱশ্যে তাৰ কেন্দ্ৰস্থ শিৱলিংগটো হেৰলুকী হ'ল যদিও গৌৰীপীঠ অক্ষত অৱস্থাত দেখা যায়। জ্যোতিষ পণ্ডিত অধ্যাপক পুৰুষোত্তম ভট্টাচাৰ্যদেৱৰ দৃষ্টিত এই অষ্ট-শিৱ- দিক্ নিৰূপক যন্ত্ৰৰ প্ৰতীক ৰূপে সৰ্বসাধাৰণ দৰ্শকৰ বাবে নিৰ্মিত হৈছিল আৰু নৱগ্ৰহৰ শিৱলিংগসমূহ গ্ৰহ- বিগ্ৰহ ৰূপে পূজা-সেৱা আগবঢ়োৱা পৰম্পৰা প্ৰচলিত হৈ আহিছে। হৰগৌৰী সংবাদত চিত্ৰাচল আছে কম্বাচলৰ উল্লেখ নাই। গতিকে কালিকা পুৰাণোক্ত চিত্ৰাচলৰ পূৰ্বদিশস্থ কজ্জলাচলে কম্বাচললৈ মোট সলাব পাৰে। গোৱালপাৰাৰ সূৰ্য পাহাৰ আৰু শোণিতপুৰৰ বামুণী পাহাৰতো সূৰ্য আৰু গ্ৰহমন্দিৰ থকাৰ প্ৰমাণ উদ্ধাৰ হৈছে।

(অসম প্ৰকাশন পৰিষদ প্ৰকাশিত বিশ্বকোষৰ আধাৰত যুগুতোৱা।)

না. দা.

।। চিফুং।।

বিহু মাৰোঁতে বাঁহী অপৰিহাৰ্য। বিহু গীতত বাঁহীৰ উল্লেখ আছে - 'তিনিটি আঙুলিৰে বাঁহীটি বজাওঁতে মাজৰটি লৰচৰ কৰে', নাইবা 'বাহঁৰে আগতে বাঁহী বজাইছিলোঁ পৰোঁ পৰোঁ হেন দেখোঁ।' 'বাঁহী যে অকল অসমীয়া বিহুৱা ডেকাইহে বজায় তেনে নহয় - অসমৰ পৰ্বত-ভৈয়ামত বসবাস কৰা সকলো জনজাতিৰ মাজতে বাঁহীৰ প্ৰচলন আছে। সকলোবোৰ বাঁহী বাঁহৰ বাঁহী। মিচিংসকলে ইয়াক বোলে কুৰুলি পুলি। ই দুবিধ। পথালিকৈ বজোৱা বিধৰ নাম কেতপং আৰু থিয়কৈ বজোৱা বিধৰ নাম তৃতক। ৰাভা জনজাতিৰ মাজত কেবাবিধো বাঁহীৰ প্ৰচলন উল্লেখযোগ্য। গৰখীয়াই বজোৱা বাঁহীৰ নাম লাখৰবাঁহী। কেইবা পাবো বাঁহৰ চুঙা জোৰাদি সজা কাঢ়াৰ লেখীয়া দীঘল বাঁহীক কোৱা হয় জাপখাৰা বাঁহী। কাঢ়া নল দীঘলীয়া নল বাঁহৰ ভিতৰত সোমাই দি তাত

ফুটা কৰি সজা বাঁহীৰ নাম কাঢ়ানল বা খাৰা ব্ৰাংছি। এই বাঁহী ছয় ফুটমান দীঘল। গাত কোনো ফুটা নাথাকে। তিৱাসকলৰ বাঁহী দুবিধ - পাংছি আৰু থুৰাং।

খাচীসকলৰ বাঁহীৰ নাম শ্বৰতি। তিৱাসকলৰ থুৰাং বাঁহীৰ দৰে বড়োসকলৰ এবিধ বাঁহী আছে। এই বাঁহীৰ নাম চিফুং। ইয়াৰ ফুটা পাঁচটা। আনসকলো বাঁহীতকৈ চিফুঙৰ সুৰৰ মাদকতা আজিলৈ কোনোৱে অস্বীকাৰ কৰিব পৰা নাই।

না. দা.

**।। চিৰা।।**

সান্দহ খুন্দি দিয়া খাওঁ পানেশ্বৰী/ চিৰা খুন্দি দিয়া খাওঁ।
ৰাতিৰ ভিতৰতে কাপোৰ বৈ দিয়া/ বঙাল মাৰিবলৈ যাওঁ।।

অসমীয়া সংস্কৃতিত সান্দহ গুড়ি আৰু চিৰাৰ আসন সুকীয়া। চিৰাৰ সৈতে উৰল আৰু ঢেঁকীশালৰ সম্পৰ্ক নিগূঢ়। বিভিন্ন ধানৰ চিৰা খুন্দিলেও, জহা, বৰা, মাণিকী মধুৰী, বকুল বৰা, ভাবলী বৰা, মালভোগ প্ৰভৃতি ধানৰ চিৰা খাবলৈ সোৱাদ যুক্ত। সাধাৰণতে ধান পানীত তিয়াই উধান পাৰি থালীত থৈ তলত জুই দি পাচিত সিবোৰ তৰিয়াই লৈ পানীবোৰ নিগৰি যোৱাৰ পিছত ঢেঁকীশালত খোলা পাতি মাটিৰ চৰুত এঅনা -এঅনাকৈ ভাজি দুই এটা ধান ফুটাৰ লগে লগে খোলাৰ পৰা নমাই খুবলিত দি ঢেঁকীৰে খুন্দা প্ৰয়োজন। কোনো কোনোৱে ঢেঁকীৰ সলনি উৰলো ব্যৱহাৰ কৰে। ঢেঁকী দিয়া সকলে জোৰেৰে ঢেঁকী দিয়া ভাল। ঢেঁকীৰ চাবৰ তালে তালে বঢ়াই উখনিয়াই দিব লাগে। কেইমিনিটমান পিছতে চিৰা খুবলিৰপৰা তুলিবৰ হয়। তোলাৰ পিছত সিবোৰ ডলাৰে জাৰি তুঁহবোৰ আঁতৰালে খোৱাৰ উপযোগী চিৰা প্ৰস্তুত হয়। খোৱাৰ পৰত পানীৰে ধুই দৈ- গুড়েৰে তাক পৰিৱেশন কৰাটো পৰিচিত ছৱি। অসমীয়া সংস্কৃতিৰ অন্যতম সম্পদ চিৰাই অসমীয়া প্ৰৱাদ প্ৰবচনৰ মাজেদি আত্ম প্ৰকাশৰ সুযোগ লৈছে। যেনে - ক. বহিব জানিলে মাটিয়ে পীৰা, খাব জানিলে চাউলে চিৰা, খ. ধিন্‌দৌ ৰঙাই /এদোণ ধানৰ চিৰা খুন্দি/ দেশখনকে জনায়, গ. একমুখে ধানৰ চিৰা, এক মুখে চাউল চিৰা, ঘ. শ্ৰীকৃষ্ণৰ নাতি/ আগেয়ে খায় চাউল চিৰা/ পিছত সোধে জাতি, ঙ. গা ধোৱতে লাগিল ভোক/ চিৰাৰ জলপান দে মোক/ আদি।

জ্যো. দা.

**।। চিয়াঁ গীত ।।**

বৰখেলীয়া অথবা পূৰ্ণধেৰীয়া ভকত-মহন্তসকলে ভকত সেৱাত গোৱা ৰূপকধৰ্মী তত্ত্বপূৰ্ণ গীতক চিয়াঁ গীত বোলা হয়। বৰখেলীয়া হ'ল - ৰাতি খোৱা গুপ্ত সম্প্ৰদায়ৰ এটি খেল। কিংবদন্তী অনুযায়ী মহাপুৰুষ শংকৰদেৱৰ শিষ্য গোপাল আতাই সময়ৰ আহ্বান আওকাণ কৰিব নোৱাৰি বৰখেলীয়া সম্প্ৰদায়ৰ সৃষ্টি কৰিছিল। এই সম্প্ৰদায়ে

শিক্ষা দিয়ে - 'খা মদৰ জোল, যা কামিনীৰ কোল/ তথাপি মুখে ৰাম কৃষ্ণ বোল' /'চিয়া' শব্দৰ অৰ্থ হ'ল - ধৰ্মৰ নাম স্মৰণ কৰা। বৰখেলীয়া ভকতসকলে নাম উচ্চাৰণেৰে ধৰ্মৰ পথত অগ্ৰসৰ হয় আৰু গুৰুজনাৰ নাম-যশত তৎপৰ হৈ উঠে। এটা কালত ৰাতি খোৱা সম্প্ৰদায় গুপ্তভাৱে সমগ্ৰ অসমতে আছিল। এই গুপ্ত সম্প্ৰদায়ৰ ভিতৰত বৰখেলীয়া অন্যতম। তেওঁলোকে দোভাগ ৰাতি পঞ্চ ম-ৰ (মদ, মাছ, মাংস, মুদ্ৰা আৰু মৈথুন) সহযোগেৰে ভকতসেৱা আৰম্ভ কৰি পিছত চিযাঁ গীতেৰে অনুষ্ঠানৰ সামৰণি মাৰে। মঙলদৈ অঞ্চলত প্ৰচলিত চিযাঁ গীতৰ দুফাকি—

ক। 'আকাশী পুৰুষে বৈমন কৰিছে পৰকিতি পৰিছে ডিমা।
ডিমাৰে ভিতৰে কৰে চিউ চিউ জীউৰ নাহিকে সীমা।।'

খ। 'অ নিজৰে চৰণে আহা বন্ধু সব ঐ অময়া হাটলৈ যাওঁ।
সেই হাটতে পায় গজ মুকুতাঐ পহাৰী চিনি বেহাওঁ।।'

(দৰঙী কলা-কৃষ্টিৰ পৰা উদ্ধৃত)।

না দা

।। চিয়াঁহি প্ৰস্তুত কৰা প্ৰণালী ।।

পুৰণি অসমত সাঁচিপাত-তুলাপতীয়া পুথিত যি চিযাঁহিৰে লিখা হৈছিল, সেই চিয়াঁহি থলুৱা ভাৱে প্ৰস্তুত কৰি লোৱা হৈছিল। সেই চিযাঁহিৰ কেঁচা সামগ্ৰী আছিল শিলিখা। আঘোণ-পুহ মাহত শিলিখা কিছু সংগ্ৰহ কৰি কটাৰীৰে গাত দুই তিনিটা আঁক দি দুই তিনিদিন ৰ'দত শুকাই লৈ এটা মাটিৰ পাত্ৰত সিবোৰ ডুব যোৱাকৈ পানী ঢালি কেইদিনমান থৈ দিব লাগে। তাৰ পিছত তাক ৰাতি নিযৰত চাং এখনত তুলি থৈ তাৰ তলত ৰাখিব লাগে পৰিষ্কাৰ পাত্ৰ এটি। মাটিৰ পাত্ৰৰপৰা তলৰ পাত্ৰত নিগৰি পৰা ৰসেই আচল চিয়াঁহি। কোনো কোনোৱে তাত হিৰাকচ অথবা কুচিযাৰ তেজো মিহলি কৰিছিল। এই চিয়াঁহি দীৰ্ঘম্যাদী। পানী পৰিলেও সি নিষ্প্ৰভ নহয।

চিয়াঁহি প্ৰস্তুতিৰ আন দুটি প্ৰণালী কালিৰাম মেধিদেৱে 'লিখাৰ সঁজুলি'ত দিছে। সেয়া হ'ল - ক. এক সেৰ শুকান শিলিখা, চাৰি সেৰ পানী আৰু আধাসেৰ গৰুৰ মূত পুৰণি মাটিৰ পাত্ৰ এটাত ভৰাই বাহিৰত চাং এখন পাতি, পাত্ৰৰ মুখখন কাপোৰেৰে বান্ধি থব লাগে। ৰাতি তাত নিয়ৰ পৰিবলৈ ঢাকনিখন আঁতৰোৱা ভাল। সাত-আঠ দিন পিছত কাপোৰেৰে ছেকি শিলিখাবোৰ পেলাই দিব লাগে। ৰস খিনি পূৰ্বৰ নিয়মে নিয়ৰত তিনি-চাৰি দিন ৰাখি ছেকি থকা দৰকাৰ। যেতিয়া শিলিখাৰ ৰসখিনি শুকাই গোট মাৰিব তেতিয়া এটা চুঙাত ভৰাই থলেই হ'ব লিখাৰ উপযোগী মহী।

খ. শুকান আমলখি এসেৰ চাৰি সেৰ পানীত তিয়াই এটা লোৰ পাত্ৰত ছাঁত থৈ দিব লাগে। সাত দিনৰ মূৰত ছেকি আমলখিবোৰ পেলাই লৈ ৰসখিনি আগৰ পাত্ৰটোতে

সাত দিনমান ৰাখি নিতৌ কাপোৰেৰে ছেকিব লাগে। সাত দিন মান পিছত সি হৈ পৰে লিখাৰ উপযোগী। বংগদেশত এই পদ্ধতিৰে কৰা চিয়াঁহিৰে তালপাতত লিখিছিল।

গ. সাঁচিপতীয়া পুথি-এখনত চিয়াঁহি আওতাবৰ কথা লিখিছে এনেদৰে - 'তুতিয়া - ২ তো, মধুফল ২ তো ভিনে ভিনে খুন্দি থব = পানী কিচো দি থব = ৰঙ্গ নোলায় মানে খই ৩ তো পানীয়েৰে বাটি পাছে তুতিয়া ৰহত লোৰ চৰুত নিমৰ মাড়িয়েৰে লাড়ি পাগিব যা ৫২ তো পানীএৰে বাটি থব ৰঙ্গ নোলাই মানে = মধুফলৰ ৰহেৰে নিমৰ মাড়িএড়ে ৭ বাৰ = তেবে সিয়াহি হ'ব পানীত কাকত পড়িও নমৰে আখৰ। মৰাৰ পাখি জেন চিকিমিকি দেই'।

না. দা.

।। চু।।

গাৰো জনজাতিয়ে পূজা-পাতল, উছৱ-পৰৱ আৰু আলহী-অতিথিলৈ আগবঢ়োৱা চু বা মদ আবাল- বৃদ্ধ-বনিতা নির্বিশেষে দৈনন্দিন জীৱনতো ব্যৱহাৰ কৰে। বৰা চাউল (মিমিত্তিম) অথবা গোমধান পানীত সিজাই চেঁচা হ'লে তাত চুমাহি বা বাখৰ মিহলাই বহল মুখৰ কলহত (দিখা) দুই তিনি দিন ৰখাৰ পিছতে সিজোৱা ধান-চাউল পচিবলৈ আৰম্ভ কৰি এসপ্তাহ মানৰ ভিতৰত ৰস জমা কার্যৰ আৰম্ভণি হয়। গাৰো ভাষাত সেই ৰস চুবিৎচি ৰূপে জনা যায়। ডাঙৰ মুখৰ কলহত পানী দি লৰাই লৰাই চু প্রস্তুত কৰাটো চিনাকি চিত্র। প্রথম বা দ্বিতীয় বাৰ পানী দি আহৰণ কৰা চুৰ চোক বেছি। বাৰে বাৰে পানী ঢালি উলিওৱা চুৰ চোক অনুক্রমে কমি আহে। চাহ, গাখীৰ প্রভৃতিত মুখ নিদিয়া গাৰো জনজাতিয়ে চু ক আৱহমান কালৰেপৰা আজিলৈ খাদ্যপ্রাণযুক্ত স্বাস্থ্যৰ উপকাৰী পানীয় ৰূপে পান কৰি আহিছে।

না. দা.

।। চুঙা পিঠা।।

সমগ্র অসমত প্রচলিত পিঠা-পনাৰ ভিতৰত চুঙা পিঠা অন্যতম। দুমুৰে দুটা গাঁঠি থকা কুমলীয়া জাতি বা পাহাৰীয়া বাঁহ এপাবৰ চুঙা এটা কৰি যিকোনো এটা গাঁঠিৰ তলত পিঠাগুড়ি সোমাব পৰাকৈ এটা ফুটা কটা প্রয়োজন। কোনো কোনোৱে দুটা গাঁঠিৰ পৰিৱর্তে এটা গাঁঠিৰেও চুঙা কৰে। আৰৈ চাউলৰ গুড়িত অলপ নিমখ মিহলাই পানী সানি বাঁহৰ চুঙাত ভৰাব লাগে। মন কৰিবলগীয়া কথা হ'ল পানী সনা পিঠাগুড়ি ঘন হ'ব লাগে, পনীয়া হ'লে নহয়। আজিকালি বহুতে পানী সনা পিঠাগুড়িত ৰোকা নাৰিকলো মিহলায়। পানী মিহলি গোটা পিঠাগুড়ি চুঙাত ভৰোৱাৰ পিছত তাৰ মুখখন ধান খেৰৰ টান সোপাৰে বন্ধ কৰি দুটা উধানৰ ওপৰত এঢলীয়াকৈ ৰাখি মুখৰ ফালে ধানখেৰ অথবা শুকান কল পাতেৰে তাপ লগাকৈ জুই দিয়া প্রয়োজন। চুঙাৰ

আগডোখৰ পোৰা হোৱাৰ পিছত পিছডোখৰত জুই দিব লাগে। একেলগে বহুকেইটা চুঙা পুৰিবলৈ বহুতে উধানৰ পৰিবৰ্তে কটা কলগছো ব্যৱহাৰ কৰা দেখা যায়। কিছুসময় পোৰাৰ পিছত জুইৰপৰা চুঙাবোৰ আনি চেঁচা হোৱাৰ পিছত দাৰে কাটি দিয়াৰ লগে লগে বগা দীঘলীয়া চুঙা পিঠা খোৱাৰ উপযোগী হয়। নাৰিকল নিদিয়া চুঙা পিঠা কেবাদিনলৈ নোগোন্ধোৱাকৈ ৰাখিব পাৰি। অৱশ্যে চুঙাটো নুগুছোৱাকৈ ৰাখিলে ভাল।

জ্যো. দা.

।। চুজেঁ।।

অসমৰ দেউৰী জনগোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰাৰ এক অভিন্ন অংগ হ'ল তেওঁলোকে ঘৰুৱা পদ্ধতিৰে তৈয়াৰ কৰা এবিধ বিশেষ পানীয় চুজেঁ। বিচু কেন্দ্ৰিক উৎসৱ-পাৰ্বণ, মৃতকৰ শ্ৰাদ্ধ, নানা সকাম- নিকাম আৰু দৈনন্দিন জীৱনত এইবিধ পানীয় তেওঁলোকৰ এৰাব নোৱাৰা সম্পদৰ দৰে। দেউৰীসকলৰ ঘৰলৈ আলহী আহিলে প্ৰথমে কাজি (মাছ, মাংস বা আন শাক পাচলিৰ ভাজি) বা ডাল জুবুৰা (দীঘলে দীঘলে সিজোৱা শাক) আদিৰ সৈতে চুজেঁ এবাটিৰেহে আপ্যায়ন কৰে। চুজেঁ সুমিষ্ট আৰু মৃদু ৰাগযুক্ত। চুজেঁ তেওঁলোকৰ দৈহিক শক্তিৰ আধাৰ বুলি বহুতে বিশ্বাস কৰে।

দেখাত ঠিক ডাঠ গাখীৰৰ বৰণৰ এইবিধ পানীয়ৰ প্ৰস্তুত প্ৰণালী বেচ আকৰ্ষণীয়। ইয়াক প্ৰস্তুত কৰিবলৈ প্ৰথমে হাবি-জংঘলৰ পৰা জুঁৰ, বিলনি (বিহলঙনী), মাহাকু, দুঁদুঁচিৰিং (তৰাজাতীয় গছ), ছুঁচ্চিয়া (কুঁহিয়াৰ পাত), ককৰং, গুঁই, চমতা চ্চিয়া (মধুৰি পাত), তিজুঁ ছিয়া (কঁঠাল পাত), জেজেৰি চ্চিয়া, দুৰুম বন (দোৰোণ বন), কাকৈ দিয়া, পিপলু চ্চিয়া (পিপলি পাত), কাবা চ্চিয়া (নীলকণ্ঠ পাত), মানিমুনি, পেনচু (পাণ), দুবুচিতি, কাকেগাবা চ্চিয়া (ঢোপাই তিতা), মিচিমি কাবা, চকামৰা, মেচিমতু, য়াহ বকাবা চ্চিয়া, পচলি চ্চিয়া, বেদাই চ্চিয়া আদি নানা গছ লতাৰ পাত, শিপা মূল আদিবোৰ কাটি ছিণ্ডি খুন্দি গুড়ি কৰি একেলগে শুকুৱাই পিঠাগুড়িৰ সৈতে মিহলাই লাড়ু বা পিঠা সাজি লোৱা হয়। এনে অৱস্থাত ইয়াক পেঁৰকুচিৰি (মদৰ পিঠা) বোলে। ইফালে বৰা , মাচুৰী, জহা বাও (বৰা চাউল সৰ্বোৎকৃষ্ট) আদিৰ কোনো এবিধ চাউল ভাতৰ দৰে সিজাই ডলা এখনত ঠাণ্ডা হ'বৰ বাবে মেলি দিয়া হয়। ইয়াৰ পিছত মদৰ পিঠা উপযুক্ত পৰিমাণত সেই ভাতৰ লগত ভাঙি গুড়ি কৰি মিহলাই লৈ এখন আহল - বহল ডলাত মেলি ঢাকনীৰে ঢাকি থোৱা হয়। এই ঔষধযুক্ত চাউলখিনিৰ গৰমকালি চৌব্বিশ ঘণ্টাৰ ভিতৰতে আৰু শীতকালত কিছু পলমকৈ মলমলীয়া গোন্ধ ওলাবলৈ ধৰে। গোন্ধ ওলোৱাৰ পিছত চবা চাগাবা খিনিত (ঔষধযুক্ত ভাত) দিঁচ (মাটি কলহ)ত ৰাখি বিহলঙনীৰ পাতেৰে ঢাকি থোৱা হয়। কলহত ভৰোৱাৰ পিচত ইয়াক চবা বুলি কোৱা হয় । এসপ্তাহ মানৰ পিছত কলহৰ চবাখিনিৰপৰা যি ৰস হয় তাক ছুজেঁ মিক্তি বোলে। কলহৰপৰা চবা খিনি উলিয়াই পৰিমাণ

অনুযায়ী পানী ঢালি চেকিলে বগা, পাতল, গুলপীয়া ৰঙৰ যি ৰস নিসৃত হয় সেয়াই হৈছে চুজেঁ।

বি. ভূ. ব.

**।। চুতীয়াসকলৰ গৰখীয়া ভোজ বা গৰখীয়া চাউল ।।**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে কৃষিজীৱী চুতীয়া সমাজতো কৃষিভিত্তিক নানা আচাৰ-অনুষ্ঠান অতীত কালৰেপৰা প্ৰচলিত হৈ আহিছে। গৰখীয়া চাউল উৎসৱ চুতীয়া সমাজৰ মাজত প্ৰচলিত তেনে এক প্ৰকাৰৰ উৎসৱ। কৃষিজীৱী চুতীয়াসকলৰ কৃষি ক্ষেত্ৰত প্ৰধান সম্বল গৰু-ম'হ যেনেকৈ আদৰৰ তেনেকৈ গৰখীয়াসকলো অতি শ্ৰদ্ধাৰ। তেওঁলোকে জীৱনৰ মঙ্গল কামনাৰে গৰখীয়াৰ আশীৰ্বাদ বিচাৰে। তেওঁলোকৰ সমাজত নিঃসন্তান দম্পতীয়ে পুত্ৰ সন্তান কামনা কৰি গৰখীয়াৰ আশীৰ্বাদ বিচাৰি ভোজ খোৱাৰ প্ৰথা প্ৰচলিত আছে যাক গৰখীয়া ভোজ বুলি কোৱা হয়। চুতীয়া সমাজত গৰখীয়াৰ আশীৰ্বাদ ইমান মহত্বপূৰ্ণ যে গৰখীয়াসকলে গৰু চৰাই থাকোঁতে বাটৰুৱাক হৰিধ্বনি দি পা-পইচা মাননী ৰূপে লোৱা প্ৰথাও প্ৰচলিত হৈছে। তদুপৰি সেই সমাজত দেখিবলৈ পোৱা যায় যে মণ্ডলতিয়ে মঙ্গল চাই কাৰোবাৰ গৰখীয়া দোষৰ প্ৰতিকাৰৰ অৰ্থে গৰখীয়া ভোজ দিবলৈ বিধান দিয়ে। সেই অনুসৰি গৃহস্থই গৰখীয়া ল'ৰাক নিমন্ত্ৰণ কৰি আমৰলিয়া হাঁহ মাৰি ভোজ পাতে আৰু কলপাত এচিটাত বহি ভোজ খোৱাৰ ব্যৱস্থা হাতত লয়।

(উৎস ঃ ড° স্বৰ্ণলতা বৰুৱা সম্পাদিত চুতীয়া জাতিৰ বুৰঞ্জী, ২০০৭)

ন.চৌ.

**।। চুতীয়াসকলৰ ন-ভূঁই ।।**

শাওন মাহত শালি ধান ৰুবলৈ প্ৰথম গোছ লোৱা দিনটোক চুতীয়াসকলে ন-ভূঁই বুলি অভিহিত কৰে। ন-ভূঁইৰ প্ৰথম পৰ্যায়ত গৃহস্থই গাঁৱৰ তিৰোতাসকলক কঠীয়া তুলিবলৈ আমন্ত্ৰণ জনায়। সেইদিনা তেওঁলোকক গৃহস্থই হাঁহ মাৰি ভোজ খুৱায়। পিছদিনা গাঁৱৰ ডেকা হালোৱা কেইজনমানে সেই কঠীয়া ন-ভূঁই পথাৰলৈ কঢ়িয়াই নিয়ে। তৃতীয়দিনা ন-ভূঁই পাতিবলৈ ঠিক কৰা মাটিখিনিত ভালদৰে হাল বোৱা হয়। ৰোৱনীয়ে কঠীয়া ৰোৱা কাম আৰম্ভ কৰাৰ আগতে গৃহস্থই গা-পা ধুই আগলি কলাপাত এযোৰ, তিনিখন তামোল আৰু কচু এজোপা লৈ পথাৰত উপস্থিত হয়গৈ। তাৰ পিছত কচু জোপা মাটিডৰাৰ মাজত ৰুই কলপাত আৰু তামোল কেইখন পূব মুৱাকৈ পাতি লক্ষ্মী আইক নদন-বদন খেতিৰ বাবে প্ৰাৰ্থনা জনায়। ৰোৱনীসকলে দিনটো হাঁহি স্ফূৰ্তি কৰি মাটি ডোখৰ ৰোৱা শেষ কৰাৰ পিছত গৃহস্থই মাছে-মঙহে ভোজ দিয়ে। কঠীয়া ৰোপণ কৰা শেষ হ'লে প্ৰতিগৰাকী ৰোৱনীয়ে নিজৰ কঁকালৰ খোচনি ঢিলা কৰি কঠীয়াৰ ওপৰত এচাটি পানী মাৰি 'হাত সাৰ, পাত সাৰ গোছে প্ৰতি তিনভাৰ' বুলি কোৱা নিয়ম। কিয়নো এনে

কৰিলে কঠীয়াই সোনকালে সঁজাল ধৰে বুলি চুতীয়াসকলৰ মাজত এক লোকবিশ্বাসৰ প্ৰচলন আছে। এনে লোকবিশ্বাসে অসমীয়া লোক সংস্কৃতিক সোণসেৰীয়া কৰাত বৰঙণি যোগাইছে।

(উৎস ঃ ড° স্বৰ্ণলতা বৰুৱা সম্পাদিত চুতীয়া জাতিৰ বুৰঞ্জী,২০০৭)।

ন.চৌ

।। চুতীয়াসকলৰ পানীতোলা বৰ সবাহ ।।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে চুতীয়াসকলো প্ৰধানত কৃষিজীৱী। কৃষিজীৱী চুতীয়াসকলে খেতি-বাতি ভাল হোৱাৰ আশাৰে প্ৰতি জেঠ মাহত তিনিদিনীয়াকৈ গাঁৱৰ নামঘৰত বৰ সবাহ পাতে। বৰ সবাহ পাতিবৰ দিন ধাৰ্য কৰাৰ পিছত কোনো অংগত খুঁত নথকা ছয়জনী কুমাৰী ছোৱালীক বৰ সবাহৰ পানী তুলিবৰ বাবে নিৰ্বাচন কৰা হয়। বৰ সবাহৰ প্ৰথম দিনা কাৰ্যসূচীৰ অন্যতম হ'ল নামঘৰত কীৰ্তন পাঠ; লগতে আয়তীসকলৰ দ্বাৰা ওচৰৰ নদী বা বিলৰ পৰা পানী তোলা আচাৰ। নিৰ্বাচিত কুমাৰী ছয়জনীৰ এজনীয়ে দুণৰি লয় আৰু দুগৰাকীয়ে দুটা মাটিৰ ঘট লয়। চতুৰ্থ আৰু পঞ্চম গৰাকীয়ে কলপটুৱাৰ দোলা এখন আৰু ষষ্ঠগৰাকীয়ে হাতত এখন জাকৈ লয়। আয়তীসকলে ঢোলে-দগৰে পানী তুলি আহি পোৱাৰ পিছত নামঘৰৰ সন্মুখত থকা বৰগছ বা আঁহত গছৰ গুৰিত তিনিবাৰ উৰুলি দি ঘটকেইটাৰপৰা গছৰ আগলৈ অলপ পানী ছটিয়াই দিয়ে। তাৰ পিছত উৰুলি দি নামঘৰৰ চাৰিওপিনে তিনি পাক ঘূৰা হয় আৰু মণিকূটলৈ সেৱা জনাই নামঘৰত প্ৰৱেশ কৰা নিয়ম। এই পানীতোলা তথা কীৰ্তন পাঠ কাৰ্যসূচী তিনিদিন ধৰি চলাই বৰ সবাহৰ সামৰণি পেলায়।

(উৎস ঃ ড° স্বৰ্ণলতা বৰুৱা সম্পাদিত চুতীয়া জাতিৰ বুৰঞ্জী (২০০৭)।

ন.চৌ.

।। চুতীয়াসকলৰ ভঁৰালত পিঠা দিয়া ।।

অসমৰ অন্যতম জনগোষ্ঠী চুতীয়া সমাজত প্ৰাচীন ঐতিহ্যপূৰ্ণ কৃষিভিত্তিক আচাৰ-অনুষ্ঠান কিছুমান আজিও প্ৰচলিত আছে। তেওঁলোকৰ এই কৃষিভিত্তিক অনুষ্ঠানবিলাকৰ ভিতৰত ভঁৰালত পিঠা দিয়া অনুষ্ঠান অন্যতম। কৃষিজীৱী চুতীয়াসকলে ন ধান কাটিবৰ দিনা ভঁৰালত চাকি-শলিতা জ্বলাই তিনি গোছা ধান কাটি আনি ভঁৰালত থয়। তাৰ পিছতে পথাৰৰপৰা ধান দাই চপাই মৰণা মাৰি ভঁৰালত ভৰাই থোৱা নিয়ম। মাঘ মাহত ধান ভঁৰালৰপৰা উলিয়াব নাপায় বুলি তেওঁলোকৰ সমাজত প্ৰথা আছে বাবে ফাগুন মাহত পিঠা দিয়া নিয়ম কৰিহে ভঁৰালৰ ধান উলিয়াই খোৱাৰ ৰীতি প্ৰচলিত। এই পিঠা দিয়া নিময় অনুসৰি পিঠাগুড়ি মাটিৰ মলা এটাত ভৰাই আগলতি কলাপত এযোৰৰ ওপৰত চাকি জ্বলাই তিনিখন তামোলৰ সৈতে লক্ষ্মী আইৰ নামত আগবঢ়াই স্তুতি প্ৰাৰ্থনা কৰে।

পিছদিনাখন ৰাতিপুৱা সেই মলাটোৰ পিঠাগুড়িখিনিৰে ভাপত দিয়া চেৱা পিঠা তৈয়াৰ কৰে। চেৱা পিঠা তৈয়াৰ কৰিবৰ বাবে এটা মাটিৰ মলাৰ আৱশ্যক। মলাটোৰ তলত এক ছেন্টিমিটাৰ ব্যাসার্ধৰ এটা ফুটা কৰি সেই ফুটাটোৰে চাউল সৰকি নপৰিবৰ বাবে কল পটুৱাৰ পিঠি ব্যৱহাৰ কৰা হয়। তাৰ পিছত মাটিৰ মলাটো পিঠাগুড়ি বা বৰা চাউলেৰে পৰিপূৰ্ণ কৰা দৰকাৰ। মলাটো ইতিমধ্যে উধানত বহাই থোৱা এটা ঘটিৰ ওপৰত বহুৱাই দিব লাগে যাতে ঘটিৰপৰা অহা গৰম পানীৰ ভাপে চাউল বা পিঠাখিনি সিজাই পেলায়। এনেদৰেই চুতীয়াসকলে ভঁৰালত পিঠা দিয়া উৎসৱৰ বাবে প্ৰয়োজনীয় চেৱা দিয়া পিঠা প্ৰস্তুত কৰি সেই পিঠা লখিমীলৈ আগ কৰাৰ পিছত লোকে মুখত দিয়ে।

(উৎস ঃ ড° স্বৰ্ণলতা বৰুৱা সম্পাদিত চুতীয়া জাতিৰ বুৰঞ্জী, ২০০৭)।

ন.চৌ.

।। চুন্নত ।।

চুন্নত মুছলমানসকলৰ সংস্কাৰমূলক কৃত্য। এই অনুষ্ঠানটোৰ আন এটা নাম খট্‌না বা মুছলমানী কৰা। চুন্নত কৃত্য অনুষ্ঠিত হয় ল'ৰা সন্তানৰ বেলিকা। সাধাৰণতে ৫/৬ বছৰীয়া ল'ৰাক চুন্নত কৰা হয়। অনুষ্ঠানৰ দিনা চোতালৰ এচুকত কাপোৰ আদিৰে বেৰ দি স্থান প্ৰস্তুত কৰি ল'ৰাজনক গা-ধুৱাই পীৰা এখনত বহুৱায়। দুজন লোকে ল'ৰাজনক ধৰি থাকে, বড়িয়াই ল'ৰাজনৰ পুৰুষাঙ্গৰ শীৰ্ষভাগ আবৰি থকা ছালখনৰ কিছু অংশ কাটি পেলায়। এই অংশক অদ্‌কাভাৰ বোলে। এই অংশ ছাল মাটিৰ পাত্ৰত থৈ পাত্ৰটো মাটিত পোতে। ঘা নুশুকোৱা আৰু বিষ নকমা পৰ্যন্ত ল'ৰাজনক ঘৰতে আৱদ্ধ কৰি ৰখা নিয়ম। বিশ্বাসমতে ছেদিত অংশই শৰীৰত মল সংৰক্ষণ কৰে। শৰীৰৰ সকলো অংগ পৰিষ্কাৰ কৈ ৰখা উচিত। সেয়ে শিশুকাল অতিক্ৰম কৰি নৰত্ব প্ৰাপ্তিৰ সময়ত এই অনুষ্ঠান অনুষ্ঠিত হয়। পুত্ৰসকলে সন্তান জন্ম দিব পৰা ক্ষমতা আহৰণৰ বাবে লিংগৰ শীৰ্ষভাগৰ আৱৰণ বিদূৰণ অপৰিহাৰ্য- এনে বিশ্বাসো মুছলমান সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত। তেওঁলোকৰ মাজত ধাৰণা আছিল যিসকলে চুন্নত নকৰে তেওঁলোক মুছলমানেই নহয়। এইফালৰপৰা চুন্নতক মুছলমানৰ প্ৰতীকৰূপে গ্ৰহণ কৰিব পাৰি। মুছলমানী কৰা শব্দটোৱেও ইয়াৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰে।

বি.শ.

।। চেও-চাপৰি-নাম ।।

মঙলদৈ অঞ্চলৰ এটি জনপ্ৰিয় দলীয় পৰিৱেশ্য কলা হ'ল - চেও-চাপৰি-নাম। এই নামৰ জন্ম কেতিয়াৰেপৰা হ'ল, তাক নিশ্চিতভাৱে কোৱা টান। কোনো কোনোৱে ভাৱে যে মহাপুৰুষীয়া খটৰা-সত্ৰই ইয়াৰ সূতিকা গৃহ। সত্ৰীয়া নাম-কীৰ্তন, ভোৰতাল আৰু নাগাৰাৰ সমাৱেশ ঘটাই বিভিন্ন মুদ্ৰা চাপৰি আৰু তালৰ চেওৰ সংযোজনা ঘটাই

এই পৰিৱেশ্য কলাটি অধিক জনপ্ৰিয় কৰিবলৈ যত্ন কৰাটো তাৎপৰ্যপূৰ্ণ। এই নামত এযোৰ নাগাৰা থাকে আৰু কমেও দুযোৰ ভোৰতালৰ প্ৰয়োজন। নাগাৰাযোৰৰ বাঁওফালৰটো সৰু। তাৰ নাম কুলকুলী। সোঁফালৰটো ডাঙৰ। ইয়াৰ ধ্বনি আৰু বাদীৰ সুৰ বহুদূৰৰপৰা শুনা যায়। এওঁলোকে সাধাৰণতে ৰামায়ণ, মহাভাৰত অথবা কীৰ্তন-দশমৰপৰা গোৱাৰ উপযোগীকৈ পদ বাচনি কৰি উলিয়ায়। নাম পৰিৱেশৰ প্ৰস্তুতি পৰ্বত পাঠকে লগাই দিয়া নামৰ সুৰটো নাম গোৱাসবে সমূহীয়াকৈ গায়। পাঠক জনৰ পদচালনাত থাকে নৃত্য আৰু হাতত মুদ্ৰাৰ ভংগি। তালুৱৈ বা তালবাদকসকলৰ বিভিন্ন চং আৰু ঘূৰণে দৰ্শকক আমোদ দিয়ে। নাম পূৰ্ণোদমে চলি থকা কালতে চাৰি, ছয় কিংবা আঠজনীয়া এটি দলে বিৰতি বিহীন ভাৱে নাগাৰৰ বাদী তাল চাপৰিৰ চেৱে চেৱে তাল নকটাকৈ খেদা নাচন, সৰকি নাচন প্ৰভৃতি পৰিৱেশন কৰি দৰ্শকক উশাহ ল'বলৈ পাহৰাই দিয়ে। অৱশেষত তাল, নাগাৰা আৰু চাপৰিৰ দ্ৰুত পৰিৱেশনৰ মাজতে তেওঁৰ ইংগিতত নামৰ সামৰণি পৰে।

চেও-চাপৰি সবাতোকৈ আকৰ্ষণীয় দিশটো হ'ল - নামৰ যুঁজ। কোনো কোনো ঠাইত দুটা দলে নাম পৰিৱেশন কৰে। তেতিয়া দুইটা দলৰ মাজত তালৰ চেও, নাগাৰাৰ বাদী, চঙৰ কৌশল আৰু সুৰৰ বৈচিত্ৰ্যৰ ভেটিত নামৰ যুঁজ বা অৰিয়া-অৰি লাগে। বিচাৰক হয় - শ্ৰোতা ৰাইজ। জিকা দলে পুৰস্কাৰ লাভ কৰে।

এটা কালত ছিপাঝাৰ, পুৰণবাৰী, আলিকাষ, লেখাৰুপাৰা, বলদেৱপাৰা, ঢোকাপাৰা প্ৰভৃতিৰ চেও-চাপৰি দলে সমগ্ৰ মংগলদৈ অঞ্চলতে এটি আলোড়নৰ সৃষ্টি কৰিছিল। বৰ্তমানে একাধিক নামৰ দলে হৃত গৌৰৱ উদ্ধাৰৰ প্ৰযত্নত ব্ৰতী হোৱাটো আনন্দৰ বিষয়।

না. দা.

।। চেৰ' নাচ ।।

মিজোসকলৰ সৰ্বাধিক জনপ্ৰিয় লোক নৃত্য হ'ল– চেৰ' নাচ বা বাঁহ নৃত্য। দক্ষিণ পূব এচিয়াৰ ইন্দোনেচিয়া, থাইলেণ্ড, ফিলিপাইনছৰ বাসিন্দা সকলৰ মাজত অদ্যাপি প্ৰচলিত জনপ্ৰিয় বাঁহনাচে এটা কালত আহি মিজোৰামত থিতাপি লয়। কেবাডালো বাঁহ শাৰী শাৰীকৈ মাটিত থৈ দুয়োমূৰ দুজন ডেকাই ধৰি সিবোৰ ইফাল সিফাল কৰি থাকে। গাভৰুহঁতে ৰং চঙীয়া কাপোৰ পিন্ধি বাদ্যৰ ছেৱে ছেৱে তাৰ মাজে মাজে ভৰি ডাঙি বিশেষ ছন্দত নৃত্য কৰে। এই নাচ আদিতে মৃত শিশুৰ আত্মা নিৰাপদে স্বৰ্গভূমিলৈ যোৱাৰ কামনাৰে অনুষ্ঠিত কৰিছিল। গতিকে ইয়াক মুক্তি আৰু পবিত্ৰতাৰ বাবে নিপুণ ভাৱে নচা নাচ বুলিব পাৰি। জনপ্ৰিয় এই নাচটি আজি কালি তাৰ বিদ্যালয়সমূহত শিকোৱাৰ ব্যৱস্থা হৈছে।

না.দা.

।। চেৰাঢেক ।।

লোক সঙ্গীতৰ ক্ষেত্ৰত দৰং অত্যন্ত চহকী। চেৰাঢেক এনে এবিধ দৰঙী লোকসঙ্গীত। এই সঙ্গীত মুছলমান সমাজতহে প্ৰচলিত। দৰঙী ওজাপালিৰ সুৰতেই চেৰাঢেক পৰিৱেশন কৰা হয়। চেৰাঢেক নামটোক লৈ বিভিন্নজনে বিভিন্ন মন্তব্য দিছে। এচামে মন্তব্য দিয়ে যে ইয়াৰ গীতৰ ঢেক অংশ চিঞৰি চিঞৰি গোৱা হয় কাৰণে চেৰাঢেক বোলা হয়। আনহাতে এই গীতৰ ঢেক বা সুৰটো একেটা স্তৰত নাথাকে। উচ্চস্তৰৰ পৰা মধ্যস্তৰলৈ বা মধ্যস্তৰৰ পৰা উচ্চস্তৰলৈ অৱৰোহণ আৰোহণ কৰি থাকে। এটা স্তৰ এৰি (চেৰাই) আনটো স্তৰলৈ সুৰে গতি কৰে বাবেই ই চেৰাঢেক নাম পায়। কোনোৱে আকৌ ইয়াক ঢেকগীত নামেৰেও নামকৰণ কৰে। চেৰাঢেক মুছলমানসকলৰ বিয়াসবাহত দল বান্ধি পৰিৱেশন কৰা হয়। দৰাপক্ষ আৰু কইনা পক্ষ উভয়ৰে ঢেক মৰা দল থাকে। দুয়োদলেই পাল পাতি ঢেক পৰিৱেশন কৰে। ঢেক মাৰোঁতে শিল্পীসকলে সোঁহাত খনেৰে সোঁ কাণখন ঢাকি লয়। বহি বা থিয় হৈ দুয়োধৰণে ঢেক পৰিৱেশন কৰা হয়। বহি বহি ঢেক মৰা সকলে এখন ভৰি পাৰি আনখন ভৰি কোঁচাই, আঁঠুটো থিয়কৈ ৰাখে। কেতিয়াবা এজনে আন এজনৰ কান্ধত ধৰিও ঢেক মৰা পৰিলক্ষিত হয়। ঢেক মাৰি থাকোতে গীতৰ ছন্দে ছন্দে সন্মুখলৈ হাউলি দেহমূৰ নচুৱাই এক বিশেষ ভঙ্গিমাৰো সৃষ্টি কৰে। ঢেকমৰা সকলে চোলা - পায়জামা বা লুঙি পৰিধান কৰে। মূৰত টুপী বা গামোচা মাৰি লয়। অৱশ্যে পোচাকৰ ক্ষেত্ৰত ধৰা-বন্ধা কোনো নিয়ম নাই। ঢেক দলত এজন মুখ্য গায়ক বা ঢেকুৱৈ থাকে। তেওঁ গীতাংশ গায় যায় আৰু লগৰীয়া বা পালি বিলাকে ঢেক বা সুৰ দি সেই গীতাংশকে দোহাৰি থাকে। দৰঙী ওজাপালিৰ গীতৰ দৰেই ইয়াক পৰিৱেশন কৰা হয়। বিয়া ঘৰত পৰিৱেশন কৰা চেৰাঢেকত দৰা-কইনাৰ ৰূপ-গুণৰ বৰ্ণনা, বিয়াঘৰীয়াৰ আভাস, পাৰস্পৰিক ঠাট্টা মস্কৰা ইত্যাদিৰ বৰ্ণনা থাকে। বিয়া ঘৰৰ বাহিৰেও অন্য অনুষ্ঠানতো চেৰাঢেক মৰা হয়। যেনে- পথাৰত গৰু-ম'হ চৰোৱা, হালবোৱা, ধানকটা, গৰু-ম'হৰ গাড়ী চলোৱা আদি সময়ত। তদুপৰি মহৰম মাহতো ঘৰে ঘৰে ঢেক গোৱাৰ পৰম্পৰা আছে। চেৰাঢেকত কোনো ধৰণৰ বাদ্য যন্ত্ৰৰ ব্যৱহাৰ কৰা দেখা নাযায়। বিয়াঘৰত গোৱা ঢেকৰ এফাঁকি উল্লেখ কৰা হ'ল-

বিয়া চাবা আইচা বেটা/বিয়াত খাবি চিৰা।/
ঢেক মাৰ্‌বা নৰা যদি/মূৰোত মাৰিম পীৰা।

বৰ্তমানে ঢেক গোৱাৰ পৰম্পৰা কমি আহিল যদিও দৰঙৰ বেজপাৰা, মুছলিমঘোপ প্ৰভৃতি ঠাইত এতিয়াও চেৰাঢেকৰ চৰ্চা চলি আছে।

(বিশ্বকোষ (অষ্টমখণ্ডৰ)ৰ ড° কনক চহৰীয়াৰ দৰঙী লোক সঙ্গীতঃ চেৰাঢেকৰ আধাৰত যুগুতোৱা)

জি.ৰ.

।। চেৰা-বিহু ।।

চেৰা বিহু বুলিলে সপ্তম আৰু অন্তিম বিহুক বুজায়। চেৰা শব্দৰ অৰ্থ হ'ল - অৱসান বা ত্যাগ - 'চেৰা বিহু চাড়ি যোৱা।' এই দিনা উজনি অসমত কোনো কোনোৱে হাঁচতি আগবঢ়াই বৰগছৰ গুৰিত বিহু উৰাই আহে। সেইদিনা উজনি-নামনি উভয়তে শাতশাকী খোৱা দস্তুৰ আজিও প্ৰচলিত। কমলাবাৰী সত্ৰৰ বাবে চেৰা বিহুৰ আন এটি তাৎপৰ্য আছে। সাত বিহুৰ দিনা মহাপুৰুষ মাধৱদেৱে বদলা আতাক ধৰ্ম্মাধিকাৰ পাতি তাল-মালা আগবঢ়াই উজনিলৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ আদেশ দিয়ে। গুৰুজনাৰ আদেশ শিৰত লৈ আতাই পিছ দিনাই উজনিলৈ যাত্ৰা কৰে। সাত বিহুৰ দিনা আজিও পুৱা-প্ৰসংগ শেষ হোৱাৰ পিছত গায়ন-বায়নৰ সমস্ত প্ৰসংগই বন্ধ থকাটো উল্লেখযোগ্য। সেইদিনা তাত সৰ্বসাধাৰণ উপবাসে থাকে - খেতিয়কে পথাৰলৈ যোৱাৰপৰা অব্যাহতি লয়।

না. দা.

।। চেৰ্জা।।

ৰেপণিৰে বজোৱা উত্তৰ ভাৰতীয় অথবা পূৰ্বাঞ্চলৰ চাৰিশুা বাদ্যযন্ত্ৰটোৰ বড়ো নাম চেৰ্জা।। বড়োসকলে নৃত্য গীতৰ সৈতে এইবিধ বাদ্যযন্ত্ৰৰ ব্যাপক ব্যৱহাৰ কৰা দেখা যায়। উত্তৰ কাছাৰ জিলাত বসবাস কৰা ৰাখ্ল (চেৰাশুা), বেইটে (চেৰেশুা) কুকি আদি লোক সকলেও চাৰিশুা বা চেৰ্জা ব্যৱহাৰ কৰে।

না. দা.

।। চৈতেলি গোৱা ।।

পুৰণি অসমত বিভিন্ন শাস্ত্ৰবেত্তা পণ্ডিতৰ তত্ত্বাৱধানত চলা ছাত্ৰশালাবোৰত দূৰ-দূৰণিৰপৰা ছাত্ৰ আহি অধ্যয়ন কৰাৰ সংবাদ মধ্যযুগীয় চৰিত পুথিবোৰত পোৱা যায়। ছাত্ৰসকলে থকা-খোৱা কৰিছিল গুৰু-গৃহত। তেওঁলোকে গুৰুৰ গৰু-ছাগলী, খেতি-বাতি প্ৰভৃতি চোৱা-মেলা কৰিছিল। গুৰুমুখী শিক্ষাত গুৰুদক্ষিণা দিয়া প্ৰয়োজন। ছাত্ৰসকলে গুৰুজনাক বছৰেকত এবাৰ গুৰুদক্ষিণা আগবঢ়াইছিল ব'হাগ মাহত। গুৰুদক্ষিণা দিবলৈ তেওঁলোকে গুৰুৰ আদেশ লৈ সমগ্ৰ চ'তৰ মাহটো মানুহৰ ঘৰে ঘৰে দান-দক্ষিণা বিচাৰি ফুৰিছিল। ছাত্ৰসকলে এনেদৰে কৰা ভ্ৰমণক কোৱা হয় চৈত্ৰফুৰি। ছাত্ৰসকলে মানুহৰ পদূলিত উপস্থিত হৈয়ে লক্ষ্মী-সৰস্বতী কিম্বা ভগৱান শ্ৰীকৃষ্ণৰ প্ৰশস্তি

গাইছিল - গুৰু-গম্ভীৰ স্বৰত। এনেদৰে ঘৰে ঘৰে প্ৰশস্তি গোৱাটোক কোৱা হৈছিল চৈতেলি গোৱা। এমাহ গাঁৱে-ভূঞে চৈতেলি গাই যিখিনি ধন পাইছিল, তাকে ছাত্ৰসকলে সভক্তিৰে সংক্ৰান্তিৰ পবিত্ৰ দিনত গুৰুৰ চৰণত নিবেদন কৰিছিল। গুৰুজনে তাতেই সন্তুষ্ট হৈ আশীৰ্বাদ দিছিল। আজি সমাজ ব্যৱস্থা সলনি হ'ল। গুৰুকুল শিক্ষাই মেলানি মাগিলে। চৈতেলি গোৱা পৰ্বৰো ইতি পৰিল।

না. দা.

**।। চোমদেৱ, ছেংদেৱৰ পূজা ।।**

চোমদেৱ আৰু ছেংদেৱৰ পূজা আহোমসকলৰ মাজত ৰাজকীয় পূজা ৰূপে পৰিগণিত। উল্লেখ্য যে আহোম ৰজাক খুন্ লুং আৰু খুন্ লাইক লেংদনে পৃথিৱীত শাসন কৰিবলৈ পঠাওঁতে লগত দুটা মূৰ্তি দি পঠাইছিল। এই মূৰ্তি দুটাৰ এটা চোমদেৱৰ আৰু আনটো ছেংদেৱৰ আছিল। এই চোমদেৱ আৰু ছেংদেৱৰ পূজা-সেৱা, কিদৰে কৰিব লাগে তাকো বুজাই দিছিল। লেংদন হ'ল আহোম সকলৰ উপৰিপুৰুষ। এই পূজাত পৰম্পৰা অনুসৰি চোমদেৱ আৰু ছেংদেৱৰ মূৰ্তি এবাৰ শুভদিনত ধুব লাগে, বলি বিধান আদি নিয়মাৱলীৰে পূজা কৰিব লাগে আৰু মূৰ্তি ধোৱা পানী খাব লাগে। পৰম্পৰা অনুসৰি চোম-ছেঙৰ মূৰ্তি এটা টেমাৰ ভিতৰত থাকে। এই টেমা ৰজাৰ বাহিৰে আন কোনেও খুলি চাব নোৱাৰে বা চোৱাটো নিষেধ। ৰাজ অভিষেকৰ সময়ত এই মূৰ্তি ৰজাই ডিঙিত আঁৰি লোৱা বা পিন্ধি লোৱা নিয়ম ৰজা ৰাজসিংহাসনত বহাৰ আগতে সিংহাসনত চোমদেৱক বহুৱা হয়, তাৰ পিছতহে ৰজা আসনত বহে। গতিকে চোমদেৱক আহোম ৰাজবংশৰ ৰক্ষক দেৱতা বুলি কোৱা হয়।

চোমদেৱ আৰু ছেংদেৱৰ মূৰ্তি প্ৰকৃততে কেনে আছিল তাৰ সঠিক বিৱৰণ ক'তো পোৱা নাযায়। প্ৰাচীন কথা অনুসৰি লেংদনে প্ৰদান কৰা চোমদেৱ, ছেংদেৱৰ মূৰ্তি সৰু কণুৱা চৰাইৰ দৰে। কিন্তু লেংদনৰ পৰামৰ্শ নামানি বোলে অশুভ সময়তে টেমা খুলি চোৱা বাবে ছেংদেৱৰ মূৰ্তি উৰি গ'ল। গতিকে ছেংদেৱৰ ঠাইত শূণ্য টেমাক পূজা কৰা হয়। কোনো কোনো বুৰঞ্জীবিদে কয় চোমদেৱ বা ছেংদেৱৰ মূৰ্তি চীন তথা দক্ষিণপূব এচিয়া তথা সৰ্বত্ৰ টাই মংগোলীয় জনগোষ্ঠীৰ মাজত পূজিত ড্ৰেগনৰ মূৰ্তিৰ বাহিৰে আন একো নহয়। চোমদেৱ তথা ছেংদেৱৰ মূৰ্তিৰ আশীৰ্বাদ থকা পৰ্যন্ত আহোম ৰাজতন্ত্ৰ অক্ষুণ্ণ থাকিব বুলি ভবা হৈছিল। গতিকে ৰাজ পৰিয়ালে বা ৰজাই সদায় চোমদেৱ, ছেংদেৱৰ মূৰ্তি সাদৰ যত্নৰে ৰাখিছিল। জনা যায় যে মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ৰজা গৌৰীনাথ সিংহ গুৱাহাটীলৈ পলাই যাওঁতে চোমদেৱৰ মূৰ্তি লগত নিনি ৰাজধানীতে এৰি থৈ গ'ল। এইদৰে ত্যক্ত হোৱা চোমদেৱৰ মূৰ্তি পেলন বাইলুং নামৰ আন এজন ব্যক্তিৰ হাতত পৰিল। পৰম্পৰা অনুসৰি ৰজাৰ হাত এৰাই আন মানুহৰ হাতলৈ যোৱাত

চোমদেৱৰ মাহাত্ম্য হেৰাল বুলি কোৱা হয়। ফলত ৰাজভগনৰ সূচনা হোৱা বুলি এক অন্ধবিশ্বাস আছে। পিছলৈ এই চোমদেৱৰ মূর্তি পুনৰ ৰজাৰ হাতলৈ আহিল যদিও এই মূর্তিৰ প্রাচীন ঐতিহ্য নাথাকিল বুলি অনুমান কৰিব পাৰি। পিছত চোমদেৱৰ মূর্তি পুৰন্দৰ সিংহৰ হাতত পৰিল। এই মূর্তি পুৰন্দৰ সিংহই কলিকতাত থাকোঁতে অভাৰত পৰি বিক্রি কৰা বুলি জনা যায়।

দি.ডে.

।। চৌ খেল।।

কৈশোৰৰপৰা প্রাক্‌বৃদ্ধ বয়সলৈ অংশ ল'ব পৰা চৌ খেলত দুটা দল থাকে। প্রতিটো দলত কমেও পাঁচজন সদস্য থাকে। চৌ খেল খেল পথাৰত কর্ট সাজি লৈ খেলা এবিধ শাৰীৰিক ব্যায়াম যুক্ত খেল। চৌ খেলৰ বাবে আয়তাকাৰে এখন পথাৰত আঁচ টানি তাক দীঘলে সমানে দুভাগত বিভক্ত কৰি লৈ পুনৰ পথালিকৈ দুয়োটা ভাগক আঁচটানি বর্গ আকাৰৰ ঘৰ বা ক্ষেত্র কৰি লোৱা হয়। দুয়োফালে কমেও চাৰিটা ক্ষেত্র বা ঘৰ কৰা প্রয়োজন। ঘৰ বোৰৰ নির্দিষ্ট জোখ-মাপ নাই যদিও ক্ষেত্রত দুয়ো মূৰৰ আঁচৰপৰা দুজনে হাত মেলি পৰস্পৰে লগ নোপোৱা জোখেৰে কৰা হয়। মাজৰ দীঘল আঁচডালত আৰু পথালি আঁচবোৰত এজন এজনকৈ এটা দলে আগচি থাকে। আনটো দলে এমূৰৰ পৰা চৌ বুলি কৈ বিপক্ষেই চুব নোৱাৰাকৈ ঘৰবোৰ পাৰ হৈ পুনৰ ঘূৰি আগৰ ঠাইলৈ আহিব পাৰিলে পকে। এনেকৈ পকি উঠা দলে আঁচত থাকি আনদলক আগচিবলৈ পায়।

ক.ব.

।। চৌপূজা ।।

নলবাৰী জিলাৰ ধর্মপুৰ মৌজাৰ অন্তর্গত নদলা গাঁৱত কেঁচাইখাতী বা কাঁচাইখাতী গোসাঁনীৰ থান এখন আছে। প্রতি বছৰে নদলা গাঁৱৰ ৰাইজে ব'হাগ মাহৰ যিকোনো এটি পৱিত্র দিনত কেঁচাইখাতীৰ থানত পূজা দিয়ে। এই পূজাৰ নামেই হ'ল চৌপূজা। পূজাৰ দিনা দেৱীমূর্তিৰ অনতিদূৰত পাঁচডাল কলগছেৰে ভূৰ এখন সজাই তাৰ ওপৰত কলপটুৱাৰে মজু এটি তৈয়াৰ কৰা হয়। এই মজুটোকেই চৌ বোলা হয়। মজুৰ গুৰিডোখৰ ঘূৰণীয়া আৰু বহল, ওপৰলৈ ই দ'ল, মঠ বা কলডিলৰ আগভাগৰ নিচিনা। ইয়াৰ এখন দুৱাৰমুখ থাকে। মজুটোৰ গাত সিন্দূৰেৰে নানাবিধ লতা ফুলৰ চিত্র অংকন কৰা হয় আৰু তাৰ চাৰিওফালে চাৰিটা পাঁচ-ছফুটমান ওখকৈ বাঁহৰ আগ (চাট) পুতি দিয়া হয়। প্রত্যেকডাল বাঁহৰ আগত নানাবিধ ফুলৰ মালা দিয়া হয়। মজু বা চৌটোৰ একেবাৰে শীর্ষবিন্দুত আৰু ভূৰখনৰ ওপৰত ঠায়ে ঠায়ে বাঁহৰ শলাৰে পুতি থোৱা কলপুলিৰ টুকুৰাবোৰৰ কোনোটোত পদুম ফুল আৰু কোনোটোত ধূপ দিয়া হয়।

পূজাৰ প্রাৰম্ভতে মজুটোৰ ভিতৰত পাঁচখন ঠগী বা নৈবেদ্য দিয়া হয়। হাঁহকণী

এযোৰ, এৰাঁ গাখীৰ, জহাচাউল আৰু চেনিৰে ৰন্ধা ভোগৰ উপৰি ভিন্ ভিন্ পাত্ৰত থোৱা হয় ঘিউ, মৌ, চেনি, দৈ আৰু এৰাঁ গাখীৰ। এৰাঁ লাৰু, পইচা, পাণ, জহাচাউল, মাছ, আলু, লোণ, তেল, আদিৰ এটা সিধাও ভিতৰতেই থোৱা হয়। চৌটো আৱশ্যকীয় সামগ্ৰীৰে পূৰ কৰাৰ পিছত কেঁচাইখাতী গোসাঁনীৰ আগত অসংখ্য পঠা ছাগলী, হাঁহ আৰু পাৰ বলি দিয়া হয়। বলিৰ অন্তত পুৰোহিতে বিধিমতে ভূৰখন উছৰ্গা কৰে। শেষত ভূৰখন দুডাল বাঁহত বান্ধি চাৰিজন মানুহে লৈ গৈ বুঢ়াদিয়া নৈত উটুৱাই দিয়ে। উটাবলৈ নিওঁতে গাঁৱৰ ৰাইজে ভোৰতাল, ঢোল, খোল, শঙ্খ, ঘন্টা, কালি, বৰকাঁহ, খুটিতাল আদি বজাই গীত-পদ গাই নৈৰ ঘাটলৈকে চৌটোক আগবঢ়াই দিয়ে। দিনৰ ভাগতেই চৌপূজাৰ মাঙ্গলিক প্ৰক্ৰিয়াৰ অন্ত পৰে।

বৰ্তমান কালত নদলা গঞ্জৰ বাহিৰেও আন আন ঠাইৰ মানুহৰ মাজতো চৌপূজাৰ প্ৰচলনে ব্যাপকতা লাভ কৰিছে।

বি. ভ.

**।। ছুংখং পূজা ।।**

কৃষি কাৰ্যৰ আৰম্ভণিৰ সময়ত অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকে বিভিন্ন উৎসৱ, পূজা-পাতল পালন কৰি অহা দেখা গৈছে। এনে এটি কৃষিকাৰ্যৰ লগত জড়িত পূজা হৈছে ছুংখং পূজা। ছুংখং শব্দই হাবি ভাঙি খেতিকৰা কাৰ্যক সূচায়। পাহাৰ-ভৈয়াম উভয়তে বসবাস কৰা তিৱা জনগোষ্ঠীৰ লোকসকলে কৃষিকাৰ্য আৰম্ভণিৰ সময়ত কৰা পূজাক ছুংখং পূজা বোলে। তিৱা তথা লালুং জনগোষ্ঠীৰ মতে পথাৰত হালবোৱাৰ আগতে ছুংখং পূজা কৰাতো বাধ্যতামূলক।

ছুংখং পূজা অনুষ্ঠিত হয় দুটি পৰ্বত। প্ৰাৰম্ভিক পৰ্ব আৰু এটা মূল পৰ্ব। প্ৰাৰম্ভিক পৰ্বত তিৱা সমাজৰ বিষয়ববীয়াৰ নিৰ্দেশমতে ডেকাচাঙৰ বিষয়াই ডেকাসকলৰ সৈতে পূজাৰস্থলী চাফচিকুণ কৰি নিৰ্মাণ কৰে। বিষয়ববীয়াসকলে পূজাৰ বেদী নিৰ্মাণ কৰি ১১০ টা তৰাগছৰ পাত আৰু ৭ ডাল বাঁহৰ লেকেচি পুতি দিয়ে। আৰাধ্য দেৱতা মহাদেৱৰ বেদীৰ ওচৰত মদ, চাউল, ৰূপৰ আঙঠি, কণী আদি ৰখা হয়। আঙঠিৰ ওপৰত থকা কণী ভাঙি খেতি-বাতিৰ বাবে মঙ্গল চায় আৰু ভৱিষ্যতবাণী কৰে। কুকুৰা চৰাই বলি দি মঙ্গল চোৱাৰ নিয়ম আছে। বিষয়ববীয়াই (লৰ) চৰাইৰ মাংস খৰিকাৰে খুচি দেৱতাৰ হকে মন্ত্ৰ মাতে। উপস্থিত ৰাইজে মদৰ লগত এই মাংস ভক্ষণ কৰে। পূজাৰ প্ৰাৰম্ভিক পৰ্বৰ প্ৰথম সপ্তাহৰ পিছত মূল পূজা অনুষ্ঠিত হয়। সমাজৰ মূল বিষয়ববীয়া আৰু ৰাইজ পূজাস্থলীত উপস্থিত হয়। বেদীত পূজাৰ বাবে প্ৰয়োজনীয় গাহৰি, চৰাই, লাওপানী, চাউল, তামোল-পাণ আদি উপকৰণসমূহ প্ৰস্তুত কৰা হয়। প্ৰয়োজন অনুসৰি দেৱতালৈ পূজাসামগ্ৰী আগবঢ়োৱা হয়। সমাজৰ মূলজনে শস্যাধিপতি দেৱতাক স্তুতি কৰে মন্ত্ৰৰে। পূজাত কুকুৰা

চৰাই বলি দিয়াৰ নিয়ম আছে। পূজা চলি থকা সময়তেই উপস্থিত ৰাইজে লাওপানী খাই থাকে। পূজা সমাপ্তিৰ পিছত ৰাইজে দুটি ভাগত বিভক্ত হৈ ভোজ্-ভাত খায়। ভোজভাতৰ পিছত ডেকাচাঙৰ মুৰব্বীৰ নিৰ্দেশত ডেকাসকলে খ্ৰাম, থোৰাং লাংখন আদি নি পূজাস্থলীত বাদ্য বজায়। বাদ্যৰ ছেৱে ছেৱে মালবাৰী লৈ যুৱকসকলে নৃত্য কৰে। বেদীৰ চাৰিওফালে ঘূৰি ঘূৰি খেতি-বাতি কৰা ভঙ্গীমাৰে তিৱা ডেকাসকলে নৃত্য কৰে। এই নৃত্যই কৃষিকাৰ্যৰ আৰম্ভণিৰ শুভসময়ক সূচায়।

(উৎস ঃ মনেশ্বৰ দেউৰী- মৰিগাঁও জিলাৰ লোক সংস্কৃতি)।

প.কু. ডে.

।। ছগ্ৰামিছাৰা ।।

অসমীয়া সংস্কৃতি পথাৰ সংস্কৃতি। কৃষিক কেন্দ্ৰ কৰি অসমীয়া জাতীয় কৃষ্টিয়ে যি স্বকীয় ৰূপ যুগে যুগে লাভ কৰিছে তাৰ মনোৰম ইতিহাস কৃষিভিত্তিক উৎসৱসমূহৰ মাজত সুন্দৰকৈ প্ৰকাশ পাইছে। তিৱাসকলৰ এটি সুন্দৰ কৃষিভিত্তিক অনুষ্ঠান হ'ল ছগ্ৰামিছাৰা। এই উৎসৱ খেতি চপোৱাৰ পিছত নৃত্য-গীতৰ দেৱতা চাৰিপহাই বা নাচুপি-পাগুনি ৰাজাৰ উপাসনাৰ আয়োজন কৰা হয়। ছন কাৰা মানে বছৰৰ সমাপ্তি আৰু ছনকাৰাৰ পৰা ক্ৰমবিৱৰ্তনত সৃষ্টি হোৱা ছগ্ৰামিছাৰা উৎসৱ বছৰৰ শেষত আয়োজন কৰা উৎসৱ। এই উৎসৱৰ প্ৰথম দিনা নৃত্য-গীতেৰে দেৱতাৰ নামত ৰঙা কুকুৰা বলি দিয়া হয়। বাকীকেইদিন বিষয়াসকলৰ ঘৰত নৃত্য-গীত কৰা হয়। নৃত্য-গীতত অংশগ্ৰহণ কৰা লোকসকলে চোতালত ঘূৰণীয়কৈ নাচে। নৃত্য-গীতৰ মাজত খ্ৰাম (ঢোল) আৰু থোৰাঙ (দুটা ফুটাযুক্ত দীঘল বাঁহী) ব্যৱহাৰ কৰা দেখা যায়। ছগ্ৰামিছাৰা আয়োজনৰ সময়ত কুঁহিলাত কাটি বা পানী দলৰ ভিতৰৰ বগা অংশ চৌশলা এডালেৰে উলিয়াই বাঁহৰ কাঁঠীত গাঁঠি পাগুৰিত তিনিডালকৈ খুমখাঠি তিনিজন লোকে পিন্ধিব লাগে। এই তিনিজন লোকক টেঙৰে বোলে। এই তিনিজনৰ উপৰি এজন পুৰা (বুঢ়া) আৰু এজন মছ (পহু) থাকে। বুঢ়াৰ প্ৰতীকৰূপে বিৰিণাৰ ফুলেৰে মুকুট সাজি মূৰত পিন্ধে। মছজনে দুটা ফেৰেঙণি থকা গছৰ ডাল এটি পহুশিঙৰ প্ৰতীক হিচাপে লৈ তাত নতুন গামোচা বান্ধি নৃত্য কৰে। তিনি-চাৰিজন কিশোৰে মূৰৰপৰা ভৰিলৈ কেঁচা কলপাত মেৰিয়াই ৰাইজৰ লগত চোতালত নাচে। নাচ-গান চাবলৈ অহা মানুহৰ কোপদৃষ্টি যাতে নৃত্য-গীতত ভাগ লোৱা লোকসকলৰ গাত নপৰে, তাৰ বাবে কলপাত পিন্ধা কিশোৰ কেইজনে নাচত অংশগ্ৰহণ কৰে। ছগ্ৰামিছাৰাত লুখুমীবাৰ (ভঁৰাল) সম্মুখত নাচৰ দলটিয়ে নচাৰ আগ মুহূৰ্তত গাভৰুসকলে বিষয়-ববীয়াসকলক কুহুমীয়া পানীৰে ভৰি ধুৱাই দি পৱিত্ৰতা অৰ্জন কৰে। নৃত্য-গীতৰ অন্ততঃ সমূহ ৰাইজে মদ-মাছৰে সৈতে অন্ন গ্ৰহণ কৰে।

এনেদৰে ফাগুনৰ এটি বুধবাৰে আয়োজন হোৱা নৃত্য-গীতেৰে মুখৰিত ছগ্রামিছাৱা অনুষ্ঠান সোমবাৰৰ দিনাখন অন্ত পৰে। পথাৰত কঠোৰ পৰিশ্ৰমেৰে খেতি কৰাৰ অন্তত নৃত্য-গীতেৰে দেৱতাৰপৰা আশীৰ্বাদ গ্ৰহণ কৰি, কৃষি কৰ্মৰপৰা বিৰত থকা সেই সময়ছোৱাৰ কাৰণে নৃত্য-গীতেৰে দেৱতাৰ ওচৰত নিজৰ খেতিৰ সঁজুলি দা-কোৰ আদি অৰ্পণ কৰে।

বি. পা.

**।। ছঠ পূজা ।।**

ছঠ পূজা পালন কৰা হয় - কাতি মাহৰ শুক্লা ষষ্ঠী তিথিত। এই উৎসৱ উত্তৰ প্ৰদেশ আৰু বিহাৰত মহা পয়োভৰেৰে উদ্‌যাপন কৰা হয় যদিও আজিকালি অসমতো ইয়াক অগণন হিন্দীভাষী লোকে আন্তৰিকতাৰে পালন কৰা চকুত পৰে। এই উৎসৱত তিৰোতাসকলৰ ভূমিকা বিশিষ্ট। কাতি মাহৰ শুক্লা চতুৰ্থীৰেপৰা ছঠ পূজাৰ ব্ৰত আৰম্ভ হয়। এই দিনা প্ৰত্যেকে গা-পা ধুই আহাৰ গ্ৰহণ কৰে। পঞ্চমীৰ দিনা গা-পা ধুই গোটেই দিনটো উপবাসত কটায়। ওৰে দিন পানী টুপিও নিপিয়ে। ৰাতি লাউৰ তৰকাৰী আৰু ভাতত গুড় লৈ উপবাস ভাঙে। লাউৰ তৰকাৰীত নহৰু আৰু পিঁয়াজ দিয়া নিষেধ। ষষ্ঠীৰ দিনা পুৱাৰেপৰা সন্ধিয়ালৈকে উক্ত পূজাৰ ভকতসকলে এটুপি পানী নোখোৱাকৈ উপবাসত থাকে। গধূলি সূৰ্য অস্ত যোৱাৰ লগে লগে পৰ্ব পালন কৰা পুৰুষ-স্ত্ৰী নিৰ্বিশেষে গা-পা ধুই পূজাৰ সামগ্ৰী লৈ কোনো নদী, নিজৰা বা জলাশয়লৈ যায়গৈ। পূজাৰ সামগ্ৰীত থাকে পাঁচবিধ সামগ্ৰী - কল, শৰীফা, নেমু, মাধুৰি আম আৰু আপেল। ইয়াৰ উপৰি বিভিন্ন ফলো লগত লৈ যোৱা হয়। ইয়াৰ লগতে আদা, হালধিৰ পাত, মূলা প্ৰভৃতি থকাও বাঞ্ছনীয়। চন্দন আৰু ধূপতো লাগিবই। গধূলি বেলা পূজাৰ বেদীৰ তলত গোৱা হয় -

বাতহি পুচেলা বতহিয়াঁ/ ই বহজি কেকৰা কে জাই/<br>
অন্ধৰ হোখুৰে বতহিয়া/ ই বহগী ছঠী মাইয়া কে জাই//

সন্ধ্যাকালত গীত গাই গাই তিৰোতাসকলে হাতত বন্তি জ্বলাই লৈ নদী ঘাটলৈ যায় - চাকিৰ চৌদিশে থাকে বিভিন্ন সম্ভাৰ। সূৰ্যাস্তৰ প্ৰাক্‌মুহূৰ্তত এৰাঁ গাখীৰ আৰু ফলেৰে ছট দেৱতাক আৰাধনা কৰা ৰীতি। আৰাধনাৰ পিছত ঘৰলৈ প্ৰত্যাৱৰ্তন কৰি দেৱতালৈ অৰ্ঘ্যৰূপে আগবঢ়োৱা দ্ৰব্য সম্ভাৰসমূহলৈ ঘৰৰ ভিতৰ সোমায়। তিৰোতাসকল ৰাতি উপবাসে ৰয়। পিয়াহত পানী এটোপাও নিগিলে। আনকি 'ঢোক' গিলাও নিষেধ। বোৱাৰী পুৱাৰ লগে লগে (ৰাতিপুৱা চাৰি বজা) তিৰোতাসকলে গীত গাই গধূলি পূজা কৰা ঠাইলৈ গৈ ধূপ-দীপ জ্বলাই লৈ গায় - 'হাত কে দলিয়া লেলে/ মালিন ৰৱাড় ৰে/ উগনা উদতি মল / অৰঘ দি জাই//' সূৰ্যোদয়ৰ পিছত পণ্ডিতে মন্ত্ৰ মাতে

আৰু ভক্তই এৰাঁ গাখীৰ আৰু ফল হাতত লৈ সূৰ্যৰ পিনে ঠিয় দি তাক দেৱতালৈ নিৱেদন কৰে। নিৱেদন পৰ্ব শেষ হোৱাৰ পিছত স্ত্ৰী-পুৰুষ (যিয়ে পৰ্ব পালন কৰে) নিৰ্বিশেষে নিজৰ নিজৰ ঘৰলৈ যায় আৰু আপোন অভিৰুচি মতে অন্নজল গ্ৰহণ কৰে। এনেদৰেই ছঠ উৎসৱ সম্পন্ন হয়।

এই উৎসৱৰ উদ্ভৱ সন্দৰ্ভত ভিন্ন জনে বিভিন্ন মত দাঙি ধৰে যদিও ই মূলতঃ সূৰ্য পূজা। ইয়াৰ যোগেদি ভক্তৰ আশা-আকাঙ্খা আৰু গভীৰ বিশ্বাস সুন্দৰকৈ প্ৰকাশ পায়। সূৰ্যৰ উত্তাপত বেয়া বস্তুবোৰ নাশ পায়। ইয়াৰ কৃপাতে লোকে আনন্দৰে কাল কটাবলৈ সমৰ্থ হয়। একে দৰে ছঠ পতি সূৰ্যক সেৱি জনগণে নিজৰ দুখ আঁতৰ কৰে। লোকবিশ্বাস আছে ঃ এই পৰ্ব নিষ্ঠাৰে পালন কৰিলে জাগতিক যিকোনো সমস্যাৰে সমাধান পোৱাটো সম্ভৱ। মানুহৰ সমস্ত আশা-আকাঙ্খাকে ই সম্পূৰণ কৰে। এককথাত ছঠ সূৰ্য দেৱতাৰ অৰ্চনা। সূৰ্যৰ অৰ্চনাই মানুহৰ কলুষ-কালিমা নাশে - সুখ শান্তি প্ৰদান কৰে।

পৃ. ক.

।। ছয়গাঁৱৰ ভাস্কৰ্য কলা ।।

চান্দো সদাগৰৰ স্মৃতি বিজড়িত চম্পক নগৰেই আজিৰ ছয়গাঁও। ইয়াৰ মেৰঘৰৰ ধ্বংসাৱশেষ থকা ঠাইখিনিত (মঠপাৰা) তিনিটা গৰ্ভগৃহ থকালৈ চাই ঐতিহাসিক পণ্ডিতসকলে তাত তিনিটা মন্দিৰ থকা বুলি সাব্যস্ত কৰিছে। সেই শৈলমন্দিৰ নিৰ্মিত হৈছিল খ্ৰীষ্টীয় দশম শতাব্দীত। প্ৰাকৃতিক দুৰ্যোগত সেই দেৱ ধামসমূহ ভাঙি যোৱাত আহোম ৰাজত্বৰ অন্তিম তৰংগত হয়তো তাৰ পুনৰ্নিৰ্মাণ হৈছিল যদিও ১৮৯৭ খ্ৰীষ্টাব্দৰ ভূকম্পনত সেই মন্দিৰ কেইটা ভাগি যায়। ধ্বংসাৱশেষত খ্ৰীষ্টীয় দশম শতাব্দীৰ লগতে পৰৱৰ্তী অষ্টদশ শতাব্দীৰো কিছু ভাস্কৰ্য দেখিবলৈ পোৱা যায়। অসম ৰাজ্যিক পুৰাতত্ত্ব বিভাগে সুৰক্ষা দিয়া এই সম্পদসমূহৰ ভিতৰত প্ৰাচীন শিৱ মন্দিৰৰ মুধাৱৰণত ব্যৱহৃত অষ্টদশ বিশিষ্ট চাৰিটা পদ্ম (বিশ্বপদ্ম) আৰু চতুষ্কোণী চাৰিটা শৈলখণ্ড লেখৰ। সংৰক্ষিত স্থানৰ বাহিৰত থকা সম্পদৰ ভিতৰতএটি মংগল কলহ, দুটি অভগ্ন আমলক আৰু দুটা অষ্টকোণী অৰ্ধভগ্ন শৈলস্তম্ভ বিশেষ ভাৱে উল্লেখযোগ্য। পৰৱৰ্তী কালৰ ভাস্কৰ্যৰ ভিতৰত তিনিটা সুৰক্ষিত স্থানত আছে। ইয়াৰে তৃতীয় শৈলদ্বাৰটো সম্পূৰ্ণ অক্ষত অৱস্থাত দেখা যায়। ইয়াৰ দ্বাৰ-শিৰপট্টিৰ ললিতবিম্ব স্থানত আছে অৰ্ধ পৰিয়াংক স্থানস্থ গণপতি। অলংকৃত দ্বাৰশাখা দুডালৰ এডালৰ নিম্নাংশত সমপাদ স্থানক ভংগীৰ অঞ্জলি মুদ্ৰা হস্ত দ্বাৰপাল আৰু দ্বিতীয়ডালৰ নিম্নাংশত আয়ুধহস্ত দ্বাৰপাল উদ্‌গত হৈছে। সুৰক্ষিত স্থানৰ দ্বিতীয় শৈলদ্বাৰৰ শিৰপট্টিৰ ললিতবিম্বত গণেশ উদ্‌গত হ'লেও দ্বাৰশাখাত কোনো প্ৰতিমা দেখা নাযায়। অৱশ্যে সি দুডালত ঋজু অলংকৰণ আছে। তৃতীয় শৈলদ্বাৰৰ শিৰপট্টি

নাই। দ্বাৰ-শাখাৰ এডালৰ তলত আছে — কুমণ্ডলুহস্ত সমপদ স্থানক ভংগীৰ দড়ীয়া ব্ৰাহ্মণ। পশ্চিম দিশৰ গৰ্ভগৃহৰ ওপৰৰ জংঘাত খাজি দিয়া শৈলখণ্ড এডোখৰত তিনিটা আপচু নৰমূৰ্তি খোদিত কৰা দেখা যায়। স্থানক ভংগীৰ মূৰ্তি কেইটাৰ হাতত বিভিন্ন মুদ্ৰা বিৰাজমান। ইয়াৰে আন এডোখৰ শৈলখণ্ডত আছে যোগাসনত বহা এটি মূৰ্তি। সুৰক্ষিত স্থানৰ এচলা শিলত দুটা কামাসক্ত মূৰ্তি খোদিত কৰা। মূৰ্তি যুগলৰ মূৰৰ ফালে খোদিত হৈছে - স্থানক ভংগীৰ এটা নৰমূৰ্তি। পৰৱৰ্তী কালৰ ভাস্কৰ্যসমূহ নিম্নমানৰ। মঠপাৰাৰ এই ভাস্কৰ্যসমূহে ছয়গাঁও অঞ্চলৰ বিগত কালৰ সভ্যতাৰ এটি দিশত পোহৰ পেলায়।

না.দা.

**।। ছয়গাঁৱৰ মূৰ্তি কলা ।।**

ছয়গাঁও কিংবদন্তীৰ চম্পক নগৰ। ইয়াৰ সৈতে শিৱভক্ত চন্দ্ৰধৰৰ বিভিন্ন কাহিনী সাঙোৰ খাই আছে। উক্ত স্থানত ওচৰা ওচৰিকৈ থকা চণ্ডিকা দেৱালয় আৰু চান্দোৰ মেৰঘৰৰ ঐতিহাসিক সম্পদৰ কথা জয়জয়তে কেপ্তেন ই.টি.ডেল্টন চাহাবে জাৰ্নেল অব দ্য এচিয়াটিক চোছাইটি অব বেংগল'ত (১৮৫৫) 'নোটচ্ অন আচাম টেম্পল ৰুইনচ্' নিবন্ধৰ যোগেদি সদৰি কৰিছিল। ইয়াত খ্ৰীষ্টীয় দশম আৰু অষ্টাদশ শতাব্দীৰ যিবোৰ কলা সম্পদ উদ্ধাৰ হৈছে — তাৰে ভিতৰত কেইটামান দশম শতাব্দীৰ আটক ধুনীয়া মূৰ্তি দেখা যায়। মঠ পাৰাত প্ৰাপ্ত এনে মূৰ্তিৰ ভিতৰত পোনতে জোঙা চটীয়া শিলত চিকুণ কৈ কটা (৯২ x ৭৫ ছে. মি.) দ্বিদল বিশিষ্ট পৰিস্ফুট পদ্মৰ ওপৰত ত্ৰিভংগ ভংগীত দণ্ডায়মানা চতুৰ্হস্তা দেৱী গৰাকীৰ নাম ল'ব পাৰি। সোঁফালৰ নিম্ন হস্তত কৰ্তাৰী আৰু উৰ্ধ হস্তত খট্বাংগ। বাঁওফালৰ উৰ্ধ- নিম্ন উভয় বাহুৰে আয়ুধ অস্পষ্ট। দেৱীৰ সোঁ-নিম্ন হস্তৰ তলত অঞ্জলি মুদ্ৰাৰ ভক্ত আৰু নিম্ন হস্তৰ তলত চামৰ ধাৰিণী দ্বিভংগীম ঠামৰ প্ৰতিহাৰী। মুণ্ড মালা শোভিতা দেৱীৰ শিৰৰ দুফালে প্ৰসাৰিত জটা। কাণত বহল পত্ৰকুণ্ডল, ডিঙিত হাৰ, পীন-পয়োধৰ আৰু ৰুচিসম্মত কটি বস্ত্ৰ শোভিতা দেৱীৰ পদ তলত এটি শুই থকা নৰমূৰ্তি। শিলাপট্টৰ দুয়োফালে উড়ন্ত বিদ্যাধৰ আৰু ওপৰত কীৰ্তিমুখ। মূৰ্তিগৰাকী কালীৰ। ইয়াত পোৱা জোঙা শিলত কটা ৩৪ × ১৭ ছে. মি. জোখৰ পদ্ম হস্ত মুকুট-কুণ্ডল আৰু পদ যুগলৰপৰা বক্ষ দেশলৈ প্ৰসাৰিত বেশ উদীচ্য পৰিশোভিত সূৰ্যদেৱৰ এহাতে আছে তাল ব্যঞ্জন ধাৰিণী প্ৰভাহীনা ৰাজ্ঞী আৰু নিক্ষুভা; আনহাতে দণ্ডায়মান দণ্ড আৰু পিংগল। পদমূলত পৃথ্বী, তাৰ সন্মুখত সপ্ত ঘোঁৰাই টনা ৰথত অৰুণ, মালাহস্ত উড়ন্ত যুগল বিদ্যাধৰ আৰু শীৰ্ষত কীৰ্তিমুখ। উক্ত স্থানতে আছে দুটি অৰ্ধভগ্ন বিষ্ণু মূৰ্তি। চণ্ডিকা দেৱালয়ৰ মন্দিৰৰ গৰ্ভগৃহত বেদীৰ ওপৰত সিংহস্কন্ধ আৰুঢ়া সমপাদ স্থানক ভংগীৰ চতুৰ্হস্তা আয়ুধ সমৃদ্ধা চণ্ডিকা দেৱী আৰু ইয়াৰ কাষত কোঠা এটাত

১২০ × ৭০ ছে. মি. জোখৰ এখনি উমালিংগন মূৰ্তি। শিৱ-শিৱানী উভয়ে দ্বিহস্ত। ওপৰত উল্লেখ কৰা প্ৰাক্ আহোম যুগীয় প্ৰতিমা কেইখনিয়ে ছয়গাঁও অঞ্চলৰ উন্নত সভ্যতা সংস্কৃতিত এচেৰেঙা স্পষ্ট পোহৰ পেলায়।

না.দা.

।। ছাথাৰ-গীত আৰু নৃত্য ।।

বায়খো উৎসৱ কালত ৰাভা ডেকা-গাভৰুৱে প্ৰাণঢালি ছাথাৰ গীত গায় - নৃত্যত ভূমি কঁপায়। ধৰ্মীয় বিশ্বাস অনুসৰি এই গীত আৰু নৃত্যৰ অন্তৰালত আত্ম লুকায়িত হৈ আছে প্ৰজননবাদৰ বিকাশ। কিছুদিন আগলৈকে বিবাহিত স্ত্ৰী-পুৰুষে ছাথাৰত ভাগ ল'ব নোৱাৰিছিল - আনকি শ্ৰোতা অথবা দৰ্শক হোৱাৰ পৰাও বিৰত থাকিব লগাত পৰিছিল। ৰাতি বিহুৰ এই নৃত্য ওৰে ৰাতি চলে আৰু নৃত্য-গীতৰ মাজেদি কোনোবাই কাৰোবাক ভাল পালে পিছত সামাজিক দস্তুৰ মতে মিলনৰ জৰীত বান্ধ খায়। ছাথাৰ গীতৰ নমুনা -

ডেকা - 'বছৰ পিদান ৰিবিদং/ বায়খো মনি কিয়া// নাঙি কাথা মনি কিদং ছালে/ আমে টঙা জাংছাৰে/ আমে টঙা জাংছা//,

ভাৱাৰ্থ - নতুন বছৰ পৰিলে তোমালৈ মনত পৰে। তেতিয়া থিৰেৰে থাকিব নোৱাৰা হওঁ।

গাভৰু - 'অ ছেংৰা গা বুৰ কায়/ আতো ইনা নামা/ আং নাঙো নুকবাৰা - ছালে/ কানি দংকায় কাথা ৰে/ কানি দংকায় কাথা//'

ভাৱাৰ্থ - হেৰা ডেকা ল'ৰা, তুমি কি ক'ব খুজিছা, কোৱাচোন। মই যে তোমাক পছন্দ কৰিছোঁ। সঁচা কথা কোৱা - মোৰ প্ৰতি তোমাৰ মৰম কিমান?

(গীত দুটা বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্যৰ পৰা উদ্ধৃত)

না. দা.

।। ছোঁ-মুখা ।।

ভৰতৰ নাট্য শাস্ত্ৰত (একবিংশতি অধ্যায়) অভিনয়ৰ পৰিপুষ্টি সাধক বিভিন্ন প্ৰকাৰৰ পুস্তৰ নামোল্লেখ আছে। ভৰত মুনিৰ ভাষাত, 'পৰ্বত, যান, বিমান, ঢাল, বৰ্ম, পতাকা, হাতী প্ৰভৃতি যি নাট্যত নিৰ্মিত হয়, সেয়ে পুস্ত।' (২১/৮) সত্ৰীয়া ভাষাত এই পুস্তকে ছোঁ-মুখা কোৱা হয়। চৰিত পুথিত ইয়াৰ বিষয়ে আছে - 'ভাওনাৰ ছো যত সভাঘৰে নিল/ আঁৰ বস্ত্ৰ দিয়া তাকে তৈত ঢাকি থৈল//' (ৰামচৰণ) ৰামবিজয় নাটক অভিনয় কৰা সন্দৰ্ভত দৈত্যাৰি ঠাকুৰে লিখিছে - 'কাহাকো নানান ছো সাজিবাক দিলা// ৰাম যাত্ৰাৰ গীত আপুনি কৰিলা//' (পদ১২৯৯) মহাপুৰুষে সুন্দৰীৰ ওচৰত ৰভা-খলাত

গোপ-গোপী আৰু গাই-দামুৰীৰ উপৰি কৃত্রিমকৈ গোবৰ্দ্ধন পৰ্বত সাজি তাতে গোবৰ্দ্ধন যাত্রা কৰাৰ কথা কথা-গুৰু চৰিতত আছে (পৃ. ৫৪৮)। বৰবিষ্ণু আতাৰ অনুৰোধ মৰ্মে মহাপুৰুষে মালচাত নৃসিংহ যাত্ৰা ভাওনা কৰা কালত বৰবিষ্ণু আতাৰ সৈতে নাৰায়ণ দাস ঠাকুৰে লগ লাগি ছোঁ সজাৰ কথাও কথা গুৰু চৰিতেই সদৰি কৰাটো উল্লেখযোগ্য (পৃ. ৩১৪)। তুংখুঙীয়া বুৰঞ্জীত আছে - কমলেশ্বৰ সিংহৰ ৰাজসভাত ১৭২৭ শকৰ ১৮ ফাগুনত যি ৰুক্মিণীহৰণ ভাওনা চলিহা বাৰেঘৰ সত্ৰৰ ফালৰপৰা অনুষ্ঠিত হৈছিল, সেই ভাওনাত কালীসাপ এটা, ভালুক এটা আৰু দুটা হাতী দেখুৱা হৈছিল আৰু আৱশ্যকীয় স্থানত ছোঁৰ প্ৰয়োগ কৰা হৈছিল (দফা ৩২৯)। মাজে-সময়ে হনুমন্ত জাম্বুৱন্তৰ অভিনয়ত সম্পূৰ্ণ ৰূপে গা ঢকা সাজ পিন্ধিছিল। তাত নেজো সাজি দিয়া হৈছিল। 'জলম' (চোলা) সজা হৈছিল কাপোৰ আৰু মৰাপাটেৰে।

সাধাৰণতে বাঁহ আৰু কাগজেৰে ছোঁ মুখা সজা হয়। কাঠৰ ছোঁ মুখা থাকিলেও ওজন বেছি হোৱা বাবে তাৰ প্ৰচলন কম। বাঁহ আৰু কাগজৰ মুখাই বেছি। বাঁহৰ কাঠি কৰি মূৰ আৰু গাৰ জোখেৰে একোটা সজা সজাই লৈ পূৰ্ণ অৱয়ব ফুটাই তুলিবলৈ সজাটোৰ ওপৰত গোবৰ মাটি বা কুমাৰ মাটি লিপি চকু, মুখ, নাক, কাণ, আদি সুন্দৰকৈ গঢ় দিয়া হয়। টুকুৰা কাপোৰত এঠা লগাই মাটিৰ ওপৰত মাৰি দি ৰ'দত শুকুৱাই লৈ লেখনিৰে হেঙুল, হাইতাল, নীল, ধলমাটি আৰু বালিচন্দা লগাই মুখাবোৰ দেখাত সুন্দৰ কৰি তোলা হয়। বাঁহৰ মুখা কিছু গধুৰ হোৱা বাবে কাগজৰ মুখা সজা হয়। তাৰ প্ৰস্তুত প্ৰণালী এনে ধৰণৰ ঃ কেঁচামাটিৰ টুকুৰা এটাত মুখৰ সাঁচ এটি কৰি লৈ কেন্দু গুটিৰ এঠা উলিয়াই টুকুৰা কাগজত লগাই তাক সাঁচটোত লগাব লাগে। সাঁচটোত তিনি জাপ মান কাগজ মাৰি ৰ'দত শুকুৱাই পিছত মাটিবোৰ উলিয়াই পেলোৱা প্ৰয়োজন। তাৰ পিছত মুখাৰ ওপৰত হেঙুল-হাইতাল, নীল প্ৰভৃতি ৰং দিব লাগে। কাগজেৰে পিছে মানুহৰ শিৰোভাগৰহে মুখা সাজিব পাৰি - আন অংগ প্ৰত্যংগৰ নোৱাৰি। বাঁহৰ কাঠিৰে সম্পূৰ্ণ মানুহৰ মুখা সাজিব পাৰি। চকুৰ পোনে পোনে ভাওৰীয়াই দেখাকৈ দুটা ফুটা কৰা দৰকাৰ। বিভিন্ন অসুৰ, বিভিন্ন আয়ুধ আৰু জীৱ-জন্তুৰ মুখা সাজিব পাৰি।

ভাওনাত ব্যৱহাৰ কৰা ছোঁ মুখাবোৰ সদায় খনিকৰসকলে সাজি উলিয়াইছিল। খনিকৰসকলৰ শিল্প নৈপুণ্যৰ কিছু অংশ ছোঁমুখাৰ যোগেদি প্ৰকাশ পায়।

না. দা.

**।। ছোংবাই তাংঙি/হাছং/লাঙামাৰা (কাচাই খাতী) ।।**

সকলো শ্ৰেণীৰ ৰাভাৰ মাজতে পূজিত ই এটা প্ৰধান সামূহিক পূজা। গাঁও বা জগত (ছোং/হাছং) সৃষ্টিৰ দেৱতা হিচাপে বছৰেকত একো একোখন স্থায়ী থানত সাধাৰণতে

নতুন বছৰত এই পূজা পতা হয়। এই পূজাৰ প্ৰধান উপাস্য দেৱতা আৰু দেৱী হ'ল যথাক্ৰমে মামা ছিবু দাৰমাং বা লাঙা/বুঢ়ালাঙা (মহাদেৱ) আৰু কাচাইখাতী (ভগৱতী)। হাৰি চককাই অৰ্থাৎ হালখতি কৰি উদ্‌যাপিত এই পূজাতো আগদিনাখন ঘৰ-দুৱাৰ শুচি কৰি পৱিত্ৰ মদ পাতি, উপবাস ব্ৰত পালনৰ মাজেদি দেওধনী নচুৱাই গাঁৱৰপৰা অপায়-অমংগলৰ অধিষ্ঠাত্ৰী দেৱ-দেৱীক বেঢ়িকুঢ়ি খেদি কল পটুৱাৰে নিৰ্মিত ডিঙাখনত উটি গুচি যাবলৈ তুতি-মিনতি কৰি কেঁচা ভোগ (কেঁচা কল, কুকুৰা কণী আৰু জীয়া ক'লা পঠা ছাগলী) সহ সেই ডিঙাখন নদীৰ ভটিয়ানী সোঁতত উটুৱাই দিয়ে। এই পূজাৰ বিশেষত্ব এয়ে যে আইৰ নভনী আৰু অন্যান্য অপ-দেৱতাক দেওধনীৰ হতুৱাই গাঁওখনৰপৰা খেদি দিওঁতে গাঁৱৰ ডেকা ল'ৰা বা পূজাৰীৰ দলে গৃহস্থৰ ঘৰৰ বাহিৰত য'তে যি পায় তাকে মহতিয়াই লৈ যায় (হুৰ হুৰ ৰঙি বা হাওল খেদা পৰ্ব) আৰু সিদিনাখন ঘৰৰ গৃহিণীয়ে সৰু সৰু ল'ৰা-ছোৱালীৰ সৈতে ঘৰৰ ভিতৰত সোমাই থাকিব লাগে। পূজাৰ শেষত সমূহ পূজাৰীৰ দলে পিছফালে উভতি নোচোৱাকৈ পোনচাটে আহি ঘৰ সোমাবহি লাগে। এই পূজাৰ সমদল উলিয়াওঁতে কোৰ্কা ঢুলীয়া নতুবা সংকীৰ্তনমালাৰে শোভাযাত্ৰা উলিওৱা হয়। এই পূজাৰ অন্তত গাঁওবাসীয়ে এখন স্থায়ী থানত একোডোখৰ স্থায়ী আসনত (প্ৰতিজন গৃস্থৰ বাবে পাতি থোৱা একোডোখৰ আছুতীয়া শিলৰ আসন) বহি অন্যান্য থলুৱা দেৱ-দেৱীক বিভিন্ন বলি উপচাৰেৰে পূজি মদ-ভাত খাই উছৱমুখৰ পৰিবেশৰ মাজেদি দিনটো অতিবাহিত কৰে। কথিত আছে যে কাচাইখাইতী বা ঠাকুৰাণী দেৱীৰ পূজা ৰাভাসকলে থলুৱা আৰ্য হিন্দুসকলৰ পৰা (লেমাবায় অৰ্থাৎ আৰ্যদেৱতা) লাভ কৰা। সেইবাবে এই পূজাৰ স্তোত্ৰ গীত থলুৱা অসমীয়া ভাষাত (লেমা কথা) অৰ্থাৎ ৰাভামিজত ৰচিত আৰু পূজাত বৰ্ণ হিন্দুৰ অস্পৃশ্য কুকুৰা, গাহৰি আদি বলিদান কৰা নতুবা মদ অৰ্পণ কৰা সম্পূৰ্ণৰূপে নিষেধ। ইয়াক দেউৰীসকলৰ গোসাঁনী উটুৱা পৰ্ব বা কামৰূপ অঞ্চলৰ ভেল উটুৱা পৰ্বৰ লগত তুলনা কৰিব পাৰি।

উ.ৰা.হা

।। জগদ্ধাত্ৰী পূজা ।।

জগতৰ পালনকাৰিণী ৰূপে সিংহবাহিনী দেৱী দুৰ্গাৰ অন্য নাম জগদ্ধাত্ৰী। এবাৰ অগ্নি, চন্দ্ৰ, বায়ু আৰু বৰুণ চাৰিজনে সিদ্ধান্ত কৰিলে যে তেওঁলোকেই পৰমেশ্বৰ। তেওঁলোকৰ অহংকাৰ শুনি দেৱী দুৰ্গাই কৌটি সূৰ্যৰ দৰে জ্যোতিৰ্ময়ী হৈ তেওঁলোকৰ সম্মুখত উপস্থিত হ'ল। দেৱীয়ে হাতত বন এডালি মাটিত থৈ বায়ুক তুলিব আৰু অগ্নিক পুৰিবলৈ নিৰ্দেশ দিলে। তেওঁলোকে কোনো পধ্যেই সফলকাম হ'ব নোৱাৰিলে; কিন্তু দেৱীয়ে হাতেৰে নোচোৱাকৈ সেই কৰ্ম সম্পাদন কৰাত তেওঁলোক লজ্জিত হৈ চাৰিদেৱ-দেৱী জগদ্ধাত্ৰীৰ আৰাধনাত লাগিল। এনেকৈয়ে দেৱী পূজাৰ চলতি হয়। কোনো কোনোৱে

এদিনতে তিনিভাগ পূজা শেষ কৰে যদিও আন কোনোৱে দুৰ্গা পূজাৰ দৰে তিনিদিনত পূজা কৰ্মৰ অন্ত পেলায়। সাধাৰণতে কাতি মাহৰ শুক্লা-নৱমী তিথিত আলোচিত দেৱী গৰাকীৰ ভক্তই পূজা ভাগ আগবঢ়ায়। কৃষ্ণানন্দ আগম বাগীশৰ তন্ত্ৰসাৰ অনুযায়ী সিংহপৃষ্ঠত আসীনা, নানা অলংকাৰ ভূষিতা, চতুৰ্ভুজা মহাদেৱী নাগ যজ্ঞোপবীত ধাৰিণী। দুই বাম হাতত শংখ আৰু ধনু, সোঁ হাত দুখনত চক্ৰ আৰু পঞ্চবাণ। দেৱী ৰক্তবস্ত্ৰ পৰিহিতা আৰু প্ৰভাতী সূৰুযৰ দৰে ৰক্তবৰ্ণ। এই গৰাকী দেৱীৰ পূজা অৰ্চনা পুৰণি অসমত কেতিয়াৰেপৰা আৰম্ভ হয়— তাৰ অধিক প্ৰমাণ আমাৰ হাতত নাই। তেজপুৰৰ বামুণী পাহাৰৰ ধ্বংসাৱশেষত যিটি খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীৰ অৰ্ধ ভগ্ন শৈল প্ৰতিমা উদ্ধাৰ হৈছে, সেইটিয়ে আলোচিত কালৰেপৰা আলোচিত দেৱীগৰাকীৰ পূজা অৰ্চনাৰ এটি দিশত পোহৰ পেলায়। বংগদেশৰ স্মৃতি নিবন্ধকাৰ শূলপাণিয়ে কাল বিবেক গ্ৰন্থত কাতিমাহত জগদ্ধাত্ৰী পূজাৰ নিৰ্দেশ দিয়া দেখা যায়। শূলপাণি যোড়শ শতাব্দীৰ লোক। নগাঁও- কাৰ্বি আংলঙৰ সীমান্তৱৰ্তী বৰপানীৰ পাৰৰ জয়ন্তীয়া ৰজাই প্ৰতিষ্ঠা কৰা বসুন্ধৰী মা থানত জিতাৰী বংশৰ ৰজা জোঙাল বলহুৱে জগদ্ধাত্ৰী পূজাৰ ব্যৱস্থা কৰিছিল। সেই পূজা ভাগ পৰম্পৰাগত ভাৱে আজিও চলি আহিছে। অসমৰ পাতি দৰঙৰ শিৱমন্দিৰ, দিপিলাৰ জগদ্ধাত্ৰী মন্দিৰ আদিত কাতিৰ শুক্লা নৱমী তিথিত দেৱীৰ অৰ্চনা চলে। দক্ষিণ কামৰূপৰ মনপুৰ আৰু কাঁহিকুছি বজাৰত বহু দিনৰেপৰা তিনি দিনীয়াকৈ জগদ্ধাত্ৰী পূজা হয়। অৰুণাচল প্ৰদেশৰ মালিনী থানত মাৰ্চ মাহত উলহ মালহৰ মাজেদি এই পূজা অনুষ্ঠিত হয়। উত্তৰ কামৰূপৰ কণিহাৰ জগদ্ধাত্ৰী পূজাৰ ইতিহাসো বৰ কম নহয়। পূজাত অজস্ৰ ভক্তৰ সমাগম হয়। দোকান-পোহাৰ বহি মেলাৰ সৃষ্টি কৰে।

না.দা.

**।। জননী ।।**

অসমীয়া সমাজত প্ৰচলিত আন এটি লোকাচাৰ হ'ল তোলনি বিয়া জপা দিয়া তোলনি বিয়াৰ এটা বিশেষ তাৎপৰ্যপূৰ্ণ কাৰ্য। তোলনি বিয়াৰ আগদিনা জপা দিয়া নিয়ম। পুষ্পিতা হোৱা দিনাখন ডালিম বা ডালিমৰ কড় এটা, সিন্দূৰৰ ফোট দিয়া হাঁহকণী এযোৰ, খটুৱা এখন, ডম্বৰু গছৰ গুটি ৩/৫, পছুনলীয়া চুৰি কটাৰী এখন, কঁঠাল গছৰ পাত কেইটামান, তামোল-পাণ এযোৰ, অলপ ফুল আৰু অলপ চাউল জপাটোত ভৰোৱা হয়। পছুনলীয়া চুৰিকটাৰীখন অনাকটা গামোচা এখনেৰে মেৰিয়াই দিয়া হয়। এই জপা থোৱা কাৰ্যটো জননী থোৱা, জপা থোৱা বা গাজী বোলা হয়। উজনি অসমত ইয়াক কনাই বুলি কোৱা হয়। গাজীৰ লগতে তিনিটা বিৰা বা বৰা জপাটোত দিয়া হয়। ইয়াৰ লগতে দুখন বটাত পিঠাগুড়ি লৈ ৰুমালেৰে ঢাকি দিয়া হয়। বটাৰ লগতে গাজীটো কাপোৰেৰে মেৰিয়াই তাৰ ওপৰত ফুলৰ মালা দি জীয়ৰী -বোৱাৰীসকলে গীত পদ গাই

ওচৰ চুবুৰীয়া মোমায়েকৰ ঘৰৰ বা কোনো আত্মীয়ৰ ঘৰত থয়। জননীত ভৰাই দিয়া সামগ্ৰীখিনিৰ বিশেষ তাৎপৰ্য আছে। যেনে -ডালিম ফলে ভৱিষ্যতে সন্তান-ফল বুজায়। কড়টোৱে ফুল ফুলা অৰ্থাৎ সন্তান সম্ভৱা বুজায়। হাঁহকণী যোৰে শূন্য অৰ্থাৎ ব্ৰহ্মাণ্ডক বুজায়। জপাটোৱে ব্ৰহ্মাণ্ডক ভেদ কৰিব লাগিব বুজায়। মঠুৰাটোৱে দৰা আৰু জপাই কইনা বুজায়। আকৌ জপাটোক জৰায়ুৰ প্ৰতীক ৰূপেও ধৰা হয় আৰু কণাইক সন্তানৰ প্ৰতীক ৰূপে গণ্য কৰা হয়। এক কথাত, পুৰুষ আৰু প্ৰকৃতিৰ মিলনত সন্তান ফলৰ জন্ম হয়। তোলনি বিয়াৰ এয়ে প্ৰধান তাত্ত্বিক দিশ।

ম. দে.

**।। জপা ।।**

জপা বেত অথবা বাঁহ-বেত উভয়েৰে সংমিশ্ৰণত সজা হয়। বেতৰ জপাত বাঁহৰ শলিৰ মোৰ দিয়াটো সকলোৱে দেখা কথা। ইয়াৰ গঢ় ভিন্ন। ই দুভাগত বিভক্ত - তলৰ অংশ আৰু ওপৰৰ ঢাকনি অংশ। ঢাকনি সিংহাসনৰ দৰে সাত খলপীয়া। কিছুমানৰ ওপৰত থাকে হাকোটা এডাল। সেই ডালেৰে জপাটো চালৰ কামি অথবা ডাঙত আঁৰি থোৱা হৈছিল। যিসময়ত বাকচ নাছিল, সেই কালত মানুহে কাপোৰ-কানি থৈছিল জপাত। জপা-পুৰণি কাপোৰ বাক্যাংশৰ সৃষ্টি হৈছে এনেদৰেই। কিছুদিন আগলৈকে তোলনি বিয়াতো জপাৰ ব্যৱহাৰ আছিল অপৰিহাৰ্য। জপা থোৱা প্ৰথাৰ কথা কাৰো অবিদিত নহয়। জপা সজাত শিল্পীৰ শিল্প-নৈপুণ্য প্ৰকাশ পায়।

না. দা.

**।। জপা থোৱা ।।**

তোলনি বিয়া বা নোৱাই তোলনি বিয়াত পালন কৰা এটি প্ৰথা হ'ল জপা দিয়া প্ৰথা। একালত ছোৱালী পুষ্পিতা হ'লে আনুষ্ঠানিকভাৱে নোৱাই তোলনি বিয়া পতা হৈছিল আৰু কিছুমান আচাৰ-অনুষ্ঠান পালন কৰা হৈছিল। বাল্য-বিবাহ প্ৰচলন থকা সময়ত কন্যা শান্তি হোৱাৰ লগে লগে আঁৰৈ চাউল, যজ্ঞ ডম্বৰুৰ গুটি তিনিটা, ডালিমৰ কলি বা ফুল তিনিটা, অলপ ধান, দুবৰি, তামোল-পাণ এযোৰ, ফুলৰ মালা এধাৰ, নগদ টকা এটা, ডবুৱা কটাৰী এখন, কন্যাৰ হাতৰ আঙঠি আৰু খাৰু এপাত নতুন অনাকটা কাপোৰত বন্ধা হৈছিল। ইয়াকে কনাই, জননী বা গাজী বুলি কৈছিল। এই কনাইক জপা এটাত ভৰাই আয়তীসকলে দৰাৰ ঘৰলৈ লৈ যোৱাৰ নিয়ম আছিল। এই নিয়মটোক নামনি অসমত জপা দিয়া বুলি কৈছিল। জপাক জৰায়ুৰ প্ৰতীক ৰূপে ধৰা হৈছিল।

আজিকালি ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিয়া, সামাজিক প্ৰথাটো নাইকিয়া হ'ল যদিও কন্যা শান্তি হ'লে জপা দিয়া পৰম্পৰাটো এতিয়াও গাঁৱে-ভুঞে

প্ৰচলিত হৈ আছে। পুষ্পিতা হোৱাৰ দিনা এযোৰ তামোল-পাণ, কটাৰী এখন, হাঁহ কণী এটা, ফল আৰু অলপ চাউল এখন কাপোৰত বান্ধি এটা জপাত থয়। এই জপাটোক গাজী বোলে। উজনি অসমত ইয়াক কনাই বুলি কোৱা হয়। 'গাজী'ৰ লগতে তিনিটা 'বিৰা' বা 'বৰা' (এখন তামোল খাবৰ জোখাৰে পাণ-তামোল দি কঁঠালৰ পাতত মেৰিয়াই তিনিকোণীয়াকৈ বাঁহৰ শলা এডালেৰে বিন্ধাই শুৱনিকৈ সজাই তোলা এখন তামোল) জপাটোত দিয়া হয়। ইয়াৰ লগতে দুখন বটাত পিঠাগুড়ি লৈ ৰুমালেৰে ঢাকি দিয়া হয়। বটা সহিতে গাজীটো কাপোৰেৰে মেৰিয়াই তাৰ ওপৰত ফুলৰ মালা দি জীয়াৰী-বোৱাৰীসকলে গীত-পদ গাই ওচৰ-চুবুৰীয়া মোমায়েকৰ ঘৰত বা কোনো আত্মীয়ৰ ঘৰত থয়। যাওঁতে জপাটো অকুমাৰী ছোৱালী এজনীয়ে মূৰত লয় আৰু আন এগৰাকীয়ে তাৰ ওপৰত ছাতি ধৰে। ইয়াকে জপা থোৱা, জননী বা জাননী দিয়া বোলে। চাৰিদিনৰ দিনা খুওৱাৰ আগে আগে জীয়ৰী-বোৱাৰীয়ে গীত গাই গাই জপা ওভোতাই আনে। কন্যাৰ পদুলিমুখত যুৰীয়া কলপুলি ৰুই তাত সৰমালা (বাটমালা) দিয়ে আৰু কোনোবা এগৰাকীয়ে জপাটোক সেই সৰমালাৰ তলেৰে আদৰি আনে। ৰভাতলত গাজী ধুৱাই জপা সহিতে আসনত অনাকটা কাপোৰ এখন পাৰি ৰখা হয়। লগে লগে তিৰোতাসকলে পৰস্পৰে ৰং-তামোচা কৰি মুখত পিঠাগুড়ি সনাসনি কৰে। কন্যাক নোৱাই অনাৰ পাছত গাজী (কনাই) প্ৰথমে কন্যাৰ কোলাত দিয়া হয়। লগে লগে কন্যাৰ মাক আৰু অন্যান্য তিৰোতাসকলে গাজী কোলাত লয় আৰু কন্যাৰ সন্মুখত থকা বাটিত টকা-পইচা দিয়ে। সন্তানৰ প্ৰতীক স্বৰূপ গাজীক লৈ ৰং-ধেমালি কৰাৰ অন্তত কন্যাৰ মূৰত উৰুলিকৃত কৰি তিনিবাৰ আগ চাউল দিয়া হয় আৰু ইয়াতেই তোলনি বিয়া বা ধুৱনি বা ধুবেনিৰো সামৰণি পৰে।

বি. ভ.

।। জল ডাঙৰীয়াৰ ঠগী পূজা।।

অসমৰ প্ৰায় সকলো অঞ্চলৰ মাছমৰীয়া সকলে সম্পূৰ্ণ লৌকিক পদ্ধতিত পূজাৰ নামত জল ডাঙৰীয়ালৈ ঠগী আগবঢ়াই আহিছে। পানীৰ মাজে মাজে ধুমুহা-ঢেৰেকনি, ৰ'দ-বৰষুণ মূৰত লৈ দিনে নিশাই মাছ মৰাৰ কামত আত্মনিয়োগ কৰা মাছমৰীয়া সকলে প্ৰতিমুহূৰ্ততে জল ডাঙৰীয়াক স্মৰণ কৰে। বতৰৰ জালখন পোনতে পানীত দিওঁতে আৰু শেষত জালখন নি চাঙত থোৱা কালত জল ডাঙৰীয়ালৈ ঠগী আগবঢ়োৱাটো তেওঁলোকৰ এটা পৰম্পৰা। জল ডাঙৰীয়ালৈ আগবঢ়োৱা পূজা দুবিধ- সৰু ঠগী আৰু বৰঠগী। ঠগী আগবঢ়োৱাৰ ক্ষেত্ৰত পুৰোহিতৰ প্ৰয়োজন নাই। বতৰৰ জালখন প্ৰথম পানীত নমাই প্ৰথম খেওটো মাৰিবলৈ নিৰ্বাচন কৰা পানী যুৱলিত সৰু ঠগীৰ আয়োজন কৰা নিয়ম। এজন অভিজ্ঞ মাছমৰীয়াই উপবাসে থাকি গা-পা ধুই সভক্তিৰে কলৰ দোনাত

সিন্দুৰৰ ফোট দি আগবঢ়োৱা ঠগীখনৰ উপাচাৰ সমূহ হ'ল- *কণী* এযোৰ, সিন্দুৰ, এৰা সূতা, জহা চাউল, ফলামুগ আৰু মালভোগ কল। দ্ৰব্যসমূহ আগবঢ়োৱাৰ পিছত জল ডাঙৰীয়াক চিন্তি হৰিবোল দি ঠগীৰ কৰ্ম শেষ কৰি ঠগীৰ সম্ভাৰৰ কিছু অংশ দোনাত ভৰাই পানীত উটাই দিয়ে। কণীযোৰ আৰু গাখীৰো পানীত বিসৰ্জন দিব লাগে। বাৰিষা আৰু খৰালিৰ অন্তত এবিধ জাল মৰা শেষ কৰি ঘৰলৈ অনা কালত বৰঠগী ৰাতিৰ ভাগত জলাশয়ৰ পাৰত জলদেৱতালৈ আগবঢ়োৱা হয়। ডাঙৰকৈ পতা এই উৎসৱত ঠগীৰ দ্ৰব্যসমূহ হ'ল - সিজোৱা বুট, মুৰিৰ লাৰু, তিলৰ লাৰু, গুড়, ন-যোৰ তামোল - পাণ, মদ, শিকঁত দিয়া শিঙি বা শাল, মাছ, পিঁয়াজ-জলকীয়া, খৰমিঠৈ, ভীমকল, ন-যোৰ মালভোগ কল, জহা চাউল, ফলামুগ, চাকি,ধূপ-দীপ প্ৰভৃতি। পূজাৰ সমগ্ৰ দ্ৰব্যাতে সিন্দুৰৰ ফোট দিয়া বাঞ্ছনীয়। সকলো উপাচাৰ আগবঢ়োৱাৰ পিছত হৰিধ্বনি দি এভাগ দ্ৰব্য জল ডাঙৰীয়ালৈ পানীত উটাই দি বাকীবোৰ ৰাইজে খায়। এই পূজাৰ কোনো দ্ৰব্য ঘৰলৈ অনাটো নিষেধ। সৰু ল'ৰা ছোৱালীও জল ডাঙৰীয়াৰ পূজালৈ নাযায়।
(সূৰ্য দাসৰ মাছ আৰু মাছমৰীয়া গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

**।। জহং উৎসৱ।।**

অসমৰ বিভিন্ন জনগোষ্ঠী ভিতৰত অন্যতম এটি জনগোষ্ঠী হ'ল কাৰ্বি জনগোষ্ঠী। কাৰ্বিসকলৰ মূল বসতি পাহাৰ অঞ্চল যদিও ভৈয়াম অঞ্চলতো বসবাস কৰা দেখা যায় । বিশেষকৈ কামৰূপ, শোণিতপুৰ, গোলাঘাট আদি জিলাৰ উপৰি মেঘালয়ৰ কোনো কোনো ভৈয়াম অঞ্চলত বসবাস কৰা দেখা যায়। পাহাৰ আৰু ভৈয়াম দুটা ভিন্ন অঞ্চল হোৱা বাবেই কিজানি দুয়োটা অঞ্চলৰ কাৰ্বিসকলৰ ভাষা-সংস্কৃতিৰ মাজত কিছু পাৰ্থক্য দেখা যায়। পাহাৰ অঞ্চলৰ কাৰ্বিসকলে উদ্‌যাপন কৰা চমাংকান যিদৰে ভৈয়ামৰ কাৰ্বিসকলে পালন নকৰে, তদনুৰূপে পাহাৰ অঞ্চলৰ কাৰ্বিসকলেও ভৈয়াম অঞ্চলৰ কাৰ্বিসকলে উদ্‌যাপন কৰা দেহাল পূজা বা জহং পূজা পালন নকৰে। জহং উৎসৱ বা পূজা মূলত ভৈয়াম অঞ্চলৰ কাৰ্বিসকলৰ এক বাসন্তীক উৎসৱ। নতুন বছৰক আদৰাৰ বাবেই তেওঁলোকে এই উৎসৱ বা পূজাৰ আয়োজন কৰে। কাৰ্বিসকলৰ গাঁৱৰ মূল মানুহজনৰ (মূল মানুহজনৰ বাংথাই বুলি কোৱা হয়) ঘৰৰ চোতালতে জহং পূজা বা উৎসৱ পালন কৰা দেখা যায়। এই পূজাত কল, পিঠাগুড়ি, কেতেকী ফুল, ছাগলী, কুকুৰা আদি উপচাৰ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ব'হাগ বিহুত গাঁৱৰ ডেকা বুঢ়াই হুঁচৰি মাৰিবলৈ যোৱাৰ দৰে কাৰ্বিসকলেও গাঁৱৰ ঘৰে ঘৰে গৈ পৰম্পৰাগত নৃত্য প্ৰদৰ্শন কৰে আৰু গীত গায়। বিশেষকৈ নৃত্য কৰোতে হাতত ঢাল-তৰোৱাল আদি লৈ নৃত্য কৰে। ঢোল (ছেং) আৰু পেঁপাৰ (মুৰীপ) ছন্দে ছন্দে সুৰে সুৰে নৃত্য গীত কৰিলে জহং

দেৱতা সৰগৰপৰা পূজা থলীলৈ নামি আহে বুলি এক পৰম্পৰাগত জনবিশ্বাস আছে। এই জহং দেৱতাক ভগৱান বিষ্ণুৰ এটা অংশ আৰু শিৱৰ অন্য এটা ৰূপ বুলি কোৱা হয়। কাৰ্বিসকলৰ বিশ্বাস আছে যে এই জহং দেৱতাইহে মানুহৰ মংগল সাধন কৰে আৰু খেতি বাতিও ভাল কৰে। দুদিনীয়াকৈ আয়োজন কৰা এই উৎসৱত দ্বিতীয় দিনা সকলোৱে ভোজ ভাত খায় আৰু নৃত্য গীত কৰে। হুঁচৰিৰ দৰে গৃহস্থক তেওঁলোকে আশীৰ্বাদ কৰি এনেধৰণৰ পদ গোৱা দেখা যায়—

দম দম মাদুলী দম ঐ আই /দম দম মাদুলী দম ঐ আই/ দম দম মাদুলী
দম দম/নীংচপ তেন তেলা দম ঐ আই /কাথিৰাক কাংৱেল দম ঐ আই।।

(২৮তম কাহিলিপাৰা ৰঙালীবিহুৰ স্মৰণিকা মনবিৰিণাৰ আধাৰত যুগুতোৱা)

ম. কু. দা.

।। জয়ঢোল।।

'ডবা ঢোল দন্দুভি ডম্বৰু নেগেৰা / শৃংগী জয়ঢোল-বৰঢোল ধেমেকা দামামা//' (বোধেশ্বৰ ওজা দোৱনীয়া - ঢোলৰে উৰুলি, ঢোলৰে কুৰুলি)। দৰং জিলাৰ বৃহত্তৰ অঞ্চলত প্ৰচলিত জয়ঢোল দেখাত প্ৰায় বৰঢোলৰ দৰেই। ৬৮-৭০ ছেঃ মিঃ দৈৰ্ঘ আৰু প্ৰায় ৪৫ ছেঃ মিঃ ব্যাসৰ কাঠৰ কুণ্ডা এটা খুলি তৈয়াৰ কৰা বৰঢোলৰ দুয়োখন মুখ ছাগলীৰ ছালেৰে ছোৱা আৰু গাৰ দোৱান বোৰ ডাঠ ম'হৰ ছালেৰে বন্ধা। সাধাৰণতে মৰাপাটৰ ডাঙৰ ৰচীবোৰ কান্ধত ওলোমাই লৈ বাঁওহাতেৰে চপৰিয়াই আৰু সোঁ হাতে এডাল বিশেষ ধৰণৰ মাৰিৰে কোবাই বাদী তোলা হয়। জয়ঢোলত বজোৱা বাদীৰ ভিতৰত খৰাবাদী, গোৰবাদী, চাৰিচুকীয়া বাদী, দেওবাদী, যোগানৰ বাদী, হনুমন্তীয়া বাদী প্ৰভৃতি প্ৰধান। সাধাৰণতে মনসা পূজাত দেওধনী নচুৱাবলৈ জয়ঢোল বজোৱা হয়। জয়ঢোলৰ বিভিন্ন বাদীৰ ছেৱে ছেৱে দেওধনীয়ে নাচি পৰিৱেশ গহীন কৰি তোলা চকুত পৰে। পাকৈত ঢুলীয়া আৰু দেওধনীৰ মাজত এটা বুজাপৰাৰ প্ৰয়োজন। দেওধনীয়ে কি নাচ নাচিব তাক জয়ঢুলীয়াই বাদীক কৈ দিয়ে। কেতিয়াবা আকৌ দেওধনীৰ লাস্যময় নৃত্যই ঢোলবাদকক বিশিষ্ট বাদীত বজাবলৈ অনুপ্ৰেৰিত কৰে। ভোৰতাল এযোৰ লগত সংগত কৰা জয়ঢোলৰ আন নাম দেৱঢোল।

(ধৰ্মেশ্বৰ দুৱৰাৰ অসমৰ বাদ্যযন্ত্ৰৰ আলমত যুগুতোৱা)

না. দা.

।। জয়ন্তীয়া সমাজৰ বিয়া বাৰু ।।

মাতৃ প্ৰধান কেন্দ্ৰিক সমাজ ব্যৱস্থাই জয়ন্তীয়াসকলৰ বিয়া-বাৰুত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে। জয়ন্তীয়া সমাজত বহিৰ্বিৱাহ নিয়ম বিদ্যমান। সেয়ে একে গোত্ৰৰ ল'ৰা-ছোৱালীৰ মাজত বিয়াবাৰু হোৱাটো নিষেধ। সগোত্ৰৰ সদস্যবৃন্দক তেজৰ সম্পৰ্ক থকা

বুলি অভিহিত কৰা হয়। জয়ন্তীয়া সমাজত কোনো ল'ৰা- ছোৱালীকে স্বইচ্ছাৰ বিৰুদ্ধে বিয়াত বহিবলৈ বাধ্য কৰাব নোৱাৰি। আনকথাত জয়ন্তীয়া সমাজত বলপূৰ্বক বিবাহ নাই। সাধাৰণতে তেওঁলোকৰ বিবাহক সান্নিধ্য বিবাহ বুলি অভিহিত কৰিব পাৰি। বিবাহ বন্দবস্তিৰ আগতে ল'ৰা-ছোৱালীয়ে পৰস্পৰৰ সান্নিধ্য লাভ কৰাৰ লগতে ইটোৱে সিটোৰ ৰুচি অভিৰুচিৰ বিষয়েও অৱগত হয়। জয়ন্তীয়া সমাজত বিবাহৰ প্ৰস্তাবলৈ ল'ৰা ঘৰৰপৰা ছোৱালী ঘৰলৈ এজন ঘটক যায়। তেওঁক স্বিয়াংগ বুলি কোৱা হয়। এই প্ৰস্তাব লৈ যোৱাৰ আগতে তেওঁ এটা কথা নিশ্চিত হৈ লয় যাতে কোনো কাৰণত ল'ৰা-ছোৱালী সমগোত্ৰীয় নহয়। উভয়পক্ষৰ মাজত বন্দবস্তিৰ সুকলমে পাৰ হ'লে বিয়াৰ নিমিত্তে এটি ভাল দিন বা তাৰিখ নিৰ্ধাৰিণ কৰা হয়। বিবাহ কাৰ্য ছোৱালীৰ ঘৰত ৰাতিৰ ভাগত সম্পাদিত হয়। বিবাহ কৰিবলৈ যোৱা ল'ৰাৰ দলটিত পুৰুষ সম্পৰ্কীয় লোকসকলকহে অন্তৰ্ভুক্ত কৰা হয়। যি কোনো সম্পৰ্কীয় মহিলা সেই দলত অন্তৰ্ভুক্ত কৰাটো নিষেধ। দলটোৱে লগত জুই নিয়াটো নিয়ম। কইনাঘৰত উপস্থিত হোৱাৰ পিছত দৰাৰ ভৰিখন ধুৱাই দিয়া হয়। এওঁক এখন বিশেষ আসনত বহিবলৈ দিয়া হয়। উভয় পক্ষৰ মাজত তামোল পাণৰ আদান প্ৰদান হয়। দৰা দলটিৰপৰা মাজতে এজনে থিয় হৈ ল'ৰাৰ গুণানুকীৰ্তন কৰে। এই একে কাৰ্য ছোৱালী ফালৰপৰাও দেখিবলৈ পোৱা যায়। ইয়াৰ পিছতেই ল'ৰাৰ ফালৰপৰাও দেখিবলৈ পোৱা যায়। ইয়াৰ পিছতেই ল'ৰাৰ চিয়াংগ জনে দ'ৰা আৰু কইনা উভয়কে পতি-পত্নী হিচাপে ঘোষণা কৰি আৰ্শীবাদ দিয়ে। জয়ন্তীয়াসকলৰ মাজত এক ধৰণৰ বিবাহ প্ৰথাৰ প্ৰচলন এতিয়াও পৰিলক্ষিত হয়। ইয়াক ৰাত্ৰিযাপন বিবাহ বুলি আখ্যা দিয়া হয়। সাধাৰণতে এই প্ৰথাত ল'ৰাজনে শাহুআইৰ ঘৰত নিজ পত্নীৰ সৈতে নিশা অতিবাহিত কৰি পিছদিনা ৰাতিপুৱা নিজ ঘৰ লৈ উভতি আহে। তেওঁ নিজ মাকৰ ঘৰত সকলোধৰণৰ কাম আৰু খোৱা লোৱা কৰাটো ব্যধ্যতামূলত। প্ৰসংগ পুথি - Priyaran M. Chacko-- Matriling in Maghalaya, K.S. Sing- People of India (Meghalaya)।

ৰ. ৰ. দা.

**।। জয় সাগৰ দেৱালয়ৰ বিষ্ণুমূৰ্তিত পূজা-সেৱাৰ অৰ্থে নিয়োজিত বিষয়া-কৰ্মচাৰী।।**

জয়সাগৰৰ বিষ্ণু দলত বিগ্ৰহ প্ৰতিষ্ঠাৰ পিছত দেৱালয়খনিত নিয়মিত পূজা-সেৱা চলাবলৈ যিসকল বিষয়ববীয়া আৰু আন কৰ্মচাৰী নিয়োগ কৰা হৈছিল, তাৰ তালিকা নাওবৈছা ফুকনৰ অসম বুৰঞ্জীত পোৱা যায় এনেদৰে- বৰঠাকুৰ (পূজা কৰা ব্ৰাহ্মণ), পাত্ৰঠাকুৰ (বৰঠাকুৰৰ অনুপস্থিতিত পূজা কৰা ব্ৰাহ্মণ), পৰিচালক (উপহাৰৰ দ্ৰব্যাদি, শৰাই আৰু থালত সজাই দিয়া বামুণ), আঠপৰীয়া (অহোৰাত্ৰ দেৱালয়ত পৰ দিয়া লোক), তেলী (তেল যোগনীয়া), মালী (ফুল আৰু মালা যোগনীয়া), ধোবা (দেৱালয়ৰ কাপোৰ

ধোৱা লোক), নাপিত (দাড়ি খুৰোৱা লোক), কমাৰ (লোৰ যতন কৰা লোক), কুমাৰ (মাটিৰ বাচন সজা লোক), চমাৰ (চূণ যোগনীয়া), কালীয়া (কালী বজোৱা লোক), ঢুলীয়া (ঢোল বাদক) বলিকটা (বলি দিয়া লোক), গায়ন (গোৱা লোক) পাখৌ জিয়া গায়ন, নাচনীয়াৰ (নৃত্য কৰা ব্যক্তি), নেগেৰিয়া (নাগেৰা বজোৱা লোক), খাতোৱাল (পূজাৰ মাহ-চাউল যোগাবৰ বাবে খেতি কৰা লোক), বাৰী চোৱা (উপহাৰ দ্ৰব্যাদি খেতি কৰা লোক), চাউল কৰা (চাউল যোগনীয়া) মলখু বচা (মলখু চাউল বাছি দিয়া), আৰু পানী তোলা (পুখুৰীৰ পৰা পানী অনা লোক)।

না. দা.

।। জাকাত ।।

সোণ-ৰূপ, টকা-পইচা আদিৰ এটা অংশ দুখীয়াসকলক দান কৰাকে জাকাত বোলা হয়। ইছলাম ধৰ্মৰ পাঁচটা কিস্তিৰ ভিতৰত জাকাতো এটা। আৱশ্যকীয় খৰচ বাদে সমগ্ৰ বছৰ জুৰি নেচাব (৭$^{১}/_{২}$ তোলা সোণ বা ৫২$^{১}/_{২}$ তোলা ৰূপ বা তাৰ সমান মূল্য) পৰিমাণৰ টকা থাকিলে তাৰ ৪০ ভাগৰ ১ ভাগ দান কৰাকে জাকাত বোলা হয়। প্ৰতিজন সম্পত্তিশালী লোকৰ বাবে এই মতে কড়া-গণ্ডা হিচাপ কৰি জাকাত আদায় কৰি দিয়া উচিত (কৰ্তব্য), নহ'লে কাফেৰ হ'ব। গৰীবৰ বাবে ফৰজ (বাধ্যতামূলক) নহয়। জাকাতৰ জৰিয়তে ধনী-গৰীবৰ পাৰ্থক্য কমাই ইছলামৰ অন্যতম উদ্দেশ্য সমাজত স্থাপন কৰিবলৈ বিচৰা হৈছে। যিসকল ধন-সম্পত্তিশালী লোকে ইয়াক অস্বীকাৰ কৰিব বা আল্লাহতালাৰ আদেশ অমান্য কৰিব, কিয়ামতৰ দিনা সেই সোণ-ৰূপ গৰম কৰি তেওঁলোকৰ শৰীৰ জ্বলাই দিয়া হব।

সোণ-ৰূপ, টকা-পইচাৰ বাহিৰে আন জীৱ নোহোৱা বস্তুৰ জাকাত নাই। ব্যৱসায়ৰ বাবে ৰখা লো, পিতল, হীৰা, মণি-মুকুতাৰ ওপৰতো জাকাত নাই। কিন্তু সকলো তেজাৰতী (ব্যৱসায়ী) দ্ৰব্যৰ আৰু তাৰ মূল্যৰ কড়া-গণ্ডা হিচাপ কৰি জাকাত দিয়া কৰ্তব্য।

গৰু, ম'হ, ছাগলী, ভেৰা আদিৰ জাকাত বেলেগকৈ দিব লাগে। যেনে ত্ৰিশটা গৰু-ম'হৰ বাবে এক বছৰৰ এটি গৰুৰ পোৱালী, চল্লিশটা ছাগলী বা ভেৰাৰ বাবে এটা ছাগলী বা ভেৰা নাইবা তাৰ মূল্য ধৰি জাকাত দিব লাগে। এবছৰৰ কম বয়সৰ বাবে জাকাত দিব নালাগে। জাকাত কোনো ৰকমে মাফ নহয়। জাকাত দিলে গৰীব মিস্কিনৰ দোৱাত আৰু আল্লাৰ ৰহমতত ধন-সম্পত্তি অধিক হয়। এবছৰ পূৰণ হোৱাৰ লগে লগে হিচাপ কৰি জাকাত দিব লাগে। জাকাতৰ টকাৰে ধান-চাউল, কাপোৰ আদি কিনি দিলেও জাকাত আদায় হয়।

প. আ.

**।। জাগাৰ (কালী/ হোলী ) ।।**

ৰাভাসকল এহাতে জড়োপাসক, আনহাতে শাক্ত। শাক্ত হিচাপে শক্তি দেৱী কালীৰ বিভিন্ন ৰূপক জাগৃত কৰি বছৰেকত একোবাৰ দেওধনী নচুৱাই স্থায়ী থানত পূজা দিয়ে। সাধাৰণতে চ'ত, ব'হাগ বা জেঠৰ যিকোনো এদিন (গাঁওখনত জন্মৰ অশৌচ নথকা দিন চাই) দেউৰীৰ ঘৰতে আগতীয়াকৈ কাটি পকাই থোৱা কল-চাউল-চেনিৰ প্ৰসাদ, পাৰ-পঠাৰ বলি, চাকি-বন্তি, তেল-সিন্দূৰেৰে, দবা নাগেৰা জাতীয় বাদ্য বজাই, নাচন ঘৰত কোৰ্কা ঢুলীয়াৰ বাদ্যৰ ছেৱে ছেৱে নতুবা পদ্মপুৰাণৰ ওজাৰ ৰাগেৰে দেওধা-দেওধনী নচুৱাই এই পূজা উদ্‌যাপন কৰা হয়। অঞ্চল আৰু ৰূপ সাপেক্ষে এই পূজাৰ ভোগ বা বলিদানৰ তাৰতম্য আছে। শ্মশান কালী, ৰূপকালীৰ ক্ষেত্ৰত যুপকাষ্ঠত বলিদান অথবা ডিঙি মুচৰি ৰক্তপান কৰা হয়। কিন্তু জগন্নাথ কালী, খেলাৰাম আদিৰ ক্ষেত্ৰত ধৰ্ম দেৱতাৰ নামত পাৰ উৰুৱাইহে এই পূজা পালন কৰা হয়। এই পূজাত জঁকা দেওধা-দেওধনীৰ পৰা ৰাইজে ভূত-ভৱিষ্যত সম্বন্ধে জ্ঞাত হ'ব পাৰে। মন কৰিবলগীয়া যে জাগাৰ বা কালী পূজাৰ পূজা বিধি সম্পূৰ্ণ ব্ৰাহ্মণ্য আৰ্য পন্থাৰ (অৱশ্যে বৃত্তিজীৱী বামুণ বা পুৰোহিত নাথাকে) আৰু ইয়াতো কেৱল আৰ্য ভাষাৰহে প্ৰচলন আছে। কোনো কোনো ঠাইত দৌল পূৰ্ণিমাৰ দিনাখনে হোলী নামেৰে এই জাগাৰ উদ্‌যাপন কৰে আৰু হোলীৰ শেষৰ দিনাখন সুঁৱৰি নমাই (ধুল দি'বাৰকায়) এই পূজাৰ সামৰণি পেলায়। আজিকালি কোনো কোনো ঠাইত মূৰ্তি সাজি শ্যামা পূজা নতুবা দুৰ্গা পূজাৰ সময়ত জাগাৰ পূজাৰ আয়োজন কৰি পূৰ্বৰ কিছু সংস্কাৰ সাধন কৰা হৈছে। ইয়াক বড়ো কছাৰীৰ গাৰজা পূজাৰ লগত তুলনা কৰিব পাৰি।

উ.ৰা.হা.

**।। জাগাৰ পূজা ।।**

জাগৃত শব্দৰপৰা জাগাৰ পদৰ নিষ্পত্তি হৈছে। জগাই তোলা অৰ্থত জাগ গা জাগাৰ পদটো ব্যৱহাৰ কৰা হয়। শিৱ অথবা বিষ্ণুক জগাই তোলাৰ বাবে অনুষ্ঠিত উৎসৱেই জাগাৰ। দৰং জিলাত জাগাৰপদটোৱে পাতিদৰং মাহৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয় আৰু ব্যাসপাৰৰ ব্যাসৰ ওজাৰ ঘৰত অনুষ্ঠিত হোৱা উৎসৱক বিশেষকৈ সূচিত কৰে। গোৱালপাৰা জিলাতো জাগাৰপূজাৰ প্ৰচলন আছে। দৰঙৰ জাগাৰ পূজাত অৰ্ধনাৰীশ্বৰ শিৱক শাস্ত্ৰীয় আৰু লৌকিক পদ্ধতিৰে পূজা উপাসনা কৰে। অৱশ্যে লোক জীৱনত জাগাৰ পূজা শিৱ-পাৰ্বতীৰ বিয়া ৰূপে খ্যাত। শিৱ-পাৰ্বতী প্ৰজনন যাদুৰ লগত সংপৃক্ত। প্ৰকৃতি আৰু পুৰুষ অবিহনে সৃষ্টি প্ৰক্ৰিয়া অসম্ভৱ। পুৰুষ প্ৰকৃতিৰ মিলনৰ প্ৰতীকাত্মক অভিব্যক্তি ব্যঞ্জিত কৰে অৰ্ধনাৰীশ্বৰ ধাৰণাই। নাৰী = পাৰ্বতী, ঈশ্বৰ =শিৱ, অৰ্ধ = আধা। অৰ্থাৎ যি ৰূপৰ ধাৰণাত অৰ্ধভাগ পুৰুষ আৰু অৰ্ধভাগ প্ৰকৃতি সেয়াই অৰ্ধনাৰীশ্বৰ।

জাগাৰ পূজাৰ উপাস্য দেৱতা অৰ্ধনাৰীশ্বৰ বা লিঙ্গ-যোনি। উপাসনাৰ উদ্দেশ্য বিপদ নাশন আৰু প্ৰজাপালক শক্তিক জাগৃত কৰা। জাগাৰ পূজাত একাধিক হোম অনুষ্ঠিত হয়। হোমৰ অন্তত ৰাতি ব্যাস গোৱা ওজাপালিয়ে হাতত মুদ্ৰা (মুদুৰা বা তৌৰ্যত্ৰিক যন্ত্ৰ) লৈ মুদ্ৰাৰ জন্মসহ শিৱ-পাৰ্বতীৰ মালচী গায়। বি. শ.

**।। জাংফাই কেৰু।।**

এইবিধ অলংকাৰ আদিতে জনজাতীয় অলংকাৰহে আছিল। বিশেষকৈ মিৰি-দেউৰী আদি জনজাতিসকলৰ মাজত এই অলংকাৰপদ বৰ জনপ্ৰিয় আছিল। জনজাতিসকলক দেখি ভৈয়ামৰ লোক সকলেও ইয়াক বাখ্ৰাম কৰি পিন্ধিবলৈ লয়। জনবিশ্বাসমতে জাংফাই পিন্ধিলে গাৰ বৰণ উজ্জ্বল হয়। কেৰুযোৰ দেখাত শকত ঠাৰিৰে এপাহ মুকলি পদুমফুল যেন। পদুমৰ পাহে পাহে ডালিমগুটীয়া ৰঙা ৰঙৰ বাখৰ। ঠাৰিৰ তলভাগতো বাখ্ৰাম কৰা হয়। বৰৈ দিয়া কেৰুত আকৌ সৰু সৰু বাখৰ পটোৱা লটকন মুখৰ চাৰিওফালে ওলমি থাকে।

প্ৰ. শ. গো.

**।। জাপি ।।**

ৰ'দ-বৰষুণৰপৰা নিজৰ মূৰটো ৰক্ষা কৰিবলৈ উদ্ভাৱিকা শক্তিৰে মানুহে সাজি উলিয়াইছিল জাপি। জয়জয়তে চীন দেশত জাপিয়ে আত্মপ্ৰকাশ কৰাৰ এটি মত অদ্যাপি প্ৰচলিত। প্ৰথমতে জাপি দেখিবলৈ আছিল টুপীৰ দৰে। অনুক্ৰমে তাৰ আকাৰৰ সম্প্ৰসাৰণ ঘটে। বাঁহ-বেত আৰু গছৰ পাত জাপি সজাৰ ঘাই উপকৰণ। কোনো কোনো দেশত চৰাইৰ পাখি আৰু জন্তুৰ ছালেৰেও জাপি সজা হয়। চীন দেশৰ জাপি দেখাত লাটুমৰ মূৰটোত দৰে জোঙা। চীনৰপৰা দক্ষিণ-পূব এচিয়া হৈ অসম দেশ পোৱাৰ লগে লগে ই পদুম-গঢ়ীয়া ৰূপ লয়। জাপি অসমৰ লোক কলাৰ এটি সুন্দৰ নিদৰ্শন। ইয়াক উপহাৰৰ সামগ্ৰীৰূপেও ব্যৱহাৰ কৰা হয়। বিহুগীতত আছে -

'মইনো যাওঁ গৈ উজনি ৰাজ্যলৈ তোমালৈ আনিমনো কি?
তোমালৈ আনিমে সৰুদৈয়া জাপি টুপত ৰূপৰ চুলা দি।'

' জাপি দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংগ। সেইবাবে এটা যোজনাত কৈছে - 'জাপি, লাঠি, তিয়নি, টনা/ ইয়াক এৰিলে দিনতে কণা//' জাপি অসমৰ ধৰ্ম-বৰ্ণ নিৰ্বিশেষে পুৰুষ-স্ত্ৰী উভয়ে ব্যৱহাৰ কৰে। পৰ্বত-ভৈয়াম উভয়তে ইয়াৰ সম ব্যৱহাৰ। আগতে ডা-ডাঙৰীয়া অথবা সত্ৰাধিকাৰসকল ভ্ৰমণ কৰিবলৈ যাওঁতে বৰজাপি ধৰি যোৱা নিয়ম আছিল। বিয়াত পানী তুলিবলৈ যাওঁতে, পিণ্ড উটাওঁতে আনকি খোজকাঢ়ি বিয়া কৰাবলৈ যাওঁতে বৰজাপি ধৰি গৈছিল। গৃহস্থৰ ঘৰত সত্যনাৰায়ণ পূজা, ভকতসেৱা অথবা গীতা-ভাগৱত পাঠতো খুঁটি এটা পুতি তাৰ ওপৰত বৰজাপি এটা থৈ তাৰ

তলত নৈবেদ্য বা মাহ-চাউল-উপকৰণ প্ৰভৃতি থোৱাটো সাধাৰণ নিয়ম। আগেয়ে সম্ভ্ৰান্ত ঘৰৰ বোৱাৰীয়ে খোজ কাঢ়ি ইফালে-সিফালে যাবলগীয়া হ'লেও মূৰত লৈছিল বৰজাপি। সত্ৰ, নামঘৰ নাইবা দেৱতাৰ বিগ্ৰহৰ সমুখেৰে যাব লগা হ'লে মূৰৰ জাপি খুলি লোৱা নিয়ম।

জাপি বহু প্ৰকাৰৰ আছে। ৰূপসজ্জাৰ ফালৰপৰা ইয়াৰ ভাগ দুটা - উকা আৰু ফুলাম জাপি। ব্যৱহাৰৰ ফালৰপৰা ইয়াৰ নাম ভিন্ ভিন্। যেনে - গৰখীয়া জাপি, পানী জাপি, বনুৱা জাপি, হালোৱা জাপি আদি। আহোম ৰাজত্ব কালত ডা-ডাঙৰীয়া সকলে মৰ্যাদা অনুযায়ী বিভিন্ন জাপি ব্যৱহাৰ কৰিছিল। যেনে, বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁয়ে পাইছিল 'সোণৰ চুলাৰে' পানী জাপি আৰু টুপী জাপি। গুৱাহাটীৰ বৰফুকনে পাইছিল 'বানতেৰে কুশ দিয়া' বৰজাপি, ৰূপৰ চুলাৰে পানী জাপি তথা টুপীজাপি। ফুকনসকলে ৰূপৰ চুলাৰ পানী জাপি অথবা উকা বৰজাপি ব্যৱহাৰ কৰিব পাৰিছিল।

আজিকালি বৰজাপিৰ প্ৰয়োগ কমি আহিছে। নগৰীয়ালোকে ৰ'দ-বৰষুণৰপৰা ৰক্ষা পাবলৈ ছাতিকে সাদৰি লৈছে। অৱশ্যে গাঁৱৰ খেতিয়কসকলে এতিয়াও জাপি এৰা নাই। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত ফুলাম জাপিৰ প্ৰয়োগ বাঢ়িছে। জাপি নৃত্যয়ো জনপ্ৰিয়তা অৰ্জন কৰিছে। সম্ভ্ৰান্ত ঘৰৰ ড্ৰয়িং ৰুমত আজি গামোচা এখনি, শৰাই এখন আৰু ফুলাম জাপি এটা নাথাকিলেই নহয়।

না. দা

**।। জামুগুৰিহাটৰ বাঘভেটা।।**

ঐতিহাসিক জামুগুৰিহাটৰ এটি লোকউৎসৱ হ'ল বাঘভেটা। বৃহত্তৰ জামুগুৰিহাটত অথবা জিয়াভৰলীৰ নৱ দিশত এসময়ত আন আন বন্যপ্ৰাণীৰ লগতে বাঘৰ উপদ্ৰৱো হৈছিল। এই উপদ্ৰৱৰপৰা হাত সাৰিবলৈ জামুগুৰিবাসী ৰাইজে স্বতঃস্ফূৰ্তভাৱে বাঘ মাৰিবলৈ অথবা খেদিবলৈ ওলাই আহিছিল। একত্ৰিত হোৱাত জিয়াভৰলীৰ পূবপৰীয়া ৰাইজক বাঘভেটা কামে সহায় কৰিছিল আৰু এই বাঘভেটা এটা উৎসৱ সদৃশ হৈ উঠিছিল। আগৰ দিনত বাঘ মৰাটো চৰকাৰী নীতি বিৰুদ্ধ কাম নাছিল। বাঘ ভেটিবৰ বাবে প্ৰতি গাঁৱৰ ৰাইজে মৰাপাটৰ ৰছীৰে জাল প্ৰস্তুত কৰি ৰাজহুৱা নামঘৰত জাল জমা ৰাখে। বাঘ ওলোৱাৰ সম্ভেদ পোৱাৰ লগে লগে ফেউৰাই চন্দিয়াৰক খবৰ দিয়ে আৰু চন্দিয়াৰে বাঘ চান্দি চাৰিওফালে ৰাইজক খবৰ দিয়ে। তৎমুহূৰ্ততে ৰাইজে জাল আৰু অন্যান্য সঁজুলি লৈ বাঘ ভেটিবলৈ আহে। সাধাৰণতে দুই ধৰণেৰে বাঘ ভেটা হয়। প্ৰথমতে যি ঠাইত বাঘ থকাৰ সম্ভেদ পায় তাৰ তিনিওদিশে কিছু নিলগত জাল তৰি থোৱা হয় আৰু আনটো দিশৰপৰা কৌশলেৰে জাল তৰি ৰাইজ আগুৱাই যায়।

এটা সময়ত চাৰিওদিশৰ জাল চপাই আনি বাঘক বন্দী কৰা হয়। এই কামত যদি বাঘে কোনো জাল ফালি ওলাই যায় নতুবা জাল লাগি বাঘৰ মৃত্যু হয় তেন্তে সেই জাল প্ৰস্তুতকাৰী গাঁৱৰ ৰাইজে শাস্তি ভোগ কৰিব লাগে। সাধাৰণতে বাঘে জাল ফালি ওলাই যাবলৈ সুবিধা নাপায় কিয়নো জালৰ চাৰিওফালে যাঠি-জোং লৈ ৰাইজ সন্তম হৈ থাকে। বাঘে জাল ফালিবলৈ চেষ্টা চলালে ৰাইজে যাঠিৰে খুচি বা হৈ চৈ কৰি দিয়ে আৰু লগে লগে বাঘ জালৰপৰা ভিতৰলৈ গতি কৰে বা একেদৰে বাঘে আনটো দিশৰ জালত আঘাত কৰেগৈ। দ্বিতীয়তে বাঘে মাৰি থৈ যোৱা গৰু বা ছাগলী অথবা আন চিকাৰ কিছু আঁতৰলৈ নি জাপৰ কুটনিত কৌশলেৰে লগাই থোৱা হয়। জাপৰ দুৱাৰ মুখ এখন থাকে। 'জাপৰ দুৱাৰ আৰু কুটনিৰ লগত বাঁহৰ টকা এটা এনেদৰে লগাই ৰখা হয় যাতে টকাটো ফুটি জাপ দুৱাৰখন লগে লগেই জাপ খাই যায় আৰু বাঘো বন্দী হয়। (বুৰঞ্জীয়ে পৰশা বিশ্বনাথ প্ৰান্তৰ— নিত্যানন্দ গগৈ।) এনে ধৰণৰ বাঘ ভেটাক বাঘজাপ দিয়া বোলে। বৰ্তমানে 'বাঘভেটা' ব্যৱস্থা লোপ পালে। অৰণ্য অঞ্চল ধ্বংস হ'ল, বাঘৰো বিলুপ্তি ঘটিল; লগতে বন্যপ্ৰাণী নিধন আইন বিৰুদ্ধ হ'ল। মাথো এসময়ৰ জামুগুৰিহাটৰ বাঘভেটা উৎসৱ ৰাইজৰ মুখে মুখে প্ৰচলিত হৈ থাকিল। জামুগুৰীয়া ৰাইজৰ সাহস আৰু একতাৰ প্ৰতীক এই বাঘভেটা বৰ্তমান সাধুকথাত পৰিণত হ'ল।

গো. সূ.

**।। জাৰী গীত ।।**

জিকিৰবোৰৰ দৰে জাৰী গীতবোৰো জনপ্ৰিয়। জিকিৰ আৰু জাৰী গীতবোৰক একেলগে সাঙুৰি লোৱা হয় যদিও উদ্দেশ্য আৰু আদৰ্শৰ ফালৰপৰা দুয়োবিধ বেলেগ বেলেগ পৰ্যায়ৰ গীত। হজৰত মহম্মদৰ মৃত্যুৰ পিছত তেওঁৰ অতি মৰমৰ নাতিয়েক হাচান আৰু হোচেইনক ষড়যন্ত্ৰ কৰি হত্যা কৰাৰ পিছত তেওঁলোকৰ জীৱনৰ কৰুণ কাহিনীকে লৈ এই গীতবোৰ ৰচিত হৈছিল। পৃথিৱীৰ অইন বহুতো ভাষাৰ বুৰঞ্জীত তেওঁলোকৰ জীৱনৰ কৰুণ কাহিনীক লৈ ৰচিত শোক গাথাৰ বিৱৰণ পোৱা যায়।

জাৰী গীতবোৰ গোৱাৰো নিৰ্দিষ্ট বাধা-নিষেধ নাই। কিন্তু সাধাৰণতে মহৰমৰ সময়ত তাজিয়া আৰু হাতত লাঠি, তৰোৱাল আদি লৈ জাৰী গীত পৰিৱেশন কৰা সমদল এটি উলিওৱা হয়; কিন্তু অইন সময়তো এই গীত গাব পাৰি। গীতবোৰৰ প্ৰধান আকৰ্ষণ - ইয়াৰ কৰুণ কাহিনী আৰু শোকাত্মক আবেদন। জিকিৰবোৰৰ ৰচক আজান ফকীৰেই জাৰী গীতবোৰৰো ৰচক বুলি এটি লোকপ্ৰবাদ চলি আহিছে যদিও ভালদৰে মন কৰিলে দেখা যায় যে আজান ফকীৰ অসমলৈ অহাৰ আগৰেপৰাই জাৰী গীতবোৰ অসমত প্ৰচলিত হৈ আহিছিল।

জাৰী শব্দৰ অৰ্থ শোক কৰা, বেজাৰ কৰা নাইবা কন্দা। ইয়াৰ বিষয়-বস্তু বৰ্ণনাত্মক। হজৰত মহম্মদৰ জীয়েক ফাতেমাৰ হজৰত আলী নামৰ মানুহজনৰ লগত বিবাহ আৰু তেওঁলোকৰ সন্তান হাচান আৰু হোচেইনক কাৰবালাৰ যুদ্ধত নিৰ্মমভাৱে হত্যা কৰাৰ কৰুণ কাহিনী ইয়াৰ মূল বিষয়। গীতবোৰৰ প্ৰধান আকৰ্ষণ ইয়াৰ ঘৰুৱা ভাব। জাৰী গীতবোৰৰ বিষয়ৰ কাৰুণ্যতকৈও সুৰৰ কাৰুণ্য অধিক। কোনো কোনো মুছলমান ধৰ্মাৱলম্বী মানুহৰ মাজত এটি বিশ্বাস আছে যে জাৰী গীত গালে বৰষুণ হয়। বৰষুণৰ ধাৰণা হয়তো বৰ্ণিত বিষয়ৰ কাৰুণ্যও হ'ব পাৰে। গতিকে সময়ৰ হিচাপ কৰি এই গীত পৰিৱেশন কৰা হয়। ইয়াৰ লগত অসমীয়া দেহ বিচাৰ আৰু টোকাৰী গীতৰ সাদৃশ্য মন কৰিবলগীয়া। শব্দ-সম্ভাৰৰ ক্ষেত্ৰটো দুয়োবিধ গীতৰ সাদৃশ্য আছে।

জাৰী গীতবোৰো নাচি নাচি গোৱা হয়। কিন্তু বিষয়ৰ কাৰুণ্যৰ বাবে ইয়াৰ নাচ জিকিৰৰ দৰে খৰতকীয়া নহয়, বৰং ধীৰ-স্থিৰ আৰু গহীন।

প্ৰ. শ গো.

**।। জাৰীঘোঁৰা ।।**

লাঙা পূজাৰ পিছত জাৰী ঘোঁৰা নচুৱাটো দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ এটি উল্লেখযোগ্য পৰিৱেশ্য কলা। জাৰীঘোঁৰা সজা হয় - বাঁহ আৰু কাঠেৰে। মুখখন কাঠৰ আৰু গাটো হ'ল বাঁহৰ। মানুহ এজন সোমাব পৰাকৈ ঘোঁৰাটোৰ মাজতে এটা ডাঙৰ ফুটা থাকে। ঘোঁৰাটোৰ মূৰত দেও-ছাগলীৰ শিং এযোৰ লগাই দিয়া হয়। শিং দুটাত খুচি দিয়ে - কুকুৰাৰ দুটা কণী। ঘোঁৰাটোৰ গাত ক'লা আৰু বগা কাপোৰ ধুনীয়াকৈ মেৰাই দি চালে চকু ৰোৱা কৰাটো নিয়ম। পিতলৰ চকু খুওৱা ঘোঁৰাটোৰ মুখমণ্ডল দেখাত ভয়াবহ। ইয়াৰ কপালত থাকে - সাত ধাতুৰ দুমুখীয়া মাদলি এটা। ঘোঁৰাৰ নাম জাৰী ঘোঁৰা কিয় হ'ল, সেই সম্পৰ্কে কিংবদন্তী মুখৰ নহয়। প্ৰতি বছৰে ব'হাগ বা জেঠ মাহৰ কোনো এটি সুবিধাজনক মংগলবাৰত লাঙা পূজা আৰম্ভ হয়। দিনৰ ভাগত পূজা সমাপ্ত হোৱাৰ পিছত গধূলি জাৰীঘোঁৰা লৈ গাঁও ফুৰা নিয়ম।

এজন উপযুক্ত লোকক জাৰী ঘোঁৰা নচুৱাৰ দায়িত্ব দিয়া হয়। দুজনমান তেওঁৰ সহায়ক থাকে। গধূলিৰ আগে আগে সামৰ্থবান ব্যক্তিসকলে তেওঁলোকৰ ঘৰলৈ জাৰীঘোঁৰাক আমন্ত্ৰণ জনায়। ঢোল-দগৰ, শিঙা-কালি, বাঁহী আদি বাদ্য বজাই - গীত পদ গাই গাঁৱৰ বাইজে ঘোঁৰা উলিয়ায়। জয়জয়তে ঘোঁৰা যায় - দেউৰীৰ ঘৰলৈ। তেওঁৰ ঘৰলৈ দেওধনীও নাচি নাচি যোৱা নিয়ম। দেউৰীৰ ঘৰত ৰাইজক মদ, পিঠা-পনা আদিৰে আপ্যায়িত কৰে আৰু জাৰী ঘোঁৰালৈ আগবঢ়ায় এটা কুকুৰা কণী বা পোৱালী। প্ৰতিঘৰেই এই বিধ সম্ভাৰ আগবঢ়ায়। ওৰে নিশা মানুহৰ ঘৰে ঘৰে জাৰীঘোঁৰা নচুৱায়। ৰাতিপুৱাৰ লগে লগে উক্ত ঘোঁৰাক গোসাঁই ঘৰলৈ নি সসম্মানে চাঙত তুলি

থয়। দেও ছাগলীৰ শিং, পিতলৰ চকু, দুমুখীয়া মাদলি আদিও ভালদৰে সংৰক্ষণ কৰে। ঘৰে ঘৰে সংগ্ৰহ কৰা কণী, পিঠা-পনা আৰু আন সামগ্ৰীবোৰ খাই মিলি ৰাইজ ঘৰা-ঘৰি যায়। জাৰীঘোঁৰা নচুৰা পৰ্বৰ ইমানতে ইতি পৰে (সূৰ্যকুমাৰ মজুমদাৰৰ দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি গ্ৰন্থৰ আধাৰত) না. দা.

**।। জিকিৰ ।।**

আজানপীৰ বা শ্বাহমিলনৰ নামত প্ৰচলিত আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ। অসমীয়া সাহিত্যত বৰগীতৰ স্থান যিমান উচ্চ জিকিৰ আৰু জাৰী সমূহৰ স্থানো সিমানেই। জিকিৰসমূহৰ ৰচনাৰ সময় এতিয়ালৈকে নিশ্চিতকৈ ক'ব পৰা হোৱা নাই। কোনো কোনোৰ মতে ইয়াৰ ৰচনা কাল ১৬৩৪ খ্ৰীষ্টাব্দ আৰু কোনোবা এদলৰ মতে ১৭৩৪ খ্ৰীষ্টাব্দ। ৰচনা কালৰ মতানৈক্যৰ দৰে ইয়াৰ ৰচক সম্পৰ্কেও মতানৈক্য ঘটা দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে বাগদাদ চহৰৰ পৰা শ্বাহমিলন আৰু নবী নামৰ দুজন ককাই-ভাই ভাৰত হৈ অসমত সোমাইছিল। তেওঁলোক নামনি অসমৰ হাজো আৰু উজনি অসমৰ চুণপোৰাত কিছুদিন থকাৰ কথা বুৰঞ্জীয়ে আমাক দিয়ে। ৰজা গদাধৰ সিংহৰ দিনত ৰূপাই দা ধৰা নামৰ এজন বিষয়াৰ চক্ৰান্তত পৰি ৰজাই তেওঁৰ চকু কঢ়ায়, কিন্তু পিছলৈ ধৰ্মৰ প্ৰতি থকা গভীৰ ভক্তিৰ উমান পাই ৰজাই তেওঁক সৰাগুৰি চাপৰিত মাটি বৃত্তি দি স্থায়ী ভাৱে থাকিবলৈ দিয়ে। তাতেই তেওঁৰ মৃত্যু হয়। অসমত নিগাজীকৈ থাকিবলৈ লৈ পুৱা-গধূলি তেওঁ মছজিদৰ আজান দিবলৈ লয় বাবে মানুহে তেওঁক আজানপীৰ বা আজান ফকীৰ বুলিবলৈ আৰম্ভ কৰে আৰু পিছলৈ তেওঁ সেই নামেৰেই জনাজাত হৈ পৰে। অসমত থাকি মহাপুৰুষ দুগৰাকীৰ গীত-মাত, পদ-পুথিৰ দ্বাৰা তেওঁ অতিকৈ আকৰ্ষিত হৈ পৰে আৰু তেওঁ ইছলাম ধৰ্ম সম্বন্ধীয় তেনেধৰণৰ গীত-মাত ৰচনা কৰিবলৈ লয়। তদুপৰি তেওঁ সুৱদী কণ্ঠৰ অধিকাৰী আছিল বাবে নিজেই সেইবোৰ সুৰ লগাই গাবও পাৰিছিল।

ইয়াক ধৰ্মৰ বাণী বুলি মুছলিম ধৰ্মাৱলম্বী লোকসকলে মান কৰি আহিছে। জিকিৰ শব্দটো আৰবী জিকৰ শব্দৰপৰা অহা বুলি অনুমান কৰিব পাৰি। জিকৰ কৰা মানে স্মৰণ বা কীৰ্তন কৰা। জিকৰ আৰু আজান শব্দ দুটাৰ অৰ্থ একে নহয়। এইবোৰ গীত গাবলৈ কোনো সময় বান্ধি দিয়া হোৱা নাই বা কোনো বিশেষ শিক্ষা-দীক্ষাৰো প্ৰয়োজন নাই। ইছলাম ধৰ্মৰ মূল শিক্ষা আৰু আদৰ্শৰ লগত যাতে জনসাধাৰণ একাত্ম হ'ব পাৰে, এই উদ্দেশ্যেই জিকিৰসমূহ ৰচনা কৰা যেন লাগে। আমাৰ ঘোষা পুথিবোৰত মাজে মাজে যিদৰে কিছুমান ঘোষা জুটি দিয়া আছে, ঠিক তেনেদৰেই জিকিৰবোৰৰ মাজে মাজেও তেনে ধৰণৰ ঘোষা জুটি দিয়া হৈছে। ফলত সুৰ ধৰি গাবলৈ ই সহজ হৈ পৰিছে।

জিকিৰবোৰ দুই শ্ৰেণীৰ। একশ্ৰেণীয়ে ইছলাম ধৰ্ম সম্বন্ধীয় শিক্ষা দিয়াৰ প্ৰয়াস

কৰে আৰু ই সহজ সৰল হোৱাৰ বাবে জন-সাধাৰণৰ স্মৃতিকৈ ওচৰ চপা বিধৰ। আনটো শ্ৰেণীৰ জিকিৰবোৰ গূঢ়াৰ্থপূৰ্ণ। ই চুফীবাদী ধাৰণা কিছুমান প্ৰকাশ কৰিবলৈ যত্ন কৰা যেন লাগে। উপমা আদিৰ সহায়েৰে ইয়াৰ ভাষা সহজবোধ্য কৰি তুলিবলৈ যত্ন কৰা হৈছে যদিও ইয়াৰ তত্ত্ব বুজা সহজ কথা নহয়।

হৰিৰ নাম শ্ৰৱণ-কীৰ্তন কৰাৰ দৰে জিকিৰবোৰত আল্লাৰ নামৰ শ্ৰৱণ আৰু কীৰ্তনত গুৰুত্ব আৰোপ কৰা হৈছে। জিকিৰ গীতবোৰৰ লগত এক প্ৰকাৰৰ নৃত্যও জড়িত আছে। বহি বহি হাতৰ মুদ্ৰা আৰু চাপৰিৰ সহায়ত জিকিৰবোৰ গোৱা হয়। ইয়াৰ নৃত্য খৰতকীয়া। মুখ বাগৰি চলি অহা বাবে জিকিৰবোৰৰ মাজত পূৰ্বৰূপৰ ভালেখিনি পৰিবৰ্তন সাধিত হৈছে।

প্ৰ. শ. গো.

।। **জিৰকেদাম** ।।

কাৰ্বি ডেকা-গাভৰুহঁতৰ কৃষি কৰ্মৰ লগতে জীৱনৰ অত্যাৱশ্যকীয় কৰ্মৰ প্ৰশিক্ষণৰ কেন্দ্ৰ হ'ল জিৰকেদাম। অসমীয়া প্ৰতিশব্দ ডেকা চাং বুলি কোৱা হয় যদিও আগতে ছোৱালীবোৰকো ইয়াৰ অন্তৰ্ভুক্ত কৰা হৈছিল। এই জিৰকেদামৰ ডেকাসকলক প্ৰত্যেককে জিৰপ' আৰু সমূহীয়াভাৱে জিবছং বুলি কোৱা হয়। ছোৱালীক জিৰপী বা মাৰপী বোলা হৈছিল। গাঁৱৰ প্ৰতিঘৰৰপৰা একোজন সভ্যৰে এই অনুষ্ঠান সংগঠিত যদিও গাঁৱৰ সকলোবোৰ ডেকাই নিশা এই চাংঘৰত শুব পাৰে।

কাৰ্বিসকলৰ সামূহিক পূজা ৰংকেৰৰ দিনটোতেই এই জিৰকেদামৰ শুভাৰম্ভণি কৰা হয়। গাঁওবুঢ়া ছাৰ্থেক সন্মান সহকাৰে আসন দিয়াৰ পিছত ছাৰ্থেয়ে কাৰ্বি-পৰম্পৰা অনুসৰি ডেকাসকলৰ মাজৰপৰা একোজন দলপতি বা ক্লেংছাৰপো মনোনীত কৰে। ছাৰ্থেৰ ফৈদৰ ডেকাক সচৰাচৰ মনোনীত কৰা নহয়। এই জিৰকেদামৰ বাবে একুৰি ছয়জন বিষয়ববীয়াও মনোনীত কৰা হয়। এই অনুষ্ঠানত থাকি সহায় কৰোঁতাসকলক (কনিষ্ঠ বা চেমনীয়া) হাজাৰ আছ বোলা হয়। জিৰকেদামৰ ঘৰ অথবা তেৰাংটো সম্পূৰ্ণ নহয় মানে ছাৰ্থেৰ চ'ৰাঘৰ অৰ্থাৎ হংফাৰ্লাঙকে ব্যৱহাৰ কৰা হয়। তেৰাং সদায় আহল-বহল গাঁৱৰ ভিতৰতে চকুত লগাকৈ সজোৱা হয়। ৰন্ধা-বঢ়া তেৰাঙত কৰা নহয়। ডেকাসকলে ঘৰতেই খাই আহি ৰাতি শোৱে। দিনৰ কৰ্মৰত অৱস্থাত ঘৰে ঘৰে আহাৰ সংগ্ৰহ কৰি যোগান ধৰা হয়। ডেকা ল'ৰাবোৰে গাঁৱৰ প্ৰতিঘৰতে পালপাতি কৃষি কৰ্মত সহায় কৰে। নিজাববীয়াকৈ এড়ৰা মাটিত জুম খেতি কৰে। পাহাৰৰ গছ-বন কাটি পৰিষ্কাৰ কৰা, মাটি চহোৱা, কৃষি কাৰ্য কৰা আদি বিভিন্ন কাম-কাজৰ যেন প্ৰশিক্ষণ কেন্দ্ৰ এই জিৰকেদাম। ইয়াৰোপৰি আজৰি সময়ত ল'ৰাবোৰে বাঁহ-বেতৰ কাম, ছোৱালীবোৰে সূতা কটাকে আদি কৰি বিভিন্ন কাম কাজত ব্যস্ত হৈ পৰে। গাঁৱৰ

কাৰোবাৰ অসুখ-বিসুখ হ'লে সেৱা-শুশ্রূষা কৰা, পূজা-পাতলত সহায় সহযোগিতা কৰা, প্রয়োজনীয় খাদ্য সামগ্রী প্রস্তুত কৰা গাঁৱৰ বিভিন্ন উন্নয়নৰ কাম কৰা, একেলগে বালি ভোজ খোৱা, নিজ গাঁও বা অঞ্চলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰাকে আদি কৰি বিভিন্ন দিনত জিৰকেদামে সেৱা আগবঢ়াইছিল।

গাঁৱৰ ডেকা-গাভৰুসকলে আগতে তিনি বছৰ এই জিৰকেদামৰ সদস্য হোৱাৰ নিয়ম বাধ্যতামূলক আছিল। তিনি বছৰৰ মূৰত নতুন সদস্যৰে জিৰ কেদামৰ কার্যনির্বাহ ছার্থেয়ে গঠন কৰি দিছিল। বিয়া-বাৰু জিৰকেদামৰ তিনি বছৰীয়া অভিজ্ঞতা লাভৰ অন্ততহে পাতিব পাৰিছিল। অৱশ্যে ক্লেংছাৰপোৰ অনুমতি সাপেক্ষে মাজতেও বিয়া অনুষ্ঠিত হ'ব পাৰে। নিয়মানুৱৰ্তিতা, শৃংখলাবদ্ধতা আৰু অনুশাসনপ্রিয়তা জিৰকেদামৰ অন্যতম বৈশিষ্ট্য। কেংছাৰপোৰ দায়িত্ব আৰু গুৰুত্বও সেয়ে সর্বাধিক। অৱশ্যে ছার্থেৰ দিহা-পৰামর্শতো গুৰুত্ব দিয়া হয়। ছার্থেৰ অনুপস্থিতিত ডেকা গাঁওবুঢ়া বা ৰিছ'বাছাই কামখিনি চম্ভালে। আজি কালি ছোৱালীক তেৰাঙত প্রৱেশৰ অনুমতি দিয়া নহয় বাবে এই ৰিছ'বাছাৰ পত্নীয়ে তেৰাঙৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা দিশটো চোৱা-চিতা কৰে।

মুঠৰ ওপৰত জিৰকেদাম হ'ল কাৰ্বিসকলৰ গণতান্ত্রিক প্রমূল্যবোধ আৰু সামূহিক সংস্কৃতিবোধৰ এক প্রকৃষ্ট উদাহৰণ।

প. বা.

।। জিন ।।

মুছলমান লোকসমাজত বিশ্বাস কৰা এবিধ অশৰীৰী জীৱ হ'ল জিন। জিনো ভগৱানে সৃষ্টি কৰা এটি জীৱ। জিনৰ উৎপত্তি হয় অগ্নিৰপৰা। সেয়ে জিনক অগ্নিৰ দেৱতা বোলে। জিনৰ পুৰুষ আৰু স্ত্রীৰ ভেদাভেদ আছে। ইহঁতৰ সন্তান আদিও থাকে। জিনৰ আকৃতি ভয়ানক। ওখ-পাখ, শকত-আৱত আকৃতিৰ। জিনে মানুহ আৰু জন্তুৰ আকৃতি ল'ব পাৰে। মুছলমানসকলে বিশ্বাস কৰে যে জিনবোৰ সাধাৰণতে পুৰণি মছজিদবোৰতহে থাকে। আন্ধাৰ ৰাতি চকা-মকাকৈ পুখুৰীৰ পাৰত জিনবোৰ দেখা যায়। ইহঁতৰ প্রকাণ্ড শৰীৰ, ভয়ানক চকু, হাতদুখন দীঘল আৰু বগা পাগুৰি মৰা। জিনবোৰ সাধাৰণতে বগা বস্ত্র পৰিধান কৰে আৰু এযোৰ কঁঠালৰ খৰম পিন্ধি ৰাতি পুখুৰীৰ পাৰে পাৰে খোজ কাঢ়ি ফুৰে। আন্ধাৰ ৰাতি সেই পুখুৰীৰ পাৰেদি কোনো মানুহ অহাযোৱা কৰিলে যদি কিবা বিপদ বা অপায়-অমংগল হয় সেইবোৰ জিনে কৰা বুলি মুছলমান সমাজত বিশ্বাস। সকলো জীৱৰে ভাল বেয়া দুটা গুণ থকাৰ দৰে জিনবোৰৰো ভাল-বেয়া থাকে। কিছুমান জিনে মানুহক অন্যায় কৰে আৰু কিছুমান জিনে মানুহক বহু সহায়ো কৰে। জিনবোৰে মছজিদৰ ভিতৰত নামাজো পঢ়ে।

প. পা.

**।। জুনা ।।**

কাল্পনিক কাহিনী আৰু গীতিধৰ্মী গুণেৰে সিক্ত জুনা এবিধ জনপ্ৰিয় লোকগীত। হুঁচৰি গাওঁতে নাচনীয়ে নচাৰ আগতে যি বিহুনাম গোৱা হৈছিল তাকহে আগতে জুনা বুলি কোৱা হৈছিল; কিন্তু পিছত ইয়ে সুনিৰ্দিষ্ট কাহিনী গীতক বুজাবলৈ ধৰে। কাব্যিক কল্পনাৰে ৰঞ্জিত পৰুৱাৰ জুনা, কপাহৰ জুনা, নাঙলৰ জুনা, তাঁতীৰ জুনা আদিত হাস্যৰসৰ গুৰুত্ব মন কৰিবলগীয়া। ইয়াৰে আকৌ নাঙলৰ জুনা, কপাহৰ জুনাক হুঁচৰি গীত হিচাপে আৰু তাঁতীৰ জুনাক ভক্তিধৰ্মৰ গীত হিচাপে গোৱা হয়। সৰহসংখ্যক জুনাৰ লগত বস্ত্ৰ শিল্পৰ সম্পৰ্ক উল্লেখযোগ্য।

নামনি অসমৰ ভাউৰীয়া আৰু ভাইৰা বা ভাউৰীয়া অনুষ্ঠানতো বহুৱাই ধেমেলীয়া জুনা ব্যৱহাৰ কৰে। এনেধৰণৰ জুনা নামনি অসমত অধিক জনপ্ৰিয়।

জুনাবোৰৰ ভিতৰত তাঁতীৰ জুনা কাব্যিক গুণা-গুণৰ ফালৰপৰা উৎকৃষ্ট। ৰাধাক পিন্ধাবলৈ এখন সুন্দৰ কাপোৰ বৱৰ বাবে কৃষ্ণই তাঁতীৰ ওচৰলৈ গৈ কাপোৰৰ বৰ্ণনাৰ মাজেদি নিজৰ কলাসুলভ মনৰ পৰিচয় দাঙি ধৰিছে। উদাহৰণ স্বৰূপে -

দীঘলে সাৰংগ পুতলে বৰ/ তাৰ আগে দিবা গুণা বিস্তৰ//<br>
খোচনিত লিখিবা নেজালি ম'ৰা/ আঁচুতে লিখিবা আকাশী তৰা//

নাঙলৰ জুনাটিত আমাৰ কৃষিজীৱী সমাজৰ এক নিটোল চিত্ৰ পোৱা যায়। হাস্যৰসৰ অধিক চিটিকনিৰে পৰুৱাৰ জুনা মনোৰম। উদাহৰণ স্বৰূপে --

ভাতে ৰান্ধি দিয়া খাওঁ ঐ পৰুৱা/ পানী আনি দিয়া খাওঁ।//<br>
চাউল মুঠিচেৰেক বান্ধি দিয়া পৰুৱা/ টোলোঠা বিচাৰি যাওঁ।।//

মুঠৰ ওপৰত অসমীয়া লোক-সাহিত্যত এই জুনা গীতখিনিৰ সুকীয়া স্থান আছে।

প. ৰা.

**।। জেউৰা খুওৱা ।।**

নামনি অসমৰ লোক কৃষ্টিৰ এপদ অনুপম সম্পদ হ'ল জেউৰা খুওৱা অথবা জেউৰা দিয়া। ন-বোৱাৰী প্ৰথম গৰ্ভৱতী হোৱাৰ পিছত এক নিৰ্দিষ্ট মাহত মাকৰ ঘৰৰপৰা অনা দ্ৰব্যৰে নিজৰ জীয়াৰীজনীক এসাজ ভালদৰে খুওৱা প্ৰকাৰ্যই ইয়াৰ মূল কথা। পৰম্পৰা মতে অন্তঃসত্বা হোৱাৰ পঞ্চম মাহত পঞ্চামৃত খুৱাই নৱম মাহত অৰ্থাৎ বেযুৰীয়া মাহত সন্তানৰ সম্ভৱা জীয়াৰীজনীক জেউৰা খুৱাব লাগে যদিও বাস্তৱ ক্ষেত্ৰত অষ্টম মাহতে উক্ত শুভ কাম ফেৰা সম্পাদন কৰা হয়। কিয়নো গৰ্ভৰ অন্তিম মাহটো সাধাৰণতে মাক-বাপেকে জীয়াৰীজনীক নিজৰ ঘৰত ৰাখে। বহুতে জেউৰা খুৱাবৰ দিনা দৰা ঘৰ বা কইনাঘৰ উভয়ৰে আত্মীয়খিনিকো আমন্ত্ৰণ জনায়। সন্তান সম্ভৱা কন্যাজনীক নতুন কাপোৰেৰে সজাই পৰাই অনাকটা কাপোৰ এখন গাত দি ভগৱানৰ উদ্দেশ্যে মাহ-চাউল

আগবঢ়াই মাছে মঙহে ভাত সাজ খুওৱাৰ পিছতে অনুষ্ঠানটিৰ সামৰণি পৰে। অঞ্চল বিশেষে কন্যাঘৰৰপৰা নিয়া পকা লাডু দৰাঘৰৰ ওচৰ চুবুৰীয়াক বিলায়। গৰ্ভৱতী মাতৃৰ দৈহিক পৰিপুষ্টিৰ বাবেই জেউৰা খুওৱা নিয়ম প্ৰচলিত হোৱা বুলিব পাৰি।

জ্যো.দা.

**।। জেং বিহু।।**

'তামোল কাটি কাটি অকলে নেখাবা আমাকো এখনি দিবা। জেং বিহু চাবলৈ অকলে নেযাবা আমাকো লগতে নিবা।।' জেং বিহু নামটো কোনে কেতিয়া দিছিল, তাৰ ইতিহাস পাবলৈ নাই। হেমকোষ অথবা চন্দ্ৰকান্ত অভিধানৰ কথাকে নকওঁ, ৰজনীকান্ত বৰদলৈৰ কোনোখনি উপন্যাসতে জেং বিহু শব্দটি পোৱা নাযায়। এই বিহুৰ নামকৰণ সম্পৰ্কে মতভেদ আছে। যেনে— (ক) ড° মহেশ্বৰ নেওগৰ মতে, 'বিহুমাৰতীহঁতে হেনো বিহুমৰা ঠাইত শুকান জেং কেইডালমান থিয়কৈ লয় আৰু পিছত হেনো তাতে সেউজীয়া ডাল-পাত লগাই দিয়ে।' ব্যাখ্যাৰ প্ৰয়োজন নাই যে, জেং থিয়কৈ লোৱাৰপৰা জেং বিহু নামটো আহিছে। (খ) প্ৰদীপ চলিহা দেৱৰ মতে, আহোমসকলে আদিতে বোলা জেং নাং পঙ্গ কালক্ৰমত জেং বিহু হয়গৈ। (গ) হেম বুঢ়াগোহাঞিৰ মতে, 'জেং পুতি বিহু মৰা গাভৰু বিহুক জেং বিহু নামকৰণ কৰা হয় যদিও জেং বিহু আচলতে টাই গাভৰুসকলে মৰা গাভৰু বিহুহে হ'ব লাগে।' (ঘ) জয়কান্ত গন্ধীয়াৰ মতে, 'প্ৰতিযোগিতাৰ যুগত মঞ্চত গছৰ ডাল এটা বা জেং এডাল পুতি তাতে গামোচা এখন আঁৰি দিয়া বাবেহে সৰ্বসাধাৰণৰ মাজত ভুলতে জেং বিহু শব্দটো অধিক জনপ্ৰিয় হ'ল!' ওপৰৰ মন্তব্য কেইটা চালিজাৰি চাই ক'ব পাৰি, জেং বিহুত জেং এডালৰ প্ৰয়োজন। জেং থকা বাঁহ অথবা গছৰ ডাল এটা পুতিও এই বিহু অনুষ্ঠিত কৰা হৈছিল। কোনো কোনোৱে সেই জেঙতে বিহু ডাঙৰীয়ালৈ বুলি আগবঢ়ায় এখনি ফুলাম গামোচা। কোনোৱে বা গুৱা-পাণ এযোৰ অথবা ফুলৰ মালা এধাৰিকে আঁৰি দিয়ে। আগৰ দিনত গাভৰু ছোৱালীয়ে গছৰ তলত পতা গাভৰু বিহুৰে ইয়াৰ সাদৃশ্য ভালেখিনি। সেইবাবে প্ৰদীপ চলিহাই এঠাইত কৈছে, 'জেং বিহুৰ অৰ্থ নিভাঁজ বিহু অৰ্থাৎ নিভাঁজ গাভৰু বিহু।' হাত চাপৰিৰ উপৰি টকা আৰু গগনা বজাই গাভৰুহঁতে জেং বিহু পাতিছিল। ডেকাৰ প্ৰৱেশ ৰুদ্ধ এই জেং ডালে প্ৰতীকী ৰূপ গ্ৰহণ কৰা বুলিব পাৰি। আগেয়ে জেং বিহু তিনিদিন জুৰি চলিছিল। আজিকালি উজনিৰ ভিতৰুৱা গাঁৱত এদিন বা দুদিনহে চলে। বৰ্তমানে মঞ্চত গছৰ ডাল এডাল পুতি গাভৰুৱে মৰা বিহুকেই জেং বিহু আখ্যা দিয়া দেখা যায়।

না. দা.

**।। জেজেৰা দল।।**

দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ সংলাপ আৰু গীতবিহীন পৰিৱেশ্য কলাৰ নাম জেজেৰা দল। থলুৱা ভাষাত ইয়াৰ নাম যথাক্রমে ঝেঝেৰা আৰু জেজেঁৰীয়া দল। বিশেষ সাজ পাৰ পিন্ধি ৰঙালী বিহুৰ কালত ঘৰে ঘৰে এই জেজেৰা দলে নৃত্য কৰি ফুৰাটো বৈশিষ্ট্যপূৰ্ণ। দলটোত মাত্র চাৰিজন লোক থাকে। তিনিজনৰ তিনিটা সৰু ঢোল (এই সৰু ঢোল কেইটাক ঝেঝেৰা বোলা হয়) আৰু এজোৰ মঞ্জিৰা। জেজেৰা তিনিটাৰ দুটা চল্লিশ ছেণ্টিমিটাৰ দৈৰ্ঘৰ আৰু অৱশিষ্টটো প্ৰায় ত্ৰিশ ছেণ্টিমিটাৰ দীঘলীয়া কিছু শূলাকৃতিৰ। দীঘলীয়া জেজেৰা লোৱা লোক দুজনে মূৰত ক'লা কাপোৰেৰে সজা বিশেষ ধৰণৰ টুপী, গাত ৰঙীন চোলা আৰু কৃত্রিম গোঁফ পৰিধান কৰে। গাত মণি-মালাও থাকে। পিন্ধনত গামোচা বা হাফপেণ্ট পৰিধান কৰে যদিও দক্ষিণ গোৱালাপাৰাৰ ফালে মূল জেজেৰা দুজনৰ সাজপাৰত ইছলামী প্রভাৱ লক্ষণীয়। তৃতীয় ঢোল বাদক আৰু চতুর্থজনে সাধাৰণ সাজ পৰিধান কৰা দেখা যায়। জেজেৰা বজাই শিল্পী দুজনে নৃত্য কৰে— এজনে নাচি নাচি আন জনক খেদি যায়— আনজনে ইজনক আকৌ খেদি আহে। মাজে মাজে ঢোলেৰে মাৰিবলৈ উদ্যত হোৱাৰ ভংগীমা দেখুৱায়— ইজনে সিজনক কাণত ধৰি আনে। এনেদৰে কিছু সময় বীৰ নৃত্য চলাৰ অন্তত ঢোল বাদ্যৰ বিশেষ ঘাতেৰে নাচোনৰ সমাপ্তি ঘোষিত হয়। সৰু মাৰি এডালেৰে কোবাই তোলা ঢোলৰ ধ্বনিত এটা সুৰ বিদ্যমান। গুৰিয়াল ঢোল বাদকজনে বাদ্যৰে শুভাৰম্ভ কৰাৰ পিছত বাকী দুজনে ঢোল বজাই নৃত্য পৰিৱেশন কৰে। প্রাচীন জনজাতীয় চিকাৰ নৃত্যৰ আধাৰত জেজেৰা নৃত্যই দক্ষিণ কামৰূপৰ বিস্তীৰ্ণ অঞ্চলত গা কৰি উঠাৰ সম্ভাৱনা নুই কৰা টান। মাধৱ কন্দলিয়ে উল্লেখ কৰা জিজিৰা কাহালি-শিংগা অথবা দৰং ৰাজবংশাৱলী উল্লিখিত ঝোঞ্জৰা (ঝোঞ্জৰা বজাৱে ভাল) বাদ্যযন্ত্ৰই দক্ষিণ কামৰূপৰ জেজেৰা দলে ব্যৱহাৰ কৰা ঝেঝেৰালৈ মোট সলাব পাৰে।

(দখিনকোলত প্রকাশিত ধনেশ্বৰ কলিতাৰ 'জেঝেৰা দল- দক্ষিণ কামৰূপৰ এটি লোক পৰিৱেশ্য কলা'ৰ আধাৰত যুগুতোৱা।) না. দা.

**।। জেঠুৱা উৎসৱ ।।**

ব'হাগ-জেঠ মাহৰ দোমাহীৰ দিনা জেঠ মাহত জন্ম গ্ৰহণ কৰা ব্যক্তিক (পুৰুষ-স্ত্রী নির্বিশেষে) কেন্দ্ৰ কৰি উদ্‌যাপন কৰা উৎসৱেই জেঠুৱা উৎসৱ। উৎসৱৰ উৎস সম্পৰ্কে মতানৈক্য বৰ্তমান - কাৰো মতে, জেঠ মাহত জন্ম গ্ৰহণ কৰাটো অমংগল জনক। সেইবাবে দোমাহীৰ দিনা জেঠৰ মাহত জন্ম গ্ৰহণ কৰা ব্যক্তিজনক এসাজ ভালদৰে খুৱাই ঘৰৰ অমংগল নাশৰ প্ৰযত্ন কৰা হয়। আন কৰো মতে জেঠৰ মাহ বিষ্ণুৰ মাহ। সেইবাবে উক্ত মাহত ভূমিস্থ হোৱা জনক বিষ্ণু ভোগ কৰোৱা প্রয়োজন।

কোনো কোনো অঞ্চলত জেউঠা দুবিধ - গুৰি জেউঠা আৰু হোৱা জেউঠা। গুৰি জেউঠা হ'ল - জেঠৰ মাহত গৰ্ভস্থ হৈ ফাগুন মাহত জন্ম গ্ৰহণ কৰা আৰু হোৱা জেউঠা হ'ল - জেঠ মাহত জন্ম গ্ৰহণ কৰা ব্যক্তি সকল। গতিকে স্থান বিশেষে ফাগুন আৰু জেঠ মাহত জন্ম গ্ৰহণ কৰা ব্যক্তিক লৈ জেউঠা উৎসৱ পালন কৰা চকুত পৰে।

জেঠ আৰু ফাগুন মাহত ওপজা ব্যক্তিক ব'হাগ-জেঠৰ সংক্ৰান্তিৰ দিনা মাহ-হালধিৰে নোৱাই-ধুৱাই অনাকটা বস্ত্ৰ পৰিধান কৰাই ভালদৰে এসাজ খুৱালেই উৎসৱ শেষ হয়। উৎসৱৰ দিনা জেঠুৱাজনক পৰমান্ন ভোজন কৰোৱা প্ৰয়োজন। পৰমান্নৰ উপৰি বাৰীয়ে ঘৰে পোৱা আমৰ মল, জামুৰ কলি, লিচুৰ মল, কঁঠালৰ মুচি, আদা, হালধি আদিৰে বাৰ বিধ ফল-মুল বটি বৰা ভাজি জেঠুৱা জনক খুৱাব লাগে। তিল, মাহ, দাইল, আদিৰো বৰা ভাজি খাবলৈ নিদিয়া নহয়। মাছৰ কণী বৰা ভাজিত থাকে। পিঠা-পনা, মাছ-মাংস প্ৰভৃতিটো ভোজনত থাকিবই। জেঠুৱাজনক ভালদৰে এসাজ খুওৱাৰ উপৰি আত্মীয় অথবা বন্ধু-বান্ধৱকো উক্ত আমন্ত্ৰণ জনাই এসাজ খুৱায়। লোক বিশ্বাস, এনে কৰাৰ ফলত জন্ম-মাস-ৰিষ্ট আঁতৰ হয়। কোনোৱে উক্ত দিনা ভকত বাপুক মাতি আনি এক অধ্যায় গীতা বা ভাগৱত চোৱায়। এই উৎসৱ বৰপেটা জিলাত আজিও সজীৱ হৈ আছে। না. দা.

।। জেতুকা।।

হাতৰে জেতুকা ভৰিৰে জেতুকা, কাণেও লওঁ মুৰে লওঁ কৰে।
নাচনীৰ মুখলৈ চাবকে নোৱাৰি দেহ মোৰ কেনেবা কৰে।।

বাৰীৰ ধাপত বিনা কষ্টেৰে লহপহকৈ ঋাঢ়ি অহা জেতুকাৰ জনপ্ৰিয়তা আজিও অম্লান। ব'হাগ বিহুৰ দিনাখন আজিও ডেকা-গাভৰুৱে হাতত জেতুকা নল'লেই নহয়। হাঁহিত দাঁত জিলিকাৰ দৰে ৰ'দত চেনাইৰ জেতুকা বলোৱা হাত দুখনি উজলি উঠে (ৰ'দ পাই জিলিকে মোহিনী জেতুকা হাঁহিত জিলিকে দাঁত।)। জেতুকাৰ ব্যৱহাৰ অকল অসমতে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ উপৰি বিদেশতো ইয়াৰ আদৰ চমকপ্ৰদ। ইয়াক প্ৰাচীন মিছৰত হাতৰ তলুৱা, নখ আৰু চুলিত ৰং ৰূপে ব্যৱহাৰ কৰা হৈছিল। ইয়াক আৰবীত য়োৰম্না, হিন্না অকান কামংলয়ুন, ফৰাচীত হেন্না, ইংৰাজীত হেন্না চেমফিৰ, ভাৰতীয় ভিন্ন প্ৰাদেশিক ভাষাত মেন্দি, সংস্কৃতত মহিন্দী (মহিন্দী পত্ৰ নিৰ্যাসৈ... ৰসৰত্নাকৰ), মদয়ন্তিকা (সুশ্ৰুতসংহিতা) আৰু অসমীয়াত কোৱা হয় জেতুকা (অমৰ কোষ উল্লিখিত যূথিকাৰ পৰা উদ্ভৱ হ'ব পাৰে)। ইয়াক ব্যৱহাৰ কৰিলে চৰ্মৰোগ, নখচুকীয়া, নখখৰ আদি ৰোগ হ'ব নোৱাৰে। ই ছাল নিমজ কৰে আৰু চুলিত সানিলে চুলিৰ অকাল পক্কতা আৰু চুলিসৰা ৰোধ হয়। গৰু বিহুৰ দিনা জেতুকাৰ পাত খুন্দি ভৰিৰ পতাত লগালে বছৰেকলৈ আই নোলায় বুলি এটা জনবিশ্বাস প্ৰচলিত আছে। জেতুকাৰ কুমলীয়া

পাতৰ সৈতে কেঁহৰাজ, ডালিমৰ কুমলীয়া পাত, বৰ থেকেৰা, এৰাপাতৰ কোঁহ, পাণৰ পিপলি আৰু কেঁচা হালধি একেলগে খুন্দিলে জেতুকাৰ উজ্বলতা বাঢ়ে আৰু হাতত দীৰ্ঘদিনলৈ থাকে। চহৰত বহুতে আজি কালি ৰাজস্থানী হেনাগুৰি ব্যৱহাৰ কৰিলেও আমাৰ থলুৱা জেতুকাৰ আদৰো কম বুলিব নোৱাৰি।

(ৰাম গোস্বামীৰ অংগৰাগ আৰু গুণাৰাম খনিকৰৰ অসমৰ লোক সংস্কৃতিত বনদৰব'ৰ আধাৰত যুগুতোৱা)

না. দা.

।। জেমি নগা জনজাতিৰ সাজ-পাৰ ।।

উত্তৰ কাছাৰ জিলাত বসবাস কৰা জেমিনগাসকল বোৱা কটাৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শী। তেওঁলোকে ঝুমতলীত কপাহৰ খেতি কৰি ঘৰতে সূতা তৈয়াৰ কৰি লয়। জেমিনগা মহিলাসকলে সৰু কালৰেপৰা বয়ন শিল্পৰ প্ৰশিক্ষণ লাভ কৰে আৰু সেয়েহে তেওঁলোকে নিত্য-ব্যৱহাৰ্য সাজপাৰৰ উপৰি উৎসৱ পাৰ্বণত ব্যৱহৃত কাপোৰো ঘৰতে বয় লয়। জেমিনগা মহিলাসকলে মিফাইমম নামৰ এক প্ৰকাৰ মেঠনি, মিনি নামৰ এক প্ৰকাৰ মেখেলা, হেগিয়াংনিনে নামৰ এবিধ ফুলাম কাপোৰ আৰু টচোনিনে নামৰ আন এবিধ বিবিধ ৰঙী কাপোৰ সাধাৰণতে পৰিধান কৰে। আনহাতে উৎসৱৰ সময়ত নৃত্য কৰোঁতে ফাইমাং নামৰ বুকুত লোৱা চাদৰ, ফাইটিক আৰু ইমফাই নামৰ গাত লোৱা চাদৰ ব্যৱহাৰ কৰে। আনহাতে জেমিনগা পুৰুষসকলে ইংজিংনি নামৰ এখন ক'লাৰঙৰ আঁঠুলৈকে পৰা চুৰিয়া, হেনি নামৰ এবিধ বগা চুৰিয়া, মপাকফাই আৰু লাওহেপাই নামৰ গাত লোৱা চাদৰ আৰু ইমপেফাই নামৰ কঁকালত পিন্ধা চাদৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। নৃত্যৰ সময়ত জেমিনগা পুৰুষসকলে মূৰত ধনেশ পক্ষীৰ নেজ আকৰ্ষণীয়ভাৱে পৰিধান কৰে। আনহাতে কঁকালত মিকিয়াঝাক নামৰ চামৰাৰ বা দউনে নামৰ কাপোৰৰ পেটী পিন্ধে। তেওঁলোকে পৰম্পৰাগত জ্ঞানৰ ভিত্তিত বিভিন্ন গছ-গছনি, তৰু-তৃণৰ সংমিশ্ৰণত নানাবিধ সুন্দৰ ৰঙৰ সৃষ্টি কৰি তাৰে সূতা ৰং কৰে। তেওঁলোকে কাপোৰবোৰত নানা জীৱ-জন্তুৰ চিন বা জ্যামিতিক আৰ্হিৰ ফুল বাছি তেওঁলোকৰ সৌন্দৰ্যপ্ৰিয় স্বভাৱৰ নিদৰ্শন দাঙি ধৰাটো উল্লেখযোগ্য।

ন.চৌ.

।। জেমি নগাসকলৰ পৰম্পৰাগত আ-অলংকাৰ ।।

জেমী নগাসকলৰ স্ত্ৰী-পুৰুষ নিৰ্বিশেষে বিধে বিধে অলংকাৰ পৰিধান কৰে। মহিলাসকলে হেকেনচাই নামৰ সূতাৰে তৈয়াৰী এবিধ কাণফুল পিন্ধে। তেওঁলোকে ডিঙিত পিন্ধা চাৰি-পাঁচ ডাল ৰঙীন মণিৰ নাম টেপুখাবে। ডিঙিৰ অলংকাৰ টালাটাও এবিধ দামী উৎকৃষ্ট মণিমালা। ইয়াক প্ৰস্তুত কৰিবলৈ কড়ি টবা, কাঠ কেমছই মণি

টুপুখাবে, নীলমণি টেচোংটিং, শংখজাতীয় মণি টেচোংহাবে, দীঘল শামুক টেজুই পাথৰ টালা, তামৰ স্প্ৰিং টেজিপ প্ৰভৃতিৰ দৰকাৰ। এইবোৰ প্ৰত্যেক বিধকে চাৰিডাল সূতাৰে দুডলীয়াকৈ গাঁথি দুয়োমুৰ বন্ধা প্ৰয়োজন। এওঁলোকৰ হাতত শোভা পায় কিছু পৰিমাণে গামখাৰুৰে সাদৃশ্য থকা পিতলৰ ইংকিটা। পুৰুষসকলে ডিঙিত টেবা (শংখ) আৰু টেপুখাবেৰ দ্বাৰা প্ৰস্তুত কৰা টেওৰা (মালা) পিন্ধে। কড়িৰ মালাও নিপিন্ধা নহয়। পিতলেৰে নিৰ্মাণ কৰা ঘুৰণীয়া অলংকাৰ পুৰুষসকলে কাণত পিন্ধে। বাহু আৰু কলাফুলৰ শোভা বৰ্ধন কৰে বেতেৰে নিৰ্মিত এবিধ আকৰ্ষণীয় অলংকাৰেৰে।

(ধৰ্মেশ্বৰ দুৱৰাৰ উত্তৰ কাছাৰ পাহাৰৰ লোক সংস্কৃতি গ্ৰন্থৰ আধাৰত)

জ্যো.দা.

।। জোনবিল মেলা ।।

ইতিহাস প্ৰসিদ্ধ ৰাজ্য গোভাৰ নৃপতিজনাৰ আদেশত শুক্লপক্ষৰ জোনবায়ে খেলাকৰা স্বচ্ছ জলেৰে পৰিপূৰ্ণ বিল এটিৰ পাৰত (যাৰ নাম এতিয়া জোনবিল) অনুষ্ঠিত মেলাৰ শুভাৰম্ভ কেতিয়াৰেপৰা হৈছিল তাৰ প্ৰমাণ পঞ্জী বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই যদিও সময়ৰ অগ্ৰগতিৰ লগে লগে এই মেলাই পৰ্বত -ভৈয়াম আৰু জনজাতি অজনজাতি লোকৰ মাজত সমন্বয়ৰ সেতু ৰূপে থিয় দিয়াটো তাৎপৰ্যপূৰ্ণ। গোলোকীকৰণৰ ধামখুমিয়াত অসমৰ জীৱনৰপৰা প্ৰত্যক্ষ বিনিময় প্ৰথা হেৰালুকী হ'ল যদিও প্ৰতিবছৰে ভোগালী বিহুৰ কালত মৰিগাঁও জিলাৰ জোনবিলৰ পাৰত তিনিদিনীয়াকৈ উদ্‌যাপন হোৱা মেলাত হেৰোৱা বিনিময় প্ৰথাই এঙামুৰি দিয়াটো উল্লেখযোগ্য। গোভা ৰাজ পৰিয়ালৰ অশুচি কৰ্ম-ক্ৰিয়াৰ অসুবিধা নাথাকিলে মাঘমাহৰ সংক্ৰান্তিৰ পৰৱৰ্তী বৃহস্পতিবাৰে এই মেলা আৰম্ভ হৈ শনি বাৰে সন্ধিয়াৰ লগে লগে পৰিসমাপ্তি ঘটে। পৰ্বত ভৈয়ামক সম্প্ৰীতিৰ এনাজৰীৰে বন্ধা জোনবিলৰ মেলা-মহোৎসৱলৈ পাহাৰপৰা অহা তিৱা, খাছি, কাৰ্বি প্ৰভৃতি জনজাতিৰ লোকসকলে তেওঁলোকৰ ঘৰে-পথাৰে হোৱা লাউ, কোমোৰা, আদা, হালধি, কচু, লা, ধুনা, আমলখি, শিলিখা, শুকান মাছ আদি লগত লৈ আহি বিলৰ ওচৰৰ পথাৰত বাঁহ খেৰেৰে জুপুৰি সাজি বাঁহৰ চুঙাত চাউল সিজাই খাই বৈ আনন্দ স্ফুৰ্তিৰ মাজেৰে লগত অনা সামগ্ৰীসমূহ ভৈয়ামৰ লোকৰ সান্দহ, পিঠাগুড়ি, তিলৰ পিঠা, তিলৰ লাডু প্ৰভৃতি সলাই লয়। আন্তৰিকতাপূৰ্ণ মামা সম্বোধনেৰে মেলাৰ আকাশ বতাহ মুখৰিত হয়। দিয়া-লোৱাৰ এনে আন্তৰিকতাপূৰ্ণ পৰিবেশে সম্প্ৰীতি আৰু সমন্বয়ৰ বান্ধ সুদৃঢ় কৰে। ভৈয়ামৰ পৰা সংগ্ৰহ কৰা পিঠা-লাডু-সান্দহেৰে পাহাৰী লোকে আপোন গাঁৱত বিহু পাতে। এই মেলাৰ অন্য এক আকৰ্ষণ হ'ল সমূহীয়া মাছ ধৰা পৰ্ব। শনিবাৰে বিলত সমূহীয়া ভাৱে জাল, পল আদিৰে মাছধৰি এটা উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি কৰাটো চাবলগীয়া। সেইদিনাই পৰম্পৰাগতভাৱে গোভা ৰজাই ডা-ডাঙৰীয়া সকলৰে সৈতে মেলাথলীলৈ

আহি অস্থায়ী ৰাজ দৰবাৰ পাতি মেলাথলীৰপৰা কৰ সংগ্ৰহ কৰে। ৰাজ দৰবাৰলৈ কৰতলীয়, খলা চহৰী, নেলী, কুমৈ, তেতেলীয়া, ডিমৰীয়া, খাইগড়, দমাল, বঘৰা, ঘগুৱা প্ৰভৃতিৰ ৰজাসকলৰ লগতে আহোম ৰজাকো বিশিষ্ট অতিথি ৰূপে নিমন্ত্ৰণ জনায়। কুকুৰা যুঁজৰ লগতে ঐতিহ্যসম্পন্ন তিৱা সংস্কৃতিৰ কেইপদমান সম্পদ ৰাজদৰবাৰত প্ৰদৰ্শিত হয়। এনেদৰেই জোনবিল মেলাই প্ৰতিবছৰে বৰ অসমৰ জনগণৰ সম্প্ৰীতি-সমন্বয় আৰু বুজাপৰাত এক বিৰল ভূমিকা লৈ আহিছে।

প্ৰ.দা.

**।। জোৰণ (তেলৰ ভাৰ) ।।**

বিয়াৰ আগদিনা উজনি অসমত জোৰণ আৰু নামনি অসমত তেলৰ ভাৰ দিয়া নিয়ম। আজিকালি নামনিতো অৱশ্যে তেলৰ ভাৰ শব্দটো অচিনাকি হৈ আহিছে। মনসা কবি মনকৰে হৰ-গৌৰী বিয়াৰ কালত তেলৰ ভাৰ দিয়াৰ যি জীৱন্ত চিত্ৰ আঁকিছে, সি আজিলৈ নিষ্প্ৰভ হোৱা নাই। আহোম ভাষাত জোৰণক কোৱা হয়— জুৰণ, অৰ্থ একেলগে বাস কৰা।

কন্যা ঘৰলৈ জোৰণ আজি কালি আগবেলাৰ ভিতৰতে পঠোৱা হয়। জোৰণৰ সম্ভাৰ উজনি-নামনিত ধনী-দুখীয়া ভেদে কিছু তাৰতম্য হোৱা দেখা যায়। কন্যাই পিন্ধা সাজ লাগে কেইবাজোৰ। ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কথাৰেই - 'বনকৰা এসাজ, পাতলিবছা এসাজ, উকা পাটৰ কেছবছা ৰিহাৰে এসাজ আৰু নোৱনি সাজ বুলি অনা মুগাৰ ৰিহা-মেখেলা আৰু গুণাৰ পাৰি বছা আশী সূতাৰ চাদৰ', এখন গামোচা, এসাঁজুলি অলংকাৰ, সিন্দুৰ, আৰ্চী-ফণি, দুযোৰ তামোল-কটাৰী, দুটা সুগন্ধি তেলৰ বটল, দুটা মিঠা তেলৰ বটল, দুটা দৈৰ টেকেলি, দুটা মাটিৰ ঘট (আৰৈ চাউল, তামোল-পাণ ঘটৰ ভিতৰত থাকে। মুখত থাকে আম ডালি আৰু বাহিৰত এৰাঁ সূতাৰ মেৰণ তথা সিন্দুৰৰ ফোট) পাটী এটা, দুটা মাহ-হালধি-গাঁঠিয়নৰ টোপোলা, দুশৰাই তামোল-পাণ (নামনিত সম্পূৰ্ণ তামোলৰ থোক এটি) আৰু মাছ এটা। দৰাঘৰৰ সধবা তিৰোতা কেইজনীমানে জোৰণ নি কন্যাঘৰ পোৱাৰ লগে লগে কন্যাঘৰে পদুলিৰ কলপুলিৰ তলৰেপৰা আদৰি নি ৰভাতলীৰ মড়লৰ সোঁহাতে আছুতীয়াকৈ ৰখা দলিচাত বহিবলৈ দিয়ে। ঘৰৰপৰা নিয়া পাটীত দলিচা পাৰি কন্যাক বহুৱায় আৰু কন্যাৰ মাকৰ সৈতে তামোল-পাণৰ শৰাই সলাই কইনাক তামোল-কটাৰী এযোৰ দিয়াৰ পিছত তেওঁৰ মূৰত আঙুঠি ধৰি তেল দিয়ে আৰু মূৰত ফণি লগাই একে উশাহতে তিনিবাৰ কন্যাজনীৰ শিৰত তলৰপৰা ওপৰলৈ সিন্দুৰ দিয়ে। তাৰ পিছত আ-অলংকাৰ পিন্ধায়। সকলো কৰ্ম শেষ হোৱাৰ পিছত কন্যাই ভগৱানলৈ সেৱা আগবঢ়োৱাৰ উপৰি দৰাঘৰ-কন্যাঘৰ উভয়ৰে বয়সীয়াল সকলকো সেৱা কৰে। দৰাঘৰৰপৰা নিয়া এযোৰ তামোল-কটাৰী, মাহ-হালধি আৰু

গাঁঠিয়নৰ টোপোলা এটা, ধৰমৰ ঘট এটা আৰু দৈৰ সৰু টেকেলি এটা কন্যাক চোৱাই দৰাঘৰলৈ ঘূৰাই অনা নিয়ম। দৰাঘৰে কন্যাৰ মাকক এযোৰ সাৰ কাপোৰ দিব আৰু কন্যাঘৰেও দৰালৈ বুলি নোৰনি কাপোৰ এযোৰ পঠাব।

নামনি অসমত বিয়াৰ দুদিন আগতে দৰাঘৰলৈ তেলৰ ভাৰ পঠিয়াই দৰাক আমন্ত্ৰণ কৰা হৈছিল। আজিকালি জোৰণৰ দিনাই সন্ধিয়া কন্যাপক্ষই গৈ 'দৰা বৰণ' কৰি আহে।

না. দা.

।। জোৰা বা গণিকা ।।

সংস্কৃত নাটকৰ অভিনয়ত পূৰ্বৰংগ থাকে - অসমীয়া ভাওনাত থাকে ধেমালি। ভাওনা আৰম্ভৰ পূৰ্বে ধেমালি বজোৱা হয়। বিভিন্ন ধেমালিৰ বাজনাক কোৱা হয় - জোৰা অথবা গায়ন-বায়নৰ জোৰা (কোনো কোনোৱে বোলে গণিকা)। জোৰা উঠা অনুষ্ঠানত খোল-মৃদংগ লৈ আঠ-দহজন বায়ন আৰু ভোৰতাল বজোৱা আঠ-দহজন গায়ন থাকে। জোৰা উঠাৰ আৰম্ভতে হৰিধ্বনি দিয়া হয় আৰু তাৰ পিছত - জোৰাৰ প্ৰৱেশ ঘটে। বায়নসকল বহে, গায়নসকল থিয় দি ৰয়। লগে লগে আৰম্ভ হয় বহি চাহিনি। বহি-চাহিনিৰ পিছত থিয়-চাহিনি। থিয়-চাহিনিত ঘোষা গায়। প্ৰথমতে গায়নসকলে শাৰীপাতি থিয় হৈ একে ঠাইতে পদ-চালনা কৰি থাকে। ইয়াকে বোলে চলনা। গায়নসকলে 'খোল বজোৱা এৰি হাতেৰে সমুখত জলক মাৰে' আৰু এজন, দুজন অথবা তিনিজন বায়নৰ মাজে মাজে অসমীয়া চাৰি (৪) সংখ্যাটোৰ ওপৰত ঘূৰাৰ দৰে সাতবাৰ মান চলনা কৰে। লগে লগে বাদ্যৰ বোলো সলনি হয়। ইয়াক দেখিবলৈ পানী পৰুৱাৰ দৰে হয় বাবে এই অংশক কোনো কোনোৱে পানী পৰুৱা নাচ আখ্যা দিয়া দেখা যায়। আন কোনোৱে ইয়াক ঢেৰা পাক বোলে। ঘোষা সামৰিলে আৰম্ভ হয় ধেমালিৰ।

না. দা.

।। ঝুমকা।।

কাণৰ লতিত ওলোমাই পিন্ধা এবিধ অলংকাৰ। ইয়াৰ ওপৰৰ ফালে কাণৰ লতিত লাগি থকাকৈ এপাহ ফুল বা অন্যান্য চানেকি আৰু লতিৰ তলফালে ওলমি থকা সোণ খটোৱা মণিৰ থোপাৰ এটা আঙুৰৰ থোপা দৰে ওলমি থাকে। ইয়াকো পেঁচা-গজালৰ (স্ক্ৰু) সহায়ত পৰিধান কৰা হয়।

প্ৰ. শ .গো

।। ঝুমুৰ নাচ ।।

মহাপুৰুষ মাধৱদেৱৰ ৰাস-ঝুমুৰাত যি নাচ নচা হয়, সেয়ে ঝুমুৰ নাচ। ৰাস-ঝুমুৰাত থকা পাঁচোটি গীতেই এই নাচৰ গীতৰ নাচত ব্যৱহাৰ হোৱাটো উল্লেখযোগ্য। এই নাচত মাইকী ওৰা অথবা মাইকী পাকৰ অৱস্থিতি শূণ্যৰ ঘৰত। তাৰ বিপৰীতে

আছে মতা-ওৰা, মতা-পাক। চালি নাচৰ দৰে এই নাচৰো ভাগ তিনিটা - ৰামদানি, গীতৰ নাচ আৰু মেলা নাচ। ৰামদানি মুঠতে চাৰিখন। এই গীতবোৰ সদায় বন্ধা ৰাগত গোৱা নিয়ম। যেনে - পাহাৰিয়া, সাৰেংগ আদি। সকলো গীতত যতি-তাল বজোৱাটো আন এটা মন কৰিবলগীয়া বিষয়। পৰিতালত খোল বজাৰ লগে লগে নৰ্তকে সমপাদ স্থানক ভংগিত থিয় দি পতাক হস্ত মাটিত সমানে পাৰি এটি খৰলুটি মৰাটো এই নাচৰ এটি বিৰল বৈশিষ্ট্য। কামৰূপীয় ঢুলীয়াৰ বাহিৰে আন কোনো নৃত্যতে এনেধৰণৰ খৰলুটি মৰা দেখা নাযায়। এই নাচ নৈমিত্তিক প্ৰসংগত নচা হয়। এই নাচৰ সাজ-পাৰ সম্পৰ্কে ড° মহেশ্বৰ নেওগৰ মন্তব্য এনেধৰণৰ ঃ

'নটুৱাই মুৰত গায়নীয়াৰ দৰে ভাটৌ ঠুটীয়া বগা কাপোৰৰ পাগুৰি মাৰে, দীঘল চুলি, সৰু খোপা এটি কৰি শিৰৰ ওপৰত পাগুৰিৰ কাপোৰৰ তলত দিয়া হয়; কিন্তু সি চালি-নাচৰ থকাৰ দৰে ওখ হৈ নাথাকে। গাত কটা ফুলৰ বুকু চোলা। কঁকালত বগা কাপোৰৰ লহঙৰ ওপৰত ফুলাম টঙালি। ডিঙিত মতা-মণি এধাৰ। হাতৰ মুঠিত আৰু বাউসিত বাজু চাৰিপাত। পাৰত নেপুৰ।' (সত্ৰীয়া নৃত্য)।

না. দা.

।। ঝুমুৰ নৃত্য ।।

পেটৰ ভাত মুঠিৰ বাবে সুদূৰ ছোটনাগপুৰৰপৰা অসমলৈ আহি ইয়াৰ চাহ বাগিছাসমূহত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা লোকসকলৰ মাজত চিত্ত বিনোদনৰ বাবে থকা বিভিন্ন লোক নৃত্যৰ ভিতৰত ঝুমুৰ অন্যতম। এই লোকসকলে ভাদ মাহৰ একাদশী তিথিত অনুষ্ঠিত কৰা কৰম পূজাৰ অপৰিহাৰ্য অংগ ৰূপে পৰিৱেশন কৰে ঝুমুৰ নৃত্য। অৱশ্যে ভাদ্ৰ-একাদশীৰ উপৰি বছৰেকত আৰু দুবাৰ কৰম পূজা কৰা হয় আৰু সেই দুটিৰ কালতো ঝুমুৰ নানাচিলেই নহয়। ঝুমুৰ নৃত্য স্ত্ৰীপ্ৰধান হ'লেও পুৰুষেও ইয়াত অংশ গ্ৰহণ কৰে। এই নৃত্যৰ কালত ঢোল, মাদল. তাল, বাঁহী প্ৰভৃতি বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হয়। বাদ্য বায় ডেকাই। ঝুমুৰ গোৱা ডেকাই গীত এটি শেষ, কৰাৰ লগে লগে নাচনী গাভৰুহঁতে গীতৰ অন্তিম দুফাকি পুনৰাবৃত্তি কৰি নৃত্যৰ ছন্দ তোলে - বাদ্য যন্ত্ৰ অবাৰিত ভাৱে চলি থাকে। ঝুমুৰ নচা গাভৰুহঁতে একে লগে হাতত ধৰা ধৰি কৰি এটি দীঘলীয়া শাৰীৰ সৃষ্টি কৰা দেখা যায়। প্ৰথমজনীয়ে দ্বিতীয় জনীৰ বাঁওহাতৰ আঙুলিত নিজৰ সোঁহাতৰ আঙুলিবোৰ সুমাই লৈ নাচে। শাৰীৰ প্ৰথমজনীক কোৱা হয় - আগলি দাড়ী। এই নাচৰ ধাৰা দুটা - দ্ৰুত আৰু ললিত। সাধাৰণ ঝুমুৰ গীতৰ নাচ দ্ৰুত কিন্তু খেমটা জাতীয় গীতৰ নাচ খিনি ললিত। এই অংশত বাদ্যৰ ছেও সলনি হয় আৰু নাচনীয়ে কঁকালুবোৰ অধিককৈ হলায়।

ঝুমুৰ নাচৰ আৰম্ভণিতে শ্ৰীহৰি, ব্ৰজ-নাৰী, ঢোল-মাদল আৰু নৃত্য-ক্ষেত্ৰৰ

উদ্দেশ্যে যথাবিহিত বন্দনা গীত পৰিৱেশন কৰা প্ৰয়োজন। ঝুমুৰ নৃত্য গীতত গোপী-কৃষ্ণৰ বাল্য-লীলা, ৰাস ক্ৰীড়া, কাত্যায়নী ব্ৰত প্ৰভৃতি আধ্যাত্মিক কথাবস্তুৱে মুখ্য স্থান অধিকাৰ কৰাটো তাৎপৰ্যপূৰ্ণ। ইয়াৰ উপৰি 'ব্যক্তিগত বা সমাজগত জীৱনৰ দুখ-কষ্ট, হা-হুতাশৰ ভাৱ থকা বিৰহ-অনুতাপ, লাঞ্ছনা-গঞ্জনা আদি বিষয় বস্তুৱেও ঝুমুৰ নৃত্য-গীতত জীৱন্ত ৰূপত প্ৰকাশ পায়।' (দেউৰাম তাছা)

ঝুমুৰ নৃত্য সন্ধিয়াৰেপৰা পৰিৱেশিত হয়। পিছ নিশা ঝুমুৰৰ সুৰ, তাল আৰু লয়ৰ পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনবোৰক আদৰথীয়া, ঝিংগা ফুলীয়া, ভাৰশলীয়া গীত ৰূপে নামাংকিত কৰা দেখা যায়। ওৰে নিশা নৃত্য-গীত অবাৰিতভাৱে পৰিৱেশন কৰি সূৰ্য উদয়ৰ লগে লগে ডেকা-গাভৰুহঁতে নৃত্যৰ আৰম্ভণিতে পোতা কৰম ডালটো উভালি লৈ ঢোল-মাদলৰ ছেৱে নাচি-বাগি গৈ নৈ অথবা পুখুৰীত বিসৰ্জন দি আহেগৈ। সেই দিনাই সন্ধিয়া কৰম পূজা কৰা লোকসকলে গাঁতৰ কাষত চাকি-বন্তি জ্বলাই একো মুঠিকৈ মাটি দি গাঁতটো পুতি পেলায়। ইয়াকে কোৱা হয় গাড়া ভোতা। কোনো কোনো ঠাইত কৰম পূজা অনুষ্ঠিত হোৱাৰ আঠ দিনৰ দিনাহে গাড়া ভোতা অনুষ্ঠান পাতে। ঝুমুৰ নাচৰ লগত গোৱা দুফাকিমান গীত এনেধৰণৰ -

'বাৰ মাসেৰ বাৰ ফুল ভাদৰ মাসে কিয়াৰে;
কিবা দষে ছাড়ে গেল অভাগিনীৰ পিয়াৰে।'
'আম ফলে ঝপাঝা তেতুল ফুলে ঝাঁকাগ',
পুৰুব দেশে দেখি আইলাম ডাঁড়ী হাঁথে শাঁ খাগ'।।

(নাৰায়ণ ঘাটোৱাৰ ঃ বনুৱাৰ সাংস্কৃতিক জীৱনত এভূমুকি)

না. দা.

।। টকা ।।

'টকাৰ সৰু সৰু মাতে হৰি হৰি টকাৰ সৰু সৰু মাত,
টকাৰ মাতে শুনি ৰযকে নোৱাৰি এৰি যাওঁ পেটৰে ভাত।' - টকাক (কা. থৰ্কা) আদিম ঘনবাদ্য আখ্যা দিব পাৰি। নৃত্য-গীতত ইয়াক প্ৰয়োগ কৰাৰ উপৰি সংগীতৰ সৈতে সম্পৰ্ক নথকা দুই-এটা কামতো ইয়াৰ ব্যৱহাৰ আছে। প্ৰায় একমিটাৰ দৈৰ্ঘৰ জাতি বাঁহ এডালৰ এটা গাঁঠি ৰখা প্ৰয়োজন। আনটো মূৰতো গাঁঠি নথকা নহয়। পিছে তাক দীঘে দীঘে দুই নম্বৰ গাঁঠিৰ ওচৰলৈ ফালিব লাগে। নফলা মূৰটোৰ প্ৰথম প্ৰান্তৰ দুফালে কোণীয়াকৈ অলপ চাঁচি লৈ তাক হাতেৰে ধৰিবপৰা কৰা দৰকাৰ। চাঁচি চিকুণাই লোৱা এই অংশটোতে দুয়োখন হাতেৰে ধৰি লৈ এফাল বাঁহেৰে আনটো ফালত কোবাই টক্ টক্ শব্দ কৰি বাদ্যটো বজোৱা হয়। বিহু মাৰোঁতে টকা নহ'লেই নহয়। বিহু গীতত আছে -

'ঔৰে গছতে মৌৰে বাঁহে ল'লে ককাই পাৰি দিয়া খাওঁ;
বাঁহৰে টকাটি সাজি দিয়া ককাইটি বিহু মাৰিবলৈ যাওঁ।' নাইবা
'সৰুটি পিলিঙাই টকা সাজি দিবা বিহু মাৰিবলৈ লাগে।'

কামৰূপৰ মহ খেদা গীতত টকাৰ ব্যৱহাৰ আছে। বি. চৈতন্য দেৱে ভাৰতীয় বাদ্য যন্ত্ৰত উল্লেখ কৰিছে যে, মহীশূৰৰ কোনো কোনো অঞ্চলত 'টকাৰ দৰেই এবিধ বাদ্য হাতী ধৰা কামত ব্যৱহাৰ হয়। ত্ৰিপুৰাত তন্ত্ৰীযুক্ত এবিধ টকা আছে। তাৰ নাম - লেবাংগুমানি।

না. দা.

।। টাই-আহোম চিত্ৰশৈলী ।।

মধ্যযুগীয় অসমীয়া চিত্ৰশৈলীৰ এটা শৈলী টাই-আহোম শৈলী ৰূপে পৰিচিত। অৱশ্যে এই শৈলীটো লুইতৰ পাৰৰ পলসুৱা মাটিত গজালি মেলি বিকশিত হোৱা নাই - বহিঃ ভাৰতৰপৰা ইয়ালৈ অহা এই চিত্ৰাংকন শৈলী উজনিৰ বৌদ্ধবিহাৰসমূহৰ ভিতৰতে সীমাবদ্ধ। এই শৈলীত চিত্ৰিত মাত্ৰ দুখনি পুথিচিত্ৰ উদ্ধাৰ হৈছে— ফুং চিন (১৪৭৩খ্ৰী.) আৰু চুক্-টাস্ত-কিম্পং (১৫২৩ খ্ৰী.)। শেষৰখনি বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত। ফুং চিঙৰ লেখক আৰু চিত্ৰকৰ-একেজন লোকঃ নাম-চাও কিয়াং শ্বেন। দ্বিতীয়খনিৰ লেখক নোজা কিং। লোহিত সীমান্তৰ বৌদ্ধবিহাৰসমূহত এতিয়াও টাই আহোম শৈলীত পুথি চিত্ৰিত হয়। আলোচিত পুথিদুখনত আহোমসকলৰ সৰগ-নৰকৰ বৰ্ণনা, নৈসৰ্গ পূজা আৰু হীনযান বৌদ্ধ মতৰ কথা চিত্ৰিত হৈছে। পটভূমি চিত্ৰণৰ প্ৰতি অমনযোগ, পৰিপ্ৰেক্ষি গুণৰ অভাৱ, উচ্চ মৰ্যাদাসম্পন্নজনক ডাঙৰকৈ আৰু সৰুলোকসকলৰ সৰুকৈ অংকন কৰা প্ৰযত্ন, যিকোনো একাষে হালি পৰা মূৰ, বিভিন্ন মুদ্ৰাৰ সংযোগ, জোঙা দীঘলীয়া আঙুলিৰ মনোৰম চিত্ৰণ, পুতলাৰ দৰে দেহাৱয়ৱৰ ছলমান নৰ-নাৰীৰ ৰূপাংকন-এই চিত্ৰশৈলীৰ কেইটিমান উল্লেখ কৰিবলগীয়া বৈশিষ্ট্য। অন্যান্য ৰঙৰ লগতে সোণালী ৰঙৰ মেলন — এই চিত্ৰশৈলীৰ আন এটি উল্লেখযোগ্য কথা (ৰজতানন্দ দাশগুপ্ত-ইষ্টাৰ্ণ ইণ্ডিয়ান মিনিস্ক্ৰিপট্ পেইন্টিং) খ্ৰীষ্টীয় ১৭৮২ ত চিত্ৰিত তৃতীয়স্কন্ধ ভাগৱতৰ চিত্ৰিকা ৰাজিকো ড° দাশগুপ্তই টাই আহোম শৈলীত চিত্ৰিত বুলিলেও সেইখনিৰ চিত্ৰিকাৰাজি যথাৰ্থতে দৰঙী চিত্ৰশৈলীৰহে।

না.দা

।। টাই ফাকিয়ালৰ বিয়াবাৰু।।

উজনি অসমত বসবাস কৰা টাই ফাকিয়াল লোকসকল বৌদ্ধধৰ্মী লোক। টাইফাকিয়ালসকল বৌদ্ধধৰ্মী হ'লেও বিয়াবাৰুৰ ক্ষেত্ৰত বিশেষভাৱে পৰিচয় দিছে অসমীয়া সমাজৰ দৰেই। টাইফাকিয়াল সকলৰ মাজত জোৰোণ দিয়াৰ নিয়ম আছে। ফাকিয়াল

সকলৰ সমাজত ল'ৰাৰ ঘৰৰ পৰা ছোৱালী ঘৰলৈ গৈ দিন-বাৰ ঠিক কৰি আহে। আৰু দিনমতে জোৰোণ দি আহে। জোৰোণ দিওতে আঙঠি, খাৰু আদি পিন্ধাব লাগে। আন জনগোষ্ঠীৰ দৰে এওঁলোকৰ সমাজতো বিয়াত গা-ধন দিয়াৰ নিয়ম আছে। প্ৰয়োজন অনুসৰিহে গা-ধন দিব লাগে। বিৰিঞ্চিধৰ বুঢ়াগোহাঁইদেৱে টাইফাকিয়াল সংস্কৃতি আৰু আহোম সংস্কৃতিপৰাই অসমীয়া সমাজৰ বাকী জনগোষ্ঠীলৈ বৈবাহিক ক্ষেত্ৰত এনেধৰণৰ নিয়ম অহা বুলি গুৰুত্বপূৰ্ণ মৌখিক মন্তব্য আগবঢ়াইছে। টাই সমাজত ল'ৰাৰ ঘৰলৈ ছোৱালী আনি নিজৰ নিয়মত বিয়া পাতে। বিয়াৰ পিছত ছোৱালীয়ে ল'ৰাৰ কুলৰ পৰিচয় লাভ কৰে। এওঁলোকৰ সমাজত বহুবিবাহ প্ৰথা পূৰ্বৰেপৰা প্ৰচলিত। বিধবা বিবাহ ফাকিয়াল সমাজৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ছোৱালী পলাই গ'লে সমাজৰ আগত গা-ধন দি বৈবাহিক সম্বন্ধ স্থাপন কৰে।

(উৎস ঃ সৰ্বানন্দ ৰাজকুমাৰ- ফাকিয়াল, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিতঅসমৰ জনজাতি আৰু বিৰিঞ্চিধৰ বুঢ়াগোহাঁই, অৱসৰপ্ৰাপ্ত প্ৰবক্তা, দৰ্শন বিভাগ,মৰিগাঁও মহাবিদ্যালয়)।

প.কু. ডে.

**।। টাইফাকেৰ টোপোলা ভাত।।**

অসমৰ ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, জয়পুৰ আদিৰ উপৰি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা, লিডু প্ৰভৃতি অঞ্চলত বসবাস কৰা শ্যামচীন গোষ্ঠীৰ টাইফাকেসকলে টোপোলা ভাত (তেওঁলোকৰ ভাষাত শখাও) প্ৰস্তুত কৰাত সিদ্ধহস্ত। বিভিন্ন উছৱ-পৰৱত নিজে খোৱাৰ উপৰি আলহী অতিথিকো আপ্যায়ন কৰা শখাওৰ প্ৰস্তুতকৰণ এনে ধৰণৰ ঃ ভিন্ন আকাৰৰ (এটা ডাঙৰ এটা সৰু) দুটা মাটিৰ পাত্ৰ। ডাঙৰ পাত্ৰটো চৌকাত বহাই লৈ তাৰ আধা অংশ পানীৰে ভৰাই কলহটোৰ মুখখন এখন তিতা কাপোৰেৰে ঢাকি তাৰ ওপৰত আকাৰত সৰু দ্বিতীয়টো কলহ বহাব লাগে। এই কলহটোৰ তলিখনত কিছুসংখ্যক সৰু সৰু ফুটা কৰা প্ৰয়োজন। কলহটোত পানীত তিওৱা লাহি চাউল জোখ মতে ভৰাই লৈ সেইটোৰ মুখখনত বতাহ সোমাব নোৱাৰাকৈ এখন ঢাকনি দিব লাগে। চৌকাত জুই দিলে তলৰ কলহটোৰ পানী উতলি সৃষ্টিহোৱা ভাপ ওপৰত পাতি থোৱা বহুছিদ্ৰযুক্ত কলহটোৰ তলীৰে সৰকি গৈ পানীত তিওৱা চাউলসমূহ কিছু সময়ৰ মূৰত সিজাই পেলায়। সিজোৱা চাউলবোৰ ভাতৰ আকাৰ লোৱাত সিবোৰ গৰমে গৰমে কৌপাতত টোপোলাকৈ বান্ধি পেলোৱাৰ পিছতে সি শখাও আখ্যা পায়। ভাপত সিজা কৌপাতত বান্ধা শখাওৰ স্বাদ পাহৰিব নোৱাৰা।

জ্যো. দা.

**।। টাং ভোটা।।**

টাং ভোটা চেমনীয়া ল'ৰাৰ মাজত প্ৰচলিত এটি জনপ্ৰিয় খেল। এই খেল সাধাৰণতে ধান চপোৱাৰ পিছত মুকলি পথাৰত খেলা হয়। অসমত বিশেষকৈ মধ্য আৰু উজনি অসমত বাসকৰা অসমীয়া আৰু আন জনজাতি লোকৰ মাজত এই খেলৰ প্ৰচলন বেছি। এবেগেত বা তাতকৈ কিছু চুটি কাঠ বা বাঁহৰ টুকুৰা এটাৰ এটা মূৰ এঢলিয়াকৈ কাটি লোৱা হয়। খেলুৱৈবোৰৰ হাতত একোডাল মোটা লাঠি থাকিব। এটা সৰু গাঁত কৰি তাত এঢলিয়াকৈ কটা টুকুৰাটো অৰ্থাৎ টাং-ভোটাটো ৰাখিব আৰু লাঠিৰে কোব মাৰি দিব। টাং ভোটা লগে লগে ওপৰলৈ গতি কৰিব। ওপৰতেই প্ৰথম খেলুৱৈজনেই লাঠিৰে পুনৰ কোব মাৰি টাং ভোটাটো দূৰলৈ মাৰি পঠিয়াব। আন খেলুৱৈয়ে মাটিত পৰাৰ আগেয়ে সেইটো পুনৰ কোব মাৰি আন দিশলৈ মাৰি পঠিয়াব। যদিহে কোনেও টাং ভোটা কোবাব নোৱাৰাৰ ফলত ভোটাটো মাটিত পৰে, তেতিয়া যিজনে টাংটো মাৰিছিল তেওঁ টাংটো পৰা ঠাইৰপৰা নিজৰ হাতৰ লাঠিৰে আৰম্ভণিৰ সৰু গাঁতটোলৈ কেই লাঠি হ'ব হিচাপ কৰিব আৰু সেয়ে হ'ব তাৰ নম্বৰ। একেদৰে বেছি নম্বৰ পোৱাজন খেলৰ শ্ৰেষ্ঠ খেলুৱৈ হয়। গো. সু.

**।। টাংখুল সকলৰ বিয়াবাৰু।।**

বিভিন্ন নগা জনজাতিৰ সমাজক তুলনামূলকভাৱে বিচাৰ কৰি চালে বিবাহৰ ক্ষেত্ৰত টাংখুল নগা জাতিৰ বৈশিষ্ট্য গুৰুত্বপূৰ্ণ। টাংখুল জনজাতিত বিভিন্ন ফৈদ থকা দেখা যায়। টাংখুল সমাজত একে ফৈদত বিবাহ হ'ব নোৱাৰে। বেলেগ ফৈদ বিচাৰি ল'ৰাই ছোৱালী আনিব লাগে। টাংখুল সমাজত ছোৱালী বিয়া কৰালে গা-ধন দিয়া প্ৰথা প্ৰচলিত আছে। বিয়াৰ আগলৈকে ল'ৰাই ঘৰৰ সম্পত্তি আৰু সমাজৰ বিষয়বাবত অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। টাংখুল নগাৰ সমাজত বহুবিবাহ প্ৰথা প্ৰচলিত আছে। প্ৰয়োজন সাপেক্ষে বৰলা আৰু বিধবা নাৰীয়ে পুনৰ বিবাহ কৰাব পাৰে। বিবাহৰ পিছত ল'ৰাই পিতৃক পুৰণি গৃহৰপৰা আঁতৰাই নতুন গৃহলৈ পঠিয়াই দিয়ে। টাংখুল সমাজত বিশ্বাস আছে যে পত্নীৰ স্বাভাৱিক মৃত্যু হ'লে পিছৰ জনমত পুনৰ সেইজনী পত্নীকে লাভ কৰে। অৱশ্যে ইয়াৰ কাৰণে স্বামীয়ে পত্নীৰ বাবে কিছু নিয়ম কৰিব লাগে। এই সমাজৰ বিবাহ হ'লে খেল-ধেমালি হয়। মালযুঁজ বিবাহৰ প্ৰধান খেল বুলিব পাৰি। যুঁজৰ হুৰা-জিকাই ভাল-বেয়াৰ সংবাদ জনসমাজক দিয়ে।

(উৎস ঃ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সম্পা. অসমৰ জনজাতি)

প.কু. ডে.

**।। টুকুৰীয়া পূজা ।।**

দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ এটি উল্লেখযোগ্য বাৰ্ষিক ধৰ্মানুষ্ঠান হ'ল

টুকুৰীয়া পূজা। বনগাঁও মৌজাৰ খাটলপাৰা গাঁৱৰ এই পূজা প্ৰখ্যাত। এই উৎসৱ চাৰি দিনীয়াকৈ অনুষ্ঠিত হয়। পূজাৰ বাবে প্ৰায় তিনি মিটাৰ ওখ আৰু ছয়মিটাৰ বহল এখনি বৃত্তাকাৰ কলৰ দোনাৰ থাপনা সজা প্ৰয়োজন। থাপনাখনিৰ সোঁমাজত এটি কলপুলি পোতা দৰকাৰ। বৃত্তাকাৰ থাপনাৰ চাৰিওফালে কলদোনাৰেই সাত খলপীয়া মজু এটি সাজি তাৰ গাত কুৰিখন হাত, মূৰত সৰ্প ফণা আৰু তলত ছাগলীৰ মূৰৰ প্ৰতীকীৰূপ কৰি তাৰ লগতে এখনি ভূৰো সাজে। এই ভূৰৰ গৰাকিনী হ'ল - মনসাৰ ন ভনীৰ অন্যতমা সুপনী। মজুৰ ওচৰত লাঙাবুঢ়া (মহাদেৱ) আৰু অন্যান্য দেৱতাৰো আসন সজা নিয়ম। চলিত ভাষাত আসনবোৰক কোৱা হয় - মাল্লা।

জয়জয়তে দেওধনীয়ে হাঁহ এটি মাৰি সুপনীলৈ আগবঢ়ায়। তাৰ পিছত প্ৰসাদ আৰু বলিৰবাবে অনা জীৱ-জন্তুবোৰ কলপাত পাৰি আগবঢ়াব লাগে। এই পূজাত এটা গাহৰি, দুযোৰ পাৰ, তিনিটা হাঁহ আৰু তিনি-পাঁচযোৰ কুকুৰা বলি দিয়া প্ৰয়োজন। পূজা আৰম্ভ হয় টুকুৰীয়া গীতেৰে। গীতৰ সুৰে সুৰে চলে দেওধনীৰ অবিৰাম নৃত্য। দেওধনীয়ে নাচি নাচি ভঁৰালৰপৰা ধূপ-দীপ আনি থাপনাত আগবঢ়ায়।

পূজা আৰম্ভ হয়। গায়কে খুঁটি-তাল বজাই - গীত গাই পূজা ভাগ আগবঢ়াই নিয়ে। টুকুৰীয়াসকলে জয়জয়তে গায় ন-ভনীৰ আৱাহনী গীত। তাৰ পিছত সৰস্বতী বন্দনা। সকলো দেৱ-দেৱীক গীতেৰে আহ্বান জনোৱাৰ পিছত জনোৱা হয় - উত্তৰপাৰৰপৰা লাঙাবুঢ়াক। কেঁচাইখাইতী, কাছু-কামুৰী, চুৰিখা - কামাখ্যা, সুবচনী প্ৰভৃতি দেৱীলৈ প্ৰসাদ আৰু বলি আগবঢ়োৱাৰ শেষত সকলো দেৱীকে গীতৰ মাধ্যমেৰেই বিদায় দিয়া প্ৰয়োজন -

'গাই আহিলু বাই আহিলু/গাই আহিলু গীত/ 'আই নাৰায়ণী যাওঁ হে/ আপুনাৰ থানক লেগি//' সৰ্বশেষ বিদায় দিয়া দেৱতাজন হ'ল - যমৰাজ। পিছ ফাললৈ প্ৰসাদ দলিয়াই তেওঁক বিদায় দিব লাগে। পূজাৰ শেষত উপস্থিত ৰাইজে প্ৰসাদ খায় আৰু কলদোনাৰ মজু পানীত উটুৱাই দি পূজাৰ বছৰেকলৈ ইতিৰেখা টানে।

(সূৰ্যকুমাৰ মজুমদাৰৰ দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি গ্ৰন্থৰ আধাৰত)

না. দা.

।। টুখ্রং।।

টুৱেচাঙৰপৰা বৰ্মাৰ সীমান্তলৈকে জুৰি থকা পাটকাইৰ ওখ শাৰীবোৰত বসবাস কৰা ৱাঞ্চোসকলৰ মুৰাং বা ডেকা চাঙৰ নাম টুখ্রং। পুৰণি কালত ডেকাইঁতে নৰমুণ্ড চিকাৰ কৰি সিবোৰ বীৰত্বৰ চিনৰূপে টুখ্রঙত সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছিল। অকল ইমানেই নহয় শত্ৰুৰ হাতখনো আঙুলিৰে সৈতে মুৰাঙৰ খুঁটাত বান্ধি ৰখাটো এটা নিয়ম আছিল। টুখ্রঙত প্ৰায় ন মিটাৰ দৈৰ্ঘৰ নৌকা আকৃতিৰ কাঠৰ একোটি ঢোল

(খ্রাম) থাকে, যাৰ বাদন ধ্বনি শুনাৰ লগে লগে ৰাইজ শত্রুৰ বিপক্ষে থিয় দিবলৈ সাজু হয়। খ্রামত চিত্রিত থাকে নৰমুণ্ড, ৰংবিৰঙৰ চৰাই, জন্তুৰ মূৰ আৰু সাপ। ৰাঙ্গো ডেকাইঁতে এই ডেকা চাঙতে কাঠৰ মূর্তি, পুতলা, হোকা, ধোঁৱাখোৱা, বাঁহৰ জাপি, বিভিন্ন পাত্র, সফুঁৰা, পেটী, বেতৰ হাৰ প্ৰভৃতি সজাৰ সুন্দৰ প্ৰশিক্ষণ লাভ কৰে। একেদৰে গাভৰুহঁতে লাভ কৰে গছৰ আঁহ আৰু কপাহৰ পৰা সূতাকটা আৰু বিধে বিধে ৰং বিৰঙৰ কাপোৰ বোৱাৰ প্ৰশিক্ষণ পায়। ৰাঙ্গো গাভৰুৰ বাবে সুকীয়া চাং নাই। টুখ্রঙৰ লগতেই তেওঁলোকৰ বাবে এটা সুকীয়া ঘৰ থাকে। এগৰাকী বুঢ়ীয়ে তেওঁলোকৰ দায়িত্ব লয়। গাভৰু থকা নাউচা জুপ হামত ল'ৰাৰ প্ৰবেশ নিষিদ্ধ নহয়। বৰঞ্চ সেই গৃহত ডেকা-গাভৰুৱে বিভিন্ন দ্ৰব্য সম্ভাৰ বিনিময়ৰ সুবিধা পায়- ৰাতি-দিনে মিলামিচাৰ সুযোগ গ্ৰহণ কৰে। হ'লেও তেওঁলোকে নিজা ফৈদৰ মাজত কোনোদিনে দৈহিক সম্পৰ্ক নাৰাখে, বৰঞ্চ আপোন ভাই-ভনী জ্ঞান কৰি একেলগে নৃত্য-গীততো ভাগ নলয়।

(অসমৰ জনজাতি আৰু অসম সাহিত্য সভা পত্ৰিকা সপ্তত্ৰিংশ বছৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত লোকেশ্বৰ গগৈৰ নিবন্ধৰ আধাৰত যুগুতোৱা।)

না.দা.

**।। টুচু পৰব ।।**

অসমৰ চাহ-মজদুৰ জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত টুচু পৰব ঘাইকৈ স্ত্রী প্ৰধান উৎসৱ। এই উৎসৱ মাঘ বিহুৰ উৰুকাৰ দিনাই আৰম্ভ হৈ মকৰ-সংক্ৰান্তিৰ দিনা সামৰণি পৰে। টুচু পূজা বংগদেশত প্ৰচলিত তুচলা বা তুচলী পূজাৰ ৰূপান্তৰ বুলি কিছুমানে মত প্ৰকাশ কৰিছে। টুচু পৰৱক আন কিছুমানে আকৌ কৃষি লক্ষ্মী বা নবান্ন উৎসৱ বুলিও অভিহিত কৰে। সংস্কৃত ভাষাৰ 'তোষ' ধাতুৰ পৰাও 'টচ্' বা 'টুচু' শব্দৰ উৎপত্তি হৈছে বুলি কোনো কোনোৱে কয়। পুহ মাহত আৰম্ভ হোৱা কাৰণে এই পৌষ পৰব বুলিও কোৱা হয়।

চাহ শ্ৰমিকসকলৰ মাজত টুচু এগৰাকী দেৱীৰূপে পূজিতা হৈ আহিছে। ব্ৰাহ্মণ পূজাৰীবিহীন টুচু পূজাত পূজা পৰিচালনাৰ বাবে কোনো এঘৰৰ ছোৱালী এজনীক টুচুৰ মাক পাতি লোৱা হয়। গছৰ পাতেৰে সজা চৌড়ল বা দোলাৰ ভিতৰত টুচুদেৱীক ৰাখি টুচুমাৰ ঘৰত দেৱীক প্ৰতিষ্ঠা কৰা হয়। অৱশ্যে ঠাই বিশেষে চৌড়লত মূৰ্তি স্থাপন কৰা নহয়। টুচুক শস্যৰ দেৱী বুলি পূজা কৰা হয় যদিও, শিৱৰ জীয়েক, মনসাৰ ভনীয়েক, কালী, দুৰ্গা, সীতা, সাবিত্ৰী আদিৰ ৰূপতো কল্পনা কৰা হয়। বিবিধ ফুল, ফলমূল, আখৈ, বাতাচা, ধূপ-ধূনা আদি নৈবেদ্যৰে দেৱীক অৰ্চনা কৰা হয়। ভোগালী বিহুৰ দৰে টুচু পৰবতো চাহ-মজদুৰ লোকসকলৰ প্ৰতি ঘৰতে পিঠা-পনা আদি কৰে

আৰু আত্মীয় স্বজনক নিমন্ত্ৰণ কৰি আনি খুৱাই আনন্দ লাভ কৰে। টুচু পূজাৰ সামৰণিৰ দিনা আবেলি চাহ-শ্ৰমিক নাৰীসকলে নানাধৰণৰ টুচুগীত গাই নৈ বা পুখুৰীত টুচুদেৱীক চৌড়ল সহিতে বিসৰ্জন দিয়ে।

টুচু পূজাত গোৱা বেছিভাগ গীতেই প্ৰণয়মূলক। বিহুগীতৰ দৰে টুচু গীত বিলাকতো যৌৱন-সুলভ কামনাৰ সহজাত প্ৰকাশ আছে, প্ৰেমৰ আকুতি আছে। এই গীতবোৰ স্বাভাৱিকতে স্পন্দন উদ্বেলিত, মাধুৰ্যপূৰ্ণ। তদুপৰি গীতবোৰ বিভিন্ন ধৰ্মী উপমানে সুসমৃদ্ধ -

আল ধানেৰে পাতলা চিউড়া গামচা বান্ধা দহি গ'
খাবাৰ বেলায় মনে পড়ে আমাৰ প্ৰাণেৰ সখী গ'।

টুচু পূজাৰ গীতসমূহত চাহ জনজাতীয় জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। মুঠতে টুচু পৰৱ চাহ-মজদুৰ জনজীৱনৰ লগত জড়িত এক স্বতঃ সম্পূৰ্ণ ঋতুকালীন উৎসৱ।

বি. ভ.

**।। টুৰুং সকলৰ চ্‌দগ্নী ।।**

ৰন্ধন প্ৰণালীক টুৰুং ভাষাত চ্‌দগ্নী বুলি কোৱা হয়। টুৰুংসকলৰ প্ৰধান আহাৰ ভাত আৰু ইয়াৰ বাবে তেওঁলোকে নানা ধৰণৰ ধানৰ খেতি কৰে। বৰা ধানৰ ভাত টুৰুংসকলৰ অতি প্ৰিয়। বৰা চাউলৰ ভাত ৰন্ধা প্ৰক্ৰিয়াটো অলপ সুকীয়া। বৰা ভাত ৰন্ধা পাত্ৰটোক পুংখং বুলি কোৱা হয়। বৰা ভাত বনালে জুইৰ ওপৰত ইংদি (বটুৱা) এটাত পানী অলপ দি তাৰ ওপৰত পুংখংটো বহুৱাই তাত তিয়াই ৰখা চাউলখিনি দি ঢাকনিখন মাৰি দিয়া হয়। ভাত সিজাৰ পিছত এখন বহল পাত্ৰত ভাতবোৰ মেলি দিয়া হয় আৰু পিছত কৌপাতত সেই ভাত টোপোলা কৰি বান্ধি দিয়ে। এনে ভাতক চাৎমুকায় (টোপোলা ভাত) বোলে। চাৎমুকায়ৰ লগত পোৰা মাছৰ পিটিকা; আদা, নহৰু জলকীয়া আদি দি কেঁকোৰাৰ চাটনি, আলু বেঙেনা পিটিকা আদি জুতি লগা খাদ্য পৰিবেশন কৰা হয়। টুৰুংসকলে দল বান্ধি হাবি বা পাহাৰলৈ গৈ বিভিন্ন শাক-পাচলি আৰু তেওঁলোকৰ অতি প্ৰিয় খাদ্য কাঠফুলা সংগ্ৰহ কৰে।

টুৰুংসকল আমিষভোজী। গাহৰি আৰু কুকুৰাৰ মাংস তেওঁলোকৰ অতি প্ৰিয় খাদ্য। তেওঁলোকে ভাতৰ লগত ব্যঞ্জন হিচাপে টেঙা আৰু তিতাক বেছি প্ৰাধান্য দিয়ে। বাঁহৰ গাজৰপৰা তৈয়াৰ কৰা খৰিচা টেঙা আৰু বেতগাজ, শুকলতি, ভেকুৰি তিতা আদি তেওঁলোকৰ পৰিচিত খাদ্য। তেলৰ ব্যৱহাৰ নকৰাকৈ খাদ্য প্ৰস্তুত কৰাটো তেওঁলোকৰ ৰন্ধন প্ৰণালীৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। বজাৰত পোৱা বিভিন্ন ধৰণৰ মছলাৰ পৰিৱৰ্তে তেওঁলোকে বাৰী আৰু হাবিৰপৰা সংগ্ৰহ কৰা ৰাখিৱান, নাদাংৱান আদি বিভিন্ন ধৰণৰ মছলা জাতীয় গছৰ পাত বা ফুলহে ব্যৱহাৰ কৰে। টুৰুংসকলৰ মাজত বিভিন্ন ধৰণৰ

পিঠা -পনা আৰু জলপানৰ ব্যৱহাৰো আছে। খাওলাম (চুঙাভাত), খাওমুন (চুঙাপিঠা), টংটেপ (তৰাপাত বা কৌপাতত বান্ধি প্ৰস্তুত কৰা পিঠা) আদি তেওঁলোকৰ উল্লেখযোগ্য পিঠাপনা। তিয়াই ৰখা বৰা চাউলৰ লগত নাৰিকলৰ গুড়ি, চেনি আদি মিহলাই এবিধ বিশেষ বাঁহৰ চুঙাত ভৰাই মুখখন সোপা দি জুইত সেকি খাওলাম পিঠা তৈয়াৰ কৰা হয়। খাওমুন প্ৰস্তুত কৰা প্ৰণালীটো খাওলামৰ সৈতে একে; ইয়াত মাত্ৰ চাউলৰ সলনি পিঠাগুড়ি দিয়া হয়। টংটেপ বনাওতে পিঠাগুড়িৰ লগত নাৰিকল আৰু চেনি মিহলাই সেইবোৰ সৰু সৰুকৈ তৰাপাত বা কৌপাতত বন্ধা হয়। তাৰ পিছত উতলি থকা বটুৱা এটাৰ মুখত খৰাহি এটা পাতি দি তাত পিঠাবোৰ থৈ ওপৰত কলপাতেৰে ঢাকি দিয়ে। পিঠাবোৰ সিজিলে খৰাহিৰ পৰা নমাই পৰিৱেশন কৰা হয়।

(অসমীয়া প্ৰতিদিন কাকতৰ এনাজৰী ১৪ জুলাই,২০০৭ত প্ৰকাশিত অঞ্জলি চুতীয়া শইকীয়াৰ টুৰুংসকলৰ চদ্‌গ্ৰী শীৰ্ষক নিবন্ধৰ আধাৰত যুগুতোৱা।)

কি.ক.

।। টেকেলি পিঠা ।।

টেকেলি পিঠা সাজিবলৈ সহজ। আৰৈ চাউলৰ পিঠাগুড়ি, ৰোকা নাৰিকল আৰু চেনি ভজা মিশ্ৰণ অথবা ভজা তিল আৰু গুড়ৰ মিশ্ৰণ হ'লেই এইবিধ পিঠা সাজিব পাৰি। প্ৰথমে মধ্যমীয়া মাটিৰ টেকেলি এটাত পেটলৈকে পানী পূৰাই জুইৰ ওপৰত থ'ব লাগে। আৰৈ চাউলৰ পিঠাগুড়ি এটা ডাঙৰ পাত্ৰ অথবা ডলাত লৈ অলপ নিমখ মিহলাই চেঁচা পানী ছটিয়াই ভালদৰে সানি অলপ অলপকৈ চালনিৰে চালি পানী উতলোৱা টেকেলি এটাৰ মুখেৰে সৰকি নোযোৱা বাটি এটাত এখন বগা পাতল কাপোৰ পাৰি পানীমোহাৰি লোৱা পিঠাগুড়ি এতৰপ দি দ্বিতীয় তৰপত নাৰিকল, চেনি অথবা তিল গুড়ৰ মিশ্ৰণ দি তৃতীয় তৰপত আকৌ পিঠাগুড়ি দি অলপ টিপিলৈ কাপোৰখনত মুঠি মাৰি টেকেলিটোৰ মুখত বহাই দিব লাগে। কিছু সময় পিছত পিঠাখন সিজিলে নমাব লাগে। মাজত নাৰিকল, চেনি অথবা তিল- গুড়ৰ মিশ্ৰণ নিদিয়াকৈ টেকেলি পিঠা সাজিব পাৰি। আজিকালি টেকেলিৰ মুখত দিয়াতকৈ টিপতৰ মুখত দিহে এই বিধ পিঠা প্ৰস্তুত কৰাত অগ্ৰাধিকাৰ দিয়া দেখা যায়। টিপতৰ মুখখনত এটা সোপা দিব লাগে আৰু তাৰ ঢাকনিখনত অলপ তেল বা ঘি সানি পানী মোহাৰি লোৱা পিঠাগুড়ি ভৰাই তাৰ ওপৰত পৰিষ্কাৰ পাতল কাপোৰখন মেৰাই পানী উতলি থকা টিপতটোত ঢাকি দিলে তিনি / চাৰি মিনিটতে ভাপৰ পিঠাখন খোৱাৰ উপযোগী হৈ উঠে।

জ্যো. দা.

।। টেমেকা ।।

'ছা'লেৰে ছোৱা এবিধ সৰু বাদ্য' (চলন্ত অভিধান) ৰত্নকোষত আছে, 'ঢোলৰ

নিচিনা কিন্তু তাতকৈ সৰু এবিধ বাদ্য; ঢোলৰ মাত ডাঙৰ, টেমেকাৰ সৰু ; গতিকে ঢোলৰ লগত টেমেকা নিমিলে।' ঢোলৰ দৰে টেমেকাৰ খোলটোও কাঠেৰে তৈয়াৰী; হীৰা সকলে প্ৰস্তুত কৰা টেমেকাৰ খোলো নথকা নহয়। অসমীয়াত এষাৰ জনপ্ৰিয় কথা আছে 'ঢোলৰ লগত টেমেকা।' ইয়াৰ তাৎপৰ্য হ'ল- এজন ঢুলীয়াৰ বাবে ঢোলটোৰ যি গুৰুত্ব টেমেকা বা ঢোলৰ মাৰিডালৰ গুৰুত্বও সমান। কাৰণ মাৰিডালেৰেহে ঢুলীয়াই ঢোলৰ কাৰ্যদক্ষতা ফুটাই তোলে। কিন্তু কাৰ্যক্ষেত্ৰত মাৰিডালে ঢুলীয়াৰ গুৰুত্ব নাপায়। ঢোলটো বজোৱাৰ আগতে ঢুলীয়াই ঢোলটো যেনেকৈ আটোমটোকাৰিকৈ ৰাখে ঠিক তেনেদৰে টেমেকা বা মাৰিডালৰ যত্ন নলয়। এডাল মাৰি ভাগিলে মুহূৰ্ততে আন এডাল মাৰি সাজি লয়।

এই কথাটোকে লৈ অসমীয়া সমাজত 'ঢোলৰ লগত টেমেকা' - এই প্ৰৱচনটি চলি আহিছে। ইয়াৰ তাৎপৰ্য হ'ল - কোনো বিশিষ্ট ব্যক্তি বিশেষৰ লগত সদায় ছাঁৰ দৰে ঘূৰি ফুৰা এচাম ব্যক্তি আছে, যিসকল টেমেকাৰ দৰে গুৰুত্বহীন। এওঁলোকক একপ্ৰকাৰে অস্তিত্বহীন অথবা ব্যক্তিত্বহীন বুলি গণ্য কৰা হয়।

ঢোলক আশ্ৰয় কৰি থকা টেমেকাৰ যিদৰে স্বকীয় বৈশিষ্ট্য নাই সিদৰে কোনো প্ৰভাৱশালী ব্যক্তিৰ লগত অৰ্থহীন ভাৱে ঘূৰি ফুৰা লোকৰো কোনো নিজস্ব ব্যক্তিত্ব অথবা অস্তিত্ব নাই।

প. ৰা.

।। টেৰাকটা ভাস্কৰ্য ।।

কেঁচা ইটা বা মৃৎ ফলকত বিভিন্ন মূৰ্তি কাটি তাক জুইত ৰঙাকৈ পুৰি যি শিল্পৰ সৃষ্টি কৰা হয়, সেয়ে টেৰাকটা বা মৃন্ময় ভাস্কৰ্য। প্ৰাক্-আহোম যুগৰ পোৰা মাটিৰ ভাস্কৰ্য কুণ্ডিল নগৰ, দ-পৰ্বতীয়া, গুৱাহাটী, ন-নাথ থান, মৰনৈ, বাঘাপাৰা প্ৰভৃতি স্থানত উদ্ধাৰ হৈছে। কুণ্ডিল নগৰত প্ৰাপ্ত টেৰাকটা ফলকসমূহত স্থানীয় ছাপ স্পষ্ট। চৰাই-চিৰিকতি, দেৱ-মানৱ আৰু বিভিন্ন অলংকৰণ ইয়াৰ বিষয়-বস্তু। টেৰাকটা বিশেষজ্ঞ ডঃ চি. চি. দাশগুপ্তই ভাৰতীয় মৃন্ময় ভাস্কৰ্যৰাজিক যি সাতোটা ভিন্ন স্কুলৰ অন্তৰ্ভুক্ত কৰিছে (অৰিজিন এণ্ড ইভোলুশ্বন অব্ ইণ্ডিয়ান ক্লে স্কাল্পচাৰ) তাৰ ভিতৰত তেজপুৰৰ পোৰা মাটিৰ ভাস্কৰ্যই এটি বিশিষ্ট শৈলীৰ প্ৰতিনিধিত্ব কৰিব পৰাটো গৌৰৱৰ বিষয়। মানৱ-দেহ অৱক্ষয়ৰ স্বাভাৱিকতা আৰু বহাৰ মনোৰম ভংগি দ-পৰ্বতীয়াত উদ্ধাৰ হোৱা মূৰ্তি দুটাৰ লক্ষণীয় কথা। মূৰ্তি যুগলৰ শিৰোচ্ছেদ হোৱাত সিদুটিৰ চিনাক্তকৰণত কিছু অসুবিধা হৈছে যদিও বহাৰ ভংগিলৈ চাই তাক বৌদ্ধমূৰ্তি বুলিবৰ মন যায়। গোৱালপাৰাৰ ডেকা ধোৱা পাহাৰত উদ্ধাৰ হোৱা অৰ্ধভগ্ন দেৱীৰ মূৰ্তি খোদিত ভাস্কৰ্যটি গঠনৰ ফালৰপৰা অনুপম। কৃষ্ণাইত উদ্ধাৰ হোৱা মৃন্ময় ফলকখনিত মূৰ্তি আৰু লতাৰ

অলংকৰণ চকুত লগা। মৰণৈত উদ্ধাৰ হোৱা টেৰাকটা ফলকৰ এখনিত আছে - গছত উঠি বান্দৰে কল খাই থকাৰ চলমান ছবি। আন এখনিত দামুৰীয়ে মাকক পি থকা দৃশ্যটো বেচ জীৱন্ত। কোনো কোনোৱে ইবোৰত মোগল টেৰাকটাৰ প্ৰভাৱ লক্ষ্য কৰিছে।

বাঘাপাৰাৰপৰা সংগ্ৰহ কৰি অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া কিছু সংখ্যক টেৰাকটা ফলকৰ এখনত আছে - কংসই দৈৱকী পুত্ৰক নিধন কৰা দৃশ্য। আন এখনিত চতুৰ্ভুজ বিষ্ণুৰ মূৰ্তি। গৰুৰ এশাৰী পোৱালী, অশ্বাৰোহী সৈন্য, পদুমনিৰ মাজে মাজে চৰি ফুৰা এশাৰী ৰাজহাঁহ, সৈন্যই বৰটোপ চলোৱা প্ৰভৃতি ইয়াত উদ্ধাৰ হোৱা আন মৃন্ময় ফলকৰ বিষয় বস্তু।

অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত এখন টেৰাকটা ফলকত উদ্‌গত হৈছে - হাতী আৰু ঘোঁৰাত উঠি বননিৰ মাজে মাজে বাঘ চিকাৰ কৰাৰ গতিশীল চিত্ৰ। ইয়াত মোগল যুগৰ প্ৰভাৱ স্পষ্ট। আহোম যুগৰ টেৰাকটা ভাস্কৰ্যৰ ভিতৰত জয়সাগৰ পুখুৰীপাৰত থকা ঘনশ্যাম দ'লটোৰ ভাস্কৰ্যসমূহৰ নাম সৰ্বাগ্ৰে উল্লেখনীয়। ইয়াৰ এখনি ফলকত কিছুমান বান্দৰে গছত উঠি খেলি থকা দৃশ্য বেচ জীৱন্ত। আন এখনি ফলকত কেইজনমান নগা লোকে নগা ছোৱালীৰে সৈতে পিঠিত বেতৰ হোৱা লৈ আগবাঢ়ি যোৱা চলমান চিত্ৰ উদগত হৈছে। জয়দৌলত চিকাৰীয়ে হৰিণ চিকাৰ কৰা, হাতী আৰু বাঘৰ যুঁজ, অপৰাধীক চাওদাঙে বধ্যভূমিলৈ নিয়া প্ৰভৃতি বিষয়ৰ টেৰাকটা ফলক দেখা যায়। জয়সাগৰৰপৰা সংগ্ৰহ কৰা কেইটামান বিষ্ণুৰ অৱতাৰ খোদিত ফলক ৰাজ্যিক সংগ্ৰহালয়ত স্থান পাইছে। দুটা ফলকত আছে যথাক্ৰমে মহিষমৰ্দিনী আৰু বেণুগোপালৰ মূৰ্তি। এখন ফলকত দেখা যায় ৰজাৰ ওচৰলৈ চৰাই লৈ যোৱা দৃশ্য। এই ফলকটোত মোগল প্ৰভাৱ স্পষ্ট। জামুগুৰিহাটৰ নন্দীকেশ্বৰ দেৱালয়ত উদ্ধাৰ হোৱা মহিষমৰ্দিনীৰ মূৰ্তিটো দেখাত সুন্দৰ।

শিৱসাগৰৰ জগদ্ধাত্ৰী দ'লৰ বেৰত প্ৰাপ্ত সাতোটা ঘোঁৰাৰে টনা ৰথৰ ওপৰত বহি থকা সূৰ্যৰ টেৰাকটা মূৰ্তিটো সৌন্দৰ্যৰ ফালৰপৰা অনুপম। উত্তৰ গুৱাহাটীৰ দিহিংগিয়া সত্ৰত উৰি যোৱা ভংগিত খোদিত উৰণীয়া সিংহৰ টেৰাকটাখনিৰ সৌন্দৰ্য আজিও অম্লান। চমৰীয়াৰ দ'লটোত কিছু সংখ্যক টেৰাকটা ভাস্কৰ্য আজিও বিদ্যমান। কামাখ্যাৰ মন্দিৰ বিশেষতো ভালেসংখ্যক পোৰামাটিৰ ভাস্কৰ্য দেখিবলৈ পোৱা যায়। সিবোৰত বংগীয় প্ৰভাৱ পৰিছে। এনেদৰে দেখা যায় যে প্ৰাক্ আহোম যুগৰেপৰা আহোম ৰাজত্বৰ অন্তিম তৰংগলৈকে অসমত টেৰাকটা ভাস্কৰ্যৰ অনুশীলন চলিছিল আৰু তাৰে দুই-এটাত অনামী শিল্পীৰ কুশলহস্তৰ পৰিচয় প্ৰোজ্জ্বল।

না. দা.

**।। টোকাৰী ।।**

টোকাৰী ততবাদ্যৰ অন্তৰ্ভুক্ত। পুৰণি অসমীয়া সাহিত্যত টোকাৰীৰ প্ৰয়োগ মন কৰিবলগীয়া - 'টোকাৰী কেন্দৰা ৰুদ্ৰ বিপঞ্চি দোতাৰা বাজে বীণা বাঁশী দোশৰি মোহৰি।' (মাধৱ কন্দলি) টোকাৰীৰ গ্ৰাম্য তাণ্ডৰণ হ'ল - লাও-টোকাৰী। ঘূৰণীয়া লাউৰ টোকোৰা এটাত ফলাবাঁহ এডোখৰ বান্ধি লৈ তাত তাঁৰ এডাল সংযোগ কৰিলেই হৈ পৰে অসমীয়া লাও-টোকাৰী। সাধাৰণ টোকাৰীত লাও খোলৰ পৰিবৰ্তে কাঠেৰে সজা খোল ব্যৱহাৰ কৰা হয়। টোকাৰী বা লাও টোকাৰীত লগোৱা বাঁহ টুকুৰাৰ এটা মূৰত তাঁৰ ডাল লগাবলৈ এটি খুটি থাকে। এই খুটিটো পকাই ইচ্ছামতে তাঁৰডাল টান বা ঢিলা কৰি গায়কৰ সুৰৰ সৈতে মিলাই ল'ব পাৰি। গায়কে হাতেৰে বাদ্যটো ধৰি হাতৰ এটা আঙুলিৰে (তৰ্জনী) তাঁৰত আঘাত কৰি গীতৰ ছন্দৰ সৈতে খাপ খোৱাকৈ সুন্দৰ গুঞ্জন তুলিব পাৰে। দেহ বিচাৰ, ভকতীয়া বা পাৰমাৰ্থিক গীতত টোকাৰী অথবা লাও-টোকাৰী সংগত কৰা হয়। এডাল তাঁৰযুক্ত এইবিধ বাদ্যক কোনোৱে একতাৰা বোলে।

না. দা.

**।। ঠগা ।।**

ঠগা অসমীয়া হস্ত শিল্পৰ এক উৎকৃষ্ট নিদৰ্শন। চন্দ্ৰকান্ত অভিধান মতে ঠগা হ'ল (সংস্কৃত স্থগী) পুথি থোৱা এঠেঙীয়া কাঠৰ আধাৰ। পুথি থোৱা আন এক প্ৰকাৰ আধাৰ পোৱা যায়। ত্ৰিছ- পয়চল্লিশ ছেঃ মিঃ দীঘল তক্তা এখনৰ মাজভাগত বিশেষ প্ৰক্ৰিয়াৰে কাটি তক্তাখনৰ মাজেদি ফালি দুভাগ কৰা হয়। দেখিবলৈ দুখন তক্তা সংযোগ কৰি তৈয়াৰ কৰা যেন লাগে অথচ এখন তক্তাৰ পৰাই দুখন তক্তা কৰি ঠগাখন সজোৱা হয়। তক্তা দুখন বহলাই তাত পুথি মেলিবলৈ সুবিধা হয়। নামঘৰ, গোসাঁইঘৰ আদিত ধৰ্মপুথি ৰাখিবলৈ এনেবোৰ ঠগাৰ ব্যৱহাৰ দেখা যায়।

গো. সু.

**।। ডখৰা খাৰ ।।**

একাধিক মুছলমান ঐতিহাসিকৰ উ পৰি বিদেশী পৰ্যটক বৰ্ণিয়াৰ চাহাবে অসমীয়া মানুহে খাৰ খোৱাৰ কথা উল্লেখ কৰাটো উল্লেখযোগ্য। খাৰ দুবিধ - কলাখাৰ আৰু ডখৰা (উত্তৰ কামৰূপ, বৰপেটা আদি জিলাত ডখলা আৰু মধ্য অসমত সৎখাৰ ৰূপে জনাজাত) খাৰ। আঘোণ-কাতিমাহত পানী মেটেকা অথবা দলনিত গজা শাক ৰ'দত শুকুৱাই জুইত পুৰি তাৰ ছাই কলাখাৰৰ দৰে সৰাই সেই জুলীয়া খাৰ পানী মাটি চৰুত পগাই পগাই ঘন হ'লে মাটিৰ কলহত ভৰাই থব লাগে। কেইদিনমানৰ পিছত সি গোট মৰা গুণে তাক ডখৰা খাৰ কোৱা হয়। আগৰ দিনত নিমখৰ নাটনিত বহুতে এই খাৰ

ব্যৱহাৰ কৰিছিল। আজিকালি নিমখ পৰ্যাপ্ত হ'লেও ডখৰা খাৰৰ চাহিদা কমা নাই। অভোকত ইয়াক পানীত গুলি খালে ভোক লাগে, গৰুৰ পেট ফুলিলে এই খাৰ পানীৰে মিহলাই খুৱালে গৰুৰো পেট জামৰে।

জ্যো.দা.

।। ডম্বৰু।।

'দবা ঢোল দুন্দুভি ডম্বৰু নেগেৰা / শৃংগী জয়ঢোল বৰঢোল ধেমেকা দামামা (ঢোলৰে উৰুলি ঢোলৰ কুৰুলি ) আনদ্ধ পটহ যন্ত্র অথবা বৈশৰ যন্ত্রৰ অন্তৰ্গত ডম্বৰু বাদ্য ভাৰতৰ সনাতন সম্পদ। প্রায় ২২ ছেঃ মিঃ দৈর্ঘ আৰু ১০ ছেঃ মিঃ ব্যাসৰ কাঠৰ টুকুৰা এটাৰ মাজ ভাগ খুলি সজা এই বাদ্য যন্ত্রটোৰ মাজ ভাগ চিঞা - হাতৰ মুঠিত ধৰা। ইয়াৰে দুয়োটি মূৰ পাতল জন্তুৰ ছালেৰে ছাই বৰতিৰে টনাটনিকৈ দুয়োখন ছাল জোৰেৰে বান্ধি চিঞা অংশত দুইমূৰে দুটা কাপোৰ অথবা ধাতুৰ গুটি বন্ধা ৰচী দুডাল বান্ধি ল'ব লাগে। হাতেৰে ধৰি বিশেষ কৌশলেৰে গুটি দুটাৰে ডম্বৰুৰ দুয়োটা মূৰত আঘাত কৰিলে ডুগ্ ডুগ্‌কৈ শব্দ হয়। এই বাদ্যটি মহাদেৱৰ অতি প্ৰিয়। ভাৰতীয় ভাস্কৰ্যত ডম্বৰুৰ স্থান বিশিষ্ট। এছিয়া মহাদেশৰ উপৰি আফ্রিকাতো ডম্বৰুৰ ব্যৱহাৰ মন কৰিলগীয়া।

(ধৰ্মেশ্বৰ দুৱৰাৰ অসমৰ বাদ্য যন্ত্র আৰু ভাৰত কোষৰ আধাৰত যুগুতোৱা)

না. দা.

।। ডাকৰ বচনত লোক-চিকিৎসা ।।

অসমীয়া সমাজ জীৱনত ডাকৰ বচনবোৰৰ প্ৰভাৱ যাউতিযুগীয়া। ডাকৰ বচনবোৰ বিবিধ বিষয়ক। সামাজিক, ধৰ্মীয়, গাৰ্হস্থ্য, নৈতিক, বাণিজ্যিক, শাৰীৰিক আদি বিবিধ বিষয়ত অসমীয়াক ডাকৰ বচনে শিক্ষা দি আহিছে। শৰীৰ বিচক্ষণ ৰখা সম্পৰ্কে ডাকৰবাণী অমোঘ অস্ত্র। শৰীৰ ভালে ৰাখিবৰ বাবে ডাকৰ বচনে দিয়া বিভিন্ন ইঙ্গিতবোৰ এনে ধৰণৰ...

আঠ দিনৰ মূৰত তিতা খাব লাগে আৰু দাঁত নিমখেৰে মাজিব লাগে। পেটত ধৰা খাদ্যৰ চাৰিভাগৰ তিনিভাগহে খাব লাগে। চকুত পানী আৰু নাভিত তেল ল'লে বৈদ্যৰ প্রয়োজন নহয়। কাতিমাহত আধা ভোজন কৰিব লাগে, কিন্তু পুহমাহত ৰাতি লঘোণ দিয়া আৰু চ'ত মাহত গুৰ খোৱা উচিত নহয়। গাত মিঠাতেল সানি চাৰিদণ্ড যোৱাৰ পিছত গা-ধুলে শৰীৰ সুস্থ হয়। পৰিষ্কাৰ বস্ত্ৰ পৰিধান, নিৰ্মল বায়ুসেৱন আৰু সুগন্ধি পুষ্প শিৰত ল'লে শৰীৰত ব্যাধি নহয়। আদাৰে খাদ্য গ্রহণ কৰি নিয়মীয়াকৈ শিলিখাৰে মুখ শুদ্ধি কৰিলে দেহত ৰোগৰ বৃদ্ধি হ'ব নোৱাৰে।

খাদ্য গ্রহণৰ ক্ষেত্ৰত ডাকৰ বচনত আছে— জেঠত দৈ, আহাৰত খৈ, শাওনত মৰাপাট (শোকোটা), ভাদত ওলকচু, আহিনত কল, কাতিত কচু, আঘোণত চৰাই, পুহত

পিঠা, মাঘত কৰাই, ফাগুণত মৌ, চ'তত ঔ টেঙা, ব'হাগত বৰ (ডালি বাটি পিঠা ভজা) খালে দেহা শক্তিশালী আৰু নিৰোগী হয়। ত্ৰিফলা (শিলিখা, আমলখি, ভোমোৰা) নেমুৰ ছালেৰে গাখীৰৰ লগত মিশ্ৰণ কৰি ৰাতি তাক নিয়ৰত থৈ পিছদিনা পুৱাতে মুৰত সানি ভালকৈ শুকোৱাৰ পিছত গা-ধুলে দৃষ্টি শক্তি বৃদ্ধি পায়। পুৱাৰাতি পানীখালে আয়ুস বৃদ্ধি হয়। শিলিখা, শুকান আদা, লোণ, যোৱানী (এবিধ ঔষধি গছ) খোৱাৰ পিছত পানী খাব লাগে। ডেৰ প্ৰহৰৰ মুৰতহে ভাত খাব লাগে। শুকান আদা, গুৰুচি (এবিধ ঔষধি গছ), ভেকুৰীৰ শিপা সম পৰিমানৰ লৈ পিপলীৰ লগত বটি পুৱা খালে ৰোগ তিল মানো নাথাকে। ধনীয়া, পুৰণিলতি, তেজপাত, সমপৰিমাণৰ লৈ পটাত খুন্দি ইয়াৰ পানী খালে জ্বৰ গুছে। ভাতখোৱাৰ পিছত তিনিটা শিলিখা নিয়মীয়াকৈ খালে যমে নিবলৈ নাহে।

ভাত খাই খাবা তিনি শিলিখা। কি কৰিব তাক যম পিলীকা।।

ভোগজিৰা, পতৰীয়া, মুল (ঔষধি পাচলি) আৰু বেলপাত একেলগে খালে শূলা বেমাৰ ভাল হয়, ৰাতিপুৱা খালে অৰুচি ভাব নাইকিয়া হয়। ঘিউ, গুড়, তেঁতেলি, লবণ, সমপৰিমাণৰ লৈ খালে অৰুচি নাশ হয়। জামিৰ ৰসত নিমখ মিহলাই পুৱা খালে অৰুচি নাশ হয়।

গো. সূ

**।। ডিণ্ডিম।।**

আনদ্ধ বাদ্য ডিণ্ডিমৰ নাম ৰামায়ণ, মহাভাৰত, হৰিবংশ প্ৰভৃতিত উল্লিখনে বাদ্যবিধৰ প্ৰয়োগৰ প্ৰাচীনতাত এচেৰেঙা স্পষ্ট পোহৰ পেলায়। প্ৰাক্ শংকৰ যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলিয়ে বাল্মীকিৰ অনুবাদত উক্ত বাদ্যযন্ত্ৰৰ উল্লেখ কৰিছে। 'বেমুচি খুমচি ডিণ্ডিম দগৰ বাজে ভাণ্ডি কাংসতাল। (অযোধ্যাকাণ্ড) আনদ্ধ বাদ্যৰ অন্তৰ্গত ডিণ্ডিম (ডিণ্ডি + মা = ক্ষেপন কৰা + আ(ক)- ক) বাদ্যই ডুগ ডুগ শব্দ কৰে বাবে নব্য ভাৰতীয় আৰ্য ভাষাত ডিমডিমি (হি), ডুগ ডুগী (বাং) আৰু ডম্বৰু (অ) ৰূপ পৰিগ্ৰহ কৰিছে। শিৱৰ বাদ্য ৰূপে পৰিচিত এইবিধ বাদ্য ভাৰতীয় ভাস্কৰ্যত সৰ্বত্ৰ দেখিবলৈ পোৱা যায়।

না. দা

**।। ডিমাছা কছাৰীৰ গেৰবা উৎসৱ।।**

মহাভাৰতৰ মহাবীৰ ভীমৰ পুত্ৰ ঘটোৎকচ্ছৰ বংশধৰ বুলি গৌৰৱবোধ কৰা ডিমাচাসকল অসমৰ অন্যতম প্ৰাচীন অধিবাসী। ভিন্ ভিন্ জনগোষ্ঠীৰ দৰে ডিমাচাসকলে গেৰবা উৎসৱ পালন কৰে। গেৰবা উৎসৱ বছৰত এবাৰহে পালিত হয়। গেৰবা মানে ভগৱানক ভোগ দিয়া। প্ৰতিটো বছৰত খেতি কৰাৰ আগতে ফাগুন মাহৰ শুক্লপক্ষৰ শুকুৰবাৰে বা দেওবাৰে এই উৎসৱ পালন কৰে। এই উৎসৱ কৃষিকাৰ্যৰ লগত সম্পৰ্কিত। ৰাইজৰ সকলো ধৰণৰ বিপদ- আপদৰ পৰা ৰক্ষা কৰি খেতি-বাতি নদন-বদন কৰিবলৈ

ভগৱানৰ আশীৰ্বাদ বিচৰা হয়। তেনেকৈ বেমাৰ-আজাৰ, হিংসা-দ্বেষ, হাই-কাজিয়া নোহোৱাকৈ সকলোৱে মিলিজুলি যাতে থাকিব পাৰে তাৰেই কামনা কৰা হয়।

গেৰবা উৎসৱ পূজাৰ বাবে প্ৰয়োজনী বস্তুবোৰ হ'ল- কলপাত, বাঁহ, কপাহী সূতা, পিঠাগুৰি, চাকি, বেল, এঘটি পানী, কেঁচাকল, জুদি (লাওপানী), কণী, পছুৰ শিঙৰ গুৰি, ব্ৰাইশিবাৰায় (শিৱ), আমাঙগামাডিৰ (মা কালী) নামত এটা পখৰা ৰঙৰ ছাগলী, পাঁচোটা মতা কুকুৰা আৰু তিনিটা মাইকী কুকুৰা।

এই উৎসৱত তিৰোতাৰ যোগদান নিষেধ। সেইদিনা তিৰোতাসকলে ঘৰখন পৱিত্ৰ কৰি ৰাখে। পুৰুষসকলে হাবিত গৈ অকণমান ঠাই পূজাৰ বাবে চিকুণাই লয়। পুৰোহিতে গা-পা ধুই পৱিত্ৰমনেৰে নতুন কাপোৰ পৰিধান কৰি গাঁৱৰ মূল প্ৰৱেশ পথ বন্ধ কৰি দিয়ে। খুনাঙ (গাঁওবুঢ়া) আৰু ডিলিয়ে (সহকাৰী গাঁওবুঢ়া) গাঁৱৰ ইমূৰৰপৰা সিমূৰলৈ গৈ এই উৎসৱ পালন কৰিবলৈ আগজাননী দিয়ে। সেইদিনা পুৱাৰপৰা দিনৰ ১২ বজালৈকে লঘোণে থকা হয় আৰু কাম কৰা, কৃষিকৰ্ম, মাছধৰা, মাচি খুন্দা ইত্যাদি কাম কৰা নহয়। এনেদৰে উৎসৱৰ পিছদিনাৰ পৰাই উৎসৱ পালনৰ আনন্দ বুকুত বান্ধি লৈ সমূহ ডিমাচাই পুনৰ জীৱন কৰ্মত ৰত হয়।

দী. দে.

**।। ডিমাছা জনগোষ্ঠীৰ বিৱাহ উৎসৱ।।**

সকলো গোষ্ঠীৰ মানুহৰ মাজতেই বিৱাহ অনুষ্ঠানৰ প্ৰাধান্য মন কৰিবলগীয়া। বিৱাহ অনুষ্ঠানৰ লগত ধৰ্মীয় সামাজিক আৰু লৌকিক এই তিনিটা দিশে জড়িত হৈ থাকে। আন আন জনগোষ্ঠীসমূহৰ দৰে ডিমাছা জনগোষ্ঠীসকলৰো বিৱাহৰ এটা স্বকীয় বৈশিষ্ট্যপূৰ্ণ দিশ পৰিলক্ষিত হোৱা দেখা যায়। এওঁলোকৰ বিৱাহত ছান্দিদাং ছেংবা, লাউঠাই লাংবা, কাল্টি প্ৰথা পৰম্পৰাগতভাৱে চলি আহিছে। সাধাৰণতে দুয়োপক্ষৰ সন্মতি ক্ৰমেহে বিবাহকাৰ্য সম্পন্ন কৰা হয়। দুয়োপক্ষৰ মাজত প্ৰস্তাৱ মানি ল'লেই প্ৰথমতে দৰা পক্ষৰপৰা সাতখিলা কৌপাতত নিমখৰ টোপলা এটা বাঁহৰ ৰছীৰে বান্ধি কন্যা পক্ষলৈ নিয়া হয়। ইয়াৰ অৰ্থ হ'ল দৰা পক্ষই কন্যা পক্ষৰ মতত সন্মতি দিয়া। ইয়াকে ছান্দিদাং ছেংবা বোলে। ইয়াৰ পিছত লাউঠাইলাংবা (লাওপানী) ভৰাই কন্যাঘৰলৈ সাধাৰণতে তিনিবাৰকৈ নিয়া নিয়ম আছে। এইদৰে দুয়োপক্ষৰ মাজত নানা বিধি অনুসৰি বিয়াৰ দিন-বাৰ চোৱা হয়। বিয়াৰ বন্দোৱস্ত হোৱাৰ পিছত দৰাঘৰে কন্যাঘৰক টকা দিব লাগে। ইয়াক 'কাল্টি' দিয়া প্ৰথা বোলে। দুয়োপক্ষৰ মাজত তামোল-পাণ সাল-সলনি কৰা প্ৰথাও প্ৰচলন আছে। বিয়াৰ দিনা দৰাই ধুতি, বগা বা হালধীয়া ৰঙৰ গামোচা ডিঙিত মেৰিয়াই লয়; বগা কামিজ আৰু মূৰত বগা পাগুৰি মাৰে। কইনাই ৰিগু (মেখেলা) বুকুৰপৰা আঁঠুলৈকে মেঠনি মাৰে আৰু ৰিখাউছা (ৰিহা) পিন্ধে। দৰাই

কইনাঘৰলৈ যাত্ৰা কৰা সময়ত সূৰ্যদেৱতাক সেৱা কৰি যায়। দৰাৰ লগত যোৱা ডেকাসকলে পাচিত লাউঠাই (জুদি) মাছ, মাংস (ছামলাইজু) মুৰত কঢ়িয়াই লৈ যায়। কইনা ঘৰৰ পোৱাৰ পিছত দৰাই প্ৰথমতে কইনাৰ পিতৃ-মাতৃ আৰু মান্যজনক সেৱা কৰা নিয়ম। বাঁহেৰে সজাই থোৱা আসনত দৰা-কইনাক বহুৱায়। দৰা-কইনাই ফুলৰ মালা সাল-সলনি কৰি কইনাই দৰাক সেৱা কৰে। তাৰ পিছত কইনাৰ পিতাকে দৰাৰ পিতাকক কইনা গতাই দিয়ে। দৰাৰ পিতাকে কইনাক নিজৰ কন্যা বোৱাৰী হিচাপে গ্ৰহণ কৰে। ইয়াকে য়াওফাবা বোলে। তাৰ পিছত দুয়ো পক্ষৰ পুৰোহিতে মন্ত্ৰ উচ্চাৰণ কৰি বিধি মতে বিবাহ কাৰ্য সম্পন্ন কৰে। পিছত ৰাইজক ভোজ ভাত খুওৱা হয়। দৰাই একে দিনাই কইনাক লৈ নাযায়। আঠমঙলাৰ (ফেৰা) পিছতহে কইনাক নিজৰ ঘৰলৈ লৈ যায় আৰু ভোজৰ ব্যৱস্থা কৰে। দৰাঘৰত কইনাঘৰীয়া মানুহে তামোল-পাণ সাল-সলনি কৰি তেওঁলোক উভতি আহে।

প. পা.

**।। ডিমাছা জনজাতিৰ সাজপাৰ ।।**

অসমৰ অন্যান্য জনজাতিৰ দৰে ডিমাছাসকল সাজ-পাৰৰ ক্ষেত্ৰত অত্যন্ত চহকী। প্ৰতি গৰাকী ডিমাছা মহিলাই এগৰাকী নিপুণ শিপিনী। তেওঁলোকে টাকৰিবা খুলুৱা (টাকুৰীৰে সূতা কটা পদ্ধতি) আৰু জেংথাৰা লুবা (যঁতৰেৰে সূতা কটা পদ্ধতি) নামৰ দুটা প্ৰণালীৰে কপাহী আৰু এড়ি সূতা কাটে। এড়ি সূতাৰপৰা মহিলাসকলে পৰিধান কৰা ৰিগু (মেখেলা), ৰিজাম্ফাইন (ৰিহা), ৰিটাব আৰু ৰিকাউচা তৈয়াৰ কৰা হয়। উল্লিখিত সাজ-পাৰৰ বাহিৰেও আজিকালি ডিমাছা মহিলাসকলে মেখেলা চাদৰ পৰিধান কৰিবলৈ লৈছে। ইয়াৰ ফলত তেওঁলোকৰ মাজত ব্লাউজ, পেটিকোট আদিৰ প্ৰচলনো আৰম্ভ হৈছে।

ডিমাছা পুৰুষসকলে সাধাৰণতে চুৰিয়া আৰু কামিজ পিন্ধা পৰিলক্ষিত হয়। তেওঁলোকে ৰি'চা নামৰ এবিধ গামোছা পিন্ধে তথা ৰিমচাও নামৰ এবিধ চাদৰো ব্যৱহাৰ কৰে। অতীততে ডিমাছা পুৰুষসকলে ছলা হলাউ নামৰ এক প্ৰকাৰৰ অভাৰ কোট আৰু মুৰত পাগুৰি পৰিধান কৰিছিল যদিও আজিকালি এই দুয়োবিধ সাজ বিলুপ্ত। আনহাতে বুচু উৎসৱত নৃত্য কৰোঁতে ডিমাছা পুৰুষসকলে জুপাই নামৰ এখন বিশেষ কাপোৰ পিন্ধাটো প্ৰয়োজনীয়। ডিমাছাসকলে কাপোৰত ৰং কৰাৰ পদ্ধতি অতিশয় চমকপ্ৰদ। বংশানুক্ৰমে লাভ কৰা জ্ঞানৰদ্বাৰা তেওঁলোকে বিভিন্ন গছ-গছনিৰ ছালৰপৰা বিভিন্ন ৰঙৰ ৰসৰ সৃষ্টি কৰে আৰু কপাহী সূতাবোৰ সেই ৰসত ডুবাই কলা, ৰঙা, নীলা, বেঙুনীয়া আদি ৰঙৰ কৰি লয়। ডিমাছা পুৰুষ আৰু মহিলাৰ সাজ-পাৰত বেলেগ বেলেগ চানেকিৰে ফুল তোলে। মহিলাসকলৰ ৰিগুত ফ্ৰাফং গেদেবা, ডিলাম ঠাই বুবা, ফ্ৰাফং খাচিবা তথা

পুৰুষসকলৰ ৰিচাত, থুৰিচামিন নামৰ ফুলৰ চানেকি ব্যৱহাৰ কৰা দেখা যায়।

ন.চৌ.

**।। ডিমাছাৰ বুচুমা বিহু।।**

পথাৰৰপৰা ছপোৱা নতুন শস্যৰ প্ৰসাদ প্ৰথমে ভগৱানক উছৰ্গা কৰা আৰু নতুন বছৰক আদৰণি জনোৱা মুখ্যতঃ এই দুটা উদ্দেশ্যক কেন্দ্ৰ কৰি ইংৰাজী নৱেম্বৰ মাহৰপৰা মাৰ্চ মাহৰ মাজৰ সময়ছোৱাত ডিমাছাসকলৰ অতি গুৰুত্বপূৰ্ণ আৰু আড়ম্বৰপূৰ্ণ উৎসৱ বুচু পালিত হয়। ডিমাছাৰ বিহু উৎসৱ বুচু পালনৰ কোনো নিৰ্দিষ্ট দিন-বাৰ নাই; তেওঁলোক সকলোৱে মিলি গাঁওবুঢ়া (খুনাচাং)ৰ ঘৰত বা ডেকাচাঙত (নত্ৰাং)ত সুবিধা অনুযায়ী বিহুৰ দিন-বাৰ ঠিক কৰে। অৱশ্যে বুচু শেষ হোৱা দিনটো শনিবাৰ হোৱা প্ৰয়োজন। বুচু মানে বিহু, মা মানে ডাঙৰ। অৰ্থাৎ বুচুমা বাছাইনেই (বাছাইন মানে দিন) ডিমাছা বিহুৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ দিন বুলি বিবেচিত। বুচু তিনিবিধ— বুচুজিদাব, বুচু চুৰেম, বুচু হাংছেউ। ডিমাছাসকলে এদিনীয়াকৈ বিহু পাতিলে সেই দিনটোক, তিনিদিনায়াকৈ পাতিলে দ্বিতীয়দিনাক আৰু সাত দিনীয়াকৈ পাতিলে তৃতীয়দিনাক বুচুমা বিহু বোলে। বুচুমা বিহুৰ দিনা পুৰোহিতে কণী তিনিটা ভাঙি এডাল দীঘল এছাৰি লৈ শলিতাত বান্ধি জ্বলাই মন্ত্ৰ মাতি শিৱ-পাৰ্বতীক পূজা কৰে। গাঁৱৰ মূল পথত গেৰবা পূজা কৰে। ইয়াক লামাফঙবা বোলে। তিৰোতাসকলে পূৰ্বপুৰুষক সুঁৱৰি এখিলা বা পাঁচখিলা কলপাতেৰে জুৰাই কলপাতত পিঠা, ভজা মাংস, ভজা কণী, বৰাভাত এবাতি, লাওপানী (জুদি) এবাটি আগবঢ়োৱাৰ নিয়ম। কনিষ্ঠসকলে বয়োজ্যেষ্ঠসকলক, গাঁওবুঢ়াক, পিতৃ-মাতৃক সেৱা কৰি আশীৰ্বাদ লয়, উপহাৰ যাচে। ৰাইজে মিলি হাঁহ-কুকুৰা, পাৰ, পঠা-খাহী (বাইশিব্ৰাইলৈ উছৰ্গিত) আদি আৰু জু ৰে সম্প্ৰীতিৰে ভোজভাত খায়। খোৱা-লোৱাৰ অন্ততঃ খেল-ধেমালি, নৃত্য-গীত, পেঁপা, ঢোল আদি বজোৱা প্ৰতিযোগিতা চলে। এই বিহুত এওঁলোকে ৰংটেপ (চিৰা), ৰায়াউ (কৰাইগুড়ি), আখিবুৰাৰ (আখৈ), আখি (মুড়ি), হন (পিঠা), মাইব্ৰেং (বৰাভাত) আদি খোৱাৰ নিয়ম। ডিমাছা ডেকা-গাভৰুসকলে খ্ৰাম (ঢোল, মাদল), মুড়ী (দীঘল বাঁহী) আদি বাজনাৰ তালে তালে নচা নাচসমূহৰ ভিতৰত বাইডিমা; জাউবানী (ঘূৰি ঘূৰি নচা নাচ), ৰেনগিন বানী (দুশাৰীকৈ নচা নাচ), বাই মাইজাই (কাঁহী লৈ নচা নাচ), বাইচেৰগী (যঁতৰ নাচ) আৰু কোনলোবানী (সূতা কটা নাচ) আদিয়েই প্ৰধান। উল্লেখযোগ্য যে অঞ্চলভেদে বুচুমাৰ দিনটোৰ ধৰ্মীয় কৃত্য, আচৰণ প্ৰণালীৰ কিছু ভিন্নতা দেখা যায়।

বি. ভূ. ব.

**।। ডিমাছাসকলৰ পৰম্পৰাগত আ-অলংকাৰ ।।**

অসমৰ ডিমাছাসকলৰ সাজপাৰৰ দৰে তেওঁলোকে পৰিধান কৰা বিভিন্ন আ-

অংলকাৰতো সৌন্দৰ্যবোধৰ স্বাক্ষৰ পৰিস্ফুট। সোণ, ৰূপ আৰু তামৰ লগতে সমুদ্ৰজাত বিভিন্ন জীৱৰ খোলাৰপৰা তেওঁলোকৰ প্ৰয়োজনীয় আ-অলংকাৰসমূহ গটাই লয়। ডিমাচা নাৰীয়ে নাক আৰু ভৰি দুখনত কোনো অংলকাৰ পৰিধান নকৰে। হাতত কাডুডিমা (ৰূপৰ বহল খাৰু) আৰু খাদু (ৰূপৰ কাৰু), কাণত কামাউটাই (ৰূপৰ থুৰীয়া) লংবাৰ, পাণ্টাতবাৰ আৰু গোৱাইবাৰ (সূতাৰে তৈয়াৰী তামোলৰ দৰে অলংকাৰ), ডিঙিত পোৱাল মণিৰ মালা, হাতী দাঁতৰ দ্বাৰা তৈয়াৰী মণিমালা, চন্দ্ৰৱাল (ৰূপৰ মণি), ৰাং বৰছা (ৰূপৰ টকাৰ মণি), ইংগ্ৰাছা জং চামা (পোৱালমণি, ৰূপৰ মণি), লিক্‌চিম (মণিৰে গাঁথা মালা), লিগজাও (ৰঙা মণিৰ মালা), চংগ্ৰাংথাই (গছৰ ফলৰ মালা), লিক্‌গোৰমা (সৰু সৰু হালধীয়া মণিৰ মালা), লিক্ মিখা (এবিধ লতাগছৰ ফলৰ মালা), জিং ক্ৰিং (চন্দ্ৰহাৰ); বাহুত য়াওচেৰ (অনন্ত) আৰু আঙুলিত য়াওচিদাম (সোণ, ৰূপ, হাতী দাঁত আদিৰে নিৰ্মিত আঙঠি) আদি পৰিধান কৰে। কোনো কোনো পুৰুষে হাতত য়াওচেৰ (ৰূপৰ খাৰু) আৰু কাণত কৃ পিন্ধে। অৱশ্যে ডিমাছাসকলকো বিশ্বায়নে পৰশি যোৱাত আ-অলংকাৰেও আধুনিকতাৰ ফালে আগবাঢ়িছে। কেৱল উছৱ-পৰৱ আৰু বিয়া বাৰুত পৰম্পৰাগত অলংকাৰ প্ৰয়োগ চকুত লগা।

(ধৰ্মেশ্বৰ দুৱৰাৰ উত্তৰ কাছাৰ পাহাৰৰ লোক সংস্কৃতি গ্ৰন্থৰ আধাৰত)

জ্যো.দা.

।। ডিমাছাসকলৰ বিয়াবাৰু ।।

উত্তৰ কাছাৰ পাহাৰৰ প্ৰায় ৪০ শতাংশ লোকেই হ'ল ডিমাছা কছাৰী। অসমৰ এই প্ৰাচীন জনগোষ্ঠী ডিমাছা কছাৰীসকল উত্তৰ কাছাৰ পাহাৰৰ উপৰি কাছাৰ জিলা, কাৰ্বি আংলঙৰ সমতল অঞ্চল, নগাঁও, নগালেণ্ডৰ ডিমাপুৰ আৰু ধনশিৰী অঞ্চলত বাস কৰা দেখা যায়। ডিমাছা বা ডিমফিছা শব্দৰ অৰ্থ হ'ল ঃ ডি=পানী, মা=বৃহৎ, ছা= সন্তান অৰ্থাৎ বৰনৈৰ সন্তান। ধনশিৰী নৈৰ পাৰৰ বাসিন্দা বাবেই এওঁলোক ডিমাছা বুলি খ্যাত। ডিমাছাসকলৰ পুৰুষ ফৈদক চেম্ফং আৰু মহিলা ফৈদক জুলুক বা জাদী নামেৰে জনা যায়। ডিমাছাসকলৰ সমাজত বৰ্তমান প্ৰায় ৪০ টা চেম্ফং আৰু ৪২ টা জুলুক থকা দেখা যায়। ডিমাছাসকলৰ সামাজিক প্ৰথানুসৰি নিজৰ ফৈদৰ মাজত বা দূৰ সম্পৰ্কীয় হ'লেও বিয়া নিষিদ্ধ। এই ক্ষেত্ৰত ল'ৰাৰ মাক-দেউতাকে দূৰৈৰপৰা ছোৱালী চাই পচন্দ কৰে আৰু বিয়াৰ প্ৰস্তাৱৰ স্বীকৃতিৰূপে কইনাঘৰলৈ ছান্দিদাং ছেংবো আগবঢ়ায়। নিমখৰ টোপোলা এটাত সাতডাল ৰচিৰে বান্ধি কইনা ঘৰৰ মানুহক দিয়া হয়। উল্লিখিত নিয়মৰ পিছত শুভ দিন এটিত লাংঠাই লাংবা দৰা ঘৰৰ সম্বন্ধীয় ভায়েক দুজনে কইনাঘৰলৈ নিয়ে। ঘৰুৱা মদ জুদি সৰু লাওৰ খোলাত ভৰাই আগবঢ়াই দিয়া হয়। দৰা ঘৰৰ লোকে কইনাৰ মাক-দেউতাক আৰু সম্বন্ধীয় লোকৰে সৈতে ভোজন কৰি দ্বিতীয় বাৰৰ বাবে লাউঠাই লাংগিনি

নিয়াৰ দিন ধাৰ্য কৰে আৰু বিয়াৰ দিনবাৰ ঠিক কৰা হয়। বিয়াৰ দিনাখন দৰা কইনাৰ ঘৰলৈ আহি মাক-দেউতাৰ উপৰি সমূহ আত্মীয় স্বজনৰ আশীৰ্বাদ লৈ কইনাৰ সতে মালা সাল-সলনি কৰি বিৱাহ বান্ধোনত সোমাই পৰে। মালা সলনা-সলনি কৰা কাৰ্যক য়াওপাবা বুলি কোৱা হয়। বৈৱাহিক কাৰ্য সম্পাদন হোৱা পিছত সমজুৱাক মাছ-মাংস আৰু জুদিৰে আপ্যায়ন কৰোৱা হয়। দৰা-কইনাৰ মংগলৰ বাবে ব্ৰাইশিব্ৰাক পূজা কৰা হয়। চোতালত হাঁহ বলি দি মাংস ৰান্ধি সমাজক খুওৱা নিয়মো থকা দেখা যায়। ভোজ-ভাত খোৱাৰ আগতে পুৰুষ আৰু মহিলাসকলে মংগলৰ বাবে পৃথকে পৃথকে মিজেগাৰবা পূজা কৰে। বিয়াৰ পিছত দৰাই কইনাৰ ঘৰত তিনি ৰাতি কটোৱাৰ পিছত কইনাক নিজ গৃহলৈ লৈ যায়। ডিমাছা সমাজত ঘৰ জোঁৱাই প্ৰথা থকা দেখা যায়। ইয়াক মুন হাৱবা বুলি কোৱা হয়। ডিমাছাসকলৰ বিয়া পাতিবলৈ ছোৱালী খোজাৰপৰা আৰম্ভ কৰি বিয়াৰ শেষ দিনালৈকে কৰা সকলো কাৰ্য ছন্দোময় কথোপকথনৰ জৰিয়তে হোৱা দেখা যায়।

ন. ই. ৰা.

।। ডুকুলা /ডুকুলি/ ডুগি।।

ধান চাউল আৰু অন্য বস্তু থোৱাৰ বাবে বা কড়িয়াবৰ বাবে বাঁহৰ কাঠিৰে সজা গোৰোঙা (গোটোঙা) ডাঙৰ-সৰু পাচিক কামৰূপত ডুকুলা, ডুকুলি, ডুগি(সৰু আকাৰৰ) ৰূপে জনা যায়। বাঁহ শিল্পীৰ শিল্পীমনৰ প্ৰকাশ ঘটা ডুকুলা, ডুকুলিবোৰৰ মোৰ লগোৱা আৰু খোচনি তঙালবোৰ (তমাল) কাটিয়া আৰু মেৰাই বোৱাবোৰ নহেলীয়া (পিঠীয়া)। পুখুৰীয়া, পদুম অথবা চুটীয়া মোৰত লগোৱা ডুকুলা-ডুকুলিবোৰ আকাৰ অনুযায়ী ৬/৮ বা ৯/১১ পাত দৈৰে (কাঠি) লগোৱা হয়। ভিতৰ অংশ লগোৱাৰ পিছত বাহিৰ অংশত দীঘ বাণিত ছয় পাতকৈ কাটিয়া তমাল দি পিঠীয়া দীঘল তঙালেৰে কিছু অংশ বোৱাৰ পিছত চাৰিটা ঘাইৰ প্ৰতিটোতে ২৪ পাতকৈ খোচা কটিয়া কাঠি লগাই গোৰোঙাকৈ বৈ যোৱাটো সাধাৰণ নিয়ম। ডুকুলাটো ডাঙৰ কৰিব লাগিলে আকৌ এবাৰ চাৰিওফালে খোচা কাঠি খুচি দিব লাগে। সৰু হ'লে প্ৰয়োজন নাই। এনেদৰে নিৰ্দিষ্ট আকাৰত বোৱাৰ পিছত কোনোৱে দুযোৰ, কোনোৱে তিনিযোৰ আৰু কোনোৱে চাৰিযোৰ বাও খুৱাই, মুখত এযোৰ গুৰি দি পাল্লা গাঁঠিৰে জোৰকৈ আৰু চালে চকু ৰোৱাকৈ বান্ধি তলিত দুডাল চুটি খিলা কটা কটিকৈ সোমাই দিলেই ডুকুলা, ডুকুলি বা ডুগিটো ব্যৱহাৰৰ উপযোগী হৈ পৰে। পিঠীয়া তমালেৰে ঘনকৈ বোৱা ডুকুলা এটা তলমূৰকৈ পেলাই তাৰ ওপৰত ওজন থকা মানুহ এটা উঠিলেও একো নহয়। আগতে ডুকুলাবোৰ বন্ধা হৈছিল বেতেৰে। বেৰত আঁৰি থবলৈ বাওত বেতৰে আঙুঠি এটাও সাজি দিয়ে। না.দা.

।। ডুগডুগী / পেচন্দাৰ।।

ইয়াৰ আকৃতি পাণ এখিলাৰ দৰে। ডালিম গুটীয়া অসমীয়া বাখৰেৰে সোণত খচিত

কৰি এই লটকনটো গঢ়োৱা হয়। শিকলি বা হাৰত লগাই পিন্ধা হয়। অসমীয়া গীত-মাতত ডুগডুগীৰ উল্লেখ অনেক ঠাইত আছে।

" ডুগডুগী গাম খাৰু খুৰীয়া চমকে / মেখেলাৰে পাতলিতে ময়ূৰে জিলিকে।"

প্ৰ.শ. গো.

।। ডেকা-চাং ।।

অসমৰ ভালেকেইটা জনজাতিৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল - ডেকা চাঙৰ অৱস্থিতি। ডেকা-চাংবোৰ সাংসাৰিক শিক্ষাৰ কঠিয়াতলী। জনজাতীয় লোকসকলৰ নিজস্ব অলিখিত ৰীতি-নীতি গাঁৱৰ ডেকাহঁতক শিকোৱাটোৱে ডেকা চাঙৰ মূল উদ্দেশ্য। এনে শিক্ষা কেন্দ্ৰৰ সুন্দৰ নিদৰ্শন হ'ল - আও নগাসকলৰ মোৰাং ঘৰ। এই মোৰাং ঘৰবোৰ দীঘলীয়া আৰু বেচ আহল-বহল। ইয়াত থকা ডাঙৰ ডাঙৰ কাঠৰ খুঁটাবোৰত বাঘ, গাহৰি, মানুহ আদিৰ সুন্দৰ মূৰ্তি থাকে। বাঘ, মেথোন, ছাগলী আদিৰ হাড়-মূৰ এই ঘৰত সুন্দৰকৈ সজাই ৰখাটো নিয়ম। অস্ত্ৰ-শস্ত্ৰ আদি সযত্নে সংৰক্ষণ কৰা হয় এই গৃহত। যুঁজ বা উৎসৱৰ কালত মানুহক জাননী দিবলৈকে এই ঘৰত ডাঙৰ ঢোল অথবা ডবা ৰখা দেখা যায়। আও-নগাহঁতে প্ৰতি তিনিবছৰৰ মূৰে মূৰে বাৰ-চৈধ্য বছৰীয়া ডেকাহঁতক এই মোৰাং বা ডেকা-চাঙত ভৰ্তি কৰোৱাটো উল্লেখযোগ্য। হয়জয়তে মোৰাঙলৈ যোৱা ডেকাহঁতক কোৱা হয় - নোজাবাৰিহাৰী। তেওঁলোকে জ্যেষ্ঠ দলক আলপৈচান ধৰিব লাগে। তিনিবছৰ অতিক্ৰম কৰা ডেকা-চাং নিবাসী সকলে নাম পায় - টুকাপবাৰিহাৰী। ৰিহাৰীসকলে তিনিবছৰৰ পিছত চুচেন বা ৰিহাৰী পদ পায়। তেওঁলোক হয় মোৰাঙৰ অধিপতি। তেওঁলোকে গাঁৱৰ শাসন ভাৰ নিজৰ হাতলৈ নিয়াৰ লায়ক হয়। সমাজৰ বয়ো-বৃদ্ধসকলে এই মোৰাং ঘৰত ডেকাহঁতক যুদ্ধ, কৃষি প্ৰভৃতিৰ শিক্ষা দিয়ে। ইয়াত আমোদ-প্ৰমোদৰ বাবে বাৰে-ৰহণীয়া নৃত্য-গীতৰো ব্যৱস্থা কৰাটো সাধাৰণ নিয়মৰ কথা। মাজে-সময়ে তাত সমজুৱাক আমন্ত্ৰণ জনায়। আলহীক অভ্যৰ্থনা কৰে।

গাৰোসকলৰ মাজতো ডেকা-চাং আছে। তাক কোৱা হয় নোক ফান-টে। মিজোসকলৰ ডেকাচাঙ জলবুক ৰূপে পৰিচিত। এটা কালত টিৱাসকলৰ মাজতো ডেকা-চাং আছিল। আদিসকলৰ ডেকা চাঙৰ নাম মচুপ। টাংচাসকলে ইয়াক বোলে লুপ্ পং। অৰুণাচলৰ আন আন জনজাতিসকলৰ মাজতো ডেকা চাং দেখা যায়। সেই চাঙলৈ গাভৰু অথবা তিৰোতা কোনোপধ্যেই যাব নোৱাৰে।

না. দা.

।। ঢাক।।

বাৰে ঢাক ঢোল শবদৰ ৰোল

যেহেন মেঘে গৰ্জয়।।— মাধৱ কন্দলি ৰামায়ণ, অযোধ্যা কাণ্ড।

ঢাক-ঢোল উত্তৰ ভাৰতৰ প্ৰাচীন বাদ্যযন্ত্ৰ। প্ৰাচীন পটহৰ ই আধুনিক তাণ্ডৰণ। আনুমানিক দুহাত লম্বা আৰু এহাত বহল প্ৰকাণ্ড কাঠ এডোখৰ খুলি তাৰ দুয়োমূৰ চামৰাৰে আচ্ছাদিত কৰাৰ উপৰি গাটোও ছালৰ পাতল ৰচীৰে আবৃত কৰি ঢাক তৈয়াৰ কৰা হয়। সূতাৰ ডাঙৰ ৰছীৰে বাঁও কান্ধত তুলি লৈ দুহাতেৰে দুপ্ৰকাৰ মাৰিৰে কোবাই ইয়াক বজোৱা নিয়ম। সোঁহাতৰ মাৰিডাল মোটা আৰু বাঁহৰ দ্বাৰা নিৰ্মিত, বাঁওহাতৰ ডাল পাতল আৰু চেপেটা। সাধাৰণতে বেতেৰে সজা।

বাশনৃত্য, মুখোস নৃত্য, দেওধা নৃত্য আৰু পূজা-পাৰ্বণত গোৱালপাৰাত ঢাকৰ ব্যৱহাৰ অপৰিহাৰ্য। ইয়াৰ সৈতে কাঁহ আৰু শানাই বজোৱা হয়।

না. দা.

**।। ঢুলীয়া চং।।**

ঢুলীয়া চং অসমীয়া লোকসংস্কৃতিৰ এক মূল্যবান সম্পদ। বিভিন্ন উৎসৱ পৰ্ব আদিত ঢুলীয়াসকলে বিভিন্ন চং দি দৰ্শকক আনন্দৰ খোৰাক যোগায়। পণ্ডিতৰ চং, বৈষ্ণৱী চং, পগলাৰ চং, চোৰৰ চং, বিয়াভঙাৰ চং আদি অতি জনপ্ৰিয় আৰু বহুলভাৱে প্ৰচলিত চং। এই চং বোৰৰ মাজত একো একোটা কাহিনী নিহিত থাকে। ঢুলীয়া চংবোৰ অতি প্ৰাচীন কালৰেপৰা প্ৰচলিত হৈ আহিলেও এইবোৰৰ কোনো নিৰ্দিষ্ট ৰচয়িতা নাই আৰু এইবোৰ লিখিত অৱস্থাতো পোৱা নাযায়। এইবোৰ জনশ্ৰুতিৰ দৰে মুখে মুখে প্ৰচলিত হৈ আহিছে। ঢুলীয়া চংবোৰে দৰ্শকক প্ৰচুৰ পৰিমাণে হাঁহিৰ খোৰাক যোগালেও এইবোৰৰ মাজত একোখন ৰক্ষণশীল সমাজৰ চিত্ৰ, কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰ চিত্ৰ সুন্দভাৱে প্ৰতিফলিত হোৱা দেখা যায়। ঢুলীয়াসকলে চং কৰোঁতে সাধাৰণতে কিছুমান মুখা ব্যৱহাৰ কৰে। মুখাবোৰ কাঠৰপৰা সজা হয়। ৰজা- ৰাণী, বুঢ়া- বুঢ়ী, বিভিন্ন ধৰণৰ জীৱ-জন্তুৰ মুখাবোৰৰপৰা অসমৰ লোক শিল্পৰ পৰিচয় পোৱা যায়। ঢুলীয়া দলত মহিলা নথকা হেতু পুৰুষেই মহিলাৰ বেশ ধাৰণ কৰি নাৰী চৰিত্ৰ ৰূপায়িত কৰে। চং কৰোঁতে ঢুলীয়াসকলে মৰাপাটৰ বেগ, থৈলাৰপৰা তৈয়াৰ কৰি লোৱা চোলা আৰু ৰংবিৰঙৰ জামা পৰিধান কৰে।পূৰ্বৰ তুলনাত বৰ্তমান ঢুলীয়া চং বহু পৰিমাণে হ্ৰাস পাই আহিছে। এতিয়া যি কেইটা ঢুলীয়া দল আছে সেই কেইটাইয়ো এই চংবোৰ পৰিবেশন নকৰা হ'ল। ঢুলীয়া চংবোৰৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব নিদিলে এই ঐতিহাসিক মূল্যবান সংস্কৃতিটো আমাৰ মাজৰপৰা এদিন নাইকিয়া হৈ যাব।

কি. ক.

***।। ঢুলীয়া ভাওনা ।।***

অসমীয়া সংস্কৃতিৰ বৰ পথাৰত ঢুলীয়া বা ঢুলীয়া ভাওনা এবিধ ঐতিহ্য বহনকাৰী

লোককলা। লোককৃষ্টিৰ ক্ষেত্ৰত অসমৰ নামনি অঞ্চলৰ ঢুলীয়া বা কামৰূপী ঢুলীয়া লোকনাট্যানুষ্ঠান অতি প্ৰাচীন। ঢুলীয়া ভাওনাক প্ৰাচীন কালৰে পৰা অসমীয়া লোক নাট্যানুষ্ঠানসমূহৰ ভিতৰত এক সুকীয়া স্থান দিয়া হয়। ধেমেলীয়া অভিনয়, ভাওনা, ছৰ্কাছ, নৃত্য প্ৰধান বাদ্যাংশ আদিৰ সংমিশ্ৰণ এই লোক কলাত বিশেষত্বপূৰ্ণভাৱে স্থান পাই আহিছে।

ঢুলীয়া দলসমূহত সাধাৰণতে পাঁচজনৰপৰা পচিশজনলৈ ভাৱৰীয়া থাকে আৰু ইয়াৰ প্ৰতিটো দলক একোজন অভিজ্ঞ ওজাই নেতৃত্ব দিয়ে। ঢুলীয়া ভাওনাত সাধাৰণতে তিনি প্ৰকাৰৰ ঢোলৰ প্ৰচলন হয়— ক) বৰঢোল বা গুৰিঢোল বা ঘাই ঢোল খ) আগঢোল বা চানীঢোল অথবা সৰু ঢোল বা পাতিঢোল আৰু তৃতীয়বিধ হ'ল গ) ঢে পা ঢোল। এই ঢোল দৰঙী ঢুলীয়াই ব্যৱহাৰ কৰে। বৰঢোল বা গুৰি ঢোলেৰে ঘাই ঢুলীয়াই জাগেনী দিয়াৰ পিছত অইন ঢুলীয়া সকলে নাচি নাচি ঢোল বজায়। ঢুলীয়া সকলৰ লগত তাল মিলাই কাঁহৰ বৰতালৰ বাজনাও সঙ্গত কৰা হয়।

ঢুলীয়া ভাওনা পৰিৱেশন কৰোঁতে তেনেই সাধাৰণ সাজ-সজ্জা পৰিধান কৰে। ঢোল বাদকসকলে সাধাৰণ চুৰিয়া চোলা লগতে অসমীয়া শিল্পীৰ পৰিচায়ক হিচাপে ককাঁল আৰু ডিঙিত ফুলাম গামোছা পৰিধান কৰে। ভাৱৰীয়াসকলে পিন্ধনত ফটা চিটা থৈলাৰ পৰা তৈয়াৰ কৰা পোছাক পৰিধান কৰে আৰু মুখত ঢেকীত খুন্দা পিঠাগুৰিৰ ৰং সানে। বিভিন্ন ধৰণৰ চং বা ভাইৰামী পৰিৱেশন কৰোঁতে ঢুলীয়াসকলে মুখাও ব্যৱহাৰ কৰে। মুখাৰ ব্যৱহাৰ ঢুলীয়া ভাওনাৰ গাম্ভীৰ্য আৰু আকৰ্ষণ বৃদ্ধিৰ কাৰক। ঢুলীয়া ভাওনাত প্ৰথমাৱস্থাত কোমোৰাকে পোহৰৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল যদিও বৰ্তমান হেছক্ লাইট নতুবা ইলেকট্ৰিক লাইটৰ ব্যৱহাৰ হয়। যি ঠাইত ভাওনা কৰা হয় সেই ঠাইখিনিক সভাখোলা বুলি কোৱা হয়। গোসাঁইঘৰৰ চোতাল নতুবা সভাস্থলীয়েই ঢুলীয়া ভাওনা পৰিৱেশনৰ বাবে উত্তম ঠাই হিচাপে বিবেচিত হৈ আহিছে আৰু তাকেই সভাখোলা বা মঞ্চৰূপে লয়।

ঢুলীয়া দলসমূহৰ বিভিন্ন পূজা, মেলা, সবাহ আদিত নানা ধৰণৰ চং বা ভাইৰামী প্ৰদৰ্শন কৰি আহিছে। ভাৱৰীয়াসকলৰ ধেমেলীয়া বচন আৰু শৰীৰৰ অদ্ভুত অঙ্গী-ভঙ্গীমাই দৰ্শকক প্ৰাণ ভৰা হাস্য ৰসৰ তৃপ্তি প্ৰদান কৰে। চং বা ভাইৰামী বোৰৰ কোনো লিখিত পাণ্ডুলিপি নাই আৰু এইবোৰ জনশ্ৰুতিৰ দৰে মুখে মুখে প্ৰচলিত হৈ আহিছে। ঢুলীয়া চংবোৰত কুসংস্কাৰ অন্ধবিশ্বাস, একোখন ৰক্ষণশীল সমাজ ব্যৱস্থা আদিৰ চিত্ৰ সমালোচনাত্মক দৃষ্টি ভঙ্গীৰে উপস্থাপন কৰাটো মন কৰিবলগীয়া।

কি.ক.

**।। ঢেঁকীশাল ।।**

ঢেঁকী অসমীয়া সমাজৰ এক অপৰিহাৰ্য আহিলা। ইয়াৰ বাবে সুকীয়া ঢেঁকীঘৰ

থাকে। ঢেঁকীত ধান, চিৰা, কড়াই, পিঠাগুড়ি, হালধি আদি খুন্দা হয়। প্ৰায় পাঁচ হাত দীঘল আয়তাকাৰ কাঠ এটুকুৰাৰ আগফালে এহাতমান ভিতৰলৈ এটা ফুটা কৰি তাত বাঁহ বা ভাল কাঠৰ ঢেঁকীথোৰা লগোৱা হয়। কথাতে কয় 'অচিন কাঠৰ থোৰা নলগাবা'। থোৰাটোৰ আগত এটা লোহাৰ আঙুঠি থাকে ইয়াক গুলচ বোলে। ঢেঁকীৰ পিছফালটোক নেজ বা ফিছা বোলে। ফিছাৰপৰা এহাতমান ভিতৰলৈ পথালিকৈ এটা ফুটা কৰি এডাল মাৰি ভৰোৱা হয়। এইডালেই আষল্ শলা। আষ্‌ল শলাডাল দুফালে দুটা ওৱাই (Y) আকৃতিৰ খুঁটাত ভৰোৱা থাকে। আষল শলাই ঢেঁকীটো ডাঙি ধৰে। খুঁটা দুটাক কতৰা বোলে। থোৰাটো পৰা ঠাইত পুতি ৰখা হয় খুবলি। শিল বা কাঠ এটুকুৰাত গাত খান্দি খুবলি তৈয়াৰ কৰা হয়। এই গাঁতত খুন্দিব লগা বস্তুবোৰ দি ঢেঁকীৰ ফিছাত তলতৈ বল প্ৰয়োগ কৰিলে থোৰাটোৱে খুবলিৰ বস্তুবোৰ খুন্দে। ঢেঁকীৰ ব্যৱহাৰ জনজাতীয় লোকৰ মাজতো দেখা যায়। ঢেঁকীঘৰক অসমীয়াই লক্ষ্মীঘৰ বুলি জ্ঞান কৰে। তেজীমলাৰ দৰে সাধুতো ঢেঁকীৰ ব্যৱহাৰৰ উল্লেখ মন কৰিবলগীয়া।

গো. সু.

।। ঢেপা ঢুলীয়া ।।

দৰঙী লোক কৃষ্টিৰ এপদ অন্যতম সম্পদ হ'ল - ঢেপা ঢুলীয়া। জন-জাতীয় কৃষ্টিৰ আধাৰত গঢ় লোৱা এইবিধ সম্পদে দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত এক স্বকীয় ৰূপত আত্মপ্ৰকাশ কৰাৰ সুযোগ পায়। এটা কালত দৰঙৰ বিবাহ, চূড়াকৰণ, উপনয়ন, বৃক্ষ আৰু পুষ্কৰিণী প্ৰতিষ্ঠা আদিত ঢেপা ঢুলীয়া দল আছিল অপৰিহাৰ্য অংগ। ঢেপাঢোলৰ বিষয়ে আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী ডাঙৰীয়াই মঙলদৈ মহাবিদ্যালয় ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থত 'দৰঙীয়া লোক সংগীতত ঢেপাঢুলীয়া' শীৰ্ষক আলোকসন্ধানী নিবন্ধত এটি প্ৰণালীবদ্ধ আলোচনা আগবঢ়াইছিল। বৰ্তমানৰ চমুলেখাটি উক্ত নিবন্ধৰ আধাৰত যুগুতোৱা হ'ল।

ঢেপাঢোল দীঘলে প্ৰায় দুহাত আৰু দুয়োটা মূৰ ক্ৰমশঃ সৰু। সোঁহাতৰ মূৰটোৰ বেৰ প্ৰায় দুহাত, বাঁওহাতৰ মূৰটোৰ বেৰ এহাতৰ ওপৰ। ইয়াৰ দুয়োমূৰ একাধিক তৰপ ছাগলীৰ ছালেৰে ছোৱাটো উল্লেখযোগ্য। সোঁমূৰৰ ওপৰৰ তৰপ ছোৱনিত এটা সৰু ফুটা ৰখা দৰকাৰ। মাজে মাজে সেই ফুটাৰ মাজেদি পানী সোমাই দিয়াৰ ফলত ছোৱনিৰ তৰপবোৰ সেমেকি উঠে আৰু বজালে তাৰ শব্দ হয় মেঘৰ গাজনিৰ দৰে গুৰু-গম্ভীৰ। সোঁহাতৰ তালীখন বাঁহৰ বেকা মাৰিৰে আৰু বাঁওহাতৰ তালীখন হাতেৰে বজোৱা হয়। এই ঢুলীয়াৰ দল এটাত সাধাৰণতে দুজন ঢুলীয়া আৰু তালুৱৈ থাকে চাৰি বা ছজন। ঢুলীয়া দুজনৰ এজন ঘাই আৰু আনজন হ'ল পালি। আগ তালুৱৈ দুজন পিছ তালুৱৈ দুই বা চাৰি জন।

দৰা কইনা দুয়োঘৰে ঢেপা ঢুলীয়া আমন্ত্ৰণ কৰি আনিলে কন্যা ঘৰত ৰাতি দুয়ো দলৰ কলা-কৌশল প্ৰদৰ্শনত অৰিয়া-অৰি বা বাদ লাগে। ইয়াকে কোৱা হয় ঢুলীয়াৰ যুঁজ। যুঁজত অৱতীৰ্ণ হোৱা প্ৰথম দলে এটা গান, এটা বাদী (বাজনা) আৰু এটা নাচন দি সামৰণি মৰাৰ লগে লগে দ্বিতীয়টো দলে প্ৰথম দলৰ গান, বাদী আৰু নাচোনৰ উত্তৰ দিয়ে। এনেদৰে শেষ নিশালৈ যুঁজ চলি থাকে - উপভোগ্য ৰূপত। অৱশেষত ৰাইজৰ বিজ্ঞজনে বিচাৰকৰ ভূমিকা লৈ বিজয়ী দলটোলৈ পুৰস্কাৰ আগবঢ়ায়।

ঢেপা ঢুলীয়াই ব্যৱহাৰ কৰা বিভিন্ন বাদীসমূহৰ ভিতৰত কাণ কটা বাদী, খৰবাদী, খেদা বাদী, খুন্দাবাদী, গল মুচৰা বাদী, গোৰ বাদী, দেৱ বাদী, নামকটা বাদী, নিন্দা বাদী, পাতাল বাদী আদি প্ৰধান। এওঁলোকে প্ৰদৰ্শন কৰা নাচবোৰৰ ভিতৰত খুটি নাচন, গড়িয়া নাচন আৰু সৰকি নাচন বিখ্যাত। ইয়াৰ উপৰি উঘা ঘূৰণি, চকোৱা পাক, তমাল মুচৰা, নেউল বুলনি, বোৱনী, ভেকুলী, ৰোৱনী আৰু শিয়াল ভুমুকি নাচো আছে।

আগেয়ে ঢেপা ঢুলীয়া দলৰ ঢুলীয়া আৰু তালুৱৈ - উভয়ে দীঘল চুলি ৰাখিছিল। গায়নজনৰ হাতত খাৰু, কাণত কাণ ফুল, মুখত গড়িয়া পাৰা (দুবাপাৰা) আৰু আঠুমুৰীয়া চুৰিয়া-গামোচাই শোভা পায়। সংগীত প্ৰদৰ্শনৰ কালত দুয়োজন ঢুলীয়াই একাধিক ৰঙৰ কাপোৰেৰে চিলোৱা, ঘূৰিলে জাপিৰ দৰে বহল হোৱা জামা দুটা পিন্ধি লয়। তালুৱৈসকলে মূৰত গামোচা মাৰে। পৰিৱেশ্য কলাকাৰৰূপে দৰঙৰ ঢেপাঢুলীয়াৰ স্থান যে বিশিষ্ট তাক দোহাৰিবৰ আৱশ্যক নাই।

না. দা.

।। ঢোল ।।

ভাৰতীয় সংগীত শাস্ত্ৰত চৰ্ম আবৃত বাদ্য যন্ত্ৰক অৱনদ্ধ অৰ্থাৎ আবৃত বাদ্য কোৱা হয়। আদিম অৱস্থাত গছ এডাল কাটি টুকুৰা কৰি লৈ তাৰ মাজ ভাগ ফোঁপোলা কৰাৰ পিছত তাৰ দুয়োটা মূৰ চামৰাৰে ঢাকি ঢোল নিৰ্মাণ কৰা হৈছিল। সমগ্ৰ পৃথিৱীতে বিভিন্ন আকাৰৰ ঢোলৰ প্ৰচলন আছে। বৰ অসমৰ বিভিন্ন জাতি আৰু ধৰ্ম সম্প্ৰদায়ে আনন্দ-উৎসৱ আৰু আনুসংগিক আন কামত ঢোলৰ ব্যৱহাৰ কৰা দেখা যায়। অসমত সাধাৰণতে আম, কঁঠাল, চাম প্ৰভৃতি গছৰপৰা ঢোল সাজি উলিয়ায়। বিহুগীতত আছে 'এটা আমেৰে এটা চামৰে বাঁহৰ মাৰি সাজি বাওঁ।' অসমৰ কাৰ্বিসকলে ঢোলক বোলে চেং। ইয়াক ছাগলীৰ ছালেৰে ছোৱা হয়। গৰুৰ ছাল তেওঁলোকে ব্যৱহাৰ নকৰে। ঢোল বোৱা মাৰি ডাল সৰু। বড়োসকলৰ ঢোল খাম ৰূপে পৰিচিত। আকাৰত ই যথেষ্ট ডাঙৰ-দীঘল। গাৰোসকলৰ ঢোলো যথেষ্ট দীঘল। তাক হাতেৰে বজায়। তিৱাসকলৰ

বিভিন্ন ঢোলৰ নাম ভিন্ ভিন্। যেনে - খ্রামচা, খ্রাম দুদাং, খ্রাম পন্থাই, খ্রাম বাৰ', খ্রাম লুবা আদি। পাতি ঢোলক কোৱা হয় পিচু খ্রাম। ৰাভাসকলে ঢোলক খাম বোলে। ই আকাৰত দীঘল। মিচিংসকলৰ দুমদুম বা ঢোল নৃত্য-গীতৰ অপৰিহাৰ্য অংগ।

অসমৰ ঢোল কেবা প্ৰকাৰৰ। যেনে বৰঢোল বা জয়ঢোল, ঢেপাঢোল, সৰুঢোল বা বিহুঢোল আদি। বিহুঢোল দীঘলে প্ৰায় ৪৫ ছে.মি. আৰু ব্যাস প্ৰায় ৩০ ছে. মি. বা তাতকৈ কিছু বেচি হোৱা প্ৰয়োজন। ইয়াৰ মাৰিৰে বজোৱা সোঁফালৰ অংশ গৰুৰ ছালেৰে আৰু হাতেৰে বজোৱা বাঁওফালৰ অংশ ছাগলীৰ ছালেৰে ছোৱা। বিহুঢোলৰ অনুৰূপ ঢোলৰ ব্যৱহাৰ থাইলেণ্ড, ম্যানমাৰ প্ৰভৃতি টাই-মঙ্গোলীয় সমাজত আছে। বিহু ঢোলৰ তালীত থকা কাটনি চামৰাখনক বহুতে মেখেলা বোলে। সেই তালী টান কৰিবলৈ বাৰ্দ্ধি বা বৰতি লগোৱা প্ৰয়োজন। বৰতি ঢিলা হোৱা বেয়া। বিহুগীতত আছে -

'ঢোলৰে বৰতি ঢিলা ঐ ঢুলীয়া ঢোলৰে বৰতি ঢিলা
কালিৰে পৰা ভাতে নাইকীয়া কঁকালৰ কাঁচুটি ঢিলা।'

বিহুঢোলৰ জনপ্ৰিয়তাত আহোম স্বৰ্গদেৱসকলৰ অৱদান অস্বীকাৰ কৰা টান। ঢোলৰ মালিতাত আছে - 'কলিযুগে ইন্দ্ৰবংশী ৰজা নামি যায়/ সোধন ওজাই ঢোল বাই আনিলে নমাই'।ঢোলৰ মাৰিডাল সজা হয় বাঁহেৰে। উজনিত ঘাই ঢোলৰ হাতৰ সংখ্যা ২৪ খন।

জয়ঢোল বা বৰঢোলৰ সন্দৰ্ভত কীৰ্তিনাথ বৰদলৈয়ে সুৰ-পৰিচয়ত লিখিছে - 'নামনি অসমত বিয়া, সবাহ বা অন্যান্য ৰাজহুৱা উৎসৱত বৰঢোল ঢুলীয়াৰ যন্ত্ৰৰূপে ব্যৱহাৰ হয়। উজনিৰ কিছুমান সত্ৰত তিথি মহোৎসৱত এটি বৰঢোল জয়ঢোল বুলি বজোৱা হয়। দেওধনী নাচত জয়ঢোল অপৰিহাৰ্য।

দৰঙত বহুলভাৱে প্ৰচলিত ঢেপাঢোলৰ সন্দৰ্ভতো একেখন পুথিতে আছে - 'এই ঢোলৰ এফালৰ মুখখন এতৰপীয়া পাতল ছাগলীৰ ছালেৰে ছোৱা। সেই মুখখনৰ মাত টিং টিঙিয়া। আন ফালৰ মুখখনত দুতৰপ ছাল থাকে ওপৰৰ তৰপৰ ছালখনৰ সোঁমাজত দুই ইঞ্চিমান ব্যাসৰ এটি বিন্ধা থাকে। বজাবৰ সময়ত সেই বিন্ধাইদি পানী ভৰাই দি ছাল দুখন সোপোকা কৰি মাতটো নিচেই ঢেপা কৰি লোৱা হয়।'

না. দা.

**।। ঢোলক ।।**

'পালি ৰণ শব্দ অতি দোচৰি ঢোলক জাতি, আনো বাদ্য অসংখ্য বজায়' (দৰং ৰাজবংশাৱলী)।প্ৰায় ৬০ ছেঃ মিঃ দীঘল আৰু ২০ ছেঃ মিঃ ব্যাসৰ কাঠৰ কুণ্ডা এটা খুলি দুয়ো মূৰ চামৰাৰে ছোৱা ঢোলকৰ দুই মূৰ সৰু, মাজটো ডাঙৰ। দুইমূৰে লগোৱা চামৰা

দুখন টনাটনি কৰিবলৈ দুডাল ৰচীৰে বন্ধা ৰচীবোৰ টান টিলা কৰিবৰ বাবে একোটা লোৰ আঙুঠি ভৰাই লোৱাটো উল্লেখযোগ্য। দুইহাতেৰে বজোৱা ঢোলক আউনীআটী সত্ৰৰ অঙ্গৰা নৃত্যৰ সৈতে সংগত কৰাটো মন কৰিবলগীয়া। বোধেশ্বৰ দোৱনীয়াৰ ঢোলৰে উৰুলি, ঢোলৰে কুৰুলি গ্ৰন্থত ঢোলকৰ মালিকা এটাত আছে -

'শুনিয়োকসৰ্বজন আমাৰ বচন / ঢোলকৰ জন্মকথা শুনা সৰ্বজন //'

... দেখি সেহি বাদ্যৰ নাম ঢোলক ৰাখিলে/ দেৱতা গন্ধৰ্বে বাদ্য বাজন কৰিলে।'

(ধৰ্মেশ্বৰ দুৱৰাৰ অসমৰ বাদ্য যন্ত্ৰৰ আধাৰত যুগুতোৱা)

না. দা.

।। ঢোলবিৰি ।।

ঢোলবিৰি ঢোল আকৃতিৰ। ঢোলবিৰিৰ আন এটা নাম মতাবিৰি। আকৃতিত ডাঙৰ আৰু বাখৰ নোহোৱাকৈ গঢ়া ঢোলবিৰিটো আগতে কেৱল মতা মানুহেহে পিন্ধিছিল বাবে ইয়াক মতাবিৰি বুলি কোৱা হৈছিল। আজিকালি ঢোলবিৰি সমূহত বাখৰ খটোৱাৰ উপৰি ক'লা, ৰঙা, সেউজীয়া ৰঙৰ মিনাও কৰোৱা হয়। লগতে মহিলায়ো ইয়াক পৰিধান কৰিবলৈ ল'লে।

প্ৰ.শ. গো.

।। তাঁত-শাল ।।

তাঁত-শালৰ সৈতে অসমীয়া জীয়াৰী-বোৱাৰীৰ সম্পৰ্ক অতি নিবিড়। এই তাঁত-শালতেই অসমীয়া শিপিনীয়ে 'মৰমৰ দীঘ দি চেনেহৰ বাণি লৈ' হেঁপাহৰ আঁচুৰে আৰু সপোনৰ ফুলেৰে ফুলামকৈ বিহুৱান বোৱাৰ সুযোগ পায়। 'ৰাতি দুপৰলৈ কাটি সূতলাহী ধনলৈ বিহুৱান বলোঁ।' পুৰণি কালত প্ৰতিজনী অসমীয়া জীয়াৰী বোৱাৰীয়ে তাঁত বব জানিছিল। অকাজী ছোৱালী বিয়া সোমোৱাৰ অযোগ্য আছিল ঃ

'যতৰত কাটি যাবা পাঁজি ঐ মইনা যঁতৰত কাটি যাবা পাঁজি।
যদি মনে আছে পাটৰ চেলেং ল'বলৈ ছোৱালী আনিবা কাজী।'

পুৰণি কালত ৰণলৈ যোৱা স্বামীক কবচ কাপোৰ বই দিব লাগিছিল। অসম বুৰঞ্জীত আছে - মাজনিশা ৰাতি কপাহ নেউঠি পাঁজি কাটি ৰাতি নৌ পুৱাওঁতেই কাপোৰ বৈ উলিয়াব লাগে। তাকে আহোম মতে ল'ব। তাকে কবচ কাপোৰ বোলে।' বিহু গীতত ৰাতিৰ ভিতৰতে সূতা কাটি পুৱা তাঁত বাটি কৰা কথা পোৱা যায় -

'পৰুৱাই ৰান্ধিলে পৰুৱাই বাঢ়িলে পৰুৱাই নেখালে ভাত।
ৰাতিৰে ভিতৰত কাটে সৰু সূতা পুৱালৈ তঁৰিলে তাঁত।'

বুৰঞ্জীত আছে - মহাৰাজ নৰনাৰায়ণে নামনি অসম আৰু বেহাৰত কাটনী, যোগী প্ৰভৃতি লোকক স্থায়ীভাৱে বহুৱাৰ উপৰি আন দেশৰপৰা ভাল কাৰিকৰ আনি

তেওঁলোকক দেখুৱাইছিল। বুৰঞ্জীৰ বাণীত ডঃ ভূঞাই লিখিছে - স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত প্ৰত্যেক অসমীয়া গৃহস্থীয়ে ৰজাৰ ভঁৰাললৈ প্ৰতি বছৰে এপোৱা পাটৰ সূতা আগবঢ়োৱাটো বাধ্যতামূলক আছিল। এটা কালত অসমৰ মানুহে বিদেশী কাপোৰ পিন্ধাটো লজ্জাকৰ কাম বুলি বিবেচনা কৰিছিল। স্বৰ্গদেৱ চক্ৰধ্বজ সিংহই মোগলৰ বস্ত্ৰ দেখি কৈছিল ঃ 'মোৰ বোপা - পোথাৱে পুলিনে বংগালৰ পাৎসৰ কাপোৰ পিন্ধা নাই। এতিয়া মই পিন্ধিব লাগিব - তাত কৰি মৰণেসে ভাল।' স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনতো ডা-ডাঙৰীয়াসকলৰ কথা-কামত একে সুৰৰ প্ৰতিধ্বনি - 'আপোনাৰ দেশৰ ধাৰণ এৰি কেনে বংগালৰ ধাৰণ বটা পিন্ধিম। নিপিন্ধো এই বুলি ওভোটাই দিলে।' ভুবনচন্দ্ৰ সন্দিকৈয়ে পুৰণি অসমৰ শিল্পত উল্লেখ কৰিছে যে আমাৰ দেশত বোৱা কাপোৰ চীন, ব্ৰহ্মদেশ, নৰা, গুজৰাট, কাশ্মীৰ, দিল্লী, ঢাকা, বংগদেশ, মধ্যভাৰত, শ্ৰীলংকা আৰু উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তৰলৈ ৰপ্তানি হৈছিল। হাদিৰা আৰু ফুলৰা চকীৰপৰা বছৰি কাপোৰ ৰপ্তানি হোৱাৰ টকাৰ পৰিমাণ আছিল ৩৫,০০০। অসমৰ তাঁত-শালত বোৱা ফুলাম আঁঠুৱাই হেমিলটন চাহাবৰ টোকাতো স্থান পাইছে।

অসমৰ তাঁত-শালত বোৱা ৰেচম আৰু কপাহী কাপোৰেৰে তৈয়াৰী সাঁজ-পাৰৰ দীঘলীয়া তালিকা পুৰণি অসমৰ শিল্পত আছে। তাৰেপৰা চয়ন কৰা কেইটামান নাম - আৰোৱান, উকা কাপোৰ, এঙাচোলা, এফলীয়া বৰ কাপোৰ, কমৰ বান্ধ, কম্বল, কাৰ্চিপৰ সোণৰ গুণাকৰা, কাৰ্চিপৰ বনকৰা দীঘল হতীয়া মাইকী চোলা, কাৰ্চিপৰ ৰিহা, কিৰ্মিজৰ গাৰু, কুনমিন, কেপকৰা তুলি, গা-মোচা, গামোচা খৰুৱা কাপোৰ, গোমচেং এঙাচোলা, চঁপাপতীয়া চুৰিয়া, চাদৰ, চাংগতি চেলোৱাৰ, চিকন কাপোৰ, চুৰিয়া কাপোৰ, চেলেং, চৌকন, জলম, জালিচোলা, জিজিৰা, জোলোঙা, টঙালি, ঢেকেৰি ভূনি, দুৱলীয়া ফুলাম কাপোৰ, নৰা কাপোৰ, পটুকা, পালতৰা কাপোৰ, ফচৌ, বচোৱাল, বৰকাপোৰ, বিহ খৰুৱা কাপোৰ, বোলোৱা পাগ, মৰখল, মজাজামা, মোনা, সোণোৱালী আতালঞ্চ ইজৰা, সোণোৱালী চিৰা ইত্যাদি।

না. দা.

।। তাঁতশাল পূজা।।

নামনি অসমত, ঘাইকৈ অবিভক্ত উত্তৰ কামৰূপত কাজী শিপিনী হোৱাৰ দুৰ্বাৰ আকাংক্ষাৰে সধবা নাৰী আৰু আবিয়ৈ ছোৱালীহঁতে শাৰদীয় দুৰ্গা পূজাৰ নৱমী (এই তিথিত পতা নাৰীকেন্দ্ৰিক লৌকিকপূজাৰ নাম আইলা পূজা) আৰু দশমী তিথিত দেৱী বিসৰ্জনৰ প্ৰাক্‌ক্ষণত দেৱী দুৰ্গাৰ নামত ঘৰুৱা ভাৱে তাঁতশাল পূজা পাতে। সেই উপলক্ষে ছোৱালীহঁতে পুৱাৰ পৰতে গা-পা ধুই ডলা-চালনীলৈ ওচৰৰ পুখুৰীলৈ গৈ তাৰপৰা কেইখামোচমান মাটি তুলি ডলা-চালনীত ভৰাই মূৰৰ ওপৰত দাঙি লৈ ঘৰ পায়হি। সেই

মাটিৰে ঘৰত পাতিথোৱা তাঁতশালখনিৰ চাৰিটা খুঁটাত চাৰিটা আৰু সোঁমাজতে এটা মুঠ পাঁচটা সৰু মূৰ্তি সাজি মূৰ্তিকেইটাত সিন্দূৰ সানি ধূপ-দীপ আৰু নৈৱেদ্য আগবঢ়ায়। তাঁতশালত সংস্থাপিত সৰু মৃন্ময় মূৰ্তিকেইটাৰ মাজৰটো দেৱী দুৰ্গাৰ আৰু চৌকাষৰ চাৰিটা যথাক্রমে লক্ষ্মী, সৰস্বতী, গণেশ আৰু কাৰ্তিকৰ। এই পূজাত কাঠগুা নামৰ বগাফুল আগবঢ়োৱা হয়। পূজাৰ শেষত পাঁচোটা মূৰ্তি পুনৰ ডলা-চালনীৰ তলে - ওপৰে কলপাত দি মাজত ভৰাই মাটি কঢ়িওৱা ছোৱালীজনীয়েই মূৰত তুলিলৈ গৈ পুখুৰীত ভহাই দি ভক্তিভাৱে প্ৰত্যাৱৰ্তন কৰে। মূৰ্তিকেইটা ভহাবলৈ যাওঁতে ছোৱালীহঁতে ওৰে বাটে দুৰ্গা নাম গোৱাটো উল্লেখযোগ্য। দশমী তিথিৰ দিনা এনেদৰে মা দুৰ্গাৰ নামত তাঁতশাল পূজা সভক্তিৰে পতাজন কাজী শিপিনী হোৱাৰ প্ৰবল জনবিশ্বাস নলবাৰী প্ৰমুখ্যে বিভিন্ন অঞ্চলত আজিও প্ৰবল।

(অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত বিশ্বকোষৰ ৮ম খণ্ডৰ আধাৰত যুগুতোৱা)

না. দা.

**।। তবলা ।।**

ভাৰতীয় সংগীত শাস্ত্ৰত তবলাৰ স্থান বিশিষ্ট। পুৰণি কালত এই বাদ্যবিধ তলমৃদংগ ৰূপে পৰিচিত। সোঁহাতেৰে তবলা (ডায়না) আৰু বাঁও হাতেৰে বাঁয়া (ডুগি) বজোৱা বিধেয়। গান তথা ঐক্যতান বাদনত ইয়াৰ ব্যৱহাৰ আজিকালি অপৰিহাৰ্য। সাধাৰণতে বাঁয়াৰ খোল তাম আৰু মাটি উভয়ৰদ্বাৰা নিৰ্মিত হয় যদিও তবলাৰ খোল কাঠেৰে সজা হয়। খৃষ্টীয় ত্ৰয়োদশ - চতুৰ্দশ শতাব্দীত আমীৰ খুশ্ৰুই মৃদংগ ভাঙি তবলা প্ৰস্তুত কৰিছিল। ৰেলা, কায়দা, গৎ, আৰি, কুআৰি আদিকৈ তবলাৰ ভিন্ন বোল। ইয়াৰ মুখখন চামৰাৰে আচ্ছাদিত আৰু ডুৰিৰ দ্বাৰা গোঁঠা। আঙুলিৰ সহায়ত বজোৱাৰ সুবাদতে ইয়াক টংকাৰ বাদ্য ৰূপেও জনা যায়।

(বঙলা ভাৰত কোষৰ আধাৰত যুগুতোৱা)

না. দা.

**।। তামোলৰ আমোল মোল ।।**

তামোলৰ মোল নুবুজা লোক সকলোৰে হাঁহিয়াতৰ পাত্ৰ; নহ'লেনো বিহুৱলীয়া ডেকাই গায়নে -

'তামোলৰ আমোল মোল ঐ নাচনী তামোলৰ আমোল মোল;
ক'ৰপৰা পালিহি দেৱছালি খোৱা তাঁমোলৰ নুবুজা মোল।।'

তামোলৰ যোগেদি প্ৰেম-প্ৰণয়ৰ আদান-প্ৰদানৰ প্ৰথা পৃথিৱীৰ বিভিন্ন জাতিৰ মাজত আজিও প্ৰচলিত। তামোল-পাণ অবিহনে দেৱকাৰ্যৰ কথা চিন্তা কৰিবই নোৱাৰি। হোম, নৈৱেদ্য প্ৰভৃতিত আগ-গুৰি কটা যোৰ তামোল-পাণ আগবঢ়োৱা কথানো কোনে

নাজানে? বৈষ্ণৱ গুৰু-গোসাঁই আৰু সন্মানীয় ৰাইজক আন্তৰিক সন্মান প্ৰদৰ্শন কৰা হয় তামোল-পাণ শৰাইত আগ কৰি। বিয়াৰ লেখীয়া মাংগলিক কৰ্মৰ আৰম্ভণিৰেপৰা শেষলৈকে তামোলৰ গুৰুত্ব মন কৰিবলগীয়া। দৰাৰ কাৰণে কইনা খুজিবলৈ যাওঁতে অথবা জোৰণ পিন্ধাবলৈ যাওঁতে এথোক তামোল নহ'লেই নহয়; বিয়ালৈ ৰাইজ আৰু ইষ্ট-কুটুম্বক আমন্ত্ৰণ জনাব লাগে তামোল-পাণেৰে। প্ৰাজাপত্য সপ্তপদী অনুষ্ঠানত কন্যাই একেডালি গছৰ সাতপাত পাণ গচকাৰ কথা মধ্যযুগীয় স্মৃতিশাস্ত্ৰত পোৱা যায়। কিছুদিনৰ আগলৈকে পাণ ছিৰি বিবাহ কৰা প্ৰথা আমাৰ অসমতেই প্ৰচলিত আছিল।

তামোলেৰে আহুদী কৰা কথা কাৰো অবিদিত নহয়। অসমীয়া বিহুগীতত আছে

'কিনো তামোল খনি দিলা মোৰ মইনা অতি হেঁপাহেৰে খালোঁ;
সেইনো তামোলখনি খাবৰে পৰা তোমালৈ বলিয়া হ'লো।' অথবা
'আহোঁ কঞ্জাবনে যাওঁ কঞ্জাবনে কঞ্জাবনে কাটিলে গা;
থুৰীয়া তামোলত আহুদী কৰিলা পানীত পৰি নুযুৱাই গা।'

অসমীয়া সংস্কৃতিত তামোল-পাণৰ গুৰুত্ব ভালেখিনি। কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষ শিলাদিত্যলৈ হংসবেগৰ হাতত বিভিন্ন দ্ৰব্য সম্ভাৰৰ লগতে কেঁচা তামোলো আগবঢ়াইছিল। বলবৰ্মাৰ ৰাজধানী আছিল - তামোল পাণেৰে সুশোভিত। কালিকা পুৰাণে তামোলক পূজাৰ অন্যতম দ্ৰব্য ৰূপে স্বীকৃতি দিছে। যোগিনীতন্ত্ৰত উল্লেখ আছে যে অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবাই ভাল পায়। আহোম যুগত সৃষ্টি হোৱা তামুলী উপাধি মন কৰিবলগীয়া।

সংস্কৃত তাম্বুল শব্দটো অষ্ট্ৰো-এচিয়াটিক বুল ধাতুৰ লগত তম উপসৰ্গ লগ লাগি সাধিত হোৱা বুলি জ্যঁ পছিলুস্কিয়ে মন্তব্য দিছে। সুশ্ৰুত সংহিতাৰ সূত্ৰস্থানৰ ৪৬ অধ্যায়, চৰক সংহিতা আৰু ভাৱ প্ৰকাশত তামোলৰ গুণাগুণ বৰ্ণিত হৈছে। ৰজা ভোজৰাজেও ইয়াৰ গুণ নবখনাকৈ থকা নাই। অসমীয়া গীত-মাত আৰু প্ৰবাদ-প্ৰবচনত তামোল-পাণৰ উল্লিখন মনকৰিবলগীয়া -

ক) পঢ়ে পঢুৱাই ৰোৱে পাণ, এই তিনি নিচিন্তে আন।

খ) মুখৰ চিকুণ গুৱা, তামোলৰ চিকুণ গুৱা। আদি।

না. দা.

।। তাম্ৰেশ্বৰী মন্দিৰৰ গোসাঁনী ।।

শদিয়া মহকুমাৰ ডিগাৰু নৈৰ উত্তৰ পাৰে চেপাখোৱাৰপৰা প্ৰায় ৩০ কিঃমিঃ উত্তৰ -পূবৰ ঢল নদীৰ তীৰত অৱস্থিত তাম্ৰেশ্বৰী মন্দিৰৰ দেবী গৰাকী কেঁচাইখাতী গোসাঁনী ৰূপে খ্যাত। দেউৰীৰূপে খ্যাত চুতীয়া পুৰোহিতসকলে এইজনা দেৱীৰ পূজা-অৰ্চনা কৰিছিল। দেৱীগৰাকীক দেউৰীসকলে তাম্ৰেশ্বৰী বা পিশাচী অৰ্থাৎ কন্যা অথবা

কুমাৰীদেৱী বোলে। কালিকা পুৰাণৰকালত ঢল নৈখন দিক্কৰ নামে প্ৰসিদ্ধি লাভ কৰিছিল। এই দিক্কৰ অঞ্চলৰ প্ৰখ্যাত দেৱীগৰাকী হ'ল- দিক্কৰবাসিনী। দেৱীৰ ৰূপ দুটা- উগ্ৰতাৰা বা তীক্ষ্ণকান্তা আৰু ললিতকান্তা। ইয়াৰে প্ৰথম ৰূপটোহে প্ৰসিদ্ধ, যিটো ৰূপ কৃষ্ণা, লম্বোদৰী আৰু একটা। এই দেৱীৰ মদিৰা আৰু নৰবলি অতিকে প্ৰিয়। অৱশ্যে যোগিনীতন্ত্ৰত দেৱীৰ উক্ত দুইৰূপৰ বৰ্ণনা নাই। তথাপি চুতীয়াসকলে কুমাৰীদেৱী তাম্ৰেশ্বৰীক অষ্টাদশ শতাব্দীলৈকে নৰবলি আগবঢ়াই অহাটো ঐতিহাসিক সত্য। তাম্ৰেশ্বৰী মন্দিৰত আদিতে থকা মন্দিৰটো প্ৰাকৃতিক দুৰ্যোগত ধ্বংসপ্ৰাপ্ত হয়। ইংৰাজ লেখক ডব্লিউ. বি. ব্ৰাউন চাহাবে কেপ্তেইন ভেট্চৰ মুখে শুনা কথা লিখিছে এনেদৰে - 'তামৰ দেওঘৰ প্ৰায় বৰ্গকাৰ, ডাঙৰ শিল, লোৰ খুঁটি আৰু কৰালেৰে গুঁঠি সজা। মন্দিৰৰ ওপৰত থকা তামৰ চালিখন এৰাই পৰিছিল।' পিছত ১৮৪৮ খ্ৰীষ্টাব্দত হানে চাহাবে দেওপানী ভ্ৰমণ কৰি তাত মন্দিৰৰ কোনো তামৰ চালি দেখা পোৱা নাছিল। মন্দিৰ-শিখৰৰ কলসী এটা মাথো পৰি থকা পাইছিল। তেওঁ তাত দেখা পোৱা মন্দিৰৰ শৈল-জংঘা আদি পৰীক্ষা কৰি আদি মন্দিৰ পঞ্চদশ শতাব্দীত পুনৰ্নিৰ্মাণ কৰাৰ সম্ভৱনা দেখিছিল। ব্লক চাহাবে উক্ত ধ্বংসাৱশেষত দুজন দ্বাৰপাল, সূৰ্য, শিৱৰ বক্ষস্থ নৃত্যৰতাকালী আৰু সৰস্বতীৰ শৈল প্ৰতিমা উদ্ধাৰ কৰিছিল। বিগ্ৰহবিহীন আলোচিত তাম্ৰেশ্বৰী মন্দিৰৰ পছিমা জংঘাৰ সমুখত থকা তিনি ঠেঙীয়া শিলটোত বছৰি নৰবলি দিয়াৰ কথা ঐতিহাসিকসকলে স্বীকাৰ কৰি গৈছে। আহোম স্বৰ্গদেৱ গৌৰীনাথ সিংহই সেই মন্দিৰত নৰবলি প্ৰথা বন্ধ কৰি তাৰ পৰিৱৰ্তে পশু-পক্ষী বলিৰে কেঁচাইখাতী গোসাঁনীক পুজিবলৈ আদেশ দিলেও পূৰ্ণানন্দ বুঢ়াগোঁহায়ে কুকুৰাচোৱা লেখাৰুক আলোচিত গোসাঁনীৰ আগত বলি দিয়াটো তাৎপৰ্যপূৰ্ণ।

না.দা.

।। তাল।।

তাল ঘনবাদ্যৰ অন্তৰ্গত। সাধাৰণতে ধাতুৰে নিৰ্মিত আৰু মাজডোখৰ উঠঙা। তাতেই বিন্ধা এটা কৰি জৰী সুমুৱাই তালপাট বান্ধি লৈ দুপাট তাল একেলগ কৰি ধ্বনিৰ সৃষ্টি কৰা হয়। সংগীত ৰত্নাকৰ ত কৰতালৰ বিষয়ে দিয়া সংজ্ঞাত তালৰ সবিশেষ বুজিব পাৰি - 'কৰতাল শুদ্ধ কাঁহেৰে নিৰ্মিত, ইয়াৰ মুখৰ ব্যাস ১৩ আঙুল; ইয়াৰ আকৃতি কামিনী স্তন অথবা নৱজাত পদ্মপত্ৰৰ দৰে সুগোল, মাজখিনি কামিনী স্তন বৃন্তৰ দৰে আগবঢ়া আৰু ইয়াতেই লগোৱা থাকে একোডাল ৰচী।' প্ৰায় ১৫ ছেঃ মিঃ ব্যাসৰ তালবিধৰ নাম পাতিতাল বা খাৰেঙী তাল। এইবিধ তাল বৰগীত, সত্ৰীয়া নৃত্য, বিহুনৃত্য আৰু দেৱদাসী নৃত্যত সংগত কৰা হয়। বিয়াহ গোৱা ওজাপালিয়ে ব্যৱহাৰ কৰা তালৰ নাম খুটিতাল। খুটিতাল আৰু কৰতালৰ পাৰ্থক্য নাই। ৰামতাল আৰু ভোৰ তাল নামৰ দুবিধ ডাঙৰ তাল আছে, নাগাৰা নামৰ উপৰি বিভিন্ন সত্ৰীয়া নাচত ভোৰতাল ব্যৱহাৰ কৰা হয়।

না. দা.

**।। তাল পিঠা ।।**

স্বাস্থ্যকৰ তালপিঠা তৈয়াৰ কৰিবলৈ পকা তাল এটা, পিঠাগুড়ি, চেনি আৰু ৰিফাইন তেল অথবা ডালডাৰ প্ৰয়োজন। এই পিঠা প্ৰস্তুত প্ৰণালী এনেধৰণৰ ঃ ভালদৰে পকা তালটোৰ ওপৰৰ ক'লা বাকলিটো কাটি পেলাই তালৰ গুটিটোৰ ওপৰত জাবৰুৱা ৰসাল হালধীয়া অংশটো অলপ পানী লোৱা এটা ডাঙৰ পাত্ৰত থৈ দুহাতেৰে সেইটো মোহাৰি থাকিলে ৰস ওলায়। ৰস ওলোৱাৰ পিছত গুটিটো পেলাই দি ৰসখিনি পৰিষ্কাৰ পাতল কাপোৰেৰে ছেকিলে পুনৰ্বাৰ আন এখন কাপোৰেৰে মগুখিনি বান্ধি অলপ সময় ওলোমাই থব লাগে। তিতালগা পনীয়া ৰসখিনি ওলাই যোৱাৰ পিছত তালৰ লগত পিঠাগুড়ি আৰু অলপ চেনি মিহলাই কেৰাহীত গৰম তেল বা ডালডাত মালপোৱাৰ আকাৰত ভাজি ল'লেই তালপিঠা খোৱাৰ বাবে উপযোগী হয়।

জ্যো. দা.

**।। তিৰীৰ মিঠা খাৰী ৰাগৰ মিঠা বৰাড়ি ।।**

এগৰাকী নাৰী (তিৰী) দোখাত ধুনীয়া হ'লেই নহ'ব তেওঁৰ প্ৰয়োজনীয় গুণ সমূহৰো অধিকাৰী হ'ব লাগিব। 'সুতিৰী ফেদেলী' বুলি ডাক পুৰুষেও কৈ গৈছে। অৰ্থাৎ লাহতী নাৰীয়েই সমাজত বিষময় পৰিস্থিতিৰ সৃষ্টি কৰে বুলি লোক-বিশ্বাস চলি আহিছে। কোনো খাৰী নাকী তিৰোতাই নিজৰ গুণৰ বলত একোখন সংসাৰ সুন্দৰকৈ চলাই নিব পাৰে। গৃহস্থক অথবা স্বামীক সদায় আনন্দ দিব পাৰে; কিন্তু এগৰাকী সুন্দৰী স্ত্ৰী স্বামীৰ বাবে উদ্বেগ আৰু সন্দেহৰ কাৰণো হ'ব পাৰে।

ভাৰতীয় ৰাগ-ৰাগিণীসমূহৰ ভিতৰত বৰাড়ি ৰাগৰ এক মৰ্যাদা আছে - আছে সুকীয়া স্থান। এই বৰাড়ি ৰাগে যিদৰে যিকোনো মানুহৰ মন আলোড়িত কৰিব পাৰে, ঠিক একেদৰে খাৰী নাকী তিৰোতায়ো যিকোনো মানুহৰ হৃদয়ত নিজ গুণেৰে আনন্দ আৰু সুখৰ লহৰ তুলিব পাৰে।

সেইবাবেই আমাৰ অসমীয়া সমাজত এই ফাকি জনপ্ৰিয় প্ৰবচনৰ গুৰুত্ব অপৰিহাৰ্য।

প. বা.

**।। তিলনি ।।**

অসমীয়া হিন্দু সমাজত মানুহ মৰাৰ তিনি দিনৰ দিনা পালন কৰা লোকাচাৰেই হ'ল তিলনি। অসমীয়া সমাজত দেহত্যাগ কৰিলে ঘৰৰ লোক আৰু ঘৰখনক অশুচি বুলি জ্ঞান কৰা হয়। গতিকে মানুহ মৰাৰ তিনিদিনৰ দিনা কাপোৰ কানি ভালদৰে ধুই -পখালি, চাফ- চিকুণ কৰা হয়। এঘটি পানীত তিল, চাউল, এঁৰা গাখীৰ, দুবৰি বন আৰু তুলসীৰ

পাত মিলাই তিল জাল প্ৰস্তুত কৰি ঘৰ আৰু চৌহদত ছটিয়াই শুচি হয়। সেইদিনা গিয়াতি কুটুমে মৃতকৰ পৰিয়ালক চাউলৰ গুড়ি, কল, গাখীৰ আৰু বিভিন্ন ধৰণৰ ফল-মূল আদি খাবলৈ দিয়ে আৰু গধূলি পৰিয়ালৰ লোকে প্ৰথম হবিছ কৰে।

কি. ক.

**।। তিৱাসকলৰ ইয়ালিং উৎসৱ।।**

এক স্বকীয় বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ অধিকাৰী তিৱাসকলৰ গীত-নৃত্য আৰু পূজা-অৰ্চনাৰ প্ৰধান এটি আকৰ্ষণীয় উৎসৱ হ'ল ইয়ালিং। গাঁৱৰ মুৰব্বী ল'ৰৰ ঘৰত এই উৎসৱৰ পাতনি। উৎসৱৰ বাবে নিৰ্দিষ্ট কৰা দিনটোত দলৈ, মাজি, ফাদাৰ আদি গাঁৱৰ বিভিন্ন দায়িত্বশীল বিষয়াসকল সন্ধিয়াৰ লগে লগে ল'ৰৰ ঘৰত উপস্থিত হোৱা নিয়ম। ইয়াৰ পিছত ল'ৰই চৰাং (চান্তাৰি) খেল, চাৰিবিচাই (চাৰিজন বিষয়া), অজা (পাংচি, খ্ৰাম আৰু কীত) আৰু ৰান্ধনি (দুজন পুৰুষ আৰু মহিলা) খেলক ভাগে ভাগে তামোল-পাণৰ বঁটা চাৰিটা দি উৎসৱত নিজ নিজ দায়িত্ব পালনৰ নিৰ্দেশ দিয়ে। পাঠাইসকলে (ডেকাল'ৰা) নতুন ঠেনা, থগ্লা, থঙালি, ঠেনাচ, বাৰহতীয়া ফুলাম কাপোৰৰ পাগুৰিত টুকুৰা লেংজাই (ভীম চৰাইৰ নেজ) গুজি, নানান আ-অলংকাৰ পৰিধান কৰি, হাতত লাংখুই-বাৰু (ঢাল-তৰোৱাল) লৈ নৃত্যৰ বাবে সাজু হয়। নিশাৰ ভাগত চোতালৰ সোঁমাজত প্ৰতিষ্ঠা কৰা একুৰা প্ৰকাণ্ড জুইৰ চাৰিওফালে প্ৰথমে পাংচি (বাঁহী) প্ৰজাসকলে গুৰু স্মৰণত সাতবাৰ বাঁহী বজায়। ইয়াৰ পিছত লুডাং খ্ৰাম (দীঘল ঢোল) আৰু বাঁহীৰ সুৰৰ তালে তালে খ্ৰাম অজা দলৈ, মাজি আৰু ফাদাৰে জুইকুৰাৰ চাৰিওফালে সাতপাক ঘূৰি নৃত্য কৰে। উল্লেখ্য যে এনে সময়তে ৰঙা পাৰি দিয়া এখন কাপোৰেৰে ওৰণি দি লখিমী সজাই অনা এজন যুৱকক সেই স্থানত উপস্থিত কৰোৱা হয়। লখিমীগৰাকীক ধূনা ফুৰাই ঠেনাচেৰে বিচি বিচি ঋজু গতিৰ গীত গাই গাই দলৈ, মাজি, ফাদাৰ আৰু অজাই আকৌ নৃত্য কৰে। তাৰ পিছত ডেকাসকলে যুদ্ধৰ নিনাদেৰে বাজি উঠা ইয়ালিং খ্ৰামৰ তালে তালে উকি মাৰি গোটেই ৰাতি নৃত্য কৰে আৰু বহুৰঙী ফুল বছা কাচং-ফাচকাই পৰিহিতা খৰলা (যুৱতী)সকলে মাজে মাজে এওঁলোকক জু(সাজ) খাবলৈ দি নতুন উদ্যম আৰু প্ৰেৰণা যোগায়। পিছদিনা সকলো উপবাসে থাকি লখিমীগৰাকীক লৈ উৎসৱৰ মূল থলী নাতিদূৰৰ ইয়ালিং চাল লৈ যাত্ৰা কৰে। ইয়াত ল'ৰ-দলৈসকলে বিভিন্ন উপাস্য দেৱ-দেৱী কামঠা ববৈ, ম'খ' ববৈ, বদলমাজি, মহাদেউ, সাতব্ৰনী, নৰ'চিং, চাংপালি আদিৰ নামত ছাগলী, গাহৰি, কুকুৰা, হাঁহ, পাৰ আদি বলি দি শস্যৰ উৎপাদন বৃদ্ধি আৰু গাঁৱৰ উন্নতি-মংগলৰ অৰ্থে পূজা-প্ৰাৰ্থনা কৰে। পিছদিনা ল'ৰৰ ঘৰৰ চোতালত ওৰে দিন ইয়ালিং নৃত্যানুষ্ঠান চলি থাকে। এনেদৰে প্ৰায় তিনিদিন এই উৎসৱ চলি থাকে। উৎসৱৰ পৰৱৰ্তী দিনা বলিৰ মাংসবোৰ আৰু বিশেষভাৱে প্ৰস্তুত

কৰা ধানৰ পূৰাটো ভাঙি এমুঠি কৈ গাঁৱৰ প্ৰতিঘৰক বিতৰণ কৰা হয়। এই ধানক পৰিয়ালসমূহে লখিমী জ্ঞান কৰি পূজা পাতল কৰে। তাৎপৰ্যপূৰ্ণ যে অসমৰ সকলো তিৱা গাঁৱতে ইয়ালিং উৎসৱ অনুষ্ঠিত হোৱা দেখা নাযায়।

বি. ভূ. ব.

।। তিৱাৰ বোকা-নাচ।।

অসমৰ অন্যতম আদিম অধিবাসী তিৱাসকলৰ বিচু (ব'হাগ বিহু) অতি আদৰৰ উৎসৱ। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ পিছৰ বুধবাৰত তেওঁলোকে এই উৎসৱ পালন কৰে। গৰু বিহুৰ পিছৰ দিনটোৰপৰা ভৈয়ামত হুচৰি আৰু পাহাৰৰ নামনিৰ তিৱাসকলৰ মাজত বোকা-নাচ আৰম্ভ হয়। সিদিনা গাঁৱৰ ডেকা-গাভৰুবোৰ গোট খাই গাঁওবুঢ়া, ঘৰৰ বুঢ়া আৰু মুখিয়াল বুঢ়াসকলক একেলগে বহুৱাই ফটিকা যাচে আৰু তেওঁলোকৰ ঘৰে ঘৰে গৈ গীত-মাত গাই নাচি-বাগি পইচা তোলাৰ অনুমতি খোজে। বুঢ়াসকলে ডেকা-গাভৰুৰ দলটোৰপৰা মুখিয়াল-মুখিয়ালনী বাচি দি সিহঁতৰ ওপৰতে দলৰ সকলো দায়িত্ব অৰ্পণ কৰি বিহু মাৰিবৰ বাবে অনুমতি দিয়ে। ডেকা-গাভৰুসকল এসপ্তাহৰ বাবে আৱশ্যকীয় কানি-কাপোৰ লৈ বিহু মাৰিবলৈ যাবৰ বাবে গাঁৱৰ মাজৰ আলি-বাটত গোট খায় আৰু এমূৰৰপৰা বিহু মাৰি যায়। এনেদৰে য'তে ৰাতি হয় ত'তে গৃহস্থ একোঘৰতে দলটোৱে আশ্ৰয় লয়। এসপ্তাহৰ অন্তত পৰৱৰ্তী বুধবাৰত সকলো ঘৰা-ঘৰি যায়গৈ। তেওঁলোকে বিহু মাৰোঁতে পোৱা টকাৰে গাহৰি কিনে; চাউল-পাতিৰে জু (মদ) তৈয়াৰ কৰে। তাৰ পিছত বুধবাৰ পৰিল। ৰাতিপুৱাই ডেকাসকল ওচৰৰ জুৰি বা বিলৰ পাৰলৈ গৈ বৃত্তাকাৰে এডোখৰ বোকা থকা ঠাইত পুখুৰী খান্দি বোকখিনি ভালদৰে ফেনেকি মিহি কৰি থৈ তাৰ পিছত যতনাই থোৱা গাহৰি, মদ, চাউল আদি সকলো বস্তু লৈ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলো বিলৰ পাৰৰ সেই নিৰ্দিষ্ট ঠাইডোখৰ পায়গৈ। বুঢ়াসকলে ঠাইখন পৰিষ্কাৰ কৰি ঈশ্বৰৰ নামত স্তুতি কৰে। ইফালে ডেকা-গাভৰুসকলে ফেনেকি থৈ অহা বোকাখিনিৰ ওপৰত লুতুৰি-পুতুৰি হৈ ৰং-ধেমালি কৰি, নাচি-বাগি, গীত গাই প্ৰায় ডেৰ-দুই ঘণ্টা কটোৱাৰ পিছত বিলত গৈ পৰিষ্কাৰকৈ গা ধোৱে আৰু তাৰ পিছত সকলোৱে আহি বুঢ়াসকলৰ লগত স্তুতিত যোগ দিয়েহি। সিদ্ধ কৰা ভাত-আঞ্জা, জু সকলোৱে মিলি-জুলি খোৱাৰ অন্ততঃ ডেকা-গাভৰুসকলে আঁঠু লৈ বুঢ়া-মেঠাৰ আশীৰ্বাদ লয় আৰু ঘৰাঘৰি যায়গৈ। বোকা নাচৰ গীতৰ ভাৱা পাহাৰীয়া লালুং দোৱানৰ আৰু ভাৱ ল'ৰা-ছোৱালীৰ প্ৰণয় বিষয়ক। দুই-এটি বুৰঞ্জীমূলক কথাৰ টুকুৰাও ইবোৰত পোৱা যায়। ছোৱালীবোৰে নাচোঁতে ঢেঁকী দিয়া, ধান বঢ়োৱা, চলা, ভূঁই ৰোৱা, টাকুৰি ঘূৰা দি ঘূৰা আদি ভংগিমাবোৰ প্ৰদৰ্শন কৰে। ল'ৰাবিলাকে শগুণে মৰা শৱ ওপৰত জঁপিয়াই পৰি খোৱাৰ ভংগী দেখুৱায়। কোনোৱে আকৌ যাঠি

লৈ চিকাৰলৈ যোৱা, জালেৰে মাছ মৰাৰ দৃশ্য আদি দেখুৱায়।

বি. ভু. ব.

**।। তিৱাসকলৰ লাংখুন পূজা।।**

লাংখুন শব্দৰ অৰ্থ হ'ল - ফুলাই লোৱা দীঘল লাঠী। লাংখুন পূজাৰ বাবে প্ৰয়োজনীয় লাংখুন আনিবলৈ লৰ'চাংদলৈ , চাংমাজি আৰু চামাদিৰ পান্থাইসকল হাবিলৈ যায়। যাওঁতে তেওঁলোকে লগত নিয়ে- মদৰ লাও এটা, তামোল পাণৰ বঁটা এখন, তৰাপাত, সাতপাত আৰু পানী এলোটা। জয়জয়তে হাবিৰ বিজুলী বাঁহ এজোপাৰ তলিখন চিকুণাই তাতে তৰাপাত পাৰি দি তামোল-পাণ আৰু মুদ্ৰা এটা দি লাওৰপৰা মদ ঢালি বিজুলী বাঁহৰ গৰাকী দেও চাল্‌জাৰ ওচৰত বাঁহ কাটিবৰ বাবে অনুমতি বিচাৰে। বাঁহ কটাৰ বাবে হ'ব পৰা দোষ- ত্ৰুটিৰ বাবে ক্ষমা মাগি স্তুতিগীত গাই পোন চাই ওঠৰডাল বাঁহ কাটি আনে। প্ৰায় ২১০ ছেঃ মিঃ দৈৰ্ঘৰ মদাৰ গছৰ ডালো ওঠৰটা পূজা উপলক্ষে কটা নিয়ম। চাং দলৈৰ নিৰ্দেশত বাঁহ আৰু মদাৰৰ ডালবোৰ চাঁচি- চুঁচি এঙাৰ, হালধি আৰু অন্যান্য ৰং তাত সানি লাংখুনবোৰ চামাদিত তুলি থয় আৰু মালবাৰীবোৰ চামাদিৰ পূবদিশত পোতে। সেইদিনাই আবেলি ৰাইজে দুটা মদৰ কলহ আৰু তামোল-পাণৰ বঁটা দেউৰীলৈ আগবঢ়াই খ্ৰাম, খ্ৰামবাৰ, মোবাং, পাংচি প্ৰভৃতি বাদ্যযন্ত্ৰ বজাবলৈ অনুমতি মাগে আৰু পিছদিনা মংগলবাৰে বোৱাৰী পুৱাতে চামাদিৰপৰা নামি পুতি ৰখা মালবাৰীবোৰ হাতত লৈ প্ৰতিটো গৃহস্থৰ চালে বেৰে কোবাই অপদেৱতা খেদি আগতে সেইবোৰ পোতা ঠাইতে পুতি থয়। পিছদিনা ঘৰে পতি কুকুৰা, মদৰ কলহ প্ৰভৃতি তুলি আনি পূজাৰ আয়োজন কৰে। পূজাত লাংখুনবোৰ দীঘলে দীঘলে পাৰি দি প্ৰতিগৰাকী দেৱতাৰ নামত কুকুৰা বলি দি দেৱতালৈ প্ৰাৰ্থনা জনায়। পূজাৰ শেষত ডেকা-গাভৰুৱে বিবিধ নৃত্য কৰে। ৰাতি গাঁৱৰ মূল বিষয়া বোৰৰ ঘৰত নৃত্য গীত পৰিৱেশন কৰি পুনৰ চামাদিলৈ ঘূৰি আহি খ্ৰামৰ ছেৱে ছেৱে লাংখুনবোৰ নচুৱাই মালবাৰী বিৰ্সজন দিয়াৰ দৰে লাংখুনবোৰো বিৰ্সজন দিয়ে। অৱশেষত ডেকা-বুঢ়া সকলো চামাদিত গোট খাই নৃত্য গীত পৰিৱেশন কৰে। চাংমাজিয়ে অভ্যাগতসকলৰ চেনা ফনা মাছৰ সৈতে মদ খুৱায়। অৱশেষত চামাংজিৰ উপস্থিতিতে বাদ্যযন্ত্ৰবোৰ চামাজিত ভালদৰে থৈ দিয়ে। লগে লগে পূজাৰ সমস্ত উলাহ- আনন্দ শেষ হয়।

(দৈনিক প্ৰতিদিন,১৫ জুলাই, ২০০৬ ত প্ৰকাশিত বাণী ফুকনৰ তিৱাজনগোষ্ঠীৰ লাংখুন পূজা নিৱন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

**।। তিৱা সমাজৰ 'মায় পথালা' বা মৰণা মৰা প্ৰথা।।**

অসমৰ আদিম অধিবাসী তিৱাসকল মূলতঃ কৃষিজীৱী। বৰ্তমানো তিৱাসকলে

আধুনিক পৰম্পৰাৰপৰা মুক্ত হৈ আছে। তেওঁলোকে পুৰণি ৰীতি-নীতিৰে কৃষিকাৰ্য কৰে। এনে এবিধ পৰম্পৰা হ'ল- তিৱাসকলৰ মৰণা মৰা প্ৰথা বা মায় পথালা প্ৰথা। এই প্ৰথাটো তেওঁলোকে ৰাজহুৱাভাৱে উৎসৱ-পাৰ্বণৰ দৰে পালন কৰে। তিৱাসকলৰ ডেকা-গাভৰুসকলে বিশেষ এটা দিনত এই মায়পথালা কাৰ্য আৰম্ভ কৰে। সেইদিনা গৃহস্থই আগতীয়াকৈ মদ-মাংসৰ যা-যোগাৰ কৰি থয়। গাঁৱৰ ডেকা-গাভৰুৱে জাকপাতি গৃহস্থৰ পথাৰত সেইদিনা গোট খায়। আগতে শুকাই থোৱা শস্যৰ মুঠিসমূহ চোতালত ঘূৰণীয়কৈ পাৰি লোৱা হয়। সকলোৱে হাতত লাঠি লৈ শস্যৰ (ধান, মাহ আদি) মুঠি কোবাই কোবাই ধান, মাহসমূহ সৰাই লৈ পিছত শস্যসমূহ চোতালত বহলাকৈ মেলি দি উধাই-মুধাই তল-উপৰ কৰি কোবায়। ইয়াৰ পিছত ধানখেৰসমূহৰ ওপৰত ডেকাসকলে ঘূৰণীয়াকৈ এবাৰ আগুৱাই এবাৰ পিছুৱাই নৃত্যৰত অৱস্থাৰে ভৰিৰে গচক দিয়ে। এই সময়তে লখিমীক প্ৰণাম জনাই নৃত্য-গীত গায়। ইয়াক কিলালংকাই মুইগুৰি নাৱা বোলে। গাভৰুসকলে বাঢ়নীৰে ছিটিকিপৰা ধানসমূহ সাৰি-পুচি মাজত চপাই থয়। ধান সৰা শেষ হ'লে ডেকাসকলে নাচি নাচি খেৰসমূহ ভৰিৰে আঁতৰাই ধানখিনি মাজত থোপা কৰে। বয়োবৃদ্ধসকলে লখিমী পূজাৰ বাবে সকলো আয়োজন আগতীয়াকৈ কৰি থয়। পিছত ডেকাসকলে হাতত একোখন কুলা লৈ নাচি -নাচি ধানসমূহ বিচে। দুখন চালনীত সিবোৰ পূৰ কৰি লৈ দুজনে দুফালৰ পৰা সিঁচৰতি কৰি দিয়ে আৰু বাকী ডেকাসকলে ধানসমূহ বিচিবলৈ ধৰে। ধান বিচা কাম শেষ হোৱাৰ পিছত পাতানসমূহ তেওঁলোকে নৃত্য কৰি কৰি ভৰিৰে একাষৰীয়াকৈ কৰাৰ পিছত তেওঁলোকে পুনৰ নৃত্য কৰি ভৰিৰে ধানবোৰ ঠেলি ঠেলি পিৰামিডৰ আকৃতি কৰে আৰু মাজত এজন মানুহ থিয় দি থাকে। চাৰিওফালৰপৰা ডেকা-গাভৰুসকলে হোৰা একোখন ধানেৰে পূৰ কৰি লৈ তললৈ ঢালি দিয়ে। ধান ঢলা কাম শেষ হ'লে ধানৰ দামটোৰপৰা মানুহজন ওলাই আহে। মাজৰ অংশত খি'মাৰ নামৰ পৱিত্ৰ গছৰ পাত আনি গুজি দিয়ে। এই ধানখিনিকে লখিমী জ্ঞান কৰি পুৰোহিতে বিধি অনুসৰি মন্ত্ৰ উচ্চাৰণ কৰে। এনেকৈয়ে তিৱা জনজাতিসকলে মৰণা মৰা বা মায়পথালা প্ৰথা উৎসৱ পালন কৰি আহিছে।

**প. পা.**

## ।।তিহাৰ।।

নেপালী জনগোষ্ঠীৰ তিহাৰ (দীপান্বিতা) উৎসৱ প্ৰতি বছৰে কাতি মাহৰ কৃষ্ণ পক্ষৰ ত্ৰয়োদশী তিথিৰপৰা আৰম্ভ হৈ শুক্ল পক্ষৰ দ্বিতীয় তিথিলৈকে মুঠতে পাঁচদিন পালন কৰা হয়। উক্ত পাঁচোটা দিনতে ভিন্ ভিন্ অনুষ্ঠানেৰে নেপালীলোকে তিহাৰ উৎসৱ উদ্‌যাপন কৰাৰ পৰম্পৰা অতীজৰেপৰা চলি আহিছে। নেপালীলোকে দীপান্বিতাৰ নিশা ধাননি পথাৰত বন্তি জ্বলাই লখিমীক ৰক্ষা কৰা ঐতিহ্য পালন কৰি আহিছে। তিহাৰ

উৎসৱৰ প্ৰথম দিনটোক অৰ্থাৎ ত্ৰয়োদশী তিথিক কাক তিহাৰ অৰ্থাৎ কাউৰী উৎসৱ বোলে। সেইদিনা কাউৰীৰ উদ্দেশ্যে এখন পাতৰ কাঁহীত ভাত অথবা অন্যান্য খাদ্যবস্তু বাৰীৰ কাষত থৈ দিয়া হয়। তাৰ পিছদিনা চতুৰ্দশী তিথিক কুকুৰ তিহাৰ বোলা হয়। সেইদিনা ঘৰৰ কুকুৰকেইটাক একোডলকৈ ফুলৰ মালা পিন্ধাই খাদ্যবস্তু দিয়া হয়। উৎসৱৰ তৃতীয় দিনটোক গৰু তিহাৰ বোলে। সেই দিনা গৰুৰ খুৰা শিং আদি ধুৱাই মিঠাতেল ঘঁহি দিয়া হয় আৰু লগতে ফুলৰ মালা পিন্ধাই নানান পিঠা-পনা সান্দহ আদি খাবলৈ দিয়ে। গধুলি গোহালিত গৰুক নতুন পঘাৰে বন্ধা হয়। প্ৰতিপদ তিথিৰ দিনাও ঠিক একে পদ্ধতিৰে গাই কেইজনীক পূজা কৰা হয়- যাক গাঈ তিহাৰ বোলে। আউসীৰ ৰাতি নেপালীলোকে বন্তি প্ৰজ্বলন কৰি ফটকা আতছবাজী ফুটুৱাই উলহ-মালহেৰে দীপান্বিতা উৎসৱ পালন কৰে। সেইদিনা ৰাতিয়েই আকৌ কাঁহী-বাতি ঘটি আদি বাচন-বৰ্তন আৰু সোণ ৰূপৰ অলংকাৰ আদি এখন পাতৰ কাঁহীত থৈ ঘৰৰ কোনো এটা কোঠাত মাটিৰ চাকি জ্বলাই চাউল ফুল আদিৰে সামগ্ৰীখিনিক পূজা কৰা হয়। দৰাচলতে এই সকলো সামগ্ৰীক ঘৰৰ লখিমী স্বৰূপ গণ্য কৰি এই পূজা কৰা হয়। এই নিশাই ল'ৰাবোৰে ঘৰে ঘৰে দেউচী-নৃত্য আৰু ছোৱালীবোৰেও বেলেগে ভৈলো নৃত্য পৰিৱেশন কৰে। গৃহস্থই সাধ্যানুসৰি এই নৃত্যকৰা দলসমূহক দক্ষিণা দিয়ে আৰু নৃত্যৰ অন্তত দলবোৰে গৃহস্থক আশীৰ্বাদ দিয়ে।

দ্বিতীয়া তিথিৰ পুৱাৰ পৰা ৰাতিলৈকে তিহাৰ উৎসৱৰ মূল কাৰ্য ক্ৰমণিকা ভাতৃ দ্বিতীয়া বা ভাই-তিহাৰ অনুষ্ঠিত হয়। ভাতৃ দ্বিতীয়া পৰ্ব অনুযায়ী বায়েকে ভায়েকক অথবা যাৰ বায়েক নাই তেওঁৰ ভনীয়েকে আগতীয়াকৈ আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ কৰি আনি কপালত চাউলৰপৰা তৈয়াৰী পিঠাগুড়ি পেলপেলীয়া কৰি খৰিকা এডালেৰে ফোট লগাই দিয়ে আৰু এই বগা ফোটৰ ওপৰে ওপৰে শুকান সিন্দূৰ গুড়ি ঘঁহি দি ৰঙা বগা কৰা হয়। ফোট দিয়া কাৰ্য সম্পাদন হোৱাৰ পিছত পিঠাগুড়িৰে তৈয়াৰী খাৰু আকৃতিৰ চেল-ৰুটিৰ সৈতে মাংসৰ আঞ্জা আৰু বিবিধ আচাৰেৰে ভায়েক-ককায়েকহঁতক আপ্যায়িত কৰে। উল্লেখনীয় যে যি পুৰুষৰ নিজৰ বাইদেউ বা ভন্টি নাথাকে আন পৰিয়ালৰ কন্যা সন্তানক বায়েক বা ভনীয়েক পাতি ভাতৃ দ্বিতীয়া ভাই ফোঁটৰ অধিকাৰী হ'ব পাৰে। নেপালী জনগোষ্ঠীৰ বৰ্ণাঢ্য তিহাৰ উৎসৱক প্ৰতিটো পৰিয়ালৰ পুৰুষ সমাজৰ উত্তৰোত্তৰ কামনা কৰা এক সামাজিক প্ৰথা বুলি ক'লেও অতিৰঞ্জিত কৰা নহয়।

নি.চ.

।। তুলাপাত ।।

পুৰণি অসমত পুথি লিখাৰ এবিধ উপকৰণ হ'ল তুলাপাত। দেওধাই অসম বুৰঞ্জীত আছে যে স্বৰ্গদেউ চুডাংফাই নৰা ৰজালৈ যাঠিৰ নালত এখনি পত্ৰ দিছিল।

সেই পত্ৰখনি কাকতত লিখা। 'এ মনোগ্ৰাফ অন পেপাৰ মেকিং এণ্ড পেবিয়েৰ মেচ ইন দ্য প্ৰভিন্স অব ইষ্টাৰ্ণ বেংগল এণ্ড আচাম্' গ্ৰন্থত আই, চি, এছ্ জে, এন, গুপ্তই লিখিছে যে মুছলমানসকলে ভাৰতবৰ্ষত মৰাপাটৰ পৰা একপ্ৰকাৰ কাগজ তৈয়াৰ কৰিছিল। সেই কাকত কুৰি শতিকাৰ প্ৰথম তৰংগলৈকে পূৰ্ববংগ, মণিপুৰ প্ৰভৃতিত প্ৰচলিত আছিল। মুছলমানসকলে প্ৰস্তুত কৰা লেখন সামগ্ৰী বিধেই অসমত তুলাপাত ৰূপে পৰিচিত হোৱাটো একো অস্বাভাৱিক নহয়। ইষ্টাৰ্ণ ইণ্ডিয়ান মেনুস্ক্ৰিপ্ট্চ পেইন্টিং শীৰ্ষক গ্ৰন্থত ডঃ ৰজতানন্দ দাশগুপ্তই ক'লা জামু, কৰঙা জামু শ্ৰেণীৰ মাইহাই গছৰ শাহ সিজাই তুলাপাত প্ৰস্তুত কৰাৰ চমকপ্ৰদ বৰ্ণনা দিছে। শ্যানলোকে ইয়াক হ্স (Hsa) আৰু অসমীয়া লোকে বোলে নুনী (Papyrifyra)। ইয়াৰ উপৰি সুৰাগছ (Streblus asper) নামৰ আন এবিধ গছৰ বাকলিবোৰ ব্যৱহাৰোপযোগী আকাৰত কাটি তাক ভালদৰে খুন্দিয়াই তাৰ আঁহবোৰ নাইকিয়া কৰি শিথিল কৰা দৰকাৰ। পিছত সিবোৰ ভালদৰে সিজাই ওপৰৰ অপবস্তুবোৰ আঁতৰাই পানীৰে ধুই চাৰিকোণী পাত্ৰত থৈ চপচপীয়াকৈ চেঁচা পানী ঢালিব লাগে। কিছু সময় পিছত মণ্ডখিনিয়ে গোটেই চতুষ্কোণী পাত্ৰটো আগুৰি ধৰি পানীৰ ওপৰত ভাহি থাকে। ঠাণ্ডা হোৱাৰ পিছত সিবোৰে আজিৰ হাতে সজা কাগজৰ আকাৰ লয়। পিছত তাক শুকাই লৈ দুজাপ কৰি মজবুত কৰে। তুলাপাত প্ৰস্তুতকৰণৰ এই পদ্ধতিটো শ্বান এট হোমত কথিত হৈছে। অৰুণাচল প্ৰদেশৰ কামেং জিলাৰ বৌদ্ধসকলে উপৰ্যুক্ত পদ্ধতিত চুকছো (Sukso) গছৰ শাহৰপৰা তুলাপাত প্ৰস্তুত কৰে বুলি জনা যায়। (ভেৰিনাৰ এলুইন - দ্য আৰ্ট অব দ্য নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ অব ইণ্ডিয়া)।

না. দা.

**।। তেজপুৰ-চিত্ৰলেখা উদ্যানত (কোল পাৰ্ক) সংৰক্ষিত ভাস্কৰ্য ।।**

তেজপুৰৰ উপায়ুক্তৰ কাৰ্যালয়, মিছনেৰী কম্পাউণ্ড আৰু ডনবস্কো বিদ্যালয়ৰ আশে পাশে অষ্টম শতাব্দীৰপৰা দ্বাদশ শতাব্দীলৈ নিৰ্মিত কমেও তিনিটা মন্দিৰৰ ধ্বংসাৱশেষৰ কেইটামান নিদৰ্শন বৰ্তমানে চিত্ৰলেখা উদ্যানত সুৰক্ষা দিয়া হৈছে। সিবোৰৰ ভিতৰত বোম্বে প্ৰেচিডেন্সীৰ (মুম্বাই) চালুক্য যুগৰ ভাস্কৰ্যৰে সাদৃশ্য থকা বোল্ল আৰু বাৰ শিৰীয়া কাৰুকাৰ্য আৰু কীৰ্তিমুখ খোদিত স্তম্ভ দুটা আৰু ২১০X৪৫ ছে.মি. জোখৰ একেশাৰীতে থকা পঞ্চমন্দিৰ শিখৰ আৰু চাৰিটা শিৱলিংগৰ ভাস্কৰ্য সম্বলিত শিৱপট্টিডাল প্ৰকাণ্ড শিৱমন্দিৰৰ আৰু ই প্ৰথম স্তৰৰ স্থাপত্যৰ নিদৰ্শন। দ্বিতীয় স্তৰৰ স্থাপত্যত ৰাখালদাস বন্দ্যোপাধ্যায় ডাঙৰীয়াই দ্বাৰ-দেহলী আৰু ব্ৰহ্মা, সূৰ্য, ঈশান শিৱমূৰ্তি খোদিত (৩৮০ X৫০ছে.মি.) শিৱপট্টিডালৰ কথা উল্লেখ কৰিছে। দ্বাৰ-দেহলীৰ মাজত উদ্গত মংগল

কলহ্ আৰু তাৰ দুয়ো পাশে সমুখলৈ মুখ কৰি থকা দুটা কেশৰ বিহীন সিংহৰ উপৰি তাৰ কাষত আছে নৃত্যৰত নৰ-নাৰীৰ মূৰ্তি। বন্দ্যোপাধ্যায়ে ইয়াক কমেও এশ ফুট উচ্চতাৰ সূৰ্য মন্দিৰৰ স্থাপত্য কলাৰ নিদৰ্শন বুলি ক'লেও কনকলাল বৰুৱাই তাক বনমাল ৱৰ্মাই পুনৰ্নিৰ্মাণ কৰা হাটকশূলী মন্দিৰটোৰ ধ্বংসাৱশেষ বুলিহে সাব্যস্ত কৰিছে। চিত্ৰলেখা উদ্যানত দশাৱতাৰৰ চিত্ৰ খোদিত এডাল বিয়াগোম দ্বাৰশাখাও বিদ্যমান। ইয়াত সংৰক্ষিত তৃতীয় স্তৰৰ নিদৰ্শনৰ ভিতৰত দ্বাৰপাল, বীণা বাদনী সৰস্বতী আৰু লাস্যময়ী নাৰীৰ প্ৰতিমা খোদিত দুডাল দ্বাৰশাখা প্ৰধান। বন্দ্যোপাধ্যায় ডাঙৰীয়াই এইখিনি খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ কলা সম্ভাৰ ৰূপে স্বীকৃতি দিছে। বৰ্তমান উপায়ুক্তৰ কাৰ্যালয়ত থকা ঠাইডোখৰত এটা প্ৰকাণ্ড মন্দিৰ থকাৰ সাক্ষী হ'ল—তাত পৰি থকা বেদীত ব্যৱহৃত ছটীয়া শিলচলা। ডনবস্কো বিদ্যালয়ৰ কাষত থকা প্ৰকাণ্ড গীৰ্জাঘৰটো সজা হৈছিল সুউচ্চ সূৰ্যমন্দিৰৰ অধিষ্ঠানৰ ওপৰত। সেই মন্দিৰত ব্যৱহৃত বিভিন্ন মূৰ্তি খোদিত দ্বাৰ-দেহলী এডাল গীৰ্জাঘৰৰ সীমাৰ বেৰৰ কাষত আধাপোতা অৱস্থাত পৰি আছে। ওপৰত উল্লিখিত স্থাপত্য-ভাস্কৰ্যৰ সম্পদসমূহ গৌৰৱোজ্জ্বল পুৰণি প্ৰাগজ্যোতিষ-কামৰূপৰ উন্নত ধৰ্ম সংস্কৃতিৰ ভিন্ন দিশত স্পষ্ট পোহৰ পেলায়।

না.দা.

**।। তেজপুৰ-বৰালীমৰা সত্ৰৰ ভাস্কৰ্য ।।**

প্ৰসিদ্ধ দ-পৰ্বতীয়াৰ শিৱ মন্দিৰৰ ধ্বংসাৱশেষৰ নাতি দূৰস্থ বৰালীমৰা সত্ৰ থকা ঠাইখিনিত একালত দুটা মন্দিৰ আছিল। তাৰে এটা মন্দিৰ বৰ্তমানৰ সত্ৰখনিৰ পূৱত পূৱা-পশ্চিমাকৈ থকা বুলি অনুমান হয়। কিয়নো তাত ২৪০ ছে.মি.ৰপৰা ৩৬০ ছে.মি. উচ্চতাৰ দুই শাৰীত পোতা আঠোটা শৈলস্তম্ভই কৰা তিনিটা চতুষ্কোণী কোঠা নিঃসন্দেহে গৰ্ভগৃহ, মণ্ডপ আৰু মুখমণ্ডপত বিনে আন একো নহয়। গৰ্ভগৃহৰ সোঁ মাজত এতিয়া এখনি ঘূৰণীয়া যোনী পীঠ পৰি আছে। তাৰ ব্যাস ৬০ ছে. মি. আৰু যোনী গৰ্ভৰ ব্যাস ১৭ ছে.মি.) ধ্বংসাৱশেষত চতুষ্কোণী পীঠ (৪০ ছে. মি.) এটি স্তম্ভ (উচ্চতা ৬৬ ছে.মি.), কুম্ভ এটি, অভগ্ন আমলক (ব্যাস ৯০ ছে. মি.), দুডাল শিৰপট্টি (দৈৰ্ঘ যথাক্ৰমে ১৩৫ ছে.মি. আৰু ১৭০ ছে.মি.) আৰু বিভিন্ন অংলকাৰ বিহীন শৈলখণ্ড দেখিবলৈ পোৱা যায়। এডাল দ্বাৰ শিৰপট্টিৰ অলংকৰণ গতানুগতিক। দ্বিতীয়ডাল শিৰপট্টিৰ ওপৰৰ আগবঢ়া অংশত তিনিটা চৈত্য খোদিত কৰা দেখা যায়। প্ৰতিটো চৈত্যৰ ভিতৰত আছে একোটাকৈ শিৱ লিংগ। চৈত্য তিনিটাৰ মাজে মাজে দুজোপা কল্প বৃক্ষৰ অলংকৰণ দৃষ্টি যোগ্য। শিৰপট্টিত কল্পবৃক্ষৰ অলংকৰণ শোণিতপুৰৰ আন ঠাইত দেখা নাযায়। ইয়াৰ বিকশিত ৰূপ মাজগাঁও, মহাদেওশাল আৰু গুৱাহাটীৰ উজান বজাৰত প্ৰাপ্ত শিৰপট্টিত দেখিবলৈ পোৱা যায়। *শিল্প সম্ভাৰৰ ফালৰপৰা ই খ্ৰীষ্টীয় সপ্তম-অষ্টম শতাব্দীৰ সম্পদ।*

না.দা.

**।। তেজপুৰ বামুণী পাহাৰৰ স্থাপত্য-ভাস্কৰ্য ।।**

খ্ৰীষ্টীয় নৱম শতাব্দীৰ তেজপুৰৰ বামুণী পাহাৰত, প্ৰত্নতাত্ত্বিক ৰাখালদাস বন্দ্যোপাধ্যায়ৰ মতে, চতুষ্কোণী আয়তক্ষেত্ৰৰ ভিতৰত ছটা আৰু পূবফালে এটা মুঠতে সাতোটা মন্দিৰ আছিল। ৰাজবাৰী অথবা মিকিৰ আটিত মূল মন্দিৰটো সোঁ মাজত ৰাখি তাৰ চাৰিওফালে চাৰিটা মন্দিৰ সাজি তাত পঞ্চবিগ্ৰহ স্থাপন কৰা দৰে বামুণী পাহাৰৰো শিলৰে আগুৰা আয়তক্ষেত্ৰটোৰ ভিতৰত পাঁচোটা মন্দিৰ সাজি তাত পঞ্চদেৱতাৰ পূজা-অৰ্চনা কৰা হৈছিল। সেই পাঁচোটা মন্দিৰৰ পূৰ্ব দিশত আন দুটি মন্দিৰৰ ধ্বংসাৱশেষ আছে। সপ্তম সংখ্যক মন্দিৰৰ ধ্বংসাৱশেষ আয়তক্ষেত্ৰৰ সৰল ৰেখাৰ কিছু বাহিৰলৈ ওলাই অহা। ছয় আৰু সাত সংখ্যক মন্দিৰ দুটা থকা ঠাইতকৈ চাৰিওফালৰ চাৰিটা মন্দিৰৰ ধ্বংসাৱশেষৰ স্থান কিছু ওখ। একেবাৰে ওখ ঠাইখনত আছিল বিয়াগোম মন্দিৰটো। ডাঙৰ মন্দিৰটোৰ মণ্ডপ, অন্তৰাল আৰু গৰ্ভগৃহ - এতিয়াও অক্ষত অৱস্থাত আছে। পাহাৰত পোৱা শিলকেই কাটি প্ৰকাণ্ড মন্দিৰটোৰ গৰ্ভগৃহ আৰু মণ্ডপৰ মজিয়া নিৰ্মাণ কৰাটো উল্লেখযোগ্য। গৰ্ভগৃহৰ জোখ ৪.৫ মিটাৰ, ৪.৫ মিটাৰ। মণ্ডপৰ মজিয়াৰ জোখ ৯বৰ্গ মিটাৰ। ইয়াত ব্যৱহাত খুঁটাবোৰ তলফালে আঠশিৰীয়া যদিও ওপৰ ভাগ যোল্ল শিৰীয়া। ইয়াৰ দ্বাৰ- শিৰপট্টিৰ জোখ ২০০ X ৫০ ছে.মি.। সেইডালত কীৰ্তিমুখৰ অলংকৰণ চকুত লগা। মূল মন্দিৰৰ পশ্চিম ফালৰ মন্দিৰটোৰ দ্বাৰশাখাত (১৬০ X ৭০ X ৪৫ ছে.মি.) ওপৰ ভাগত উদ্‌গত হৈছে পাচোঁটা মন্দিৰ শিখৰৰ মনোৰম অলংকৰণ। ইয়াৰ আন এটা মন্দিৰৰ শিৰপট্টিতো পঞ্চমন্দিৰ শিখৰে শোভা কৰিছে। সকু মন্দিৰ কেইটাৰ বিগ্ৰহ স্থাপনৰ বেদীকেইখন এতিয়াও অক্ষত অৱস্থাত দেখা যায়। ধ্বংসাৱশেষৰ পূব ফালৰ তোৰণগৃহ; তাৰ পিছৰ ধ্বংসাৱশেষটো বাহন স্থাপনৰ মন্দিৰ ৰূপে অনুমান কৰিব পাৰি। মূল মন্দিৰটো ড° প্ৰদীপ শৰ্মা দেৱে বিষ্ণুৰ বুলি সাব্যস্ত কৰিছে। পিছে খ্ৰীষ্টীয় নৱম শতাব্দীত বৈষ্ণৱ ধৰ্মতকৈ শৈৱ ধৰ্মৰহে প্ৰতিপত্তি আছিল। সেই ফালৰপৰা মাজৰ মন্দিৰটো শিবালয় হোৱাহে সম্ভৱ। সেয়ে হ'লে তাৰ সমুখৰ বাহন গৃহত আছিল নান্দী-ভৃংগীৰ মূৰ্তি। বাকী কেইটা মন্দিৰত বিষ্ণু, শক্তি, সূৰ্য আৰু গণেশৰ মূৰ্তি স্থাপন কৰি পূজা সেবাৰ ব্যৱস্থা কৰা হৈছিল। বামুণী পাহাৰৰ স্থাপত্য-ভাস্কৰ্যই প্ৰাচীন প্ৰাগ্‌জ্যোতিষৰ সভ্যতা সংস্কৃতিত এচেৰঙো পোহৰ পেলায়।

না.দা.

**।। তেজপুৰ-মাজগাঁৱৰ মন্দিৰৰ ভাস্কৰ্য ।।**

তেজপুৰ চহৰৰ গাতে লগা মাজগাঁও- দ'লৰ গুড়িত দুটা পুৰণি মন্দিৰৰ ধ্বংসাৱশেষ উদ্ধাৰ হৈছে। দুয়োটা মন্দিৰৰ দূৰত্ব প্ৰায় দুকুৰি মিটাৰ। দক্ষিণৰ মন্দিৰটো ডাঙৰ আৰু

ওখ আছিল। মন্দিৰ দুটাৰ শিৰপট্টি দুডালৰ জোখ যথাক্ৰমে ২৩০ X ৭৭ ছে.মি. আৰু ১৮৭ X ৭৭ ছে.মি.। প্ৰথম ডালৰ শিৰপট্টিত পাঁচোটা মন্দিৰৰ উদ্‌গত ৰূপ মনোৰম। ইয়াৰে তিনিটা মন্দিৰত আছে পঞ্চৰথযুক্ত ৰেখা দেউল আৰু তাৰ ওপৰত আমলক। আন দুটা মন্দিৰ ৰেখা আৰু দেউলৰ শংকৰ। মন্দিৰৰ তলত পদ্মাসন, যোগাসন, পৰ্যংকাসন আদিত স্থিত ভিন্ন মুদ্ৰা সম্বলিত পঞ্চ যোগেশ্বৰৰ মূৰ্তি খোদিত কৰা। শিৰোপট্টিৰ নিম্নাংশ সোপান সদৃশ জ্যামিতিক অলংকাৰৰ দ্বাৰা সুষমামণ্ডিত। মাজত গনেশ, দুটা মন্দিৰৰ মাজত সুশোভিত কল্পবৃক্ষ, দুকাষত পৰিস্ফুট পদ্ম আৰু তাৰ দুকাষত দুজনী নাৰীমূৰ্তি খোদিত কৰা যেন লাগে। বক্ষস্থলত মূৰ্তি দুটা খণ্ডিত হোৱাত দেহ লাৱণ্য বিকাশৰ সুবিধা নাপালে। দ্বিতীয়ডাল শিৰপট্টিৰো সমুখত পাঁচোটা মন্দিৰ শিখৰ আৰু কল্পবৃক্ষ খোদিত কৰিলেও সি বেচি জাকজমকপূৰ্ণ নহয়। মন্দিৰ দুটাৰ দ্বাৰ-দেহলী দুডালৰ জোখ ২৩২ X৭ ছে.মি. আৰু ১৮৫ X৭৭ ছে.মি.। দ্বাৰ-দেহলী দুডালৰ সোঁমাজত থকা দুজোপা কল্পবৃক্ষৰ অলংকৰণ চকুতলগা। মন্দিৰ দুটাৰ এটাৰ দ্বাৰশাখা এডাল ধ্বংসাৱশেষত আৰু আনডাল আছে অদূৰৰ বাঁহবাৰীত। দুয়োডাল দ্বাৰশাখাৰ নিম্নাংশৰ পেনেল তিনিটাত দ্বিভংগ ভংগীৰ গংগা-যমুনা আৰু দুজনকৈ দ্বাৰপাল (মুঠ চাৰিটা)। ইয়াৰে দুটা মূৰ্তি নান্দী-ভৃংগীৰ মনুষ্য মূৰ্তিৰ হ'ব পাৰে। দ্বিতীয়টো মন্দিৰৰ দ্বাৰশাখা দুডালৰ নিম্নাংশৰ পেনেল তিনিটাও দ্বিদশ পদ্মপীঠৰৰ ওপৰত দ্বিভংগ ভংগীমাত থকা গংগা-যমুনা আৰু দুজন দ্বাৰপাল আৰু নান্দী-ভৃগীৰ মনুষ্যৰূপ দেখা যায়। পিছেদ্বাৰশাখা দুডালৰ ওপৰত সংস্থাপিত শিৰপট্টিডাল স্থানান্তৰৰপৰা সংগ্ৰহ কৰা। শিৱৰ আ়ৰাধনা চলা আলোচিত দুয়োটা মন্দিৰেই খ্ৰীষ্টীয় নৱম শতাব্দীৰ শিল্প সম্ভাৰ ৰূপে প্ৰত্নতত্ত্ববিদ ড° ৰবীনদেৱ চৌধুৰীয়ে সাব্যস্ত কৰিছে।

না.দা.

**।। তেজপুৰৰ মৃন্ময় ভাস্কৰ্য।।**

মৃন্ময় ভাস্কৰ্যৰ গৱেষকপণ্ডিত ড° চি.ডি. দাসগুপ্তই তেওঁৰ অৰিজিন এণ্ড ইভলুশ্বন অব ইণ্ডিয়ান ক্লে স্কাপ্লচাৰ (কলিকতা বিশ্ববিদ্যালয়, ১৯৫১) শীৰ্ষক গ্ৰন্থত পোৰামাটিৰ 'মধ্যযুগীয় ভাস্কৰ্য' সমূহক যি সাতোটা শ্ৰেণীবিভাগ কৰিছে, তাৰে এবিধ হ'ল-দ-পৰ্বতীয়া আৰু পাহাৰপুৰৰ ভাস্কৰ্যই প্ৰতিনিধিত্ব কৰা পূৰ্ব ভাৰতীয় শৈলী (পৃ. ২৩৬-৩৭)। শোণিতপুৰ জিলাৰ তেজপুৰৰ নিকটৱৰ্তী দ-পৰ্বতীয়াৰ শৈলমন্দিৰৰ ধ্বংসাৱশেষৰপৰা আৰ.ডি.বেনাৰ্জীয়ে ইং ১৯২৬ চনত যিকেইখনি পোৰা মাটিৰ ফলক উদ্ধাৰ কৰিছিল, সেইকেইখনি খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ সম্পদ ৰূপে স্বীকৃতি দিছে। উক্তস্থানত প্ৰাপ্ত এখনি ফলকত উদ্‌গত মূৰ নথকা পুৰুষ মূৰ্তিটোৰ বহল বক্ষ, লাহি কঁকাল, নিপোটল হাত আৰু ভৰিৰ ৰূপ মনোৰম। যোগাসন ভংগীত থকা মূৰ্তিটো হয় বুদ্ধদেৱৰ, নহয় যোগেশ্বৰ

মহেশ্বৰৰ। দ-পৰ্বতীয়াৰ অলপ আঁতৰত বৰালীমৰা সত্ৰ। এই সত্ৰখনি প্ৰাক্ আহোম যুগীয় দেৱধামৰ ওপৰত প্ৰতিষ্ঠা কৰা। উক্ত সত্ৰত গুপ্ত শৈলীৰ মৃন্ময় ফলক এখনি আজিও বিদ্যমান। সময় ৰেখাৰ ফালৰপৰা সেইখনিকো খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীত থাপিব পাৰি। ইংৰাজী ১৯৭৯ চনত মহাভৈৰৱৰ পদপথৰ নলা খান্দোঁতে ৩৭x ৩৮x৯ ছে.মি. জোখৰ চাৰিওফালে পাৰবন্ধা আৰু সোঁমাজত ৩০ছে.মি. উচ্চতাৰ এটি নৃত্যৰত পুৰুষ মূৰ্তি খোদিত মৃন্ময় ফলক উদ্ধাৰ হয়। চুটি কটি বস্ত্ৰ শোভিত মূৰ্তিটোৰ নিপোটল বাহু, স্ফীত, বক্ষ, চিঙা কংকাল আৰু সুশ্ৰী কলাফুলে মূৰ্তিটোৰ সৌন্দৰ্যবৰ্ধনত সাহাৰ্য দান কৰিছে। অৱশ্যে বনুৱাৰ কোৰৰ খুন্দাত মূৰ্তিটোৰ শিৰোদেশ ছিন্ন হোৱাৰ উপৰি হাতৰো কিছু অংশ ভাগি গ'ল। সময়ৰেখাৰ ফালৰপৰা এইখনিকো উপৰ্যুক্ত ফলক দুখনিৰ নিৰ্মাণ কালতে থাপিব পাৰি। বিগত শতাব্দীৰ আশীৰ দশকত দ-পৰ্বতীয়াৰ মৰীয়া চুবুৰী আৰু শংকৰ চুবুৰীত প্ৰাক্ আহোম যুগীয় চাৰিখন ভিন্ন বিষয়বস্তু চিত্ৰিত পোৰা মাটিৰ ফলক উদ্ধাৰ হৈছিল।

না.দা.

**।। তেলীশাল ।।**

অসমীয়া মানুহে ঘৰতে তেলীশাল পাতি মিঠাতেল প্ৰস্তুত কৰি লৈছিল। আধুনিক যন্ত্ৰ-পাতিৰ ব্যৱহাৰৰ পূৰ্বে নিজৰ উদ্ভাৱনী শক্তিৰে গঢ়ি লোৱা তেলীশালক এক ক্ষুদ্ৰ উদ্যোগ বুলিব পাৰি।

**প্ৰস্তুত প্ৰণালী ঃ** সৰিয়হ ভাজি ঢেঁকীত আধাখুন্দা কৰি লয়। আধাখুন্দা সৰিয়হখিনি পুনৰ ভজা হয়। আনফালে বেতেৰে অতি মিহিকৈ বাটি আকৃতিৰ এটা পাত্ৰ পাত্ৰ তৈয়াৰ কৰে। ইয়াক পোলা বোলে। ভাজি থকা গৰম সৰিয়হখিনি পোলাটোত ভৰাই দিয়া হয়। ওচৰতে দুডাল প্ৰকাণ্ড চেপেটা কাঠ এটা মূৰে গজালেৰে সংযোগ কৰি আন দুটা মূৰ চেপেনাৰ দৰে উঠা নমা কৰিব পৰাকৈ ৰখা হয়। তলৰ কাঠডালৰ গুৰি অংশত অৰ্থাৎ গজালটোৰ ওচৰলৈ ওপৰফালে কেঁচা তামোলৰ ঢকুৰা এটা দি তাৰ ওপৰত পোলাটো বহুৱাই দিয়ে। পোলাটোৰ ওপৰত পুনৰ তামোলৰ ঢকুৰা এটুকুৰা দি ওপৰৰ কাঠডালেৰে চেপি ধৰে। চেপি ধৰিবলৈ কমেও পাঁচ-ছয়জন মানুহৰ প্ৰয়োজন। হেঁচা পোৱাৰ লগে লগে পোলাটোৰে সৈতে সৰিয়হখিনি চেপেটা হৈ পৰে আৰু তেলখিনি তলৰ তামোলৰ ঢকুৰাটোৰেদি বাগৰি পৰে। এই তেলক পকাতেল বোলে। এই কামৰ বাবে আঠ-দহজন মানুহৰ প্ৰয়োজন। পোলাটো পুনৰ আগৰ অৱস্থালৈ নি একেদৰেই পুনৰ তেল উলিওৱা হয়।

গো. সু.

**।। তোলনি বিয়া ।।**

অসমীয়া সমাজত প্ৰচলিত আন এটি লোকাচাৰ হ'ল তোলনি বিয়া। ই তিৰোতা সমাজৰ মাজতহে প্ৰচলিত অনুষ্ঠান। প্ৰথম পুষ্পিতা হ'লে বা ছোৱালীৰ কন্যাকাল উপস্থিত হ'লে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। ঠাই বিশেষে ই অনুষ্টুপীয়াকৈ আৰু ঠাই বিশেষে বৰ ধুমধামকৈ আচল বিয়াৰ দৰেই ইয়াক পালন কৰা হয়। সাধাৰণতে দহ-এঘাৰ বছৰ মান বয়সত ছোৱালীয়ে কন্যাকাল পায়। এই সময়টো এটা বয়ঃসন্ধিৰ সময়। শাৰীৰিক আৰু মানসিক দুই ধৰণৰ পৰিৱৰ্তনৰ মাজেদি ছোৱালী এজনীয়ে এই অৱস্থা পায়। পুষ্পিতা হোৱাৰ সময়টো ছোৱালীজনীৰ পিছৰ জীৱনৰ বাবে বৰ গুৰুত্বপূৰ্ণ বুলি ভবা হয়। এই ক্ষণৰ শুভাশুভৰ দ্বাৰাই ছোৱালীজনীৰ ভাগ্য নিৰূপিত হয় বুলি ধৰি লোৱা হয়। ঋতুমতী ছোৱালী জনীয়ে চন্দ্ৰ, সূৰ্য, গৰু-গাই আৰু পুৰুষ মানুহক সেই সময়ছোৱাত দেখা নিষেধ। ইয়াৰপৰা কিবা অমংগল হয় বুলি এক জনবিশ্বাস আছে। সেয়ে ছোৱালীজনীক এইবোৰৰপৰা নিলগত থকা আছুতীয়া কোঠাত ৰখা হয়। মাটিত খেৰৰ বিচনা কৰি তেওঁক শুবলৈ দিয়া হয়। অৱশ্যে এই ৰীতি এতিয়া বহু পৰিমাণে শিথিল হৈ পৰিছে। এটা দুণৰিত (নামনি অসমৰ ফালে বাঁহৰ দুণিত বা কাঁহী বাটি আদিত) চাউল, তামোল-পাণ, ৰূপৰ টকা আদিৰ লগতে কাষতে মিঠাতেলৰ চাকি এটি জ্বলাই ছোৱালীজনী শোৱা পাটীৰ পূব দিশত থৈ দিয়া হয়। কাষত এটি ঘটত আমডালি, সিন্দুৰৰ ফোঁট আৰু এৰাঁ সূতা তৰি ইয়াৰ লগতে ৰাখে। তোলনি বিয়াত কনাই বন্ধা ৰীতি এটা অসমৰ প্ৰায় সকলো ঠাইতেই প্ৰচলিত আছে। সোণ, ৰূপ, পোৱাল আদি ধাতুৰে গঢ়া এবিধ মালাৰ লগতে ডালিম, ডিমৰু বা তিনিটা তামোল থোকেৰে সৈতে আনি তাত ৰঙা বা বগা ৰঙৰ এৰাঁ সূতা মেৰিয়াই দিয়া হয়। নামনি অসমত এখনি চুৰি, আখৈ, পিঠাগুড়ি আদিও ইয়াৰ লগতে থাকে। পাঁচডাল খৰিকা একেলগ কৰি এখন নতুন গামোচাৰে ইয়াৰ এটা টোপোলা বান্ধি লোৱা হয়। নামনি অসমত এই টোপোলাটো এটা জপাৰ ভিতৰত ৰাখি ওচৰ-চুবুৰীয়া, মিটিৰ-কুটুম্ব, বিশেষকৈ মোমায়েকৰ ঘৰত ৰখা হয়। ইয়াকে জপা থোৱা প্ৰথা বুলি জনা যায়। কনাইক সন্তানৰ প্ৰতীক হিচাপে গণ্য কৰা হয়।

সাধাৰণতে পুষ্পিতা হোৱা বেলাটোত ছোৱালী জনীক একো খাবলৈ দিয়া নহয়। পুৱা-গধুলি দুবাৰকৈ আমডালিৰে ঘটৰ পানী চটিয়াই আৰু মিঠাতেলৰ চাকিৰে সেক দি সাৰ বা আগ দিয়া হয়। সাধাৰণতে ছোৱালীজনীৰ মাতৃয়ে এই কামটো কৰে।

গণকৰ দ্বাৰা গণি-পিতি লোৱাৰ পিছত চাৰিদিনৰ দিনা গা ধুউৱা সময়টোও ঠিক কৰি লোৱা হয়। তিনিদিনৰ দিনা আখৈ ভজা ৰীতি এটা প্ৰচলিত আছে। আখৈবোৰ নুফুটিলে আগলৈ ছোৱালীজনী সন্তানহীনা হয় বুলি এটি লোক বিশ্বাস আছে। আকৌ আখৈবোৰ গোটা গোটা হ'লে ল'ৰা সন্তান আৰু পাহিমেলা ধৰণৰ হ'লে ছোৱালী সন্তান

হয় বুলিও আন এটি ধাৰণা গাঁৱলীয়া সমাজত আছে।

নামনি অসমত চাৰিদিনৰ দিনা আৰু উজনি অসমত সাতদিনৰ দিনা ছোৱালীক গা-ধুউৱা হয়। গা-ধুউৱা কলপুলিটো ছোৱালীৰ দৰাৰ প্ৰতীক বুলি গণ্য কৰা হয় আৰু প্ৰকৃত বিয়াৰ দৰাই এই কলপুলিটো দেখিলে বেয়া বুলি স্নানৰ পিছত তাক উঠাই লোক চক্ষুৰ আঁৰত ৰুই থোৱা হয়। ঔবীজ, মাহ-হালধি আদিৰে নোৱাই গা-ধুউৱাৰ পিছত ছোৱালীজনীক সজাই-পৰাই চোতালৰ আয়তী সমাজৰ ওচৰলৈ আনি প্ৰথমে সূৰ্য দেৱতা আৰু পিছত সমাজলৈ আঁঠু লোৱায়। আকৌ 'আমসাৰ' বা 'চাকিসাৰ' (আগৰ্দিয়া) দি ছোৱালীজনীৰ কোঁচত কনাইটো দিয়া হয় আৰু ছোৱালীজনীক সন্তানৰ জননী হ'বলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। তাৰ পিছত ইজনী-সিজনীয়ে কনাই লৈ ৰং ধেমালি কৰা দেখা যায়। ছোৱালীজনীয়ে সৰু ল'ৰা বা ছোৱালী কোলাত লৈ লাৰু, মিঠাই আদি খুৱাই ভগৱানৰ ওচৰত মূৰ দোৱায়। নানান ৰগৰ, ৰং-ৰহইচ আৰু চাহ-জলপানৰ অন্তত সমজুৱাসকলে সতি-সন্ততিৰে ভৰপূৰ এখন সংসাৰ হ'বলৈ আশীৰ্বাদ কৰি এই বিয়াৰ সামৰণি পেলায়।

প্ৰ. শ. গো.

।। ত্ৰিহুলীয়া গোসাঁই উলিওৱা মেলা ।।

কিংবদন্তি অনুযায়ী এসময়ত কাৰ্বি ৰজাই ৰাজলক্ষ্মী ছামদৈক বিচাৰি সৈন্য-সামন্তসহ কুলদেৱীৰ সন্ধানত ৰহাৰ পশ্চিম প্ৰান্তত উপস্থিত হয়হি। পিছত পূৰ্বলৈ গৈ কোনো ঠাইত কুলদেৱী ৰাজলক্ষ্মী ছামদৈক পাই ঘূৰি আহি পশ্চিম দিশৰ ভাল ঠাই আৰু পানীৰ সু-ব্যৱস্থা থকা এক জলাশয়ৰ কাষতে দলনেতাৰ আদেশমৰ্মে স্থায়ীভাৱে থাকিবলৈ লয় আৰু সেই সেই ঠাইতে ৰাজ্য পাতে। পূবা-পশ্চিমাকৈ সৰল ৰেখাৰ দৰে দীঘলে প্ৰায় দুই কিলোমিটাৰ আৰু বহলে প্ৰায় এক কিলোমিটাৰ জলাশয়ভূমিৰ কাষতে গা লগাই পূবা -পশ্চিমাকৈ এখন যি সৰু ৰাজ্য প্ৰতিষ্ঠা হ'ল তাৰ নামেই ঐতিহাসিক মিকিৰ বা ছামদৈ ৰাজ্য। দেওধাই অসম বুৰঞ্জীতো ইয়াৰ উল্লেখ পোৱা যায়। এই জলাশয়ৰ পাৰতে ত্ৰিশূল পুতি মিকিৰ ৰজাই দোষীক জীয়াই জীয়াই শাস্তি বিহিছিল।সেয়ে জলাশয়ৰ নাম ত্ৰিশূল, পিচত ঈয়া প্ৰত্যয় যোগ হৈ ত্ৰিশূলীয়া আৰু পিছলৈ মানুহৰ মুখত ত্ৰিহুলীয়া বুলি জনাজাত হ'ল।

পৰম্পৰা অনুযায়ী প্ৰতিবছৰে ব'হাগ মাহৰ আৰম্ভণিতে মহা সমাৰোহেৰে এই ত্ৰিহুলীয়া বিলৰ পাৰত ত্ৰিহুলীয়া গোসাঁই উলিওৱা মেলা পতা হয়। একমাত্ৰ নগাঁও জিলাৰ পশ্চিমাঞ্চলত আৰু তাহানিৰ পাঁচো ৰজাৰ অন্তৰ্গত মিকিৰ ৰাজ্যৰ ব'হাগ বিহুৰপৰা জেঠৰ এপক্ষ যোৱালৈ উদ্‌যাপিত হোৱা এই মেলা- উৎসৱ উৎপত্তিৰ লগত এক মনোৰম কাহিনী জড়িত হৈ আছে। ১৬৬৯ খ্ৰীষ্টাব্দত মহাপুৰুষজনাৰ নাতি বোৱাৰী আই কনকলতাই

তেওঁৰ আজ্ঞাপৰ ভালেমান লোক লগত লৈ বৰদোৱা অভিমুখে আহি মিকিৰ ৰাজ্যত প্ৰৱেশ কৰি মিৰি ৰজা চেতুৰাক যাত্ৰাৰ বাবে সহায় ভিক্ষা মাগে। তাৰপিছত কনকলতাই সৈন্য সামন্ত সহিতে আহি বৰদোৱাত যোল্ল দিনৰ অন্তত প্ৰৱেশ কৰে। আই কনকলতাৰ মুখেৰে গুৰুজনাৰ বৈষ্ণৱ ধৰ্মৰ বাণী শুনি আপ্লুত হৈ ৰজা চেতুৰাই প্ৰজাৰ সৈতে বৈষ্ণৱ ধৰ্মত দীক্ষিত হয় আৰু চুবুৰীয়া ৰজাকো গুৰুধৰ্মত দীক্ষিত হ'বলৈ আহ্বান জনোৱাৰ বাবে এই মেলাৰ আয়োজন কৰে। তাৎপৰ্যপূৰ্ণ যে পাঁচো ৰজাৰ ভিতৰত জ্যেষ্ঠ টোপাকুছিয়া ৰজাক এই মেলাৰ শুভাৰম্ভৰ দায়িত্ব দিয়াত অদ্যাবধি এই নিয়ম মানি প্ৰথমে টোপাকুছি, বাৰপুজীয়া আৰু মিকিৰ গাঁৱৰ মেলা উদ্‌যাপিত হৈ আহিছে।

দু.ব.

**।। তৌৰ্যত্ৰিক যন্ত্ৰ।।**

নৃত্য-গীত আৰু বাদ্যৰ ত্ৰিৱেণী সংগমৰ প্ৰতীকেই তৌৰ্যত্ৰিক যন্ত্ৰ। মনুস্মৃতিত বাদ্য-নৃত্য আৰু গীত সূচাবলৈ তৌৰ্যত্ৰিক শব্দৰ প্ৰয়োগ আছে, 'মৃগয়াহক্ষো দিবাস্বপ্নঃ পৰিবাদঃ স্ত্ৰিয়ো মদঃ/ত্ৰৌৰ্যত্ৰিকং বৃথাট্যা চ কামজো দশকো গণঃ।। (৭/৪৭)' সংগীত ৰত্নাকৰৰ টীকাত সংগীতক তৌৰ্যত্ৰিক আখ্যা দিয়া হৈছে— 'তস্মাদ্যত্ৰ সংগীত শব্দস্য প্ৰয়োগস্তত্ৰ তৌৰ্যত্ৰিকং বিৱক্ষিত মিতি মন্তব্যম্।। (২/২১)। ত্ৰৌৰ্যত্ৰিক যন্ত্ৰৰ থলুৱা নাম হ'ল মুদুৰা (সং-মুদ্ৰা)। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ মতে, এই যন্ত্ৰ অষ্ট ধাতুৰ দ্বাৰা নিৰ্মিত আৰু ই শক্তিৰ প্ৰতীক। ব্যাসগোৱা ওজাই শক্তিৰ প্ৰতীক ৰূপত উক্ত যন্ত্ৰটিলৈ সেৱা ভাগ আগবঢ়ায়। আনহাতে দীনেশ্বৰ শৰ্মাই মংগলদৈৰ বুৰঞ্জীত লিখিছে যে যন্ত্ৰটিক বহুতে ডম্বৰুৰ প্ৰতীক বুলিলেও সি আচলতে নাদ-ব্ৰহ্মৰহে প্ৰতীক। লোকসংস্কৃতিৰ বিশেষজ্ঞ ড° নবীনচন্দ্ৰ শৰ্মাৰ দৃষ্টিত 'ত্ৰৌৰ্যত্ৰিক যন্ত্ৰই কোনোধৰণৰ সাংগীতিক ধ্বনিৰ সৃষ্টিতো সহায় নকৰে, অথবা গীতৰ তাল ৰখাতো কোনো ভূমিকা গ্ৰহণ নকৰে। স্বৰূপাৰ্থত তৌৰ্যত্ৰিক যন্ত্ৰ বা মুদ্ৰা প্ৰতীক হিচাপেহে ব্যৱহাৰ কৰা হয়।' ইতিহাসত পোৱা যায়, ব্যাসপাৰা গাঁৱৰ ওজাই এই যন্ত্ৰ হাতত লৈ বিষ্ণু-শিৱ অথবা দুৰ্গাৰ জাগৰ গীত গাবলৈ দৰঙী ৰজা ধৰ্মনাৰায়ণৰপৰা অনুমতি লাভ কৰিছিল। পোনতে এজন ওজাই আৰু পৰৱৰ্তী কালত আন পাঁচজন ওজাই উক্ত যন্ত্ৰটি ৰজাৰপৰা লাভ কৰিবলৈ সমৰ্থ হোৱাটো উল্লেখযোগ্য। এইখিনিতে আন এটি কথাৰ উল্লেখ প্ৰয়োজনঃ দৰঙী ৰজা ধৰ্মনাৰায়ণে তেওঁৰ মিত্ৰ ভূটীয়া ৰজা এজনকো এই যন্ত্ৰ এটা উপহাৰ দিছিল। সেই যন্ত্ৰটোৰ নাম ভূটীয়া ভাষাত দৰ্জে অৰ্থ বজ্ৰ। এই ফালৰপৰা ইয়াক ধ্বনিৰ প্ৰতীক বুলিব পাৰি। ওজাসকলৰ বিশ্বাস অনুযায়ী উক্ত মুদ্ৰা যন্ত্ৰৰ সৈতে ৰাংগেলীখাটি নামৰ আন এটি মুদ্ৰা যন্ত্ৰৰ সংযোগ ঘটালেহে মুদ্ৰাটো সম্পূৰ্ণ হয়। সেয়ে হ'লে ইয়াক শিৱ-পাৰ্বতীৰ মিলনৰ প্ৰতীক ৰূপেও ব্যাখ্যা কৰিব পাৰি।

(ড° নবীনচন্দ্ৰ শৰ্মাৰ পৰিৱেশ্য কলা ওজাপালিৰ আধাৰত যুগুতোৱা।)

না. দা.

।। থাবল চোংবী নৃত্য।।

মণিপুৰত বিভিন্ন দেব-দেৱীৰ সন্মানত একাধিক নৃত্য অনুষ্ঠানৰ চল্তি আছে। মূলতঃ নাট্যধৰ্মী বাসন্তী পূৰ্ণিমা তিথিত অনুষ্ঠিত আংগিক, বাচিক, সাত্ত্বিক আৰু আহাৰ্য- এই চাৰিও বিধ অভিনয় প্ৰযুক্ত থাবল চোংবী অনুষ্ঠানত শিৱ-পাৰ্বতী আৰু গ্ৰিহাংগেল উষাদেৱীৰ সন্মান প্ৰদৰ্শিত হয়। প্ৰাগ্ঐতিহাসিক কালৰেপৰা প্ৰচলিত এই নাট্য-নৃত্য মণিপুৰীয় থাবল চোংবী জনাজাত। উষাৰ আলোক ৰশ্মি বিকাশৰ অনুকৰণত ৰচিত এই নাট্যত নাট্যশাস্ত্ৰ বৰ্ণিত- আংগিকৰ প্ৰয়োগ আছে যদিও পূৰ্বৰংগৰ বিধান নাই। না.দা.

।। থিয় নাম ।।

থিয় নাম অসমৰ বৈষ্ণৱ সংস্কৃতিৰ এপদ উল্লেখযোগ্য সম্পদ। অবিভক্ত কামৰূপ, দৰং আৰু অন্যান্য বহুস্থানতেই থিয় নামৰ দল আজিও চলি আছে। ই হ'ল নাগাৰা নামৰ প্ৰকাৰভেদ। এই নামত ওজাৰ লেখীয়া ব্যক্তি এজন থাকে; তেওঁক কোৱা হয় পাঠক। পাঠকক সহায় কৰে ১৫-৩০ জন পালি আৰু সংগীয়ে। এই নাম পৰিবেশন কৰিবলৈ ৫-৬ যোৰ নাগাৰা আৰু ২-৩ যোৰ ভোৰতালৰ প্ৰয়োজন। জয়জয়তে পালিসকল মঞ্চত শাৰীপাতি বহি লয়। তেওঁলোকৰ ওচৰত থাকে তালবাদক আৰু সংগীসকল। প্ৰকৃত নাম আৰম্ভৰ আগতে মাংগলিক হৰিধ্বনি দিয়া নিয়ম। প্ৰথমতে ললিত লয়ত গীত আৰম্ভ কৰে - অলপ পিছত তাল-নাগাৰাৰ চেও সলনি হয়। পালি সকলে থিয় দি নৃত্য আৰম্ভ কৰে। অৱশ্যে এই নামত নৃত্য বা হস্ত মুদ্ৰাতকৈ বুলন আৰু দেহ ভংগিহে চাবলগীয়া। সোঁ ভৰিৰে প্ৰতিটো নৃত্য আৰম্ভ কৰিব লাগে। দক্ষিণ কামৰূপৰ পাল্লী গাঁৱৰ ঐতিহ্যমণ্ডিত থিয় নামত থকা বিভিন্ন নৃত্যৰ নামকৰণ অধ্যাপক ধৰ্মেশ্বৰ বড়াই কৰিছে এনেদৰে - (১) ৰাং চলা নাচ, (২) এক খুজীয়া নাচ, (৩) দুই খুজীয়া নাচ, (৪) তিনি খুজীয়া নাচ, (৫) চাৰি খুজীয়া নাচ, (৬) ঔ বাগৰা নাচ, (৭) ভেহেৰা যুঁজা নাচ, (৮) চালনি সৰকা নাচ, (৯) পেংতি নাচ, (১০) কুঁজী নাচ, (১১) উধা ঘূৰা নাচ, (১২) তাঁত বাটি কঢ়া আৰু (১৩) মাল্লা দিয়া নাচ। মন কৰিবলগীয়া কথা, প্ৰতিটো নাচতে নাগাৰাত দুটাকৈ ঘাটি পৰে। মাল্লা দিয়া সামৰণি নৃত্যত পাঠকে গায় -'গোসাঁই গ'ল ধেনু চাৰিবলৈ ঐ/ হাততে বংশী লৈয়া হে/ আজি কোন পথে যাইবা নাৰায়ণে/ কোন পথে চৰাইবা ধেনু হে/' সামৰণি গীত পৰিবেশনৰ কালত পালিসকলে ভিন্ন ভংগিত চাপৰি বজাই ঘূৰি থাকে - চক্ৰাকাৰ ৰূপত। এনেতে তালবাদক দুজন সোমাই তাল বজায়। চেও সলনিৰ লগে লগে পালি সকলে আঁঠু কাঢ়ি চাপৰি বজাবলৈ আৰম্ভ কৰে আৰু তালবাদকে তাল ঘূৰাই ঘূৰাই নাচে। এই সময়ত একোজন তালবাদকে পাঁচ যোৰলৈ তাল বজাই দৰ্শকক মুগ্ধ কৰাটো উল্লেখযোগ্য। তালবাদকৰ তাল শুদ্ধ হোৱাৰ

লগে লগে চাপৰি হঠাতে বন্ধ হয় - নামৰ সামৰণি পৰে। পৰিৱেশন পদ্ধতিলৈ লক্ষ্য ৰাখি ইয়াৰ বহুতে পৰিৱেশ্য কলা ৰূপে অভিহিত কৰিবলৈ বিচাৰে। (দক্ষিণ কোলত প্ৰকাশিত অধ্যক্ষ ধৰ্মেশ্বৰ বড়াৰ 'পাল্লীৰ থিয় নাম' নিবন্ধৰ আধাৰত যুগুতোৱা।)

না. দা.

**।। থুৰিওৱা তামোল ।।**

তামোল-পাণক বাদ দি অসমীয়া সংস্কৃতি অসম্পূৰ্ণ হ'বলৈ বাধ্য - বিহুগীত - বনঘোষাৰপৰা তামোল-পাণৰ কথা মচি দিলে সিবোৰৰ বহুখিনি সৌন্দৰ্যই ম্লান পৰি যায়। বিহুৱতী, গাভৰুৰ লিহিৰি লিহিৰি সৌন্দৰ্যসিক্ত কবিতাৰ মূৰ্তিময়ী প্ৰকাশ - থুৰিওৱা তামোলখিনি। যৌৱনৰ মৌবনত সোমাই অপৰূপ ৰূপৰেখাৰ সন্ধান কৰা ডেকাই থুৰিওৱা তামোলৰ স্মৃতি কোনো দিনে পাহৰিব নোৱাৰে -

'কি কথা কৰিলা কি বুধি কৰিলা থুৰীয়া তামোলৰ লগত;
খাওঁতে শোওঁতে উঠোঁতে বহোঁতে সদায় পৰি থাকে মনত।'

অন্নৰ অন্বেষণত চহৰলৈ ঢাপলি মেলা মৰমৰ ধনক থুৰিওৱা তামোলখনি দিবলৈ নোপোৱা লাহৰীৰ মানসিক দৰ্শনো কম কষ্টকৰ নহয় -

'থুৰীয়া তামোলে দিবলৈ নেপালোঁ গাঁঠিত বান্ধি থৈ কান্দো।' থুৰিওৱা তামোল খাই বলিয়া হোৱা বুলি বহু মিলনাকাঙ্খী ডেকাই দুৰ্বল মুহূৰ্তত আজিও ভাৱে 'থুৰীয়া তামোলৰ আহুদি কৰিলি মোৰ গাত লাগিছে শনি।' পাণৰ সেউজীয়া মিহি পিঠি তিনি কোণীয়াকৈ ঘূৰাই মাজত এখনি খনীয়া তামোল সোমাই দিলেই সি হয় থুৰিওৱা তামোল। থুৰিওৱা তামোলত লং, এলাচি, জাইফল আৰু কৰ্পূৰ দি তাক দেৱতালৈকে আগবঢ়ায়। সত্যনাৰায়ণ পূজাৰ টুপোৱা (স্তুপ> টুপ = গোলাকাৰ থুৰিওৱা তামোলখনিৰ এটি মূৰ জোঙা, আনটোমূৰ ডাঙৰ) তামোলেই তাৰ প্ৰমাণ। বিহুৱতী গাভৰুৱে থুৰিওৱা তামোলত লং দিছিল - 'থুৰিয়াই থুৰিয়াই তামোল কাটিছিলা তাৰ মাজত দিছিলা লং।' এনে এখনি তামোল পাবলৈ পিলিঙাসকলৰ বলিয়া হোৱা স্বাভাৱিক - 'লাহৰী হাতেৰে থুৰিয়াই থুৰিয়াই আমাকো এখনি দিয়া।'

না. দা.

**।। থুৰীয়া।।**

ই কাণত পিন্ধা এবিধ অলংকাৰ। ইয়াক আগৰ দিনত বয়সীয়া মহিলাসকলে ব্যৱহাৰ কৰিছিল। এবিধ বিশেষ বাখৰেৰে এইপদ অলংকাৰ গঢ়োৱা হয়। থুৰীয়া পিন্ধিবলৈ কাণৰ ফুটাটো যথেষ্ট ডাঙৰ হ'ব লাগিছিল। সেইবাবে সকলোৱে ইয়াক পৰিধান কৰিব নোৱাৰিছিল। আজিকালি অৱশ্যে ইয়াক বিশেষ কৌশলেৰে গঢ়োৱা হয়, যাতে সকলোৱে পিন্ধিব পাৰে। ইয়াৰ চানেকি এটা ফুলৰ গঢ়ৰ। সন্মুখৰ ফুলটোৰ পিছফালে এডাল শলা থাকে,

সেই শলাডাল কাণৰ লতিৰে সুমুৱাই দি পিছপিনৰ অংশটো পেঁচ-গজালৰ (স্ক্রু) দৰে পকাই পৰিধান কৰা হয়। থুৰীয়াই পিন্ধোতাৰ গাল দুখনিত প্ৰায়েই ঠেকা খাই থকা দেখা যায়।

প্ৰ. শ .গো

।। থোকা সোণা।।

কাণত পিন্ধা বিশেষ চানেকিৰ এবিধ অলংকাৰ। আগতে ইয়াক বৰপেটাৰ কাৰিকৰেহে গঢ়াইছিল আৰু সেই অঞ্চলৰ জীয়াৰী-বোৱাৰীয়েহে পৰিধান কৰিছিল। ই বৰপেটা অঞ্চলৰ এবিধ আপুৰুগীয়া অলংকাৰ। থোকা সোণাত বাখৰৰ কাম নাথাকে। কাণৰ লতিত পেঁচ-গজালৰ ( স্ক্রু) সহায়ত এই পদ অলংকাৰ পৰিধান কৰা হয়। ইয়াৰ ওপৰ ভাগত শিকলি এডাল থাকে। সেইডাল কাণৰ সম্মুখভাগৰ ওপৰেৰে নি পিছ পিনেৰে কাণৰ লতিত লগাই পিন্ধা হয়। আজি কালি সমগ্ৰ অসমতে ই জনপ্ৰিয় হ'বলৈ ধৰিছে। বিবাহৰ দিনা কইনায়ো কেতিয়াবা পৰিধান কৰা দেখা যায়। প্ৰ. শ .গো

।। দ'খনা ।।

বড়ো মহিলাসকলে বুকুৰপৰা ভৰিলৈকে ওলোমা যিখন কাপোৰ ব্যৱহাৰ কৰে তাৰ নাম দ'খনা। বড়ো জনগোষ্ঠীৰ জাতীয় সাজ দ'খনাত বহুৰঙী ফুল বাচি চালে চকু ৰোৱা কৰি তোলে। দ'খনাত বচা ফুলৰ ৰং অনুযায়ী ইয়াৰ নাম বেলেগ বেলেগ। যেনে- ক) দ'খনা খাওছি- নানা ৰঙৰ সূতাৰে ফুল বচা দ'খনা খনৰ নাম দ'খনা খাওছি। বিয়াত আয়তীসকলে ইয়াক পৰিধান কৰা দেখা যায়, খ) দাওথু গদো - কপৌ চৰাইৰ ডিঙিৰ বৰণৰ কাপোৰখনিৰ নাম — দাওথু (কপৌ) গদো (ডিঙি), গ) ফাৱৌ মেগন— পাৰ চৰাইৰ চকুৰ দৰে ফুল বচা কাপোৰখনেই ফাৱৌ (পাৰ) মেগন (চকুৰ মণি) দখনা আৰু ঘ) ছালা-মাথা—ফুল নাবাচি উকাকৈ বই উলিওৱা কাপোৰখনক ছালা মাথা বোলে। দ'খনাবোৰ সাধাৰণতে পাঁচ হাত দীঘল। ভিন্ন ৰঙৰ সূতাৰে বোৱা আৰু চালে চকু ৰোৱা ফুলৰ দ'খনা বড়ো চিখ্লাই পৰিধান কৰি বাগুৰুম্বা নচাৰ দৃশ্য অপূৰ্ব।

(ভবেন নাৰ্জীৰ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি গ্ৰন্থৰ আধাৰত যুগুতোৱা)

জ্যো.দা.

।। দগৰ।।

আনদ্ধ বাদ্য দগৰৰ মূল সংস্কৃত দ্ৰগৰ। পুৰণি অসমত যে এইবিধ বাদ্যযন্ত্ৰৰ প্ৰয়োগ প্ৰচুৰ আছিল, তাৰ প্ৰমাণ পুৰণি অসমীয়া সাহিত্যত পোৱা যায়। প্ৰাক্ আহোম যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলি কৃত ৰামায়ণৰ অযোধ্যাকাণ্ডত আছে ঃ 'বেমুচি থুমচি ডিণ্ডিম দগৰ বাজে ভাণ্ডি কংসতাল।' প্ৰাক্ আহোম যুগৰ আন এজন সুখ্যাত কবি হৰিবৰ বিপ্ৰৰ বব্ৰুবাহনৰ যুদ্ধতো পোৱা যায় ঃ 'ঢাক ঢোল ভেৰি ভেমছি ধুমুছি দগৰো

মাৰোক বাংশী।' ধৰ্মেশ্বৰ দুৱৰাৰ বৰ্ণনামতে, বিশ-বাইশ ছে. মি. ব্যাস আৰু দহ ছে. মি. গভীৰতাৰ কাঠৰ খোলাত এফালে ছাগলীৰ ছালেৰে ছাই আঙুলিৰে চপৰিয়াই বজোৱা বাদ্যটিৰ নামেই দগৰ। লোকগীত পৰিৱেশনৰ কালত ইয়াৰ প্ৰয়োগ চকুত লগা।

না. দা.

**।। দচৈ/দসৈঁ/দশৈঁ (দুৰ্গাপূজা) ।।**

নেপালী সমাজত বছৰটোৰ আটাইতকৈ ডাঙৰ উৎসব হিচাপে দচৈ উৎসব পালন কৰা হয়। বিজয়া দশমীৰ দিনটোক কেন্দ্ৰ কৰিয়েই দচৈ শব্দৰ উৎপত্তি হৈছে যদিও এই উৎসব সাধাৰণতে আহিন আৰু কেতিয়াবা কাতি মাহৰ শুক্লপক্ষৰ প্ৰতিপদ তিথি (জমৰে আঁউসী)ৰপৰা আৰম্ভ হৈ পূৰ্ণিমা (কোজাগৰী পূৰ্ণিমা) ৰাতিলৈকে সমগ্ৰ পক্ষটোতে পালন কৰা দেখা যায়। সেয়ে দচৈকবড়া দচৈ বুলিও কোৱা হয়। দচৈ উৎসৱত মূলতঃ বিজয়া দশমী তিথিৰ পুৱাৰপৰা অমাৱস্যা তিথিলৈকে টিকো অৰ্থাৎ কপালত (চাউল আৰু দৈ গাখীৰ তৈয়াৰী মিশ্ৰিত দ্ৰব্য) লগোৱাৰ লগতে জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ লোৱাৰ এক বিশেষ পৰ্ব পালন কৰা হয়। এই বিশেষ পৰ্বটোৰ বাবেই দৰাচলতে প্ৰস্তুতি চলে প্ৰতিপদ তিথিৰ আগৰ নিশা অৰ্থাৎ অমাৱস্যাৰ নিশাৰপৰা আৰু সেই দিনা নিশা এখন তপৰী (এক বিশেষ গছ পাতেৰে তৈয়াৰ কৰা কাঁহী)ত গুড়ি মাটি ভৰাই অলপ গোমধানৰ গুটি, তিল আৰু যৱ সিঁচি দিয়া হয়। যাক পঞ্চধান্য বোলে। প্ৰতিপদ তিথিৰপৰা নৱমী তিথিলৈকে ঘৰৰ গৃহস্থনীয়ে প্ৰতিদিনাই গা-পা ধুই পূজা পাতল কৰা কোঠাত থোৱা পঞ্চধান্য সিঁচা পাত্ৰটোত পানী ছটিয়ায় যাতে শস্যবোৰ নিৰ্দিষ্ট দিনৰ ভিতৰত গজালি মেলে। পঞ্চধান্যৰ পাত্ৰ ঘৰৰ চাৰিবেৰৰ বাহিৰত ৰ'দ পৰা ঠাইত থোৱা নহয় বাবে গজালিবোৰৰ ৰং শেতা হয়। এই গজালিবোৰক জমৰা বোলে। বিজয়া দশমী তিথিৰ পুৱা যেতিয়া দচৈ উৎসব আৰম্ভ হয়, তেতিয়া পোন প্ৰথমে ঘাই বাস গৃহৰ মূল দুৱাৰৰ ওপৰত চাউল, দৈ গাখীৰ বা কলৰে তৈয়াৰী অচেহতাৰে ঘাই গৰুৰ গোবৰ এচপৰা লেপি তাৰ ওপৰত টিকো আৰু জমৰা কেইডালমান গুজি দিয়ে। তাৰ পিছত মানুহে টিকো লগোৱা পৰ্বৰ শুভাৰম্ভ কৰে। পুতেক, বোৱাৰীয়েক, জীয়েক, নাতি-নাতিনী সকলোকে দেউতাক আৰু ককাদেউতাকে অচেহতাৰে কপালত ফোঁট আৰু জমৰা কেইডালমান কাণত গুজি দি আশীৰ্বাদ দিয়ে আৰু একাকি বচন মাতে। সতি সন্ততিয়ে পিতৃ-মাতৃ আৰু জ্যেষ্ঠ জনক সেৱা কৰাটো নেপালীসকলৰ বাধ্যতামূলক ঐতিহ্য। তদুপৰি দূৰ-দূৰণিৰপৰা জী-জোঁৱাইহঁতে লগত হাঁহ, ছাগলী, কুকুৰা, পিঠা আদি সুবিধা অনুসৰি বিভিন্ন সামগ্ৰী লৈ মাইতি (মাকৰ) ঘৰলৈ টিকোৰ লগতে আশৰ্বাদ ল'বলৈ অহাটোও নেপালী সংস্কৃতিৰ এই অবিচ্ছেদ্য অংগ। এই উৎসৱত প্ৰত্যেকে নতুন সাজ পৰিধান কৰে। আনহাতে, মংগোলীয় গোষ্ঠীৰ নেপালীলোকসকলে এই উৎসৱত গাহৰি, কুকুৰা

বা ছাগলী মাংস আৰু চাউলেৰে তৈয়াৰী জাড় (লাওপানী) নাইবা গুড়ৰপৰা তৈয়াৰী ৰক্‌চি (চুলাই মদ) পান কৰাটো আৰু আলহীকো আগবঢ়োৱা প্ৰথা পৰম্পৰাগতভাৱে চলি আহিছে। বৰ্ণাঢ্য দহৈ উৎসৱৰ আন এটি লেখত ল'বলগীয়া অংশ গৈছে ঝুলনা খেলা যাক নেপালী ভাষাত লিংগেপিং বুলি কোৱা হয়। ষষ্ঠী তিথিৰপৰা পূৰ্ণিমা তিথিৰ নিশালৈকে নেপালী যুৱক-যুৱতীয়ে পৰম আনন্দেৰে লিংগেপিং খেলা খেলে। এই দিনটোত পূজা-পাতল আৰু ধৰ্মগ্ৰন্থ পাঠ কৰি গোটেই ৰাতি উজাগৰে থাকি প্ৰতিপদ তিথিৰপৰা ধুম-ধামেৰে পালন কৰা নেপালী জনগোষ্ঠীৰ আদৰৰ দহৈ উৎসৱক পূৰ্ণিমাৰ পিছদিনা পুৱা বিদায় দিয়ে।

নি.চ.

**।। দধিমন্থন উৎসৱৰ লোক বিশ্বাস ।।**

দধিমন্থন উৎসৱটিৰ ভগৱান শ্ৰীকৃষ্ণৰ বাল্য লীলাই প্ৰধান বস্তু। এই বাল্যলীলাৰ মাজেৰে ভগৱানৰ মাহাত্ম্য প্ৰকাশ কৰা হয় আৰু ইয়াৰ মাজত কিছুমান লোক বিশ্বাস জড়িত হৈ আছে। কোনো অপুত্ৰক দম্পতীয়ে দধিমন্থন উৎসৱৰ সময়ত ৰাম কৃষ্ণৰ শ্ৰীচৰণত শৰাই আগবঢ়াই পুত্ৰ লাভ কৰি সেই দধিমন্থন উৎসৱত কৃতজ্ঞতাৰ চিন স্বৰূপে নিজ পুত্ৰক শ্ৰীকৃষ্ণ, বলভদ্ৰ, গোপাল সজাই- অনুষ্ঠানটিলৈ আগবঢ়ায়। আনহাতে ৰামকৃষ্ণ আৰু বাৰগোপালক নিজহাতে পিঠা পৰমান্ন আৰু মিঠাই আদি খুৱালে নিজৰ অভীষ্ট সিদ্ধি হয় আৰু নিঃসন্তানেও সন্তান লাভ কৰিব পাৰে বুলি গাঁওবাসীয়ে গভীৰ বিশ্বাস কৰে। কোনো ছোৱালীয়ে যদি অলপ বেছি বয়সলৈ কন্যাকাল নোপোৱাকৈ থাকে তেনেহ'লে সেই ছোৱালীজনীক দধিমন্থন উৎসৱত যশোদা সাজি অভিনয় কৰিবলৈ দিয়া হয়। তেনে অভিনয় কৰিলে ছোৱালীজনীয়ে অতি সোনকালে কন্যাকাল পায় বুলি দক্ষিণ কামৰূপৰ গাঁওবাসীয়ে গভীৰ ভাৱে বিশ্বাস কৰে। কেতিয়াবা গোপিনীৰ ৰূপতো অভিনয় কৰিবলৈ দিয়া হয়। দধিমন্থনৰ পিছৰ দিনাখন দধিমন্থনত অভিনয় কৰা বালকসকলে মানুহৰ ঘৰে ঘৰে গীত গাই ফুৰে। এনেদৰে মানুহৰ ঘৰত গোপাল সকলৰ পদধূলি পৰিলে গৃহস্থৰ লগতে ৰাইজৰো মঙ্গল হয় বুলি মানুহে বিশ্বাস কৰে। দধিমন্থন উৎসৱ শেষ হোৱাৰ দিনা গধূলি বাৰ গোপাল সমন্বিতে কৃষ্ণ -বলৰামৰ নগৰ ভ্ৰমণ লৈ গাঁওবাসীয়ে অতি শ্ৰদ্ধা সহকাৰে অপেক্ষা কৰে। সকলোৱে ধূপ ধূনা জ্বলাই নিজৰ পদূলিত মাৰ নোধোৱা গামোচা এখন পাৰি কৃষ্ণ বলৰাম আৰু বাৰগোপালৰ পদধূলি লয় আৰু তেওঁলোকক সাক্ষাৎ কৃষ্ণ-বলৰামৰ অবিভাৰ্ৱ জ্ঞান কৰি বস্ত্ৰ, পইচা আদি দান কৰে আৰু নিজৰ, ঘৰখনৰ আৰু ৰাইজৰ কল্যাণৰ অৰ্থে তেওঁলোকৰ চৰণত মূৰ দোঁৱায়।

য. মা

**।। দ-পৰ্বতীয়া শৈলমন্দিৰৰ ভাস্কৰ্য ।।**

শোণিতপুৰ জিলাৰ তেজপুৰৰ নিকটৱৰ্তী দ-পৰ্বতীয়াত খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতাব্দীৰ গুপ্তশৈলীত নিৰ্মিত শৈল মন্দিৰ এটাৰ স্থাপত্যৰ লগতে অনুপম সৌন্দৰ্যখচিত ভাস্কৰ্যও উদ্ধাৰ হৈছে। প্ৰাকৃতিক দুৰ্যোগত ধ্বংসহোৱা মন্দিৰটোত উদ্ধাৰ হোৱা প্ৰায় অভগ্ন (দ্বাৰ শাখা দুডালৰ নিম্নাংশৰ কিছু অংশ ভগা) শৈলদ্বাৰখনিত উদ্‌গত উৎকৃষ্ট কাৰুকৰ্মৰ ভাস্কৰ্য আৰু কেবাটাও মূৰ্তি প্ৰত্নতাত্ত্বিকসকলৰ আকৰ্ষণৰ সম্পদ। শৈল শাখা দুডালৰ নিম্ন ভাগত বাহিৰলৈ ওলাই অহাকৈ উদ্‌গত হৈছে পুষ্পমালা হস্তা দ্বিভংগ ভংগীম ঠামৰ নদী দেৱী গংগা-যমুনাক। মূৰ্তিযুগলৰ মূৰৰ পিছফালে বৰ্তুলাকাৰ প্ৰভামণ্ডল স্পষ্ট। তেওঁলোকৰ মূৰত খোপা, আগমূৰৰ চুলিত চিতি-পাতি আৰু লতকণ, কাণত ডাঙৰ কেৰু, ডিঙিত কণ্ঠী, হাতত খাৰু, কঁকালত কৰধ্বনি আৰু ভৰিত পাজোপ অলংকাৰ দৃশ্যমান। বাঁওফালৰ দেৱীৰ সোঁকাষত দুগৰাকী বিভিন্ন অলংকাৰ ভূষিতা প্ৰতিহাৰী। তাৰে এগৰাকীৰ হাতত চামৰ; আন আঁঠু কাঢ়ি থকা গৰাকীয়ে পুষ্পপাত্ৰ হাতত লৈ সেইটো দেৱীলৈ আগবঢ়াই দিছে (বৰ্তমানে এই প্ৰতিহাৰীগৰাকী অস্পষ্ট)। দেৱীৰ বাঁওহাততো আন এগৰাকী চামৰধাৰিণী। প্ৰভামণ্ডলৰ বাঁওকাষে দুটা উড়ন্ত ৰাজহংসই দেৱীৰ ফালে আগবাঢ়িছে। সিহঁতৰ সমান্তৰাল উচ্চতাত এটি প্ৰকোষ্ঠত উদ্‌গত হৈছে বাহিৰলৈ মুখ কৰি লৈ থকা এজনী নাগী। সোঁফালৰ দ্বাৰশাখাৰ নিম্নভাগত উদ্‌গত নদীদেৱীৰ দুকাষে আছে দুগৰাকী চামৰধাৰিণী প্ৰতিহাৰী (ইয়াৰে তৃতীয় গৰাকী প্ৰতিহাৰী ইং ১৯২৪-২৫ চনৰ আগতে নাইকিয়া হৈছে) আৰু প্ৰভামণ্ডলৰ বাহিৰত দেৱীৰ ফালে অগ্ৰসৰ হোৱা যুগল ৰাজহংস আৰু নাগী। দ্বাৰশাখা দুডাল থিয়ৈ থিয়ৈ চাৰিটাকৈ ভাগত ভগোৱা। প্ৰথম ভাগটোত লতাৰ মণ্ডন কৰ্ম, দ্বিতীয় ভাগত পদ্মপত্ৰৰ অলংকৰণ, তৃতীয় ভাগত চাৰিটা নৰমূৰ্তি আৰু চতুৰ্থ ভাগত ফুলৰ মনোৰম দৃশ্য। দ্বাৰশিৰপট্টিৰ তলৰ দ্বিৰেখাৰ সোঁমাজত চিকুণকৈ কটা মালিকাহস্ত উড়ন্ত গৰুড়। শিৰপট্টিৰ মাজৰ পেনেলৰ দুকাষে দুটা নৰমূৰ্তি শিৰপট্টিডালৰ শীৰ্ষত অলংকৃত পঞ্চ চৈত্য-প্ৰকোষ্ঠত উদ্‌গত হৈছে পাঁচোটা মূৰ্তি। সিবোৰ যথাক্ৰমে - ১.চতুৰ্হস্ত সিংহাসনত আসীন, ডম্বৰুধাৰী শিৱ, ২. ঘোঁৰাৰ মুখৰ দৰে আঁঠুলোৱা নৰমূৰ্তি, ৩. ভৰিত ৰচীৰে বন্ধা আসন ভংগীৰ লকুলীশ শিৱ (বায়ু পুৰাণ আৰু শিৱপুৰাণৰ মতে শিৱৰ শেষ অৱতাৰ)। তেওঁৰ সোঁফালে পানপাত্ৰ আগবঢ়াই দিয়া আসন ভংগীৰ এগৰাকী নাৰী আৰু বাঁওফালে নমস্কাৰ হস্তা স্থানক ভংগীৰ আন এজনী নাৰী দেখা যায়, ৪. বাঁহী বজাই থকা স্থানক ভংগীৰ মুৰুলীধৰ আৰু ৫. পদ্মহস্ত আসন ভংগীৰ সূৰ্য। তেওঁৰ এফালে কাপ-মৈলাম লোৱা লোক আৰু আনহাতে এটি নৰমূৰ্তি বিদ্যমান। ভাস্কৰ্যকলাৰ এনে প্ৰাচীন নিদৰ্শন অসমৰ অন্যত্ৰ বিৰল।

না.দা.

**।। দ-পৰ্বতীয়া শৈৱ মন্দিৰৰ স্থাপত্য ।।**

শোণিতপুৰ জিলাৰ শিৱমন্দিৰ অকল তেজপুৰৰে নহয়, সমগ্ৰ অসমৰ ভিতৰতে এটি প্ৰাচীন মন্দিৰ। মন্দিৰটোৰ ধ্বংসাৱশেষৰ কথা জয়য়জয়তে সদৰি কৰে- প্ৰত্নতাত্ত্বিক ৰাখালদাস বন্দ্যোপাধ্যায় ডাঙৰীয়াই। অক্ষত অৱস্থাত থকা কালত এই দেৱধাম গুপ্ত শৈলীত পূবা-পশ্চিমাকৈ সজা হৈছিল। ইয়াৰ ভাগ তিনিটা - গৰ্ভগৃহ, মণ্ডপ আৰু মুখমণ্ডপ। গৰ্ভগৃহটো চতুষ্কোণী-বৰ্গক্ষেত্ৰাকাৰ আছিল। ৫.১০ মিটাৰ জোখৰ উক্তগৃহটোৰ বেদীত যি কুণ্ড আছিল, তাৰপৰা পানী ওলাই যোৱা নলীটো এতিয়াও অক্ষত অৱস্থাতে আছে। বিংশ শতাব্দীৰ আদি ভাগলৈ সেইটো মুকলি আছিল যদিও পিছত তাত এটি ভগ্ন স্তম্ভৰ একাংশ সংস্থাপন কৰি লিংগ ৰূপ দিয়া হৈছে। কুণ্ডৰ পিছফালে থিয় হৈ থকা আটক ধুনীয়া শৈলদ্বাৰখনি (শিৰপট্টি ১.৭৬ মি.X৩৭ ছে.মি., দ্বাৰশাখা দুডাল ১.৬৪X৪১ ছে.মি.) এতিয়াৰ দৰে পূৰ্বতে নাছিল। সেইখন আছিল বেদীৰ সমুখত পৰি থকা দুটা ৰন্ধ্ৰযুক্ত ১২০ ছে.মি. দৈৰ্ঘৰ শিলছলাৰ ওপৰতহে। শৈলদ্বাৰৰ পূৰ্বদিশস্থ অপেক্ষাকৃত চাপৰ চতুষ্কোণী বৰ্গক্ষেত্ৰাকাৰ ভেটি দুটা (যথাক্ৰমে ৭.৯০ ছে.মি. আৰু ৩.১৪ ছে.মি. জোখৰ) মণ্ডপ আৰু মুখমণ্ডপৰ। মণ্ডপ আৰু গৰ্ভগৃহৰ চাৰিওফালে থকা অপেক্ষাকৃত দ (৬০ছে.মি.) যিটো চাৰিকোণীয়া পথ আছে, সেয়া হ'ল ভূমৰাৰ প্ৰখ্যাত শিৱ মন্দিৰৰ দৰে প্ৰদক্ষিণপথ।

আদিতে এই মন্দিৰত শিল আৰু ইটা উভয়কে ব্যৱহাৰ কৰা হৈছিল। মন্দিৰৰ অধিষ্ঠানৰ ওপৰত পৰি থকা প্ৰচুৰ পৰিমাণৰ ইটা (২৪ × ১৮ × ৩ ছে.মি. জোখৰ) আৰু শৈল খণ্ডসমূহে তাৰ সাক্ষী। মন্দিৰৰ অধিষ্ঠান আৰু জংঘাত ইটাৰ প্ৰয়োগ হ'লেও স্তম্ভ, দুৱাৰৰ চৌ কাঠ, চটি প্ৰভৃতিত শিল ব্যৱহাৰ কৰা হৈছিল। ২৭৩ × ৩২ × ৩২ ছে.মি. জোখৰ শিলৰ খুঁটা আৰু ২৮৫ ছে.মি. দৈৰ্ঘৰ শিলৰ চটি এতিয়াও ধ্বংসাৱশেষত বিদ্যমান। মন্দিৰৰ সমুখত পৰি আছে—দ্বাৰ-দেহলীডাল। মণ্ডপত চাৰিটা শিলৰ খুঁটা লগোৱা হৈছিল। স্তম্ভ লগোৱা ৭৫ × ৭৫ × ১২ ছে.মি. জোখৰ শৈল পেটিকা চাৰিটা এতিয়াও মণ্ডপৰ চাৰিদিশে পৰি আছে। ইয়াৰ জংঘাত পোৰা মাটিৰ ফলক লগোৱা বুলি অনুমান কৰিব পাৰি। অৱশ্যে ওপৰখনৰ ৰূপ কেনে আছিল, তাক কোৱা টান। সৰহসংখ্যক প্ৰত্নতত্ত্ববিদৰ মতে এই মন্দিৰটো খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতাব্দীৰ সম্পদ।

(উৎস ঃ অসম কলেজ শিক্ষক সন্থাৰ পঞ্চত্ৰিংশ তেজপুৰ মহাবিদ্যালয় অধিবেশনৰ (১৯৮৬) স্মৃতিগ্ৰন্থত প্ৰকাশিত লেখকৰ 'শোণিতপুৰৰ স্থাপত্য, ভাস্কৰ্য আৰু মূৰ্তিকলা)'

না.দা.

**।। দবুৰ উঁয়ু (পূজা) ।।**

দবুৰ উঁয়ুৰ বিভিন্ন ভাগ লক্ষ্য কৰিব পাৰি। এইবোৰৰ ভিতৰত 'বৃৰতী-দবুৰ', আবৃগ-দবুৰ আৰু 'দঃলুং দবুৰ' উল্লেখযোগ্য। বৃৰতী-দবুৰ, কেৱল ৰক্তপাত দোষৰ

নিৰাময়ৰ বাবে অনুষ্ঠিত হয়। এই পূজা ব্যক্তিগত বা সামূহিকভাৱেও কৰিব পাৰি। 'আবৃগ-দবুৰ' বা 'মপুন-দবুৰ' ব্যক্তিগত ভাৱে অনুষ্ঠিত হয় - মহামাৰী আৰু খেতি পথাৰত পোক-পৰুৱা নিবাৰণৰ অৰ্থে।

সামূহিকভাৱে কৰা দঃলুং-দবুৰ পূজাৰ নিৰ্দিষ্ট দিনত ৰাতিপুৱা গাঁৱৰ পুৰুষসকলে চাং কোবাই আজৌং বিচাৰি প্ৰতিটো পৰিয়ালৰ ওচৰলৈ যায়। প্ৰতিটো পৰিয়ালে পাৰ্যমানে আপং, কুকুৰা, কণী, চাউল, নিমখ, জলকীয়া আদি 'আজৌং' হিচাপে দি আগত বছৰটোত তেওঁলোকৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰিবলৈ অনুৰোধ কৰে। এইদৰে সংগ্ৰহ কৰা 'আজৌ' বা সামগ্ৰীসমূহ গাঁৱৰ ওচৰতে থকা নদীৰ পাৰত চিকুশাই থোৱা এডোখৰ ঘূৰণীয়া ঠাইলৈ অনা হয়। 'ৰুক্তক' (Ruktok) নামৰ এবিধ ঢেকীয়া থেৰা আৰু সুন্দৰকৈ ফলা বাঁহেৰে সাপে কণী ভক্ষণ কৰি কৰা ঘটনাৰ অনুকৰণত দুটা মূৰ্তি নিৰ্মাণ কৰা হয় আৰু উদিত সূৰ্যৰ ফালে মুখ কৰি সেই মূৰ্তিটো বেদীত স্থাপন কৰা হয়। এচাৰি এডালেৰে সৰ্প মূৰ্তি কেইটা স্পৰ্শ কৰি থকা অৱস্থাত গাহৰি আৰু কুকুৰা বলি দি এইদৰে প্ৰাৰ্থনা কৰা হয়ঃ 'হে মাতৃ সূৰ্য, পিতৃ চন্দ্ৰ, হে ঈশ্বৰ আমি আগবঢ়োৱা দ্ৰব্যৰে সন্তুষ্ট হ'বা আৰু আমাক সু-স্বাস্থ্য আৰু আনন্দ প্ৰদান কৰিবা।'

গ. পে.

**দৰপূজা।।**

কোঁচ-ৰাজবংশী ৰজাসকলৰ এটি কৃত্য দৰপূজা। সাধাৰণতে ৰজাসকল কোনো এখন যুদ্ধলৈ যোৱাৰ আগমুহূৰ্তত দৰপূজা অনুষ্ঠিত হৈছিল। বৰ্তমান বিজয়া দশমীৰ দিনা দৰপূজা অনুষ্ঠিত হয়। ভয় দেখুৱালৈ বা ভীতি প্ৰদৰ্শন কৰিবৰ বাবে যি পূজা অনুষ্ঠিত হৈছিল তাক দৰপূজা বোলে। সোণ- ৰূপৰ নাল লগোৱা তৰোৱাল দুখন পূজাৰ সময়ত এখন আসনত পূজাৰ মণ্ডপৰ ওচৰত ৰাখে। পূজাৰীয়ে দুয়োখন তৰোৱালৰ ওপৰত শান্তি-পানী ছটিয়ায়। গৃহস্থই এই তৰোৱাল দুখনক দৰ বোলে। ব্ৰাহ্মণ সম্প্ৰদায়ে উপনয়ন অনুষ্ঠানৰ দিনাৰপৰা সাতদিন খৰম পিন্ধি হাতত টোকন এডাল লৈ থকা নিয়ম। সাতদিনৰ অন্তত কেইজনমান ব্ৰাহ্মণক ভোজন কৰাই খৰমৰপৰা ব্ৰতীক নমোৱাৰ লগে লগে টোকনডালো ত্যাগ কৰে। এই অনুষ্ঠানটোক দৰ পেলোৱা বোলে। বিশ্বসিংহ, নৰনাৰায়ণ, চিলাৰায় আদিৰ দিনত কোনো এখন ৰাজ্য জয় কৰিবলৈ যোৱাৰ আগমুহূৰ্তত দুৰ্গা বা চণ্ডীক পূজা কৰা হৈছিল। ইয়াৰ নাম ৰণচণ্ডী পূজা। পূজাৰ জৰিয়তে শক্তি সঞ্চয় কৰি যুদ্ধলৈ যাত্ৰা কৰা হৈছিল। পূজাৰ অন্তত দেৱীপূজাৰ ভোগ গ্ৰহণ পূৰ্বক ধনু-কাড়, তৰোৱাল আদি লৈ সৈন্যসকলে বীৰত্বসূচক অঙ্গী-ভঙ্গী কৰিছিল আৰু ঢোল-দুন্দুভিৰ শব্দৰ তালে তালে সিৰাই সিৰাই তপ্ত ৰুধিৰ প্ৰবাহিত কৰি সৈন্যসকলক যুদ্ধৰ বাবে প্ৰস্তুত কৰিছিল। এনেদৰে সৈন্য -সামন্তৰে শক্তিশালী লোকে কাতি বা চ'ত মাহত শত্ৰুৰ দেশলৈ অভিযান

কৰিছিল। মুৰাদেওৰ মন্দিৰত দুখন বলি কটা দা আৰু এখন শিলৰ শাল আছে। ব'হাগ বিহুৰ দিনা শিলৰ শালখন পানীৰে ধুই পৰিষ্কাৰ কৰে। দা দুখন পৰিষ্কাৰ কৰি জনজাতি নিয়মেৰে পূজা কৰাৰ পৰম্পৰা আছে। দা আৰু বলি শালৰ এই পূজাক দৰপূজা বোলে। চিকাৰজীৱী আদিম মানৱৰ দৃষ্টিত চিকাৰৰ সঁজুলিসমূহ আছিল অব্যৰ্থ শক্তিৰ আকৰ। চিকাৰলৈ যোৱাৰ আগমুহূৰ্তত সেই সঁজুলিবোৰক পূজা কৰিলে তাত স্তুপীকৃত হৈ থকা শক্তি জাগ্ৰত হয়। এনে এটা যাদুমূলক বিশ্বাসৰ আধাৰত দৰপূজা পৰম্পৰাই জন্ম লাভ কৰাৰ অনুকূলে মত পোষণ কৰিব পাৰি।

বি. শ.

**।। দৰঙী চিত্ৰশৈলী ।।**

কোচ ৰজা পৰীক্ষিৎ নাৰায়ণৰ ভাতৃ বলিনাৰায়ণে ধৰ্মনাৰায়ণ নাম লৈ দৰং ৰাজ বংশৰ পাতনি মেলে। ধৰ্মনাৰায়ণৰ বংশধৰসকল দৰঙী ৰজা নামে পৰিচিত। মোহনপুৰত ৰাজধানী পাতি ৰাজ্য শাসন কৰা দৰঙী ৰজাসকল সাহিত্য, সংগীত আৰু চিত্ৰকলা বিদ্যাৰ অনুৰাগী আছিল। কালক্ৰমত আলোচিত ৰাজ্যত এটি নতুন চিত্ৰ শৈলীয়ে আত্মপ্ৰকাশ কৰাৰ সুযোগ পায়। সত্ৰীয়া চিত্ৰশৈলীৰ সৈতে থলুৱা চহা লোককলাৰ মধুৰ মিশ্ৰণত আত্মপ্ৰকাশ কৰা এই চিত্ৰশৈলী দৰঙী চিত্ৰশৈলী ৰূপে স্বীকৃত। সত্ৰীয়া শৈলীতা লোক কলাৰ প্ৰভাৱ উপেক্ষা কৰিব নোৱাৰি যদিও দৰঙী চিত্ৰশৈলীত এই প্ৰভাৱৰ পৰিধি সুপ্ৰশস্ত। আলোচিত চিত্ৰ শৈলীটোৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— বলিষ্ঠ, ছেদহীন ঋজু আৰু তৰংগায়িত ৰেখা সৌষ্ঠৱৰ ভিতৰত ৰঙৰ ব্যঞ্জনা। অজন্তা চিত্ৰৰ সমালোচনা ক্ষেত্ৰত প্ৰয়োগ কৰা ড° আনন্দ কুমাৰ স্বামীৰ অভিমতটি দৰঙী চিত্ৰশৈলীৰ সৈতে যেন খাপ-খাই পৰে The long flying line and the sense of rhythmic are noteworthy : ৰেখা বৰ্তনাৰ সুষম প্ৰয়োগে এই চিত্ৰশৈলীৰ চিত্ৰমালাক বহুক্ষেত্ৰত বাস্তৱৰ পৰা অবাস্তৱলৈ ঠেলি নিলেও ধৰ্মাশ্ৰিত বিষয়বস্তুৰ পয়োভৰে ইয়াক ৰসাচ্ছাদনৰ যোগ্যতা প্ৰদান কৰিছে। দৰঙী চিত্ৰশৈলীৰ আটাইকেইখনি পুথিচিত্ৰৰ চিত্ৰিকাসমূহ প্ৰধানতঃ বৰ্ণনাত্মক। চিত্ৰকৰে দেহাৱয়ৱৰ অস্থিসংস্থানৰ (anatomy) ক্ষেত্ৰত অকণো মনযোগ দিয়া নাই। মুখৰ তুলনাত ডাঙৰ চকু, মূৰৰ তুলনাত ক্ষীণ দেহ প্ৰভৃতি প্ৰায় দেখা যায়। মুখবোৰ চিত্ৰশৈলীৰ দৰে একাষৰীয়াকৈ অঁকা যদিও নাক আৰু চকুৰ কৌণিকত্ব তাত পাবলৈ নাইকিয়া। আনহাতে বিভিন্ন অংগৰ ৰেখাংকনত কৌণিকত্বৰ প্ৰচুৰ প্ৰয়োগে এই শৈলীৰ স্বকীয়তা প্ৰতিপন্ন কৰিছে। ৰঙৰ প্ৰয়োগ সত্ৰীয়া চিত্ৰশৈলীৰ অনুৰূপ। পটভূমি সদায় ৰঙা বা বেঙুনীয়া। এই চিত্ৰশৈলীত চিত্ৰিত পুথিচিত্ৰৰ ভিতৰত তীৰ্থকৌমুদী, অনাদিপাতন, অষ্টমস্কন্ধ ভাগৱত প্ৰভৃতি উল্লেখযোগ্য। না.দা.

**।। দৰঙৰ দেউল ।।**

অসমৰ বাৰেৰহণীয়া লোক উৎসৱৰ বৰ ভেটিলৈ দৰঙৰ দেউল উৎসৱ এক অনবদ্য সংযোজন। সমগ্র ব'হাগ মাহ ধৰি উদযাপিত হোৱা দেউল উৎসৱ দৰঙী ৰাইজৰ ঋতুকালীন বসন্তোৎসৱেই নহয়, ভেদাভেদ পৰিহৰি পাৰস্পৰিক ভাৱ বিনিময়ৰে এখন আকাশৰ তলত আন্তৰিকতাৰে জীৱনৰ জয়গান গোৱা ই মিলনৰ মহোৎসৱ।

কামৰূপৰ ভঠেলি, সুৱৰি বা স'ৰি আৰু উত্তৰ গোৱালপাৰাৰ বাঁশ পূজাৰ বাঁহ পূজন কৃত্যৰ লগত দৰঙৰ দেউলৰ সাদৃশ্য পণ্ডিতসকলে দেখা পাইছে। প্ৰাচীন কালৰ বিষ্ণু-পূজাৰ লগত প্ৰজননৰ প্ৰতীক বাঁহ পূজা একাকাৰ হৈ ভূঞাসকলৰ ৰাজত্বকালত ব্যাপকতা লাভ কৰে। দেউল শব্দটো সংস্কৃত দেৱদল শব্দৰপৰা বিকাশ লাভ কৰা বুলি পণ্ডিতসকলে অনুমান কৰিছে।

দেউল উৎসৱ বা পূজা এটা ওখ মাটিৰ ঢিপত কৰা ক্ৰিয়া-কাৰ্যক ভিত্তি কৰি অনুষ্ঠিত হয়। ওখ মাটিৰ ঢিপটোত সাতোটা খলপ থাকে। এই সাত খলপাক সাতোখন স্বৰ্গৰ প্ৰতীক বুলি মানুহে বিশ্বাস কৰে। দেউলৰ একেবাৰে ওপৰত এটা শিল থাপন কৰা হয়। গোটেই দেউল ঢিপটোৰ চাৰিও কোণত চাৰিডাল জাতি বাঁহ কিছু অংশ জেকনি কাটি ডালে ডালে পোতা হয়। তাৰ লগতে চাৰিটা কলপুলিও পোতা হয়। দেউলৰ সেই ঢিপটোৰ মাজত মৎস্যসহ দুটা মগৰৰ এখন সিংহাসন প্ৰতিষ্ঠা কৰা দেখা যায়। দেউলৰ কাষত নামনিত চাৰিও কোণত চাৰিটা কলপুলিৰে এখন সুন্দৰকৈ বেদী সজা হয়। ইয়াত পুৰোহিতে বিষ্ণুপূজা কৰে। বিষ্ণু পূজাৰ আৰম্ভৰ আগেয়ে পুৰোহিতে সিংহাসন মূৰত লৈ সাতোটা খলপ প্ৰদক্ষিণ কৰি শীৰ্ষস্থানত গৈ বিষ্ণু মূৰ্তিক সিংহাসনত প্ৰতিষ্ঠা কৰি, সেইখন পুনৰ মূৰত লৈ আহি নামনিৰ বেদীত তাক স্থাপন কৰি পূজা আৰম্ভ কৰে। এই গোটেই কৃত্যখিনি পৱিত্ৰ আৰু শুদ্ধ প্ৰক্ৰিয়াৰে কৰা হয়। সাধাৰণতে দেউল পূজা কৰোঁতেই এই ক্ষেত্ৰত আগভাগ লয়। আগদিনাৰপৰা দেউল সাৰি-মচি সুন্দৰকৈ সজোৱা, নামনিৰ বেদী ধূপ-ধুনা-দীপেৰে শোভিত কৰা গোটেই ক্ৰিয়া কলাপখিনিৰ মাজত ভগৱান বিষ্ণুৰ প্ৰতি অপায়-অমংগল, মাৰি-মৰক বিনাশনৰ প্ৰাৰ্থনা জড়িত হৈ থাকে। সেয়েহে এই দেউল উৎসৱ পৱিত্ৰ। মন কৰিবলগীয়া যে দেউল পূজাৰ আগদিনা দেউলৰ কাষত কলচোঁচনিৰে সজা এটা ঘৰত ভোৱোৱা ছাগলীৰ দাড়ি পোৰা অনুষ্ঠান হয়। ইয়াক মেষ-দাহন বোলা হয়। এই গোটেই কৃত্য খিনিৰ লগত ওজাপালিকে আদি কৰি দৰঙী লোক কলা কৃষ্টি মাংগলিক অনুষ্ঠান হিচাপে পৰিৱেশন কৰা হয়।

দৰঙৰ দেউল উৎসৱ বহু পুৰণি কালৰ পৰাই প্ৰচলিত যদিও দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত এই উৎসৱে ৰাজকীয় মৰ্যাদা লাভ কৰি অধিক প্ৰসাৰিত হয়। সমগ্ৰ ব'হাগ মাহৰ বিভিন্ন দিনত দেউল দৰঙৰ বিভিন্ন ঠাইত উদযাপিত হয়। পূব কামৰূপলৈকে

এই উৎসৱ বিস্তাৰিত। সামাজিক জীৱনত ইয়াৰ ভূমিকা অনস্বীকার্য। বৰদৌলগুৰিৰ দেউল, বুটীনগৰৰ দেউল, ঘোঁৰাবান্ধাৰ দেউল আদি দেউল উৎসৱবোৰ দৰঙৰ অন্যতম ডাঙৰ দেউল।

হে. ৰা.

**।। দৰঙৰ বাসুদেউ পূজা।।**

দৰং আৰু পাতিদৰং অঞ্চলত বাসুদেৱ পূজা এপৰীয়া, আদচৌপৰী আৰু গোন্ধচৌপৰী- - এই তিনিধৰণে কৰা হয়। পুৱাত আৰম্ভ হৈ আবেলিত শেষ হোৱা পূজা এপৰীয়া, গধূলি আৰম্ভ হৈ পিছদিনা পুৱাৰ বেলা শেষ হোৱা পূজা আদচৌপৰী আৰু গধূলি আৰম্ভ হৈ পিছদিনা গধূলি পৰত শেষ হোৱা পূজাৰ নাম গোন্ধচৌপৰী। এই পূজাত কাচৰ পিঠিৰ আকৃতিৰ এখন ৰভা দি তাৰ সমুখত এটি সৰু গোসাঁই ঘৰ সাজি তাতে বেদী নির্মাণ কৰি পঞ্চ গুড়িৰে সর্বভদ্রমণ্ডল ৰচনা কৰা প্রয়োজন। বেদীৰ চাৰিকোণত চাৰিটা কল পুলি পুতি এণ্ডাসূতাৰে তিনিদিশ বন্ধ কৰি দি তাত গীতা আৰু ভাগৱত ৰাখি তাৰ সমুখত জলপূর্ণ ঘট এটা ৰাখি তাতেই পুৰোহিতে পূজাকর্ম সম্পাদন কৰে। এই পূজাত নানা উপচাৰৰ লগতে কেঁচা চিৰা, পিঠাগুড়িৰ লাৰু, চেনি- চুৰা, ঘি, মৌ, দৈ আদি তিনিটা দোনাত আগ কৰিব লাগে। পূজাৰ শেষত সুগন্ধি দ্রব্য মণ্ডপৰ চৌদিশে ছটিয়াই দি ৰাইজে ভোজ- ভাত খায়। পূজাত ওজাপালি থাকে। তেওঁলোকে বিভিন্ন গীতৰ লগতে দুর্গা আৰু শিৱৰো বন্দনা গায়। বাসুদেউ পূজা ৰাজহুৱা আৰু গাই গুটীয়ায়াকৈ অনুষ্ঠিত হয়। ৰাজহুৱাভাৱে আয়োজিত পূজা আঘোণৰপৰা জেঠলৈ অনুষ্ঠিত হয়। গাই-গুটীয়া ভাৱে কৰা পূজা এই সময়ৰ উপৰি বিবাহ, শ্রাদ্ধ আৰু উপনয়নৰ কালতো অনুষ্ঠিত কৰা দেখা যায়।

(ড° বিজয় কুমাৰ শর্মাৰ দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন গ্রন্থৰ আধাৰত যুগুতোৱা)

প্র.দা.

**।। দৰঙৰ মথনী ।।**

মথনী দৰঙৰ প্রসিদ্ধ 'দেবানন্দ সত্র'ত কাতি বিহুৰ দিনা উদ্‌যাপিত এক মনোৰম লোক-উৎসৱ। দৰঙী ভাষাত ইয়াক 'মথেনী' বুলি কোৱা হয়। মথনী বা মথেনী শব্দটো সংস্কৃত 'মন্থন' শব্দৰপৰা বিকশিত।

সত্রৰ সত্রাধিকাৰসকলৰদ্বাৰা এই উৎসৱ প্রতি বছৰে আয়োজন কৰা হয় যদিও ৰাইজৰ সহায় সহযোগিতা আন্তৰিকতাই এই উৎসৱ আকর্ষণীয় কৰি তোলে। এই উৎসৱ উপভোগ কৰিবলৈ বহু দূৰণিৰপৰা মানুহৰ সমাগম হয়। বহু দিনৰেপৰা প্রচলিত এই উৎসৱক দৰঙী কোচ ৰজাসকলে পৃষ্ঠপোষকতা প্রদান কৰি অধিক জনমুখী কৰি তোলে।

মথনী উৎসৱৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ অভিনয় প্ৰসঙ্গ। লোকনাট্যৰ বিভিন্ন সমলেৰে ঠাহ খাই থকা অসমৰ বাৰে বৰণীয়া লোক উৎসৱ সমূহৰ ভিতৰত দৰঙৰ মথনী নিঃসন্দেহে অন্যতম। ইয়াত দেৱতা-দানৱৰ সাগৰ-মন্থনৰ সেই পৌৰাণিক কাহিনীৰ দৃশ্য ৰূপান্তৰিত কৰা হয়। মন্দিৰৰ ওচৰত উৎসৱ উপলক্ষে দিয়া প্ৰকাণ্ড ৰভাতলীত মানুহৰ সমাগম হয়, মেলা বহে। ৰাতিপুৱাৰপৰাই বিষ্ণু মন্দিৰত হোম-নাম-কীৰ্তন আদি কৰা হয়। ৰভাতলীৰ সোমাজত ডাঙৰ কলহ এটা পুতি তাৰ মাজত চক্ৰ এটা বহুৱাই এডাল দীঘল মথনীৰ দণ্ড দিয়া হয়। মথনী দণ্ডৰ ওপৰত ৰংবিৰঙৰ চাৰিখন ধনু আঁৰি দিয়া হয়। তাত দধি, দুগ্ধ আদি পঞ্চামৃত পিঠাগুড়িৰে মিহলাই ওপৰত বান্ধি দিয়া হয়। এই অনুষ্ঠানৰ প্ৰতীকী অৰ্থবোৰ এনেকুৱা -দ গাঁতটো ক্ষীৰ সাগৰ, চক্ৰটো কুৰ্মৰূপী শ্ৰীবিষ্ণু, দণ্ডডাল মন্দৰ পৰ্বত আৰু দণ্ডত মেৰিয়াই থোৱা ৰচীডাল বাসুকী নাগ। উৎসৱৰ আগদিনা সন্ধিয়াতে নামতীসকলে পানী তোলে, উৰুলি-জোকাৰেৰে মথনীৰ কলহটোত পানী ভৰাই ঘট প্ৰতিষ্ঠা কৰে। তামোল-পাণ মামনি সেৱা-সৎকাৰেৰে গোসাঁই পৰিয়ালৰ মূল তিৰোতা গৰাকীয়ে পানী তোলা ঘট লয় আৰু প্ৰথমতে তিনিবাৰমান মথনীৰ ৰচিডাল লৰাই গুচি যায়। ইয়াৰ পিছত চাৰিজন ল'ৰা আহি নামুৱৈৰ দধি মথনৰ গীত আৰু তালৰ সৈতে সামঞ্জস্য ৰাখি দধি মথাৰ অভিনয় প্ৰদৰ্শন কৰে। উৎসৱৰ দিনাও একেদৰে দধি মথনৰ আয়োজন হয়।

মূল সাগৰ মন্থনৰ অভিনয় উৎসৱৰ দিনা ৰাতিহে অনুষ্ঠিত হয়। নাম ধৰা দলে নাম লগাই দিয়ে। সত্ৰৰ বয়োজ্যেষ্ঠ, জ্ঞানোজ্যেষ্ঠসকলে সুন্দৰ বগা সাজ পোচাকেৰে তাত নৃত্য ভংগিমাৰে প্ৰৱেশ কৰে। এগৰাকী সত্ৰীয়াই হাতত চোঁৱৰ লৈ দলটোৰ আগত থাকে। এওঁ সূত্ৰধাৰ। কথা আৰু গীতেৰে বিষ্ণু বন্দনা, সাগৰ মন্থনৰ কাৰণ বৰ্ণনা কৰে। তেনেদৰেই ছোৱালীসকলে দেৱতাৰ ভাও লৈ আৰু সত্ৰৰ শিষ্য-প্ৰশিষ্যই দানৱৰ ভাও লৈ মথনী দণ্ডৰ ৰচিৰ দুয়োমুৰে ধৰি সাগৰ মন্থনৰ দৃশ্য ৰূপায়িত কৰে। ভাৱৰীয়া সকলৰ ৰং হৈ-চৈয়ে পৰিৱেশ মুখৰ কৰি তোলে। এই দৃশ্যই মথেনীৰ অন্যতম বৈশিষ্ট্য। মন্থনৰ সমাপ্তি ঘটে - মথনী জৰী ছিগিলে। তাৰ পিছত দণ্ডৰ ওপৰত থকা পঞ্চামৃত ভাওটি আনি সকলোৱে আনন্দেৰে অমৃত জ্ঞান কৰি খায়।

এই সাগৰ মন্থনৰ অভিনয়ত জনসমাজৰ লোকবিশ্বাস জড়িত। ঐশ্বৰ্য বিভূতিৰ দেৱী লক্ষ্মীয়ে নানা অপায়-অমঙ্গলৰ নাশক অমৃত খুৱাই সাগৰ মন্থনৰ পিছত মাৰি-মৰক নাশ কৰি ৰাইজক সুখ-আনন্দ দিয়া - এয়াই হয়তো মথনীৰ সাগৰ মন্থন দৃশ্যৰ অন্তৰালৰ নিহিত তাৎপৰ্য। সেয়েহে মথনী জৰীৰ অংশ ঘৰলৈ নি পৱিত্ৰতাৰে ৰখাটো দৰঙৰ ৰাইজৰ অন্যতম হাবিয়াস।

হে. ৰা.

**।। দশপুতুল ব্ৰত ।।**

এই ব্ৰত চ'ত মাহৰ সাংক্ৰান্তিৰ দিনা আৰম্ভ হৈ ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনা শেষ হয়। সম্পূৰ্ণ এমাহযোৰো এই ব্ৰত সকলো কুমাৰী ছোৱালীয়ে ৰাখিব পাৰে। নিয়মমতে পুৱাতে উপবাসী কুমাৰী ব্ৰতলোৱা নাৰীসকলে আগদিনা কাপোৰ পৰিত্যাগ কৰি গা-পা ধুই তুলসীতলত নতুন অথবা পুৰাণি পৰিষ্কাৰ কটোকোৰা কাপোৰ পাৰি লয়। এই দহপুতুল ব্ৰতকৰা নাৰীসকলে চাকি ফুল আদি দি তেওঁলোকে তিনিবাৰ নিজস্ব মনৰ আশা পদ্যৰ আকাৰে ব্যক্ত কৰে।

চুৱা দেহে এই ব্ৰত নিষিদ্ধ। ব্ৰত কৰা নাৰীগৰাকীৰ যদি তিনিদিনীয়া চুৱা থাকে; তেন্তে তিনিদিনৰ ব্ৰত শুচি হোৱাৰ পিছত একেদিনাই কৰা হয়। ঠিক তেনেকৈ চাৰিদিনীয়া হ'লে শুচিৰ পিছত শুদ্ধি কৰি ব্ৰতৰ মন্ত্ৰ কেইবাবাৰো শুদ্ধ মনে উচ্চাৰণ কৰিলেই হয়। এনেকৈ ব্ৰত কৰি ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনা ব্ৰতৰ সকলো সামগ্ৰী পুখুৰী বা নদীৰ পানীত উটুৱাই দিয়ে। এই ব্ৰতটি চাৰিবছৰ একেলগে কৰিব লাগে। এই ব্ৰত কৰিলে কুমাৰী নাৰীয়ে মনোমত স্বামী লাভ কৰে। এই ব্ৰত বঙালী সম্প্ৰদায়ৰ মাজত অধিক প্ৰচলিত যদিও বৰ্তমান এই ব্ৰত প্ৰায় বিলুপ্তিৰ পথত। গ্ৰাম্যাঞ্চলত এই ব্ৰত অধিক ভাবে প্ৰচলিত।

প.ৰা.

**।। দশ সংস্কাৰ ।।**

'জন্মনা ব্ৰাহ্মণো জ্ঞেয় সংস্কাৰৈৰ্দ্বিজ উচ্যতে' (অত্ৰি সংহিতা) - ব্ৰাহ্মণৰ বংশত জন্ম গ্ৰহণ কৰা জনে ব্ৰাহ্মণ; সংস্কাৰৰদ্বাৰা দ্বিজ পদবাচ্য হয়। ব্ৰাহ্মণসকলে দশ সংস্কাৰত অদ্যাপি পিছ হোহোকা নাই। শূদ্ৰসকলে শাস্ত্ৰীয় পদ্ধতিত কেইটামান মুখ্য সংস্কাৰহে পালন কৰা চকুত পৰে। এই দশ সংস্কাৰ হ'ল - ১। গৰ্ভধান, ২। পুংসবন, ৩। সীমন্তোন্নয়ন, ৪। জাতকৰ্ম, ৫। নামকৰণ, ৬। অন্নপ্ৰাসন্ন, ৭। চুড়াকৰণ, ৮। উপনয়ন, ৯। সমাবৰ্তন আৰু ১০। বিবাহ। এই দশ সংস্কাৰক থুল-মুল ভাবে চাৰিভাগত ভাগোৱা হয। যেনে - ১। গাৰ্ভ সংস্কাৰ, ২। শৈশৱ সংস্কাৰ, ৩। কৈশোৰ সংস্কাৰ আৰু ৪। যৌৱন সংস্কাৰ। গৰ্ভধাৰণৰ অন্যতম উদ্দেশ্য হ'ল - সত্বগুণৰ উৎকৰ্ষ সাধন। সেইবাবে সন্তান উৎপত্তি কালত জনক-জননীৰ মন পশু ভাবাপন্ন নহৈ সত্বভাবাপন্ন হোৱা বাঞ্ছনীয়। গৰ্ভধাৰনৰ দ্বিতীয় সংস্কাৰ পুংসবন ৰূপে পৰিচিত। ইয়াৰ অৰ্থ হ'ল -পুত্ৰসন্তানৰ উৎপত্তি। ইয়াক গৰ্ভধাৰণৰ তৃতীয় মাহৰ দশম দিনৰ ভিতৰত সম্পাদন কৰাটো শাস্ত্ৰসন্মত। অসমীয়া মানুহে পোহন বিয়া পাতে প্ৰথম গৰ্ভৰ অষ্টম মাহতহে। গৰ্ভাবস্থাত তৃতীয় সংস্কাৰ হ'ল - সীমান্তোন্নয়ন। ইয়াক গৰ্ভধাৰণৰ পিছত ছয় অথবা আঠ মাহত পালন কৰা

সন্তান ভূমিষ্ঠ হোৱাৰ পিছতে পালনীয় সংস্কাৰৰ নাম জাতকৰ্ম। সদ্যজাত সন্তানক পিতৃয়ে জয়জয়তে চালনীৰ ফুটাৰে চায়। পিতৃয়ে নৱজাত সন্তানৰ জিভাত মৌ আৰু ঘিউৰে স্পৰ্শ কৰা নিয়ম। সন্তান ভূমিষ্ঠ হোৱাৰ দহ বা শ ৰাতি অথবা এবছৰ পূৰ্ণ হ'লে নামকৰণ সংস্কাৰ কৰা বিধি সম্মত। পুত্ৰৰ ষষ্ঠ অথবা অষ্টম মাহত (কন্যা হ'লে পাঁচ বা সাত মাহত) অন্নপ্ৰাসন পাতিব লাগে। মূৰৰ প্ৰথম চুলি খুৰোৱা কামেই চূড়াকৰণ। চূড়াকৰণৰ পিছত উপনয়ন সংস্কাৰ। ৮-১২ বছৰৰ ভিতৰত ব্ৰহ্মাণে, ১১-১২ বছৰৰ ভিতৰত ক্ষত্ৰিয়ই, আৰু ১২-২৪ বছৰৰ ভিতৰৰ বৈশ্যই উপনয়ন সংস্কাৰ কৰা বিধেয়। অৱশ্যে ইয়াৰ পিছতো ব্ৰাত্যতা দোষৰ প্ৰায়চিত্ত কৰি উপনয়ন কৰা দেখা যায়। উপনয়নৰ পিছত সমাৱৰ্তন সংস্কাৰ। সময় পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত এই সংস্কাৰ উপনয়নৰ দিনাই আজি কালি সম্পন্ন কৰা হয়। দশম আৰু অন্তিম সংস্কাৰ হ'ল বিৱাহ। স্ত্ৰী-পুৰুষ নিৰ্বিশেষে বিৱাহ পাশত আৱদ্ধ হয়। চাৰি বৰ্ণৰ মাজত বিৱাহ সংস্কাৰ অদ্যাপি সুপ্ৰচলিত।

না. দা.

**।। দহৰ ফুৰোৱা উৎসৱ ।।**

ৰাভা জনগোষ্ঠীৰ টৌটলা আৰু মদাহী ফৈদৰ মাজত প্ৰচলিত এটি ধৰ্মীয় উৎসৱ হ'ল দহৰ ফুৰোৱা। এই উৎসৱ বৰ শুচি আৰু পবিত্ৰ ভাৱত আন্তৰিকতাৰে পালন কৰা হয়। বহাগ বিহুৰ উৰুকাৰ আগদিনা গা-মূৰ ধুই দুজনমানে বাঁহনিত গৈ এডাল মাদোল বাঁহ বাছনি কৰি থৈ আহে। পিছদিনা আকৌ গা-পা ধুই নিজকে শুচি কৰি লৈ পুনৰ বাঁহডাল আনিবলৈ যায়। তুলসীৰ ঠালেৰে গাখীৰ-পানী ছতিয়াইহে বাঁহডাল কাটি আনে। গোসাঁইঘৰত নি তাৰ পৰা ৬.৫ হাত দীঘলকৈ এছোৱা কাটি লোৱা হয়। এই ডোখৰকে ভালদৰে চাঁচি দহৰত ব্যৱহাৰ কৰা হয়। সকলোখিনি কাম পুৰুষ মানুহেই সম্পাদন কৰে। সন্ধিয়া পৰত সকলোৱে গা-পা ধুই আহি ঠগা আগবঢ়াই দহৰ কোচাৱাৰ কাম আৰম্ভ কৰে। বাঁহডালৰ এটা মূৰে এটা পিতলৰ চুলা লগোৱা হয়। চুলাটোৰ গুৰিৰপৰা নানা ৰঙৰ ৰুমাল, গামোচা, বিছৱান, চাদৰ আদি মৰাপাটৰ ৰচিৰে ভালদৰে বান্ধি দিয়া হয়। আনটো মূৰৰ ৯০ ছে.মি. মান ৰাখি গোটেই বাঁহডাল ঢাকখোৱাকৈ কাপোৰ বন্ধা হয়। তাৰ মাজে মাজে চোঁৱৰ বন্ধা হয়। চুলাৰ গুৰিত এটা সৰু টিলিঙা আৰু ফুলৰ মালা পিন্ধোৱা হয়। তেল- সিন্দূৰ সানি বটা বা শৰাই এখনত বহুৱাৰ আগেয়ে পুতি ৰখা ১০০ ছে.মি. মান ওখ আন এডাল বাঁহত বান্ধি থিয় কৰাই থোৱা হয়। দহৰ কোচোৱাৰ সময়ত ঢোল, তাল, শংখ আৰু কাঁহাল বজোৱা হয়। এইদৰে সাজি-কাচি থৈ নিশা মানুহবোৰ ঘৰা-ঘৰি গুচি যায়। পিছদিনা পুৱা অৰ্থাৎ ১ ব'হাগৰপৰা দহৰ বাঁহডালে গোসাঁই ঘৰৰপৰা উলিয়াই বাহিৰত ফুৰাবলৈ নিয়া হয়। প্ৰতিদিনে পুৱা আৰু গধূলি দুবাৰকৈ চুলা আৰু আনটো মূৰত গাখীৰ-পানীৰে ধুই নতুনকৈ তেল-সিন্দূৰ

লগাব লাগে। তাৰ পিছত এখন ঠগি দিব লাগে। এইদৰে ওচৰ-পাঁজৰৰ ৰাভা মানুহৰ গাঁৱলৈ গৈ প্ৰতিঘৰৰ চোতালত পূৰ্বে পাতি থোৱা থাপনাত থিয় কৰোৱা হয়। দহৰডাল থিয় কৰোৱাৰ সময়ত গৃহস্থৰ সকলোৱে তিতা গাৰে গোসাঁইক সেৱা লয়। লগে লগে ঢোল, তাল, শংখৰ আৰু কাঁহাল বজাই গৃহস্থক আশীৰ্বাদ দিয়ে এনেদৰে— 'জয়ো গোপালক চিন্তি হৰি বল হৰি বল / গৃহস্থৰ কুশল হওক মনৰ কামনা পূৰ্ণ হওক।।'

এনেকৈ নানা ঠাই ঘূৰি-পাকি সাত বিহুৰ দিনা নিজৰ গাঁৱলৈ উভতি আহে। নিশা দহৰডাল বাহিৰলৈ উলিয়াই আনি গোসাঁইঘৰৰ চাৰিওফালে সাত পাক ঘূৰোৱা হয়। তাৰ লগে লগে গোসাঁইঘৰৰ ভিতৰলৈ দুৱাৰমুখৰ পৰা সাতবাৰ চাউল, ফুল আৰু খুচুৰা পইচা ছটিওৱা হয়। তাৰ পিছত দহৰডাল গোসাঁইঘৰৰ ভিতৰত নি চুলা, কাপোৰ-কানি আদি খুলি সেৱা-সৎকাৰ কৰি দহৰ ফুৰোৱা উৎসৱৰ সামৰণি মৰা হয়। ৰাভাসকলৰ লোকবিশ্বাস যে দহৰ গোসাঁইক একান্তমনে সেৱা-শুশ্ৰূষা কৰিলে ইপ্সিত ফল পাব পাৰি।

(কৃতজ্ঞতা- ললিত ৰাভা, বৰমা)

ক্ষ. তা.

**।। দক্ষিণ কামৰূপৰ কণ্ডালী বিহুৰ গীত-মাত।।**

কাতি বিহুত ঘৰে ঘৰে তুলসীৰ গুৰিত চাকি জ্বলায় আৰু সেই তুলসীৰ চাৰিওফালে ল'ৰা ছোৱালীবোৰে আহি গীত গায়। দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ মাজত প্ৰচলিত গীত এনেধৰণৰ ঃ (১) তুলসী তলে তলে মৃগপহু চৰে (২) তাহাক মাৰিব লাগি ৰামে যতন কৰে (৩) তুলসী মৰি গেল, পাতো সৰি গেল (৪) ভকতে গাঁঠিলা মালা (৫) সেই মালা ধাৰি ৰুক্মিণীক পিন্ধালা (৬) যেন সৰগৰে তৰা (৭) ধূলাই লুতুৰ পুতুৰ, হৰি ধূলাই লুতুৰ পুতুৰ (৮) ধূলা ঝাকেৰি কোলাত ল'লে বাপে ঠাকুৰ হৰিবোল'। নহিৰা সত্ৰপাৰাৰ কৈৱৰ্ত অঞ্চলত গীতটো অলপ বেলেগঃ 'অ' তুলসীৰ গৰে গৰে মৃব্গা পহু চৰে/ অ' তাহাক মাৰিবা লেগি ৰামে যতন কৰে/ অ' তুলেসীৰ ফুল হৰি তুলেসীৰ ফুল/ অ' সেই তুলসীৰে ৰাইজে আহি ৰাইজে নাপায় ভুল/ অ' তুলেসীৰ মালা হৰি তুলসীৰ মালা'। কুকুৰীয়া অঞ্চলত চলিত গীতটোত দুটা মান পাৰ্থক্য এনেধৰণৰ ১শাৰী -তুলসীৰ গৰে গৰে, ২ শাৰীৰ পিছত দুটা নতুন শাৰী - ৰামে ৰোৱা তুলসী লক্ষ্মণে ঢালে পানী/ গোবৰ্চন দিয়া মুচে সীতা ঠাকুৰাণী / ৪ শাৰীৰ পিছতো এটা নতুন শাৰী 'ভকতৰ পিছে পিছে কৰে ঘুতুৰ মুতুৰ।' এই অঞ্চলৰ গীতটো ইয়াতে শেষ। বৰ হুদুমপুৰ অঞ্চলৰ গীতটোৰ আৰম্ভণিতে দুটা নতুন শাৰীৰ হ'ল- 'কাৰ ঘৰে ঘৰে লগাই চাকি/ গোঁসাই ফুৰে দিনে ৰাতি/ কাৰ ঘৰে লগাই হৰিব নামে মিত্ৰ /'ৰামপুৰ কৈৱৰ্ত সমাজত প্ৰচলিত গীতটোত ৰুক্মিণীৰ ঠাইত ৰাধিকা আৰু অন্তিমৰ শাৰীটো হ'ল

- 'এ ৰাম জয় হৰি, এল্লু ভতাহ কৰি/' বাজিৰি পাৰাৰ দাস সম্প্ৰদায়ৰ মাজত প্ৰচলিত গীতটোৰ মাজত তিনিটা শাৰী হ'ল ভকাতে গাঁঠিলা মালা/ সেই মালাধাৰৰি ৰাম্ভনীক পিন্ধালা ৰাম্ভনীয়ে সৰগৰ তাৰা/ কলা তুলসীৰ গৰে কলীয়াই এ বুঢ়া গঁহইৰ' /'

নি.শ.

।। দক্ষিণ কামৰূপৰ তোলনি বিয়াৰ লোক বিশ্বাস।।

ছোৱালী পুষ্পিতা হোৱা উৎসৱ দক্ষিণ কামৰূপৰ এটি উল্লেখযোগ্য অনুষ্ঠান। এই অনুষ্ঠানৰ লগত কিছুমান লোক বিশ্বাস জড়িত হৈ আছে। সদ্য পুষ্পিতা ছোৱালীক আছুতীয়া কোঠা এটালৈ লৈ যোৱা হয় আৰু মাটিত ধান খেৰৰ বিচনা এখন পাৰি পূবমূৱাকৈ শুৱলৈ দিয়া হয়। পুষ্পিতা ছোৱালীজনীক পবিত্ৰতা জ্ঞান কৰি তেওঁৰ ওচৰতে নাৰায়ণৰূপী জলৰ ঘট এটা থৈ দিয়া হয়। তিনিডাল বটা ত্ৰিভূজ আকৃতিৰ কৰি তাৰ ওপৰত এগছি মাটিৰ চাকি জ্বলাই দিয়া হয়। এই বটা তিনিডাল ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ স্থিতি হিচাপে বিশ্বাস কৰি ওচৰতে প্ৰতিষ্ঠা কৰি তেওঁলোকক সাক্ষী কৰি নতুন জীৱনক আদৰণি জনোৱা হয়। তাৰ ওচৰতে দোণ এটাত এডোণ ধান আৰু ওচৰত এক আখি কল দিয়া হয়। পুষ্পিতা ছোৱালীজনী যাতে লক্ষ্মীস্বৰূপা হয়, সেই উদ্দেশ্যে লক্ষ্মীক প্ৰতিষ্ঠা কৰা হয় আৰু তাই যাতে ভৱিষ্যতে ফল অৰ্থাৎ সতি সন্ততি লাভ কৰিব পাৰে সেই বিশ্বাসেৰে আখি কল থোৱা হয়। পুষ্পিতা ছোৱালীয়ে সাধাৰণতে পুৰুষৰ মুখ চাব নাপায়। কিয়নো তেওঁ যিজন পুৰুষৰ মুখ দৰ্শন কৰিব, তেওঁৰ আয়ুস টুটে বুলি সকলোৱে গভীৰভাৱে বিশ্বাস কৰে। ছোৱালীজনী পুষ্পিতা হোৱাৰ তিনিদিনৰ দিনা মোমায়েকৰ ঘৰত ছোৱালীজনীৰ নামত আখৈ ভজা হয়। আখৈবোৰ ভাজোঁতে যদি গোটা হয়, তেনেহ'লে ছোৱালীজনীৰ ভৱিষ্যতে ল'ৰা আৰু পাহি মেলা হ'লে ছোৱালী হয় বুলি লোক বিশ্বাস আছে। পুষ্পিতা ছোৱালীজনীক ধুৱাই উঠি প্ৰথম সূৰ্যলৈ চাই প্ৰণাম কৰিবলৈ দিয়া হয় আৰু লাগনি গছ চাবলৈ দিয়া হয়। সূৰ্য সৃষ্টিৰ প্ৰতীক। সেয়েহে তেওঁৰ ফালে স্থিৰ দৃষ্টিৰে চাই তিনিপাক ঘূৰি সেৱা কৰিব লাগে। যদি বেঁকাকৈ চাই সেৱা কৰে, তেনেহ'লে কেঁৰাচকুৱা সন্তান জন্ম পায় বুলি জনবিশ্বাস আছে। নাৰী সমাজে শ্ৰদ্ধাসহকাৰে পালন কৰি অহা এই লোকাচাৰসমূহ আৰু জনবিশ্বাসবোৰ বিজ্ঞানৰ অগ্ৰগতিয়ে কিছু নিষ্প্ৰভ কৰিলেও লুপ্ত হোৱা নাই। এইবোৰে অসমীয়া সংস্কৃতিৰ ভঁড়াল টনকিয়াল কৰিছে।

য. মা

।। দক্ষিণ কামৰূপৰ পেক্ ভাওনা ।।

দক্ষিণ কামৰূপৰ সত্ৰসমূহৰ ভিতৰত ৰাজাপুখুৰী এখন উল্লেখযোগ্য সত্ৰ। ৰাজা পুখুৰীৰ সত্ৰৰ লগত জড়িত উৎসৱ-পৰ্বসমূহৰ ভিতৰত ভাদ মাহৰ কৃষ্ণ জন্মাষ্টমীৰ পিছদিনা নন্দোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা পেক্ ভাওনা (বোকা ভাওনা)

দক্ষিণ কামৰূপত একক আৰু অনন্য। সৰ্বসাধাৰণে এই ভাওনাক পিয়াক নাম বুলিহে জানে। এই ভাওনা নন্দৰ গৃহত পালন কৰা উৎসৱৰ লেখীয়া। বহুদিন সন্তানহীন নন্দ-যশোদাই যেতিয়া দৈৱকীৰ জড়িয়তে শ্ৰীকৃষ্ণক পুত্ৰৰূপে পায় তেতিয়া নন্দ-যশোদাৰ আনন্দৰ সীমা নোহোৱা হ'ল— এয়া শাস্ত্ৰ সম্মত কথা। নন্দ-যশোদাৰ লগতে সমস্ত গোকুলবাসীয়ে শ্ৰীকৃষ্ণৰ জন্মৰ বতৰা পাই আনন্দত আত্মহাৰা হ'ল। লগে লগে হাতত দৈ, মাখন, দুগ্ধৰ পাত্ৰলৈ নন্দৰ ঘৰত উপস্থিত হৈ আনন্দত আত্মহাৰা হৈ নাচিবলৈ ধৰে। ফলস্বৰূপে নন্দালয় আৰু চোতাল দধি-দুগ্ধৰে বোকাময় হৈ পৰে। একে আৰ্হিৰে আজিৰপৰা পাঁচশ বছৰ আগৰেপৰা ৰাজা পুখুৰীৰ ৰাইজে সত্ৰৰ চৌহদত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰিবলৈ লয়। লগে লগে ই লোক উৎসৱৰ ৰূপ ধাৰণ কৰিলে। জন্মাষ্টমীৰ পিছদিনা সত্ৰৰ সন্মুখৰ ঠাইডৰাত হাল বাই পানী ঢালি পুৰুষসকলে বোকা কৰি লয়। উল্লেখযোগ্য যে ভাওনাৰ আগতে নন্দ-যশোদা, কৃষ্ণ-বলোৰামৰ বাবে সুকীয়া বেদী স্থাপন কৰি ৰখা হয়, আৰু সেই বেদীত বহুৱা হয়। শ্ৰীকৃষ্ণৰ গুণ বৰ্ণাই হাল বোৱা মাটিত নাচোঁতে নাচোঁতে সেই ঠাইখিনি বোকাময় হৈ পৰে। (দক্ষিণ কামৰূপত বোকাক পিয়াক, পেক্ বুলি কোৱা হয়।) আৰু তেতিয়াৰ পৰাই সেই নাচে পিয়াক নাম বা পেক্ ভাওনা নাম পায়। ভাওনাত অংশগ্ৰহণ কৰা দহ-বাৰ বছৰীয়া ল'ৰাবোৰে (পিন্ধনত) নতুন গামোচা, মূৰত পাগুৰি, কঁকালত গামোচাৰ বান্ধ আৰু গলত বনমালাৰে সজ্জিত হৈ হাতে হাতে একোডাল জিক্নি/ ঝিক্নি (চেকনি/এচাৰি) লয়। আনহাতে আকৌ বোকাময় ঠাইখিনিৰ আঁতৰত তাল, নাগাৰা, খোল আদি বাদ্য-যন্ত্ৰেৰে সূত্ৰধাৰ, গায়ক, বাদকসকল সাজু হৈ থাকে। ভাওনাৰ প্ৰাক্ মুহূৰ্তত অংশগ্ৰহণকাৰী বালকসকলে শ্ৰীকৃষ্ণ আৰু বলৰামক আগত লৈ নামঘৰৰপৰা ওলাই আহি পাঠকৰ গীত আৰু বাজনাৰ তালে তালে নৃত্যভঙ্গিমাৰে বোকাময় ঠাইৰ চাৰিওফালে তিনিবাৰ প্ৰদক্ষিণ কৰি বোকাময় ঠাইত হাত চাপৰি বজাই বজাই আউলি-বাউলি হৈ নাচিবলৈ ধৰে। ইতিমধ্যে সজাই থোৱা বেদীত নন্দ-যশোদা, কৃষ্ণ-বলোৰাম বহি পৰে। ইয়াত থিয় নাম, বহা নাম, বোকাত লুতুৰি-পুতুৰি হোৱা নাম, দৌৰা নাম আদি বিভিন্ন প্ৰকাৰৰ নাম পৰিবেশন কৰা হয়। নামৰ চেৱে-চেৱে বালকবৃন্দই সুন্দৰ আৰু মন পৰাশা নৃত্য পৰিৱেশন কৰে। নাচৰ মাজে মাজে গীত আৰু বাদ্যযন্ত্ৰৰ অপূৰ্ব লহৰ উঠে। বালকবৃন্দৰ নৃত্য চলি থকা অৱস্থাতে অনেকে বঞ্চিত ফল লাভৰ বাবে কৃষ্ণ বলোৰামৰ চৰণত প্ৰণিপাত জনাই ফল-মূল অৰ্পণ কৰে। এটা সময়ত নৃত্যৰ অন্ত পৰে। বালকবৃন্দই নৃত্য কৰা বোকাত শ্ৰীকৃষ্ণৰ চৰণৰ ধূলি থকা বিশ্বাসতে জনসাধাৰণে সেই বোকাঁৰে ফোট লয়।

ধ. বৃ.

**।। দক্ষিণ কামৰূপৰ সভা ।।**

সভা অসমীয়া লোকউৎসৱসমূহৰ ভিতৰত এটা অন্যতম উল্লেখযোগ্য মহোৎসৱ। ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে এই সভা মহোৎসৱ পালন কৰা গ'লেও ইয়াৰ যোগেদি অসমীয়া সমাজৰ সততা, সদ্ভাৱ, নম্রতা, সংহতি আদি মানৱীয় গুণবোৰৰ বৰ্হিপ্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়। অসমৰ বিভিন্ন অঞ্চলত সভাৰ আয়োজন কৰা হয় যদিও নামনি অসমৰ কামৰূপৰ সভা এই ক্ষেত্ৰত উল্লেখযোগ্য। কামৰূপৰ সভা সাধাৰণতে দুদিনীয়াকৈ পালন কৰে যদিও কোনো কোনো অঞ্চলত বিশেষভাৱে তিনি চাৰিদিনীয়াকৈও উদ্‌যাপন কৰা হয়। সভাৰ প্ৰথম দিনটোক গণ বা গন্ধ বা গোন্ধ বুলি কোৱা হয়। নাম-কীৰ্তন কৰি, ঢোল খোল, তাল, শংখ আদি বজাই ৰাইজক সভাৰ বিষয়ে গোন্ধ দিয়াৰ হেতু সেই দিনটোক গোন্ধ বা গণ বুলি কোৱা হয়। গণৰ দিনা গধূলি মন্দিৰৰ মণিকূটত থকা বিগ্ৰহ বাহিৰলৈ উলিয়াই আনি নাম-কীৰ্তন কৰি ঢোল-খোল, তাল, বৰকাঁহ, শংখ, ঘণ্টা আদি বজাই সভাস্থলীৰ চৌপাশে তিনি বা পাঁচ পাক ঘূৰাই সেই বিগ্ৰহ সভাখোলাত স্থাপন কৰে। এই বিগ্ৰহ উলিওৱা কাৰ্যক গোসাঁই উলিওৱা বুলি কোৱা হয়। কিছুমান সভাত গাঁৱৰ ভিন্ন খেল বা অইন গাঁৱৰপৰাও বিগ্ৰহবোৰ সভাস্থলীলৈ অনা হয়। আয়তী আৰু ধৰ্মীয় ভক্তসকলে তেল-চাকি, ধূপ-ধুনা আদি জ্বলাই সভাখোলাখন আলোকিত কৰি তোলে। ৰাতি নিমন্ত্ৰিত ব্যক্তি তথা ৰাইজক সিধা প্ৰদান কৰে। সেইদিনা গধূলিৰপৰা ৰাইজে নাম-কীৰ্তন কৰে আৰু ঢুলীয়া দলবোৰে বিভিন্ন চং বা ভাইৰামী প্ৰদৰ্শন কৰে। নিশা যাত্ৰা পাৰ্টি য়ে নাট আৰম্ভ কৰি পিছৰদিনা বেলি উঠালৈকে নাট প্ৰদৰ্শন কৰে।

সভাৰ দ্বিতীয়দিনা ভক্তপ্ৰাণ ৰাইজ উপবাসে থাকে। আয়তী আৰু ভকতসকলে হৰিনাম কীৰ্তন কৰে। দুপৰীয়া মহা প্ৰভু শ্ৰীশ্ৰী বিষ্ণুৰ উদ্দেশ্যে হোম যজ্ঞৰ আয়োজন কৰা হয়। হোম বা ধৰ্মীয় কাৰ্য চলি থকা সময়তে সভাস্থলীত ঢুলীয়া, ওজাপালি, নাগাৰা নাম, পুতলা নাচ আদি চলি থাকে। হোম আৰু নাম-কীৰ্তনৰ শেষত পুৰোহিতে শান্তি জল আৰু চাউল ছটিয়াই ফোঁট, নিৰ্মালি দি ৰাইজক আশীৰ্বাদ কৰি হৰিধ্বনি দি হোম তথা সভাৰ কাৰ্য সমাপন কৰে। সভাৰ কেইদিন সভাস্থলীৰ ওচৰে পাঁজৰে অস্থায়ীভাৱে বহা বিভিন্ন ধৰণৰ দোকান-পোহাৰে সভাস্থলী ৰঙীন আৰু আনন্দময় কৰি তোলে।

কি.ক.

**।। দক্ষিণ কামৰূপৰ সুঁৱৰি উৎসৱত মালাদিয়া প্ৰথা।।**

দক্ষিণ কামৰূপৰ এখন আগশাৰীৰ লেখত ল'বলগীয়া গাঁও হ'ল খাটিয়ামাৰী। গুৰু দামোদৰ দেৱৰ সত্ৰ থকা বাবে ব'হাগ মাহত দামোদৰ দেৱৰ তিথিৰ দিনাখন এই গাঁৱৰ মাজ মজিয়াত অৱস্থিত মাহতলিৰ পথাৰত সুঁৱৰি উৎসৱ অনুষ্ঠিত হয়। সেয়ে স্থানীয় ৰাইজে দামোদৰ দেৱৰ তিথি উদ্‌যাপন কৰা বুলি কয়; মাহতলিৰ পথাৰত হয়

বাবে মাহতলিৰ সৰি বুলিও কয় আৰু দক্ষিণ কামৰূপত প্ৰচলিত ইয়াৰ আন এটি নাম হ'ল মালাদিয়া সৰি। এই সুঁৱৰি উৎসৱত শ্ৰাদ্ধ আদি শেষ হোৱাৰ পিছত গোসাঁই উৎসৱ স্থলীত আনি ৰখা হয় আৰু দধিমন্থন আদি অনুষ্ঠিত কৰে। যদি কোনোৰা ডেকা-গাভৰুৰ মনৰ মিল হয় তেনেহ'লে এই সুঁৱৰি উৎসৱ স্থলীলৈ আহি গোসাঁইৰ সন্মুখত সেৱা লৈ দুয়ো দুয়োকো মালা পিন্ধাই বিয়া হয়। এনেদৰে হোৱা বিয়া অৱশ্যে সমাজে মানি আহিছে। কিছুমান পৰিস্থিতিয়ে এনেকুৱা ব্যৱস্থা ল'বলৈ বাধ্য কৰাও দেখা যায়। জাত-পাতৰ অমিল, দুয়োখন ঘৰৰ মাজত থকা মতানৈক্য নাইবা কোনোবাজনৰ অভিভাৱক বিয়াৰ বাবে হোৱা অসন্মত আদি পৰিস্থিতিত মনৰ মিল হোৱা ডেকা-গাভৰুক এইদৰে মালাদিয়া ব্যৱস্থাই সহায় কৰা দেখা যায়। দক্ষিণ কামৰূপৰ মালাদিয়া প্ৰথা খটিয়ামাৰীৰ উপৰি ৰামপুৰৰ ম'হখলি, আমত'লা, গোসাঁইহাট আদি বিভিন্ন ঠাইত প্ৰচলন আছিল যদিও বৰ্তমানৰ শিথিল সমাজ ব্যৱস্থা আৰু আইনৰ সুৰক্ষাৰ বাবে এই প্ৰথা বৰ্তমানে বিকল হৈ পৰিছে। বিবৰ্তনৰ বাবেই এইলেখীয়া (ভাল হওক বা বেয়া হওক) প্ৰথা কিছুমান লুপ্ত হৈ পৰিল।

নি. শ.

**।। দক্ষিণপাট সত্ৰৰ ৰাস ।।**

সত্ৰ নগৰী মাজুলীত এতিয়াও প্ৰায় দুকুৰিৰ অলপ কম-বেচি সত্ৰ আছে। সেই সত্ৰসমূহত উদ্‌যাপিত হয় ৰাস উৎসৱ। সত্ৰৰ উপৰি মাজুলীৰ আন অনুষ্ঠান- প্ৰতিষ্ঠানতো ৰাস পাতে যদিও দক্ষিণ পাট সত্ৰৰ ৰাসৰ মৰ্যাদা সুকীয়া। ইয়াত তিনিদিনীয়া কাৰ্যসূচীৰে ভগৱান কৃষ্ণৰ ৰাস মহোৎসৱ মহা সমাৰোহেৰে উদ্‌যাপিত হোৱাটো মন কৰিবলগীয়া। আলোচিত সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰী বাসুদেৱ গোস্বামী প্ৰভুৱে ভগৱন্ত পুৰুষৰ আজ্ঞা পাই ১৭৬২ শকত শ্ৰীকৃষ্ণৰ জন্ম লগ্নৰে পৰা অৰিষ্টাসুৰ বধ পৰ্যন্ত ঘটনাৱলী বৰ্ণাই নৃত্য গীত সম্বলিত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস অভিনয় শীৰ্ষক নাট এখনি ৰচি ৰাস উৎসৱৰ পাতনি তৰে। তিনিদিনীয়া উৎসৱৰ প্ৰথম দিনা অধিবাস, দ্বিতীয় দিনা মহাৰাস আৰু তৃতীয় দিনা পালিত হয় ইন্দ্ৰাভিষেক। প্ৰথম দিনা মণিকূটৰ সমুখত কলপুলি ৰুই তাত চন্দ্ৰতাপ, আমপাত, ফুলৰমালা প্ৰভৃতি চালে চকু ৰোৱাকৈ এটি ৰাসমণ্ডপ সাজে। তাৰ চাৰিওফালে চাৰিখন দুৱাৰত দুজনাকৈ দ্বাৰপাল আৰু এটিকৈ গৰুড়ৰ মূৰ্তি স্থাপন কৰাটো উল্লেখযোগ্য। মণ্ডপৰ ভিতৰত সুসজ্জিত আসনত প্ৰভু শ্ৰীশ্ৰী বৃন্দাবন চন্দ্ৰ বিগ্ৰহ স্থাপন কৰাৰ উপৰি ৰাধা, ললিতা, কান্তা আদি মূৰ্তি থাপি পূজাৰ ব্যৱস্থা কৰা হয়। সন্ধিয়াপৰত মহাপ্ৰভু বৃন্দাবন চন্দ্ৰক সত্ৰৰ কৰাপাটৰ বাহিৰত এপাক ফুৰাই পুনৰ্বাৰ মন্দিৰলৈ আনি অধিবাসৰ পূজা আৰম্ভ কৰে।

মহাৰাসৰ দিনাখন মহাপ্ৰভু বৃন্দাবন চন্দ্ৰক মন্দিৰৰপৰা উলিয়াই ৰাস পূজা মণ্ডপলৈ

আনি পূজা আৰম্ভ কৰে। দোভাগ নিশালৈ চলে হোম আৰু পূজা ভাগ। নিশা আঠমান বজাৰেপৰা আৰম্ভ হয় ৰাসলীলাৰ চালে চকুৰোৱা অভিনয়। খোল নৃত্যৰে আৰম্ভ কৰা নাটখনিৰ অভিনয় অৰিষ্টাসুৰ বধত সমাপ্ত হয়। অৱশেষত থাকে সামৰণি গীত। দক্ষিণ পাট সত্ৰৰ তৃতীয় দিনটোত উদ্‌যাপিত হয় ইন্দ্ৰাভিষেক। ভগৱান শ্ৰীকৃষ্ণক ইন্দ্ৰ পদত অভিষিক্ত কৰাটোৱে নামকৰণৰ তাৎপৰ্য। পুৱাৰ বেলাতে বৃন্দাবন পূজা মণ্ডপত বৃন্দাবন চন্দ্ৰৰ পূজাৰ উপৰি সুৰভি ইন্দ্ৰ-ঐৰাৱত আদিৰো পূজা চলে। পূজাৰ অন্তত শ্ৰীদাম, সুদাম আৰু অপ্সৰাৰ চৰিত্ৰত অভিনয় কৰা ভাৱৰীয়া সকলে নৃত্য-গীত পৰিৱেশন কৰে। বিয়লি বেলা শংখ, কাঁহ, ডবা-খেল প্ৰভৃতি বাদ্যধ্বনিৰে বৃন্দাবন চন্দ্ৰৰ বাহিৰলৈ উলিয়াই কিছু ঠাই ফুৰাই নামঘৰলৈ ঘূৰাই আনি তাৰ টুপৰ ভিতৰত ৰখাৰ পিছত ৰাধা-শ্ৰীদাম-সংবাদ শীৰ্ষক এটি সংক্ষিপ্ত অভিনয় আৰম্ভ হয়। তাৰ পিছত মহাপ্ৰভুক মণিকূটলৈ নি সন্ধ্যা আৰতিৰে তিনিদিনীয়া ৰাসোৎসৱৰ সফল সামৰণি মাৰে। দেশ বিদেশৰ অগণন দৰ্শকৰ আগমনে দক্ষিণ পাট সত্ৰৰ ৰাসক দেশীয় ঐক্য-সংহতি তথা সমন্বয়ত এক নতুন মাত্ৰা প্ৰদান কৰিছে। না.দা.

**।।দাদাৰীয়া।।**

অসমৰ বৃহত্তম চাহ জনগোষ্ঠীৰ সমাজৰ এক অবিচ্ছেদ্য অংগ গোঁড় সম্প্ৰদায়। তাহাঁনিৰ মধ্যপ্ৰদেশ তথা বৰ্তমানৰ ছত্তীশগড়ৰপৰা বৃত্তিগত কাৰণত অসমলৈ অহা ছত্তীশগড় গোঁড়সকলৰ চহা-জীৱনৰ হৰ্ষ-বিষাদ, প্ৰেম-অভিমান, আশা-আকাংক্ষাৰ মূৰ্ত প্ৰকাশ ঘটা একশ্ৰেণীৰ আকৰ্ষণীয় গীত দাদাৰীয়া। বৰ্ষা ঋতুত প্ৰকৃতিৰ বুকুলৈ যৌৱন নামে। গছ, বন, নৈ, জান-জুৰি এনেকি বসুমতী চঞ্চলা হৈ পৰা এনে উদুলি-মুদুলি পৰিৱেশত কৃষিজীৱী গোঁড়সকল খেতি-পথাৰত ব্যস্ত হৈ পৰে। কৰ্মব্যস্তময় জীৱনৰ অৱসাদ দূৰ কৰিবলৈ অথবা প্ৰেম ভালপোৱাৰ মানৱীয় শাশ্বত উপলব্ধিৰে এখন সুখৰ ঘৰ-সংসাৰ পতাৰ বাসনাৰ পটভূমিতেই জন্ম ছত্তীশগড় গোঁড়সকলৰ এই দাদাৰীয়া গীত সমূহ। প্ৰেম-প্ৰণয়, আশা-আকাংক্ষা, মান-অভিমান, হতাশা-দুৰ্দশা, আৱেগ-অন্তৰ্দ্বন্দ্ব আদি মানৱীয় অনুভূতিসমূহৰ বিচিত্ৰ প্ৰকাশ ঘটা দাদাৰীয়া গীতসমূহ গোঁড় লোক-মানস আৰু পাৰিবাৰিক সামাজিক জীৱনৰ স্পষ্ট পৰিচায়ক। ইবোৰত গোঁড় ডেকাই গাভৰুৰ মন বুজিবলৈ সৈমান কৰাব নোৱাৰা, ব্যথা, গোঁড় গাভৰুৰ দেহ-সৌষ্ঠৱ উপভোগৰ আকাংক্ষা, ডেকা-গাভৰুৰ মিলনত অভিভাৱক, বৰমূৰীয়াসকলৰ বাধা, গাভৰুৰ সুন্দৰ ডেকাৰ মন পোৱাৰ হাবিলাষ আদি বিচিত্ৰ মন প্ৰকৃতিৰ উমান পোৱা যায়। তদুপৰি ইয়াত বিভিন্ন নৈসৰ্গিক চিত্ৰৰ লগতে ইবোৰৰ মাজেৰে গোঁড় লোকমনৰ প্ৰতীকি ব্যঞ্জনাও মন কৰিবলগীয়া।

বি. ভূ. ব.

**।। দায়দি (কাঁহ বাদ্য) ।।**

ৰাভাসকলৰ ঘন বাদ্য। এই বাদ্য কাঁহ পিতলৰ ধাতুৰ দ্বাৰা নিৰ্মান কৰি লোৱা হয়। ইয়াৰ ব্যাস সাধাৰণত ঃ ৬ ইঞ্চি বা ৯ ইঞ্চি। এই বাদ্য বিয়া বা পূজাৰ সময়ত বজোৱাৰ উপৰি যি কোনো জাতীয় নৃত্য-গীতৰ তালে তালে বজোৱা হয়।

উ.ৰা.হা.

**।। দাহৰি ৰাভাসকলৰ তৰঙাৰ গীত ।।**

দাহৰি ৰাভাসকল পুনৰ্জন্ম বিশ্বাসী। সেয়েহে তৰঙাৰ (আদ্যশ্ৰাদ্ধ) দিনা মৃতকৰ আত্মাক সম্বোধন কৰি জ্ঞাতি-কুটুম্বসকলে সমস্বৰে গায়-

অ' বাবাৰে ক'ত গেলিৰে আমাক এৰিয়া বাবা / ক'ত গেলিৰে আমাক ছাৰিয়া বাবা / নিজৰ হাতে ভাজিলং ভাজিলং বাবা /খাইয়া যা খাইয়া যা বাবা—/ অ' বাবাৰে বাগে হইয়া নলবি নলবি জনম /ঝাপ পাৰেয়া মাৰিব মাৰিব তোক/ ছুৱাৰ হইয়া নলবি নলবি জনম /জাল পাৰেয়া মাৰিব মাৰিব তোক/

মানুহ জন্ম নাপাই অন্য জন্ম পালেও তেওঁলোকে কামনা কৰে সাক্ষাত পৰিচয় আৰু যোগসূত্ৰ—

গুগু হইয়া দিবিৰে মোকে দেখা /ছাৰুক হইয়া কবিৰে মোকে কাথা।

তৰেমুচি হইয়াৰে খুজিবি খুজিবি পানী /বাটি ভৰাইয়া দিমৰে তোক আনি।

উ.ৰা.হা.

**।। দিন ভাওনা ।।**

দিনত অনুষ্ঠিত কৰা অংকৰ ভাওনাই দিন ভাওনা। দক্ষিণ কামৰূপৰ স'ৰি উৎসৱত অনুষ্ঠিত দধি মথন ভাওনাক দিন ভাওনা বুলিব পাৰি। মাধৱদেৱৰ ঝুমুৰা আৰু নন্দোৎসৱ জাতীয় ক্ষুদ্ৰাৱয়ৱৰ নাটবোৰ বিভিন্ন উপলক্ষ্যত বিভিন্ন সত্ৰত দিনৰ ভাটিবেলা অনুষ্ঠিত কৰি সন্ধ্যাৰ লগে লগে শেষ কৰা ৰীতি অদ্যাপি প্ৰচলিত। এয়ে দিন ভাওনা। এই ভাওনাৰ যোৱা বিয়লিৰ ভাগতে ধৰা হয় আৰু সামৰণী ঘেতাখনো বজোৱা নহয়। গুৰু দুজনাৰ তিথি উপলক্ষে দিন ভাওনা আৰু বৰ ভাওনা কৰা প্ৰথা এটা কালত উজনি-নামনিৰ প্ৰায়বোৰ সত্ৰতে প্ৰচলিত আছিল। বৰদোৱা-নৰোৱা থুলৰ বালিসত্ৰৰ দিন ভাওনাৰ চোক হ'ল নখন। এই ভাওনাত ছোঁ-ধেমালি আৰু ন-ধেমালি বজায় যদিও বৰধেমালি আৰু ঘোষা-ধেমালি বজোৱা নহয়। সময়ৰ অভাৱে হয়তো ইয়াৰ বাবে দায়ী।

না. দা.

**।। দীপান্বিতা ।।**

দীপদানৰ উৎসৱেই দীপান্বিতা। এন্ধাৰৰপৰা পোহৰলৈ উত্তৰণৰ প্ৰযত্ন মানৱ মনৰ সনাতন প্ৰবৃত্তি। এনে প্ৰবৃত্তিৰ বশৱৰ্তী হৈয়ে এদিন সত্য দ্ৰষ্টা ঋষিয়ে উদাত্ত

কণ্ঠেৰে গাইছিল - 'অসতো মা সদ্‌গময়, তমসো মা জ্যোতিমৰ্গময়, মৃতোৰ্মাহমৃতং গময়' (বৃহদাৰণ্যক উপনিষদ)। ভাৰতৰ হিন্দু, বৌদ্ধ, জৈন সম্প্ৰদায়ৰ মাজত ব্যাপকভাৱে যুগে যুগে এই উৎসৱৰ গইনা লৈ বিধে বিধে জনশ্ৰুতিয়ে গা কৰি উঠাটো মন কৰিবলগীয়া। দীপান্বিতাৰ পূৰ্ববৰ্তী দিনটো ভূত-চতুৰ্দশী বা নৰক চতুদশী ৰূপে জনা যায়। এই দিনা সন্ধিয়াবেলা হিন্দুসকলে বন্তি জ্বলায়। এয়া হেনো শ্ৰীকৃষ্ণৰ দ্বাৰা নৰকাসুৰ নিধনৰ স্মৃতি চাৰণা। বৌদ্ধসকলে এই সময়ত ভগৱান বুদ্ধৰ দেহত্যাগৰ উপৰি তেওঁৰ শিষ্য মহামোগ্‌গল্যাণৰ পৰিনিৰ্বাণ উপলক্ষে উৎসৱৰ আয়োজন কৰে। জৈন-তীৰ্থংকৰ মহাবীৰৰ আহিন কৃষ্ণা চতুৰ্দশীৰ ঘনঘোৰ ৰজনী পৰিনিৰ্বাণ প্ৰাপ্তি ঘটিছিল। জৈনসকলে সেইবাবে এই সময়ত চাৰিদিনীয়া উৎসৱৰ আয়োজন কৰে। মহাৰাষ্ট্ৰৰ ব্যাপক অঞ্চলত এই তিথিত অলক্ষ্মীক বিদায় দি লক্ষ্মীক স্বাগত জনায়। কাৰো মতে, মহালক্ষ্মীৰেই উগ্ৰৰূপ মহাকালী। সেইবাবে দীপান্বিতাৰ নিশা কালীৰো পূজা-অৰ্চনা চলে। শাক্তসকলে এই নিশাটিক কালৰাত্ৰি জ্ঞান কৰি শ্মশানলৈ গৈ বিভিন্ন সাধনা কৰা দেখা যায়।

খুব সম্ভৱ কামসূত্ৰতেই দীপান্বিতা উৎসৱৰ প্ৰাচীনতম উল্লেখ সংৰক্ষিত হৈছে। যক্ষৰাত্ৰি আখ্যা দিয়া এই উৎসৱটি পুৰণি কালত উদ্‌যাপিত হৈছিল - কাতিমাহৰ অমাৱস্যা তিথিত। আগৰ দিনত যক্ষৰাত্ৰি, কৌমুদী জাগৰ আৰু শুবসন্তক - এই তিনিটা উৎসৱক মহাযানী অৰ্থাৎ সাৰ্বজনীন আখ্যা দিয়াটো তাৎপৰ্যপূৰ্ণ। দীপাৱালীৰ দ্বিতীয় উল্লিখন পোৱা যায় - হৰ্ষৰ নাগানন্দ নাটৰ চতুৰ্থ অংকত। 'দীপ প্ৰতিপাদ্য উৎসৱ' আখ্যা দিয়া এই উৎসৱত দৰা-কন্যাক নৱবস্ত্ৰ উপহাৰ দিয়াটো উল্লেখযোগ্য। কাশ্মীৰত ৰচিত নীলমৎ পুৰাণত 'কাৰ্তিক অময়াম্ দীপমালা বৰ্ণনম্' অধ্যায়ত দীপাৱলীৰ সবিশেষ আছে। অনুৰূপ বৰ্ণনা পোৱা যায় সোমদেৱৰ দ্বাৰা ৰচিত যশস্তিলক চম্পুত। মাৰাঠী টীকাকাৰ শ্ৰীপতিৰ জ্যোতিষ ৰত্নমালা, আল-বেৰুণীৰ তাকিক্-ই-হিন্দ, হেমচন্দ্ৰৰ দেশীৰত্নমালা, আব্দুল ৰহমানৰ সন্দেশ ৰাসক, মেৰুতুংগৰ প্ৰবন্ধ চিন্তামণি, পঞ্চদশ শতাব্দীৰ অজ্ঞাত কবি ৰচিত আকাশ ভৈৰৱ-কল্প, আব্দুল ফজলৰ আইন-ই আকবৰী প্ৰভৃতি গ্ৰন্থতো দীপান্বিতাৰ জীৱন্ত চিত্ৰ সংৰক্ষিত হৈছে। হিন্দী সাহিত্যত দীপান্বিতাৰ বৰ্ণনা ভালেখিনি। এনে এটি ঐতিহ্য সম্পন্ন সৰ্বভাৰতীয় উৎসৱ জাক-জমকেৰে অসমতো পালন কৰা হয়।

না. দা.

।। দুণৰি ।।

দুণৰি শব্দটো সংস্কৃত দ্ৰোণি শব্দৰপৰা অহা; ইয়াৰ অৰ্থ পাচি বা খৰাহি। হেমকোষত আছে - 'বিয়াত পানী তুলিবলৈ যাওঁতে চাউল আৰু তামোল-পাণ ভৰাই এটা চাকি জ্বলাই লৈ যোৱা এটা দোণ বা খৰাহি।' দোণ বা খৰাহিক 'দুণৰি' ৰূপে ব্যৱহাৰ কৰিব পাৰি যদিও ধাতু, মাটি অথবা বেতেৰে সজা এক বিশেষ ধৰণৰ পাত্ৰকহে দুণৰি আখ্যা

দিয়া হয়। ধাতু অথবা মাটিৰ দুণৰিৰ ভাগ দুটা - তলৰ ভাগ আৰু ওপৰৰ ভাগ। ওপৰৰ ভাগটো শৰাইৰ ওপৰ ভাগৰ দৰে। তাত মাথোন ফুটা থাকে আৰু ওপৰত ফুল পাত খোদাই কৰা থাকে। তলৰ ভাগটো ঠগা দিয়া বাটিৰ দৰে। বেতৰ দুণৰিত সাধাৰণতে সাঁফৰ নাথাকে। উজনি অসমৰ বিয়াত দুণৰিৰ স্থান বিশিষ্ট। দুণৰিৰ ভিতৰত আৰৈ চাউল আৰু এযোৰ তামোল-পাণৰ উপৰি খতুৰা আৰু বস্তি এগছি জ্বলাই লৈ মাংগলিক কৰ্ম সম্পাদন কৰা হয়। বিয়াত জোৰণৰ দিনাই দুণৰি-ঘট সজোৱা কাম সম্পূৰ্ণ কৰা প্ৰয়োজন। জোৰণৰ দিনা পানী তুলিবলৈ যাওঁতে যাৱতীয় দ্ৰব্য সম্ভাৰেৰে পৰিপূৰ্ণ দুণৰিটো সৰু ছোৱালী এজনীয়ে লৈ যায়। পানী তুলি লৈ অহাৰ পিছত বেইত কইনাক দৰাঘৰে দি যোৱা মাহ-হালধি বটাৰে গা-ধুৱাই কন্যাৰ মাকে দুণৰিৰপৰা তিনিবাৰ আৰৈ চাউল চটিয়াই দিয়াৰ লগতে চাকিসাৰো দিয়ে। বিয়াৰ দিনাখন প্ৰত্যেকবাৰ পানী তুলিবলৈ যাওঁতে পানী ঘট লৈ দুণৰি কঢ়িয়াই নিব লাগে আৰু দৰা-কইনাৰ গা-ধুৱাই মাকে দুণৰিৰপৰা চাউল আনি দৰা-কইনাৰ মূৰত ছটিয়াই দি দুণৰিত জ্বলি থকা চাকিৰো তাপ দৰা কইনাক দিয়াটো আৱশ্যকীয় কথা। দৰা আদৰাৰ কালত পাণ-তামোল, দৈয়নৰ বাটি, সহস্ৰ বাতিৰ থাল, বিচনী প্ৰভৃতিৰ লগতে আৰৈ চাউলৰে পৰিপূৰ্ণ দুণৰিটোও কল পুলিযোৰৰ ওচৰলৈ নি তাৰ চাউল দৰাৰ মূৰত ছটিয়াই দিয়াটো অপৰিহাৰ্য। বিয়া হৈ যোৱাৰ তিনি দিনৰ দিনা আইসকলে দুণৰি ভঙা উৎসৱ পাতে আৰু তাত থকা চাউলখিনি দুখীয়া-মগনিয়ালৈ আগবঢ়ায়।

বিয়াৰ দৰে ব্ৰাহ্মণসকলৰ অন্নপ্ৰাসন, চূড়াকৰণ, উপনয়ন প্ৰভৃতি মাংগলিক কৃত্য অনুষ্ঠানৰ কালত দুণৰি নহ'লেই নহয়। ৰাজহুৱা মনসা পূজা, কালীপূজা, বিষ্ণুপূজা আদিতো কোনো গৃহস্থৰ ভঁৰালঘৰৰপৰা দুণৰি ঢোল-খোল, তাল-বাদ্য বজাই শোভাযাত্ৰা কৰি আদৰি নি পূজামণ্ডপত স্থাপন কৰে। পূজাৰ শেষত সেই দুণৰি দুনাই পূৰ্বৰদৰে গৃহস্থৰ ঘৰত সসম্মানে থৈ যোৱা আৱশ্যক। এনেদৰে দেখা যায় যে অসমীয়া সংস্কৃতিত দুণৰিয়ে এখনি অপৰিহাৰ্য আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। শিল্পী যুগল দাসৰ ভাষাত, 'বটা-শৰাইৰে যিদৰে ঘৰ সজাব পাৰি, দুণৰিৰেও ঘৰ সজাব পাৰি।'

না .দা.

।। দুন্দুভি ।।

পুৰণি ভাৰতীয় আনদ্ধ বাদ্যৰ ভিতৰত দুন্দুভি প্ৰখ্যাত। বৈদিক অনুষ্ঠানসমূহত দুন্দুভিক প্ৰাধান্য দিয়াটো তাৎপৰ্যপূৰ্ণ। অথৰ্ববেদত এই বাদ্যক উদ্দেশ্যি এটা স্তৱ ৰচনা কৰাটোও মন কৰিবলগীয়া। হৰিণৰ ছালেৰে আবৃত দুন্দুভিৰ ধ্বনিৰে দেৱতাসকলে শত্ৰুৰ অন্তৰত ত্ৰাসৰ সঞ্চাৰ কৰি সিহঁতক পৰাজিত কৰিবলৈ সমৰ্থ হৈছিল। যুদ্ধৰ উপৰি শান্তি আৰু উৎসৱাদিৰ কালতো ইয়াক ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায়। ৰথ

চালন প্ৰতিযোগিতাত ৰথীসকলক উৎসাহিত কৰিবলৈ দুন্দুভিৰ ব্যৱহাৰ উল্লেখযোগ্য। বাজপেয় যজ্ঞত একেলগে সোতৰটা দুন্দুভি যজ্ঞথলীৰ চৌদিশে বজোৱাৰ ৰীতি আছিল। দুন্দুভি বাদকৰ লগতে বাঁহী, তাল প্ৰভৃতি লোকসকলক পৱিত্ৰ জ্ঞান কৰি মকৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত মহাব্ৰতত সেইসকলক আহুতি দিয়া বুলি এটা মত আছে যদিও সেই মত আজি অসত্য বুলি দেশী-বিদেশী পণ্ডিতমণ্ডলীয়ে একমুখে মন্তব্য দিছে। ভৰতৰ নাট্যশাস্ত্ৰৰ তেত্ৰিশ অধ্যায়ত আছে ঃ স্বাতি মুনিয়ে দেৱবাদ্য মুৰজ দেখি তাৰ অনুকৰণত মুৰজ বাদ্য নিৰ্মাণ কৰে। বাদ্যটি দেখাত অৰ্ধ গোলকাৰ। সংগীত ৰত্নাকৰৰ মতে আম কাঠেৰে নিৰ্মিত এই বাদ্যৰ ভিতৰটো কাঁহৰ পাতেৰে মোৰা আৰু মুখভাগ চামৰাৰে আচ্ছাদিত। চামৰাৰে সজা কঠিন লাঠি অথবা পছুৰ শিঙেৰে এই বিধ বাদ্য বজোৱাৰ কথা সংগীত শাস্ত্ৰত উল্লেখিত হৈছে। পুৰণি অসমীয়া সাহিত্যত দুন্দুভিৰ সঘন প্ৰয়োগ পোৱা যায়। দুটামান উদাহৰণ— (ক) দুন্দুভি মৃদংগ দাম বাজে ঢাক ঢোল (মাধৱ কন্দলি- ৰামায়ণ লংকাকাণ্ড), (খ) দুম দুম দুন্দুভি ঢোলে (মাধৱদেৱৰ বৰগীত), (গ) শংখ, ঘণ্টা কৰতাল দুন্দুভি বজাৱে ভাল (সুৰ্যখড়ি দৈৱজ্ঞ)।

না. দা.

।। দুৰ্গা পূজাৰ কৃষিৰ অৰ্চনা ।।

আহিন মাহত মহাপয়োভৰেৰে উদযাপিত দুৰ্গা পূজা প্ৰকৃতপক্ষে শস্যৰ পূজা। দেৱী দুৰ্গাৰ এটি নাম অম্বিকা। তৈত্তিৰীয় ব্ৰাহ্মণত অম্বিকাক শৰৎ আখ্যা দিয়াটো তাৎপৰ্যপূৰ্ণ। শৰৎ কাল শস্য সম্ভৱৰ কাল। শাৰদীয় দেৱীক ষষ্ঠীত বোধন কৰা হয় - বিল্বশাখাত। ইয়াৰ পিছত দেৱীৰ স্নান, প্ৰতিষ্ঠা, পূজা সম্পন্ন হয় নৱপত্ৰিকাত। এডাল কলগছত ডালিম, ধান, হালধি, মানকচু, কচু, বেল, অশোক আৰু জয়ন্তী গছ একেলগে অপৰাজিতাৰে বান্ধি থোৱাই হ'ল - নৱপত্ৰিকা। নৱপত্ৰিকাৰ দেৱীসকল হ'ল - ৰম্ভাৰ ব্ৰাহ্মণী, কচুৰ কালিকা, হৰিদ্ৰাৰ দুৰ্গা, জয়ন্তীৰ কাৰ্তিকা, বেলৰ শিৱা, ডালিমৰ ৰক্তদন্তিকা, অশোকৰ শোকৰহিতা, মানকচুৰ চামুণ্ডা আৰু ধানৰ লক্ষ্মী। উপৰ্যুক্ত নৱপত্ৰিকাৰ ঔষধি গুণ আয়ুৰ্বেদত বিবৃত হৈছে। দেৱী দুৰ্গাই জীৱনৰ দুখ হৰণ কৰাৰ দৰে নৱপত্ৰিকাৰ সেৱনেও মানৱক ৰোগমুক্ত কৰিবলৈ সমৰ্থ।

মাৰ্কণ্ডেয় চণ্ডীত দুৰ্গম নামক অসুৰ নিধন কৰি দুৰ্গা নাম লোৱাৰ পূৰ্বে জগজ্জননীয়ে উদ্ভিদক ধাৰণ কৰি শাকম্ভৰী ৰূপে খ্যাত হোৱাৰ কাহিনী বিবৃত হৈছে।

শাক দহবিধ। দেৱীৰ ঘটস্থাপন কৰা হয় - যন্ত্ৰৰ ওপৰত। মাতৃকা যন্ত্ৰৰ চাৰিওফালে লতাৰ অলংকৰণ। তাৰ ওপৰত নৱপল্লৱযুক্ত ঘট। দেৱী পূজাত দিয়া কুঁহিয়াৰ আৰু কোমোৰা বলিৰ দ্বাৰা হয় শস্যৰ সমৃদ্ধি। দুৰ্গা দেৱীৰ অৰ্চনাৰ 'মৈথুন তত্ত্ব'ত অৰ্ঘ

সম্পাদন কৰা হয় - 'যোনীসূচক অপৰাজিতা ফুলৰ বুকুত ৰঙা চন্দন ঢালি লিংগসূচক কৰবীফুলৰ স্থাপনাৰে।' গতিকে শাৰদীয় দেৱীৰ পূজা অৰ্চনা যে কৃষি উৎসৱৰ প্ৰতীকী ৰূপ মাত্ৰ, তাত অকণো সন্দেহ নাই।

না .দা.

**।। দেওধা ।।**

অসমৰ শক্তিপূজাৰ অনুষংগ হৈছে দেওধা। তাম্ৰেশ্বৰী অথবা কেঁচাইখাইতী, কামাখ্যা, মনসা আদি দেৱী পূজাত দেওধাসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই পূজা প্ৰসংগত দেওধাসকলৰ নৃত্য আৰু ভৱিষ্যতবাণী অপৰিহাৰ্য। পূজা প্ৰসংগত নৃত্যৰত অৱস্থাত দেওধাসকলে অলৌকিক শক্তিৰ অধিকাৰী হয় বুলি ভবা হয়। সেই সময়ত তেওঁলোকে হাঁহ-পাৰ আদিৰ ডিঙি মুচৰি তেজপান কৰে। কোনো কোনো দেওধাই আকৌ তীক্ষ্ণ দা অথবা জ্বলন্ত অগ্নিৰ মাজতো নৃত্য কৰে। বিশেষকৈ কামাখ্যাৰ মনসা পূজাত দেওধাসকলে সুতীক্ষ্ণ দাৰ ওপৰত কৰা নৃত্য উল্লেখযোগ্য। দেওধনীৰ দৰে এই দেওধাসকলৰ গাত নৃত্যৰত অৱস্থাত দেৱ-দেৱীয়ে লম্ভে বুলি সাধাৰণ মানুহে বিশ্বাস কৰে। কেতিয়াবা ইয়াক দঁকতপৰা বুলি কয়। তেতিয়াই দেওধা বা দেওধনীয়ে ভৱিষ্যতবাণী কৰিব পাৰে বুলি লোক-সমাজে বিশ্বাস কৰি আহিছে।

এই কথা অনস্বীকাৰ্য যে দেওধা অথবা দেওধনী আৰ্য-ভিন্ন প্ৰজাতি বিশেষকৈ মংগোলীয় প্ৰজাতিৰ দান। অসমৰ তিব্বতবৰ্মী জনগোষ্ঠীৰ মাজত দেওধা আৰু দেওধনীৰ প্ৰসংগ অদ্যাপিও গুৰুত্বপূৰ্ণ।

প. ৰা

**।। দেওধনী নাচ ।।**

ধৰ্মবিশ্বাসৰ সৈতে সম্পৰ্ক থকা নৃত্যসমূহৰ ভিতৰত দেওধনী নাচ অন্যতম। মাৰৈ বা মনসা পূজাৰ কালত দৰঙৰ সুকন্নানী ওজাসকলে দেওধনী নচুৱায়। দেওধনী নাচৰ সাজপাৰৰ ভিতৰত কঁকালত কপাহী বা মুগাৰ মেখেলা, প্ৰায় ১৮০ ছে.মি. আৰু ৩০ছে.মি. দীঘল পুতলৰ এখন ৰঙীন চাদৰৰ বুকু বান্ধনী, কঁকালত সেই একে জোখৰ আন এখনি ৰঙীন কাপোৰৰ কঁকাল বান্ধনী, কান্ধৰপৰা ভৰিৰ সৰু গাঁঠি স্পৰ্শ কৰা এখনি ফুট্‌ফুটীয়া চাদৰ। পিছফালে ওলমি থকা বুকু বান্ধনীৰ দুই মূৰত দুটা আৰু আগফালৰ কঁকাল বান্ধনীৰ মূৰত এটা ব্ৰহ্মা, বিষ্ণু, মহেশৰ প্ৰতীক ৰূপে তিনিটা গাঁঠি থাকে। দেওধনীয়ে হাতত গামখাৰু, মুঠিখাৰু আৰু বাজু, নাকত এখনীয়া বা এঘাৰখনীয়া নাকফুল, কাণত সোণৰ জাংফাই ফুটি, ডিঙিত চন্দ্ৰহাৰ, গলপতা, জোন বা ঢোল মাদলি, আঙুলিত ৰূপৰ আঙঠি আৰু কপালত সিন্দূৰৰ ৰঙা ফোট লয়। চুলিটাৰি মূৰৰ ওপৰলৈ তুলি কলডিলীয়া বা কছাৰীখোপা বান্ধে।

ওজাপালিয়ে পালিৰ সহযোগত বিভিন্ন দেৱ-দেৱীৰ বন্দনা আৰম্ভ কৰে। দেওধনীয়ে তেতিয়া বহা অৱস্থাতে মূৰটো লৰাই লৰাই সমগ্ৰ শৰীৰটো ছন্দোময় কৰাৰ ফলত খোপা সুলকি যায়। সেই সময়তে দুজনে জয়ঢোল দুটা লৈ আগবাঢ়ি আহি গাৰপৰা বগা চাদৰ খনি গুচাই দিয়ে। দেওধনীয়ে তেতিয়া নৃত্য আৰম্ভ কৰে। এই নাচৰ ভাগ বহু। তাৰে কেইটামান হ'ল-কাৰ্তিক নাচন, কেঁচাইখাতী নাচন, ধনতোলা কুবেৰ নাচন, ধৰ্ম নাচন, ভৱানী নাচন, মেচা-মেছেনীৰ নাচন, লক্ষ্মী নাচন, ৰণচণ্ডী নাচন, হাড়ী নাচন আদি। শিৱ নাচনত কল ঠৰুৱাৰ ডম্বৰু, কাৰ্তিক নাচনত দুই হাতে জোৰ লৈ, ৰণচণ্ডী নাচনত হাতত দা লৈ আৰু হাড়ি নাচোনত বাঢ়নী আৰু কলপটুৱাৰ কোৰলৈ নৃত্য প্ৰদৰ্শন কৰে। পাৰৰ নেলুচিঙি ৰক্ত পান কৰে— কেঁচাইখাতী নাচোনত। দেওধনী নৃত্যত জয়ঢোলত যি বাদী মাৰে তাৰ ভিতৰত খৰাবাদী, গোৰবাদী, চাৰিচুকীয়া বাদী, দেওবাদী, যোগানৰ বাদী, হনুমন্তীয়া বাদী আদিৰ নাম একে উশাহতে ল'ব পাৰি। এদিনৰপৰা এঘাৰ দিন জুৰি চলা মনসা পূজাৰ অন্তিম দিনা অৰ্থাৎ ভৰ দঁকৰ দিনা গধূলি নাচনীজনী অচেতন হৈ পৰে। দঁকৰো নাম বেলেগ বেলেগ। যেনে— শিৱ দঁক, ছায়া-মায়া দঁক, ভৰদঁক আদি। দৰ্কঁকত অচেতন হৈ পৰাৰ পিছত পালিসকলে আগতে সজাই থোৱা বিচনা এখনত দেওধনীক শুৱাই দি গাত এখন বগা চাদৰ ঢাকি দিয়ে। ওজাই লক্ষীন্দৰক সৰ্পই দংশন কৰাৰে পৰা সঞ্জীৱন পোৱাঁলৈ দীঘলীয়া অংশটো খৰতালত গাই শেষ কৰাৰ পিছত দেওধনী চেতনাপোৱাৰ ভাও ধৰি উঠি বহে। দেওধনী অচেতন অৱস্থাতে থকা কালত ভৱিষ্যত বাণী কৰিব পাৰে বুলি এটা লোক বিশ্বাস অদ্যাপি প্ৰচলিত।

না.দা.

**।। দেওধনী নাচৰ মেছা ।।**

মনসা পূজাত দেওধনীয়ে নৃত্য প্ৰদৰ্শন কৰি থকা কালত এজন লোকে আঁঠুলৈকে ভুনি মাৰি, গাল আৰু মুখত বগা পিঠাগুড়ি ঘঁহি হাতত কলঠৰুৱাৰ টকা এটা লৈ পুৰুষ এজনে দেওধনীৰ আশে পাশে ঘূৰি ঘূৰি নৃত্য প্ৰদৰ্শন কৰা দেখা যায়। এইদৰে নচা লোক জনক মেছা বোলে। দেওধনীক কোনোৱে মেছনী বোলে। ঘূৰি ঘূৰি নাচি থকা মেছাই মাজে সময়ে টকা বজাই তিয়া, তিয়া বুলি বিকট চিঞৰ মাৰি মেছনীৰ সৈতে ৰাইজৰপৰা পইচা খোজাৰ নৃত্য ভংগী দৰ্শায়। সেই পইচাৰে মেছা-মেছনীৰ বিবাহ হোৱাৰ যি অভিনয় কৰে সেয়ে সমজুৱাক হাঁহিৰ সমল যোগায়।

(আধাৰ গ্ৰন্থ ঃ ড° নবীনচন্দ্ৰ শৰ্মা - পৰিবেশ্য কলা ওজাপালি)

না.দা.

**।। দেনাপাৰা / দেনাবেৰা ।।**

দক্ষিণ কামৰূপৰ বৰঘৰৰ মজিয়াৰ পোনে পোনে থকা দুৱাৰখনৰ সমুখৰ বাৰান্দাত

দিয়া আধা বেৰখনৰ নাম দেনাপাৰা বা দেনাবেৰা। ওখ পুৰুষসকলে আগতে এই বেৰখনৰ ওপৰত নিজৰ বাউসি থৈ বাহিৰৰপৰা অহা লোকৰসৈতে কথা-বতৰা পাতিব পাৰিছিল গুণে তাৰ নাম দেনাপাৰা / দেনাবেৰা (দেনা - বাউসি)। আগৰ কালত গাঁৱলীয়া সৰ্বসাধাৰণ লোকৰ থকা ঘৰত পৰ্দা নাছিল। পুৰুষসকলে সাধাৰণতে মজিয়াত পীৰা পাৰি দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিল। ভাত খাই থকা কালত গৃহস্থক বিচাৰি আন লোক আহিলেও যাতে খোৱা-বোৱাত অসুবিধা নহয়, সেইবাবেই মজিয়াৰ দুৱাৰৰ পোনে পোনে দেনাপাৰা / দেনাবেৰা দিয়া হৈছিল। মাটিৰ ঘৰৰ এই বেৰখনো মাটিৰে লিপা। অৱশ্যে ঘৰৰ তিৰোতাই চোতালত উপস্থিত হোৱা মানুহক চাবলৈ আলোচিত বেৰৰ দুয়ো কাষে জালিৰ ব্যৱস্থা থাকে। অচিন জনক বোৱাৰীসকলে দেনাবেৰাৰ ভিতৰ ফালৰপৰাই আলহী-অতিথিয়ে জানিব বিচৰা সংবাদ দিয়ে। কাঠ বা পকাঘৰৰ দেনাবেৰাবোৰ ছয় খটলাৰ। তলত তিনি খটলাৰ উপৰি ওপৰৰ মাজৰ খটলাটো মাটিৰে লিপা। ওপৰৰ কাষৰ দুটা খটলাত কাঠ-বাঁহ বা তামোল গছৰ কাঠি থিয় বা পথালিকৈ কলাসন্মতভাৱে সজোৱা। লৰা লৰিকৈ চপোৱা কাপোৰ- কানি দেনাপাৰা / দেনাবেৰাত ৰখাৰ সুযোগ কোনেও অস্বীকাৰ কৰিব নোৱাৰে। পিছে সময়ৰ অগ্ৰগতিৰ লগে লগে ঘৰৰ দুৱাৰ খিড়িকিত পৰ্দা দিয়া ব্যৱস্থা হ'ল, বাৰান্দাত নিশ্চিতভাৱে থকা দেনাপাৰা / দেনাবেৰাৰ বিলুপ্তি ঘটিল।

না.দা.

**।। দেৱদাসী নৃত্য ।।**

কলহনৰ ৰাজতৰংগিণী, কৌটিল্যৰ অৰ্থশাস্ত্ৰ, দামোদৰ গুপ্তৰ কুট্টনীমতম্ আদি গ্ৰন্থত আৰু সোমনাথৰ মন্দিৰত দেৱদাসী নৃত্য থকাৰ কথা জনা যায়। পদ্মপুৰাণ আৰু ভৱিষ্য পুৰাণতো ইয়াৰ উল্লেখ আছে। কালিদাসে মেঘদূতত দেৱদাসী নৃত্যৰ কথা উল্লেখ কৰিছে। অৱশ্যে ভাৰতৰ বিভিন্ন ঠাইত প্ৰচলিত এই নৃত্যৰ নাম ঠাই বিশেষে বেলেগ বেলেগ। মন্দিৰৰ দেৱতাৰ সন্তুষ্টিৰ বাবে এক শ্ৰেণীৰ নৰ্তকী ছোৱালী নিয়োগ কৰা হৈছিল। তেওঁলোকক দেৱদাসী (দেৱতাৰ দাসী) নামেৰে জনা গৈছিল।

অসমত দেৱদাসী নৃত্যৰ প্ৰচলন কেতিয়াৰপৰা হ'ল তাক সঠিক ভাৱে জনা নগ'লেও ইয়াক ঘাইকৈ শৈৱ ধৰ্মৰ প্ৰভাৱৰ ফল বুলি ক'ব পাৰি। দেৱদাসীসকলক মন্দিৰৰ কামত নিয়োগ কৰিব পৰাটো সৌভাগ্যৰ কাৰণ বুলি ভবা হৈছিল আৰু সেয়ে অসমৰ ৰজাসকলে শিৱ মন্দিৰ স্থাপন কৰি তাত নৰ্তকী নিয়োগ কৰিছিল। শিৱসাগৰৰ নেঘেৰিটিং, বিশ্বনাথৰ শিৱমন্দিৰ আৰু বজালীৰ নিকটৱৰ্তী ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ দেৱদাসী নৃত্যৰ নাম নুশুনা মানুহ অসমত নাই। দেৱদাসী নৰ্তকীসকলে কঁকালত লহঙা বা মেখেলা ব্যৱহাৰ কৰিছিল। গাত হাতৰ সৰু গাঁঠিলৈকে ঢকা দীঘল বগা গা-চোলা

পিন্ধে আৰু বুকুত এখন ৰিহা টানি মেথনি মাৰি মূৰৰ খোপালৈকে পাৰ কৰি নিয়ে। হাত, কাণ, ডিঙি, নাক, হাতৰ আঙুলি, ভৰিৰ আঙুলি আদিত নানা তৰহৰ বস্তু আ-অলংকাৰ ব্যৱহাৰ কৰে। গৱেষক পণ্ডিতসকলে আলচ কৰি উলিয়াইছে যে এই নৃত্যত মন্দিৰৰ ওচৰৰ পুখুৰীত স্নান কৰি, পানীৰ দাপোনত নিজৰ প্ৰতিবিম্ব চাই, নিজকে সু-সজ্জিত কৰি, কেশ-বিন্যাসেৰে বিভিন্ন প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰি লাস্যময়ী হৈ মন্দিৰৰ বিগ্ৰহক পূজা কৰা যেন দেখুৱা হয়। ইয়াৰ বেশ-ভূষা আৰু লয় লাস ভংগি বৰ চিত্তাকৰ্ষক। নৃত্যৰ লগত খোল, তাল, শংখ, ঘন্টা আৰু বৰকাঁহৰ ব্যৱহাৰৰ কথা জনা যায়। খোলৰ বাৰটা ঘাতৰ নৃত্যৰ বিভিন্ন অংশ পৰিৱেশন কৰা হয়।

ৰজা-মহাৰাজৰ স্বেচ্ছাচাৰিতা আৰু কিছুমান কু-প্ৰবৃত্তিৰ লোকৰ কামনাৰ বলি হৈ দেৱদাসীসকলে বিভিন্ন ব্যভিচাৰত লিপ্ত হৈ পৰাৰ ফলত তেওঁলোকে সমাজৰ আস্থা হেৰুৱাই পেলালে আৰু এই প্ৰথা প্ৰায় লুপ্ত হৈ গ'ল। অৱশ্যে কিছুমান ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত আজি কালি ই মঞ্চলৈকে গতি কৰি এক পুৰণি পৰম্পৰাক জন-মানসৰ চক্ষু গোচৰলৈ আনিবলৈ সক্ষম হৈছে।

প্ৰ. শ. গো.

।। দেৱী মহিষমৰ্দিনী দুৰ্গাৰ অহা-যোৱা সম্পৰ্কীয় বিশ্বাস।।

মহিষমৰ্দিনী দেৱী দুৰ্গাৰ বাহন সিংহ। সিংহবাহিনী দেৱীৰ বছৰেকত দুবাৰ আগমন হয়—বসন্ত আৰু শৰৎকালত। পূজা কালত দেৱী অহা কালত পিছে সিংহ বাহন পৰিত্যাগ কৰি হাতী, ঘোঁৰা, দোলা অথবা নাও — এই চাৰিবিধ বাহনৰ এবিধহে ব্যৱহাৰ কৰে আৰু গমন কালতো উক্ত চাৰিবিধ বাহনৰ যিকোনো এবিধত যায়গৈ। ভিন্ন বাহনত অহা-যোৱাকলৈ জন মানসত বিভিন্ন বিশ্বাসে গা কৰি উঠিছে। সেই বিশ্বাসবোৰ বিভিন্ন স্মৃতি নিবন্ধত লিপিবদ্ধ হোৱাটো তাৎপৰ্যপূৰ্ণ। সপ্তাহটোৰ ভিন্নবাৰত দেৱীয়ে বেলেগ বেলেগ বাহন ব্যৱহাৰ কৰে, ফলত তাৰ ভাল বেয়া ফলৰ ভাগী হয় মৰ্ত্যবাসী জীৱ। শাস্ত্ৰত আছে — ৰবৌ সোমে গজা ৰূঢ়া ঘোটকে শনি ভোময়োঃ / শুৰৌ শুক্ৰে দোলায়াৰ্ক নৌকায়াং বুধবাসৰে//ৰবিবাৰ বা সোমবাৰে দেৱীৰ আগমন বা গমন হ'লে সেই আগমন-গমনৰ বাহন হ'ব হাতী। শনিবাৰ কিংবা মংগলবাৰে দেৱীৰ আগমন-গমন হ'ব ঘোঁৰাত। সপ্তমী পূজা বৃহস্পতিবাৰে বা শুক্ৰবাৰে অনুষ্ঠিত হ'লে দেৱী যান হ'ব- দোলা। আনহাতে বৃহস্পতিবাৰ কিংবা শুক্ৰবাৰে বিজয়া দশমী হ'লে দেৱী দোলাত গমন কৰে। বুধবাৰে সপ্তমী পূজা হ'লে দেৱী নাওত আহে আৰু বিজয়া দশমী বুধবাৰে পৰিলে দেৱী যাব নাওত। দেৱী হাতীত অহা যোৱা কৰাৰ ফল হ'ল — গজে চ জলদা দেৱী শস্য পূৰ্ণ বসুন্ধৰা — পৃথিৱীত অধিক বৰ্ষা হোৱাৰ ফলত পৃথিৱী হৈ পৰিব ফলে-ফুলে সুশোভিত। ঘোঁৰাত অহা যোৱাৰ ফল হ'ল ছত্ৰ ভংগস্তুৰংগমে - ৰজাৰ ছত্ৰভংগ যোগ সূচিত হয়।

দেৱী নাওত অহা-যোৱা কৰিলে জলবৃদ্ধি আৰু শস্যবৃদ্ধি হয় — নৌকায়াং জল বৃদ্ধি শ্চ শস্য বৃদ্ধিৰ্ভবেদ্ধ্ৰুবম্। অৱশ্যে কোনোবা বাৰ অধিক পানী হোৱাৰ ফলত শস্য সম্পদ হানি নোহোৱাও নহয়— নৌকায়াং জলবৃদ্ধিশ্চ শস্য হানি সংশয়। আকৌ দেৱীয়ে মৰতলৈ দোলাৰে অহা-যোৱা কৰাৰ ফলত পৃথিৱীত প্ৰবল ধুমুহা আৰু বানপানীত বহু মানুহৰ অকাল মৃত্যুৰ লগতে মহামাৰী হোৱাৰ সম্ভাৱনা- ঝঞ্ঝা বাত্যাদি ভি শৈচব দোলায়াং মড়কং ভবেৎ ।একোটা বছৰত দেৱীৰ দুবাৰ অহা আৰু দুবাৰ যোৱা বাহনৰ ভাল বেয়া চাই লোকে বছৰটোৰ শুভাৰম্ভ নিৰ্ণয় কৰে।

না.দা.

।। দৈয়ন দিয়া ।।

অসমীয়া সমাজৰ বিয়া এখনৰ এটি উৎসৱমুখৰ সামাজিক আচাৰ হ'ল দৈয়ন দিয়া। বিয়াৰ কাহিলি পুৱা চৰাই-চিৰিকতিৰ কোৰ্হাল আৰম্ভ নৌ হওঁতেই কইনাঘৰত দৈয়ন দিয়াৰ উখল-মাখল লাগি পৰে। সেইদিনা ৰাতিপুৱাতেই শোৱা কোঠাৰ দুৱাৰমুখত বৰপীৰা এখন পাৰি কোনোবা এগৰাকীয়ে কইনাক দাং কোলাকৈ আনি পীৰাখনত বহুৱাই দিয়ে। বিয়াৰ আগৰাতিয়েই দৈয়ন দিবৰ বাবে কইনাৰ মাক-খুৰীয়েকে কাঁহী এখনত দৈ, তিল আৰু কেইখিলামান পাণ যতনাই ৰাখে। কইনা বহাৰ পিছত দৈয়নৰ কাঁহীখন দুৱাৰৰ সিফালে ৰাখি কইনাৰ মাক বা খুৰীয়েকে দৈয়নৰ কাঁহীত আগ গুৰি নকটা পাণ কেইখিলা জুবুৰিয়াই পৰ্দাৰ দুই কাষে হাত মেলি কইনাৰ মুখৰপৰা ভৰিলৈকে উৰুলি দি দি তিনিবাৰ দৈ সানি দিয়ে। লগে লগে আয়তীসকলে উৰুলি দিয়ে। উৰুলিৰ জোকাৰত গোটেই বিয়াঘৰীয়া মানুহবোৰ সাৰ পাই উঠে। আটাইবোৰেই শোৱাৰপৰা উঠি কইনাক দৈ সনাৰ লগতে বাকীবোৰকো খেদা খেদি কৰি দৈ সানি সানি মুখবোৰ দৈৰ এঠাৰে ওপচাই দিয়ে। দৈয়নৰ উৎসৱমুখৰ ৰং-ধেমালিয়ে পুৱাতেই বিয়াৰ পৱিত্ৰ আনন্দৰ মধুৰ পৰিৱেশ গঢ়ি তোলে।

বি. ভ.

।। দোতাৰা।।

ঢাক ঢোল ডগৰ নাগাৰা।
ৰামবেণা কবিলাস যাহাৰ মধুৰ ভাষ
খঞ্জৰীকা মোহৰী দোতাৰা।।— দৰং ৰাজবংশাৱলী।

তত জাতীয় বাদ্যযন্ত্ৰ দোতাৰাৰ স্থান জনপ্ৰিয়তাৰ ফালৰপৰা ঠিক বাঁহীৰ তলতে। ইয়াক সাজিবলৈ পয়সত্তৰ ছে. মি. দৈৰ্ঘৰ কঁঠাল কাঠ এডোখৰৰ এটা মূৰ খুলি আনটো মূৰ হাতেদি ধৰিব পৰাকৈ সৰু কৰি লোৱা প্ৰয়োজন। প্ৰায় গোন্ধৰ ছে. মি. প্ৰস্থৰ খোলাটো গুঁই সাপৰ ছালেৰে ছোৱাটো সাধাৰণ নিয়ম। আনটো মূৰতো সৰুকৈ খোল

এটা সাজি তাত বিন্ধা কৰি চাৰিডাল বাঁহ বা কাঠৰ শলা ভৰাই ছালেৰে ঢকা মূৰটোত চাৰিডাল মুগাসূতা টানকৈ বান্ধি লৈ ছালখনৰ ওপৰেদি নি আনটো মূৰৰ শলাকেইডালত বেলেগে বেলেগে বান্ধি ল'ব লাগে। ছালখনৰ সৈতে সুতাকেইডালৰ পাৰ্থক্য ৰাখিবলৈ ব্যবহাৰ কৰা হয় এটি কাঠৰ দুঠেঙীয়া ঘোঁৰা। কাঠ অথবা পহুৰ শিঙৰ শিলিখা গুটি এটা সাজি সেইটোৰে গুণকেইডালত টুকুৰীয়াই দোতাৰা বজোৱা হয়। নামানুযায়ী দোতাৰাত তাৰ দুডাল থাকিব লাগিছিল যদিও সাধাৰণতে তাৰ তাঁৰৰ সংখ্যা চাৰি। ধ্বনিৰ ফালৰ পৰা তাৰ ভাগ চাৰিটা-জিল তাঁৰ, সুৰতাঁৰ, বমতাঁৰ আৰু তাঁৰ। এই চাৰি তাঁৰৰ পৰা ওদাৰা, মুদাৰা আৰু তাৰা ধ্বনি অনুৰণিত হয়। গোৱালপাৰাৰ ভাওয়াইয়া, চট্‌কা আৰু কিছু পালাগানত দোতাৰা সংগত কৰা চকুত পৰে। মাধৱকন্দলিৰ ৰামায়ণত (কিষ্কিন্ধাকাণ্ড) দোতাৰাৰ উল্লিখনে এই ভূখণ্ডত ইয়াৰ প্ৰয়োগ যে প্ৰাচীন তাক প্ৰমাণ কৰে। পদ্মাপুৰাণতো বাদ্যবিধৰ নামোল্লেখ মন কৰিবলগীয়া।

না. দা.

**।। ধনগুলৈ ।।**

ধনগুলৈ জুইৰ ৰূপ ধৰি ইফালৰপৰা সিফাললৈ লৰি ফুৰে। সাধাৰণতে ধনগুলৈ জন্তুৰ মল-মূত্ৰ আদি পচা বস্তু থকা জেকা ঠাইৰপৰা ওলোৱা এবিধ বাষ্প, ই বতাহৰ সংলগ্ন হ'লে তাত জুই উঠে আৰু চাকি এটাৰ নিচিনা হৈ বতাহত কিছু সময় চলি ফুৰে। কিন্তু লোক বিশ্বাস মতে ই এবিধ অপদেৱতা। ৰাতি হ'লে ই মানুহৰ অপকাৰ কৰাৰ বাবে ঘূৰি ফুৰে বুলি মানুহৰ বিশ্বাস। চহা মানুহে ধনগুলৈক প্ৰেতাত্মাৰ মায়া বুলি বিশ্বাস কৰে। কোনো মৰা মানুহৰ আত্মাই মুক্তি নাপালে এনেদৰে নিশা ঘূৰি ফুৰে। ইহঁতে মৰা মানুহৰ সম্পত্তি আদিৰ মোহত পোতা ধনৰ ৰখীয়া হৈ থাকে বুলিও কিছুমান মানুহৰ বিশ্বাস। বন্ধ পিতনি, জলাশয় আদিত ইয়াৰ বাসস্থান।

প.পা.

**।। ধৰমৰ ঘট ।।**

শাক্ত ধৰ্মৰ লগত জড়িত এক লৌকিক উৎসৱ হৈছে মনসা পূজা। পশ্চিম অসমত মনসা পূজাৰ লগত ধৰ্মপূজা বা ধৰমৰ পূজা হয়। ভৰ পূজাৰ আগদিনা মনসাৰ বেদীৰ অলপ আঁতৰতে পিঠাগুড়িৰে এটি মণ্ডল সজা হয়। আমডালি সহিতে জলপূৰ্ণ ঘট এটি দি মণ্ডলত এখন আগলি কলপাত পতা হয়। পূৰ্ণ ঘটটিক ধৰমৰ ঘট বোলা হয়। 'এই ধৰ্মৰ ঘটৰ জল হৈছে নদী বা পুখুৰীত জলৰূপী নাৰায়ণক পূজা কৰা জল। মনসা পূজা বিধিত ধৰ্মৰ যি ধ্যান পোৱা যায়, সেই ধ্যানমতে ধৰ্ম্মক 'নানা ৰত্নোল্লসিত বিৱধনিযুক্ত আপীতবস্ত্ৰ বিষ্ণুং. বন্দে দৰ-কমলকৌমোদিকং চক্ৰপাণিং - ইতি ধৰ্মায় নমঃ' বুলি প্ৰণাম কৰা হয়। মণ্ডলদৈ অঞ্চলৰ মনসা পূজাৰ আন দেৱ-দেৱীৰ লগত

ধৰ্মৰো এভাগ পূজা হয়। এই ধৰ্মৰূপী নাৰায়ণ শ্বেতকৰ্ণ আৰু তেওঁৰ উদ্দেশ্যে বগা পাৰ এযোৰ উৎসৰ্গা কৰা হয়। কোনো কোনো ঠাইত দেওধা উঠা লোক এজনে ধৰমৰ ঘটৰ ওপৰত নৃত্য কৰাও শুনা যায়। এই সময়ত দেওধাৰ হাতত দুটা বগা পাৰ দিয়া হয়; দেওধায়ে পাৰযোৰ ধৰ্মৰ নামত আকাশত এৰি দিয়ে এটা পাৰ নেলু চিঙি তাৰ তেজো পিয়ে। এই অৱস্থাত তেওঁ ভূত-ভৱিষ্যতৰ কথা ক'ব পাৰে বুলি বিশ্বাস কৰা হয়। পাঁচালী কবি মনকৰ আৰু দুৰ্গাবৰৰ পদ ৰচনাত ধৰ্ম দেৱতাৰ উল্লেখ আৰু বন্দনা আছে -

১। সাত পাঞ্চ নৰে কহে ধৰ্মেৰ কাহিনী।

২। অৰ্দ্ধ অঙ্গ মহাদেৱ অৰ্দ্ধ অঙ্গ ধৰ্ম।

নামনি অসমৰ ভিন্ন অঞ্চলত স্বাধীনভাৱে নহ'লেও আনুষঙ্গিকভাৱে আৰু গৃহদেৱতাৰূপে ধৰ্মদেৱতাৰ পূজা প্ৰাচীন কালৰেপৰা চলি আহিছে। উজনি অসমৰ বিয়াৰ হোমৰ ওচৰত কইনাৰ মোমায়েকে ধৰমৰ ঘট ধৰা কথাটো প্ৰসংগক্ৰমে উল্লেখনীয়।

বি. ভ.

।। ধান উঠা উৎসৱ ।।

অসমৰ কৃষকসকলে পথাৰৰ ধান কটা শেষ হোৱাৰ কালতো পালন কৰে এটি উৎসৱ। এই উৎসৱ ধান উঠা অথবা কাঁচি উঠা উৎসৱ ৰূপে জনাজাত। ধান কটা হোৱাৰ দিনাখন পথাৰত ত্ৰিভুজাকৃতিৰে তিনি গছি ধান এৰি গুৰি কেইটা চাফ্-চিকুণ কৰি থৈ আহে। পিছদিনা পুৱাৰ বেলাতে চাকি-বন্তি, ধূপ, তামোল-পাণ আৰু নাৰিকল লৈ গৈ সেই ধান কেইগাছিত সেৱা আগবঢ়ায়। পথাৰত ধান কাটি থকা আন লোকসকলক নিমন্ত্ৰণ কৰি মাতি আনে। মাটিৰ মালিকে সেৱা লোৱাৰ লগে লগে বাকীবোৰে হৰিধ্বনি দি প্ৰসাদ খায়। প্ৰসাদ খোৱাৰ পিছত তিনি গছি ধানৰ কিছু অংশ কাটি ঘৰলৈ লৈ আহে। শস্য পথাৰ সম্পূৰ্ণ কৈ উদং কৰিব নাপায়, এনে বিশ্বাসৰ ভেটিতেই পথাৰত প্ৰত্যেক তিনিগছি ধানৰ কিছু অংশ এৰি থৈ আহে। ধান উঠাৰ দিনাখন সাধাৰণতে ঘৰত মৰণা মৰা নিষেধ। বহুতে সেই দিনাখন চুঙা পিঠা পুৰি নিজেও খায় - আত্মীয় স্বজনকো খুৱায়।

না. দা.

।। ধান তাবিচ ।।

চৰ অঞ্চলৰ সম্ভ্ৰান্ত মহিলাসকলে ডিঙিত পৰিধান কৰা এবিধ অলংকাৰৰ নাম হ'ল– ধান তাবিচ বা কুণ্ঠী। ই সোণ অথবা ৰূপৰদ্বাৰা নিৰ্মিত। ধানৰ আকৃতিৰ দুই মূৰ চিয়াঁ ধান তাবিচৰ একোটাৰ ওজন প্ৰায় ১.৪ মিলিগ্ৰাম। ছয়-সাতটা ধান তাবিচ গঢ়োৱাৰ

পিছত সোণ হ'লে সোণৰদ্বাৰা আৰু ৰূপ হ'লে ৰূপৰ সহায়ত তাক বেৰি দিয়া প্ৰয়োজন। বেৰিৰ সোঁমাজত থকা সৰু ফুটাটোৰ মাজেদি কলা সূতা এডাল বিশেষ গাঁঠনিৰে এক আঙুল আঁতৰে আঁতৰে গাঁথি দিব লাগে। সূতাডালৰ দুই মূৰে থাকে দুটি সৰু লটকন। পিন্ধাৰ কালত কৌশল পূৰ্ণ গাঁথিৰে ডিঙিৰ পিছফালে গাঁথি দিয়াৰ ফলত ধান তাবিচ অলংকাৰ পদ ডিঙিত লিপিত খাই পৰে।

(অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনৰ স্মৃতি গ্ৰন্থ চান্দৰ ডিঙা-ত প্ৰকাশিত 'চৰ অঞ্চলৰ গহনা-গাঁঠৰি নিবন্ধৰ আধাৰত যুগুতোৱা)

জ্যো.দা

## ।। ধুৰা নাট ।।

ঊনবিংশ শতাব্দীৰ প্ৰথম তৰংগত অংকীয়া নাটৰ আৰ্হিত ব্ৰজবুলি ভাষাৰ প্ৰভাৱশূণ্য একপ্ৰকাৰ নতুন নাটে উজনি অসমত ভুমুকি মাৰে। এই নতুন নাটক ধুৰা নাট অথবা ভাওনা-নাট আখ্যা দিয়া হয়। এই নাটত গদ্যৰ প্ৰয়োগ শূণ্যৰ ঘৰত। সূত্ৰধাৰৰ নিৰ্দেশ, পাত্ৰ-পাত্ৰীৰ বচন আৰু ঘটনাৰ সংযোগ-সূত্ৰৰ কথাৰ ঠাইত প্ৰয়োগ কৰা হৈছিল গীত। জনসাধাৰণৰ মনোৰঞ্জনৰ বাবে ৰচনা কৰা এই নাটসমূহত ভক্তিধৰ্ম প্ৰচাৰৰ উদগ্ৰ বাসনা পাবলৈ নাই। ইয়াৰ বিপৰীতে আছে পাত্ৰ-পাত্ৰীৰ কথাৰ কটা-কটি, লম্ফ-জম্ফ আৰু উপৰ্যুপৰি যুদ্ধ-বিগ্ৰহৰ দৃশ্যৰ সংযোজনা। খুলীয়া ভাওনাৰ ওজা নাইবা ভাৰীগানৰ গাঁৱলীয়াৰ লেখীয়াকৈ ধুৰা-নাটৰ অভিনয়তো সূত্ৰধাৰে সোঁহাতেৰে চোঁৱৰ ঘূৰাই খোলৰ ছেৱে ছেৱে নাচি ঘটনাৰ আৰম্ভণি কৰে আৰু গীত-নৃত্যৰ মাজেদিয়ে তাক পৰিণতিলৈ আগবঢ়াই নিয়া দেখা যায়। এই নাটৰ অভিনয়ত বহুৱা চৰিত্ৰৰ প্ৰাধান্য মন কৰিবলগীয়া। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে যে 'ধুৰা গীতৰ প্ৰাধান্য হেতুকে এই বিধ নাটৰ নাম ধুৰা নাট। ইয়াত বঙলা ধপ-কীৰ্ত্তনৰ প্ৰভাৱ স্পষ্ট, (অসমীয়া নাট্য সাহিত্য)। এই নাটবোৰৰ বিষয়-বস্তু চয়ন কৰা হৈছে বধকাব্যসমূহৰ পৰা। যেনে - কুলাচল বধ, খটাসুৰ বধ, বঘাসুৰ বধ, দ্ৰোণাচাৰ্য্য বধ ইত্যাদি। হৰণ কাব্যসমূহৰ বিষয়সমূহেও ধুৰানাট ৰচনাত ইন্ধন নোযোগোৱা নহয়। যেনে - কুমৰ হৰণ, ঊষা হৰণ, সীতা হৰণ আদি। ধুৰা নাটসমূহ আৰু তাৰ অভিনয় যথাৰ্থতে লোক নাট আৰু লোক অভিনয়ৰ পৰ্যায়ভুক্ত।

না. দা.

## ।। ধেমালি আৰু চাহিনি ।।

সংস্কৃত নাট অভিনয়ৰ পূৰ্বৰংগই অসমীয়া ভাওনাতে ধেমালি ৰূপে আত্মপ্ৰকাশ কৰিছেহি। ধেমালি কেবাখনো। যেনে - বৰ ধেমালি, সৰু ধেমালি, ঘোষা-ধেমালি, গুৰু মৰ্দন ধেমালি, ৰং-ধেমালি, ছোৰ ধেমালি, ন-ধেমালি, ৰাম-ধেমালি, বৰপেটীয়া ধেমালি আদি। প্ৰতিখন ধেমালিৰ নিজা চাহিনি থকাটো উল্লেখযোগ্য। ধেমালি সাধাৰণতে

ভাওনাৰ পূৰ্ববৰ্তী সম্পদ হ'লেও গুৰু তিথিক উপলক্ষ্য কৰি ইয়াত বজোৱা হয়। অসমৰ বিভিন্ন সত্ৰত এই ৰীতি আঠ দিন জুৰি চলে। যেনে - প্ৰথম আৰু দ্বিতীয় দিন - এখনকৈ ৰাগ-ধেমালি, তৃতীয় আৰু চতুৰ্থ দিন - খট প্ৰৱেশ, পঞ্চমদিন - ৰং-ধেমালি, ষষ্ঠদিন - গুৰু মৰ্দন, সপ্তমদিন - ছোৰ ধেমালি আৰু অষ্টম দিন - বৰপেটীয়া ধেমালি। সাধাৰণতে ভাওনাৰ পূৰ্বে ন-ধেমালি বাজিবই লাগিব। ধেমালি মুঠতে বাৰখনি। সকলো ধেমালিৰ আগে আগে চাহিনি পৰিব লাগে। চাহিনি দুবিধ - বহি চাহিনি আৰু থিয় চাহিনি। বহি চাহিনিৰ সংখ্যা - ২৫ খন, কিন্তু থিয় চাহিনি হ'ল দুখন। কিছুমান সত্ৰত বৰ ধেমালিত মান, হস্ত বা হাতৰ সঁচাৰ দেখুৱায়। হাতৰ সঁচাৰ কিংবা মানবোৰ খোল বজোৱা কালত প্ৰদৰ্শিত হয়। হস্তমুদ্ৰাৰ ভিন্ন নাম আছে। তাৰে কেইটামান - থাপনা, প্ৰণাম, জীৱসৃষ্টি, জ্যোতি, চমক, মকৰা গুছোৱা, ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, সূৰ্য, মৎস্য, কূৰ্ম, বায়ু, অগ্নি আদি। বায়নে সাধাৰণতে ধেমালিৰ কালত ভৰি মান দি খোল বজায়। খট প্ৰৱেশ আৰু ৰাগ-ধেমালিত ভৰি মানেই সৰ্বস্ব। আন ধেমালিত পানী-পৰুৱা নাচ আদি থাকে। প্ৰতিটো ধেমালিৰ আৰম্ভণিতে গায়ন-বায়নে ৰাইজক সেৱা জনায় আৰু ধেমালিৰ অন্তত সকলোৱে সন্মুখলৈ মুখ দোঁৱাই হাতযোৰকৈ আঁঠু লয়। এই কামযেৰা চলে গুৰুঘাতৰ পিছত।

না. দা.

।। ধোঁৱা চাং।।

আগৰ দিনত প্ৰতিটো গৃহস্থৰ ৰন্ধন শালৰ অপৰিহাৰ্য অংগ আছিল ধোঁৱা চাং। জুহালৰ ঠিক ওপৰতে এটা নিৰ্দিষ্ট উচ্চতাত গোটা বা ফলা বাঁহেৰে মজবুতকৈ গড় পাতি চাংখন এনে ভাৱে হয় ওলোমাই, নহয় চাৰিটা খুঁটা পুতি সজা হৈছিল, যাতে জুহালত জুই জ্বলিলেই তাৰ ধোঁৱা গৈ চাংখন চুবেগৈ। ঘূণে নধৰিবৰ বাবে ধোঁৱা চাঙত ডলা-কুলা-চালনী, পাচি-খৰাহী থোৱাৰ লগতে বহু দিন নেসেমেকাকৈ ৰাখিবলৈ কলহ-টেকেলিত ভৰাই থোৱা হৈছিল- মুৰি, হুৰুম, চিৰা-পিঠা-সান্দহ প্ৰভৃতি। নহৰুত আৰম্ভ কৰি সৰিয়হ, লাই-পালেং প্ৰভৃতিৰ বীজৰ টোপোলায়ো স্থান পাইছিল ধোঁৱা চাং খনিত। ভীমকল খাই বাকলিটো শুকাবলৈ দিয়াৰ নিৰ্দিষ্ট স্থান হ'ল আলোচিত চাংখনি। পোক-পৰুৱাৰ উপদ্ৰৱৰপৰা পৰিত্ৰাণ পাবলৈ দুই একে নিজৰ সাঁচতীয়া সাঁচিপাত-তুলাপতীয়া পুথিখনো কেৱা তৰপো কাপোৰ মেৰাই কাঠৰ বাকচত ৰাখি ধোঁৱা চাঙত তুলি থৈছিল গৈ। ধোঁৱা চাঙত তোলা খণ্ডবাক্য আজিও ব্যৱহাৰ কৰা হয় যদিও চাংখনিৰ হে অস্তিত্ব নাইকিয়া হ'ল।।

না. দা.

**।। ন-কইনা আদৰা ।।**

দৰা -কইনা আহি পদুলিমুৰত থকা সৰমালাৰ তলত আহি উপস্থিত হয়। লগে লগে দৰাপক্ষৰ তিৰোতা এগৰাকীয়ে কাঁহী এখনত দৈৰ বাটি এটা (অঞ্চল বিশেষে 'দৈ কমলা'ৰ বাটি বোলে), আৰৈ চাউল, দুবৰি, পাণ এখিলা (অঞ্চল বিশেষে ওপৰঞ্চি ভাবে চোঁৱৰ এটা) লৈ দৰা-কইনাক বৰিবলৈ আহে। সৰমালাৰ তলত পীৰা এখন পাৰি দৰা-কইনাক তাতে থিয় কৰাই কইনা ঘৰত খোলা লগ্ন গাঁথি পুনৰ বান্ধি দিয়াৰ পিছত দৰাঘৰৰ ছোৱালী এজনীয়ে দৈৰে ভৰি ধুৱায়। ন-কইনাই ভৰি ধুৱোৱা ছোৱালীজনীলৈ টকা-পইচা আগবঢ়ায়। তাৰ পিছত দৰা-কইনাক পাণ খিলাৰে চাকিৰ বাৱ দি (কোনোৱে চোঁৱৰেৰে বাৱ দি) ঘৰলৈ আদৰি আনে। পদূলিৰপৰা ঘৰলৈ বৰণ কৰি আনোঁতে এখন দীঘল কাপোৰ মাটিত পাৰি দি তাত কইনাই লগত অনা কাঁহৰ ঘটি, কাঁহী-বাটি আৰু পিতলৰ চৰিয়া এটা উবুৰিয়াই থয়। ন-কইনাই সেইখিনি সোঁ ভৰিৰে লুটিয়াই থেলি থেলি ঘৰৰ সমুখ পায়। ঘৰৰ দুৱাৰৰ সমুখত থাকে মাটিৰ চাকি এগছি। ন-কইনাই সেইগছি গোৰোহাৰে গছকি ভাঙিব লাগে। ভঙা চাকিৰ টুকুৰা গণি কোনোৱে ন-কইনাৰ সন্তানৰ সংখ্যাৰ আগলি বতৰা দিয়ে। দুৱাৰ মুখৰ দুফালে সজাই থোৱা থাকে এটি পানীৰে ভৰা কলহ আৰু চাউলেৰে ভৰা খৰাহি। কোনো কোনো অঞ্চলত এই দুপদ বস্তু স্পৰ্শ কৰি ন-কইনাই গৃহ প্ৰৱেশ কৰে। দৰাৰ মাক বা বৌৱেকে 'আগ' দিবলৈ আৰম্ভ কৰে। দৰা-কইনাৰ গালৈ চাউল পানী ছটিয়ায়। পাটী এখন পাৰি দি পায়সেৰে ভৰা বাতি সলোৱা আৰু দোণত আঙঠি লুকোৱা খেলৰ পৰ্বটি শেষ কৰে। আয়তীসকলে গোটেই সময়ছোৱা জাত জাত নামেৰে কোঠাটো মুখৰিত কৰি ৰাখে। ইয়াৰ পিছত দৰা-কইনাৰ লগ্ন গাঁথি খুলি দিয়াৰ পিছত উভয়ে মাকক সেৱা জনায়। কোনো কোনো অঞ্চলত কইনাই ঘৰৰপৰা অনা চাউল দৰাঘৰৰ ভিন্ন কোণত ছটিয়াই দিয়ে। অঞ্চল বিশেষে কইনাই দৰাঘৰ গছকাৰ পিছত মাকৰ ঘৰলৈ উভতি যায়। কোনো কোনো অঞ্চলত কইনা ৰাতি দৰাভোজ দিয়ালৈ থাকে। সেইদিনা দিনৰ বেলা কইনাই দৰাঘৰৰ একো খাদ্য নাখায়। ৰাতি ভোজৰ ভাত দৰা-কইনাই একেলগে একেখন থালত খাব পাৰে। জ্যো.দা.

**।। ন-কইনা বিদায় ।।**

অসমীয়া বিবাহ পদ্ধতিৰ কইনাক বিদায় দিয়াটো এটা অতি কৰুণ পৰ্ব। কইনাক বিদায় দিয়াৰ সময়ত অসমীয়া সমাজত কিছুমান লোকাচাৰ পালন কৰা হয়। মাক-দেউতাক সহিতে বয়স্কসকলক মান ধৰি দৰা-কইনা যেতিয়া যাবলৈ ওলায়, তেতিয়া কইনাৰ মাকে দুৱাৰ মুখত ভিতৰৰফালে মুখ কৰি সৌহাতৰ তলেৰে উলিয়াই দিয়ে। আয়তীসকলে উৰুলি জোকাৰ দি বিভিন্ন বিয়ানাম গাই কইনাৰ নতুন যাত্ৰাৰ বাবে পদুলি মুখলৈ আগবঢ়ায়। পদূলি মুখত কইনাৰ ভৰি দুখন এটা কাঁহৰ চৰিয়াত পানী আনি মাকে ধুৱাই দিয়ে আৰু

সেই পানীৰ অলপ মূল ঘৰৰ খুঁটাত ঢালি দিয়ে। তাৰ পিছত আয়তী এগৰাকীয়ে কইনাৰ হাতত এমুঠি চাউল দিয়ে আৰু কইনাই পিছফালে ঘূৰি নোচোৱাকৈ চাউল মুঠি দলিয়াই দিয়ে। ঠাই বিশেষে চাউলৰ সলনি ধান আৰু মাটিমাহো দিয়া দেখা যায়। কইনাৰ লগত যাতে মাকৰ ঘৰৰ লক্ষ্মী গুচি নাযায় তাৰ কাৰণে এনে কৰা হয়। কইনাৰ লগত সখি সহিতে দুই তিনি গৰাকী আত্মীয়ও দৰা ঘৰলৈ যায়। হাঁহি-ধেমালিৰে বিবাহৰ মূল পৰ্ব শেষ হোৱাৰ সময়ত কইনাৰ বিদায়ত সকলোৰে ম্রিয়মাণ হৈ পৰে।

হাতত পাণ বঁটা লৈ / মাৰাক মাতাগৈ / মৰমৰ মা মই যাবলৈ ওলালোঁ/ যোৱাৰ সময়ত মাতহে লগালোঁ।

এনেধৰণৰ বিয়ানামৰ করুণ সুৰত বিয়াৰ সমস্ত উলাহ আনন্দ যেন বিষাদৰ ভাৱৰে আবৰি ধৰে। বৰ ঘৰৰ ছোৱালী উলিয়াই দিবলৈ সঁচাকৈয়ে টান। মাক-দেউতাকে ছোৱালী অইন এঘৰলৈ উলিয়াই দিয়াৰ যি মানসিক ব্যথা সেয়া অতি প্ৰাচীন কালৰেপৰা আমাৰ ভাৰতীয় সমাজত দেখিবলৈ পোৱা যায়। কালিদাসৰ অভিজ্ঞান শকুন্তলম্ নাটত পালিতা কন্যা শকুন্তলাৰ বিদায়ত সন্ন্যাসী হৈয়ো পিতৃ কণ্ব মুনিয়ে যি মানসিক কষ্ট পাইছিল তাৰ পৰাই এই কথাৰ সত্যতা অনুমান কৰিব পাৰি।

কি.ক.

**।। ন-খোৱা বা নৱান্ন উৎসৱ ।।**

ন-খোৱা বা নৱান্ন উৎসৱ কৃষিজীৱী ভাৰতবৰ্ষৰ প্ৰায় সকলো ঠাইতে অতি পুৰণি কালৰপৰা চলি আহিছে। স্মৃতি শাস্ত্ৰত আছে যে, শ্ৰাদ্ধ কৰি পিতৃগণৰ উদ্দেশ্যে নিবেদন কৰিহে নৱান্ন গ্ৰহণ কৰিব লাগে। শ্ৰাদ্ধতত্ত্বত আছে

"নৱোদকে ন ৱান্নে চ গৃহ প্ৰচ্ছাদনে তথা।
পিতৰঃ স্পৃহয়ন্ত্যন্নমষ্টকাসু মঘাসু চ।।"

নৱোদক অৰ্থাৎ বৰ্ষা আৰম্ভ কালত, নৱান্ন অৰ্থাৎ নতুন ধান পকিলে আৰু গৃহ-প্ৰচ্ছাদান (ঘৰ ছোৱা) আদিত পিতৃসকলে অন্ন আশা কৰে। স্মৃতিত আৰু আছে যে, শুভদিনত নৱান্নত পিতৃসকলৰ উদ্দেশ্যে পাৰ্বণ বিধিৰ দ্বাৰা শ্ৰাদ্ধ কৰিব লাগে। (স্মৃতি সাগৰসাৰ, পৃঃ ৩)

সৰ্বভাৰতীয় লোক-সংস্কৃতিৰ দৰে অসমীয়া লোক-সংস্কৃতিতো ন-খোৱা বা নৱান্ন এটি আনন্দপূৰ্ণ কৃষি উৎসৱ। আঘোণ মাহত নতুন ধান কটাৰ পিছত শুভ দিন-বাৰ চাই এই উৎসৱ পালন কৰা হয়। আঘোণ মাহত ন-ধানৰ চাউলেৰে ভাত ৰান্ধি বন্ধু-বান্ধৱ, আত্মীয়-কুটুম, গাঁৱৰ দুই-চাৰিজনক নিমন্ত্ৰণ কৰি সকলোৱে একেলগে এসাজ খাই কৃষিজীৱী লোকসকলে আনন্দ লাভ কৰে। পুহ মাহত ন-খোৱা নহয়। লোক বিশ্বাসমতে, পুহ মাহত লক্ষ্মীদেৱীৰ হেনো দুৰৱস্থা হয়; আনকি লক্ষ্মীৰ বাহন ফেঁচাও লক্ষ্মীক এৰি

দক্ষিণফালে উৰি যায় বুলি কোৱা হয়।

ন-খোৱা উৎসৱৰ দিনা ৰাতিপুৱা ভঁৰালঘৰ (ভাখ্‌ৰী) মচি-কাচি চাফ্-চিকুণ কৰা হয়। দুপৰীয়া চোতালৰ তুলসী তলত ঘৰৰ গিৰিহঁতনীয়ে চাকি-নৈৱেদ্যৰ সহিতে এটা দোণত ন-ধান থৈ লখিমীক সেৱা জনায়। তাৰ পিছত ঘৰৰ বিশেষ ৰাশিযুক্ত লোক এজনে দোণটো ভঁৰালৰ ফালে আগুৱাই লৈ যায় আৰু ঘৰৰ গিৰিহঁতনীয়ে চোঁৱৰ বুলাই মানুহজনক ভঁৰালঘৰলৈ আগবঢ়াই নিয়ে। ইয়াৰ পিছত দোণটো ভঁৰালৰ দুৱাৰ মুখত থোৱা হয় আৰু ঘৰৰ সকলোৱে লখিমীৰ উদ্দেশ্যে সেৱা জনায়। সেৱাৰ অন্তত প্ৰথমে দোণৰপৰা তিনি আঁজলি ধান ভঁৰালত ভক্তিভাৱে থৈ বাকী ধান অন্য পাত্ৰৰে থোৱা হয়। ইয়াৰ পিছত তুলসী তলত দিয়া নৈৱেদ্যৰ মাহ-প্ৰসাদ, ন-চাউলৰ পৰমান্ন আদি ভগাই খোৱা হয়। নিশা সকলোৱে মিলি ন-ধানৰ চাউলেৰে ভাত ৰান্ধি আনন্দেৰে খায়। কোনো কোনো ঠাইত আকৌ দিনৰ ভাগতেই ভাত সাজ খায়। ন-চাউলৰ পিঠা-পনা কৰি গুৰু-ভকতলৈকো আগবঢ়োৱা হয়। নবান্ন উৎসৱৰ দিনা কোনো কোনো ঠাইত তিৰোতাসকলে লখিমী আদৰা নাম গায় আৰু উৰুলি দিয়ে। কিছুমানে লখিমীক আদৰাৰ উদ্দেশ্যে মাংগলিক চিনস্বৰূপে পদুলিমুখত কলপুলিও পোতে। এনেদৰে অসমীয়া কৃষিজীৱী লোকসকলে আড়ম্বৰপূৰ্ণভাৱে নবান্ন বা ন-খোৱা ন-উৎসৱ পালন কৰি নতুন উদ্যমেৰে, ন-উৎসাহেৰে কৃষিকৰ্মৰ সৃষ্টিক আদৰণি জনাই নৱ-প্ৰেৰণা লাভ কৰে।

বি. ভ.

।। নগাঁও ন থানৰ মৃন্ময় ভাস্কৰ্য ।।

নগাঁও ন-থানৰ পুৰণি মন্দিৰৰ ধ্বংসাৱশেষত একেলগে ভালেখিনি মৃন্ময় ভাস্কৰ্য উদ্ধাৰ হোৱাটো তাৎপৰ্যপূৰ্ণ। ফলকত উদ্‌গত মূৰ্তিবোৰলৈ লক্ষ্য কৰি পুৰাতত্ত্ববিদ ড° প্ৰদীপ শৰ্মাই সিবোৰক কেইটামান ভাগত ভগাইছে- ১. দেৱ-দেৱীৰ মূৰ্তি, ২. কৃষ্ণলীলা সম্পৰ্কীয় মূৰ্তি, ৩. নৰমূৰ্তি, ৪. অপাৰ্থিৱ জীৱৰ মূৰ্তি, ৫. জন্তু আৰু চৰাইৰ মূৰ্তি, ৬. গছ আৰু ফুলৰ নক্সা। দেৱমূৰ্তিৰ ভিতৰত গনেশ, আঁঠুৰ ওপৰত হিৰণ্যকশিপুক লৈ থকা নৰসিংহ, ছয়হতীয়া নটৰাজ, মূৰত ফণা থকা নাগৰাজ প্ৰভৃতি উল্লেখযোগ্য। কৃষ্ণলীলা বিষয়ক মূৰ্তিৰ ভিতৰত একমাত্ৰ পুতনাৰ মূৰ্তিটোহে ধৰিব পাৰি। নৰমূৰ্তিৰ ভিতৰত দ্বাৰপালৰ কেবাখন, দুই শংখবাদকৰ এখন, নৃত্য-ভংগীমাৰ এখন আৰু হাতীৰ লগতে চিকাৰীৰ কেবাখনো ফলক দেখা যায়। অপাৰ্থিৱ জীৱৰ ভিতৰত কীৰ্তিমুখ আৰু হাতীৰ শুঁড়যুক্ত সিংহৰ ফলক দুখনি উল্লেখযোগ্য। জীৱ-জন্তুৰ ভিতৰত কাছ, ঘোঁৰা, ছাগলী, বান্দৰ, ম'হ, ষাঁড়, সিংহ আৰু হৰিণৰ নাম একে উশাহতে ল'ব পাৰি। চৰাই ভিতৰত কুকুৰা আৰু হাঁহৰ নাম উল্লেখনীয়। এখনি ফলকত উদ্‌গত কলগছডাল মনোৰম।

কেইখনমান ফলকত আছে কলাসন্মত অষ্টদল বিশিষ্ট পদ্ম। এই পোৰা মাটিৰ ভাস্কৰ্যসমূহত গুপ্ত ভাস্কৰ্যৰ একাধিক বৈশিষ্ট বৰ্তমান।

(কামপুৰ অধিবেশনৰ স্মৃতিগ্ৰন্থ কপিলীত প্ৰকাশিত ড° প্ৰদীপ শৰ্মাৰ কপিলীপৰীয়া ঐতিহ্য নিবন্ধৰ আধাৰত যুগুতোৱা)। না. দা.

।। নগাঁও যোগীযানৰ মৃন্ময় ভাস্কৰ্য ।।

অসমৰ বিভিন্ন স্থানৰ দৰে নগাঁও যোগীজানতো কেবাখনো অনুপম প্ৰাক্ আহোম যুগীয় মৃন্ময় ফলক উদ্ধাৰ হৈছে- তাৰে কেইখনিমান অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষিত। এই সংগ্ৰহৰ ভিতৰত বাঁওহাতে গমনৰত ধনুধাৰী এজনৰ (২৬ × ২৪.৫ ছে.মি.) মূৰত বিচিত্ৰ পাগুৰি, পিঠিত টুন আৰু ধনু বিদ্যমান। আন এখনি ফলকত দেখা যায়— দুটি নৰ-নাৰী; পুৰুষজন ললিতাসন ভংগীত বহি আছে। তেওঁৰ উত্তোলিত লিংগ বিৰাজমান। ইয়াৰে আন এখনি ফলকত (২৭.৫ × ২২.৫ ছে.মি.) আছে দুটি নৰ-নাৰী। ইয়াৰো উত্তোলিত লিংগৰ-পুৰুষজন ললিতাসন ভংগীত থকা। পুৰুষজনৰ সোঁকাষে সোঁবাহু ভাঙি বাঁওহাত তললৈ ৰাখি বহা নাৰীজনীক দেখা যায়। এই মূৰ্তি যুগলক শিৱ-পাৰ্বতীৰ প্ৰতিমা বুলিব পাৰি। যোগীযানত প্ৰাপ্ত মধ্যযুগীয় মৃন্ময় ভাস্কৰ্যৰ ভিতৰত গজলক্ষ্মীৰ প্ৰতিমাখনি (২৮ × ২৩.৫ ছে.মি.) মনোৰম। বিশ্বপদ্মৰ ওপৰত ললিতাসনত সমাসীন দ্বিহস্তা দেৱীক ওপৰলৈ শুঁড় তুলি দুটা হাতীয়ে পানীৰে গা ধুৱাই থকা দৃশ্যটি চকুত লগা। উক্ত গজলক্ষ্মীৰে ভালেখিনি সাদৃশ্য থকা টেৰাকটা গজলক্ষ্মীৰ মূৰ্তি এটি গোৱালপাৰাৰপৰা সংগ্ৰহ কৰি ৰাজ্যিক সংগ্ৰহালয়ৰ বীথিকাত ৰখা হৈছে।

না.দা.

।। ন-গাখীৰ লগোৱা ।।

শোণিতপুৰ জিলাৰ বৰঙাবাৰী অঞ্চলৰ অধুনালুপ্ত এটি সকাম আছিল ন-গাখীৰ লগোৱা।। সৰু ল'ৰা-ছোৱালীয়ে আগ্ৰহেৰে বাট চাই থকা এই সকামটো গৰু পোৱালী জগাৰ পিছত পতা হয়। জগাৰ সাতদিনলৈকে গাই খীৰোৱা নহয়-যাতে পোৱালীয়ে পৰ্যাপ্ত পৰিমাণে কলেষ্টাম যুক্ত গাখীৰ খাই তজবজীয়া হৈ উঠে। প্ৰথম গাই খীৰাই গোহালিঘৰ পৰিষ্কাৰ কৰি তাতে সেই গাখীৰেৰে পায়স ৰন্ধা হয়। ল'ৰা-ছোৱালীক ভকত জ্ঞান কৰি সেই ঠাইতে পায়স গোপাল কৃষ্ণৰ উদ্দেশ্যে আগবঢ়াই দিয়া হয়। শিশু সকলেও গাই- দামুৰী কুশলে থাকিবলৈ আশীৰ্বাদ দি পায়স খায়। ইয়াৰ পিছদিনাৰ পৰাহে সেই গাইৰ গাখীৰ গৃহস্থই ঘৰত ব্যৱহাৰ কৰে।

সো. বু.

।। নংক্ৰেম ।।

নংক্ৰেম খাছীসকলে পালন কৰা এটি নৃত্যপ্ৰধান জনপ্ৰিয় উৎসৱ। এই উৎসৱ অতি

পুৰণি কালৰপৰাই পৰম্পৰাগতভাৱে খাছীসকলৰ এটি সম্প্ৰদায়ে পালন কৰি আহিছে। এই সম্প্ৰদায়টো হ'ল ছিয়েম সম্প্ৰদায়। এই সম্প্ৰদায়টোৱে মে', জুন নাইবা জুলাই মাহৰ কোনো এটি সময়ত একে লেথাৰিয়ে পাঁচদিন ধৰি নংক্ৰেম উছৱ পালন কৰে। এই উছৱত নৃত্যকে প্ৰধান্য দিয়া হয় আৰু উছৱৰ আটাইকেইদিন নৃত্য একেৰাহে চলি থাকে। এইদৰে চলা নৃত্যকে নংক্ৰেম নৃত্য বোলা হয়। নংক্ৰেম নৃত্য আৰু উছৱৰ যোগেদি খাছীসকলৰ কৃষিৰ অধিষ্ঠাত্ৰী দেৱী পৃথিৱীক প্ৰাৰ্থনা জনোৱা হয়। লগতে এই উছৱত তেওঁলোকে পূৰ্বপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে আৰু মানুহৰ মঙ্গল আৰু কৃষিৰ উন্নতিৰ বাবে প্ৰকৃতিৰ ওচৰতো মিনতি জনায়। লোক বিশ্বাসমতে নংক্ৰেম উছৱ পালন নকৰিলে মানুহৰ অপায়-অমঙ্গল হোৱাৰ উপৰি সমাজত দুৰ্যোগ উপস্থিত হয়। সেয়ে উছৱ ধৰ্মমূলক হোৱাৰ লগতে লৌকিক বিশ্বাসৰ ওপৰতো বহুপৰিমাণে প্ৰতিষ্ঠিত।

নংক্ৰেম নাচ খাছীসকলৰ ছোৱালীবোৰেহে নাচিব পাৰে যদিও ডেকাসকলেও আজিকালি এই নৃত্যত অংশগ্ৰহণ কৰা দেখা যায়। নাচনীসকলে পাট-মুগাৰ পোছাক পৰিধান কৰে। তেওঁলোকে গলত সোণৰ মোহৰযুক্ত এবিধ বিশেষ ধৰণৰ কণ্ঠহাৰ, হাতত বিভিন্ন ধৰণৰ খাৰু, কাণত জাতীয় অলংকাৰ আৰু মূৰত এবিধ ৰূপৰ মুকুট পিন্ধি সুসজ্জিত হয়। তদুপৰি বাউসিত এবিধ ৰূপৰ খাৰু পিন্ধে। নাচনীসকলৰ দৰে নাচত অংশ গ্ৰহণ কৰা ল'ৰাবোৰেও সুন্দৰ পোছাক পৰিধান কৰে। নংক্ৰেম নৃত্য ধীৰ গতিত চলে। নাচনীসকলে ভৰিৰ আঙুলি বিশেষকৈ বুঢ়া আঙুলিটোৰ ওপৰত ভৰ দি মাটি খুচি খুচি ভৰি দুখন চলাই চলাই সমগ্ৰ নৃত্য ক্ষেত্ৰ ঘূৰি ফুৰে। এয়ে নংক্ৰেম নাচৰ ঐতিহ্য। খাছীসকলৰ নংক্ৰেম উছৱ আৰু নৃত্যৰ লগত অসমীয়া বিহু উৎসৱ আৰু বিহুনাচৰ কিছু মিল থকাটো পৰিলক্ষিত হয়। সেইফালৰপৰা এই উছৱক অসমীয়া আৰু খাছীসকলৰ মিলন সেতুৰ অপূৰ্ব নিদৰ্শন বুলি ক'ব পাৰি।

বি. ভ.

।। নদ্ৰাং।।

পাহাৰীয়া বিভিন্ন জনজাতীয় লোকৰ লেখীয়াকৈ উত্তৰ কাছাৰত বসবাস কৰা ডিমাছাসকলৰো প্ৰতিখন গাঁৱৰ সমাজত একোটাকৈ বেৰহীন দীঘল ঘৰ দেখা যায়। তাৰ নাম নদ্ৰাং বা ডেকা চাং। অৱশ্যে আনৰ দৰে নদ্ৰাংসমূহ চাং ঘৰত সজা নহয়, মাটিক ভেটি কৰি সজা ঘৰহে। গধূলি গাঁৱৰ ডেকাসকল এই ঘৰটোলৈ আহি ৰং-ৰহইচ কৰি ৰাতিটো কটায়। দূৰ-দূৰণিৰ আলহী-অতিথি আহিলে তাত নিশা যাপন কৰে। নদ্ৰাঙৰ বাহিৰত পেলাই থোৱা বহাৰ উপযোগী ডাঙৰ কাঠডালৰ নাম কামদিং। তাত সকলোৱে বহিব পাৰে। বিগত কালত নদ্ৰাঙৰ ডেকাসকলে গাঁওৰক্ষী বাহিনীৰ কামযেৰা

সম্পাদন কৰিছিল। ধৰ্মেশ্বৰ দুৱৰাৰ ভাষাত, 'অতীজৰপৰা নানা জাতিৰ আক্ৰমণ আৰু জীৱ-জন্তুৰ আক্ৰমণক প্ৰতিহত কৰিবৰ বাবে নম্ৰাঙৰ জৰিয়তে ডেকাসকল একগোট হৈ সাজু হৈ থাকে। সেই প্ৰথা আজিও জীয়াই আছে। তেওঁলোকে এই প্ৰথাৰ জৰিয়তে গাঁওবাসীক খেতি-বাতি, বিয়া-সবাহ, উৎসৱ-পাৰ্বণ, বিপদ-আপদ সকলোতে সহায়-সহযোগ আগবঢ়ায়। নৃত্য-গীত, বাদ্য-বাদন, বাঁহ-বেতৰ কাম, খেল-ধেমালি আদিৰ প্ৰশিক্ষণ আৰু সামাজিক শিক্ষাৰ থলী হিচাপে নম্ৰাঙৰ গুৰুত্ব লেখত ল'বলগীয়া।'

( ধৰ্মেশ্বৰ দুৱৰাৰ উত্তৰ কাছাৰ পাহাৰৰ লোকসংস্কৃতিৰ আধাৰত যুগুতোৱা)

না. দা.

।। নন্দোৎসৱ ।।

ভগবান শ্ৰীকৃষ্ণৰ জন্ম আৰু জাতকৰ্মক লৈ সমগ্ৰ অসমত তিনিটা উৎসৱ আজিও প্ৰচলিত - জন্মাষ্টমী, নন্দোৎসৱ আৰু পঁচতি। জন্মাষ্টমীৰ পিছদিনা ৰাতিপুৱাৰেপৰা সত্ৰ-নামঘৰত অনুষ্ঠিত হয় - নন্দোৎসৱ। ল'ৰা-ছোৱালীসকলে সেইদিনা বোকা-ভাওনা বা পেক যাত্ৰা কৰে। অৱশ্যে বোকাৰ লগত গোবৰ অথবা আনদ্ৰব্য মিশ্ৰণ কৰাৰ নিয়ম নাই। তিৰোতাসকলক বোকা দিয়া নহয়। কোনো কোনো কীৰ্তন-ঘৰৰ চোতালত পৰ্যাপ্ত পৰিমাণে মিঠাতেল ঢালি ঠাইডোখৰ পিছল কৰি লৈ ইজনে-সিজনক পিছলাই পেলাই ধেমালি কৰে। দক্ষিণ কামৰূপৰ ৰাজাপুখুৰী সত্ৰত পালন কৰা নন্দোৎসৱ তাৎপৰ্যপূৰ্ণ। তাত কীৰ্তন-ঘৰৰ চোতালৰ মাটি চহাই বোকা কৰি ৰাইজ বোকাত লুতুৰি-পুতুৰি হৈ তাল-নাগাৰাৰ চেৱে চেৱে নৃত্য কৰে - ব্ৰজবাসীসকলে কৰা হৰ্ষোল্লাসৰ স্মৃতি মনত পেলায়। নন্দোৎসৱৰ বোকা-ভাওনাৰ অনুৰূপ অনুষ্ঠান গুজৰাটতো দেখা যায়।

না. দা.

।। নৰকাসুৰ পাহাৰত প্ৰাপ্ত বিষ্ণুৰ ধাতৱ মূৰ্তি ।।

গুৱাহাটীৰ নৰকাসুৰ পাহাৰত পাঁচোটা ভগৱান শ্ৰীকৃষ্ণৰ ধাতৱ মূৰ্তি উদ্ধাৰ হৈছে। ইয়াৰে প্ৰথমটো মূৰ্তিত (২৬ × ১০ ছে. মি.) দেৱতাজনাই দ্বিপদ্মপীঠৰ ওপৰত সমপাদ স্থানক ভংগীত আছে। তেওঁৰ সোঁফালৰ সমুখ আৰু পিছৰ হাতদুখনত যথাক্ৰমে পদ্ম আৰু শংখ। বাঁওফালৰ সমুখ আৰু পিছৰ হস্তদ্বয়ত যথাক্ৰমে চক্ৰ আৰু গদা বৰ্তমান। কিৰীটি, হাৰ, উপবীত, কেয়ুৰ আৰু কটিবস্ত্ৰ শোভিত বিষ্ণুদেৱৰ পশ্চাৎপটত সুস্পষ্ট প্ৰভামণ্ডল আৰু পীঠৰ তলত অঞ্জলি মুদ্ৰাত গৰুড়। শৈলীৰ ফালৰপৰা এই প্ৰতিমাখনি নিঃসন্দেহে খ্ৰীষ্টীয় নৱম শতাব্দীৰ। উক্ত স্থানত প্ৰাপ্ত দ্বিতীয়খন বিষ্ণু মূৰ্তি যথেষ্ট সৰু। চতুৰ্ভুজ মূৰ্তিটোৰ দুয়োফালৰ সমুখ হস্তদ্বয় গদা আৰু চক্ৰৰ ওপৰত সংস্থাপিত। গতানুগতিক অংলকাৰৰ উপৰি উত্তৰীয় বস্ত্ৰৰ অৱস্থিতি আৰু প্ৰভামণ্ডল সুশোভিত আলোচিত

প্ৰতিমাখনিও নৱম খ্ৰীষ্টাব্দৰ পৰৱৰ্তী নহয়। উক্ত স্থানত প্ৰাপ্ত তৃতীয়টো বিষ্ণুমূৰ্তি সমপাদ স্থানক ভংগীত দ্বিদল পদ্মৰ ওপৰত দণ্ডায়মান। দক্ষিণ ফালৰ সমুখ হাতৰপৰা যথাক্ৰমে চাৰিখন হাতত শংখ, গদা, চক্ৰ আৰু পদ্ম বিদ্যমান। পিছফালে আধাৰৰ ওপৰত আছে মনোৰম প্ৰভামণ্ডল। কিৰীটি, কুণ্ডল, হাৰ আৰু উপবীত শোভিত মূৰ্তিটোৰ সমুখত গৰুড়ক দেখা যায়। বিশেষজ্ঞসকলে এই প্ৰতিমাখনি একাদশ-দ্বাদশ খ্ৰীষ্টাব্দৰ সম্পদ ৰূপে স্বীকৃতি দিছে। উপৰ্যুক্ত স্থানত আন দুটি বিষ্ণু মূৰ্তিও পোৱা গৈছে। ইয়াৰে প্ৰথমটিৰ (১৫ × ১০ ছে.মি.) চতুৰ্ভুজৰ তলৰ হাতদুখন ভঙা। বাঁওফালৰ উৰ্ধবাহুত চক্ৰ; সোঁফালৰ উৰ্ধবাহুত হয়তো শংখ আছিল। বনমালা আৰু পশ্চাৎপটৰ প্ৰভামণ্ডলৰ সৌন্দৰ্য চাই এই অৰ্ধভগ্ন প্ৰতিমাখনিৰ বাসুদেৱৰ প্ৰতিমাৰূপে সাব্যস্ত কৰিব পাৰি। দ্বিতীয়খনি ধাতৱ প্ৰতিমাৰ (২৬ × ১০ ছে.মি.) মাত্ৰ বাঁওফালৰ উৰ্ধবাহুহে দৃশ্যমান। আলোচিত দুয়োখনি অৰ্ধভগ্ন ধাতৱ প্ৰতিমাই প্ৰাক্ আহোম যুগৰ।

না.দা.

।। **নলবাৰীৰ ৰাস** ।।

শৰৎকালৰ জ্যোৎস্না পুলকিত, প্ৰাণোচ্ছ্বল পূৰ্ণিমা ৰাতিত অসমৰ বিভিন্ন প্ৰান্তৰ দৰে নলবাৰীতো শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য বিজড়িত ৰাসলীলা উদ্‌যাপিত হৈ আহিছে। ১৯৩৩ চনৰপৰা বৰ্তমানলৈকে তিনিকুৰি পোন্ধৰ বছৰ কাল অবিৰত ভাৱে উদ্‌যাপিত হৈ জনপ্ৰিয়তাৰ শীৰ্ষবিন্দুত স্থাপিত হোৱাৰ বাবে এই উৎসৱটোৱে সম্প্ৰতি মহোৎসৱলৈ উন্নীত হৈছে।

বৰ্তমান নলবাৰীৰ ৰাসোৎসৱ উদ্‌যাপিত হয় ১৯৪৩ চনত নিৰ্মাণ কৰা ঐতিহ্যমণ্ডিত হৰিমন্দিৰ প্ৰাংগণত। ইয়াৰ আগতে আৰম্ভণিৰপৰা ১৯৪৫ চনলৈকে এই ৰাস মহোৎসৱটো নলবাৰী চহৰৰ পুৰণা হাটখোলাত উদ্‌যাপিত হৈছিল। অমৰ কুণ্ডু, নৰেন বসু, গদামল্ল বৰুৱা, বাতিৰাম ডেকা আদি আশাশুধীয়া ব্যক্তিসকলৰ প্ৰচেষ্টা আৰু তৎপৰতাত পোনতে নলবাৰীত এই উৎসৱটোৰ শুভাৰম্ভ হৈছিল। প্ৰথমাৱস্থাত নলবাৰী ৰাসোৎসৱ তিনিদিনীয়াকৈ উদ্‌যাপন কৰা হৈছিল আৰু গ্ৰাম্যাঞ্চলৰ লোকসকলে সেই উৎসৱত পৰম উৎসাহেৰে সহযোগ কৰিছিল। সেই সময়ত ৰাসোৎসৱত বিশেষ জাক জমকতা নাছিল যদিও মানুহৰ মাজত অফুৰন্ত আন্তৰিকতা আছিল। ১৯৪৬ চনত ৰাসলীলাৰ স্থান হৰিমন্দিৰ প্ৰাংগণলৈ স্থানান্তৰিত কৰাত এই মহোৎসৱটোৱে এক নতুন মাত্ৰা আৰু আয়তন লাভ কৰিলে। বৰ্তমান এই ৰাস মহোৎসৱ এঘাৰদিনীয়াকৈ উদ্‌যাপন কৰা হয়। মূল পূজা মণ্ডপ আৰু তাৰ চৌদিশে শ্ৰীকৃষ্ণ আৰু গোপ গোপীসকলৰ মৃৎ মূৰ্তিবোৰ অতি সুন্দৰকৈ জাকজমকতাৰে সজোৱা হয়। ৰামায়ণ, মহাভাৰত, পুৰাণ প্ৰসিদ্ধ ঘটনা আৰু চৰিত্ৰৰ আধাৰত নানান মৃৎ মূৰ্তি তৈয়াৰ কৰি হৰিমন্দিৰ প্ৰাংগণৰ চৌদিশে নিয়াৰিকৈ সজাই

তোলা হয়। প্ৰযুক্তিগত কৌশল আৰু বিজুলীবাতিৰ সংযোজনে ৰাসোৎসৱক এক চমৎকাৰিত্ব প্ৰদান কৰিছে। উৎসৱৰ দিনকেইটাত অহৰ্নিশে ওজাপালি, ঢুলীয়া ভাওনা আদি অনুষ্ঠানৰ উপৰিও বিভিন্ন প্ৰতিষ্ঠিত যাত্ৰাদলৰ যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হয়। নলবাৰী ৰাসৰ অন্যতম আকৰ্ষণ হ'ল ভ্ৰাম্যমান নাট্যদল আৰু মেলা। বিগত কেইবছৰমানৰ পৰা ভ্ৰাম্যমান নাট্যদলসমূহ ৰাস মহোৎসৱৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। প্ৰায় পাঁচ ছয়খনমান ভ্ৰাম্যমান নাট্যদলে ৰাসোৎসৱত নাট প্ৰদৰ্শন কৰি আহিছে। দৰ্শকৰ ভিৰৰ বাবে একোখন নাটৰ তৃতীয় দৰ্শনী পৰ্যন্ত হোৱা দেখিবলৈ পোৱা যায়। ইয়াৰ মেলাত যাদু, চাৰ্কাছ, খেল-ধেমালি আদি প্ৰদৰ্শন কৰা হয়। বিভিন্ন ধৰণৰ প্ৰসাধন সামগ্ৰী, বাচন-বৰ্তন, খেলৰ সঁজুলি, দৈনন্দিন জীৱন- নিৰ্বাহৰ কাৰণে প্ৰয়োজনীয় সা-সঁজুলি আদিৰ দোকানেৰে ৰাসমেলা উপচি পৰে। বিভিন্ন ধৰ্মাৱলম্বী লোকেও অতি আগ্ৰহেৰে একান্ত আন্তৰিকতাৰে অংশগ্ৰহণ কৰা হেতু নলবাৰীৰ ৰাস মহোৎসৱক ধৰ্মীয় তথা সাম্প্ৰদায়িক সংহতি আৰু সম্প্ৰীতিৰ এক জীৱন্ত প্ৰতীকৰূপে অভিহিত কৰা হৈছে।

(অসমীয়া প্ৰতিদিন কাকতৰ এনাজৰী ৮ নৱেম্বৰ, ২০০৮ত প্ৰকাশিত ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ নলবাৰীৰ ৰাস শীৰ্ষক নিবন্ধৰ আধাৰত যুগুতোৱা)

কি. ক.

।। নাকফুলি ।।

নাকফুলি নাকত পিন্ধা এবিধ ক্ষুদ্ৰ অলংকাৰ। বিবাহিতা-অবিবাহিতা সকলোৱে ইয়াক পৰিধান কৰে। আগৰ দিনত অকল বিবাহিতা মহিলাইহে নাকফুলি ব্যৱহাৰ কৰিছিল। নাকত পিন্ধা অলংকাৰৰ জনপ্ৰিয়তা অত্যন্ত বেছি। ধনী-দুখীয়া, সৰু-ডাঙৰ সকলোৱে ইয়াক পৰিধান কৰে। অঞ্চল বিশেষে ইয়াক নাকফুল, নাকচটা, নাতথাচা, নাকবন্ধা, নলক আৰু নথ নামেৰেও জনা যায়। নাকফুলি আৰু নথ নাকৰ সোঁফালৰ পাহিত ফুটা কৰি নাকৰ ভিতৰফালে সৰু পেঁচ-গজালৰ(স্ক্ৰু) সহায়ত পিন্ধা হয়। নাকফুলটো নাকৰ পাহিৰ সৈতে সুন্দৰভাবে লিপিত খাই থাকে। ই মুখৰ সৌন্দৰ্যবৰ্ধনত সহায় কৰে। নলক পিন্ধা হয় নাকৰ দুয়ো ফুটাৰ মাজৰ বেৰখন ফুটায়। সেইটো ওপৰৰ ওঁঠৰ অলপ ওপৰত পৰি থাকে। ইয়াক সোণ বা ৰূপেৰে গঢ়োৱা হয়। নাকফুলটো লং জাতীয় হ'লে লবংগ বা লুং বুলিও কোৱা হয়। নাকফুলৰ এটা চানেকি হৈছে পদুম ফুল। ছিদ্ৰ কৰি পৰিধান কৰা অলংকাৰবোৰক অভেদ্য অলংকাৰ বোলা হয়। কিছুমানে আঙঠি জাতীয় আৰ্হিত গঢ়ায়ো ইয়াক পৰিধান কৰে। বাখৰ খটুৱায়ো নাকফুলি তৈয়াৰ কৰা হয়। মাজতে ইয়াৰ ব্যৱহাৰ কমি আহিছিল যদিও এতিয়া ইয়াৰ বহুল প্ৰয়োগ হ'বলৈ ধৰিছে। সোণৰ নাকফুলে উশাহ-নিশাহত সেৱন কৰা বায়ু শুদ্ধ কৰি মস্তিষ্কলৈ পঠাই দিয়ে। ফলত মস্তিষ্কই অবিৰত গতিত শুদ্ধ আৰু শীতল বায়ু সেৱন কৰিব পাৰে। ৰূপৰ নাকফুলৰ দ্বাৰাও একে কাৰ্যই সাধিত

হয়। নলকে ঘ্ৰাণ শক্তি বৃদ্ধি কৰে। নাকত পিন্ধা অলংকাৰবোৰে কফৰ বিকাৰৰপৰা ভালেখিনি সকাহ দিয়ে। নাকত পিন্ধা গহনাবোৰে নাকৰপৰা হ'ব পৰা বেমাৰৰপৰা কিছু পৰিমানে পৰিত্ৰাণ কৰে।

প্ৰ.শ. গো.

**।। নাগাৰা ।।**

ফাৰ্ছী নক্কৰা (হি. নগাড়া) শব্দৰপৰা আগত নাগাৰা সৰু দবা আকৃতিৰ আৰু ইয়াক মাৰিৰে আঘাত কৰি বজোৱা হয়। সাধাৰণত ৬০ ছেঃ মিঃ জোখৰ ডিম্বাকৃতিৰ মাটিৰ খোলাটো পাতল চামৰাৰে ছাই সেইখনি বৰতিৰে তলৰপৰা টানকৈ বন্ধা নিয়ম। কোনো কোনো নাগাৰা দলত ডাঙৰ নাগাৰাৰ লগতে সৰু নাগাৰা এটিও বাঁহৰ দুডাল কাঠিৰে বজায়। সৰু নাগাৰাটোৰ নাম কুৰকুৰি। সাধাৰণতে নামনিৰ নাগাৰাবোৰ বৃহৎ আকৃতিৰ আৰু উজনিৰবোৰ অপেক্ষাকৃতভাৱে সৰু। সেইবাবেই বহুতে সিবোৰক বৰ নাগাৰা আৰু সৰু নাগাৰা ৰূপে অভিহিত কৰে। উজনিত বিশ - বাইশ ছেঃ মিঃ জোখৰ দুটা সৰু মুখৰ নাগাৰা একেলগে ৰাখি দুডাল বাঁহৰ মাৰিৰে কোবাই নাম পৰিৱেশন কৰা চকুত পৰে। উজনিৰ ঢুলীয়া-ওজা অনুষ্ঠানৰ মালিতাত নাচ নাগাৰা নামৰ আন এবিধ নাগাৰাৰ উল্লেখ থকাটো মন কৰিবলগীয়া। 'শংকৰে নাগাৰা বজায় পাৰ্বতী নাচয় / সিকাৰণে তাৰ নাম নাচ নাগাৰা হয়।' নাগাৰৰ সৈতে ভোৰতাল সংগত কৰাটো সাধাৰণ নিয়ম।

না. দা

**।। নাঙল-ধোৱা পিঠা ।।**

নাঙল ধোৱা পিঠাৰ প্ৰচলন উজনি অসমতহে বিশেষকৈ দেখা যায়। খেতিয়কে ৰোৱাৰ কাম সামৰি ভাগৰ মাৰিবৰ বাবে এই পিঠা পৰিৱেশন কৰে বুলি বিশ্বাস। নাঙল-ধোৱা নামটোৰ পৰাই বুজিব পাৰি যে হালৰ কাম শেষ কৰি যিদিনা নাঙল ধুই-পখালি খেতিয়কে সুকীয়াকৈ থয় সেই দিনাই পৰিয়ালৰ সকলো মিলি নাঙল ধোৱা-পিঠা তৈয়াৰ কৰে। ঠাই বিশেষে নাঙল-ধোৱা পিঠা তৈয়াৰ কৰা প্ৰণালীও বেলেগ বেলেগ ধৰণৰ হয়।

**প্ৰথম প্ৰণালী ঃ**

**উপকৰণ ঃ** আৰৈ চাউলৰ পিঠাগুড়ি, প্ৰয়োজন অনুসৰি চেনি, গুড় বা নিমখ আৰু পানী।

**প্ৰস্তুত প্ৰণালী ঃ** পিঠাগুড়িখিনিত পছন্দ অনুসৰি চেনি, গুড় বা নিমখ মিহলি কৰি ল'ব লাগে। তাৰ পিছত পানী দি থপ্‌থপীয়াকৈ এটা মিশ্ৰণ তৈয়াৰ কৰি ল'ব লাগে। মিশ্ৰণটোৰে আঙুলিৰ আকৃতিৰ সৰু সৰু বল কৰি উতলা গৰম পানীত বা গৰম পানীৰ ভাপত সিজাব লাগে। সিজোৱা হ'লে ঠাণ্ডা কৰি গৰম গাখীৰত দি বা

এনেয়ে পৰিৱেশন কৰিব পাৰি।

**দ্বিতীয় প্ৰণালী ঃ**

**উপকৰণ ঃ** আৰৈ চাউলৰ পিঠাগুড়ি, চেনি, গুড় অথবা নিমখ, পানী আৰু তৰাপাত।

**প্ৰস্তুত প্ৰণালী ঃ** আৰৈ চাউলৰ পিঠা গুড়ি, চেনি, গুড় বা নিমখ আৰু পানী মিহলাই এটা মিশ্ৰণ তৈয়াৰ কৰিব লাগে। সেই মিশ্ৰণটো তৰাপাতত দীঘলীয়া আকৃতিত বান্ধি বন্ধা টোপোলাবোৰ উতলা গৰম পানীত সিজাব লাগে। সিজোৱা হ'লে পানীৰপৰা তুলি আনি ঠাণ্ডা হ'বলৈ দিব লাগে। ঠাণ্ডা হ'লে গাখীৰ দি বা এনেয়ে পৰিৱেশন কৰিব পাৰি।

আ. ব.

**।। নাঙল-যুঁৱলি ।।**

কৃষিজীৱী সমাজত কৃষকৰ কৃষিকৰ্মৰ প্ৰধান সঁজুলি হ'ল নাঙল- যুঁৱলি। মাটি চহ কৰিবলৈ অত্যাধুনিক আহিলা-পাতিৰ আৱিষ্কাৰ হ'লেও চহা সমাজত গা- গছ বা ডালৰ পৰা তৈয়াৰী বেঁকা নাঙলটিয়েই কৃষকৰ প্ৰধান সাৰথি। গছৰ ভাঁজ থকা ডাল এটা চুচি-চাঁচি লৈ হাতেৰে ধৰিব পৰা হয়। ইয়াক মুঠিয়া বোলা হয়। মুঠিয়াৰেপৰা তলত ভাঁজ অংশলৈকে খুটি বুলি কোৱা হয়। আনটো মূৰে থাকে ফাল । মাটিত চুচৰি যোৱা অংশটো হ'ল আল। আলৰ মূৰত লোহাৰ ফাল লগোৱা থাকে যিয়ে মাটি চহ কৰে। আল আৰু খুঁটিৰ মাজৰ ভাঁজ অংশত ফুটা কৰি এডাল কাঠৰ বা বাঁহৰ মাৰি ভৰোৱা থাকে। ইয়াক ঈহঁমাৰি বা ডলিমাৰি বোলে। ঈহঁ মাৰিৰ মূৰৰ অংশত (নাঙলৰ বিপৰীত ফালে) আল বা খাঁজ থাকে। নাঙলৰ লগত সংলগ্ন এটি আহিলা হ'ল যুঁৱলি। প্ৰায় ৪-৫ ফুট দীঘল গোটা বাঁহ এটুকুৰাৰ দুয়োমূৰে দুটা দুটাকৈ চাৰিটা শ'ল মাৰি থাকে। শ'ল মাৰিত লগোৱা থাকে জোঁট জৰী। (গৰুৰ ডিঙিত যুঁৱলিখন জোঁটিবৰ কাৰণে) যুঁৱলিৰ মাজতে থাকে ছাগলী খুঁটি। ছাগলী খুঁটিত থকা এডাল আওঠা বা আউটজৰী ঈহঁমাৰিৰ খাঁজত সুমুৱাই দিয়া হয়। গৰুৰ ডিঙিত জোঁটি দিয়া যুঁৱলিৰে গৰু আগবঢ়াৰ লগে লগে কৃষকেও নাঙলৰ মুঠিত ধৰি পিছ লয় আৰু নাঙলে মাটি চহ কৰে। ঠাইবিশেষে আৰু মাটিৰ প্ৰকাৰ ভেদে নাঙল আৰু যুঁৱলীৰ আকৃতি ভিন্ ভিন্। বিশেষকৈ হাতী বা এটা ম'হৰে হাল বোৱা যুঁৱলিখনৰ গঠন বেলেগ।

ঐতিহাসিক গৱেষকসকলে নাঙলৰ আৱিষ্কাৰ খ্ৰী. পূ. ৬০০০ বছৰবো অধিক বুলি ঠাৱৰ কৰিছে। ইউৰোপীয় এটা গুহাত অংকিত চাৰিহাজাৰৰ বছৰ পূৰ্বৰ এখন চিত্ৰত দেখা মানুহে টনা চেপেটা ছিদ্ৰযুক্ত শিল এটাত গছৰ ডাল সংলগ্ন কৰাৰ ছবিৰ পৰা নাঙল ব্যৱহাৰৰ তথ্য জনা যায়। যত জন্তুৰ সলনি মানুহে মাটিৰ মাজেদি টানিছিল এডাল পঠালি

শলখা লগায়। খ্ৰী.পূ. ৩০০০ বছৰৰ আগত এক শিলৰ চিত্ৰত দুডাল হেণ্ডেল সংলগ্ন জন্তুৰে টনা নাঙলৰ প্ৰথম স্বাক্ষৰ বহন কৰিছিল-মেছ'পটেমিয়ামত। খ্ৰী.পূ. ২৫০০ বছৰৰ পুৰণি ইজিপ্তৰ চিত্ৰকলাত নাঙল চলাবলৈ দুজন মানুহ প্ৰয়োজন হোৱাৰ কথা পোৱা যায়।

সময়ৰ অগ্ৰগতিৰ লগে লগে নাঙলটোৰ প্ৰয়োগত অনেকে চিন্তাচৰ্চা কৰিছিল। অষ্টম শতাব্দীত নাঙলৰ ফাল অংশত এটা বহল ধাতু পাট ব্যৱহাৰ কৰি মাটি লুটিয়াই যোৱাত ব্যৱহাৰ কৰিছিল। জাৰ্মনীৰ হফমেন (১৭৫২), চুইডেনৰ বাৰ্ক (১৭৫৯), ইংলেণ্ডৰ স্মল আৰু ব্ৰেইলি (১৭৮৪, ১৯৯৫) আদি লোকসকলে বৈজ্ঞানিক পৰ্যবেক্ষণেৰে নাঙলৰ উন্নতি কৰণৰ দিশত যথেষ্ট অৰিহণা যোগাইছিল। ভাৰতীয় মহাকাব্য মহাভাৰতত নাঙলৰ ব্যৱহাৰ কথা পোৱা যায়। নৰ্ডিকসকল গংগা-যমুনাৰ অৱবাহিকা আৰ্যৱৰ্তলৈ আগমণ কৰাৰ পিছতো হলাকৰ্ষণৰ প্ৰমাণ পোৱা যায়। সম্ভৱত নৰ্ডিকসকলেই ভাৰতবৰ্ষত কৃষিকৰ্মৰ সূচনা কৰিছিল নতুবা কোনো নৃগোষ্ঠীয় প্ৰজাতিৰপৰা ধাৰ কৰিছিল। আদিকাব্য ৰামায়ণত মিথিলাৰ ৰজা জনকে যজ্ঞভূমি চহ কৰোঁতে নাঙলৰ সীৰলুত সীতাক পাইছিল। মহাভাৰতত শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ ভাতৃ বলৰামৰ প্ৰধান অস্ত্ৰ হ'ল নাঙল। অৰ্থাৎ নাঙল যাৰ বাবে তেঁৱেই হলধৰ।

নাঙলৰ প্ৰকাৰ দুবিধ। এবিধ চিংফৌ আনবিধ পাতি। অসমৰ কৃষিক্ষেত্ৰত অন্যতম আহিলা নাঙলটো লৈ অনেক সংস্কৃতি, আচাৰ -অনুষ্ঠান গঢ় লৈ উঠিছে। হালজোৰা, নাঙলধোৱা ইত্যাদি। শালি খেতিৰ বাবে উজনি অসমত এডৰা মাটিত পাঁচবাৰকৈ হাল বোৱা হয় আৰু প্ৰত্যেক চাহৰ নাম বেলেগ বেলেগ। প্ৰথম চাহৰ নাম কঢ়োৱা, দ্বিতীয় চাহৰ নাম সমাৰ বোৱা। এই দুই চাহত সাধাৰণতে ফাং নাঙল (একবিশেষ ফালযুক্ত নাঙল) ব্যৱহাৰ কৰা হয়। তৃতীয় চাহৰ নাম মৈ দিয়া। এই চাহত মৈ দি মাটিডৰা সমান কৰা হয়। চতুৰ্থ চাহক কোৱা হয় কঠীয়া তোলা আৰু শেষত চাহ দিয়াৰ পিছত মৈ দি পুনৰ মাটিডৰা সমান কৰা হয়।

নাঙলক লৈ ব্যৱহাৰ হোৱা গীত যোজনা আদি হ'ল ঃ

১. বাটত নাঙল নাচাচিবা / লোকৰ কথা নুশুনিবা।

২. চিত পখিলা তিনি মূৰ দহ ঠেং ক'ত দেখিলা? (সাঁথৰ)

ডাকৰ বচন- নাঙল বলধত সবাৰে আশ/ যাৰ নাই তাৰ সকলে নাশ।।

জেঠমাহ গৈল বিনা লাঙ্গলে/ তেতিয়া কিমতে কিৰিষে ফলে।।

কিৰিষিত যদি কৰিবা মন /হাল গৰু ৰাখি কৰিবা যতন

(দৈনিক জনমভূমিৰ 'দেওবৰীয়া বিবিধ'ৰ পৰা সংগৃহীত।)

গো. সূ.

**।। নাঙেলী গীত ।।**

দৰঙত প্ৰচলিত নাঙেলী গীত কৃষিজীৱী সমাজৰ উৰ্বৰতাৰ প্ৰতীক। নাঙেলী গীতক নাইলেনী বা লাইলাং বুলিও কোৱা হয়। নাঙল কৃষিজীৱী সমাজৰ এক অপৰিহাৰ্য সঁজুলি। হল-কৰ্ষণ আচলতে যৌন আচাৰাদিৰ প্ৰতীক। সেয়ে হল-কৰ্ষণ কৰোঁতাসকলে সচৰাচৰ ব্যৱহাৰ কৰা গীতবোৰকেই নাঙেলী গীত হিচাপে জনাজাত হ'ল। কৃষি কাৰ্যৰ লগত যৌন-সম্পৰ্ক ওতপ্ৰোত। বিশেষকৈ যৌন প্ৰকাশক নৃত্য-গীত-মাতেৰে কৃষিজীৱী সমাজে আই বসুমতীক উৰ্বৰ কৰি তোলাৰ প্ৰৱণতাৰ ফলতেই বিহু নৃত্য-গীত, হুদুম পূজাৰ গীত আদিৰ পৰম্পৰা বিদ্যমান। সেয়ে এই নৃত্য-গীতবোৰ বাহ্যিক দৃষ্টিত অশ্লীল ধৰ্মী। নাঙেলী গীতবোৰ সচৰাচৰ শুদ্ধ আৰু অশুদ্ধ এই দুই ভাগত ভগাব পাৰি। অশ্লীলতাৰপৰা মুক্ত গীতখিনিকেই শুদ্ধ আৰু অশ্লীলযুক্ত গীতখিনিক অশুদ্ধ বোলা হয়। কিন্তু শুদ্ধ গীতৰ সংখ্যা যথেষ্ট কম। মুখ্যতঃ কৃষকসকলে ব্যৱহাৰ কৰা এই নাঙেলী গীতবোৰ লাহে লাহে গৰখীয়াসকলৰ মাজতহে সীমাবদ্ধ হ'ল। উন্মুক্ত গৰুৰ বিচৰণ ভূমিত প্ৰায় নাৰী সংগতিবিহীন জীৱন-যাপন কৰা গৰখীয়াসকলেই এই নাঙেলী গীতবোৰৰ ধাৰক আৰু বাহকৰূপে পৰিগণিত হ'ল। ভগবান শ্ৰীকৃষ্ণই গৰখীয়াৰ ৰূপ ধৰি লগৰীয়াসকলৰ সৈতে গোপিনীসকলক জোকোৱা গীতবোৰকো নাঙেলী বোলা কথাষাৰো তাৎপৰ্যপূৰ্ণ। শ্ৰীকৃষ্ণই নিজেই এই গীতবোৰ লগৰীয়াসকলক শিকাইছিল। নাঙেলী গীততেই এই পৰম্পৰাৰ উল্লেখ আছে, -

বৃন্দাৱনতে কৃষ্ণ গোসাঁই গৰু চাৰে/ লগতে শিশুকে লই।<br>
নন্দেৰ গোৱালী দেখি বনমালী/ মোহন বংশীক বাই।<br>
সকলো শিশুকে একত্ৰিত কৰি/ নাঙেলী গীতকে শিকায়।<br>
সিদিনাৰ পে গৰখীয়া সবে/ নাঙেলী গীত গায়।

বিহুগীতৰ ত্ৰিপদী ছন্দৰ দৰে এই নাঙেলী গীতবোৰৰ সংখ্যা 'ওঠৰ কুৰি' বুলি পৰম্পৰা প্ৰচলিত। কৃষিজীৱী সমাজখনৰ লোক-জীৱনৰ আশা-আকাংক্ষা, কামনা-বাসনা, বিৰহ-ব্যথা নাঙেলী গীতবোৰৰ মাজেদি সুন্দৰ ভাৱে প্ৰকাশ পাইছে। যৌন-আকাংক্ষা ইয়াৰ মূল ভিত্তি। এটি নাঙেলী গীতৰ উদাহৰণ -

ম'হৰ শিং কেঁকোৰা ম'হৰ শিং বেকোঁৰা/ ম'হৰ শিং ভাঙিল ঐ যুঁজত।<br>
অমুকা পৈয়েৰক জোকাই তই নলবি/ ম'হৰ শিং সোমাই দিম 'মুখত'।<br>
(সংশোধিত)

প. বা.

**।। নাটুৱা (নটুৱা নাচ)।।**

অসমত বসবাস কৰা পাতৰ ভূমিজ, মুণ্ডা, ওৰাং প্ৰভৃতি চাহ জনজাতি লোকৰ

মাজত প্ৰচলিত এটি উল্লেখযোগ্য নাচ হৈছে নাটুৱা। চাহ জনজাতিলোকৰ বিয়াত এই নাচ এক আকৰ্ষণীয় বিষয়। তদুপৰি আন আন সামাজিক উৎসৱতো এই নাচ অনুষ্ঠিত হয়।

নাটুৱা জনে ভাওনাত ভাৱৰীয়াই পিন্ধা পোচাক পিন্ধে আৰু মূৰত মুকুট থাকে। ভৰিত পিন্ধে 'ঘুংগুৰ' (জুনুকা)। হাতত লয় ঢাল আৰু তৰোৱাল। নাটুৱাজনে বাদ্য আৰু গীতৰ ছেৱে ছেৱে এক বিশেষ ভংগীৰ নৃত্য পৰিৱেশন কৰে। এই নৃত্যত বজোৱা বাদ্যবোৰ হ'ল— (ক) ভেঁড় (এক বিশেষ ধৰণৰ পেঁপাৰ দৰে বাদ্য, দীঘলে আঠ-দহ হাত) (খ) ঢাক (এবিধ ডাঙৰ আৰু দীঘল ঢোল) (গ) চহনাই (এবিধ পেঁপা; আগ অংশ পিতলৰ আৰু মুখত লগাই বজোৱা অংশ তালপাতৰে তৈয়াৰী) (ঘ) কুৰুধাতু (শিঙাৰ দৰে এবিধ দীঘল বাদ্য)। সাধাৰণতে বৰযাত্ৰীৰ লগত আগে আগে নাটুৱাই নাচি নাচি গৈ থাকে। নাটুৱা কুৰিজন পৰ্যন্ত থাকিব পাৰে। কইনাঘৰীয়া বা আন লোকে বৰযাত্ৰীক আগছিলে নাটুৱাই নৃত্য পৰিৱেশন কৰি দেখুৱাব লাগে। কইনা ঘৰতো নাটুৱাৰ নাচ অনুষ্ঠিত হয়। এই নাচ বৰ্তমান মধ্যপ্ৰদেশ আৰু বিহাৰৰ কোনো কোনো ঠাইত প্ৰচলিত আছে। সেই ঠাইৰপৰা অসমলৈ প্ৰব্ৰজন কৰা উল্লিখিত জনজাতি লোকৰ মাজত এই নাচ প্ৰচলিত। অতীতত এটা জাতিৰ লগত আন এটা জাতিৰ সঘনে যুদ্ধ-বিগ্ৰহ লাগিছিল। এটা জাতিয়ে যুদ্ধলৈ আগবাঢ়ি যাওঁতে নতুবা যুদ্ধজয় কৰি উলটি আহোঁতে যুঁজাৰু দলৰ আগত এনে নাটুৱা দল নিছিল। সেই পৰম্পৰা বৰ্তমান বৰযাত্ৰী আগবাঢ়ি যাওঁতে প্ৰচলিত থকা হৈ ৰ'ল। হাতৰ ঢাল আৰু তৰোৱালৰ জৰিয়তে যুদ্ধ কৰাৰ অংগি-ভংগীয়েই এই নাচৰ বিশেষ মুদ্ৰা। (তেজপুৰৰ চতিয়া অঞ্চলৰ এজন 'নাটুৱা' শ্ৰীযুত জীতবাহন পাতৰৰপৰা বৰ্ণনা আহৰণ কৰা হৈছে।)

গো. সু.

।। নাদু-ভংগি ।।

সত্ৰৰ ন শিকাৰুৱে জয়জয়তে নাদু-ভংগিৰ নাচ শিকে। ইয়াত তিনিজোৰ গোপ-গোপী উলিওৱা নিয়ম। প্ৰথম জোৰা নটুৱাই পিন্ধে কৃষ্ণৰ সাজ, দ্বিতীয় জোৰাৰ নটুৱাই গোপীৰ আৰু তৃতীয় জোৰাই ঝুমুৰৰ সাজ পিন্ধি নাচিবলৈ লয়। নাচৰ ভাগ দুটা - ৰামদানি আৰু গীতৰ নাচ। নাদু-ভংগিৰ সাজ সম্পৰ্কে নাৰায়ণচন্দ্ৰ গোস্বামীদেৱে লিখিছে - 'কঁকালত ৰঙা চুৰিয়া বা পাটৰ চুৰিয়া, ভৰিত নূপুৰ, গাত চুটি হাতৰ বুকুফলা ক'লা চোলা, মূৰত ৰঙা, হালধীয়া বা বগা কাপোৰ। তাৰ ওপৰত বনকৰা নটুৱা টুপী, হাতত বাজু।'

'ৰামদানিত দুখনি তালেৰে বাজনা শেষ কৰা হয়। এই নাচত ৰক্ত তালৰ ব্যৱহাৰ

অপৰিহাৰ্য। শংকৰদেৱৰ কীৰ্তন থাপনিৰ দিনাখন নাদু-ভংগিৰ নৃত্যৰ বাবে শাৰংগ ৰাগত 'অব সখি পেখো মদন গোপাল' গীতটি গাবই লাগিব। গীত শেষ হোৱাৰ লগে লগে নাচৰ ইতি পৰে।

না. দা.

।। নাথ সম্প্ৰদায়ৰ ৰাতি খোৱা সেৱা ।।

অসমৰ নাথ সম্প্ৰদায়ৰ মাজত গুপ্ত ধৰ্মীয় বিধিৰে অনুষ্ঠিত একপ্ৰকাৰৰ সকাম হ'ল ৰাতি খোৱা সকাম। এই অনুষ্ঠানত পৰিয়ালৰ মঙ্গল কামনা কৰি ৰাতিৰ ভিতৰতে ধৰ্মীয় ৰীতিৰে পালন কৰা হয়। দৰাচলতে ৰাতি খোৱা সকাম শিৱৰ উপাসনা অনুষ্ঠান। নাথসকলৰ যিটো সম্প্ৰদায়ৰ মাজত এই সকাম পালন কৰা হয় তাকে ৰাতি খোৱা সম্প্ৰদায় বোলা হয়। এই অনুষ্ঠান পৰিচালনা কৰাৰ বাবে এজন মুখ্য ভকত আৰু তেওঁক সহায় কৰিবলৈ তিনি চাৰিজন আন ভকত থাকে। তেওঁলোকক ছাজনি বোলা হয়। আন ধৰ্মীয় অনুষ্ঠানৰ দৰে ইয়াতো ধুপ-ধুনা, চাকি আৰু নৈবেদ্যৰ লগতে আন অনুষ্ঠানত প্ৰয়োগ নোহোৱা হাঁহ, কুকুৰা, পাৰ , গাহৰি আদি প্ৰয়োজনীয়। তাৰ ভিতৰৰ এযোৰ চৰাই শুদ্ধ বগা হ'ব লাগে। সকামৰ আসন পাতিবলৈ দুখন চতাই ব্যৱহাৰ কৰা হয়। এখন চতাইৰ চাৰিকোণত চাৰিযোৰ আৰু মাজত এবটা তামোল-পাণ দি আসন পতা হয়। আনখনত তামোল-পাণ এবটা দি দুয়োখনৰ মাজত আগলতি কলপাতত নৈবেদ্য এখন আগবঢ়োৱা হয়। দুটা বাতিত মদ দুবাতি আগবঢ়াই আসনৰ আগত বগা কাপোৰেৰে ঢাকি স্থাপন কৰা হয়। দুটা দোণত সান্দহো আসনত আগবঢ়োৱা হয়। ছাজনিয়ে গাহৰি আৰু পখীৰ মাংসে ভাগে ভাগে নীতি নিয়মৰ মাজেৰে ৰন্ধা বঢ়া কৰে। ইয়াকে সাঁজ বোলে। ৰাতি খোৱা প্ৰথা বিভিন্ন প্ৰকাৰৰ। ৰবসাজ বা ৰবসেৱা, ডাঙৰীয়া সকাম, অকলশৰীয়া ডাঙৰীয়া সকাম, গুড়াভঙা সকাম আদি। ৰাতিখোৱা সকামৰ বিভিন্ন ভাগ। ৰাতিখোৱা সকাম পৰিচালিত কৰে মুখ্য ভকতে গীতৰ জৰিয়তে। গীতৰ জৰিয়তে পূজাথলী বান্ধি লোৱা হয়। তাৰ পিছত ভূমি শুচি কৰিবলৈ গীত পৰিবেশন কৰা হয়। এনেদৰে নিৰ্দিষ্ট ৰীতি-নীতিৰ মাজেৰে ৰাতি খোৱা সকাম অনুষ্ঠানটো ৰাতিৰ ভিতৰতে গুপ্ত ভাৱে অনুষ্ঠিত কৰা হয়।

বি. পা.

।। নামঘৰ ।।

নামঘৰ অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ অনবদ্য অৱদান। অসমীয়া সংস্কৃতিলৈ নামঘৰৰ অৱদান অপৰিসীম। অসমীয়া সংস্কৃতিত নামঘৰৰ স্থান কেৱল ঈশ্বৰৰ উপাসনাৰ স্থলীয়েই নহয়; অসমীয়া ধৰ্মীয় তথা সামাজিক বান্ধোনকো সুদৃঢ় কৰাৰ অন্যতম কৰ্মক্ষেত্ৰ হ'ল নামঘৰ। নামঘৰেই অসমীয়া সংস্কৃতি সংৰক্ষণৰ থল। নামঘৰৰ মজিয়াত

অনুষ্ঠিত হয় সামাজিক তিথি মহোৎসৱ, সবাহ, ভাওনা আৰু সেইখন মজিয়াতে বহি জ্যেষ্ঠজনে বাদ-বিবাদৰ বিচাৰ কৰে। এতিয়াৰ গণতন্ত্ৰৰ বীজ তাহানি নামঘৰেই অসমীয়া সমাজত সিঁচিলে। অসমীয়া সংস্কৃতিৰ এই অনুপম অনুষ্ঠানটিৰ নিৰ্মাণ শৈলীত নিৰ্দিষ্ট বৈশিষ্ট্য কিছুমান পৰিদৃশ্যমান । নামঘৰৰ পূৱ দিশত লগালগিকৈ এটি পৃথক সৰু গৃহ থাকে। এই গৃহক মণিকূট বোলা হয়। মণিকূটত গুৰুআসন প্ৰতিষ্ঠা কৰা হয়। মণিকূটৰ আসনতে ভক্তগণে পৰমেশ্বৰ ভগৱান অধিষ্ঠিত বুলি ভাৱি গুৰুআসনত সেৱা লয়। নামঘৰত কেৱল পুৱা-গধূলি প্ৰসংগ কৰা হয়। গুৰুআসনৰ বন্তি প্ৰজ্বলনেৰে নাম-প্ৰসংগৰ আৰম্ভণি কৰা হয়। অসমীয়া সামগ্ৰিক জাতীয় সংস্কৃতিৰ উৎকৰ্ষৰ কেন্দ্ৰস্থলী নামঘৰৰ আৰ্হি নিৰ্মাণত শংকৰদেৱে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন অনুষ্ঠানৰ আদৰ্শ গ্ৰহণ কৰিছিল। অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰা জনজাতিসমূহৰ ডেকাচাং, মৰংঘৰ তথা ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মানুষ্ঠান বিশেষকৈ বৌদ্ধ বিহাৰ আদিৰপৰা নামঘৰৰ গৃহসজ্জাৰ আৰ্হি গ্ৰহণ কৰিছিল। আমাৰ ঐতিহ্য পৰম্পৰাক ৰক্ষা কৰি সেইবোৰৰ বিষয়ে আমাৰ উত্তৰ প্ৰজন্মক জ্ঞান দিবলৈ নামঘৰসমূহক সংস্কাৰমুখী, সাংস্কৃতিক কাৰ্যসূচীৰে জীয়াই ৰখাৰ প্ৰয়াস আমি কৰিব লাগিব।

বি. পা.

।। নামডুমডুমীয়া সত্ৰৰ আহিনী মেলা।।

ভক্তি পৰম্পৰাৰে মুখৰ এটি পবিত্ৰ অনুষ্ঠান নামডুমডুমীয়া সত্ৰৰ আহিনী মেলা। আহিন মাহৰ কৃষ্ণা চতুৰ্থীত তিনিদিনীয়াকৈ এই মেলাৰ আয়োজন কৰা হয়। আহিনী মেলাৰ মুখ্য আকৰ্ষণ সমূহীয়া ভাওনা। আহিনী মেলাৰ তিনিও দিন বিভিন্ন ঠাইৰপৰা অহা জন সমাবেশেৰে ডুমডুমীয়া সত্ৰ উৎসৱ মুখৰ হৈ থাকে। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ তিথিৰ দিনা আহিনী মেলাৰ শুভাৰম্ভ হয়। সেইদিনাখন গাঁৱৰ লোকসকলে নিজৰ নিজৰ ঘৰৰ লাও, কোমোৰা, মাটি মাহ আদি নামঘৰৰ ভঁৰালীক অৰ্পণ কৰে। সন্ধিয়া সকলোবোৰ বস্তু ৰাইজৰ মাজত ভঁৰালীয়ে সমপৰিমাণে বিতৰণ কৰে। ইয়াকে নামডুমডুমীয়া সত্ৰৰ লাওভোজনী বোলা হয়। নিশালৈ প্ৰতিগৰাকী নামডুমডুমীয়াবাসীয়ে লাওভোজনীৰে এসাজ তৃপ্তিৰে খায়। দ্বিতীয় দিনা, কৃষ্ণা চতুৰ্থীৰ দিনা মেলাৰ মুখ্য আকৰ্ষণ হ'ল- সেইদিনা পুৱাৰ প্ৰসংগেৰে আধ্যাত্মিক বাতাৱৰণৰ সৃষ্টি কৰি মেলাৰ পাতনি তৰা। দুপৰীয়া নাম কীৰ্তন, বৈকুণ্ঠৰ অমৃত প্ৰসাদ বিতৰণ, বিয়লি প্ৰসংগ আৰু সন্ধিয়া ভাওনাৰ আয়োজনত সকলো ব্যস্ত হৈ পৰে। গাঁওখন বৰধেমালি, সৰু ধেমালি, ন-ধেমালি, বৰপেটা ধেমালি আৰু পৰৱৰ্তী স্তৱৰ ভাওনাৰে ৰজন জনাই উঠে। মেলাৰ তৃতীয়দিনা দিনতেই ভাওনাৰ আয়োজন হয়। বধকাব্যৰ আধাৰত গাঁৱৰ চেমনীয়াসকলে ভাওনা পাতে। এই ভাওনাই ৰাজ পথো স্পৰ্শ কৰে। সন্ধিয়া ভাওনাৰ

অন্ত পৰে। নামডুমডুমীয়া সত্ৰৰ আহিনী মেলাই ডেকা-বুঢ়াসকলোকে ভক্তি আৰু শ্ৰদ্ধাৰ একেডাল বান্ধোনেৰে বান্ধি অসমীয়া সংস্কৃতি প্ৰোজ্জ্বল কৰাত গভীৰ ভূমিকা পালন কৰি আহিছে।

বি. পা.

।। নামবন উৎসৱ ।।

আদিবাসী চিকিমৰ অন্তৰ্গত লেপ্চা জাতিৰ এটি প্ৰসিদ্ধ লোকউৎসৱ হৈছে নামবন উৎসৱ। এই উৎসৱ মূলতঃ শ্ৰীকৃষ্ণ আৰু কংসৰ কাজিয়া। কংসৰ শিশু হত্যাৰ পৰিণতি হিচাপে কৃষ্ণই বধ কৰা এনে এক প্ৰবাদ লৈ তেওঁলোকে এই উৎসৱ পালন কৰে। এই বিজয়ৰ পাছত নতুন জীৱন পোৱাকে নামবন উৎসৱ বোলা হয়। পুহ মাহৰ পহিলা তাৰিখে এই উৎসৱ সন্ধিয়াৰ পৰা আৰম্ভ কৰে। পুহ মাহটো বছৰৰ প্ৰথম মাহ হিচাপে তেওঁলোকে ধৰি লয়। এই উৎসৱত পিটাৰে কংসৰ প্ৰকাণ্ড এটি মূৰ্তি সাজি লয় আৰু তাত সকলোৱে থুই পেলায়। তাৰ পিচত সকলোৱে চিঞৰি চিঞৰি মূৰ্তিটোৰ ওপৰত ধেনুকাড়, জাঠি-জোং আদিৰে আক্ৰমণ কৰে। শেষত মূৰ্তিটো পুৰি ঘৰৰ পশ্চিম দিশে পেলায় দিয়ে। সকলোৱে একগোট হৈ ভগৱানৰ জয় আৰু ভূত দানৱৰ পৰাজয় হ'ল বুলি কয় আৰু ভগৱানৰ নাম স্মৰণ কৰে। ধনী-দুখীয়া সকলোৱে মিলি সমাজ তথা ঘৰৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনায় আৰু সকলোৱে সকলোকে উপহাৰ আদান-প্ৰদান কৰে। এসপ্তাহ ধৰি পালন কৰা এই উৎসৱৰ শেষৰ দিনা সকলোৱে মিলি ভোজ-ভাত খায়।

প. পা.

।। নামাজ ।।

নামাজ হ'ল মুছলমান সমাজৰ ইছলাম ধৰ্মৰ পাঁচটা ভেটিৰ দুই নম্বৰ ভেটি। প্ৰথম ভেটি হ'ল ইমান। ই ইছলাম ধৰ্মৰ প্ৰধান অংগ।

আমাৰ প্ৰিয় আখেৰনবী আহমদে মোজতবা মহম্মদ মোস্তেফা ছাল্লাল্লাহো আলায়হে ওৱাছাল্লামে যেতিয়া খোদাতালাৰ আমন্ত্ৰণক্ৰমে হজৰত জিবৰাইল আলায়হেচ্ছা লামৰ লগত মেৰাজলৈ যায়, সেই ৰাতি আল্লাহ পাকে হজৰতৰ উম্মতসকলৰ বাবে পঞ্চাচ অক্ত নামাজ ফৰজ কৰি (পঢ়িবলৈ ঠিক কৰি) দিয়ে। হজৰত মহম্মদ (দঃ) খোদাতালাৰ লগত দেখা কৰাৰ পিছত উভতি আহিবৰ সময়ত ৰাস্তাত হজৰত মুছা আল্লাহেছ্‌ছলামৰ লগত দেখা হয়। তেওঁ কথাৰ ছলেৰে হজৰত মহম্মদক (দঃ) সুধিলে - "আল্লাৰ ওচৰৰপৰা কি আনিলে?"

হজৰত মহম্মদে (দঃ) ক'লে "মই খোদাতালাৰ ওচৰৰপৰা পঞ্চাশ অৱাক্তৰ নামাজ লৈ আহিছোঁ।" হজৰত মুছাই (আঃ) তেতিয়া ক'লে যে আপোনাৰ উম্মতসকল বৰ দুৰ্বল। তেওঁলোকে ইমানবোৰ নামাজ পালন কৰিবলৈ অক্ষম হ'ব পাৰে, আপুনি নামাজৰ

অৱাক্ত কম কৰি লৈ আহক। হজৰত মুছা (আঃ)ৰ কথা শুনি তেওঁ খোদাৰ ওচৰলৈ উভতি গৈ কাকূতি-মিনতি কৰি নামাজৰ অৱাক্ত কম কৰিবলৈ কোৱাত আল্লাহতালাই চল্লিশ অৱাক্ত নামাজ ঠিক কৰি দিয়ে। তেওঁ উভতি আহোঁতে আকৌ মুছায় (আঃ) সুধি চল্লিশ অৱাক্তৰ কথা জানিব পাৰি ক'লে যে চল্লিশ অৱাক্ত বহুত বেছি হয়, গতিকে আৰু কিছু কমাই আনিব লাগে। তেতিয়া হজৰত মহম্মদে আকৌ খোদাৰ ওচৰলৈ গৈ কাবৌ কৰাত আল্লাহতালাই তেওঁৰ বান্দাসকলৰ বাবে দয়া কৰি মাত্ৰ পাঁচ অৱাক্ত নামাজ ঠিক কৰি দিয়ে। নামাজ চাৰি প্ৰকাৰৰ (১) ফৰজ, (২) ৱাজেব, (৩) চুন্নত আৰু (৪) নফল।

এই পাঁচ অৱাক্ত নামাজ ইছলাম ধৰ্মৰ মূল স্তম্ভ। এই নামাজৰ দ্বাৰায় আল্লাহতালাৰ দীদাৰ (সাক্ষাৎ) লাভ কৰা যায়, অশান্ত মনক শান্তি দিয়া যায়, মৃত্যুঞ্জয়ী হোৱা যায়, ভয়াতুৰ অৱস্থাত আল্লাৰ অভয় বাণী, প্ৰেম-প্ৰীতি, ভালপোৱা লাভ কৰিব পাৰি।

নামাজ পঢ়াৰ অৰ্থই হ'ল আল্লাহতালাৰ দীদাৰলৈ যোৱা। আমি আল্লাহতালাক দেখা নাই ঠিকেই কিন্তু তেওঁতো আমাক দেখি আছে।

নামাজৰ যিমানেই দুঃখ-কষ্ট, দীন-দৈন্য, ভয়-ভাৱনা, অশান্তি আদি নাথাকক কিয়, পবিত্ৰ মনেৰে নামাজ আদায় কৰিলে সেইবোৰ জ্বালা যন্ত্ৰনাৰপৰা মুক্ত হ'ব পাৰি আৰু ক্ষণস্থায়ী দুনিয়াৰ মায়া শয়তানী প্ৰৰোচনাৰপৰাও ৰক্ষা পাব পাৰি। পাঁচ অৱাক্ত নামাজ পঢ়িলে স্বাস্থ্য ভালে থাকে আৰু মন পবিত্ৰ হয়। উন্মাদ, অজ্ঞান আৰু নাবালকৰ বাহিৰে সকলো মুছলমানৰ বাবে পাঁচ ওৱাক্ত নামাজ পঢ়া কৰ্তব্য।

নামাজ পঢ়াৰ আগতে শৰীটোক পবিত্ৰ কৰা আৰু শৰীৰ ঢকা, ওজু কৰা, নামাজ পঢ়া ঠাইখিনি পবিত্ৰ থকা দৰকাৰ।

পাঁচ অৱাক্ত নামাজৰ সময় হ'ল - (১) সূৰ্যোদয়ৰ আগে আগে (ফজৰ নামাজ), (২) দুপৰীয়াৰ সূৰ্য পশ্চিমপিনে হালিলে (জহৰৰ নামাজ), (৩) সূৰ্য অস্ত যোৱাৰ প্ৰায় দুঘন্টামান আগত (আছৰৰ নামাজ), (৪) সূৰ্যাস্তৰ লগে লগে মগৰিবৰ নামাজ আৰু (৫) সন্ধিয়া প্ৰায় আঠটামান বজাত (এশাৰ নামাজ)। তদুপৰি প্ৰতি শুক্ৰবাৰে জুম্মাৰ নামাজ, তাহাজ্জুদ নামাজ, ঈদৰ নামাজ, তাৰাবীৰ নামাজ, শ্বেবোৰাতৰ নামাজ, শ্বেকেদৰৰ নামাজ আদি বহুপ্ৰকাৰৰ নামাজ আছে।

চলন্ত নাও-জাহাজ, ৰেলগাড়ী আদিৰ ওপৰতো নামাজ পঢ়াৰ বিধান আছে। কিন্তু নামাজ পঢ়ি থাকোঁতে যদি যানখন ঘূৰি যায় তেতিয়া নামাজীয়ে ঘূৰিব নালাগে। নামাজ শেষ হ'লে আকৌ কেবলামুখী (পশ্চিমমুখী) হৈ বাকী নামাজ শেষ কৰিব।

প. আ.

**।। নাৰায়ণী মুদ্ৰা ।।**

মেচ হাৰিয়া মণ্ডলৰ পুত্ৰ বিশুৱে সৰু সৰু ৰজা আৰু ভূএগ্ৰাসকলক পৰাস্ত কৰি পশ্চিমে বৰনদীত আৰম্ভ কৰি পুবে কৰতোৱা নৈ লৈকে নিজৰ দখললৈ আনি এখনি ৰাজ্য স্থাপন কৰে। ১৫১৫ খ্ৰীঃত বিশুৱে ৰজা হৈ বিশ্বসিংহ নাম লয় আৰু তেওঁৰ ৰাজ্যখন কোচ ৰাজ্য ৰূপে জনাজাত হৈ পৰে। লেনদেনৰ বাবে বিশ্বসিংহই নিজা নামত মুদ্ৰা মৰোৱা নাছিল। কোচ ৰাজ্যত জয়জয়তে মুদ্ৰা মৰায় - বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰ-নাৰায়ণে। নৰ-নাৰায়ণৰ মুদ্ৰাবোৰ আহোম স্বৰ্গদেৱসকলৰ দৰে অষ্টকোণী নাছিল - বৰঞ্চ বংগদেশৰ হুচেন চাহৰ মুদ্ৰাৰ দৰে ঘূৰণীয়াহে আছিল। মুদ্ৰাবোৰত দুটাকৈ বৃত্ত বৰ্তমান। দুই বৃত্তৰ মাজত কিছু সংখ্যক বিন্দু দেখা যায়। ভিতৰৰ বৃত্তৰ খালি ঠাইৰ এপিঠিত ৰজাৰ নাম আৰু মুদ্ৰা মৰা শক আৰু আনফালে উপাস্য দেৱতাৰ নাম উদ্‌গত হোৱা চকুত পৰে। যেনে - (টকা) প্ৰথম পিঠি - (প্ৰথম শাৰী) শ্ৰীশ্ৰী, (দ্বিতীয় শাৰী) মল্লনাৰায়, (তৃতীয় শাৰী) ণস্য শাকে, (চতুৰ্থ শাৰী১৪৭৭; (দ্বিতীয় পিঠি, প্ৰথম শাৰী) শ্ৰীশ্ৰী (দ্বিতীয় শাৰী) শিৱচৰণ, (তৃতীয় শাৰী) কমল মধু (চতুৰ্থ শাৰী) কৰস্য। মহাৰাজ নৰনাৰায়ণে তেওঁৰ জীৱন কালতে ৰাজ্যখন দুভাগ কৰে। সোণকোষ নৈৰ পূৰ্বভাগ ভাতৃ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক কৰদ ৰাজ্য ৰূপে প্ৰদান কৰি পশ্চিম ভাগ আপোন পুত্ৰ লক্ষ্মীনাৰায়ণলৈ ৰাখে। ৰাজ্য দুখনৰ নাম যথাক্ৰমে কোচ হাজো আৰু কোচবেহাৰ হয়। মহাৰাজ নৰনাৰায়ণে ৰঘুদেৱক নিজা নামত মোহৰ মৰাৰপৰা বিৰত থাকিবলৈ আদেশ দিছিল যদিও মল্লদেৱৰ মৃত্যুৰ পিছত ৰঘুদেৱে স্বাধীনতা ঘোষণা কৰি আপোন নামত মুদ্ৰা চলায়। তেওঁৰ মুদ্ৰাবোৰ এনে ধৰণৰ -

প্ৰথম পিঠি (প্ৰথম শাৰী) শ্ৰীশ্ৰী, (দ্বিতীয় শাৰী) ৰঘুদেৱ না (তৃতীয় শাৰী) ৰায়ণ ভূপা, (চতুৰ্থ শাৰী) লস্য শাকে, (পঞ্চম শাৰী ১৫১০); দ্বিতীয় পিঠি (প্ৰথম শাৰী) শ্ৰীশ্ৰী (দ্বিতীয় শাৰী) হৰগৌৰী, (তৃতীয় শাৰী) চৰণ কম (চতুৰ্থ শাৰী) ল মধুক (পঞ্চম শাৰী) ৰস্য। এই লৈ লক্ষ্মীনাৰায়ণৰ সৈতে ৰঘুদেৱৰ বিবাদ আৰম্ভ হয় আৰু অৱশেষত দুয়োজনে ধ্বংসৰ বাটত খোজ পেলায়। মহাৰাজ লক্ষ্মীনাৰায়ণে উপায়ন্তৰ হৈ মোগলৰ কৰতলীয়া বুলি ঘোষণা কৰিবলৈ বাধ্য হয়। মোগল সম্ৰাটে তেতিয়া লক্ষ্মীনাৰায়ণক নিজাববীয়াকৈ মুদ্ৰাত মোহৰ মৰাটো বন্ধ কৰি দিয়ে। উপায়ন্তৰ হৈ লক্ষ্মীনাৰায়ণে অসম্পূৰ্ণ ভাৱে আধলি মুদ্ৰা চলায়। আধলি মৰোৱা মুদ্ৰা যন্ত্ৰ আধলিৰ আকাৰতকৈ ডাঙৰ আছিল আৰু তাৰ লিপিও আধৰুৱা। সেইবাবে এই মুদ্ৰাবোৰ নাৰায়ণী মুদ্ৰা ৰূপে পৰিচিত। মহাৰাজ লক্ষ্মীনাৰায়ণৰ নাতি প্ৰাণ নাৰায়ণৰ দিনৰেপৰা কোচবেহাৰত আকৌ নিজা নামত টকাৰ মোহৰ মৰা ব্যৱস্থা হয়।

না. দা.

**।। নিকাহ ।।**

নিকাহ মুছলমান সমাজৰ একপ্ৰকাৰ সামাজিক চুক্তি যদিও ইয়াত শৰিয়তৰ দ্বাৰা নিৰ্দেশিত কিছুমান নীতি-নিয়ম পালন কৰা দেখা যায়। অসমৰ মুছলমান সমাজৰ নিকাহত কিছুখিনি থলুৱা লোকাচাৰ অন্তৰ্ভুক্ত হোৱাটো উল্লেখযোগ্য। দৃষ্টান্ত স্বৰূপে, অসমৰ কোনো কোনো অঞ্চলৰ মুছলমান সমাজৰ বিয়াত পঞ্জিকা চাই দিন-বাৰ নিৰ্ধাৰণ কৰা, বিয়া-নাম গোৱা, গাত মাহ-হালধি সনা, তামোল-পাণ সলোৱা ৰীতি প্ৰবৰ্তিত হৈছে। নিকাহত পালন কৰিবলগীয়া কেইটামান নিয়ম ঃ ইজাব-ও-কবুলকম মতে, জয়জয়তে দৰাঘৰৰপৰা কোনো মধ্যস্থ ব্যক্তি গৈ কইনাৰ অভিভাৱকৰ অভিমত লোৱা প্ৰয়োজন। ছোৱালী ঘৰৰ অসম্মতি নাথাকিলে এদিনাখন ল'ৰাৰ দেউতাক গৈ ছোৱালীৰ ঘৰ পায়। উভয় অভিভাৱকৰ মাজত মোহৰ দেনাৰ আলোচনা চলে। দৰাই কইনাক দিবলগীয়া চুক্তিবদ্ধ টকাই হ'ল মোহৰ বা মেহেৰ। এই মোহৰৰ সংখ্যা দহ দিৰহামৰপৰা কেবা শ বা হাজাৰ পৰ্যন্ত হ'ব পাৰে।

নিকাহ অনুষ্ঠিত হয় কন্যা ঘৰত। শুভক্ষণত দৰাই নতুন সাজ-পাৰ পিন্ধি সমদলেৰে কইনা ঘৰলৈ যায়। কইনায়ো হিন্দু কন্যা এজনীৰ দৰে নতুন পাটৰ ৰিহা-মেখেলা-চাদৰ আৰু অলংকাৰ-পাতি পিন্ধি দৰাৰ অপেক্ষাত থাকে। দৰা গৈ কন্যাঘৰ পোৱাৰ লগে লগে তেওঁক আদৰি নি বিশেষ বেদীত বহুৱায়। বহু ঠাইত মোল্লাই কল্‌মা পঢ়ে আৰু তাৰ পিছত আৰম্ভ হয় - নিকাহৰ সোধ-পোচ। ইয়াৰ বাবে এজন উকিল আৰু দুজন সাক্ষীৰ প্ৰয়োজন। উকিলে দৰাৰ সবিশেষ জনাই কইনাৰ সন্মতিলৈ বাট চায়। কন্যাই সন্মতি দিয়াৰ পিছত দৰা আৰু দৰাপক্ষৰ মানুহক জনোৱা হয়। তেতিয়া দৰাই সন্মতি দিয়ে। এই মোকাবিলাৰ কথাখিনি কাবিলনামাত লিপিবদ্ধ হ'ব লাগে যদিও অসমত এই নীতি প্ৰায় নাইকিয়া। মোকাবিলাৰ পিছতেই নিকাহৰ মূল কাৰ্যৰ শেষ হয়। ইয়াৰ পিছত কইনাক মাজলৈ অনা হয়। তেওঁ দৰাক তচলিম কৰে - দৰা-কইনাই সমাজলৈ তচলিম আগবঢ়ায়। সমজুৱাই আশীৰ্বাদ দিয়ে। কোনো কোনো ঠাইত দৰা-কইনাক ৰভাতলিত একেলগে বহাই কোৰাণৰ অংশ বিশেষ পাঠ কৰি শুনায়। অঞ্চল বিশেষে ঘৰৰ ভিতৰত আঙঠি লুকোৱা, পাণ-তামোল সলোৱা স্ত্ৰী আচাৰসমূহো পালন কৰে। বিয়া নামো গায়। নিকাহৰ অন্তত কইনা দৰা ঘৰলৈ যোৱা নিয়ম।

না. দা.

**।। নিকা সংহতি।।**

মণিৰাম দেৱান বৰভাগাৱ বৰুৱাই তেওঁৰ বুৰঞ্জী-বিবেক ৰত্নত বিশ্লেষণ কৰি দেখুৱাইছে যে 'নিৰঞ্জন গোলোকধাম বৈকুণ্ঠৰপৰা নিত্যসংহতিৰ সৃষ্টি। 'এই সংহতিত শিৱ সম্প্ৰদা,বেদশিৰোৰত্ন, উপনিষদ শৰণ, ৰহস্য ভজন হনুমন্তী কাষ্টা, নৈষ্কৰ্ম প্ৰবৰ্তন,

কৈৱল্য আচাৰ।' তদুপৰি 'সৰুজনা পুৰুষক গুৰু বুলিবাৰ শিকাই কাৰণ শ্ৰীশংকৰ মহাপুৰুষে শ্ৰী মাধৱপুৰুষক হে দিলে, শ্ৰীমাধৱ পুৰুষহে এই ধৰ্ম প্ৰচাৰিলে। .... দুইজনা গুৰু পুৰুষক দশম-কীৰ্তন-ঘোষা- ৰত্নাৱলী এই চাৰি শাস্ত্ৰত কি ৰূপ দেখিব, ভাৱিব, পুজিব তাক বুজাই।' পদ্ম- আতাক বহুতে নিকা সংহতিৰ প্ৰৱৰ্তক বুলিব খোজে। দ্বাৰিকা দ্বিজ প্ৰমুখ্যে কোনো কোনো চৰিতকাঁৰে মথুৰা দাস আৰু পদ্মআতাক পুৰুষ সংহতিৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰাটো মন কৰিবলগীয়া। কৃষ্ণ বা বিষ্ণুমূৰ্তি পূজাৰ ওপৰত এই সংহতিৰ লোকসকলে কোনো গুৰুত্ব নিদিয়ে, ভাগৱতত আস্থাই এই সংহতিৰ মূল কথা। বামুণীয়া ক্ৰিয়াকাৰ্যৰ প্ৰভাৱে এই সংহতিত স্থান লাভ কৰিব পৰা নাই। বৰপেটা, কমলাবাৰী আৰু মধুপুৰ-এই সংহতিৰ অন্যতম প্ৰধান সত্ৰ। বৰপেটা সত্ৰৰ প্ৰতিষ্ঠাপক মাধৱদেৱ যদিও গুৰুজনা কোচবিহাৰলৈ যোৱাৰ কালত মথুৰাদাস আতাক এই সত্ৰৰ দায়িত্ব অৰ্পণ কৰে। নিকা সংহতিৰ আন সত্ৰৰ ভিতৰত খটৰা, ঢোপগুৰি আৰু চমৰীয়া উল্লেখযোগ্য। বুৰঞ্জী বিবেক ৰত্নৰ মতে , 'কমলাবাৰীৰ প্ৰধান এই সম্প্ৰদায়ৰ মুঁদেভেটি, বদুলা, হৰিপুখুৰী, বৰজহা, জৰাবাৰী, পাণবাৰী, দুমদুমীয়া, ভাটৌকুছি, তিপাম, চিনাতলী - এই দহখন সত্ৰ আছে।'

( ড° নিৰুপমা মহন্তৰ সত্ৰ সংস্কৃতিৰ ৰূপছায়াৰ আধাৰত যুগুতোৱা)

না. দা.

।। নিচুকনি গীত ।।

নিচুকনি গীত সৰু ল'ৰা-ছোৱালীক ওমলোৱা গীত। এইবোৰক ধাইনামো বোলা হয়। সৰু ল'ৰা-ছোৱালীৰ কান্দোন বন্ধ কৰি আনন্দ দিবৰ বাবে এনে গীতৰ যোগেদি নিচুকোৱা হয়। মিঠা কোমল সহজ-সৰল গীতবোৰৰ যোগেদি শিশু মনক এনে এখন 'সব পেয়ছি'ৰ দেশলৈ লৈ যোৱা হয় য'ত কালৰ দৌৰাত্ম্য নাই; দূৰত্বৰ ব্যৱধান নাই। যি বিচাৰে তাকে পায়। সেয়েহে গীতবোৰত শিশুৰ চিৰ পৰিচিত জোন, বেলি, তৰা, ফুল, চৰাই, শিয়াল, আদি জন্তুৰ কথা মনোৰমভাৱে বৰ্ণিত হৈছে। শিশুৰ মনে যুক্তিৰ সূত্ৰত ধৰি গতি নকৰে, সেয়ে এই গীতবোৰৰ কথা যুক্তিৰ ভেটিত প্ৰতিষ্ঠিত নহয়। শিশুৰ মনত বাস্তৱ অবাস্তৱৰ একো প্ৰভেদ নাথাকে। সেয়ে নিচুকনি গীতত অলৌকিকতাৰ প্ৰধান্য দেখা যায়। বয়স্কসকলৰ মনত অসংলগ্ন যেন লগা কথা শিশুৰ বাবে জীৱন্ত সত্য। এই অসংলগ্নতাতেই ধাইনামবোৰৰ অনুপম সৌন্দৰ্য নিহিত হৈ আছে। কল্পনাপ্ৰৱণ, বিশ্বাসপ্ৰৱণৰ লগত ৰঞ্জিতা খোৱাকৈ এই গীতবোৰ ৰচিত হৈছে। জোন পৃথিৱীৰ সকলো শিশুৰে অতি পৰিচিত অতি আপোন। সেয়ে বিভিন্ন দেশত জোন শিশুৰ মোমায়েক, ককায়েক, বাইদেৱেক বা আই। অসমীয়া নিচুকণি গীততো তাৰ আভাস পোৱা যায় - জোনবাই এ বেজি এটি দিয়া। জোন কাকা আহ আহ।

শিশুৱে ভয় খালে কান্দিবলৈ এৰে। নিচুকনি গীত শিয়াল, কাণখোৱা আদিৰ কথা কৈ শিশুক ভয় খুওৱাৰ ইংগিত পোৱা যায় এইদৰে - 'শিয়ালীয়ে নাহিবি ৰাতি। তোৰে কাণ কাটি লগামে বাতি।' কিছুমান গীত প্ৰশ্ন সোধা আৰু উত্তৰ দিয়াৰ ছলেৰে গোৱা হয় -

'অ ফুল অ ফুল নুফুল কিয়? গৰুই যে আগ খাই মইনো ফুলিম কিয়?

নিচুকনি গীতৰ প্ৰভাৱ বৈষ্ণৱ সাহিত্যতো পৰিছে। মাধৱদেৱৰ বহু বৰগীত আৰু শ্ৰীধৰ কন্দলিৰ কাণখোৱাত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া।

ই. ক.

**।। নিমছ'কেৰুড।।**

বৰ্ণাঢ্য কাৰ্বি সংস্কৃতিৰ এটি অন্যতম সম্পদ নিমছ'কেৰুড নৃত্য। কাৰ্বিসকলে মৃতকৰ আত্মাই চিৰশান্তি লাভ কৰাৰ কাৰণে চ'মাংকান উৎসৱ পালন কৰে আৰু চামংকান উৎসৱৰ লগত জড়িত থাকে এই নিমছ'কেৰুড নৃত্য। চাৰিদিনীয়াকৈ উদ্‌যাপন কৰা চ'মাংকান উৎসৱৰ তৃতীয় দিনা দূৰ-দূৰণিৰপৰা অহা ডেকা-গাভৰুৱে নিমছ'কেৰুড নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্যৰ লগত সংগতি ৰাখি বৰঢোল (চেংপি) আৰু সৰু ঢোল (চেংছ) আদি বজোৱা হয়। নিমছ'কেৰুড ডেকা-গাভৰুৰ ৰং-ৰহইচেৰে মুখৰ হোৱা নৃত্যানুষ্ঠান। নিমছ'কেৰুড নৃত্যৰ সময়ত ঢুলীয়াজনে চেংপালদ'ক নামেৰে ঢোলৰ ছেও মাৰে আৰু সেই ঢোলৰ ছন্দত ডেকা-গাভৰুসকলে মনে বিচৰা সংগীৰ লগত নৃত্য কৰে। নিমছ'কেৰুড নৃত্যত ডেকা-গাভৰুসকলে নিজৰ ফৈদৰ বাহিৰে বেলেগ ফৈদৰ ডেকা-গাভৰুৰ লগত নৃত্যত অংশ লয়। নিমছ'কেৰুড নৃত্য বৈবাহিক সম্বন্ধ ৰাখিব পৰা ডেকা-গাভৰুৰ মাজতহে হয়। সেয়েহে একে ফৈদৰ মাজত বিবাহ নহয় কাৰণে বেলেগ বেলেগ ফৈদৰ ডেকা-গাভৰুৱে লগহৈ নৃত্য কৰে। এই নৃত্যত বিবাহিত পুৰুষ আৰু মহিলাই নৃত্য পৰিবেশন কৰিব নোৱাৰে। এই নৃত্যত ডেকা-গাভৰুসকলে পৰম্পৰাগত সাজপাৰ পৰিধান কৰে। গাভৰুসকলে পিনি (মেখেলা) ৱামকক (বেল্ট), ককদ (চাদৰ) আৰু একফুট বহল আৰু প্ৰায় সাতফুট দীঘল চকচমকীয়া ক'লা সূতাৰে তৈয়াৰ কৰা জিৰইক (সৰুশ্বল), পেছেলেং (চেলেং চাদৰ)ত দুয়োটা মূৰত জুনুকা মণি আৰু কড়িৰে সুশোভিত কৰি নাচনীৰ মূৰটো ওৰণিৰ দৰে ঢাকি পৰিধান কৰে। ডেকাসকলে পহ (পাগ) চইইক (ক'লা ৰঙৰ চোলা) ৰ লগতে পেছেলেং-ৰিকং আমাং (চেলেং গামোচা আৰু ফুল বছা গুঁঠা গামোচা) আৰু চেপান আবু আপেহ (ক'লা সূতাৰে বোৱা এবিধ পাতল দীঘল গামোচা) পৰিধান কৰে। নিমছ'কেৰুড নৃত্যই কাৰ্বি জনসংস্কৃতি সমৃদ্ধ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

বি. পা.

**।। নিয়'কুম উৎসৱ ।।**

অসমৰ সীমান্তবৰ্তী অৰুণাচল প্ৰদেশৰ উল্লেখনীয় এটি জনগোষ্ঠী হ'ল নিচি জনগোষ্ঠী। তেওঁলোকে বছৰৰ আৰম্ভণিতে পালন কৰা এই নিয়'কুম উৎসৱ এক কৃষিভিত্তিক উৎসৱ। প্ৰকৃতিৰ লগত ওতপ্ৰোতভাৱে জড়িত এই জনগোষ্ঠীটোৱে বিশ্বাস কৰে যে দেৱ-দেৱী অসন্তুষ্ট হ'লে বানপানী, খৰাং হাই-কাজিয়া, দুখ-দৈন্য আদিয়ে দেখা দিয়ে। সেই গতিকে তেওঁলোকে ইয়াৰপৰা পৰিত্ৰাণ পাবৰ বাবে এই উৎসৱৰ যোগেদি পূজা অৰ্চনা কৰে। এই উৎসৱত পৃথিৱী কেনেদৰে সৃষ্টি হ'ল তাৰ এক অনুপম উপাখ্যান আছে। এই উৎসৱত জীৱ-জন্তু বলি দি পূজা অৰ্চনা কৰা হয়। পুৰোহিতে উপাখ্যানৰ ভূত প্ৰেতবোৰক মন্ত্ৰৰ দ্বাৰা আহ্বান কৰে আৰু গাহৰি, মেথোন, কুকুৰ, মুৰ্গী আদি বলিদান দি এই পৃথিৱী ৰক্ষাকাৰী শক্তিসমূহক পূজা অৰ্চনা কৰে। সমাজৰ ধনী-দুখীয়া সকলো শ্ৰেণীৰ লোকেই আগভাগ লৈ শান্তি সম্প্ৰীতিৰ কামনা কৰে। উৎসৱত ভাগ লোৱা পুৰুষ মহিলা আটায়ে নিজৰ জনগোষ্ঠীয় সাজ-পাৰ পৰিধান কৰে। অতিথি আপ্যায়নৰ ক্ষেত্ৰত তেওঁলোকে ব্যৱহাৰ কৰে আপং, জুইতপোৱা কুকুৰা চৰাইৰ মাংস আদি। মূলতঃ নিচি জনগোষ্ঠীটোৰ এই নিয়'কুম উৎসৱে সকলোৰে মনলৈ এক শান্তি সম্প্ৰীতিৰ ভাব কঢ়িয়াই আনে। এনেদৰেই নিচিসকলে বছৰটোৰ আৰম্ভণি কৰে আৰু গোটেই বছৰটোত যাতে ৰাইজৰ খেতি বাতিৰ পৰা আদি কৰি সকলোতে শ্ৰীবৃদ্ধি হয় তাৰ কামনা কৰে।

(অসমীয়া প্ৰতিদিনৰ এনাজৰীৰ আধাৰত যুগুতোৱা) ম.কু.দা.

**।। নিয়ৰ ভঙা চিৰা ।।**

এটা সময় আছিল - যিটো সময়ত জনসাধাৰণে খোজ কাঢ়িয়ে অহা-যোৱা কৰিছিল। তেতিয়াৰ দিনত স্থল পথত গৰু গাড়ী চলিছিল। সম্ভ্ৰান্ত লোকে হাতীত উঠি ইঠাইৰপৰা সিঠাইলৈ গৈছিল। বিয়া বাৰুৰ কালত দৰাপক্ষৰ মতা মানুহখিনিয়ে সাধাৰণতে খোজ কাঢ়িয়ে কন্যাঘৰ পাইছিলগৈ। মুষ্টিমেয় তিৰোতা উঠি গৈছিল গৰু গাড়ীত। বিয়া শেষ হোৱাৰ লগে লগে মতা মানুহখিনি দৰাঘৰলৈ প্ৰত্যাবৰ্তন কৰে। শীত কালৰ বাট-পথে পোৱালী মেলে। ৰাজবাট বাদ দি পথৰুৱা পথেৰেই নিয়ৰ গচকি আহি দৰাঘৰত উপস্থিত হয়। বাটৰ ভাগৰ পলাব লাগে। চাহ-পানীৰ চলতি তেতিয়া হোৱাই নাই। ৰাতি টোপনি খতি কৰি অহা মানুহখিনিক আপ্যায়ন কৰা হ'ব কেনেকৈ? মাখন নকটা ম'হৰ গাখীৰ আৰু চিৰাৰে। নিয়ৰ গচকি আহি বাটৰ ভাগৰ পলুৱাবলৈ দৰাঘৰত ৰাতিপুৱা খোৱা চিৰাই নিয়ৰ ভঙা চিৰা। আজিকালি সময় সলনি হ'ল। যান-বাহন চলিল। খোজ কাঢ়ি অহা-যোৱা কৰাৰো প্ৰয়োজন নাইকিয়া হ'ল। গতিকে 'নিয়ৰ ভঙা চিৰা'ৰো নাম আজি হৰলুকী হ'ল। না. দা.

**।। নেকলেচ।।**

নেকলেচ নামটোৰ পৰাই ধৰিব পাৰি যে ই ডিঙিত পিন্ধা এবিধ অলংকাৰ। ৰং বিৰঙৰ পাথৰ, মণিমুক্তা আদিৰে কুন্দাই বা মিনা কৰাই এইবিধ গহনা প্ৰস্তুত কৰা হয়। কেৱল বিবাহিতা মহিলাইহে এই অলংকাৰ ব্যৱহাৰ কৰিব পাৰে। নেকলেচ বিভিন্ন চানেকিৰ হ'ব পাৰে। ই ডিঙিটোত চাৰিওফালে ঘেৰি থাকি মহিলাগৰাকীক অধিক শুৱনি কৰি তোলে। কইনাৰ বাবে অপৰিহাৰ্য অলংকাৰ।

প্ৰ.শ. গো

**।। নেজাল তৰা সম্পৰ্কীয় লোকবিশ্বাস ।।**

লোক বিশ্বাস মতে নেজাল তৰা বা ধূমকেতু অমংগলৰ চিন। নেজাল তৰা দেখিলে কিবা অমংগল হয় বুলি মানুহে বিশ্বাস কৰে। লুচাই সমাজত নেজাল তৰা দুৰ্ভিক্ষৰ চিন বুলি ভাবে। নেজাল তৰা ওলালে দেশত দুৰ্ভিক্ষ বৃদ্ধি পায় বুলি লোক বিশ্বাস চলি আহিছে। আমাৰ সমাজতো নেজাল তৰা অমংগলৰ চিন বুলি ভাবে। নেজাল তৰা ওলালে দেশত কিবা দুৰ্গতি হয় বুলি মানুহে বিশ্বাস কৰে। মানুহ মৰিলে আকাশত তৰা হৈ জিলিকি থাকে বুলি আমি ককাদেউতাহঁতৰ মুখত শুনি আহিছোঁ। কিন্তু কোনো মানুহৰ যদি অপঘাট মৃত্যু হয় বা কোনো আত্মহত্যা কৰে তেতিয়া সেই মানুহৰ আত্মাই মুক্তি নাপায়। মৃত্যু পিছত সেই মুক্তি নোপোৱা আত্মাটো মাজতে ওলমি থাকে। আৰু সেই আত্মাটোৱেই নেজাল তৰা হয় বুলি মানুহে বিশ্বাস কৰে। নেজাল তৰাই যিদৰে অমংগলৰ চিন সূচায় ঠিক কিন্তু কিছু কিছু ক্ষেত্ৰত ই মংগৰৰ চিনো বুজায়। ৰাতিৰ আকাশত নেজাল তৰা দেখিলে চকু মুদি কিবা কামনা কৰিলে মনৰ সকলো কামনা পূৰ্ণ হয় বুলি বিশ্বাস আছে। নেজাল তৰা সম্পৰ্কে বহুতো শুভ-অশুভ, মংগল-অমংগল আমাৰ সমাজত প্ৰচলিত হৈ আছে।

প.পা.

**।। নেপালীসকলৰ তীজ উৎসৱ।।**

তীজ হ'ল বিবাহিতা নেপালী মহিলাসকলৰ ব্ৰতোৎসৱ। ধৰ্মীয় কৃত্য জড়িত হৈ থকা এই উৎসৱ পালন কৰা হয় প্ৰতিবছৰৰ ভাদ্ৰ শুক্লা তৃতীয়াৰ দিনা। তীজ উৎসৱৰ দিনা নেপালী মহিলাসকলে উপবাসে থাকি নাচ-গানৰ দ্বাৰা ভক্তি সহকাৰে শিৱ-পাৰ্বতীৰ পূজা কৰে। হিমালয়ৰ পুত্ৰী গৌৰীয়ে অন্ন, জল স্পৰ্শ নকৰাকৈ সম্পূৰ্ণ নিৰাহাৰে একচিত্তে ধ্যান কৰি শিৱ দেৱতাক স্বামীৰূপে লাভ কৰা কাহিনীৰ ওপৰত থকা বিশ্বাসৰ আধাৰত নেপালী তিৰোতাই স্বামী আৰু দাম্পত্য জীৱনৰ সুখ-শান্তি, মঙ্গলৰ অৰ্থে এই ব্ৰত পালন কৰে আৰু একান্ত শ্ৰদ্ধা সহকাৰে হৰিতালিকা ব্ৰতৰ কাহিনী শ্ৰৱণ কৰে।

তীজৰ সময়ত দূৰ-দূৰণিলৈ বিয়া দিয়া জীয়াৰীসকলক মাকৰ ঘৰলৈ (মাইতী ঘৰ) নিমন্ত্ৰণ কৰাৰ নিয়ম। আহোম ৰজা শিৱসিংহৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে মাকৰ ঘৰলৈ গৈ কৰ্কৰা ভাত খাই তৃপ্তি লোৱাৰ দৰে নেপালী জীয়াৰীসকলেও মাকৰ ঘৰলৈ গৈ এই উৎসৱৰ যোগে হেঁপাহ পলুৱাই হাঁহিবলৈ, নাচিবলৈ, খাবলৈ আগ্ৰহেৰে বাট চাই থাকে। মাইতীঘৰৰপৰা বাপেক, ভাই-ককায়েক অথবা নিকট আত্মীয়ৰ নিমন্ত্ৰণ পাই নেপালী জীয়াৰীসকলে উৎসৱৰ আগদিনাই অৰ্থাৎ ভাদ্ৰ শুক্লা দ্বিতীয়াৰ দিনা মাকৰ ঘৰত উপস্থিত হয় আৰু দৰ খায়। মাইতীঘৰত তেওঁলোকৰ বাবে ৰন্ধা বিভিন্ন তৰহৰ খাদ্য-জলপান-মিঠাই আদিকে দৰ বুলি কোৱা হয়। সিদিনা তেওঁলোকে আনন্দ মনেৰে দৰ খোৱাৰ পিছত উৎসৱৰ দিনা কোনো ধৰণৰ অন্ন-জল গ্ৰহণ নকৰাকৈ শিৱ-পাৰ্বতীৰ (হৰিতালিকা) ব্ৰত পালন কৰে। তীজ গীতত কোনো ধৰণৰ বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ নহয়। হাত চাপৰি বজাই এইবোৰ গীত গোৱা হয়। গাঁৱৰ অশিক্ষিত নেপালী মহিলাৰ হৰ্ষ-বিষাদৰ বিচিত্ৰ প্ৰকাশ লক্ষ্য কৰা যায় এই গীতবোৰত। ইসমূহত বিশেষকৈ মাক আৰু সৰু ভায়েকৰ প্ৰতি জীয়ৰীহঁতৰ শ্ৰদ্ধা-মৰম সহানুভূতিৰ প্ৰতিফলন দেখা যায়। আকৌ ভাউজু (নবৌ), নন্দ (ননদ), অমাজু (স্বামীৰ বায়েক), শাশু (শাহু), বুঢ়ী শাশু (শাহু আইতাক)ৰ প্ৰতি বোৱাৰীসকলৰ অসহিষ্ণু ভাৱনাও প্ৰকট হোৱা দেখা যায়। হেঁপাহৰ উৎসৱ তীজলৈ বুলি নিমন্ত্ৰণৰ আশাৰে বাট চাই থকা নেপালী জীয়াৰীৰ উৎকণ্ঠা, উদ্বিগ্নতাৰ কৰুণ ছবি প্ৰকটিত হোৱা এই তীজ গীতটিলৈ মন কৰা যাওঁক— "আগনকো ডিলমা বচি/কালি কৌৱা কা.... কা.../বাবালে পঠায়েকো কে সমাচাৰ/লিয়ায়েও বৰিলই..." (অৰ্থ ঃ আগচোতালত পৰি কা কা কৰি পিতায়ে পঠিওৱা কি বাতৰি আনিছনো তুমি?)

বি. ভূ. ব.

॥ নেপূৰ॥

নেপূৰ (সংস্কৃত নূপুৰ) ঘনবাদ্য যন্ত্ৰৰ অন্তৰ্ভুক্ত যদিও ইয়াৰ সম্পৰ্ক গীততকৈ নৃত্যতহে বেছি। পুৰণি অসমীয়া সাহিত্যত নেপূৰ বা নুপুৰৰ প্ৰয়োগ প্ৰচুৰ। বিয়াহ গোৱা ওজাই ভৰি নেপূৰ পৰিধান কৰি ওজাপালিৰ পৰিবেশ্য কলাত প্ৰৱেশ কৰে।

ইয়াৰ সহায়ত ওজাই পালিসকলৰ তালবাদ্যৰ তালৰ সৈতে সম্পৰ্ক ৰখাৰ সুযোগ পায়। ব্যাসৰ ওজাপালিৰ দৰে বৰপেটা সত্ৰৰ ওজাপালি আৰু নগএৰ ওজাপালিয়ে দুয়োখন ভৰিতে নেপূৰ পৰিধান কৰাটো তাৎপৰ্যপূৰ্ণ। আগতে আপীওজাপালিৰ ওজায়ো এইবিধ যন্ত্ৰ পৰিধান কৰিছিল যদিও মাৰেগানৰ ওজাই ইয়াক নিপিন্ধাটো উল্লেখযোগ্য।

(ড° নবীন চন্দ্ৰ শৰ্মাৰ পৰিবেশ্যকলা ওজাপালিৰ আধাৰত যুগুতোৱা।)

না. দা.

**।। নেপূৰ বা নূপুৰ।।**

এইবিধ ভৰিত পিন্ধা অলংকাৰ। এইবিধ সাধাৰণতে ৰূপৰ অলংকাৰ বুলিব পাৰি। খুব সীমিত সংখ্যক মহিলাইহে সোণৰ নেপূৰ পৰিধান কৰে। নেপূৰৰ চানেকিবোৰ বিভিন্ন গঢ়ৰ। কোনো কোনো নেপূৰত সৰু সৰু ঝুমকাও লগোৱা থাকে, যাতে খোজ কাঢ়িলে ঝুমকাবোৰ বাজি উঠে। কাণত এটি মৃদু অনুৰণন তোলে। এইবিধ অলংকাৰ সৰু সৰু ল'ৰা-ছোৱালীৰপৰা বিবাহিতা মহিলালৈকে সকলোৱে পৰিধান কৰে। ইয়াৰ এটা মূৰত এডাল আঙুঠি লগোৱা থাকে আৰু আনটো মূৰত তাকে এডাল বেঁকা শলখা । তাক টানি আনি ইটোৰমূৰৰ আঙুঠিটোত লগোৱা থাকে। আজিকালি ইয়াৰ নেপূৰ নাম লোপ পাই পায়েল নামেৰেহে ই পৰিচিত হ'বলৈ ধৰিছে। আগৰ দিনত ইয়াক পো-জোপা বুলি জনা হৈছিল। ইয়াক অভিজাত পৰিয়ালৰ মহিলাইহে ব্যৱহাৰ কৰিছিল। এইবিধ গহনা সাধাৰণ আৰ্হিৰে গঢ়াই পিন্ধিলে তাক পাওপদ্ম বুলিও জনা গৈছিল। প্ৰাচীন কালত মহিলাই ভৰিত খাৰুও পিন্ধিছিল। এই খাৰুৰ নাম আছিল উজন্টি। উজন্টি ৰ মূৰ দুটাত সিংহ, হাতী, মগৰ আদিৰ চানেকি খোদিত কৰা হৈছিল। এই খাৰুবিলাক সামৰ্থ অনুসাৰে সোণ বা ৰূপ দুয়োবিধ ধাতুৰে গঢ়াই পিন্ধিছিল। ভৰিত পিন্ধা খাৰুৰা বাড়ি বুলিও কোৱা উল্লেখ আছে। ভৰিত পটাত পিন্ধা আন কেইবিধমান অলংকাৰ হ'ল পা-জোন পা-পদ্ম, বিছুৱা আৰু আনোৱাট। আনোৱাট বা বিছুৱাত সাধাৰণতে সাপ বা বৃশ্চিকৰ চানেকি দেখা গৈছিল। কিছুমান সাধাৰণ শ্ৰেণীৰ মহিলাই ভৰিত কড়িৰ মালাও পিন্ধিছিল। নিয়মিত ৰূপৰ পায়েল বা নেপূৰ আদি পৰিধান কৰিলে গেৰুৱা, কলাফুল আৰু পিঠিৰ নিম্নাংশত বিষ নহয় বুলি কোৱা হয়। ই ৰক্ত সঞ্চালনতো সহায় কৰে। নেপূৰ বা পায়েল পৰিধান কৰিলে হিষ্টৰিয়া শ্বাসতন্ত্ৰ আৰু মূত্ৰ সম্বন্ধীয় বেমাৰৰপৰা কিছু সকাহ পাব পাৰি।

প্ৰ.শ. গো.

**।। নোক ফান-টে ।।**

গাৰো জনজাতিৰ ডেকা চাঙৰ নাম নোক ফান টে। গাৰো ভাষাত নোক মানে ঘৰ আৰু ফান-টে মানে অবিবাহিত পুৰুষ। গতিকে অবিবাহিত লোকৰ আৱাসেই নোক ফান- টে। প্ৰায়বোৰ গাৰো গাঁৱত নিজা নিজা নোক ফান-টে দেখা যায়। ওখ, আহল-বহল আৰু দীঘল নোক ফান টেসমূহৰ ভাগ দুটা- এভাগ মুকলি আনটো ভাগ বেৰৰ দ্বাৰা আবৃত। মুকলি ভাগ নাচ-গান, খেল-ধেমালি আৰু শিকিবলগীয়া বিভিন্ন কাৰুকাৰ্যৰ অনুশীলনত ব্যৱহাৰ হোৱাৰ বিপৰীতে বেৰ থাক ভাগটো শোৱা কামত লগোৱা হয়। মাটিৰপৰা প্ৰায় ছয় মিটাৰ উচ্চতাৰ চাং এখনৰ ওপৰত সজা নোক ফান-টে সমূহত দুখনকৈ দুৱাৰ থাকে আৰু দুৱাৰৰ তলত থাকে উঠা-নমাৰ বাবে দুখন জখলা। এডাল গোটা গছত খাপ কাটি সজা জখলাত উঠাৰ সুচলৰ বাবে ঘৰৰ মুধচৰপৰা এডাল

দীঘল মোটা ৰচি ওলোমাই ৰখাটো উল্লেখযোগ্য। নোক ফান-টেৰ দুৱাৰমুখ, মাৰলি আৰু চালত ম'হৰ শিং বা ছাল, গাহৰী, হৰিণ, বাঘ প্ৰভৃতি জীৱ-জন্তুৰ মূৰ আদি আঁৰি ৰখাটো সাধাৰণ নিয়ম। চাংঘৰৰ ওপৰতে নিৰ্মাণ কৰা জুহালত শীত কালত তাপ লোৱাৰ উপৰি গাহৰি, কুকুৰা আৰু হৰিণৰ মঙহ পুৰি খোৱাটো দস্তুৰ। জীৱ-জন্তু আৰু বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা গাঁৱক ৰক্ষা কৰিবলৈ ডেকাবোৰে নিশাৰ ভাগত নোক ফান-টেত শোৱে। ইয়াত গাভৰুৰ প্ৰৱেশ নিষিদ্ধ। অন্যান্য জনগোষ্ঠীৰ দৰে গাৰো জনজাতিৰ নোক ফান-টেসমূহে ডেকাসকলৰ শাৰীৰিক, মানসিক, নৈতিক আৰু ধৰ্মীয় ভাৱধাৰাৰ দৃঢ় বুনিয়াদ গঢ়াৰ লগতে সাংস্কৃতিক দিশৰো উত্তৰণত সাহায্য দান কৰি অহাটো তাৎপৰ্যপূৰ্ণ।

না. দা.

।। পকা লাড়ু ।।

অসমীয়া খাদ্য সংস্কৃতিত পকালাড়ু (উজনিত পকামিঠৈ ৰূপে পৰিচিত) স্থান বিশিষ্ট। ৰঙালী -ভোগালী দুয়োটা বিহুত আন পিঠা পনাৰ লগতে পকামিঠৈ বা পকা লাড়ু লাগিবই। ল'ৰা জন্মৰ পিছত লাড়ু দিয়া নাম নামনি অসমৰ এটা বিশিষ্ট অনুষ্ঠান। বিয়াৰ গৰখীয়া ভাৰ-খনত অন্যান্য খাদ্য সম্ভাৰৰ লগতে থাকে পকা লাড়ু। আগতে কুঁহিয়াৰ শালত কুঁহিয়াৰ পেৰা শেষ হোৱাৰ দিনাখন কুঁহিয়াৰ পেৰা গৃহস্থসকলৰপৰা পিঠাগুড়ি তুলি পকালাড়ু বন্ধা এটা দস্তুৰেই আছিল। এইবিধ লাড়ু বান্ধিবলৈ ভজা পিঠাগুড়ি (কামৰূপত ইয়াক লাওৱা পিঠাগুড়ি বোলে) আৰু জুলীয়া গুড় হ'লেই হ'ল। অৱশ্যে অধিক স্বাদযুক্ত কৰাৰ বাবে জালুকৰ গুড়ি দিয়া প্ৰয়োজন। আৰৈ চাউলৰ পিঠাগুড়ি ভাজি তাত জালুকৰ গুড়ি মিহলাই লোৱাৰ পিছত পকা ফুটত গুড় লগাই লৈ পিঠা গুড়িত ভালদৰে মিহলি কৰি হাতেৰে মুঠি মুঠিকৈ লাড়ু বান্ধি নভজা পিঠাগুড়িত সেইবোৰ ঢালি লৰাই দিলেই খোৱাৰ উপযোগী পকা লাড়ু প্ৰস্তুত হয়। বহুতে পকা লাড়ুত নভজা পিঠাগুড়ি নাসানে। তেতিয়া সি দেখাত অলপ ৰঙচুৱা হয়। পকালাড়ু অতি সহজে এমাহলৈ সাঁচি ৰাখিব পাৰি।

জ্যো. দা.

।। পঁচতি ।।

পঁচতি শব্দৰ সাধাৰণ অৰ্থ হ'ল - ল'ৰা-ছোৱালী ভূমিষ্ঠ হোৱাৰ পাঁচ দিনৰ দিনা কৰা জন্ম কৃত্য। পিছে পঁচতি বুলিলে আমি সাধাৰণ শিশুৰ জন্মৰ পঞ্চম দিৱসৰ উৎসৱক নুবুজোঁ - বুজোঁ চিৰশিশু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পাঁচদিনৰ পিছত উদ্‌যাপিত উৎসৱটোকহে। জন্মাষ্টমীৰ পৰৱৰ্তী দিনটো নন্দোৎসৱ ৰূপে জনা যায়; কাৰণ সেই দিনা নন্দৰ পুৰীত উৎসৱৰ আয়োজন কৰা হৈছিল। পঁচতি নন্দোৎসৱৰ পৰৱৰ্তী উৎসৱ। সাধাৰণতে

পঁচতি উৎসৱ জন্মাষ্টমীৰ পাঁচ দিনত পাতিব লাগে কোনো কোনো ঠাইত নন্দোৎসৱ অথবা তাৰ পিছ দিনাই এই উৎসৱ উদ্‌যাপন কৰা দেখা যায়। পঁচতি আইসকলৰ উৎসৱ। নাট-ভাওনাৰ ভালেখিনি লক্ষণ ইয়াত বিদ্যমান। ইয়াৰ নায়িকা যশোদা। গৰ্গমুনি, পুতনা, গোপ-গোপী আদি পাৰ্শ্ব চৰিত্ৰ। যশোদাৰ ভাও লোৱা তিৰোতাগৰাকী ব্ৰতত থকা প্ৰয়োজন। তেওঁ পুত্ৰৰ সৈতে ৰঙ্গমঞ্চৰ একাষত বহে। ছয়জনী সৰু ছোৱালীয়ে হাতত চাউল, ফুল আৰু লাড়ু লৈ ৰঙ্গমঞ্চলৈ আহি যশোদাৰ চাৰিওফালে প্ৰদক্ষিণ কৰি তেওঁৰ মূৰত চাউল চটিয়ায়। নন্দজায়াই এবাৰ প্ৰদক্ষিণৰতা গোপী এজনীৰপৰা ফল এটি গ্ৰহণ কৰি সেইটি কৃষ্ণলৈ আগবঢ়ায়। হাতত পুথি-পাঁজি লৈ শ্ৰীকৃষ্ণৰ নামকৰণ উপলক্ষে গৰ্গমুনিয়ে প্ৰৱেশ কৰাৰ লগে লগে তিৰোতাসকলে শ্ৰীকৃষ্ণৰ গালে হালধি পানী ছটিয়াবলৈ আৰম্ভ কৰে। তিৰোতাসকল হালধিৰ পানীত তিতি জুৰুলি জুপুৰি হয়। ইমানতে শেষ হয় আগ পঁচতি উৎসৱ। আবেলি আৰম্ভ হয় পিছ পঁচতিৰ। পুতনা-বধ এই অংশৰ এই আকৰ্ষক বিন্দু।

পুৰণি অসমীয়া সাহিত্যত পঁচতি উৎসৱৰ আলমত দুখনি নাট পোৱা যায়। তাৰে এখনৰ ৰচয়িতা হ'ল - কামৰূপৰ ওপৰভাগ মৌজাৰ কঁহাৰজাৰ (ঝাৰ) গাঁৱৰ দ্বিজ ৰমাকান্ত। নাটখনিত আদ্য দশমৰ প্ৰভাৱ মচিব নোৱাৰা। দ্বিতীয়খনি পঁচতিৰ ৰচয়িতা হ'ল মাধৱ দত্ত। নাটখনিৰ বিষয় বস্তুত আছে - শ্ৰীকৃষ্ণৰ জন্ম, দৈৱকী-বসুদেৱৰ স্তুতি, জন্মোৎসৱ আৰু পুতনা বধ। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, পঁচতি গোৱা দস্তুৰটো প্ৰাক্ শংকৰ যুগৰেপৰা চলি অহা। মহাপুৰুষ শংকৰদেৱে ইয়াত নতুন ৰহণ চৰায়।

অসমৰ সত্ৰসমূহত এই পঁচতি উৎসৱ উলহ-মালহেৰে পালন কৰা হয়।

না. দা.

**।। পতাজাল।।**

মাছে পানীত চলাচল কৰা পথত সোঁতৰ বিপৰীতে অথবা সোঁতৰ সমান্তৰালভাৱে যি জাল পাতি এটা নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে দাঙি মাছ ধৰা হয়, সেই জালকে পতাজাল কোৱা হয়। অসমৰ মাছমৰীয়া সকলে সাধাৰণতে ব্যৱহাৰ কৰা ভিন্ন পতা জালবোৰ হ'ল - ১) পৰভীজাল-এইজাল চাৰিটা বাঁহৰ আগলিৰ তনিৰ সহায়ত ফিন্দ খুৱাই পানীত বোৱা হয়। এডাল দীঘল বাঁহৰ সহায়ত জালখন পাৰৰপৰা কিছু আঁতৰত পেলোৱা নিয়ম। এই বাঁহডালৰ নাম কোৰাবাৰি। আকাৰত ডাঙৰ বিধজালক বৰজাল আৰু সৰু বিধক জাকি জাল বোলে। ২) টেঁকীজাল — এইবিধ জাল বাওঁতে বাওঁতাজন এডাল বাঁহৰ ওপৰত থিয় দিব লগা হয় বাবে ইয়াৰ আন নাম খাৰা জাল। থিয়বাঁহৰ উপৰি পথালি চিটিকা দি পতা বাবে বহুতে ইয়াক চিট্‌কী জালো বোলে। ৩) কামিজাল-অসমীয়া মাছমৰীয়াসকলে বাৰিষা ব্ৰহ্মপুত্ৰত ইলিহি মাছ ধৰিবলৈ ব্যৱহাৰ কৰা জালখনেই

**।। নাঙেলী গীত ।।**

দৰঙত প্ৰচলিত নাঙেলী গীত কৃষিজীৱী সমাজৰ উৰ্বৰতাৰ প্ৰতীক। নাঙেলী গীতক নাইলেনী বা লাইলাং বুলিও কোৱা হয়। নাঙল কৃষিজীৱী সমাজৰ এক অপৰিহাৰ্য সঁজুলি। হল-কৰ্ষণ আচলতে যৌন আচাৰাদিৰ প্ৰতীক। সেয়ে হল-কৰ্ষণ কৰোঁতাসকলে সচৰাচৰ ব্যৱহাৰ কৰা গীতবোৰকেই নাঙেলী গীত হিচাপে জনাজাত হ'ল। কৃষি কাৰ্যৰ লগত যৌন-সম্পৰ্ক ওতপ্ৰোত। বিশেষকৈ যৌন প্ৰকাশক নৃত্য-গীত-মাতেৰে কৃষিজীৱী সমাজে আই বসুমতীক উৰ্বৰ কৰি তোলাৰ প্ৰৱণতাৰ ফলতেই বিহু নৃত্য-গীত, হুদুম পূজাৰ গীত আদিৰ পৰম্পৰা বিদ্যমান। সেয়ে এই নৃত্য-গীতবোৰ বাহ্যিক দৃষ্টিত অশ্লীল ধৰ্মী। নাঙেলী গীতবোৰ সচৰাচৰ শুদ্ধ আৰু অশুদ্ধ এই দুই ভাগত ভগাব পাৰি। অশ্লীলতাৰপৰা মুক্ত গীতখিনিকেই শুদ্ধ আৰু অশ্লীলযুক্ত গীতখিনিক অশুদ্ধ বোলা হয়। কিন্তু শুদ্ধ গীতৰ সংখ্যা যথেষ্ট কম। মুখ্যতঃ কৃষকসকলে ব্যৱহাৰ কৰা এই নাঙেলী গীতবোৰ লাহে লাহে গৰখীয়াসকলৰ মাজতহে সীমাবদ্ধ হ'ল। উন্মুক্ত গৰুৰ বিচৰণ ভূমিত প্ৰায় নাৰী সংগতিবিহীন জীৱন-যাপন কৰা গৰখীয়াসকলেই এই নাঙেলী গীতবোৰৰ ধাৰক আৰু বাহকৰূপে পৰিগণিত হ'ল। ভগৱান শ্ৰীকৃষ্ণই গৰখীয়াৰ ৰূপ ধৰি লগৰীয়াসকলৰ সৈতে গোপিনীসকলক জোকোৱা গীতবোৰকো নাঙেলী বোলা কথাষাৰো তাৎপৰ্যপূৰ্ণ। শ্ৰীকৃষ্ণই নিজেই এই গীতবোৰ লগৰীয়াসকলক শিকাইছিল। নাঙেলী গীততেই এই পৰম্পৰাৰ উল্লেখ আছে, -

বৃন্দাবনতে কৃষ্ণ গোসাঁই গৰু চাৰে/ লগতে শিশুকে লই।
নন্দেৰ গোৱালী দেখি বনমালী/ মোহন বংশীক বাই।
সকলো শিশুকে একত্ৰিত কৰি/ নাঙেলী গীতকে শিকায়।
সিদিনাৰ পে গৰখীয়া সবে/ নাঙেলী গীত গায়।

বিহুগীতৰ ত্ৰিপদী ছন্দৰ দৰে এই নাঙেলী গীতবোৰৰ সংখ্যা 'ওঠৰ কুৰি' বুলি পৰম্পৰা প্ৰচলিত। কৃষিজীৱী সমাজখনৰ লোক-জীৱনৰ আশা-আকাঙ্খা, কামনা-বাসনা, বিৰহ-ব্যথা নাঙেলী গীতবোৰৰ মাজেদি সুন্দৰ ভাৱে প্ৰকাশ পাইছে। যৌন-আকাঙ্খা ইয়াৰ মূল ভিত্তি। এটি নাঙেলী গীতৰ উদাহৰণ -

ম'হৰ শিং কেঁকোৰা ম'হৰ শিং বেকোঁৰা/ ম'হৰ শিং ভাঙিল ঐ যুঁজত।
অমুকা পৈয়েৰক জোকাই তই নলবি/ ম'হৰ শিং সোমাই দিম 'মুখত'।
(সংশোধিত)

প. ৰা.

**।। নাটুৱা (নটুৱা নাচ)।।**

অসমত বসবাস কৰা পাতৰ ভূমিজ, মুণ্ডা, ওৰাং প্ৰভৃতি চাহ জনজাতি লোকৰ

মাজত প্ৰচলিত এটি উল্লেখযোগ্য নাচ হৈছে নাটুৱা। চাহ জনজাতিলোকৰ বিয়াত এই নাচ এক আকৰ্ষণীয় বিষয়। তদুপৰি আন আন সামাজিক উৎসৱতো এই নাচ অনুষ্ঠিত হয়।

নাটুৱা জনে ভাওনাত ভাৱৰীয়াই পিন্ধা পোচাক পিন্ধে আৰু মূৰত মুকুট থাকে। ভৰিত পিন্ধে 'ঘুংগুৰ' (জুনুকা)। হাতত লয় ঢাল আৰু তৰোৱাল। নাটুৱাজনে বাদ্য আৰু গীতৰ ছেৱে ছেৱে এক বিশেষ ভংগীৰ নৃত্য পৰিৱেশন কৰে। এই নৃত্যত বজোৱা বাদ্যবোৰ হ'ল— (ক) ভেঁড় (এক বিশেষ ধৰণৰ পেঁপাৰ দৰে বাদ্য, দীঘলে আঠ-দহ হাত) (খ) ঢাক (এবিধ ডাঙৰ আৰু দীঘল ঢোল) (গ) চহনাই (এবিধ পেঁপা; আগ অংশ পিতলৰ আৰু মুখত লগাই বজোৱা অংশ তালপাতৰে তৈয়াৰী) (ঘ) কুৰুধাতু (শিঙাৰ দৰে এবিধ দীঘল বাদ্য)। সাধাৰণতে বৰযাত্ৰীৰ লগত আগে আগে নাটুৱাই নাচি নাচি গৈ থাকে। নাটুৱা কুৰিজন পৰ্যন্ত থাকিব পাৰে। কইনাঘৰীয়া বা আন লোকে বৰযাত্ৰীক আগছিলে নাটুৱাই নৃত্য পৰিৱেশন কৰি দেখুৱাব লাগে। কইনা ঘৰতো নাটুৱাৰ নাচ অনুষ্ঠিত হয়। এই নাচ বৰ্তমান মধ্যপ্ৰদেশ আৰু বিহাৰৰ কোনো কোনো ঠাইত প্ৰচলিত আছে। সেই ঠাইৰপৰা অসমলৈ প্ৰব্ৰজন কৰা উল্লিখিত জনজাতি লোকৰ মাজত এই নাচ প্ৰচলিত। অতীতত এটা জাতিৰ লগত আন এটা জাতিৰ সঘনে যুদ্ধ-বিগ্ৰহ লাগিছিল। এটা জাতিয়ে যুদ্ধলৈ আগবাঢ়ি যাওঁতে নতুবা যুদ্ধজয় কৰি উলটি আহোঁতে যুঁজাৰু দলৰ আগত এনে নাটুৱা দল নিছিল। সেই পৰম্পৰা বৰ্তমান বৰযাত্ৰী আগবাঢ়ি যাওঁতে প্ৰচলিত থকা হৈ ৰ'ল। হাতৰ ঢাল আৰু তৰোৱালৰ জৰিয়তে যুদ্ধ কৰাৰ অংগি-ভংগীয়েই এই নাচৰ বিশেষ মুদ্ৰা। (তেজপুৰৰ চতিয়া অঞ্চলৰ এজন 'নাটুৱা' শ্ৰীযুত জীতবাহন পাতৰৰপৰা বৰ্ণনা আহৰণ কৰা হৈছে।)

গো. সূ.

।। নাদু-ভংগি ।।

সত্ৰৰ ন শিকাৰুৱে জয়জয়তে নাদু-ভংগিৰ নাচ শিকে। ইয়াত তিনিজোৰ গোপ-গোপী উলিওৱা নিয়ম। প্ৰথম জোৰা নটুৱাই পিন্ধে কৃষ্ণৰ সাজ, দ্বিতীয় জোৰাৰ নটুৱাই গোপীৰ আৰু তৃতীয় জোৰাই ঝুমুৰৰ সাজ পিন্ধি নাচিবলৈ লয়। নাচৰ ভাগ দুটা - ৰামদানি আৰু গীতৰ নাচ। নাদু-ভংগিৰ সাজ সম্পৰ্কে নাৰায়ণচন্দ্ৰ গোস্বামীদেৱে লিখিছে - 'কঁকালত ৰঙা চুৰিয়া বা পাটৰ চুৰিয়া, ভৰিত নূপুৰ, গাত চুটি হাতৰ বুকুফলা ক'লা চোলা, মূৰত ৰঙা, হালধীয়া বা বগা কাপোৰ। তাৰ ওপৰত বনকৰা নটুৱা টুপী, হাতত বাজু।'

'ৰামদানিত দুখনি তালেৰে বাজনা শেষ কৰা হয়। এই নাচত ৰক্ত তালৰ ব্যৱহাৰ

অপৰিহাৰ্য। শংকৰদেৱৰ কীৰ্তন থাপনিৰ দিনাখন নাদু-ভংগীৰ নৃত্যৰ বাবে শাৰংগ ৰাগত 'অব সখি পেখো মদন গোপাল' গীতটি গাবই লাগিব। গীত শেষ হোৱাৰ লগে লগে নাচৰ ইতি পৰে।

না. দা.

।। নাথ সম্প্ৰদায়ৰ ৰাতি খোৱা সেৱা ।।

অসমৰ নাথ সম্প্ৰদায়ৰ মাজত গুপ্ত ধৰ্মীয় বিধিৰে অনুষ্ঠিত একপ্ৰকাৰৰ সকাম হ'ল ৰাতি খোৱা সকাম। এই অনুষ্ঠানত পৰিয়ালৰ মঙ্গল কামনা কৰি ৰাতিৰ ভিতৰতে ধৰ্মীয় ৰীতিৰে পালন কৰা হয়। দৰাচলতে ৰাতি খোৱা সকাম শিৱৰ উপাসনা অনুষ্ঠান। নাথসকলৰ যিটো সম্প্ৰদায়ৰ মাজত এই সকাম পালন কৰা হয় তাকে ৰাতি খোৱা সম্প্ৰদায় বোলা হয়। এই অনুষ্ঠান পৰিচালনা কৰাৰ বাবে এজন মুখ্য ভকত আৰু তেওঁক সহায় কৰিবলৈ তিনি চাৰিজন আন ভকত থাকে। তেওঁলোকক ছাজনি বোলা হয়। আন ধৰ্মীয় অনুষ্ঠানৰ দৰে ইয়াতো ধূপ-ধূনা, চাকি আৰু নৈবেদ্যৰ লগতে আন অনুষ্ঠানত প্ৰয়োগ নোহোৱা হাঁহ, কুকুৰা, পাৰ, গাহৰি আদি প্ৰয়োজনীয়। তাৰ ভিতৰৰ এযোৰ চৰাই শুদ্ধ বগা হ'ব লাগে। সকামৰ আসন পাতিবলৈ দুখন চতাই ব্যৱহাৰ কৰা হয়। এখন চতাইৰ চাৰিকোণত চাৰিযোৰ আৰু মাজত এবটা তামোল-পাণ দি আসন পতা হয়। আনখনত তামোল-পাণ এবটা দি দুয়োখনৰ মাজত আগলতি কলপাতত নৈবেদ্য এখন আগবঢ়োৱা হয়। দুটা বাতিত মদ দুবাতি আগবঢ়াই আসনৰ আগত বগা কাপোৰেৰে ঢাকি স্থাপন কৰা হয়। দুটা দোণত সান্দহো আসনত আগবঢ়োৱা হয়। ছাজনিয়ে গাহৰি আৰু পখীৰ মাংস ভাগে ভাগে নীতি নিয়মৰ মাজেৰে ৰন্ধা বঢ়া কৰে। ইয়াকে সাঁজ বোলে। ৰাতি খোৱা প্ৰথা বিভিন্ন প্ৰকাৰৰ। বৰসাজ বা বৰসেৱা, ডাঙৰীয়া সকাম, অকলশৰীয়া ডাঙৰীয়া সকাম, গুড়াভঙা সকাম আদি। ৰাতিখোৱা সকামৰ বিভিন্ন ভাগ। ৰাতিখোৱা সকাম পৰিচালিত কৰে মুখ্য ভকতে গীতৰ জৰিয়তে। গীতৰ জৰিয়তে পূজাথলী বান্ধি লোৱা হয়। তাৰ পিছত ভূমি শুচি কৰিবলৈ গীত পৰিবেশন কৰা হয়। এনেদৰে নিৰ্দিষ্ট ৰীতি-নীতিৰ মাজেৰে ৰাতি খোৱা সকাম অনুষ্ঠানটো ৰাতিৰ ভিতৰতে গুপ্ত ভাৱে অনুষ্ঠিত কৰা হয়।

বি. পা.

।। নামঘৰ ।।

নামঘৰ অসমীয়া সংস্কৃতিলৈ মহাপুৰুষ শংকৰদেৱৰ অনবদ্য অৱদান। অসমীয়া সংস্কৃতিলৈ নামঘৰৰ অৱদান অপৰিসীম। অসমীয়া সংস্কৃতিত নামঘৰৰ স্থান কেৱল ঈশ্বৰৰ উপাসনাৰ স্থলীয়েই নহয়; অসমীয়া ধৰ্মীয় তথা সামাজিক বান্ধোনকো সুদৃঢ় কৰাৰ অন্যতম কৰ্মক্ষেত্ৰ হ'ল নামঘৰ। নামঘৰেই অসমীয়া সংস্কৃতি সংৰক্ষণৰ থল। নামঘৰৰ মজিয়াত

অনুষ্ঠিত হয় সামাজিক তিথি মহোৎসৱ, সবাহ, ভাওনা আৰু সেইখন মজিয়াতে বহি জ্যেষ্ঠজনে বাদ-বিবাদৰ বিচাৰ কৰে। এতিয়াৰ গণতন্ত্ৰৰ বীজ তাহানি নামঘৰেই অসমীয়া সমাজত সিঁচিলে। অসমীয়া সংস্কৃতিৰ এই অনুপম অনুষ্ঠানটিৰ নিৰ্মাণ শৈলীত নিৰ্দিষ্ট বৈশিষ্ট্য কিছুমান পৰিদৃশ্যমান । নামঘৰৰ পুৱ দিশত লগালগিকৈ এটি পৃথক সৰু গৃহ থাকে। এই গৃহক মণিকূট বোলা হয়। মণিকূটত গুৰুআসন প্ৰতিষ্ঠা কৰা হয়। মণিকূটৰ আসনতে ভক্তগণে পৰমেশ্বৰ ভগৱান অধিষ্ঠিত বুলি ভাৱি গুৰুআসনত সেৱা লয়। নামঘৰত কেৱল পুৱা-গধূলি প্ৰসংগ কৰা হয়। গুৰুআসনৰ বন্তি প্ৰজ্বলনেৰে নাম-প্ৰসংগৰ আৰম্ভণি কৰা হয়। অসমীয়া সামগ্ৰিক জাতীয় সংস্কৃতিৰ উৎকৰ্ষৰ কেন্দ্ৰস্থলী নামঘৰৰ আৰ্হি নিৰ্মাণত শংকৰদেৱে অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন অনুষ্ঠানৰ আদৰ্শ গ্ৰহণ কৰিছিল। অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰা জনজাতিসমূহৰ ডেকাচাং, মৰংঘৰ তথা ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মানুষ্ঠান বিশেষকৈ বৌদ্ধ বিহাৰ আদিৰপৰা নামঘৰৰ গৃহসজ্জাৰ আৰ্হি গ্ৰহণ কৰিছিল। আমাৰ ঐতিহ্য পৰম্পৰাক ৰক্ষা কৰি সেইবোৰৰ বিষয়ে আমাৰ উত্তৰ প্ৰজন্মক জ্ঞান দিবলৈ নামঘৰসমূহক সংস্কাৰমুখী, সাংস্কৃতিক কাৰ্যসূচীৰে জীয়াই ৰখাৰ প্ৰয়াস আমি কৰিব লাগিব।

বি. পা.

**।। নামডুমডুমীয়া সত্ৰৰ আহিনী মেলা।।**

ভক্তি পৰম্পৰাৰে মুখৰ এটি পবিত্ৰ অনুষ্ঠান নামডুমডুমীয়া সত্ৰৰ আহিনী মেলা। আহিন মাহৰ কৃষ্ণ চতুৰ্থীত তিনিদিনীয়াকৈ এই মেলাৰ আয়োজন কৰা হয়। আহিনী মেলাৰ মুখ্য আকৰ্ষণ সমূহীয়া ভাওনা। আহিনী মেলাৰ তিনিও দিন বিভিন্ন ঠাইৰপৰা অহা জন সমাৱেশেৰে ডুমডুমীয়া সত্ৰ উৎসৱ মুখৰ হৈ থাকে। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ তিথিৰ দিনা আহিনী মেলাৰ শুভাৰম্ভ হয়। সেইদিনাখন গাঁৱৰ লোকসকলে নিজৰ নিজৰ ঘৰৰ লাও, কোমোৰা, মাটি মাহ আদি নামঘৰৰ ভঁৰালীক অৰ্পণ কৰে। সন্ধিয়া সকলোবোৰ বস্তু ৰাইজৰ মাজত ভঁৰালীয়ে সমপৰিমাণে বিতৰণ কৰে। ইয়াকে নামডুমডুমীয়া সত্ৰৰ লাওভোজনী বোলা হয়। নিশালৈ প্ৰতিগৰাকী নামডুমডুমীয়াবাসীয়ে লাওভোজনীৰে এসাজ তৃপ্তিৰে খায়। দ্বিতীয় দিনা, কৃষ্ণ চতুৰ্থীৰ দিনা মেলাৰ মুখ্য আকৰ্ষণ হ'ল- সেইদিনা পুৱাৰ প্ৰসংগেৰে আধ্যাত্মিক বাতাৱৰণৰ সৃষ্টি কৰি মেলাৰ পাতনি তৰা। দুপৰীয়া নাম কীৰ্তন, বৈকুণ্ঠৰ অমৃত প্ৰসাদ বিতৰণ, বিয়লি প্ৰসংগ আৰু সন্ধিয়া ভাওনাৰ আয়োজনত সকলো ব্যস্ত হৈ পৰে। গাঁওখন বৰধেমালি, সৰু ধেমালি, ন-ধেমালি, বৰপেটা ধেমালি আৰু পৰৱৰ্তী স্তৱৰ ভাওনাৰে ৰজন জনাই উঠে। মেলাৰ তৃতীয়দিনা দিনতেই ভাওনাৰ আয়োজন হয়। বধকাব্যৰ আধাৰত গাঁৱৰ চেমনীয়াসকলে ভাওনা পাতে। এই ভাওনাই ৰাজ পথো স্পৰ্শ কৰে। সন্ধিয়া ভাওনাৰ

অন্ত পৰে। নামডুমডুমীয়া সত্ৰৰ আহ্নিনী মেলাই ডেকা-বুঢ়াসকলোকে ভক্তি আৰু শ্ৰদ্ধাৰ একেডাল বান্ধোনেৰে বান্ধি অসমীয়া সংস্কৃতি প্ৰোজ্জ্বল কৰাত গভীৰ ভূমিকা পালন কৰি আহিছে।

বি. পা.

।। নামবন উৎসৱ ।।

আদিবাসী চিকিমৰ অন্তৰ্গত লেপ্‌চা জাতিৰ এটি প্ৰসিদ্ধ লোকউৎসৱ হৈছে নামবন উৎসৱ। এই উৎসৱ মূলতঃ শ্ৰীকৃষ্ণ আৰু কংসৰ কাজিয়া। কংসৰ শিশু হত্যাৰ পৰিণতি হিচাপে কৃষ্ণই বধ কৰা এনে এক প্ৰবাদ লৈ তেওঁলোকে এই উৎসৱ পালন কৰে। এই বিজয়ৰ পাছত নতুন জীৱন পোৱাকে নামবন উৎসৱ বোলা হয়। পুহ মাহৰ পহিলা তাৰিখে এই উৎসৱ সন্ধিয়াৰ পৰা আৰম্ভ কৰে। পুহ মাহটো বছৰৰ প্ৰথম মাহ হিচাপে তেওঁলোকে ধৰি লয়। এই উৎসৱত পিটাৰে কংসৰ প্ৰকাণ্ড এটি মূৰ্তি সাজি লয় আৰু তাত সকলোৱে থুই পেলায়। তাৰ পিচত সকলোৱে চিঞৰি চিঞৰি মূৰ্তিটোৰ ওপৰত ধেনুকাড়, জাঠি-জোং আদিৰে আক্ৰমণ কৰে। শেষত মূৰ্তিটো পুৰি ঘৰৰ পশ্চিম দিশে পেলায় দিয়ে। সকলোৱে একগোট হৈ ভগৱানৰ জয় আৰু ভূত দানৱৰ পৰাজয় হ'ল বুলি কয় আৰু ভগৱানৰ নাম স্মৰণ কৰে। ধনী-দুখীয়া সকলোৱে মিলি সমাজ তথা ঘৰৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনায় আৰু সকলোৱে সকলোকে উপহাৰ আদান-প্ৰদান কৰে। এসপ্তাহ ধৰি পালন কৰা এই উৎসৱৰ শেষৰ দিনা সকলোৱে মিলি ভোজ-ভাত খায়।

প. পা.

।। নামাজ ।।

নামাজ হ'ল মুছলমান সমাজৰ ইছলাম ধৰ্মৰ পাঁচটা ভেটিৰ দুই নম্বৰ ভেটি। প্ৰথম ভেটি হ'ল ইমান। ই ইছলাম ধৰ্মৰ প্ৰধান অংগ।

আমাৰ প্ৰিয় আখেৰুন্নবী আহমদে মোজতবা মহম্মদ মোস্তেফা ছাল্লাল্লাহো আলায়হে ওৱাছাল্লামে যেতিয়া খোদাতালাৰ আমন্ত্ৰণক্ৰমে হজৰত জিবৰাইল আলায়হেচ্ছা লামৰ লগত মেৰাজলৈ যায়, সেই ৰাতি আল্লাহ্ পাকে হজৰতৰ উম্মতসকলৰ বাবে পঞ্চাচ অক্ত নামাজ ফৰজ কৰি (পঢ়িবলৈ ঠিক কৰি) দিয়ে। হজৰত মহম্মদ (দঃ) খোদাতালাৰ লগত দেখা কৰাৰ পিছত উভতি আহিবৰ সময়ত বাস্তাত হজৰত মুছা আল্লাহেছালামৰ লগত দেখা হয়। তেওঁ কথাৰ ছলেৰে হজৰত মহম্মদক (দঃ) সুধিলে - "আল্লাৰ ওচৰৰপৰা কি আনিলে?"

হজৰত মহম্মদে (দঃ) ক'লে "মই খোদাতালাৰ ওচৰৰপৰা পঞ্চাশ অৰাক্তৰ নামাজ লৈ আহিছোঁ।" হজৰত মুছাই (আঃ) তেতিয়া ক'লে যে আপোনাৰ উম্মতসকল বৰ দুৰ্বল। তেওঁলোকে ইমানবোৰ নামাজ পালন কৰিবলৈ অক্ষম হ'ব পাৰে, আপুনি নামাজৰ

অৱাক্ত কম কৰি লৈ আহক। হজৰত মুছা (আঃ)ৰ কথা শুনি তেওঁ খোদাৰ ওচৰলৈ উভতি গৈ কাকুতি-মিনতি কৰি নামাজৰ অৱাক্ত কম কৰিবলৈ কোৱাত আল্লাহতালাই চল্লিশ অবাক্ত নামাজ ঠিক কৰি দিয়ে। তেওঁ উভতি আহোঁতে আকৌ মুছায় (আঃ) সুধি চল্লিশ অবাক্তৰ কথা জানিব পাৰি ক'লে যে চল্লিশ অবাক্ত বহুত বেছি হয়, গতিকে আৰু কিছু কমাই আনিব লাগে। তেতিয়া হজৰত মহম্মদে আকৌ খোদাৰ ওচৰলৈ গৈ কাবৌ কৰাত আল্লাহতালাই তেওঁৰ বান্দাসকলৰ বাবে দয়া কৰি মাত্ৰ পাঁচ অৱাক্ত নামাজ ঠিক কৰি দিয়ে। নামাজ চাৰি প্ৰকাৰৰ (১) ফৰজ, (২) ৱাজেব, (৩) চুন্নত আৰু (৪) নফল।

এই পাঁচ অবাক্ত নামাজ ইছলাম ধৰ্মৰ মূল স্তম্ভ। এই নামাজৰ দ্বাৰায় আল্লাহতালাৰ দীদাৰ (সাক্ষাৎ) লাভ কৰা যায়, অশান্ত মনক শান্তি দিয়া যায়, মৃত্যুঞ্জয়ী হোৱা যায়, ভয়াতুৰ অৱস্থাত আল্লাৰ অভয় বাণী, প্ৰেম-প্ৰীতি, ভালপোৱা লাভ কৰিব পাৰি।

নামাজ পঢ়াৰ অৰ্থই হ'ল আল্লাহতালাৰ দীদাৰলৈ যোৱা। আমি আল্লাহতালাক দেখা নাই ঠিকেই কিন্তু তেওঁতো আমাক দেখি আছে।

নামাজৰ যিমানেই দুঃখ-কষ্ট, দীন-দৈন্য, ভয়-ভাৱনা, অশান্তি আদি নাথাকক কিয়, পবিত্ৰ মনেৰে নামাজ আদায় কৰিলে সেইবোৰ জ্বালা যন্ত্ৰনাৰপৰা মুক্ত হ'ব পাৰি আৰু ক্ষণস্থায়ী দুনিয়াৰ মায়া শয়তানী প্ৰৰোচনাৰপৰাও ৰক্ষা পাব পাৰি। পাঁচ অৱাক্ত নামাজ পঢ়িলে স্বাস্থ্য ভালে থাকে আৰু মন পবিত্ৰ হয়। উন্মাদ, অজ্ঞান আৰু নাবালকৰ বাহিৰে সকলো মুছলমানৰ বাবে পাঁচ ওৱাক্ত নামাজ পঢ়া কৰ্তব্য।

নামাজ পঢ়াৰ আগতে শৰীটোক পবিত্ৰ কৰা আৰু শৰীৰ ঢকা, ওজু কৰা, নামাজ পঢ়া ঠাইখিনি পবিত্ৰ থকা দৰকাৰ।

পাঁচ অৱাক্ত নামাজৰ সময় হ'ল - (১) সূৰ্যোদয়ৰ আগে আগে (ফজৰ নামাজ), (২) দুপৰীয়াৰ সূৰ্য পশ্চিমপিনে হালিলে (জহৰৰ নামাজ), (৩) সূৰ্য অস্ত যোৱাৰ প্ৰায় দুঘন্টামান আগত (আছৰৰ নামাজ), (৪) সূৰ্যাস্তৰ লগে লগে মগৰিবৰ নামাজ আৰু (৫) সন্ধিয়া প্ৰায় আঠটামান বজাত (এশাৰ নামাজ)। তদুপৰি প্ৰতি শুক্ৰবাৰে জুম্মাৰ নামাজ, তাহাজ্জুদ নামাজ, ঈদৰ নামাজ, তাৰাবীৰ নামাজ, শ্ববেবাৰাতৰ নামাজ, শ্ববেকদৰৰ নামাজ আদি বহুপ্ৰকাৰৰ নামাজ আছে।

চলন্ত নাও-জাহাজ, ৰেলগাড়ী আদিৰ ওপৰতো নামাজ পঢ়াৰ বিধান আছে। কিন্তু নামাজ পঢ়ি থাকোঁতে যদি যানখন ঘূৰি যায় তেতিয়া নামাজীয়ে ঘূৰিব নালাগে। নামাজ শেষ হ'লে আকৌ কেৱলামুখী (পশ্চিমমুখী) হৈ বাকী নামাজ শেষ কৰিব।

প. আ.

।। নাৰায়ণী মুদ্ৰা ।।

মেচ হাৰিয়া মণ্ডলৰ পুত্ৰ বিশুৱে সৰু সৰু ৰজা আৰু ভূঞাসকলক পৰাস্ত কৰি পশ্চিমে বৰনদীত আৰম্ভ কৰি পুবে কৰতোৱা নৈ লৈকে নিজৰ দখললৈ আনি এখনি ৰাজ্য স্থাপন কৰে। ১৫১৫ খ্ৰীঃত বিশুৱে ৰজা হৈ বিশ্বসিংহ নাম লয় আৰু তেওঁৰ ৰাজ্যখন কোচ ৰাজ্য ৰূপে জনাজাত হৈ পৰে। লেনদেনৰ বাবে বিশ্বসিংহই নিজা নামত মুদ্ৰা মৰোৱা নাছিল। কোচ ৰাজ্যত জয়জয়তে মুদ্ৰা মৰায় - বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰ-নাৰায়ণে। নৰ-নাৰায়ণৰ মুদ্ৰাবোৰ আহোম স্বৰ্গদেৱসকলৰ দৰে অষ্টকোণী নাছিল - বৰঞ্চ বংগদেশৰ হুচেন চাহৰ মুদ্ৰাৰ দৰে ঘূৰণীয়াহে আছিল। মুদ্ৰাবোৰত দুটাকৈ বৃত্ত বৰ্তমান। দুই বৃত্তৰ মাজত কিছু সংখ্যক বিন্দু দেখা যায়। ভিতৰৰ বৃত্তৰ খালি ঠাইৰ এপিঠিত ৰজাৰ নাম আৰু মুদ্ৰা মৰা শক আৰু আনফালে উপাস্য দেৱতাৰ নাম উদ্‌গত হোৱা চকুত পৰে। যেনে - (টকা) প্ৰথম পিঠি - (প্ৰথম শাৰী) শ্ৰীশ্ৰী, (দ্বিতীয় শাৰী) মল্লনাৰায়, (তৃতীয় শাৰী) ণস্য শাকে, (চতুৰ্থ শাৰী১৪৭৭; (দ্বিতীয় পিঠি, প্ৰথম শাৰী) শ্ৰীশ্ৰী (দ্বিতীয় শাৰী) শিৱচৰণ, (তৃতীয় শাৰী) কমল মধু (চতুৰ্থ শাৰী) কৰস্য। মহাৰাজ নৰনাৰায়ণে তেওঁৰ জীৱন কালতে ৰাজ্যখন দুভাগ কৰে। সোণকোষ নৈৰ পূৰ্বভাগ ভাতৃ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক কৰদ ৰাজ্য ৰূপে প্ৰদান কৰি পশ্চিম ভাগ আপোন পুত্ৰ লক্ষ্মীনাৰায়ণলৈ ৰাখে। ৰাজ্য দুখনৰ নাম যথাক্ৰমে কোচ হাজো আৰু কোচবেহাৰ হয়। মহাৰাজ নৰনাৰায়ণে ৰঘুদেৱক নিজা নামত মোহৰ মৰাৰপৰা বিৰত থাকিবলৈ আদেশ দিছিল যদিও মল্লদেৱৰ মৃত্যুৰ পিছত ৰঘুদেৱে স্বাধীনতা ঘোষণা কৰি আপোন নামত মুদ্ৰা চলায়। তেওঁৰ মুদ্ৰাবোৰ এনে ধৰণৰ -

প্ৰথম পিঠি (প্ৰথম শাৰী) শ্ৰীশ্ৰী, (দ্বিতীয় শাৰী) ৰঘুদেৱ না (তৃতীয় শাৰী) ৰায়ণ ভূপা, (চতুৰ্থ শাৰী) লস্য শাকে, (পঞ্চম শাৰী ১৫১০), দ্বিতীয় পিঠি (প্ৰথম শাৰী) শ্ৰীশ্ৰী (দ্বিতীয় শাৰী) হৰগৌৰী, (তৃতীয় শাৰী) চৰণ কম (চতুৰ্থ শাৰী) ল মধুক (পঞ্চম শাৰী) ৰস্য। এই লৈ লক্ষ্মীনাৰায়ণৰ সৈতে ৰঘুদেৱৰ বিবাদ আৰম্ভ হয় আৰু অৱশেষত দুয়োজনে ধ্বংসৰ বাটত খোজ পেলায়। মহাৰাজ লক্ষ্মীনাৰায়ণে উপায়ন্তৰ হৈ মোগলৰ কৰতলীয়া বুলি ঘোষণা কৰিবলৈ বাধ্য হয়। মোগল সম্ৰাটে তেতিয়া লক্ষ্মীনাৰায়ণক নিজাববীয়াকৈ মুদ্ৰাত মোহৰ মৰাটো বন্ধ কৰি দিয়ে। উপায়ন্তৰ হৈ লক্ষ্মীনাৰায়ণে অসম্পূৰ্ণ ভাৱে আধলি মুদ্ৰা চলায়। আধলি মৰোৱা মুদ্ৰা যন্ত্ৰ আধলিৰ আকাৰতকৈ ডাঙৰ আছিল আৰু তাৰ লিপিও আধৰুৱা। সেইবাবে এই মুদ্ৰাবোৰ নাৰায়ণী মুদ্ৰা ৰূপে পৰিচিত। মহাৰাজ লক্ষ্মীনাৰায়ণৰ নাতি প্ৰাণ নাৰায়ণৰ দিনৰেপৰা কোচবেহাৰত আকৌ নিজা নামত টকাৰ মোহৰ মৰা ব্যৱস্থা হয়।

না. দা.

**।। নিকাহ ।।**

নিকাহ মুছলমান সমাজৰ একপ্ৰকাৰ সামাজিক চুক্তি যদিও ইয়াত শৰিয়তৰ দ্বাৰা নিৰ্দেশিত কিছুমান নীতি-নিয়ম পালন কৰা দেখা যায়। অসমৰ মুছলমান সমাজৰ নিকাহত কিছুখিনি থলুৱা লোকাচাৰ অন্তৰ্ভুক্ত হোৱাটো উল্লেখযোগ্য। দৃষ্টান্ত স্বৰূপে, অসমৰ কোনো কোনো অঞ্চলৰ মুছলমান সমাজৰ বিয়াত পঞ্জিকা চাই দিন-বাৰ নিৰ্ধাৰণ কৰা, বিয়া-নাম গোৱা, গাত মাহ-হালধি সনা, তামোল-পাণ সলোৱা ৰীতি প্ৰৱৰ্তিত হৈছে। নিকাহত পালন কৰিবলগীয়া কেইটামান নিয়ম ঃ ইজাব-ও-কবুলকম মতে, জয়জয়তে দৰাঘৰৰপৰা কোনো মধ্যস্থ ব্যক্তি গৈ কইনাৰ অভিভাৱকৰ অভিমত লোৱা প্ৰয়োজন। ছোৱালী ঘৰৰ অসম্মতি নাথাকিলে এদিনাখন ল'ৰাৰ দেউতাক গৈ ছোৱালীৰ ঘৰ পায়। উভয় অভিভাৱকৰ মাজত মোহৰ দেনাৰ আলোচনা চলে। দৰাই কইনাক দিবলগীয়া চুক্তিবদ্ধ টকাই হ'ল মোহৰ বা মেহেৰ। এই মোহৰৰ সংখ্যা দহ দিৰহামৰপৰা কেবা শ বা হাজাৰ পৰ্যন্ত হ'ব পাৰে।

নিকাহ অনুষ্ঠিত হয় কন্যা ঘৰত। শুভক্ষণত দৰাই নতুন সাজ-পাৰ পিন্ধি সমদলেৰে কইনা ঘৰলৈ যায়। কইনায়ো হিন্দু কন্যা এজনীৰ দৰে নতুন পাটৰ ৰিহা-মেখেলা-চাদৰ আৰু অলংকাৰ-পাতি পিন্ধি দৰাৰ অপেক্ষাত থাকে। দৰা গৈ কন্যাঘৰ পোৱাৰ লগে লগে তেওঁক আদৰি নি বিশেষ বেদীত বহুৱায়। বহু ঠাইত মোল্লাই কল্‌মা পঢ়ে আৰু তাৰ পিছত আৰম্ভ হয় - নিকাহৰ সোধ-পোচ। ইয়াৰ বাবে এজন উকিল আৰু দুজন সাক্ষীৰ প্ৰয়োজন। উকিলে দৰাৰ সবিশেষ জনাই কইনাৰ সন্মতিলৈ বাট চায়। কন্যাই সন্মতি দিয়াৰ পিছত দৰা আৰু দৰাপক্ষৰ মানুহক জনোৱা হয়। তেতিয়া দৰাই সন্মতি দিয়ে। এই মোকাবিলাৰ কথাখিনি কাবিলনামাত লিপিবদ্ধ হ'ব লাগে যদিও অসমত এই নীতি প্ৰায় নাইকিয়া। মোকাবিলাৰ পিছতেই নিকাহৰ মূল কাৰ্যৰ শেষ হয়। ইয়াৰ পিছত কইনাক মাজলৈ অনা হয়। তেওঁ দৰাক তচলিম কৰে - দৰা-কইনাই সমাজলৈ তচলিম আগবঢ়ায়। সমজুৱাই আশীৰ্বাদ দিয়ে। কোনো কোনো ঠাইত দৰা-কইনাক ৰভাতলিত একেলগে বহাই কোৰাণৰ অংশ বিশেষ পাঠ কৰি শুনায়। অঞ্চল বিশেষে ঘৰৰ ভিতৰত আঙঠি লুকোৱা, পাণ-তামোল সলোৱা স্ত্ৰী আচাৰসমূহো পালন কৰে। বিয়া নামো গায়। নিকাহৰ অন্তত কইনা দৰা ঘৰলৈ যোৱা নিয়ম।

না. দা.

**।। নিকা সংহতি।।**

মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাই তেওঁৰ বুৰঞ্জী-বিবেক ৰত্নত বিশ্লেষণ কৰি দেখুৱাইছে যে 'নিৰঞ্জন গোলোকধাম বৈকুণ্ঠৰপৰা নিত্যসংহতিৰ সৃষ্টি। 'এই সংহতিত শিৱ সম্প্ৰদা,বেদশিৰোৰত্ন, উপনিষদ শৰণ, ৰহস্য ভজন হনুমন্তী কাষ্ঠা, নৈষ্কৰ্ম প্ৰৱৰ্তন,

কৈৱল্য আচাৰ।' তদুপৰি 'সৰুজনা পুৰুষক গুৰু বুলিবাৰ শিকাই কাৰণ শ্ৰীশংকৰ মহাপুৰুষে শ্ৰী মাধৱপুৰুষক হে দিলে, শ্ৰীমাধৱ পুৰুষহে এই ধৰ্ম প্ৰচাৰিলে। .... দুইজনা গুৰু পুৰুষক দশম-কীৰ্তন-ঘোষা- ৰত্নাৱলী এই চাৰি শাস্ত্ৰত কি ৰূপ দেখিব, ভাৱিব, পুজিব তাক বুজাই।' পদ্ম- আতাক বহুতে নিকা সংহতিৰ প্ৰৱৰ্তক বুলিব খোজে। দ্বাৰিকা দ্বিজ প্ৰমুখ্যে কোনো কোনো চৰিতকাৰে মথুৰা দাস আৰু পদ্মআতাক পুৰুষ সংহতিৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰাটো মন কৰিবলগীয়া। কৃষ্ণ বা বিষ্ণুমূৰ্তি পূজাৰ ওপৰত এই সংহতিৰ লোকসকলে কোনো গুৰুত্ব নিদিয়ে, ভাগৱতত আস্থাই এই সংহতিৰ মূল কথা। বামুণীয়া ক্ৰিয়াকাৰ্যৰ প্ৰভাৱে এই সংহতিত স্থান লাভ কৰিব পৰা নাই। বৰপেটা, কমলাবাৰী আৰু মধুপুৰ-এই সংহতিৰ অন্যতম প্ৰধান সত্ৰ। বৰপেটা সত্ৰৰ প্ৰতিষ্ঠাপক মাধৱদেৱ যদিও গুৰুজনা কোচবিহাৰলৈ যোৱাৰ কালত মথুৰাদাস আতাক এই সত্ৰৰ দায়িত্ব অৰ্পণ কৰে। নিকা সংহতিৰ আন সত্ৰৰ ভিতৰত খটৰা, ঢোপগুৰি আৰু চমৰীয়া উল্লেখযোগ্য। বুৰঞ্জী বিবেক ৰত্নৰ মতে , 'কমলাবাৰীৰ প্ৰধান এই সম্প্ৰদায়ৰ মুদৈভেটি, বদুলা, হৰিপুখুৰী, বৰজহা, জৰাবাৰী, পাণবাৰী, দুমদুমীয়া, ভাটৌকুছি, তিপাম, চিনাতলী - এই দহখন সত্ৰ আছে।'

( ড° নিৰুপমা মহন্তৰ সত্ৰ সংস্কৃতিৰ ৰূপছায়াৰ আধাৰত যুগুতোৱা)

না. দা.

।। নিচুকনি গীত ।।

নিচুকনি গীত সৰু ল'ৰা-ছোৱালীক ওমলোৱা গীত। এইবোৰক ধাইনামো বোলা হয়। সৰু ল'ৰা-ছোৱালীৰ কান্দোন বন্ধ কৰি আনন্দ দিবৰ বাবে এনে গীতৰ যোগেদি নিচুকোৱা হয়। মিঠা কোমল সহজ-সৰল গীতবোৰৰ যোগেদি শিশু মনক এনে এখন 'সব পেয়ছি'ৰ দেশলৈ লৈ যোৱা হয় য'ত কালৰ দৌৰাত্ম্য নাই, দূৰত্বৰ ব্যৱধান নাই। যি বিচাৰে তাকে পায়। সেয়েহে গীতবোৰত শিশুৰ চিৰ পৰিচিত জোন, বেলি, তৰা, ফুল, চৰাই, শিয়াল, আদি জন্তুৰ কথা মনোৰমভাৱে বৰ্ণিত হৈছে। শিশুৰ মনে যুক্তিৰ সূত্ৰত ধৰি গতি নকৰে, সেয়ে এই গীতবোৰৰ কথা যুক্তিৰ ভেটিত প্ৰতিষ্ঠিত নহয়। শিশুৰ মনত বাস্তৱ অবাস্তৱৰ একো প্ৰভেদ নাথাকে। সেয়ে নিচুকনি গীতত অলৌকিকতাৰ প্ৰধান্য দেখা যায়। বয়স্কসকলৰ মনত অসংলগ্ন যেন লগা কথা শিশুৰ বাবে জীৱন্ত সত্য। এই অসংলগ্নতাতেই ধাইনামবোৰৰ অনুপম সৌন্দৰ্য নিহিত হৈ আছে। কল্পনাপ্ৰৱণ, বিশ্বাসপ্ৰৱণৰ লগত ৰজিতা খোৱাকৈ এই গীতবোৰ ৰচিত হৈছে। জোন পৃথিৱীৰ সকলো শিশুৰে অতি পৰিচিত অতি আপোন। সেয়ে বিভিন্ন দেশত জোন শিশুৰ মোমায়েক, ককায়েক, বাইদেৱেক বা আই। অসমীয়া নিচুকণি গীতটো তাৰ আভাস পোৱা যায় - *জোনবাই এ বেজি এটি দিয়া। জোন কাকা আহ আহ।*

শিশুৰে ভয় খালে কান্দিবলৈ এৰে। নিচুকনি গীত শিয়াল, কাণখোৱা আদিৰ কথা কৈ শিশুক ভয় খুওৱাৰ ইংগিত পোৱা যায় এইদৰে - 'শিয়ালীয়ে নাহিবি ৰাতি। তোৰে কাণ কাটি লগামে বাতি।' কিছুমান গীত প্ৰশ্ন সোধা আৰু উত্তৰ দিয়াৰ ছলেৰে গোৱা হয় -

'অ ফুল অ ফুল নুফুল কিয়? গৰুই যে আগ খাই মইনো ফুলিম কিয়?

নিচুকনি গীতৰ প্ৰভাৱ বৈষ্ণৱ সাহিত্যতো পৰিছে। মাধৱদেৱৰ বহু বৰগীত আৰু শ্ৰীধৰ কন্দলিৰ কাণখোৱাত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া।

ই. ক.

**।। নিমছ'কেৰুড।।**

বৰ্ণাঢ্য কাৰ্বি সংস্কৃতিৰ এটি অন্যতম সম্পদ নিমছ'কেৰুড নৃত্য। কাৰ্বিসকলে মৃতকৰ আত্মাই চিৰশান্তি লাভ কৰাৰ কাৰণে চ'মাংকান উৎসৱ পালন কৰে আৰু চামংকান উৎসৱৰ লগত জড়িত থাকে এই নিমছ'কেৰুড নৃত্য। চাৰিদিনীয়াকৈ উদ্‌যাপন কৰা চ'মাংকান উৎসৱৰ তৃতীয় দিনা দূৰ-দূৰণিৰপৰা অহা ডেকা-গাভৰুৱে নিমছ'কেৰুড নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্যৰ লগত সংগতি ৰাখি বৰঢোল (চেংপি) আৰু সৰু ঢোল (চেংছ) আদি বজোৱা হয়। নিমছ'কেৰুড ডেকা-গাভৰুৰ ৰং-ৰহইচেৰে মুখৰ হোৱা নৃত্যানুষ্ঠান। নিমছ'কেৰুড নৃত্যৰ সময়ত ঢুলীয়াজনে চেংপালদ'ক নামেৰে ঢোলৰ ছেও মাৰে আৰু সেই ঢোলৰ ছন্দত ডেকা-গাভৰুসকলে মনে বিচৰা সংগীৰ লগত নৃত্য কৰে। নিমছ'কেৰুড নৃত্যত ডেকা-গাভৰুসকলে নিজৰ ফৈদৰ বাহিৰে বেলেগ ফৈদৰ ডেকা-গাভৰুৰ লগত নৃত্যত অংশ লয়। নিমছ'কেৰুড নৃত্য বৈবাহিক সম্বন্ধ ৰাখিব পৰা ডেকা-গাভৰুৰ মাজতহে হয়। সেয়েহে একে ফৈদৰ মাজত বিবাহ নহয় কাৰণে বেলেগ বেলেগ ফৈদৰ ডেকা-গাভৰুৱে লগহৈ নৃত্য কৰে। এই নৃত্যত বিবাহিত পুৰুষ আৰু মহিলাই নৃত্য পৰিবেশন কৰিব নোৱাৰে। এই নৃত্যত ডেকা-গাভৰুসকলে পৰম্পৰাগত সাজপাৰ পৰিধান কৰে। গাভৰুসকলে পিনি (মেখেলা) বামকক (বেল্ট), ককদ (চাদৰ) আৰু একফুট বহল আৰু প্ৰায় সাতফুট দীঘল চকচমকীয়া ক'লা সূতাৰে তৈয়াৰ কৰা জিৰইক (সৰুশ্বল), পেছেলেং (চেলেং চাদৰ)ত দুয়োটা মূৰত জুনুকা মণি আৰু কড়িৰে সুশোভিত কৰি নাচনীৰ মূৰটো ওৰণিৰ দৰে ঢাকি পৰিধান কৰে। ডেকাসকলে পহ (পাগ) চইইক (ক'লা ৰঙৰ চোলা) ৰ লগতে পেছেলেং-ৰিকং আমাং (চেলেং গামোচা আৰু ফুল বছা গুঁঠা গামোচা) আৰু চেপান আবু আপেহ (ক'লা সূতাৰে বোৱা এবিধ পাতল দীঘল গামোচা) পৰিধান কৰে। নিমছ'কেৰুড নৃত্যই কাৰ্বি জনসংস্কৃতি সমৃদ্ধ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

বি. পা.

**।। নিয়'কুম উৎসৱ ।।**

অসমৰ সীমান্তৱৰ্তী অৰুণাচল প্ৰদেশৰ উল্লেখনীয় এটি জনগোষ্ঠী হ'ল নিচি জনগোষ্ঠী। তেওঁলোকে বছৰৰ আৰম্ভণিতে পালন কৰা এই নিয়'কুম উৎসৱ এক কৃষিভিত্তিক উৎসৱ। প্ৰকৃতিৰ লগত ওতপ্ৰোতভাৱে জড়িত এই জনগোষ্ঠীটোৱে বিশ্বাস কৰে যে দেৱ-দেৱী অসন্তুষ্ট হ'লে বানপানী, খৰাং হাই-কাজিয়া, দুখ-দৈন্য আদিয়ে দেখা দিয়ে। সেই গতিকে তেওঁলোকে ইয়াৰপৰা পৰিত্ৰাণ পাবৰ বাবে এই উৎসৱৰ যোগেদি পূজা অৰ্চনা কৰে। এই উৎসৱত পৃথিৱী কেনেদৰে সৃষ্টি হ'ল তাৰ এক অনুপম উপাখ্যান আছে। এই উৎসৱত জীৱ-জন্তু বলি দি পূজা অৰ্চনা কৰা হয়। পুৰোহিতে উপাখ্যানৰ ভূত প্ৰেতবোৰক মন্ত্ৰৰ দ্বাৰা আহ্বান কৰে আৰু গাহৰি, মেথোন, কুকুৰ, মুৰ্গী আদি বলিদান দি এই পৃথিৱী ৰক্ষাকাৰী শক্তিসমূহক পূজা অৰ্চনা কৰে। সমাজৰ ধনী-দুখীয়া সকলো শ্ৰেণীৰ লোকেই আগভাগ লৈ শান্তি সম্প্ৰীতিৰ কামনা কৰে। উৎসৱত ভাগ লোৱা পুৰুষ মহিলা আটায়ে নিজৰ জনগোষ্ঠীয় সাজ-পাৰ পৰিধান কৰে। অতিথি আপ্যায়নৰ ক্ষেত্ৰত তেওঁলোকে ব্যৱহাৰ কৰে আপং, জুইত পোৰা কুকুৰা চৰাইৰ মাংস আদি। মূলতঃ নিচি জনগোষ্ঠীটোৰ এই নিয়'কুম উৎসৱে সকলোৰে মনলৈ এক শান্তি সম্প্ৰীতিৰ ভাব কঢ়িয়াই আনে। এনেদৰেই নিচিসকলে বছৰটোৰ আৰম্ভণি কৰে আৰু গোটেই বছৰটোত যাতে ৰাইজৰ খেতি বাতিৰ পৰা আদি কৰি সকলোতে শ্ৰীবৃদ্ধি হয় তাৰ কামনা কৰে।

(অসমীয়া প্ৰতিদিনৰ এনাজৰীৰ আধাৰত যুগুতোৱা) ম.কু.দা.

**।। নিয়ৰ ভঙা চিৰা ।।**

এটা সময় আছিল - যিটো সময়ত জনসাধাৰণে খোজ কাঢ়িয়ে অহা-যোৱা কৰিছিল। তেতিয়াৰ দিনত স্থল পথত গৰু গাড়ী চলিছিল। সম্ভ্ৰান্ত লোকে হাতীত উঠি ইঠাইৰপৰা সিঠাইলৈ গৈছিল। বিয়া বাৰুৰ কালত দৰাপক্ষৰ মতা মানুহখিনিয়ে সাধাৰণতে খোজ কাঢ়িয়ে কন্যাঘৰ পাইছিলগৈ। মুষ্টিমেয় তিৰোতা উঠি গৈছিল গৰু গাড়ীত। বিয়া শেষ হোৱাৰ লগে লগে মতা মানুহখিনি দৰাঘৰলৈ প্ৰত্যাৱৰ্তন কৰে। শীত কালৰ বাট-পথে পোৱালী মেলে। ৰাজবাট বাদ দি পথৰুৱা পথেৰেই নিয়ৰ গচকি আহি দৰাঘৰত উপস্থিত হয়। বাটৰ ভাগৰ পলাব লাগে। চাহ-পানীৰ চলতি তেতিয়া হোৱাই নাই। ৰাতি টোপনি খতি কৰি অহা মানুহখিনিক আপ্যায়ন কৰা হ'ব কেনেকৈ? মাখন নকটা ম'হৰ গাখীৰ আৰু চিৰাৰে। নিয়ৰ গচকি আহি বাটৰ ভাগৰ পলুৱাবলৈ দৰাঘৰত ৰাতিপুৱা খোৱা চিৰাই নিয়ৰ ভঙা চিৰা। আজিকালি সময় সলনি হ'ল। যান-বাহন চলিল। খোজ কাঢ়ি অহা-যোৱা কৰাৰো প্ৰয়োজন নাইকিয়া হ'ল। গতিকে 'নিয়ৰ ভঙা চিৰা'ৰো নাম আজি হৰলুকী হ'ল।

না.দা.

**।। নেকলেচ ।।**

নেকলেচ নামটোৰ পৰাই ধৰিব পাৰি যে ই ডিঙিত পিন্ধা এবিধ অলংকাৰ। ৰং বিৰঙৰ পাথৰ, মণিমুক্তা আদিৰে কুন্দাই বা মিনা কৰাই এইবিধ গহনা প্ৰস্তুত কৰা হয়। কেৱল বিবাহিতা মহিলাইহে এই অলংকাৰ ব্যৱহাৰ কৰিব পাৰে। নেকলেচ বিভিন্ন চানেকিৰ হ'ব পাৰে। ই ডিঙিটোত চাৰিওফালে ঘেৰি থাকি মহিলাগৰাকীক অধিক শুৱনি কৰি তোলে। কইনাৰ বাবে অপৰিহাৰ্য অলংকাৰ।

প্ৰ.শ. গো.

**।। নেজাল তৰা সম্পৰ্কীয় লোকবিশ্বাস ।।**

লোক বিশ্বাস মতে নেজাল তৰা বা ধূমকেতু অমংগলৰ চিন। নেজাল তৰা দেখিলে কিবা অমংগল হয় বুলি মানুহে বিশ্বাস কৰে। লুচাই সমাজত নেজাল তৰা দুৰ্ভিক্ষৰ চিন বুলি ভাবে। নেজাল তৰা ওলালে দেশত দুৰ্ভিক্ষ বৃদ্ধি পায় বুলি লোক বিশ্বাস চলি আহিছে। আমাৰ সমাজতো নেজাল তৰা অমংগলৰ চিন বুলি ভাবে। নেজাল তৰা ওলালে দেশত কিবা দুৰ্গতি হয় বুলি মানুহে বিশ্বাস কৰে। মানুহ মৰিলে আকাশত তৰা হৈ জিলিকি থাকে বুলি আমি ককাদেউতাহঁতৰ মুখত শুনি আহিছোঁ। কিন্তু কোনো মানুহৰ যদি অপঘাট মৃত্যু হয় বা কোনো আত্মহত্যা কৰে তেতিয়া সেই মানুহৰ আত্মাই মুক্তি নাপায়। মৃত্যু পিছত সেই মুক্তি নোপোৱা আত্মাটো মাজতে ওলমি থাকে। আৰু সেই আত্মাটোৱেই নেজাল তৰা হয় বুলি মানুহে বিশ্বাস কৰে। নেজাল তৰাই যিদৰে অমংগলৰ চিন সূচায় ঠিক কিন্তু কিছু কিছু ক্ষেত্ৰত ই মংগৰৰ চিনো বুজায়। ৰাতিৰ আকাশত নেজাল তৰা দেখিলে চকু মুদি কিবা কামনা কৰিলে মনৰ সকলো কামনা পূৰ্ণ হয় বুলি বিশ্বাস আছে। নেজাল তৰা সম্পৰ্কে বহুতো শুভ-অশুভ, মংগল-অমংগল আমাৰ সমাজত প্ৰচলিত হৈ আছে।

প.পা.

**।। নেপালীসকলৰ তীজ উৎসৱ ।।**

তীজ হ'ল বিবাহিতা নেপালী মহিলাসকলৰ ব্ৰতোৎসৱ। ধৰ্মীয় কৃত্য জড়িত হৈ থকা এই উৎসৱ পালন কৰা হয় প্ৰতিবছৰৰ ভাদ্ৰ শুক্লা তৃতীয়াৰ দিনা। তীজ উৎসৱৰ দিনা নেপালী মহিলাসকলে উপবাসে থাকি নাচ-গানৰ দ্বাৰা ভক্তি সহকাৰে শিব-পাৰ্বতীৰ পূজা কৰে। হিমালয়ৰ পুত্ৰী গৌৰীয়ে অন্ন, জল স্পৰ্শ নকৰাকৈ সম্পূৰ্ণ নিৰাহাৰে একচিত্তে ধ্যান কৰি শিৱ দেৱতাক স্বামীৰূপে লাভ কৰা কাহিনীৰ ওপৰত থকা বিশ্বাসৰ আধাৰত নেপালী তিৰোতাই স্বামী আৰু দাম্পত্য জীৱনৰ সুখ-শান্তি, মঙ্গলৰ অৰ্থে এই ব্ৰত পালন কৰে আৰু একান্ত শ্ৰদ্ধা সহকাৰে হৰিতালিকা ব্ৰতৰ কাহিনী শ্ৰৱণ কৰে।

তীজৰ সময়ত দূৰ-দূৰণিলৈ বিয়া দিয়া জীয়াৰীসকলক মাকৰ ঘৰলৈ (মাইতী ঘৰ) নিমন্ত্রণ কৰাৰ নিয়ম। আহোম ৰজা শিৱসিংহৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে মাকৰ ঘৰলৈ গৈ কৰ্কৰা ভাত খাই তৃপ্তি লোৱাৰ দৰে নেপালী জীয়াৰীসকলেও মাকৰ ঘৰলৈ গৈ এই উৎসৱৰ যোগে হেঁপাহ পলুৱাই হাঁহিবলৈ, নাচিবলৈ, খাবলৈ আগ্রহেৰে বাট চাই থাকে। মাইতীঘৰৰপৰা বাপেক, ভাই-ককায়েক অথবা নিকট আত্মীয়ৰ নিমন্ত্রণ পাই নেপালী জীয়াৰীসকলে উৎসৱৰ আগদিনাই অৰ্থাৎ ভাদ্র শুক্লা দ্বিতীয়াৰ দিনা মাকৰ ঘৰত উপস্থিত হয় আৰু দৰ খায়। মাইতীঘৰত তেওঁলোকৰ বাবে ৰন্ধা বিভিন্ন তৰহৰ খাদ্য-জলপান-মিঠাই আদিকে দৰ বুলি কোৱা হয়। সিদিনা তেওঁলোকে আনন্দ মনেৰে দৰ খোৱাৰ পিছত উৎসৱৰ দিনা কোনো ধৰণৰ অন্ন জল গ্রহণ নকৰাকৈ শিৱ-পাৰ্বতীৰ (হৰিতালিকা) ব্রত পালন কৰে। তীজ গীতত কোনো ধৰণৰ বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ নহয়। হাত চাপৰি বজাই এইবোৰ গীত গোৱা হয়। গাঁৱৰ অশিক্ষিত নেপালী মহিলাৰ হৰ্ষ-বিষাদৰ বিচিত্র প্রকাশ লক্ষ্য কৰা যায় এই গীতবোৰত। ইসমূহত বিশেষকৈ মাক আৰু সৰু ভায়েকৰ প্রতি জীয়ৰীহঁতৰ শ্রদ্ধা-মৰম সহানুভূতিৰ প্রতিফলন দেখা যায়। আকৌ ভাউজু (নবৌ), নন্দ (ননদ), অমাজু (স্বামীৰ বায়েক), শাশু (শাহু), বুঢ়ী শাশু (শাহু আইতাক)ৰ প্রতি বোৱাৰীসকলৰ অসহিষ্ণু ভাৱনাও প্রকট হোৱা দেখা যায়। হেঁপাহৰ উৎসৱ তীজলৈ বুলি নিমন্ত্রণৰ আশাৰে বাট চাই থকা নেপালী জীয়াৰীৰ উৎকণ্ঠা, উদ্বিগ্নতাৰ কৰুণ ছবি প্রকটিত হোৱা এই তীজ গীতটিলৈ মন কৰা যাওঁক— "আগনকো ডিলমা বচি/কালি কৌৱা কা.... কা.../বাবালে পঠায়েকো কে সমাচাৰ/লিয়ায়েও বৰিলই..." (অৰ্থ ঃ আগচোতালত পৰি কা কা কৰি পিতায়ে পঠিওৱা কি বাতৰি আনিছানো তুমি?)

বি. ভু. ব.

।। নেপূৰ।।

নেপূৰ (সংস্কৃত নূপুৰ) ঘনবাদ্য যন্ত্ৰৰ অন্তৰ্ভুক্ত যদিও ইয়াৰ সম্পৰ্ক গীতততকৈ নৃত্যতহে বেছি। পুৰণি অসমীয়া সাহিত্যত নেপূৰ বা নুপুৰৰ প্ৰয়োগ প্ৰচুৰ। বিয়াহ গোৱা ওজাই ভৰি নেপূৰ পৰিধান কৰি ওজাপালিৰ পৰিৱেশ্য কলাত প্ৰৱেশ কৰে।

ইয়াৰ সহায়ত ওজাই পালিসকলৰ তালবাদ্যৰ তালৰ সৈতে সম্পৰ্ক ৰখাৰ সুযোগ পায়। ব্যাসৰ ওজাপালিৰ দৰে বৰপেটা সত্ৰৰ ওজাপালি আৰু নগাওঁৰ ওজাপালিয়ে দুয়োখন ভৰিতে নেপূৰ পৰিধান কৰাটো তাৎপৰ্যপূৰ্ণ। আগতে আপীওজাপালিৰ ওজায়ো এইবিধ যন্ত্ৰ পৰিধান কৰিছিল যদিও মাৰেগানৰ ওজাই ইয়াক নিপিন্ধাটো উল্লেখযোগ্য।

(ড° নবীন চন্দ্ৰ শৰ্মাৰ পৰিৱেশ্যকলা ওজাপালিৰ আধাৰত যুগুতোৱা।)

না. দা.

**।। নেপূৰ বা নূপুৰ।।**

এইবিধ ভৰিত পিন্ধা অলংকাৰ। এইবিধ সাধাৰণতে ৰূপৰ অলংকাৰ বুলিব পাৰি। খুব সীমিত সংখ্যক মহিলাইহে সোণৰ নেপূৰ পৰিধান কৰে। নেপূৰৰ চানেকিবোৰ বিভিন্ন গঢ়ৰ। কোনো কোনো নেপূৰত সৰু সৰু ঝুমকাও লগোৱা থাকে, যাতে খোজ কাঢ়িলে ঝুমকাবোৰ বাজি উঠে। কাণত এটি মৃদু অনুৰণন তোলে। এইবিধ অলংকাৰ সৰু সৰু ল'ৰা-ছোৱালীৰপৰা বিবাহিতা মহিলালৈকে সকলোৱে পৰিধান কৰে। ইয়াৰ এটা মূৰত এডাল আঙুঠি লগোৱা থাকে আৰু আনটো মূৰত তাকে এডাল বেঁকা শলখা । তাক টানি আনি ইটোৰমূৰৰ আঙুঠিটোত লগোৱা থাকে। আজিকালি ইয়াৰ নেপূৰ নাম লোপ পাই পায়েল নামেৰেহে ই পৰিচিত হ'বলৈ ধৰিছে। আগৰ দিনত ইয়াক পো-জোপা বুলি জনা হৈছিল। ইয়াক অভিজাত পৰিয়ালৰ মহিলাইহে ব্যৱহাৰ কৰিছিল। এইবিধ গহনা সাধাৰণ আৰ্হিৰে গঢ়াই পিন্ধিলে তাক পাওপদ্ম বুলিও জনা গৈছিল। প্ৰাচীন কালত মহিলাই ভৰিত খাৰুও পিন্ধিছিল। এই খাৰুৰ নাম আছিল উজন্টি। উজন্টি ৰ মূৰ দুটাত সিংহ, হাতী, মগৰ আদিৰ চানেকি খোদিত কৰা হৈছিল। এই খাৰুবিলাক সামৰ্থ অনুসাৰে সোণ বা ৰূপ দুয়োবিধ ধাতুৰে গঢ়াই পিন্ধিছিল। ভৰিত পিন্ধা খাৰুৰ বাড়ি বুলিও কোৱা উল্লেখ আছে। ভৰিত পটাত পিন্ধা আন কেইবিধমান অলংকাৰ হ'ল পা-জোন পা-পদ্ম, বিছুৱা আৰু আনোৱাট। আনোৱাট বা বিছুৱাত সাধাৰণতে সাপ বা বৃশ্চিকৰ চানেকি দেখা গৈছিল। কিছুমান সাধাৰণ শ্ৰেণীৰ মহিলাই ভৰিত কড়িৰ মালাও পিন্ধিছিল। নিয়মিত ৰূপৰ পায়েল বা নেপূৰ আদি পৰিধান কৰিলে গেৰুৱা, কলাফুল আৰু পিঠিৰ নিম্নাংশত বিষ নহয় বুলি কোৱা হয়। ই ৰক্ত সঞ্চালনতো সহায় কৰে। নেপূৰ বা পায়েল পৰিধান কৰিলে হিষ্টৰিয়া শ্বাসতন্ত্ৰ আৰু মূত্ৰ সম্বন্ধীয় বেমাৰৰপৰা কিছু সকাহ পাব পাৰি।

প্ৰ.শ. গো.

**।। নোক ফান-টে ।।**

গাৰো জনজাতিৰ ডেকা চাঙৰ নাম নোক ফান টে। গাৰো ভাষাত নোক মানে ঘৰ আৰু ফান-টে মানে অবিবাহিত পুৰুষ। গতিকে অবিবাহিত লোকৰ আৱাসেই নোক ফান- টে। প্ৰায়বোৰ গাৰো গাঁৱত নিজা নিজা নোক ফান-টে দেখা যায়। ওখ, আহল-বহল আৰু দীঘল নোক ফান টেসমূহৰ ভাগ দুটা- এভাগ মুকলি আনটো ভাগ বেৰৰ দ্বাৰা আবৃত। মুকলি ভাগ নাচ-গান, খেল-ধেমালি আৰু শিকিবলগীয়া বিভিন্ন কাৰুকাৰ্যৰ অনুশীলনত ব্যৱহাৰ হোৱাৰ বিপৰীতে বেৰ থাক ভাগটো শোৱা কামত লগোৱা হয়। মাটিৰপৰা প্ৰায় ছয় মিটাৰ উচ্চতাৰ চাং এখনৰ ওপৰত সজা নোক ফান-টে সমূহত দুখনকৈ দুৱাৰ থাকে আৰু দুৱাৰৰ তলত থাকে উঠা-নমাৰ বাবে দুখন জখলা। এডাল গোটা গছত খাপ কাটি সজা জখলাত উঠাৰ সুচলৰ বাবে ঘৰৰ মুধচৰপৰা এডাল

দীঘল মোটা ৰচি ওলোমাই ৰখাটো উল্লেখযোগ্য। নোক ফান-টেৰ দুৱাৰমুখ, মাৰলি আৰু চালত ম'হৰ শিং বা ছাল, গাহৰী, হৰিণ, বাঘ প্ৰভৃতি জীৱ-জন্তুৰ মূৰ আদি আঁৰি ৰখাটো সাধাৰণ নিয়ম। চাংঘৰৰ ওপৰতে নিৰ্মাণ কৰা জুহালত শীত কালত তাপ লোৱাৰ উপৰি গাহৰি, কুকুৰা আৰু হৰিণৰ মঙহ পুৰি খোৱাটো দস্তুৰ। জীৱ-জন্তু আৰু বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা গাঁৱক ৰক্ষা কৰিবলৈ ডেকাবোৰে নিশাৰ ভাগত নোক ফান-টেত শোৱে। ইয়াত গাভৰুৰ প্ৰৱেশ নিষিদ্ধ। অন্যান্য জনগোষ্ঠীৰ দৰে গাৰো জনজাতিৰ নোক ফান-টেসমূহে ডেকাসকলৰ শাৰীৰিক, মানসিক, নৈতিক আৰু ধৰ্মীয় ভাৱধাৰাৰ দৃঢ় বুনিয়াদ গঢ়াৰ লগতে সাংস্কৃতিক দিশৰো উত্তৰণত সাহায্য দান কৰি অহাটো তাৎপৰ্যপূৰ্ণ।

না. দা.

।। পকা লাড়ু ।।

অসমীয়া খাদ্য সংস্কৃতিত পকালাড়ু (উজনিত পকামিঠৈ ৰূপে পৰিচিত) স্থান বিশিষ্ট। ৰঙালী -ভোগালী দুয়োটা বিহুত আন পিঠা পনাৰ লগতে পকামিঠৈ বা পকা লাড়ু লাগিবই। ল'ৰা জন্মৰ পিছত লাড়ু দিয়া নাম নামনি অসমৰ এটা বিশিষ্ট অনুষ্ঠান। বিয়াৰ গৰখীয়া ভাৰ-খনত অন্যান্য খাদ্য সম্ভাৰৰ লগতে থাকে পকা লাড়ু। আগতে কুঁহিয়াৰ শালত কুঁহিয়াৰ পেৰা শেষ হোৱাৰ দিনাখন কুঁহিয়াৰ পেৰা গৃহস্থসকলৰপৰা পিঠাগুড়ি তুলি পকালাড়ু বন্ধা এটা দস্তুৰেই আছিল। এইবিধ লাড়ু বান্ধিবলৈ ভজা পিঠাগুড়ি (কামৰূপত ইয়াক লাওৱা পিঠাগুড়ি বোলে) আৰু জুলীয়া গুড় হ'লেই হ'ল। অৱশ্যে অধিক স্বাদযুক্ত কৰাৰ বাবে জালুকৰ গুড়ি দিয়া প্ৰয়োজন। আৰৈ চাউলৰ পিঠাগুড়ি ভাজি তাত জালুকৰ গুড়ি মিহলাই লোৱাৰ পিছত পকা ফুটত গুড় লগাই লৈ পিঠা গুড়িত ভালদৰে মিহলি কৰি হাতেৰে মুঠি মুঠিকৈ লাড়ু বান্ধি নভজা পিঠাগুড়িত সেইবোৰ ঢালি লৰাই দিলেই খোৱাৰ উপযোগী পকা লাড়ু প্ৰস্তুত হয়। বহুতে পকা লাড়ুত নভজা পিঠাগুড়ি নাসানে। তেতিয়া সি দেখাত অলপ ৰঙচুৱা হয়। পকালাড়ু অতি সহজে এমাহলৈ সাঁচি ৰাখিব পাৰি।

জ্যো. দা.

।। পঁচতি ।।

পঁচতি শব্দৰ সাধাৰণ অৰ্থ হ'ল - ল'ৰা-ছোৱালী ভূমিষ্ঠ হোৱাৰ পাঁচ দিনৰ দিনা কৰা জন্ম কৃত্য। পিছে পঁচতি বুলিলে আমি সাধাৰণ শিশুৰ জন্মৰ পঞ্চম দিৱসৰ উৎসৱক নুবুজোঁ - বুজোঁ চিৰশিশু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পাঁচদিনৰ পিছত উদ্‌যাপিত উৎসৱটোকহে। জন্মাষ্টমীৰ পৰৱৰ্তী দিনটো নন্দোৎসৱ ৰূপে জনা যায়; কাৰণ সেই দিনা নন্দৰ পুৰীত উৎসৱৰ আয়োজন কৰা হৈছিল। পঁচতি নন্দোৎসৱৰ পৰৱৰ্তী উৎসৱ। সাধাৰণতে

পঁচতি উৎসৱ জন্মাষ্টমীৰ পাঁচ দিনত পাতিব লাগে কোনো কোনো ঠাইত নন্দোৎসৱ অথবা তাৰ পিছ দিনাই এই উৎসৱ উদ্‌যাপন কৰা দেখা যায়। পঁচতি আইসকলৰ উৎসৱ। নাট-ভাওনাৰ ভালেখিনি লক্ষণ ইয়াত বিদ্যমান। ইয়াৰ নায়িকা যশোদা। গৰ্গমুনি, পুতনা, গোপ-গোপী আদি পাৰ্শ্ব চৰিত্ৰ। যশোদাৰ ভাও লোৱা তিৰোতাগৰাকী ব্ৰতত থকা প্ৰয়োজন। তেওঁ পুত্ৰৰ সৈতে ৰঙ্গমঞ্চৰ একাষত বহে। ছয়জনী সৰু ছোৱালীয়ে হাতত চাউল, ফুল আৰু লাড়ু লৈ ৰঙ্গমঞ্চলৈ আহি যশোদাৰ চাৰিওফালে প্ৰদক্ষিণ কৰি তেওঁৰ মূৰত চাউল চটিয়ায়। নন্দজায়াই এবাৰ প্ৰদক্ষিণৰতা গোপী এজনীৰপৰা ফল এটি গ্ৰহণ কৰি সেইটি কৃষ্ণলৈ আগবঢ়ায়। হাতত পুথি-পাঁজি লৈ শ্ৰীকৃষ্ণৰ নামকৰণ উপলক্ষে গৰ্গমুনিয়ে প্ৰৱেশ কৰাৰ লগে লগে তিৰোতাসকলে শ্ৰীকৃষ্ণৰ গালৈ হালধি পানী ছটিয়াবলৈ আৰম্ভ কৰে। তিৰোতাসকল হালধিৰ পানীত তিতি জুৰুলি জুপুৰি হয়। ইমানতে শেষ হয় আগ পঁচতি উৎসৱ। আবেলি আৰম্ভ হয় পিছ পঁচতিৰ। পুতনা-বধ এই অংশৰ এই আকৰ্ষক বিন্দু।

পুৰণি অসমীয়া সাহিত্যত পঁচতি উৎসৱৰ আলমত দুখনি নাট পোৱা যায়। তাৰে এখনৰ ৰচয়িতা হ'ল - কামৰূপৰ ওপৰভাগ মৌজাৰ কঁহাৰজাৰ (ঝাৰ) গাঁৱৰ দ্বিজ ৰমাকান্ত। নাটখনিত আদ্য দশমৰ প্ৰভাৱ মচিব নোৱাৰা। দ্বিতীয়খনি পঁচতিৰ ৰচয়িতা হ'ল মাধৱ দত্ত। নাটখনিৰ বিষয় বস্তুত আছে - শ্ৰীকৃষ্ণৰ জন্ম, দৈৱকী-বসুদেৱৰ স্তুতি, জন্মোৎসৱ আৰু পুতনা বধ। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, পঁচতি গোৱা দস্তুৰটো প্ৰাক্ শংকৰ যুগৰেপৰা চলি অহা। মহাপুৰুষ শংকৰদেৱে ইয়াত নতুন ৰহণ চৰায়।

অসমৰ সত্ৰসমূহত এই পঁচতি উৎসৱ উলহ-মালহেৰে পালন কৰা হয়।

না. দা.

।। **পতাজাল** ।।

মাছে পানীত চলাচল কৰা পথত সোঁতৰ বিপৰীতে অথবা সোঁতৰ সমান্তৰালভাৱে যি জাল পাতি এটা নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে দাঙি মাছ ধৰা হয়, সেই জালকে পতাজাল কোৱা হয়। অসমৰ মাছমৰীয়া সকলে সাধাৰণতে ব্যৱহাৰ কৰা ভিন্ন পতা জালবোৰ হ'ল - ১) পৰভীজাল-এইজাল চাৰিটা বাঁহৰ আগলিৰ তনিৰ সহায়ত ফিন্দ খুৱাই পানীত বোৱা হয়। এডাল দীঘল বাঁহৰ সহায়ত জালখন পাৰৰপৰা কিছু আঁতৰত পেলোৱা নিয়ম। এই বাঁহডালৰ নাম কোৰাবাৰি। আকাৰত ডাঙৰ বিধজালক বৰজাল আৰু সৰু বিধক জাকি জাল বোলে। ২) টেঁকীজাল — এইবিধ জাল বাওঁতে বাওঁতাজন এডাল বাঁহৰ ওপৰত থিয় দিব লগা হয় বাবে ইয়াৰ আন নাম খাৰা জাল। থিয়বাঁহৰ উপৰি পথালি চিটিকা দি পতা বাবে বহুতে ইয়াক চিট্‌কী জালো বোলে। ৩) কামিজাল-অসমীয়া মাছমৰীয়াসকলে বাৰিষা ব্ৰহ্মপুত্ৰত ইলিহি মাছ ধৰিবলৈ ব্যৱহাৰ কৰা জালখনেই

বজ্ৰধাৰী আৰু দস্যু হন্তা (১/১০০), সহস্ৰাক্ষী ইন্দ্ৰৰ এহাতত বজ্ৰ, আন হাতত গদা কিংবা অংকুশ বিদ্যমান। গজাৰূঢ় ইন্দ্ৰৰ প্ৰতিমা লক্ষণ বৰ্ণাবলৈ গৈ সমৰাংগন সূত্ৰধাৰে কয় যে ৰাজবেশত থকা ইন্দ্ৰৰ সৈতে যজ্ঞৰত পুৰোহিত জনকো দেখাব লাগে। নৰকাসুৰ পাহাৰত প্ৰাপ্ত ইন্দ্ৰদেৱ গজাৰূঢ় (৩৪ X১৯ ছে.মি.)। তেওঁৰ সোঁহাতত বৰদা মুদ্ৰা আৰু বাঁওহাতত বজ্ৰ। মূৰত কিৰীটি, হাৰ, উপবীত, কেয়ূৰ আৰু যথাবিহিত বস্ত্ৰেৰে মূৰ্তিটো সুমণ্ডিত। তেওঁৰ উভয় পাশে দুগৰাকী চামৰধাৰিণী প্ৰথমজনী ঐৰাৱতৰ ওপৰত আৰু দ্বিতীয় জনী পৰিপুষ্ট পদ্ম পীঠত ত্ৰিভংগ ভংগীত দণ্ডায়মান। অংকুশ বাহনৰ মূৰৰ ওপৰত দেখা যায়। পীঠস্থানত আছে অঞ্জলি মুদ্ৰাৰ ভক্ত। পশ্চাৎ দেশত আধাৰ নিৰ্মাণ কৰি তাৰ ওপৰত চকুত লগা তিনিটা প্ৰভামণ্ডল সংযোগ কৰাৰ উপৰি একেবাৰে ওপৰত সংযোজিত হৈছে - এটি ৰাজছত্ৰ। ইন্দ্ৰৰ শৈল প্ৰতিমাৰ অভাৱ নাই, কিন্তু ধাতুৰে নিৰ্মিত আলোচিত প্ৰতিমাখনৰ সমতুল দ্বিতীয় এখনি ভাৰত ভূমিত বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই। শৈলীৰ ফালৰপৰা এইখনি খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীৰ সম্পদ।

না.দা.

**।। পুৰণি অসমৰ গণপতিৰ ধাতৱ প্ৰতিমা ।।**

বিঘ্নি নাশক আৰু সিদ্ধিদাতা গণেশৰ পূজা অবিহনে আন দেৱ-দেৱীৰ পূজা অৰ্চনা অসম্ভৱ গুণে অসমত এইজনা দেৱতাৰ প্ৰতিমা সৰহ। শাৰদা তিলক আৰু মেৰুতন্ত্ৰৰ সহায়ত তেওঁৰ ইণ্ডিয়ান ইমেজেজ গ্ৰন্থৰ গণপতিৰ প্ৰতিমাক দহোটা ভাগত ভগাইছে- বিঘ্নি ৰাজ, লক্ষ্মী-গণপতি, শক্তি গণেশ, ক্ষিতি প্ৰসাদেন গণেশ, বক্ৰতুণ্ড, হেৰম্ব, পীত গণেশ, মহাগণপতি, বিৰিঞ্চি গণপতি আৰু উচ্চই গণপতি (দ্বিজেন্দ্ৰনাথ শুক্লৰ ভাৰতীয় বাস্তুশাস্ত্ৰ, প্ৰতিমা বিজ্ঞান (লক্ষ্ণৌ, ১৯৫৬)। পদ্মপুৰাণৰ স্বৰ্গখণ্ডত এনেদৰে পোৱা যায় - - 'তেওঁ ত্ৰিনয়ন, মুখখন হাতীৰ দৰে। উদৰ স্থূল আৰু লম্বমান। চাৰি বাহু, সৰ্প উপবীত, কৰি কৰ্ণসদৃশ আকুঞ্চিত কাণ, বৃহৎ তুণ্ড আৰু একদঁতীয়া। এওঁৰ দক্ষিণ ফালৰ সমুখ হাতত লড্ডুক আৰু পিছ হাতত পৰশু। বাহন মুষিক (২৬০/৫২-৫৪)। ওপৰৰ বৰ্ণনাৰে বহুখিনি ৰজিতা খোৱা প্ৰাক্-আহোম যুগীয় গণেশৰ ধাতৱ মূৰ্তি এটা (৯ × ৫ ছে.মি.) নৰকাসুৰ পাহাৰত উদ্ধাৰ হৈছে। আন দুখনি পোৱা গৈছে কামৰূপৰ হঁহৰাত। ইয়াৰে প্ৰথমখনি খ্ৰীষ্টীয় ষোড়শ শতাব্দীৰ (৫×৪ ছে.মি.)। ৰাজলীলাসনত উপবিষ্ট গণপতিৰ সোঁপদ মুষিক পৃষ্ঠত সংস্থাপিত। চতুৰ্ভুজৰ উৰ্ধ বাহুদ্বয়ত নীলোৎপল আৰু পৰশু। তলৰ বাহুদ্বয় বৰদামুদ্ৰাত। সৰ্প উপবীতে স্থিতি লৈছে বামস্কন্ধদেশত। দ্বিতীয়খনি প্ৰতিমাও (৫×৪ ছে.মি.) প্ৰথমখনিৰে অনুৰূপ; ইংৰাজী ২০০৮ চনত সোম দিৰি নৈত গণেশৰ চতুৰ্হস্ত বিতোপন গণ পতিৰ ব্ৰঞ্জৰ মূৰ্তি এটা উদ্ধাৰ হৈছে (৫ × ৩ ছে.মি.)। অৱশ্যে সময়ৰ ফালৰপৰা এইখনি অলপ পিছৰ যেন লাগে।

না.দা.

**।। পুৰণি অসমৰ জগদ্ধাত্ৰীৰ ধাতৱ প্ৰতিমা ।।**

জগতৰ ধাত্ৰী অথবা পালয়িত্ৰীৰূপে আদ্যাশক্তি মহামায়াৰ এটি নাম জগদ্ধাত্ৰী। সিংহ পৃষ্ঠত আৰূঢ়া চতুৰ্ভুজা নানালংকাৰ ভূষিতা দেৱীৰ ধাতৱ মূৰ্তি এটি উদ্ধাৰ হৈছে--কামৰূপৰ হঁহৰা গাঁৱত। দেৱীৰ উৰ্ধ বাহুদ্বয়ত পদ্ম আৰু কব্‌ত্ৰী। তলৰ হাত দুখনত আছে অভয় আৰু বৰদা মুদ্ৰা। একাদশ-দ্বাদশ শতাব্দীৰ পাল শৈলীত নিৰ্মিত (৫ × ৬ ছে.মি.) এই প্ৰতিমাখনিৰ মন কৰিবলগীয়া বৈশিষ্ট্য হ'ল -দেৱীৰ বাহন সিংহক পীঠৰ ওপৰত প্ৰতিষ্ঠা কৰাৰ বিপৰীতে পীঠৰ সমুখত প্ৰতিষ্ঠা কৰাটো।

না.দা.

**।। পুৰণি অসমৰ তাৰাৰ ধাতৱ মূৰ্তি ।।**

তান্ত্ৰিক বৌদ্ধধৰ্মৰ বিকাশৰ থলী অসমত একাধিক বৌদ্ধ দেৱ-দেৱীৰ মূৰ্তি উদ্ধাৰ হোৱাটো স্বাভাৱিক। বৌদ্ধ দেৱী তাৰা ত্ৰাণকৰ্ত্ৰী গুণে সৰ্বজন আদৃতা। তাৰাৰ ৰূপ ভিন্ ভিন্। যেনে-শ্যাম তাৰা, পীত তাৰা, সিত তাৰা আদি। শ্যাম তাৰাৰ ৰূপ ভেদ হ'ল-- খদিৰবাহিনী তাৰা। তেওঁ ললিতাসন ভংগীত বিকশিত পদ্মপীঠত আসীনা। তেওঁৰ সোঁ ভৰি পদ্মপীঠৰ ওপৰত, বাঁও ভৰিখনো ভাঁজ কৰি পদ্মপীঠতে ৰখা। দেৱীৰ বাঁওহাত দীঘল পদ্মনালেৰে বিতৰ্ক মুদ্ৰাত আৰু সোঁহাত আঁঠুৰ ওপৰত থৈ বৰদামুদ্ৰা ধাৰণা কৰা। দেৱীৰ দুয়োফালে থাকে মাৰীচী আৰু একজটা বা মহামায়ুৰী। নৰকাসুৰ পাহাৰত ওপৰৰ বৰ্ণনাৰে সাদৃশ্য থকা গোটা ব্ৰঞ্জৰে নিৰ্মিত খদিৰবাহিনী তাৰাৰ প্ৰতিমা এখনি (২৮ X ১০ ছে.মি.) উদ্ধাৰ হৈছে। অৱশ্যে অসমৰখনিত প্ৰতিহাৰী পাবলৈ নাইকিয়া।

হিন্দুসকলৰ মনসাদেৱীৰ সমপৰ্যায়ৰ বৌদ্ধ দেৱী হ'ল-- জাংগুলী তাৰা। খ্ৰীষ্টীয় দশম-একাদশ শতাব্দীৰ এখনি মনোৰম জাংগুলী তাৰাৰ প্ৰতিমা (১৭ X ৪ ছে.মি.) নৰকাসুৰ পাহাৰৰ ওদালবাক্ৰাৰপৰা ৰাজ্যিক সংগ্ৰহালয়ে নি সংৰক্ষণ কৰিছে। পদ্মপীঠৰ ওপৰত স্থানক ভংগীত থকা দেৱীৰ সোঁ হাতত বৰদা মুদ্ৰা আৰু বাঁওহাতত এটি পদুম দৃশ্যমান।

না.দা.

**।। পুৰণি অসমৰ ত্ৰিপুৰ ভৈৰবীৰ ধাতৱ মূৰ্তি ।।**

ত্ৰিপুৰ ভৈৰবী মূলতঃ তান্ত্ৰিক দেৱী। বৌদ্ধ আৰু হিন্দু তন্ত্ৰৰ সংমিশ্ৰণত সৃষ্ট ত্ৰিপুৰ ভৈৰবীৰ ৰূপ কালিকা পুৰাণে অংকন কৰিছে এনেদৰেঃ 'দেৱী ৰক্তবৰ্ণা, ৰক্ত বস্ত্ৰ পৰিহিতা, চতুৰ্ভুজা। তেওঁৰ উৰ্ধ দক্ষিণ হাতত মালা আৰু অধো হস্তত উত্তম পুস্তক। বাঁওহাতত বৰ আৰু অভয়মুদ্ৰা। সূৰ্যৰ দৰে দেদীপ্যমানা দেৱী ত্ৰিনয়না আৰু গজেন্দ্ৰ গমনা। উত্তুংগ-পীন-স্তনযুগল শোভিতা দেৱী শ্বেত প্ৰেতোপৰি আসীনা। তেওঁৰ মস্তক,

বক্ষস্থল আৰু কটিদেশ মুণ্ড মালাৰে সুশোভিতা' (৭৪/৯৪-৯৬)। ত্রিপুৰ ভৈৰৱীৰ দুখন বিতোপন ধাতৱ প্রতিমা ইঁহঁতৰ উদ্ধাৰ হৈছে। ইয়াৰে প্রথমখনিত (৮ × ৬ছে.মি.) দেৱীক পীঠৰ ওপৰত থকা শৱৰ ওপৰত হলাসনত দেখুৱা হৈছে। মুণ্ডমালা পৰিশোভিতা দেৱীৰ উৰ্ধবাহুদ্বয়ত বৰদা মুদ্রা আৰু তলৰ বাঁওহাতত অক্ষমালা, প্রভামণ্ডল শোভিতা দেৱীৰ অস্থি সংস্থানত ভাস্কৰে কুশল হস্তৰ পৰিচয় দিছে। নৃমুণ্ডমালা শোভিতা শৱাসনা চতুর্ভুজা ত্রিপুৰ ভৈৰৱীৰ দ্বিতীয়খনি প্রতিমাত (৫ × ৪ ছে.মি.) দেখা যায় দেৱীৰ ত্রিকোণত নমস্কাৰহস্তা ভগা, ভগাজিহ্বা আৰু ভগাম্যা (কালিকা পুৰাণ, ৬৩/১০১)- এই তিনিওজনী যোগিনীক। শিল্পকর্মৰ ফালৰপৰা আলোচিত দুয়োখনি প্রতিমা খ্রীষ্টীয় পঞ্চদশ- ষোড়শ শতাব্দীৰ সম্পদ।

না.দা.

।। পুৰণি অসমৰ দেৱী কালীৰ ধাতৱ প্রতিমা ।।

শক্তিৰ এটি ভয়ংকৰ পৰিকল্পনা হ'ল— কালী দেৱী। ধ্যানমতে এইদেৱী 'কৰাল বদনা, ভয়ংকৰাকৃতি, আলুলায়িত আৰু চতুর্ভুজা। গলদেশত মুণ্ডমালা। বাঁওফালৰ সমুখ হস্তত নৃমুণ্ড আৰু পিছৰখনত খড়গ। সোঁফালৰ হস্তদ্বয়ত যথাক্রমে অভয় আৰু বৰদা মুদ্রা। দেৱী প্রগাঢ় মেঘৰ দৰে শ্যাম বর্ণা আৰু দিগম্বৰী। তেওঁ শিৱোপৰি অৱস্থিতা। তেওঁৰ চতুর্দিশে শিৱাগণৰ ভয়ংকৰ আর্তনাদ। তেওঁ মহাকালৰ লগত বিপৰীতভাৱে ৰত্যাসক্তা।' (কুমাৰী তন্ত্র, দ্বিতীয় পটল, ৪৪-৫০)। উপর্যুক্ত ধ্যানৰ বিফল অনুকৰণ দেখা যায় -শোণিতপুৰ জিলাৰ বৰগুাবাৰীৰ কল্যাণী দেৱালয়ত সংৰক্ষিত স্বর্ণকালী প্রতিমাত। খ্রীষ্টীয় অষ্টাদশ শতাব্দীত নির্মিত এই প্রতিমাত দেৱীৰ শিৰত ওখ কিৰীটি, নৃমুণ্ডমালাৰ পৰিৱৰ্তে কটিবস্ত্রৰ ব্যৱহাৰ তাৎপর্যপূর্ণ। শিৱৰ হৃদয়োপৰি দণ্ডায়মানা দেৱীৰ প্রতিমাখনি কলা সম্পদৰূপে উচ্চাংগৰ নহ'লেও স্বর্ণসম্ভাৰ ৰূপে অতুলনীয়। আচাম ডিচ্ট্রিক গেজেটিয়াৰ্ৰৰ দৰং জিলা খণ্ডত (দ্বিতীয় তা. ১৯৭৮) আলোচিত স্বর্ণসম্ভাৰটিৰ আলোক চিত্র সংযোজিত হৈছে।

না.দা.

।। পুৰণি অসমৰ দেৱী চণ্ডীৰ ধাতৱ প্রতিমা ।।

দেৱী-চণ্ডী শক্তিৰ দেৱী। এই গৰাকী দেৱী এহাতে যুদ্ধ প্রিয়া ৰুদ্রা দেৱী আৰু আনহাতে অভয়া আৰু ভক্ত বৎসলা। বংগদেশত সেনবংশী নৃপতিসকলৰ আমোলত এইগৰাকী দেৱীৰ যি শৈল প্রতিমা গঢ়া হৈছিল, সেইবোৰত দেৱী চতুর্ভুজা আৰু স্বর্ণ গোধিকা আৰূঢ়া। পৰৱৰ্তী কালত গোধিকাৰ পৰিৱৰ্তে সিংহ সংযোগ কৰা হ'ল। আহোম যুগীয় মংগল চণ্ডীৰ পিতলৰ মূর্তিটো অর্চনাৰত অৱস্থাত গুৱাহাটীৰ ছত্রকাৰ দেৱালয়ত আছে। প্রত্নতাত্ত্বিক সোণাৰাম চৌধুৰীৰ ভাষাত, 'এই মূর্তিটো ওখই ১২/১৩ আঙুলিমান

হ'ব। দেখাত সিমান ঠানুৱা নহয়। শুনা যায়, এই মূৰ্তি দন্দুৱা দ্ৰোহৰ সময়ত কলিয়া ভোমোৰা বৰফুকনে (প্ৰতাপবল্লভ) হৰদত্তৰ ঘৰৰপৰা আনি ইয়াত থাপনা কৰিছিল' (আৱাহন, একাদশ বৰ্ষ, নৱম সংখ্যা)।

না.দা.

।। পুৰণি অসমৰ প্ৰাক্ আহোম যুগীয় দশভুজাৰ ধাতৱ প্ৰতিমা ।।

শক্তি সাধনাৰ থলী অসমত পৰ্যাপ্ত পৰিমানে শক্তিৰ ভিন্ন ৰূপৰ ধাতৱ মূৰ্তি উদ্ধাৰ হোৱাটো স্বাভাৱিক। শক্তিৰ উগ্ৰৰূপেই মহিষমৰ্দিনী। হস্ত সংখ্যা ভেদে দেৱীৰ নাম বেলেগ বেলেগ। মৎস্য পুৰাণ আৰু অগ্নি পুৰাণত (৫০/৭/১২) বিভিন্ন ৰূপা দুৰ্গা প্ৰতিমাৰ বিৱৰণ আছে। ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া গুৱাহাটীৰ হেদায়াৎপুৰত (কুকুৰ মুতা) প্ৰাপ্ত দশভুজা দেৱীৰ ব্ৰঞ্জৰ প্ৰতিমা (১০ × ৫ ছে.মি.) খনিত বাহন সিংহক দেখা নাযায়। অসুৰৰ কান্ধত দেৱীয়ে ভৰি এখন ৰাখি ত্ৰিশূলেৰে তাৰ বক্ষ বিদীৰ্ণ কৰিছে। অন্যান্য হস্তায়ুধবোৰ এতিয়া অস্পষ্ট। দেৱীৰ মূৰৰ জঁটা-মুকুট আৰু বক্ষহাৰ স্পষ্ট। শিল্পকৰ্মৰ ফালৰপৰা এইখনি দশম-একাদশ খ্ৰীষ্টাব্দৰ সম্পত্তি । মহিষমৰ্দিনীৰ দ্বিতীয়খনি ধাতৱ মূৰ্তি উদ্ধাৰ হৈছে নৰকাসুৰ পাহাৰত। ঘূৰণীয়া থাল এখনিত উদ্‌গত (১৮ × ১৭ ছে.মি.) দেৱীৰ মুখমণ্ডলহে দৃশ্যমান। আয়তলোচনা দেৱীৰ তিলফুলীয়া নাক আৰু ৰুচিসন্মত ওঁঠযুৰি দৃষ্টিযোগ্য। দেৱীৰ মূৰত বিশেষ ধৰণৰ কিৰীটি আৰু কাণত কুণ্ডল সুস্পষ্ট। মহিষমৰ্দিনীৰ মুখৰ থিক তলতে দেখা যায়- ম'হৰ মূৰটো। দুৰ্গাৰ এনে ৰূপকাত্মক দ্বিতীয়খনি ধাতৱ প্ৰতিমা অসমত উদ্ধাৰ হোৱা নাই। ড° ৰবীনদেৱ চৌধুৰী আৰু ড° ধৰ্মেশ্বৰ চুতীয়াই এই প্ৰতিমাখনি মহিষাসুৰৰ প্ৰতিমা বুলিব খুজিলেও দেৱীৰ কলাত্মক মূৰ্তি বুলিলেহে অধিক ৰজিতা খায়। সময়ৰ ফালৰপৰা আলোচিত ব্ৰঞ্জৰ প্ৰতিমাখনি নিঃসন্দেহে খ্ৰীষ্টীয় ত্ৰয়োদশৰ পূৰ্ববৰ্তী।

না.দা.

।। পুৰণি অসমত বলভদ্ৰ পূজা ।।

কৃষ্ণ অৱতাৰত ভগৱান শ্ৰীকৃষ্ণৰ প্ৰধান সহায়ক সংকৰ্ষণ বলভদ্ৰ বা বলৰাম ৰূপে প্ৰসিদ্ধ। মহাভাৰত আৰু একাধিক পুৰাণৰ মতে বলৰাম অনন্ত নাগ। সূৰ্যৰ অয়ন গতিৰসৈতে নাগৰ অবিচ্ছেদ্য সম্পৰ্ক। সূৰ্যৰ অয়ন গতিয়ে অনন্ত নাগ। সূৰ্যৰ উত্তৰ আৰু দক্ষিণ গতিৰ শেষ হ'ল দুটি অয়ন বৃত্ত। সেইবাবেই অনন্তনাগৰ নাম শেষ। ইয়াৰ আকৰ্ষণতে সূৰ্যৰ উত্তৰ- দক্ষিণ পথ পৰিক্ৰমা- সেইবাবেই তেওঁ সংকৰ্ষণ। সূৰ্য আৰু সূৰ্যৰ গতি যিদৰে অভিন্ন, তেনেকৈ অনন্ত বিষ্ণুৰ অংশ বলভদ্ৰও বিষ্ণুৰে অৱতাৰ, বলৰামৰ আয়ুধ নাঙল কৃষি কৰ্মৰসৈতে সংশ্লিষ্ট। পুৰণি অসমত বলভদ্ৰৰ পূজা-অৰ্চনা কেনে পদ্ধতিত চলিছিল, তাৰ সবিশেষ পোৱা নাযায় যদিও বিভিন্ন মন্দিৰৰ দ্বাৰশাখাত খোদিত দশাৱতাৰ ৰূপৰ

বলৰামৰ মূৰ্তি খোদিত কৰাটো মন কৰিবলগীয়া। তেজপুৰৰ বামুণী পাহাৰ আৰু চিত্ৰলেখা উদ্যান (কোলপাৰ্ক)ৰ দ্বাৰশাখাৰ উপৰি গুৱাহাটীৰ কোনোবা ঠাইৰপৰা নি অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিয়া দশম- একাদশ শতাব্দীৰ দ্বাৰ শাখা এডালতো বিলোপন বলৰামৰ মূৰ্তি এটি খোদিত কৰা দেখা যায়। অৱশ্যে দ্বাৰশাখাত খোদিত দশাৱতাৰৰ মূৰ্তি থকা দেৱধামৰ উপাস্য দেৱতা কোন আছিল, তাক জনা নাযায়। হ'লেও পঞ্চম শতাব্দীৰ লিপি ৰূপে সাব্যস্ত কৰা সুৰেন্দ্ৰবৰ্মাৰ উমাচল লিপিয়ে সেইসময়ত প্ৰাগ্‌জ্যোতিষত প্ৰচলিত বলভদ্ৰ পূজা-অৰ্চনাত এচেৰেঙা পোহৰ পেলায়। লিপিত আছে—মহাৰাজাধিৰাজ শ্ৰী/সুৰেন্দ্ৰবৰ্মণা কৃতম্ / ভগৱতঃ বলভদ্ৰ/ স্বামিনায় ইদং গুহং //, এই গুহা মন্দিৰ ভগৱান বলভদ্ৰ স্বামীৰ লিপিত উল্লিখিত গুহামন্দিৰত নিঃসন্দেহে বলোভদ্ৰৰ অৰ্চনা কৰা হৈছিল।

না.দা.

।। পুৰণি অসমৰ বাসুদেৱ উপাসনা।।

গোসাঁইজুৰি, ডবকা, মিকিৰ আটী, মহাদেও শাল প্ৰভৃতি স্থানত খ্ৰীষ্টীয় নৱম শতিকাৰ শিল্পসম্ভাৰ ৰূপে সাব্যস্ত কৰা সমপাদ স্থানক ভংগীৰ যি কেইটা শৈল বাসুদেৱ মূৰ্তি উদ্ধাৰ হৈছে, সেয়ে পুৰণি অসমৰ প্ৰচলিত বাসুদেৱ পূজা অৰ্চনাৰ স্পষ্ট ইংগিত দিয়ে। কালিকা পুৰাণত ( ৮৩-৮৯-১৮৭ ) উল্লেখ আছে ঃ দেৱী দিক্কৰবাসিনী ললিত কান্তা আৰু কেঁচাইখাতী তীক্ষ্ণ কান্তাৰূপত বিৰাজিতা। পূৰ্ব কামৰূপৰ দিক্কৰবাসিনী পীঠ বাসুদেৱ পূজাৰ প্ৰশস্ত স্থান। সেই পীঠত শম্ভু আৰু ব্ৰহ্মা লিংগ ৰূপত আৰু বিষ্ণু শিলা ৰূপত বিৰাজমান। বাসুদেৱ পূজা মাত্ৰ তিনি প্ৰকাৰ - ক. বীজমন্ত্ৰ ওঁ নমো নাৰায়ণায় খ. দ্বাদশাক্ষৰী অংগমন্ত্ৰ ওঁ নমো ভগৱতে বাসুদেৱায় আৰু গ. অষ্টদশাক্ষৰী প্ৰত্যংগ মন্ত্ৰ ওঁ নমো বিষ্ণৱে সুৰপতয়ে মহাবলায় স্বাহা। বাসুদেৱৰ তিনিটা ৰূপৰ ভিতৰত দধি বামন দ্বিভুজৰ আৰু বাকী দুটা ৰূপ চতুৰ্ভুজৰ। ইয়াত গোপাল-কৃষ্ণ ৰূপ নিশ্চিতভাৱে অৱৰ্তমান। বাসুদেৱ পূজাত তেওঁৰ লগতে আৰু পাঁচগৰাকী দেৱতা পূজা প্ৰয়োজন - ৰাম, কৃষ্ণ, ব্ৰহ্মা, শম্ভু আৰু গৌৰী। পূজাত শেষ দুজনক বিভাজন নকৰিবলৈ নিৰ্দেশ দিছে। বাসুদেৱৰ অষ্টসহচৰ বৰ্তমান - বলভদ্ৰ, কাম, অনিৰুদ্ধ, নাৰায়ণ,ব্ৰহ্মা, বিষ্ণু, নৰসিংহ আৰু বৰাহ। নায়ক বাসুদেৱ আৰু নায়িকা বিমলা। পূজা-অৰ্চনাত মণ্ডল ৰচনা কৰা প্ৰয়োজন। সেই মণ্ডলত অষ্ট যোগীৰ লগতে আছে অষ্ট যোগিনী- উৎকৰ্ষিণী, জ্ঞেয়া, জ্ঞানা, ক্ৰিয়া, যোগা, প্ৰহ্বী, ঐশানী আৰু অনুগ্ৰাহী। ফুল আৰু নিৰামিষ ভাৱে বাসুদেৱক পূজিব লাগে। এক কথাত বাসুদেৱৰ পূজা-অৰ্চনা সম্পূৰ্ণৰূপে তান্ত্ৰিক পদ্ধতিৰ। ইয়াৰ 'বৈষ্ণৱ মতত

পঞ্চদেৱতাৰ পূজাৰ ভিতৰত মাতৃৰ ছাঁ আছিল।' তাৰ সম্পৰ্ক পঞ্চৰাত্ৰ তন্ত্ৰৰ লগত।

(ড° বাণীকান্ত কাকতিৰ পুৰণি অসমৰ ধৰ্মৰ ধাৰা আৰু ড° মহেশ্বৰ নেওগৰ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতিৰ আধাৰত যুগুতোৱা)

না. দা.

**।। পুৰণি অসমৰ বৌদ্ধ ধাতৱ প্ৰতিমা ।।**

তান্ত্ৰিক বৌদ্ধধৰ্মৰ বিকাশৰ থলী অসমত বুদ্ধৰ ভিন্ন মূৰ্তি উদ্ধাৰ হোৱাত অস্বাভাৱিক একো নাই। বুদ্ধৰ মূৰ্তিৰ ভিতৰত ডিব্ৰুগড় জিলাৰ চাবুৱা অঞ্চলত প্ৰাপ্ত ব্ৰঞ্জৰ বুদ্ধমূৰ্তিটোৰ (৫৪ × ৪৮ ছে.মি.) নাম জয়জয়তে উল্লেখ কৰিব পাৰি। বজ্ৰ পৰ্যংকাসনস্থ বুদ্ধদেৱৰ সোঁহাত ভূমিস্পৰ্শ মুদ্ৰাত আৰু বাঁওহাত আঁঠু দেশত সংস্থাপিত। মুখমণ্ডলত তিব্বতী প্ৰভাৱ পৰিলেও অস্থিসংস্থানৰ ফালৰপৰা মূৰ্তিটো নিখুঁত। পাতল বস্ত্ৰৰ অংলকৰণ চমকপ্ৰদ। কলা সমীক্ষকসকলৰ মতে মূৰ্তিটো একাদশ- দ্বাদশ খ্ৰীষ্টাব্দৰ পৰৱৰ্তী নহয়। মধ্যযুগত নিৰ্মিত এটি পিতলৰ বুদ্ধ মূৰ্তি ৰাজ্যিক সংগ্ৰহালয়ে অৰুণাচল প্ৰদেশৰপৰা সংগ্ৰহ কৰি আনিছে।

বৌদ্ধদেৱতা হেবজ্ৰৰ অষ্টশিৰ, ষোড়শ ভুজ আৰু শৱদেহৰ ওপৰত দণ্ডায়মান। হে বজ্ৰই তেওঁৰ ক্ৰোড়স্থিত বজ্ৰ বাৰাহীৰ নাকত নাক ৰাখি উভয়ে উভয়ৰ দ্বিবাহুত দৃঢ়ালিংগনাবদ্ধ ভাৱে থিয় হৈ থকা শৈল প্ৰতিমা বংগদেশত একাধিক উদ্ধাৰ হৈছে। আনন্দৰ সংবাদ এই যে অসমৰ উমানন্দতো উক্ত দেৱতাজনাৰ আপুৰুগীয়া ব্ৰঞ্জৰ প্ৰতিমা এখনি উদ্ধাৰ হৈছিল। অৱশ্যে প্ৰতিমাখনিৰ হস্তসংখ্যা কম।

না.দা.

**।। পুৰণি অসমৰ বৌদ্ধ অবলোকিতেশ্বৰৰ ধাতৱ প্ৰতিমা ।।**

ভগবান বুদ্ধৰ করুণাঘন মূৰ্তিৰ ভিতৰত অবলোকিতেশ্বৰ বা লোকেশ্বৰ হ'ল সবাতোকৈ অধিক দয়াদ্ৰচিত্তৰ। গুৱাহাটীৰ নৰকাসুৰ পাহাৰৰ ওদালবাৰিত প্ৰাপ্ত লোকেশ্বৰৰ প্ৰতিমাখনিত (৩০× ১৭ ছে.মি.) দেৱতাজনা ৰাজলীলাসনত বহি আছে। চতুৰ্ভুজৰ সমুখৰ হাতত অভয় মুদ্ৰা আৰু উৰ্ধবাহুত পদ্ম। বাঁওফালৰো সমুখ হাতত পদ্ম আৰু উৰ্ধবাহুত কিতাপ (?) এখন দেখা যায়। লোকনাথৰ দুয়োফালৰ আয়ুধহস্তা প্ৰতিহাৰী দুগৰাকী তাৰা আৰু ভ্ৰুকুটী ৰূপে সাব্যস্ত কৰিব পাৰি। তিনিওজনা মূৰ্তিৰে পশ্চাৎদেশত মনোৰম প্ৰভামণ্ডল বিদ্যমান। শৈলীৰ ফালৰপৰা প্ৰতিমাখনি খ্ৰীষ্টীয় দশম শতাব্দীৰ।

না.দা.

**।। পুৰণি অসমৰ বৌদ্ধদেৱী চুন্দাৰ ধাতৱ প্ৰতিমা ।।**

সাধন মালা অনুযায়ী বৌদ্ধদেৱী চুন্দা (ব্ৰাহ্মণ্য ধৰ্মৰ ইন্দ্ৰাণীৰ সমপৰ্যায়ৰ) চতুৰ্ভুজা, অষ্টভূজা অথবা ষোড়শ ভুজা। এনে হস্ত সংখ্যাৰ মূৰ্তি আৰু চিত্ৰ পোৱা গৈছে। গুৱাহাটীৰ

নৰকাসুৰ পাহাৰত উদ্ধাৰ হোৱা চুন্দাৰ প্ৰতিমাখন (১৮ × ১২ ছে.মি.) অষ্টভুজা। সমুখৰ দুখন হাতত অঞ্জলিমুদ্ৰা। দ্বিতীয় দুখন হাত আঁঠুৰ ওপৰত সংস্থাপিত। সোঁফালৰ উৰ্ধবাহুত পদ্ম আৰু বাঁওফালৰ উৰ্ধবাহুত অক্ষমালা দৃশ্যমান। ড° অৰুণ ভট্টাচাৰ্যই প্ৰজ্ঞা পাৰমিতা ৰূপে চিনাক্ত কৰা এই বৌদ্ধ প্ৰতিমাখনি মূৰ্তিবিশাৰদ সৰসীকুমাৰ সৰস্বতী ডাঙৰীয়াই চুন্দাৰ মূৰ্তি ৰূপে সাব্যস্ত কৰিছে। অনুৰূপ চুন্দাৰ শৈল প্ৰতিমা এখনি ৰাজশাহী জিলাৰ নিয়মাৎপুৰত উদ্ধাৰ হৈছিল।

না.দা.

**।। পুৰণি অসমৰ বৌদ্ধদেৱী হাৰীতীৰ ধাতৱ প্ৰতিমা ।।**

তান্ত্ৰিক বৌদ্ধধৰ্মৰ বিকাশৰ থলী পুৰণি কামৰূপত বৌদ্ধ দেৱতাৰ লগতে বৌদ্ধ দেৱীৰো শিল আৰু ধাতুৰ ভিন্ন মূৰ্তি উদ্ধাৰ হৈছে। এনে প্ৰতিমাৰ ভিতৰত জম্ভলৰ শক্তি দেৱী হাৰীতীৰ নাম ল'ব পাৰি। তেওঁ ধনদাত্ৰী আৰু ব্ৰাহ্মণ্য ধৰ্মৰ ষষ্ঠী দেৱীৰ দৰে শিশু ৰক্ষয়িত্ৰী আৰু শিশুমংগল বিধাতৃ। কামৰূপৰ ইংৰাত দুটি হাৰীতীৰ ধাতৱ মূৰ্তি উদ্ধাৰ হৈছে। তাৰে প্ৰথমটিত (৬.৫ × ৪ ছে.মি.) দেৱী পদ্মপীঠৰ ওপৰত ললিতাসনত উপবিষ্টা। দেৱীৰ মুকুট, কুণ্ডল, হাৰ আৰু কটি মেখলা সুস্পষ্ট। পীন্-পয়োধৰা দেৱীৰ সোঁহাতত অভয় মুদ্ৰা আৰু বাঁওহাতেদি আকোঁৱালি লোৱা এটি শিশু। দ্বিতীয়খনি প্ৰতিমাত (৯ × ৮ ছে.মি.) দুজনী নাৰীৰ সোঁফালৰ জনী হাৰীতী। তেওঁৰ বাঁওহাতৰ কোলাত শিশু আৰু আঁঠুদেশত ৰক্ষিত সোঁহস্তত বৰদা মুদ্ৰা। বাঁওফালে পদ্মাসনত বহি দুহাতৰ মাজত দেৱ শিশু লৈ থকাজনী কোন, তাক কোৱা টান। শিল্পকৰ্মৰ ফালৰপৰা আলোচিত দুয়োখনি ধাতৱ প্ৰতিমাই খ্ৰীষ্টীয় একাদশ শতাব্দীৰ সম্পদ।

না.দা.

**।। পুৰণি অসমৰ মনসাৰ ধাতৱ মূৰ্তি ।।**

বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ সমন্বয় ভূমি পুৰণি প্ৰাগ্‌জ্যোতিষ-কামৰূপত খ্ৰীষ্টীয় নৱম-দশম শতাব্দীৰেপৰা সৰ্পদেৱী মনসাৰ পূজা অৰ্চনা যে চলিছিল তাক উক্ত ভূমিৰ বিভিন্ন প্ৰান্তৰত উদ্ধাৰ হোৱা শৈল প্ৰতিমাৰ উপৰি ধাতৱ মূৰ্তিকলায়ো প্ৰমাণ কৰে। এনে ধাতৱ মূৰ্তিৰ ভিতৰত জয়জয়তে নৰকাসুৰ পাহাৰৰ ওদালবাক্ৰাত উদ্ধাৰ হোৱা গোটা ব্ৰঞ্জেৰে নিৰ্মাণ কৰা প্ৰতিমা খনিৰ (৮ × ৭ ছে. মি.) কথা উল্লেখ কৰিব পাৰি। পদ্মপীঠৰ ওপৰত ললিতাসন ভংগীত বহা দেৱীৰ সমুখত কুম্ভৰপৰা এডাল সাপ ওলাই দেৱীৰ বাঁওহাতৰ আয়ুধৰ ৰূপ লৈছেহি। দেৱীৰ সোঁহাতখন দক্ষিণ আঁঠুৰ ওপৰত থৈ বৰদা মুদ্ৰা ধাৰণ কৰিছে। শিৰোদেশৰ সোঁফালে তিনিডাল আৰু বাঁওফালে দুডাল সাপে ফণামেলি শিৰোছত্ৰৰ ৰূপ দিছে। সৰ্পদেৱীৰ সোঁহাতে আসন ভংগীত মুনি জৰৎকাৰু আৰু বাঁওহাতে একে ভংগীত আস্তিক দৃশ্যমান। গুৱাহাটীৰ কোনোবাথিনিৰপৰা সংগৃহীত সৰু পিতলৰ মনসা

মূৰ্তি এটা সংগ্ৰহালযত আছে। দ্বিভুজা ললিতাসনত উপবিষ্টা দেৱীৰ সোঁহাতত বৰদামুদ্ৰা আৰু বাঁওহাতৰ কোলাত আস্তিকক দেখা যায়। দেৱীৰ মূৰৰ ওপৰত সৰ্পফণাৰ উপৰি পিছফালে আছে এটি প্ৰায় অস্পষ্ট নৰমূৰ্তি। কলা সমীক্ষকসকলৰ মতে এইব্ৰঞ্জৰ প্ৰতিমাখনি খ্ৰীষ্টীয় দ্বাদশ-ত্ৰয়োদশ শতাব্দীৰ শিল্প সম্পদ।

না.দা

**।। পুৰণি অসমৰ মনসাৰ শৈল মূৰ্তি ।।**

পুৰণি অসমত যে সৰ্পদেৱী মনসাৰ পূজা-অৰ্চনা খ্ৰীষ্টীয নৱম-দশম শতাব্দীৰে পৰা আৰম্ভ হৈছিল তাক অসমৰ বিভিন্ন স্থানত প্ৰাপ্ত শৈল আৰু ধাতৱ মূৰ্তি সমূহে প্ৰমাণ কৰে। শৈল মূৰ্তিৰ ভিতৰত জয়জয়তে সূৰ্যপাহাৰৰ প্ৰকাণ্ড শিল এটাৰ গাত কটা পদ্মপীঠৰ ওপৰত দণ্ডায়মান বিভিন্ন আয়ুধেৰে দ্বাদশ ভুজ পৰিশোভিত, কিৰীটি-কুণ্ডলমণ্ডিত, শীৰ্ষোপৰি সপ্ত নাগফণাযুক্ত মনসা প্ৰতিমাখনিৰ নামোল্লেখ কৰিব পাৰি। খ্ৰীষ্টীয় নৱম-দশম শতাব্দীৰ শিল্পকৰ্মৰূপে স্বীকৃত দেৱীগৰাকীৰ দুয়োফালে দুগৰাকী বিশেষ ভংগীৰ নাগকন্যা দৃশ্যমান। প্ৰায় এক সময়ৰে ছটীয়া বেছাল্ট শিলত কটা দ্বিহস্ত সমপদ স্থানক ভংগীৰ দণ্ডায়মান নাগেন্দ্ৰ বাহিনী মনসাৰ প্ৰতিমা এখনি নগাঁও শিলঘাটৰ ওচৰৰ চাহ বাগিছা এখনিত উদ্ধাৰ হৈছে। ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত শৈল প্ৰতিমাখনিৰ মূৰত ছত্ৰৰূপে অষ্ট নাগৰ ফণা, দুকাষে দ্বিভংগীম ঠামৰ দুগৰাকী নাগকন্যা আৰু তাৰ দুকাষে সৰ্পৰ অলংকৰণ মনোৰম। নগাঁও-জখলাবন্ধাৰপৰা নি ৰাজ্যিক সংগ্ৰহালযে ৰখা ক'লা বেছাল্ট শিলৰ এখনি দ্বিহস্ত, পৰিস্ফুট পদ্মদলৰ ওপৰত ললিতাসনত আসীনা জাকজমকপূৰ্ণ দেৱীয়ে বাঁওহাতেৰে এডাল সাপ আৰু সোঁহাত আঁঠুৰ ওপৰত থৈ বৰদামুদ্ৰা প্ৰদৰ্শন কৰিছে। কিৰীটি-কুণ্ডল-হাৰ-নেপূৰ-কংকন শোভিতা স্থূল কুচযুগধাৰিণী দেৱীৰ মস্তকশীৰ্ষত সপ্তফণা শোভিত ছত্ৰ। বাঁওফালৰ শিলাপট্টত মুনি জৰুৎকাৰু আৰু তাৰ বাঁওফালে আন এটি নৰ মূৰ্তিৰ উপৰি শিলাপট্টৰ শীৰ্ষত মনোৰম কীৰ্তিমুখ আৰু বিদ্যাধৰৰ মূৰ্তি দেখা যায়। পীঠৰ তলৰ মংগল কলসীয়ে প্ৰতিমাখনিৰ সোণত সুৱগা চৰাইছে।

শোণিতপুৰ জিলাৰ গহপুৰৰ ওচৰৰ কল্যাণী থানত আগ্নেয় শিলত কটা পদ্ম পীঠৰ ওপৰত ললিতাসন ভংগীত থকা দ্বি হস্ত মনসামূৰ্তিৰ এহাতত সৰ্প আৰু আন হাতত এটি ফল দৃশ্যমান। জটা মুকুট-হাৰ-বলয়-কংকন প্ৰভৃতি ৰত্নালংকাৰ ভূষিতা দেৱীৰ মূৰৰ ওপৰত সপ্তফণাযুক্ত সৰ্পছত্ৰ, দেহত উত্তৰীয় আৰু কটিত মেখেলা শোভিত। শিলাপট্টৰ সোঁফালে জৰুৎকাৰু আৰু বাঁওফালে এটি কিৰীটিযুক্ত পুৰুষ। গুৱাহাটী-নৰকাসুৰ পাহাৰৰ ওডালবাক্ৰাতো সৰ্পফণাই মূৰৰ ওপৰত শোভা কৰি থকা নৱম-দশম শতাব্দীৰ নিৰ্মিত সৰু শিলৰ মনসা মূৰ্তি এটা উদ্ধাৰ হৈছে। শোণিতপুৰ জিলাৰ ফুলবাৰী দেৱালয়ৰ উপৰি নগাঁৱৰ মাধৱ পাহাৰৰ বিষ্ণু আৰু লক্ষ্মী থানত একাদশ-দ্বাদশ শতাব্দীৰ দুটা শৈলমূৰ্তি

উদ্ধাৰ হোৱাৰ কথা ড° নিশিপদ চৌধুৰীয়ে সদৰি কৰিছে।

(উৎস ঃ ৰাণী চাপৰি শ্ৰীশ্ৰী মনসা মন্দিৰৰ সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ পদ্মাৱতী)।

না.দা.

**।। পুৰণি অসমৰ মহিষমৰ্দিনীৰ স্বৰ্ণ প্ৰতিমা ।।**

অসমত মহিষমৰ্দিনীৰ স্বৰ্ণ প্ৰতিমা মাত্ৰ এখনিহে পোৱা গৈছে। মেঘালয়-গাৰোপাহাৰৰ পাদদেশৰ শিঙিমাৰীত ইং ১৯৭৬ চনত চতুষ্কোণী লকেট বিশেষত উদ্‌গত যিটি শক্তিৰ সোণৰ মূৰ্তি (৭ x ৭ ছে.মি.) উদ্ধাৰ হৈছিল, সেইটি এতিয়া মেঘালয়ৰ সংগ্ৰহালয়ত স্থান পাইছেগৈ । যোড়শভুজা দেৱীৰ প্ৰতিমাখনে কালিকাপুৰাণৰ ভদ্ৰকালীলৈ মনত পেলায় ঃ দেৱীৰ দেহৰ বৰণ আতসী ফুলৰ দৰে। কাণত উজ্জ্বল কাঞ্চনৰ কুণ্ডল আৰু মূৰত জঁটাজুট, অৰ্ধচন্দ্ৰ আৰু মুকুটেৰে বিভূষিত। তেওঁৰ ডিঙি নাগ আৰু সুবৰ্ণ হাৰেৰে পৰিশোভিত। দক্ষিণ ফালৰ হাতবোৰত শূল, খড়্গ, শংখ, চক্ৰ, বাণ, শক্তি, বজ্ৰ আৰু দণ্ড। বাঁও ফালৰ হাত কেইখনত খেটক, চৰ্ম, চাপ, পাশ, অংকুশ, ঘণ্টা, পৰশু আৰু মুষল পৰি দৃশ্যমান। দেৱী সিংহৰ ওপৰত আৰোহণ কৰিছে আৰু ত্ৰিনেত্ৰ প্ৰোজ্জ্বল হৈ উঠিছে। সেই জগন্ময়ী পৰমেশ্বৰী দেৱীয়ে ম'হক বাঁওভৰিৰে আক্ৰমণ কৰি শূলেৰে তাৰ বক্ষ ভেদ কৰিছে (৬০/৫৯-৬৪) । শিঙিমাৰীৰ ভদ্ৰকালীৰ ত্ৰিশূলৰ বিনে আন আয়ুধবোৰ এতিয়া অস্পষ্ট যদিও পশ্চাৎপটৰ প্ৰভামণ্ডল সুস্পষ্ট। শিল্প কৰ্মৰ ফালৰপৰা এই আপুৰুগীয়া সম্পদটি মধ্যযুগত (১৩-১৭শতাব্দী) সংস্থাপন কৰিব পাৰি।

(উৎস ঃ কামৰূপ অনুসন্ধান সমিতিৰ ইংৰাজী গৱেষণা গ্ৰন্থত (সংখ্যা ২৮) প্ৰকাশিত ড° ৰবীনদেৱ চৌধুৰীৰ নিবন্ধ)।

না.দা.

**।। পুৰণি অসমৰ মাটিৰ নাও ।।**

মানৱ জাতিৰ লগত নাওৰ সম্পৰ্ক নিবিড়। সৃষ্টিৰ আদিতে জল-প্লাৱনৰ কাহিনী ধৰ্ম গ্ৰন্থত পোৱা যায়। লগতে এইটোও পোৱা যায় যে জীৱকুলক ভগৱানে নাৱত ভ্ৰমণ কৰি ৰক্ষা কৰিছিল। মৎস্য পুৰাণত আছে, মৎস্যৰূপী ভগৱানে নিজৰ শৃংগত নাও বান্ধি জীৱকুল ৰক্ষা কৰিছিল। বাইবেলটো অনুৰূপ কাহিনী পোৱা যায়। নাওবুলিলে আমি পানীত ওপঙি থকা কাঠক বুজো। পিছে অসম দেশত মাটিৰে সজা নাৱো উদ্ধাৰ হৈছে। গুৱাহাটীৰ আমবাৰীত খনন কাৰ্য চলি থকা কালত নৱগ্ৰহ পাহাৰৰ দাঁতিত মাটিৰ তলৰ পৰা এখনি পোৱা মাটিৰ নাও খান্দি উলিওৱা হৈছিল। নাওখন দীঘলে ২.৯৫ মিটাৰ, বহলে ৮৫ ছে.মি. আৰু উচ্চতা ২৫ ছে.মি.। অনুৰূপ গঢ়ৰ আন দুখনি নাৱো উদ্ধাৰ হৈছিল। তাৰে এখনি গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত আৰু আনখনি অসম অভিযান্ত্ৰিক

মহাবিদ্যালয়ৰ ওচৰত। তৃতীয়খনি নাও বিশ্ববিদ্যালয়ৰ নৃতত্ত্ববিভাগৰ সংগ্ৰহালয়ত সুৰক্ষা দিয়া হৈছিল। এইবোৰ ল'ৰা ছোৱালী খেলা নাও নহয়; ইয়াৰে এখন নাও উত্তৰা-দক্ষিণাকৈ আৰু বাকী দুখন পূবা-পশ্চিমা অৱস্থাত উদ্ধাৰ হৈছিল। অনুৰূপ নাও ভাৰতত উদ্ধাৰ হোৱা নাই। এই নাও কি কামত ব্যৱহাৰ হৈছিল তাক খাটাংকৈ কোৱা টান। ড° এইচ. ডি.সাংকালিয়াই ভাৱে যে পুৰণি ইজিপ্তত ফাৰাওৰ কালত মৃতকৰ অন্ত্যেষ্টিক্ৰিয়াৰ লগত নাৱৰ সম্পৰ্ক আছিল। তাত ফাৰাওৰ কবৰৰ কাষত এখন কাঠৰ নাও মাটিৰ তলত স্থাপন কৰা হৈছিল। মৃতকৰ আত্মাই তাৰ সহায়েৰে পৰলোকলৈ যোৱাৰ বিশ্বাস তাত লুকাই আছিল। ইংলণ্ড আৰু নৰৱেতো মৃতকৰ কবৰৰ কাষত ধন ৰত্নেৰে পুতি থোৱা নাও উদ্ধাৰ হৈছে। এইবোৰলৈ চাই ড° সাংকালিয়াই নাও কেইখনিৰ সময়ৰেখা খ্ৰী.পূ. ২৫০০ লৈ আগুৱাব খোজে যদিও (ফ্ৰম হিষ্ট্ৰি টু পি- হিষ্ট্ৰি ইন আচাম) জেড.ডি আনচাৰী আৰু অন্যান্য পণ্ডিতে ইয়াক সপ্তম দশম শতাব্দীৰ শিল্প সম্পদ ৰূপে সাব্যস্ত কৰিবলৈ বিচাৰিছে। না.দা.

**।। পুৰণি অসমৰ মাটিৰ শিল্প।।**

পুৰণি অসম যে মৃৎ শিল্পত চহকী আছিল গুৱাহাটীৰ আমবাৰী আৰু একেখন মহানগৰীৰ বিভিন্ন ঠাই, দ -পৰ্বতীয়া, নগাঁৱৰ মহাদেওশাল, মিকিৰ আটী, ভীষ্মক নগৰ, তেজুৰ নিকটৱৰ্তী মাটিৰ গড়, বিজয় নগৰ, ইটানগৰ, উত্তৰ কাছাৰৰ দাও হালি হাডিঙ প্ৰভৃতিস্থানত উদ্ধাৰ হোৱা বিভিন্ন মৃৎখণ্ড, দেৱ-দেৱী, বাচন-বৰ্তন প্ৰভৃতিয়ে তাৰ সাক্ষী। অসমত হীৰা আৰু কুমাৰ সম্প্ৰদায় দুটাই অতীজৰেপৰা মৃৎ শিল্পৰ উন্নয়ণত আগ ভাগ লৈ আহিছে; এই বিধ শিল্প সাধনাত হীৰা সকলৰ স্থান প্ৰথমতে। কিয়নো তেওঁলোকে হীৰামাটিৰে হাতৰ সহায়ত বিভিন্ন বাচন-বৰ্তন আৰু আন সম্ভাৰ নিৰ্মাণ কৰিছিল। গুৱাহাটী নৱগ্ৰহ পাহাৰত মাটিৰ তলৰপৰা খান্দি উলিওৱা মাটিৰ প্ৰকাণ্ড নাওখনৰ উপৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কাষৰ পাহাৰৰ দাঁতিত উদ্ধাৰ হোৱা নাওকেইখনি হাতেৰে হীৰা সম্প্ৰদায়ে নিৰ্মাণ কৰাৰ সম্ভাৱনা প্ৰৱল। কুমাৰসকলে সাধাৰণতে চাক ব্যৱহাৰ কৰে আৰু তেওঁলোকে ব্যৱহাৰ কৰা মাটিৰ নাম কুমাৰ মাটি। কুমাৰৰ চাকৰ কথা মাধৱ কন্দলিয়ে উল্লেখ কৰিছে — 'কুমাৰৰ চাক যেন ফুৰাই লম্ভ ধৰি; 'অক্ষক ফুৰায় যেন কুমাৰৰ চাক' আদি। উল্লেখযোগ্য যে কালক্ৰমত কুমাৰৰ বৃত্তিটোত কলিতা, কোঁচ, কেওট আদিয়েও হাত দিছিল। চাৰ এডোৱাৰ্ড গেইট চাহাবে Manufacture of Pottary in Assam গ্ৰন্থত ডেৰকুৰি বিধ ভিন্ন নামৰ সাজ কুমাৰে গঢ়াৰ কথা উল্লেখ কৰিছে। দাও হালি হাডিঙত উদ্ধাৰ হোৱা মৃৎ পাত্ৰৰ টুকুৰাবোৰ নৱ-প্ৰস্তৰ যুগৰে। ভীষ্মক নগৰ, দ-পৰ্বতীয়া আদিস্থানত উদ্ধাৰ হোৱা টেৰাকটা ফলক সমূহ খ্ৰী. ৫-৬ শতাব্দীৰ সম্পদ।। আমবাৰীৰ মৃন্ময় উৰ্বশীৰ দেহকাণ্ডৰ সৌন্দৰ্যই গুপ্তকালীন ভাস্কৰ্য সৌন্দৰ্যলৈ মনত পেলায়।

হীৰাই হাতেৰে নির্মাণ কৰা প্রাক্ আহোম যুগীয়া মৃৎপাত্র দুটা গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিভাগে গাৰো পাহাৰৰ পৰা সংগ্রহ কৰিছে। এপলিক্ কৰা মৃৎপাত্র আমবাৰী আৰু উজান বজাৰত উদ্ধাৰ হৈছে। প্রাক্ আহোম যুগৰ সোণবৰণীয়া মাটিৰ কলহ, ধূপদানি, নলী লগোৱা জলপাত্র, ঘট, নটৰাজ মূর্তি, প্রভৃতিৰ সংগ্রহেৰে ৰাজ্যিক সংগ্রহালয় সমৃদ্ধ। হর্ষচৰিতকাৰ বাণেও অসমৰ কাৰুকর্ম খচিত মৃন্ময় পাত্রৰ কথা উল্লেখ কৰিবলৈ পাহৰা নাই। না.দা.

।। পুৰণি অসমৰ যমীৰ ধাতৰ প্রতিমা ।।

যমপত্নী যমী মহাশক্তি ৰূপিণী নহয় যদিও বৰাহ পুৰাণে তেওঁক মাতৃকাৰ আসনত বহুৱাইছে। বৃহৎ সংহিতাই (৫৭/৫৬) স্পষ্ট ভাৱে উল্লেখ কৰিছে যে মাতৃকা সমূহে তেওঁলোকৰ স্বামীয়ে ধাৰণ কৰা বাহন আৰু আয়ুধকে ধাৰণ কৰে। এই দিশলৈ লক্ষ্য ৰাখি ড° অৰুণ ভট্টাচার্যই তেওঁৰ আইকন এণ্ড স্কাল্পচাৰ অব আর্লি এণ্ড মেডিয়াভেল আচাম (১৯৭৮) গ্রন্থত নৰকাসুৰ পাহাৰ-সংগ্রহৰ এটি মূর্তি যমীৰ বুলি (২১× ১৭ ছে.মি.) চিনাক্ত কৰিছে। মহিষৰ ওপৰত দণ্ডায়মান চতুর্ভুজা দেৱীৰ মূৰত মুকুট, কাণত কুণ্ডল আৰু হাতত কংকন বিদ্যমান। সোঁফালৰ তলৰ হাতত থকা ৰচী এডালেৰে ম'হটোক নিয়ন্ত্রণ কৰা দেখা যায়। উর্ধহস্তৰ আয়ুধ চিনাক্ত কৰা টান। বাঁওফালৰ উর্ধবাহুত পদ্ম আৰু নিম্নহস্তত পাশ বিদ্যমান। খ্রীষ্টীয় নৱম শতাব্দীৰ শিল্প সম্ভাৰ ৰূপে স্বীকৃতি দিয়া যমীক ড° ৰবীনদেব চৌধুৰী আৰু ড° ধর্মেশ্বৰ চুতীয়াই কালিকা পুৰাণৰ বর্ণনাৰ আধাৰত দেৱী দুর্গাৰ কাত্যায়ণী ৰূপ ৰূপেৰে স্বীকৃতি দিছে (জার্ণেল অব দ্য আচাম ৰিচার্ছ চোছাইটি, সংখ্যা ২১)

না.দা.

।। পুৰণি অসমৰ লক্ষ্মীৰ ধাতৰ প্রতিমা ।।

সৌভাগ্য দায়িনী শ্রী বা লক্ষ্মীৰ মূর্তি সাধাৰণতে বিষ্ণুৰ লগত থাকে যদিও সুকীয়া ৰূপতো ইয়াৰ স্থিতি লক্ষণীয়। উত্তৰ ভাৰতৰ গজলক্ষ্মী বা কমলে কমলীৰ প্রতিমা বেচ জনপ্রিয়। পৰিপুষ্ট দ্বিদল পদ্মৰ ওপৰত দণ্ডায়মানা অথবা উপবিষ্টা দুটা বা চাৰিটা হাতীৰ শুঁড়েৰে পানী সিঁচি গা ধুৱাই থকা দৃশ্য মনোৰম। সমৰাংগন অথবা অংশুমদ্ ভেদাগমত লক্ষ্মীক দ্বিহস্তা বোলা হৈছে যদিও (৪৯ পটল) হেমাদ্রিয়ে চতুর্ভুজা লক্ষ্মীৰ কথাও উল্লেখ নকৰাকৈ থকা নাই। হঁহৰাত প্রাপ্ত গজলক্ষ্মীৰ মূর্তিটো (৬ × ৫ ছে.মি.) সৌন্দর্যৰ ফালৰপৰা অনুপম। খ্রীষ্টীয় ষোড়শ শতাব্দীৰ শিল্প সম্ভাৰ ৰূপে গ্রাহ্য কৰা এই ব্রঞ্জৰ প্রতিমাখনিত চতুর্ভুজা। দেৱী পদ্মপীঠৰ ওপৰত পদ্মাসনত বহি আছে। তেওঁৰ উর্ধবাহুদ্বয়ত পদ্ম আৰু নিম্ন বাহু দ্বয়ত অভয় আৰু বৰদামুদ্রা। তেওঁৰ চাৰিওফালে আছে — শুঁড় তুলি থকা সমৰূপৰ হাঁতী চাৰিটা (সমুখৰ দক্ষিণ ফালৰ হাতীটো এতিয়া পাবলৈ নাইকিয়া) ইংৰাজী

২০০৮ চনত সোমদিৰি নৈত আন এটি দ্বিহস্তা পদ্মাপীঠৰ ওপৰত ৰাজলীলাসনত বহি থকা চমৎকাৰ ব্ৰঞ্জৰ মূৰ্তি উদ্ধাৰ হৈছে (৬.৫ × ৩.৫ ছে.মি.) দেৱীৰ মূৰত কিৰীটি, কাণত কুণ্ডল, ডিঙিত হাৰ আৰু আন-অলংকাৰ, হাতত আৰু ভৰিতো অলংকাৰ দেখা যায়। পদ্মপীঠৰ তলৰ আসনত বাহন ফেঁচা বিদ্যামান। দ্বিহস্তত অভয় আৰু বৰদামুদ্ৰা। মূৰ্তিটো খ্ৰীষ্টীয় দ্বাদশ-ত্ৰয়োদশ শতাব্দীৰ।

না.দা.

।। পুৰণি অসমৰ শৈৱ ধাতৱ মূৰ্তি ।।

পুৰণি অসম শৈৱ সাধনাৰ লীলা ভূমি হ'লেও শিল অথবা ধাতুৰ শৈৱ মূৰ্তিৰ সংখ্যা খুব বেছি নহয়। লিংগ ৰূপত শিৱক আৰাধনা কৰাটোৱে হয়তো ইয়াৰ বাবে জগৰীয়া। শিৱলিংগ নিৰ্মাণৰ বিধি সমৰাংগন সূত্ৰধাৰ (৭০ অধ্যায়) আৰু ৰূপ লক্ষণত (৭৭ অধ্যায়) বিবৃত হৈছে। অসমত মুখলিংগৰ সংখ্যা বৰ কম। ব্ৰঞ্জৰ মুখ লিংগ এটি মাথো নৰকাসুৰ পাহাৰত উদ্ধাৰ হৈছে (৮ ছে.মি.)। যোনীপীঠৰ ওপৰত খোদিত অষ্টদল পদ্মৰ ওপৰত সংস্থাপিত মুখ লিংগটিৰ মুখ চাৰিখন। দুখনি মুখৰ মাজত সৰ্পৰ অলংকৰণ মনোৰম। সদাশিৱৰ সবাতোকৈ মনোৰম ৰৌপ্য প্ৰতিমা এখনি উমানন্দৰ শিৱালয়ত সংস্থাপিত হৈছিল যদিও সেইখনি চোৰৰ হস্তগত হয়। স্বৰ্গদেৱ শিৱসিংহই আগবঢ়োৱা এই বৃষভ বাহন চলন্ত মূৰ্তিটোত তিনিফালে তিনিখন আৰু ওপৰত এখন মুঠতে চাৰিখন মুখ কটা আছে। চকুত নপৰা বাবে পিছফালৰ পঞ্চমখন মুখ খোদিত কৰা হোৱা নাই। ডিঙিত মেৰাই থকা সৰ্পই ওপৰলৈ উঠি মূৰৰ ওপৰত ফণামেলি আছে। আহোম যুগীয় আন এখনি বৃষভ বাহন শিৱৰ মনোৰম ধাতৱ প্ৰতিমা (১৫ X২৫ ছে.মি.) সংৰক্ষিত হৈছে কামৰূপ জিলাৰ পিংগলেশ্বৰ দেৱালয়ত। বৃষভৰ ওপৰত ললিতাসন ভংগীত সমুখলৈ চাই বহি থকা শিৱই বাঁওহাতখন ওপৰলৈ দাঙি ডম্বৰু বজাই আছে। সোঁহাতত আছে অসমীয়া বিহুৱা ডেকাই বজোৱা ম'হ-শিঙৰ পেঁপা (?)। মূৰৰ ওপৰৰ সৰ্পফণাৰ ছত্ৰও কলাসম্মত।

না.দা.

।। পুৰণি অসমৰ সূৰ্যৰ ধাতৱ প্ৰতিমা ।।

পুৰণি অসমত যে সূৰ্যৰ উপাসনা জাকজমকভাৱে চলিছিল, তাৰ সাক্ষী একাধিক সূৰ্য মন্দিৰৰ ধ্বংসাবশেষ আৰু প্ৰতিমাই বহন কৰিছে। অসমত এতিয়ালৈ কেৱাখনো ধাতৱ সূৰ্যপ্ৰতিমা উদ্ধাৰ হৈছে। তাৰে দুটি আছে নৰকাসুৰ পাহাৰ সংগ্ৰহত। ইয়াৰে প্ৰথমখনিত দেখা যায়— সাতোটা ঘোঁৰাৰে চালিত ৰথৰ ওপৰত সমপাদ স্থানক ভংগীত দণ্ডায়মান সূৰ্যদেৱ। তেওঁৰ দুয়ো হাতত পৰিপুষ্ট পদ্ম। কিৰীটি, কুণ্ডল, হাৰ, কেয়ূৰ আৰু উপবীত শোভিত। প্ৰতিমাখনিৰ নিম্নাংশ অব্যংগ বস্ত্ৰেৰে আবৃত। ভৰিৰ জোতা অদৃশ্যমান;

কিয়নো ভৰিৰ কাষত স্থানক ভংগীত আছে ৰথৰ সাৰথি অৰুণ। মূৰ্তিটোৰ সোঁফালে পিংগল আৰু বাঁওফালে দণ্ড আছে যদিও ৰথচক্ৰ অদৃশ্যমান। তিনিওটা মূৰ্তিৰে পশ্চাৎদেশ আলোকিত প্ৰভামণ্ডলেৰে চমকপ্ৰদ। ইয়াত প্ৰাপ্ত দ্বিতীয়খনি প্ৰতিমাতো সূৰ্যদেৱ দ্বিদল পদ্মৰ ওপৰত দণ্ডায়মান। সোঁফালৰ পদ্ম ভাগিলেও দেহৰ বাকী ৰত্ন-অলংকাৰ প্ৰথমখনিৰ অনুৰূপ। কণিষ্কৰ মূৰ্তিৰ দৰে দেহৰ নিম্ন আভৰণ। পদযুগলত ৰচী আৰু পশ্চাৎপটত প্ৰভামণ্ডল। প্ৰতিমা দুখনি খ্ৰীষ্টীয় ৮/৯ শতাব্দীৰ কলা সম্পদ।

অসম ৰাজ্যিক সংগ্ৰহালয়ে নিজাকৈ যিটি সূৰ্যমূৰ্তি সংগ্ৰহ কৰিছে (১০ × ৮ ছে.মি.) সেইটিত দেৱজন পদ্মপীঠত সমপাদ স্থানক ভংগীত থকা। দেহত মুকুট, কুণ্ডল, দীঘল হাৰ আৰু জোতা বিদ্যমান। দুয়ো হাতত পদ্ম। দুকাষত স্থানক ভংগীৰ পিংগল আৰু দণ্ডৰ উপৰি সমুখত অঞ্জলি মুদ্ৰাৰ ভক্ত। পীঠখনত উদ্‌গত হৈছে সপ্তঘোঁৰাই টনা ৰথখন। প্ৰতিমাখনি খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ সম্পদ ৰূপে সাব্যস্ত কৰা হৈছে। ইঁহঁতৰ উদ্ধাৰ হোৱা অষ্টদশ শতাব্দীত নিৰ্মাণ কৰা সূৰ্যদেৱ (৮ X৭ ছে.মি ) সপ্তঘোতক বাহিত বিকশিত সনাল পদ্মাকৃতিৰ ৰথৰ সোঁমাজত পদুম হাতত লৈ আসন ভংগীত আছে। তেওঁৰ দুয়ো পাশে পদ্মাসনস্থ পিংগল আৰু দণ্ড। উভয়ৰে বাঁওহাতত পদ্মনাল আৰু সোঁহাতত বৰদা মুদ্ৰা। পশ্চাৎপটৰ অৰ্ধবলয় ৰেখাই আন এডাল আনুভূমিক ৰেখাৰে সংলগ্ন হৈ ৰূপমণ্ডনত সহায় কৰিছে। অৰ্ধবলয়ৰ শীৰ্ষস্থানত আছে বিকশিত পদ্ম আৰু সোঁমাজৰ ঘোঁৰাৰ পিছত লেকামহস্ত চালক অৰুণ।

ন.দা.

**।। পুৰণি অসমত সোণ কমোৱা পদ্ধতি।।**

আহোম যুগত সোণৰ চেকুৰা সংগ্ৰহৰ বাবে সোণোৱাল নামেৰে এটা খেল আছিল। এই খেলত সাধাৰণতে কছাৰী, বিহিয়া, কোঁচ আৰু কেওট সম্প্ৰদায়ৰ লোক থকা বুলি জনা যায়। জয়জয়তে নদীৰ বালিত পৰীক্ষা কৰি সোণৰ সন্ধান কৰে। ইয়াক কমোৱাবলৈ সাধাৰণতে পাঁচ জনীয়া লোকৰ এটা গোটৰ প্ৰয়োজন। পাঁচজনৰ চাৰিজন পালি আৰু এজন হ'ল— পতি। বাঁহ-কাঠেৰে সজা এখন লেহেতি, দুৰণী, কুঁকি, ছাটি. চালনী, বাঁহৰ চুঙা, ফুটা থকা মাটিৰ টেকেলি, নাহৰ খৰি আৰু অলপ ৰহৰ প্ৰয়োজন। বেণুধৰ শৰ্মাৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি ভুবনচন্দ্ৰ সন্দিকৈয়ে পুৰণি অসমৰ শিল্পত সোণ কমোৱাৰ বিষয়ে লিখিছে— 'সোঁত থকা নৈৰ গৰাৰ বিপৰীতত বালিৰ চত পৰিলে, তাৰ বালি পৰীক্ষা কৰি সোণ কমায়। ... প্ৰথমতে জোঙা মাৰিৰে বালিত হেচি সোমাই দিয়ে, তলত যদি বালিৰ টান চটা পায়, তাৰ বালি খান্দি আনি পৰীক্ষা কৰি চায় আৰু তাত সোণৰ চেকুৰা পালে সেইবালি দুৰণীত ধুই সোণৰ চেকুঁৰা বাহিৰ কৰে। এইদৰে গোটখোৱা সোণৰ চেকুঁৰাবিলাক চুঙাত ভৰাই তাৰ পিছত ৰহ দি সোণখিনি

লদা কৰে। শামুকৰ খোলাত ভৰাই নাহৰ খৰিৰে জাল দিলে আচল সোণ ওলাই পৰে। নাওবৈচা ফুকনৰ বুৰঞ্জীত সোণ কমোৱা পদ্ধতি অলপ বেলেগ। তাত উদৰ ছালত সোণৰ চেকুঁৰা ধৰাৰ কথা আছে। পৰ্বতৰ ওপৰৰপৰা বৈ গৈ পানী চাৰি কুণ্ড এটাৰ সৃষ্টি কৰাৰ পিছত সোঁতটো আগবঢ়াৰ ফালে একাঠুৰা পানীত চাৰিটা খুঁটা পুতি উদৰ ছালখন পানীত পাতি থয়। এবেলাৰ মূৰে মূৰে ছালখন আনি ডলা এখনৰ ওপৰত জোঁকাৰি দিয়াত বালিখিনি ডলাত পৰি ৰয়, কিন্তু সোণৰ চেকুঁৰাবোৰ উদৰ ছালত লাগি ৰয়। সেইবোৰ গোটাই গলালেই সোণ হয়। ব্ৰহ্মপুত্ৰ দিহিং, দিৰং আৰু সৰু-বৰ উপনৈত সোণোৱালে সোণ কমোৱাৰ কথা বুৰঞ্জীত পোৱা যায়।

না. দা.

**।। পুৰণি অসমত হয়গ্ৰীৱ উপাসনা ।।**

মহাকাব্য মহাভাৰতৰ শান্তিপৰ্বত (৩৪৭ অধ্যায়) ভগবান বিষ্ণুৱে হয়গ্ৰীৱ ৰূপধাৰণ কৰি মধু আৰু কৈটভ দৈত্যদ্বয়ক নিধন কৰাৰ কথা পোৱা যায়। দেৱীভাগৱততো (১/৫) হয়গ্ৰীৱৰূপী বিষ্ণুৱে উল্লিখিত দৈত্যদ্বয়ক নিধন কৰাৰ সংবাদ দিছে। ভাগৱত পুৰাণে মৎস্যৰূপী বিষ্ণুৱে হয়গ্ৰীৱ অসুৰক নিধন কৰা বুলি স্পষ্টভাৱে উল্লেখ কৰা দেখা যায় (৬/৬/৩০)। মন কৰিব লগীয়া কথা, হয়গ্ৰীৱ মাধৱ মন্দিৰৰ ওচৰত মৎস্যৰূপী বিষ্ণু মন্দিৰ অদ্যাপি দৃশ্যমান। কালিকা পুৰাণত (৮১/৭৫) বিষ্ণুৱে হয়গ্ৰীৱ ৰূপে জ্বৰাসুৰক বধ কৰি মণিকূটত থকা বুলি আৰু আন এঠাইত বিশ্বনাথৰ ওচৰত হয়গ্ৰীৱে অসুৰক নিধন কৰি মিণকূট গিৰি শোভাকৰাৰ ( ৮৩, ২৪-২৫) সংবাদ পৰিৱেশন কৰিলেও পূজা উপাসনাৰ বিশেষ কথা পোৱা নাযায়। হয়গ্ৰীৱ উপাসনাৰ সবিশেষ পোৱা যায় যোগিনী তন্ত্ৰত হে। এইখিনিতে এটি কথাৰ উল্লেখ প্ৰয়োজন ঃ বৌদ্ধ তন্ত্ৰবোৰত বৌদ্ধ ভিন্ন দেৱতাৰ মাজত হয়গ্ৰীৱৰ স্থান বিশিষ্ট। তেওঁৰ ৰূপবোৰ সদায় উগ্ৰ। সিবোৰৰ ভিতৰৰ হয়গ্ৰীৱ লোকেশ্বৰ ৰূপটো হিন্দু অস্ত্ৰৰ ওচৰ চপা। ভূটান আৰু তিব্বতৰ বৌদ্ধসকলে হয়গ্ৰীৱ মন্দিৰত মহামণিৰ চৈত্য থকা বুলি গভীৰ বিশ্বাস কৰে। হয়গ্ৰীৱ মন্দিৰৰ নিম্নাংশ প্ৰাচীন মন্দিৰৰ। ইতিহাসত আছে, ১৫৫০ খ্ৰীঃত মহাৰাজ নৰনাৰায়ণে পূৰ্বৰ ভগ্ন মন্দিৰৰ ওপৰত বৈষ্ণৱ মন্দিৰ ৰূপে মাধৱ মন্দিৰ সাজিছিল। সেইটি কালিকা পুৰাণোক্ত হয়গ্ৰীৱৰ মন্দিৰ ৰূপে অনুমান সাপেক্ষে। পিছত ১৫৮৩ খ্ৰীঃ ত ৰঘুনাৰায়ণে মাধৱ মন্দিৰ পুনৰ্নিৰ্মাণ কৰাৰ কথা পোৱা যায়। যোগিনীতন্ত্ৰত হয়গ্ৰীৱ পূজাৰ বিধান দিয়া হৈছে। 'ওঁ নমো নাৰায়ণায়' মন্ত্ৰ দ্বাদশাক্ষৰী বীজমন্ত্ৰ আৰু আন বৈষ্ণৱ মন্ত্ৰ উচ্চাৰণৰ কথা তন্ত্ৰখনিত পোৱা যায়। (২.৯.২৬৮)। দেৱতাৰ নৈবেদ্যৰূপে ফল মূলৰ উপৰি মাছ-মাংসৰ নামো উল্লিখিত হৈছে। এইখিনিতে স্মৰণযোগ্য যে হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পূজা পদ্ধতিতো পৰিৱৰ্তনৰ হেঁচা পৰিছিল। ৰামচন্দ্ৰ মহাপাত্ৰই অনুবাদ কৰা যোগিনীতন্ত্ৰই তাৰ সাক্ষী। আজিও ৰূপান্তৰিত ৰূপতে মাধৱ

মন্দিৰত হয়গ্ৰীৱৰ উপাসনা চলে।

( ড° মহেশ্বৰ নেওগৰ অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰৰ আধাৰত যুগুতোৱা)

না. দা.

**।। পুৰুষ সংহতি।।**

মহাপুৰুষ দুজনাৰ জীৱন কালত সংহতি ভেদৰ বিশেষ কথা গুৰুচৰিত্ৰ সমূহত পোৱা নাযায়। মাধৱপুৰুষৰ দেহাৱসানৰ পিছত শ্ৰী শংকৰ গুৰু নে শ্ৰীমাধৱদেৱহে গুৰু এই প্ৰশ্নলৈ মথুৰাদাস বুঢ়া আতা আৰু চতুৰ্ভুজ ঠাকুৰৰ মাজত বিবাদ লগাৰ ছবি এখনি বিদ্যানন্দ ওজাৰ ঠাকুৰৰ চৰিত ত পোৱা যায়। ৰামচৰণৰ মধ্যস্থতাত এই বিবাদ সাময়িক ভাৱে শাম কাটিলেও বৰদোৱা থূলৰ সত্ৰ কেইখনিৰ সৈতে উজনিৰ বদুলাপদ্ম আতাদিৰ সত্ৰকেইখনিৰ লগত বিভেদৰ বীজটো ৰৈয়ে যোৱাৰ ফলত নিকা বা নিষ্ঠা আৰু পুৰুষ সংহতিৰ আত্ম প্ৰকাশৰ বহুতে আনুমানিক ৰূপৰেখা অংকন কৰে। বুৰঞ্জী বিবেক ৰত্নত আছে, 'পুৰুষ সংহতিত নাৰদী সম্প্ৰদা, অল্প অল্প কৰ্মত প্ৰৱৰ্তন, ভাগৱত- সাৰোদ্ধাৰ শৰণ দৃষ্ট আৰু অদৃষ্ট, ভজন গোপনীয়- দৰ্শনীয়। নিত্য সংহতিত শিৱ সম্প্ৰদা, বেদশিৰোৰত্ন উপনিষদ শৰণ, ৰহস্য ভজন, হনুমন্তী কাষ্ঠা, নৈষ্কৰ্ম প্ৰৱৰ্তন, কৈৱল্য আচাৰ।' পুৰুষ সংহতিৰ অনুগামীসকলৰ দৃষ্টিত, পৰম পুৰুষ নাৰায়ণৰ প্ৰতীক শ্ৰীমন্ত শংকৰগুৰুৰ কুলোদ্ভৱ গুণেই এই শাখাৰ নাম পুৰুষ সংহতি। কোনো কোনো পণ্ডিতৰ মতে, পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰৰ দিনৰ পৰাই পুৰুষ সংহতিৰ বিভাজন সুস্পষ্ট ৰূপত প্ৰতিষ্ঠিত হয়। নাম, দেৱ, গুৰু আৰু ভকত - এই চাৰিবস্তুৰ ভিতৰত গুৰুক সৰ্বাধিক গুৰুত্ব দিয়া এই সংহতিৰ লোক সকলে নিত্য নৈমিত্তিক প্ৰাৰ্থনা নাম- কীৰ্তনদ্বাৰা সম্পাদন কৰিলেও দুই এখন সত্ৰত ব্ৰাহ্মণীয়া কৰ্ম আৰু বিষ্ণুপূজাও সম্পন্ন কৰা চকুত পৰে। পুৰুষ সংহতিৰ অন্যতম সত্ৰ নৰোৱা সত্ৰত অনেক ব্ৰাহ্মণ শিষ্য বৰ্তমানলৈকে দেখা যায়। এই ক্ষেত্ৰত কোঁৱামৰা সত্ৰৰো নামোল্লেখ কৰিব পাৰি। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত অব্ৰাহ্মণ গোসাঁয়ে বামুণ শিষ্যক শৰণ দিয়া বাবে নিগ্ৰহ ভুগিব লগা হৈছিল। সেই পৰম্পৰা আজিও অব্যাহত। এই সংহতিৰ সত্ৰৰ নাট-ভাওনা, পুথি প্ৰণয়ন, জ্যোতিষ চৰ্চা আদিৰ সুন্দৰ অনুশীলন চকুত পৰে।

(ড° মহেশ্বৰ নেওগৰ অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰৰ লগতে ড° নিৰুপমা মহন্তৰ সত্ৰ সংস্কৃতিৰ ৰূপছায়াৰ আধাৰত যুগুতোৱা)

না. দা.

**।। পুথুৰা।।**

ন-অসমীয়া মুছলমানসকলৰ লোক-উৎসৱ পুথুৰাত তেওঁলোকৰ জীৱন প্ৰণালী

তথা জাতীয় জীৱনৰ সৌন্দৰ্য সুন্দৰভাৱে প্ৰতিফলিত হয়। মকৰ সংক্ৰান্তিৰ দিনা পালন কৰা এই উৎসৱৰসৈতে অসমীয়া জাতীয় উৎসৱ মাঘবিহু তথা কামৰূপী গঞা লোক উৎসৱ মহোহোৰ বিশেষ সাদৃশ্য লক্ষণীয়। সাধাৰণতে আঘোণ মাহৰ শেষ ভাগৰপৰা ন-অসমীয়া মুছলমান গৰখীয়া ল'ৰাবিলাকে গাঁৱৰ প্ৰতিঘৰৰপৰা টকা-সিকা, চাউল-দাইল আদিৰ মাগন তুলি পুষুৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰে। মাগন তোলাৰ সন্ধিয়া গৰখীয়া ল'ৰাহঁতে হাতে হাতে টোকোন লৈ গৃহস্থৰ চোতালত সেই টোকোনেৰে শব্দ কৰি তাৰ তালে তালে গীত গায়। এই গীতসমূহৰ মাজেৰে তেওঁলোকৰ সামাজিক নীতি-নিয়ম, চিন্তা-চৰ্চা, ধ্যান- ধাৰণা আদি সুন্দৰকৈ প্ৰকাশ পায়। চেমনীয়া গৰখীয়াহঁতে গীত গোৱা শেষ কৰিলে গৃহস্থৰ সাধ্য অনুসৰি টকা-পইচা বা চাউল-দাইলৰ অৰিহণা আগবঢ়ায়। এইদৰে আঘোণৰ শেষ ভাগৰ উপৰি সমগ্ৰ পুহ মাহতো মাগন তোলা হয় আৰু সেইদৰে সংগৃহীত টকা - পইচা তথা চাউল-দাইলেৰে মাঘ মাহৰ এক তাৰিখে পুষুৰা উদ্‌যাপন কৰা হয়। পুহ মাহৰ শেষৰ দিনা পথাৰত ল'ৰাহঁতে খেৰ, নৰা, বাঁহ আদিৰে চালিঘৰ সাজে আৰু ৰাতি সমূহীয়াভাৱে বৃহৎ ভোজৰ আয়োজন কৰে। পিছদিনা ৰাতিপুৱা নানা গীত-পদ গাই গোহালিৰ গৰু-ম'হবোৰক গা ধুৱাবৰ বাবে ওচৰৰ জান-জুৰি আদিলৈ লৈ যায়। তাৰ পিছত আকৌ পথাৰৰ চালি ঘৰলৈ গৈ জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰে আৰু পুনৰ ৰাজহুৱা ভাৱে ভোজ-ভাত খায়। অৱশেষত শস্যৰ শ্ৰীবৃদ্ধি কামনাৰে সেই চালিখন পুৰি পেলোৱা হয় আৰু গৰখীয়াহঁতে নতুন কাপোৰ পৰিধান কৰি পুষুৰা উদ্‌যাপন স্থলীত বিভিন্ন মনোৰঞ্জনমূলক খেল - ধেমালিত অংশ গ্ৰহণ কৰে। ষাঁড় গৰুৰ যুঁজ, লাঠি যুঁজ, কবি গান তথা যাত্ৰা- পাৰ্টিৰ অভিনয় পুষুৰা উৎসৱৰ অভিন্ন অংগ। সেইদৰে ঘৰৰ গৃহিনীসকলেও ঘৰ-দুৱাৰ সাৰি পুচি সুন্দৰভাৱে সজায় আৰু নতুন ধানৰ পিঠা-পনা লাডু আদি প্ৰস্তুত কৰি অতিথি সৎকাৰৰ বাবে সাজু হয়।

দে.দা.

।। পুহীয়া পিঠা ।।

পুহীয়া পিঠা পানী পিঠাৰে ভিন্ন নাম মাত্ৰ। লক্ষীমপুৰৰ ফালে যিসকল লোকৰ পুহ মাহত জন্ম হয়, সেইসকল লোকক সেইমাহৰ কোনোবা এটা দিনত এই পিঠা খাবলৈ দিয়াৰ বাবে পিঠা বিধৰ নাম পুহীয়া পিঠা। এই পিঠা সাজিবলৈ নানীয়া বা চকোৱা - যিকোনো এবিধ লাহী ধানৰ চাউল হ'লে ভাল। উক্ত ধানৰ পিঠাগুড়ি কৰি পানীৰে আঠালেটীয়াকৈ সানি কণীৰ আকৃতিৰ লাৰু সাজি লৈ প্ৰতিটো লাৰুৰ মাজত আঙুলিৰে ফুটাই তাত তিল আৰু গুড়ৰ মিশ্ৰণ ভৰাই দি ফুটাটো দুনাই আঙুলিৰে মাৰি ইতিমধ্যে কেৰাহীত উতলি থকা পানীত সেই পিঠাবোৰ দি অলপ সময় পিছত তাক তুলি আনিলেই পুহীয়া পিঠাৰ প্ৰস্তুতি পৰ্ব শেষ হয়। এইবিধ পিঠা এখী বা দৈ গাখীৰেৰে খাবলৈ ভাল।

জো. দা.

।। পেঁপা ।।

'ম'হৰ শিঙৰ পেঁপাটি নবজাবা ককাইটি মোৰে মন উৰুঙা কৰে;
পেঁপাৰ মাতে শুনি ৰবকে নোবাৰোঁ হাতৰ বনে সৰি পৰে।'

ম'হৰ শিঙৰ মন ৰাই-জাঁই কৰা পেঁপাৰ মাত শুনি বিহুৱতী গাভৰুৰ হাতৰ বন সৰি পৰাত আশ্চৰ্য হ'বলগীয়া একো নাই। বৰ অসমৰ পৰ্বত-ভৈয়ামত বসবাস কৰা বিভিন্ন গোষ্ঠীৰ লোকে বসন্তকালীন উৎসৱত ম'হৰ শিঙৰ পেঁপা বজাই আনন্দ উপভোগ কৰে। মিচিংসকলে ইয়াক বোলে পেম্পা। বাভাসকলে ইয়াক কয় ছিংগা। ম'হৰ শিঙেৰে শিঙা আৰু পেঁপা উভয়কে সজা হয়। পৰ্বতৰ কোনো কোনো গোষ্ঠীৰ লোকে গৰুৰ শিঙৰ শিঙাও বজায়। শিল্পী যুগল দাসে শিঙা আৰু পেঁপাৰ কথা ক'বলৈ গৈ লিখিছে 'ম'হৰ শিঙৰ আগটো কাটি তাত খাগৰি বা নলেৰে জিভা এখন লগাই লয়। আচলতে সৰু বাঁহৰ বাঁহী এটা ম'হৰ শিঙত যোগ দি শিঙা যন্ত্ৰটো সাজি লোৱা হয়। এনে শিঙা কাঠেৰে সাজি ল'লে তাক পেঁপা বোলে। পেঁপুৱাই এই পেঁপাত নাচনী ছেব তুলি নাচনীৰ মন উদবাউল কৰি তোলে

'পেঁপাৰ ছেউ ধৰি বাবি ঐ পেঁপুৱা পেঁপাৰ ছেউ ধৰি বাবি;
খৰকৈ নেবাবি উদাকৈ নেবাবি নাচনী ছেৱকে বাবি।'

না. দা

।। পেল্‌কা / পেলকানি ।।

পশ্চিম ধুবুৰী জিলাৰ অধিবাসী সকলে বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰা এবিধ খাৰজাতীয় খাদ্য। ভীমকলৰ বাকলি পুৰি প্ৰস্তুত কৰা খাৰ বা কলাখাৰেৰে বন্ধা মৰাপাটৰ কোমল কেঁচা পাত অথবা লফা শাকৰ আঞ্জাৰ নামেই পেল্‌কা বা পেলকানি। বিশ্বাসমতে পেল্‌কা খালে মগজু শীতল পৰে।

জো দা

।। পোহন বিয়া ।।

সংস্কৃতিৰ বুৰঞ্জীত সন্তানৰ জন্ম, জন্ম দিয়া বা জননী হোৱা এটি আশীৰ্বাদ স্বৰূপ। এটা দেহৰ ভিতৰত আন এটা নতুন দেহৰ জীৱন-ধাৰণ বৰ স্বাভাৱিক যেন লাগিলেও ই বৰ সাধাৰণ কথা নহয়। এই সময় ছোৱাত আনন্দ মুখৰ পৰিৱেশ এটিৰ লগতে ভয়-আশংকাৰ ভাবো প্ৰতি মুহূৰ্ত্তে জড়িত থাকে। প্ৰথম মাতৃ সম্ভৱা নাৰীৰ বাবে ই এটা চমকপ্ৰদ অভিজ্ঞতা। সন্তান সম্ভাৱনাৰ এই কালছোৱাত দেহৰ বিভিন্ন পৰিবৰ্তনৰ লগে লগে হ'ব খোজা মাতৃ গৰাকীৰ মানসিক পৰিবৰ্তনো লক্ষ্য কৰা যায়। ভূমিষ্ঠ হ'বলগীয়া সন্তান আৰু হ'ব খোজা পিতৃ-মাতৃৰ মংগলৰ কাৰণে এই সময়ছোৱাত বিভিন্ন উদ্ধৰ-

পাৰ্বণ আদি পালন কৰা হয়। গৰ্ভধাৰণৰ প্ৰথম অৱস্থাৰেপৰা যথেষ্ট সাৱধানতাৰে আগবঢ়াৰ উপৰি গৰ্ভধাৰণ কৰাৰপৰাই মাতৃ গৰাকীক সন্তানৰ মংগল কামনা কৰি পঞ্চম মাহত পঞ্চামৃত খুউৱা, সপ্তম মাহত সাঠভক্ষণ কৰোৱা আঠমাহত পুংসৱন পতা আৰু নৱম মাহত জেউৰা আদি খুউৱা নিয়ম আমাৰ সমাজত প্ৰচলিত আছে।

উল্লিখিত অনুষ্ঠান কেইটাৰ ভিতৰত লুপ্ত প্ৰায় হ'বলৈ ধৰা অনুষ্ঠান হ'ল অষ্টম মাহৰ পোহন বিয়া অনুষ্ঠান। 'পোহন বিয়া' পুংসৱন শব্দৰপৰা সৃষ্টি হোৱা বুলি বহুতো গৱেষক পণ্ডিতে ক'ব খোজে। বেদতো এই বিয়া আৰু ইয়াৰ বিভিন্ন ৰীতি-নীতিৰ কথাৰ উল্লেখ পোৱা যায়। পোহন বিয়াত হ'ব খোজা পিতৃ-মাতৃক বৰ বিয়াৰ নিচিনাকৈ মাহ-হালধি সানি বিয়া নাম গাই ঘটত তুলি অনা পানীৰে বেইৰ তলত গা-ধুউৱা হয়। অশুচি গাৰে নোওৱা খুৰ, কটাৰী, দা আদি একো নলগোৱা অনাকটা কাপোৰ একোখন অইন নতুন সাজৰ লগত পিন্ধোৱা হয়। গা-ধুওৱাৰ পিছত দৰা-কইনাক ৰভাতলীলৈ অনা হয়। এগৰাকী লগুণধাৰী ব্যক্তিয়ে বট গছৰ ঠানি এডাল লৈ দৰা-কইনা কাপোৰত ধৰি আহে আৰু ব্ৰাহ্মণ পুৰোহিত এগৰাকীয়ে তেওঁলোকক ৰভাতলীলৈ আৰু সমজুৱাৰ ওচৰলৈ আদৰি আনে। কোনো কোনোৰ মতে বটগছৰ ঠানি লৈ অহা ব্যক্তি গৰাকী মাক-দেউতাকৰ প্ৰথম সন্তান হোৱাটো বাঞ্ছনীয়। বিয়াৰ সময়ত এটা ঘটত দশাৱতাৰৰ চিত্ৰ আঁকি ৰভাতলীত থৈ দিয়া হয়। সাত পুৰুষৰ শ্ৰাদ্ধ কৰাৰ পিছত হোম পুৰি দৰা-কইনাক আকৌ এবাৰ বিয়া পাতি দিয়া হয়। বিয়াত বহিবলৈ তেওঁলোকক কঁঠাল বা ডিমৰু গছৰ পীৰাত এখন অনাকটা গামোচা পাৰি দিয়া হয়। কইনাই পিন্ধা অনাকটা শাৰীখনত ঠিক নাভিৰ তলত পৰা অংশখিনিত পুৰোহিতে এজোৰ খৰমৰ ছবি আৰু গোপন মন্ত্ৰ লেখি দিয়ে। এই মন্ত্ৰ সন্তানৰ গালৈ বাগৰি যায় বুলি এটা বিশ্বাস প্ৰচলিত আছে। কইনাৰ ডিঙিত নাভিলৈকে ওলমি পৰাকৈ ৰঙা সূতাৰে এখন তামৰ সৰু কুঠাৰৰ লগতে হাইথা আৰু পদুমফুল এটা গাঁঠি পিন্ধোৱা হয়। বিয়াৰ সময়ত হোমৰ আগত এটা পাত্ৰত এজোৰ মাগুৰ মাছ থৈ দিয়া নিয়ম বহুত ঠাইত প্ৰচলিত আছে। মাছ হালে লৰচৰ নকৰিলে ল'ৰা সন্তান হয় বুলি এটি জনবিশ্বাস আছে। তদুপৰি বটগছৰ পাত গুড়ি কৰি দৰা-কইনাক শুঙিবলৈ দিয়া হয়। এই বিয়াত বটগছৰ ব্যৱহাৰ বৰ তাৎপৰ্যপূৰ্ণ। ইয়াৰ কিবা বিজ্ঞানসম্মত কাৰণো থাকিব পাৰে। বিয়া হৈ যোৱাৰ পিছত দৰাই সেই ৰাতি কইনাই মাকৰ ঘৰৰপৰা অনা বস্তুৰে চাৰিদিন ব্ৰত কৰিব লাগে। সেইদিনা জ্ঞাতি-কুটুম্ব, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াক মাতি বিয়াৰ দৰে ভোজ-ভাত খুউৱা হয়।

সাধাৰণতে আগৰ দিনত সন্তান সম্ভৱা মাতৃ গৰাকীয়ে আঠমাহত ভৰি দিয়াৰ পিছত ডাঙৰক বা মান্যজনক পানী এটুপিও দিয়াত বাধা আছিল। কিন্তু পুংসৱন বা 'পোহন বিয়া' হৈ যোৱাৰ পিছত এই নিষেধ আঁতৰি যায় বুলি ধৰি লোৱা হৈছিল।

কইনাই ব্ৰতত থকা দিন কেইটাত এখন সৰু গামোছাত পছন্দলীয়া কটাৰী এখন, ডালিম, জাইফল আদিৰে এটা টোপোলা কৰি লগত ৰাখিব লাগে। চাৰিদিনৰ অন্তত ব্ৰত ভঙাৰ পিছত টোপোলাটো পানীত দলিয়াই দিয়া প্ৰয়োজন।

প্ৰ. শ. গো.

### ।। প্ৰাগ্‌জ্যোতিষ নামৰ উৎপত্তি ।।

প্ৰাগ্‌জ্যোতিষ প্ৰাচীন ভাৰতীয় ভূগোলৰ এটি সুপ্ৰসিদ্ধ স্থানবাচক নাম। বৈদিক যুগৰ ভাৰতীয় ঋষিয়ে এই নামৰ পৰিচয় নাপালেও পিছৰ কালৰ পুৰাণ আৰু মহাকাব্যৰ লিখকসকল কিন্তু এই নামৰ উল্লেখত পঞ্চমুখ। এই নামেৰে তেওঁলোকে ঘাইকৈ তাহানিৰ ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ, আজিৰ বিহাৰৰ পৰা আৰম্ভ কৰি নেপাল ভূটানকো সামৰি সমগ্ৰ উত্তৰ-পূবৰ সাতোখন ৰাজ্যক্ষেত্ৰকে সামৰি লৈছিল।

ৰামায়ণৰ পাতত এই ৰাজ্যৰ উল্লেখ কৰি ৰজা কুশৰ চাৰিপুত্ৰৰ এজন অমূৰ্ত্ত ৰাজাই ম্লেচ্ছসকলৰ মাজত প্ৰাগ্‌জ্যোতিষ ৰাজ্যৰ পত্তন ঘটোৱাৰ কথা উল্লেখ কৰিছে। মহাভাৰতে কিন্তু ইয়াৰ বিভিন্ন পাঠত এই ৰাজ্য আৰু ৰজা-ৰাজন্যৰ কথা উল্লেখ কৰাৰ লগতে ইয়াৰ তৎকালীন অধিপতি ম্লেচ্ছাধিৰাজ ভগদত্তৰ শৌৰ্য-বীৰ্যৰ ভূয়সী প্ৰশংসা কৰিছে। মহাভাৰতৰ পাতত ভগৱান শ্ৰীকৃষ্ণৰ লীলা-মালাৰ প্ৰসংগতো এই দেশৰ বহুল উল্লেখ আছে। মহাকাব্যৰ পিছতে মহাকবি কালিদাসৰ ৰঘুবংশতো ৰজা ৰঘুৰ দিগ্বিজয় প্ৰসংগত প্ৰাগ্‌জ্যোতিষৰ নামোল্লেখ আছে। ইয়াৰ উপৰি মৎস্য, ব্ৰহ্মাণ্ড আদি পুৰাণৰ উপৰি ভাগৱত পুৰাণত প্ৰাগ্‌জ্যোতিষ ক্ষেত্ৰৰ প্ৰসঙ্গ আছে।

শেহতীয়াভাৱে কিন্তু প্ৰাগ্‌জ্যোতিষতেই ৰচিত কালিকা পুৰাণে (দশম শতিকা) এই ৰাজ্যৰ গুণ-গৰিমা গাবলৈ গৈ আদিতে 'ব্ৰহ্মাই ইয়াতেই' স্থিতি লৈ বিশ্ব-ব্ৰহ্মাণ্ডৰ গ্ৰহ-নক্ষত্ৰ ইয়াৰপৰাই সৃজা বুলি কৈ পেলালে। ইয়াৰেই আঁত ধৰি ইংৰাজ ঐতিহাসিক গেইট চাহাবে প্ৰাগ্‌জ্যোতিষ ক্ষেত্ৰ পূৰ্ব ভাৰতৰ জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ আছিল বুলি অনুমান কৰিছে। বুৰঞ্জীবিদ্ কনকলাল বৰুৱাই ইয়াৰ সাক্ষ্য হিচাপে বৰ্তমানৰ চিত্ৰাচল পাহাৰ আৰু ইয়াৰ নৱগ্ৰহ মন্দিৰক ইয়োৰৰ সাক্ষী হিচাপে দাঙি ধৰিছে।

ড° বাণীকান্ত কাকতিয়ে কিন্তু প্ৰাগ্‌জ্যোতিষৰ আঁত বিচাৰি অন্য এটি ভাষাতাত্ত্বিক প্ৰসংগৰহে অৱতাৰণা কৰিছে ঃ তেখেতৰ মতে প্ৰাগ্‌জ্যোতিষ একালৰ অষ্ট্ৰিকসকলৰ 'পগৰ-জুহ (জো) টিচ' (বিস্তৃত ওখ ওখ পাহাৰে আগুৰা ক্ষেত্ৰ) হে; আৰু পিছলৈ ইয়েই সংস্কৃতীয়া ৰূপ পৰিগ্ৰহ কৰি প্ৰাগ্‌জ্যোতিষ হ'লগৈ।

সু. শ.

### ।। প্ৰাচীন কামৰূপত শৈৱ ধৰ্ম।।

প্ৰাচীন কামৰূপ শৈৱ ধৰ্মৰ বিচৰণ স্থলী। কালিকাপুৰাণত স্পষ্ট ভাৱে কোৱা

হৈছে যে মিথিলাৰ ৰাজকোঁৱৰ নৰকে বিষ্ণুৰ আদেশমতে প্ৰাগজ্যোতিষত দেৱী কামাখ্যাৰ পূজা-সেৱা প্ৰতিষ্ঠাৰ পূৰ্বে এই দেশৰ অত্যন্ত মদ্য-মাংস-অনুৰাগী কিৰাতসকলে শিৱক পূজা সেৱা আগবঢ়াইছিল। নৰকৰ শাসন কালত কামৰূপত উপৰুৱা দৃষ্টিত শৈৱ ধৰ্ম ৰহিত হ'লেও গোপনে কিন্তু শম্ভু সেৱা থাকি গ'ল - 'অন্তৰ্গুপ্তঃ স মে পুৰে'। আনহাতে শোণিতপুৰৰ মহাশিৱ ভক্ত বাণে নৰকক বুধি দি শাক্তধৰ্ম নিস্তেজ কৰাত কিছুপৰিমানে সাৰ্থক হৈছিল। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰেপৰা দ্বাদশ শতাব্দীলৈ পুৰণি কামৰূপত অখণ্ড প্ৰতাপেৰে ৰাজত্ব কৰা পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ যিবোৰ তাম্ৰশাসন উদ্ধাৰ হৈছে, সিবোৰত শৈৱধৰ্মৰ প্ৰতিপত্তিৰ এটি দিশ প্ৰোজ্জ্বল। ফলিবোৰত ভগদত্ত আৰু বজ্ৰদত্তক শিৱ ভক্ত বোলা হৈছে। ভাস্কৰবৰ্মাৰ নিধানপুৰ লিপিত শিৱক প্ৰণতি জনাবা হৈছে। কামৰূপেশ্বৰৰ দূত হংসবেগে গৌৰৱেৰে থানেশ্বৰাধিপতিক জনাইছে যে কুমাৰে আশৈশৱ এক শিৱত বিনে আন দেৱতাক পূজা নকৰিবলৈ কৃত সংকল্প (হৰ্ষচৰিত, ৭ উচ্ছ্বাস)। নৱম শতাব্দীৰ বনমাল বৰ্মাদেৱে হাটক শূলীন শৈৱ মন্দিৰ পুনৰ্নিৰ্মাণ কৰি পূজা পাতলৰ ব্যৱস্থা কৰাৰ বৰ্ণনা আছে। একেখন ফলিতে হাৰূপেশ্বৰৰ নিকটবৰ্তী কামকূটত কামেশ্বৰ-মহাগৌৰীৰ পীঠৰ বৰ্ণনাযো স্থান পাইছে। তৃতীয় বলবৰ্মাৰ ফলিত শিৱ ভক্তিৰ কথা আছে। ইন্দ্ৰপালৰ গুৱাহাটী শাসনত শিৱ-বিষ্ণুৰ অভিন্নতা প্ৰদৰ্শন লক্ষণীয়। গোপাল বৰ্মাৰ গছতল লিপিতো শিৱ ভক্তিয়ে স্থান পাইছে। ধৰ্মপালৰ ফলিকেইখন শিৱৰ প্ৰশস্তিৰে ভৰা। শোণিতপুৰৰ দ পৰ্বতীয়া আৰু ধেনুখনা পাহাৰত গুপ্তকালীন শিৱ মন্দিৰৰ ধ্বংসাৱশেষ উদ্ধাৰ হৈছে। নেঘেৰী টিং, বিশ্বনাথ, নুমলীগড-দেও পৰ্বত আৰু উমানন্দৰ শিৱালয় মূলতঃ প্ৰাক্-আহোম যুগৰ। শিৱক সাধৰণতে লিংগৰূপত উপাসনা কৰা হয়। মহাভৈৰৱ আৰু শুক্ৰেশ্বৰৰ শিৱলিংগও প্ৰাচীন। পুৰণি অসমত উদ্ধাৰ হোৱা ঈশান, মহেশ, লকুলীশ, নটৰাজ, উমা- মহেশ্বৰ, হৰি-হৰ প্ৰভৃতি শৈল প্ৰতিমাৰ উদ্ধাৰে এই ভূখণ্ডত প্ৰাচীন কালৰেপৰা যে শৈৱ ধৰ্মৰ প্ৰতিপত্তি আছিল, তাক সুন্দৰকৈ প্ৰমাণ কৰে।

না.দা

**।। ফকৰা ।।**

পাৰমাৰ্থিক অৰ্থবোধক এফাকি কথাই ফকৰা। অসমীয়াত কথা দুফাকি আছে - 'বাৰ কুৰি বৰগীত, তেৰকুৰি ফকৰা।' আৰু 'কথা নহয় ফকৰা, এটা মুগাৰ তিনিশ, তিনি কুৰি তেৰটা চকৰা' এইমতে ফকৰাৰ সংখ্যা হয় - ২৬০ টা, নহয় ৩৭৩ টা। স্বৰ্গীয় নাৰাযণ দাস ঠাকুৰ আতা ভণিত আৰু স্বৰ্গীয় হলিৰাম মহন্ত ঠাকুৰৰ দ্বাৰা সংগৃহীত ফকৰা পুথি বা পৰমাৰ্থ তত্বত ৩৫০ টা ফকৰা সংকলিত হৈছে। কিছুমান ফকৰা বৰসেৱা বা পূৰ্ণসেৱা অথবা ভকতসেৱা আদিতো চলে। বহুবোৰ ফকৰাৰ বাহিৰৰ অৰ্থৰ সৈতে তাৰ অন্তৰ্নিহিত অৰ্থৰ অমিল পৰিলক্ষিত হয়। তেনে দুটামান উদাহৰণঃ-

ক. ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা ৰুদ্ৰক নদিবা ঠাই,
মহা মহা মহন্তক মৰিয়াই মাৰিবা তেহে ভকতিক পাই।

ইয়াত ব্ৰহ্মা আৰু ৰুদ্ৰই মূল দেৱতা তিনিগৰাকীক বুজোৱা নাই। বুজাইছে সত্ত্ব, ৰজঃ আৰু তমঃ গুণকহে। মহা মহা মহন্তসকল হ'ল কাম, ক্ৰোধ, লোভ-মোহাদি ৰিপুসমূহ ত্ৰিগুণৰ ওপৰত থাকি ষড়ৰিপু দমন কৰিব পাৰিলেহে প্ৰকৃত ভক্তিৰ অধিকাৰী হোৱা সম্ভৱ।

খ. বামুণ হৈ নবধে গাই, ভকত হৈ নামাৰে ভাই,
সজ্জন হৈ নাখায় মদ, এই তিনি নাপায় পৰমপদ।

ইয়াত গাই শব্দই বেদ, ভাই শব্দই কাম, ক্ৰোধ, লোভ মোহ, মদ আৰু মাৎসৰ্য — এই ষড়্ৰিপু আৰু মদ শব্দই ভক্তিৰসক বুজাইছে। ব্ৰাহ্মণে বেদ অধ্যয়ন নকৰিলে, ভকত হৈ ষড়ৰিপু দমন কৰিব নোৱাৰিলে আৰু সজ্জন হৈ ভক্তিৰস পান কৰিব নোৱাৰিলে পৰম পদ লাভ কৰাটো অসম্ভৱ।

গ. শাল-শিঙী দুয়ো হ'ল ভকত,
কুচিয়া আতাক তুমি আনিয়ো লগত।

ইযাত শাল গীতা, শিঙী ভাগৱত আৰু কুচিয়া হ'ল - বেদ। এটা কালত শাল শিঙী আৰু কুচিয়া বহুতৰে অখাদ্য আছিল। একেদৰে গীতা ভাগৱত আৰু বেদো জনসাধাৰণৰ চুব নোৱাৰা বস্তু আছিল। মহাপুৰুষ শংকৰদেৱে গীতা ভাগৱত আৰু বেদ মন্থন কৰি নাম-ধৰ্ম প্ৰচাৰ কৰে।

ঘ. বাৰ হাত জালৰ তেৰ হাত ফটা/ ভাল মাছ মাৰিলি জালোবাৰ বেটা ।।
বৌ-বৰালি সৰকি গ'ল/ পুঠি-খলিহনা পাহে পাহে ৰ'ল।

ইযাত বাৰ হাত জাল হ'ল - দ্বাদশ স্কন্ধ ভাগৱত। জালোবাৰ বেটা' হ'ল মহাপুৰুষ শংকৰদেৱ। শংকৰদেৱে দ্বাদশ স্কন্ধ ভাগৱতৰ লগতে আন বৈষ্ণৱী গ্ৰন্থবো (সেয়ে তেৰ হাত) বিষয় বস্তুৰে যি কীৰ্তন গ্ৰন্থখনি ৰচনা কৰিলে, তাক মুষ্টিমেয় পণ্ডিতলোকে (বৌ-বৰালি) ভাল চকুৰে নাচালেও জন-গণে তাক (পুঠি খলিহনা) মূৰত তুলি ল'লে। কীৰ্তনৰ প্ৰভাব অসমীয়া সমাজত আজিও অখণ্ড। এক কথাত 'সাঁথৰৰ ঠাচত ৰচিত এই ফকৰাবোৰ অসমীয়া সাহিত্যতেই নহয়, ভাৰতীয় প্ৰাদেশিক ভাষাবোৰৰ ভিতৰতো অনন্য আৰু অমূল্য সম্পদ।' (ডঃ লীলা গগৈ)

না দা

।। ফচৌ ।।

ফচৌ হ'ল এক বিশেষ ধৰণৰ পাগ। শ্যানসকলে ইয়াক মূৰত বান্ধে। এই পাগত বন্ধা ফিটাডালৰ মূৰ দুটা পিছ ফালে ওলমি থাকে। আহোমসকলে মূৰত পাগুৰি-মৰা

দস্তুৰটো এৰা নাছিল। চুকাফাৰ দিনৰেপৰা স্বৰ্গদেৱ গদাধৰ সিংহৰ দিনলৈকে নৃপতিসকলে মূৰত ফচৌ মৰা প্ৰমাণ পোৱা যায়। শংখচূড় বধ কাব্যত অংকিত গদাধৰ সিংহ আৰু তেওঁক সেৱা জনোৱা সেৱকজনৰ মূৰৰ পাগটো ফচৌৰ আৰ্হি বুলি ডঃ লীলা গগৈয়ে চিনাক্ত কৰি গৈছে। হৰকান্ত বৰুৱা সদৰামিনে উল্লেখ কৰিছে যে আদিতে সৰ্বসাধাৰণ লোকেও মূৰত ফচৌকে মাৰিছিল। অসমৰ সাজপাৰৰ বহুলাংশে পৰিবৰ্তিত হয়। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত। এইজনা নৃপতিয়ে আন সাজ-পাৰৰ লগতে মূৰৰ পাগটোও সলনি কৰিছিল। এই পাগটোৰ সাধাৰণ নাম মোগলাই পাগুৰি। এই পাগুৰিয়ে ৰজাঘৰ-সত্ৰঘৰ উভয়কে প্লাবিত কৰিছিল।

না. দা.

**।। ফল-কটাৰী সলোৱা বিয়া ।।**

বিধবা-বৰলাৰ মাজত (গিৰিয়েকে এৰা তিৰোতা আৰু তিৰোতা গুছি যোৱা পুৰুষ) হোৱা বিয়াই ফল-কটাৰী সলোৱা অথবা ধূপ-চাউল সলোৱা বিয়া। এই বিয়া দীৰ্ঘ দিন জুৰি অসমত প্ৰচলিত হৈ আহিছে। গধূলি পৰত পতা এই বিয়াত, এখন নতুন গামোচাৰ ভিতৰত এমুঠি আৰৈ চাউল, এজোৰ তামোল-পাণ, এখন পহু শিঙৰ ডবুৱা কটাৰী, এটা সিন্দুৰৰ কৌটা আৰু কেইটামান ফুল বান্ধি আত্মীয় জনৰ উপস্থিতিত দম্পতিয়ে তিনিবাৰ সাল-সলনি কৰিলেই ফল-কটাৰী সলোৱা বিয়াৰ মূল কাম শেষ হয়। তাৰ পিছত পুৰুষজনে তিৰোতাজনীৰ শিৰত সিন্দুৰৰ ফোট দিয়ে। চোতালত উপস্থিত আয়তীসকলে তিনিবাৰ উৰুলি ধ্বনি দিয়াৰ পিছত দৰা-কন্যাৰ কাষত আৰম্ভণিতে সজাই থোৱা দুণৰিৰপৰা আৰৈ চাউল তিনিবাৰ চটিয়াই পুনৰ্বাৰ উৰুলি দিয়ে। দম্পতিয়ে উপস্থিতসকলৰ আগত আঠু লয়। সমজুৱাই আশীৰ্বাদ দিয়ে। ৰাইজৰ আশীৰ্বাদ লৈ নৱ-দম্পতি ঘৰৰ ভিতৰ সোমায়গৈ। এনে বিয়াত পুৰোহিত নালাগে - হোম-যজ্ঞৰো প্ৰয়োজন নাই। বিধবা কিংবা পতিয়ে এৰা তিৰোতাজনীক দৰাই আপোন ঘৰলৈ মাতিয়ে লৈ আহি নতুন সংসাৰৰ পাতনি মেলে। এনেদৰে অনা তিৰোতাক আগতে ঢেমেনা অনা অথবা বাটলু অনা কোৱা হৈছিল। ঢেমেনা অনা তিৰোতাৰ লগত যদি প্ৰথম স্বামীৰ কোনো সন্তান যায় তেনেহ'লে সেই সন্তানক কোৱা হয় টঙনা কিংবা গুৰগুৰীয়া।

না. দা.

**।। ফাট-বিহু ।।**

আহোম স্বৰ্গদেউসকলে নৈৰ পাৰত বিশেষ একোখন ঠাইত বেহা-বেপাৰ কৰিবলৈ সুবিধা দি তাৰ পৰা ফাট নামৰ এবিধ কৰ বা ৰাজহ সংগ্ৰহ কৰিছিল। নৈৰ জলপথ আৰু বিভিন্ন গিৰিপথেৰে আহি বিভিন্ন বেপাৰীয়ে এনেবোৰ ঠাইত নিৰ্দিষ্ট দিনত বেহা-বেপাৰ কৰি পুনৰ উভতি গৈছিল। বিশেষকৈ অবিভক্ত লক্ষীমপুৰ জিলাৰ নৈপৰীয়া

উত্তৰ অঞ্চল ইয়াৰ বাবে অধিক সুচল আছিল। কাৰণ অৰুণাচল, ভূটান, চিকিম আদিৰ পৰা বেপাৰীবোৰ আহি এই ঠাইত সমবেত হৈছিল। গোনতে এই ফাটত বিহু নৃত্য গীত পৰিৱেশন কৰি বিভিন্ন বিহুৱা দলে পৰোক্ষভাৱে ধন সংগ্ৰহ কৰিছিল। ফাটত পৰিৱেশন কৰা বিহুৰ বাবেই ইয়াৰ নাম ফাট-বিহু হিচাপে জনাজাত হ'ল। মিচিংসকলেই এই বিহুৰ প্ৰৱৰ্তক বুলিব পাৰি।

আকৌ ঢকুৱাখানাৰ চাৰিকড়িয়া নৈৰ পাৰতো সাত দিন সাত ৰাতি পৰ্যন্ত ফাট বিহু চলিছিল। মিচিং বিহু দলৰ এই বিহু নৃত্য চাবৰ বাবে অসংখ্য মানুহ গোট খাইছিল। কোনো কোনোৱে এই বিহুৰ প্ৰতিক্ৰিয়া দিশটো অনুধাৱন কৰি ফটাবিহু নাম হোৱা বুলি ক'ব খোজে যদিও ই সত্য নহয়। এই বিহু পৰিৱেশনত 'আই বসুমতী ফাট দিয়া পাতালে লুকাও' এনে অৱস্থা হোৱা, ঢোল ফটা, মাত ফটা আদি পৰিস্থিতিলৈ লক্ষ্য কৰি এই বিহুৰ নাম ফাট-বিহু হোৱা বুলি ধাৰণা কৰে; কিন্তু চাৰিকড়িয়া নৈৰ পাৰ ফাট সংগ্ৰহৰ স্থলী হিচাপেহে ইয়াৰ নাম যে ফাট-বিহু হ'ল ই ধ্ৰুৱপ। অবিভক্ত লক্ষীমপুৰ জিলাৰ উত্তৰপিনে কোনো ঠাইত এই বিহু পালন কৰা হৈছিল বুলি বুঢ়া-মেঠাসকলে কয়।

প. ৰা

।। ফাতেহা ই দোৱাজ দহম ।।

আৰবী ৰবিউল আউৱাল মাহৰ বাৰ তাৰিখত হজৰত মহম্মদ (দঃ) জন্ম হৈছিল। অৱশ্যে একে তাৰিখতে তেওঁৰ ইন্তেকালো হৈছিল। এই জন্মৰ তাৰিখটোক মুছলমানসকলে ফাতেহা-দোৱাজ-দাহম হিচাপে পালন কৰে। ফাতেহা-দোৱাজ-দাহমৰ অৰ্থ হ'ল বিজয়ী দ্বাদশ দিৱস অৰ্থাৎ সকলো প্ৰকাৰ অন্ধকাৰ, অনাচাৰ, উৎপীড়ন আদিৰ বিপৰীতে বিশ্বালোকিত প্ৰদীপৰ আগমন দিৱস অৰ্থাৎ ৰবিউল আউৱাল মাহৰ বাৰ তাৰিখ।

এই দিনটোত মিলাদ শৰীফ পাঠ কৰি নবীৰ পৰিয়ালবৰ্গ বা আত্মীয় স্বজনৰ বাবে প্ৰাৰ্থনা (দোৱা বখছুই দিয়া) কৰা হয় আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা চক্ৰ পাতি সৰ্বশেষত নিয়াজ (লঘু আহাৰ) বিতৰণ কৰা হয়।

প. আ.

।। ফাককান্তি উৎসৱ ।।

ফাককান্তি হ'ল বাভাসমাজৰ মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান। এই শ্ৰাদ্ধক্ৰিয়া অনুষ্ঠান বিশেষকৈ ৰংদানী আৰু মায়তৰী বাভাসমাজত প্ৰচলিত। এই শ্ৰাদ্ধানুষ্ঠানত ইনাই - বিনাই বিলাপ কৰি একধৰণৰ শোকগীত পৰিৱেশন কৰা হয়, যাক ফাককান্তি গীত বোলা হয়। এই পৰিৱেশনত বিলাপ কৰি কান্দিব জনা এজন বিশেষ ব্যক্তিয়ে সূত্ৰধাৰীৰ ভূমিকা পালন কৰে। সূত্ৰধাৰী কান্দোতাই কাণ টুকুৰী (সৰুতাল) নামৰ এবিধ তাল

বজাই বজাই কিনিনি জোৰে আৰু লগতে সুৰ-তাল মিলাই মৃতকৰ আন আত্মীয়- স্বজনেও কান্দে। সূত্ৰধাৰীয়ে ঈশ্বৰ আৰু মৃতকৰ আত্মাক প্ৰাৰ্থনা জনায়। মৃতকে পুনৰ জন্ম গ্ৰহণ কৰিলে যাতে কোনো ভক্ষণীয় প্ৰাণী হৈ জন্ম গ্ৰহণ নকৰে তাকে কামনা কৰে। এইখিনিতে উল্লেখ কৰা আৱশ্যক যে ৰংদানী আৰু মায়তৰী ৰাভাসমাজৰ প্ৰায় প্ৰত্যেক ঘৰতে এযোৰ কাণ্টুকুৰী আৰু এসাঁজ খাং বাহ (জামা-যুৰীয়া) ৰখাটো এক প্ৰকাৰৰ বাধ্যতামূলক সমাজিক দস্তুৰ। শ্ৰাদ্ধৰ দিনা ফাৰকান্তি গীত গাব জনা সূত্ৰধাৰ জনে প্ৰথমতে তাল বজাই বিলাপ কৰি কান্দে আৰু তাৰ লগে লগে ধ্বনিত হৈ উঠে কাৰাবাঁহী, খাম, কাঁহ, শিঙা আদিৰ সকৰুণ সুৰৰ মূৰ্চ্ছনা। এই সুৰৰ মূৰ্চ্ছনাত এসময়ত উপস্থিত সকলোটিযে পৰিমাৰ্জিত আৰু হৃদয়স্পৰ্শী লয়লাস ভঙ্গীমাৰে সকলোৱে নৃত্য কৰিবলৈ ধৰে। জন্মান্তৰবাদত বিশ্বাস, বৈধব্যৰ দাৰুণ বেদনাত অকালতে সাৰটি লোৱা ফুলবাৰী গাভৰুৰ প্ৰতি কটাক্ষ, মাছৰোকা, বাঢ়েটোকা, বাটিকটিকা চৰাইৰ প্ৰতি মৃতকৰ পৰৱৰ্তী জীৱন সম্বন্ধে প্ৰশ্ন নিক্ষেপ আদি বিভিন্ন বিষয়বস্তুৱে ঠাই পাইছে এই ফাৰকান্তি গীতসমূহত। কিছুমান গীত বৰ দীঘলীয়া; যিবোৰক একোটা বেলাড জাতীয় গীত বুলিব পাৰি। গীতবোৰত অকল কৰুণ ৰসেই নহয়, ঠাই সাপেক্ষে শৃংগাৰ, হাস্য আদি ৰসেও ভুমুকি মাৰিছে। ৰাভাসমাজে বিশ্বাস কৰে ফাৰকান্তি শোকৰ সোঁৱৰণী উৎসৱ হ'লেও ইয়াত ৰং-ৰহইচৰ প্ৰয়োজন অপৰিহাৰ্য।

পা. দ.

।। ফালি ।।

মূৰত মেৰোৱা ঠেক কাপোৰখন ফালি নামে পৰিচিত। বলিকটা লোকসকলে মূৰত ৰঙা ফালি মৰা বহুতে দেখিছে। অভিভক্ত গোৱালপাৰাত বিয়াৰ দিনাখন দৰাৰ মূৰত মেৰাই দিয়া কাপোৰখনিকো ফালি কোৱা হয়। একমাত্ৰ বিয়াৰ ৰাতি মূৰত মাৰা এই কাপোৰখন দীঘলে প্ৰায় দহ হাত আৰু বহলে ২০ ছে. মি. মান। কাপোৰখন একেদিনাই বৈ উলিওৱাটো প্ৰচলিত নিয়ম।। গোৱালপৰীয়া লোক গীতত ফালিৰ সন্দৰ্ভত আছেঃ 'ফালি মাৰে ফোটা মাৰে; মণিৰাজেৰ ভাই/ ভাল কৰিয়া মাৰিবা ফালি বিবাহতে যাই // বৌ মাছেৰ ছিকিমিকি, কুৰ্শা মাছেৰ হালি/ তোৰ বাপে আনিয়া থৈছে দহ হতীয়া ফালি //'

(অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিবেশনৰ স্মৃতিগ্ৰন্থ চান্দৰ ডিঙ্গাত প্ৰকাশিত পৱিত্ৰকুমাৰ নাথৰ প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

জ্যো. দা.

।। ফিতৰা বা ফেতৰা ।।

ফিতৰা হ'ল গৰীব দুখীয়াক দিব লগীয়া নিৰ্দিষ্ট দান। ইয়াৰ উদ্দেশ্য হ'ল যাতে গৰীব দুখীয়ায়ো এই দান পাই ঈদল ফিতৰৰ দিনা আনন্দ উৎসৱ কৰিব পাৰে।

সাধাৰণতে মধ্যবিত্ত লোকসকলৰ নিজৰ প্ৰয়োজনীয় খৰছ বাদ দি যদি অতিৰিক্ত ৫২.৫ তোলা ৰূপ বা ৭.৫ তোলা সোণ বা সম পৰিমাণ মূল্যৰ সামগ্ৰী ঘৰত থাকে তেনেহ'লে তেওঁক ছাহেবেনেছাব বোলা হয়। শ্বৰিয়ত মতে প্ৰত্যেক ছাহেবেনেছাব (সম্পদাৰ) ব্যক্তিৰ ওপৰত ফেতৰা ওৱাজেব। যাৰ ওপৰত ফেতৰা ওৱাজেব তেওঁ স্ত্ৰী, পুত্ৰ, কন্যা আৰু দাস-দাসী সকলৰো ফেতৰা দিব লাগে। ঈদল ফেতৰৰ নামাজৰ আগ মুহূৰ্তত কোনো লোকৰ পুত্ৰ বা কন্যা ভূমিষ্ঠ হ'লেও তেওঁ সেই নৱজাত শিশুটোৰ ফেতৰা আদায় কৰি দিব লাগিব।

স্ত্ৰী, কন্যা আদিয়ে যদি নিজৰ ফেতৰা আদায় দিব পৰা সামৰ্থ্য থাকে তেনেহ'লে তেওঁলোকে নিজে নিজৰ ফেতৰা আদায় দিয়া উত্তম। যাৰ ফিতৰা দিয়া বাজিব নহয় কিন্তু দিবৰ শক্তি আছে তেওঁ ফিতৰা দিয়া উচিত। ই বৰ নেকীৰ (পুণ্য) কাম।

ফেতৰাৰ পৰিমান দুই সেৰ গম বা গমৰ ছাতু, আটা, ময়দা বা চাৰি সেৰ যৱ বা যৱৰ ছাতু, খোৰমা বা কিছমিছ। কিন্তু দুই সেৰ মূল্যৰ আটা বা ময়দাৰ পৰিবৰ্তে কম মূল্যৰ দুই সেৰ আন খাদ্য বস্তুৰ বিনিময়ত ফেতৰা আদায় নহ'ব। চাউল বা আন কোনো খাদ্য দ্ৰব্যৰ বিনিময়ত ফেতৰা আদায় কৰিবলৈ হ'লে গমৰ ময়দা আদিৰ দুই সেৰৰ মূল্যৰ তুলনাত চাউল বা তেনেধৰণৰ দ্ৰব্যৰ মূল্য ঠিক কৰিহে ফেতৰা দিব।

ফেতৰা দুখীয়াসকলৰ হক (বাবেহে)। এজনৰ ফেতৰা এজনক দিয়াই ভাল কিন্তু এজনৰ ফেতৰা কেইবাজনক আৰু কেইবাজনৰ ফেতৰা এজনকো দিব পৰা যায়। নামাজৰ আগতে ফেতৰা আদায় কৰি দিব লাগে।

ঈদল ফিতৰৰ দিনা বা তাৰ আগতে আল্লাহতালাৰ কৃতজ্ঞতা প্ৰকাশৰ বাবে আৰু ৰোজগাৰৰ কোনো ভুল-ভ্ৰান্তি হ'লে ক্ষমা হ'বৰ বাবে গৰীব-দুখীয়াক নিৰ্দিষ্ট দান কৰাৰ নামেই ছদকায়ে ফিতৰ বা ফিতৰা।

প আ

### ।। ফেনী পিঠা।।

অসমীয়া খাদ্য-সংস্কৃতিত ফেনী পিঠাৰ স্থান সুকীয়া। এইবিধ পিঠাৰ বাবে বৰা আৰু আৰৈ চাউলৰ গুড়ি, গুড় অথবা চেনি আৰু তেল অথবা ডালডাৰ প্ৰয়োজন। প্ৰথমতে বৰা আৰু আৰৈ চাউলৰ (কোনো কোনোৱে বৰা চাউলৰ গুড়িৰ সৈতে আৰৈ চাউলৰ গুড়ি মিশ্ৰণ কৰে) গুড়ি গৰম পানীৰে আটা মৰাৰ দৰে মাৰি সৰু সৰু লুচি আকৃতিৰ পিঠা সাজিব লাগে (বহুতে আজি কালি বেলনাৰে বেলি লয়)। মাজতে গুড়খিনি পানীৰে পগাই থোৱা ভাল। (গুড়ৰ সলনি চেনিও ঘনকৈ পগাই ল'ব পাৰি)। এতিয়া গৰম কেৰাহীত তেল বা ডালডা গৰম কৰি সৰু লুচি আকৃতিৰ পিঠাবোৰ ভাজি গুড়মিঠৈ অথবা চেনিৰ ৰসত কিছুপৰ ডুবাই থলেই খোৱাৰ বাবে ফেনীপিঠা

প্ৰস্তুত হয়।

জ্যো. দা.

### ।। বকলা পুথি ।।

সংস্কৃত বল্কল শব্দৰপৰা বাকলি শব্দৰ জন্ম। মধ্যযুগত অসমীয়া পুথি-পাঁজি লিখা হৈছিল সাঁচি গছৰ বাকলিত। লিখা ফলকবোৰ মিহি; কিন্তু বেটীপাত অথবা ঢাকনী পাতবোৰ আছিল খহটা বাকলি। সাঁচি গছৰ বাকলিৰে ঢকা হাতে লিখা পুথিক সেইবাবে সৰ্বসাধাৰণে বকলা পুথি বুলিছিল। কেতিয়াবা কেতিয়াবা সাঁচিপাতবোৰ জোখকৈ নাকাটি দীঘে দীঘে ভাঁজ দি থয়। ভাঁজ দিয়াৰ ফলত সিবোৰে সাঁচিপতীয়া পুথিৰে আকাৰ লয়। জাপ দি প্ৰস্তুত কৰা দীঘল সাঁচিপাত লিখাৰ উপযোগী। এনেধৰণৰ পুথিকো বকলা পুথি ৰূপে জনা যায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ডেচস্ক্ৰিপটিভ কেটেলগ অব আচামিজ মেনুস্ক্ৰিপটচ গ্ৰন্থত আঠ ফুট দীঘল আৰু ছয় ইঞ্চি পুতল এখনি গীতৰ বকলাৰ কথা উল্লিখিত হৈছে। কোনো সত্ৰত বংশাৱলী আৰু কোষ্ঠী লিখা বকলা পুথি থকা বুলি জনা যায়।

না. দা.

### ।। বগেজাৰী/বহুৰঙী গীত ।।

দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ দক্ষিণ-পূব অঞ্চলত বসবাস কৰা পাতি ৰাভাসকলৰ জনপ্ৰিয় গীত বিশেষেই বগেজাৰী বা বহুৰঙী গীত। এই গীত তিৰোতা সমাজৰ গীত। অৱশ্যে পিছলৈ ইয়াক পুৰুষেও গোৱা হ'ল। এই গীতৰ সন্দৰ্ভত ধীৰেন ৰাভাই লিখিছে - 'সাধাৰণ মতা-তিৰোতাৰ হাঁহি-খিকিন্দালি, যৌৱনৰ উন্মাদনাত মদমত্ত যুৱক-যুৱতীৰ উশৃঙ্খল জীৱন কাহিনী, প্ৰেমিক-প্ৰেমিকাৰ গোপন অভিসাৰ আৰু মাক-বাপেক আদি অভিভাৱকৰ অবাধ্যকতা, অসহায়-নিঠৰুৱা জীৱনৰ দুৰ্যোগ, আৱেগ-অনুভূতি আদিৰ নিখুঁত বৰ্ণনা এই গীতবোৰত বিৰাজমান।' গীতবোৰত পাতিৰাভাসকলৰ সমাজ জীৱনৰ ভালেখিনি কথাই প্ৰকাশ পাইছে। বিহুগীতৰ দৰে এই গীতৰো প্ৰাৰম্ভতে দেৱী-সৰস্বতীলৈ প্ৰণাম জনাই গায় -

> 'সৰস্বতী মোহিনী গীতৰ চাহিনী/কায়ো বজায় ঢাক-ঢোল/ কায়ো বজায় বাঁহী।
> কায়ো বজায় গকেনা থৰকা/ কায়ো বজায় কাঁহৰ বাতি/ দেও মোহন মুহিৰা।।'

ধুন-পেচ মাৰি ফুৰা বিতলীয়া ডেকাক ঠাট্টা কৰি গায় -

> 'গছৰ নঘৰ চিনি নাপায়/হয় মহৰী/
> টেকেলীয়া আপী দেখা পালি/মাৰে সুহুৰি//'

ঘৰ-জোঁৱাই ৰখা প্ৰথা হিন্দু সমাজত আছে। বগেজাৰী গীতত ইয়াৰ প্ৰতিধ্বনি শুনা যায় এনেদৰে -

ভীম কলৰ পাত পাচলি/মালভোগ কলৰ পুলি//

বাটে পথে বেৰাই ফুৰোং/জাওয় ৰাখক বুলি//' ঢোকা ৰখাৰ কথাও এই গীতত প্ৰকাশ নোপোৱা নহয় -

'শাল পাতৰ কাচেৰাং/ নল বাঁহৰ হোকা/

আমাৰ ফালে নাহিবি/ ৰাখি থম ঢোকা//'

'সু তিৰি ফেদেলী'ৰ লক্ষণ এই গীতত আছে এনেদৰে;

অ আপি জানিবি/ অ আপি শুনিবি/

পহিল্ চৰেৰ ডাকতে/ চ'তাল সাৰিবি/'

পাতিৰাভাসকলৰ সহজ সৰল জীৱনৰ সজীৱ ছবি বগেজাৰী গীতত সংৰক্ষিত হৈছে। বৰ অসমৰ কৃষ্টিৰ কঠিয়াতলিত এই গীতৰ গুৰুত্ব ভালেখিনি।

না. দা.

।। বংশীগোপাল মন্দিৰৰ সভা।।

বৃহত্তৰ গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী, ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা পূবে প্ৰায় ছয় কিলোমিটাৰ আগুৱাই আহিলে পোৱা যায় বৰগাঁও অঞ্চল। এই অঞ্চলতে অৱস্থিত বংশীগোপাল মন্দিৰ। ফাগুন মাহৰ শুক্লা একাদশী তিথিত ইয়াতে উদ্‌যাপিত হয় সভা। সভাৰ আগ দিনটোৰ নাম 'গন্ধ'। মন্দিৰ চৌপাশে ধূপ-দীপ জ্বলাই গন্ধৰ দিনাখন ঢুলীয়া, কালিয়া, ওজাপালি আৰু আইসকলে গীত-পদ গাই ভগৱানক স্তুতি-প্ৰাৰ্থনাৰে মৰতভূমিলৈ আহ্বান জনায়। সভাৰ দিনা মন্দিৰৰ মণিকূটৰপৰা শ্ৰীশ্ৰীবংশীগোপালক বাহিৰলৈ উলিয়াই আনি নগৰ পৰিভ্ৰমণ কৰোৱাৰ পৰম্পৰা উল্লেখযোগ্য। শোভাযাত্ৰাত আবাল- বৃদ্ধ-বনিতাৰ গীত-পদৰ উপৰি থাকে খোল-তাল, ঢোল আৰু বেণুপাটিৰ কাণ তাল মাৰি ধৰা শব্দ। প্ৰতি ঘৰৰ পদূলিত একোডালি কলপুলি কই ফুল-চন্দন আৰু আবিৰেৰে, শ্ৰীশ্ৰী বংশীগোপাল প্ৰভুক প্ৰাৰ্থনা জনোৱাটো নিয়ম। নগৰ পৰিভ্ৰমণৰ অন্ততঃ কলপটুৱাৰে সজা বেইত দধি-দুগ্ধ, ঘি-মৌ আৰু পানীৰে আয়তীসকলে প্ৰভুক নোৱাই-ধুৱাই নৱ বস্ত্ৰ দানেৰে মন্দিৰৰ কাষত পতা অস্থায়ী বেদীত ক্ষন্তেক ৰাখি শান্তি-পানী আৰু সুগন্ধি ছটিয়াই মন্দিৰৰ চাৰিওফালে তিনিবাৰ প্ৰদক্ষিণ কৰাৰ অন্তত পুৰোহিত বাপুৰে প্ৰভুক মন্দিৰৰ স্থায়ী থাপনাত স্থাপন কৰে। ইয়াৰ পিছতে আৰম্ভ হয় বিষ্ণু পূজাৰ। পূজাত লোকে লোকাৰণ্য হয়। মিত্ৰিৰ- কুটুম আৰু আলহী-অতিথিয়ে বংশীগোপাল মন্দিৰৰ চৌপাশৰ চুবুৰীসমূহৰ উখল-মাখল কৰি তোলে। সভাক কেন্দ্ৰ কৰি ঐক্যৰ এনাজৰীৰ বান্ধ অলক্ষিতে সুদৃঢ় হৈ পৰে।

না. দা.

**।। বন্ত্যা হাউ ।।**

হাউ খেলৰে ই প্ৰকাৰ ভেদ। বজালী অঞ্চলৰ জনপ্ৰিয় খেল। দুটা দলত সমসংখ্যক ল'ৰা থাকে। ইয়াৰে এটা খেদা আৰু আনটো দৌৰা দল। খেদা দলটোৱে এটা মূল ঘাইত থাকিব লাগে। মূলৰ অনতিদূৰত থাকে এটি গৌণ ঘাই। ইয়াৰে নাম বন্ত্যা হাউ। খেল আৰম্ভ হোৱাৰ লগে লগে খেদা দলটোৱে এজনক নি হাউ মাৰি বন্ত্যাত বহাই থৈ আহে। তাৰ মূল ঘাইৰপৰা এজনে হাউ মাৰি খেদা দলটোৰ ল'ৰাইতক খেদি লৈ যায়। বাটত যাকে চুব পাৰে, সি মৰে। আনহাতে খেদি যোৱা জনে যদি উশাহ সলায় আৰু দৌৰা দলৰ কোনোৱে যদি তাক থিয় হৈ থকা অৱস্থাত চুব পাৰে, তেন্তে সি মৰে। খেদাজনে উশাহ সলাব লগা হ'লে লগে লগে মাটিত বহি যোৱা প্ৰয়োজন। তেতিয়া ঘাইৰপৰা নিজৰ দলৰ লোকে একে উশাহে হাউমাৰি তাক লৈ আহিব পাৰে।

দৌৰা দলৰ এজন মৰাৰ পিছত যদি বন্ত্যাত থকা ল'ৰাজনে দৌৰা দলৰ কোনোৱে চুব নোৱাৰাকৈ দৌৰি আহি মূল ঘাইত সোমাব পাৰে, তেনেহলে দৌৰা দলে খেল খায়। আনহাতে বন্ত্যাত বহি থকাজন থিয় হোৱাৰ লগে লগে দৌৰা দলৰ কোনোবাই চুই দিলে খেদা দলে খেল খায়। হাউমৰা গীতৰ নমুনা (বজালী) - হাউমাৰি লা খাম/ বতাহতে উৰে যাম/' (বজালী দৰ্পণ)। না. দা.

**।। বৰত উৎসৱ ।।**

তিৱা সংস্কৃতিৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক উৎসৱ হৈছে বৰত উৎসৱ। কাতি বিহুৰ আৰম্ভণিতে সৰস্বতী পূজা পালন কৰি প্ৰথম বৰত উৎসৱৰ পালন কৰি পুহ মাহৰ পূৰ্ণিমা ৰাতি মূল বৰত পূজা কৰি উৎসৱ পালন কৰা হয়। পূজাৰ বাবে দুথোক পুৰা কল আৰু ফুল, টেঙা, তামোল-পাণ আদিৰ বিশেষ প্ৰয়োজন। বৰত উৎসৱৰ বাবে বিশেষকৈ এগৰাকী কুঁৱৰী থাকে। নিয়ম অনুসৰি কুঁৱৰীৰ লগতে চাৰি গৰাকী আয়তীয়ে পূজাৰ বাবে ব্ৰত পালন কৰিব লাগে। বৰত উৎসৱ পূজাত ব্যৱহাৰৰ বাবে বাঘ, পহু, ভালুক, বান্দৰ, ধনেশ, গৰুড়, মহাদেৱ আদিৰ পুতলা বাহেঁৰে ৰং দি তৈয়াৰ কৰা হয়। গুৰুত্বপূৰ্ণ বিষয় এই যে বৰত উৎসৱৰ পূজাৰ বাবে লাওপানী ব্যৱহাৰ নহয়; এইবিধ ব্যৱহাৰ হয়, কেৱল অতিথিৰ বাবেহে।

বৰত উৎসৱ মৰিগাঁও জিলাৰ তেঁতেলীয়া মৌজাত বিশেষভাৱে উৎযাপন কৰা হয়। বৰত উৎসৱৰ আকৰ্ষণ বহুত বেছি বুলিব পাৰি। বৰতৰ মূল কুঁৱৰীক আগুৰি ডেকা-গাভৰুৱে নৃত্য কৰে। এই উৎসৱৰ স্থলীক ডেকা-গাভৰুৰ মিলনৰ স্থলী বুলিব পাৰি। বৰত সেৱা গীতত খাম, থোৰাং আদিৰে ডেকা-গাভৰুৱে বৰত উৎসৱৰ মূল্য প্ৰকাশ কৰে- গীতৰ মাজেদি—

"আজি যাং বৰতক কালিনো যাং বৰতক ঐ/বৰতৰ দেপেলা পাত/

বৰতক যাংতে চৰতে থাকিলে ঐ/ৰিহা নাইকিয়া ঐ গাত।"

উল্লেখযোগ্য যে বৰত গীতসমূহ প্ৰথমে তিৱা ভাষাত হে প্ৰচলিত আছিল। পিছতহে অসমীয়া ভাষাত ইয়াক ব্যৱহাৰ কৰা হ'ল। বৰতৰ উৎসৱত নৃত্য গীতৰ লগতে কুঁৱৰী আৰু আয়তীসকলে বহা পীৰাৰ মূল্য মন্ত্ৰপুত ভাৱে ব্যৱহাৰ কৰে। বৰত পূজা তথা উৎসৱৰ সামৰণি মৰা হয় কুঁৱৰীৰ দ্বাৰা। কুঁৱৰীয়ে সুংগৰীক নমস্কাৰ দি পূজাৰ সামৰণি ঘোষণা কৰে আৰু বিষয়াসকলে মহাদেউক স্তুতি কৰে। উৎসৱত উপস্থিত বিষয়ববীয়া আৰু সৰ্বসাধাৰণ লোকে বৰতৰ কুঁৱৰীক ঘৰালে খামৰ চেৱে চেৱে নাচি আহে আৰু ৰভাস্থলীত ভোজ-ভাত খায়। বৰত উৎসৱক মূলতে কুমাৰী পূজাৰ উৎসৱ বুলিব পাৰি। বৰত উৎসৱত পূজা বাদ্যযন্ত্ৰ, নৃত্য-গীত (জতুৱা চৰাই লৌ, ডেকা গাভৰুৰ নৃত্য) সকলোবিলাকৰ সমাহাৰ তথা সাংস্কৃতিক সমল জড়িত হৈ থকা দেখা যায়

(উৎস ঃ মনেশ্বৰ দেউৰী- মৰিগাঁও জিলাৰ লোক সংস্কৃতি)

প কু.ডে

।। বৰদৈচিলা ।।

মংগোলীয় প্ৰজাতিৰ বিশেষকৈ বড়ো জনগোষ্ঠীৰ লোক-বিশ্বাসৰ এক সুন্দৰ কাল্পনিক সৃষ্টি হ'ল বৰদৈচিলা। বৈশাগুত নিজৰ ছোৱালীজনী বিবাহিতা হওক অথবা অবিবাহিতাই হওক মাকৰ ঘৰলৈ আহিবই। মাকৰ ঘৰ নৌপাওঁতেই ছোৱালীজনীৰ দৈহিক আৰু মানসিক অৱস্থাৰ এক সুন্দৰ ৰূপকল্প হৈছে এই বৰদৈচিলা। বড়ো ভাষাত বাৰ মানে বতাহ, দৈ মানে 'পানী', চিখলা মানে ছোৱালী। অৰ্থাৎ বতাহ আৰু পানীৰ ছোৱালী - বাৰদৈচিখলাই অসমীয়া ভাষাত বৰদৈচিলা হিচাপে জনপ্ৰিয় হৈ পৰিল।

বিহুৰ বতৰত ধুমুহা বৰষুণ অৰ্থাৎ মৌচুমী বতাহ বলিবলৈ আৰম্ভ কৰে। ন পানী সদৃশ এই বতাহ-বৰষুণৰ গুৰুত্ব কৃষিজীৱী সমাজখনত অপৰিসীম। বিশেষকৈ প্ৰকৃতি উৰ্বৰা হ'বলৈ হ'লে বৰষুণ অপৰিহাৰ্য। প্ৰাকৃতিক এনে এটি অবিৰত বৈশিষ্টক ভিত্তি কৰি বড়ো লোক-মনে সৃষ্টি কৰিছে এনে মনোৰম 'বৰদৈচিলা'ৰ। বড়ো লোকগীত আৰু বিহুগীতৰ এই বৰদৈচিলাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে।

প ৰা.

।। বৰপীৰা ।।

আলি কাটি জালি দিম
বৰপীৰা পাৰি দিম
তাতে বহি ৰ'দালি ৰ'দ দে...

লোকগীতত সন্নিবিষ্ট এই বৰপীৰা অসমীয়া গ্ৰাম্য জীৱনৰ এক সন্মানীয় আসন।

আগতে গাঁৱৰ মান্যজন আহিলে বৰপীৰা পাৰি দিয়া নিয়ম। ৩০ ছেঃ মিঃ বা ১৫ ছেঃ মিঃ চাৰিটা খুঁটাৰ ওপৰত আহল-বহল এখন তক্তাৰে এখন আসন য'ত বিভিন্ন চিত্ৰ অংকন কৰা থাকে। এয়াই বৰপীৰা। ভাত খাই উঠি আৰাম কৰিবলৈ বা আন সময়ত বহিবলৈ ইয়াৰ ব্যৱহাৰ হৈছিল। গাঁৱৰ সম্ভ্ৰান্ত অসমীয়াৰ ঘৰত আজিও বৰপীৰাৰ ব্যৱহাৰ দেখা যায়।

গো. সু.

**।। বৰপেটাৰ আটছবাজী ।।**

বৰপেটা এখন পুৰণি ঐতিহ্যমণ্ডিত স্থান। অতি পুৰণি কালৰপৰাই বৰপেটাৰ সাহিত্য সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। বৰপেটাৰ বিভিন্ন ঐতিহ্যৰ মাজতে শেহতীয়া ভাৱে উল্লেখযোগ্য পৰম্পৰা হ'ল আতছবাজী। বৰপেটা আটছবাজীৰ পৰম্পৰাটো আনুমানিক ঊনবিংশ আগভাগৰপৰা চলি আহিছে। সম্ভৱত বিহাৰৰপৰা তথা আটছবাজী নিৰ্মাণৰ জ্ঞান থকা এজন লোকৰপৰা থলুৱা মানুহে আটছবাজী সাজিবলৈ শিকিছিল। পিছলৈ সিয়েই এটা পৰম্পৰাত পৰিণত হ'ল। থলুৱা কেবাজনো লোকে এই আটছবাজী নিৰ্মাণ কৰি বিবাহ, দৌলোৎসৱ আদিত সেইবোৰ ব্যৱহাৰ কৰিছিল। বৰ্তমান বজাৰত পোৱা আতছবাজী লগত ইয়াৰ পাৰ্থক্য আছে। ইয়াৰ এটা বিশেষত্ব এই যে আচছবাজী সজা মানুহ নিজেই আহি বিচৰা মতে সেইবোৰ ফুটাই দি যায়। বিভিন্ন প্ৰকাৰৰ আটছবাজীৰ ভিতৰতে কেইবিধমান হ'ল— ম'তাৰ গছ, ফুলজাৰি, ৰকেট, চেৰেকী গছ, উৰণ চেৰেকী, আচমান গুল্লা ইত্যাদি। আটছবাজী তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা বাৰুদখিনি তেওঁলোকে নিজেই তৈয়াৰ কৰি লয়। যখাৰ, ছালফাৰ, বগৰী, এঙাৰ আদি বিভিন্ন বাখৰৰ মিশ্ৰণ ঘটাই বাৰুদবোৰ তৈয়াৰ কৰা হয়। বৰপেটাৰ আটছবাজীৰ লগত জড়িত হৈ আছে ফানুচ পৰম্পৰা। বৰপেটাৰ আটছবাজী উল্লেখযোগ্য লক্ষ্মী নাবিক আৰু মণি মিস্ত্ৰিয়ে এই ফানুচ নামৰ বিশেষ আকাশবন্তিৰ সূচনা কৰে। ফানুচ দীপাবলী আৰু বৰপেটাৰ ফাকুৱা উৎসৱৰ লগত সংগতি ৰাখি গোন্ধ যাত্ৰাৰ দিনাখনৰপৰা প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে বিয়াবাৰু আদিৰ দৰে ব্যক্তিগত অনুষ্ঠানত ফানুচ প্ৰদৰ্শন কৰা নহয়। দৌল উৎসৱৰ সময়ত নিঃসন্তান মহিলাই সন্তান লাভৰ আশাৰে ফানুচ উৰুৱায়। ৰং বিৰঙৰ কাগজত আঠা খুৱাই লগলগাই ফানুচ প্ৰস্তুত কৰা হয়। ই দেখাত ধান থোৱা ডুলিৰ নিচিনা। মুখত বাঁহৰ পাতল কামি ঘূৰণীয়াকৈ ঘেৰ দি কেইজনমান মানুহ লৈ মেলি ধৰা হয়। তলত জুই ধৰি তাৰ ভিতৰত গেছ জমা হ'বলৈ দিয়ে। ফানুচৰ ভিতৰত এঁৱা সূতা একোচা পেট্ৰ'লেৰে তিয়াই গেছ জমা হোৱাৰ পিছত জুই জ্বলাই এৰি দিয়া হয়। বৰ্তমান বৰপেটাৰ আটছবাজী বিশেষ জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে। ইং ২০০৭ চনত অসমত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় গেমছৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠানত বৰপেটাৰ আটছবাজী প্ৰদৰ্শন কৰা

হৈছিল।

বী. ক.

।। বৰভেটিৰ ন-লগোৱা উৎসৱ ।।

যোৰহাট চহৰৰপৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ আঁতৰত মালৌ পথাৰ। ইন্দ্ৰবংশী আহোম স্বৰ্গদেৱসকলৰ ৰাজত্বকালত ৰাজ্যখনত বসবাস কৰা মায়ামৰা সম্প্ৰদায়ৰ লোকসকলে একত্ৰিত হৈ অষ্টভুজদেৱৰ উদ্যোগত হৰিনামেৰে দশোদিশ মুখৰিত কৰি শক্তি পৰীক্ষাৰ মহান উদ্দেশ্য আগত ৰাখি দাণ্ডিৰ পৰাকৈ একো চপৰা মাটি কাঢ়িয়াই আনি ১৪ হাত দ-পুখুৰীত ১৮ হাত ওখকৈ উক্ত মালৌপথাৰত যিটো ভেটি বান্ধিছিল, সেইটো বৰভেটি ৰূপে পৰিচিত। ভেটিতো বান্ধোঁতে কৰ্মীসকলে দিনৰ ভাগত যি ডোখৰ ঠাইত ৰন্ধা-বঢ়া কৰিছিল সেই ঠাইখিনিত থকা ভেটিটোৱে মজিয়াভেটি। খাদ্য সামগ্ৰী ধোৱা-পখলা কৰা ৰান্ধনি জানটো এতিয়া মৰি গৈছে । এই বৰভেটিত মায়ামৰীয়া লোকসকলে আঘোণ মাহত পৰম্পৰাগত ভাৱে আজিও গায়ন-বায়নেৰে অঞ্চলটো মুখৰিত কৰি ধূপ-দীপ জ্বলাই শালিখেতিত উৎপাদিত শস্যৰে ন-লগায়, প্ৰত্যেকে সেৱা লয়। লোকবিশ্বাস আনুযায়ী বৰভেটিলৈ লোণ আগবঢ়ালে সেৱকৰ মনোবাঞ্ছা পূৰণ হয় বাবে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে হাজাৰ হাজাৰ লোকে এই উৎসৱৰ কালত বৰভেটিত লোণ আগবঢ়াই সেৱা লোৱাটো মন কৰিবলগীয়া। জাতীয় ঐক্য আৰু সংহতিত বৰভেটিৰ ন-লগোৱা উৎসৱে যথেষ্ট বৰঙণি আগবঢ়াইছে।

প্ৰ.দা.

।। বৰ্হমথুৰি ।।

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপিআমিনো খৰি লুৰা ঠাই;
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা তামোল দি মাতোতা নাই।

ব্ৰহ্মপুত্ৰৰ পাৰত গছে থোৰ মেলে। খৰি লুৰা দিনৰেপৰা পিলিঙাই তাক জানে। কোনোবা মৰমীয়ে বিচাৰিলে সেই গছৰ থুৰি কেইটামান আনি দিয়েহি। তাৰ বিনিময়ত পিলিঙা ডেকাই মৰমৰ জনীৰপৰা পাইছিল এখনি থুৰিওৱা তামোল। প্ৰসাধন সামগ্ৰীৰূপে বিহুৱতী গাভৰুৱে হাতত লৈছিল জেতুকা (জিলিকে জেতুকাৰ বোল) আৰু ওঁঠত বৰ্হমথুৰিৰ বোল। এই বোল ৰঙা নহয় - ক'লা। বৰ্হমথুৰি সম্পৰ্কে হেমকোষে লিখিছে - 'এবিধ গছৰ থুৰি পাত বা চুপতি, তাক তামোলৰ লগত বা গুদাই চোবালে ওঁঠ আৰু জিভা কলা পৰে।' জেতুকাক যৌৱনৰ আৰু বৰ্হমথুৰিক প্ৰেমৰ প্ৰতীক ৰূপে কল্পনা কৰা হৈছিল। সেই বাবেই বিহুৱতী গাভৰুৱে বিহু মাৰোঁতে ওঁঠত বৰ্হমথুৰিৰ বোল সানি লৈছিল। সময়ৰ পৰিবৰ্তনৰ লগে লগে বৰ্হমথুৰিৰে ওঁঠ বলোৱা পদ্ধতিৰ সলনি হ'ল - নামটো মাথো স্মৃতিপটত ৰৈ গ'ল।

না. দা.

**।। বহৰি সত্ৰ জেঠৰ সভা।।**

অসমৰ বৈষ্ণৱ ধৰ্মগুৰু মহাপুৰুষ শ্ৰী শ্ৰী হৰিদেৱে স্থাপন কৰা আদি সত্ৰ ৰূপে পৰিচিত বহৰি সত্ৰৰ গুৰুজনাৰ তিৰোভাৱ তিথি প্ৰতি বছৰে পালন কৰা হয়। জেঠ মাহৰ অমাৱস্যা তিথিত শ্ৰী শ্ৰী হৰিদেৱে ইহলীলা সম্বৰণ কৰিছিল। সেয়েহে বহৰি সত্ৰত জেঠ মাহৰ অমাৱস্যা তিথিতেই এই মহোৎসৱ পালন কৰা হয়।

বহৰি সত্ৰৰ জেঠৰ সভা পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। একাদশী তিথিৰ পৰা আৰম্ভ হোৱা এই সভাত প্ৰথম দিনা ফেহুঁজালিতে সত্ৰৰ গায়ন বায়ন তথা সত্ৰবাসী সকলে গুৰু বন্দনাৰে জাগন পাতে। দুপৰীয়া হোম যজ্ঞ কৰা হয়। পিছত গুৰুবন্দনা আৰু ৰাজহুৱা নাম প্ৰসংগ গোৱা হয়। সন্ধিয়া নামঘৰত গাঁৱৰ গৰখীয়া ল'ৰাবোৰে বন্তি প্ৰজ্বলন কৰে। এই সময়তে গায়ন বায়নৰ গুৰুবন্দনা আৰু ৰাজহুৱা নাম প্ৰসংগ আৰম্ভ হয়। সভাৰ প্ৰথম দিনৰ এই অনুষ্ঠানক কীৰ্তন পতা বুলি কোৱা হয়। কীৰ্তনৰ প্ৰথম দিনাৰ পৰা মূল সভাৰ দিনালৈকে সদায় গুৰুচৰিত পাঠ কৰা হয়। মূল সভাৰ দিনা দুপৰীয়া বংশাৱলী পাঠ সমাপ্ত হয়। কীৰ্তনৰ দিনকেইটাত সন্ধ্যা পৰত গৰখীয়া ল'ৰাবোৰে বহৰি গাঁৱৰ বাৰখন চুবুৰিৰ প্ৰতিটো চুবুৰিৰ ল'ৰাবোৰে একোটা দল হৈ বুদ্ধ পূৰ্ণিমাৰ দিনা গাঁৱৰ ঘৰে ঘৰে গৈ গৃহস্থৰ কুশল প্ৰাৰ্থনা কৰি গীত গায় আৰু গৃহস্থই তেওঁলোকক মাননি (ধন) দি বিদায় দিয়ে। এই মাননি স্বৰূপ ধন গৰখীয়া ল'ৰাবোৰে বন্তি প্ৰজ্বলনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী কিনি আনে। সভাৰ প্ৰথম তিনি দিনক কীৰ্তন আৰু চতুৰ্থদিনক গন্ধসভা বুলি কোৱা হয়। গন্ধসভাৰ দিনা সত্ৰবাসীৰ উপৰি বিভিন্ন ঠাইৰ ভক্তই সত্ৰত বন্তি প্ৰজ্বলন কৰিবলৈ আহে। উল্লেখনীয় যে সত্ৰৰ প্ৰতিটো পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰ নামতেই গুৰুজনালৈ এগছিকৈ বন্তি প্ৰজ্বলন কৰা হয়। পুৰুষ সদস্যসকলৰ নামত ঘি আৰু মহিলাসকলৰ নামত সৰিয়হ তেলেৰে বন্তি জ্বলোৱা হয়। পৰিয়ালৰ একোজন ব্যক্তিয়ে সম্পূৰ্ণ উপবাসে থাকি প্ৰজ্বলন কৰা বন্তিবোৰ পিছদিনা পুৱালৈকে যাতে অবিৰাম জ্বলি থাকে তাৰ বাবে ভক্তসকলে ওৰে নিশা উজাগৰে থাকি তেল শলিতা আগবঢ়াই থাকে। মূল সভা (পঞ্চম দিনা)ৰ দিনা বৈদিক নিয়মানুসৰি সত্ৰৰ ভাঁজঘৰত গুৰুজনাৰ শ্ৰাদ্ধ অনুষ্ঠিত হয়। শ্ৰাদ্ধত অনেকজনে শংখ, ঘন্টা, বৰকাঁহ বজাই পিণ্ডৰ ওপৰত ছত্ৰধাৰীয়ে ছত্ৰ ধৰি, হৰিধ্বনি দি ব্ৰহ্মপুত্ৰত পিণ্ড বিসৰ্জন দিবলৈ আগবাঢ়ে। এই সমদলত গায়ন-বায়ন, ওজাপালি, আৰু ৰাইজে কীৰ্তন কৰি ভক্তিত গদ্ গদ্ হৈ যাত্ৰা কৰে। সভাৰ নাম প্ৰসংগ শেষ হোৱাৰ লগে লগে সত্ৰৰ ভাঁজঘৰত স্থাপন কৰা প্ৰসাদৰ শৰাই বিতৰণ কৰা হয়। মূল সভাৰ নাম প্ৰসংগ শেষ হোৱাৰ পিছত এই সভা মহোৎসৱৰো সামৰণি পৰে।

দু.ব.

**।। ব'হাগ বিহুৰ লোকবিশ্বাস।।**

বিহু অসমৰ ঋতুকালীন কৃষি উৎসব। ব'হাগ বিহু বা ৰঙালী বিহু সম্পৰ্কীয় ভালেমান লোকবিশ্বাস পোৱা যায়। চ'তৰ সংক্ৰান্তি অৰ্থাৎ গৰু বিহুৰ দিনাখনৰপৰা সাদিনীয়া ব'হাগ বিহু আৰম্ভ হয়। গৰু বিহুৰ দিনাখন ৰাতিপুৱাই গৰুক মাহ-হালধি তেল সানি গা ধুৱাই নতুন পঘা আঁৰি দি দীঘলতি-মাখিয়তি পাতেৰে গৰুৰ গাত কোবোৱাৰ অন্তৰালত উৰ্বৰা বিশ্বাস জড়িত হৈ আছে।

গধূলি পদূলিৰপৰা গোহালিলৈকে শুকান ধান খেৰ, তুঁহ, দীঘলতি, মাখিয়তি পাত আদি জ্বলাই ধোঁৱাময় কৰি তোলা হয়। এই ধোঁৱাই গোহালিৰ মহ-ডাঁহ আঁতৰোৱাৰ উপৰি অপদেৱতাক খেদি পঠায় বুলি সহজ-সৰল চহালোকে বিশ্বাস কৰি আহিছে। ঠাই বিশেষে সাপ আদিৰপৰা ঘৰচীয়া জীৱ-জন্তুক ৰক্ষা কৰিবলৈ সেইদিনা গোহালিৰ চাৰিওকাষে নহৰু বটা পানীও ছটিওৱা হয়। গোটেই বছৰটোৰ বাবে গৰু-ছাগলীক ক্ষেত্ৰ দেৱতাই যাতে লম্ভিব নোৱাৰে সেই বিশ্বাসতে গৰু বিহুৰ দিনাখন গৰু-ছাগলীৰ ডিঙিত বগা, ৰঙা সূতা মেৰিয়াই দিয়া হয়। অঞ্চল অনুযায়ী গৰু বিহুৰ দিনাখন গৰুক বিচনীৰ বিচ দিয়াৰ পিছতহে মানুহে বিচনীৰ বা লয় আৰু এনে কৰিলে গোটেই বছৰটো শৰীৰ জুৰ পৰি থাকে বুলি বিশ্বাস কৰা হয়।

বিহুৰ প্ৰথম দিনা কিছুমানলোকে স্নানাদি কৰোঁতে সৰ্বশুদ্ধি ব্যৱহাৰ কৰাৰ উপৰি ব্ৰাহ্মণ-জ্যোতিষাদিৰ কথানুযাৰে অনাগত বছৰটোত যাতে নিৰোগী হৈ থাকিব পাৰে সেই বিশ্বাসতে ৰাশি অনুযায়ী চেনি, নিমখ, মৌ, গাখীৰ আদি খায়। 'বিহুত বিহো অমৃত হয়' বুলি এষাৰ কথা আছে। সেয়েই হয়তো কোনো কোনো অঞ্চলত স্বাস্থ্য ভালে থাকিবৰ বাবে গধূলি শোকোতা তিতা, কল পচলা, টেঙা আদিও খায়। কিছুমানে ৰাতিপুৱা টোপনিৰ পৰা উঠিয়ে মহানিমপাত আৰু মচুৰ দালি চোবাই খায়। এনে কৰিলে বছৰটোত সাপে কামোৰাৰ ভয় নাই বুলি বিশ্বাস কৰে। অঞ্চল বিশেষে গৰু বিহু, মানুহ বিহু বা সাতবিহুৰ যি কোনো এদিনত এশ এবিধ শাক খোৱাৰ নিয়ম আছে।

কিছুমানে ইয়াক সাত শাকেতী বা সাথেক তোলা বা সাত শাক তোলা বিহু বোলে। এশ এবিধ শাকৰ যি ব্যঞ্জন তৈয়াৰী কৰা হয় সেয়া ৰোগৰ মহৌষধ। 'সাত বিহুৰ শাক শুকতি দেহাত দেই বল' বুলি বিশ্বাস কৰি এশ এবিধ নহ'লেও সাতবিধ বা নবিধ শাক তোলে।

ঠাই বিশেষে গৰু বিহু বা মানুহ বিহুৰ দিনাখন ধুমুহা বৰষুণৰপৰা হাত সাৰিবলৈ শিৱক সন্তুষ্টি কৰি নাহৰৰ পাতত মঙ্গলসূচক বচন লিখি ঘৰৰ চালৰ পানীপচাত খুচি থোৱা হয়—

দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ/বাত বৃষ্টি হৰ দেৱ মহাদেৱ নমস্তুতে।

অসমীয়া মানুহৰ মনত শিৱ কৃষি দেৱতা। সেয়েই হয়তো প্ৰথম বিহুৰ দিনাই ৰাতিপুৱা কামৰূপৰ কোনো কোনো অঞ্চলত বাঁহৰ আগ আৰু ভাং-ধতুৰাৰ গছ খেতি-পথাৰত পুতি থয়। জনবিশ্বাস মতে এনেদৰে শিৱৰ প্ৰিয় ভাং-ধতুৰাৰ গছ পুতি শিৱক সন্তুষ্ট কৰিলে খেতি ভাল হয়।

পহিলা ব'হাগ বা মানুহ বিহুৰ দিনা গা ধুই গোসাঁইক সেৱা কৰি বিহুৱান লয় আৰু পিছত সৰুৱে মান্যজনক সেৱা-সৎকাৰ কৰি আশীৰ্বাদ লয় যাতে আগন্তুক বৰ্ষটো ভালে ভালে যাব পাৰে। 'অতিকৈ চেনেহৰ ব'হাগৰ বিহুটি' অহাৰ আগতেই অৰ্থাৎ চ'ত মাহ সোমোৱাৰ লগে লগেই অসমীয়া জীয়াৰী-বোৱাৰীৰ 'চেনেহৰ বিহুৱান'খনি বৈ-কাটিবলৈ গাত ত'ত নাইকিয়া হয়। কিয়নো বিহুৰ পিছত ব'বলৈ থোৱা কোনো কাপোৰ বা বিহুৱান কোনো পুৰুষক দিয়া নহয়। বিশ্বাস 'বিহুচেৰা' বস্ত্ৰ পৰিধান কৰিলে লওঁতাৰ মৃত্যু কাষ চাপি আহে। অঞ্চল বিশেষে বিহুৰ সাতদিন পুৰুষে গাত তেল নলয়, সাতদিনৰ খোৱা পিঠা-পনা, লাৰু আদি থাকিলেও বিহুচেৰাৰ দিনা পেলাই দিয়া হয়। যদি ব'হাগ বিহুৰ মাহটো মলমাহ পৰে তেতিয়া নিজৰ অশুভ হ'ব বুলি বিশ্বাস কৰি কোনো নতুন কাপোৰ বা বিহুৱান গ্ৰহণ কৰা নহয়।

ব'হাগ বিহু ৰং-ধেমালিৰ উৎসৱ। বিহু-বলিয়া ডেকা-গাভৰুৱে সেয়েই ব'হাগ বিহুত নানান খেল-ধেমালি কৰা দেখা যায়। তাৰ ভিতৰত কড়িখেল উল্লেখযোগ্য। কড়ি প্ৰজননৰ প্ৰতীক। কড়িখেলত যদি কোনো পুৰুষৰ কড়ি ফুটে তেন্তে সেই পুৰুষৰ ভাগ্যোদয় হয় আৰু জিকিলে অবিবাহিতজনৰ বিবাহৰ যোগ মিলে বুলি কোনো কোনোৱে বিশ্বাস কৰে। ব'হাগ বিহুৰ সময়ত হুচৰি গোৱা লোকৰ আশীৰ্বাদ ল'লে স্বৰ্গত স্থান পায় বুলি বিশ্বাস কৰে। সেয়েহে অনাখৰী কবিয়ে গায়—

গৰু বিহু দিনাখন— ল'বা আশীৰ্বাদ/ তেহে পাবা বৈকুণ্ঠত থান

ক.তা.

**।। বহুৱা ।।**

সংস্কৃত বসুৱা শব্দৰপৰা উদ্ভৱ হোৱা চৰিত্ৰই শংকৰোত্তৰ নাট-ভাওনাত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। নাটৰ মাজত হাস্য-ব্যংগৰ সৃষ্টি কৰা বহুৱা চৰিত্ৰৰ একাধিক ৰূপাংগ সংস্কৃত ৰূপকৰ বিদুষকেৰে মিলি যায়। বহুৱাই সাধাৰণতে বিসংগতিপূৰ্ণ বিচিত্ৰ পোচাক পৰিধান কৰে। স্বাভাৱিক কবিত্ব গুণ আৰু উপস্থিত বুদ্ধি - বহুৱাৰ দুটি অত্যাৱশ্যকীয় গুণ। এই দুই গুণৰ অধিকাৰী হ'ব নোৱাৰিলে বহুৱাই দৰ্শকক হঁহুৱাবলৈ সমৰ্থ নহয়, হাস্য ৰস গৈ বিৰক্তিত পৰিণত হয়। শংকৰোত্তৰ নাটৰ দূতৰ সমপৰ্যায়ৰ আন এটি চৰিত্ৰ হ'ল - দূত। বহুৱা আৰু দূতৰ প্ৰৱেশ সম্পৰ্কে ডঃ কেশৱানন্দ দেৱ গোস্বামীয়ে অংকীয়া ভাওনাত লিখিছেঃ 'এটি দৃশ্য শেষ হোৱাৰ পিছত পৰৱৰ্তী ভাৱৰীয়াৰ

সাজ-সজ্জা, ৰং-বৰণ ঘঁহা প্ৰস্তুত নহ'লে মাজতে দূত বা বহুৱা উলিওৱা হয়। দূতে সাধাৰণতে কোনো ৰজাৰ আগমনৰ আগে আগে ওলাই 'চুপ-চাপ' ৰজা আহিছে, 'চুপ-চাপ' বুলি দৰ্শকক সাৱধান কৰি দিয়ে আৰু কেইপালচমান বাজনাত নাচে। দূতে কোনো বাৰ্তা চৰিত্ৰৰ আগতো গৈ জনায়। দূত ওলাওঁতে সাধাৰণতে কোনো ধুৰা, বাণা বা পদ আদি গোৱা নহয়; কিন্তু বহুৱাই সাধাৰণতে কিবা গাইহে ভাওনাত প্ৰৱেশ কৰে।' অৱশ্যে দূত বা বহুৱা প্ৰৱেশৰ বিবিধ ধুৰা, বাণা প্ৰভৃতিত আপত্তি নাই। না দা.

**।। বড়ো কছাৰীৰ জন্ম প্ৰকৰণ ।।**

আন আন জনগোষ্ঠীৰ দৰে বড়ো সমাজতো জন্ম প্ৰকৰণ সম্পৰ্কে বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস প্ৰচলন আছে। গৰ্ভৱতী বড়ো মহিলা এগৰাকীয়ে গৰ্ভ ধাৰণৰ পিছত কেতবোৰ নীতি নিয়মৰ মাজেৰে চলিব লগা হয়। গৰ্ভৰ সন্তানটোৱে যাতে কষ্ট নাপায়, তাৰ কাৰণে মাতৃগৰাকীক কঠিন কাম কৰিবলৈ দিয়া নহয়। গৰ্ভৱতী অৱস্থাত মাতৃগৰাকীয়ে যি খাবলৈ বিচাৰে তাকে খাবলৈ দিয়া হয়। গৰ্ভস্থ সন্তান আৰু মাতৃগৰাকী ভূত-পিশাচ, ডাইনী-যখিনীৰ কু-নজৰ তথা অশুভ শক্তিৰপৰা বাচি থাকিবলৈ এখন সৰু কটাৰী লগত ৰখাটো বাধ্যতামূলক।

সন্তান প্ৰসৱৰ সময়তো বড়ো সমাজত কেতবোৰ ৰীতি-নীতি পালন কৰা হয়। সন্তানটো যেতিয়া ভূমিষ্ঠ হয়, তেতিয়া নাভিৰপৰা প্ৰায় তিনি আঙুলিমান জোখাৰ দূৰত্বত এৰাঁ সূতাৰে পকাই নাড়ীটো অতি টানকৈ বান্ধি বাঁহৰ চোঁচেৰে নতুবা নতুন ব্লেডেৰে কটা হয়। তাৰ পিছত সন্তানটোক কুহুমীয়া পানীৰে গা ধুৱাই পৰিষ্কাৰ কাপোৰেৰে মচি ধাই তথা মহিলাসকলৰ ভিতৰত পাৰ্গত এগৰাকীয়ে শিশুটিক কাপোৰ পাৰি ডলা এখনত শুৱাই দিয়ে। তাৰ পাচত কেঁচুৱাটোক শান্তি জল ছটিয়াই নৈ গথ নীংবা গীদৌ মামীন? বাংগাল--ডাংগাল মীন? মেফালনা /গংগাৰমীন? দে ফিছা, নী দিনৈ/বড়োনি নখৰাও উজিফৈবায়/দিনৈনিফ্ৰাই নী বড়ো ফিছা জাদী- এনেদৰে মন্ত্ৰ মাতি বড়োসমাজত আদৰি লোৱা হয়।

নাড়ী, কটা, শান্তিজল ছটিওৱা আৰু জন্মৰ সময়ত উপস্থিত থকা ধাই, মহিলা আদিক ভোজভাত খুওৱা হয়। এই কাৰ্যটো সন্তান জন্মৰ এবছৰৰ ভিতৰত সম্পন্ন কৰিব লাগে। ইয়াক নকৰিলে প্ৰসূতি গৰাকী মহাপাপত ভুগিবলগা হয় বুলি বড়োসমাজত জনবিশ্বাস আছে। এই ক্ৰিয়াটোক নাড়ী হানায়নি মান বাওনায় (নাড়ী কটাৰ বাবে মান জনোৱা) বুলি কোৱা হয়। সন্তান প্ৰসৱৰ পিছত প্ৰসূতিক বাহিৰলৈ উলিয়াই আনি গৰম পানীৰে গা-পা ধুৱাই পৰিষ্কাৰ তথা শুচি কৰা হয়। সন্তান জন্মৰ সময়ত পিতৃয়ে প্ৰসূতি থকা ঘৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে।

(অসমীয়া প্ৰতিদিন কাকতৰ এনাজৰী ২২ ডিচেম্বৰ ২০০৭ত প্ৰকাশিত এন. চি.

ম'ছাহাৰীৰ বড়ো কছাৰীৰ ৰীতি-নীতি শীৰ্ষক নিবন্ধৰ আধাৰত যুগুতোৱা)

কি.ক.

**।। বড়ো জনগোষ্ঠীৰ বিয়াবাৰু ।।**

ভাৰতীয় মহাকাব্যীয় যুগত কিৰাত নামেৰে প্ৰসিদ্ধ মঙ্গোলীয় প্ৰজাতিৰ তিব্বত-অসমবৰ্মী শাখাৰ অন্তৰ্গত বৰো জনগোষ্ঠীৰ লোকসকল উত্তৰ-পূব ভাৰতৰ বিভিন্ন অঞ্চলত তথা নেপাল, ভূটান আদি দেশৰ অঞ্চল বিশেষে অতি প্ৰাচীন কালৰপৰা বসবাস কৰি আহিছে। বড়ো জনগোষ্ঠী স্বকীয় বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰাৰে সমৃদ্ধ। প্ৰণালীবদ্ধ আচাৰ-ৰীতিৰে পৰিচালিত তেওঁলোকৰ সমাজ তথা ব্যক্তি জীৱন অতি বৈশিষ্ট্যপূৰ্ণ। সকলো জনগোষ্ঠীৰে বিৱাহ এনে এটা অনুষ্ঠান-য'ত জাতি একোটাৰ আকৰ্ষণীয় তথা বৈশিষ্ট্যপূৰ্ণ ৰীতি-নীতি সুন্দৰভাৱে প্ৰতিফলিত হয়। বড়োসকলে বিৱাহক হাবা বা জুলি বুলি কয়। ছোৱালী চোৱাৰ দিন ধৰি বিৱাহকাৰ্য সম্পন্ন হোৱালৈকে বিভিন্ন ৰীতি-নীতি বড়োসকলৰ মাজত প্ৰচলিত আছে। কইনাৰ অভিভাৱকৰপৰা অনুকূল সঁহাৰি পালে কইনা চাবলৈ যোৱা হয়। দৰাপক্ষৰ কইনা পছন্দ হ'লে কইনাৰ ঘৰত এযোৰ খাৰু গুজি থৈ আহে। ইয়াক তনাছান থেৱনায় বোলা হয়। সন্মতি নাথাকিলে কইনা পক্ষই খাৰুযোৰ পিছদিনাখনেই ওভতাই দিয়ে। তাৰ পিছত কইনাৰ পিতৃ-মাতৃৰ সন্মানৰ কাৰণে দৰাপক্ষই গিবি বিবান অৰ্থাৎ ভাৰ লৈ যায়। দৰা পক্ষই বিয়াৰ দিন বাৰ ঠিক কৰিবলৈ যোৱাৰ দিনা কইনাঘৰলৈ আকৌ দ্বিতীয় ভাৰ লৈ যাব লাগে। আকৌ বিয়াৰ দিনা তৃতীয় ভাৰ হাবানি বিধান (বিয়াৰ ভাৰ) নিব লাগে। বিয়াৰ দিনাখন প্ৰথমে ছাব্ৰি-ছাৰনায় অনুষ্ঠানেৰে সামাজিকভাৱে কইনাৰ পিতৃ-মাতৃ আৰু দৰাৰ পিতৃ মাতৃৰ বিঁয়ে বিয়নি সম্বন্ধ স্থাপিত হয়। এই অনুষ্ঠানত দুয়োপক্ষৰ গাঁৱৰ দুই হাদেংগীৰা (গাঁৱৰ সামাজিক মুৰব্বী) উপস্থিত থকাটো বাঞ্ছনীয়। বিৱাহ অনুষ্ঠানত বাইৰাথী আৰু বাৰলাম্‌ফাৰ ভূমিকা গুৰুত্বপূৰ্ণ। বাইৰাথী হ'ল- নিৰ্দিষ্ট দুগৰাকী যুৱতী আৰু দুগৰাকী বিৱাহিতা তিৰোতা। বিয়াৰ দিনা কইনাঘৰীয়া আত্মীয় কুটুম্বক দৰাঘৰীয়া বাইৰাথীয়ে বিয়াৰ শেষলৈকে তামোল কাটি বিলাব লাগে। বাৰলাম্‌ফা হ'ল কইনাঘৰলৈ নিয়া বিবান কঢ়িওৱা ভাৰী। বাথৌ বেদীৰ সমুখত ধৰ্মীয় ৰীতি-নীতিৰে বিৱাহকাৰ্য সম্পন্ন কৰা হয়। তাৰ পিছত যথা ৰীতিৰে কইনাকো দৰাঘৰীয়াৰ সৈতে বিদায় দিয়া হয়। বিয়াৰ পিছদিনাখন ন-কইনাই স্বামী সমন্বিতে ৰাইজক নিজহাতে ৰান্ধি-বাঢ়ি খুওৱা প্ৰথা আছে, যাক হাথা-ছুনি বোলে। হাথা-ছুনিত অন্‌লা-খাৰি (পিঠাগুড়িৰ সৈতে মাংসৰ ব্যঞ্জন) ৰন্ধাটো বাধ্যতামূলক। এই ক্ৰিয়াটো নিৰ্দিষ্ট নীতি-নিয়মেৰে সম্পন্ন কৰাৰ পিছতহে প্ৰকৃত বিৱাহকাৰ্য সম্পন্ন হয় আৰু নৱ-দম্পতীক বৈৱাহিক জীৱন আৰম্ভ কৰিবলৈ সামাজিক অধিকাৰ দিয়া হয়। বিৱাহৰ আঠদিনৰ দিনা নৱ-দম্পতী কইনাঘৰলৈ প্ৰথমবাৰৰ কাৰণে পদাৰ্পণ কৰে যাক আঠিমংলা বোলে। বড়ো জনগোষ্টীৰ মাজত বিৱাহ-বিচ্ছেদৰ বৈধ

নিয়ম আছে। ইয়াক ফাথাই বিলাই বিছিনায় বা ফাথাই এলেং বিছিনায় (পাণ চিৰা-ছিৰি কৰা) বোলে। বড়ো সমাজত বিধবা-বিবাহৰো বৈধতা আছে।

ক. খে.

**।। বাইজাবা (ৰণনৃত্য) ।।**

বাইজাবা (ৰণনৃত্য) ডিমাছাসকল এক বিশেষ ধৰণৰ নৃত্যশৈলী। এই নৃত্যত শিল্পীসকলৰ দুটা দলৰ মাজত যুদ্ধ কৰি দেখুৱায়। প্ৰতিটো দলত শিল্পী কমেও সাতৰপৰা বাৰজন পৰ্যন্ত থাকিব লাগে। শিল্পী ৰণুৱাসকলে ডিমাছাৰ জাতীয় সাজ-পাৰ পৰিধান কৰে। ভৰিৰ কলাফুল ঢকাকৈ ধূতী মূৰত পাগুৰি আৰু কামিজ পৰিধান কৰে। এই নৃত্যত ঢোল আৰু পেঁপাৰ ব্যৱহাৰ হয়। শিল্পসকলে সোঁহাতত যাঠি বা জোং আৰু বাঁওহাতত ম'হৰ ছালৰ ঢাল লয়। বাদ্যৰ ছেৱত কৌশলপূৰ্ণ ভাৱে ৰণৰ অংগী-ভংগী প্ৰদৰ্শন কৰে। উভয়ে উভয়ক আক্ৰমণ কৰি নিহত কৰাৰ ভাও দেখুৱায়। বাইজাবা নৃত্যত লয়লাসৰ অভাৱ দেখা পোৱাৰ বিপৰীতে ৰণকৌশলৰ দক্ষতা আৰু গতিবেগ স্পষ্ট।

ই.ক.

**।। বাউটি।।**

বাউটি হাতত পিন্ধা অলংকাৰ। সোণ, ৰূপ আদিৰে গঢ়োৱা হয়। ইয়াৰ গঢ় দুই ধৰণৰ। কিছুমান পোন আৰু কিছুমান ঘেৰ-খুউৱা। বাউটিযোৰৰ ওপৰৰ ফালে চকুৰে দেখা অংশত বিভিন্ন চানেকিৰ ফুলকটা থাকে। বাউটি সাধাৰণতে বাখৰ খটোৱা নহয়। অৱশ্যে কোনো কোনোৱে মিনা কৰাই লয়।

প্ৰ.শ.গো

**।। বাখৰ প্ৰস্তুত পদ্ধতি ।।**

'বাখৰ' (নামনিত বাখাৰ) অবিহনে লাওপানী বা জুমায় -জৌ প্ৰস্তুত কৰা অসম্ভৱ। এই বাখৰ অসমৰ প্ৰতিটো জনজাতিৰ তিৰোতা সকলে প্ৰস্তুত কৰাত পাৰ্গত। এই বাখৰক বৰোসকলে এমাত ৰাভা সকলে ফাপ, শৰণীয়া কছাৰীসকলে সুৰাচি, গাৰোসকলে চুমাছি আৰু ডিমাছাসকলে এমাও বোলে। হাবিৰ পৰা সংগ্ৰহ কৰা বিভিন্ন ঔষধিগুণযুক্ত গছ-পাত গুড়ি কৰি পিঠাগুড়িৰে সৈতে মিহলাই পানী মিহলাই পিঠা কৰি ডলা বা কুলাত সিবোৰ থৈ ৰ'দত শুকাই লোৱাৰ পিছত সি বাখৰত পৰিণত হয়। ৰাজেন ৰাভাই ফাপ তৈয়াৰ কৰিবলৈ উল্লেখকৰা বনৌষধি সমূহ হ'ল— 'আগিয়া চিতাৰ' শিপা, কুঁহিয়াৰৰ পাত, খুদ জলকীয়া, 'বেজি কালাই'ৰ গুটি, 'চেনি বন'ৰ আগ, কুশৰ আগ, আনাৰসৰ কোমল আগ, বিহলঙনিৰ আগ, 'ভেটী তিতা'ৰ পাত আবু আকণৰ পাত। ইয়াৰ লগত পুৰণি বাখৰৰ পিঠা এখন গুড়ি কৰি দিয়া প্ৰয়োজন (ৰাভা জনজাতি) ভবেন নাৰ্জীৰ মতে, এমাও তৈয়াৰ কৰিবলৈ আৰৈ চাউল, কুশৰ আগ, বিছিমাওৰ আলু, আগিয়াছিতাৰ

শিপা, আৰু কলপাত অথবা আনাৰসৰ কুমলীয়া পাতৰ গুড়িৰ লগত দুটা পুৰণি এমাওৰ লাৰু (বড়ো-কছাৰীৰ সমাজ আৰু আৰু সংস্কৃতি) নলিনী ডেকাৰ মতে, সুৰাচি তৈয়াৰ কৰিবলৈ চাউলৰ গুড়িৰ লগত আনাৰসৰ পাত, ভেদাই লতাৰ আগ, কঠাল আৰু কুঁহিয়াৰৰ পাতৰ গুড়িৰ লগত দুটা পুৰণি সুৰাচি। ধৰ্মেশ্বৰ দুৱৰাই ডিমাছাসকলে হমাও তৈয়াৰ কৰা সন্দৰ্ভত লিখিছে- টেগ্ৰা নামৰ এবিধ বনৰীয়া গছৰ শিপা-শুকু ৱাই গুড়ি কৰি তাক তিয়াই থোৱা পানী চাউলৰ পিঠাগুড়িৰ লগত মিহলাই একো একোটা পিঠা তৈয়াৰ কৰা হয়।.. ডলাত পিঠাবোৰ মেলি ধান খেৰেৰে ওপৰত গাপ দি কাপোৰেৰে ঢাকি থোৱা হয়। (উত্তৰ কাছাৰ পাহাৰৰ লোক সংস্কৃতি)। সাধাৰণতে খেৰেৰে ঢাকি ৰখা বাখৰৰ পিঠা বা লাড়ুবোৰ চাৰি ৰাতিৰ পিছত ব্যৱহাৰৰ উপযোগী হয়।

না. দা.

**।। বাগৰুম্বা ।।**

বড়োসকলৰ এবিধ বিশিষ্ট লোক-নৃত্য হৈছে বাগৰুম্বা। বসন্তকালীন এই লোক-নৃত্য অৱশ্যে খেৰাইৰ দৰে বহুল প্ৰচলন নহ'লেও বড়ো সংস্কৃতিৰ বিশেষজ্ঞসকলে এই লোক-নৃত্যক লঘু নৃত্যৰ শাৰীত থৈছে। নাচিনা গীনাউ অথবা দীৰ্ঘ নাচিনা নৃত্য গাভৰুসকলে থাখ্পালাত একেলগ হৈ এই বাগৰুম্বা নাচে। বড়ো গাভৰুসকলে একেলগে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি দুহাত মেলি দখনা লৈ পখিলাৰ দৰে চেও দি দি বাগৰুম্বা নাচে। নৃত্য-গীতত যৌন উদ্দীপক ভাৱ-ভংগিৰ বিপৰীতে এইবিধ লোক-নৃত্য গুৰু গম্ভীৰ আৰু মনোৰম। প্ৰকৃতি জগতৰ সহজ-সৰল বৰ্ণনা বাগৰুম্বা গীতৰ অন্যতম বৈশিষ্ট্য।

ব. কু. দা.

**।। বাঘ নখৰ লটকন।।**

বাঘ নখেৰে নিৰ্মিত এবিধ লটকন অসমীয়া নাৰীয়ে পৰিধান কৰে। নৱজাতক সন্তানকো কেতিয়াবা কেতিয়াবা বাঘ নখৰ লটকন কৰি তাৰ ভিতৰত ঔষধ-পাতি ভৰাই মাদলি হিচাপে পিন্ধায়। আজি-কালি বাঘ নখেৰে সুৰুচিপূৰ্ণ আৰু কাৰুকাৰ্য খচিত হাথাফুল আৰু কণ্ঠহাৰ তৈয়াৰ কৰি উলিওৱা হৈছে। গলপতা, হাচলি, হাৰ, বিৰিজাতীয় অলংকাৰবোৰে ডিঙিৰ বিভিন্ন ৰোগ নিৰাময়ত সহায় কৰে। গলপতাই বিশেষ স্থানত চাপ প্ৰয়োগ কৰি দীঘলীয়া সময়ৰ বাবে চকুত জ্যোতি ঠিক ৰখাত সহায় কৰে। ইয়াক পিন্ধাৰ ফলত গলগণ্ড, স্পণ্ডেলাইটিছ আৰু ৰাজহাড়ৰপৰা উৎপন্ন হোৱা বেমাৰৰপৰা কিছু সকাহ পোৱা যায়। ডিঙিৰ প্ৰায়বোৰ বেমাৰতেই ই লাভজনক ফল দিয়ে। মস্তিষ্কৰ ৰোগৰপৰাও ই কিছু সকাহ দিয়ে। তদুপৰি স্বৰ শুৱলা কৰাত ই সহায় কৰে। মুৰৰ বিষো কিছু পৰিমাণে

লাঘৱ কৰে।

প্ৰ.শ. গো.

**।। বাঘপাৰাৰ মৃন্ময় ভাস্কৰ্য ।।**

প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথদেৱে মেঘালয়-গাৰোপাহাৰৰ ফুলবাৰীৰপৰা তেৰখনি মৃন্ময় ফলক কঢ়িয়াই আনি অসম ৰাজ্যিক সংগ্ৰহালয়ত জমা দিছিল। সেই ফলক কেইখনিৰ এখনত খোদিত হৈছে - দুজন অশ্বাৰোহীয়ে হৰিণ চিকাৰ কৰাৰ জীৱন্ত দৃশ্য। অশ্বাৰোহী দুজনৰ মুখত একোচাকৈ দাড়ি, গোফ্ আৰু মূৰত মোগল টুপী। দুয়োজনৰে চোলাতো মোগল আৰ্হি বিদ্যমান। দ্বিতীয়খনি ফলকত এটি নৃত্যৰ দৃশ্য ৰূপায়িত হৈছে। ভুনি মৰা চুটি আটিল অধোবাস পৰিধান কৰা পুৰুষ এজনে দুয়োখন ভৰিৰ আঁঠু দুফালে ভাঙি মূৰৰ সমানে হাত দুখন ৰাখি নৃত্য ভংগীমাত থকা দেখা যায়। পুৰুষজনৰ বাঁওহাতে তালবাদক আৰু সোঁহাতে কমণ্ডলু হস্তা নৃত্য নিপুণা নৰ্তকী। তৃতীয়খন ফলকত চিত্ৰিত হৈছে— বাঁওহাতত চাৰিখন ঠেং জুতি লৈ ওলোমাই নিয়া আৰু হাতত থকা ষাঠিডালেৰে শালিবলৈ যত্ন কৰা চিকাৰী এজন। মোগল আৰ্হিৰ চোলা আৰু টুপী পিন্ধা ডঢ়ীয়া সৈনিক জনৰ মূৰৰ ওপৰত উৰিছে চৰাই এটা। চতুৰ্থ ফলকত আছে পদুম বনৰ মাজে মাজে চৰিফুৰা তিনিটা ৰাজ হংস। পঞ্চম ফলকখনত চিত্ৰিত হৈছে আসন ভংগীৰ শংখ চক্ৰ-গদা-পদ্মধাৰী স্থানক ভংগীৰ বিষ্ণু। ষষ্ঠ ফলকত এটা গমনৰত পশু চিত্ৰিত কৰা হৈছে। সপ্তম ফলকত নেজ ডাঙি মূৰ তলকৰি যুঁজিবলৈ উদ্যত হোৱা ষাঁড়গৰু এটা দেখা যায়। অষ্টম ফলকত চিত্ৰিত হৈছে- সোঁফালৰপৰা বাঁওফাললৈ গমন কৰা পাঁচটা গৰু পোৱালি। নৱম ফলকত কান্ধত লোৱা মাৰি এডালত কিবা বস্তু এটা লৈ মূৰত জাপি জাতীয় বস্তু এটা পিন্ধি থকা দীঘল চোলাৰ তিৰোতা এজনী। দশম ফলকত কংসই দৈৱকীৰ পুত্ৰ নিধন কৰাৰ দৃশ্য আছে। দৈৱকীয়ে কংসক পুত্ৰ নামাৰিবলৈ মিনতি জনাইছে-কংসই পুত্ৰক আচাৰ মাৰিবলৈ উদ্যত হৈছে। একাদশ ফলকত আছে- পদ্মাসনত বহা নমস্কাৰ হস্তৰ পাগুৰি পৰিহিত ভক্ত এজন। দ্বাদশ ফলকত দেখা যায়— গছৰ মাজত বৰটোপ এটা স্থাপন কৰি তাৰ পিছফালে হাতেৰে ধৰি চকুৰে নিচান ঠিক কৰা এজন সৈনিকক। ত্ৰয়োদশ ফলকখনি পদ্ম এটাৰ মাজত পুষ্পমণ্ডনকৰ্মৰ চালে চকুৰোৱা দৃশ্য। আলোচিত ফলক কেইখনি প্ৰাক্ -আহোম যুগৰ কলা সম্ভাৰ।

(তৃতীয় বছৰ তৃতীয় সংখ্যা সংজ্ঞাত প্ৰকাশিত ড° ৰবীনদেৱ চৌধুৰীৰ 'অসমৰ মৃন্ময় ভাস্কৰ্য' প্ৰবন্ধৰ আধাৰত যুগুতোৱা।)

না.দা.

**।। বাজু ।।**

বাহুত পিন্ধা অলংকাৰ বিধৰ নাম হ'ল বাজু। সোণ আৰু ৰূপেৰে গঢ়া বাজু এপদ

চেপেটা অলংকাৰ। বাজুৰ ওপৰৰ ফালটোত ফুল বা অন্য আৰ্হিৰ চানেকি থাকে। বাজুৰ দুই মূৰত মগৰৰ চানেকিও থাকে। এটা মূৰত এটা আঙুঠি আৰু আনটো মূৰত শিকলি হাকোটা লগোৱা থাকে। হাকোটা ডাল ইটো মূৰৰ ৰিংটোত সুমুৱাই দি পিন্ধা হয় নাইবা কেতিয়াবা দুয়োটা মূৰত সোণ ৰূপৰ সূতা লগাই গাঁথি মাৰিও পিন্ধা হয়। সোণৰ বাজুক সুবৰ্ণৰ টাৰ আৰু অঞ্চল বিশেষে কেয়ুৰ বুলিও কোৱা হয়। আজিকালি এইবিধ অলংকাৰৰ বিশেষ প্ৰচলন নাই যদিও কোনো কোনোৱে বিভিন্ন পাথৰ আদি খটুৱাই বাজু সদৃশ এপদ অলংকাৰ পিন্ধিবলৈ লৈছে। কিছুমান গোলাকৃতিৰ বাজুৰ ভিতৰত লা বা বালি মিলোৱা থাকে। সোণৰ বাজু পৰিধান কৰিলে ৰক্তসঞ্চালন সুচাৰুৰূপে হয় আৰু মস্তিষ্কৰ উত্তেজনাৰপৰা মুক্ত হ'ব পৰা যায়। ই হৃদয়ৰ কাৰ্যদক্ষতা বৃদ্ধি কৰে। কান্ধ আৰু হাতৰ বিষো উপশম হয়।

প্ৰ.শ. গো.

**।। বাটনাম বা বাটকীৰ্তন।।**

মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত প্ৰচলিত বাটনাম আৰু বাটকীৰ্তন অসমীয়া লোক সংস্কৃতি অমূল্য সম্পদ। বাটনাম বা বাটকীৰ্তন হ'ল বাটে বাটে গোৱা নাম হৰিনাম কীৰ্তন। মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত এই অনুষ্ঠান নিজা নিজা দৃষ্টিভংগীৰে পালন কৰা দেখা যায়। পাত্ৰবড়ী গাঁৱত এই অনুষ্ঠান আৰম্ভ কৰে ব'হাগ মাহৰ প্ৰথম দহ দিনৰ কোনো এটা মংগল বা শনিবাৰত। এই অনুষ্ঠান এক সপ্তাহ নাইবা পোন্ধৰ দিন পৰ্যন্ত পৰিৱেশিত হয়। বাটনাম যদি আৰম্ভ হয় শনিবাৰে শেষ কৰা হয় মঙ্গলবাৰত নাইবা মংগলবাৰত আৰম্ভ কৰিলে শেষ কৰা হয় শনিবাৰে। লোকবিশ্বাস আছে যে অসমীয়া নতুন বছৰৰ আৰম্ভণিতে বাটনাম পৰিৱেশন কৰিলে বছৰটোলৈ গাঁৱৰ সকলোৰে অপায়-অমঙ্গল দূৰ হয়।

বাটনাম আৰম্ভ কৰে গাঁৱৰ কোনো এটা নামঘৰৰ পৰা। সন্ধিয়া ডেকাসকলে সম্পূৰ্ণ অসমীয়া সাজ পিন্ধি নিৰ্দিষ্ট নামঘৰৰপৰা নামকীৰ্তন কৰি গাঁৱৰ শেষ প্ৰান্তত থকা নামঘৰ বা ডাঙৰ গছৰ তলত শেষ কৰে। বাটনামত গাঁৱৰে এজন মূল নামতী থাকে আৰু এজন নিৰ্দিষ্ট ধূনাখলা বা ধূনাবাতি লওঁতা থাকে। ধূনাবাতি লওঁতা জন সকলোৰে আগত এক বিশেষ ভঙ্গিমাত নাচি নাচি গৈ থাকে। বাটনাম আৰম্ভ কৰাৰ দিনা নিৰ্দিষ্ট নামঘৰটোত মাহ-প্ৰসাদ আগবঢ়ায় আৰু সেইদিনা গাঁৱৰ সমূহ কৃষকে হালখতি পালন কৰে। আৰম্ভণীৰ দিনা প্ৰথম নামতীজন আৰু ধূনাবাতি লওঁতাজন উপবাসে থাকে। বাটনাম আৰম্ভ কৰাৰ দিনা প্ৰতিঘৰ গৃহস্থই বাটনাম গাই অহাৰ সময়ত ধূপ-ধূনাৰে সেৱা কৰাৰ লগতে তামোল-পাণেৰে অৰিহণা আগবঢ়ায়।

বাটনামৰ শেষৰ দিনটোত গাওঁতাসকলে উপবাসে থাকে। ৰাতিপুৱা নামঘৰ কেইটাৰ

পদূলিত কলগছ পুতি মালা গাঁথি দিয়া হয়। সন্ধিয়া প্ৰথম দিনাৰ দৰেই সেই নিৰ্দিষ্ট নামঘৰটোত নৈবেদ্য দিয়া হয় আৰু তাত এঘন্টা জুৰি নামগোৱা হয়। নামগোৱাৰ শেষত নৈবেদ্য ভাঙি সকলোৱে প্ৰসাদ খায় আৰু হাত-মুখ ধুই পুনৰ গাবলৈ আৰম্ভ কৰে। নাম গাই থকা অৱস্থাতে সেৱা কৰি হৰিধ্বনি দিয়াৰ লগে লগে মেখিয়ে আগতেই তৈয়াৰ কৰি থোৱা ফুলৰ মালা নিৰ্দিষ্ট কেইজন মানৰ মূৰত পিন্ধাই দিয়ে, পুনৰ হৰিধ্বনি দি পিছুৱাই পিছুৱাই নামঘৰৰ পদূলিলৈকে আহি গাঁৱৰ শেষৰ ফালে গাই যায়। শেষৰ দিনা বাটনাম সন্ধিয়াৰ পৰা পিছদিনা পুৱা ন মান বজালৈকে গোৱা হয়। ৰাতি ডেকা-বুঢ়া-মহিলা সকলোৱে অংশগ্ৰহণ কৰি পুৱা নিৰ্দিষ্ট স্থানত শেষ কৰে। ডেকাসকলে পিন্ধিলোৱা মালাবোৰ পুৱা বাটনাম শেষ কৰা নামঘৰটো বা গছডালত আঁৰি থৈ আহে। আৰম্ভণিৰ দৰে শেষৰ দিনাও প্ৰতিঘৰ গৃহস্থই সেৱা কৰাৰ লগতে অৰিহণা আগবঢ়ায়। বাটনাম পৰিৱেশনৰ সময়ত খোল, ভোৰতালৰ লগতে ঢোল, মৃদংগ, দবা, নাগাৰা আদি ব্যৱহাৰ কৰা হয়।

বি. চ. ব

।। বাথৌ পূজা।।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত যথেষ্ঠ অৱদান আগবঢ়োৱা জনগোষ্ঠী হৈছে বড়ো জনগোষ্ঠী। বড়ো জনগোষ্ঠীৰ সাংস্কৃতিক সমলৰ ভিতৰত উল্লেখযোগ্য হৈছে বাথৌ পূজা। বড়ো সমাজত পূজাৰ বাবে ঘৰৰ উত্তৰ-পূৱ দিশত সিজু গছ ৰুই তাৰ গুৰিত বাঁহৰ কামিৰে বেৰ দি বেদী তৈয়াৰ কৰা হয়। জাতিবাঁহৰ ১৮ যোৰা খুঁটি পুতি পাঁচঠাক কামিৰে সিজু গছৰ ভেটি নিৰ্মাণ কৰা হয়। পাঁচঠাক কামিৰ অৰ্থ বহন কৰিছে পঞ্চতত্ত্ব বুলি। বড়ো সমাজৰ জনবিশ্বাসত সিজু গছ ৰক্ষণাবেক্ষণৰ প্ৰতীক। আহামক ৰক্ষাৰ উদ্দেশ্যে সিজু গছ মহাদেৱে সৃষ্টি কৰিছিল বুলি বিশ্বাস আছে। সেইবাবে সিজুগছক বড়ো সমাজে শান্তি-সম্প্ৰীতি, ৰক্ষণাবেক্ষণৰ প্ৰতীক বুলি ভাবে। বাথৌ পূজাত সিজু গছৰ লগতে তুলসী গছৰো ব্যৱহাৰ হয়। বাথৌ দেৱতাক স্মৰণ কৰা হয় তলত উল্লেখিত মন্ত্ৰফাঁকিৰে –

"নৈ আফ্ৰ বীৰায বৰ্যৌ/খুলুমহৰদোঁ জোঁ নোঁখ্ৰৌ/ দহায় আফ্ৰ দহায় ॥" (তিনিবাৰকৈ পূজাৰ সময়ত মন্ত্ৰফাঁকি উচ্চাৰণ কৰা হয়)

অৰ্থঃ হে মোৰ বুঢ়া বাথৌ দেৱতা/ তোমাক আমি প্ৰাৰ্থনা জনাইছো/তুমি আমাক ৰক্ষণাবেক্ষণ দিয়া।

বাথৌ পূজাত সোণ, ৰূপৰ ব্যৱহাৰ হয় শান্তি পানীৰ বাবে। পূজাত গাহৰি, মুৰ্গী, হাঁহ, পাৰ আদি বলি দিয়া প্ৰথা আছে। বৰ্তমান প্ৰসাদস্বৰূপে মাহ-প্ৰসাদৰ ব্যৱহাৰ বাঢ়িছে। অঞ্চল বিশেষেহে বলিপ্ৰথা বৰ্তমানে চলি আছে। বাথৌ পূজা চলি থাকোঁতে বেদীৰ চাৰিওফালে হাতত ঢাল-তৰোৱাল লৈ দেওধনিয়ে নৃত্য কৰে। ইয়াক খেৰাই নৃত্য বোলে। আগৰ সময়ত খেৰাই পূজা প্ৰচলিত আছিল আৰু তাৰ লগত জড়িত ঢাল-তৰোৱালৰ

নৃত্যক খেৰাই নৃত্য আখ্যা দিয়া হৈছিল। বৰ্তমান খেৰাই নৃত্য প্ৰচলিত আছে যদিও পূজাটোক খেৰাই নুবুলি বাথৌ বুলিহে কয়। পূৰ্বৰ খেৰাই পূজাত বাথৌ দেৱতাক মূল দেৱতা (বাথৌ-শিব্ৰাই) ৰূপে লৈ পূজা কৰা হৈছিল। এই বাথৌ দেৱতাক লৈ কৰা পূজাই পিছলৈ খেৰাই পূজা গুচি বাথৌ পূজা ৰূপলৈ পৰিৱৰ্তন হৈছে। বাথৌ পূজা বিশেষকৈ পতা হয় ঘৰৰ মহলত বা মুকলি স্থানত। যুগ পৰিৱৰ্তন তথা সমাজ সংস্কাৰ হোৱাৰ লগে লগে বাথৌ মন্দিৰ নিৰ্মাণ হৈছে আৰু মন্দিৰতে বাথৌ পূজা অনুষ্ঠিত হোৱা দেখা গৈছে। গুৰুত্বপূৰ্ণ বিষয় এই যে বড়ো সমাজত বাথৌকলৈ বিভিন্ন সময়ত বিভিন্ন মতামত উত্থাপন হৈ আহিছে। বড়ো জনগোষ্ঠীৰ কিছুসংখ্যক জনগণে বাথৌ পূজাক বাথৌ ধৰ্ম ৰূপেহে স্বীকৃতি দিব বিচাৰে।

(তথ্য সংগ্ৰহ ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি ভবেন নাৰ্জী, হৰেন্দ্ৰ ব্ৰহ্ম, পুষ্পধৰ মহেলা, প্ৰাক্তন সভাপতি, মৰিগাঁও জিলা বড়ো সাহিত্য সভা, ভগৱান বড়ো লক্ষীকান্ত কোঁৱৰ মূল পুৰোহিত, বাথৌ মন্দিৰ, মৰিগাঁও)

প.কু. ডে.

**।। বানত বস্ত্ৰ ।।**

বস্ত্ৰ শিল্পত অসম পুৰণি কালৰেপৰা প্ৰসিদ্ধ। লুইতৰ দুইপাৰৰ উপৰি পাহাৰত বসবাস কৰা লোক সকলেও কপাহৰপৰা সূতা কাটি নিজস্ব পদ্ধতিত ৰং দি তেওঁলোকৰ তাঁতশালত বিভিন্ন চানেকিৰ কাপোৰ বোৱাটো চিনাকি ছবি। নৱ-বৈষ্ণৱ আন্দোলনে এই বস্ত্ৰ শিল্পক আৰু এঢাপ আগুৱাই নিয়া বুলিব পাৰি। বৃন্দাবনী বস্ত্ৰৰ বয়ন কৰ্ম ইয়াৰ সুন্দৰ নিদৰ্শন। অসমৰ নামঘৰসমূহৰ সিংহাসনসমূহ ঢাকিবলৈ এবিধ বিশেষ ধৰণৰ বহুৰঙী ফুলাম বস্ত্ৰ প্ৰস্তুত কৰিছিল। বিভিন্ন চানেকিৰ তাঁত শালত বোৱাৰ উপৰি ৰঙা ৰঙৰ কপাহী অথবা উনী কাপোৰৰ ওপৰত এপ্লিক পদ্ধতিত বগা কপাহী কাপোৰৰ ফুল, কল্কা আৰু পৌৰাণিক আখ্যানৰ চিত্ৰ কাটি তাত আঠা লগাই যিখনি চালে চকুৰোৱা কাপোৰ প্ৰস্তুত কৰা হয়, সি বানত কাপোৰ ৰূপে পৰিচিত। উজনি অসমৰ বিভিন্ন সত্ৰত এই বস্ত্ৰ প্ৰস্তুত কৰা পদ্ধতি আজিও প্ৰচলিত। বানতৰ মণ্ডনধৰ্মী গুণৰ সৈতে চিত্ৰশিল্পৰ ওচৰ সম্পৰ্ক সংৰক্ষিত হৈছে আৰু সি লোক শিল্পধাৰাৰে লগুণ গাঁঠি বান্ধিছে।

(আধাৰ গ্ৰন্থ ঃ ড° বীৰেন্দ্ৰ নাথ দত্ত - Folk Painting in Assam)

জ্যো. দা.

**।। বাম্বোল পিঁটা ।।**

ভাদ মাহৰ পূৰ্ণিমা তিথিত বাস্কা-তামোলপুৰৰ এক বিস্তীৰ্ণ অঞ্চলত মহখেদা উৎসৱৰ শাৰীৰ এটা জনপ্ৰিয় উৎসৱ আছে, নাম বাম্বোল পিঁটা। মহোহোৰ দৰে এই উৎসৱতো উক্ত অঞ্চলৰ ডেকাইঁতে হাতত টোকোন, টকা, পেঁপা আৰু হুলাবাৰি লৈ

ঘৰে ঘৰে গৈ গীত গাই নৃত্য কৰে আৰু হাতত নিয়া টোকোন আৰু হুলাবাৰিৰে চোতালত খুন্দিয়াই গৃহস্থৰপৰা পা-পইচা আদায় কৰে। এই উৎসৱ অকল পূৰ্ণিমাৰ দিনাই শেষ নহয় - গোটেই শুক্লপক্ষটো জুৰি চলি থাকে। অৱশেষত সংগৃহীত ধনেৰে প্ৰীতিভোজ খায়। এই উৎসৱৰ মাজেদি স্থানীয় চহালোকৰ মুকলিমূৰীয়া চহা জীৱনৰ সুন্দৰ ছবি এখনি প্ৰকাশ পায়। কিয়নো ভাদ মাহত তামোলপুৰীয়া ৰাইজৰ খেতি ৰোৱা শেষ হয়। ৰবি শস্যৰ কাম আৰম্ভ হ'বলৈকেও সময় থাকে। গতিকে খেতিয়কসকলে মুকলি মনেৰে কেইটামান দিন আনন্দ-উৎসৱ কৰাৰ সুযোগ পায়। বাম্বোল পিটা উৎসৱৰ গইনা লৈ কিছু সংখ্যক গীতো ৰচিত হৈছে।

আলোচিত উৎসৱটোক বাম্বোল পিটা কিয় কোৱা হ'ল - তাক কোনোৱে খাটাংকৈ ক'ব নোৱাৰে। কোনো কোনোৱে ভাৱে যে এই শব্দটোৱে ১৮৬৪-৬৬ খৃষ্টাব্দত সংঘটিত ভূটীয়া ৰণৰ স্মৃতি বহন কৰিছে। এই ৰণত বৃটিছৰ সেনাধ্যক্ষ আছিল কৰ্ণেল কেম্পবেল। তেওঁৰ নিৰ্দেশত ভূটান আৰু বাস্কা অঞ্চলৰ ভালেসংখ্যক লোকৰ প্ৰাণ লোৱা হয়। এই ঘটনাই স্থানীয় লোকক বিদ্ৰোহী কৰি তোলে। এনে পৰিস্থিতিয়ে বাম্বোল পিটা উৎসৱ আৰু 'বাম্বোল পিটা গীত'ৰ জন্ম দিয়ে। বাম্বোল পিটা গীতৰ এটি কলি -

'আই হাত ও বোলে/বাই হাত ও বোলে/
বাম্বোল বাম্বোল পিটিবা যাওঁ/ও হুৰে ও হুৰে ও হুৰে।'

না. দা.

।। বাৰলাম্‌ফা ।।

বড়ো-কছাৰীৰ বিয়াৰ অন্যতম আকৰ্ষণ হ'ল বাৰলাম্‌ফা নামৰ দুজন নৰ্তক। কামৰূপ আৰু দৰং জিলাৰ আদিমধৰ্মী বড়ো-কছাৰীৰ বিয়াত এই দুজন নৰ্তক দেখা যায়। এই নৰ্তক দুজন দৰাপক্ষই কন্যা আনিবলৈ লৈ যাব লাগে। দৰাঘৰীয়াই বি দুজন মানুহৰ দ্বাৰা বিবাহৰ মূল ভাৰ কঢ়িয়াই লৈ যায়। সেই দুজন মানুহে বিবাহৰ বাবে কন্যাঘৰীয়া সমজুৱা ৰাইজক মদ চেকি উলিয়াই খুৱাই দিয়াৰ পিছত কন্যা উলিয়াই লৈ আহিবৰ সময়ত নৃত্য প্ৰদৰ্শন কৰিব লাগে। তেওঁলোকক বড়োভাষাত বাৰ লাম্‌ফা বোলে। কন্যাঘৰীয়াই কন্যা উলিয়াই দিয়াৰ আগতে বাৰলাম্‌ফাক মাটিৰ চপৰা পিঠিত বোকোচা লৈ নাচিবলৈ দিয়া হয় আৰু লগতে বিয়াক ভোজৰ বাবে কটা গাহৰিৰ মূৰ বোকোচাত বান্ধি লৈ নৃত্য কৰাৰ নিয়ম। গোৱালপাৰাৰ জিলাৰ বড়ো-কছাৰীসকলৰ আয়তীসকলক পিঠিত মাটিৰ চপৰা এবাৰ আৰু আনবাৰ গাহৰিৰ মূৰ বোকোচা বান্ধি লৈ নাচিবলৈ দিয়াৰ নিয়ম প্ৰচলিত। তেওঁলোকৰ মতে বাৰলাম্‌ফা আৰু আয়তীসকলক সেইদৰে দুটা কাৰণত নাচিবলৈ দিয়া হয়- প্ৰথমটো কাৰণ হৈছে কন্যাই সিদিনাৰপৰা পৃথিৱীত মানৱ সমাজৰ সাংসাৰিক জীৱনত প্ৰৱেশ কৰিলে। এতিয়া তেওঁৰ জীৱন বসুমতীৰদৰে দুখ দৈন্য সহ্য কৰি জীৱনৰ

মঙ্গল হেতু বা কাৰণ হৈ পৰিল। দ্বিতীয়তে বাৰলাম্ফা নাইবা আয়তীসকলে পিঠিত মাটিৰ বোকোচা লৈ নাচিলে হেনো কন্যা পুত্ৰৱতী হয়। কন্যাঘৰীয়াই দৰাঘৰীয়াক কন্যা উলিয়াই দিয়া সময়ৰেপৰা দৰাৰ ঘৰত আহি নোপোৱালৈকে বাৰলম্ফা আৰু আয়তীসকলে নাচি নাচি আহিব লাগে। দুৰণিবটীয়া ঠাই হ'লে মাজতে তেওঁলোকক অসৰৰ দি দৰাঘৰৰ কিছু আঁতৰৰপৰা নচুৱাই হৈ অহা হয়।

গো.সু.

**।। বাৰে চহৰীয়া ভাওনা ।।**

বাৰে মানে অনেক আৰু চহৰীয়া মানে ৰাইজ। গতিকে অনেক গাঁৱৰ ৰাইজ একগোট হৈ যি ভাওনা উদযাপন কৰে, সেয়ে বাৰে চহৰীয়া ভাওনা। ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ বাৰে চহৰীয়া ভাওনাৰ শুভাৰম্ভ হৈছিল - আনুমানিক ১৭৯৭-৯৮ খ্ৰীষ্টাব্দত। ২১ খন খলাৰে এই ভাওনাৰ শুভাৰম্ভ হৈছিল। তেতিয়াৰেপৰা বৰ্তমানলৈকে এই ভাওনা জামুগুৰিহাটৰ ভিন্ন বাকৰিত অনুষ্ঠিত হৈ অহাটো গৌৰৱৰ কথা। এই ভাওনাৰ মণ্ডপটি চালে চকু ৰোৱা। পদুমৰ চকাৰ আৰ্হিত কেন্দ্ৰ বিন্দুত সিংহাসন ভাগ ৰখাৰ ব্যৱস্থাৰে এটি দ'ল সজাই তাৰ চাৰিওফালে পদুমৰ পাহিৰ আৰ্হিত ১৪ ৰ পৰা ২১ খনলৈ ৰুচিসন্মত ভাৱে মণ্ডপ নিৰ্মাণ কৰে। সংযোগীৰ ভাৱে সংলগ্ন কৰা প্ৰতিখনি মণ্ডপ মিলি অৱশেষত এটি দৃষ্টি যোগ্য বৃত্তৰ ৰূপ লয়। বৃত্তৰ ভিতৰত থকা প্ৰতিখনি অভিনয় মঞ্চক খলা আখ্যা দিয়াটো মন কৰিবলগীয়া। প্ৰতিখনি খলাকে গছ-লতা-ফুলেৰে সুদৃশ্য কৰি তাৰ সন্মুখত একোটাকৈ তোৰণ সাজি মঞ্চসমূহক আৰু অধিক সুন্দৰ কৰি তুলিবলৈ যত্নৰ ত্ৰুটী কৰা নহয়।

মণ্ডপৰ মধ্যস্থানত ভাগৱত-সিংহাসন প্ৰতিষ্ঠিত হয়। ইয়াৰ ঠিক পশ্চিমৰ খলাখনক প্ৰথম খলা ৰূপে ধৰি সোঁহাতৰ খলাসমূহৰ নামকৰণ কৰে। গায়ন-বায়নৰ জোৰা উঠাৰ বাবে এইখনি খলাতেই জয় জয়তে বাজি উঠে বৰকাঁহ। লগে লগে আনবোৰ খলাতো ডবা-বৰকাঁহ বাজিব ধৰে। প্ৰথম খলাৰপৰাই গায়ন-বায়নে ঢেৰাপাক দিয়া আৰম্ভ কৰে - 'লগে লগে সকলো খলাৰপৰাই সোঁহাতেদি প্ৰথম খলাৰ বায়ন-গায়নক অনুসৰণ কৰি সম্পূৰ্ণ খলাসমূহত তিনি পাক দিয়াৰ পিছত নিজ নিজ খলাত গণিকাৰ কাম শেষ কৰে। গায়ন-বায়নৰ ঢেৰাপাকৰ এই দৃশ্যটোৱেই বাৰে চহৰীয়া ভাওনাৰ সৰ্বোৎকৃষ্ট উপভোগৰ দৃশ্য।' ইয়াৰ পিছত প্ৰতিখন খলাতে সুকীয়া সুকীয়া ভাওনা আৰম্ভ হয়। প্ৰতিখন ভাওনাৰ খলাত গায়ন-বায়ন, সূত্ৰধাৰ সুকীয়া সুকীয়া। নাটো বেলেগ বেলেগ। তথাপি দৰ্শকে ভিন্ন খলাৰ অভিনয় উপভোগত অকণো অসুবিধা নাপায়। ঘন শইকীয়াদেৱৰ ভাষাত - 'মণ্ডপ নিৰ্মাণৰ কৌশলে এক ঠাইৰপৰা সকলো নাটৰ অভিনয় চোৱাত একো বাধাৰ সৃষ্টি নকৰে। এই মেলা ভাওনাৰ মনোহাৰিত্বই বিপুল

দৰ্শকৰ চিত্তক আনন্দ প্ৰদান কৰি আহিছে।' শোণিতকোঁৱৰ গজেন বৰুৱাৰ ঐকান্তিক যত্নত আলোচিত বাৰে চহৰীয়া ভাওনাই স্বীকৃতিৰ পথত ভৰি দিয়াৰ সুযোগ পায়।

না. দা.

।। বালা ।।

হাতত পিন্ধা অলংকাৰ। সোণ,ৰূপ দুয়োটা ধাতুৰে বালা গঢ়োৱা হয়। গোটা আকৃতিৰ বালাযোৰৰ ভিতৰত লোহাৰ চিক সুমোৱা থাকে। বালা সাধাৰণতে দুখন হাতত দুপাত পিন্ধে। বালা যোৰৰ মূৰ দুটাত হাতী, সিংহ, মগৰ, মেথোন আদিৰ আৰ্হিৰে গঢ়োৱা হয়। জীয়াৰী-বোৱাৰীৰ বৰ প্ৰিয় অলংকাৰ। বয়োজ্যেষ্ঠা মহিলাসকলে সাধাৰণতে বালাযোৰেৰেই নিজৰ হাত দুখন শুৱনি কৰি তোলে।

প্ৰ.শ.গো

।। বালিসত্ৰৰ আৰিয়া উৎসৱ ।।

মহাপুৰুষ হৰিদেৱৰ চাৰিজনা ধৰ্মাচাৰ্যৰ অন্যতম হৰিমিশ্ৰই সুদূৰ ষোড়শ শতাব্দীত প্ৰতিষ্ঠা কৰা ডিমুৰ নিকটৱৰ্তী ঐতিহাসিক বালিসত্ৰত প্ৰতি বছৰে মাঘ মাহৰ শুক্লাদশমী তিথিত (ভীষ্ম দশমী) পাঁচদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত হয় আৰিয়া উৎসৱ। জনশ্ৰুতিমতে, ভীষ্ম দশমীৰ দিনা ওৰে দিন উপবাসে থাকি শ্ৰীশ্ৰীবংশী গোপাল প্ৰভুৰ নামত আৰিয়া উৎসৱ কৰিলে বাঞ্ছিত ফল লাভ হয়। পৰম্পৰামতে এই উছৱৰ দুদিনৰ আগতে সত্ৰৰ বৰ ভকতে ব্ৰহ্মপুৰাতে উঠি বৰ লুইতৰ বালিত গো-নাঙলেৰে সবাহভূমি চহাই শুদ্ধ কৰি লয়। সত্ৰৰ অন্তৰ্গত বিভিন্ন চুবুৰীৰ ভকতসকলে কলগছত পূবা-পশ্চিমাকৈ দীঘলে দীঘলে শলা মাৰি সিবোৰ শাৰী শাৰীকৈ ৰোপণ কৰে আৰু সভাতলীত সজাই তোলে এখনি বৃহৎ ৰভা। দশমী তিথিৰ দিনাখন আৰিয়া প্ৰজ্জ্বলন কাৰ্যত অংশগ্ৰহণ কৰা ভক্তবৃন্দই জয় জয়তে সত্ৰৰ মূল গৃহত আৰিয়া জ্বলাই সভা থলীৰ কাষত থকা বৰপুখুৰীৰ পাৰেৰে শাৰী শাৰীকৈ আহি সুবিশাল ৰভাতলীৰ কলগছত আৰিয়া জ্বলায়। আৰিয়া ৰূপে কুমাৰ মাটিৰ এগছি মুখহীন মাটিৰ চাকিত কপাহৰ পাকেৰি (শলিতা) সজাই গোটা সৰিয়হ দি ওৰে নিশা সৰিয়হৰ তেল ঢালি জ্বলোৱা নিয়ম। আৰিয়াৰ ভাগ দুটা মানস আৰিয়া আৰু বাৰ্ষিক আৰিয়া। আৰিয়া প্ৰজ্জ্বলনৰ সৈতে সম্পৰ্কিত আনটো প্ৰকাৰ্য হ'ল— সিধা দিয়া। দূৰ দূৰণিৰ পৰা অহা ভক্তসকলক ৰাইজে *একোটিকৈ সিধা* আৰু ৰান্ধিবলৈ মাটিৰ সাজ আগবঢ়ায়। আৰিয়া উৎসৰ্গা কৰিবলৈ আজিকালি প্ৰথম দিনা কমেও দহ হাজাৰ ভক্তৰ সমাগম হয়। উৎসৰ্গাৰ পিছত সভা ক্ষেত্ৰলৈ শোভাযাত্ৰা কৰি শ্ৰীশ্ৰীবংশীগোপালৰ বিগ্ৰহ অনাটো নিয়ম। পৰম্পৰা অনুযায়ী অকুমাৰী ছোৱালীয়ে জলপূৰ্ণ কুম্ভত এগছিকৈ আৰিয়া লৈ শোভাযাত্ৰাৰ পোনতে যায়। তাৰ পিছতহে ঢুলীয়া,

খুলীয়া আৰু নৃত্য-গীতৰত ভক্তবৃন্দৰ সমদল। একাদশী তিথিত উদ্‌যাপিত হয় পূৰ্বৰ সত্ৰাধিকাৰ শান্তভূষণ দেৱৰ সোঁৱৰণী উছৱ। অৱশেষত সভাথলীৰপৰা শ্ৰীশ্ৰীবংশীগোপাল প্ৰভুৰ বিগ্ৰহ নিয়াৰ লগে লগে সামৰণি পৰে ঐতিহ্যময় বালিসত্ৰৰ আৰিয়া উৎসৱৰ।

(দৈনিক অসমৰ ৩ ফেব্ৰুৱাৰী, ২০০৬ত প্ৰকাশিত প্ৰদত্তকুমাৰ চৌধুৰীৰ টোকাৰ আধাৰত যুগুতোৱা)

না. দা.

।। বাঁশ পূজা ।।

অবিভক্ত গোৱালপাৰাৰ এটি উল্লেখযোগ্য লোকানুষ্ঠান হ'ল - বাঁশ পূজা। মদন চতুৰ্দশীৰ দিনা এই পূজা অনুষ্ঠিত হয়। নাৰীৰ প্ৰৱেশ ৰুদ্ধ এই পূজাত বাঁহ এডালক সুসজ্জিত কৰি বাঁহৰ জন্মৰপৰা চিতা নিৰ্মাণলৈকে সমস্ত কথাকে গীত আৰু নৃত্যৰ যোগেদি প্ৰকাশ কৰাটো বাঁশ পূজাৰ আকৰ্ষক দিশ। হাজং আৰু ৰাজবংশীসকলে বসন্ত কালত উদযাপন কৰা বাঁশ পূজাত মদন আৰু গোপালৰ প্ৰতীকৰূপে তিনিডাল বাঁহ চাফ-চিকুণ কৰি লয়। প্ৰথম ডালত বগা কাপোৰ, দ্বিতীয় ডালত ৰঙা কাপোৰ আৰু তৃতীয় ডালত জাকৈ, খালৈ আৰু এখন অৰ্ধভগ্ন নাঙল আঁৰি লোৱাটো মন কৰিবলগীয়া। প্ৰথম দুডাল বাঁহৰ শীৰ্ষস্থানত দুটা চোঁৱৰ বান্ধি ওচৰা-ওচৰিকৈ পোতা হয়। তৃতীয় ডাল অলপ আঁতৰত সংস্থাপন কৰা নিয়ম। বাঁহ কেইডালৰ গুৰিত তিনিদিন জুৰি পূজা-অৰ্চনা চলে। ডেকা-বুঢ়া নিৰ্বিশেষে বিভিন্ন বাদ্য বজাই গীত আৰু নৃত্যেৰে বাঁহ দেৱতাক তুষ্ট কৰাৰ প্ৰযত্ন চলায়।

ড° ধীৰেন দাসে গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীতত গোৱালপৰীয়া বাঁশ পূজাৰ গীতক বহলভাৱে দুটা ভাগত ভগাইছে - বাঁশ পৰ্ব আৰু ভাং পৰ্ব। বাঁশ পৰ্বৰ উপবিভাগ বোৰ হ'ল - বাঁশ সৃজন, চোঁৱৰ সৃজন, কাপোৰ সৃজন, মদনকামৰ বাঁশ আৰু বাঁশ খেলা। ভাং পৰ্বত শিৱ-পাৰ্বতীৰ কথা পোৱা যায়। যেনে -

'বাইছখান ডেকিৰে তাৰ তেইসখান কুলা।
ঠেকিয়া ঠুকিয়া নিল জটিয়া ভাংগেৰ গুৰা।।'

গোৱালপাৰাৰ পশ্চিম অঞ্চলত মহা পয়োভৰেৰে উদ্‌যাপিত বাঁশ পূজাক ড° দাসে চাৰিটা উপবিভাগত শ্ৰেণীভুক্ত কৰিছে - মদন কাম, কামদেৱ, চাতালি বাঁশ আৰু অকাল বাঁশ। শ্ৰদ্ধেয় শিৱানন্দ শৰ্মাৰ দৃষ্টিত, 'মদনকাম পূজা প্ৰকৃততে লিংগ পূজা।' স্থান বিশেষে মুছলমানসকলেও এই পূজাত ভাগ লয়। তেতিয়া তাক মাদাৰ, মীদাৰ বা দাকা পূজা কোৱা হয়। জনশ্ৰুতি মতে, জয়জয়তে এহাল নিঃসন্তান মুছলমান দম্পতিয়ে সভক্তিৰে এই পূজা কৰি সন্তানৰ মুখ দেখিছিল। বহু থানত মাদাৰ দেৱতাৰ প্ৰতীক ৰূপে এডাল বাঁহ পোতাটো তাৎপৰ্যপূৰ্ণ।

উত্তৰ কামৰূপত প্ৰচলিত পাওৰা বা পাউৰা উৎসব, দহৰ ফুৰোৱা অথবা ভথেলি অনুষ্ঠানকো বাঁশ পূজাৰেই প্ৰকাৰ ভেদ আখ্যা দিব পাৰি।

না. দা.

।। বাসন্তী পূজা ।।

বসন্ত কালত উদ্‌যাপিত মহিষমৰ্দিনী দুৰ্গাৰ পূজাই বাসন্তী পূজা। চ'ত মাহৰ শুক্লা ষষ্ঠীৰপৰা শুক্লাদশমী পৰ্যন্ত এই পূজা অনুষ্ঠিত হয়। বাসন্তী পূজাৰ কল্প তিনিটা। সপ্তমী, অষ্টমী আৰু নৱমীত হোৱা পূজা ইয়াৰ প্ৰথম কল্প। একমাত্ৰ অশোকাষ্টমীৰ দিনা যি পূজা, সেয়ে দ্বিতীয় কল্প। আনহাতে শ্ৰীৰাম নৱমী তিথিৰ পূজা ইয়াৰ তৃতীয় কল্পৰ অন্তৰ্গত। মাৰ্কণ্ডেয় পুৰাণৰ অন্তৰ্গত আখ্যানৰ মতে চন্দ্ৰ বংশজাত, দ্বিতীয় মনুৰ অধিকাৰ কালত সত্যবাদী, দানশীল সুৰথে সসাগৰা পৃথিৱী শাসন কৰিছিল। এবাৰ শত্ৰুৱে তেওঁৰ ৰাজ্য কাঢ়ি লোৱাত মনৰ দুখতে তেওঁ বনলৈ গৈ মেধস্ মুনিৰ আশ্ৰম পায়। আন এটা কাহিনী মতে, বনবাসী সুৰথে অৰণ্যত সমাধি বৈশ্যক লগ পোৱাৰ অন্তত মানসিক শান্তিৰ বাবে দুয়োজনে গৈ মেধস্ মুনিৰ আশ্ৰমলৈ আহি শান্তিৰ উপায় বিচাৰে। মুনিয়ে দুয়োকে ন অক্ষৰী দেৱীমন্ত্ৰ ধ্যান কৰিবলৈ আদেশ দিয়ে। মুনিৰ উপদেশ মতে দুয়োজনে নদীৰ পাৰলৈ গৈ মাটিৰ প্ৰতিমা সাজি তিনিবছৰ কাল পূজা-অৰ্চনা কৰাৰ অন্তত দেৱী সন্তুষ্ট হৈ নিস্পৃহ স্থিত প্ৰজ্ঞ জীৱনৰ বৰ দান কৰে। এনেকৈয়ে দুৰ্গা পূজা বা বাসন্তী পূজাৰ শুভাৰম্ভ হয়। এই পূজাত বোধনৰ প্ৰয়োজন নাই। কাৰণ, মাঘ মাহৰপৰা আহাৰ মাহলৈ এই উত্তৰায়ণ কাল দেৱ-দেৱীৰ দিন। দিনত দেৱতা জাগ্ৰত হৈ থাকে বাবে বোধনৰ বিধি নাই। দক্ষিণ কামৰূপৰ মনপুৰ আৰু সৰ্থেবাৰীৰ নিকটবৰ্তী কাপলা গাঁৱৰ বাসন্তী পূজাই সময়ৰ দীঘলীয়া পথ অতিক্ৰম কৰি আহিছে। দৰঙৰ পাতিদৰং, মংগলদৈৰ শিৱ মন্দিৰৰ লগতে খৈৰাবাৰী, হাজৰিকা পাৰা আদিতো উলহ মালহৰ মাজেদি বাসন্তী পূজা উদ্‌যাপিত হোৱাটো উল্লেখযোগ্য।

না.দা.

।। বাঁহটনা আৰু বাঁহ ভঙা উৎসৱ ।।

দক্ষিণ কামৰূপৰ মদনমোহন মাটিফুটা দেৱালয়ৰ সুঁৱৰি মহোৎসৱৰ বাঁহটনা আৰু বাঁহভঙা দুটা বৰ আকৰ্ষণীয় লোক উৎসৱ। ষাঠীখন গাঁৱৰ ৰাইজৰ মহাপ্ৰভুৰ চৰণত আঁঠুলোৱা পৰ্বৰ পিছত (সুঁৱৰি উৎসৱৰ পিছতে) মদনমোহন প্ৰভুই আন আন ঠাইৰ গোসাঁইসকলক বিদায় দি গৃহাভিমুখে প্ৰত্যাৱৰ্তন কৰিবলৈ লোৱাৰ সময়তে নানান বাধাৰ সম্মুখীন হয়। এই বাধা একো নহয় মহাপ্ৰভুই লক্ষ্মী দেৱীৰ বিনা অনুমতিত ঘুনুচাৰ ঘৰলৈ যোৱা আৰু ঘূৰি অহাৰ বাধা। প্ৰভুৱে বিভিন্ন ঠাইত ৫/৬ ডাল বাঁহৰ হেঙাৰ অতিক্ৰম কৰিব লাগে। বৰদুৱাৰ মৌজাৰ এই বাঁহটনা উৎসৱটো বৰ আমোদজনক

লোক উৎসৱৰূপে জনাজাত। নামদানি আৰু উপৰদানি নামৰ দুটা ফৈদৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাত যিটো দলে বাঁহডাল টানি নিব পাৰিব সেই দলকে জয়ী বুলি ঘোষণা কৰা হয়। এইদৰে পাঁচ ছয় ঠাইৰ বাধা অতিক্ৰম কৰি মন্দিৰ চৌহদত প্ৰৱেশ কৰাৰ আগতে আকৌ দেও বাঁহ ভাঙিহে মহাপ্ৰভুই মন্দিৰৰ চৌহদত প্ৰৱেশ কৰিব পাৰে। দুইপিনে দুটা দেও খুঁটাত দুডাল কেঁচাবাঁহ বান্ধি তাৰ ওপৰত বাঁহৰ কামী কিছুমান ৰখা হয়। প্ৰথমে কামীৰে বাঁহ দুডালত কোবাই কোবাই চৌদিশে ঘূৰি ঘূৰি শক্তি প্ৰয়োগ কৰি বাঁহ ভঙা বা কটাৰ বিপৰীতে সকলোৱে পকাই পকাই প্ৰায় দুঘণ্টামান পিছত (বাঁহদুডাল) চিঙিবলৈ সক্ষম হয় আৰু তাৰ পিছতহে প্ৰভুই মন্দিৰৰ চৌহদত প্ৰৱেশ কৰিব পাৰে। টনা বাঁহ, ভঙা বাঁহ আৰু বহ্নি পূজাৰ আধা পোৰা বাঁহৰ সামাজিক জীৱনত মূল্য আছে। জনবিশ্বাস অনুযায়ী এই বাঁহৰ দ্বাৰা মাছমৰা সঁজুলি তৈয়াৰ কৰিব পাৰিলে বিশেষকৈ পল, জাকৈ, ছুৰহা, ছেপা, আদিৰে মাছমৰীয়াই অধিক মাছ পায়, বাঁহৰ কামিৰে তৈয়াৰ কৰা উঘা, চেৰেকী, চেৰি আদিৰে শিপিনীয়ে অতি কম সময়ৰ ভিতৰত বয়ন শিল্পত পাকৈত হয় বুলি পৰম্পৰাগতভাৱে জনবিশ্বাস চলি আহিছে। সেইদৰে মেজিৰ ছাই ওপৰতে ধৰি তাৰ ফোট ল'লে গোটেই বছৰটো সকলো অপায় অমঙ্গলৰপৰা হাত সাৰি থাকিব পাৰি; আধাপোৰা বাঁহ শস্যত লগালে শস্য নদনবদন হয়। এই কাৰণে বাঁহ, মেজিৰ ছাই আৰু আধাপোৰা বাঁহ সংগ্ৰহৰ কাৰণে ৰাইজৰ মাজত হেতা ওপৰা লাগে— এয়া মহাপ্ৰভু মদনমোহনৰ অপাৰ কৰুণাৰ বাবে হোৱা বুলি কোৱা হয়।

ধ. ব.

**।। বাহী বিয়া ।।**

অসমীয়া সমাজত বিয়া এক দীৰ্ঘদিনীয়া মাংগলিক অথচ ৰং-ৰহইচৰ উৎসৱ। সচৰাচৰ বিয়াৰ আগদিনা জোৰণ আৰু বিয়াৰ পিছদিনাই বাহী বিয়া যথাবিহিতৰূপে পালন কৰা হয়। বিয়াৰ দিনা সমূহ মাংগলিক কাৰ্য সম্পন্ন হোৱাৰ পিছত দৰা-কইনা যেতিয়া একেলগে দৰা ঘৰলৈ যাবলৈ ওলায় তেতিয়াই আগমুহূৰ্তত বাহী বিয়া পালন কৰা হয়। আমাৰ অসমীয়া সমাজত বাহী বস্তু, বাহী খাদ্য, বাহী বিয়া আদি পৰিচিত শব্দ। বিয়াৰেই অংগ অথচ বিয়াৰ পিছদিনাখন পালন কৰা স্ত্ৰী আচাৰ-ব্যৱহাৰৰ এক সুকীয়া তাৎপৰ্য আছে। কইনাপক্ষই বিশেষকৈ মহিলাসকলে দৰা-কইনাক অন্য এটি কোঠাত একেলগে বহুৱাই আঙঠি লুকোৱা খেলকে আদি কৰি মাংগলিক আৰু ধেমালিসূচক কাৰু-কাৰ্য সম্পন্ন কৰে। কইনাই ভঁৰালঘৰ, ৰান্ধনীঘৰত সেৱা কৰে। ঘৰৰ চাৰিওপিনে পঞ্চ শস্য সিঁচি দিয়ে যাতে পিতৃগৃহৰ লক্ষ্মী কইনাৰ সৈতে গুছি নাযায়। তাৰ পিছত বয়োজ্যেষ্ঠসকলক সেৱা জনাই দৰা-কইনাই নতুন যাত্ৰা আৰম্ভ

কৰে। একেদৰে দৰা ঘৰতো দৰা-কইনাক বিবাহ মণ্ডপত বহুৱাই স্ত্ৰী আচাৰযুক্ত কিছু মাংগলিক কাৰ্য সম্পন্ন কৰা হয়।

প. ৰা.

।। বাঢ়নী।।

সংস্কৃত বৰ্ধনিকা শব্দৰপৰা অসমীয়া ভাষালৈ অহা বাঢ়নীক কামৰূপ আৰু গোৱালপাৰত বাম্নি ৰূপে জনা যায়। অসমীয়া মানুহে ঘৰ-চোতাল, পদূলি সকলো চাফ্-চিকুণ কৰে বাঢ়নীৰ দ্বাৰা। ধান-মাহ-সৰিয়হ প্ৰভৃতি চপোৱাৰ কালতো ইয়াৰ ব্যৱহাৰ মন কৰিবলগীয়া। পাট চৰু অথবা খোলাত চিৰা, মুড়ি অথবা কৰাই ভাজিবৰ পৰতো সৰু আকৃতিৰ বাঢ়নী (গোৱালপাৰাত ইয়াক চেঁল্লো ৰূপে জনা যায়) ব্যৱহাৰ কৰা হয়। বাঢ়নীক লৈ গঢ় লোৱা লোক বিশ্বাসবোৰ এনেধৰণৰ ঃ ব'হাগৰ গৰু বিহুৰ দিনাখন পুৰণি বাঢ়নীডাঁৰ পেলাই দি নতুন বাঢ়নীৰে চোতাল সাৰিব লাগে। একেদৰে অম্বুবাচীৰ নিবৃত্তিৰ দিনাখনো পুৰণি বাঢ়নীডাঁৰ চুৱাপাতনিলৈ নিক্ষেপ কৰা প্ৰয়োজন। মৃতকৰ ঘৰত দহাৰ দিনাখন পুৰণি বাঢ়নী আৰু ঘৰমোচা সোঁতা পেলাই দিয়াটো সাধাৰণ নিয়ম। একে ঠাইত দুডাঁৰ বাঢ়নী ৰখাটো নিষিদ্ধ। ঘৰত কাজিয়া-পেচাল হ'ব পাৰে। কেচুৱাৰ মুখ ভাঙিবলৈ সাধাৰণতে বাঢ়নীৰ কাঠি (খাটি)ৰে মন্ত্ৰপূত কৰি জুইত পেলাই দিব লাগে। নতুনকৈ পাৰৰ বাঁহ সাজি খেৰৰ লগত বাঢ়নীৰ দুডালমান খেৰ বা কাঠি দিলে পাৰই বাঁহ লোৱাৰ লোকবিশ্বাস প্ৰবল। আগতে সৰু ছোৱালীৰ নাক-কাণ বিন্ধাই খেৰৰ বাঢ়নীৰ কাঠি সেই ফুটাত সুমাই ৰাখিছিল। একে লেঠাৰিয়ে কেবাদিনো বৰষুণ নেৰিলে ঘৰৰ গৃহিনীয়ে মূৰত বাঢ়নীডাঁৰ লৈ আকাশলৈ চাই থাকিলে বৰষুণ এৰাৰ জনবিশ্বাস এটা মধ্য অসমত আছে। গোৱালপাৰাৰ ফালে আকৌ কেবাদিনো বতৰ গোমা হৈ থকাৰ মাজতে এচেৰেঙা ৰ'দ ওলালে বিয়লি বেলা সৰু ছোৱলীয়ে উলংগ হৈ ঘৰৰ বেৰত কোবালে বতৰ ফৰকাল হয় বুলি বিশ্বাস কৰে। নতুন ঘৰত থাকিবলৈ লওঁতে গৃহস্থই ধান আৰু বাঢ়নীডাঁৰ লৈ পোনতে ঘৰত সোমোৱা নিয়মটো কোনো কোনো অঞ্চলত আজিও প্ৰচলিত। আদিতে বাঢ়নী খেৰৰ আছিল যদিও কালক্ৰমত বাঁহৰ দ্বাৰা তোলাৰ (সজা) নীতি প্ৰচলিত হয়। বহুতে নাৰিকলৰ পাতৰ ঠাৰিৰেও বাঢ়নী সাজে। গোৱালপৰীয়া লোকগীত এটাত কৰ্মৰতা নায়িকাই বাঢ়নীক মনত পেলাইছে এনেদৰেঃ

আগিয়া সামটং মুই সোৰোৎ সোৰোৎ বাশেৰ ঝাটা দিয়া।...

হাতেৰে বাম্নি মাটিত থুইয়া/বসিয়া ভাবং।....

না. দা.

।। বায়খো ।।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে ৰাভা কৃষিজীৱী সমাজৰ এক প্ৰধান উৎসৱ

হৈছে বায়খো। বসন্তকালীন এই উৎসৱ ৰাভাসকলে কৃষিকৰ্মৰ আগতে পালন কৰে। বায়খো দেৱতাক পূজা-অৰ্চনাৰ যোগেদি প্ৰকৃতিক উৰ্বৰা কৰিবৰ বাবেই এই উৎসৱ পতা হয়। পূজাৰ পুৰোহিত তথা বয়োবৃদ্ধসকলে গীত পৰিৱেশন কৰে। বিহু নৃত্য-গীতৰ দৰে প্ৰকৃতিক উত্তেজিত কৰিবৰ বাবে ৰাভা ডেকা-গাভৰুৱে ছাথাৰ গীত গায়। মুখ্যতঃ অবিৱাহিত ডেকা-গাভৰুৰ এই ছাথাৰ নৃত্য-গীত ওৰে ৰাতি চলে। এই ছাথাৰ গীতবোৰৰ বিষয়বস্তু বিহুগীতৰ সৈতে প্ৰায় একে। বায়খোৰ অৰ্থ হৈছে দেৱতাই দিয়া ৰং-ধেমালি (বায়-দেৱতা, খু-দিয়া) এই বায়খো উৎসৱত পৰিৱেশন কৰা এটি ছাথাৰ গীতৰ উদাহৰণ -

বায়খোনি চিকা হাপচি চিঙি বাদাং প্ৰভা/ বায়ু নাঙি তাচি ৰামা-ছালে।

অৰ্থাৎ বায়খো উছৱত পূজাৰ বোকা-পানীও চিটিকি পৰে। আমিনো কোন কুটা? আহা আমি দুয়ো হাতত ধৰা-ধৰিকৈ নাচো।

প. ৰা.

**।। বিচুদাবেবা গীত আৰু নৃত্য ।।**

দেউৰী সম্প্ৰদায় অসমৰ এটি উপজাতি। সাধাৰণতে দেউৰীসকল সহজ সৰল স্বভাৱৰ। অজনজাতীয় অসমীয়া ৰঙালী বিহুৰ দৰে দেউৰীসকলৰ ৰঙালী বিহুও গীত পদ নৃত্য বাদ্য আদিৰ সমষ্টি। ব'হাগ মাহৰ প্ৰথম বুধবাৰৰপৰা দেউৰী সম্প্ৰদায়ৰ ব'হাগ বিহুৰ শুভাৰম্ভণি হয়। দেউৰীসমাজত ৰঙালী বিহু আঠদিনীয়াকৈ উদ্‌যাপন কৰা হয়। এই সময়ত দেউৰী ডেকাসকলে পৰিৱেশন কৰে বিচুদাবেবা গীত আৰু নৃত্য। এই নৃত্যত সৰু ল'ৰা বা বৃদ্ধলোকে অংশ গ্ৰহণ নকৰে কিয়নো এই নৃত্য কৰাটো সকলোৰে পক্ষে সম্ভৱ নহয়। ডেকাসকলে দীঘলীয়াকৈ জাপ মাৰি সঘনে খোজ দিয়ে। এই নৃত্য দেউৰী সম্প্ৰদায়ৰ বিহুৰ অন্তিম নৃত্য। সন্ধিয়াৰ লগে লগে দেওশালৰপৰা এই নৃত্য আৰম্ভ হয়। বাটে বাটে দৌৰি জপিয়াই ইয়াক পৰিৱেশন কৰি শেষত বিহুৰ অৱসান ঘটাবৰ বাবে গাঁৱৰ পশ্চিম পিনে কোনেও নেদেখা ঠাই এডোখৰত নৃত্যদলটো গোট খাই ঈশ্বৰৰ নামত ঘূৰি ঘূৰি নৃত্য গীত পদ গাই বিহুক বিদায় সম্ভাষণ জনায়। বিদায় বেলাত আটায়ে দুখ প্ৰকাশ কৰি বিচুদাবেবা গীত গায়— য় হৈয়া হৈয়া শদিয়া ৰাজহ নবা দুনুমদে য়হৈয়া য় হৈয়া হৈয়া কুন্দিমামায়া বাহৰ চছালে ননা জৌ লাগুন্না লাহাম ঐ য় হৈয়া।

ইক.

**।। বিদ্যাৰম্ভ ।।**

ভাৰতীয় লোক জীৱনত অপৰিহাৰ্য দহোটা সংস্কাৰৰ ভিতৰত বিদ্যাৰম্ভ এক গুৰুত্বপূৰ্ণ সংস্কাৰ। শিশু এটি যেতিয়া শিক্ষা গ্ৰহণৰ বাবে উপযুক্ত বুলি পৰিয়ালৰ লোকে ঠিৰাং কৰে তেতিয়াই এই বিদ্যাৰম্ভ সংস্কাৰ পালন কৰা হয়। শুভ দিন-ক্ষণ চাই

আনুষ্ঠানিক পূজা-পাতলৰ আয়োজন কৰি পূজা-পাতলৰ অন্তত পূজাৰ পুৰোহিতে শিশুটিৰ হাতত নতুন ফলি-পুথি তুলি দিয়ে। পুৰোহিতে নিজেই শিশুটিৰ হাতত ধৰি এটি বা একাধিক বৰ্ণ লিখি দি শিশুটিৰ মংগল কামনা কৰাৰ লগতে সৰস্বতী দেৱীয়ে কল্যাণ কৰাৰ বাবে মংগলময়ৰ ওচৰত প্ৰাৰ্থনা জনায়। আনুষ্ঠানিকতা শেষ হোৱাৰ পিছতেই শিশুটিৰ অভিভাৱকে পুৰোহিতক যথাবিহিত দান-দক্ষিণাৰে সেৱা সৎকাৰ কৰে। উপস্থিত ইষ্ট-কুটুম্বসকলকো বিভিন্ন প্ৰকাৰে আপ্যায়ন কৰে। তেওঁলোকে শিশুটিক আশীৰ্বাদ প্ৰদান কৰে। এই বিদ্যাৰম্ভ সংস্কাৰে প্ৰাচীন কালৰেপৰা যে হিন্দু সমাজত শিক্ষা গ্ৰহণ এক অপৰিহাৰ্য সংস্কাৰ আছিল এই কথা প্ৰমাণিত কৰে।

প. ৰা.

**।। বিশ্বনাথৰ গোসাঁই ফুৰোৱা উছৱ ।।**

অসমৰ গুপ্তকাশী বিশ্বনাথত ব'হাগৰ গোসাঁই বিহুৰ দিনাখন (দ্বিতীয় ব'হাগ) উদ্‌যাপিত গোসাঁই ফুৰোৱা উৎসৱ বৈশিষ্ট্যপূৰ্ণ। উক্ত বিহুৰ দিনা বিশ্বনাথ পীঠৰ বিশেষ বিগ্ৰহ জনা নিত্য পূজাৰ শেষত ৰজাদিনীয়া দোলাত তুলি সাতখন আৰোৱানেৰে আঁৰ কৰি ৰাইজে গায়ন-বায়ন আৰু ওজাপালি সমন্বিতে ঢোল-দগৰ বজাই বিহু আৰু আন গোসাঁইনাম গাই ঐতিহাসিক শ্যামনাৰায়ণ পুখুৰীৰ পূব ফালে থকা আলিবাটটোৰে আগবাঢ়ি গৈ ভীৰগাঁৱৰ নামঘৰ পায়গৈ। ওৰে বাটছোৱাৰ প্ৰতিঘৰ লোকে পদূলি মুখত কলপুলি ৰুই ধূপ-ধুনা জ্বলাই বিশ্বনাথ গোসাঁইক প্ৰণাম জনাই নিৰ্মালি আৰু আশীৰ্বাদ লয়। ভীৰগাঁৱৰ নামঘৰত গোসাঁইক পূজা-অৰ্চনা কৰা কালত নৱজাত, দগাঁও, ভীৰগাঁও, গড়েহাগি আদিৰ লগতে বিশ্বনাথ আঞ্চলিক ৰাইজে গোসাঁইৰ আশীৰ্বাদ বিচৰা কালত বিহু মৰাটো চাবলগীয়া। সন্ধিয়াৰ আগে আগে গোসাঁইক ঘূৰাই পূৰ্বৰ থানলৈ অনা হয় যদিও গোসাঁই পক্ষৰ লোকে পোনে পোনে মন্দিৰত প্ৰবেশ কৰিবলৈ নিদিয়াৰ ফলত গোসাঁয়ে সাত পাক মন্দিৰৰ চৌপাশ পৰিভ্ৰমণ কৰিহে পূৰ্বৰ আসনত সমাসীন হ'ব পাৰে। এনে কৰোঁতে কেতিয়াবা ৰাতি দোভাগ হয়গৈ। গোসাঁই ঘূৰোৱা উছৱৰ গইনালৈ ভালেখিনি গীত মাতৰ সৃষ্টি হোৱাটো উল্লেখযোগ্য। তাৰে দুটামান –

'বিশ্বনাথ গোসাঁয়ে পুখুৰী খনালে/ ওলাল কৰদৈয়া বালি/ শিলৰ সাঁকো পাৰি ৰুলে দামে কলা/চৌপাশে কদমৰ শাৰী/ বিশ্বনাথ গোসাঁই ওলাল পানী ভঁৰালৰ মেলালৈ/দুলীয়াই পাতিলে দোলা/ গায়নে বায়নে আদৰি আনিছে /নামঘৰত পাতিছে সেৱা।।' জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে পালনকৰা গোসাঁই ফুৰোৱা উছৱে বিশ্বনাথৰ এক বিস্তীৰ্ণ ভূভাগত সংহতিৰ ছবি খনি প্ৰোজ্জ্বল কৰাত যে এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে, তাক দোহাৰিবৰ আৱশ্যক নাই।

(১ জানুৱাৰী, ২০০৬ তাৰিখে-আজিত প্ৰকাশিত নিতুলদেৱ চৌধুৰীৰ 'বিশ্বনাথৰ

গোসাঁই ফুৰোৱা উৎসৱৰ' আধাৰত)

না. দাস্ত

**।। বিহুগীত ।।**

বিহুগীত অসমীয়া লোক সাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। বিহুগীত গোৱা হয় ঘাইকৈ অসমীয়াৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ সময়ত নৃত্যৰ লগত। এই উৎসৱ বসন্ত উৎসৱৰে অন্য এক ৰূপ। প্ৰকৃতিৰ পৰশত সময়ৰ বুলনিত আনন্দ মুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে।

বিহুগীতত আনন্দ অনুভূতিৰ প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন ৰাঁই জাঁই কৰে, গা নাচি উঠে। সেয়েহে ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ মন যায়। নাচনী নহ'লে বিহু নপকে, নাচনী পখিলা উৰা দি নাচিবই লাগিব। সেয়ে বিহুগীতত নাচনীৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে এনেদৰে - 'ঢোলে বাই ঢুলীয়া/ খোলে বাই খুলীয়া/কাৰ ঘৰত নাচনী নাচে/ওচৰ চাপি চাপি/নাহিবা নাচনী/ তোমাৰ গাত মোহিনী/আছে।'

বিহুগীতৰ কেন্দ্ৰীয় বিষয় বস্তু হ'ল প্ৰেম। সেয়েহে সৰহভাগ বিহুগীতত পূৰ্বৰাগ, বিৰহ, মিলন আদি প্ৰেমজনিত ভাৱাবেগ প্ৰকাশ পোৱাৰ লগতে অসমীয়া জাতিৰ আচাৰ-ব্যৱহাৰ ৰীতি-নীতি, লোক বিশ্বাস, সাজপাৰ, আ-অলঙ্কাৰ, ঘৰ-দুৱাৰ আদিৰ চিত্ৰও সুন্দৰভাৱে বৰ্ণিত হৈছে। বিহুগীতত সামাজিক চিত্ৰৰ প্ৰতিফলন লগতে প্ৰকৃতিখনৰো চাৰিটা ৰূপত প্ৰতিফলন দেখা যায়। ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ মতে এই ৰূপ কেইটা হ'ল ১. অসমৰ নদ নদী, ২. নৈৰ চাপৰি আৰু পথাৰ, ৩. পৰ্বত পাহাৰ, গছ ফুল আৰু ৪. পশু পক্ষীসমূহ। বিহুগীতত প্ৰকৃতিৰ বৰ্ণনা এনেদৰে পোৱা যায় - 'লুইতৰে বালি বগী ঢকে ঢকী কাচই কণী পাৰে লেখি/পৰ্বতে পৰ্বতে বগাব পাৰো মই/ চৰাই হালধীয়া পাখি বিনন্দীয়া ইত্যাদি।

লোকগীতত সময়ৰ বোল লাগে, বুৰঞ্জীৰ আঁচোৰ পৰে। অসমীয়া জাতীয় জীৱনত আহোম ৰাজত্বৰ প্ৰভাৱ বৰ্ণনাতীত। সেইবাবে বিহুগীতবোৰত আহোম ৰাজসিংহাসনৰ অধিকাৰী স্বৰ্গদেউৰ কথাই ঠাই পাইছে।

সমাজৰ প্ৰতিচ্ছবি সাহিত্যত প্ৰতিফলিত হয়। বিহুগীতত সাহিত্যিক গুণৰাজি প্ৰকাশ হোৱাৰ লগতে অসমীয়া সমাজৰ বিভিন্ন চিত্ৰও প্ৰতিবিম্বিত হৈছে। সেয়েহে বিহুগীত অসমীয়া সমাজৰ দাপোন স্বৰূপ। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনমোহা।

ই. ক.

**।। বিহুগীতত কোম্পানী আমোলৰ চিত্ৰ।।**

বিহুগীতত অসমীয়া সমাজৰ প্ৰতিচ্ছবি উজ্জ্বলভাৱে প্ৰতিভাত হৈছে। সমাজ

জীৱনৰ লগতে বিহুগীতত কাল চেতনাও প্ৰতিভাত হোৱা দেখা যায়। চহা জীৱন-যাত্ৰালৈ আগমন হোৱা নগৰীয়া জীৱন ব্যৱস্থাৰ ইঙ্গিতো বিহুগীতত আছে। তদুপৰি অসমৰ ৰাজনৈতিক বিৱৰ্তনৰাজিও বিহুগীতত প্ৰকাশ পাইছে। আহোম শাসন ব্যৱস্থা আৰু তাৰ পৰৱৰ্তী কালত অসমলৈ আগমন ঘটা ইষ্ট ইণ্ডিয়া কোম্পানী অথবা ইংৰাজ ৰাজত্বৰ আমোলৰ অসমীয়া সমাজ ব্যৱস্থা বিহুগীতত দেখিবলৈ পোৱা যায়। কোম্পানীৰ আমোলত অসমীয়া জনজীৱনলৈ অনেক নতুনত্ব আহিল। ডাকঘৰ, ডাকতাঁৰ, ৰে'লগাড়ী আদি প্ৰচলন হ'ল। ব্ৰহ্মপুত্ৰত ভাপনাৱে উজনি ভাঁটি কৰিবলৈ ধৰিলে। উদ্যোগ প্ৰতিষ্ঠাৰ লগে লগে মানুহ নগৰমুখী হৈ পৰিল। কোম্পানীৰ আমোলত বেতনভোগী কৰ্মসংস্থানৰ ব্যৱস্থা হ'ল। গাঁৱত মুকলি মুৰীয়াকৈ পৰম্পৰাগত কৃষিব্যৱস্থা থকা ডেকাই কোম্পানীৰ চাকৰিত মুৰ গুজি লোৱাত বাপতি সাহোন ৰঙালী বিহুটিতো ঘৰলৈ আহিবলৈ আজৰি নোপোৱা হ'ল। নিৰ্দয় ইংৰাজ বিষয়াই বুজিব পাৰিব জানো অসমীয়া বিহুৱা ডেকাৰ বিৰহৰ ব্যথা? ইংৰাজ চাহাবসকলে আকৌ নতুন স্থাপত্য শুভাৰম্ভ কৰিলে অসমভূমিত। কেবা খলপীয়া পকা দালান নিৰ্মাণ কৰি তাত বাস কৰা ইংৰাজসকলৰ কথাও বিহু গীতত আছে। আকৌ গোজেই গজালি মেলা ইংৰাজ শাসন অসমৰ পৰা ওফোৰাবলৈ মণিৰাম দেৱানে যি উদ্যোগ ল'লে আৰু তাৰ পৰিণামত কেনেদৰে মণিৰামে ডিঙিত চিপজৰী ল'ব লগা হ'ল তাৰ হৃদয় বিদাৰক ছবিও বিহুগীতত পোৱা যায়। শাসকৰূপী ইংৰাজৰ হাতত অসমীয়া জীয়ৰী-বোৱাৰীও যে লাঞ্ছিতা ধৰ্ষিতা হ'ব লগা হৈছিল তাৰ আভাস বিহু গীতত আছে। ডেকা-গাভৰুৱে মনৰ ভাব নিবেদন কৰি গোপনে নিজে অথবা বিশ্বাসী লোকৰ দ্বাৰা চিঠি-পত্ৰ আদান-প্ৰদান কৰাটো বিশেষ নতুনত্ব নহয় যদিও ডাকঘৰৰ যোগেদি এই কমি সমাধা কৰিব পৰা ব্যৱস্থা সঁচাই অভিনৱ। এই আভাসো বিহুগীতত আছে।

কোম্পানীৰ আমোলত গঢ়ি উঠা আদালত ব্যৱস্থা আৰু তাৰ সহায়ত গোচৰ নিষ্পত্তি প্ৰক্ৰিয়া অসমীয়াৰ বাবে নতুন খবৰ। ইয়াৰ আভাসো বিহুগীতত আছে।

মুঠতে কোম্পানী আমোলত আগমন ঘটা সকলো প্ৰকাৰৰ নতুনত্বৰ কথা বিহুগীতত পৰিস্ফুট হোৱা দেখা যায়।

গো. সু.

**।। বিহুগীত-বনগীতত ঘিলাখেল ।।**

অসমীয়া জন সংস্কৃতিত ঘিলাগছৰ এডুখৰি ঠাই আছে। আহোম যুগত ৰজাঘৰলৈ ঘিলা যোগান ধৰিবলৈ এচাম লোকেই আছিল। ইয়াৰ সহায়ত ঘোঁৰাচোৱা বিষয়াই ঘোঁৰাক শিক্ষা দিয়া উল্লেখযোগ্য। ঘোঁৰা নিদান প্ৰস্তুত ঘিলাৰ উল্লেখ পোৱা যায়। পুৰণিকালত গোলাঘাটত ঘিলাধাৰী আৰু গড়গাঁৱৰ উজনিৰ লাকুৱাৰ নামনিত ঘিলাৰ সহায়েৰে

ঘোঁৰাক শিক্ষা দিয়া কথা হেম বুঢ়াগোহাঞিয়ে জনসংস্কৃতিৰ ৰূপৰেখাত উল্লেখ কৰিবলৈ পাহৰা নাই। বনগীত বিহুগীতৰ ভিন্ন কলিত ঘিলাখেলৰ কথাই স্থান পাইছে। ডেকা-গাভৰুৰ মনৰ কল্পনা ঘিলাৰ প্ৰতীকেৰে প্ৰকাশ পাইছে এনেদৰেঃ 'বৰৰে তলতে ধনে ঘিলা খেলে /সোণ-পোৱালৰে মণি / ইৰিণা বিৰিণাসবে নাচি উঠে /বিহুৰে বতৰা শুনি।।,' 'তোমাৰ যৌৱনজুৰি ঘিলা চকলীয়া ঘোঁৰা ফানে যেন চুলি।।' আকৌ 'গছত আছিলে মাকৰী ঘিলাটি /তলত সৰি সৰি পৰে /কঁকাল সৰু সৰু ছোৱালী আনিবা / টাকুৰি ঘূৰাদি ঘূৰে।।' পাহুৱাল ডেকা ডঁৰিক চিকাৰীয়ে ঘিলাৰ গছৰ তলত ফান্দ পাতি ডঁৰিক ধৰি তাৰ মঙহেৰে বাগ্‌দত্তাৰ মাক-দেউতাকক এসাজ খুৱাই প্ৰীতিৰ বান্ধ কট্‌কটীয়া কৰাৰ কল্পনাও বিহুগীতত সংৰক্ষিত- 'ঘিলাৰে তলতে ডঁৰিক ফান্দ পাতিলোঁ / শহুৰক ভেটিমগৈ বুলি / ৰাতিনো দুপৰত মই গৈ ওলালো /তুমি নাপৰিবা গালি।।' টাই-আহোমসকলৰ কাচনমতী গাভৰুৱে নভনীৰে সৈতে পৰিৱেশন কৰা বিহু নাচতো ঘিলাৰ বৰ্ণনা চাবলগীয়া; 'এ বাই ভালকৈ ভালকৈ /কঁকাল ঘূৰা / ঘিলা লৌটি মূৰে মেৰাই।।' এনেদৰে ঘিলা বা ঘিলাখেলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ভালেখিনি গীতমাতে অসমীয়া সাহিত্যৰ ভঁৰাল বৰ্ণাঢ্য কৰি তুলিছে।

(পূৰ্বাচলত, ৬ এপ্ৰিল ২০০৩ প্ৰকাশিত উপেন দত্তৰ 'অসমীয়া বনগীত আৰু বিহুগীতত ঘিলাখেল' শীৰ্ষক নিবন্ধৰ আধাৰত যুগুতোৱা।)

না. দা

**।। বিহুগীতত চৰাই চিৰিকতি আৰু জীৱজন্তু।।**

অসমীয়া লোক সাহিত্যতৰ ভঁৰালত নিজস্ব বৈশিষ্ট্যৰে মহিমামণ্ডিত সম্পদৰাজিৰ ভিতৰত বিহুগীত অন্যতম। বিহুগীতেত অসমীয়া চহা সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱাৰ লগতে আমাৰ নৈসৰ্গিক শোভাৰো সুন্দৰ প্ৰয়োগ ঘটিছে। অসমীয়াৰ সুখ-দুখ, আৱেগ-অনুভূতি, হৰ্ষ-বিষাদ, প্ৰেম-বিৰহ আদি কৰি অনেক প্ৰাণৰ গুণগুণনি বিহুগীততে শুনা যায়। এইবোৰক জীৱন্ত ৰূপেৰে বিকশাই তুলিবলৈ বিহুগীতত অসমৰ প্ৰকৃতি জগতৰ বিভিন্ন উপাদানৰ পয়োভৰ ঘটিছে। ব'হাগ বিহুত বিশেষত বিহুগীত পৰিৱেশিত হ'লেও অকল ব'হাগ তথা বসন্ত কালৰ প্ৰতিচ্ছবিয়েই নহয়, ছয় ঋতুৰ বৰ্ণনাৰ লগতে অসমীয়া সমাজৰ ইতিহাসো ইয়াত সংপৃক্ত হৈ আছে। বিহুগীবোৰত মানুহৰ হৃদয়ৰ আৱেগক মূৰ্ত কৰি তুলিবলৈ মূলতঃ প্ৰকৃতি জগতৰ এটি সামঞ্জস্য থকা চিত্ৰৰ অৱতাৰণা কৰা হৈছে। এইক্ষেত্ৰত বিহুগীতত অসমৰ প্ৰকৃতি জগতৰ চৰাই-চিৰিকতি আৰু জীৱ-জন্তুৰ উল্লেখ কৰা গুৰুত্বপূৰ্ণ। বিচিত্ৰ বনৰীয়া-ঘৰচীয়া চৰাই আৰু জীৱ-জন্তুৰে অসম প্ৰাকৃতিক সম্পদত চহকী। বিহুগীতত উল্লেখ থকা চৰাই-চিৰিকতিবোৰ হ'ল— কুলি, কেতেকী, মইনা, ভাটৌ, বগলী বা বগ, গঙ্গাচিলনী, শেন, কুকুহা, ডঁৰিক, হাঁহ, মাছৰোকা,

কুকুৰা, পাৰ, ৰাজহাঁহ, ফেঁচুলুকা, শালিকী, ফেঁচু, বালিমাহী, বঁটা, কাউৰী, কপৌ, কাণকুৰিকা, কাম, হেটুলুকা, ঢাপলিকা, টুনি, বাদুলি, শগুণ, ভদৰকলি, কলাখোৱা, কুৰুৱা, ভাটৌ, হয়কলী, চতুৰা, বালিচৰাই, তেলীয়াসাৰেং ইত্যাদি।

বিহুগীতত উল্লেখ থকা জীৱজন্তুবোৰ হ'ল— মেকুৰী, গৰু (দমৰা, বলধ, গাই), ম'হ হাতী, বাঘ, হৰিণা-হৰিণী, ঘোঁৰা, ছাগলী, কুকুৰ, শৰ, গাহৰি, গঁড়, শহা ইত্যাদি।

উদাহৰণ ঃ হবিতে কান্দিলে/হয়কলি চৰায়ে/চিটিকাৰ মুখলৈ চাই।।

গাঁৱতে কান্দিলে/জীয়াৰী ছোৱালী/ডেকা ল'ৰাৰ মুখলৈ চাই।।

গো. সু.

।। বিহু নাচ ।।

অসমৰ লোক-সংস্কৃতিৰ এপদ মনোৰম সম্পদ হ'ল - বিহুনাচ। আদিম মানৱৰ কৃষি ভিত্তিক ভাৱনা কল্পনা এই নৃত্যত আধা-লুকায়িত হৈ থকা বুলি কোনো কোনোৱে ভাবে। একাধিক জনগোষ্ঠীৰ স্বকীয় কৃষ্টিৰ ছন্দোময় ৰূপ এই বিহুনাচ। এটা কালত বাসন্তী প্ৰকৃতিৰ পাৰ ভঙা সৌন্দৰ্যত মতলীয়া ডেঁকা-গাভৰুৱে নৃত্যৰ যোগেদি মনৰ ভাৱ প্ৰকাশৰ সুযোগ লৈছিল। নৃত্যৰ লগে লগে গীতৰ সংযোগ ঘটিল। নৃত্য-গীত অধিক গতিশীল আৰু চিন্তাশীল কৰিবলৈ টকা, গগনা, পেঁপা, তাল আৰু ঢোলক অন্তৰ্ভুক্ত কৰা হ'ল। সময় আগবঢ়াৰ লগে লগে সেই নৃত্য-গীতৰ এটি সুন্দৰ পৰম্পৰা গঢ়ি উঠিল। মুকলি পথাৰ, গছৰ তল আদিত সমবেত হৈ বিভিন্ন বাদ্য যন্ত্ৰেৰে আকাশ-বতাহ মুখৰিত কৰি নৃত্য-গীত কৰা পৰিৱেশ্য কলাই কালক্ৰমত বিহু নৃত্য ৰূপে পৰিচিত হ'ল। বিহুনাচ লোকনৃত্য - মাৰ্গীয় নৃত্যৰ সৈতে ইয়াৰ সম্পৰ্ক শূণ্যৰ ঘৰত। প্ৰকৃতিৰ বিভিন্ন উপাদানৰপৰাই বিহু নৃত্যৰ বিভিন্ন ৰূপাংগ ৰচনা কৰা হৈছিল। যেনে - বতাহত গছ-লতিকা হালি-জালি থকাৰ দৰে নৃত্য কৰা, ম'য়ূৰে চালি ধৰাৰ দৰে বাহু যুগল ডাঙি নৃত্যৰ পদুম কলি ফুলোৱা, পখিলা উৰাদি দুহাত মেলি ধৰি নচা, টাকুৰি ঘুৰা দি ঘূৰি ঘূৰি নচা, ম'হৰ যুৰীয়া শিঙৰ দৰে দুহাত ঘোৰ খুৱাই নচা, বতাহত ফুল উঠা-নমা কৰাৰ দৰে নাচনীয়ে বক্ষদেশৰ ওপৰত স্পৰ্শ ভংগি দেখুৱাই উঠা-নমা কৰি নচা প্ৰভৃতিলৈ আঙুলিয়াব পাৰি। মিচিং বিহু নাচত ধান সিঁচা, ধান বোৱা, ভূঁইৰোৱা প্ৰভৃতি ভংগিমা প্ৰকাশ পায়।

গছ তলৰ বিহু নাচ আজি চহৰৰ মঞ্চত প্ৰৱেশ কৰাৰ ফলত ই কিছু নীতি-নিয়মৰ বশৱৰ্তী হ'বলৈ বাধ্য হৈছে। সলনি হোৱাটো প্ৰগতিৰ লক্ষণ। পোছাক-পৰিচ্ছদ, নাচোনৰ ভাগ আৰু সময়ৰ সীমাবদ্ধতাত সলনিৰ ৰূপ স্পষ্ট।

না. দা.

**।। বিহুমৰা গীত ।।**

উজনি অসমত ৰঙালী বিহুৰ সময়ত আকাশ-বতাহ মুখৰিত হয়—ঢোল-পেঁপাৰ মাতেৰে-বিহুগীত, বনঘোষা আৰু হুচৰিৰ সুৰীয়া সুৰেৰে। নামনি অসমত, ঘাইকৈ দক্ষিণ কামৰূপত ৰঙালী বিহুৰ পয়োভৰ পাবলৈ নাইকিয়া। ইয়াত দহ-বাৰ বছৰীয়া ল'ৰা কেইজনমান একগোট হৈ মূৰত কাগজৰ ৰং-চঙীয়া জোঙা টুপি পিন্ধি টকা (কা. ঠৰ্‌কা) আৰু তাল বজাই গৃহস্থৰ চোতালে চোতালে হাত মেলি মেলি পখিলাৰ দৰে ঘূৰি ঘূৰি নাচি গীত গাই বিহু মাৰি ফুৰে। নৃত্য-গীতৰ শেষত গৃহস্থই বিহুমৰা দলটোক চাউল অথবা পইচা দি বিদায় দিয়ে। প্ৰথম ব'হাগৰপৰা সাত বিহু (কোনো কোনো অঞ্চলত তিনি বিহুলৈকে) লৈকে বিহু মাৰি পোৱা চাউল আৰু পইচাৰে শেষত ল'ৰাহঁতে লগ ভাত খায়। দক্ষিণ কামৰূপৰ বিহুমৰা দলৰ নৃত্যৰ অনুৰূপ নাচ ভূটীয়াসকলৰ মাজত থকাৰ কথা ড° প্ৰফুল্লদত্ত গোস্বামীয়ে উল্লেখ কৰিছে। দক্ষিণ কামৰূপৰ বিহু মৰা গীতবোৰ এনে ধৰণৰ ঃ

ক। 'জয় জয় বৈহাগৰ বিহুৰ জয়, হুৰৈয়া / ইও বুলে কি ঐ, সিও বুলে কি?/
চালৰপেৰে নিংনি পৰিল উল্টা খৰ দি।।
আমৰপাত লেখু লেখু, জামৰ পাত লেখু।।
গিৰস্থেনী হাড়ীত খায়, এৰেপেৰে দেখু

খ। ই ঘৰ গিৰি কোক গেল, কোক গেল/ চৰে ধান খায়/
আমাক দিবাৰ ভয়তে দুৱাৰ ঝাপে চায়।

গ। সিকি আৰু পিঠা দিয়া, এতে বহি খাওঁ এ
গাম্‌চা একখান দিয়া মাই, ঘৰক গেলি যাওঁ এ।'

দক্ষিণ কামৰূপৰ বড়ো-ৰাভাসকলেও অঞ্চল বিশেষে ব'হাগ বিহুৰ কালত মাদল, বাঁহী আৰু টকা বজাই দলবদ্ধ ভাবে বিহু নমৰা নহয়। তেওঁলোকে গোৱা গীতৰ নমুনাঃ

'দুৰ্‌হেৰপেৰে দেখিলং বগা টিঙৰ চাটি।
নাচিবাকে আহিছং বৰ মানুহৰ বেটী।' আজিকালি অৱশ্যে বিহু-নৃত্য আৰু গীতৰ প্ৰবল ঢৌৱে বিহু সম্মিলনীৰ যোগেদি সমগ্ৰ কামৰূপক প্লাৱিত কৰাটো উল্লেখযোগ্য।

না. দা.

**।। বিয়াৰ পানীতোলা উৎসৱ ।।**

অসমীয়া সমাজ জীৱনত আটাইতকৈ প্ৰাণময় আৰু ৰং ৰহইচৰ সামাজিক উৎসৱ হ'ল বিবাহ। এই উৎসৱটোৰ ঠাই বিশেষে নীতি নিয়মৰ ভিন্নতা থাকিলেও ইয়াৰ অপৰিহাৰ্য অঙ্গ হ'ল পানী তোলা কাৰ্যত পাঁচজনী নতুবা সাতজনী নতুবা নজনী আয়তীয়ে বিয়াৰ ঘট লোৱাটো। লগতে অনেক আয়তী যায়। পানী তুলিবলৈ যাওঁতে দুশৰি, সৰু ঘট এটা,

সৰু কটাৰী এখন, তামোল পাণ এযোৰ, পইচা এটা, তেল শলিতাৰে চাকি এগছ, গাগৰি, লোটা আৰু তিনিটা বা পাঁচটা আম পাতৰ প্ৰয়োজন। সাধাৰণতে নৈ পুখুৰী আদিৰ পৰা পানী তোলা হয়। পানী তোলোঁতে ল'ৰা ছোৱালীৰ মঙ্গলৰ বাবে কটাৰীৰে পানী কটাৰ নিয়ম। পানী তুলিবলৈ যাওঁতে মংগল ধ্বনি, উৰুলি জোকাৰ দিহে আয়তীয়সকলে পানী তোলা ঘট তুলি লয়। দৰা বা কইনাক যিয়ে নোৱাই তেওঁ আগ ঘট লয়। আগঘটটো বাকীবোৰ ঘটতকৈ ডাঙৰ। বাকীবোৰ ঘটক পাতি ঘট বোলে। পাতি শব্দৰ অৰ্থ হ'ল সৰু। পানী তোলাৰ আৰম্ভণিৰেপৰা পানী তোলা ঘট থোৱালৈ এলানি গীতৰ প্ৰচলন আছে। পানী তোলাৰ আগমুহূৰ্তত জলদেৱতাক সন্তুষ্ট কৰি পানী কাটি পাণ, তামোল, পইচা দি পানী অনা কথাবোৰ বিয়া নামত সাঙোৰ খাই থাকে এনেদৰে—

'ভাল মানুহৰ বেটি জলে দিয়া ভেটি/আনজল কটাৰী কাটি এ/
পাঁচখেনি তামোল পাছফালে খেদ্‌লা/কটেৰী কাটিলা পানী এ/

ঘাটৰপৰা পানী তুলি লোৱাৰ পিছত আয়তীসকলে আৰু পিছফালে ঘূৰি নাচায়। পানী তুলি আনি দৰা বা কইনাৰ পদূলি মুখ পাওঁতে ঠাই বিশেষে হেঙাৰ বন্ধাৰ নিয়মৰ প্ৰচলন আছে। পানী তুলি উভতি অহা আয়তীসকলক সন্মান সহকাৰে ৰভাতলীত তেল-সিন্দূৰ দিয়াতো এই অনুষ্ঠানৰ এটি এৰাব নোৱাৰা পৰম্পৰা। এই সময়ত খিচা গীতো হোৱা হয়—

'গংগা দেৱী পানী তুলি আহিলোঁ/গংগা দেৱী মাটিতে বহিলোঁ/
গংগা দেৱী ঐ মাকৰ ছাঁটোহে দেখিলো/গংগা দেৱী চাহ দিবৰ সময় নাই//,

(প্ৰিয় সখী আলোচনী ২০০৫ ৰ আধাৰত)

ই. ক.

**।। বিয়াৰ দৰা আদৰা ।।**

মানুহৰ জীৱনৰ বিবাহ এটি পবিত্ৰ আৰু গুৰুত্বপূৰ্ণ অধ্যায়। বিবাহৰ জৰিয়তে পুৰুষ-মহিলাই যুগ্মভাৱে এটি নতুন জীৱন আৰম্ভ কৰে। সেয়ে ভাৰতীয় তথা অসমীয়া সমাজত বিবাহৰ নীতি নিয়মসমূহৰ মাহাত্ম্য বহুত। অসমীয়া বিবাহ প্ৰথাত ভাৰতীয় বৈদিক তথা আৰ্য প্ৰভাৱ দেখা যায়। বিবাহৰ কেতবোৰ প্ৰথাৰ ভিতৰত এটা হ'ল দৰা আদৰা প্ৰথা। অসমীয়া সমাজত দৰাক বিষ্ণু বা ৰাম বা শিৱজ্ঞান কৰা হয়। অসমীয়া সমাজত দৰা আদৰাৰ সময়ত সুৱাগুৰি তোলা হয়। দৰাক স্বয়ং বিষ্ণুজ্ঞান কৰি প্ৰদক্ষিণদ্বাৰা স্বাগতম জনোৱাতোৱেই সুৱাগুৰিৰ মূল উদ্দেশ্য। দৰা অহা বুলি গম পালে উৰুলি দিব লাগে আৰু কইনাই দৰাৰ উদ্দেশ্যে সেৱা জনাব লাগে। তাৰ পিছত কইনাৰ ভনীয়েক ধৰণৰ কুমাৰী ছোৱালীয়ে দৰাৰ ভৰি ধুৱাই নতুন গামোচাৰে মচি দিয়ে। প্ৰতিদানত দৰা বা দৰাধৰা জনে কিবা এটা মাননি আগবঢ়ায়। কইনাৰ আত্মীয় সকলে দৰা আদৰাৰ

পিছতহে কইনাৰ মাকে দৰা আদৰিবলৈ আহে। বৰপীৰাত থিয় দি থকা দৰাৰ মুখামুখিকৈ কইনাৰ মাকে এটা এটাকৈ তিনিটা লাড়ু দৰাৰ নাকত সুঁওাই তিনিফালে দলিয়াই দিয়ে। একেদৰে তিনিখন তামোলো সুঁওাই তিনিফালে পেলায়। তাৰ পিছত ফুল সুঁওাই শৰাইত থয় আৰু দৰাৰ কপালত চন্দনেৰে ফোঁট দিয়ে। ধূপ মুখৰ আগত ঘূৰোৱাৰ পিছত দৰাক ৰভাৰ তলৰ হোমৰ গুৰিলৈ আদৰি আনি বহুৱা হয়।

নী. ক.

।। বীৰা ।।

আমাৰ সমাজত অপদেৱতা বহুতো প্ৰকাৰৰ বুলি জনসাধৰণে বিশ্বাস কৰে। তাৰ ভিতৰত বীৰা, খেতৰ, ধনগুলৈ, বাক্, দত্, যখিনী আদি প্ৰধান। এই অশৰীৰীবোৰ সাধাৰণতে আওঁহতীয়া ঠাইত, এৰাবাৰী, আঁহত গছ, ঔগছ, বৰগছ, তেঁতেলী গছ আদিত থাকে বুলি মানুহৰ বিশ্বাস। কিছুমান অপশক্তিয়ে ভিন্ ভিন্ ৰূপ ল'ব পাৰে। ইয়াৰ ভিতৰত বীৰাও এনেকুৱা এবিধ অপদেৱতা। বীৰাই কেঁচুৱা ল'ৰাৰ কুমলীয়া মঙহ খায়। কেঁচুৱা ল'ৰা-ছোৱালীক বিছনাত শুৱাই থৈ যদি মাক বাহিৰলৈ বা কিবা কাম কৰিবলৈ ওলাই যায়, বিছনাৰপৰাই কেচুৱাটি অন্তৰ্ধান হয়। বীৰাই এনেকুৱা অপকৰ্ম কৰে বুলি মানুহৰ বিশ্বাস। বীৰা মানুহে ঘৰতে পোহে। তান্ত্ৰিক সাধনা কৰি শ্মশানৰপৰা মৰা মানুহৰ আত্মা আনি বীৰা ৰূপে ঘৰতে ৰাখে। ইহঁতক মানুহৰ দৰেই খাবলৈ দিব লাগে। ইহঁতে গৃহস্থৰ সকলো কাম-কাজত সহায় কৰে। চাকৰবোৰে যিদৰে মালিকক সন্তুষ্ট কৰিবৰ বাবে সকলো কাম-কাজ কৰে থিক সেইদৰে পোহনীয়া বীৰাইও সেইবোৰে কৰ্ম কৰে। গৃহস্থই ইহঁতক নিজৰ কামত খটুৱায়। শত্ৰুৰ ঘৰত বীৰা জাপি দি শত্ৰুক বহুতো অপকাৰ কৰোৱায়। বীৰাই অদৃশ্য ভাৱেই সেইঘৰ মানুহক চৰ-লাঠী মৰা, ঘৰৰ সকলো বস্তু চুৰ কৰি নিয়া, ৰন্ধা বস্তু খাই পেলাই বাচন-বৰ্তন ভাগি-চিঙি নষ্ট কৰা আদি অপকাৰ কামবোৰ কৰোৱায়। ইহঁতে মানুহৰ বশ মানে। কৰ্ণ যোগিনী, কৰ্ণ পিশাচ আদি ইহঁতৰে এটা শ্ৰেণী। গৃহস্থৰ কাণত ফুচ্‌ফুচাই যেই সেই কথা ইহঁতে কৈ দিব পাৰে। পোহনীয়া বীৰাই মালিকৰ সকলো কামকে কৰে যদিও সিহঁতে বিচৰা খাদ্য নাপালে বা কমকৈ খাবলৈ পালে মালিকক বহুতো অন্যায়ো কৰে। ঘৰৰ সকলো বস্তু-বাহানি নষ্ট কৰি মালিকৰ ল'ৰা-ছোৱালীক মাৰ কিল কৰি, খোৱা খাদ্য নষ্ট কৰা আদি বহুতো অপকাৰ কৰে। মালিকৰ ঘৰত খাবলৈ নাপালে আন মানুহৰ ঘৰলৈ গৈ গৰু, ছাগলী, পাৰ, কুকুৰা, হাঁহ আদি প্ৰাণীবোৰৰ কলিজাটো খায় গুচি যায়। এই কামবোৰ বীৰাই কৰা বুলি মানুহে বিশ্বাস কৰে।

প. পা.

।। বুকনি / বহনি।।

অবিভক্ত গোৱালপাৰাৰ হিন্দু - মুছলমান নিৰ্বিশেষে বিভিন্ন তিথি-পৰ্ব উপলক্ষে

এইবিধ খাদ্য প্ৰস্তুত কৰে। পৰিমাণ মতে ধান জাৰি লৈ এৰাতি পানীত তিয়াই পাচিবা খৰাহীত তৰিয়াই কল বা কচু পাতেৰে ঢাকি থৈ দিয়াৰ দুই তিনিদিনৰ পিছত যেতিয়া ধানৰ গজালি ওলাব, তেতিয়া তাক ৰ'দত ভালদৰে শুকাই লৈ ঢেঁকী বা উৰালত বানিব লাগে। তুঁহ খিনি পেলাই দি মলখিনি কাপোৰেৰে বান্ধি থৈ চাউলখিনি পানীত তিয়াই খুন্দি লোৱা প্ৰয়োজন। একেসময়তে আহু ধানৰ চাউলেৰে ভাত ৰান্ধি এখন কলপাতত পাতলকৈ মেলি ল'ব লাগে। ভাত খিনি ঠাণ্ডা হ'লে অলপ অপলকৈ চাউলৰ গুড়িখিনি মিহলোৱাৰ উপৰিও কাপোৰত টোপোলা কৰি থোৱা চাউলৰ মলখিনিও পানীত তিয়াই তাৰ পানীখিনি ভাত আৰু পিঠাগুড়িৰ সৈতে মিহলাই সানি লোৱা ভাল। অৱশেষত ইতিমধ্যে নতুন মাটিৰ হাড়ী এটা ধুই লৈ ভিতৰ ভাগত মিঠাতেল সানি ভাত আৰু পিঠাগুড়িত চাউলৰ মলৰ পানী মিহলোৱা মিশ্ৰণখিনি অলপ অলপকৈ ভৰাই লৈ মুখ কলপাতেৰে বান্ধি এৰাতি তেনেকৈ ৰখাৰ পিছত পিছদিনা সি হৈ পৰে বিৰল স্বাদযুক্ত খোৱাৰ উপযোগী বুকনি বা বহনি। ইয়াক দৈ, চিৰা, মুৰি আদিৰ সৈতে অলপ গুড় মিহলাই খাব পাৰি। আজিকালি বিশ্বায়নৰ ধুমখুমিয়াত পৰি গোৱালপাৰাবাসীয়ে বুকনি প্ৰস্তুত কৰিবলৈ এৰি দিছে।

(ড° ধীৰেন দাসৰ গোৱালপৰীয়া লোক সংস্কৃতি আৰু মো° আব্দুল গফুৰৰ গোৱালপৰীয়া সংস্কৃতিৰ আধাৰত যুগুতোৱা)

জ্যো. দা

।। বুদ্ধ পূৰ্ণিমা ।।

মহাপুৰুষ গৌতম বুদ্ধৰ জন্ম হৈছিল ব'হাগ মাহৰ পবিত্ৰ পূৰ্ণিমা তিথিত। এইজনা মহাপুৰুষ নেপালৰ অন্তৰ্গত কপিলাবস্তুৰ ৰজা শুদ্ধোধনৰ পত্নী মায়াদেৱীৰ গৰ্ভত জন্ম গ্ৰহণ কৰিছিল। জীৱনৰ সকলো পাৰ্থিৱ সুখ পৰিত্যাগ কৰি ধৈৰ্য আৰু কঠোৰ সাধনাৰে একেটা জন্ম তিথিতে জীৱনৰ চৰম জ্ঞান (বুদ্ধত্ব) লাভ কৰিছিল। পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ বাট দেখুওৱা এই দেৱদূতজনে ব'হাগ মাহৰ সেই একেটা জন্ম তিথিতেই নশ্বৰ দেহ ত্যাগ কৰে। মহাপুৰুষজনাৰ পূণ্য স্মৃতি ৰক্ষাৰ্থে ব'হাগ মাহৰ (তিথি অনুযায়ী কেতিয়াবা জেঠত) পূৰ্ণিমা তিথিটোক বুদ্ধ পূৰ্ণিমা বুলি চিহ্নিত কৰি সমগ্ৰ বিশ্বত শান্তিৰ প্ৰতীক স্বৰূপে উদ্‌যাপন কৰা হয়। পৃথিৱীৰ সমগ্ৰ বৌদ্ধ ধৰ্মালম্বী লোকসকলে বৌদ্ধ মঠ বা প্ৰাৰ্থনা গৃহত বুদ্ধ পূৰ্ণিমা তিথিৰ দিনাখন বিশ্ব শান্তিৰ বুদ্ধ পতাকা উত্তোলন কৰা দেখা যায়। অসমতো অসমৰ বৌদ্ধধৰ্মীলোকসকলে তেওঁলোকৰ প্ৰাৰ্থনা গৃহবোৰ বা বৌদ্ধমঠবোৰত বিশ্ব শান্তিৰ বুদ্ধ পতাকা উত্তোলন কৰে। বুদ্ধ পতাকাত সন্নিবিষ্ট হৈ আছে পাঁচোটা বিশেষ ৰং। অসম আৰু ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ হিন্দু ধৰ্মৰ লোকসকলেও বুদ্ধক ভগৱানৰ এটি অৱতাৰ বুলি ভাবি বিশেষভাৱে পূৰ্ণিমা তিথিটোৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা দেখা যায়।

অসমত এই পৱিত্ৰ তিথিটো পালন কৰা লোকসকলে মাছ-মাংস ত্যাগ কৰি ভক্তিভাৱে দিনটো পাৰ কৰে। অসমৰ বিভিন্ন অঞ্চলত বুদ্ধ পূৰ্ণিমাৰ নিশাটোত বিভিন্ন ধৰ্মীয় প্ৰাঙ্গনত নাম প্ৰসঙ্গ কৰি শান্তি কামনা কৰি শান্তি মৈত্ৰীৰ মহাবাণীক উপলব্ধি কৰা পৰিলক্ষিত হয়।

(অংশুমান দাসৰ অসমৰ উৎসৱ-পাৰ্বণ বুটলি গ্ৰন্থৰ আলমত)

ন.ই.ৰা.

**।। বুৰঞ্জীৰ প্ৰবাদ প্ৰবচন ।।**

প্ৰবাদ প্ৰবচনসমূহ লোক প্ৰজ্ঞাৰ মুকুতামণি। অসমীয়া প্ৰবাদ প্ৰৱচনসমূহত অসমীয়া সমাজ জীৱনৰ বিচিত্ৰ ধাৰা ফৰিং ফুটা হৈ উঠাটো মন কৰিবলগীয়া। অসমৰ বাৰে বৰণীয়া বুৰঞ্জীসমূহত বহুসংখ্যক প্ৰবাদ প্ৰৱচন-পটন্তৰ ঠাহ খাই আছে। সিবোৰৰ প্ৰণালীবদ্ধ অধ্যয়নে অসমীয়া মনীষাৰ এটি অন্ধকাৰাচ্ছন্ন দিশত যে স্পষ্ট পোহৰ পেলাব তাত অকণো সংশয় নাই। তলত বিভিন্ন বুৰঞ্জীত লিপিবদ্ধ হোৱা কিছু সংখ্যক প্ৰবাদ প্ৰবচনৰ উদ্ধৃতি দিয়া হ'ল -

১। অস্ত্ৰ-শস্ত্ৰ, আহিলা-পাতি সমস্তো জড়, স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতন, ২। ই অকথা মহৰ পিড়া নলৰ কাণমাৰিয়ে নলয়, বামুণৰ লগুণ শূদ্ৰে কেনেকৈ বব?, ৩। ইন্দুৰৰ গাঁতত যদি হস্তি সোমাব পাৰে, তেহে তাত ধৰিব পাৰে, ৪। ইন্দুৰৰ মুখত কাহানি হস্তিদন্ত গজে? ৫। একদেহ, দশমৰ পদ মইহে কৰিছোঁ, তয়ো কৰিবি, ৬। একে চোংগতে বাঘ দুটাকৈ ক'ত থাকে? ৭। একে হাবিতে দুটা মতা বাঘ হাতী নাথাকে, ৮। কপাট পায়া কাথিক হাঠে, ঘৰ সুৰুকি আটাল কুটে, ৯। কাঠৰ গড় বান্ধিম, পচিব, মাটিৰ গড় বান্ধিম, খহিব। মই কথাৰ গড় বান্ধি দিছো, প্ৰাণ পৰিভুগী হ'ব, ১০। কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান, ১১। কোপিত সৰ্পৰ মস্তকৰ ৰত্নক ইতৰজনে বাঞ্চিলে নেকি তাক পাই, ১২। খাটাখুটা মাজুমখা মুখে চাপ ডাঢ়ি, থানা বেহাৰ ভংগে যাইব গুৱাহাটী বাৰী ১৩। খোৰাই পৰ্বত বগাইছে, বোবা চতুৰ হৈছে, পচা কাঠৰো গজালি আহিছে, ১৪। তলেও গো বধ, ওপৰেও ব্ৰহ্মবধ, ১৫। তয়ো খোৰা ময়ো খোৰা, লেফেৰা বৰবৰা, সিয়ো খোৰা, ১৬। তিতা গছৰ আগো তিতা, গুৰিও তিতা, ১৭। বণ্ডহে মণ্ডহ খায়, বণ্ডহ নহ'লে পেলনি যায়, ১৮। বনৰ হাতী অনেক যত্ন কৰি আনি শালত গল চেপা দি থয়, ভাক মেলিলে শালত থাকে কি বনলৈকে যাই? ১৯। বৰফুকনৰ শৰীৰটি যেনে সোণা, মুখখনি গুৱৰৰ ঠেনা, ২০। বৰলোকৰ প্ৰীতি চিত্তে সহিতে সামান্য লোকৰ প্ৰীতি মুখৰ হন্তে, ২১।বায়সে কেহেনি কোকিল হৈবাক খোজে, ৰাজহংস কেহনি ঘৰ চৰাইৰ গমনক লভে, ২২। বেজী হ'লেহে বটীয়া, ম'ৰা হ'লেহে *চালি, গজদন্তৰ মুকুতা মাণিক পালেসে পালি।।*, ২৩। যি কোৱাই ধনু দেখি ডৰাইছিলে,

সেই কোৱাই মুখ চাই ৰতে, ২৪। যি সিংহ হ'ব, শৃগালৰ আজ্ঞায়ে হস্তীক নাহি মাৰে, ২৫। ৰজা দশৰথৰ মৃত্যু ভাৰ্যাৰ কাৰণ, মহা প্ৰভু শ্ৰীৰাম সন্তাপ সীতাৰ কাৰণ, ২৬। লগুণৰ গুৰি লেকাই চেটিয়া, ২৭। শত পদীৰ এপদ চিঙিলে তথাচো নেকি গমন নকৰে, ২৮। শৱৰ তপৰ শগুণ, বনাই, বায়সে সহিতে ভোজন কৰি তাৰ ওপৰ ছৰে, কোকিলে নেকি কোনো দিন শৱ চৰ্মক শ্লাঘা কৰে, ২৯। শামুকতো মাণিক, কন্দলীতো কৰ্পূৰ, ৩০। হস্তীৰ পেটত স্বাভাৱিক শতকুম্ভ জল, কষ্টতো এক কুম্ভ থাকে। ইত্যাদি।

না. দা

**।। বুলবুলি যুঁজ ।।**

বুলবুলি যুঁজ হাজোৰ একক আৰু অতুলনীয় ধেমালি। হয়গ্ৰীৱ-মাধৱ মন্দিৰ প্ৰাংগণত মাঘ বিহুৰ প্ৰথম দিনা অনুষ্ঠিত এই ধেমালিৰ শুভাৰম্ভ কৰিছিল কোনোবা এজন অচম ৰজাই। কিংবদন্তীয়ে কয়, নৃপতি জনাই হয়গ্ৰীৱ-মাধৱ দৰ্শন কৰিবলৈ আহোঁতে মন্দিৰ প্ৰাংগনত এযোৰ বুলবুলি চৰাইৰ অনুপম যুঁজ দেখি মুগ্ধ হৈ সেই ঠাইত বুলবুলি যুঁজ ধেমালিৰ আৰম্ভ কৰিছিল। তেতিয়াৰেপৰা এই ধেমালি বছৰে বছৰে চলি আহিছে। জয়জয়তে বিশেষ ফান্দৰ সহায়ত বুলবুলি চৰাই ধৰা প্ৰযোজন। তাৰ পিছত এক-ডেৰমাহ প্ৰশিক্ষণ। প্ৰশিক্ষণৰ কালছোৱাত চৰাইবোৰ মুকলিভাৱে চৰিব পৰাকৈ কাপোৰেৰে নিৰ্মিত পেটিৰে ডাঁৰত বান্ধি থয়। উৰুকাৰ নিশা বেজসকলে প্ৰস্তুত কৰা ৰাগীয়াল ভোখ খুৱাই পহিলা মাঘৰ দিনা বিশেষভাৱে সজা মঞ্চত চৰাইবোৰ যুঁজৰ বাবে মেলি দিয়া হয়। এবাৰত দুটা চৰাইৰ যুঁজ লাগে। যুঁজৰ পৰিচালনা কৰে মাচিং দুজনে। এডোখৰ কটা ভীমকল দেখুৱাই দুটা বুলবুলিৰ মাজত যুঁজ আৰম্ভ কৰি দিয়াৰ পিছত এটি সময়ত এটা চৰাইয়ে পৰাজয় বৰণ কৰি পুনৰ যুঁজিবৰ কাৰণে অলায়ক হয় আৰু আনটোৱে জয়ী হৈ নতুন চৰাই এটাৰ সৈতে যুঁজত লিপ্ত হয়। এনেদৰে যুঁজ আগুৱাই গৈ তিনিটা বুলবুলিক প্ৰথম, দ্বিতীয় আৰু তৃতীয় আসনত বহুৱাই আগবঢ়োৱা হয় - পুৰস্কাৰ। তাৰ পিছত আটাইবোৰ চৰাইকে বন্ধন মুক্ত কৰি দিয়াৰ লগে লগে বুলবুলি যুঁজৰ সামৰণি পৰে। বুলবুলি যুঁজৰ চৰাইবোৰ দুটা আঞ্চলিক ভাগত বিভক্ত কৰি যুঁজিবলৈ দিয়া হয় যদিও বিজয়ী পুৰস্কাৰ তাৰ গৰাকীজনেই লাভ কৰে। বুলবুলি যুঁজ হাজো অঞ্চলৰ আবাল-বৃদ্ধ-বনিতাৰ উপভোগৰ সম্পদ। আজিকালি এই যুঁজ দুদিন ধৰি চলে আৰু চলন্ত বঁটাৰ আয়োজনেৰে ধেমালিটো অধিক চলমান কৰাৰ প্ৰয়াস কৰা হৈছে।

না. দা.

**।। বুঢ়া ডাঙৰীয়া ।।**

অসমীয়া লোক-সমাজত বুঢ়া ডাঙৰীয়া এক অশৰীৰী নেতৃস্থানীয় গুৰু-গম্ভীৰ

প্ৰকৃতিৰ ব্যক্তি হিচাপে জনাজাত। এগৰাকী সম্ভ্ৰান্ত অসমীয়া লোকৰ দৰে বগা চেলেং, চুৰিয়া পৰিধান কৰি মূৰত বৰ পাগুৰি মাৰি এই অশৰীৰী বুঢ়া ডাঙৰীয়াই কেতিয়াবা মাজ ৰাতি নিৰ্দ্দিষ্ট ঠাইৰপৰা নিৰ্দ্দিষ্ট ঠাইলৈ অহা-যোৱা কৰে। দীৰ্ঘদেহী, গৌৰবৰ্ণৰ এই বুঢ়া ডাঙৰীয়া অসমৰ আৰ্য ভিন্ন প্ৰজাতিৰ লোকবিশ্বাসৰ এক সুন্দৰ সৃষ্টি। বিশেষকৈ বড়ো জনগোষ্ঠীৰ মাজত শিব্ৰায় অথবা বাবৌব্ৰায়ৰ ৰূপ-কল্পনাৰ এক মনোৰম অভিব্যক্তি এই বুঢ়া ডাঙৰীয়া বুলি ধাৰণা কৰিব পাৰি। লোকবিশ্বাস অনুসৰি এই বুঢ়া ডাঙৰীয়াই কোনো প্ৰকাণ্ড গছ অথবা মন্দিৰ, নামঘৰ কিংবা থানত বসবাস কৰে। শুকুলা ঘোঁৰাত উঠি বুঢ়া ডাঙৰীয়াই অহা-যোৱা কৰে। তেওঁ অহা-যোৱা কৰা সময়ত যদি কোনোবাই তেওঁৰ পথ অতিক্ৰম কৰে, অথবা কোনোবাই যদি তেওঁৰ বাসস্থান ভিন্ন প্ৰকাৰে অপৱিত্ৰ কৰে তেন্তে সেইজন বুঢ়া ডাঙৰীয়াৰ ৰোষত পৰিবই। জ্বৰ সদৃশ ৰোগত কোনো ব্যক্তি অস্বাভাৱিক ধৰণে শুকাই-খীনাই গ'লে মানুহে কোনো ডাঙৰ বৃক্ষ বা মন্দিৰ-নামঘৰ-থানত যথাবিহিত পূজা আগবঢ়াইহে এই বুঢ়া ডাঙৰীয়াৰ ৰোষৰপৰা হাত সাৰে। এই পূজাৰ মাহ-প্ৰসাদ আকৌ গৰখীয়াৰ মাজত ভগাই দিয়া হয়। অন্য প্ৰকাৰেও ভিন্ ভিন্ প্ৰজাতিয়ে বুঢ়া ডাঙৰীয়াক সন্তুষ্ট কৰাৰ নিয়ম। সাধাৰণতে ভূত-প্ৰেত বুলিলে গাৰ-নোম শিয়ৰি উঠা যি পৰিস্থিতি, ইয়াৰ বিপৰীতে এক মনোৰম অশৰীৰী অথবা অলৌকিক লোক-দেৱতা হৈছে এই বুঢ়া ডাঙৰীয়া।

প. ৰা..

।। বৃন্দাবনী বস্ত্ৰ।।

চিলাৰায় দেৱানে গুৰুজনাৰ মুখে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন লীলা শ্ৰৱণ কৰি সেই সমস্ত লীলা চিত্ৰৰ মাধ্যমেদি চাবলৈ বিচৰাত গুৰুজনাই কাপোৰত সেই চিত্ৰমালা তুলি দেখুৱাব পাৰিব বুলি কোৱাত দেৱানে তেতিয়া ক'লে - 'বাপ তেনো জকগৈ ঃ আমি ততে বাৰেও মৰলক সূতা সৈতে গতাই দিঞ, কৰক জাই।' কথামতে কাম হ'ল। ন দিনে নাওত আহি গুৰুজনাই পাটবাউসী পালেহি। বুঢ়া গোপাল প্ৰমুখ্যে বাৰেও মৰলক চপাই ৰঙা, ক'লা, হালধীয়া সেউজীয়া, কাচনীল আৰু গৌৰশ্যাম ৰঙেৰে সূতা বোলাই তাঁত বাটি কাঢ়ি কাপোৰ বোৱা কাম আৰম্ভ কৰিলে। ছকুৰি হাত দীঘল বস্ত্ৰখনি বোৱা কাৰ্যৰ তদাৰক কৰিবলৈ গুৰুজনাই নিতৌ পাটবাউসীৰপৰা ৰঙিয়া জানেৰে গৈ কমাৰকুছি হৈ কোটোজানেদি বৰপেটা পায়গৈ। ভগৱান শ্ৰীকৃষ্ণই কংসৰ বন্দীশালত জন্মগ্ৰহণ কৰাৰেপৰা বৃন্দাবন-লীলালৈকে কাপোৰত তুলি চিত্ৰৰ তলত আখৰেৰে নামবোৰ লিখাৰ ব্যৱস্থা কৰা হ'ল। এদিনাখন গুৰুজনাৰ গা বিষম হোৱাত নিজে নগৈ মাধৱদেৱক কাপোৰ বোৱা ঠাইলৈ পঠিয়াই দিলে। মাধৱদেৱে ভোজন বেহাৰ অংশ কিছু 'তেত্বি' দেখি পোনকৈ বোৱালত এৰেগেত হ'ল। গুৰুজনাই তেতিয়া ক'লে 'তেও বোলা মোৰ ঈশ্বৰ শক্তি নাইঃ

মই জানো মোতকৈ বঢ়া তোমাৰ।' গুৰুচৰিত কথামতে এবছৰৰ মূৰত চিত্ৰ সমন্বিতে বৃন্দাবনী বস্ত্ৰ তাঁতীকুছিৰ কেন্দুগুৰিত বোৱা হ'ল। জাপি জুপি সেইখনি নি চিলাৰায় দেৱানত সোধালেগৈ। দেৱান আনন্দিত হৈ 'টকা এশ সোনা চাই বস্ত্ৰ এযুৰিঃ দিগবিজয় কৰাত অনা যুধিষ্ঠিৰ জজ্ঞৰ বাসুদেৱ মূৰ্তি দিছে।' পিছত সেইখনি মহাৰাজ্ঞ নৰনাৰায়ণেও চাই পৰম সন্তোষিত হৈ গুৰুজনাক মাটি বৃত্তি দান কৰে। এই অপূৰ্ব বস্ত্ৰখনিৰ কিছু অংশৰ আলোক চিত্ৰ লণ্ডনৰ Victoria & Albert Museum ৰ বিষয়া ৰোজমেৰী ক্ৰীলৰ গৱেষণা পত্ৰ Vrindavani Vastra (Figured silk from Assam) ত প্ৰকাশ পোৱাটো অসমবাসীৰ বাবে গৌৰৱৰ বতৰা।

না. দা.

।। বৃক্ষ পূজা ।।

মানৱ সভ্যতাৰ ঊষা লগ্নৰেপৰা বৃক্ষ পূজাৰ প্ৰচলন চমকপ্ৰদ। মহেঞ্জদাৰো আৰু হৰপ্পাত প্ৰাপ্ত সীল-মোহৰে প্ৰমাণ কৰে যে প্ৰাক্‌'আৰ্য ভাৰতভূমিত বৃক্ষ পূজাই খোপনি পুতিছিল। বৃক্ষ পূজাৰ ভিতৰত তুলসী পূজাৰ কথা জয়জয়তে উল্লেখ কৰিব পাৰি। নিত্যস্নানৰ পিছত তুলসীৰ গুৰিত পানী দিয়াটো পুণ্যৰ কাম। তুলসীৰ গুৰিত সদায় সন্ধিয়া চাকি জ্বলোৱা হয়। আন সময়ত নহ'লেও আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা ভেটি কৰি তাত তুলসী পুলি ৰুই চাকি জ্বলাব লাগে। সমস্ত কাতি মাহটোতে এনেকৈ চাকি জ্বলোৱা প্ৰয়োজন। বটবৃক্ষত লক্ষ্মী দেৱীৰ নিবাস জ্ঞান কৰি তাৰ তলত বহুতে পূজা পাতে। শাৰদীয় দুৰ্গা পূজাত নৱবিধ বৃক্ষলৈ পূজা-অৰ্চনা আগবঢ়োৱা হয়। সেয়া হ'ল - কলগছ, কচু, হৰিদ্ৰা, জয়ন্তী, বেল, ডালিম, মানকচু, অশোক আৰু গছ ধান। লোক বিশ্বাস মতে, অশ্বত্থ শ্ৰীবিষ্ণুৰ অধিষ্ঠান। সেইবাবে এই গছৰ চাৰিওফালে ওখকৈ বেদী সজাই তাৰ গুৰিত পানী ঢালি পূজা কৰা প্ৰয়োজন। যিকোনো পূজাৰ জল-পূৰ্ণ ঘটৰ মুখত পঞ্চ পল্লৱ দিয়াটো নিয়ম। এই পঞ্চ পল্লৱ হ'ল - আঁহত, আম, বট, জৰী আৰু যজ্ঞ ডিমৰু। পূজাৰ ঘটৰ মুখত গোটা নাৰিকল আৰু সিন্দূৰৰ ফোঁট দিয়া আমৰ ডালি নহ'লেই নহয়।

বেলগছ শিৱৰ অধিষ্ঠান। শাণ্ডিল্য গোত্ৰৰ ব্ৰাহ্মণে বেলগছক ইষ্ট দেৱতাৰূপে পূজা কৰে। বড়োসকলৰ মাজত সিজু পূজা বহুলভাৱে প্ৰচলিত। পুত্ৰহীন কোনো কোনো ব্ৰাহ্মণে আঁহত গছক পুত্ৰৰূপে প্ৰতিষ্ঠা কৰি লগুণ পিন্ধোৱা দেখা যায়। শংকৰ শিলিখা অসমীয়া বৈষ্ণৱ ভকতৰ শ্ৰদ্ধাৰ বস্তু। বিয়া, পূজা, আদিত শিলিখাৰ প্ৰয়োজন। কালিকা-পূজাত নিম গছ লাগে। দাক্ষিণাত্যত নিমগছৰ পূজা অৰ্চনা আজিও অব্যাহত। অসমত বৰুণ গছকো পূজা কৰা হয়। ভূত-প্ৰেতৰপৰা হাত সাৰিবলৈ বৰুণৰ খুঁটি নহ'লেই নহয়। বিহলঙনিৰে জাৰিলে ভূত-প্ৰেত আঁতৰে - গাৰ বিষ নাইকীয়া হৈ পৰে।

শাওৰা গছত বনলক্ষ্মীয়ে বাস কৰে বুলি এটি লোকবিশ্বাস বৰ্তমান। কোনো কোনো ঠাইৰ অনা-অসমীয়া তিৰোতাই ছিৰা ভজা, ভীমকল আৰু হাঁহ কণীৰে শাওৰা গছৰ তলত দেৱী গৰাকীক পূজা দিয়ে। চাহ বাগিছাৰ বনুৱাসকলে যি কৰম পূজা কৰে সি একপ্ৰকাৰ বৃক্ষপূজাই। কৰম (চিকা মৰলীয়া) গছৰ ডাল এটি শোভাযাত্ৰা কৰি ৰাজহুৱা ঠাইত প্ৰতিষ্ঠা কৰি নৃত্য-গীতেৰে গোটেই নিশা সেই ডালটিত পূজা আগবঢ়ায়।

অৰ্জুন গছৰ ঔষধি গুণ বৰ্তমান। সেইবাবেই বোধহয় এইবিধ গছক পুৰণি কালৰেপৰা হেজাৰ জনে শ্ৰদ্ধাৰ্ঘ আগবঢ়াই আহিছে। নাহৰ গছেও অসমীয়া মানুহৰপৰা শ্ৰদ্ধা-ভক্তি পাই আহিছে। বজ্ৰভয় নিবাৰণাৰ্থে ব'হাগ বিহুত নাহৰৰ পাতত 'দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ' মন্ত্ৰ লিখি চালৰ পানীপতাত খুছি থোৱাই তাৰ প্ৰমাণ। গোৱালপাৰা জিলাৰ বাঁহ-পূজা, কামৰূপৰ ভঠেলি, পাউৰাতোলা প্ৰভৃতি উৎসৱ বাঁহ-পূজাৰেই লৌকিক ৰূপ বুলিব পাৰি। অসমত প্ৰচলিত গছ বিয়াকো এক প্ৰকাৰে বৃক্ষ পূজা বোলাত আপত্তি নাই। অসমৰ বিভিন্ন জনজাতিৰ মাজতো গছ পূজাৰ চল্‌তি আছে।

না. দা.

।। বেই ।।

অভিধানকাৰ হেমচন্দ্ৰ বৰুৱাই বেইৰ অৰ্থ দিছে এনেদৰে ঃ 'বিয়াত দৰা-কইনাই গা-ধুওৱা ঠাইৰ ওপৰত দিয়া কাঠৰ চাৰি চুকীয়া আচ্ছাদন।' উজনি অসমত চামৰ পীৰা এখনিৰ চাৰিও ফালে চাৰিটা কলপুলি পুতি বেই সাজে। নামনিৰ ফালে কলৰ মধাৰে (কামৰূপৰ অঞ্চল বিশেষত তাক কলৰ ডাহিও বোলে।) চাং এখনৰ দৰে সাজি থোক নপৰা কলগছ এডাল শিপাৰে সৈতে উভালি আনি বেইক সংলগ্ন কৰি পোতা হয়। উজনিত ইয়াক সাজোঁতে তাৰ তলত হাঁহ-কণী, তামোল-পাণ আৰু ভোজনী এটা পাতে। ইয়াৰ কাষত আগলি কলপাত এখনত খেৰৰ জুমুঠি দুটা আৰু শিলগুটি এটাও ৰখা হয়। দৰা বা কইনাক তাত ভৰি দিহে বেইত উঠা নিয়ম। জোৰণৰ দিনাখনে অধিবাসৰ আগে আগে সেই বেইত দৰা বা কইনাক নোৱায়। বিয়াৰ দিনাও দৰা-কন্যাক তাতেই ধুওৱা হয়। কোনো কোনো অঞ্চলত গা-ধুওৱা কালত মূৰৰ চুলিৰপৰা নিগৰি অহা পানী তিনি চলু দৰা বা কন্যাক পিবলৈ দিয়া হয়। দৰা অথবা কন্যাই বেইৰ কলগছ জোপাৰপৰা উশাহ নোলোৱাকৈ আঁহ এডাল দাঁতেৰে কামুৰি আনিব লাগে। সেই আঁহডাল গাত বান্ধি ৰাখিলে অপদেৱতাই লঙ্ঘিব নোৱাৰে অথবা কোনোৱেই দৰা-কন্যাক দঁকত দিবলৈ সমৰ্থ নহয়। বেইত গা ধুওৱাৰ পিছত দৰা বা কন্যাক মাকে দুণৰিৰ চাউল তিনিবাৰ মূৰত ছটিয়াই দি চাকিৰ আগ (তাপ) দিয়ে। আন আত্মীয় আয়তীসকলেও দৰা অথবা কন্যাক আগ দিব পাৰে। বিয়া হৈ যোৱাৰ পিছত নামনিৰ

ফালে বেইৰ কলগছডাল ভাল ঠাইত পুতি থয়। সেই কলডালিৰ ফল ধৰাটো সকলোৱে কামনা কৰে। কলগছডালে থোক মেলিলে দৰা-কন্যাৰ মংগল আৰু থোক নেমেলাকৈ মৰি থাকিলে দৰা-কন্যাৰ অমংগল হ'ব পাৰে বুলি জনসাধাৰণৰ মাজত এটি বিশ্বাস এতিয়াও বৰ্তি থকাটো উল্লেখযোগ্য।

না. দা.

।। বেণা ।।

অসমৰ গোৱালপাৰা আৰু উত্তৰ বংগৰ কোচবেহাৰ, জলপাইগুৰি প্ৰভৃতিত কুশান গান আদিত ব্যৱহৃত বেণা হ'ল একপ্ৰকাৰ প্ৰাচীন তাঁৰ যন্ত্ৰ। প্ৰায় ষাঠি ছেন্টিমিটাৰ দৈৰ্ঘ্যৰ এডাল নলবাঁহৰ এটা মূৰত প্ৰায় বাৰ ছে. মি. ব্যাসাৰ্ধৰ এটি সৰু নাগাৰাৰ দৰে খোল সুমাই দিয়া হয়। নাগেৰাটি ফোপোলা বাঁহৰ মূৰা অথবা গোটা কাঠ এডোখৰ খুলিও তৈয়াৰ কৰিব পাৰি। নাগাৰাৰ মুখখন চামৰাৰে ছোৱা। তাৰ ওপৰত দোতাৰাৰ লেখীয়াকৈ এটি ঘোঁৰা থাকে আৰু ঘোঁৰাটোৰ গুৰিৰেপৰা এডাল তাঁৰ বাঁহডালৰ আনটো মূৰলৈ নিয়া প্ৰয়োজন। সৌন্দৰ্যৰ বাবে বাঁহডালৰ মূৰটোত কাঠেৰে এটি মগৰ তৈয়াৰ কৰি সংলগ্ন কৰি দিয়া হয়। বাদ্যটো বজাবৰ বাবে, বেহেলাৰ দৰে ইয়াতো ঘোঁৰাৰ নেজৰ চুলিৰে সজা এখনি ধনুৰ দৰকাৰ। এই বাদ্যৰ মাত বৰ কোমল।

না. দা.

।। বে দেইন খ্লাম ।।

মেঘালয় জয়ন্তীয়াসকলে প্ৰতিবছৰৰ জুলাই মাহত জোৱাই চহৰত বে দেইন খ্লাম নামৰ জাতীয় উৎসবটি অতি আড়ম্বৰেৰে তিনিদিনীয়াকৈ পালন কৰে। জয়ন্তীয়াসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এই ধৰ্মীয় উৎসবৰ অন্তৰ্নিহিত উদ্দেশ্য হ'ল- প্লেগ মহামাৰীৰপৰা পৰিত্ৰাণ লাভ কৰা। এই উৎসৱত দুৰ্গা পূজা, হোলী তথা ৰথযাত্ৰাৰ এটা সংমিশ্ৰিত ৰূপ পৰিলক্ষিত হয়। উৎসৱ আৰম্ভ হোৱা এমাহৰ আগতে পুৰোহিত আৰু স্ত্ৰী-পুৰোহিতে মিলি দি ছো পেন নামৰ এটা অনুষ্ঠান পাতে আৰু দেৱতাৰ উদ্দেশ্যে সুৰা অৰ্পণ কৰে। পিছদিনা ৰাতিপুৱা এই স্ত্ৰী-পুৰোহিত গৰাকীৰ ঘৰত বাচানসকলে গোট খায় আৰু চাৰিটা দলত বিভক্ত হৈ জোৱাই চহৰৰ চাৰিও দিশলৈ যায়। প্ৰতিটো দলে কুকুৰা বলি দি বেমাৰ-আজাৰৰপৰা ৰাইজক ৰক্ষা কৰিবলৈ দেৱতাক প্ৰাৰ্থনা জনায়।

এমাহ পিছত যেতিয়া আকাশত ন-জোনে দেখা দিয়ে, তেতিয়া বিজুলী-ঢেৰেকনিৰ দেৱতাক উদ্দেশ্যি কণিয়া পিৰথাতউৎসৱ পালন কৰা হয়। জোৱাই চহৰৰ বাহিৰত এখন বিশেষ পৰ্বতত এই পূজাভাগ শিৱমাং, য়ালাং আৰু টুবেৰ পুৰোহিতসকলে অনুষ্ঠিত কৰে আৰু শত্ৰুজয়ৰ বাবে প্ৰয়োজনীয় শক্তি প্ৰদানৰ বাবে প্ৰাৰ্থনা জনাই দেৱতাৰ উদ্দেশ্যে বলিদান কৰে। পিছদিনা চহৰৰ প্ৰতিটো অঞ্চলৰ মানুহে একোখনকৈ ৰথ নিৰ্মাণ কৰি

হাবিৰপৰা দেইন খ্লাম নামৰ এবিধ গছ সংগ্ৰহ কৰে। প্ৰকৃত উৎসৱ আৰম্ভৰ প্ৰথম দিনা প্ৰতিটো অঞ্চলৰ অধিবাসীসকলে, যাক স্থানীয় ভাষাত দং বুলি কোৱা হয়, এই গছবিলাক কঢ়িয়াই আনি জোৱাই চহৰৰ মুছিয়াং নামৰ ঠাইত ৰাখে। পিছদিনা এই গছবোৰ নিজ নিজ অঞ্চলৰ ৰাজহুৱা ঠাইলৈ কঢ়িয়াই নিয়া হয় আৰু গছবোৰ মাটিত পুতি সকলোৱে ঢোল-পেঁপা বজাই গছবোৰৰ চাৰিওফালে নাচ গান কৰে। উৎসৱৰ অন্তিম দিনা ৰাতি পুৱা আইত্নাৰ নামৰ পুখুৰী এটাৰ পাৰত এভাগ পূজা কৰি গছবিলাক পানীত বিসৰ্জন দিয়াৰ উপৰি এটা পঠা ছাগলী বলি দিয়ে। তাৰ পিছত সকলো দলৈ, বাচান আৰু পাতৰ প্ৰধানে স্ত্ৰী-পুৰোহিতৰ ঘৰলৈ গৈ কিন্‌টিন্ খ্নং নামৰ এটা উৎসৱ পাতে। তাৰ পিছত দলৈ বাচান, পুৰোহিত আৰু বয়োবৃদ্ধলোকসকলে স্ত্ৰী-পুৰোহিতৰপৰা কিছুমান বাঁহৰ লাঠি গ্ৰহণ কৰি চহৰৰ বিভিন্ন অঞ্চললৈ গৈ মানুহৰ ঘৰৰ চালত কোবাই বেমাৰ-আজাৰ, বিপদ-বিঘিনি খেদিবলৈ যত্ন কৰে। বেলি দুপৰ হ'লে ল'ৰা-ছোৱালী, মুনিহ-তিৰোতাই মিলি ৰং-ৰহইচেৰে আগতে সজা ৰথ বিলাক বিসৰ্জন দিবলৈ আইত্নাৰ পুখুৰীৰ পাৰ পায়গৈ। ৰথবিলাক বিসৰ্জন দিয়াৰ পিছত খন বেইদসকলে সংগ্ৰহ কৰা খনং গছজোপা অতি ভক্তি সহকাৰে বিসৰ্জন দিয়াৰ দিয়া ব্যৱস্থা কৰে। এই গছজোপা বিসৰ্জনৰ আগতে হাতেৰে স্পৰ্শ কৰিলে মঙ্গল হয় বুলি জয়ন্তীয়াসকলে বিশ্বাস কৰে। আবেলিলৈ সকলোৱে মিলি কাঠৰ থাল এখনেৰে ফুটবলৰ নিচিনা খেল খেলে আৰু অৱশেষত খ্লু লেংদো নামৰ এখন পবিত্ৰ উদ্যানত এটা কুকুৰা বলি দি এই উৎসৱৰ পবিত্ৰ সামৰণি পেলায়।

দে. দা

**।। বেৰজাল।।**

'জালত পৰি বন্দী হ'লো/ লালীত পৰি মাখি হ'লো' নাইবা 'জালকে বুলিলো জকাই /এন্ধাৰে মুন্ধাৰে চিনিবি নোৱাৰি/ পৈয়েকক বুলিলে ককাই //' প্ৰভৃতি প্ৰবাদ-প্ৰবচনে প্ৰমাণ কৰে জালৰ সৈতে অসমীয়া মানুহৰ সম্পৰ্ক উপৰুৱা নহয়। অসমৰ মাছমৰীয়াসকলে নৈ, উপনৈ, বিল, ডোভা, ডোং প্ৰভৃতিত ভিন্ন ঋতুত ভিন্ন প্ৰকাৰৰ মাছ ধৰিবলৈ বেলেগ বেলেগ ধৰণৰ জাল বৈ লয়। জালৰ গঠন আৰু সিবোৰ মৰাৰ কৌশললৈ চাই তাক বহলভাবে দুটা ভাগত ভগাব পাৰি- ক. বেৰজাল আৰু খ. পতাজাল। বহল এখণ্ড পানী বেৰি ধৰি দুই মূৰৰপৰা ক্ৰমান্বয়ে চপাই লৈ পানীত থকা মাছ যি জালেৰে ধৰা হয়, যেয়ে বেৰজাল। ই আকৌ দুই প্ৰকাৰৰ— ক. ঘন আৰু খ. পাতল বেৰজাল। সাধাৰণতে সৰু মাছ ধৰিবলৈ ঘন বেৰজাল আৰু ডাঙৰ মাছ ধৰিবলৈ পাতল বেৰজালৰ প্ৰয়োগ হয়। গঠনৰ ফালৰপৰা সিহঁতক ঘায়াল আৰু উকা- এই দুবিধত ভগোৱা হয়। তলৰ পতাত ঘাই বা মোনা থকা জাল বোৰ ঘায়াল আৰু তলৰ পতাত মোনা নথকা জালবোৰ উকা বেৰজাল ৰূপে পৰিচিত। অসমীয়া লোকে ব্যৱহাৰ কৰা বেৰজালবোৰক

বা টুনীজাল (বৌ, মিৰিকা, ভকুৱা প্ৰভৃতি মাছ ধৰিবলৈ ব্যৱহাৰ কৰা পাতল পাহৰ উকা জাল) খ. দচান জাল (ডাঙৰ মাছ ধৰিবলৈ ওপৰৰ ভাচান আৰু তলৰ পটাত ডাঙৰ মাটিৰ গুলি লগোৱা জাল) গ. চেলাজাল- (ভাঙোন, কৰতি প্ৰভৃতি মাছ ধৰিবলৈ চাৰিজন লোকে নাৱত ব্যৱহাৰ কৰা উকা ঘন জাল) ঘ. চেচাজাল - (শিঙৰা, শিঙি আদি মাছ ধৰিবলৈ ব্যৱহাৰ কৰা ঘাই যুক্ত ঘন বেৰজাল) ঙ. বাচুৰিজাল— (পাঁচজন লোকে এখন নাৱত উঠি শ্ৰোতযুক্ত বা শ্ৰোতহীন ঘুলি, লেঙা আদিত মৰা ঘাই যুক্ত ঘন জাল) আৰু চ. কাঠিজাল— (সৰুমাছ ধৰাৰ উপযোগী ঘন পাহৰ উকা বেৰজাল)।

(সূৰ্যদাসৰ মাছ আৰু মাছমৰীয়া গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

।। বেলি ঘূৰ ঘূৰ খেল।

গাঁৱলীয়া চহা জীৱনৰ মনোৰঞ্জনৰ আন এবিধ আকৰ্ষণীয় খেল হ'ল বেলি ঘূৰ ঘূৰ খেল। ব'হাগ মাহৰ বিভিন্ন ৰং ধেমালিৰ অনুষংগত এইবিধ খেলো গাঁৱৰ ডেকা-গাভৰুৱে খেলা দেখা যায়। খেলৰ আৰম্ভণিতে দুটা দলৰ ভাগ কৰি লোৱা হয়। প্ৰতিটো দলৰ সমান সদস্য থাকিব। দল দুটাৰ ল'ৰা-ছোৱালী নাইবা সংমিশ্ৰণো হ'ব পাৰে। খেলৰ আৰম্ভণিতে দল দুটাৰ কাৰ প্ৰথম পাল হ'ব সেইটো নিশ্চিত কৰিবৰ কাৰণে এটা গছৰ পাত ওপৰলৈ দলিয়াই দিয়ে আৰু পাতটো ঘূৰি ঘূৰি আহি মাটিত যিটো ফাল ওপৰলৈ পৰিব সেই দলটোৱে প্ৰথম পাল হ'ব। গছৰ পাতটো ওপৰলৈ দলিয়াই দিয়াৰ আগতেই দল দুটাই পাতটো দুই পিঠি ভাগ কৰি লয়। খেলবিধৰ মূল কেন্দ্ৰ স্থল হ'ল এটা সৰু গাঁত। প্ৰথম পাল পৰা দলটোৰ সদস্যসকলৰ যিজনে ঘাই দিব, তেওঁৰ ভৰিৰ বুঢ়া আঙুলিৰে গাতত স্পৰ্শ কৰি থাকে আৰু সোঁহাতত ধৰি এজন এজনে দলটোৰ প্ৰতিটো সদস্যই এডাল ৰেখাৰ সৃষ্টি কৰে। আনটো দলৰ সদস্য সকলে এক নিৰ্দিষ্ট সীমাৰ আঁতৰে আঁতৰে থাকি এটা বৃত্তৰ দৰে হৈ পৰে। প্ৰথম পাল পৰা দলটোৰ সদস্য সকলে ইজনে-সিজনৰ হাতে-হাতে ধৰি দীঘল হৈ ঘূৰিবলৈ ধৰে আৰু মুখৰে বেলি ঘূৰ-ঘূৰ, বেলি ঘূৰ গাই আনটো দলৰ সদস্য সকলক চুবলৈ চেষ্টা কৰাৰ লগতে নিজেও এজন এজনকৈ বিপৰীত দলৰ সদস্যসকলে চুব নোৱাৰাকৈ পলাবলৈ চেষ্টা কৰে। এনেকৈ ঘূৰোঁতে যদি বিপৰীত দলৰ সদস্যক কেনেবাকৈ চুব পাৰে, তেনেহ'লে তেওঁ বহি থাকিব লাগিব অৰ্থাৎ মৃত বুলি ধৰা হয়। আনহাতে ঘূৰি থকা দলটোৰ কোনো সদস্য পলাবলৈ ধৰোঁতে আনটো দলৰ সদস্যই চুব পাৰে, তেন্তে তেওঁলোকে আনটো দলৰ পাল এৰি দিব লাগিব। যদি বিপৰীত দলে প্ৰথম দলৰ পালৰপৰা দলৰ এজনো সদস্যক চুব নোৱাৰে তেনেহ'লে প্ৰথম প্ৰথমপাল পৰা দলটো জয়ী হয় আনহাতে বিপৰীত দলটো কোনো সদস্যই যদি প্ৰথম পালৰ দলটোৰ ঘাই আন শেষজন সদস্যকো এটা সীমাৰ ভিতৰত চুব

পাৰে, তেতিয়াহ'লে তেওঁলোক জয়ী হ'ব। এই সীমাৰেখা কেন্দ্ৰীয় গাঁতটোৰপৰা তিনি বা পাঁচ বেং হয় (বেং - এখন ভৰি মেলি দি আনখন ভৰি য'ত পৰে তাৰ দূৰত্ব) দুয়োদলৰ সদস্যই এই সীমাৰেখা খেল আৰম্ভ হোৱাৰ আগতেই স্থিৰ কৰে।

বি. চ. ব.

।। বৈৰাথী ।।

বড়ো-কছাৰীৰ বিবাহত জোৰোণ দিয়া এক পৰম্পৰা আছে। কন্যা জোৰোণৰ বাবে দৰাঘৰীয়াই কন্যাঘৰলৈ এখন ভাৰ কঢ়িয়াই নিয়ে। এইখনক ঘাই ভাৰ বোলা হয়। প্ৰধান ভাৰ বহন কৰা মানুহৰ পিছত দুজনী আয়তীৰ ওপৰত প্ৰাধান্য দিয়া হয়। আয়তীসকলক বড়ো কছাৰী সকলে বৈাইৰাথি বুলি কয়। গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলৰ আয়তীসকলে দ'খনাথাউছি পিন্ধি গাত ফুলাম কাপোৰৰ চাদৰ উৰাৰ নিয়ম আছে। দৰং, নগাঁও, কামৰূপ জিলাৰ আয়তীসকলে ৰঙা মেখেলা পিন্ধি গাত ফুলাম কাপোৰৰ চাদৰ উৰাৰ নিয়ম । এই আয়তী দুজনীকো বিবাহ কাৰ্য সামধা কৰা উপলক্ষে প্ৰাধান্য দিয়া হয়। কন্যা জোৰোণৰ তামোল কাটোতে আয়তীসকলে প্ৰথমতে আৰম্ভ কৰে; তাৰ পিছতহে আন মানুহে সহযোগ কৰে। আগৰ দিনৰ আয়তীসকলে ডাব কটাৰীৰে কন্যা জোৰোণৰ তামোল কটা আৰম্ভ কৰিছিল। দৰাপক্ষৰ আয়তীসকলে তামোল পাণ ৰাইজক বিলাই দিয়াত পলম কৰিলে তাকে কন্যা বা ছোৱালীঘৰীয়াই গীত গাই আয়তীসকলক ইতিকিং কৰে। এই ধৰণৰ ইতিকিং কৰা লোকগীত গোৱালপাৰা জিলাত পোৱা যায়—

"য়াই বৈাইৰাথি লোলিয়া/খাওনী বাবাংছিন গয় খাওনায়খৌ জালিয়া/

(অৰ্থ -ঐ বৈৰাথী (আয়তী) এলেহুৱা/এলাহত তামোল কটা আমি নাখাওঁ।

এই লোকগীতে আয়তীসকলক কৰ্মঠ হ'বলৈ বাধ্য কৰিছে আৰু এই লোকগীতৰপৰা আমি জানিব পাৰো যে বড়ো-কছাৰীসকলৰ সামাজিক বিবাহ উপলক্ষ্য কৰ্মত আয়তীসকল কিমান,পটু হ'ব লাগিব- যি কৰ্মৰ প্ৰখৰতাৰ দ্বাৰা ৰাইজৰ ইতিকিংমূলক লোকগীতৰপৰা নিজকে বচাই নিয়া হয়। আয়তীসকলে ৰাইজক তামোল-পাণ বিলাই দিয়াৰ লগতে মদ নাইবা চাহ বিলাই দিয়ে।

গো.সু.

।। বৈশাখী উৎসব ।।

বৈশাখী শিখ সম্প্ৰদায়ৰ এটি উল্লেখযোগ্য উৎসব। এই উৎসৱৰ সৈতে বিজড়িত হৈ আছে কেইবাটাও স্মৃতি। ১৬৯৯ খ্ৰীষ্টাব্দৰ বৈশাখী উৎসব। ৰাতিপুৱা প্ৰাৰ্থনাৰ পিছত গুৰুৱে শিষ্যসকলৰপৰা বিচাৰিলে এটি মূৰ। প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয়বাৰ গুৰুৱে ডাক দিয়াৰ লগে লগে শিৰ দিবলৈ আগবাঢ়ি আহিল লাহোৰৰ দয়াৰাম। তাৰ

পিছত অনুক্ৰমে আগোন শিৰদানৰ বাবে আগবাঢ়ি আহে - ধৰম দাস, মোহ কামচাঁদ, চাহিব চাঁদ আৰু হিমাত। উপস্থিত শিষ্যসকলে ভাবিছিল - গুৰুৱে পঞ্চশিষ্যৰ শিৰ ল'লে; কিন্তু অলপ পিছতে দেখা পালে যে সেই পাঁচোজন শিষ্যই নতুন সাজ-পাৰ পিন্ধি গুৰু-শিষ্যৰ মাজত উপস্থিত হ'ল। জয়জয়তে গুৰুৱে এটা জল পূৰ্ণ ধাতৱ পাত্ৰ বিচাৰিলে। ধাতুৰ পাত্ৰ দিয়া হ'লত গুৰুৱে এটাৰ পিছত এটাকৈ পাঁচোজনকে নতুন খন্তা এখনেৰে পাত্ৰটোৰ পানীখিনি লৰাই অমৃত তৈয়াৰ কৰিবলৈ ক'লে। গুৰুৱে নিজে পাঁচটা প্ৰাৰ্থনা গালে - জপসী সাহিব, চোপাই, জাপ সাহিব, স্বৱইয়ে আৰু আনন্দ সাহিব। ইতিমধ্যে গুৰু পত্নীয়ে কিছু বাতাচা আনি অমৃত তৈয়াৰী পাত্ৰটোত ঢালিলেহি। অমৃত তৈয়াৰ হ'ল। গুৰুৱে অমৃত পানী শিষ্যৰ গাত সিঁচি দি নিজেও সেই অমৃত শিষ্যসকলক দিবলৈ আহ্বান জনালে। গুৰুৱে ক'লে 'স্ত্ৰীজাতিৰ মহান আৰু পৰম সৌভাগ্য যে তেওঁলোকেও এই মহান কাৰ্যত অৰিহণা আগবঢ়ালে। দয়া, মমতা আৰু নম্ৰতাৰ অবিহনে এই সম্থাটো নিশ্চয় অসম্পূৰ্ণ হৈ ৰ'লহেঁতেন। বাতাচাৰ সোৱাদৰ দৰে এই জাতিটোৰ অন্তৰো সৰ্বদা দয়া-মমতাৰে পৰিপূৰ্ণ হৈ ৰ'ব।' গুৰুৱে আৰু ক'লে

'আজিৰপৰা এই পাঁচজন শিষ্য পঞ্চপ্যাৰা নামে অভিহিত হ'ব আৰু এওঁ মোৰ যোগ্য উত্তৰাধিকাৰী। পঞ্চপ্যাৰাৰ পিছত যিকোনো পাঁচজন ধাৰ্মিক শিখেই এক গোট হৈ গুৰুৰ কাম কৰিব পাৰিব আৰু শিষ্যক দীক্ষা দিব পাৰিব।'

ইয়াৰ পিছত তেওঁৰ ওচৰলৈ অহা পাঁচজন শিষ্যক পঞ্চ মুক্ত ৰূপে সম্বোধন কৰিছিল। তেওঁলোকৰ গাত অমৃত জল ছটিয়াই গুৰুজনাই কৈছিল 'আজিৰপৰা এখন নতুন সমাজ প্ৰতিষ্ঠা হ'ল। এই সমাজ খালছা (পবিত্ৰ বা সদাচাৰী) ৰূপে পৰিচিত হ'ব। খালছাৰ প্ৰতিজন সভ্যই পাঁচটা বিশেষ নিয়ম পালিব লাগিব। সেয়া হ'ল - তেওঁলোকে দাড়ি-চুলি ৰাখিব লাগিব, লগতে একোখনকৈ ফণি ৰাখিব, একোটাকৈ অধঃপৰিচ্ছদ পিন্ধিব, হাতত এপাট তীখাৰ খাৰু পিন্ধিব আৰু কঁকালত এখনকৈ তীখাৰ কৃপাণ ল'ব। লগতে গুৰুজনাই ক'লে - 'খালসিও মেৰো ৰূপ হে খাস, খালসেমে হো কৰো নিবাস।।' (খালছাই মোৰ ৰূপ আৰু খালছাতে মই বিৰাজ কৰো), সিদিনাৰ পৰা খালছা সমাজৰ প্ৰত্যেকে নিজকে সিং বুলি কৈ প্ৰত্যেকে প্ৰত্যেকক অভিবাদন জনাব এনেদৰে - 'ৱাহে গুৰুজীকো খালছা, ৱাহে গুৰুজীকো ফটেহ।' 'হে ভগৱান! ভক্ত খালছা আৰু ভগবানৰ জয় হওক।' আজি কেবা শ বছৰ অতীত হ'ল, বছৰে বছৰে শিখ সম্প্ৰদায়ে বৈশাখী উৎসৱ পাতে আৰু অতীতৰ সেই গুৰুজনাৰ মধুৰ স্মৃতি স্মৰণ কৰি ঐক্য-শান্তি আৰু সম্প্ৰীতিৰ পথত ভৰি দিয়ে।

ভূ. সি.

।।ব্ৰহ্মচাৰী সত্ৰৰ বোকাভাওনা।।

নাগাঁও জিলাৰ চামগুৰিৰ ওচৰৰ ব্ৰহ্মচাৰী সত্ৰত প্ৰতি বছৰে জন্মাষ্টমীৰ দিনা বোকাভাওনা উৎসৱ উদ্‌যাপন কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মৰ পিছত কংসৰ ভয়ত বসুদেৱে যমুনা নদী পাৰ হৈ যশোদাৰ কাষত শ্ৰীকৃষ্ণক থৈ যায়। গকুলবাসীয়ে নন্দ যশোদাৰ সন্তান বুলি জনাৰ লগে লগে প্ৰজাবৰ্গ আনন্দত উত্ৰাৱল হৈ পৰে। ৰজাৰ পুত্ৰ সন্তান চাবলৈ হাতত বিভিন্ন খাদ্য দ্ৰব্য লৈ নন্দৰ গৃহলৈ যাওঁতে সকলো আত্মহাৰা হৈ বোকাত লুতুৰি পুতুৰি হৈ ইজনে সিজনক আঁকোৱালি লৈ মতলীয়া হৈ পৰে। এই মতলীয়া হোৱা দিনটোত বোকা ভাওনা (নন্দোৎসৱ) উৎসৱ পাতে বুলি এক প্ৰৱাদ আছে। ৭৫০ বছৰীয়া সাতাম পুৰুষীয়া সত্ৰৰ নামঘৰত বিয়লি অনুষ্ঠিত বোকা ভাওনা সাধাৰণতে বালকসকলৰ মাজত সীমাবদ্ধ নাথকে, যুবক আৰু বৃদ্ধয়ো ইয়াত অংশ গ্ৰহণ কৰে। বোকা ভাওনাৰ বাবে প্ৰয়োজন হোৱা বোকামাটি যি ঠাইৰপৰা অনা হয়, সেই ঠাইৰ চাৰি আঙুল ওপৰৰ মাটি খান্দি পেলাই দিয়াৰ পিছত ধৰ্মীয় ৰীতি নীতিৰে পঞ্চামৃতসহ মাটি খান্দি গুড়ি কৰি চালনীৰে চলা হয়। সেই মাটিখিনি নামঘৰৰ মজিয়াত পানী মিহলি কৰি বোকাৰ উপযোগী কৰি লোৱা হয়। ভাওনাৰ শেষত দৰ্শকে বোকামাটিৰ তিলক ল'বলৈ হেতা-ওপৰা লগায়। ধৰ্মীয় প্ৰথাৰে বিভিন্নজনে তিলক লৈ ঘৰমুৱা হয়। বিশ্বাসমতে, এই তিলক ল'লে মানৱ জীৱনৰ বহু বাধা- বিঘিনি দূৰ হয়। তদুপৰি যিসকল শিশুৱে বোকা ভাওনাত অংশগ্ৰহণ কৰে সেইসকলৰ চৰ্ম ৰোগ নহয় বুলিও বিশ্বাস কৰা হয়। অসমীয়া সংস্কৃতিৰ লগত জড়িত এই বোকা ভাওনা ইতিহাসে গৰকা ব্ৰহ্মচাৰী সত্ৰত আহোম ৰাজত্বৰ দিনৰেপৰা পালন কৰি অহা হৈছে।

(অংশুমান দাসৰ অসমৰ উৎসৱ পাৰ্বণ বুটলি আৰু অসমীয়া প্ৰতিদিনৰ শনিবৰীয়া এনাজৰীৰ আধাৰত যুগুতোৱা ) দী. দে

।। ব্ৰহ্মসংহতি।।

সংহতি বা সঙঘটি দৰাচলতে পন্থভেদৰ কাহিনী। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন কালত সম্প্ৰদায় ভেদৰ বীজ নাথাকিলেও কালক্ৰমত চাৰিটা সংহতিৰ সৃষ্টি হয় - ব্ৰহ্মসংহতি, পুৰুষসংহতি, নিকা সংহতি আৰু কাল সংহতি। এই সংহতি কৃত্ৰিম আৰু ভেদভাৱৰ পৰা উদ্ভৱ হোৱাৰ পক্ষে ড° নেওগে মন্তব্য দি গৈছে। পুৰণি আহোম ৰাজ্যৰ ভিতৰতে সীমিত এই সংহতিৰ বিভেদৰেখা কামৰূপত ধূসৰ। গুৰুচৰিতবোৰৰ ভিতৰত জয়জয়তে অনিৰুদ্ধ দাসৰ গুৰুবৰ্ণনাত (পদ ৩১২-১৩) চাৰিসংহতি ভেদৰ কথা পোৱা যায়, মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাৰ বুৰঞ্জী-বিবেক ৰত্ন অনুযায়ী, বিষ্ণুৰ বৈকুণ্ঠৰপৰা ব্ৰহ্মসংহতিৰ সৃষ্টি। এই সংহতিত ব্ৰহ্মসম্প্ৰদা; পদ্মকল্পত ব্ৰহ্মাক যি ধৰ্মজ্ঞান দিলে, সেই ধৰ্মজ্ঞান, কৰ্মকাণ্ডতো ৰতি। দান-পুণ্যাদিও কৰে, নামধৰ্মত আৰু কৰ্মত

সমানে প্ৰৱৰ্তে, বৈদিক আচাৰ, শৰণ সংহিতাৰ মতে শৰণ, প্ৰত্যক্ষ ভজন। উজনি অসমৰ চাৰি সত্ৰীয়া সকল এই সংহতিৰ ধ্বজা বাহক। এই সংহতিৰ প্ৰায়বোৰ সত্ৰৰে ধৰ্মাচাৰ্যসকল ব্ৰাহ্মণ সম্প্ৰদায়ৰ। চাৰিবস্তুৰ ভিতৰত দেৱক অগ্ৰাধিকাৰ দিয়া ব্ৰহ্মসংহতিত বিষ্ণু বা বিষ্ণু নাৰায়ণৰ প্ৰতীক শালগ্ৰাম পূজাৰো স্থান মন কৰিবলগীয়া। অসমৰ সাংস্কৃতিক ইতিহাসলৈ ব্ৰহ্মসংহতিৰ সত্ৰবোৰৰ অৱদান অনবদ্য।

(ড° মহেশ্বৰ নেওগৰ বিভিন্ন গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না. দা.

।। ব্ৰহ্মপুত্ৰ নদ ।।

তিব্বতৰ কৈলাস গিৰিমালাৰ চেমায়ুংদাং হিমপ্ৰবাহত উৎস থকা মহাবাহু ব্ৰহ্মপুত্ৰই তিব্বতৰ উপৰি অসম আৰু বাংলাদেশৰ মাজেদি অগণন সৰু - বৰ উপনৈ বুকুত কঢ়িয়াই লৈ বংগোপসাগৰত মিলিত গৈছেগৈ। প্ৰায় দুহাজাৰ আঠশ কিলমিটাৰ দৈৰ্ঘৰ বিশাল নদটো তিব্বতৰ চাংপো, অৰুণাচলত চিয়াং আৰু ডিহং, অসমত লৌহিত্য, লুইত, চিৰিলুইত, বৰ লুইত, লাওতু, তিলাও, বুলুং বুথুৰ, ব্ৰহ্মপুত্ৰ আদি আৰু বাংলাদেশত যমুনা নামেৰে পৰিচিত। প্ৰাচীন প্ৰাগ্‌জ্যোতিষ, কামৰূপ আৰু অসমৰ সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত নদৰাজ ব্ৰহ্মপুত্ৰই অখণ্ড প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰাচীন প্ৰাগ্‌জ্যোতিষৰ সভ্যতা-সংস্কৃতিক ব্ৰহ্মপুত্ৰ সভ্যতা-সংস্কৃতি বুলিলে অধিক অৰ্থবহ হয়। লুইতৰ পলসুৱা মাটিয়ে যুগে যুগে অন্ন বস্ত্ৰৰ সন্ধানৰত অষ্ট্ৰিক দ্ৰাবিড়, মংগোলীয় আৰ্য আৰু আৰ্য জনগোষ্ঠীৰ লোকসকলক হাত বাউল দি মাতি আনিছিল-- স্বকীয় কলা-কৃষ্টিসম্পন্ন প্ৰতিটো প্ৰজাতিৰ লোকে পৰস্পৰ মিলামিছাৰে বৃহৎ লুইতপৰীয়া বৰ্ণিল সংস্কৃতি সোণসেৰীয়া কৰি তুলিছিল। বুঢ়া লুইতৰ দুয়ো পাৰে বিভিন্ন দেৱ-দেৱীৰ মন্দিৰ নিৰ্মিত হৈছে, চহৰ-নগৰ আৰু বাণিজ্য কেন্দ্ৰ গঢ়ি উঠিছে। লুইতৰ বুকুৰে নাও-জাহাজ চলাচলে বহিৰ্দেশৰ সৈতে পণ্য সামগ্ৰীৰ আমদানি ৰপ্তানিত উল্লেখযোগ্য ভূমিকা লোৱা বুলিব পাৰি। ব্ৰহ্মপুত্ৰৰ পৰ্যাপ্ত মাছ পুথিয়ে ইয়াৰ জনসাধাৰণ খাদ্যাভ্যাসক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ পলসুৱা মাটিত লোকে খেতি-বাতি কৰি, চাপৰিত গৰু-ম'হ ৰাখি জীৱন ধাৰণৰ প্ৰণালী ছন্দোময় কৰাৰ সুযোগ লৈছে। অৱশ্যে বাৰিষাৰ বলিয়া বানে বহু সময়ত খেতি-বাতি নষ্ট কৰে, গৰু-ম'হ উটাই লৈ যায়- দুৰ্ভিক্ষ আনে। গড়া খহনীয়াই বহুজনক গৃহহাৰা কৰে। পিছে বৰ লুইতে ইয়াৰ জনসাধাৰণলৈ আগবঢ়োৱা অৱদানৰ ক্ষেত্ৰত ই তেনেই নগণ্য। কালিকা পুৰাণৰ মতে, শান্তনুভাৰ্যা অমোঘাৰ অপৰূপ ৰূপ দেখি স্খলিত হোৱা ব্ৰহ্মবীজ শান্তনুৱে পান কৰি অমোঘাৰ গৰ্ভত প্ৰদান কৰাত মুনিজায়াই যি জলধাৰা প্ৰসৱ কৰিলে তাৰ মাজত দৃশ্যমান হয় ৰক্ত গৌৰবৰ্ণ, চতুৰ্ভুজ, পদ্ম-বিদ্যা-ধ্বজ শক্তিধাৰী এটি পুত্ৰ। ব্ৰহ্মবীৰ্যৰূপৰা জন্ম গুণে পুত্ৰটিৰ নাম ব্ৰহ্মপুত্ৰ। শান্তনুৱে

তেওঁক কৈলাস, গন্ধমাদন, জাৰুধি আৰু সাম্বৰ্তক পৰ্বতৰ মাজত স্থাপন কৰে। পৰৱৰ্তীকালত পৰশুৰামে ব্ৰহ্মকুণ্ডত স্নান কৰি মাতৃ হত্যা পাপ মোচন কৰি জগতৰ কল্যাণৰ অৰ্থে কুঠাৰেৰে পথ মুক্ত কৰি পূবফালে বোৱাই আনি কামপীঠৰ মাজেদি প্ৰৱাহিত কৰায়। লোহিত সাগৰৰপৰা নিৰ্গত হোৱা গুণে ইয়াৰ আন নাম লৌহিত্য বা লুইত। চ'ত মাহৰ শুক্লাষ্টমীৰ দিনা ইয়াৰ জলধাৰা অধিক পবিত্ৰ হয়। সেই দিনা ইয়াত স্নান কৰিলে পৰম পদ পোৱা যায়।

দে.দা.

**।। বৌদ্ধ ঐতিহ্য আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰ।।**

হাজোৰ হয়গ্ৰীৱ মাধৱক তিব্বতী লামাসকলে তথা ভূটানৰ ভূটীয়াসকলে মহামুনি বুলি গণ্য কৰে। তেওঁলোকে আনকি হাজোক বুদ্ধ হাজো বুলিও বৰ্ণনা কৰে- ঠিক বুদ্ধগয়াক বৰ্ণনা কৰাৰ দৰে। তিব্বতী বৌদ্ধসকলৰ এটা চামে বিশ্বাস কৰে, লামাসিদ্ধ পদ্মনাভৰ দেহাৱসান হৈছিল হাজোত। বৌদ্ধ লামাসকলে হয়গ্ৰীৱ মাধৱ মূৰ্তিৰ দুয়োকাষে থকা সৰু আকাৰৰ মূৰ্তি দুটিক যথাক্ৰমে উলিয়ান গুৰু আৰু লালকানাই বুলি পূজা কৰে। বৰ্তমানৰ হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটো পৰৱৰ্তী কালৰ প্ৰলোপিত সংস্কৰণ বুলিও বহুতে অনুমান কৰে। বিশিষ্ট ঐতিহাসিক ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়ে তেওঁৰ The History of the Civilization of the People of Assam গ্ৰন্থত হাজোত বৌদ্ধ অতীতৰ কথা উল্লেখ কৰিছে। হাজোত বৌদ্ধসম্প্ৰদায়ৰ মহাযান, বজ্ৰযান, কালযান, তন্ত্ৰযান আৰু সহজযানৰ প্ৰাণকেন্দ্ৰ বুলি ড° চৌধুৰীয়ে আগবঢ়োৱা মন্তব্য তাৎপৰ্যপূৰ্ণ। হাজোৰ চৌদিশে অনেক বুদ্ধস্তুপৰ ভগ্নাৱশেষ সিঁচৰিত হৈ আছে। হাজো ৰাজহ-চক্ৰৰ নিকটস্থ স্থান ডোখৰৰ নাম কুশবে। সেই ঠাইখিনি প্ৰাচীন কালত কুশীনগৰ বুলি খ্যাত আছিল বুলিও এক জনশ্ৰুতি লোক মানসত ওপঙি আছে। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ দৰে পণ্ডিতে হাজোৰ বৌদ্ধ অতীতৰ কথা অসমৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা গ্ৰন্থত বৰ্ণনা কৰিছে। একেখিনি কথা তেওঁ আৰু স্পষ্টভাৱে ক'বলৈ যত্ন কৰিছে তেওঁৰ পুৰণি কামৰূপৰ ধৰ্ম আৰু দৰ্শন নামৰ গ্ৰন্থত। উক্ত গ্ৰন্থত তেওঁ লিখিছে— 'তিব্বত নেপাল আৰু ভূটানত প্ৰচলিত জনশ্ৰুতি মতে, ভগবান বুদ্ধই কামৰূপত দেহত্যাগ কৰিছিল। তাতেই এটা চৈত্য (শূপ) নিৰ্মাণ কৰি বুদ্ধৰ অস্থি ভস্ম প্ৰতিষ্ঠা কৰা হৈছিল। সেই স্থানেই আজিকালিৰ হাজো আৰু সেই চৈত্যই পিছত গৈ হয়গ্ৰীৱ মাধৱৰ মন্দিৰত পৰিণত হৈছে। সেই কাৰণে আজিকোপতি নেপালী আৰু ভূটীয়া বৌদ্ধসকলে হাজোক পবিত্ৰ তীৰ্থস্থান বুলি ভাৱে আৰু তাত নিজ নিজ শাস্ত্ৰ বিধি অনুসৰি ধৰ্ম কৰ্মৰ আচৰণ কৰে।

দ্ৰ.পা.

**।। ভঠেলি ।।**

ধৰ্মৰ সৈতে প্ৰত্যক্ষ সম্বন্ধ নথকা ব'হাগী লোক উৎসৱ ভঠেলি গএগ বাইজৰ অতিশয় জনপ্ৰিয় উৎসৱ। ঠাই বিশেষে ইয়াক স'ৰি বুলি জনা যায়। দৰং জিলাত ইয়াক আকৌ দেউল বুলি কোৱা হয়। ভঠেলি উৎসৱ অসমৰ কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাৰ কিছুমান অঞ্চলতহে এদিনীয়াকৈ ব'হাগ মাহৰ যিকোনো এটা তাৰিখত পতা হয়। ভঠেলিৰ দিনা গাঁৱৰ ডেকাসকলে পুৱা বেলাতে গা ধুই দীঘল বাঁহ এডাল কাটি আনি বৰ ধুনীয়াকৈ চাঁচি চুঁচি চিকুণ কৰি ধুই পখালি লয়। তাৰ পিছত নানা ৰঙৰ কাপোৰ, ৰঙীন কাগজ আদি মেৰাই সুন্দৰকৈ সজায় আৰু বাঁহৰ আগডোখৰত চোঁৱৰ এডাল বান্ধি দি মাংগলিক বাদ্য বজাই বাঁহডাল নামঘৰৰ সন্মুখ নাইবা নিৰ্দিষ্ট কোনো বাকৰিত আনুষ্ঠানিক ভাৱে থিয়কৈ পুতি দিয়া হয়। ইয়াক পাৰ বোলে। ভঠেলিত কম পক্ষেও দুটা পাৰ থাকে - এটা দীঘল আনটো চুটি। দীঘল পাৰটোক দৰা আৰু চুটি পাৰটোক কইনা বুলি কোৱা হয়। যিখন গাঁৱত ভঠেলি উৎসৱ পতা হয়, সেই গাঁওখনে দীঘল পাৰটো পোতে; আন গাঁৱৰ ডেকাই কইনা পাৰটো স্থাপন কৰেহি। পাৰৰ ওচৰতে কলপাতৰ সৰুকৈ ঘৰ সাজি তাত বিগ্ৰহ স্থাপন কৰা হয়। এই ঘৰটোক ভঠেলি ঘৰ বোলে। ভঠেলি ঘৰত স্থাপন কৰা বিগ্ৰহৰ আগত পইচা, নৈবেদ্য আদি দিয়া হয়। পাৰবোৰক ভক্তিভাৱে স্পৰ্শ কৰি সেৱা জনায়। উৎসৱথলীত মেলা বহে আৰু তাত বিবিধ কিনা-বেচা হয়। কিছুমান ঠাইত ভঠেলি উৎসৱত সৰু সৰু ল'ৰা ছোৱালীয়ে গোপ-গোপীৰ অনুকৰণত দধিমথন নৃত্য-গীত প্ৰদৰ্শন কৰে। গধূলি ভঠেলি ঘৰটো ডেকা সকলে মাৰিৰে কোবাই ভাঙি পেলায় আৰু 'ভঠেলিৰ ওৰ পৰিল' বুলি চিঞৰি চিঞৰি উৎসৱৰ সামৰণি পেলায়।

ভঠেলি উৎসৱত ল'ৰা, বুঢ়া সকলোৱে জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে যোগ দিয়ে। হিন্দু সম্প্ৰদায়ৰ লোক ভঠেলি উৎসৱৰ আয়োজক যদিও সকলো সম্প্ৰদায়ৰ লোক মিলিত হোৱা দেখা যায়। সকলো সম্প্ৰদায়ৰ মানুহেই হুঁচৰি মাগি গাই নাচি ধেমালি কৰি ভঠেলি উৎসৱথলী ৰজনজনাই আনন্দমুখৰ কৰি তোলে।

ভঠেলি শব্দৰ আঁতিগুৰি সম্বন্ধে বহুজন পণ্ডিতে ভিন্ ভিন্ মত আগবঢ়াই গৈছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মতে ভঠেলি শব্দটো ভুঁইথলী শব্দৰ পৰা আহিছে। আন কিছুমানে আকৌ ভাটিয়ালী শব্দৰপৰা এই শব্দটো অহা বুলি ক'ব খোজে। আনহাতে ড° বাণীকান্ত কাকতিয়ে 'ভঠেলি' শব্দটো আকাশ বুজোৱা ভস্থলিকা শব্দৰ পৰা আহিব পাৰে বুলি অনুমান কৰে।

বৈ. বা.

**।। ভস্মাচল মন্দিৰৰ শিৱ পূজা ।।**

মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত অৱস্থিত ভস্মাচল নৈসৰ্গিক সৌন্দৰ্যৰে

মহিমামণ্ডিত চিৰসুন্দৰ দেৱাদিদেৱ মহাদেৱৰ পুণ্যতীৰ্থ। গুৱাহাটী মহানগৰীৰ কাছাৰি ঘাটৰ উত্তৰে বৰ লুইতৰ সোঁ-মাজত শোভাবৰ্ধন কৰি থকা ভস্মাচলেই বৰ্তমানৰ উমানন্দ। এই ভস্মাচল বা উমানন্দ কামৰূপৰ পঞ্চতীৰ্থৰ ভিতৰৰ এখনি উল্লেখযোগ্য তীৰ্থস্থলী। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ মতে এই শিলাময় দ্বীপটো ভস্মাচল, ভস্মকূট, ভস্মশৈল, ভৈৰৱধাম, নাটকশৈল আদি বিভিন্ন নামেৰে জনাজাত।

উমানন্দ বা ভস্মাচল মন্দিৰটো আহোম স্বৰ্গদেউ গদাধৰ সিংহৰ নিৰ্দেশানুযায়ী ১৬১৬ শকত গড়গঞা সন্দিকৈ বৰফুকনে নতুনকৈ সাজে। আহোম স্বগদেউ শিৱসিংহই দান দিয়া বৃষভবাহন, পঞ্চমুখ, দশভুজ মহাদেৱৰ ৰূপৰ চলন্তা প্ৰতিমূৰ্ত্তি বেদীত বিৰাজিত আছিল

যদিও দুৰ্ভাগ্যবশতঃ সেয়া চুৰি হয়। মন্দিৰৰ নিত্য পূজাৰ বাবে স্বগদেউ শিৱ সিংহই সুদূৰ কনৌজৰ পৰা দুঘৰ ব্ৰাহ্মণ পৰিয়াল আনি মাটি-বাৰী দান দি বৰদেউৰী ৰূপে নিয়োগ কৰাৰ উল্লেখ লিপিত আছে। সম্প্ৰতি সেই পৰিয়ালৰ সতি-সন্ততিয়ে দেৱালয়ৰ নৈমিত্তিক পূজা-সেৱা চলাই আহিছে। মন্দিৰৰ লিঙ্গটো স্বয়ম্ভু শিৱ লিঙ্গ বুলি কোৱা হয়। লিঙ্গটো বহলে বাৰ আঙুল আৰু দীঘলে একৈছ আঙুলৰ সম। মূল মন্দিৰত নিতৌ শিৱৰ পূজা-অৰ্চনা কৰা হয়। দৈনিক দুপৰীয়া পাঁচশ গ্ৰাম চাউলৰ ভোগৰ লগত দাইল, তৰকাৰী আদিৰে নিৰামিষ ভোগ দিয়াৰ প্ৰথা আছে। অৱশ্যে শিৱৰাত্ৰি আৰু অন্য কোনো পৰ্বত সামিষ ভোগো আগবঢ়োৱা হয়। উল্লেখযোগ্য যে এই মন্দিৰত খাহী ডিঙি মুচৰি মাৰিহে তাৰ মাংস ভোগত লগোৱা হয়। কোনো অমাবস্যা তিথিৰ সোমবাৰে উমানন্দত পূজা কৰিলে একৈশ পুৰুষ উদ্ধাৰ হোৱাৰ লগতে পৰমপদ প্ৰাপ্তি হয় বুলি এক লোকবিশ্বাস আছে।

ভস্মাচলত মূল মন্দিৰৰ উপৰি হৰ-গৌৰী মন্দিৰ, চন্দ্ৰশেখৰ মন্দিৰ, বৈদ্যনাথ মন্দিৰ, গনেশ মন্দিৰ চলন্তা আদি আছে। দৰ্শনাৰ্থীয়ে মূল মন্দিৰ দৰ্শন কৰাৰ পিছত বাকী মন্দিৰবোৰো দৰ্শন কৰিব লাগে। উৰ্ব্বশী কুণ্ডত স্নান কৰাৰ পিছত উমানন্দ দৰ্শন আৰু পাণ্ডুনাথ স্পৰ্শ কৰাৰ পিছত কামাখ্যা গোসাঁনীক পূজা কৰিলে মানুহৰ পুনৰ্জন্ম নহয় বুলি এক লোকপ্ৰবাদ চলি আহিছে।

ক.তা.

**।। ভাইতবাৰীৰ মৃন্ময় ভাস্কৰ্য ।।**

বৰ্তমান মেঘালয়ৰ অন্তৰ্গত ভাইতবাৰীৰপৰা (গাৰোপাহাৰ জিলা) ভালেসংখ্যক পোৰামাটিৰ ফলক সংগ্ৰহ কৰি আনি অসম ৰাজ্যিক সংগ্ৰহালয়ত সুৰক্ষা দিছে। এই সংগ্ৰহৰ সবাতোকৈ মনোৰম ফলকটি হ'ল— দেৱী মনসাৰ (২৯ x ৩২ ছে.মি.)। দ্বিভুজা সৰ্পদেৱীৰ শিৰত পঞ্চমস্তক যুক্ত সৰ্পফণা আৰু বাঁওফালৰ কৰ্ণকুণ্ডলৰ কাষতো আন এডাল সৰ্পৰ

অলংকৰণ। দেৱীৰ মূৰৰ ওপৰত অৰ্ধবৃত্তাকাৰ চৈত্য আৰু তাৰ ওপৰত সুগঢ়িত আমলক। ফলকখনিৰ চাৰিওফালে আছে পদুম পাহিৰ চালে চকুৰোৱা অলংকৰণ। ইয়াত পোৱা আন এখনি আধা ভঙা ফলকত ময়ূৰৰ ওপৰত মহাৰাজ লীলা আসনত বহি থকা কাৰ্তিকেয়ক দেখা যায়। দেৱসেনাপতিজনাৰ দুয়োপাশে আছে দুটি দ্বিভংগিম ঠামৰ নৰমূৰ্তি। আন এখনি ফলকত আছে বাহনৰ ওপৰত অৰ্ধপৰ্য়িংকাসনত গণপতি। ভাইতবাৰী সংগ্ৰহৰ এটি উল্লেখযোগ্য সম্পদ হ'ল শিৱৰ প্ৰতিমাখনি। নান্দীৰ ওপৰত মহাৰাজ লীলা আসনত বহি থকা শিৱৰ শিৰত জটা মুকুট আৰু হাতত আয়ুধ দৃশ্যমান। আলোচিত সংগ্ৰহত দুটি নাৰী মূৰ্তি উদ্‌গত ফলকো আছে। তাৰে প্ৰথমখনিৰ শিৰোচ্ছেদ হৈছে। পদ্মপীঠৰ ওপৰত আসন ভংগীৰতা মূৰ্তিটোৰ অস্থিসংস্থান নিৰ্ভুল। দ্বিতীয়খনি ফলকৰ নাৰী মূৰ্তিটোৰ বাঁও স্তন, ভৰি আৰু মুখৰ কিছু অংশ ভাঙিছে। ইয়াৰে এখনি ফলকত শিৰোচ্ছেদ হোৱা মৃদংগবাদক আৰু আন এখনিত আছে-চৈত্য আৰু আমলকৰ ছত্ৰছায়াত দণ্ডায়মান কিৰীটি-মুকুট শোভিত অৰ্ধ ভগ্ন পুৰুষ মূৰ্তি। গুনীন ভূঞা ডাঙৰীয়াই ভাইতবাৰীৰ টেৰাকটা ভাস্কৰ্যখিনিক খ্ৰীষ্টীয় একাদশ-দ্বাদশ শতিকাত থাপিছে।

(ড° ৰবীনদেৱ চৌধুৰীৰ ইংৰাজী আৰু অসমীয়াত লিখা নিবন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

।। ভাইফোঁটা বা ভ্ৰাতৃ দ্বিতীয়া ।।

হিন্দুৰ মাজত যিমান লোকাচাৰ আছে তাৰ ভিতৰত ভাইফোঁটা অন্যতম। কেতিয়াৰপৰা এই প্ৰথা প্ৰচলিত হৈছে তাৰ সঠিক দিন-বাৰ জনা নাযায়। অনুমান কৰা হয় খ্ৰীষ্টপূৰ্ব ৫২৭বছৰ আগতে এই প্ৰথা প্ৰচলন হয়। ত্ৰয়োদশ শতাব্দীৰ শেষৰ পিনে সৰ্বানন্দ সুন্দৰীৰ নামত এখন তালপাতৰ পুথি পোৱা যায়। এই পুথিতে উপৰ্যুক্ত তথ্যৰ সন্ধান পোৱা যায়। মহাবীৰ প্ৰয়াণে ৰজা নন্দিতবৰ্ধনৰ শোকাতুৰ ভনীয়েকক সান্ত্বনা দিয়ে। বুজাই বঢ়াই অন্নগ্ৰহণ কৰোৱায়। তাৰপৰা ভ্ৰাতৃদ্বিতীয়া পালনৰ প্ৰথা প্ৰচলন হয় বুলি বিশ্বাস প্ৰচলিত। মাৰ্কণ্ডেয় পুৰাণত উল্লেখ আছে ককায়েকৰ বাহিৰে অন্য পুৰুষক স্বামীৰূপে গ্ৰহণ কৰিব পাৰি। ককাই-ভনীৰ ভিতৰত বিবাহ অনুচিত। কালক্ৰমে ভনীয়েকে ককায়েকৰ কল্যাণ আৰু মঙ্গল কামনাৰে কপালত ফোঁট দিয়াৰ প্ৰথা প্ৰচলন হয়। কাতি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়া তিথিত ককায়েকৰ দীৰ্ঘ আয়ুসৰ কামনা কৰি মৃত্যু দূতক বাধা দি ভনীয়েকে জ্যেষ্ঠভাতৃৰ কপালত ফোঁট আঁকি দিয়ে। বাঁওহাতৰ কনিষ্ঠ আঙুলিৰে চন্দনৰ ফোঁট তিনিবাৰ কপালত আঁকি দিয়া হয়। হিন্দুসকলৰ বাবে ব্ৰতধৰ্মী আচাৰ হিচাপে পৰিগণিত হৈ আহিছে এই ভাইফোঁটা, কিন্তু উত্তৰ ভাৰতৰ ফালে দীপাৱলীৰ অংশ হিচাপে ইয়াক পালন কৰা হয়। এই উৎসৱৰ জৰিয়তে যে ককাই-ভনীৰ মাজত এক আন্তৰিক পবিত্ৰ

সুখানুভূতি আৰু ঐতিহ্যৰ দিশটো ফুটি উঠিছে, তাত বিন্দুমানো সন্দেহ নাই।

প. ৰা.

**।। ভাইৰা ।।**

অসমৰ ঐতিহ্য বহনকাৰী এটি মূল্যবান লোক নাট্যানুষ্ঠান হ'ল ঢুলীয়া। ঢুলীয়া অনুষ্ঠান প্ৰধানকৈ ধৰ্মীয়, মাঙ্গলিক আৰু সামাজিক- উৎসৱ অনুষ্ঠান- পাৰ্ৱণৰ লগত গভীৰ ভাৱে সংযুক্ত হৈ আছে। ঢুলীয়া অনুষ্ঠান লোক পৰিৱেশ্য কলাৰ অন্তৰ্ভুক্ত ঢুলীয়া বিলাকে সভা, মেলা, বিয়া -বাৰু আদিত নৃত্য গীত সহ ঢোল বজোৱাৰ উপৰি তেওঁলোকে কুষ্টি, চাৰ্কাচ আৰু অভিনয় প্ৰদৰ্শন কৰে। ঢুলীয়াই প্ৰদৰ্শন কৰা অভিনয় দুই প্ৰকাৰৰ ঃ

(১) পৌৰাণিক কাহিনীৰ লগত জড়িত অভিনয় আৰু (২) সমকালীন সমাজৰ সামাজিক আচৰণ আদিক ব্যংগ কৰি প্ৰদৰ্শন কৰা অভিনয়-যাক এটা অৰ্থত চং আখ্যা দিয়া হয়। ঢুলীয়া দলৰ শিল্পীসকলক এনে দৰে শ্ৰেণী বিভাজন কৰিব পাৰি - ঘাই ঢুলীয়া, ঢুলীয়া, বায়ন বা বাইন, গায়ক বা গাইন, তালুৱৈ, ভাউৰীয়া বা ভাৱৰীয়া বা ভাইৰা, আঁৰিয়া ধৰা, কৃষ্টি প্ৰদৰ্শনকাৰী ঢুলীয়া, অভিনয় বা চঙত অংশ গ্ৰহণকাৰী ঢুলীয়া বা কালীয়া, চং প্ৰদৰ্শন আৰু অভিনয়ত সক্ৰিয়ভাৱে অংশগ্ৰহণকাৰীসকলক কামৰূপত ভাইৰা বা ভাউৰা বা ভাৱৰীয়া বোলে। ভাইৰা বা ভাৱৰীয়া পদটো সংস্কৃত 'ভাৱ' পদৰপৰা আহিব পাৰে। অভিনয়ত ৰস আৰু ভাৱ উভয় ধাৰণাৰ স্থিতি লক্ষ্য কৰিব পাৰি। ধনঞ্জয়ৰ মতে নৃত্য আৰু নাটকৰ মূল উপাদান ভাৱ আৰু ৰস। ভাৱ নিৰ্বাহিকাৰীয়েই ভাইৰা বা ভাৱৰীয়া। যিজন লোকে অন্য এটা চৰিত্ৰৰ ভাৱ প্ৰকাশ কৰিব পাৰে তেঁৱেই ভাইৰা। ভাইৰাসকলে বিভিন্ন কু ষ্টি, খোট দিয়া, নাটকত অভিনয় কৰা, নানা অঙ্গি-ভঙ্গি আৰু বচনেৰে ৰহুৱালি কৰা দেখা যায়। দৰ্শকৰ বাবে ভাইৰাসকলৰ কৃষ্টি আৰু ৰহুৱালি অতি আকৰ্ষণীয়। ঢুলীয়া ভাউৰাৰ কুষ্টিবোৰ কোনো গুণে উন্নত চাৰ্কাচ দলতকৈ কম গুণমান বিশিষ্ট বুলি ক'ব নোৱাৰি। কামৰূপীয়া বৰঢুলীয়াৰ প্ৰধান চৰিত্ৰ ঘাই ঢুলীয়াই তালিমৰা পেটলুং আৰু জামা জাতীয় পোছাক পিন্ধে। মুখমণ্ডল চিনিব নোৱাৰাকৈ বগা ৰং অথবা পিঠাগুড়ি ঘঁহি লোৱা দেখা যায়। ভাইৰাসকলে বিভিন্ন ৰঙীন টুপি পিন্ধে। তামোলৰ ঢকুৱাৰে নিৰ্মিত মুখা পৰিধান কৰে। মুখাবোৰ বিভিন্ন চৰিত্ৰৰ ভাও দিবলৈ নিজেই সাজি লয়। ভাইৰাৰ উদ্দেশ্যই হ'ল দৰ্শকক আমোদ দিয়া। ভাইৰা পৰম্পৰাৰ প্ৰচলন অবিভক্ত কামৰূপত বৰ্তমানো জীৱন্ত ভাৱেই চলি আছে। এই প্ৰসংগত নিংনি ভাইৰা, সোমবৰ ভাইৰা, শুখুলা ভাইৰা, ভোল ভাইৰা, মোহন ভাইৰা, বালেক ভাইৰা, আৰু সোণাৰাম ভাইৰাৰ নাম উল্লেখ কৰিব পাৰি।

ম. দে.

**।। ভাত পিঠা ।।**

তপত পানীত বুৰাই তৈয়াৰ কৰা পিঠাৰ ভিতৰত ভাত পিঠাৰ স্থান সুকীয়া। এই পিঠাৰ বাবে লাহী চাউল বিশেষকৈ আমপতি চাউল হ'লে ভাল। কোনো কোনো অঞ্চলত আৰৈ চাউল আৰু আন কোনো কোনো অঞ্চলত আৰৈমূৰীয়াকৈ উখোৱা চাউলৰ পিঠাগুড়িৰে এই পিঠা সাজে। পিঠাবিধ সাজিবলৈ এখন বাঁহৰ সেৰেঙা চাৰিকোণীয়া চালনী আৰু এখন সৰু বাঁহৰ সিঁচা বা জাকৈৰ প্ৰয়োজন। পোনতে পিঠাৰ চাউলখিনি ভালদৰে মিহিকৈ খুন্দি সেইখিনি কুহমীয়া গৰম পানীৰে তিয়াই ঢিলাকৈ সানি লৈ ইতিপূৰ্বে তপতাই থোৱা ডাঙৰ কেৰাহীটোৰ ওপৰত বাঁহৰ ফুটা থকা চালনীখন ৰাখি হাতেৰে পিঠাগুড়িৰ লদাবোৰ হেঁচি থাকিব লাগে। তেতিয়া পিঠাগুড়িৰ লদাটোৰ/ৰো ডাঙৰ ভুজিয়াৰ আকাৰত চালনীৰ ফুটাৰে সৰকি গৈ ভকভকাই থকা তপত পানীত পৰেগৈ। চাৰি-পাঁচ মিনিটমান পানীত সিজাৰ পিছত ইতিমধ্যে যতনাই থোৱা বাঁহৰ সিঁচা বা জাকৈখনেৰে পিঠাবোৰ তুলি আনি কলপাতত পাতলকৈ মেলি থ'ব লাগে। অলপ সময়ৰ পিছতে সি পৰিৱেশনৰ উপযোগী হৈ উঠে। এই ভাত পিঠা মৌজোল, এবাঁ বা দৈ গাখীৰ, ঘি আদিৰে খাবলৈ সোৱাদ লগা। উজনি অসমত সাত বা ন মহীয়া গৰ্ভৱতী নাৰীক ভাতপিঠা খুওৱা দস্তুৰ আজিও অব্যাহত। পথাৰৰ খেতি উঠাৰ কালতো ভাত পিঠা খোৱা নিয়ম। আঠমঙলা অনুষ্ঠানতো ভাত পিঠা চলে। ভদীয়া ল'ৰা-ছোৱালীক ভাত পিঠা খুওৱাটো উজনিৰ আন এটা দস্তুৰ। জ্যো. দা.

**।। ভাদ মাহৰ নাম ।।**

ভাদ মাহ অসমীয়া বাৰমাহৰ এটি পৱিত্ৰ মাহ। এই ভাদ মাহতে ভগৱান কৃষ্ণৰ জন্ম হৈছিল বুলি ধাৰণা কৰা হয়। অসমীয়া সমাজ - সংস্কৃতিৰ আদৰ্শ নায়ক মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰো জন্মও এই ভাদমাহতে হৈছিল। সেইবাবে ভাদ মাহক অসমীয়া সমাজে এক পৱিত্ৰ মাহ হিচাপে গণ্য কৰি আহিছে। অসমীয়া মানুহৰ ঘৰে ঘৰে, গাঁৱৰ গোসাঁই ঘৰ- নামঘৰ আদিত আয়তী-নামতীসকলে পৱিত্ৰ অন্তঃকৰণেৰে শৰাই নৈবেদ্য আগবঢ়াই ভগৱানৰ নাম-কীৰ্তন কৰি পৰম শান্তি লাভ কৰে। গাঁৱৰ নামঘৰ গোঁসাই ঘৰত ভাদ মাহৰ নাম বুলিলে বুলিবৰ নাই। কেতিয়াবা সমূহীয়া ভাৱে নাইবা কেতিয়াবা ব্যক্তিগত ভাৱে নামঘৰত শৰাই আগবঢ়াই সমাজ আৰু পৰিয়ালৰ সুখ শান্তি কামনা কৰা হয়। ভাদ মাহৰ আটাই কেইদিন দুপৰীয়া আৰু গধূলি গাঁৱৰ নামঘৰ বোৰত নাম প্ৰসংগ চলে। গাঁৱৰ সৰু বৰ সকলোৱে ভাদ মাহৰ নৈবেদ্য খাবলৈ নামঘৰত গোট খায়। নামতীসকলে শৰাই আগবঢ়াই ভগৱান কৃষ্ণৰ স্তুতিসূচক নাম জাত লগাই গায়—

শাস্ত্ৰৰো উত্তম গীতা ভাগৱত/ব্ৰহ্মাৰো উত্তম নাম হৰি এ../
দেৱৰো উত্তম দৈৱকী নন্দন/চৰণে কৰো প্ৰনাম হৰি এ...//

নামতী সকলে প্ৰথমে শ্ৰীকৃষ্ণৰ বন্দনা কৰি "কৃষ্ণায় বাসুদেৱায় দৈৱকীনন্দনায় চ" বুলি প্ৰণামসূচক শ্লোক মাতে। তাৰ পিছত শংকৰদেৱ-মাধৱদেৱৰ বৰগীতৰ সুৰ ধৰে। ইয়াৰ পিছত নামঘোষা চাৰি চৰণ গাই কীৰ্তনৰ পদ জোৰে। ভগৱান কৃষ্ণৰ মহিমা সূচক নাম গাই ভক্ত হৃদয় আকুল হৈ উঠে। নামতীসকলে গায়-

'দ্ৰৌপদীৰ ভয়ে ভয়ংকৰ/তুষ্ট ভৈলা নাৰায়ণ/পলাই গৈলা দুৰ্বাসা দুৰ্জন/

আকৌ দয়াময় ভগৱানক আকুল ভাৱে প্ৰাৰ্থনা কৰি গায়--

'দয়াময় দয়াময় দয়াময় হৰি/অ.. চৰণে শৰণ লৈলো/ৰাখা দয়া কৰি/

অ ৰাম জয় হৰি//

জন্মাষ্টমীৰ দিনাখন কৃষ্ণৰ জন্ম বৃত্তান্ত গাই আয়তীসকলে নাম জোৰে--

'ভাদ মাহৰে কৃষ্ণা অষ্টমীতে/মঙ্গলবাৰৰ দিনা ৰাতি/ ৰোহিনী নক্ষত্ৰত গোঁসাই উপজিলে/সুগন্ধিৰ লগালে বাতি//

(নাম অমৃত - নীলিমা শইকীয়া বৰা

সেইদিনা নামঘৰত নিজা গোসাঁই ঘৰত হিন্দু সকলে জন্মাষ্টমী উৎসৱ ডাঙৰকৈ পাতে। আয়তীসকলে মহাপুৰুষ শংকৰদেৱৰ মাহাত্ম্য সূচক নাম গায়--

'শংকৰদেৱ কিনো তোমাৰ লীলা/অত ৰাতি ভকতক নামেৰে বান্ধিলা.../

আকৌ - বৰদোৱাতে জন্মিছিল চিৰি (শ্ৰী) শংকৰদেৱে

ধৰ্ম প্ৰচাৰ কৰিছিল চিৰি (শ্ৰী) শংকৰদেৱে।

এনেদৰে শৰাই নৈৱেদ্য আগবঢ়াই চাকি বন্তিৰে নামঘৰ-গোসাঁই ঘৰত বহি ভক্তসকলে ভাদ মাহৰ নাম পাতে। নামৰ অন্তত এগৰাকীয়ে ভক্তসকললৈ আশীৰ্বাদ জনাই সমাজৰ লগত গৃহস্থৰো মংগল কামনা কৰে, লগতে, 'অপৰাধ বিনাশন- তযু নাম নাৰায়ণ-জানি নামে পশিলো শৰণ'- বুলি নামৰ সামৰণি পেলায়।

ম. গো.

**।। ভাৱীগান ।।**

দক্ষিণ গোৱালপাৰাৰ অন্যতম লোক নাট্যানুষ্ঠান হৈছে ভাৱীগান। ৰামায়ণ আৰু মহাভাৰতৰ আখ্যানৰ আধাৰত দক্ষিণ গোৱালপাৰাৰ এই মৃতপ্ৰায় লোক-নাট্যানুষ্ঠানটি অসমীয়া লোক-নাট্যানুষ্ঠানলৈ এক গুৰুত্বপূৰ্ণ অৱদান আছিল। এই অঞ্চলৰ ৰাভাসকলৰ মাজত ভাৱীগান সংৰক্ষিত বুলি ক'লেও বঢ়াই কোৱা নহয়।

অভিনয় কম কিন্তু সংগীত প্ৰধান এই লোক-অনুষ্ঠানটিৰ এজন প্ৰধান ভাৱৰীয়া আৰু এদল সহযোগী কলা-কুশলী থাকে। দৰঙৰ খুলীয়া ভাউৰীয়াৰ ওজাৰ দৰে হাতত চোঁৱৰ লৈ নাচি-বাগি পদ লগাই দিয়ে আৰু বাকীসকলে তেওঁক সহযোগ কৰে। ধুতি চাদৰ পৰিধান কৰা গায়কে ডিঙিত কেতিয়াবা ৰুদ্ৰাক্ষৰ মালা পৰিধান কৰে। মুখাৰ

ব্যৱহাৰ ভাৰীগানৰ অপৰিহাৰ্য অংগ। বহুৱা চৰিত্ৰ সদৃশ ভাৰীগানত কেতুৱা চৰিত্ৰৰ ভূমিকাও গুৰুত্বপূৰ্ণ। কেতুৱাইয়ো প্ৰয়োজন সাপেক্ষে মুখাৰ ব্যৱহাৰ কৰে। মূক অভিনয় আৰু মুখাৰ অভিনয় ভাৰীগানৰ প্ৰধান উপজীব্য বুলি ক'ব পাৰি।

ভাৰতীয় জন-জীৱনত ৰামায়ণ-মহাভাৰতৰ প্ৰভাৱ অনস্বীকাৰ্য। এই দুয়োখন মহাকাব্যৰ প্ৰধান চৰিত্ৰসমূহক লৈ জন-সমাজত বিভিন্ন ধৰণৰ জনশ্ৰুতিও প্ৰচলিত। ভাৰীগানত ৰাম-লক্ষ্মণ-সীতাৰ চৰিত্ৰ জনশ্ৰুতিৰ প্ৰভাৱ পৰিছে। ইয়াৰ ভাষাত বঙলুৱা প্ৰভাৱো লক্ষণীয়। পশ্চিম বংগৰ লোক-নাট্যানুষ্ঠানৰ প্ৰভাৱৰ ফলতেই দক্ষিণ গোৱালপাৰাত সুকীয়া ৰূপ-ৰসেৰে এই ভাৰীগান সু-সমৃদ্ধ হৈ উঠিল বুলি ক'ব পাৰি।

প. ৰা.

**।। ভাৱাইয়া আৰু চট্‌কা ।।**

প্ৰেম আৰু আসক্তিৰ গোৱালপৰীয়া লোকগীতখিনিক ভাৱ আৰু সাংগীতিক গাঁঠনিৰ দিশৰপৰা ভাৱাইয়া আৰু চট্‌কা নামেৰে দুটি শ্ৰেণীত বিভক্ত কৰা হৈছে। কৰুণ ৰসসিক্ত প্ৰেমিক-প্ৰেমিকাৰ অপূৰ্ণ কামনা, বাঞ্ছিতজনৰ সংগলাভৰ বাবে অদম্য বাসনা মৈষাল মাহুতৰ গীতৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ সৰহসংখ্যক গীতেই ভাৱাইয়াৰ অন্তৰ্ভুক্ত। লোক কবিৰ ভাৱৰ লগত সম্পৃক্ত এই গীতখিনিৰ সুৰ গহীন, গম্ভীৰ, দীঘলীয়া আৰু কৰুণ।

আনহাতে ধেমেলীয়া, চঞ্চল, চপলতা প্ৰেম হৈছে চট্‌কা গীতখিনিৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ সুৰ চঞ্চল আৰু কৌতুকধৰ্মী। পৰকীয়া প্ৰেম অথবা দেওৰ-নবৌয়েকৰ মাজত যৌন ইংগিতধৰ্মী কথোপকথন চট্‌কা গীতৰ অন্য এক বৈশিষ্ট্য।

ভাৱাইয়া আৰু চট্‌কা দুয়োখিনি গীতেই দোতাৰাৰ সহযোগত গোৱা হয়। দুয়োখিনি লোকগীতেই জনপ্ৰিয়।

প. ৰা.

**।। ভূত চতুৰ্দশী ।।**

কাতি মাহত কালীপূজাৰ আগদিনা ভূত চতুৰ্দশী পালন কৰা হয়। ঘোৰ অমাৱস্যাৰ চতুৰ্দশী তিথিত সন্ধিয়া সময়ত চৈধ্য গছি চাকি জ্বলাই চৈধ্য পুৰুষৰ নামত আগবঢ়োৱা হয়। সন্ধিয়া পৰত কঠালৰ পাতত নতুবা ঔ টেঙাৰ বাকলি গুচাই তাৰ খোলবোৰত ঘিউ ঢালি, শলিতা দি চাকি প্ৰজ্বলন কৰা হয়। কোনো কোনোৱে কলগছৰ দোনা সাজিও তাত ঘিউ দি চাকি প্ৰজ্বলন কৰে। এই চাকিবোৰ ঘৰৰ পদূলি, গোহালিঘৰ, শাকনিবাৰী, ফুলনি আদিত ঠায়ে ঠায়ে দিয়া হয়। এই চাকি যোগেদি চৈধ্য পুৰুষক স্মৰণ কৰা হয়। লগতে, তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰি গৃহলৈ সুখ-শান্তি কঢ়িয়াই আনে বুলি বিশ্বাস কৰা হয়। কালী পূজাৰ আগদিনা নিশা, ঘোৰ আঁউসীত দেও-ভূত আদিয়ে কোনো ধৰণৰ

অপায়-অমংগল যাতে কৰিব নোৱাৰে আৰু চাকিৰ পোহৰত সকলো আঁতৰি যায়- তেনে বিশ্বাসৰ ভিত্তিতে চতুৰ্দশী তিথিত চৈধ্য গছি চাকি জ্বলোৱা নিয়ম প্ৰচলিত হৈ আহিছে। তদুপৰি দেও-ভূত আদিয়ে যাতে লম্ভিব নোৱাৰে তাৰ বাবে সেইদিনা সন্ধিয়া অকণমান ঘিউ গা-মুৰ আদিতো সানি লোৱা হয়। কামৰূপ-গোৱালপাৰা অঞ্চলত কালীপূজাৰ আগদিনা চতুৰ্দশী তিথিত সন্ধিয়া চৈধ্য গছি চাকি জ্বলাই ভূত চতুৰ্দশী পালন কৰা প্ৰথা অতি পুৰণি দিনৰ পৰাই চলি আহিছে। বৰ্তমান সময়তো চৈধ্য গছি চাকি জ্বলাই সন্ধিয়া পৰত পূৰ্ব-পুৰুষক স্মৰণ কৰি ভূত-চতুৰ্দশী পালন কৰা হয়। ভূত চতুৰ্দশীৰ দিনা অসমীয়া মানুহে চৈধ্যবিধ শাক একেলগে ৰান্ধি খোৱা ৰীতি এটা এতিয়াও প্ৰচলিত।

ম. গো.

**।। ভেকুলী বিয়া ।।**

সহজ-সৰল অসমীয়ালোকে বিভিন্ন বিশ্বাসৰ ভেটিত সময়ে সময়ে যিকেইখন বিয়া পাতে, সেই কেইখনৰ ভিতৰত গছ পূজা, পুতলা বিয়া আৰু ভেকুলী বিয়া উল্লেখযোগ্য। চ'ত-ব'হাগ মাহত বৰষুণৰ অভাৱ হ'লে কৃষিজীৱী অসমীয়াই পুখুৰীপাৰৰপৰা দুটি ভেকুলী ধৰি আনি নহ'লে দুটা চুক ভেকুলীৰে এজনীক কইনা আৰু আনটো দৰা পাতি দুঘৰ মানুহৰ ঘৰত থয়। ইয়াৰ পিছত যথা নিয়মে পানী তুলি, হোম কৰি নোৱাই-ধুৱাই বিয়া পাতে। বিয়াৰ কালত ভেকুলীয়ে টোৰটোৱালে আকাশত মেঘ স্তুপীকৃত হয়- ধাৰাসাৰে বৰষুণ দিয়ে বুলি এটা বিশ্বাস অদ্যাপি প্ৰচলিত। ভেকুলী বিয়াৰ সৈতে ইন্দ্ৰদেৱতা সাঙুৰ খাই থকাটো উল্লেখযোগ্য। ইন্দ্ৰদেৱতাৰ কৃপাত বৰষুণ হয়। ভেকুলীয়ে টোৰ টোৱালে বৰষুণ পৰে। সহজ-সৰল অসমীয়া লোকে সেইবাবে ইন্দ্ৰদেৱতা আৰু ভেকুলীৰ মাজত এটি অদৃশ্য সম্পৰ্ক বিচাৰি পাইছিল। 'ৰাম ৰাম ভেকুলীৰ বিয়ালৈ/ ৰাম ৰাম আহে ইন্দ্ৰদেৱে/ বতাহ-বৰষুণত তিতি হে/', 'খহুলী ভেকুলীৰ বিয়া এ/ ইন্দ্ৰে বৰষুণ দিয়া এ।' ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ ভাষাত 'ভেকুলী বিয়া সাধাৰণ বিয়াৰ সংক্ষিপ্ত সংস্কৰণ।' ভেকুলীৰ বিয়া উপলক্ষে গোৱা নামবোৰ অসমীয়া লোক সাহিত্যৰ অনুপম সম্পদ। অৱশ্যে কিছু সংখ্যক সাধাৰণ বিয়া নামকে ভেকুলী বিয়াতো গোৱা হয়। এই বিয়াৰ নামবোৰ কিছু ধেমেলীয়া। যেনে -

'খহুলী খাপৰী চুকৰে ভেকুলী হাতৰ-কাণৰ খুলি পিন্ধে।'

'আগবেলা মাতিলোঁ পিছবেলা আহিলি মেখেলা কৰিলি চুৰ;

গায়নক মাতিলোঁ ঢুলীয়া আহিলে লগতো মদাৰৰ ঢোল।'

সামৰণিত ড° লীলা গগৈৰ ভাষাৰে - 'ভেকুলী বিয়াৰ নামৰ পৰিমাণ তাকৰীয়া হ'লেও লোক-বিশ্বাসৰ ঐতিহ্য জড়িত কৃষিজীৱী সমাজৰ গীত হিচাপে লোক-সাহিত্যত ইয়াৰ মূল্য বৈশিষ্ট্যপূৰ্ণ।' (অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা)।

না. দা

**।। ভেৰী ।।**

প্ৰাচীন ভাৰতীয় অৱনদ্ধ বাদ্যৰ ভিতৰত ভেৰী অন্যতম। বিগত কালৰ যুদ্ধ, শোভাযাত্ৰা আৰু উৎসৱাদিত এই বাদ্য বজোৱা হৈছিল। আদিকাব্য ৰামায়ণৰ যুদ্ধ কাণ্ডৰ একাধিক ঠাইত ইয়াৰ নামোল্লেখ হৈছে। সৈন্যসকলক উৎসাহিত কৰিবলৈ অথবা শত্ৰু সৈন্যৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিবলৈ আন আন বাদ্যৰ লগতে ভেৰীকো বজোৱাৰ কথা মহাভাৰতত পোৱা যায়। জাতক সাহিত্যত ভেৰী বাদ জাতক শীৰ্ষক এটা আমোদজনক গল্পই আছে। আচাৰ্য শায়নাচাৰ্যই তাণ্ড্যমহাব্ৰহ্মণৰ ভাষ্যত ভেৰী আৰু দুন্দুভিক সমপৰ্যায়ৰ বাদ্য বুলিছে (ষষ্ঠ অধ্যায়, পঞ্চমখণ্ড, সূত্ৰ-১৩)। ত্ৰয়োদশ শতাব্দীত ৰচিত শাৰ্ঙ্গদেৱৰ সংগীত ৰত্নাকৰৰ বৰ্ণনা অনুযায়ী 'তামেৰে নিৰ্মিত এই বাদ্যটো দীঘলে পয়ষষ্ঠি ছেণ্টিমিটাৰ আৰু প্ৰতিটো মুখৰ ব্যাস পঁচিশ ছেণ্টিমিটাৰ। বাদ্যটোৰ এখন মুখ হাতেৰে আৰু আনখন এডাল মাৰিৰে আঘাত কৰি বজোৱা হৈছিল। বেনাপ্ৰকাৰো ভেৰীৰ প্ৰচলন আছিল। যুদ্ধৰ সময়ত বজোৱা ৰণভেৰী, গোপীসকলে ধামৰ গীতৰ লগত নৃত্য কৰোঁতে বজোৱা আনন্দভেৰী, মদনভেৰী ইত্যাদি।' সংস্কৃত মহাকাব্য আৰু পুৰাণাদি অসমীয়াত পদবন্ধ কৰাৰ লগে লগে ভেৰী অসমীয়া পাঠকৰো চিনাকি হৈ পৰে। দুটামান দৃষ্টান্ত; ক) মুৰুৰী দোশৰি ঝড় ঝডি ভেৰী শবদৰ কোলাহল (মাধৱ কন্দলি), খ) ঢাক ঢোল ভেৰি ডেমছি ধুমছি দগৰো মাৰোক বাংশী (হৰিবৰ), গ) শংখ ঘণ্টা ঢাক ঢোল শিংখা কালি ভেৰী (সূৰ্যখৰি দৈৱজ্ঞ) আদি।

না দা.

**।। ভেলদিয়া উৎসৱ ।।**

ভেলদিয়া অথবা ভেলাদিয়া উৎসৱ সাধাৰণতে দক্ষিণ কামৰূপৰ বিভিন্ন স্থানত জেঠ-আহাৰ মাহত ঘৰুৱা অথবা ৰাজহুৱা ভাৱে উদযাপিত হয়। কৃষক, খাটোৱাল আৰু মৎস্যজীৱীসকলৰ মাজত এই উৎসৱৰ পয়োভৰ বেছি। ভেলদিয়া এদিনীয়া উৎসৱ। উৎসৱৰ দিনা জলদেৱতালৈ প্ৰসাদ, উপকৰণ আৰু গোপালভোগ আগবঢ়োৱাটো সাধাৰণ নিয়ম। ৰাজহুৱাভাৱে উদযাপিত এই উৎসৱত জলদেৱতাৰ নামত এটি হোমৰো ব্যৱস্থা কৰা চকুত পৰে। এই উৎসৱৰ চকুত লগা এটি অংগ হ'ল জাকজমকৰৈ সজোৱা এখনি কলৰ ভুৰ (ভেল)। কোনো কোনোৱে ভুৰৰ ওপৰত মণ্ডপ সাজি দিয়ে। সেই ভুৰত ন যোৰ হাঁহ কণী, ন টা পকা কল, নগছি চাকি আৰু নযোৰ পাণ-তামোল আগ বঢ়োৱাটো সাধাৰণ দস্তুৰ। হোমৰ পিছত গীতা, ভাগৱত অথবা কীৰ্তনৰ এটা অধ্যায় পাঠ কৰোৱা হয়। নাম-কীৰ্তনো চলে। গধূলি পৰত নাম-কীৰ্তন গাই সু-সজ্জিত কলৰ ভুৰখনি ওপৰত উল্লেখ কৰা সম্ভাৰসমূহেৰে সৈতে দাঙি নি নদীত উটুৱাই দিয়ে। তাৰ

পিছত নামঘৰলৈ আহি ৰাইজে মাহ-প্ৰসাদ খায়।

ভূৰত ন সংখ্যক দ্ৰব্য সম্ভাৰ আগবঢ়োৱাৰ অন্তৰালত তান্ত্ৰিক প্ৰভাৱ থাকিব পাৰে। গাঁৱত হাইজা-বসন্তই দেখা দিলে ভেল দিয়া কথাটোৱে উক্ত মন্তব্যত শান দিয়ে। কৃষকসকলৰ শালি-বাওধান যাতে বানপানীয়ে অনিষ্ট নকৰে, মৎস্যজীৱীসকলে যাতে বাধাহীনভাৱে মাছ ধৰিবলৈ সমৰ্থ হয় - ঘাটোৱালসকলে যাতে নৈৰ ঘাটত মানুহ পাৰ কৰোঁতে কোনো ধৰণৰ বিপদ-বিঘিনিৰ সন্মুখীন নহয় - তাৰবাবে তেওঁলোকে ঘৰুৱা ভাবে অথবা ৰাজহুৱা ভাৱে 'ভেল দিয়া'ৰ বাৎসৰিক উৎসৱটি আন্তৰিকতাৰে উদ্‌যাপন কৰি আহিছে।

না. দা.

।। ভোৰতাল ।।

ধাতুৰে তৈয়াৰী ঘনবাদ্যৰ ভিতৰত ভোৰতাল অন্যতম। তাল কেবাবিধো - সৰু তালক খঞ্জৰি বা খঞ্জৰিকা, খুটি তাল, পাতিতাল নাইবা মন্দিৰা বোলে। ডাঙৰ তালৰ নাম ৰামতাল, ব্ৰহ্মতাল বা ভোৰতাল। ভূটান, তিব্বত আদিত বৌদ্ধ সংগীতত ভোৰতালৰ লেখীয়া বাদ্য-যন্ত্ৰৰ ব্যৱহাৰ দেখি কোনো কোনোৱে ভাৱে যে ভোট দেশৰপৰা আমদানি কৰা তালেই ভোটতাল বা ভোৰতাল। আচলতে ডাঙৰ অৰ্থ বুজাবলৈ বৰতাল বা ভোৰতালৰ সৃষ্টি। বৈষ্ণৱৰ নাম-কীৰ্তন, থিয়-নাম, পাল-নাম, চেওঁ-চাপৰি নাম প্ৰভৃতিৰ পৰিৱেশনত ভোৰতাল অত্যাৱশ্যকীয় অংগ। ইয়াৰ গুৰু-গম্ভীৰ নাদে শ্ৰোতাৰ অন্তৰত কেনে ভাবৰ জোৱাৰ তোলে, তাক শব্দৰদ্বাৰা প্ৰকাশ কৰাটো প্ৰায় অসম্ভৱ। থিয় অথবা পালনামত একোজনা বাদকে কেবাজোৰো ভোৰতাল একেলগে বজাই শ্ৰোতা আৰু দৰ্শকমণ্ডলীক মুগ্ধ কৰে।

না. দা.

।। মগৰদানা ।।

অভিজাত সম্প্ৰদায়ৰ পুৰুষে পিন্ধা এবিধ ডিঙিৰ কণ্ঠহাৰ হ'ল মগৰদানা। পাত সোণেৰে নিৰ্মিত মগৰদানাৰ আকৃতি অৰ্ধগোলাকাৰ আৰু কিছুমান টুকুৰাৰে গঢ়া। এই টুকুৰাবোৰ ডেৰ ইঞ্চিমান দীঘল। সোঁমাজৰ টুকুৰা কেইটা ডাঙৰ। তাৰ কাষত টুকুৰাবোৰ ক্ৰমাৎ সৰু আৰু চিয়াঁ। টুকুৰাবোৰ দুয়োকাষে মূৰে মূৰে চাৰিটাকৈ সৰু আঙঠি লগোৱা থাকে। এই আঙঠিবোৰৰ মাজেৰে দুয়োকাষে দুডাল শকত সূতাৰে মালাধাৰ গাঁথি লোৱা হয়। মালাৰ মূৰ দুটাত দুটা মগৰ চানেকিৰ টুকুৰা থাকে। ডিঙিৰ পিছফালে দুই মূৰৰ সূতাদুডাল বান্ধি ইয়াক পৰিধান কৰা হয়। কোনো মগৰদানাত যোল্লটা, আন কোনোটোত বত্ৰিশটা বা অইন এক প্ৰকাৰত চৌষষ্টিটা পৰ্যন্ত টুকুৰা থাকে।

প্ৰ.শ. গো.

।। মংগল চোৱা ।।

অতি প্ৰাচীন কালৰপৰা অসমীয়া সমাজত মংগল চোৱা প্ৰথা প্ৰচলিত। অসমীয়া লোক বিশ্বাসক সমৃদ্ধ কৰা ই এক অতি আকৰ্ষণীয় বিশ্বাস। বিভিন্ন ধৰণৰ যাদু-মন্ত্ৰৰ প্ৰয়োগৰ জৰিয়তে কোনো বিষয়ৰ সম্ভেদ সংগ্ৰহ কৰাকে সাধাৰণ অৰ্থত মংগল চোৱা বা ভৱিষ্যত গণনা কৰা বুলি কোৱা হয়। ভৱিষ্যৎ সম্পৰ্কে জানিবলৈ মানুহ সদায়ে আগ্ৰহী; মংগল চাই মানুহৰ ভৱিষ্যত দৰ্শনৰে প্ৰচেষ্টা কৰে। অসমীয়া লোক-সমাজত শুভ কৰ্ম কৰাৰ আগতে যেনে ঃ ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ আগতে, গৃহ প্ৰৱেশৰ সময়ত, বিয়া-বাৰুৰ দিন ঠিক কৰাৰ আগতে নাইবা হেৰুৱা বস্তু বিচাৰি উলিয়াবলৈ, দোষীক চিনাক্ত কৰিবলৈ, যাত্ৰা কাল নিৰূপণ কৰিবলৈ শুভাশুভ গণনা কৰি মংগল চোৱা হয়। মংগল চোৱা বিভিন্ন উপায় অসমীয়া সমাজত দেখা যায়। মাটিত আঁক পাৰি 'কড়ি মাৰি' চাউল তামোল আদি প্ৰয়োগ কৰি তথা জীৱ-জন্তুৰ গতিবিধি চাই, জুইত জন্তুৰ হাড় পুৰি সেই হাড়ত কিমান ফাট মেলিছে তাৰ ওপৰত নিৰ্ভৰ কৰি, মানুহৰ হাত চালন প্ৰক্ৰিয়াৰ হস্তৰেখা অধ্যয়ন কৰি মংগল চোৱা দেখা যায়। বহুতো ঠাইত নৱগ্ৰহৰ মালা বা ৰুদ্ৰাক্ষৰ মালা এডালৰ জৰিয়তে মংগল চোৱা হয়। ভৱিষ্যত জানিবলৈ ইচ্ছা কৰা ব্যক্তি জনক সেই মালাত ধৰিবলৈ দি তেওঁৰ ভৱিষ্যতৰ বিষয়ে কোৱা হয়। মংগল চোৱা প্ৰথাটো দৰাচলতে লোক বিশ্বাসৰ ওপৰতে প্ৰতিষ্ঠিত, এনে বিশ্বাসে একোখন সমাজৰ বিভিন্ন দিশৰ চিত্ৰ উন্মোচনত সহায় কৰে।

নি.পা.

।। মংলা পূজা ।।

চ'ত মাহৰ পূৰ্ণিমা তিথিৰ মংগলবাৰে অনুষ্ঠিত হোৱা, চাহ বাগিচাৰ হাড়ি, ঘাঁচি দন্দাসী প্ৰভৃতি সম্প্ৰদায়ৰ মাজত প্ৰচলিত মংলা পূজাৰ কোনো কোনোৱে মংগল চণ্ডীৰ পূজা আৰু আন কোনোৱে চৈত্ৰ পূজা আখ্যা দিয়ে। পূজাৰ বাবে চাৰি মুখীয়া কলহত পানী আনি বেদীত স্থাপন কৰা প্ৰয়োজন। কলহটোৰ মুখত ভীমকলৰ ফুল এটা স্থাপন কৰি পাঁচডাল থকিকাৰে পাঁচটা ফুল তাত গুজি দিব লাগে। পূজাৰ নৈবেদ্য ৰূপে আখৈ আৰু গুড়েৰে কৰা মুৰা চাউলৰ গুড়ি পায়স আৰু বেচালী (গুড় আৰু পানীৰে প্ৰস্তুত কৰা) আগবঢ়াব লাগে। লগতে লাগে অলপ হাড়িয়া। পূজাত একৈশটা বেলপাত বা শালগছৰ পাতৰ মংলা, ধৰম, বুঢ়ীমা, পিতা-মাতা প্ৰভৃতি একৈশ জন দেৱতালৈ ভোগ উৎসৰ্গ কৰা হয়। দিনৰ বেলাতেই অনুষ্ঠিত এই পূজাত ঘৰৰ ভিতৰৰ থানত এটা ৰঙা মুৰ্গী আৰু চোতালত এটা পঠা বলি দিব লাগে। বিভিন্ন অপায়-অমংগল, ৰোগ- মহামাৰী প্ৰভৃতিৰ পৰা পৰিত্ৰাণ পোৱাৰ মানসে এই পূজা ভাগ কৰা হয়।

(শ্ৰীহেমৰাম তাম্ভৰ চাহ বাগিচাৰ পূজা-পৰ্বৰ গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা

।। মচুপ।।

অৰুণাচল প্ৰদেশৰ আদি জনজাতিৰ ডেকাচাংবোৰ মচুপ নামেৰে পৰিচিত। বাঁহ, বেত আৰু কাঠেৰে সজা মচুপবোৰ প্ৰায় ডেৰ মিটাৰ উচ্চ চাং এখনৰ ওপৰত নিৰ্মিত হয়। মচুপত উঠিবলৈ বাঁহ অথবা কাঠেৰে সজা এখনি খটখটি থাকে। প্ৰতিখন গাঁৱৰ এমূৰত পাহাৰৰ দাঁতিত সজা মচুপবোৰ দীঘলে প্ৰায় পয়চল্লিশ মিটাৰ আৰু বহলে ন মিটাৰ। দুচলীয়া ঘৰটো কৌ পাতেৰে চাৱনি দিয়া আৰু দুয়োখন চাল দুয়োমূৰে গাঁথেত লগোৱা। বাকী মূৰ দুটা বতাহ-বৰষুণ বাধা দিবলৈ কৌ পাতেৰে ঢাকি দিয়ে। মচুপৰ প্ৰৱেশ দ্বাৰ এটাই। কমেও দহ বছৰীয়া ল'ৰাইঁতৰ বাসস্থলী মচুপৰ খুঁটাত বিভিন্ন জীৱ-জন্তুৰ ভাস্কৰ্য কটাৰ উপৰি বাঘ, ঘোং আদিৰ মূৰ, হাড়, শিং, নখ প্ৰভৃতিও প্ৰদৰ্শনীৰ বাবে সজাই থোৱা চকুত পৰে। ইয়াত থকা একাধিক মৰোমত ডেকাইঁতে জুই পুৱায়। মৰোমৰ ওপৰত সজা চাঙত চিকাৰ কৰি অনা জীৱ-জন্তুৰ হাড়-মূৰ সংৰক্ষণ কৰাটো নিয়ম। মৰোমৰ উপৰি তাত এখন প্ৰধান জুহাল থাকে। ৰ'মচ'ম নামেৰে পৰিচিত সেইখনত গাঁৱৰ বয়োজ্যেষ্ঠসকলৰ উপৰি দুৰ্বল লোকসকল গোট খায় আৰু ৰাতি শোৱে। মৰোমৰ দায়িত্বত থাকে গাঁৱৰ বয়োজ্যেষ্ঠ যুৱকসকল। তেওঁলোকেই অপৰাধী যুৱকৰ বিচাৰ কাৰ্য সম্পাদন কৰে। 'কৃষিকাৰ্য, ৰণবিদ্যা, চিকাৰ, গৃহনিৰ্মাণ, গ্ৰাম্য উন্নয়ন, গাঁও নিৰাপত্তা, সমবায় পদ্ধতি আৰু সামাজিক উন্নতিৰ লেখীয়া এশ একুৰি বিদ্যাশিক্ষা ডেকাচাঙ মচুপত প্ৰতিফলিত হয়।'

(অসম সাহিত্য সভা পত্ৰিকাৰ ৩৭বৰ্ষৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত লোকেশ্বৰ গগৈৰ 'অসম জনজাতিসকলৰ ডেকা চাং অনুষ্ঠান'ৰ পৰা যুগুতোৱা।)

না. দা.

।। মটৰমণি।।

এইবিধ অকল সোণৰে গঢ়া অলংকাৰ। দেখাত মণিবোৰ মটৰ গুটিৰ দৰে বাবে ইয়াৰ নাম মটৰমণি। মাজত দুগদুগীৰ লটকন ওলোমাই দি দুয়োফালে একে সমান পৰিমানৰ মণি সূতাৰে গাঁথি দিয়া হয়। মণিবোৰ সোণৰ। এইবোৰ সাধাৰণতে ঘৰুৱা পৰিৱেশত ঘৰৰ বোৱাৰীয়েহে পৰিধান কৰিছিল। আজিকালি জীয়াৰী-বোৱাৰী সকলোৱে বিয়াই-সবাহে সকলোতে পৰিধান কৰে। বিহুনাচৰ নাচনীয়েও মটৰমালা পৰিধান কৰা দেখা যায়।

প্ৰ.শ. গো.

।। মণিকূট ।।

অসমৰ বৈষ্ণৱ সংস্কৃতিৰ এটি উল্লেখযোগ্য সম্পদ হ'ল - মণিকূট। অসমৰ প্ৰায়

প্ৰতিখন গাঁৱতে নামঘৰৰ সংলগ্নকৈ মণিকূটটো সজা দেখা যায়। নামঘৰ অথবা কীৰ্তন ঘৰটো থাকে পুবা-পশ্চিমাকৈ। নামঘৰটোৰ পূৰ্ব-প্ৰকোষ্ঠত লগাই উত্তৰ-দক্ষিণাকৈ সজা হয় - মণিকূটটো। এই মণিকূটৰ সোঁমাজত সিংহাসন অথবা গুৰু আসন স্থাপন কৰি তাত মহাপুৰুষ দুজনাৰ কীৰ্তন-দশম, ঘোষা আৰু ৰত্নাৱলীৰ যিকোনো এখনি পুথি সযত্নেৰে থাপনা কৰা হয়। ব্ৰহ্মসংহিতিৰ সত্ৰসমূহত থকা মণিকূটত বিষ্ণু অৱতাৰৰ মূৰ্তি থাকে। মণিকূট শব্দৰ মূলগত অৰ্থ হ'ল ৰত্ন থোৱা ঘৰ। মণিকূটবোৰ সাধাৰণতে দুচলীয়া। বৰপেটা সত্ৰৰ মণিকূটটো চাৰিচুকীয়া। চালবোৰ ভাঁজখোৱা আৰু পানীপতা দেখিবলৈ প্ৰায় বৰ্তুলকাৰ। সেইবাবে ইয়াক কোৱা হয় ভাঁজঘৰ। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথ ডাঙৰীয়াই বৌদ্ধগ্ৰন্থত উল্লিখিত বংগ গৃহৰ পৰা ভাঁজঘৰ শব্দটি অহা বুলি সাব্যস্ত কৰিছে। মণিকূটটো দেখাত দেৱ-গৃহৰ শিখৰৰ দৰে ৰমক-জমক নহ'লেও ইয়াৰ এটা নিজস্ব বৈশিষ্ট্য বৰ্তমান। ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ ভাষাত, 'মণিকূটৰ বা নামঘৰৰ মুধচত ইমূৰৰপৰা সিমূৰলৈ তিনি-চাৰি হাতৰ অন্তৰে অন্তৰে গাৰুৰ নিচিনাকৈ শৰণ খেৰৰ মুঠি দি তাৰ ওপৰত ফলীয়া বাঁহ দি বান্ধি দি আয়তাকাৰৰ ইটোৰ ওপৰত সিটোকৈ তিনি, পাঁচটা থাক কৰি দিয়ে। ইয়াৰত ফলত মুধচটো ওপৰলৈ উঠি দেখিবলৈ ধুনীয়া হয়।' অসমৰ ইমূৰৰপৰা সিমূৰলৈ থকা অগণন নামঘৰ আৰু মণিকূটৰ গইনা লৈ শংকৰী সংস্কৃতি আজিও জীৱন্ত আৰু গতিশীল হৈ আছে।

না দা.

।। মণিপুৰৰ ৰাস ।।

প্ৰাচীন কালৰে পৰা মণিপুৰত তালৰাস, দণ্ডৰাস আৰু মণ্ডল ৰাস এই তিনিটা পৰ্যায়ত ৰাসনৃত্যৰ চলতি আছিল। অৱশ্যে শৈৱধৰ্মৰ প্ৰতিপত্তিৰ কালত লাই হৰাওবা আৰু অন্যান্য অনুষ্ঠানৰ নৃত্যত ৰাসপদ্ধতি ভিন্ন ৰূপত প্ৰকাশ পাইছিল। ৰজা ভাগ্যচন্দ্ৰ প্ৰণীত গোবিন্দ সংগীত লীলা বিলাসত নাট্যৰূপক আৰু ৰাসক পৰ্যায়ত ভাগ কৰিছিল। ৰাসক অধ্যায়ত ৰাসনৃত্যৰ আংগিক আৰু পদ্ধতিৰ আলোচনা প্ৰসংগত যি মহাৰাসক, মণ্ডল ৰাসক, নিত্য ৰাসক, নিৰ্দেশ ৰাসক আৰু গোপ ৰাসকত বিভাজিত কৰিছিল, সেয়ে বৰ্তমানে মহাৰাস, বসন্ত ৰাস, নিত্যৰাস, কুঞ্জৰাস, গোপ আৰু উদুখল ৰাস ৰূপে প্ৰচলিত।

কাতিমাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত হয় মহাৰাস। ভাগৱত পুৰাণৰ ৰাসপঞ্চাধ্যায়ৰ আধাৰত কৃষ্ণ অভিসাৰ, ৰাধা-গোপী অভিসাৰ, মণ্ডল সাজন, গোপীৰ ৰাস আলাপ.. কৃষ্ণৰ অন্তৰ্ধান আদি পৰ্যায়ত মহাৰাসৰ উৎসৱ হয়। অচুবা ভংগিপাৰেং আৰু বৃন্দাবন ভংগি পাৰেং ইয়াৰ মূল অৱদান। চ'তৰ পূৰ্ণিমাত বসন্তৰাস অনুষ্ঠিত হয়। ইয়াত হোলিখেলা, কৃষ্ণ-চন্দ্ৰাৱলীৰ নৃত্য, ৰাধাৰ ঈৰ্ষা-ক্ৰোধ আৰু প্ৰস্থান, কৃষ্ণৰ ৰাধা অন্বেষণ, ললিতা আৰু বিশাখাৰ লগত কৃষ্ণৰ ৰাধাৰ কুঞ্জলৈ গমন, মানভঞ্জন, গোপী নৃত্য, পুষ্পাঞ্জলি আৰু

গৃহগামন ইয়াত অভিনীত হয়। আহিন মাহৰ অষ্টমী তিথিত কুঞ্জৰাস পতা হয়। ইয়াত ৰাধা, কৃষ্ণ আৰু সখীচসকলৰ অভিসাৰ আৰু কুঞ্জলৈ আগমন অংশ ইয়াত অভিনীত হয়। কাতিমাহ যি গোপ বা গোষ্ঠ ৰাস অনুষ্ঠিত হয়, তাত চৈতন্য মহাপ্রভুৰ বন্দনাৰ পিছত কৃষ্ণৰ বাল্যলীলা অভিনীত হোবাটো উল্লেখযোগ্য। উলুখন ৰাস উদ্‌যাপনৰ কালো কাতিমাহটোৱে। শ্রীকৃষ্ণৰ বাল্যলীলাই তাৰ মূল কথা। নিত্যৰাস যিকোনো উপলক্ষতে হ'ব পাৰে। ইয়াত অভিসাৰ আৰু ৰাস অভিনীত হয়। মণিপুৰী ৰাসত নৃত্য, নাট্য আৰু নৃতৰ ত্রিবেণীসংগম লক্ষণীয়।

(ড° গায়ত্রী চট্টোপাধ্যায়ৰ ভাৰতের নৃত্যকলাৰ আধাৰত যুগুতোৱা)।

না.দা.

।। মণিমালা ।।

এইবিধ অলংকাৰ বিভিন্ন মণিৰ দ্বাৰা গঁথা হয়। মণিৰে গঁথা অলংকাৰকে মণিমালা বা ছেতমণি বুলি কোৱা হয়। সোণৰ মণিৰ লগত ৰুদ্রাক্ষৰৰ সৰু সৰু গুটি গাঁথিও এই মালা পৰিধান কৰা হয়। কিছুমানে মুকুতাৰ মণি গাঁথিও এই মালা প্রস্তুত কৰে। আজি-কালি বজাৰত পোৱা ৰং বিৰঙৰ বিভিন্ন মণি গাঁথি ও কাপোৰৰ লগত মিলাই মিলাই ছোৱালীবোৰে পৰিধান কৰাটো চিনাকি ছবি। এই মণিবোৰ গাৰ্ণেট, ক্রাইষ্টল, প্লাষ্টিক, শংখ, কাচ, বাঁহ, মাটিৰে নিৰ্মিত হয়।

প্র.শ. গো.

।। ম'তা বা মহতা ।।

অংকীয়া নাট ভাওনাত পোহৰ বিকিৰণৰ এটি অন্যতম আহিলা আছিল - ম'তা বা মহতা। ড° হৰিশ্চন্দ্র ভট্টাচাৰ্যই লিখিছে ঃ 'যখাৰ, গন্ধক আদি আগ্নেয় দ্রব্যত অগ্নি সংযোগ কৰি বহুৰঙী পোহৰ বিকিৰণৰ প্রণালী আছে। এয়ে ম'তা বা মহতা, ই ব্যয়বহুল প্রণালী। অনুষ্ঠান বেচি মনোগ্রাহী আৰু আড়ম্বৰপূৰ্ণ কৰিবলৈ হ'লে এনেবোৰ ব্যবস্থা কৰা হয়। (অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি পৃঃ ৯৭)। সাঁচিপতীয়া পুথি এখনৰ বাযন্তি বাবত মহতা আওতাবৰ কথা লিপিবদ্ধ হৈছে এনেদৰে ঃ ক. জখাৰ ২ ভাগ, গন্ধক ৪ ভাগ, হাইতাল ২ ভাগ, হিঙ্গুল এভাগ, কাযুৰ সুগন্ধ বকাৰণ ১ ভাগ শিত গুড়ি কৰিব। ডাংগৰ চাকিত ভৰাব। জুই লগাব - তেৱে চন্দ্র হেন প্রকাশ হ'ব ৰাত্রি। খ. আৰু জখাৰ ১০ ভাগ, গন্ধক ১ ভাগ, হাইতাল ৩ ভাগ, এড়াগুটি ডেৰ ভাগ, সিতগুড়ি কৰিব - চাকিতে ভৰাব কাকতেৰে মুখ বান্ধিব জুই লগালে প্রকাশ হই। গ. আৰু জখাৰ ১০ ভাগ, গন্ধক ৪ ভাগ, হাইতাল ৩৫ ভাগ, বস ৪ ভাগৰ এভাগ এৰাগুটি ১ ভাগ গুড়িকৈ থব কাকতেৰে মুখ বান্ধিব জুই লগালে ৰাত্রি প্রকাশ হই।' (আয়ুৰ্বেদ নিদান)।

না. দা.

।। মদনোৎসৱ ।।

মদনোৎসৱ প্ৰাচীন ভাৰতৰ এটি উল্লেখযোগ্য বসন্তোৎসৱ। মদন ত্ৰয়োদশী তিথিত উদ্‌যাপিত এই উৎসৱৰ বহুল বিৱৰণী গৰুড় পুৰাণ, ভৱিষ্য পুৰাণ (১৩৫ অধ্যায়) আৰু মৎস্য পুৰাণত (৭ম অধ্যায়) পোৱা যায়। মহাকবি কালিদাসৰ অভিজ্ঞান-শকুন্তলম্ ভৱভূতিৰ মালতী মাধৱ আৰু শ্ৰীহৰ্ষৰ ৰত্নাবলী নাটৰ প্ৰথম অংকত মদনোৎসৱৰ চিত্তাকৰ্ষী বৰ্ণনা সন্নিবিষ্ট হোৱাটো উল্লেখযোগ্য। চ'ত মাহৰ শুক্লাপক্ষৰ চতুৰ্দশী তিথিত দমন বৃক্ষৰ পল্লৱ প্ৰভৃতিৰে মদন কামদেৱৰ পূজা অৰ্চনা কৰাৰ বিধি পোৱা যায় সৌৰাগম গ্ৰন্থত। মৈথিল কোকিল বিদ্যাপতিৰ এটি গীতত ঝুমুৰী ছন্দেৰে মদন কামদেৱক পূজিবলৈ যোৱা এক উদ্ভিন্ন নৱযৌৱনা ললনাৰ অন্তৰৰ আকুতি প্ৰকাশ পাইছে। অষ্টাদশ শতাব্দীৰ কোনোবা এটি দশকত ৰচিত ত্ৰিপুৰা বুৰঞ্জীত ত্ৰিপুৰাৰ মহাৰাজে তেওঁৰ বিষয়াবৰ্গৰ লগত ফাকু পিছকাৰীৰে 'বৈশাগৰ দহ দিন যাওঁতে কৃষ্ণ-ত্ৰয়োদশী তিথিত' মদন দেৱতাৰ উৎসৱ পতাৰ চিত্তস্পৰ্শী বৰ্ণনা আছে। অসমত চ'ত মাহৰ শুক্লা-ত্ৰয়োদশী তিথিত উদযাপিত মদনোৎসৱৰ সৰস বিৱৰণ নৱম শতাব্দীত ৰচিত কালিকা পুৰাণ, চতুৰ্দশ শতাব্দীৰ স্মৃতি নিবন্ধকাৰ দামোদৰ মিশ্ৰৰ স্মৃতিসাগৰ সাৰ আৰু ষোড়শ শতাব্দীত ৰচনা কৰা যোগিনী তন্ত্ৰত পোৱা যায়। হাজোৰ মদন কামদেৱ পাহাৰত অৱস্থিত মদন-ৰতিৰ আলিংগনাবদ্ধ মূৰ্তিৰ পাদমূলত স্বামী লাভৰ ঐকান্তিক কামনাৰে পূজা-সেৱা আগবঢ়োৱা লোকৰ সংখ্যা অনেক।

মদন-চৈত্ৰালি উৎসৱ মদনোৎসৱৰে আন এটি ৰূপ বুলিব পাৰি। এই উৎসৱ উপলক্ষে মাধৱ, কেদাৰেশ্বৰ আৰু কামেশ্বৰ - এই তিনিজনা দেৱতাক লৈ নগৰ পৰিক্ৰমণ কৰা কৰ্মত নৃত্য-গীতৰ উভৈনদী হয়। দেৱ বিগ্ৰহৰ আগত পৰ্বতাকৃতি। পোহৰসজ্জা পাৰ্বতী ধাৰণ কৰি সদ্যজাত ছাগলী পোৱালীৰ ছালেৰে নিৰ্মিত মোটৰ ভিতৰত তৰহে তৰহে সুগন্ধি দ্ৰব্য, মিশ্ৰিত ৰঙীন পানী ভৰাই সিবোৰ বিগ্ৰহৰ গালৈ ছটিয়ায়। নৃত্য-গীত মুখৰ ত্ৰিদেৱ বিগ্ৰহ সমেত মানুহৰ দলটি লখাইতৰা নদীৰ পাৰ পোৱাৰ লগে লগে আৰম্ভ হয় ডলা খেল। এই খেলৰ শেষত তিনিওজনা গোসাঁই স্বস্থানলৈ প্ৰত্যাবৰ্তন কৰে।

শাস্ত্ৰসম্মত মদনোৎসৱৰ লোক তাণ্ডৱণেই হ'ল - মদন চতুৰ্দশীৰ দিনা বস্তুপীঠত উদ্‌যাপিত বাঁশ পূজা। এনেদৰেই মদনোৎসৱৰ ধাৰাটি বিভিন্ন ৰূপান্তৰৰ মাজেদি আজিলৈ বৰ্তি আছে।

না. দা.

।। মদাৰগুৰি সত্ৰৰ সিংহাসনৰ চিত্ৰিকা।।

তেজপুৰৰ নিকটৱৰ্তী বেহেলীয়াৰ মদাৰগুৰি সত্ৰৰ সাত খলপীয়া সিংহাসনৰ বৈশিষ্ট্য

হ'ল – সিখনিৰ গাত বিভিন্ন ৰঙেৰে সুন্দৰকৈ অঁকা চিত্রিকাসমূহ। সময়ৰ লেখেৰে সিবোৰে এক শতাব্দী কাল অতিক্রম কৰাৰ প্ৰমাণ তাৰ ওপৰত লিখা দুশাৰী কথা – 'শক ১৮০৫ শ্রাবন মাসে তৈয়াৰী হৈ উঠিছে। এই সিংহাসন ৰুচিকান্ত মহন্তৰ নিজ হাতে তৈয়াৰী ০০০ ইতি এলেংগি মদাৰগুৰি সত্রৰ ৰুচিকান্ত মহন্ত মালিক।' সিংহাসনৰ চিত্রিকাসমূহ হ'ল - ক. সোঁফালৰ তলৰ খলপাত (সোঁহাতৰপৰা যথাক্রমে) গৰুড়ৰ স্কন্ধত বিষ্ণু, গ্ৰাহ-গজেন্দ্র-গ্ৰাহ, মাছ, বান্দৰ,তৰা, বালী-সুগ্রীৱৰ ৰণৰ দৃশ্য, এজোপা গছ, ৰাম-লক্ষ্মণ আৰু হনুমানে সৈতে দুটা বান্দৰ। দ্বিতীয় খলপাত পুষ্প লতিকাৰ মণ্ডন কর্ম। তৃতীয় খলপাত সোঁহাতৰপৰা অঘাসুৰ বধ, কালিয় দমন, বকাসুৰৰ মুখলৈ গৰু-গাই গমন, ধেনুকাসুৰ বধ আৰু ব্ৰহ্মা মোহন। চতুর্থ খলপাত মহাৰাস —শ্রীকৃষ্ণৰ সৈতে পঞ্চ গোপীৰ নৃত্য। পঞ্চম খলপাত অলংকৰণ। ওপৰৰ খলপা দুটা হেঙুলেৰে বলোৱা। খ. সমুখ ভাগ – (তলৰ খলপা) বাঁওহাতৰপৰা ক্রমে ছাগলীৰ পিঠিত অগ্নি, হৰিণৰ কান্ধত ধৰি থকা চন্দ্র, মৎস্যাসনত বৰুণ, মৃগবাহনত বায়ু, ঐৰাৱতত ইন্দ্র, ম'হৰ ওপৰত যম, গৰুড় স্কন্ধত বিষ্ণু আৰু হংসযানত ব্ৰহ্মা। দ্বিতীয় খলপা লতাৰ অলংকৰণ। তৃতীয় খলপাত বিষ্ণুৰ শ্রীৰাম, বৰাহ, হলিৰাম, বামন, নৰসিংহ, কূৰ্ম আৰু মৎস্য অৱতাৰ। ওপৰৰ খলপা কেইটা চিত্র বিহীন; হেঙুলেৰে বলোৱা। গ. বাঁওফালৰ তলৰখলপা (বাঁওহাতৰ পৰা) মগৰৰ পিঠিত বৰুণ, মানুহৰ কান্ধত কুবেৰ, শবাসনত এজন দেৱতা, ম'হৰ ওপৰত যম, মৃগ বাহনত বায়ু, ময়ূৰৰ ওপৰত কার্তিক আৰু নিগনিৰ ওপৰত গণেশ। দ্বিতীয় খলপা লতা পুষ্পৰে ভৰা। তৃতীয় খলপাত বুদ্ধ, কল্কি, বসুদেৱ-দৈৱকী-কংস, যোগমায়াৰ আকাশ গমন, দৈৱকীৰ কাৰাদৃশ্য, আৰু বসুদেৱৰ দ্বাৰা কৃষ্ণক নিয়া চিত্র। চতুর্থ খলপাত মহাৰাস আৰু শংখচূড়ৰ দ্বাৰা গোপীহৰণ। পঞ্চমৰ ওপৰৰ খলপা কেইটা উকা। ঘ. সিংহাসনৰ পশ্চাৎভাগৰ তৃতীয় খলপাত মাথো ৰাসৰ ছবি অংকিত হৈছে। শিল্পশাস্ত্ৰৰ বিধানমতে দেৱতাসকলৰ আয়ূধ আৰু ৰং বলোৱা হৈছে। ছবিবোৰে সত্ৰীয়া চিত্ৰশৈলীৰ প্ৰতিনিধিত্ব কৰে যদিও লোককলাৰ প্রভাৱো নথকা নহয়।

না.দা.

।। মনসা পূজা ।।

আস্তিকস্য মুনের্মাতা বাসুকিভগিনী তথা।
জৰৎকাৰুমুনেপত্নী মনসা-দেৱী নমোঽস্তুতে।।

এই দেৱী বন্দনাৰে সাপৰ অধিষ্ঠাত্ৰী দেৱী মনসা বা পদ্মা দেৱীক আৰাধনা কৰা হয়। বিভিন্ন পণ্ডিতৰ মতে মনসা আৰ্য দেৱী নহয়; আৰ্যভিন্ন দেৱীহে। মনসা শব্দটো দ্ৰাবিড়ী মঞ্চম্মা শব্দৰ পৰা অহা বুলি ড° নলিনীনাথ ভট্টশালী, পণ্ডিত ক্ষিতিমোহন সেন ড° হৰি নাথ শৰ্মা দলৈ, ড° হেমন্ত কুমাৰ শৰ্মা আদি পণ্ডিতসকলে মত পোষণ কৰে।

খ্ৰীষ্টীয় দশম শতিকাৰ পিছত ৰচিত দেৱী ভাগৱত আৰু ব্ৰহ্মাবৈৱৰ্ত্ত পুৰাণত পোৱা আখ্যান মতে মনসা দেৱী কাশ্যপ ঋষিৰ মানস-কন্যা আছিল বাবে তেওঁৰ নাম মনসা দেৱী ৰূপে পৰিগণিত হ'ল। এই পুৰাণ মতে মনসা দেৱী শিৱ ভক্তা আছিল আৰু কৃষ্ণৰ প্ৰতিও অনুৰক্তা আছিল। পিতৃ কাশ্যপে মনসাক জৰৎকাৰু মুনিলৈ বিয়া দিয়ে। এচাম পণ্ডিতৰ মতে মনসা দেৱী একেধাৰে নাগকুলৰ মাতৃ, শিৱৰ কন্যা বাসুকিনাগৰ ভগিনী জৰৎকাৰুৰ পত্নী, সৰ্পবিষবিনাশিনী, সৰ্পালংকৃতা হংসাৰূঢ়া আৰু অস্তিক মুনিৰ মাতা। এই মনসা দেৱীকে পৰৱৰ্তী কালত মানুহে বিভিন্ন ধৰণে পূজা কৰিবলৈ ধৰে। এই পূজা পৰৱৰ্তী কালত মনসা পূজা ৰূপে পৰিগণিত হ'ল। দ্ৰাবিড়ীসকলৰপৰা মনসা পূজা উৰিষ্যা, বিহাৰ, অসম আৰু বংগদেশলৈকে বিয়পি পৰে। ড° বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাই মতপোষণ কৰে যে দ্ৰাবিড় সকলৰ আগতো আষ্ট্ৰিক গোষ্ঠীৰ মাজত নাগ-পূজাৰ প্ৰচলন আছিল। আদাহাতে অসমৰ খাছীসকলে এই পূজা কৰিছিল বুলি প্ৰমাণ পোৱা যায়। বংগদেশ আৰু বিহাৰৰ অঞ্চলবিশেষত নাগপঞ্চমীত মনসা পূজা উদ্‌যাপন কৰে। অসমত মনসা পূজাৰ প্ৰচলন কেতিয়াৰপৰা হৈছিল এই কথা সঠিককৈ জনা নাযায়। নামনি অসমৰ নলবাৰী, কোকৰাঝাৰ, গোৱালপাৰা, কামৰূপ আৰু দৰং জিলাত মনসা পূজা খুব ধুমধামেৰে পতা হয়। এই পূজা আহাৰ-শাওণ মাহৰ ভিতৰত বাৰিষা সময়ত বেছিকৈ কৰা হয়। এই পূজাত মনসা দেৱীক সন্তুষ্ট কৰিবলৈ ছাগলী, হাঁহ, পাৰ বলি দিয়া হয়। সকলোৰে মংগল কামনা কৰি অপায়-অমংগল দূৰ কৰাৰ মানসেৰে সৰ্পদেৱী মনসাক পূজা দিয়া হয়। মনসাদেৱীক পদ্মা, পদ্মাৱতী, বিষহৰী, নাগমাতা নামেৰেও অঞ্চলভেদে জনাজাত। মনসা পূজাৰ লগত গীত-পদ, নৃত্যও জড়িত হৈ থাকে। মনসাৰ মাহাত্ম্যজ্ঞাপক গীত পদসমূহ ওজাপালিয়ে গায়। এই গীত দুটা ভাগত ভগাব পাৰি এটা হ'ল মনসা-পদ্মাৰ জন্মবৃত্তান্তলৈ গোৱা গীত আৰু আনবিধ হ'ল বেউলা আখ্যান। ওজাপালিয়ে এই গীত-পদবোৰ নৃত্য কৰি দৰ্শকৰ আগত দেখুৱায়। এই নৃত্যক দেওধানী নৃত্য বোলা হয়। শাস্ত্ৰীয় বিধি ব্যৱস্থাৰে মনসা পূজা উদ্‌যাপন কৰা হৈছিল বাবে এই পূজা লোক উৎসৱৰ ভিতৰত নপৰে।

প.পা.

**।। মপিন ঃ গালং কৃষি উৎসৱ ।।**

মাৰ্চ-এপ্ৰিল মাহত এন্দিম্বিকা গছত ফুলে বসন্তৰ পোহৰ মেলাৰ লগে লগে ছিয়াং সীমান্তৰ গালংসকলে উদ্‌যাপন কৰে কৃষি উৎসৱ - মপিন। পাঁচ-ছয় দিন জুৰি এই উৎসৱ চলে। অৱশ্যে উৎসৱৰ যোগাৰ এপৰমান আগতে আৰম্ভ হয়। সাধাৰণতে সপোন আৰু মজল চোৱাৰ ওপৰত নিৰ্ভৰ কৰি এই উৎসৱ পতা দেখা যায়। মপিনদেৱী গাঁৱলৈ আহিব নে নাহে তাক মাইকী মানুহে সপোনত দেখে। সপোনৰ কথাৰ সত্যাসত্য

নিৰূপণৰ অৰ্থে গাঁৱৰ ডেকা-বুঢ়া নিৰ্বিশেষে গোট খাই কুকুৰা আৰু কুকুৰাৰ কণীৰে মঙল চায়। এই সমস্ত কাৰ্য সম্পাদিত হয় ৰাজহুৱা ঘৰ ডেৰেত। মঙলৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি (মপিন কক্‌নাম) মপিনৰ নহ'লেবা মাৰি উৎসৱ পতা হয়। উৎসৱ বাবে তিৰোতাসকল অপ বা আপ্ প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰে। পুৰুষসকল ব্যস্ত হয় - মাইকী মেথোন, কুকুৰা, গাহৰি আদি সংগ্ৰহত। ডেকাইঁতে মপিন আৰু তেওঁৰ লগৰীয়া দেৱ-দেৱীসকলৰ মূৰ্তি গঢ়িবলৈ বাঁহ, কাঠ আৰু গছৰ পাত গোটায়। ইয়াত চলতি ভাষাত কোৱা হয় মপিন ডিপে গেনাম।

সাধাৰণতে ডেৰেৰ সমুখত মপিন দেৱীক এন্দিশ্বিকা গছৰ পাতেৰে ড'লিক তাপিয়েৰে আৰু ডনিক কৌপাতেৰে সজায়। মূৰ্তি সাজি থাকোঁতে গাঁৱৰ প্ৰতিগৰাকী গৃহিণীয়ে মপিন দেৱীৰ নামত কাৰিকৰলৈ খাদ্য যোগান ধৰে। তাক শ্বিকানাম বোলে।

মপিন দেৱ-দেৱীৰ মূৰ্তি সজা আৰম্ভৰ লগে লগে দণ্ডায়ে (পুৰোহিতে) মন্ত্ৰৰ সুৰত মপিনৰ ইতিবৃত্ত গায়। দণ্ডায়ে মূৰ্তিৰ বেদী পৰিষ্কাৰ কৰায়, পিঠাগুড়ি চটিয়ায় আৰু মাটিত খুচি মূৰ্তিসমূহ প্ৰতিষ্ঠা কৰে। মূৰ্তি প্ৰতিষ্ঠাৰ পিছত মাইকী মেথোন এজনী দেৱীৰ আগত কাঠ পুতি বন্ধা নিয়ম। আন আন গাহৰি, কুকুৰা আদিও মেথোনৰ দুইফালে বান্ধে। জয়জয়তে সোঁফালৰপৰা আহুতি দি আহি মপিন দেৱীৰ সমুখৰ মেথোনত আহুতি বন্ধ কৰি আকৌ বাঁওফালৰপৰা আহুতি দি আহে আৰু অৱশেষত মেথোন জনী কাটে। লগে লগে নাৰীসকলে ভঁৰালৰপৰা খাবলৈ অনা ধান (দহিগিঞ্চি) আদাৰে সৈতে মপিন দেৱীৰ সমুখত সজায়। দহিগিঞ্চি মেথোনৰ তেজেৰে বোলাই লৈ মপিন দেৱীৰ গাৰ অংশ বিশেষ একৰাই দহিগিঞ্চিত সুমুৱাই কাপোৰেৰে ঢাকি ঘৰলৈ লৈ আহে। সেইদিনাই গাঁৱৰপৰা গধূলি সকলোৱে আপং গোটায়।

দ্বিতীয় দিনা ঘৰে ঘৰে পাত পিঠা কৰি ডেৰেৰে সমুখত ঢাৰি পাতি জমা কৰে। সকলোবোৰ পিঠা মিহলি কৰি ঘৰে ঘৰে তাক ভাগ কৰি বিলায়। লগে লগে আৰম্ভ হয় - মেথোনৰ মাংস ভাগ কৰি বিলোৱা কাম (হৰি টেঁঙনাম)। এই দিনা ডেকা-গাভৰুৱে গালত পিঠাগুড়ি সানি আনন্দ উপভোগ কৰে।

তৃতীয় দিনাৰপৰা পাঁচ দিনলৈকে দণ্ডায়ে গাঁৱৰ প্ৰতি ঘৰতে পদাৰ্পণ কৰে। অৱশ্যে কাৰোবাৰ ঘৰত যদি মানুহ মৰে নাইবা সাপে দংশন কৰে, তেনেহ'লে তেনে ঘৰত পদূলিৰপৰাই দণ্ডায়ে আশীৰ্বাদ দি গুছি যায়। দণ্ডাইৰ সৈতে ডেকা-গাভৰুইঁতে ঘৰে ঘৰে নাচি বাগি যায়। ইয়াক কোৱা হয় - মপিন শ্বনাম। দণ্ডাই আৰু লগত যোৱা দলটোক লোকে পাৰ্যমানে অভ্যৰ্থনা কৰা নিয়ম। এনেদৰে পাঁচ দিন অতিবাহিত হয়। দণ্ডায়ে বাঁহৰ চুঙাত অপ ভৰাই লৈ দেৱ-দেৱীৰ মূৰত ঢালি তেওঁলোকে লগত অনা সা-সম্পত্তিবোৰ গওঁৱালে এৰি দিমি জামেবলৈ উভতি যাবলৈ অনুৰোধ জনায়। লগে

লগে মপিন উৎসৱৰ সামৰণি পৰে। (ইং ১৯৬৭ চনত প্ৰকাশিত মপিন উৎসৱ স্মৃতিগ্ৰন্থৰ আধাৰত যুগুতোৱা)।

না. দা.

**।। ম'হ যুঁজ ।।**

আহোম যুগত ম'হ যুঁজ বেচ জনপ্ৰিয় আছিল। দেওধাই অসম বুৰঞ্জীত আছে : সমান গলধন ধৰা দুটা ম'হৰ নাকী সোলোকাই গঁৰালৰ ভিতৰত সুমুৱাই দি যুঁজ লগাই দিয়ে। ম'হে শিংমাৰি যুঁজ কৰে। পৰাজিত ম'হটো পলাই যায়, পিছত মানুহে তাক ধৰি আনে আৰু জিকা ম'হটো গঁৰালৰ ভিতৰতে নঙলা দি বাঁধি থয়। বাখিব নোৱাৰা যেন দেখিলে মানুহে তাক আগভেটি টঙনিয়াবলৈ ধৰে।

উজনি অসমত মাঘ বিহুত সাত দিনলৈকে ম'হ যুঁজ অনুষ্ঠিত হয়। কেতিয়াবা নাকীত ধৰিও ম'হ যুঁজোৱা দেখা যায়; পিছে সেইটো বৰ বিপদজনক। ম'হ যুঁজত ম'হ ঘাইল হয় - কেতিযাবা তাৰ প্ৰাণো যায়। না. দা.

**।। মহৰম ।।**

মহৰম মুছলমানসকলৰ এটি পৱিত্ৰ পৰ্ব। ইয়াক হিজৰী চনৰ প্ৰথম মাহ মহৰমৰ দহ তাৰিখত পালন কৰা হয়। মহৰম মাহৰ দহ তাৰিখটো এটি ইতিহাস প্ৰসিদ্ধ দিন। এই দিনাখন আল্লাহতালাই পৃথিৱী সৃষ্টি কৰিছে আৰু এই দিনাখনেই পৃথিৱী ধ্বংস কৰিব। এই দিনাখনেই আদম (আঃ)ক সৃষ্টি কৰি এইদিনাই বেহেস্তত থাকিব দিছিল আৰু এইদিনাখনেই বেহেস্তৰপৰা বাহিৰ কৰি দিয়াত আৰম্ভ কৰি অসংখ্য ঘটনাৰাজি সংঘটিত হৈছিল। সৰ্বশেষ ঘটনা ঘটিছিল কাৰবালা প্ৰান্তত হৰজত হুছেইন (ৰাঃ) ৰ শ্বাহাদত সম্পৰ্কত। সেইদিনাখন ইউফ্ৰেটিছ নৈৰ (ফোৰাত নৈৰ) পশ্চিম প্ৰান্তৰ মৰুময় কাৰবালা প্ৰান্তৰত মুছলমানসকলৰ শেষ নবী হজৰত মহম্মদ (দঃ) ৰ অতিশয় মৰমৰ নাতিয়েক হজৰত ইমাম হোছেইন (ৰাঃ) তেওঁৰ বহুতো আত্মীয়স্বজন আৰু অনুচৰসকলৰ সৈতে দামস্কৰ অধিপতি এজিদৰ কুটিল চক্ৰান্তত পৰে। এই চক্ৰান্ত আৰু কঠোৰ অত্যাচাৰগ্ৰস্ত হৈ যুদ্ধ ক্ষেত্ৰত পানীৰ অভাৱত পৰে। গ্ৰীষ্মকালৰ প্ৰচণ্ড সূৰ্যৰ তাপত তিনিদিন ভোকে-পিয়াহে থাকি পুত্ৰ, কন্যা আৰু আত্মীয়-স্বজনৰ লগত প্ৰাণ বিসৰ্জন দি শ্বহীদ হয়।

কাৰবালা মৰু প্ৰান্তৰৰ এই হৃদয়বিদাৰক নিষ্ঠুৰ হত্যাকাণ্ড এই দুনিয়াৰ মুছলমান সকলৰ অন্তৰত এইদৰে এতিয়াও জাগ্ৰত হৈ আছে। প্ৰতি বছৰে সেই করুণ স্মৃতিয়ে প্ৰতিগৰাকী ধাৰ্মিক মুছলমানৰ অন্তৰ ব্যথিত কৰি তোলে। ইমাম হোছেইনৰ (ৰাঃ) আত্মত্যাগ, শয়তান শক্তিৰ ওচৰত নতি স্বীকাৰ নকৰাৰ অনমনীয় মনোবৃত্তি আৰু জাতিৰ কাৰণে হাঁহিমুখে শ্বহীদ হোৱা এইসমূহ গুণত মুগ্ধ হৈ তেওঁৰ অমৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা

নিবেদন কৰে আৰু এই আদৰ্শত অনুপ্ৰাণিত হয়।

মহৰম চান্দন ন আৰু দহ তাৰিখত মুছলমান লোকসকলে নফল ৰোজা ৰখা, দহ তাৰিখত (আচুৰাৰ দিনাখন) দুখীয়া মুছলমানক দান কৰা, তৃষ্ণাতুৰক পানী খাবলৈ দিয়া, ভোকাতুৰক আহাৰ খাবলৈ দিয়া, কাপোৰ-কানি নথকা লোকক কাপোৰ দিয়া, কাৰবালা প্ৰান্তৰত শ্বহীদ হোৱা লোকসকলৰ আত্মাৰ সদগতি কামনা কৰা, দুখীয়াক মৰম কৰা, মাজ নিশালৈ কোৰান পাঠ কৰা নফল নামাজ পঢ়া আদি নেকীৰ (পুণ্যৰ) কাম। প. আ.

।। মহালয়া ।।

আহিন মাহৰ অমৱস্যা তিথিটো সাধাৰণতে মহালয়া ৰূপে পৰিচিত। এই তিথিত পিতৃ পুৰুষৰ শ্ৰাদ্ধ-পাৰ্বণ অথবা তৰ্পণ কৰা ৰীতি ৰঘুনন্দনৰ তিথিতত্ত্বত কথিত হৈছে। আগতে আহিন মাহৰ গোটেই কৃষ্ণপক্ষটোতে শ্ৰাদ্ধ কৰাৰ নিয়ম আছিল। বৰ্তমানে সি তৰ্পণত বৈছেগৈ। এই কৃষ্ণপক্ষৰ নামান্তৰ হ'ল পিতৃপক্ষ অথবা মহালয় অৰ্থাৎ পিতৃ-পুৰুষৰ উৎসৱৰ আধাৰ। কোনোৱে যদি কিবা অসুবিধাবশতঃ মহালয়ৰ কালত শ্ৰাদ্ধ পাতিব নোৱাৰে, তেনেহ'লে দীপান্বিতাৰ অমাৱস্যা তিথিতেই সেই শ্ৰাদ্ধ ভাগ সম্পন্ন কৰিবলৈ গোবিন্দানন্দই বৰ্ষক্ৰিয়া কৌমুদীত নিৰ্দেশ দিছে। এই পৱিত্ৰ তিথিত পিতৃ পুৰুষসকলে যমলোক এৰি মৰ্ত্যালোকলৈ আহে আৰু নিজালোকলৈ প্ৰত্যাবৰ্তন কৰেহি। সেইবাবে প্ৰত্যাবৰ্তনৰ কালত আকাশ-মাৰ্গত উল্কা দানৰ ব্যৱস্থা কৰা বাঞ্ছনীয়। কোনো কোনো পণ্ডিতৰ মতে মহালয় শব্দৰপৰাই মহালয়াৰ উদ্ভৱ। আন কোনোৱে ইয়াৰ অৰ্থ কৰিছে গয়া।

না .দা..

।। মহোহো বা মহখেদা উৎসৱ ।।

নামনি অসমত প্ৰচলিত এটি লোক উৎসৱ হৈছে মহোহো বা মহখেদা উৎসৱ। এই উৎসৱ আঘোণী পূৰ্ণিমাত উদ্‌যাপন কৰা হয়। মহোহোত গধূলি গাঁৱৰ চেমনীয়া ল'ৰা আৰু ডেকাই কেবাটাও দলত বিভক্ত হৈ হাতত টোকোন বা লাঠি লৈ মানুহৰ চোতালে চোতালে গৈ ঘূৰি ঘূৰি কিছুমান গীত গায়। এই গীতবোৰক মহোহো গীত বোলে। এই উৎসৱত গোৱা কিছুমান গীত পৰম্পৰাগতভাৱে জনসাধাৰণৰ মুখে মুখে চলি আহিছে। প্ৰতিঘৰ মানুহৰ চোতালত ল'ৰা বা ডেকাবিলাকে বৃত্তৰ আকাৰত ঘূৰি ঘূৰি মহোহো গীতবোৰ গায়। এই গীত প্ৰথমে এজনে লগাই দিয়ে আৰু তাৰ পিছতহে বাকীবিলাকে ধৰে। টোকোন বা লাঠিৰে ঠনৰ ঠনৰকৈ শব্দ কৰি গোৱা মহোহো গীতৰ নমুনা এনেধৰণৰ -

(মহৌ হৌ মহৌ হৌ) মহ'হো মহ'হো। মহ খেদ্‌বা টোকান লৌ।।

মহে বোলে মৰলু দে। টেঁপৰ পুৰা খালু দে। ইত্যাদি

মহ খেদা গীতবোৰ গালে মহবোৰ ভয়ত আঁতৰি যায় বুলি কোৱা হয় আৰু লগতে গৃহস্থক আশীৰ্বাদ দি চাউল-পইচা লোৱা হয়। লোকবিশ্বাস মতে মহোহো উৎসৱৰ পিছত মহবোৰ লাহে লাহে কমি নাইকিয়া হয়। মহ খেদোতাসকলে যি চাউল বা পইচা পায়, সেই চাউল-পইচাৰে পিছত সকলোৱে লগ লাগি ভোজ-ভাত খায়।

আঘোণ মাহত অনুষ্ঠিত মহোহো উৎসৱ গাঁৱৰ গৰখীয়া আৰু চেমনীয়া ল'ৰাবোৰৰ আনন্দময় উৎসৱ। এই উৎসৱত গোৱা গীতক 'ভাল হওক দিয়া' বা ভাওল দিয়া গীতো বোলা হয়। এই গীতবোৰৰ লগত উজনিৰ হুঁচৰি গীত, গোৱালপাৰাৰ এউৰিমগা গীত আৰু বাস্কা অঞ্চলৰ বাম্বোল পিটা গীতৰ কিছু সাদৃশ্য আছে। নামনি অসমৰ ভিন্ ভিন্ অঞ্চলত প্ৰচলিত মহোহো গীতবোৰ প্ৰায় একে ধৰণৰ; কেৱল ঠাই বিশেষে দুই-চাৰিটা শব্দ, পদ আৰু সুৰৰ ক্ষেত্ৰত কিছু অমিল লক্ষ্য কৰা যায়। আঘোণী পূৰ্ণিমাৰ প্ৰাণময় উৎসৱ মহোহো বা মহখেদা অজনজাতিসকলৰ লগতে জনজাতীয় লোকসকলৰ মাজতো আদৰণীয়।

বি. ভ

।। মাইকুচুম্ফাই।।

উত্তৰ পূৰ্বাঞ্চলৰ আইতন, খামতি, খাময়াং, ফাকে আৰু টুৰুংসকলে পালন কৰা, অগ্নিপূজাক কেন্দ্ৰ কৰি গঢ়ি উঠা এটি পৱিত্ৰ লোক উৎসৱ হৈছে মাইকুচুম্ফাই। ভগৱান বুদ্ধই মহানিৰ্বাণ লাভ কৰা মাঘৰ পূৰ্ণিমা তিথিত (বৌদ্ধ পৰিভাষাত 'আয়ু সংস্কাৰ বিসৰ্জন') এই উৎসৱ পালিত হয়। টাই ভাষাত মাইকুচুম্ফাই অৰ্থ হ'ল মাই মানে কাঠ বা খৰি, কু মানে জাপি থোৱা দ'ম, চুম মানে সংযোগ কৰা আৰু ফাই মানে অগ্নি। অৰ্থাৎ জাপি থোৱা খৰি বা মেজিত অগ্নি সংযোগ কৰা উৎসৱ। এই উৎসৱৰ মেজি (মাইকু) টোৱেই আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। উৎসৱলৈ কেইসপ্তাহমান থাকোঁতেই গাঁৱৰ ল'ৰা-ছোৱালী ডেকা-গাভৰুৱে দল বান্ধি মাইকু সাজিবৰ বাবে ওচৰৰ হাবিৰপৰা কাঠ (সাধাৰণতে মাইফাক বা বগা উদাল কাঠ) সংগ্ৰহ কৰি আদি বৌদ্ধবিহাৰৰ চৌহদত গোটাবলৈ আৰম্ভ কৰে। তাৰ পিছত এটীয়া মূৰত বোৱা কলপটুৱাৰ কৌশলপূৰ্ণ বেদী একনৰ ওপৰত প্ৰায় ন-দহ মিটাৰ ওখকৈ দীঘল বাঁহ চাৰিকোণীয়াকৈ সাজে। দুডাল দুডালকৈ একেলগে পুতি তাত নিৰ্দিষ্ট জোখত কাটি লোৱা খৰিবোৰ তৰপে তৰপে জাপি যায়। মাইকুটোৰ ওপৰৰ অংশ খেৰেৰে ছেঁৱা হয়। ইয়াৰ তল আৰু ওপৰৰ অংশ কিছু চিঞা, মাজটো কিছু উঠঙা-দেখিবলৈ ঠিক মাকোটোৰ দৰে। ওখ মেজিটো হালি নপৰিবলৈ মেজিটোৰ ওপৰ অংশৰপৰা চাৰিওফালে মাটিত পুতি থোৱা খুঁটিলৈ তিনি-চাৰিডালে ৰচী সংযোগ কৰা হয়। নানা ৰঙৰ ফুলেৰে মেজিটো সজাই তোলা হয়। কেঁচা বাঁহৰ হিলৈ আৰু পানী হিলৈও সেইটোত

ভৰাই দিয়া হয়। সন্ধিয়াৰ লগে লগে গাঁৱৰ সকলোৱে মাইকুতলীলৈ আহি ধূপ-ধূনা, মমবাতি আদি জ্বলায়। তাৰ পিছত ভিক্ষু সমন্বিতে গাঁৱৰ ৰাইজে ধৰ্মীয় ৰীতিৰে ভগৱান বুদ্ধৰ নামত মাইকুটো উছৰ্গা কৰে। গাঁৱৰ পাঠকজনৰ উদ্যোগত সমবেত ৰাইজে বিধি অনুসাৰে স্তোত্ৰ- মন্ত্ৰ পাঠ কৰে আৰু ভিক্ষুৱে গাঁৱৰ মংগল কামনা কৰি মংগল সূত্ৰ গায় আৰু শীল প্ৰদান কৰে। টুৰুংসকলে এক বিশেষ ধৰণৰ চিলাৰ (বংফাই) দ্বাৰা এই উৎসৱত আকাশবন্তিও জ্বলায়। ইয়াৰ পিছত ডেকাসকলৰ বাদে বাকী লোকসকল ঘৰমুৱা হয়। ডেকাসকলে মাইকুথলীত চাউ আলং, কা-নামৱেন, কামেং বি, কাফি আদি নৃত্য প্ৰদৰ্শন কৰে। তেওঁলোকে গোটেই ৰাতি উজাগৰে থাকি মেজিটো ৰখে আৰু দোকমোকালিতে সকলোৱে গা-পা ধোৱে। তাৎপৰ্যপূৰ্ণ যে পূৰ্বতে ওলোমাই থোৱা এডাল ৰচীত বিশেষ কৌশলেৰে জুই শিখা বান্ধি দি মাইকুৰ শীৰ্ষ ভাগতহে অগ্নি সংযোগ কৰা হয়।
বিভিন্ন পিঠা-পনাৰ উপৰি পুৱতি নিশাতে উঠি জীয়ৰী-বোৱাৰীয়ে প্ৰস্তুত কৰা এক বিশেষ ধৰণৰ খিচিৰি (খাওয়াকুক) এই উৎসৱ- এটি উল্লেখযোগ্য বৈশিষ্ট্য। বিভিন্ন শাক-পাচলি, আলু -কচু, মাটিমাহ, তিল, লাইশাক, পিঁয়াজ, ধনিয়া, কাঠ-আলু, আদা, জলকীয়া, শুকান মাছ-মাংস আদি একেলগে ৰান্ধি খাওয়াকুক প্ৰস্তুত কৰে। পুৱাতে ইঘৰে-সিঘৰক এই খিচিৰি দিয়াটো ধৰা-বন্ধা নিয়ম। ই বছৰটোৰ সৰ্বৰোগৰ মহৌষধ ৰূপে ক্ৰিয়া কৰে বুলি এওঁলোকে বিশ্বাস কৰে। মূল উৎসৱৰ দিনা বিহাৰত সকলো ৰাইজ একত্ৰিক বৌদ্ধৰীতিৰে শীল ব্ৰতাদি পালন কৰে।

পা. দ..

।। মাইহাং ।।

মাইহং আহোম ভাষাৰ শব্দ । অভিধানৰ মতে, আহোম স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলে ভাত খোৱা এবিধ সোণ বা ৰূপৰ বানকাঁহী। বানকাঁহীৰ দৰে মাইহাঙো খুৰা লগোৱা ওখ কাঁহী। কাঁহীখন দেখাত ঘূৰণীয়া, মাজ ভাগ সামান্য দ। সাধাৰণ কাঁহীৰ দৰে ইয়াৰ কাষত ওখ বাৰ নাই। কাঁহীখন নিৰ্মাণ কৰোঁতে যথেষ্ট পৰিকল্পনাৰ প্ৰয়োজন। কিয়নো আজিকালি ৰেল অথবা হোষ্টেলত ব্যৱহাৰ কৰা চাৰিকোণীয়া কাঁহীখনত থকাৰ দৰে ইয়াতো কাষে কাষে কেইবাটাও বাটি লাগি থাকে। বানকাঁহীৰ সৈতে ব্যৱহাৰ কৰা বানবাটিৰ দৰে মাইহাঙৰ বাটি কেইটা যেলেগ কৰিব নোৱাৰি। ভাত খোৱা মাইহাঙক কোনো কোনোৱে আহোমসকলৰ মাংগলিক অনুষ্ঠানত শৰাই হিচাপে ব্যৱহাৰ কৰে।

(দেওবৰীয়া অনুভূতি (২৫ মে' ২০০৮)ত প্ৰকাশিত গগন চেতিয়াৰ মাইহাং বাটিৰ সোৱাদ পানী : এক বিশ্লেষণ প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

।। মাকো ।।

শিপিনী হৈ জন্ম লোৱা অসমীয়া জীয়াৰী-বোৱাৰীৰ তাঁতশালখনি যেনে মৰমৰ, মাকোটোও তেনেকৈ মৰমৰ। নহ'লেনো বিহুৱতীয়ে গায় নে ' অতি চেনেহৰ মুগাৰে মহুৰা, অতি চেনেহৰ মাকো।' তাঁত বওঁতে সূতাত মহুৰা ভৰাই বাণিসূতা চলোৱা যতনৰ নাম মাকো (সং মক্ক)। ইয়াৰ ভাগ দুটা : চৰিয়া মাকো আৰু ফলীয়া মাকো। বিহুগীতত 'কলীয়া নাহৰৰ মাকো' আৰু 'হাতীদাঁতৰ মাকো'ৰ উল্লেখ আছে। নাওৰ দৰে দুমূৰ জোঙা চাৰিশিৰীয়া মাকোৰ মাজ ভাগ খুলি (মাকো বাকচ) তাত শলা লগাই সূতাৰ মহুৰাটো ৰাখি কাপোৰ বোৱা হয়। বিহুগীতৰ ভিন্ন কলিত মাকোৰ উল্লেখ আছে — 'ৰহো তাঁতৰ শালত চকু আলিবাটত ঘনে মাকো সৰি পৰে।' 'মাকোৰ ঘিট শুনি গামখাৰুৰ বাজনি।' 'মাকো মাৰ' (ঘনাই অহা-যোৱা কাৰী, 'মাকো যেন চলন ফুৰা', চঞ্চল আৰু ক্ষিপ্ৰ স্বভাৱৰ হ) প্ৰভৃতি মাকোৰ গইনা লৈ সৃষ্টি হোৱা খণ্ডবাক্য আজিও প্ৰচলিত। ইয়াক লৈ সাঁথৰৰো সৃষ্টি নোহোৱাকৈ থকা নাই। যেনে ক দুইফালে চাপ মাজে মাজে যায় কাৰ্শলা সাপ।' খ. আলিৰ মূৰত জেঠীৰ বাঁহ পুৰাই টিক টিক কৰে 'ৰঙ্গাৰ পুতেক নৰ্শীত পৰি /ঘনে অহা যোৱা কৰে।।' আদি।

না দা

।। মাঘ বিহু ।।

পুহৰ সংক্ৰান্তিৰ দিনা মাঘবিহু। মাঘৰ বিহু ভোগৰ বিহু। সেয়ে এই বিহু ভোগালী। এই সময়ত সূৰ্যই মকৰ ৰাশিত অৱস্থান কৰি উত্তৰলৈ গতি কৰে। এই সময়ত শীতৰ প্ৰকোপ কিছু কমিবলৈ ধৰে আৰু উষ্ণতাৰ অনুভূতি হ'বলৈ আৰম্ভ কৰে। মকৰ ৰাশিৰ সংক্ৰমণত হোৱা পুহৰ সংক্ৰান্তিক মকৰ সংক্ৰান্তি বুলিও জনা যায়। অসমীয়া জন-সমাজৰ জীৱন-যাত্ৰাৰ চানেকি মাঘ মাহত সুন্দৰকৈ ফুটি ওলায়। মাঘ মাহক পবিত্ৰ মাহ বুলি গণ্য কৰা হয়। কাতি বিহুৰ কঙাল অৱস্থাৰপৰা আঁতৰি আহি মাঘৰ শীতল পৰিৱেশ আৰু নতুনকৈ চপাই অনা সোণোৱালী শইচৰ ভোগ-সম্ভাৰেৰে আৰু মুকলি মূৰীয়া পৰিৱেশৰ মাজেদি অসমীয়া মানুহে নিজকে বিলীন কৰি দিব খোজে।

মাঘ বিহুৰ অন্যতম লোকাচাৰ মাঘবিহুৰ উৰুকা। সেইদিনা ৰাতি আত্মীয় স্বজন, বন্ধু-বান্ধৱ মিলি এসাঁজ খোৱাৰ লগতে আকৌ এবাৰ সমন্বয়ৰ সূতাৰে বান্ধ খোৱা হয়।

মাঘ বিহুৰ লগত জুইৰ ঘনিষ্ঠ সম্পৰ্ক। শাস্ত্ৰীয় মত অনুসাৰে অগ্নিক জাতবেদ বুলি গণ্য কৰা হয়। ইয়াৰ অৰ্থ - সকলো সৃষ্ট বস্তুৰ ভিতৰত থাকি ই সকলোতে প্ৰকাশিত হয়। সেয়ে হিন্দু ধৰ্মৰ বিভিন্ন ধৰ্মীয় কাম-কাজত অগ্নি বা হোমক পূজা কৰা হয়। অগ্নিপূজাত তামোল-পাণ, সিন্দুৰ, হালধি, তিল, চাউল, মাটিমাহ, সৰিয়হৰ বজ্ৰাহৰ

তাৎপর্যপূর্ণ। ভেলাঘৰ আৰু মেজি পোৰাৰ যোগেদি অগ্নি দেৱতালৈ প্রণাম জনোৱা হয়। নামনি অসমত মেজিক পুঁজি বা ভেলা পুঁজি বুলি কোৱা হয়। মাঘ বিহুৰ মেজি পোৰা ৰীতি এটি সমূহীয়া আহুতি বুলি ক'ব পাৰি। মেজি জ্বলোৱা প্রথা প্রাক্ বৈদিক আর্যসকলে পূজা কৰা মাগী বা মেজাইৰ পৰা অহা বুলি ভাবিবৰ থল আছে যদিও ই দৰাচলতে কৃষিভিত্তিকহে। মেজিৰ শুকান খেৰ, নৰা, কলপাত সকলো কৃষি সামগ্রীহে।

ম'হ যুঁজ, কুকুৰা যুঁজ, কণী যুঁজ, শেন যুঁজ আদি ইয়াৰ লগত জড়িত আন কেইটিমান আনুষংগিক অনুষ্ঠান। কণী যুঁজে প্রজনন শক্তিৰ সূচনা দিয়ে। ম'হ যুঁজ, কুকুৰা যুঁজ, শেন যুঁজ আদিয়ে দৈহিক শক্তিৰ বতৰা দিয়ে। মাঘ বিহুত কণী যুঁজ প্রজনন কৃত্য হিচাপে অষ্ট্রিক জনগোষ্ঠীৰ দান বুলি কোনো কোনোৱে ক'ব খোজে। পথাৰৰ লখিমীয়ে এই সময়তে ঘৰে ঘৰে ভোগৰ সম্ভাৰ ওপোচাই দিয়ে। এই বিহুত প্রত্যেকেই নিজৰ ঘৰলৈ মিতিৰ কুটুম্ব, ভাই-বন্ধুসকলক এসাজ খাবলৈ মতাৰ লগতে নিজৰ ভাব বিনিময়ৰো সুযোগ লাভ কৰে। প্র. শ. গো.

**।। মাঘ বিহুৰ লোকবিশ্বাস।।**

মাঘ বিহু বা ভোগালী বিহু শীতকালীন কৃষিভিত্তিক উৎসব। প্রাচীন কালৰেপৰা অসমীয়া মানুহৰ মাজত মাঘ বিহু সম্পৰ্কীয় নানান লোকবিশ্বাস চলি আহিছে। শস্য সংগ্রহৰ অন্তত এই উৎসব প্রত্যেক অসমীয়া মানুহৰ ঘৰে ঘৰে উদ্‌যাপিত হয়। মাঘ বিহুৰ আগদিনা অৰ্থাৎ উৰুকাৰ দিনাখন সজাই থোৱা মেজি, ভেলাঘৰ আদি পিছদিনা ব্রহ্মপুৱাতে স্নানাদি কৰি বয়োজ্যেষ্ঠজনে দাহন কৰে ।

অগ্নি দেৱতাই যাতে গোটেই বছৰটোত কাৰো ক'তো একো বিঘিনি নকৰে সেই লোকবিশ্বাসেৰে মাঘ বিহুৰ মেজি দাহন প্রথা চলি আহিছে। এই মেজিৰ জুইত ঠাই বিশেষে কিছুমানে খোৱা আলু, কাঠ আলু, ৰঙা আলু আদি পুৰি খায়। পোৰা আলু নেখালে পিছুৰ জনমত গাহৰি হয় বুলি এক লোকবিশ্বাসো প্রচলিত। চহা খেতিয়কে মেজি বা ভেলাঘৰৰ আধা পোৰা খুঁটা, লাগনি গছ, বাঁহ আদি নিজৰ খেতি পথাৰত থৈ দিয়ে। কোনো কোনো অঞ্চলত মেজি জ্বলোৱাৰ দিনা দোকমোকালিতে গৃহস্থই নিজৰ ঘৰৰ লাগনি গছবোৰত ধান খেৰ একোচাকৈ মেৰিয়াই 'মাঘ বন্ধা'ৰ নিয়ম আছে। গছক উৰ্বৰা কৰা বা বেছিকৈ ফল-মূল লগাৰ বিশ্বাসেৰে মাঘ বান্ধোতে গায়। — জাগ জাগ জাগ /গছে পাতে লাগ।

গাঁৱলীয়া সমাজত আজিও মুখ লগাৰ কথা বিশ্বাস কৰে। অঞ্চল বিশেষে গ্রাম্যাঞ্চলৰ খেতি বা শাক-পাচলিত মুখ নালাগিবৰ বাবে আধা পোৰা বাঁহ বা কাঠ সকলোৱে দেখাকৈ পুতি থোৱা হয়। পঁইতা ভাত অসমীয়া মানুহৰ এবিধ প্রিয়খাদ্য। পঁইতা ভাতৰ উপকাৰী গুণ বহুত । পঁইতাই শৰীৰ জুৰ কৰে। কথাতে কয়, 'আইৰে শপনি পঁইতা

পোতনি, চাওঁৰে আঠিয়া কল'। মাঘ বিহুত কোনো অঞ্চল অনুযায়ী মাঘী পইতা বা মাঘী পন্তা খোৱাৰ নিয়ম আছে। এই প্ৰসঙ্গতে এটি লোক প্ৰবাদ উদ্ধৃত কৰা হ'ল –

পুহত ৰান্ধি মাঘত খায়/বাঘৰ সমান বল পায়।
কিন্তু, মাঘে পন্তা বাঘৰ বল/ব'হাগে পন্তা ৰসাতল।

পূব কামৰূপ অঞ্চলত বিহুৰ দিনাখন ঢলপুৱাতে ঘৰৰ সকলোৱেই মৌ খোৱাৰ প্ৰথা আছে। মাঘ বিহুত মৌ খালে গোটেই বছৰটো মধুময় হয় বুলি এক লোকবিশ্বাস আছে।

ভেলাঘৰৰ লগত নানান লোকবিশ্বাস জড়িত হৈ আছে। কোনো কোনো অঞ্চলত সন্তানহীনলোকে বা বহুবাৰ জন্ম দিয়াৰ পিছতো সন্তানহাৰা হোৱা পিতৃ- মাতৃয়ে ভেলাঘৰত গৰখীয়াহঁতক খাবলৈ দি আশীৰ্বাদ ল'লে সন্তানপ্ৰাপ্তি হয় বুলি বিশ্বাস কৰে। অঞ্চল বিশেষে মনোবাঞ্ছা পূৰাণাৰ্থে উৰুকাৰ ভোজলৈ গৰখীয়া ল'ৰাক হাঁহ, লাক- পিঠা আগবঢ়োৱা দেখা যায়। কিছুমানে মঙ্গল কামনা কৰি মাহকৰাই বিতৰণ কৰে। সেইদৰে ভেলাঘৰৰ পোৰা ছাই খেতি পথাৰত দিলে খেতি অনিষ্টকাৰী পোক-পৰুৱাৰ পৰা ৰক্ষা পৰে।

দক্ষিণ কামৰূপৰ ঠাই বিশেষে মাঘ বিহুৰ নিশা গাভৰু- জীয়াৰীসকলে নিজৰ মনোবাঞ্ছিত দৰা পোৱাৰ মানসেৰে জালি পুতুলী'ৰ বিয়া পাতে। দৰাচলতে ইয়াক ছদ্মবিয়া বুলি ক'ব পাৰি। শস্য চপোৱাৰ শেষত আনন্দ বিনোদনৰ লগতে মাঘ মাহত বিয়াৰ অনুকূল পৰিৱেশো আহি পৰে। সেয়েই হয়তো অবিবাহিতা নাৰীয়ে বিহুৰ প্ৰথম দিনাই এই ছদ্মবিয়াৰ আয়োজন কৰে। ভেলাঘৰৰ আধা পোৰা বাঁহেৰে ৰভা সাজিলে বিয়া ফলপ্ৰসূ হয় বুলি লোকবিশ্বাস আছে। মাঘ বিহুৰ কৰ্ণাযুঁজৰ অন্তৰালত উৰ্বৰা বিশ্বাস সংশ্লিষ্ট হৈ আছে।

ক. তা.

### ।। মাঘ বিহুৰ শলীয়া খেদা প্ৰথা ।।

অসমৰ বাপতি সাহোন বিহুৰ লগত কিছুমান আন আন উৎসৱ পালন কৰা হয়। মাঘ বিহু বা ভোগালী বিহুৰ লগত পালন কৰা তেনে এক উৎসৱ হ'ল শলীয়া খেদা উৎসৱ। শলীয়া হ'ল কেৰ্কেটুৱাৰ স্থানীয় নাম। পলাশবাৰী ৰাজহ চক্ৰৰ ৰামপুৰ মৌজা অঞ্চলত প্ৰচলিত জনশ্ৰুতি মতে মেজি বা ভেলাঘৰ হ'ল ভেলা নামৰ বুঢ়া এজনৰ প্ৰতীক। ভেলা বুঢ়া ঢুকোৱাৰ পিছত ৰাইজে শ দাহ কৰিবলৈ শ্মশানলৈ যোৱাৰ সময়ত গাঁৱৰ মানুহৰ সৈতে গছ-গছনিবোৰো যাবলৈ ধৰিলে। তেতিয়া গাঁওখনত এক নাশুত নাশ্ৰুত ঘটনা ঘটিবলৈ ধৰাত ৰাইজে চিন্তাত একো নাই হৈ ভেলা বুঢ়াৰ শ পথাৰতে ৰাখি বিচাৰ কৰিবলৈ ধৰিলে। শেষত সিদ্ধান্ত হ'ল যে গছ-গছনিবোৰৰ বিশেষকৈ ফলৰ দিয়া গছবোৰ বান্ধি ৰাখিব। তেতিয়া ৰাইজৰ আটায়ে নিজ নিজ ঘৰলৈ গৈ ফলৰ গছবোৰ বান্ধ দিয়া আৰম্ভ কৰিলে। আচৰিত ধৰণে বান্ধ দিয়া গছবোৰ একে ঠাইতে

ৰ'বলৈ ধৰিলে। বাকী খৰি জাতীয় গছবোৰ পথাৰৰ কাষত শাৰী শাৰীকৈ বাঁহ বান্ধি ৰখাৰ ব্যৱস্থা কৰিলে। তেতিয়াৰপৰা ফলৰ গছবোৰ গৃহস্থৰ ঘৰৰ লগত আৰু আন গছবোৰ পথাৰৰ কাষৰ মাটিত ৰোৱাৰ প্ৰথা আৰম্ভ হয়। এইদৰে গছবোৰত গাঁথি দিয়া বা টঙালি বন্ধা প্ৰথা মাঘ বিহুৰ দিনা ৰাতিপুৱাতে সমাপন কৰাটো প্ৰচলন হ'ল। ইয়াত অঙ্গাঙ্গীকৈ শলীয়া খেদা প্ৰথা জড়িত। আম, কঁঠাল, জাম, তামোল আদি প্ৰায়বোৰ ফলৰ গছ মাঘ মাহত ফুলাৰ সময়। কিন্তু শলীয়া বা কেৰ্কেটুৱাই প্ৰায়বোৰ ফলৰ ক্ষতিসাধন কৰে। বিশেষকৈ তামোলৰ কলিবোৰ কুটি পেলায়। যিহেতু ৰাইজৰ প্ৰতিঘৰ গৃহস্থই ফলৰ গছবোৰত ৰাতিপুৱাতে বান্ধ দি ভেলাঘৰ বা মেজি জ্বলাবলৈ যোৱাটো প্ৰচলন হ'ল, তেতিয়া আটায়ে আলোচনা কৰিলে যে যদি প্ৰতিঘৰ গৃহস্থই শলীয়া খেদাৰ ব্যৱস্থা কৰে তেনেহ'লে প্ৰথম লাভ হ'ব— গাঁৱৰ কোনোঘৰ গৃহস্থৰ বাৰীত কেৰ্কেটুৱা থাকিব নোৱাৰি গাঁৱৰ বাহিৰ হৈ যাব। দ্বিতীয় লাভ হ'ব— প্ৰতিঘৰ গৃহস্থই একে সময়তে সাঁৰ পাব আৰু ফলৰ গছত বান্ধ দিবও পাৰিব। লগতে একেলগে মেজি জ্বলাবলৈও যাব পাৰিব। এইদৰে মাঘবিহুৰ লগত মেজি বা ভেলাঘৰত জুই দি ভেলাবুঢ়াৰ স্মৃতিত ভেলাঘৰ জ্বলোৱাৰ লগতে শলীয়া খেদা প্ৰথাও প্ৰচলিত হয়। শলীয়া খেদা গীত দুই ধৰণৰ পোৱা হৈছে।

(ক) শলীয়া হো হো/এক ঠোক দুই ঠোক ৰাহাক্‌কে লাগিবি/কাটিম না নাকাটিম/ ঘেচ...।

(খ) কেৰ্কেটুৱা বাঁহৰ মূৰা/হো হো হো/এক ঠোক দুই ঠোক ৰাহাক্‌কে লাগিবি/কাটিম না নাকাটিম/ঘেচ...!

এইদৰে গীত গাই গছত কোবাই কোবাই শলীয়া খদা প্ৰথা মাঘ বিহুৰ প্ৰথম দিনা ৰাতিপুৱা পালন কৰা হয়।

নি. শ.

**।। মাঘোৎসৱ।।**

মৰিগাঁও জিলাৰ দন্দুৱা অঞ্চলত উদ্‌যাপিত মাঘোৎসৱ এক ঐতিহ্যমণ্ডিত লোক উৎসৱ। ইং ১৯৪৪ চনৰপৰা বৰ্তমানলৈকে অনুষ্ঠিত এই উৎসৱে বহন কৰিছে অঞ্চলটোৰ সাংস্কৃতিক পৰম্পৰা আৰু ঐক্য-সম্প্ৰীতিৰ বীজ। এই অনুষ্ঠানক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে অঞ্চলটোৰ নাট্য পৰম্পৰা। অনুমানৰ অৱকাশ আছে যে মাঘোৎসৱৰ অন্তৰালত হয়তো ৰাজকীয় পৃষ্ঠপোষকতা জড়িত হৈ আছিল। অতীজৰ দন্দুৱা ৰজাৰ নাট্য প্ৰীতিৰেই ই ফলশ্ৰুতি। আদিতে এই উৎসৱ পাতিবৰ বাবে অস্থায়ীভাৱে ৰভা খোলা দিয়া হৈছিল। কিন্তু বৰ্তমান এই উৎসৱ পাতিবৰ বাবে এটা স্থায়ী ঘৰ আৰু স্থায়ী মণিকূট আছে যাক দন্দুৱা নাট্যমন্দিৰ বুলি নামকৰণ কৰা হৈছে।

মাঘ মাহত পতা উৎসৱ কাৰণে ইয়াক মাঘোৎসৱ বুলি অভিহিত কৰা হয়। মাঘোৎসৱ মাঘ মাহৰ ভীম একাদশীৰ দুই এদিনৰ পিছত সাধাৰণতে বিবাহ-বিহীন তাৰিখত অনুষ্ঠিত কৰা হয়- যাতে অঞ্চলটোৰ ৰাইজে বিবাহ আদিৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠানৰপৰা আঁতৰি মুক্তমনেৰে উৎসৱত যোগদান কৰিব পাৰে। মাঘোৎসৱ তিনিদিনীয়াকৈ অনুষ্ঠিত হয় যদিও শেষৰ দিনটোক ধৰি চাৰিদিন হয়। প্ৰথম দিনা প্ৰসঙ্গৰ অন্তত ভাগৱত পাঠ কৰা হয়, তাৰ পিছত ভকতবৃন্দৰ নাম হয়। দ্বিতীয় আৰু তৃতীয় দিনা দিনৰ ভাগত আইসকলৰ নাম পতা হয়। প্ৰথম দিনা ৰাতি অঙ্কীয়া ভাওনা আৰু দ্বিতীয়- তৃতীয় দিনা ৰাতি যাত্ৰা-থিয়েটাৰ আদি অনুষ্ঠিত কৰা হয়। কেতিয়াবা ৰাইজৰ ইচ্ছা অনুসৰি দিনত হৰিচন্দ্ৰৰ উপাখ্যানৰ পালা আৰু ৰাতিৰ ভাওনাৰ ভিতৰত কালীয় দমন মঞ্চস্থ কৰা হয়। এই দুয়োটাই অঞ্চলটোৰ ৰাইজৰ মাজত বেছ জনপ্ৰিয়। ধৰ্ম- সম্প্ৰদায় নিৰ্বিশেষে স্থানীয় যুৱকসকলে এই উৎসৱৰ কেইদিনত দিনৰ ভাগত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা পাতি দূৰ দূৰণিৰ নিৰ্দিষ্ট খেলৰ বিভিন্ন দলসমূহকো নিমন্ত্ৰণ কৰে। এই প্ৰতিযোগিতা ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোৰে বাবে মুকলি। বিভিন্ন প্ৰতিযোগিতামূলক খেলৰ লগতে পৰম্পৰাগত কুকুৰা যুঁজ, ম'হযুঁজ আদিয়ো মাঘোৎসৱৰ কেন্দ্ৰ কৰি অনুষ্ঠিত হয়। দন্দুৱা বিভিন্ন ধৰ্মালম্বী আৰু বিভিন্ন জনগোষ্ঠীৰ লীলাভূমি হোৱাৰ বাবে মাঘোৎসৱ এই অঞ্চলৰ সাংস্কৃতিক সম্প্ৰীতিৰ এনাজৰী স্বৰূপ।

বি. চ.ৰ.

।। মাঝি সম্প্ৰদায়ৰ জাৰ্গী পাঞ্জা ।।

মাঝি বুলি প্ৰকৃততে কোনো জাতি বা সম্প্ৰদায় নাই। এওঁলোকক চাওতাল বুলি জনা যায়। অসমত এই সম্প্ৰদায়ৰ লোক প্ৰায় দুই লাখ মান। অসমৰ গোৱালপাৰা, গোলাঘাট,যোৰহাট, শিৱসাগৰ আৰু ডিব্ৰুগড় আদি জিলাত এই লোকসকল বসতি স্থাপন কৰি আছে। প্ৰত্যেক খন গাঁৱতে মাঝি সম্প্ৰদায়ৰ এজন গাঁওবুঢ়া থাকে। তেওঁক মাঝিবুঢ়া বুলি কোৱা হয়। এই মাঝিবুঢ়া এজনে গাঁৱৰ সামাজিক নীতি-নিয়ম, আইন-শৃংখলা আদিৰ ৰক্ষক। তেওঁৰ পৰামৰ্শ মতে চলা লোক সকলক মাঝি বুলি কোৱা হয়।

মাঝি সম্প্ৰদায়ৰ নতুন মিতিৰ হোৱা পদ্ধতিতোক জাৰ্গী পাঞ্জা বোলে। এই নীতিটো অতীতৰেপৰা চলি আহিছে। ইয়াত নাৰীৰ স্থান পুৰুষতকৈ তলত আছিল যদিও বহুক্ষেত্ৰত নাৰীসকলে স্বাধীনতা লাভ কৰিছিল। মহিলাসকলে ঘৰুৱা কাম-কাজৰ উপৰি কৃষি কামতো পুৰুষসকলক সমানে সহায়-সহযোগ কৰিছিল। ল'ৰা-ছোৱালীয়ে নিজে নিজৰ পছন্দ মতে বিয়া পতাৰ স্বাধীনতা আছিল। এওঁলোকে অভিভাৱকৰ সন্মতি অবিহনে পলাই গৈও বিয়া পাতিছিল। এইদৰে পলাই যোৱাৰ পিছত নতুনকৈ মিতিৰ হোৱা সামাজিক নীতিটোকে জাৰ্গী পাঞ্জা বোলা হয়। কিংবদন্তি মতে বহুকাল আগতে জাৰ্গী পাঞ্জা বৰ কঠোৰ সামাজিক

নীতি আছিল। সময় পৰিবৰ্তনৰ লগে লগে আৰু সমাজত শিক্ষিতৰ সংখ্যা বৃদ্ধি পোৱাত এই নীতি-নিয়ম কিছু শিথিল হয়। বৰ্তমান জাৰ্গী পাঞ্জাৰ দিনা কন্যাঘৰৰ লোকসকলে দৰা ঘৰৰ পদূলি পোৱাৰ লগে লগে ছোৱালী পলুৱাই নিয়া খং দমাবলৈ দৰাৰ ভৰিত কাঁড়বিদ্ধ কৰাৰ পৰিবৰ্তে সামাজিক নীতি অনুসৰি দৰাৰ ঘৰৰ পদূলিত বান্ধি থোৱা মাইকী ছাগলীজনীৰ ভৰিত ধনু মাৰি কাঁড়বিদ্ধ কৰে। কাঁড়বিদ্ধ ছাগলীজনীৰ তপিনা কাটি কইনা ঘৰৰ লোকে গাঁৱলৈ লৈ আনি সেই মাংসৰে ভোজ ভাত খায়। এই নিয়ম অনুযায়ী বৰ্তমানে দৰা-কন্যাৰ ঘৰৰ লোকসকলে দুয়োপক্ষই ঠিক কৰি থোৱা তাৰিখ অনুসৰি দৰাৰ ঘৰলৈ যায়। দৰাৰ ঘৰৰ পদূলি পোৱাৰ লগে লগে কন্যা পলুৱাই নিয়াৰ খং দমাবলৈ পদূলি মুখত থোৱা মাটিৰ কলহটো ভাঙি পেলায়। তাৰ পিছত পাকঘৰৰ ভিতৰলৈ গৈ পাকঘৰৰ চৌকাটো ভাঙি পেলোৱা নিয়ম। পিছত পুনৰ নতুনকৈ চৌকা সাজি সেই চৌকাত ছাগলী মাৰি ভোজ ভাত খায়। সকলোৱে আনন্দ মনে নতুন মিতিৰ হোৱা ভোজ ভাত খাই দুয়োপক্ষই দিন বাৰ ঠিক কৰি দৰা-কন্যাক সামাজিক নীতি অনুসৰি বিয়াখন পাতি দিয়ে।

প. পা.

**।। মাটি আখৰা ।।**

সত্ৰীয়া নৃত্যৰ বাবে মাটি আখৰা অপৰিহাৰ্য। ইয়াৰদ্বাৰা শৰীৰটো নাচৰ উপযোগী হোৱাৰ লগতে বিভিন্ন ভংগি শুদ্ধভাৱে দিয়াত সুবিধা হয়। তদুপৰি সত্ৰীয়া নাচৰ বেলা শাস্ত্ৰীয় নৃত্য কলাৰ অভিনয় হস্তত আৰম্ভ কৰি ৰণলৈকে বিশেষ শিক্ষা নিদিলেও এই মাটি আখৰা শিকিয়ে ধ্ৰুপদী নৃত্যৰ সৰহখিনি কথা জানিব পাৰে। মাটি আখৰাৰ আৰম্ভণি অংশটো এনেধৰণৰ ঃ শিকাজনে পেট তললৈ পেলাই সোঁফালে গাল কাটি কৰি বাহুৰ সমানে হাত দুখনি মেলি লৈ ভৰি দুখনো সমানে সম্প্ৰসাৰিত কৰি আঁঠুৰ তলচোৱা আনি গেৰোহাত লগাব লাগে। গুৰুৱে তাৰ পিছত সোঁ ভৰিৰে বাহুৰপৰা ক্ৰমে তপিনালৈকে গচকি দি গাটো শিথিল কৰি দিয়ে। মাটি আখৰাৰ শিক্ষা সম্পূৰ্ণ হোৱাৰ পিছত শিকাৰুক সৰল নাদু-ভংগিৰ আখৰা দিয়াটো নিয়ম। প্ৰত্যেক সত্ৰৰে মাটি আখৰাৰ সংখ্যা ভিন্ ভিন্। ড° মহেশ্বৰ নেওগে কমলাবাৰী সত্ৰৰ মণিৰাম দত্ত বায়ন মুক্তিয়াৰ দেবৰপৰা ৪৪ টা মাটি আখৰাৰ বৰ্ণনা লৈছিল। সিবোৰৰ কেইটামান হ'ল - বহি মুৰুকা, থিয়-মুৰুকা, ওৰা (ওৰা দুবিধ - মতা ওৰা আৰু মাইকী ওৰা), ওৰাত বহা, ওৰা-চটা, খৰ, লুটিখৰ, তমাল-মোচৰা, ভাৰ-ভগা, হাত পকোৱা, ম'ৰাই পানী খোৱা, বাঘ-জাপ আদি। শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীয়ে সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাত সত্তৰখন মাটি আখৰাৰ লেখ দিছে। তাৰে কেইখনমানৰ নাম হ'ল - ওৰা, ওৰাত বহা, ওৰাত গেৰোৱা লগোৱা, ওৰা চটা, ওৰাত জাপ, খৰ লুটি খৰ, চিতখৰ, চিতা পাক, গোৰপাক,

উঘা পাক, চেৰেকি পাক, কাতি পাক, উৰপাক, টুকুৰা পাক, আকল পাক, শাৰীপাক, মাইকীপাক, ভেকোলা জাপ, বাঘ জাপ আদি।

সত্ৰীয়া ভাষাত ব্যৱহাৰ হোৱা মাটি আখৰাক ভৰত-নাট্য শাস্ত্ৰত বৰ্ণিত এশ আঠ বিধ কৰণেৰে ৰিজাব পাৰি।

না. দা.

**।। মাটিফুটা দেৱালয়ৰ সুঁৱৰি মহোৎসৱ ।।**

মাটি ফুটা দেৱালয় বৰদুৱাৰ মৌজাৰ সকলো জাতি-উপজাতিৰ আদৰৰ ধৰ্মীয় অনুষ্ঠান। আজিৰপৰা এশ বছৰ আগতে বাথা নদীৰ দাঁতিত অৱস্থিত মদনপুৰ গাঁৱত জীৱৰ মুক্তিৰ অৰ্থে ভগবানে মাটি ফুটি আবিৰ্ভাব হয়। এহাল বুঢ়া-বুঢ়ীৰ ঘৰত মাটি ফুটি আবিৰ্ভাৱ হোৱা ভগৱানৰ বিগ্ৰহ মদনপুৰ গাঁৱত স্থাপন কৰা হয়। তেতিয়াৰপৰা গাঁৱৰ নামৰ লগত সংগতি ৰাখি বিগ্ৰহ স্থাপন কৰা দেৱালয়ৰ নাম মদনমোহন মাটিফুটা দেৱালয় ৰখা হয়। দেৱালয়খনত উদ্‌যাপন কৰা উৎসৱ-পাৰ্বণসমূহৰ ভিতৰত দৌলৰ লগত সংগতি ৰাখি পিছ দিনা সমগ্ৰ বৰদুৱাৰ ৰাইজৰ উপস্থিতিত পালন কৰা সুঁৱৰি উৎসৱ দক্ষিণ কামৰূপৰ ভিতৰতে একক আৰু অনন্য লোক উৎসৱ ৰূপে সৰ্বজন বিদিত। জনসমুদ্ৰৰ মাজত উদ্‌যাপন কৰা এই উৎসৱে মহোৎসৱলৈ গতি কৰাটোৱে প্ৰমাণ কৰে ইয়াৰ জনপ্ৰিয়তা। ব'হাগ মাহৰ পহিলা তাৰিখৰপৰা আৰম্ভ কৰি গোটেই মাহটো জুৰি দক্ষিণ কামৰূপত স'ৰি উৎসৱ উদ্‌যাপন কৰা হয়-হোম-যজ্ঞত, দধিমথন, বাৰগোপাল আৰু গোসাঁই অস্থায়ী থাপনাত সজাই পৰাই ৰাখি। মটি ফুটা দেৱালয়ৰ সুঁৱৰি মহোৎসৱ ইবোৰৰপৰা পৃথক। ইয়াত প্ৰথমে মাটি ফুটা দেৱালয়ৰ বিগ্ৰহ দৌলৰপৰা গায়ন বায়ন সমন্বিতে নমাই আনি মুকলি পথাৰত সজোৱা অস্থায়ী আসনত স্থাপন কৰা হয়। ইয়াৰ পিছতে বৰদুৱাৰৰ ১০১ খন গাঁৱৰ নিজৰ নিজৰ বিগ্ৰহ অনা হয়। চৌদিশৰপৰা ঢ়লীয়া-কালীয়া, বেণ্ডপাৰ্টি, আৰু গায়ন-বায়নে বিভিন্ন বাদ্য পৰিবেশন কৰি আকাশ বতাহ নিনাদিত কৰি সুঁৱৰি থলীলৈ গোসাঁইসহ আহে আৰু নিজৰ নিজৰ গোসাঁই বেদীত স্থাপন কৰে। বৰদুৱাৰৰ উপৰি দূৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজৰ এই মহামিলন জনসমুদ্ৰত পৰিণত হয়। এই অপূৰ্ব দৃশ্য নেদেখিলে কল্পনা কৰিব নোৱাৰি। গোসাঁই অস্থায়ী বেদীত স্থাপন কৰাৰ পিছত ৰাইজ একত্ৰিত হৈ মুখামুখিকৈ বহি পৰে। ইয়াৰ পিছতে বৰঢোল, ৰজাঢোল, গায়ন-বায়ন, বেণ্ডপাৰ্টি সকলোৱে বিভিন্ন নৃত্যভংগীমাৰে নিজৰ নিজৰ সংস্কৃতি প্ৰদৰ্শন কৰে। এই অপূৰ্ব আৰু মোহনীয় দৃশ্যই দৰ্শকক আপ্লুত কৰে। এটা সময়ত বাদ্যযন্ত্ৰ, নৃত্য আদিৰ অন্ত পৰে আৰু জনতাই নিজৰ মনোবাঞ্ছা পূৰণৰ কাৰণে মহাপ্ৰভুৰ নামত মিঠাতেল উছৰ্গা কৰে। এই জনসমুদ্ৰৰ কোলাহল কিন্তু কোনো সংকেত নোহোৱাকৈ বন্ধ হয়—.যেতিয়া ৰাইজে একত্ৰিত হৈ মহাপ্ৰভুৰ ওচৰত

আঁঠু লয়। ৰাজহুৱা আঁঠুলোৱা সেৱা পৰ্বৰ লগে লগে সুঁৱৰি মহোৎসৱৰ সামৰণি পৰে।

ধ.ব.

**।। মাটিৰ শিল্প ।।**

অসমৰ মাটিৰ শিল্পৰ ইতিহাস দীৰ্ঘদিনীয়া। ধাতৱ শিল্পই গা কৰি উঠাৰ পূৰ্বে মৃৎ শিল্পই বিকাশ লাভ কৰাটো ঐতিহাসিক সত্য। এটা কালত নিত্য-নৈমিত্তিক কৰ্মত ব্যৱহাৰ কৰা সমস্ত সম্ভাৰকে মাটিৰে সাজি উলিওৱা হৈছিল। হীৰা আৰু কুমাৰ সম্প্ৰদায়ৰ লোকে মৃৎশিল্পৰ সম্প্ৰসাৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাটো উল্লেখযোগ্য। আহোম আৰু কছাৰী ৰাজ্যত ইটা নিৰ্মাণ কৰা শিল্পই প্ৰতিপত্তি লাভ কৰিছিল। কিছুমান ইটা উকা, আন কিছুমান অলংকৃত। জীৱ-জন্তু, চৰাই-চিৰিকতি, দেৱ-দেৱী আৰু মানুহৰ মূৰ্তি কেঁচাতে কাটি তাক পুৰিলে দেখাত সুন্দৰ হৈ পৰে। তেতিয়া সিবোৰ সাধাৰণ ইটাৰ পৰা গৈ টেৰাকটা ভাস্কৰ্যত পৰিণত হয় গৈ। জয়সগৰৰ ঘনশ্যাম দ'লত আৰু কামাখ্যাৰ এটি মন্দিৰত ভালে সংখ্যক টেৰাকটা ভাস্কৰ্য আজিও বিদ্যমান। টি. দি. মেম্বাৰ্ট চাহাবে মধ্যযুগৰ অসমৰ ইটাক মেনাম নৈৰ উপত্যকাত থকা ইউঠিয়া ৰাজ্যৰ ইটাৰে অবিকল বুলি মন্তব্য দিছে। মধ্যযুগত ইটা ৰঙীন আৰু অধিক কঠিন কৰিবলৈ জোকৰ তেজ ঘঁহি দিয়াটো তাৎপৰ্যপূৰ্ণ। আহোম যুগত মাটিৰে নিৰ্মাণ কৰা হৈছিল নলা (পাইপ) আৰু পকী নাদৰ পাট। মাটিৰ পাত্ৰ নিৰ্মাণ কৰিবলৈ স্থান বিশেষত প্ৰাপ্ত বিশেষ ধৰণৰ মাটিৰ প্ৰয়োজন। এই মাটি ১২০-৬০ ছেন্টিমিটাৰ তলৰপৰা আনি বালি মিহলাই একোটা মাটিৰ নিষত সাজি চাক অথবা হাতেৰে বিভিন্ন ব্যৱহাৰ্য সামগ্ৰীৰ চাক্ষুস ৰূপ দিয়া হয়। ইয়াৰ পিছত চাৰি-পাঁচ দিন ৰ'দত শুকাই লৈ কিছুমান পাত্ৰৰ গাত ৰং কৰা প্ৰয়োজন। উকা পাত্ৰও নথকা নহয়। ৰ'দত শুকোৱা পাত্ৰসমূহ পাগহেলীত চৌবিশ ঘন্টা দহন কৰিব লাগে।

মৃৎশিল্পত ব্যৱহাৰ কৰা সঁজুলিৰ ভিতৰত আফৰী, এথালি, কোৰ, গায়ন, চাক, চোচঁনী, দান শিল, পিতুন, পেঘালি, মাটি অনা নাও বা ঠেলা আৰু হাত শিল প্ৰধান।

মাটিৰে নিৰ্মিত দ্ৰব্যসম্ভাৰৰ ভিতৰত কটা, কপৌ চাকি, কলহ, কাঁহি-বাতি, খোল, গছা চাকি, গাগৰী, গ্লাচ, ঘট, চৰু, চিলিম, জকা, টাৱি, টিপা, টেকেলি, টেজেৰি, ঢোল, দবা, দুৰণি, ধূপদানি, নদীয়াটো, নাও (এনে নাও এখনি গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত উদ্ধাৰ হৈছে), পুতলা, ফুলদানি, বান, ভুৰুকা, ভেতুৰা, মঠিয়া, মাদী, মৃদংগৰ খোলা, মুটকী, শৰাই, সানেকী আদি প্ৰধান।

না. দা.

।। মাদল।।

আনদ্ধ বাদ্যযন্ত্ৰ মাদল শব্দটো সংস্কৃত মাৰ্দল শব্দৰপৰা অহা। দীঘলীয়া মৃদংগ অথবা ঢোলকৰ দৰে এই বাদ্য বিধ প্ৰায় সত্তৰ-পয়সত্তৰ ছে.মি. দৈৰ্ঘ্যৰ গোটা কাঠ এডাল খুলি দুয়োফালে গৰুৰ চামৰাৰে ছোৱাই মাদল বাদ্যটি সজা হয়। ইয়াৰ এফালৰ ডাঙৰ মুখখন প্ৰায় পয়চল্লিছ ছে.মি. ব্যাসৰ আৰু আনফালৰ সৰু মুখখন প্ৰায় ত্ৰিশ ছে.মি. মান ব্যাসৰ। মুখ দুখনত লগোৱা চামৰা দুখন বৰতিৰ সহায়ত টনাটনি কৰি বন্ধা। তদুপৰি দুয়োখন চামৰাৰ মাজভাগত ঘূৰণীয়াকৈ ঘুণ লগাই বজোৱা হয়। জনজাতিসকলৰ মাজত বহুলভাৱে প্ৰচলিত মাদল মহাৰাজ বিশ্বসিংহৰ ৰাজ অভিষেকৰ কালত কছাৰীসকলে বজোৱাৰ উল্লেখ দৰং ৰাজবংশাৱলীত পোৱা যায় ঃ 'কুবাচ কছাৰীগণে মাদল বজাৱে ঘনে, তাৰ মতে সিও গাৱে গীত।' চাহ বাগিছাৰ অসমীয়াসকলৰ মাজত মাদল প্ৰিয়বাদ্য। মধ্যযুগীয় ভাৰতীয় গ্ৰন্থকাৰ এজনে মাৰ্দল বা মাদলৰ সন্দৰ্ভত দিয়া বৰ্ণনা এনেধৰণৰ— ইয়াৰ গাটো কাঠেৰে নিৰ্মিত আৰু প্ৰায় চল্লিছ ছে. মিটাৰ দীঘল, মাজটো উঠঙা। ইয়াৰ এটা মূৰৰ ব্যাস প্ৰায় আঠাইশ ছে. মিটাৰ আৰু আনটোৰ পঁচিশ ছে. মিটাৰমান হ'ব। দুয়োটা মূৰতে চামৰাৰ আৱৰণৰ ওপৰত ভাতৰ মণ্ডৰ লগত ছাই মিলাই তৈয়াৰ কৰা এবিধ প্ৰলেপ লগোৱা হয়। না. দা.

।। মাদলি-তাবিজ ।।

অসমীয়া লোক সংস্কৃতিৰ অন্যতম অংগ মাদলি-তাবিজ। লোক সংস্কৃতিৰ লগত জড়িত বিশ্বাস আৰু বিভিন্ন ক্ৰিয়া-কৰ্মৰ লগত মাদলি - তাবিজৰ ঘনিষ্ঠ সম্পৰ্ক। মন্ত্ৰ-তন্ত্ৰৰ বাহিৰেও দেব-দেৱী, গ্ৰহ-নক্ষত্ৰ, ভূত-প্ৰেত, অপদেৱতা সন্তুষ্ট কৰিবলৈ আৰু নানা ৰোগ-ব্যাধি নিৰাময়ৰ বাবে মাদলি আৰু তাবিজ ধাৰণা কৰা হয়। জ্যোতিষী, দৈৱজ্ঞ, বেজ-বেজনীৰ নিৰ্দেশ মতে সুমংগলৰ অৰ্থে মাদলি-তাবিজ আদি গ্ৰহণ কৰা দেখা যায়। মাদলৰ আকৃতিৰ বাবেই ইয়াক মাদলি বোলা হয়। মাদলি-তাবিজ সম পৰ্যায়ৰ। দুয়োবিধকে একে ক্ষেত্ৰতে ব্যৱহাৰ কৰা হয়। মাদলি বা তাবিজ সোণ, ৰূপ আৰু তামৰ সামৰ্থানুযায়ী আৰু দাতাৰ পৰামৰ্শ ক্ৰমে ব্যক্তিয়ে ধাৰণ কৰে। দৈনন্দিন জীৱনৰ অনেক বিপদ-আপদ, বেমাৰ আদিৰপৰা ৰক্ষা পাবলৈ মাদলি-তাবিজ ধাৰণ কৰা হয়। কেঁচুৱাৰ মুখ-লগা, মুখ-ভঙা, নোখোৱা আদিত মাদলি-তাবিজ ব্যৱহাৰ কৰা হয়। কেঁচুৱাই গাখীৰ নাখালে, অনবৰতে কান্দি থাকি শুকাই গ'লে খেতৰে ধৰা বুলি কয়। বেজে তেল, সৰিয়হ, ডোল আদি জাৰি মাদলি-তাবিজ দিলে সেই ৰোগ নিৰাময় হয়। নৱ-জাতকক বাঘৰ নখ তাবিজত ভৰাই পিন্ধালে মংগল হয় বুলি বিশ্বাস। ল'ৰা-ছোৱালী, গৰ্ভৱতী তিৰোতাক ভূত, আলখনী, মূৰ কুচিয়াই নাপাবলৈ বেজে ডোল জাৰি তাবিজ-মাদলি পৰিধান কৰিবলৈ দিয়ে। তেনে মন্ত্ৰপূত তাবিজত সোণ, কস্তুৰী, বাঘবল, গৰুৰ বিবিধ বস্তু, সিন্দূৰ, গড়ৰ মাংস, ভূজপত্ৰ,

পূব মুৰাকৈ পেৰা তেল, পাৰা আদি ব্যৱহাৰ কৰা দেখা যায়। গছৰ শিপা, পশুৰ নখ, শিং, ছাল, তেজ, চৰাইৰ পাখি, ঠোঁট, নখ আদিও ব্যৱহাৰ কৰে। এলাগী তিৰোতাই স্বামীক আকৰ্ষণ কৰিবৰ বাবে স্বামীৰ নাম লিখা কাগজ তাবিজত ভৰাই, সেই তাবিজটো ইষ্টদেৱতাৰ মন্ত্ৰ মাতি জুইত পুৰি দিলে স্বামী সেই স্ত্ৰীৰ প্ৰতি আকৰ্ষিত হয় বুলি আমাৰ সমাজত বিশ্বাস। হিন্দু সমাজত দেৱ-দেৱীৰ নাম ভূজপত্ৰত লিখি তাবিজৰ ভিতৰত দিয়া হয়। ইছলাম ধৰ্মীয় লোকসকলেও তেওঁলোকৰ ধৰ্মবাণীৰ পত্ৰ তাবিজৰ ভিতৰত দিয়ে। তাবিজ-মাদলি সাধাৰণতে ডিঙি, বাহু আৰু কঁকালত ৰঙা-ক'লা সূতাৰে বান্ধি পিন্ধা হয়। চুৱা লাগিলে বা নামানিলে তাবিজ গাৰ পৰা হেৰাই যায় বুলি বিশ্বাস। সেয়ে মাজে-সময়ে গৰু-গাখীৰ, আৰৈ চাউল, দুৰ্বা, সোণ-ৰূপ মিহলোৱা পানীত মাদলি-তাবিজ শুদ্ধিকৰণ কৰিব লাগে। তাবিজ গাত থাকিলে ৰজস্বলা নাৰীয়ে চুব নাপায়, মৃতকৰ ঘৰলৈ যাব নাপায় আৰু মৃত ব্যক্তিক চুব নাপায়। তাবিজৰ গুণ নষ্ট কৰিবলৈ ৰজস্বলা নাৰীৰ অশুদ্ধ তেজো ব্যৱহাৰ কৰা হয় বুলি জনা যায়। প্ৰাচীন কালৰে পৰাই মাদলি-তাবিজ পৰিধান কৰা কথা পোৱা যায় বুলি শুনা যায়। আহোম যুগত কৱচ কাপোৰ পিন্ধি যুদ্ধলৈ যোৱা ব্যৱস্থাও মাদলি -তাবিজ পৰিধান কৰাৰ সমপৰ্যায় যেন লাগে। ম.গো.

**।। মাৰুণী নৃত্য ।।**

মাৰুণী নৃত্য নেপালীসকলৰ অন্যতম লোকনৃত্য। মাৰুণীৰ অৰ্থ হ'ল স্ত্ৰীৰ ভেশত নচা আৰু গোৱা ব্যক্তি। পৰম্পৰা মতে কাতি মাহত অমাবস্যাৰ সন্ধিয়া লক্ষ্মী পূজা সম্পন্ন হোৱাৰ পিছত এই নৃত্য পৰিৱেশনৰ প্ৰস্তুতি চলোৱা হয় আৰু একাদশীৰ দিনা নীতি নিয়মৰ মাজেদি ইয়াৰ সামৰণি মাৰে। মাৰুণী নৃত্যত দুজন মাদল বাদক আৰু দুগৰাকী মাৰুণী বা নৰ্তকী থকাৰ উপৰি এজন মুখা পিন্ধা বহুৱা থাকে। প্ৰথমে মাদল বায়নে সাজ-পোছাক কৰাৰ পিছত মাৰুণী নৰ্তকীসকলে গীত আৰু তালৰ ছন্দে ছন্দে প্ৰয়োজনীয় সাজ-পোছাক এখন এখনকৈ পিন্ধে আৰু নৃত্যৰ সামৰণি নপৰালৈকে সেই পোছাকেৰে ঘৰে ঘৰে নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্যত পুৰুষেই নাৰীৰ ভেশ লৈ নৃত্য প্ৰদৰ্শন কৰে।

নিৰ্দিষ্ট দিনত মাৰুণী নৃত্য পৰিৱেশকসকলে উপবাসে থাকি সন্ধিয়া গুৰুৰ ঘৰত সমবেত হৈ বিধি বিধানমতে নৃত্যৰ আৰম্ভণি কৰে। আৰম্ভণিৰ সময়ত চোতালত বিভিন্ন ৰঙৰ কাপোৰৰ টুকুৰা বান্ধি এডাল খুঁটি (লিংগো) পুতি লয় আৰু গায় ঃ

'পূৰ্বৈ দিছাবাট আয়ো যোগী/বস্যো যোগী আগনৈমা, ধুনী লগাই...'

ইয়াৰ পিছত শৰি বা সখি গোৱা হয়। মাদলৰ তালৰ লগত মাৰুণীয়ে ঘুংঘুৰ বজায়। গীতৰ মাজেৰে উপাস্য দেৱ-দেৱী, নদ-নদী, পৰ্বত-পাহাৰ, মাটি-পানী আদিক সন্তুষ্ট কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়। মাৰুণী আৰু বহুৱাই মাদলৰ তালে তালে নাচি

নাৰ্জিফুল আৰু দৈ চাউল মিহলাই তৈয়াৰ কৰা অক্ষতা ছটিয়াই গৃহস্থক আশীৰ্বাদ দিয়ে। মাৰুণী নৃত্যত মাদলে সৃষ্টি, হাতৰ ভংগিমাই ৰক্ষা, ধুনীয়ে সংহাৰ আৰু ভৰিৰ তালে মুক্তিৰ তাৎপৰ্য বহন কৰে। একাদশীৰ দিনা মাৰুণী নৃত্যৰ প্ৰস্তুতি চলোৱা গৃহস্থৰ ঘৰতে পুনৰ সমবেত হৈ সামৰণি অনুষ্ঠান পাতে। নৃত্যত অংশ লোৱা কেইজনে ধূপ-দীপ আদিৰে সাজ-পোছাক, কলহ, মুখা আদিক পূজা কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

(বি.দ্ৰ.ঃ লোক সংস্কৃতিৰ সফুঁৰা গ্ৰন্থৰ ডম্বৰ দাহালৰ বৰ্ণাঢ্য নেপালী নৃত্য মাৰুনী' প্ৰবন্ধৰ আধাৰত যুগুটোৱা)

কি.ক.

।। মাঁৰৈ পূজা ।।

ভাষাচাৰ্য ড° সুকুমাৰ সেনে * মণ্ডপিকা শব্দৰপৰা মাৰে অথবা মাঁৰৈ শব্দ উত্তৱৰ সম্ভাৱনা দেখিছে। মাৰি-মৰক বিনাশনৰ বাবে কৰা পূজাই মাঁৰৈ পূজা। অসমত মনসা পূজাক মাঁৰৈ পূজা ৰূপে অভিহিত কৰাটো মন কৰিবলগীয়া। বড়োসকলৰ মাজতো মাঁৰৈ পূজা প্ৰচলিত। শাওন মাহৰ শুক্লাপঞ্চমী তিথি অৰ্থাৎ নাগপঞ্চমী মাঁৰৈ পূজাৰ বাবে সৰ্বোত্তম কাল। সাধাৰণতে উত্তৰ-পূৰ্ব ভাৰতত আষাঢ়, শাওণ আৰু ভাদ্ৰ এইতিনি মাহত মাঁৰৈ পূজা হয়। লৌকিক আৰু শাস্ত্ৰসম্মত ভাৱে দেৱী মনসাৰ পূজা-অৰ্চনা কৰাটো নিয়ম। মাঁৰৈ পূজা এদিনীয়া, দুদিনীয়া, তিনিদিনীয়া, পাঁচ দিনীয়া অথবা সাত দিনীয়া হ'ব পাৰে। এদিনীয়া পূজাক এপৰীয়া ৰং আৰু দুদিনীয়াকৈ কৰা পূজাকে জগোৱা অথবা গোটা ৰং আখ্যা দিয়া হয়। জগোৱা পূজাৰ আগদিনা অধিবাস কৰা প্ৰয়োজন। শাস্ত্ৰ সন্মত পদ্ধতিত কৰা পূজাত ঘট স্থাপন, প্ৰতিমা স্থাপন, চক্ষুদান, প্ৰতিমাৰ প্ৰাণ প্ৰতিষ্ঠা, জল আনয়ন, মহাস্নান, ধৰ্ম পূজা, শিৱ-দুৰ্গা প্ৰভৃতিৰ অৰ্চনা, মাতৃক ন্যাস, ধ্যান পীঠন্যাস প্ৰভৃতি পৰ্যায় থকাটো স্বাভাৱিক। বলি বিধানৰ কালত খৰ্গ পূজা, বলি-উৎসৰ্গ, হোম, পাঁচালী শ্ৰৱণ-কীৰ্তন, গীত-বাদ্য আৰু নৃত্যেৰে দেৱী বিসৰ্জন দিয়া প্ৰয়োজন।

ঘট আৰু প্ৰতিমা উভয়তে দেৱীৰ অৰ্চনা চলে। মজু নিৰ্মাণ কৰিও পূজা নকৰা নহয়। মজুত পূজা কৰিলে পূজাৰ শেষত মজুটো উটাই দিয়া নিয়ম। মাঁৰৈ পূজাৰ লগতে অনুষ্ঠিত ধৰ্ম দেৱতাৰ পূজাত বলি-বিধান থাকিলেও সেই দেৱতাৰ নামত বলিকটা নহয় - উচৰ্গা কৰি এৰি দিয়াহে দেখা যায়। শাস্ত্ৰীয় মতে পূজা শেষ হোৱাৰ পিছত ওজাপালিয়ে ওৰে ৰাতি মনসাৰ কাহিনী গায় - দেওধাই নৃত্য প্ৰদৰ্শন কৰে। গোৱালপাৰা, কামৰূপ আৰু দৰঙত মাঁৰৈ পূজাৰ পয়োভৰ বেছি। দক্ষিণ কামৰূপত মহাতীৰ্থ কামাখ্যাৰ মাঁৰৈ পূজা প্ৰখ্যাত। তাত দেওধা অথবা জকি উঠা এটা অপৰিহাৰ্য অংগ। দক্ষিণ কামৰূপৰ গড়ল-ভট্টাপাৰাৰ মনসা-মন্দিৰ, বড়মাটিৰ দুধকুঁৱৰী থান,

মিৰ্জাৰ নিজেশ্বৰী থান, হৃদুমপুৰৰ লাহেশ্বৰী থান, দখলা বুঢ়াগোহাঁই থান, আজাৰাৰ কেওটপাৰা আৰু হাটুৱাপাৰাত ভিন্ন তিথিত উলহ-মালহেৰে মাৰৈ পূজা উদ্‌যাপিত হোৱাটো উল্লেখযোগ্য।

বড়ো, পাতিৰাভা, হাজং প্ৰভৃতিয়েও তেওঁলোকৰ নিজস্ব পদ্ধতিত মাৰৈ পূজা পাতে। পাতি ৰাভাসকলৰ মাৰৈ পূজাত তিৰোতাই দেওধনী নচাটো চকুত পৰা বিষয়। দৰঙত দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত মাৰৈ পূজা হৈছিল। আজিও ইয়াৰ বিভিন্ন স্থানত মাৰৈ বা মনসা পূজা মহা পয়োভৰেৰে উদ্‌যাপিত হয়।

না. দা.

**।। মালগোসাঁই পূজা ।।**

গুৱাহাটীৰ সমীপৱৰ্তী ডিমৰীয়া অঞ্চলত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা এক ঐতিহ্যময় পূজা হ'ল— মালগোসাঁই পূজা। ডিমৰীয়া অঞ্চলৰ বিভিন্ন জাতি-জনজাতিৰ লোকে লগ লাগি এই পূজা অনুষ্ঠিত কৰে। ডিমৰুৱা ৰাজ্যৰ ৰজাই দুখ-দুৰ্দশা, অপায় - অমংগল আদি দূৰ কৰাৰ কাৰণে মধ্যযুগৰপৰাই মালগোসাঁই পূজা কৰি আহিছিল। জনশ্ৰুতি আছে যে কুমৈ তেতেলীয়া ৰজাৰপৰা ডিমৰুৱা ৰাজ্যৰ ৰজাই মালগোসাঁই পূজা উপহাৰ হিচাপে পাইছিল। ডিমৰীয়াসকলৰ মালগোসাঁই দুজন-ডেকামাল আৰু বুঢ়ামাল। ডেকা মালগোসাঁইৰ পূজা আহাৰ মাহত আৰু বুঢ়ামালগোসাঁইৰ পূজা ভাদ মাহৰ কোনো এটা মঙলবাৰে অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে ডিমৰীয়াসকলৰ পঞ্চদেৱতা টোপাতলীৰ সীমামুৰীয়া গোসাঁই, ক্ষেত্ৰীৰ কামাখ্যা মন্দিৰ, শিলচাঙৰ মালগোসাঁইৰ থান, মিটনিৰ জগন্নাথ মন্দিৰ আৰু ঘগুৱাৰ কেঁচাইখাঁতী থানৰ ভিতৰত মালগোসাঁই অন্যতম। এই মালগোসাঁইৰ পূজা কেইবাটাও স্তৰত বিভক্ত। প্ৰথমে আৰম্ভ হয় সৰা পূজা। তাৰ পিছত ক্ৰমে শিলচাং পূজা, চাণ্ডী পূজা আৰু ক্ষমা পূজাৰে এই পূজাৰ সামৰণি মৰা হয়। তেওঁলোকে বগা পাৰ এযোৰ মালগোসাঁইক উচৰ্গা কৰি এই পূজা আৰম্ভ কৰে। ইয়াৰ পিছত ধোপগুৰি, শ্ৰীশ্ৰীবাসুদেৱ নামঘৰত শিলচাঙৰ দেৱতাক পূজা কৰি মূল পূজাৰ স্থানৰ বাবে অনুমতি লয় আৰু টোমৰা পাহাৰলৈ গৈ বাঁহ এজুপিক পূজা অৰ্চনা কৰি সেই বাঁহেৰে চাণ্ডী এখন সাজে। চাণ্ডীখনত (মন্দিৰৰ চূড়াৰ দৰে) বাঁহেৰে চূড়া সজোৱা দেখা যায়। চূড়াটোৰ ওপৰত এটা কলফুল দিয়াৰ লগতে চাণ্ডীখন মাহ-প্ৰসাদ, তামোল-পাণ, চাকি আৰু জবা ফুলেৰে সজোৱা দেখা যায়। এই চাণ্ডীখন ধোপগুৰিৰ ৰজাবহা শিলত থোৱাৰ পিছত দেউৰীয়ে পূজা পাঠ কৰে আৰু তাৰ পিছত চাণ্ডীখন লৈ তেওঁলোকে প্ৰথমে মহাদেৱ থানলৈ দৌৰ দিয়ে আৰু তাৰপৰা ডিমৰীয়া ৰজাৰ ৰাজহাউলীত উপস্থিত হয় গৈ। ইয়াৰ পিছত পূজাৰ চাণ্ডীখন উজনীৰ শ্ৰীশ্ৰীবুঢ়াগোসাঁই থানৰ নিৰ্দিষ্ট ঠাইত (আগতে নিৰ্দিষ্ট কৰি থোৱা থাকে) থোৱা হয়। ইয়াতেই ভুল-ত্ৰুটিৰ

ক্ষমা বিচাৰি শ্ৰীশ্ৰীবুঢ়াগোসাঁইলৈ দেউৰীয়ে ছাগলী বলী দিয়ে। শেষত দলৈয়ে বগা পাৰ চৰাই এটি উৰ্চগা কৰি সকলোৰে ব্ৰত ভাঙে আৰু নিশা সকলোৱে একেলগে ভোজভাত খায়। এনেধৰণেই এই পূজাৰ সামৰণি পৰে। মূলত ডিমৰীয়াসকলৰ এই মালগোসাঁই পূজাই সমাজত ঐক্য-সংহতি, শান্তি-সম্প্ৰীতিৰ এক সেতু গঢ়া বুলি ক'ব পাৰি।

(অসমীয়া প্ৰতিদিনৰ এনাজৰী দেৱেন বৰুৱা আৰু আমাৰ অসমৰ দেওবৰীয়াৰ পৰমানন্দ ডেকাৰ প্ৰবন্ধ আধাৰত যুগুতোৱা)

ম. কু. দা.

।। মালিনী থানৰ স্থাপত্য -ভাস্কৰ্য ।।

বৰ্তমান অৰুণাচল প্ৰদেশৰ পছিম ছিয়াং জিলাত অৱস্থিত মালিনী থান এখনি প্ৰখ্যাত শক্তিপীঠ। লোকচক্ষুৰ প্ৰায় অগোচৰত মালিনী থানৰ বিষয়ে জয়জয়তে বিংশ শতাব্দীৰ চতুৰ্থ দশকত ডব্লিউ.এইছ. কালভাৰ্টে কিছু কথা সদৰি কৰে। পিছত ইংৰাজী ১৯৬৮চনৰপৰা ১৯৭২ আৰু ইংৰাজী ২০০০ চনৰপৰা ২০০২ চনৰ ভিতৰত কেবা লানি খনন কাৰ্যই উক্তস্থানখনিৰ সন্দৰ্ভত ভালেখিনি সংবাদ বিদ্বাৎ মণ্ডলীক অৱগত কৰিবলৈ সমৰ্থ হয়। ইং ১৯৭১ চনৰ ২এপ্ৰিল তাৰিখে মুকলি কৰা নৱনিৰ্মিত মালিনী থানৰ আৰাধ্য দেৱী মালিনী মহিষমৰ্দিনীৰ প্ৰকাৰ ভেদ। সিংহ বাহনা দেৱী দশভুজাৰ শৈল প্ৰতিমাখনি তিনিটাকৈ জোৰা দি বৰ্তমানে সম্পূৰ্ণ কৰা হৈছে। স্থাপত্যৰ ফালৰপৰা লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ মূলমন্দিৰ টো উত্তৰা-দক্ষিণা আছিল আৰু সেইটি গৰ্ভগৃহ, অন্তৰাল, মণ্ডপ আৰু মুখমণ্ডপৰ সমষ্টিৰে পূৰ্ণ হৈছিল। দেৱধামৰ ভিত্তি সপ্তৰথযুক্ত আৰু মণ্ডপ ত্ৰিৰথ আৰ্হিৰ। ইয়াৰ গৰ্ভগৃহ, মণ্ডপ আৰু মুখমণ্ডপ একেলগে নিৰ্মাণ নকৰি বেলেগ বেলেগকৈ সজাটো মন কৰিব লগীয়া। সপ্তৰথযুক্ত অঙ্কত ভেটিটোৰ গাত পথালিকৈ কটা পটি সমূহৰ এটাত এশাৰী পূৰ্ণ বিকশিত পদুমৰ অলংকৃত ৰূপ চমৎকাৰ। শিল্পকলাৰ ফালৰপৰা ইয়াৰ শৈলমন্দিৰ একাদশ-দ্বাদশ শতাব্দীৰ শিল্প সম্ভাৰ। খনন কাৰ্যত মালিনী থানৰপৰা শতাধিক সৰু-বৰ শৈল মূৰ্তি উদ্ধাৰ হৈছে। সিবোৰৰ ভিতৰত আয়ুধবিহীনা দশভুজাৰ মূৰ্তিটোৰ কথা জয়জয়তে উল্লেখ কৰিবলগীয়া। দেৱীৰ পদমূলত আছে মুণ্ড বিহীন ম'হ আৰু তাৰ পৰা উদ্গত হোৱা মহিষাসুৰ। আন ডাঙৰ মূৰ্তিৰ ভিতৰত ইন্দ্ৰৰ শৈল প্ৰতিমাখনিত (১৬০ × ৮২ ছে.মি.) দেৱতাজন অৰ্ধপৰ্যংকাসনত হস্তীপৃষ্ঠত আসীন। কীৰ্তি-মুকুট, কৰ্ণালংকাৰ, বক্ষালংকাৰ আদিৰে শোভিত দেৱৰাজৰ শীৰ্ষস্থানত অংলকৃত কীৰ্তিমুখ। কোণীয়া শিলৰ তিনিওকাষ পৰিস্ফুট পদুমৰ অংলকৰণ। হাতীৰ তলত মনোৰম বৃক্ষ আৰু দুকাষে দুগৰাকী দ্বিভংগিম ঠামৰ প্ৰতিহাৰী। ইয়াত প্ৰাপ্ত আন এটি অৰ্ধভগ্ন শৈল মূৰ্তি হ'ল— কাৰ্ত্তিকেয়ৰ (১৬১ × ৮২ ছে.মি.)। ময়ূৰৰ পিঠিত দেৱতাজনা অৰ্ধপৰ্যংকাসনত বহি আছে। দেৱতাজনাৰ সোঁ বাহুৰ উপাৰি শিৰদেশ ছিন্ন। বাঁওহাতত

এটি কুক্কু ট আৰু অধিষ্ঠানত দুগৰাকী প্ৰতিহাৰী বিদ্যমান। ইয়াত প্ৰাপ্ত আন উল্লেখযোগ্য মূৰ্তিৰ ভিতৰত লক্ষ্মী, সৰস্বতী, নিগনিৰ পিঠিত নৃত্যৰত অৱস্থাত থকা গণপতি, সপ্তঘোঁৰাই টনা সাৰথি, অৰুণ সমেত সূৰ্যদেৱ, ব্ৰহ্মা, ৰতিৰসত আসক্ত নৰ-নাৰীৰ মূৰ্তি, ঘন্টাৰ মালাধাৰী বৃষভ, বৰাহ, যক্ষ, কিন্নৰ, হাতী প্ৰভৃতি উল্লেখযোগ্য। এই সমস্ত শৈল প্ৰতিমাই একাদশ-দ্বাদশ খ্ৰীষ্টাব্দৰ শিল্পসম্পদ। এই সম্পদৰাজিয়ে অসমৰ লগতে ভাৰতীয় কলাৰ ক্ষেত্ৰতো অৰিহণা যোগাবলৈ সমৰ্থ হৈছে।

সহায়ক গ্ৰন্থ ঃ J.C. Dutta- Malinithan, 1997, Tage Tada & B.J.Das: A Descriptive Account of the Sculptures of Malinithan 2003, স্বৰ্ণলতা বৰুৱা- চুতীয়াজাতিৰ বুৰঞ্জী, ২০০৭।

না.দা.

।। মাহ কৰাই ।।

মাঘ বিহুত মাটিমাহৰ দাইল আৰু মাঘৰ মাহত মাহ কৰাই খোৱাটো অসমীয়া মানুহৰ দস্তুৰ। ডাকৰ বচনত আছে - 'পুহত পিঠা, মাঘত কৰাই'। মাটিমাহ আৰু আহু অথবা শালিতিল ধুই ৰ'দত শুকাই তাৰ সৈতে বৰা চাউল মিহলি কৰি পাট চৰুত গোন্ধ ওলোৱালৈকে ভাজিব লাগে। সোৱাদ বঢ়াবলৈ বহুতে উক্ত মিশ্ৰণৰ লগত আদা নাৰিকলো সৰু সৰুকৈ কুটি দিয়ে। ভজাৰ পিছত মিশ্ৰণত সৰিয়হৰ তেল অলপমান দি ভালদৰে সানি ল'লৈই খোৱাৰ উপযোগী মাহ কৰাই হৈ উঠে। সৰু-বৰ উভয়ৰে মাজত মাহ কৰাই মুখ ৰোচক খাদ্য। সৰু ল'ৰা-ছোৱালীয়ে ইয়াক খাই খাই গায় -

'মাহ কৰাই খাওঁ বাটে বাটে যাওঁ।
আমাৰ লগত যি যায় তাকো এগাল দিওঁ।'

মাহ কৰাই বহুতে গুড়ি কৰিও খায়। এনে গুড়িৰ লগত জুলীয়া গুড় মিহলালে খাবলৈ অধিক সোৱাদ হয়। আগৰ মানুহে মংগলবাৰে কৰাই খোৱা নাছিল। লোকোক্তি আছে - 'মংগলে নাখাবা কৰাই।'

না. দা.

।। মায়ঙৰ তন্ত্ৰ মন্ত্ৰ ।।

পুৰণি কালৰে পৰা অসম তন্ত্ৰ-মন্ত্ৰৰ বাবে প্ৰখ্যাত। ড° বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে যে খ্ৰীষ্টীয় নবম শতাব্দীত কামৰূপলৈ অহা শংকৰাচাৰ্যক তান্ত্ৰিক কু মন্ত্ৰৰ দ্বাৰা পৰাজিত কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই এই কুমন্ত্ৰসমূহৰ উৎস-অথৰ্ববেদ, হিন্দু আৰু বৌদ্ধি হিন্দু শাস্ত্ৰৰ লগতে জনজাতিসকলৰ বিভিন্ন বিশ্বাস বুলি ভাবে। মন্ত্ৰসমূহ বৰ অসমৰ গাৰো (গাৰোৰ বাণ গাঁঠি কাটো) নগা, ভোট, মিৰি, মিচিমি (মিচিমি বাণ কাটো) আদিৰ লগতে অনুসূচিত জনজাতি (চমাৰ, ধোবা, বৰিয়া, হাৰী আদি) আৰু বৰ্ণ হিন্দুৰ

বিভিন্ন জাতিৰ (কলিতা গণক, বামুণ আদি) নাম উল্লিখনলৈ চাই ড° হেমন্ত কুমাৰ শৰ্মাই ক'বলৈ বিচাৰে যে মন্ত্ৰসমূহ 'অসমৰ সমগ্ৰ বিভিন্ন জনজাতি, অনুসূচীত জনজাতি আৰু আৰু অজনজাতিৰ সম্পত্তি।' অসমৰ বিভিন্ন অঞ্চলত ইয়াৰ ব্যাপক প্ৰচলন আছিল যদিও মায়ং অঞ্চল আছিল সকলোৰে মধ্যমণি। মন্ত্ৰসমূহ বহলভাৱে দুবিধ- এবিধ ভালকৰা আৰু আনবিধ বেয়া কৰা মন্ত্ৰ। সাপৰ মন্ত্ৰসমূহ ভালৰ ভাগত আৰু কাজিয়া লগোৱা, পিঠা ভঙা, বিয়াৰ দৰা-কন্যাক ডকত দিয়া, দৰাৰ শৌচ লগা প্ৰভৃতি কুমন্ত্ৰৰ অন্তৰ্গত। মায়ঙত প্ৰচলিত ভাল-বেয়া উভয়বিধ মন্ত্ৰৰে কিছু সংখ্যকৰ নাম উল্লেখ কৰা হ'ল- কঁকালৰ বিষ জৰা, কচকা খোৱা জৰা, কৰতি (ৰাম আৰু গু) মন্ত্ৰ, কাল্লাম মন্ত্ৰ, গৰুৰ পোক উলিওৱা, গা বন্ধা মন্ত্ৰ, গান্ধি বলোৱা, চিকাৰীৰ গা বন্ধা, চাহিনী মন্ত্ৰ, চোৰ বন্ধা, জুয়ে পোৰা, জুই বতাহ নিবাৰণ কৰা মন্ত্ৰ, দৰা-কন্যাক ডকত দি পুনৰাই ভাল কৰা, নাড়ী লৰা, পাশ মন্ত্ৰ (ভূত-পিশাচ আদি খেদোৱা) পিঠা ভঙা মন্ত্ৰ, পেটৰ বিষ জৰা, বগৰী গুটিয়াৰ মন্ত্ৰ, বাঘ বলোৱা আৰু বাঘ জালত ধৰা মন্ত্ৰ, বিচাৰ শুং ওলোৱা মন্ত্ৰ, ভোকোলা জৰা, মুখ ভঙা মন্ত্ৰ, মোৰৰ মন্ত্ৰ, মোহিনী (ৰাজ, মেল)মন্ত্ৰ, শিঙিয়ে বিন্ধা মন্ত্ৰ, সৰ্প ঢাক মন্ত্ৰ, সুদৰ্শন মন্ত্ৰ, হোকাৰ পানী জৰা মন্ত্ৰ আদি। মন্ত্ৰবোৰ গাওঁতে ধনন্তৰী, ব্ৰহ্মা, মহেশ্বৰ আদিৰ লগতে সূৰ্য চন্দ্ৰকে মুখ্য কৰি তেত্ৰিশ কৌটি দেৱতাক সাক্ষী কৰা হয়। মন্ত্ৰ সংগ্ৰহ গদ্য পদ্য উভয়তে থাকে। মায়ঙৰ মন্ত্ৰসমূহত তৎসম, অৰ্ধতৎসম, তদ্ভৱ আৰু দেশজ শব্দৰ লগতে কমসংখ্যক বিদেশী শব্দয়ো বিয়নি মেল পাতে। কামৰূপৰ কামাখ্যা মাওক দোহাই দিয়াটো এটা উল্লেখযোগ্য বিষয়। অস্পষ্টভাৱে মন্ত্ৰ উচ্চাৰণ কৰাটো সাধাৰণ নিয়ম। মায়ঙৰ মন্ত্ৰসমূহৰ বিজ্ঞান ভিত্তিক আলোচনা হোৱা বৰ্তমানলৈ চকুত পৰা নাই।

না.দা.

**।। মায়তাৰি ৰাভাসকলৰ গ্ৰি'মবুদাৰ গীত ।।**

গ্ৰি'মবুদা(দাৰমাং) পূজা মায়তাৰি ৰাভাসকলৰ শাৰদীয় প্ৰধান উৎসৱ। ই প্ৰধানকৈ খেতি উৎসৱ। গ্ৰি'মবুদাৰ লগতে কেইবাটিও সহযোগী দেৱ-দেৱীৰ পূজা কৰা হয়। তাৰ ভিতৰত তুৰা লাস্কী শস্যৰ ৰক্ষাকৰ্ত্ৰী আৰু পোক -পৰুৱা নিবাৰণকাৰী দেৱী। লক্ষ্মীৰ পূজা মণ্ডপত পূজাৰ আগতে গাঁৱৰ প্ৰতিজনৰ খেতি পথাৰৰ ঘৰলৈ অহাৰ সময়ত প্ৰত্যেক ঘৰৰ অকুমাৰী ছোৱালীয়ে সেই মণ্ডপৰপৰা এথোককৈ ধান নতুন কাম্বুং কাপোৰেৰে বোকোচাত বান্ধি ঘৰলৈ লৈ আহে। সিহঁতৰ পিছে পিছে ৰাইজে তলত লিখা গীতটি গাই গাই নাচি-বাগি আহে—

ফৈ হাছিছা ফৈ কুৰিছা ফৈ / হি হি ওই / ফৈ আছু, ফৈ শালি ফৈ /হি হি
ওই/ফৈ হাম্পা ফৈ মাই ফৈ / হি হি ওই। ইত্যাদি

(সৰলাৰ্থ ঃ আহা ৰাইজ আহা, আহা শালি আহা। আহা আহু আহা। আহা কঁপাহ আহা। আহা লক্ষ্মী আহা।)

উ.ৰা. হা.

।। মায়তাৰি ৰাভাসকলৰ তৰাং কাজিৰ গীত ।।

মায়তাৰি ৰাভাসকলে বিশ্বাস কৰে যে মৃতকৰ আত্মা তৰাংকাজি অনুষ্ঠান সমাধা নোহোৱালৈকে বৰাহৰূপী ভগৱানৰ লগত লীন হৈ থাকে। তাৰ পিছতহে কৰ্মফল অনুযায়ী জন্মান্তৰ ঘটে। সেয়ে ফাৰকান্তিৰ দিনা বাঁহৰ তমালেৰে এটা গাহৰি আৰু এটা বাঘৰ খাং তৈয়াৰ কৰা হয়। সমাজৰ দুজন মানুহে এই খাং পিন্ধে। গাহৰিৰ খাং পিন্ধা মানুহজন বাৰীৰ কোণত লুকাই থাকে আৰু বাঘৰ খাং পিন্ধা মানুহজনে তাক ধৰিবলৈ লুকাই থাকে। চোতালৰ মণ্ডপত মৃতকৰ আত্মাক অৰ্পণ কৰা সকলো বস্তু যতনাই থোৱা হয়। তাৰ পিছত মৃতকক ভাগিনীয়েকজনীয়ে মৃতকৰ গীতৰ সুৰেৰে চিঞৰি চিঞৰি মাতিবলৈ ধৰে—

"ফই ফই খাছি আতানা / এনচোক ছানি তামান তাকি তোৱা
নাঙো মাছা কাক্কাই, মাধা কাক্কাই /লক্ৰা কাক্কাই ফই ফই ফই—"

(সৰলাৰ্থ ঃ আহা আহা খাহী গাহৰি। কিয় ইমান পলম কৰি আছা। তোমাক বাঘে খায়, ভালুকে খায়, লক্ৰাই (কুকুৰনেচীয়া বাঘ) খায়। সোনকালে আহি তোমাক দিয়া ভোজখিনি খাই যোৱা। আহা আহা আহা মাত শুনিলেই গাহৰিৰ খাং পিন্ধা মানুহজন গাহৰিৰ দৰে খোজ কাঢ়ি আহিবলৈ ধৰে। বাটত বাঘৰ খাং পিন্ধা মানুহজনৰ লগত কৃত্ৰিম যুঁজ হয়। যুঁজত বাঘৰ খাং পিন্ধা মানুহজন হাৰি পলাই যায় আৰু গাহৰিৰ খাং পিন্ধা মানুহজনে চোতালৰ মণ্ডপলৈ আহি মৃতকৰ আত্মাৰ কাৰণে সজাই ৰখা প্ৰত্যেকটো পাত্ৰ স্পৰ্শ কৰি যায়।)

উ.ৰা. হা.

।। মায়তাৰি ৰাভাসকলৰ দদান গীত (হয়মাৰু) ।।

ৰাভাসকলে এতিয়াও দদানক তেওঁলোকৰ আদি ৰজা (দলপতি) বুলি ভাবে। কাহিনীমতে, দদানৰ সমূহ প্ৰজাই শান্তিৰে বসবাস কৰিছিল। ৰাভাসকলৰ বিভিন্ন ঠাইত প্ৰব্ৰজন হোৱাৰ ফলত বিভিন্ন খেল অচিনাকি হৈ পৰাত তেওঁলোকৰেই বংশধৰ চামক্ৰোং আৰু বাংক্ৰোং ৰজাই উভয়ে চক্ৰান্ত কৰি দদান ৰাজ্য আক্ৰমণ কৰি ছাৰখাৰ কৰে। দদানৰ কাহিনী গীতত এই সকলো মৰ্মন্তুদ ঘটনা পৰিস্ফুট হৈ আছে। এই কাহিনী গীত ৰংদানি মায়তাৰি ৰাভাসকলৰ মাজত সংৰক্ষিত হৈ আছে। তাৰে এফাকি উল্লেখ কৰা হ'ল—

আতো তেমা জোৰাইজো চামক্ৰোং ৰাজা/আতো তেমা জোৰাইজো

বাংক্ৰোং ৰাজা/উয়ান তেমা জোৰাইজো চামক্ৰোং ৰাজা / উয়ান দদানি
ছাকাই ৰু'ংকাই নাইয়ান চামক্ৰোং ৰাজা/উয়ান উনা নাকাৰে চামক্ৰোং
ৰাজা/উয়ান কাকায়ানি দংজি হাইনিপাৰা মাংছাইমুং বাংক্ৰোং ৰাজা/
উয়ান একোৰা বুদ্ধি অলংকাৰ খাৰিমুং চামক্ৰোং ৰাজা/উয়ান একোৰা
বুদ্ধি বাকৰচাৰি বুদ্ধি অলংকাৰ খাৰিমুং বাংক্ৰোং ৰাজা/আতা বেখ্রে... ভণ্ডুৰা
চামক্ৰোং /আতো বেখ্রে চাণ্ডুৰা বাংক্ৰোং ৰাজা।

সৰলাৰ্থ ঃ

হে চামক্ৰোং ৰাজা! হে বাংক্ৰোং ৰাজা/কি কথাৰ পাক লগালা, কি কথাৰবান্ধ লগালা/সুখেৰে খাই থকা, শুই থকা দেখি/কিনো কথাত দদানক জগৰ লগালা/ কোন অৰণ্যৰ ধুমুহাৰ ৰজা হে চামক্ৰোং ৰাজা,/কি বুদ্ধিৰ দ্বাৰা হে বাংক্ৰোং ৰাজা/দদানক জ্ঞাতি-কুটুম্ব সংহাৰি/ৰণচালি ধৰিলা আজি/ৰজাক খেদি নিজ জ্ঞাতি কুটুম্ব সৰক/ঘন ঘোৰ ৰাতি/বান্ধি নিয়া ধৰি নিয়া স্বৰাজ্য বুলি/হায়! তুমি বৰ কৌশলী চামক্ৰোং ৰাজা/হায়! তুমি বৰ চক্ৰান্তকাৰী বাংক্ৰোং ৰাজা। উ ৰা. হা.

।। মিচিং পুৰুষ-মহিলাৰ সাজপাৰ ।।

বয়ন শিল্পত পাৰদৰ্শী মিচিং মহিলাসকলে নিজস্ব ৰীতিত কপাহী সূতাৰে বোৱা ভিন্ন কাপোৰ পুৰুষ-মহিলা উভয়ে পৰিধান কৰে। পুৰুষসকলে সাধাৰণতে গন্‌ৰ্ উগন (ধুতিৰ লেখিয়া আঁঠুৰ তললৈ পৰা চুৰিয়া), গাপা (কঁকালৰ টঙালি), মূৰত দুমীৰ (মূৰত পাগুৰি মৰা গামোচা) আৰু গাত তব্‌গ গালুক (এবিধ চোলা) পৰিধান কৰে। মিচিং পুৰোহিতজনে পিন্ধা চোলাটো মিবু গালুক ৰূপে জনা যায়। মূল্যবান চোলা গাদু গালুক মিৰিজিমৰ দ্বাৰা তৈয়াৰী। মিচিং তিৰোতাসকলে কঁকালত কেববুং বা মবুং এগে গাচৰ, বিৰি গা চী (ফুলাম ৰিহা, মেখেলা) পৰিধান কৰে। ৰঙীন মেখেলা গেৰ সাধাৰণতে গৌৰতী তিৰোতাই পিন্ধে। স্ত্ৰী-পুৰুষ নিৰ্বিশেষে পৰিধান কৰা তাপুন্ গাচৰ (এড়ি চাদৰ) বৰ ডাঠ। ইয়াক একাধিক পুৰুষৰ লোকে ব্যৱহাৰ কৰিলেও নাফাটে। মিচিং গাভৰুৱে আলি ঃ আঃয়ী লৃগাঙৰ কালত গাত ৰিঃবি-গাচীং পৰিধান নকৰিলেই নহয়। ই তেওঁলোকৰ জাতীয় সাজ।

জ্যো.দা.

।। মিচিং সংস্কৃতিত বিয়া বাৰু ।।

বিবাহ এক সামাজিক বান্ধোন। মিচিং সমাজতো বিবাহৰ এক স্বকীয় ৰূপ আছে। মিচিংসকলে মিদং (সাধাৰণ নিময়) দুগলা লাঃনাম (পলুৱাই নিয়া) নিয়মেৰে বিয়া পাতে। ল'ৰাঘৰে ছোৱালী পছন্দ কৰে আৰু বিয়া বন্দবস্ত হ'লে ল'ৰাই সপ্তাহ দহ দিন ছোৱালী ঘৰত কাম কৰি কটাব লাগে। বিয়াৰ দিনাখন ল'ৰাই দুজন সমবয়সীয়া বন্ধু-বান্ধৱীক

সজাই নিজেও সাজি মাজত বহি থাকে। দৰাঘৰে কন্যাঘৰলৈ গাহৰী, পঃৰ আপঙ আৰু তামোল-পাণ নিয়ে। সেইদিনা নিশা দৰাই ছোৱালী ঘৰৰ চোতালত চালি সাজি থাকে। পিছদিনাৰপৰা ঢোল, তাল আৰু নাচ গানেৰে উলাহ-মালহেৰে বিয়া আৰম্ভ হয়।

কন্যাঘৰত নতুন জখলা, কঃ বাঃ পীৰা, কুংকেঃ জখলাত বন্ধা পাতেৰে সৈতে পিঃৰ গছ, দুৱাৰ মুখত দুকলহ পানী, চাউল, ধানৰ পাচি, ৰখাটো নিয়ম। কন্যা উলিয়াই দিয়া সময়ত, যামনৌ কাৱনাম এক সুকীয়া ধৰণৰ কান্দোন কান্দে যিয়ে সকলোৰে অন্তৰ চুই যায়। দুগলা লাঃ নাম অৰ্থাৎ পলুৱাই নিয়া বিয়া পিতৃ-মাতৃৰ অমত বা আৰ্থিক ভাৱে দুৰ্বল হ'লে কৰে। ছোৱালী পলুৱাই অনাৰ পিছত জ্যেষ্ঠ বা সম্বন্ধীয়জনে ছোৱালীৰ ঘৰত মুগতাদ দূত হিচাপে পঠায় আৰু পিছত ন ছোৱালী ঘৰত তোলে। এই বিবাহতো মিদাং বিবাহৰ দৰে একে নিয়ম পালন কৰা হয়। ছোৱালী অনাৰ এমাহ দুমাহ পিছত ল'ৰা ঘৰে অৰায় আলৃগ অথবা কন্যামূল্য বা গা ধন দিবলৈ যায়। নগদ ধন বা পোহনীয়া জন্তু তামোল-পাণ শৰাই আগবঢ়াই ল'ৰা-পক্ষক আলৃগ গ্ৰহণ কৰিবলৈ কয়। মিচিং সমাজত বাল্য বিবাহ নাই, বিধবা বা বৰলা বিবাহৰ প্ৰচলন আছে। বিবাহ বিচ্ছেদ খুব কম। বিচ্ছেদ হ'লেও দুয়োজনে নিজৰ পছন্দমতে পুনৰ পাত্ৰ বাচি বিবাহ কৰিব পাৰে।

জ্যো. ডে.

**।। মিচিমি তিতা আৰু বৰবিহ ।।**

মিচিমি তিতা আৰু বৰবিহৰসৈতে অসমীয়াৰ কৌটি কলীয়া চিনাকি। বহু ঔষধত মিচিমি তিতা প্ৰয়োগ কৰা হয়। বৰবিহ কি কি কামত প্ৰয়োগ হৈছিল, তাক আজি স্পষ্টকৈ কোৱাটো টান কিন্তু প্ৰেম আকলুৱা ডেকাই বৰবিহ খাই প্ৰেমিকাক পাহাৰিবলৈ প্ৰয়াস কৰাৰ কথা বিহুগীতত সংৰক্ষিত হৈছেঃ 'মিচিমি আহিব, বৰবিহ আনিব, তাকে খাই পাহৰিম তোক।' ইতিহাসত আছে, ইংৰাজী ১৫৩২ চনত আহোম ৰজাই শদিয়া দখল কৰাৰ পিছত মিচিমিসকলৰ সৈতে সন্ধিপৰ্ব সমাপ্ত কৰিছিল। অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত সৰ্পস্তম্ভৰ গাত থকা লিপিখনত আহোম স্বৰ্গদেৱৰ হৈ দিহিঙীয়া বৰগোহাঁয়ে সন্ধিৰ সূত্ৰত উল্লেখ কৰিছেঃ 'মই দিহিঙীয়া বৰগোঁহাঞে শিলৰ খুঁটি আৰু তামৰ ফলিত লিখি ঘোষণা কৰোঁ যে মিচিমি সকলে তেওঁলোকৰ ল'ৰা- তিৰোতা আৰু লগৰীয়া লৈ দিবং নৈৰ ওচৰৰ সকলো পৰ্বতে বাস কৰিব পাৰিব। বিনিময়ত তেওঁলোকে প্ৰতিবছৰে কৰৰূপে চাৰি পাচি বিহ দিব ....।' মিচিমিসকলে ভৈয়ামত বেপাৰ কৰাৰ বিনিময়ত মিচিমি যাঠী, গান্ধকলাই, বৰবিহ প্ৰভৃতি দিব লাগিছিল। বৰবিহৰ এনে উল্লিখনৰ দ্বাৰা অনুমান কৰিব পাৰি যে তিতাৰ লগতে বৰবিহো মানুহ অথবা পশুৰ চিকিৎসা কৰ্মত নিঃসন্দেহে প্ৰয়োগ হৈছিল।

না.দা.

।। মিথু আৰু আঃ বাং গীত ।।

মিচিংসকলৰ পূজা-পাৰ্বণত মুখ্য ভূমিকা লোৱা দৈৱিক শক্তিসম্পন্ন দেও-ভূত, দেৱ-দেবী অথবা মৃত আত্মাৰ সৈতে কথা বতৰা পতাৰ অধিকাৰ পুৰোহিত মিবু অথবা মিবু সকলে সৰ্বসাধাৰণৰ আবোধগম্য ভাষাত গোৱাৰ গীতৰ নাম মিবু আঃ বাং। গাঁৱৰ কোনো অঞ্চলত অপায়-অমংগলে দেখা দিলে তাৰপৰা পৰিত্ৰাণ পাবলৈ মিচিংসকলে পূজা-পাতলৰ আয়োজন কৰে। সৰ্বসাধাৰণৰ ধাৰণা, মৃত পূৰ্বপুৰুষসকলৰ আত্মা, দেও-ভূত প্ৰভৃতিয়ে নজৰ দিয়াৰ ফলত গাঁৱত মৰি-মাৰক নাইবা ভিন্ন অপায়- অমংগলে দেখা দিয়ে। আলোচিত আলৌকিক শক্তিসমূহক পূজা-অৰ্চনা কৰিবৰ বাবে প্ৰয়োজন মিবু দাগনাম্ অৰ্থাৎ দেও উঠা জনক। অলৌকিক শক্তিসম্পন্ন মিবুসকল মিচিং জনজাতিৰ সদা শ্ৰদ্ধাৰ থলী। প্ৰচলিত বিশ্বাসমতে ঔপম নামৰ এক বিশেষ শ্ৰেণীৰ দেৱতাই মিবু হ'ব লগীয়াজনক হাবিলৈ মাতি নি আধ্যাত্মিক প্ৰশিক্ষণ দিয়াৰ অন্তত তেওঁলৈ য়ক্চা বা য়কচি (মিবুয়ে ব্যৱহাৰকৰা এখন ডাঙৰ-দীঘল মিট দা) এখন আগবঢ়ায়। লগে লগে মিবু আঃ বাং গীত গোৱাৰ অধিকাৰী হয়। আঃ বাং গীতবোৰৰ ভাষা পুৰণি; সেই গীতবোৰৰ মাজেদি প্ৰকাশ পায় সৃষ্টিৰ পুৰাণ, ভূচৰ-খেচৰ-জলচৰ সকলো প্ৰাণীৰে জন্মৰ কাহিনী। বিভিন্ন খেল আৰু পৰিয়ালৰ গোত্ৰৰ ইতিহাসো আঃ বাং গীতৰ যোগেদি প্ৰকাশ পোৱাত সিবোৰক মিচিংসকলৰ মৌখিক ইতিহাস বুলিব পাৰি। একোজন মিবু একোজন দেৱতাৰ প্ৰতিনিধি বুলি বিশ্বাস কৰা হয়। অৱশ্যে একোজন দেৱতাৰ একাধিক মিবু নথকা নহয়। মিবুৰ ৰহস্য জনক আঃ বাং গীতবোৰ মিচিংসমাজৰ আজিও শ্ৰদ্ধা আৰু ভক্তিৰ আকৰ স্বৰূপ।।
(১৩ মে' ২০০৬ তাৰিখৰ আমাৰ অসমত প্ৰকাশিত জয়ন্ত কামানৰ টোকাৰ আধাৰত যুগুতোৱা)

প্ৰ.দা.

।। মিৰ্জা-মাইলাটা পাহাৰৰ বাঘেশ্বৰী থানৰ স্থাপত্য-ভাস্কৰ্য ।।

মিৰ্জা পাহাৰৰ পুব কোণত সন্তোলা গাঁৱৰ পছিম দিশত বাঘেশ্বৰী দেৱীৰ থান। থানখনি নিজৰা এটিৰ বাঁও পাৰত অৱস্থিত। নিজৰাটোৰ সোঁপাৰত এটা শিলৰ গাত পশ্চিম মুৱাকৈ গণেশৰ মূৰ্তি এটা (৭০ × ৭০ ছে. মি.) খোদিত কৰা আছে। স্থানক ভংগীৰ গণপতিৰ চতুৰ্হস্তত যথাক্ৰমে শূল, পদ্ম, কুঠাৰ আৰু হস্তীশুড়। গণপতি-প্ৰতিমাৰপৰা নিজৰালৈ নামিবলৈ কুৰিখন শিলৰ খটখটি দেখা যায়। নিজৰাৰ বাঁওপাৰত থকা মন্দিৰৰ ধ্বংসাৱশেষত দেখা যায়— ক. ৬৭ছে.মি. ব্যাসৰ চক্ৰ সম্বলিত অধিষ্ঠানৰ শৈলখণ্ড, খ.৭৪ছে.মি. ব্যাসৰ আমলক এটাৰ এফাল, গ. অষ্টকোণী খুঁটা তিনিটা, ঘ. ব্ৰেকেট দুটা, ঙ. মন্দিৰৰ ভিতৰৰপৰা পানী ওলোৱা শিলৰ নলী এটা, চ. চতুষ্কোণী অৰ্ধভগ্ন স্তম্ভ (২৭ছে.মি. উচ্চ) দুটা, ছ. কুম্ভ এটা (২০ × ৩২ ছে.মি.), জ. দেহলীৰ অৰ্ধাংশ।

ইয়াত গছৰ অলংকৰণ দেখা যায়। ঝ. জংঘাৰ শৈলখণ্ড। এই শৈলখণ্ডৰ সোঁমাজত ত্ৰিশ ছে.মি. উচ্চতাৰ যোগাসন ভংগীৰ নমস্কাৰ হস্ত দ্বিভুজ নৰমূৰ্তি খোদিত আছে। ভগ্নাৱশেষত কোনোধৰণৰ বিগ্ৰহ নাই। মন্দিৰটোৰ নিৰ্মাণ কৰ্ম ত্ৰয়োদশ শতাব্দীৰ পৰৱৰ্তী নহয়। ধ্বংসাৱশেষত পৰি থকা শৈলখণ্ডসমূহ লোকবিশ্বাস মতে, বয়ন শিল্পৰ সঁজুলি। আজিও শিপিনী হ'বলৈ বিচৰা ছোৱালীইঁতে তালৈ গৈ পূজা পাতল কৰে।

না.দা.

**।। মিৰিজিম ।।**

কপাহৰপৰা তৈয়াৰী জিম (গাদু)ৰ খ্যাতি অসম জোৰা। জিমৰপৰা প্ৰস্তুত কৰা গাদু গালোকক (জিমৰ কোট) গুৰুত্ব নিদিয়া লোক নাই। এই জিম কাপোৰ অৱশ্যে পৰ্বতীয়া আদিসকলেও প্ৰস্তুত কৰে। পিছে সেই জিম যথেষ্ট ঠেক; কিন্তু ভৈয়ামৰ মিচিং তিৰোতাই বোৱা মিৰিজিম বেচ বহল। ইয়াত বহল দুচটা কাপোৰ লগাই দিয়া হয়। ইয়াক ববলৈ চুম্পাৰ প্ৰয়োজন। কাপোৰ বিধ বেচ গধুৰ হোৱা বাবে বোৱা কালত কঁকালত জোৰ পৰে। সেইবাবে শিপিনীয়ে ইয়াক বোৱা কালত পিছফালে কঁকালত এচটা পহুছাল বান্ধি লগাই লয়। কপাহ নেওঠাৰপৰা কাপোৰখন বৈ শেষ কৰালৈকে ভালে দিন লাগে গুণে সাধাৰণতে জীয়ৰীইঁতে ইয়াক ববলৈ আগ নাবাঢ়ে। তুলনামূলক ভাৱে কামৰ হেঁচা কমপৰা আদহীয়া তিৰোতাসকলেহে ইয়াৰ বয়ন কাৰ্য সামধা কৰে। কাপোৰখন বৈ যাওঁতে সূতাহেন কপাহী লোমবোৰ লগাই যোৱাত দেখাত চালে চকুৰোৱা হয়। মিচিংসকলৰ উপৰি আন সম্প্ৰদায়ৰ লোকৰ মাজতো মিৰিজিম জনপ্ৰিয়। এটা কালত ইয়াৰ বহুল প্ৰয়োগ আছিল যদিও সুলভ কম্বল আৰু লেপে ইয়াৰ ব্যৱহাৰত হেঙাৰ বান্ধিছে।

ভৃগুমুনি সম্পাদিত মিচিং সংস্কৃতিৰ আলেখ্য গ্ৰন্থৰ আধাৰত যুগুতোৱা।

না.দা.

**।। মুখাগ্নি ।।**

এগৰাকী হিন্দুৰ মৃতদেহ সংকাৰ কৰাৰ সময়ত পোন প্ৰথম অগ্নি সংযোগ কৰা নিয়ম। ইয়ে মুখাগ্নি। প্ৰাচীন কালৰেপৰা হিন্দু সমাজত এই ৰীতি প্ৰচলন হৈ আহিছে। যথাবিহিত নিয়মেৰে মৃতদেহ শ্মশানলৈ নিয়াৰ পিছত মৃতদেহ চিতাত তোলা হয়। তাৰ পিছত মৃতকৰ পুত্ৰ অথবা নিকট আত্মীয়ই হাতত জ্বলন্ত জোৰ লৈ পুৰোহিতৰ নিৰ্দেশ আৰু মন্ত্ৰ উচ্চাৰণ অনুসাৰে মৃতদেহটোৰ মুখত প্ৰথম অগ্নি সংযোগ কৰি চিতাৰ চৌকাষে ঘূৰাৰ নিয়ম। এই মুখাগ্নি কৰোঁতাজনেই অশৌচৰ কালচোৱাত কঠোৰ নিয়ম-নীতি পালন কৰিব লাগে। যিহেতু শৰীৰৰ এক মুখ্য অংগ হ'ল মুখ। সেয়ে পোন প্ৰথম মুখত অগ্নি সংযোগ কৰি মৃতদেহ সংকাৰ কৰাৰ নিয়ম প্ৰাচীন কালৰেপৰা অধুনাপৰ্যন্ত চলি আহিছে।

প. ৰা.

।। **মুৰং ঘৰ** ।।

মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত মিচিং সংস্কৃতিৰ স্বকীয় লোক কলা অতি মনোৰম। এই মিচিং সংস্কৃতিৰ প্ৰধান কৃষ্টি কেন্দ্ৰ বুলি মুৰং ঘৰক উল্লেখ কৰিব পাৰি। এই ঘৰ বাঁহ কাঠেৰে সুন্দৰকৈ সজা হয়। ইয়াক গাঁৱৰ মুকলি ঠাইত নিৰ্মাণ কৰা হয়। ইয়াৰ খুঁটাবোৰত নানা ধৰণৰ কাৰুকাৰ্য কৰা, খেৰী চালৰ মুধচ জাপ-জাপকৈ বন্ধা আৰু টুপবিহীন। ইয়াত বেৰ নাথাকে। ইয়াৰ চাঙত উঠি যাবৰ বাবে দুই মূৰে দুডাল জখলা দিয়া হয়। মিচিং গাঁৱৰ ডেকা-গাভৰুসকলে গাঁওখনক আকস্মিক বিপদৰপৰা ৰক্ষা কৰাৰ বাবে সদায়েই প্ৰস্তুত হ'বৰ বাবে নিজ গৃহত নাথাকি এই মুৰং ঘৰত নিশা থকাৰ পৰম্পৰা আছিল। এই মুৰং ঘৰত ডেকা-গাভৰুসকলে একেলগে নাচি বাগি প্ৰাণৰ ধেমালি কৰে লগতে পঃৰাগ উৎসৱো উদ্‌যাপন কৰে। কৃষিপ্ৰধান পঃৰাগ উৎসৱৰ সময়ত নিজ গাঁৱৰ মানুহৰ বাহিৰেও দূৰ দূৰণিৰ অতিথিৰে মুৰংঘৰ ভৰি পৰে। এই উৎসৱৰ সময়ত সকলো অতিথিৰে মিলি জুলি গাঁও বাসীয়ে একেলগ মুৰং ঘৰত ভোজ ভাত খায়। মুৰং ঘৰৰ উমাল থলীতেই মিচিং ডেকা-গাভৰুসকলে সামাজিক শিক্ষা আৰু জীৱনৰ প্ৰয়োজনীয় অভিজ্ঞতা লাভ কৰে। আধুনিক শিক্ষা আৰু পৰিবৰ্তনৰ প্ৰভাৱত অৱশ্যে উক্ত ঘৰৰ ঐতিহ্য বহু পৰিমাণে ম্লান হৈ পৰা দেখা গৈছে। না.ই.বা.

।। **মৃতকৰ ছাঁ কঢ়িওৱা অনুষ্ঠান** ।।

ব্যক্তি বিশেষৰ মৃত্যুৰ কালত পালন কৰা অনুষ্ঠানসমূহে একোখনি সমাজৰ লোক-সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ দিশত এচেৰেঙা স্পষ্ট পোহৰ পেলায়। অসমৰ চাহ জনগোষ্ঠীৰ কোনো লোক ঢুকোৱাৰ দহদিনৰ দিনা আন হিন্দুসকলৰ দহাৰ লেখীয়াকৈ তেওঁলোকে পালন কৰে 'মৃতৰক ছাঁ কঢ়িওৱা' অনুষ্ঠান। সেইদিনটো ভোজ অথবা দহাৰ দিন ৰূপে পৰিচিত। সেইদিনা মৃতকৰ আত্মীয়সকলে নদীৰ পাৰলৈ গৈ ডাঢ়ি চুলি আৰু নখ কাটি নদীত গা-পা ধুই মৃতকলৈ পিণ্ড আগবঢ়ায়। এইখিনি কৰ্মৰ নাম ঘাট উঠা। ঘাটৰপৰা ঘৰলৈ উভতি আহি প্ৰত্যেকে চাহ, মুড়ি, আখৈ আদি খাই নিশাৰ ভোজ যোগাৰ কৰাত লাগে। ৰাতি ভোজ-ভাত খোৱাৰ পিছত ভাত-আঞ্জাৰ লগতে মৃতকৰ দৈনন্দিক জীৱনত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ পাঁচ, সাত বা ন জন ব্যক্তিয়ে নি সংস্কাৰ কৰা ঠাই পায়গৈ। শ্মশানত মৃতকৰ নাম ধৰি মাতি কিবা শব্দ শুনিলেই মৃতকৰ আত্মা অহা বুলি বিশ্বাস কৰি লোৰ সৰঞ্জাম দুটা বজাই মৃতকৰ ছাঁ আদৰি আনে। ইফালে সকাম কৰা ঘৰত থকা লোকসকলে ঘৰৰ মূল দুৱাৰৰ ওচৰত আটা, ফুটছাই অথবা বালি ৰাখি - আন্ধাৰতে সকলো লোক বহি থাকে। ছা কঢ়িয়াই অনা লোক সকলে ভোজঘৰৰ সন্মুখত উপস্থিত হৈ এটা ডাঙৰ শব্দ কৰি তেওঁলোকৰ আগমনৰ বতৰা দিয়ে। বাহিৰত বৈ থকা সকলে তেওঁলোকক আদৰি আনে। ঘৰৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগে পোহৰৰ পুনৰ

ব্যৱস্থা কৰাটো নিয়ম। প্ৰত্যেকে তেতিয়া কৌতুহলভাৱে লক্ষ্য কৰে দুৱাৰমুখত ছটিয়াই ৰখা বালি বা আটালৈ। কিয়নো তেওঁলোকৰ বিশ্বাস, আটা বা বালিৰ ওপৰেদি আহোঁতে খোজবোৰে যি জন্তুৰ আকাৰ ল'ব, মৃতকে পুনৰ্জন্মত সেই ৰূপ লৈ পৃথিৱীলৈ আহিব।

(আমাৰ অসমৰ ২৯ জুলাই, ২০০৬ত প্ৰকাশিত স্বাতীকিৰণৰ টোকাৰ আধাৰত যুগুতোৱা) দে.দা.

**।। মৃদংগ।।**

ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰত প্ৰাচীন কালৰেপৰা আনদ্ধ বাদ্যযন্ত্ৰৰূপে মৃদংগৰ নাম পোৱা যায়। ধৰ্মেশ্বৰ দুৱৰাই এই বাদ্যবিধৰ পৰিচয়ৰ ক্ষেত্ৰত লিখিছে ঃ 'মৃদংগ সাধাৰণতে প্ৰায় ডেৰহাত দীঘলকৈ সাজে। বাঁওফালৰ মুখখন বাৰ বা তেৰ আঙুল ব্যাসৰ আৰু সোঁফালে বাঁওফালতকৈ এক বা আধা আঙুল কম হয়। দুয়োটা মুখ চামৰাৰে ছাই মধ্যভাগত ধুণ দি বজোৱা হয়. .... চিতল মাছৰ দৰে ভাঁজ থকা আৰু জৰা টেঙাৰ কলিটোৰ দৰে আকৃতিৰে মৃদংগ দুই প্ৰকাৰৰ দেখা যায়। এই দুই আকৃতিৰ মৃদংগক ক্ৰমে চিতল মুৰীয়া আৰু জৰাকলীয়া বুলি কোৱা হয়।' (অসমৰ বাদ্যযন্ত্ৰ, পৃ. ৪৭) অসমীয়া বৈষ্ণৱ সাহিত্যত মৃদংগৰ সঘন উল্লেখ পোৱা যায়। দুটা মান উদাহৰণ ঃ (ক) দুন্দুভি মৃদংগ দাম বাজে ঢাক ঢোল। (মাধৱ কন্দলিৰ ৰামায়ণ) (খ) ৰুদ্ৰকবিলাস বিপঞ্চি ৰবাব শাৰোদ স্বৰমণ্ডলে/মধুৰ মৃদংগ মন্দিৰা উপাংগ বহুবাদ্য সুমংগলে।। (মাধৱদেৱ) (গ) মৃদংগ মন্দিৰা খোল ধোমচিৰ শুনি ৰোল' (দৰং ৰাজবংশাৱলী) (ঘ) 'ঢাক ঢোল মৃদংগ গোমুখ শংখ ভেৰী।' (কালিকা পুৰাণ) আদি। মাটিৰ নিৰ্মিত গুণেই আলোচিত বাদ্যটিৰ নাম মৃদংগ (মৃৎ মৃন্ময় অংগং যস্য স মৃদংগ) ৰখা হৈছিল যদিও কালক্ৰমত ইয়াৰ খোলাটো কাঠেৰেও সজা দেখা যায়। অসমৰ সত্ৰীয়া নৃত্য-গীতত খোলৰ লগতে মৃদংগৰ ব্যৱহাৰ উল্লেখযোগ্য।

না. দা.

**।। মেখেলা।।**

মেখেলা শব্দ মূল সংস্কৃত মেখলা। অধোবস্ত্ৰ আৰু কঁকালত মেৰোৱা মেখলাৰ ধাৰণাটো বৈদিক যুগৰে। এটাকালত অধোবস্ত্ৰৰূপে 'মেখলা' স্ত্ৰী পুৰুষ- নিৰ্বিশেষে পৰিধান কৰিছিল। অজন্তা-ইলোৰাৰ চিত্ৰত বুকুত মেঠনি মৰা গাভৰুৰ জীৱন্ত চিত্ৰ আজিও দৃশ্যমান। অসমীয়া তিৰোতায়ো এটা কালত মেঠনি মাৰিছিল। কামাখ্যাৰ ভাস্কৰ্যত বুকুত মেথনি মৰা নাৰীৰ জীৱন্ত ৰূপ দেখা যায়। অসমীয়া তিৰোতাই পৰিধান কৰা বিভিন্ন মেখেলা বোৰ হ'ল -(ফুলৰ চানেকি, বোৱা পদ্ধতি আৰু উপকৰণৰ আধাৰত দিয়া নাম) (১) কিংখাপ বা সিংখাপৰ মেখেলা - চীনা, 'চীন-চি' (চানেকিৰ আধাৰত দিয়া নাম) বা আৰবী 'কিম খোৱাব' শব্দৰপৰা উদ্ভূত সিংখাপেৰে বোৱা মেখেলাৰ দীঘ-বাণিত কিংখাপ দিয়াৰ

লগতে মেখেলাখন বওঁতে বাণি- গুণা সূতাৰে গোটেইখন কাপোৰ আবৰি দিয়াটো উল্লেখযোগ্য। (২) কাৰ্চিপৰ বনকৰা মেখেলা- বুৰঞ্জীত উল্লেখ আছে, ইছলাম ধৰ্মীয় লোকৰ প্ৰভাৱত অসমীয়া তিৰোতাই পৰিধান কৰা এই মেখেলাত বিশেষ বেজীৰে গুণা বা ৰূপালী সূতাৰে ফুল তোলে (৩) গুণাকটা মেখেলা - এই মেখেলাৰ নিম্নাংশত গুণাৰে ফুল তোলা হৈছিল (৪) গাঁৰি দিয়া মেখেলা - কপাহী সূতাৰে বোৱা এই মেখেলাৰ দীঘ-বাণিৰ মাজে মাজে সমান দূৰত্বৰ ৰঙীন সূতাৰে গাঁৰি দি বোৱাটো অন্যতম বৈশিষ্ট্য (৫) গোমচেং মেখেলা - এক প্ৰকাৰ ৰেচম সূতাৰে বোৱা ক'লা মেখেলা (৬) তিতাকৰীয়া মেখেলা - কপাহী সূতাৰে বোৱা এই সূতা তিয়াই তিয়াই বোৱা হৈছিল (৭) নৰা মেখেলা- নৰা তিৰোতাই পোনতে পৰিধান কৰা এই বিধ মেখেলা পৰৱৰ্তী কালত অসমীয়া তিৰোতাৰো গা শুৱাইছিল (৮) বনকৰা মেখেলা ৰেচম সূতাৰে ফুল বচা বিশেষ ধৰণৰ মেখেলা (৯) বুটা বছা মেখেলা - এই মেখেলাত তিলক বৃত্ত অথবা চাৰিকোণীয়া ফুলৰে গোটেইখন মেখেলাৰ নিম্নাংশ বা সমস্ত মেখেলাখন সুশোভিত কৰি তোলা হয় (১০) মেজাংকৰি মেখেলা - মেজাংকৰি পাটেৰে বোৱা দামী মেখেলাৰ নাম মেজাংকৰী মেখেলা (১১) মুগা মেখেলা - মুগা অথবা মুগাবৰণীয়া সূতাৰে বোৱা উকা বা ফুলবছা মেখেলাৰ নাম।

প্ৰান্তিকত (১৬ জুলাই ২০০৬) প্ৰকাশিত ড° মন্দিৰা বৰঠাকুৰ শইকীয়াৰ 'অসমীয়া বস্ত্ৰৰ বুৰঞ্জী' প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

জ্যো.দা.

।। **মেজাংকৰী** ।।

অতি প্ৰাচীন কালৰপৰাই অসমত বস্ত্ৰ শিল্পৰ প্ৰচলন আছিল। ই অসমৰ আটাইতকৈ পুৰণি আৰু সৰ্ববৃহৎ শিল্প আছিল। এসময়ৰ অসমৰ ৰেচম শিল্প পৃথিৱীৰ ভিতৰতে লেখত ল'বলগীয়া স্থান অধিকাৰ কৰি গৌৰৱৰ উচ্চ শিখৰত উঠিবলৈ সক্ষম হৈছিল। মৌৰ্য যুগৰপৰাই অসমত পাট, মেজাংকৰী আদি শিল্প থকাৰ কথা বুৰঞ্জীয়ে আমাক দিয়ে। ভাস্কৰবৰ্মাৰ ৰাজত্ব কালৰ উপঢৌকনৰ মাজত মিহি, উৎকৃষ্ট আৰু উজ্জ্বল বৰণৰ ৰেচমী কাপোৰৰ নাম পোৱা যায়। অসমৰ ৰেচম ইমান বিখ্যাত আছিল যে ৰেচমে 'পোতাশালৰ বন্দীকো মোকোলাই' বুলি এষাৰ প্ৰবচনৰেই সৃষ্টি হৈছিল।

লিংচি নামৰ এগৰাকী চীন দেশৰ ৰাণীয়ে প্ৰথমতে পাট বা ৰেচম শিল্প আৱিষ্কাৰ কৰি ৰোম দেশলৈ নিয়ে বুলি প্ৰবাদ আছে। কাশ্মীৰৰ কোনোবা এজন ৰজাই হেনো এগৰাকী চীনা ৰাণীক বিয়া কৰাইছিল। এই ৰাণী গৰাকীয়েই পাট-পলুৰ সঁচ ভাৰতলৈ আনিছিল বুলি কথিত আছে। কাশ্মীৰৰপৰা ই পোনতে বংগ দেশলৈ আৰু তাৰ পিছত

ই ভাৰতৰ অন্যান্য ঠাইলৈ বিয়পি পৰে।

অসমত ৰেচম শিল্পৰ প্ৰচলন কেতিয়াৰপৰা হ'বলৈ ধৰিছিল এই কথাৰ সঠিক খবৰ পোৱা নগ'লেও আহোম ৰাজত্বৰ যুগত যে এই শিল্পৰ ওপৰত ৰাজকীয় ভাৱেই জোৰ দিয়া হৈছিল তাৰ বিৱৰণ বুৰঞ্জীবোৰত পোৱা যায়। ৰজাঘৰীয়া চোমনীত পাট-মুগা পলু পোহা হৈছিল। এইবোৰ চাবৰ বাবে বিভিন্ন বিষয়াৰ নিযুক্তি দিয়া হৈছিল।

মুগা আৰু পাট দীৰ্ঘস্থায়ী কাপোৰ। ই বহুদিন টিকে। আহোম যুগত চঁপাপতীয়া আৰু মেজাংকৰী বুলি দুবিধ বৰ দামী আৰু মানী কাপোৰ আছিল। নিজে মুগা পোহা সাধাৰণ মানুহৰ ঘৰতো মেজাংকৰী আৰু চঁপাপতীয়া কাপোৰ ব্যৱহাৰ হৈছিল। মুগা আৰু পলুৱে সাধাৰণতে গছৰ পাত খায়। মেজাংকৰী গছক আদাকৰি গছ নামেৰেও জনা যায়। মুগা পলু মেজাংকৰী গছত পুহিলে তাৰ সূতা উজ্জ্বল, মিহি, টান আৰু সোণবৰণীয়া হয়। এই সূতাৰে তৈয়াৰী কাপোৰ দেখিবলৈ বৰ ধুনীয়া হয়। এই কাপোৰ সৌন্দৰ্যত অনুপম। সেই বাবে ৰজাঘৰীয়া আৰু আঢ্যৱন্ত পৰিয়ালৰ মানুহেহে সাধাৰণতে এই কাপোৰ ব্যৱহাৰ কৰিছিল। মেজাংকৰী কাপোৰ বুলিলে বুলিবৰ নাই। ইয়াক তৈয়াৰ কৰাও বৰ কষ্টকৰ।

প্ৰ. শ. গো.

**।। মেৱা ।।**

বড়ো গাৰো জনগোষ্ঠীৰ মাজত অধিক প্ৰচলিত অবিভক্ত গোৱালপাৰাবাসীৰ এবিধ বৈশিষ্ট্যপূৰ্ণ খাদ্য সম্ভাৰৰ নাম মেৱা বা খৰিচা। কোমল বাঁহ গছৰপৰা প্ৰস্তুত কৰা খৰিচা, শুকান বা জিম খৰিচা আদি অসমীয়া মুখৰোচক খাদ্য। গোৱালপাঁৰা জিলাত বাঁহগাজৰপৰা দুই প্ৰকাৰে খৰিচা প্ৰস্তুত কৰে - ক. বাঁহৰ গজালি ওলোৱাৰ পিছত তাক কাটি-কুটি- খুন্দি তৰকাৰী কৰি খোৱা আৰু খ. বাঁহগাজৰ ওপৰত মাটিৰ কলহ এটা ৰ'দ-বতাহ লাগিব নোৱাৰাকৈ কেইদিন মান ঢাকি থোৱাৰ পিছত বাঁহগাজটোৱে বন্ধাকবিৰ ৰূপ লয়গৈ। তেতিয়া তাক কাটি আনি, কাটি খুন্দি লোকে আঞ্জা ৰান্ধি খায়। কোনো কোনোৱে কাটি কুটি লোৱা বাঁহগাজত মছলা তেল দি আচাৰো প্ৰস্তুত কৰে। ওপৰত উল্লেখ কৰা উভয়বিধ মেৱাৰো সুকীয়া সোৱাদ আছে।

( মা° আব্দুল গফুৰৰ গোৱালপৰীয়া সংস্কৃতিৰ আধাৰত যুগুতোৱা)

জ্যো. দা.

**।। মে-দাম-মে-ফী।।**

আহোমসকলে উদ্‌যাপন কৰা মে-দাম-মে-ফী হ'ল পিতৃপুৰুষৰ পূজা। এই পূজাৰ জৰিয়তে উপৰি পুৰুষৰ সৈতে অশৰীৰিক যোগসূত্ৰ স্থাপন কৰি নিজৰ সমাজৰ তথা দেশৰ মংগলৰ বাবে প'মিং বা আশীৰ্বাদ বিচৰা হয়। অন্যান্য পূজাৰ দৰে মে-দাম-মে-

ফী পালনৰ বাবেও আহোম ভাষাত এখন পূজা বিধি আছে যাক খেক্-লাই বুলি জনা যায় আৰু প্ৰচলিত বিশ্বাস অনুসৰি এই পূজা বিধিখন অসমলৈ আনিছিল চাওলুং ছুকাফাৰ লগত অহা জীয়া বুৰঞ্জীলিখক ম-মুন্ ম-মাই দেওধায়ে। প্ৰতি বছৰে একত্ৰিছ জানুৱাৰী তাৰিখে পালন কৰা এই পূজাৰ বাবে আহোমসকলে সমূহীয়াকৈ গোট খাই এখন আঠ চুকীয়া অস্থায়ী হ-ফী (মন্দিৰ) সাজে আৰু ইয়াত আঠখন মেহেঙা (শৰাই) পাতি তেওঁলোকৰ আদি পিতা লেং-দন দেৱতা প্ৰমুখ্যে আঠ জন ফীক উপাসনা কৰে। এই পূজাত ফু-ৰা-তা-ৰা-আ-লং অথবা নিৰাকাৰ ভগবানক প্ৰাৰ্থনা জনোৱাৰ উপৰি ঙি ডাম খাম্ অংকিত আহোম পতাকা উত্তোলন কৰি সমূহীয়াভাৱে ভোজ খোৱা হয়। মে-দাম-মে-ফীৰ অসমলৈ আগমন ঘটে ১২২৮ খ্ৰীষ্টাব্দত চাও লুং ছ্যুকাফাৰ প্ৰৱেশৰ লগে লগে। এই পূজা অসমত পোন প্ৰথমবাৰৰ বাবে পালন কৰা হৈছিল তিপামৰ বুঢ়া ডাঙৰীয়া থানত। বৰ্তমান এই পূজা সাধাৰণতে নৈ-কাষৰীয়া স্থানত আয়োজন কৰা হয়। ৰাজহুৱাভাৱে আয়োজিত মে-দাম-মে-ফীৰ উপৰি আহোমসকলে ঘৰুৱাভাৱেও এই পূজা পালন কৰে। ঘৰুৱাভাৱে আয়োজিত এই পূজাৰ স্থান ৰান্ধনি ঘৰৰ দাম খুঁটাৰ কাষত বাছনি কৰা হয় আৰু পাঁচখন মাইহাং আগবঢ়াই পূৰ্বপুৰুষক উপাসনা কৰা হয়।

দে. দা.

।। মৈ আৰু মৈ টকা।।

কৃষকৰ কৃষিৰ আহিলা সমূহৰ ভিতৰত মৈ অন্যতম। প্ৰায় ছয়-সাতফুট দীঘল ভলুকা বাঁহ এডোখৰ সমানে দুফাল কৰি তাৰ সোঁ মাজতে (দুয়োমূৰৰপৰা সমান দূৰত) দুচটা পাট লগোৱা হয়। পাট দুচটাৰ মাজত থাকে এডাল শলখা। যাতে পাট দুচটাত হালোৱা উঠিলে বাঁহ দুফাল আঁতৰি নাযায়। পাট দুচলাৰ দুয়ো ফালে মৈ খনৰ দুয়োমূৰৰ পৰা কিছু ভিতৰলৈ আনদুডাল শলখা থাকে। মৈত ব্যৱহাৰ কৰা বাঁহদুফাল একেফালে মু কৰি দিয়া হয় অৰ্থাৎ পিঠি এফালে আৰু বুকু আনফালে। মৈৰ পাটি দুফালত ৰিঙৰ আকৃতিত দুডাল ৰচা লগোৱা হয়। ইয়াক কনাৰি বোলে। কনাৰিত লগাই মৈ খন টানিবৰ বাবে থাকে এডাল মৈ টকা। ভলুকা বাঁহৰ ডাঙৰ আখিথকা সৰু বাঁহ বা আগলি এটা আনি আখিসহ বাঁহডাল আধালৈকে দুফাল কৰা হয়। হাকুটি সদৃশ হৈ পৰা আখি দুটা মৈৰ কনাৰিত লগাই মৈ টকাটোৰ আনটো মূৰ যুৱলিত আওঠাৰে সংলগ্ন কৰা হয়। কৃষিভূমি সমান কৰিবলৈ মৈ নহ'লেই নহয়। তিনি চাহ দিয়া মাটিত প্ৰথম মৈ দিয়া হয়। তদুপৰি বোকা দিয়া মাটিত মৈৰে সমান কৰি লৈহে কঠিয়া ৰোৱে। দুই প্ৰকাৰে মৈ দিয়া হয় চাৰে (কা কাম্‌ৰা) আৰু লেটে। পথাৰৰ চপৰা অথবা বন উভালিবৰ বাবে মৈ চাৰে দিয়া হয়; অৰ্থাৎ মৈ বাঁহ দুফালৰ বুকুফাল আগলৈ দিয়া হয় আৰু পিঠি ফাল পিছলৈ দিয়া হয়।

লেটে দিওঁতে মৈ খনক বাঁহফালৰ পিঠিফালটো আগলৈ দিয়া হয়। মৈক লৈ নানা সাঁথৰ, প্ৰবাদ আৰু গীত মাত পোৱা যায়। যেনে -

১. সাঁথৰ - তুমি নিদিলে নিও, দিলে নিনিও।

২. প্ৰবাদ- অঁকৰা মৈত উঠা।

গো.স

।। মৈদাম ।।

মৃত্যুৰেই হৈছে জীৱন বৃত্তৰ লগত জড়িত থকা শেষ সংস্কাৰ। আহোমসকলৰ শ সৎকাৰ কৰাৰ ক্ষেত্ৰত মৃতকক কাঠ সংস্কাৰ কৰাৰ নিয়ম নাছিল। আহোমসকলে হিন ধৰ্ম গ্ৰহণ কৰাৰ আগতে মৃতকক পুতিহে থৈছিল। কোনো এজন স্বৰ্গদেউ মৃত বুলি ঘোষণা কৰাৰ পিছত সেই স্বৰ্গদেউজনক যথাযোগ্য সন্মানেৰে বস্ত্ৰ পৰিধান কৰাই থকা বাবে মধুৰীয়াম (উৰিয়াম) গছৰ কাঠেৰে দীঘলে দীঘলে শৱটো সোমাব পৰাকৈ এটা পেৰা বা বাকচ তৈয়াৰ কৰে। এই পেৰাটোক আহোম মতে ৰুঙ্গ-ডাঙ্গ বোলে। ৰজা কুঁৱৰী আৰু ৰজাৰ নিজৰ বা নিচেই আপোন বংশৰ কোঁৱৰ ইত্যাদিৰ মৃতদেহ লুখুৰাখন খেলৰ মানুহেহে মাথোন নিব পাৰে। আহোমসকলৰ ৰাজত্ব কালত কোনো এজন স্বৰ্গদেউৰ মৃত্যু হ'লে চৰাইদেওতে কিছুমান নিয়ম নীতিৰ মাজেদি মৈদাম দিয়াৰ ব্যৱস্থা আছিল। চৰাইদেউত মৈদাম দিবৰ বাবে শৱ যাত্ৰা কৰাৰ আগতে কেইজনমান লোকক ৰাজকীয় মৈদামৰ গাঁত খান্দিবলৈ মাটিডোখৰ নিৰ্বাচন কৰিবৰ বাবে নিয়োগ কৰিছিল। গাঁত খন্দাৰ আগতে মাটি ডোখৰ সোণ ৰূপসহ দক্ষিণা আগবঢ়াই পবিত্ৰ কৰি লৈছিল। পুৰোহিতে ফা-টিন টিন লাই ফা লাই বেত বুলি মন্ত্ৰ উচ্চাৰণ কৰি প্ৰাৰ্থনা কৰাৰ পিছত মাটিত কোৰৰ চাব মাৰে। ৰাজকাৰেঙৰপৰা ৰজাৰ শৱদেহ প্ৰধানপথেদি শৱ যাত্ৰাৰ বাবে বাহিৰলৈ অনা নহয়। ৰাজকাৰেঙৰ পৰা ভিতৰৰ এটা চুকেদি উলিওৱা পথেদিহে শৱদেহ সৎকাৰৰ বাবে উলিয়াই নিয়া হয়। শৱ যাত্ৰাত অতি কমেও দহজন পৰিচাৰক লগত যোৱাটো বাধ্যতামূলক আছিল। সেইসকলৰ ভিতৰত তামুলী পাঁচনি, পিক্‌দান ধৰা, হেঙদান ধৰা, জৰা ধৰা, চোঁৱৰ ধৰা, ধোঁৱা-খোৱা ধৰা, চাংমাই ৰান্ধনি, গা-চোৱা; ফুল-চোৱা লিগিৰা সেইদৰে মৰাৰ লগত দিছিল। শৱদেহ যাত্ৰা কৰি যাওঁতে বাটত ৰাতি খপাতে বাহৰ কৰি ৰজা থকা নীতিৰে থাকিব লাগে আৰু সেই দহ জন পৰিচাৰকে জীয়াই থকাৰ দৰে ৰজাক পৰিচৰ্যা কৰে। মৈদাম দিয়াৰ আগতে যাথা নিয়মেৰে আৰু ৰাজসন্মানেৰে পূবলৈ মূৰ কৰি মৈদাম দিবৰ বাবে ৰখা খাটত থোৱা হয়। ৰজাই ব্যৱহাৰ কৰা সকলো বস্তু লগত দিয়া হয়। সকলো বস্তু সজাই ভৰাই দিয়াৰ পিছত তাৰ ওপৰত ওখকৈ মাটি দি মৈদাম বন্ধা হয়। প্ৰথমে মৈদামৰ মাটি কেইচপৰামান লুখুৰাখন খেলৰ মানুহে দিলেহে অন্য খেলৰ মানুহে পিছত মাটি দি মৈদাম বন্ধাৰ পৰম্পৰা আছিল। দেওধাই অসম

বুৰঞ্জীৰ মতে মৈদাম দিয়া ৰজাৰ লগত পৰিচাৰক কম হ'লেও দহ জন বা বাৰজন সহিতে সেই মাটিৰ তলত পাটঘৰৰ দুৱাৰ মাৰি মাটি ওপৰত মৈদাম বান্ধি ইবোৰ মানুহ বাড়ী হজুৰা সহিতে গুচি যায়। গদাধৰ সিংহৰ ৰজাৰ লগত ৩০ জন পৰিচাৰক দিছিল। কিন্তু পিছলৈ মৈদাম দিওতে হিন্দুৰ দৰে পুৰি অলপ দ্ৰব্যসহিতে চৰাইদেউত মাটিৰ তলত পাটঘৰ সাজি মৈদাম বন্ধা নীতি হ'ল। ব.চে

।। মৈষাল আৰু মাহুতৰ গীত ।।

গোৱালপৰীয়া লোকগীতত মৈষাল আৰু মাহুতৰ গীত খিনিৰ এক স্বকীয়া মৰ্যাদা আছে - আছে সুকীয়া আসন। গোৱালপৰীয়া লোকজীৱনত মৈষাল আৰু মাহুত আছিল অংগাংগী। বিশেষকৈ গোৱালপৰীযা ভৌগোলিক পৰিৱেশ অনুযায়ী কৃষিজীৱী সমাজখনত কৃষকৰ যি স্থান মৈষাল আৰু মাহুতৰ সেই একেই স্থান। নৈ মাতৃক অবিভক্ত গোৱালপৰীয়া ভৌগোলিক পৰিৱেশত বিস্তীৰ্ণ চৰ অঞ্চল আৰু ইয়াৰ উত্তৰে-দক্ষিণে ভূটান-মেঘালয়ৰ গভীৰ অৰণ্যই বিশেষ প্ৰভাৱ পেলাইছিল। চৰ অঞ্চল আছিল গৰু - ম'হৰ বিচৰণভূমি। বিশেষকৈ গোৱালপাৰাৰ জমিদাৰ অথবা মহাজন শ্ৰেণীৰ লোকে এনে বিস্তীৰ্ণ ঘাঁহনি অঞ্চলত ম'হৰ খুঁটি বা বাথান স্থাপন কৰিছিল। এই ম'হৰ ৰখীয়া হিচাপে নিয়োগ কৰাসকলকেই বোলা হৈছিল গোৱালপৰীয়া ভাষাত মৈষাল। একমাত্ৰ পেটৰ দায়ত কোনো নিৰ্জন ম'হৰ বাথানত থাকিবলগীয়া হোৱা মৈষালৰ অন্তৰ নিঃসৃত ভাৱ-অনুভূতি অথবা কোনো নৈপৰীয়া আবিয়ৈ অথবা বিবাহিত পত্নী, পৰস্ত্ৰীৰ মৈষালৰ সৈতে গঢ়ি উঠা প্ৰেমৰ ফলশ্ৰুতিত মান-অভিমান, বিৰহ-ব্যথাৰ অনুপম অভিব্যক্তি হৈছে এই মৈষাল গীতবোৰ।

একেদৰে মেঘালয়, ভূটান পাহাৰৰ লগত সংলগ্ন বিস্তীৰ্ণ অৰণ্যভূমি হাতীৰ বিচৰণভূমি। এই বনৰীয়া হাতী ধৰি ঘৰচীয়া কৰাৰ প্ৰথা প্ৰাচীন কালৰেপৰা চলি আহিছে। এই হাতী ধৰা কাৰ্যত আগৰণুৱা আছিল গোৱালপাৰাৰ কেইবাটাও জমিদাৰ পৰিয়াল। হাতী ধৰিবৰ বাবে নিয়োজিত মাহুত বা ফান্দীয়ে দীৰ্ঘদিন ধৰি হাবিত থাকিবলগীয়া হৈছিল। মৈষালৰ দৰে মাহুতক লৈয়ো একেদৰে সৃষ্টি হৈছিল মাহুত অথবা প্ৰেমিকৰ অন্তৰ উথলি উঠা বিৰহ-ব্যথাৰ সীমাহীন ৰাগ-অনুৰাগ। ইয়েই শব্দ আৰু সুৰৰ সংযোগত গীত হিচাপে আত্মপ্ৰকাশ কৰিছিল।

মৈষাল আৰু মাহুতৰ গীতখিনিৰ মূল কেন্দ্ৰ বিন্দু হৈছে প্ৰেম আৰু আসক্তি। কিন্তু এই প্ৰেম উপৰুৱা নহয় বাবেই ইয়াৰ গীতবোৰ গভীৰ আৰু গতিশীল। সাংগীতিক গাঁঠনিত মৈষাল-মাহুতৰ গীতখিনিক ভাৱাইয়া আৰু চটকা এই দুই ভাগত ভগাব পাৰি। ভাৱাইয়া গীতবোৰৰ সুৰ গহীন গম্ভীৰ, দীঘলসুৰীয়া আৰু করুণ। ইয়াৰ বিপৰীতে চটকা গীতবোৰ চঞ্চল আৰু কৌতুকধৰ্মী। দোতাৰাৰ জৰিয়তে মৈষাল আৰু মাহুতৰ

গীতবোৰ পৰিৱেশন কৰা হয়।

নাৰী সংগ বিহীন জীৱনৰ বাবেই মৈষাল আৰু মাহুতৰ গীতখিনিৰ বহুতো সাদৃশ্য পৰিলক্ষিত হয়। মৈষাল, মাহুতক বন্ধু, পতিধন, জীৱন আৰু সখা সম্বোধন- এই লোকগীতখিনিৰ অন্যতম বৈশিষ্ট্য।

প. ৰা.

**।। মোগলাই পাগুৰি ।।**

অসমৰ সত্ৰসমূহত সূত্ৰধাৰে নাট-ভাওনাৰ কালত মূৰত যিটো পাগ মাৰে, তাকে বহুতে মোগলাই পাগুৰি কয়; পিছে অসমৰ কোনো মুছলমানেই ইয়াক ব্যৱহাৰ নকৰে। পাগুৰি হ'ল শিৰ বস্ত্ৰ। সকলো সুসভ্য জাতিৰ মাজতে ইয়াৰ প্ৰচলন মন কৰিবলগীয়া। পুৰণি ভাৰতত ৰাজসূয় যজ্ঞৰ কালত বগা আৰু পিছলৈ বৈ পৰা নেজেৰে উষ্ণীষ ব্যৱহাৰ কৰাৰ কথা ধৰ্মশাস্ত্ৰৰ উপৰি শতপথ ব্ৰাহ্মণতো পোৱা যায়। খ্ৰীষ্টপূৰ্ব তৃতীয় শতাব্দীত খোদিত একাধিক ভাৰতীয় প্ৰস্তৰ মূৰ্তিত পাগুৰিৰ প্ৰয়োগ চকুত লগা। ভাৰতীয় পাগুৰিৰ পৰিৱৰ্তনৰ প্ৰথম জোৱাৰ উঠে আকবৰৰ দিনত। এই মোগল সম্ৰাটজনৰ পূৰ্বপুৰুষসকলে ব্যৱহাৰ কৰা শিৰস্ত্ৰাণবোৰ আছিল তৈমুৰৰ পাগৰ দৰে। সাধাৰণ সৈনিকসকলৰ মূৰত চাৰিকোণী পাগে স্থান পাইছিল। ভাৰতবৰ্ষত হিন্দু নৃপতি তথা সম্প্ৰদায়ৰ আৰ্হিত মোগল সম্ৰাট আকবৰে নতুনকৈ পাগৰ সৃষ্টি কৰিছিল। এই কথা অধ্যাপক ঘুৰুয়ে তেওঁৰ ইণ্ডিয়ান কাষ্টিউম শীৰ্ষক গ্ৰন্থত বহলাই আলোচনা কৰিছে। আকবৰৰ দিনৰ পাগটো জাহাংগীৰৰ ৰাজত্ব কাললৈ অব্যাহত থাকে। এই পাগুৰিক অটপটী (চিলা-সোলকা) আখ্যা দিয়া হৈছিল। সম্ৰাট চাজাহানৰ দিনত আলোচিত পাগটো বেচি জাকজমকপূৰ্ণ হয় আৰু এচটা পটি পথালিকৈ বন্ধা চকুত পৰে। পিছফালটো পকী ঘৰৰ ওপৰৰ খলপাৰ পৰা আগবাঢ়ি যোৱা ছজ্জাৰদৰে হোৱাত তাৰ নাম হৈছিল ছজ্জেদাৰ পাগ্ড়ি।

মধ্যযুগীয় চিত্ৰকলাত মোগলাই পাগুৰিৰ বহুল প্ৰয়োগ চকুত পৰে। বুৰঞ্জীয়ে কয় - ঔৰংজেৱে দিল্লীৰ সিংহাসনত আৰোহণ কৰা কালত জয়ধ্বজ সিংহলৈ জামা পাগ এসাজ উপহাৰ ৰূপে পঠিয়াইছিল। ৰুদ্ৰসিংহৰ ৰাজত্বকালত মোগলৰ পাগ, জামা আৰু ইজাৰে অসমত বৰপীৰা পাৰি বহাৰ কথা তুংখুঙীয়া বুৰঞ্জীত পোৱা যায়। চিত্ৰ ভাগৱত আৰু ব্ৰহ্মদেশৰপৰা উদ্ধাৰ কৰি অনা ষষ্ঠস্কন্ধ ভাগৱতৰ ফলকটোত চিত্ৰিত ৰজা, সূত্ৰধাৰ আৰু গায়ন-বায়নৰ চিত্ৰ আদিত সূত্ৰধাৰৰ পাগুৰিটো মোগলাই পাগুৰিৰ অনুৰূপ। এটা কালত হিন্দু দৰাবোৰেও বিয়াত অনুৰূপ পাগকেই মাৰিছিল। তিনিচুকীয়াৰপৰা সংগ্ৰহ কৰি অনা আহোম যুগীয় মহিষমৰ্দিনীৰ শিৰতো প্ৰায় অনুৰূপ শিৰস্ত্ৰাণকে চকুত পৰে। গতিকে অনুমান কৰাত অসুবিধা নহয় যে শাহজাহানৰ দিনৰেপৰা

মোগলাই পাগুৰি অসমত চলিছিল। গুৰুজনা তীৰ্থ ভ্ৰমণলৈ যাওঁতে নিশ্চয় সেই শিৰস্ত্ৰাণ দেশৰ বিভিন্ন প্ৰান্তত দেখিছিল আৰু তাৰে আৰ্হিত সূত্ৰধাৰৰ পাগুৰিৰ পৰিকল্পনা কৰিছিল। সামৰণিত ড° মহেশ্বৰ নেওগৰ ভাষাৰেই ক'ব পাৰি 'মোগলাই পাগুৰি বিশেষকৈ আকবৰৰ সময়ত বহলভাৱে গৃহীত ভাৰতীয় সাজেৰে বিশিষ্ট এটা অংগ। ভাৰতীয় ভাস্কৰ্য আৰু ব্যৱহাৰত তাৰ পূৰ্বৰূপ আছিল। মোগলসকলে নিয়ম বান্ধি তাক প্ৰচলন কৰাৰ পিছতো তাক হিন্দু-মুছলমান ৰজা-নবাবৰপৰা আৰম্ভ কৰি সাধাৰণ লোকলৈকে অনেকে তাক শিৰত বহন কৰি ৰং পাইছিল। (মোগলাই পাগুৰি নিবন্ধ, নীলাচল, ৯-২ সংখ্যা।)

না. দা.

।। মোৰাংচু উছৱ ।।

নগা ভূমিৰ আওনগা সকলে মে' মাহৰ এক তাৰিখৰ পৰা ছয় তাৰিখলৈ কৃষিভিত্তিক মোৰাংচু উছৱ উলহ মালহৰ মাজেদি উদ্‌যাপন কৰে। পাহাৰৰ হাবি বন কাটি মাটি উলিয়াই লৈ বৰষুণৰ অপেক্ষাত বৰষুণ পৰাৰ লগে লগে মে' মাহত উক্ত উছৱটো পাতি কৃষি কৰ্মত লাগি যায়। এই উপলক্ষে আও ছোৱালীসকলে বিভিন্ন ৰঙৰ জলকীয়া শ্বল লৈ উছৱৰ প্ৰথম দিনাই বিহুবানৰ দৰে মৰমৰ জনলৈ উপহাৰ ৰূপে আগবঢ়ায়। মাছ-মাংসৰে ভাত-পানী খাই ডেকা-গাভৰু উভয়ে পৰম্পৰাগত সাজ পাৰ পিন্ধি একুৰা প্ৰকাণ্ড জুই জ্বলাই ঘূৰি ঘূৰি নৃত্য গীত কৰে। মনে মিলাজনক ইয়াতে জীৱন সংগিনী কৰাৰ সুযোগ পায়। এই উৎসৱৰ কালত গাঁও এৰি কোনো লোক বাহিৰলৈ যাব নোৱাৰে। ধানবনা, ঘৰ সজা, বিয়া পতা প্ৰভৃতি এই উছৱৰ কেইদিন বন্ধ ৰাখে। আজিৰ বিশ্বায়নৰ কালতো আও নগাসকলৰ মোৰাংচু উছৱৰ সন্দৰ্ভত থকা ৰীতি-নীতিৰ অকণো সলনি হোৱা নাই।

না.দা.

।। যঁতৰ।।

'ৰংপুৰ নগৰত ঢোলৰ মাত শুনিলো *ঠেকেচি* ভাগি যাওঁ যঁতৰ' শিপিনী' হৈ জনম লোৱা, তাঁতৰ শালত পৰীৰ দেশৰ সাধু ৰচা অসমীয়া জীয়াৰী বোৱাৰীয়ে 'অতি চেনেহৰে মুগাৰে মহুৱা' ফুৰোৱা যঁতৰটিকো ঢোলৰ মাত শুনি *ঠেকেচা* মাৰি থৈ বিহু মাৰিবলৈ যোৱা সঁচাকে প্ৰাণস্পৰ্শী। কিয়নো বৰঘৰ শুৱনি জীয়ৰী ছোৱালীৰ সৈতে যঁতৰৰ সম্পৰ্ক নিবিড়। নহ'লেনো বিয়া দিবলৈ ওলোৱাজনীক লৈ আয়তীয়ে গায়নে- - 'বৰঘৰত কান্দিলে নেওঠনি যঁতৰে মাৰলত কান্দিলে ভনী।' সংস্কৃত যন্ত্ৰ শব্দৰপৰা অহা যঁতৰ দুবিধ - এবিধ মহুৱা ফুৰোৱা আৰু আনবিধ সূতা কটা। উভয়বিধ যঁতৰৰ ঘিলা আৰু গাটো কাঠেৰে সজা। দুইএজন দাৰু শিল্পীয়ে ঘিলাটোত লতা ফুল কাটি চালে চকুৰোৱা কৰে। মহুৱা ফুৰোৱা যঁতৰৰ হাতোৱা- ডালতো ফুলৰ সংযোজনা দেখা যায়। অসমীয়া তিৰোতাৰ প্ৰাণৰো আপোন যঁতৰটো লৈ খণ্ডবাক্য' প্ৰবাদবাক্য আৰু

সাঁথৰৰ সৃষ্টি উল্লেখযোগ্য। যেনে - যঁতৰ ভঙা (নিয়াৰি কৰা), 'বিৰিণাৰ পাতে কঁকাল কাটে / ঘূণ ঘূণী যঁতৰে মাকক মাতে //' 'কথাৰ গুণে কঠিয়া /যঁতৰৰ গুণে বটিয়া//' 'যেহেন আহে ভাতাৰ টু/ তেখেন লয় যঁতৰটু //' (বৰপেটা); সাঁথৰ - 'ভো ভো কৰে ভোমোৰা নহয়/ ঠোঁট আছে পখী নহয়//' 'মৌ মাখি নহয় কৰে গুণ গুণ/ বামুণ নহয়, ডিঙিত লগুণ//'

না. দা.

**।। যঁতৰ কটা বুঢ়ী ।।**

কইনা ঘৰত বিয়াৰ সকলো কৃত্য সুকলমে শেষ হৈ যোৱাৰ পিছত দৰাই কইনাক আপোন ঘৰলৈ লৈ আহে। আজিকালি কইনাৰ লগত তেওঁৰ ভনীয়েক অথবা তেনে পৰ্যায়ৰ ছোৱালী অহা দেখা যায়; কিন্তু বিগত অতীতত কইনাৰ সৈতে অবিৱাহিতা ছোৱালী যোৱা নাছিল—গৈছিল সাংসাৰিক অভিজ্ঞতাৰে পৰিপুষ্টা বুঢ়ী এগৰাকী। বাল্য বিৱাহ প্ৰচলনৰ কালত কন্যাৰ সৈতে বুঢ়ীগৰাকী দীৰ্ঘদিন জুৰি দৰাঘৰত থাকিব লগাত পৰিছিল। নববধূয়ে ঘৰুৱা প্ৰায়বোৰ কামতে পাৰ্গত হ'ব লাগিছিল যদিও সূতা কটা কামত পাকৈত হোৱাটো আছিল সবাতোকৈ প্ৰয়োজনীয় কথা। কইনাধৰা বুঢ়ী গৰাকীয়ে কইনা জনীৰ সৈতে দৰাঘৰত দীৰ্ঘদিন থাকোঁতে নিজেও যঁতৰ কাটিছিল আৰু কইনাজনীকো যঁতৰৰ সূতা কটাৰ প্ৰশিক্ষণ দিছিল। চলতি ভাষাত এই বুঢ়ী গৰাকীকে কোৱা হৈছিল যঁতৰ কটা বুঢ়ী। সময় সলনি হ'ল। বাল্যবিৱাহ উঠি গ'ল; কিন্তু কইনাৰ লগত বুঢ়ীগৰাকী যোৱা নিয়মটো বাহাল থাকিল। অৱশ্যে যঁতৰ কটা বুঢ়ীগৰাকী পিছলৈ তিনিদিনহে দৰাঘৰত থকাৰ নিয়ম হ'ল। দৰাঘৰ গছকি কইনা পিতৃঘৰলৈ প্ৰত্যাৱৰ্তন কৰোঁতে আলোচিত বুঢ়ী গৰাকীও ঘূৰি আহে। দৰা পক্ষই যঁতৰ কটা বুঢ়ী গৰাকীক কমেও এজোৰ কাপোৰেৰে মান-সৎকাৰ কৰা প্ৰয়োজন। আজি-কালি এই নামটো পাহৰণিৰ পেটত।

না. দা.

**।। যৱক্ষাৰ বা যখাৰ।।**

বুৰঞ্জীত পোৱা যায়, পুৰণি অসমত হিলৈৰ খাৰ প্ৰস্তুত কৰা হৈছিল। হিতেশ্বৰ বৰবৰুৱাই লিখিছে 'ৰজাৰ দিনত হেনো ডাঙৰ ডাঙৰকৈ গোহালি সজাই তাত প্ৰায় ছমাহমান একেৰাহে গৰু বন্ধায় (বিশেষকৈ ক'লা বৰণীয়া গৰু) আৰু মূতায়। গৰুৰ মূতখিনি গোহালিতে শুকাবলৈ দিয়া হয়। এইদৰে ছমাহমান গৰুৰ হতুৱাই মুতুৱা হ'লে, তাৰ পিছত তাত গৰু বান্ধিবলৈ এৰি দিয়ে আৰু সেই ঘৰটো এবছৰমান দুৱাৰ বান্ধি উদংভাৱে ৰখা হয়। পিছত ভেঁকুৰি সেই গোহালিৰ ভেটিটোত বগা বগা এবিধ মিহি বস্তু ওলায় (কাঠফুলা নহয়)। সেই বগা বস্তুখিনিৰ পৰাই কিবা উপায়েৰে যৱক্ষাৰ প্ৰস্তুত হৈছিল আৰু কাতিমহীয়া ভীমকলৰ গছ ছিৰি সেইবোৰ শুকাই পুৰি, তাৰ খাৰেৰেও

কেনেবাকৈ হেনো হিলৈৰ খাৰ কৰিছিল। (আহোমৰ দিন পৃ ৫০৩) আগতে মানুহৰ জ্বৰ মূৰত উঠিলে যখাৰ পানীৰ পটি কপালত দি জ্বৰ নমাইছিল।

নং. দা.

।। যাত্ৰা সম্পৰ্কীয় লোক বিশ্বাস।।

অসমীয়া সংস্কৃতি সহজ-সৰল চহা মানুহৰ বিশ্বাসেৰে ভৰপূৰ। অতি প্ৰাচীন কালৰে পৰাই অসমীয়া সমাজৰ দৈনন্দিন জীৱনত পৰম্পৰাগতভাৱে এনে কিছুমান লোকবিশ্বাস প্ৰচলিত হৈ আহিছে যিবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই অথচ এইবোৰে অসমীয়া সংস্কৃতিৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

অসমীয়া সমাজত যাত্ৰা সম্পৰ্কীয় বিভিন্ন ধৰণৰ বিশ্বাস আছে। যাত্ৰাৰ ভাল বেয়া ফলাফল বিচাৰ কৰি লৈ নানা ধৰণৰ বিশ্বাস গা কৰি উঠা দেখা যায়। কোনো শুভ কাৰ্যত যাত্ৰা কৰাৰ আগতে শুভ দিন, বাৰ, তিথি, নক্ষত্ৰাদি চোৱাৰ নিয়ম অসমীয়া সমাজত আজিও প্ৰচলিত। 'মঙ্গলে যাত্ৰা, বুধে পাৰ, যাহা মন তাহা যাও' বুলি এষাৰ প্ৰবাদ অসমীয়া মানুহৰ মাজত প্ৰায়েই শুনা যায়। সেইদৰে পূবে ৰবি আৰু শুক্ৰবাৰ, পশ্চিমে সোম আৰু শনিবাৰ, উত্তৰে বৃহস্পতিবাৰ আৰু দক্ষিণে মঙ্গলবাৰে যাত্ৰা কৰিলে ভাল ফল লাভ কৰে। বাৰৰ উপৰি যাত্ৰা প্ৰসঙ্গত তিথিৰ ভূমিকাও মন কৰিবলগীয়া। যেনে - দ্বিতীয়াৰ যাত্ৰাত সিদ্ধি যোগ, তৃতীয়াৰ জয়, চতুৰ্থীৰ বন্ধন-ক্লেশ, পঞ্চমীৰ সফলতা, ষষ্ঠীৰ নিষ্ফল, সপ্তমীৰ লাভ, অষ্টমীৰ অস্ত্ৰৰ দ্বাৰা আঘাত প্ৰাপ্তি, নৱমীৰ মৃত্যু, দশমীৰ মাটি লাভ, একাদশীৰ ৰোগ-মুক্তি, দ্বাদশীৰ অসাৰ্থক, ত্ৰয়োদশীৰ সৰ্বসিদ্ধি যোগ, চতুৰ্দশীৰ অসিদ্ধি, পূৰ্ণিমাৰ নিষ্ফল আৰু অমাৱস্যাৰ যাত্ৰাত মৃত্যুৰ সম্ভাৱনা। তেনেদৰে শুক্ল প্ৰতিপদ তিথিত যাত্ৰা নিষ্ফল কিন্তু কৃষ্ণ প্ৰতিপদত যাত্ৰা শুভ। সাধাৰণতে বৃহস্পতিবাৰে পিছবেলা কোনো শুভ-কৰ্মত যাত্ৰা কৰা নহয়। ৰবি, মঙ্গল আৰু বৃহস্পতিবাৰে আগবেলাতে যাত্ৰা কৰিলে ভাল। কালসন্ধ্যা বেলাত কোনো শুভ যাত্ৰা কৰা নহয়। যাত্ৰাৰ সময়ত কোনো বিমঙ্গলৰ চিন দেখিলে যাত্ৰা ফলপ্ৰসূ নহয় বুলি বিশ্বাস কৰা হয়। যাত্ৰা কালত পুৰুষৰ বাঁও অঙ্গ কঁপা বা নাচা, সেইদৰে স্বামীৰ যাত্ৰাৰ সময়ত স্ত্ৰীৰ সোঁ অঙ্গ কঁপা অশুভ লক্ষণ বুলি ভবা হয়। যাত্ৰা কালত পুৰুষৰ সোঁ অঙ্গত আৰু নাৰীৰ বাঁও অঙ্গত চৰাই-চিৰিকতিয়ে মলত্যাগ কৰিলে বা জেঠী আদি পোক পৰিলে ভাল বুলি ভবা হয়। তেনেদৰে যাত্ৰাৰ সময়ত ভৰা কলহ বা পানী আনিবলৈ যোৱা মানুহ দেখা, ক'ৰবালৈ ওলাই যাওঁতে পিছতে মাকে মাতা আদি শুভ বুলি ধৰা হয়। কিন্তু মাকৰ পৰিবৰ্তে বেলেগে মাতিলে যাত্ৰা সফল নহয় বুলি বিশ্বাস কৰা হয়। যাত্ৰা ক্ষণত বাঢ়নী, খালী নাও, ভিক্ষাৰী, বিধৱা, তেলৰ পোহাৰী, মুচি, ধুবী, নপুংসক, বেশ্যা ৰমনীৰ কাজিয়া, খৰিভাৰী আগেৰে যোৱা দৰ্শন কৰিলে উদ্দেশ্য সফল নহৈ বিফলহে হয়। যাত্ৰা কালত কোনোবাই হাঁচি মাৰিলেও যাত্ৰা সিদ্ধি নহয়।

কোনো শুভ কাৰ্যৰ যাত্ৰাৰ প্ৰাক্ মুহূৰ্তত শুকান ডালত পৰি কাউৰীয়ে মাতি থাকিলে, কাউৰীয়ে মূৰত থাপ মাৰি উৰি গ'লে, কুকুৰে বাট আগভেটি ধৰিলে, সাপে ফেট তুলি ধৰিলে শুভ নহৈ অশুভ হয় বুলি দৃঢ় বিশ্বাস আছে। যাত্ৰা পথত মেকুৰী দেখিলেও বিমঙ্গল বুলি ধৰা হয়। অকল ইমানেই নহয় বাটেৰে গৈ থকা অৱস্থাত সমুখেৰে মেকুৰী পাৰ হৈ গ'লে কিছুমানে সাত খোজ পিছুৱাই যায় নতুবা কিছুমানে অলপ সময় ৰৈ পুনৰাই আগবাঢ়ি যায়। যাত্ৰা কালত নাপিত দেখা অশুভ যদিও, সেই নাপিতৰ দ্বাৰা ক্ষৌৰ কৰ্ম কৰি গ'লে যাত্ৰা শুভ হয় বুলি বিশ্বাস কৰে। ছোৱালী চাবলৈ যাওঁতে পিঠাগুড়ি খাই গ'লে শুভ হয়। যাত্ৰা পথত দা-কটাৰী হাতত লৈ থকা মানুহ দেখিলে বেয়া বুলি বিশ্বাস কৰা হয়।

ক.তা.

।। যাত্ৰা সান্দহ।।

অসমীয়া বিৱাহ অনুষ্ঠানত যাত্ৰা সান্দহ খুন্দা এটি উল্লেখযোগ্য উৎসৱ। অসমীয়া বিৱাহত যাত্ৰা সান্দহৰ এক বিশেষ ভূমিকা আছে। প্ৰকৃততে এই দিনটোৰ পৰাই বিয়াৰ কাম -কাজ আৰম্ভ হয়। যাত্ৰা সান্দহ খুন্দাৰ আয়োজনটোও অতি আনন্দ মুখৰ। দৰা-কইনা উভয়ৰে ঘৰত এই সান্দহ খুন্দা হয় যদিও কইনা ঘৰৰ বাবে এই সান্দহ খুন্দাৰ প্ৰয়োজন বেছি। বিয়ালৈ পাঁচদিন বা সাতদিন থাকোঁতে অৰ্থাৎ বেযুৰীয়া দিনত এই সান্দহ খুন্দাৰ আয়োজন কৰা হয়। চিৰা সান্দহ বা গুড়া সান্দহ যিদৰে প্ৰস্তুত কৰে ঠিক সেইদৰে যাত্ৰা সান্দহো প্ৰস্তুত কৰা হয়। কেৱল সেইদিনাৰপৰা বিয়াৰ কাম-কাজ কৰে কাৰণে এই প্ৰথাটোক যাত্ৰা সান্দহ খুন্দা বুলি কোৱা হয়। বিয়াৰ দিনা দৰাই কইনা ঘৰত বিয়াৰ সকলো কাৰ্য সমাপন কৰি বিৱাহিতা কইনাৰ সতে ঘৰত সোমায় আৰু জলপান গ্ৰহণ কৰে। সাধাৰণতে গুড়া আৰু চিৰা সান্দহ হ'লেও যাত্ৰা সান্দহত চিৰাকহে প্ৰাধান্য দিয়া হয়। দৰাই সান্দহ গ্ৰহণ কৰাৰ আগতে পঞ্চদেৱতাৰ নামত পাঁচবাৰ সান্দহ অকণমান আৰু পানী খোৱা বাতিৰ আগত থৈ নাকেৰে শুঙি সান্দহখিনি নোখোৱাকৈ থয়। কোনো কোনো অঞ্চলত দিনটো লঘোণে থকা দৰাই দৈ, কল আদিৰে সেই সান্দহ গ্ৰহণ কৰে। দৰাঘৰতো তেনেদৰে ন-কইনাক ঘৰ সোমোৱাৰ পিছত যাত্ৰা কৰি খুন্দা সান্দহেৰে জলপান দিয়া হয়। যাত্ৰা সান্দহ খুন্দিবলৈ গাঁৱৰ জীয়াৰী-বোৱাৰীৰ মাজত এক উলহ-মালহৰ সৃষ্টি হয়। গাঁৱৰ ইঘৰৰ পৰা সিঘৰলৈ যাত্ৰা সান্দহ খুন্দাৰ বাতৰিয়ে সকলোৰে আনন্দেৰে মন চুই যায়। দৰা-কইনা ঘৰৰ আত্মীয়, জীয়াৰী-বোৱাৰীয়ে সান্দহ খুন্দাত ভাগ লয়। সধবা নাৰীয়েহে যাত্ৰা সান্দহ খুন্দিবলৈ পায়। ঘৰৰ জীয়াৰী-বোৱাৰীসকলে ইজনীয়ে সিজনীক জোকাই জাত জাত বিয়া নাম লগাই মনৰ উলাহেৰে ঢেঁকীশাল খদমদমাই তোলে। মনৰ আনন্দত ইজনীয়ে সিজনীৰ মুখত চাউলৰ গুড়া, আদা হালধি আদি সানি এক আমোদ

জনক পৰিৱেশৰ সৃষ্টি কৰে। গাঁও অঞ্চলত যাত্ৰা সান্দহ খুন্দা দিনৰেপৰা বিয়াৰ সকলো কাম-কাজ আগবঢ়াই নিয়া হয়। কামৰূপ অঞ্চলত যাত্ৰা সান্দহ খুন্দাৰ প্ৰচলন বেছি।

ম.গো.

।। ৰঙালী বিহু ।।

ৰঙৰ বিহু ৰঙালী — অসমীয়াৰ জাতীয় উৎসৱ। শীতৰ সেমেকা পৰিৱেশ আঁতৰাই বাসন্তী প্ৰকৃতিয়ে এই সময়তে নৱবৰ্ষক আদৰণি জনায়। বিহু ঘাইকৈ কৃষিমুখী উৎসৱ হ'লেও ই অকল কৃষি উৎসৱেই নহয়— ই নৱজন্মৰ ন সৃষ্টিৰ উৎসৱ। খৃষ্টীয়ান সকলৰ মতে ই যীশুখৃষ্টৰ পুনৰুত্থান কাল আৰু ইয়েই ইষ্টাৰ নামৰ এক প্ৰাচীন বসন্ত উৎসৱৰো সময়।

বিষুব শব্দৰ লগত অসমৰ বিহু শব্দৰ ধ্বনিগত মিল থাকিলেও বিহু মূলতঃ মাটিৰ উৰ্বৰাৰ লগত সম্বন্ধ থকা বুলি কৃষি ভিত্তিক অনুষ্ঠান। এনে উৎসৱ ভাৰতৰ আন বহুতো ঠাইত প্ৰচলিত আছে। বিহু উৎসৱত খেতিৰ মূল ভেটি বসুমতীক উৰ্বৰা হোৱাৰ কামনা কৰি নৃত্য-গীত, আমোদ-প্ৰমোদৰ আয়োজন কৰা হয়। কৃষিৰ লগত সম্পৰ্ক থকা হেতুকে বিহুক ঋতু উৎসৱ বুলিও ক'ব পাৰি। ঋতু পৰিৱৰ্তনৰ ফলতে পৃথিৱীয়ে এই সময়ছোৱাত নতুন সাজেৰে সজ্জিত হয়। প্ৰকৃতিৰ লগত নিবিড় মানৱৰ আকুল কণ্ঠত ধ্বনিত হোৱা গীত-মাতে পৃথিৱীক উৰ্বৰা কৰি তোলে বুলি আদিম মানুহৰ এটি ধাৰণা হৈছিল।

ব'হাগ বিহুত ধৰ্মীয় অনুলেপন কম। এই বিহুৰ এক মুখ্য অনুষ্ঠান হুঁচৰিতহে কিছুপৰিমাণে ধৰ্মীয় পৰম্পৰা ৰক্ষা পৰিছে। ব'হাগ বিহুৰ আটাইতকৈ উল্লেখনীয় দিশ হ'ল ফুলাম গামোচাখন। ই প্ৰতিজন অসমীয়াৰ বাবে অতি মৰমৰ বস্তু। ব'হাগ বিহু সাতদিনলৈকে চলে।

গৰু বিহুৰ দিনা কৰা গো-পূজা সঁচাকৈয়ে আকৰ্ষণীয়। সিদিনা গৰুক নৈত দলগত ভাৱে গা ধুওৱা হয়, দীঘলতি আদি ৰোগ-প্ৰতিষেধক গছৰ আগ-পাতেৰে গৰুক কোবাই ৰোগ নিৰ্মূল হ'বলৈ প্ৰাৰ্থনা কৰে আৰু লাউ-বেঙেনা আদি খুৱাই ৰবগৰু হ'বলৈ আশীৰ্বাদ দি, আগৰ দিনৰ খেতিৰ প্ৰধান আহিলা গো-লক্ষ্মীক আদৰা হয়। ন পঘাৰে বিহুৱান দি গধূলি থুপা জ্বলাই পোক-পতংগ নিৰ্মূল কৰা হয়। উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলত প্ৰচলিত ভঠেলি উৎসৱ ইয়াৰ আন এটি বিশেষত্ব। ৰব বিহুৰ দিনাখন দুটা মচুৰ ডাইলৰ লগত এটা মহানিমৰ পাত খালে গোটেই বছৰটোৰ বাবে সৰ্প ভয় নাশ হয় বুলি মানুহৰ এটি পুৰণি বিশ্বাস আছে। সাত বিহুৰ দিনা সাতশাক খোৱা ৰীতি বহুজন সমাদৃত। প্ৰকৃততে গোটেই ব'হাগ মাহটোজুৰি বিহুৰ পায়োভৰ দেখা যায়।

প্ৰ. শ. গো.

**।। ৰংকেৰ পূজা ।।**

অসমত বসবাস কৰা জনজাতীয় গোষ্ঠীসমূহৰ ভিতৰত অন্যতম জনগোষ্ঠী হ'ল — কাৰ্বি জনগোষ্ঠী। ৰংকেৰ পূজা কাৰ্বিসকলৰ মূলত এক কৃষিভিত্তিক উৎসৱ বুলি ক'ব পাৰি। এই পূজা কাৰ্বিসকলে সাত ধৰণে পালন কৰে। ইয়াৰ ভিতৰত উল্লেখনীয় তিনিবিধ পূজা হ'ল— থান ৰংকেৰ, আজ' ৰংকেৰ আৰু আৰ্ণাল' ৰংকেৰ। থান ৰংকেৰ পূজা কাৰ্বি সকলে সমূহীয়াভাৱে বছৰত এবাৰ অনুষ্ঠিত কৰে। আজ' ৰংকেৰ পূজাত গাঁৱৰ প্ৰতিটো পৰিয়ালে পদুলিত বেদী সাজি পূজা কৰে। এই পূজা বিশেষভাৱে ৰাতি কৰা হয়। সহজ সৰল এই লোকসকলৰ ভগৱানৰ ওপৰত অগাধ বিশ্বাস। গাঁওখনৰ দুখ-দুৰ্দশা, অপায় অমংগলৰপৰা পৰিত্ৰাণ বিচাৰি সমূহীয়াভাৱে আৰ্নাল' ৰংকেৰ পূজা পালন কৰে। আন চাৰিবিধ পূজা হ'ল - ৰেক ৰংকেৰ, পিৰ্দা ৰংকেৰ, দেংজা ৰংকেৰ আৰু ৱ'ফং ৰংকেৰ। জনবিশ্বাসমতে গাঁৱত কিবা এক ঐন্দ্ৰজালিক শক্তিয়ে গোটেই বছৰ জুৰি নানা আলৈ-আথানি কৰে সেয়ে এই শক্তিৰপৰা পৰিত্ৰাণ বিচাৰি প্ৰকৃতিৰ মাজত থকা দেৱ-দেৱীক তেওঁলোকে এই ৰংকেৰ পূজা কৰে। এই পূজা অপৰিহাৰ্য বস্তুকেইপদ হ'ল— কলপাত, তৰাপাত, তামোল-পাণ, পিঠাগুড়ি ইত্যাদি। পূজাৰ বেদীত হাঁহ, কুকুৰা, পাৰ, ছাগলী আদি বলি দি দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। পূজাৰ আগদিনা গাঁৱৰ বুঢ়াৰ (ছাৰ্থে) ঘৰত সকলো লোক উপস্থিত হৈ পূজাৰ যা-যোগাৰ কৰে। এই পূজাৰ যাৱতীয় কাম-কাজৰ বাবে গাঁৱৰ গাঁওবুঢ়াই ডেকাচামৰ পৰা প্ৰতিনিধি বাচি দি দল গঠন কৰি দিয়ে। পূজাৰ সময়ছোৱাত সকলোৱে মিলি একেলগে ভোজ-ভাত খাই ৰং-ৰহইছ কৰে। অৱশেষত পাতত ৰোৱা আহাৰখিনি একেলগে থুপ কৰি তাৰ ওপৰত খেৰৰ মুঠা যোগ চিনৰ দৰে দি তাৰপিছত চাৰিজনে ওপৰলৈ তুলি ধৰি ভাঙি পেলায়। এই সময়ছোৱাত বৰষুণ আহিল বৰষুণ আহিল বুলি ইজনে সিজনৰ গালৈ পানী ছটিয়াই দিয়ে। এনেদৰেই খেতিৰ বাবে বৰষুণৰ কামনা কৰি কাৰ্বিসকলে এই ৰংকেৰ পূজাৰ আয়োজন কৰে।

(অসমীয়া প্ৰতিদিনৰ এনাজৰীৰ আধাৰত যুগুতোৱা)

ম.কু.দা.

**।। ৰংদানী আৰু মায়তাৰী ৰাভা ।।**

ৰাভাসকলে তেওঁলোকৰ উপাস্যদেৱী খোক্‌চি বা বায়খো পূজাৰ শুভাৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত পূজাৰ কাম যাতে নিয়াৰিকৈ চলে, তাৰ বাবে তেওঁলোকে কামৰ দায়িত্ব ভাগ ভাগ কৰি লৈছিল। যেনে, খোকচি দেৱীৰ পূজাত থাপনা স্থাপন আৰু মানুহ বহিবলৈ পাহাৰৰপৰা শিল কঢ়িয়াই অনাৰ দায়িত্ব দিয়া লোকসকলক নাম দিয়া হ'ল ৰংদান (ৰং = শিল, দান = কঢ়িয়াই অনা)। কালক্ৰমত 'ৰংদানে, ৰংদানী খেললৈ ৰূপান্তৰিত হ'ল। পূজাত সমূহীয়া ভোজনৰ দায়িত্বত থকা লোকসকলে নাম পালে -

মায়তাৰী (মায় = ভাত, তাৰী = যোগান ধৰা)। এনেদৰে ৰাভাসকলৰ মাজত বিভিন্ন খেলৰ সৃষ্টি হ'ল। খেলসমূহ হ'ল - ১। ৰংদানী, ২। মায়তাৰী, ৩। দাহৰী, ৪।পাতি, ৫। হানা, ৬। মদাহী, ৭।টোটলা, ৮। বিতলীয়া আৰু ৯। কোচা। মায়তাৰী ৰাভাসকল আজি কালি মেঘালয়ৰ গাৰোপাহাৰ জিলাৰ টিক্ৰিকিল্লা, পাহাম, ফুলবাৰী প্ৰভৃতি অঞ্চলত বসবাস কৰে। ৰংদানী ৰাভাসকল বাস কৰে - অবিভক্ত গোৱালপাৰাৰ দুধনৈৰপৰা লক্ষীপুৰলৈ আৰু গাৰোপাহাৰ জিলাৰ উত্তৰৰ এটি বৃহৎ অংশত। ৰাভাসকলৰ জাতীয় বৈশিষ্ট্য অক্ষুণ্ণ ৰখাত ৰংদানী আৰু মায়তাৰীসকলৰ অবদান ভালেখিনি। এই খেল দুটাই নিজৰ গোত্ৰক বাৰায় বোলে। তদুপৰি এওঁলোকৰ আদিম বাসস্থানৰ প্ৰতীকৰূপে 'হাচু' (পাহাৰ), 'চিক্-ঝৰা' (নৈ-নিজৰা) প্ৰভৃতিৰ পৰিচয়ো পোৱা যায়। এইবোৰক কোৱা হয় - 'ছৰি'। ৰংদানী-মায়তাৰীসকলৰ বিভিন্ন বাৰায়ৰ পাঁচটা প্ৰধান হ'ল - বাৰায়বোৰৰ সৈতে সংগতি ৰাখি হাচুৰ নাম ৩৯ টালৈ আৰু চিকা-ঝৰাৰ নাম ২৯ টালৈ সম্প্ৰসাৰণ ঘটোৱা হৈছে। ৰংদানী আৰু মায়তাৰীসকলৰ খোকচি, বাযখো, হাচং, গ্ৰিমবুদা আদি পূজা উপলক্ষে গোৱা ভালেসংখ্যক গীত পদ পোৱা যায়। ৰংদানি ৰাভাসকলৰ ফাৰকান্তিৰ (আদ্য শ্ৰাদ্ধ) গীতবোৰ জনপ্ৰিয়। এওঁলোকৰ হাচং বা বাস্তুদেৱতাৰ পূজাত গোৱা গীতবোৰো সৌন্দৰ্য বিবৰ্জিত নহয়। এফাকি উদাহৰণ ঃ

'ফই মাছি ফই মায়, উই-উই-উই,

বান্চে, শকচে ওয়ে ওয়ে ওয়ে।' (আহা শস্য, আহা ধন, এখনি কুলা নাইবা এটি খাং ভৰ্তি কৰি আহা')। দুয়োটি খেলৰ মাজত প্ৰচলিত অগ্নি পূজাৰ আৰাধনাৰ গীতসমূহো পৰিমৰা বিধৰ নহয়। এটিৰ অসমীয়া ভাঙনি ঃ 'হে অগনি দেৱী! মাতৃ স্বৰূপিণী, আমি প্ৰাচীন আচাৰ-নীতি সাৰোগত কৰি পৱিত্ৰ ঘিলা গুটিৰে মিহলি পৰিষ্কাৰ পানীৰে স্নান কৰি আহিছোঁ।' (ৰাজেন ৰাভাৰ অনুবাদ)।

না. দা.

।। ৰংদানী ৰাভাৰ ফাৰকান্তিৰ গীত ।।

ৰাভাসকলে জন্মান্তৰবাদ বিশ্বাসী। ৰংদানী ৰাভাসকলে মৃত্যুৰ পিছত পোনপটীয়াকৈ মানুহ জন্ম পাবলৈ কামনা কৰে। সেয়ে মৃতকৰ ফাৰকান্তিৰ (আদ্যশ্ৰাদ্ধ) দিনা মৃতকৰ আত্মাক সম্বোধন কৰি আত্মীয় কুটুম্বসকলে কৰুণ সুৰে গীত গায়। গীতৰ কিছু অংশ তলত তুলি দিয়া হ'ল—

ফেনছ্য় নাং নেম্কায় ৰাভানি নুকি জনম বাখু/পানকাং- ছাম জনম তাৰাখু ফাৰি বাৰ ছয় ছানো/ তো হাংছিং জনম তাৰাখু কায়তাং থতকায় ছানো/মাছু মিছি জনম তাৰাখু কায়তাং হাল বায়নো/ চোং কাংকু জনম তাৰাখু তো বিজান ছানো/

(সৰলাৰ্থ ঃ পুনঃ তুমি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিবা গছ-গছনি ঘাঁহ বন হৈ জন্ম নলবা/বনৰ জুয়ে পুৰি মাৰিব/হাঁহ-কুকুৰা হৈ জন্ম নল'বা/মানুহে মাৰি খাব/গৰু-ম'হ হৈ জন্ম গ্ৰহণ নকৰিবা/মানুহে হাল বাব/পোক-পৰুৱা হৈও জন্মলাভ নকৰিবা/চৰাইবোৰে খাব।)

উ.ৰা.হা.

**।। ৰংদানী ৰাভাৰ বিবাহ পদ্ধতি ।।**

ৰাভা জনজাতিৰ অন্যতম ৰংদানী ৰাভাসকলৰ বিবাহ পদ্ধতিত নতুন দিনৰ বোল লাগিলেও একে বাৰায় বা হীসুগ অথবা একে হুৰৰ মাজত বিবাহ হোৱাটো নিষিদ্ধ। বৰ্তমানে তেওঁলোকৰ মাজত চাৰিপ্ৰকাৰ বিবাহ প্ৰচলিত। সেই কেইবিধ হ'ল ক.বৰি বি'কায়, খ. ক্ৰাংচিবৰি, গ. বৰি ছেকায় আৰু ঘ. নোক ধাংকায়। ক. বৰি বি'কায় - এই প্ৰথা পুৰণি কালৰেপৰা চলি অহা। কাৰোবাৰ ছোৱালী পছন্দ হ'লে দৰাপক্ষই যিকোনো উপায়ে ছোৱালীজনীৰ মূৰত মিঠাতেল ঢালি কপালত সিন্দূৰৰ ফোঁট দিবলৈ যত্ন কৰে। বিয়াত সোমাব নোখোজা কন্যাই সহজতে তেল -সিন্দূৰ নলয়। ছল-বল-আৰু কৌশল প্ৰয়োগ কৰি কিবা প্ৰকাৰে কন্যাৰ গাত তেল ঢালি ফোঁট দিব পাৰিলে ছোৱালীজনীক আৰু মাক-বাপেকে কোনো পধ্যেই নিদিও বুলিব নোৱাৰে। বৰঞ্চ দৰাপক্ষৰ লগ লাগি জোঙা মদহে খাবলৈ বাধ্য হয়। মদখোৱাৰ পিছত সূতাবান্ধা বা চিতাবুন্দা পৰ্বৰ শেষ কৰি বিয়াৰ দিন ঠিক কৰি পেলায়। বৰ্তমানে অৱশ্যে এই প্ৰথাৰ শিথিলকৰণ কৰা দেখা যায়। খ. ক্ৰাংচিবৰি বিয়া - দৰা-কন্যা উভয়ৰে পছন্দ হ'লে দুই পক্ষৰে মাক-দেউতাক লগ লাগি আলোচনা মৰ্মে যি বিয়া অনুষ্ঠিত কৰে সেয়ে ক্ৰাংচিবৰি বিয়া। বিয়াৰ তাৰিখ ল'বৰ দিনাই মূৰত তেল ঢলা আৰু কপালত সিন্দূৰ দিয়া মাংগলিক কাৰ্য সুসম্পন্ন হয়। গ. বৰি ছেকায় - দৰাপক্ষই কন্যা পছন্দ হ'লে কন্যাৰ মাক-বাপেকৰ লগত যোগাযোগ কৰি কন্যাৰ মত দিয়াৰ পিছত তেল সিন্দূৰ দি পতা বিয়াই বৰি ছেকায়। এই বিয়াত কন্যাৰ বাপেকক অলপ ধন দিয়াৰ উপৰি কন্যাকো বু'ফান ছাক্কায় (ৰঙা পাতানি), ছান (খাৰু), বোলা নাম ব্ৰি (কাণফুলি আৰু নাকচাকি ) আগবঢ়াব লাগে। এই বিয়াত ৰাইজক আমিষ (গাহৰি) ভোজন আগবঢ়োৱাৰ উপৰি যথেষ্ট পৰিমানৰ মদো আগবঢ়াব লাগে। ঘ. নোক ধাংকায় বিবাহ-ঘৰ-জোঁৱাই কৰি ৰখা বিয়াই নোক ধাংকায়ৰ মূল কথা। এই বিয়াত দৰা গৈ কন্যাঘৰত উপস্থিত হোৱাৰ পিছত দুটা কুকুৰাৰ ডিঙি চিঙি মাটিত পেলোৱা নিয়ম। মূৰ দুটা একে ঠাইত পৰিলে বিবাহিত জীৱন সুখৰ হয়। বিয়াৰ শেষত দৰা কন্যাই ৰাইজৰ ওচৰত আঁঠু লয়। ৰাইজে আশীৰ্বাদ দিয়ে। শিক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে আনৰ দৰে ৰংদানী ৰাভাসকলৰ বিবাহ পদ্ধতিতো চকুত লগাকৈ পৰিৱৰ্তন আহাটো উল্লেখযোগ্য।

প্ৰ.দ

**।। ৰংদানি ৰাভাসকলৰ হাছুংপূজাৰ গীত ।।**

ৰংদানি ৰাভাসকলে তেওঁলোকৰ প্ৰাচীন বীৰাংগনা ছিছোৰাক খোক্‌চি পূজাত মুখ্য দেৱী ৰূপে আৰোপ কৰিলেও বৰ্তমান কোনো কোনো অঞ্চলৰ ৰংদানি ৰাভাসকলৰ খোক্‌চি পূজাৰ সলনি হাছুং বা বাস্তুদেৱতাৰহে পূজা কৰে। কিছুমান হাছুংক দেৱী মহামায়া হিচাপেও গণ্য কৰে। এই পূজাৰ সময়ত সামূহিকভাৱে আৰাধনা কৰি গোৱা গীতৰ এফাঁকি উল্লেখ কৰা হ'ল—

ফই মাছি, ফই মায়, উই-উই-উই /বান্‌ছে খোক্‌ছে ওয়ে ওয়ে ওয়ে।

(সৰলাৰ্থ ঃ আহা কণীধান, ধান আমাৰ ঘৰলৈ আহা কুলাই কুলাই আহা, হোৰাই হোৰাই আহা।)

উ.ৰা.হা.

**।। ৰজা ঘৰীয়া চালিনাচ ।।**

আহোম ৰাজসভাত প্ৰদৰ্শিত চালিনাচ, ৰজাঘৰীয়া চালি নাচ ৰূপে জনাজাত। এই নাচ দেখুৱাই কমলাবাৰী সত্ৰৰ বিখ্যাত সংগীতজ্ঞ বাপিৰাম ওজা আতৈয়ে স্বৰ্গদেৱ কন্দৰ্পেশ্বৰ সিংহৰপৰা এখনি প্ৰশংসাৰ পত্ৰ, কুহমফুলীয়া পাগুৰি আৰু দুই-এপদ সম্পদ লাভৰ সংবাদ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাত বিবৃত হৈছে। শুদ্ধ চালি নাচ আৰু ৰজাঘৰীয়া চালি নাচৰ পোচাক-পৰিচ্ছদৰ একো পাৰ্থক্য নাই। অৱশ্যে আন কেইটামান ক্ষেত্ৰত দুয়োবিধ নাচৰ কেইটামান পাৰ্থক্য বিশেষজ্ঞসকলে লক্ষ্য কৰিছে। যেনে · ক. চালিনাচ ৮ খন কিন্তু ৰজাঘৰীয়া চালি নাচৰ সংখ্যা - ৪। খ. চালিনাচৰ গীত ধৰোঁতে বাদ্যখিনি গীতৰ মাজৰপৰা তালৰ হিচাপ ধৰি (পুৰণি মতে পাঁচ চাপৰ) বজোৱা হয়, কিন্তু ৰজাঘৰীয়া চালিনাচত নাচ-গানৰ আৰম্ভণিৰেপৰা গীত, বাজনা আৰু নাচ চলি থাকি একেলগে শেষ হয়। গ. চালিনাচৰ বোল হ'ল ধে (ধেই), দাওঁ, খিত আদি কিন্তু ৰজাঘৰীয়া চালিনাচৰ বোল হ'ল - ঘে তিন দাং আদি। ঘ চালিনাচত নটুৱাই গীতৰ ঘাত পৰাৰ লগে লগেহে নৃত্য আৰম্ভ কৰে - তাৰ পূৰ্বে হাত দি ভৰিৰে তাল ৰাখি থাকে; আনহাতে ৰজাঘৰীয়া চালিনাচত গা-মানতো নৃত্য বৰ্তমান। ঙ. ৰজাঘৰীয়া চালিনাচৰ গীত বন্ধা ৰাগতহে গায়, শুদ্ধ চালিৰ দৰে মেলা ৰাগত নাগায়।

ড° মহেশ্বৰ নেওগে লিখিছে - 'ৰজাৰ দিনত ৰাজ চ'ৰাত ৰজাঘৰীয়া নাচ হৈছিল। আজিকালি নৈমিত্তিক প্ৰসংগত চালিনাচৰ দৰে এই নাচ হয় - আবেলি বেলা।'

না.দা.

**।। ৰবাব ।।**

মহাপুৰুষ মাধৱদেৱ - উল্লিখিত ৰবাব (ৰুদ্ৰক বিলাস বিপঞ্চি ৰবাব শাৰোদ স্বৰমণ্ডলে) শব্দটো আৰবী ৰবাব শব্দৰপৰা অহা। তত বাদ্যৰ অন্তৰ্গত এইবাদ্য খোলৰ

কাঠেৰে নিৰ্মিত। ইয়াৰ কঁকালত এটা ভাঁজ থাকে। ধ্বনিৰ গুঞ্জন হোৱা স্থান ভাগ পাতল চামৰাৰে আবৃত। আঙুলি বুলোৱা ঠাইডোখৰত এচলা পাতল কাঠ থাকে। চামৰা আবৃত অংশৰ ওপৰেদি ছডাল জন্তুৰ নাড়ীৰে তৈয়াৰী তন্ত্ৰী আনি আনটো মূৰৰ খুঁটিত সংযোগ কৰা হয়। এই ছডাল মুখ তন্ত্ৰীৰ উপৰি বাদ্যটোত আন এঘাৰডাল উপতন্ত্ৰীয়ে তৰবৰ কাম কৰে। পদাৰ্থহীন ৰবাব বাদ্যটোৰ দন্দিৰ ফালে তিনিডাল তাঁৰৰ বান্ধোন এটা দেখা যায়। সমীক্ষকসকলৰ মতে, উত্তৰ ভাৰতত এইবিধ বাদ্য প্ৰায় পাঁচশ বছৰ কাল ব্যাপি ব্যৱহৃত হৈ আহিছে। কবিৰ দাস আৰু কৃষ্ণ দাসৰ ৰচনাত এই বাদ্যৰ উল্লেখ পোৱা যায়, আইন-ই-আকবৰীত জন্তুৰ নাড়ীৰে তৈয়াৰ কৰা বাৰ আৰু ওঠৰ ডাল তন্ত্ৰীযুক্ত তিনিপ্ৰকাৰৰ ৰবাব যন্ত্ৰৰ উল্লেখ কৰিছে। সংগীত পাৰিজাত শীৰ্ষক গ্ৰন্থত যন্ত্ৰটোৰ সবিশেষ দিয়াৰ লগতে সংস্কৃত ৰব শব্দৰপৰা উদ্ভৱ হোৱা বুলিও সদৰি কৰিবলৈ পাহৰা নাই। চৰিত পুথিত শংকৰদেৱৰ শিষ্য এগৰাকীয়ে ৰবাব বাদ্য বজাই বৰগীত পৰিৱেশন কৰা কথা গুৰুচৰিতত পোৱা যায়। কাশ্মীৰত এই বিধবাদ্যৰ বহুল প্ৰয়োগ চকুত পৰা।

(বি. চৈতন্যদেৱৰ ভাৰতীয় বাদ্য যন্ত্ৰৰ আধাৰত যুগুতোৱা।)

না.দা.

**।। ৰমজান আৰু ৰোজা ।।**

ইছলাম ধৰ্মৰ পাঁচটা ভেটিৰ ভিতৰত ৰোজাও এটা। ৰাতিপুৱাৰপৰা সন্ধ্যা পৰ্যন্ত উপবাসৰ নিয়ত কৰি পানাহাৰ বা খোৱা-বোৱা, সংগম আৰু যাৱতীয় ইন্দ্ৰিয় তৃপ্তিকৰ কাৰ্যৰপৰা বিৰত থকাকেই ৰোজা বোলা হয়। ৰোজা মানে বিৰত থকা বা সংযম কৰা। ৰোজা ৰাখিবলৈ হ'লে শেষ ৰাতি সোবেহ ছাদেকৰ (দোকমোকালি) আগতে পানাহাৰ কৰি ৰোজাৰ নিয়ত কৰিব লাগে। ৰোজা খোদাক পোৱাৰ আধা পথ। ৰোজা সকলোৰে কৰ্তব্য।

উৎপত্তি ঃ বছৰটোৰ সকলোবোৰ মাহতকৈ ৰমজান শ্বৰিফ অতি উত্তম। ৰমজান মাহৰ এটা ৰাতিৰ মূল্য এহেজাৰ মাহতকৈও অধিক। ই আয়-বৰকত আৰু ফজিলতৰ মাহ। সকলো মাহতকৈ এই মাহৰ মৰ্যাদা অধিক। এই মাহত আল্লাহৰ খাছ ৰহমত নাজিল (অৱতীৰ্ণ) হয়। গুনাহ মাফ হয় আৰু প্ৰাৰ্থনা কবুল (গৃহীত) হয়। এই মাহত দোজখৰ (নৰকৰ) দুৱাৰ বন্ধ থাকে আৰু বেহেস্তৰ দুৱাৰ খোলা থাকে। শয়তান সকলক বন্ধ কৰি ৰখা হয়। ৰোজা চাৰি প্ৰকাৰৰ - ফৰজ, ওৱাজেব, নফল আৰু মকৰূহ। ৰমজান শৰীফৰ ৰোজা আৰু ইয়াৰ কাজা আৰু কাফফাৰাৰ ৰোজা হ'ল ফৰজ ৰোজা। নিৰ্দিষ্ট বা অনিৰ্দিষ্ট মানত কৰি ৰখা হ'ল ওৱাজেব ৰোজা। মহৰমৰ চান্দৰ দহ ৰোজা, আইয়াম বিজেৰ (প্ৰতি চান্দৰ ১৩/১৪/১৫ তাৰিখৰ) ৰোজা, ছাৱাল চান্দৰ ৬ টা ৰোজা (জেলহাজ চান্দৰ ৯ তাৰিখ)। আৰফাৰ ৰোজা আদি নফল ৰোজা। নিষিদ্ধ দিনত ৰখা

ৰোজা, দুই ঈদৰ দিনা ৰখা ৰোজা আৰু (আইয়াম তাশৰিকে) ৰোজা ৰাখা আদি তাহৰিমী (হাৰাম) ৰোজা, কেৱল শুকুৰবাৰে নাইবা একদিনকৈ ৰোজা ৰাখা বা ৰোজা ৰাখি কোনো সৎ কাম নকৰাকৈ বহি থকা ৰোজাক বৈধ (তানজিহি) ৰোজা কোৱা হয়। নিজে ৰোজা ৰাখি উপলব্ধি কৰিব পাৰি - দুবেলা দুমুঠি খাবলৈ নোপোৱা গৰীব দুখীয়াৰ কথা। তেতিয়াই তেওঁলোকৰ দুখ মোচন কৰিবলৈ মন ধাৱিত হয়। পাপ কাম ত্যাগ কৰি উত্তম চৰিত্ৰ গঠন কৰিবলৈ ৰোজা এটা অতি উত্তম ব্যৱস্থা।

প. আ.

**।। ৰহঢলা পুখুৰী-১ ।।**

পুৰণি ৰংপুৰৰ ৰজা দিনীয়া গৌৰীসাগৰ, জয়সাগৰ, শিৱসাগৰ প্ৰভৃতি সুবৃহৎ পুখুৰীবোৰৰ চাৰিও দিশৰ দ ঠাইৰ পানীবোৰ খৰালি কালত শুকাই গ'লেও উক্ত পুখুৰীবোৰৰ পানীৰ উচ্চতা সাধাৰণতে পাৰৰ সমানে চপচপীয়া হৈ থাকে। ইয়াৰ কাৰণ ঃ সেই পুখুৰীবোৰ খন্দাৰ পূৰ্বে দৰৱধৰা বৰুৱা, মাটিচেলেকা বৰুৱা আৰু ৰসেন্দ্ৰ বৰুৱাই পানী থকা ঠাই নিৰ্বাচন কৰি পুখুৰী খান্দি তাৰ তলি ফুটাই তামৰ চুঙাত জোখ মতে ৰহ ঢালি কাঠৰ নাগমাৰি পুতিছিল। ৰহ শব্দটো আহিছে সংস্কৃত ৰস শব্দৰপৰা। ৰস শব্দই এই ক্ষেত্ৰত পাৰাক বুজায়। যিবোৰ পুখুৰীত ৰহ ঢালিছিল, সেইবোৰ পুখুৰীৰ পানী সদায় নিৰ্মল হৈ থাকে; দল-পিত আদিও বৰকৈ নগজে। ৰহঢলা পুখুৰীৰ পানী উচ্চতা সদায় প্ৰায় সমানে থকাটো উল্লেখযোগ্য। পুৰণি অসমত বেল গছৰ পাতৰপৰা বিশেষ উপায়েৰে পাৰা বা ৰহ প্ৰস্তুত কৰাৰ সংবাদ ভুবনচন্দ্ৰ সন্দিকৈদেৱে সদৰি কৰিছে। মধ্যযুগত ৰজাদিনীয়া পুখুৰীবোৰত ৰহ ঢালিবলৈ আৰু সেই ৰস প্ৰস্তুত কৰিবলৈ এখেল মানুহেই আছিল। সেই খেলৰ মুখিয়ালজন ৰসেন্দ্ৰ বৰুৱা নামেৰে পৰিচিত হৈছিল। ৰহঢলা পুখুৰীবোৰ আহোম যুগৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সুন্দৰ নিদৰ্শন বুলিব পাৰি।

(উৎস ঃ হিতেশ্বৰ বৰবৰুৱাৰ আহোমৰ দিন)

না.দা.

**।। ৰহঢলা পুখুৰী-২ ।।**

অধুনা গোলাঘাট আৰু শিৱসাগৰ জিলাত আজিও একাধিক ৰহঢলা পুখুৰী দেখা যায়। শিৱসাগৰ জিলাত জয়সাগৰ, মেচাগড়, ৰাজমাও আৰু ৰহঢলা পুখুৰী ওচৰা ওচৰি। ড° হেমেন্দ্ৰনাথ দত্তই তেওঁৰ অপ্ৰকাশিত গৱেষণা গ্ৰন্থ আৰ্ট এণ্ড আৰ্কিঅ'লজি অব দ্য দৈয়াং ধনশিৰি ভেলি অব আচামত এটা নতুন সূত্ৰ আগবঢ়াইছে ৰহ বা ৰস শব্দই দৰাচলতে অপৰিশোধিত জুলীয়া লো বুজায়। ঢেকিয়ালৰ ৰহঢলা পথাৰ, বন্ধ পথাৰ আৰু নামনি ধনশিৰি উপত্যকাৰ বিস্তীৰ্ণ অঞ্চলত বহু পৰিমাণে অপৰিশোধিত লো দেখিবলৈ পোৱা যায়। বিগত কালত এচাম লোকে সেই লো সংগ্ৰহ কৰি মাটিৰ কলহত সিবোৰ গলাই

ৰহঢলা পুখুৰীত ঢালি বিশেষ পদ্ধতিৰে উন্নত মানৰ লো উলিয়াই তাৰদ্বাৰা অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰি লৈছিল। আহোমৰ আমোলত ৰহঢালি প্ৰস্তুত কৰা লো শিল্পই ৰাজ পৃষ্ঠপোষকতা লাভৰ সুযোগ পাইছিল। 'ৰসেন্দ্ৰ বৰুৱা'ৰ উপাধিয়ে তাৰ সাক্ষী।

না.দা.

।। ৰাচেং।।

বৰ অসমত বসবাস কৰা ভালেকেইটা জনজাতিৰ মাজত ডেকা চাঙৰ লগতে গাভৰু চাঙো দেখা যায়। অৰুণাচল প্ৰদেশৰ আদিসকলৰ (পাদাম, গালং, মিএং আদিৰ) মাজত থকা গাভৰু চাঙক ৰাচেং মিনাঙোল ডেৰে, মিলাঙে ডাপটেক বৰি আৰু আচিঙে ব্যাংগ ৰূপে জনা জায়। দিনৰ দিনটো মাক-বাপেকৰ সৈতে কাম-বন কৰাৰ পিছত ছোৱালীবোৰে নিজা নিজা গাভৰু চাঙলৈ আহি ৰাতিটো তাতে কটায়। সাধাৰণতে দহ-বছৰীয়া ছোৱালীবোৰ ৰাচেঙত ভৰ্তি হৈ বিয়া নোহোৱালৈকে তাতে কটায়। গাভৰু চাঙত গাভৰুহঁতে বিভিন্ন নৃত্য-গীতৰ উপৰি সূতাকটাকে প্ৰমুখ্যে দৈনন্দিন জীৱনত প্ৰয়োগ হোৱা বিভিন্ন বিদ্যা আৰ্জনৰ সুযোগ পায়। ডেকা চাঙৰ সৌমাজতেই অৱস্থিত কেইখনমান জুহালেৰে সৈতে গাভৰু চাং বা ৰাচেং বিভিন্ন মচুপৰ ডেকাহঁতে পৰিদৰ্শন কৰাৰ সুযোগ পায়। ইয়াৰ মাজেদিয়ে ডেকা-গাভৰুৰ অন্তৰত প্ৰণয়ে গজালি মেলে। ডেকা-গাভৰুৰ মত অভিভাৱকৰদ্বাৰা গ্ৰহণযোগ্য হ'লে ডেকাই গাভৰুজনীৰ ঘৰলৈ যোৱাত কোনোৱে বাধা আৰোপ নকৰে আৰু প্ৰাক্-বিবাহ কালতে ৰাচেঙত দুয়ো ৰাতি থকাৰ স্বাধীনতা পায়।

(অসম সাহিত্য সভা পত্ৰিকাৰ ত্ৰিংশ বৰ্ষৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত লোকেশ্বৰ গগৈৰ জনজাতিসকলৰ ডেকা চাং অনুষ্ঠান প্ৰবন্ধৰ আধাৰত যুগুতোৱা)।

না. দা.

।। ৰান্ধনিশাল ।।

বৰঘৰ, চ'ৰাঘৰ, গোসাঁই ঘৰ, মাৰল ঘৰ আদিৰ দৰেই ৰান্ধনিঘৰ বা ৰান্ধনিশাল অসমীয়া মানুহে সুকীয়াকৈ সজা দেখা যায়। ৰান্ধনিঘৰৰ ধোঁৱাই যাতে অইন ঘৰ লেতেৰা কৰিব নোৱাৰে আৰু সহজতে ধোঁৱা বাহিৰলৈ ওলাই যাব পাৰে তাৰ প্ৰতি লক্ষ্য কৰিয়েই সাধাৰণতে চ'ৰাঘৰ, বৰঘৰৰ পৰা কিছু আঁতৰত ৰান্ধনিশাল সজা দেখা যায়। সময় পৰিবৰ্তনৰ লগে লগে ৰান্ধনিশাল বৰঘৰৰ কাষ চাপি আহিল। অকল ইমানেই নহয় বৰঘৰৰ ভিতৰখনলৈকে সোমাই পৰিল। ৰন্ধন কৌশলৰ ন-ন আৱিষ্কাৰে পুৰণি ৰান্ধনিশালৰো পৰিবৰ্তন আনিলে। সম্প্ৰতি খোৱা ঘৰ আৰু ৰন্ধা ঘৰ বেলেগ হোৱাৰ লগতে, কেতিয়াবা খোৱা ঘৰ বহা ঘৰৰ লগতেও কৰা দেখা যায়।

পুৰণি কালৰেপৰা অসমীয়া মানুহে ৰান্ধনিশালক গোসাঁই ঘৰৰ দৰেই পবিত্ৰ জ্ঞান

কৰে। আনকি বিহু, পূজা, দীপাৱলী আদিত চাকি জ্বলোৱা দেখা যায়। সেইদৰে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য কৰিয়েই হয়তো ৰান্ধনি শাললৈ বাহী গা বা মাহেকীয়া ঋতুৰ পাঁচদিন পৰ্যন্ত বা অশুচি গা বা জোতা-মোজাৰে সোমোৱা নিষেধ। ঠাই বিশেষে ন-কইনা বিয়া হৈ ঘৰলৈ আহিলেই পাকঘৰ বা ৰান্ধনিশাল দেখুওৱা এটি পৰম্পৰা প্ৰচলিত আছে। আগতে ৰান্ধনিশালৰ মজিয়া কেঁচাকৈ ৰখাৰ নি য়ম আছিল। গোটেই মজিয়াখন নহ'লেও জুহালৰ ঠাইখিনি কেঁচাকৈ ৰাখিছিল। কিন্তু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে ৰান্ধনিশালৰ মজিয়া পকাৰে পূৰ্ণ হৈ পৰিল। বিশেষকৈ অসমীয়া মানুহে জুহাল বা চৌকা (বৰ্তমান গেচ, ষ্টোভ আদি) পুব বা উত্তৰ মুৱা কৈ সজা দেখা যায়। চৌকাৰ ওপৰত চাং বা চাল পতাও দেখা যায়। চৌকাৰ ছাই সাধাৰণতে মঙ্গলবাৰ, শনিবাৰ আৰু ৰাতি নেপেলায়। খৰি চৌকাৰ ঠাই গেছ, ষ্টোভে লোৱাত তেনেধৰণৰ ৰীতি সম্প্ৰতি দেখা নাযায়। বিহু সংক্ৰান্তিত, অম্বুবাচী, আত্মীয়ৰ জন্ম-মৃত্যুৰ অশৌচ লাগিলে চৰু-কেৰাহি আদি ধোৱাৰ লগতে পুৰি পেলোৱাও হয়।

অসমীয়া মানুহৰ ৰান্ধনিশাল আজিও কাঁহ-পিতলেৰে তৈয়াৰী কাঁহী-বাটি-ঘটি-গিলাচ, বান-বাটি, চৰিয়া, লোটা, কলহ, বটাৰে পৰিপূৰ্ণ। সেইদৰে শিলৰ পটাৰ লগতে পটাগুটি; মৈদা-কটাৰী, বাঁহৰ খৰাহি, কুলা, ডলা, চালনী আদিও ৰান্ধনিশালৰ এচুকত ৰখা হয়। সেইদৰে এটা চুকত বাঢ়নী এডালো ৰখা হয়। তদুপৰি ৰান্ধনিঘৰত পিন্ধিবলৈ এযোৰ ৰঙীন কাপোৰ আছুতীয়াকৈ ৰখা নিয়ম। বহিবৰ বাবে পীৰাও দুই-চাৰিখন ৰখা হয়। সাধাৰণতে আঢ্যৱন্ত ঘৰৰ গৃহস্থক বৰ পীৰা পাৰি কাঁহৰ -বাতিতে খাবলৈ দিয়া হৈছিল। লগতে এলোটা পানীৰে মুখ ধুবলৈ চৰিয়া এটিও দিছিল। অসমীয়া ৰান্ধনিশালত খৰিচা, কলাখাৰ, আঠিয়া কলৰ শুকান বাকলি, শুকান থেকেৰা টেঙা, আমৰ সুঠি, খাৰলি, পিঠাগুড়ি, চিৰা-আখৈ-সান্দহ-পিঠা, নাৰিকলৰ লাৰু-চিৰা, কোমল চাউল, দৈ পঁইতা ভাত আদি সকলো পোৱা যায়। শাক, টেঙাৰ জোল, খাৰ, মাটি মাহৰ লগত ঔ টেঙা, হাঁহ, পাৰৰ মাংস, শুকান মাছ, গৰৈ মাছৰ পিটিকা, আলু পোৰা, হেলেচি-বাহ্‌কা তিওঁ আদি বিবিধ ব্যঞ্জনেই সাধাৰণতে অসমীয়া আখলত বন্ধা হয়। ৰন্ধন কৌশলৰ পৰিবৰ্তনৰ বাবেই পৰিৱেশন পদ্ধতি আৰু পৰিবেশিত সামগ্ৰীৰ কিছু সালসলনি ঘটা দেখা যায়। অসমীয়া সমাজত প্ৰাচীন কালৰে পৰা ভোজনৰ শেষত তামোল খাই মুখশুদ্ধি কৰাৰ প্ৰথা চলি আহিছে। অসমীয়া ৰন্ধন প্ৰণালী প্ৰাচীন কালৰে পৰা অতি জনপ্ৰিয়। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে ন-ন- খাদ্য সম্ভাৰ অসমীয়া ৰন্ধন প্ৰকৰণত সোমাই পৰিল। মুঠতে মানুহৰ চিন্তাধাৰাৰ পৰিবৰ্তন লগে লগেই ৰান্ধনিশালৰো পৰিবৰ্তন হ'বলৈ ধৰিলে।

ক.আ.

**।। ৰাভা মহিলাৰ আ-অলংকাৰ ।।**

অলংকাৰে নাৰীৰ শোভাবৰ্ধন কৰে। ৰাভা তিৰোতাসকল অলংকাৰ প্ৰিয়। তেওঁলোক এক মুহূৰ্তও অলংকাৰ বিহীন হৈ থাকিব নোখোজে। তলত ৰাভা তিৰোতাসকলৰ নিত্য ব্যৱহাৰ্য অলংকাৰাদিৰ উল্লেখ কৰা হ'ল ঃ

১) নামব্ৰি- এভৰি ওজনৰ সোণ বা ৰূপৰ অলংকাৰ। ইয়াক কাণৰ লতিত পিন্ধে. ২) বোলা নামবি-ইয়াক দুয়োখন কাণৰ ওপৰৰ অংশত পিন্ধে। ই সোণ বা ৰূপেৰে নিৰ্মিত, ৩) নাকাপতি -এসিকি ওজনৰ সোণ বা ৰূপেৰে নিৰ্মিত। ইয়াক নাকত পিন্ধে, ৪) ছান-সোণ, ৰূপ বা তামেৰে নিৰ্মিত এবিধ গোটা খাৰু। ইয়াক 'চান্দাপ বকক' বুলিও কয় ৫) খুছু মাক্ৰং -ই ৯/১০ ইঞ্চি দীঘল লোৰ শলা। ইয়াক চুলিৰ খোপাত গুজি লয়, ৬) বালি-সোণ বা ৰূপেৰে নিৰ্মিত। নাকৰ তলৰ অংশত পিন্ধা অলংকাৰ, ৭) চন্দ্ৰহাৰ ব চন্দ্ৰমুখী হাৰ - ই ৰূপেৰে নিৰ্মিত, ইয়াক ডিঙিত পিন্ধা হয়, ৮) হাচা- ই গোটা ৰূপেৰে নিৰ্মিত। ইয়াকো ডিঙিত পিন্ধা হয়। ইয়াক 'হিংচিল' বুলিও কোৱা হয়, ৯) হাত- বাজু -ই ৰূপেৰে নিৰ্মিত। ইয়াক খাৰুৰ লগত পিন্ধা হয়, ১০) কাটা বাজু -ইয়ো ৰূপেৰে নিৰ্মিত ইয়াক বাহুত পিন্ধা হয়, ১১) জিঞ্জিৰি- সোণেৰে নিৰ্মিত। ইয়াক ডিঙিত পিন্ধা হয়, ১২) সিকি ন, ছুকিযা-আধলি বা সিকিত আকোৰা (তেৰীয়া) লগাই তাক মালাৰ দৰে গাঁথি ডিঙিত পিন্ধে। ১৩) মলখাৰু -সোণ বা ৰূপেৰে নিৰ্মিত। ইয়াক হাতত পিন্ধে, ১৪) হাৰ গুলাই -সোণ বা ৰূপেৰে নিৰ্মিত। ইয়াক হাতত পিন্ধে, ১৫) মায়াৰ চিং চাপ - সোণ বা ৰূপেৰে নিৰ্মিত। ইয়াক হাতত পিন্ধে, ১৬) ৰুবুক-ই তিৰোতাসকলে কঁকালত পিন্ধা সাতধাৰি মালা। ই হাতী দাঁতেৰে তৈয়াৰী। কোচা ৰাভাসকলে ইয়াক লবক বোলে, ১৭) 'বাউতী'- ই এবিধ হাতত পিন্ধা শাঁখা। ই পিতলেৰে নিৰ্মিত, ১৮) ভৰি খাৰু -ই ৰূপেৰে নিৰ্মিত। এই খাৰু ফোঁপোলা। ভিতৰত বালি সুমাই দি তৈয়াৰ কৰা হয়। খোজ কাঢ়োঁতে কণ-জুণ-শব্দ হয়, ১৯) চাছিতাম- ই এবিধ আঙঠি।

এইবোৰ অলংকাৰ ছোৱালী, গাভৰু, বিবাহিতা তিৰোতা এনেকি বুঢ়ী তিৰোতায়ো পিন্ধিব পাৰে। কেৱল বিধৱা তিৰোতাই এইবোৰ অলংকাৰ পিন্ধা আৰু কপালত সিন্দুৰৰ ফোঁট লোৱা সমাজৰ বিধি নিষিদ্ধ। অবিবাহিতা ছোৱালীবো কপালত সিন্দুৰৰ ফোঁট লোৱা নিবিদ্ধ। বুঢ়ী তিৰোতায়ো এজোৰ কাঁটা বাজু পিন্ধি নিজকে নিজে গৌৰৱ অনুভৱ কৰে। বিলাসিতাৰ প্ৰভাৱত পৰি বৰ্তমান ৰাভা ছোৱালীয়ে আধুনিক নমুনাৰ অলংকাৰ পাতি লৈ আকৰ্ষিত হোৱা দেখা যায়।

উ.ৰা.হ

**।। ৰাভাসকলৰ অগ্নিপূজাৰ গীত ।।**

ৰাভাসকলে সামুহিকভাৱে অগ্নি পূজা কৰে। কিছুমানে এই পূজা খোকচি পূজাৰ

লগতো সহযোগী অনুষ্ঠান হিচাপে পালন কৰে। কাঠ বা বাঁহেৰে সাত থাক (খলপা) চিতাৰ দৰে সাজে। পূজাৰ শেষত ইয়াক পুৰি পেলায়। অগ্নি পূজাৰ আৰাধনাৰ গীত তলত যৎকিঞ্চিক উল্লেখ কৰা হ'ল—

আগাৰাণী ছানা দে — এ আয়া/ ব্ৰহ্মাণী ছানা দে - এ আয়া/ নাণ্ডি পূৰ্ৱানি আচাৰবানি বিচাৰবানি ৰায়/চিণ্ডি পালি প্ৰহৰিতাং নাণ্ডি চালাম চিণ্ডি ৰায়।

সৰলাৰ্থ ঃ হে আই অগ্নিদেৱী! মাতৃ স্বৰূপিনী! আমি প্ৰাচীন আচাৰ - নীতি সাৰোগত কৰি পৱিত্ৰ ঘিলা গুটি মিহলাই লোৱা পৰিষ্কাৰ পানীৰে স্নান কৰি আহিছোঁ। আমি তোমাক সকলোৱে দেৱী জ্ঞান কৰি ভক্তি বিশ্বাসেৰে প্ৰণাম কৰি শ্ৰদ্ধাৰে অঞ্জলি যাচিছোঁ।)

উ.ৰা.হা.

।। ৰাভাৰসকলৰ অৱনদ্ধ বাদ্য।।

ৰাভাসকলৰ অৱনদ্ধ বাদ্য কেইবাবিধো। যেনে ঃ

১) খাম (দীঘল ঢোল) ঃ গমাৰি গছ বা আন কোনো অকাঠি গছ ৪½ ফুটৰো বেছি দীঘল কৰি কাটি লোৱা হয়। আৰু ভিতৰ অংশৰ কাঠ খুলি উলিওৱা হয়। তাৰ এটা মূৰ হৰিণাৰ চামৰাৰে মজবুতকৈ চিলাই কৰি দীঘল ঢোল তৈয়াৰ কৰা হয়। ঢোলৰ দোৱান (বৰতি) বেত বা চামৰাৰে সুন্দৰকৈ তৈয়াৰ কৰা হয়। ইয়াকে ঢাক বা খাম বুলি কোৱা হয়। ইয়াৰ ব্যাস ১ ফুট মান কৰি লোৱা হয়, ২) খামনালুক (সৰু ঢোল) ঃ এই বাদ্য তৈয়াৰ কৰিবলৈ ভাল কাঠৰ আৱশ্যক। অন্তত ২½ ফুট দীঘল আৰু ২ফুট ব্যাসৰ এডোখৰ কাঠ খুলি ছাগলীৰ চামৰাৰে দুয়ো ফালে চিলাই কৰি ঢোল তৈয়াৰ কৰা হয়। এই ঢোলটো সাধাৰণতে বিয়া আৰু পূজাৰ সময়ত বজোৱা হয়, ৩) তাৰ্চা ঃ এই বাদ্য তৈয়াৰ কৰিবলৈ ৬ ইঞ্চি দীঘ আৰু ২ফুট ব্যাসৰ এডোখৰ কাঠ খুলি দুয়ো ফালে ছাগলীৰ চামৰাৰে চিলাই এই তাৰ্চা বাদ্য তৈয়াৰ কৰা হয়। এই বাদ্যও বিয়াৰ সময়ত আৰু পূজাৰ সময়ত বজোৱা হয়।

উ.ৰা.হা.

।। ৰাভাসলকৰ কাম্বুং বিয়া ।।

ৰাভা ভাষাৰে মন্ত্ৰ মাতি আৰু কাম্বুং নামৰ ৰাভা ৰিহাৰে গা ঢাকি এই বিয়া অনুষ্ঠিত হয় বাবে এই নাম। এই বিয়া ৰংদানি ৰাভাৰ প্ৰাচীন ভুৰি ছিংকায় বিবাহৰে মাৰ্জিত ৰূপ। সৌহাৰ্দ্যসূচক পৰিবেশত কইনা চোৱা-চিতা কৰি বিয়াৰ দিন ধাৰ্য হ'লে দৰাৰপৰা পানচিনিত দিবলগীয়া সা-সামগ্ৰী আৰু সাজপাৰৰ তাৰতম্য থাকিলেও তেল সিন্দুৰ, কণি-মাগোণ, আ-অলংকাৰ আৰু ৰিফান কাম্বুং নিয়াটো বাধ্যতামূলক। তাৰ পিছত বিয়াৰ দুদিনমান আগতে দৰাঘৰৰপৰা দুজনমান মতা মানুহে কইনাঘৰলৈ প্ৰয়োজনীয় দাৰৰ কিনচি (গোন্ধৰ

বাবে দিবলগীয়া পাণ-তামোলৰ ভাৰ) সহ ভাৰ খুৱাবলৈ আহে। এই ব্যৱস্থাটোকে খান্তিকায় বা জানায়কায় বোলা হয়। মূল বিয়াৰ দিনাখন দৰাঘৰৰপৰা পুনৰ আন এটা ভাৰ (লাখৰ ভাৰ) আৰু কইনাৰ বাবে বুন্দা (জোৰণ) পঠিয়াবলগীয়া হয়। সিদিনাখন কইনাজনীয়ে নিচেই পুৱা শয্যা ত্যাগ কৰি শুচি শুদ্ধাচাৰে স্নান কৰে। স্নানান্তৰত দৰা ঘৰৰ সাজপাৰ আ-অলংকাৰ পৰিধান কৰি উঠি লগ্ন পৰিলে ভিনিহিয়েক সম্বন্ধীয়লোকে বোকোচাত লৈ চোতাললৈ উলিয়াই আনি ৰাইজৰ মাজত থিয় কৰাই দিয়ে। ভৰি ধুওৱাৰ পিছত দুয়োপক্ষই দুখন চালাণ্ডি বাতি (নতুন চালনীৰ ওপৰছোৱা কলৰ দোনাৰে ঘেৰি জ্বলোৱা এবিধ মাংগলিক যতন) অদল-বদল কৰে আৰু কিছু সময় আখৈ বা চাউল ছটিওৱা-ছটি কৰে। ইয়াৰ পিছত কইনাক দৰাঘৰত প্ৰৱেশ কৰাই দৰাৰ সোঁহাতে বহিবলৈ দিয়ে। ইতিমধ্যে ৰাইজৰ ভোজ হাতাছুৱনি প্ৰথাৰে খুওৱাৰ ব্যৱস্থা লয় আৰু বিবাহ কাৰ্যৰ সামৰণি পৰে।

উ.ৰা.হা.

।। ৰাভাসকলৰ কায় বি'কায় বা ভৰি বি'কায় বিবাহ ।।

মামায়েকৰ জীয়েক (খুলশালী বৌৱেক) বা বাক্‌দত্তা এজনীক কিবা কাৰণত পূৰ্বৰ প্ৰতিশ্ৰুতি ভংগ কৰি বিয়াত অসম্মতি প্ৰকাশ কৰিলেও য'তে পায় ত'ৰে পৰা (মাছলৈ যাওঁতে বা পূজা - উছৱত ভাগ লওঁতে) ছল চাই দাংকোলাকৈ হ'লেও তুলি নি কুকুৰা কাটি বিয়া কৰাই দিয়াৰ ব্যৱস্থা ৰাভা সমাজত একালত প্ৰচলন আছিল। অৱশ্যে এনে বিয়াত কইনাৰ মাক- দেউতাকৰ লগতে অগোত্ৰীয় লোককো (বাৰায় হৰি) প্ৰচুৰ পৰিমাণে গা ধন (ৰাং তি'কাম) আৰু তামোলৰ উপঢৌকন (বাৰায়নি কুইছুকায়) দিবলগীয়া হৈছিল। বিয়াৰ ভোজ হিচাপে অৱস্থা চাই বৰভোজ (পাকাৰছ) বা সাধাৰণ ভোজ (কাচাৰছ) একোটা দিবলগীয়া হৈছিল। একপক্ষীয়ভাৱে আগবাঢ়িলেও কইনাঘৰীয়া বা কইনাক ফুচুলাই প্ৰলোভিত কৰিহে এই বিবাহ হাচিল কৰা হৈছিল।

উ.ৰা.হা.

।। ৰাভাসকলৰ কৃষিৰ লগত জড়িত গীত ।।

ৰাভাসকল কৃষিজীৱী। পথাৰৰ শস্যৰ খেতি আৰু তাৰ লগত জড়িত জীৱনেই হৈছে ৰাভাসকলৰ মূল সংসাৰ। আভিজাত্য, ধন-দৌলত ৰাভাসকলৰ বিশেষ কাম্য নহয়। সহজ-সৰল চহা জীৱনৰ সৰ্বাধিক প্ৰিয় বস্তু হ'ল পথাৰ আৰু তাৰ নদন-বদন শস্য। কৃষিক কেন্দ্ৰ কৰি ৰাভা সমাজত প্ৰচলিত কিছুমান গীত পোৱা যায়। যেনে-

ইয়ান চিণ্ডি চাৰ্পাক, ইয়ান চিণ্ডি চাৰ্পাক /পাথাৰিনি মায় নাৰি, ইয়ান চিণ্ডি চাৰ্পাক/ পাটা হায়নি পাটা নাৰি, ইয়ান চিণ্ডি চাৰ্পাক /হিৰি হিৰি খিছিন ৰাম্পাৰ /চাক তামোত্তে ৰেঙা /চিকুৰ চিকুৰ নুকে কাকায় /চিণ্ডি খাপাক খিচিনা মাও /চিণ্ডি খাপাক খিছিনা।

সৰলাৰ্থঃ এই পথাৰৰ কোমল ধান, এয়ে আমাৰ
প্ৰাণ, এই পথাৰৰ কোমল মৰাপাট /এয়ে আমাৰ প্ৰাণ/ৰিব্ ৰিব্
বতাহে কেনে ঢৌ তুলি যায়/নিমজ-চিকুণ ৰূপত আমাৰ /
প্ৰাণ পৰশি যায়, কেনে জুৰ পেলায়/কৃষকৰ সন্তান আমি
পথাৰতে থাকিম জীয়াই।

উ.ৰা.হা.

**।। ৰাভাসলকৰ ক্ৰাংছি ভৰি বিবাহ ।।**

ৰাভা সমাজত অতি পূৰ্বৰেপৰা বিধৱা বা বৰলাৰ পুনৰ বিবাহৰ প্ৰচলন আছিল। বিয়াৰ আগতে অৱশ্যে তেওঁলোকৰ গোত্ৰ বা মাহাৰীৰ অনুমতি ল'ব লাগিছিল। সেই উদ্দেশ্য ৰিছি দেৱতাক সাক্ষী কৰি এহাল কুকুৰা কাটি দুটা গোত্ৰৰ মিলন ঘটাই দিয়া ব্যৱস্থা (পূৰ্বৰ স্বামী-স্ত্ৰীৰ) পুনৰ বিছিন্ন কৰি দিবলগীয়া হৈছিল। এই ব্যৱস্থাকে খুম দিবিকায় বোলা হৈছিল। খুম দিবিকায় কৰাৰ পিছত যিকোনো সন্তান হীনা বা সন্তানমতী যুৱতী বা আদবয়সীয়া বিধৱা এজনীয়ে জাগুয় খাকায় (ঢোকা ৰখা) বা নোক ধাংকায় (ঘৰ সোমোৱা) প্ৰথাৰে কোনোবা বৰলা বা ডেকা এজনক জীৱন সংগী হিচাপে নিৰ্বাচন কৰিব পাৰিছিল। অৱশ্যে এনে বিয়াত ভোজন পানাহাৰৰ ব্যৱস্থা থাকিলেও ঢোল-পেঁপা বজোৱা হাতাজুৰানি আদিৰ ব্যৱস্থা কৰা নহৈছিল। প্ৰাচীন কালত প্ৰচলিত এই পাঁচো প্ৰকাৰৰ বিবাহ উৎসৱতে ভোজ ভাত আৰু কুকুৰাৰ মাংসৰ পয়োভৰ ঘটিছিল বাবে ইয়াৰ আন এটা নাম তোতি'কাম বা তোতেকাম হৈছিল; তো (কুকুৰা)+তি'কাম (মূৰ); কিন্তু বৰ্তমান এনে ব্যৱস্থা অন্যান্য পাতি, দাহৰি টোটলা, হানা, বিটলীয়া আদি আৰ্যীভূত ৰাভা সমাজৰ দৰে ৰংদানি, মায়তাৰি আদি সংৰক্ষণশীল ৰাভা সমাজতো নোহোৱা হৈছে। সেয়ে নতুন চামৰ মাজত বিবাহ উৎসৱ যুগ্ম জীৱনৰ শুভকাৰ্য অৰ্থাৎ জোৰাছিনি নামেৰেহে জনাজাত। অতি সম্প্ৰতি ৰাভা জাতীয় পৰিষদ আৰু ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত ৰাভাৰ বিভিন্ন ফৈদ আৰু অঞ্চলত প্ৰচলিত বিবাহৰ এনে বৈচিত্ৰ্যৰ সমাহাৰ ঘটাই অনবদ্য ৰূপ দিয়াৰ ক্ষেত্ৰত ৰাভা বিবাহ বিধি (Rabha Marriage law) প্ৰণয়নৰ কাম হাতত লৈছে। সেই মতে বৰ্তমানে দুবিধ বিবাহ পৰম্পৰা ৰাভা সমাজত অতি সমাদৃত হৈছে। সেই দুবিধ হ'ল-- ক) ৰাভা বিয়া বা কাম্বুং বিয়া আৰু খ) লেমা বিয়া বা সাজা বিয়া।

উ.ৰা.হা.

**।। ৰাভাসকলৰ গছ কটা গীত।।**

অতীজতে ৰাভাসকলে বসবাস কৰা ঠাইবোৰ অৰণ্য হাবি বননিৰে পৰিপূৰ্ণ আছিল। এই হাবিৰ ডাঙৰ ডাঙৰ গছবোৰ কাটি খেতিৰ উপযোগী কৰি মাটি মোকোলাইছিল। এই গছবোৰ পৰস্পৰ সহায়-সহযোগৰ দ্বাৰা কাটিছিল। এই সমূহীয়া কামক চাওবী খোৱা

বুলিছিল। এই গীতৰ লহৰে লহৰে তেওঁলোকে প্ৰত্যেকে শৰীৰক শক্তি প্ৰয়োগ কৰি গছৰ ডাঙৰ ডাঙৰ টুকুৰাবোৰ এফলীয়া কৰিছিল। এতিয়াও ডাঙৰ গছ কাটি এফলীয়া কৰোঁতে এইবোৰ গীত গায়—

বাৰ কাম্‌লাৰ ভৰ ওই / তেৰ যুৱানৰ বল —এ হেইয়া /
মহামাই নাম ধৰিয়া / গাছ কাটং আমি — এ হেইয়া/
মহামাই দিলে বৰ / গাছ টানং ঝৰ্‌ঝৰ্ — এ হেইয়া/
আমালাগা গাছখানি নদীত যায়াইয়া পৰ —এ হেইয়া

উ.ৰা.হা.

**।। ৰাভাসলকৰ জাণ্ডয় ধাংকায় বা জাণ্ডয় ছি'ংকায় বিবাহ ।।**

ল'ৰা সন্তান নথকা কন্যাৰ বা মাতৃবংশীয় অগাধ সম্পত্তিৰ উত্তৰাধিকাৰিণী কোনোবা গাভৰুৰ বাবে দৰা নিৰ্বাচন হ'লে কইনাই বিয়াৰ বাবে দৰাৰ তালৈ নগৈ ওলোটাই দৰাকহে কইনাৰ তালৈ অনা হৈছিল। ভৰি ছি'ংকায় প্ৰথাৰ দৰে সকলো শুভ কাৰ্য এটাৰ পিছত এটাকে সমাপন কৰিবলগীয়া হৈছিল; পাৰ্থক্য মাথো দৰাৰ ঘৰত নহৈ সেইবোৰ কইনাৰ ঘৰত অনুষ্ঠিত হৈছিল। আনকি দৰাৰ বাবে কইনাঘৰৰ পৰা ছিথা বুন্দাও নিবলগীয়া হৈছিল। ছিথা বুন্দাত এদিনতে তৈয়াৰ কৰা বাঁহৰ কাঁকৈ, তেলৰ চুঙা, দুটা গলত লোৱা পাজাৰ, কঁকালত মৰা আংচা (ফালি), পিন্ধা বগা জামা-চোলা বা গাম্‌চা (চুৰিয়া), ঢাল-তৰোৱাল এযোৰৰ লগতে ডাব-কটাৰী আৰু চূণ-টেমীৰে সৈতে এটা জোলোঙা, সিন্দূৰ এপুৰীয়া, সান্দহ এটোপোলা, মাটি মাহ এটোপোলা আৰু ৰঙা কুকুৰা এটা বাধ্যতামূলক আছিল।

উ.ৰা.হা.

**।। ৰাভাসকলৰ তত ৰাদ্য ।।**

ৰাভাসকলৰ ততবাদ্য কেইপদ হ'ল - ১) বাদুং দু'প্পা বা বাগাদুং ঃ এই বাদ্যটো ডাঙৰ কাঁক বাঁহৰ দুয়ো ফালে গাঁঠি থকা বাঁহ এটুকুৰাৰ ওপৰ অংশৰপৰা কৌশলেৰে তিনিটা মিহি গুণ (চোঁছ) উলিওৱা হয় আৰু ধ্বনিত কৰিবৰ কাৰণে তাৰ দুয়ো ফালে বাঁহৰ সৰু টুকুৰা দুডোখৰ সুমুৱাই গুণ তিনিডাল ওফোন্দাই ৰখা হয়। তাৰ পিছত দুডাল ৬/৭ ইঞ্চি দীঘল কাঠ বা বাঁহৰ মাৰিৰে সেই গুণ কেইডালত কোব মাৰিলেই গভীৰ আৰু মধুৰ ধ্বনি হয়। যদিও এই বাদ্য তাঁৰ বা গুণেৰে গঠিত তথাপি ইয়াক 'অৱনদ্ধ' বাদ্যৰ দৰেহে তাল ৰক্ষা কৰি বজোৱা হয়। এই বাদ্যক যি কোনো সময়তে বজোৱা প্ৰাচীন ৰাভা সমাজত নিষিদ্ধ আছিল। বিশেষ বিশেষ পূজাৰ সময়তহে মাথোন প্ৰধান পুৰোহিতে মন্ত্ৰৰ (ভৱ) সুৰে সুৰে তাল ৰক্ষা কৰি এই বাদ্য বজাইছিল, ২) গমনা বা গমেনা ঃ এই বাদ্যটো বাঁহেৰে নাইবা কোনো ধাতুৰে তৈয়াৰ কৰি মুখেৰে বজায়। এই বাদ্যৰ মাজতো সৰু তন্ত্ৰী আছে।

জিভাৰে কোবাই ধ্বনিত কৰা হয়। ৰাভাসকলৰ আদিম বাদ্য বাদুং- দ'প্পা, ত্ৰিস্বৰ বাঁহী আৰু বুবুৰেঙা, এই তিনিটাই আছিল বুলি অনুমান হয়। তাৰ পিছত সংগীতৰ সুৰৰ মাধুৰ্য আৰু তাল, মান ৰক্ষাৰ আৱশ্যকতা বোধে বাকীবোৰ বাদ্য যন্ত্ৰ আপোন উদ্ভাৱনী শক্তিৰে সৃষ্টি কৰি লয়।

উ ৰা.হা.

**।। ৰাভাসকলৰ নলুৰা চলুৰাৰ গীত ।।**

ৰাভাসকলৰ মতে নলুৰা-চলুৰা নামৰ দুই ভাই-ককায় তেওঁলোকৰ পূৰ্বপুৰুষ। তেওঁলোকৰ দলটোৱে পোন প্ৰথমে নানা ঘাত-প্ৰতিঘাত, বিপদ আপদ অতিক্ৰম কৰি বৰ্তমানৰ বাসভূমিলৈ প্ৰব্ৰজন কৰি আহিছিল। এই ঠাইত স্থায়ীভাৱে বসবাস কৰাৰ পিছত নলুৰা-চলুৰাই গীতৰ আকাৰে তেওঁলোকৰ অতীত জীৱনৰ স্মৃতি বিজড়িত দুখৰ কাহিনী প্ৰকাশ কৰিছিল। এতিয়াও এই কাহিনী গীত ৰংদানি মায়তাৰি ৰাভাসকলৰ মাজত প্ৰচলিত হৈ আছে। তাৰে এফাঁকি উল্লেখ কৰা হ'ল-

চিগিৰি নিগিৰি, পাত্তে ৰংমান্দি চোংমান্দি প্ৰোঙে<br>
চান্দাৰাতা নুক্‌চাবায় মাছু মাথায় বংচাবায়,<br>
তো বাক্ নুকচুবায়, হাচু হাজেক পাণ্ডে ৰিবানাতা।

সৰলাৰ্থঃ

ইকৰা, নল খাগৰিৰ বোজাৰে ভুৰ সাজি<br>
কিমান যে নদ-নদীৰে উটি ভাহি আহিছোঁ<br>
কিমান যে জোন, বেলি তৰাৰ পোহৰ নপৰা<br>
ঠাই অতিক্ৰম কৰি আহিছোঁ, কিমান যে পৰ্বত<br>
পাহাৰ বগাই বগাই বাট কুৰি বাই আহিছোঁ<br>
সেয়ে এতিয়া ক্লান্ত হৈ পৰিছোঁ।

উ.ৰা হা.

**।। ৰাভাসকলৰ নাখেম ভানকায় (সিন্দল প্ৰস্তুতকৰণ) ।।**

ৰাভাসকলে বাৰিষা কালত ভেটা দি (ভাবে ছায়কায়) বা জাকৈ পৰঙি জালেৰে সংগ্ৰহ কৰা অপৰ্যাপ্ত মাছ ধোঁৱা চাঙত আৰু ৰ'দত দি খৰখৰীয়াকৈ শুকুৱাই দুই ধৰণে সিন্দল প্ৰস্তুত কৰে। অপইতা বাঁহৰ চুঙা জুইত সেকি তাৰ ভিতৰত শুকান মাছবোৰ ঠাহি ঠাহি মাৰিবে হেঁচুকি সুমুৱাই মুখখনি কিছু কলাখাৰৰ লডাৰে বন্ধ কৰি কলপাতেৰে মজবুতকৈ বায়ুৰুদ্ধ কৰি মোখনি মাৰি থৈ দিয়া হয়। খৰালি কালত আটকীয়া সময়ত সেই মাছবোৰ বছৰ -ডেৰবছৰ কাল চুঙাৰপৰা অলপ অলপকৈ উলিয়াই লৈ খাই থাকিব পাৰি। ইয়াকে নাখেম বা সিন্দল বোলা হয়। কেতিয়াবা গাহৰিয়ে নোখোৱা কচু বা চালা কচুৰ লগত মিহলাই শুকান মাছবোৰ উৰালত খুন্দি বাঁহৰ চুঙাত থৈ দিয়ে। এইবোৰ

খাবলৈ অতি উপাদেয় আৰু সুঘ্ৰাণযুক্ত হয়।

উ.ৰা.হা.

**।। ৰাভাসকলৰ নৱবৰ্ষৰ গীত ।।**

ৰাভাসকল নীতিপৰায়ণ আৰু আচাৰনিষ্ঠ। ৰাভা সমাজত বিৱাহ বহিৰ্ভূত অপৱিত্ৰতা প্ৰায় দেখা নাযায়। পুৰুষ আৰু মহিলা উভয়ে কৰ্মপটু। তেওঁলোক উভয়ে ঘৰুৱা আৰু বাহিৰা কাম কৰে। নৱ বৰষৰ লগে লগে উপত্যকা, নদীৰ পাৰ, শস্যৰ পথাৰ, হাবি-বননি আদি তেওঁলোকৰ স্বতঃ স্ফূৰ্ত গীতৰ প্ৰতিধ্বনিৰে মুখৰিত হয়। ৰাভা মহিলাই হাবিত খৰি কটা, বিলত মাছ মৰা, পথাৰত ধান কটা, ধান ৰোৱা কামৰ সময়তো আপোন পাহৰা হৈ গীতৰ লহৰ তোলে। সেইদৰে পুৰুষসকলেও পৱিত্ৰ নৱ বৰষৰ দিনত আৰু শস্য চপোৱাৰ সময়ত আনন্দেৰে নৃত্য গীত কৰে—।

"বাউচাউৰ পিদান ছকফেজৌ /শুন দোৱান পুইজৌ /
নাই লাউ -পাউ নং /বাউ আউলদিক ছকফেজো নে।

সৰলাৰ্থ ঃ

সুখৰ নৱ বৰষ প্ৰায় সমাগত /উৰণীয়া মনবোৰ ধাবিত ঊৰ্ধত/
আহা গা ঢালি দিওঁ আনন্দ হিল্লোলত /অতীত বেদনাই হানে হৃদয়ত।

ৰাভা যুৱতীৰ কোমল মনবোৰ প্ৰকৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হয়। পূৰ্ণ বিকশিত ফুলৰ দৃশ্যৰাজিত সিহঁতৰ মনত প্ৰকাশ পায় — এক অনিন্দনীয় আনন্দ। সেয়ে সিহঁতেও দল বান্ধি আনন্দতে আত্মহাৰা হৈ নৃত্যগীত কৰে-।

পাৰ বুতুল পাৰজৌ /ছুং ৰছং ছাকজৌ /
নিনি ইনি কু'ৰুউ দোৱান/নামপাৰাই পুইজৌ নে।

সৰলাৰ্থ ঃ ফুলবোৰ ফুলিছে। আমাৰ মনবোৰো ফুলিছে আৰু আমাৰ মিঠা মিঠা কথাবোৰো বতাহৰ লগে লগে উৰি উৰি ফুৰিছে।

যুৱক-যুৱতীসকলে একেলগ হৈ এই পৱিত্ৰ নতুন দিনত আনন্দ উপভোগ কৰিবলৈ আকাংক্ষা প্ৰকাশ কৰে। সেয়ে তেওঁলোকৰ সমবেত নৃত্য গীতত প্ৰকাশ পায়—

"হাছং তু'ন্তৌ আংজৌ/ চায় হৰাং নানং জৌ/
বুন্তাই মিচান লু'গু' /নাং বু'খু'ন নিগি জৌ।"

সৰলাৰ্থ ঃ জগতখন সুন্দৰ আৰু সুখী আৰু ইয়াত অফুৰন্ত আনন্দৰ সুৰ শুনা যায়। আহা! আমি যুৱক-যুৱতীসকলে একেলগ হৈ আনন্দত আত্মবিভোৰ হৈ গীত গাওঁ আৰু নাচোঁ। এনেবোৰ গীত উত্তৰ গোৱালপাৰা, জলপাইগুৰি আৰু কোচবিহাৰ জিলাৰ কোচা ৰাভাসকলৰ মাজত পোৱা যায়।

উ.ৰা.হা.

**।। ৰাভাসকলৰ নোক ধাংকোয় বা কায় পায়কায় বিবাহ ।।**

মায়তাৰি ফৈদৰ ডেকা-গাভৰুৱে জেঠ মাহত উদ্‌যাপিত বায় খোথলীত প্ৰণয়মূলক গীত গাই দৰা কইনা নিৰ্বাচন কৰিছিল। আনহাতে ৰংদানি ফৈদৰ ডেকাল'ৰাক কোনোবা গাভৰুৱে মনে মনে ভাল পাই থাকিলে অকস্মাৎ কানি-কাপোৰসহ দৰাঘৰত আহি ওলাই কাম-কাজ কৰি দি আলহী খপিছিল। কেতিয়াবা আলহী খপা কোনোবা ডেকাল'ৰাক মদ খাবলৈ দি ৰাইজৰ সন্মুখত সি গম নোপোৱাকৈ ফুলাম পাজাৰ এখন পিছফালে বান্ধি পূৰ্বৰ পৰা পিৰীতি (নুকবাৰ জি'নকায়) থকা বুলি প্ৰত্যয় নিযাই দৰা নিৰ্বাচন কৰিছিল। পৰস্পৰৰ সন্মতি সাপেক্ষে অভিভাৱক-অভিভাৱিকাৰ অজ্ঞাতে এইদৰে ইজনে আনজনৰ ঘৰত পতি-পত্নীৰ দৰে জীৱন যাপন কৰাকে ৰাভাসকলে নোকধাংকায় অৰ্থাৎ ঘৰ সোমোৱা বিয়া বুলিছিল।

উ.ৰা.হা.

**।। ৰাভাসকলৰ বিবাহ ।।**

ৰাভাসকলৰ বিবাহ উৎসৱক প্ৰধানকৈ তিনিটা পৰ্বত ভগাই আলোচনা কৰিব পাৰি। প্ৰথম পৰ্ব — কইনা সোধ-পোছ কৰা (জন পাওৱানি/কায় ছি'ঙা ৰেংকায়); দ্বিতীয় পৰ্ব - ভোজ (জেক/ৰছ) আৰু তৃতীয় পৰ্ব -আঠমঙলা (নোক বাৰকায়/ঘৰ ফিৰানি)। অঞ্চল আৰু ফৈদ বিশেষে সামাজিক বা অসমাজিকভাৱে বিভিন্ন সময়ত বিভিন্ন বি ৱাহ অনুষ্ঠান ৰাভা সমাজত প্ৰাচীন কালৰেপৰা বৰ্তমানলৈকে প্ৰচলিত হৈ আহিছে।

ৰাভাসকলৰ মাজত, বিশেষকৈ ৰংদানি আৰু মায়তাৰি ফৈদৰ মাজত অতি প্ৰাচীন কালত পাঁচ প্ৰকাৰৰ বিবাহ অনুষ্ঠানৰ প্ৰচলন আছিল বুলি গম পোৱা যায়। সেইকেইটা হ'ল— ক) ভুৰি ছিং' কায়/খুছি ছেকায়, খ) কায়/ভুৰি বি'কায়, গ) লোক ধাংকোয়/কায় পায়কায়, ঘ) জাঙয় ধাংকায়/ছি'ংকায় আৰু ঙ) ক্ৰাংছিভুৰি।

উ.ৰা.হা.

**।। ৰাভাসকলৰ বেমাৰ-আজাৰৰ লগত জড়িত দেৱতাৰ পূজাৰ গীত ।।**

ৰাভাসকলে অপায়-অমংগল আৰু বেমাৰ-আজাৰৰ লগতো বিভিন্ন দেৱতা-অপদেৱতা আদি জড়িত থকা বুলি বিশ্বাস কৰি তেওঁলোককো পূজা সেৱা আগবঢ়ায়। তেনে কৰোঁতেও গীত-মাত পৰিবেশন কৰা হয়। উদাহৰণস্বৰূপে, পৰিয়ালৰ কোনো মানুহৰ সন্ধ্যাৰ সময়ত সদায় জ্বৰ হৈ থাকিলে গৃহস্থৰ চোতালত এটি পূজা কৰা হয়। পূজাৰীয়ে তলৰ গীতফাকি স্তোত্ৰ আকাৰে উচ্চ সুৰে গায়—

অহো! খু'ছামি বাই জাদি /হানাছা বিছাই তইমেন?
কাৰাহা তই মেন? / কামাহা তই মেন?
খু'ছানতিনি হাদামি তইমেন? /খু'মানতিনি হাদামি তইমেন?

মেৰামতি ৰাইমেন / খু'ম্পাৰমতি ৰাইমেন
বামচি পিথাৰ ৰাইমেন / ৰাইচিদুৰি ৰাইমেন
ৰাবাদুৰি ৰাইমেন / বলিবো তুনুকা বাদাবো তুনুকা।।

(সৰলাৰ্থ ঃ হে সন্ধ্যাৰ দেৱতা ! তুমি ক'ত আছা ? ঠাণ্ডাত আছা নেকি ? ওখ ঠাইত আছা নেকি ? নামনি ঠাইত আছা নেকি ? য'তেই নাথাকা কিয় মেৰা গছ লৈ, মালখি ফুল লৈ, পবিত্ৰ চাউলৰ গুড়ি লৈ, বলি-বিধান দি তোমাৰ পূজা কৰিছোঁ'।

ঊ.ৰা.হা.

**ৰাভাসকলৰ ভুৰি ছি'ংকোয়/থুছি ছেকোয় বিবাহ ।।**

সাধাৰণতে শিমলু আৰু মদাৰ ফুল নুফুলা বতৰৰ অৰ্থাৎ আহিন - কাতি মাহৰ ভিতৰত যিকোনো এটা দিনৰ কাহিলিপুৱা দৰাৰ ঘৰে দলে-বলে ভাৰ ভেটিসহকাৰে অকস্মাৎ কইনাৰ ঘৰ ঘেৰাও কৰি ঘৰৰ ভিতৰত থকা কইনাক উলিয়াই আনি বা ঘৰৰ বাহিৰত থকা কইনাক জোৰ কৰি ধৰি আনি ৰাইজে বিদ্যমানে শিৰত সিন্দূৰৰ বোল আৰু মূৰত তেল সানি বাঁহৰ কাকৈৰে ফণিয়াই দিছিল। কইনাজনীৰ আপত্তি থাকিলে নানা ফুচুলনিতো ভোল নগৈ বাৰেপতি গা ধুই দৰাঘৰে পিন্ধাই দিয়া সিন্দূৰৰ বোল আৰু মূৰৰ তেল গুচাই দিছিল। এইদৰে দৰাঘৰে বিশেষ এজনী ছোৱালীৰ বাবে তিনিবাৰলৈ সিন্দূৰৰ বোল আৰু তেল দিয়া (খুছি ছেকোয়) ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে প্ৰচেষ্টা চলাব পাৰিছিল।

এই প্ৰথাৰে সমাধা কৰা মূল বিবাহ অনুষ্ঠান তিনি দিন ধৰি চলিছিল। প্ৰথম দিনা নোক খি'থাৰকায় অৰ্থাৎ ঘৰ শুদ্ধিকৰণ. মাজৰ দিনা ভৰ বিয়া বা তোতি'কাম (অতিথি আপ্যায়ন) আৰু শেষৰ দিনা বাছি বিয়া বা চকো পায়কায় ৰু'ংকায় (প্ৰীতিভোজ)। প্ৰথম দিনাখন গাঁৱৰ বুঢ়া মেথাক মাতি মেল চপাই বিয়াৰ বিধি ব্যৱস্থা আলোচনা কৰা, ৰভা-পৰলা দিয়া, কলপাত-চুঙাদোনা আদিৰ যা-যোগাৰ কৰাৰ লগতে দৰাঘৰৰ বাহি চোতাল, মূল ঘৰ গোবৰ পানীৰে মচি পৰিশুদ্ধি (নোক খি'থাৰকায়) কৰা হৈছিল।

মূল বিয়া (ভৰ বিয়া)ৰ দিনাখন দৰাঘৰৰপৰা যোৱা বিবাহ যাত্ৰীয়ে কইনাৰ বাবে প্ৰয়োজনীয় সকলো সা-সামগ্ৰী লগত কঢ়িয়াই নিছিল আৰু ৰি'ফান ছাককায় আৰু কাম্বুং মুছুক পাংকায় বা দোতাৰি কাপোৰেৰে সুসজ্জিতা কৰি, কঁকালত ৰুবুক মালা, গলত চন্দন হাৰ, কাণত নামব্ৰি, নাকত নাকাপতি, খোপাত খুছুমাক্ৰং আৰু হাতত ছান গাগ্ৰা (ফোঁপোলা খাৰু)ৰে সাংলকৃতা কৰি ঢোলে - ডগৰে দিনৰ ভাগতে দৰা ঘৰলৈ লৈ অনা হৈছিল। কইনাৰ লগতে তেওঁৰ আত্মীয় স্বজনো (নোকছামি) লগত আহিছিল আৰু তেওঁলোকক দৰাঘৰে বিশেষ সম্মান সহকাৰে আদৰ-আপ্যায়ন কৰিব লাগিছিল। দৰাঘৰ পোৱা মাত্ৰে পদুলিমুখত যতনাই যোৱা কলহৰ পানীৰে ভৰি ধুৱাই লৈ কইনাক বৰঘৰৰ ভিতৰলৈ সুমুৱাই গৃহদেৱী ৰোম্ভুকৰ বেদীত আঁঠু কঢ়াই পূৰ্বে সজাই পৰাই থোৱা দৰাৰ

সোঁফালে বহুৱাই দিছিল। ইয়াৰ পিছত খামাল অৰ্থাৎ পুৰোহিতে ৰৰঘৰৰ মূধচৰ পূবৰ খুঁটা এটাত বা বাহিৰৰ চোতালত পুবমুৱাকৈ বেদী সজাই ৰিছি দেৱতাৰ নামত মন্ত্ৰ মাতি মতা-মাইকী কুকুৰা এহাল ডিঙি মুচৰি বলি দিছিল। ইয়াকে তো থাকায় বোলা হৈছিল।

তো থাকায় পৰ্ব সমাপ্ত হোৱাৰ পিছতে দৰা-কইনাই ৰাইজৰ ওচৰত আঁঠু কাঢ়ি আশীৰ্বাদ মাগিছিল। তাৰ পিছত পুনৰ গা-পা ধুই বিশেষকৈ কইনাজনীয়ে নৱবস্ত্ৰ পৰিধান কৰি ইতিপূৰ্বে প্ৰস্তুত হোৱা ভোজৰ ভাত এখন হেতা (দেংগা বা হাতা)ত পৰিপূৰ্ণ কৰি লৈ সকলো অভ্যাগতৰ ভাতৰ পাতত জোৰকৈ অলপ অলপকৈ বিতৰণ কৰিবলগীয়া হৈছিল। বিবাহৰ ভোজত কইনাৰ হাতে এনেদৰে বিতৰণ কৰা কাৰ্যকে হাতাছুৱনি বা হাতাছুনি বোলা হৈছিল। হাতাছুৱনি কৰাৰ পিছতহে অন্যান্য বিতৰকে ভাত আদি ৰাইজক বিতৰণ কৰিব পাৰিছিল।

উ.ৰা.হা.

।। ৰাভাসকলৰ লেমা বিয়া বা সাজা বিয়া ।।

লেমা অৰ্থাৎ আৰ্য হিন্দুবিধি অনুসাৰে দৰাক সজাই পৰাই আনি কইনাৰ ঘৰত অনুষ্ঠিত বিয়াকে লেমা বিয়া বা সাজা বিয়া বোলে। এই বিয়া একালত পাতি, দাহৰি আদি ফৈদৰ মাজতহে জনপ্ৰিয় আছিল। কোনো ব্ৰাহ্মণ বা পুৰোহিতৰ প্ৰয়োজন নোহোৱাকৈ বয়োবৃদ্ধসকলৰ আৰু আয়তীসকলৰ (পদালী) পৰিচালনাত এই বিয়া অনুষ্ঠিত হৈ আহিছে। এই প্ৰথাৰে বিয়া পাতিবলৈ হ'লে কইনা চোৱা-চিতা কৰাৰ পৰা জোৰণ (পানচিনি) দিয়ালৈকে অতিকমেও তিনিবাৰ কইনাঘৰলৈ ভাৰ পঠিয়াব লাগে। প্ৰতিটো ভাৰতে টেমী কটাৰী (চূণ-টেমী হৰিণৰ শিঙৰ ডাব কটাৰী), চিৰা-টোপোলা, বৃজন পৰিমাণৰ পাণ-তামোলৰ লগতে বহা বহা মুনিহ তিৰোতা, আয়তী-অকুমাৰী ছোৱালী বিশেষ বিশেষ কাৰ্য সম্পাদনৰ উদ্দেশ্যে পঠিওৱাটো নিয়ম। শেষৰ ভাৰত আলু-বেঙেনা, গুড়, চেনি, তেল-কলৰ লগতে শুকান মাছ নিয়াটো বাধ্যতামূলক। সেইদৰে কইনাৰ বাবে বিয়াৰ সাজ, প্ৰসাধন আদিৰ লগতে মাকলৈ গুলৰী কাপোৰ, (গু-মূত ধোৱা পখলা কৰাৰ মানস্বৰূপে) আৰু দেউতাকলৈ মান কাপোৰ নিয়াটো বিধেয়। গা-পণ হিচাপে কিছু ধন কইনাৰ আত্মীয়লৈ আৰু ৰাইজলৈ দিয়াটোও অঞ্চলভেদে নিয়মৰ নিচিনাই। তদুপৰি দুই এখন ঠাইত এতিয়াও পূৰ্বাবধি কিছু প্ৰাচীন বিবাহ প্ৰচলিত হৈ আহিছে। তাৰ ভিতৰত ৰংদানি ৰাভাৰ মোমায়েকৰ পুতেক -জীয়েকৰ মাজত হোৱা নোক থাংকায় বা জাঙয় থাকায় বিয়া মায়তাৰি ৰাভাৰ বায়খো তলীত হোৱা তো খানকায় বিয়া, দাহৰি ৰাভাৰ গদ্রং বিয়া (বিধৱা বিবাহ) ঢোংকা যাওৱা (চপনীয়া), কোচা ৰাভাৰ ভোটা খুলিন কেলাং দাণ্ডি (চপনীয়া); গুন্দুগাব বা বায় বুলুঙ (কুকুৰা কাটি হোৱা বিয়া), টোটলা ৰাভাৰ বাকলা-বাকলনীৰ দ্বাৰা অনুষ্ঠিত ব্যয়বহুল বিয়া ইত্যাদি। মন্দিৰ (দেদান মন্দিৰ) আৰু ক্ষৰ্ট-

কাছাৰীত হোৱা বিবাহকো ৰাভা সমাজে অনুৰূপভাৱে স্বীকৃতি দিয়াত কার্পণ্য কৰা নাই। সেইদৰে শংকৰী বা বামুণীয়া নিয়মেৰে হোৱা বিবাহকো অঞ্চলবিশেষে বাহাল ৰাখিছে। সময়ৰ লগত ৰূপ সলাই বর্তমান ৰাভাৰ বিবাহ উৎসৱ এক পৰিমার্জিত ৰূপ লাভ কৰিছে। উ.ৰা.হা.

।। ৰাভাসকলৰ মানছালেংকা ।।

অতীজৰেপৰা ৰাভাসকলৰ মাজত বিশেষ বিশেষ প্ৰাণী বা উদ্ভিদে বিশেষ বিশেষ গোত্ৰৰ totem অর্থাৎ শুভ প্ৰতীক হিচাপে আৰু কিছুমান লোকাচাৰ সামাজিক বাধা (taboo) হিচাপে স্বীকৃতি লাভ কৰি আহিছে। সেইদৰে বিভিন্ন সংগঠন বা অনুষ্ঠান প্ৰতিষ্ঠানৰো একো একোটা স্বীকৃত প্ৰতীক বা একো একোখন স্বীকৃত পতাকা আছে। তাৰ মাজতে গোত্ৰ নির্বিশেষে মানছালেংকা নামৰ ফাৰকান্তি নৃত্যত ব্যৱহৃত এবিধ কাঠৰ সঁজুলিৰ বিশেষ মর্যাদা আছে। দৰাচলতে মানছালেংকা হ'ল এবিধ মাছ চিকাৰ কৰা পক্ষী (সংস্কৃত মৎস্যৰঙ্ক/মৎস্যৰঙ্গ, বাংলা মাছৰাঙা অসমীয়া মাছৰোকা)। কাঠেৰে সজোৱা আৰু জৰী টানি সংযোজিত পাখি জপোৱা-মেলা কৰিবপৰা মানছালেংকা চৰাইৰ প্ৰতীকটো কাঠ বা বাঁহৰ মাৰিডালৰ ঠিক মূৰত সংলগ্ন কৰা থাকে। মাৰিডালৰ দুফালে উলম্বভাৱে সমান ব্যৱধানত আন তিনিবিধ (তোন্দোলেংকা-বাতাতিকা-কুৰুৱা) বা দুবিধ (তোন্দোলেংকা বাতাতিকা) কাঠেৰে নির্মিত পক্ষীৰ একত্ৰে সহঅৱস্থান এই সঁজুলিৰ অন্যতম মন কৰিবলগীয়া বৈশিষ্ট্য।

মানছালেংকা মাছ চিকাৰ কৰা কার্যৰ উপৰি ফৰিং ধৰা কার্যত সুদক্ষ। অনুৰূপভাৱে কিছুমান ডেকা ফাৰকান্তি আদি উৎসৱত অংশ গ্ৰহণ কৰা গাভৰুসকলক ফুচুলাই অনাত পাৰ্গত। তেনে এফাঁকি গীত—

মানছালেংকা চিলুক চিলুক/গুক ফাখাৰা/অ আঙি নাছিকায়/নাং আতা খাৰা।

(চিলুক চিলুক কৈ মাতি মাছৰোকাই সৰু সৰু ফৰিং ধৰি খায়। তুমি মোৰ সোণজনী অ' কিনো কৰি আছা, আহা কথাকে পাতোঁ।)

ঠিক ইয়াৰ বিপৰীত চিত্ৰ পাতিৰাভাসকলৰ মাজত প্ৰচলিত বহুৰাঙী গীতত পোৱা যায়; য'ত গাভৰু এজনীয়ে মাছ মাৰোঁতে চল চাই কাষেদি যোৱা ডেকা ল'ৰাক জব্দ কৰিছে এই বুলি—

মানছালেংকা টিউ টিউ /হিন্দল গাছৰ ডালত/তোকে দেখি মাছ
মাৰং/মুকাল পাথাৰত।

মূঠতে ৰাভাসকলৰ মানত মানছালেংকা হ'ল চিৰশাশ্বত জগতৰ সতে নিজকে বিলীন কৰি দিয়াৰ মযাপী জীৱনৰ বিষয় -বাসনাৰ প্ৰতীক; যি ৰাভাসকলৰ জাতীয় চৰিত্ৰও। স্বৰূপার্থত ৰাভা সংস্কৃতিৰ প্ৰতীক হ'ল মানছালেংকা- যি ধর্ম-কর্ম, সমাজ ব্যৱস্থা,

ভাষা-সাহিত্য সকলোলৈকে বিস্তৃত। সেইবাবেই ইয়াক ৰাভাসকলৰ জাতীয় প্ৰতীক হিচাপেও গণ্য কৰিব পাৰি।

উ.ৰা.হা.

।। ৰাভাসকলৰ মিগুনজি (শুকান পাচলিৰ গুড়ি) আৰু মিখি তানকায় ।।

সাধাৰণতে তিতামৰাৰ পাত (নায়ৰা পাত), বাহেকা ফুল (ছিপছি পাৰ) শেৱালি ফুল, চকলিয়াই লোৱা থেকেৰা, বগৰী আদি ৰ'দাই লাউৰ খোলা বা চুঙাত সাঁচি থোৱা হয়। সময়ত সেইবোৰ আঞ্জা হিচাপে শুকান মাছ আদিৰ লগত ৰান্ধি খোৱা হয়। এইদৰে চিৰতা তিতা, শিলিখা (হালাইথে), বহেৰা (ভাওবায়), আমলখি আদিও ৰ'দাই থৈ সাঁচি থয় আৰু ঔষধ হিচাপে সময়ত ব্যৱহাৰ কৰে। কলৰ বাকলি, কলপটুৱা, মাহ-সৰিয়হ, তিলৰ জাবৰি, কাঁকবাঁহ ছেৱাই ভালদৰে ৰ'দত শুকাই পুৰি খাৰ হিচাপে সঞ্চয় কৰা হয়। এইবোৰ ৰাভাসকলৰ শুকুৱাই সাঁচিবপৰা ভিন্ ভিন্ ৰন্ধন সামগ্ৰী। হালধি, তেজপাত, শুকান জলকীয়া আদিও এইদৰে সংগ্ৰহ কৰি থোৱা হয়।

পুৰঠ হ'বলৈ ধৰা কাঁকবাঁহৰ গাজ কাটি আনি মিহিকৈ কুটি চুঙাত বা বৈয়ামত সাঁফৰ মাৰি থৈ দিলে এসপ্তাহমানৰ ভিতৰত টেঙা হয়। ইয়াকে জিমটেঙা বা মিখি (মি=আঞ্জা+খি=টেঙা) বোলা হয়। জিম মাহাৰি বা মিখি জিব্ৰা হ'ল ৰাইজে লগ লাগি একেলগে নৃত্য- গীতৰ মাজেদি পাহাৰৰপৰা বাঁহ গাজ কাটি আনি সৰহীয়াকৈ একেটা বাঁহৰ হুলুং লুঙা (প্ৰকাণ্ড বাঁহৰ খাং)ত সাঁচি তাৰপৰা নিগৰি পৰিবলৈ দিয়া খৰিচাৰ ৰস। ইয়াকে অতি যত্নৰে ৰখা হয় আৰু দুই তিনি মাহলৈকে এইদৰে নিগৰিপৰা ৰসেৰে আঞ্জাৰ প্ৰয়োজন পূৰণ কৰে। ৰস নিগৰা শাম কাটিলে ইয়াৰ অৱশিষ্ট বাঁহ গাজৰ টুকুৰাকো আঞ্জা হিচাপে খাবলৈ ৰাইজে ভগাই লয়।

উ.ৰা.হা.

।। ৰাভাসকলৰ সাজপানী চকো, ছিনছিনা, মাখাম ঃ ।।

মদ বা 'চকো' প্ৰস্তুত কৰিবলৈ হ'লে ফাপ বা বাখৰৰ দৰকাৰ। বাখৰ নহ'লে মদ তৈয়াৰ কৰিব নোৱাৰি। মদ জোঙাত বা কলহত তৈয়াৰ কৰা হয়। জোঙাৰ জোখ অনুযায়ী দুৱানী, চাৰি আনী, আঠানী আৰু টকীয়া নামকৰণ কৰা হয়। মদ প্ৰস্তুত কৰিবলৈ হ'লে ভাতখিনি কৰ্‌কৰীয়া হ'ব লাগে। নৰম ভাত মদ প্ৰস্তুত কৰিবলৈ অনুপযোগী। মদৰ ভাতখিনি এখন বাঁহৰ ঢাৰিত পাতলকৈ ঠাণ্ডা হ'বলৈ দিব লাগে। মদ পাতিবলগীয়া জোঙাটো আগতে ৰ'দাই বা পুৰি শুকান কৰি ল'ব লাগে। সেমেকা বা ভিজা জোঙাত মদ ভাল নহয়। তাৰ পিছত জোঙাটো পৰিষ্কাৰ কৰি তাৰ ভিতৰত জোঙা অনুসৰি জাখি'(এবিধ বাঁহৰ তমালেৰে তৈয়াৰী চুঙা) ভৰাব লাগে। জোঙাৰ সোঁমাজতে জাখিটো থিয় অৱস্থাত লৰচৰ নোহোৱাকৈ ৰাখিব লাগে। জোঙাত জাখিটো সুমুৱাৰ আগতে জাখিৰ দুয়োমুৰ

জুইত সেকা কলপাতেৰে দুই তৰপকৈ বান্ধিব লাগে। তাৰ পিছত জাঙ্গিৰ বহিৰ্ভাগ আৰু জোঙাটোৰ অন্তৰ্ভাগৰ খালী অংশত বাখৰ মিশ্ৰিত ভাতখিনি পূৰ্ণকৈ ভৰাই থৈ জোঙাটোৰ মুখখনো জুইত সেকা কলপাতেৰে ২/৩ তৰপ টানকৈ বান্ধি ৰাখিব লাগে যাতে তাৰ ভিতৰত বাহিৰৰ চেঁচা বতাহ সোমাব নোৱাৰে। তাৰ পিছত জোঙাটোৰ তলিটো মাটিত নলগাকৈ পেস্তা (আধাৰি)ৰ ওপৰত ভালকৈ এঠাইত থব লাগে। গৰম দিনত ৪/৫ দিনত আৰু শীতকালত ৭/৮ দিনৰ পিছত মদ খোৱাৰ উপযোগী হয়। যথাসময়ত পাতেৰে ঢকা জোঙাৰ মুখখন আৰু জাঙ্গিৰ মুখখন খুলি আৱশ্যক অনুপাতে পানী ঢালি জাঙ্গিত সোমাব পৰা এটা লাউৰ খোলাৰ (ব্ৰেক) বাখৰ মিশ্ৰিত পচা ভাতৰ চাৰিওফালে দি চেকিব লাগে। এনেকৈ অলপ সময় চেকি থাকিলে নিগৰি নিগৰি মদখিনি জাঙ্গিৰ ভিতৰত জমা হয়। এয়েই ৰাভাৰ চকো মদ (জোঙা)। পানী নঢলাৰ আগতে জোঙাৰ তলিত কম-বেচি পৰিমাণে অলপমান ৰস জমা হৈ থাকে। তাকেই চকোৰাংচি (ৰসি মদ) বোলে। প্ৰায় আঢ়ৈ/তিনি ফুট ওখ পেট ডাঙৰ জোঙাত ছিনচিনা নামৰ এবিধ সাঁচতীয়া মদ প্ৰস্তুত কৰা হয়। এই মদ ছমাহ/এবছৰলৈকে খাই থাকিব পাৰি। জোঙাত ভৰোৱা বাখৰযুক্ত ভাত হজম হৈ গ'লে পুনৰ নতুন বাখৰযুক্ত ভাত ভৰাই জোঙাটোৰ মুখ টানকৈ বান্ধি থৈ দিব লাগে। আৱশ্যকবোধে মাজে মাজে তাৰ ৰসি মদখিনি উলিয়াই খোৱা হয়। পানী ঢালি চেকিব নালাগে। পানী ঢালিলে আৰু সাঁচতীয়া মদ হৈ নাথাকে। পাতি ধান বা বৰা ধানৰ চাউলৰ ভাতৰ দ্বাৰা এনে মদ তৈয়াৰ কৰা হয়। বৰা চাউলৰ মদ খুব মিঠা আৰু ৰাগিয়াল।

ৰাভাসকলৰ আন এবিধ মিঠা ৰাগীযুক্ত সাজ পানী আছে; যি মাখাম (ঝুগলী) নামেৰে জনাজাত। সাধাৰণতে সিজোৱা বৰা চাউল মাটিৰ গামলাজাতীয় পাত্ৰত পানী দি মুখ বায়ুৰুদ্ধ কৰি বান্ধি নৰখাকৈ এসপ্তাহ মান থৈ দিলে এবিধ মিঠা ৰাগীযুক্ত ভাত (মিঠা) লৈ পৰিণত হয়। এই ভাতখিনি বাতিত উলিয়াই লৈ হাতেৰে চেপি ৰসখিনি উলিয়াই বা পিঠাৰে সৈতে ৰসখিনি আলহী-অতিথিক খঁচা হয় বা দিনটোৰ পৰিশ্ৰম লাঘৱ কৰিবৰ বাবে ঘৰে ঘৰোৱাহত খোৱাত মাখাম (ঝুগলী) অতি উপযোগী।

উ.ৰা.হ

।। ৰাভাসকলৰ সুষিৰ বাদ্য ।।

ৰাভাসকলে কেইবাবিধো সুষিৰ বাদ্য ব্যৱহাৰ কৰে। যেনে-(১) ছিংগা (শিঙা)ঃ এহাত বা ডেৰ হাত দীঘল জোখমতে ম'হৰ শিঙেৰে তৈয়াৰ কৰি লয়। এই বাদ্য পূজাৰ সময়ত নৃত্য গীতৰ সময়ত এনেকি সামূহিকভাৱে কোনো ডাঙৰ মাছ থকা বিলত মাছ মৰাৰ আগ জাননী দিবলৈও বজায়। বাঁহৰ চুঙাৰ সমষ্টিৰ দ্বাৰাও শিঙা প্ৰস্তুত কৰি (ঝাপকৰা) নৃত্য গীতৰ তালে তালে বজোৱা হয়, ২) মুখ ব্ৰাংছি (মুখ বাঁহী) ঃ জাতি বাঁহ নাইবা বাঁহৰ

দ্বাৰা ১হাত মান দীঘলকৈ তৈয়াৰ কৰা এবিধ বাঁহী। এই বাঁহীৰ ৬টা বিন্ধা আছে। এটা মূৰৰ আগ ডোখৰত চুঙাৰ এটা খলপৰ ভিতৰত মুখখন ভৰাই ফু দিলে মধুৰ ধ্বনি বাহিৰ হয়, ৩) কাৰা বা খাৰা ব্ৰাংছি (দীঘল নলৰ বাঁহী) ঃ এই বাঁহী নল বাঁহৰ দ্বাৰা তৈয়াৰ কৰা হয়। ই ৬/৭ ফুট দীঘল। বাঁহ টুকুৰাৰ গাঁঠিবোৰ ফুটাই বিন্ধা কৰি লোৱা হয়, যাতে ৬/৭ ফুট দীঘল সুৰুঙা হয়। সুৰ সংযোজনাৰ বাবে ইয়াৰ এটাও বিন্ধা নাই। মাথোন বাঁহ ডালৰ আগ মূৰত ফু দিব পৰা এটা বিন্ধা থাকে। আন মূৰত সুৰ বা ধ্বনিৰ গভীৰতা ৰক্ষাৰ বাবে খাপ খোৱাকৈ এটা ডাঙৰ বাঁহৰ চুঙা লগোৱা থাকে। এই বাঁহীৰ সুৰৰ ধ্বনি তোলোঁতে বৰ কৌশলেৰে ফু দিয়া হয়। ফু দিয়াৰ কৌশল নজনা মানুহে এই বাঁহী বজাব নোৱাৰে। এই বাঁহী পূজা-পাতল আৰু নৃত্য-গীত আদিত বজোৱা হয়। এই বাঁহীৰ ধ্বনি অতি মধুৰ আৰু কৰুণ, ৪) ঝাপকাৰা বা ঝাপখাৰা ঃ এই বাঁহীটো 'কাৰা' বাঁহীৰ দৰেই দীঘল। খাপ খাপকৈ কিছুমান চুঙাৰ টুকুৰা বাঁহৰ শিঙাৰ দৰেই জোৰা লগাই দীঘল কৰি লোৱা হয়। এই জোৰা লগোৱা চুঙাৰ আনফালে এটা বিন্ধা কৰা হয়, এই বিন্ধাৰেই ফু দিয়া হয়। আনটো মূৰত সুৰৰ গভীৰতা ৰক্ষাৰ বাবে চুঙাও লগাই ল'ব পাৰি। এই বাঁহীবো সুৰ সংযোজনৰ বাবে এটাও বিন্ধা নাই। গতিকে কৌশলেৰে বজাব লগীয়া হয়, ৫) ত্রিস্বৰ বাঁহী ঃ ১$^{১}/_{২}$ ফুটমান দীঘল বাঁহী। এই বাঁহী তিনিটা বিন্ধাত তিনিটা সুৰ ধ্বনিও হয়। যেনে ঃ সা, গা, পা, ৬) সপ্তস্বৰ বাঁহী ঃ এই বাঁহী সাতোটা সুৰৰ সমষ্টি, ৭) লাখৰ ব্ৰাংছি ঃ ই ২ হাতমান দীঘল। দেও বাঁহৰ দ্বাৰা তৈয়াৰী চুঙা এটাৰ আগফালে গাঁথি ৰখা হয় আৰু তাৰ ওচৰতে এটা বিন্ধা ৰখা হয়। আনফালে খোলা; গাঁঠি ৰখা নহয়। বাঁহীডালৰ ঠিক মাঁ মাজতে আৰু এটা বিন্ধা ৰখা হয়। এই বিন্ধাৰে ফু মাৰি গৰখীয়া গীতৰ সুৰ ধ্বনি তোলা হয়। সাধাৰণতে গৰখীয়াবোৰে এই বাঁহী বজায়, সেয়ে এই বাঁহীৰ নাম লাখৰ ব্ৰাংছি (গৰখীয়া বাঁহী), ৮) গুগুমেল ঃ ইয়াক মাটিৰে তৈয়াৰ কৰা হয়। ইয়াৰ গঠন ভে পুৰ দৰে। ইয়াৰ গাত কোনো বিন্ধা নাই। মাথোন সন্মুখৰ ফালে ২টা বিন্ধা থাকে। এই বাঁহীও গৰখীয়াবোৰে বজায়, ৯) গং-গ্ৰেং ঃ ইয়ো মাটিৰে তৈয়াৰী। ৬ ইঞ্চিমান দীঘল। ইয়াৰ গাত ২টা মাত্ৰ বিন্ধা থাকে। এই বাঁহীৰ বিশেষত্ব এয়ে যে ইয়াক নাকেৰে বজাব লাগে। নিশ্বাসৰ কৌশল নাজানিলে এই বাঁহী ধ্বনিত কৰা টান, ১০) বুবুৰেঙা ঃবতাকন বা টঙা কনৰ ডাল এডাল ১$^{১}/_{২}$ হাতমান জোখত কাটি ল'ব লাগে। তাক দুফাল কৰি তাৰে এফালত বাকলি পাতলকৈ এৰুৱাই পেলাব লাগে। তাক দুফাল কৰি তাৰে এফালত বিন্ধা কৰি ফু মাৰিলে 'ৰাউ-ৰাউ' এটা ধ্বনি বাহিৰ হয়। এই বুবুৰেঙা বাদ্যৰ উৎপত্তিৰ বিষয়ে বাভাসকলৰ প্ৰাচীন সাধু আছে, ১১) ছানাই (কালী) ঃ এইটোও ৰাভাসকলৰ প্ৰাচীন বাদ্য। এই বাদ্য অতীজৰেপৰা বিবাহ উৎসৱত বজাই আহিছে।

উ.ৰা.হা.

**।। ৰাভাসমাজৰ বাঢ়নী কটা প্ৰথা।।**

ঘৰ একোখনিত বাঢ়নী কেইটাৰমান নহ'লেই নহয়। গৃহস্থৰ নিত্য প্ৰয়োজনীয় বাঢ়নী সংগ্ৰহ কৰাৰ বাবে সমূহীয়া ভাৱে এটা দিন নিৰ্ধাৰিত কৰি সেই দিনা প্ৰত্যেকে মিলিজুলি হাবিলৈ যোৱা প্ৰথা ৰাভা জনজাতিসকলৰ মাজত কিছু বছৰ আগলৈকে আছিল। সাধাৰণতে ভাদমাহত প্ৰত্যেকৰে খেতি নুঠে যদিও সেই মাহতে বাঢ়নী সংগ্ৰহৰ দিন এটা ঠিক কৰি লোৱা হয়। গাঁওবুঢ়াৰ পৰামৰ্শ অনুযায়ী বাঢ়নী কাটিবলৈ নিৰ্ধাৰিত কৰা দিনটো দহ-বাৰ দিন আগতে ৰাইজক জনাই দিয়া হয়। নিৰ্দিষ্ট কৰা দিনটোত প্ৰত্যেক ঘৰৰে এজন দুজন লোকে কাঁচি, দা প্ৰভৃতি হাতত লৈ হাবি পায়গৈ। পুৰুষসকল যোৱাৰ লগে লগে ঘৰৰ গৃহিনীসকলে পিঠাগুড়ি খুন্দি তাৰে কিছু অংশেৰে টোপোলা পিঠা প্ৰস্তুত কৰি থয়। আবেলি পৰত একোভাৰকৈ বাঢ়নী আনি গাঁৱৰ মুখীয়ালজনৰ ঘৰত জমা কৰে। আনফালে গৃহিনীসকলে পিঠাগুড়ি আৰু টোপোলা পিঠা নি বাঢ়নী জমা কৰা ঘৰ পায়গৈ। এজনে তেতিয়া গা-পা ধুই চাকি বন্তি জ্বলাই বাঢ়নীক লখিমী জ্ঞান কৰি সিন্দুৰ পিন্ধাই পিঠাগুড়ি আৰু মদ চটিয়াই প্ৰত্যেকে আঁঠু লয়। ইয়াত পুৰোহিতৰ প্ৰয়োগ নাই। ই যেন লখিমী আদৰা উছৱ। সেৱা লোৱাৰ পিছত প্ৰত্যেকে টোপোলা পিঠা খাই নিজৰ নিজৰ ভাগৰ বাঢ়নী ভাৰ আপোন ঘৰলৈ নিয়ে। গৃহিনীহঁতে নিজা ঘৰতো বাঢ়নী লৈ এভাগ পূজা আগবঢ়ায়। বাঢ়নীবোৰ শুকোৱাৰ পিছত ভঁৰালত সোমাই থয়। তাৰ পিছতো প্ৰতিঘৰে একোটাকৈ হাৰি নি (মদ) সমূহীয়া পূজাস্থলীত একগোট হৈ স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সিবোৰ পান কৰি নৃত্য গীতেৰে প্ৰাত্যহিক জীৱনৰ দুখ পাহৰে। আজিৰ বিশ্বায়নৰ প্ৰভাৱত ৰাভাসমাজৰ বাঢ়নী কটা প্ৰথা নাইকিয়া হ'ল।

(অসম সাহিত্য সভা পত্ৰিকাৰ এক চত্বাবিংশ বৰ্ষৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত ৰাজেন দাসৰ 'ৰাভাসকলৰ বাঢ়নী কটা প্ৰথা'ৰ আধাৰত যুগুতোৱা)

না.দা

**।। ৰামতাল ।।**

ৰামশিঙা ৰামতাল ঝোঞ্জৰক বজাৱে ভাল/গো মুখ বজাৱে উচ্চ কৰি (দৰং ৰাজবংশাৱলী)। অসমীয়া সমাজত ঘনবাদ্যৰ ভিতৰত ৰামতালৰ জনপ্ৰিয়তা আজিও কমা নাই।হেমকোষৰ সাক্ষ্যমতে বৰাগীয়ে ইয়াক হাতত লৈ ৰাম নাম গাই ফুৰা গুণে তালবিধ ৰামতাল ৰূপে পৰিচিত হয়গৈ। চন্দ্ৰকান্ত অভিধানত আছে, 'হাতে পতি দুটা ফলীয়া বাঁহ লৈ বজোৱা এবিধ বাদ্য। কেতিয়াবা অকল এহাতে দুচটা বাঁহ লৈও বজায়।' হেমকোষে ইয়াৰ আন নাম কৰতালো দিছে। কোনো কোনো অঞ্চলত ইয়াক কেৰেপ তাল বোলে। মিচিং ভকতসকলেও প্ৰায় ত্ৰিশ ছেন্টিমিটাৰ দৈৰ্ঘ্যৰ মাকো আকৃতিৰ দুচটা বাঁহ হাতত লৈ ৰামতাল বজায়। টংকেশ্বৰ লইঙৰ সাক্ষ্যমতে, মিচিং সমাজত প্ৰচলিত

পূৰ্ণভগীয়া অথবা অময়া ভকতি নামৰ ভক্তিধৰ্মৰ গীত গাবলৈ ভকতসকলে এই বিধ বাদ্য ব্যৱহাৰ কৰে। (ধৰ্মেশ্বৰ দুৱৰাৰ অসমৰ বাদ্য যন্ত্ৰৰ আধাৰত।)

না.দা.

।। বামদিয়াৰ ভঠেলি ।।

হাজো অঞ্চলৰ এটি উল্লেখযোগ্য 'উৎসৱ হ'ল বামদিয়াৰ ভঠেলি। ছয় ব'হাগ অৰ্থাৎ সাতবিহুৰ দিনা এই উৎসৱ পালন কৰা হয়। বামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ পথাৰখনতে এই উৎসৱ পালন কৰা হয়। এই ঠাইখিনিক ভঠেলিখোলা বোলা হয়। মহাপুৰুষ মাধৱদেৱে সুন্দৰীদিয়াৰ সত্ৰৰপৰা উজাই আহোঁতে বামদিয়াৰ বালিত ছমাহ কাল আছিল। সেই সময়ছোৱাত তাত খোপৰগুৰি সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত আতৈকে আদি কৰি বিভিন্ন ভক্তসকল আহি গুৰুজনাৰ লগত নানা শাস্ত্ৰ আলোচনা কৰে। কোৱা হয়, গুৰুজনা বামদিয়াৰ সাতবিহুৰ দিনা উভতি গৈছিল কাৰণেই তাৰ চিনস্বৰূপে ভঠেলি উৎসৱ উক্তদিনা পালন কৰা হৈ আহিছে। গুৰুজনাৰ প্ৰভাৱত সেই অঞ্চলত কেইবাখনো সত্ৰ স্থাপিত হয়। উল্লেখযোগ্য যে হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ মানুহ বাস কৰা কাৰণেই বামদিয়াৰ ভঠেলিত সাম্প্ৰদায়িক সম্প্ৰীতি পৰিলক্ষিত হয়।

পাঁচ ব'হাগৰ দিনা ভঠেলি খোলালৈ বিগ্ৰহ অনা হয়। এই বিগ্ৰহটিক তিনি ব'হাগৰ নিশাই সত্ৰৰ দৌলত তুলি চাৰি ব'হাগৰ দিনা হোম পূজা কৰি পাঁচ ব'হাগৰ আবেলি শোভাযাত্ৰা কৰি নিৰ্দিষ্ট স্থানত স্থাপন কৰা হয়। সেই স্থানত ডেৰঘণ্টা মান ৰখাৰ পিছত বিগ্ৰহক পুনৰ সত্ৰলৈ ঘূৰাই নিয়ে। সত্ৰ পোৱাৰ আগতে গোসাঁনীৰ হৈ এটা দলে গোসাঁইৰ বাট আগচি ধৰে আৰু কেঁচাকল দলিয়ায়। গোসাঁইৰ ফালৰ লোকেও প্ৰত্যাক্ৰমণ কৰি কল দলিয়ায়। এইদৰে আধাঘণ্টা মান কাজিয়া কৰাৰ পিছত গোসাঁইৰ দলে হেঁচি ঠেলি সত্ৰৰ পদুলি মুখ পায়গৈ। তাত পুনৰ দুয়োপক্ষই বাক্‌যুদ্ধ কৰি গোসাঁইক ধনৰ টোপোলাৰ বিনিময়ত বাট মুকলি কৰি দিয়ে। পিছদিনা ছয় ব'হাগতো এইজনা গোসাঁইক ভঠেলিলৈ পুনৰ নিয়া হয় অন্য গোসাঁইৰ দৰে। পিছদিনাৰ ভঠেলিক ভঙা ভঠেলি বা বাইহা ভঠেলি বোলে। বিশেষকৈ তিৰোতাসকলে ভঙা ভঠেলিৰ দিনা হোৱা মেলাতহে দৰকাৰী বয়বস্তু কিনে।

নী. ক.

।। ৰিং আৰু দুল টপ।।

এইবিধ কাণৰ সাধাৰণ শ্ৰেণীৰ অলংকাৰ। একেবাৰে কম সোণৰেও এই অলংকাৰ কেইপদ গঢ়াব পাৰি। কেতিয়াবা নিহুত এটা বা তাতোধিক পাথৰ লগায়ো গঢ়োৱা হয়। জীয়াৰী, বোৱাৰী আৰু সৰু ছোৱালী সকলোৱে ইয়াক পৰিধান কৰিব

পাৰে। ছোৱালীৰ কাণ ফুটোৱা উৎসৱত আগতে বিৰিঙৰ সহায়ত কাণফুটুৱাই সেই ৰিংযোৰকে পিন্ধোৱা হৈছিল। আজি কালি অৱশ্যে সেই পন্থা পৰিহাৰ কৰা হৈছে। ট'পত ডাঙৰ পাথৰ লগোৱা হয়। পাথৰটো ৰং বিৰঙৰ হ'ব পাৰে। দুল ট'পৰ দৰেই কিন্তু দীঘল। ই কাণৰ লতিত ওলমি থাকে। অসমীয়া উপন্যাসত দুল ৰ উল্লেখ আছে ঃ কুলসী নদীৰ ইকুল সিকুল / তোৰ বায়েৰে পিন্ধি আছে / মই দিয়া কাণৰ দুল।।

কাণফুলি ব্যৱহাৰে শৰীৰৰ অনেক ব্যাধি নিৰাময়ত সহায় কৰে বুলি জানিব পাৰি। কাণত শৰীৰৰ লগত সম্পৰ্ক থকা প্ৰায় আশীটা বিন্দু আছে বুলি জনা যায়। কুণ্ডল, ঝুমকা, টব, ইয়াৰিং, থুৰীয়া, কাণপাছা, কেৰু আদি পৰিধান কৰাৰ ফলত শৰীৰৰ অনেক লাভ হয়। এই অলংকাৰ কেইপদ পৰিধান কৰাৰ ফলত হাওঁফাওঁ, যকৃত, হাৰ্ণিয়া, কাণেৰে নুশুনা, টনচিল, চকু নাইবা ডিঙিৰ ৰোগৰ পৰা উপশম পাব পাৰি। ই পেটৰো অনেক ৰোগ উপশম কৰাত সহায়ক হয়। ইয়াক পৰিধান কৰাৰ ফলত হিষ্টেৰিয়া নামৰ ৰোগবিধৰ প্ৰাবল্য নাইকিয়া হয়। কাণত পিন্ধা সোণৰ অলংকাৰে শ্ৰৱণেন্দ্ৰিয় অধিক জাগ্ৰত কৰে আৰু কৰ্ণনলিকাবোৰো দোষমুক্ত কৰে।

প্ৰ.শ. গো.

।। ৰি'ফান ।।

ৰাভাসকলৰ শৰীৰৰ নিম্নাংশত আবুৰকৈ পিন্ধা এবিধ নিসীয়া মেখেলা কাপোৰ অৰ্থাৎ মেঠনি। গঢ়-গাঁঠনি (design) আৰু ব্যৱহাৰ অনুযায়ী ইয়াৰ নামো বিভিন্ন-

ক) ৰি'ফান ছাক্কায়/ছাকবা ঃ ৰঙা ক'লা বৰণীয়া তিনি-চাৰিহতীয়া মায়তাৰি ৰাভা মহিলাৰ সাজ। ৰংদানি ৰাভা মহিলাই কিন্তু বেঙুনীয়া ৰঙকহে প্ৰাধান্য দিয়ে। ইয়াক তলছোৱা কলাফুলালৈকে বই পৰাকৈ কঁকালৰ ওপৰত বাঁও মেৰ দি খোচ মাৰি পিন্ধা হয়। (প্ৰাচীন), খ) ৰাভা ৰি'ফান ঃ ৰি'ফান ছাক্কায়ৰ সৈতে একে জোখৰ আৰু একে পদ্ধতিৰে পিন্ধা ৰাভা মহিলাৰ আদৰ্শ সাজ-পাৰ প্ৰাচীন বিবাহ প্ৰথাৰ কন্যাৰ অত্যাৱশ্যকীয় সাজ। বগা গাত ক'লা আঁচ (stripes) থকা জাৰা নামৰ কাপোৰৰ চানেকি খটুৱা মেঠনি। (প্ৰাচীন), গ) ৰি'ফান ছাৰা ঃ পাট গাভৰু অৱস্থালৈকে অৰ্থাৎ বুকুত কাপোৰ নোলোৱালৈকে ছোৱালীয়ে কঁকালত পিন্ধিবপৰা বিভিন্ন ৰঙৰ (উকা নতুবা ফুলাম) সৰু মেঠনি। (অৰ্বাচীন), ঘ) লেম্‌ফটা (ৰি'ফান) ঃ বুকুৰপৰা সৰু গাঁঠি ঢাক খোৱাকৈ পিন্ধা মেখেলা সদৃশ কিন্তু দুই মূৰ নিসীয়া কাপোৰ । ই দীঘলে ৪/৪১/২ হাত আৰু বহল আঢ়ৈ-তিনি হাত হ'ব পাৰে। বিভিন্ন চানেকি আৰু বৰণৰ সমাহাৰেৰেই ৰাভাসকলৰ জনপ্ৰিয় কাপোৰ। আধুনিক ৰাভা, বিবাহিতা মহিলা তথা গাভৰুসকলৰ ই অতি জনপ্ৰিয় সাজ। ফুল আৰু গাঁথি অনুযায়ী ইয়াৰ বিভিন্ন নাম। ৰাভা মহিলাই অগ্ৰাধিকাৰ দিয়া লেম্‌ফটাৰ ভিতৰত যোৰপাক, ঘটপাক,

গাছি পাৰু, মজা পাৰু আদি বিভিন্ন পটিযুক্ত গাঁৰিয়লী লেমফটা উল্লেখনীয়। সাধাৰণতে মাজৰ ১/৩ অংশ, মূল গাৰ ৰঙকে (base colour) ৰাখি দুয়োমূৰে ভমকাফুলীয়া, লতাপতীয়া, জীৱ-জন্তু নতুবা জ্যামিতিক চিত্ৰৰ নক্সা আঁকা হয়। লেমফটাৰ খাপ খোৱা ৰং বিবাহিতাৰ বাবে ৰঙা আৰু গাভৰুসকলৰ বাবে সেউজীয়া। ক'লা আৰু বগা ৰঙৰ বাহিৰে বাকী সকলো ৰঙৰ সূতা লেমফটা বোৱাঁতে ব্যৱহাৰ কৰা হয়।

উ.ৰা.হা.

**।। ৰেছতে পেঁচ, ধান এদোণীয়া পাচিটো লৈ কঁকালটো হেঁচ।।**

এটি জনপ্ৰিয় অসমীয়া ফকৰা। বস্ত্ৰ শিল্প আৰু কৃষিজীৱী সমাজৰ লগত ওতপ্ৰোতভাৱে জড়িত অসমীয়া সমাজত উল্লিখিত ফকৰাটি এক বিশেষ তাৎপৰ্য আছে। আমাৰ সমাজত এনে এচাম লোক আছে যিবোৰে প্ৰায়ে ঠেহ-অভিমান আদিৰে অন্যালোকক ব্যতিব্যস্ত কৰি তোলে। সচৰাচৰ অসন্তোষীয়া আৰু অভিমানীলোকে মানুহৰ স্বাভাৱিক জীৱন যাত্ৰাত আহুকালৰ সৃষ্টি কৰে। কেতিয়াবা একোটা পৰিয়ালত কোনো এজন সদস্যৰ এনেধৰণৰ ঠেহ-পেঁচত পৰিয়ালৰ অন্যান্য সদস্যসকলৰো শান্তি ভংগ হয়। তেতিয়াই ঠেহ-পেঁচ ভাঙিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হয। ঠেহ-পেঁচ ভাঙিবলৈ চেষ্টা কৰিলে আকৌ তেওঁলোক আৰু বেচি মান-অভিমানত ওফন্দি পৰে। তেনে অৱস্থাকেই কঁকাল বেঁকা হোৱা বুলি জ্ঞান কৰে। অৰ্থাৎ অতিমাত্ৰা ঠেহ-পেঁচত কঁকাল বেঁকা হৈ গৈছে, সেয়ে বেঁকা কঁকাল পোন কৰিবৰ বাবে স্বাভাৱিক বুজনিয়ে কোনোপধ্যে কামত নিদিলে - 'ৰেছতে পেঁচ, ধান এদোণীয়া পাচিটো লৈ কঁকালটো হেঁচ' বুলি ব্যংগ কৰি অভিযুক্তগৰাকীক মৃদু ভাবুকি দিয়া হয়। অসমীয়া গ্ৰাম্য জীৱনত ঘৰৰ চোতালত ধান, ধান কটিয়াবৰ বাবে অথবা খোৱাৰ বাবে পাচি সচৰাচৰ থাকেই। তাঁতশালখনো চোতালৰে অন্য এক অংগ। অতিমাত্ৰা ধুন মৰাৰ অৰ্থত ৰেচতে পেঁচ এই বাক্যাংশ প্ৰায়ে ব্যৱহাৰ কৰা হয়। সেয়ে অতিমাত্ৰা ঠেহ-অভিমান কৰাজনক পোন বা চিধা কৰাৰ ব্যংগ অৰ্থত সদায় দৃশ্যমান ধান ভৰ্তি এদোণীয়া পাচিটো লৈ কঁকালটো পোন কৰিবলৈ লোৱা মানে ঠেহ-অভিমান ভাঙিবলৈ প্ৰকাৰন্তৰে ভাবুকি দিয়াৰ অৰ্থত উল্লিখিত ফকৰাটি প্ৰচলন হৈছে। যিহেতু স্বাভাৱিক মৰম আৰু বুজনিৰে ঠেহ-অভিমান ভাঙিব পৰা নগ'ল সেয়ে ধানেৰে পৰিপূৰ্ণ এদোণীয়া পাচিটোৰে ইতিমধ্যে বেঁকা হৈ পৰা কঁকালটো হেঁচি পোন কৰা বুলি অসমীয়া মানুহে পৰোক্ষভাৱে ভাবুকি দি এনে ব্যক্তি বিশেষলৈ আঙুকাণ কৰে। অতিমাত্ৰা ধুন-পেচ অথবা নচা কাৰ্যৰ সন্দৰ্ভতো উল্লিখিত ফকৰাটি ব্যংগাৰ্থত প্ৰয়োগ কৰা দেখা যায়।

প. ৰা.

**।। লখিমী সবাহ ।।**

অসমীয়া মানুহৰ সংস্কৃতি আৰু বিশ্বাসৰ মধুৰ সমন্বয়ত সৃষ্টি হোৱা আন এটি অনুষ্ঠান হ'ল লখিমী সবাহ। হিন্দু ধৰ্মৰ পৰম্পৰাগত বিশ্বাসত ধন আৰু ঐশ্বৰ্যৰ অধিকাৰিণী দেৱী গৰাকী আৰু লখিমী সবাহ অনুষ্ঠানৰ দেৱী গৰাকী একে শক্তিৰ অধিকাৰিণী লক্ষ্মী বা লখিমী বুলি জনা যায়। কিন্তু এটা কথা মন কৰিবলগীয়া যে লখিমী সবাহ অনুষ্ঠানৰ দেৱী গৰাকীক সেই অনুষ্ঠানৰ আচাৰ-নীতি, গীত-পদ আদিৰ দ্বাৰা এখন কৃষিজীৱী সমাজৰ দেৱী বুলিহে ধাৰণা কৰিব পাৰি। এই দেৱী গৰাকীৰ কল্পনাও লোক-বিশ্বাসৰপৰা উদ্ভুত বুলি ক'ব পাৰি।

লখিমী সবাহ অনুষ্ঠানৰ বাবে নিৰ্দিষ্ট কোনো তিথি বা সময় নাই। সাধাৰণতে ব'হাগ-জেঠ মাহত খেতি আৰম্ভ কৰাৰ আগতে, নাইবা প্ৰথম খেতি চপোৱাৰ দিনা আৰু ঠাই বিশেষে কেতিয়াবা খেতিৰ অনিষ্টকাৰী পোক-পৰুৱা আঁতৰাবলৈ এই অনুষ্ঠান পতা হয়। অৱশ্যে অসমৰ উজনি অঞ্চলতহে এই উৎসৱৰ প্ৰাদুৰ্ভাৱ বেছি। খৰালি মাহ কেইটাত লক্ষ্মীদেৱীয়ে পথাৰত নাথাকি নৈত বা পানীত আশ্ৰয় লয় বুলি এটি জনবিশ্বাস আছে। গতিকে এই উৎসৱৰ দিনা নৈৰ বা কুঁৱাৰপৰা পানী তুলি আনি লক্ষ্মী দেৱীক ঘটত স্থাপন কৰা হয়। খেতি চপোৱাৰ দিনা এই উৎসৱ পাতিলে প্ৰথম ধানত কাচিখন লগাবৰ দিনাই তিনি গোছা ধান কাটি আনি আগলি কলপাতত দি তামোল-পাণ, ধূপ-দীপ, নৈবেদ্য আদিৰে সেৱা জনাই আই লক্ষ্মী জ্ঞান কৰি নিকা ভঁৰালত স্থাপন কৰা হয়।

উজনি অসমত প্ৰচলিত এই লখিমী সবাহ অনুষ্ঠান হিন্দু আদৰ্শ আৰু আহোমসকলৰ লোকাচাৰৰ সংমিশ্ৰণত সৃষ্টি হোৱা যেন লাগে। এই উৎসৱত খাওখাম নামৰ আহোম দেৱতা এগৰাকীৰ উল্লেখে এই কথাক পতিয়ন নিয়ায়। কৃষিৰ লগত জড়িত এই উৎসৱটোৰ বৈশিষ্ট্য আমাৰ লোক-সংস্কৃতিৰ ইতিহাসত বিশেষভাৱে উল্লেখযোগ্য।

প্ৰ. শ. গো.

**।। লক্ষ্মী পূজা ।।**

দুৰ্গা পূজাৰ পিছত হোৱা পূৰ্ণিমা তিথিত শস্য আৰু সম্পদৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আইক অৰ্চনা কৰা হয়। কোনো কোনোৱে এই গৰাকী দেৱীক কোজাগৰী লক্ষ্মীও বোলে। কোজাগৰী শব্দ অৰ্থ উজাগৰ। যি গৰাকী দেৱীৰ পূজাৰ দিনা সকলো লোকে উজাগৰে থাকে, তেঁৱে কোজাগৰী লক্ষ্মী। বৃহস্পতিবাৰটো লক্ষ্মীবাৰ। সেই দিনা অসমত বহু শাহু-বোৱাৰীয়ে ঘৰে ঘৰে লক্ষ্মী চৰিত গাই লক্ষ্মীলৈ সেৱা ভাগ আগবঢ়ায় যদিও উলহ মালহৰে লক্ষ্মী পূৰ্ণিমাৰ দিনাখনহে দেৱীগৰাকীক পূজা-অৰ্চনা কৰাটো উল্লেখযোগ্য।

লক্ষ্মীৰ ধ্যানমন্ত্রত দেৱীগৰাকীৰ ৰূপৰ বৰ্ণনা পোৱা যায়ঃ দেৱীৰ দক্ষিণ ফালে পাশ আৰু জপমালা; বাঁওফালে পদ্ম আৰু অংকুশ। তেওঁ পদ্মাসনত উপবিষ্টা, ত্রিভুবনৰ মাতা, গৌৰবৰ্ণা, সুৰূপা আৰু সৰ্বালংকাৰ ভূষিতা। তেওঁৰ বাঁওহাতত স্বৰ্ণপদ্ম আৰু দক্ষিণহাত বৰদা মুদ্রা ৰতা।' দেৱীৰ পূজা মন্ত্ৰ 'ওঁ লক্ষ্মী দৈব্যে নমঃ' আৰু বীজমন্ত্ৰ 'শ্ৰীং'। লক্ষ্মীপূজাৰ অন্তত নাৰায়ণ, কুবেৰ (কুবেৰায় নমঃ) আৰু অষ্ট নিধিৰ পূজা (অষ্টনিধিভ্যো নমঃ) বাঞ্ছনীয়। লক্ষ্মীপূজা অসমৰ উজনি নামনি উভয়তে কম-বেছি পৰিমাণে উদ্‌যাপিত হয়। পূজাৰ নৈবেদ্য ৰূপে মাহ, প্ৰসাদ, পায়স প্ৰভৃতি আগবঢ়োৱা নিয়ম। ডঃ বিজয় শৰ্মাই দৰঙৰ লক্ষ্মীপূজাত পঠা ছাগলী বা পাৰ বলি দিয়াৰ কথা সদৰি কৰিছে। দৰঙৰ পূজাৰ বাবে নিৰ্মিত বেদীত লক্ষ্মী আৰু ইন্দ্ৰৰ যুগল ঘট প্ৰতিষ্ঠা কৰাৰ উপৰি ওজাপালিয়ে মুদ্ৰাসহ জাগৰ গীত পৰিবেশন কৰে। নামনি অসমত পূজাৰ অন্তত খুলীয়া ভাউৰীয়া, ওজাপালি, নাগাৰা নাম আৰু যাত্ৰা দলৰ নাটক পৰিৱেশিত হয়।

না.দা.

।। লতাকটা পুথি ।।

মধ্যযুগীয় অসমৰ খনিকৰসকলে ধৰ্মাশ্ৰিত গ্ৰন্থসমূহৰ পদ ভাগ সাঁচিপাত-তুলাপাতৰ সোঁমাজত ৰাখি অথবা পদভাগৰ ওপৰ বা কাষত বিষয়বস্তু জ্ঞাপক চিত্ৰ আঁকি সৌন্দৰ্য বৰ্ধনৰ বাবে ফলকৰ চাৰিওফালে ৰং বিৰঙৰ লতা আৰু ফুল বাচিছিল। এনেদৰে তুলাপাতৰ চৌপাশে পুষ্প-লতিকাৰ মণ্ডন কৰ্ম যুক্ত পুথিচিত্ৰক কোৱা হয় লতাকটা পুথি। সুদূৰ ইৰাণৰপৰা ভাৰতভূমিলৈ সম্প্ৰসাৰিত হোৱা পুথিত লতাকটা পদ্ধতিটো অসমৰ পুথিচিত্ৰৰ ক্ষেত্ৰতো ভুমুকি মাৰে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত সত্ৰীয়া খনিকৰ ৰাজসভালৈ গৈ চিত্ৰিত কৰা গীত-গোবিন্দৰ প্ৰথম ফলকটোৱে তাৰ জ্বলন্ত উদাহৰণ। অসমীয়া লতাকটা সাঁচি পতীয়া পুথিৰ আন এটি সুন্দৰ নিৰ্দশন হ'ল- হাজোৰ নিকটৱৰ্তী হৰিশিঙা গাঁৱৰ ভূপেন্দ্ৰনাথ চৌধুৰীৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সংগ্ৰহ কৰা এশ বাৰটা ফলকযুক্ত ভোলানাথ দ্বিজ ৰচিত শল্যপৰ্ব। লতাকটা অংশ পুষ্প-লতিকা, পশু-পক্ষী, গছ-গছনি, জ্যামিতিৰ আৰ্যাত তোলা চানেকি প্ৰভৃতিৰে সমৃদ্ধ।

নগাঁও কৰ্চুং সত্ৰত সংৰক্ষিত সংস্কৃত ভাগৱত পুৰাণৰ ষষ্ঠ-সপ্তম স্কন্ধটি বৰ্তমানে নি বৰদোৱাৰ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা কেন্দ্ৰৰ গ্ৰন্থাগাৰত সুৰক্ষা দিয়া হৈছে। সেইখনিও লতাকটা পুথিৰ সুন্দৰ নিদৰ্শন। নগাঁও হাতীচেং গাঁৱৰপৰা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সংগ্ৰহ কৰা ২৪ টা ফলকৰ সাঁচিপতীয়া নীতি-লতাংকুৰ খনো লতাকটা পুথি। মাধআতা সত্ৰৰ ৰাগুলী কীৰ্তনৰ খনিকৰ বিষ্ণুৰামে অংকন কৰা চলিহা বাবেঘৰ সত্ৰৰ ৰক্ষিত অজামিল উপাখ্যান নাট আৰু একেখনি সত্ৰতে ৰক্ষিত অধ্যাত্ম ৰামায়ণৰ সুন্দৰাকাণ্ড (লতাকটা কৰ্ম সম্পাদন কৰে পূৰ্ণকাম আতাই)। আউনিআটী সত্ৰত সংৰক্ষিত ভক্তি ৰত্নাৱলী আৰু পদ

ভাগৱত, গোৱালপাৰাৰ জিলাৰ গোসাঁইবৰি সত্ৰত সুৰক্ষিত আদ্য দশম, চাহাপৰী উপাখ্যান প্ৰভৃতি লতাকটা পুথিচিত্ৰৰ নাম একে উশাহতে ল'ব পাৰি। লতাকটা পুথিসমূহৰ নান্দনতাত্ত্বিক মূল্য কোনোপধ্যেই উপেক্ষা কৰিব নোৱাৰি।

না.দা.

**।। লাই হাৰাওবা ।।**

লাইহাওৰা মণিপুৰী ভাষাৰ শব্দ। ইয়াত অৰ্থঃ দেৱতাসকলৰ উৎসৱ। লাই শব্দই দেৱতা আৰু হাৰাওবা শব্দই আনন্দ নৃত্যত সূচায়। প্ৰথম অৱস্থাত লাই শব্দটোৱে লিংগ পূজাঁৰ প্ৰতীক হিচাপে ব্যৱহাৰ হৈছিল। পৰৱৰ্তী বৈষ্ণৱ সম্প্ৰসাৰণৰ মণিপুৰত আদিম ধৰ্মানুষ্ঠান আৰু দেৱ-দেৱীসকলৰ সমাদৰ অক্ষুণ্ণ থাকে। বৈষ্ণৱ দেৱ-দেৱীৰ সৈতে সেইতি দেৱ-দেৱীৰ সহাৱস্থান মন কৰিবলগীয়া। লাই হাৰাওবা যথাৰ্থতে এক সমন্বয়ৰ নৃত্য শৈলী। মইৰং লাই হাৰওবা আৰু উমং নাইহা ৰাওবা – এই দুই শাখাত খাম্বাথৈবী, নওপকু নিঙ থুপান থৈবী, মনজিঙ্‌ লাইৰেম্বী প্ৰভৃতি কাহিনীৰ অৱলম্বনত আলোচিত নৃত্য নাটিৰ অনুষ্ঠিত হয়। এই নৃত্যত তাণ্ডৱ আৰু লাস্যৰ মণিকাঞ্চন সংযোগ সুখকৰ। মূলত শৈৱ নৃত্যৰ লাই হাৰাওবা পৰৱৰ্তী বৈষ্ণৱ ৰাসনৃত্যৰ ভংগী পাৰেঙৰ প্ৰভাৱ সচিব নোৱাৰা। সাধাৰণতে প্ৰতিবছৰে চ'ত-ব'হাগ মাহত দহ-পোন্ধৰ দিন ব্যাপী এই উৎসৱ উলহ-মালহৰ মাজেদি উদ্‌যাপিত হয়। নিজৰ সুখ সমৃদ্ধিৰ উপৰি সমাজৰপৰা অশুভ শক্তিৰ অৱসান ঘটোৱাৰ মহান উদ্দেশ্যত মেইতেই সকলে তেওঁলোকৰ দেৱ-দেৱীসকলক জল-থল আদিৰপৰা আমন্ত্ৰণ কৰি অনাটো তাৎপৰ্য পূৰ্ণ। এই উৎসৱৰ প্ৰাৰম্ভিক অনুষ্ঠানটোৰ নাম লাই একাউবা। ইয়াৰ পিছত লাইথেম্বা, লাইকাবা, লাইহুম্বাৰ নৃত্য-নাট চলে। এই উৎসৱত নৃত্য কৰা পুৰোহিতসকল আ-মাইবা ৰূপে জনাজাত। এওঁলোকে প্ৰদৰ্শন কৰা দেৱ-বন্দনাৰ নৃত্য জগোই ওক্‌পা আৰু দেৱতাৰ জন্ম বৃত্তান্ত অংশ লাইপৌ নামে প্ৰখ্যাত।

ভিন্ন আঞ্চলিক ধাৰাৰ অনুসৰণত প্ৰচলিত লাইহাৰাওবা নৃত্য উৎসৱ বেণী বিশিষ্ট- কংগেলি, মৈৰাও আৰু চাক্‌পা। ভিন্ন নামত শিৱ-পাৰ্বতী সিবোৰত আৱিৰ্ভূত হয়। সিবোৰত কিছু ক্ৰীড়ামূলক অনুষ্ঠানৰ সংযোগ চকুত পৰে। জনপ্ৰিয় লোক গথা খাম্বাথৈবীৰ কাহিনীৰ অৱলম্বনত কৰা লাই হাৰাওবা নৃত্য মণিপুৰত সৰ্বাধিক প্ৰচলিত। এই নৃত্যত a refined element pervades the movement. On this level folk dancing is transformed into art.

*(আধাৰ গ্ৰন্থ ঃ গায়ত্ৰী চট্টোপাধ্যায় - ভাৰতেৰ নৃত্যকলা, সুৰচন্দ্ৰ শৰ্মা-মৈতি জগোই)।*

না.দা.

।। লাউচেকি।।

জেমি নগাসকলৰ গাভৰু চাং লাউচেকি ৰূপে পৰিচিত। দহ-এঘাৰ বছৰীয়া গাভৰুক লাউচেকিত ভৰ্তি কৰোৱা হয়। সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় নীতি-নিয়মৰ দীক্ষাগৃহ হ'ল - লাউচেকিসমূহ। ইয়াৰপৰা গাভৰুহঁতে গাঁৱত কোনো লোকৰ মৃত্যুৰ বতৰা পালে মৃতকৰ ঘৰলৈ গৈ খোৱা পানীৰ যোগান ধৰা, উৰলত ধান বনা, খৰিকটা প্ৰভৃতি এশ এবুৰি কামত সহায়ৰ হাত আগবঢ়ায়। গাভৰু চাঙৰ লগত সংলগ্ন ডেকা চাঙৰ ডেকাহঁতে গাভৰু চাঙলৈ গৈ অবাধ মিলা-মিচাৰ সুযোগ পায়। মনে মিলাৰ পিছত বিবাহ পাশত আবদ্ধ হয় যদিও তেওঁলোকৰ নিজা বংশৰ ভিতৰত বিয়া-বাৰু নিষিদ্ধ। বিয়াৰ পিছত জেমি নগাৰ কোনো ডেকা - গাভৰুক ডেকা চাং (হাংচৌ কিয়া) বা গাভৰু চাঙত (লাউচেকি) ৰাতি থাকিবলৈ অনুমতি দিয়া নহয়।

না. দা.

।। লাও টোকাৰী/একতাৰা।।

ঘূৰণীয়া শুকান লাও এটাৰ গুৰিৰ ফালে অৰ্ধেকাংশ কাটি এপাব বাঁহৰ এটা মূৰে গাঁঠিটো ৰাখি আনটো মূৰ দুফাল কৰি চাঁচি-চুচি চিকুণাই সেইটো লাও খোলাটোত বান্ধি দিয়াৰ পিছত খোলাটোৰ তলফালে সৰুকৈ ফুটা এটা কৰি তাঁৰ এডালৰ এটা মূৰ তাত সুমাই দি টানকৈ বন্ধা প্ৰয়োজন। আনটো মূৰ বাঁহ পাবৰ গাঁঠিটোৰ কাষত ফুটাই সংস্থাপন কৰা বাঁহৰ শলাডালত টান-ঢিলা কৰিব পৰাকৈ বান্ধি দি সোঁহাতৰ তৰ্জনী আঙুলি বুলাই বাদ্যটো বজোৱা হয়। এক তাঁৰ যুক্তগুণে ইয়াৰ আন নাম একতাৰা। দেহ বিচাৰৰ গীত গাবলৈ ব্যৱহাৰ কৰা লাও টোকাৰীৰ বহুল প্ৰয়োগ অবিভক্ত গোৱালপাৰা জিলাত দেখা যায়। বৈষ্ণৱসকলৰ উপৰি মুছলমানসকলেও ইয়াক ব্যৱহাৰ কৰে। বাংলাদেশৰ চিলেটত এই বাদ্য বজাই ফুৰা বৈষ্ণৱক লাউয়া বৈৰাগী আৰু মুছলমান ফকিৰক লাউয়াপীৰ বোলা হয়। ৰংপুৰ জিলাত এই বাদ্যটো বসমতি ৰূপে পৰিচিত। পশ্চিমবংগৰ বাউলসকলৰ মাজত লাওটোকাৰী বা একতাৰা বৰ জনপ্ৰিয়।

না. দা.

।। লাওপল্লা বা লাওপুলি পিঠা।।

আঠমঙলাৰ দিনা দৰা আৰু তেওঁৰ লগত যোৱা বন্ধু বান্ধৱ আৰু আত্মীয় স্বজনক অন্য লাৰু পিঠাৰ লগতে লাওপল্লা পিঠা আগবঢ়োৱাটো অপৰিহাৰ্য আছিল। আগতে নামনি অসমত ব'হাগ বিহুত এইবিধ পিঠা ঘৰে ঘৰে তৈয়াৰ কৰা হৈছিল। পিঠাবিধ প্ৰস্তুত কৰিবলৈ কুমলীয়া লাও এটা, পিঠাগুড়ি, গুড় আৰু মিঠাতেলৰ প্ৰয়োজন। পোনতে লাওটোৰ বাকলি গুচাই মিহিকৈ কুটি এটা পাত্ৰত পানী দি সিজাব লাগে। আন এটা সাজত গুড় উতলাই ৰাখি পিঠাগুড়িবোৰ আধা ভজা কৰি লৈ ইতিমধ্যে সিজি থকা পানী

আঁতৰোৱা লাও আৰু অলপ গুড় মিহলাই ভালদৰে সানি ঘিলা অথবা দীঘলীয়াকৈ পিঠা সাজি গৰম মিঠাতেলত (বহুতে ৰিফাইন অথবা ডালডাতো ভাজে) ৰঙচুৰাকৈ ভাজি নমাই থৈ ঠাণ্ডা হ'লে সিবোৰ আকৌ ইতিমধ্যে গলাই থোৱা গুড়ৰ পাত্ৰত ঢালি কিছু সময় ৰখাৰ পিছত নিজস্ব স্বাদযুক্ত লাও পুলি পিঠা প্ৰস্তুত হৈ উঠে। এনেদৰে পিঠা জুলীয়া গুড়ত ডুবাই চাৰি-পাঁচ দিনলৈ খাব পাৰি। কোনো কোনোৱে অৱশ্যে জুলীয়া গুড়ত নিদিয়াকৈ শুকানে পৰিৱেশন কৰে।

জ্যো. দা.

।। লাটুম খেল ।।

গাঁৱলীয়া যুৱা কিশোৰৰ মাজত প্ৰচলিত এবিধ জনপ্ৰিয় খেল হ'ল লাটুম খেল। গ্ৰাম্য অঞ্চলত সহজ লভ্য কাঠেৰে সজা লাটুমটো কণীৰ আকৃতিৰ। ই ওখই ছয়-সাত ছে.মি. আৰু বহলে পাঁচ ছয় ছে.মি.। ইয়াৰ ওপৰ অংশটো গোলাকাৰ আৰু তললৈ শংকুৰ লেখীয়া। শংকুৰ মূৰটোত কিছু ওলাই থকাকৈ এটা গজাল পোতা নিয়ম। এডাল ক্ষীণ টান ৰচীৰে তলৰ জোঙটোৰপৰা ওপৰলৈ মেৰাই মূৰত থকা খাঁজটোত শেষ কৰি অৱশিষ্ট প্ৰায় যাঠি ছে.মি. ৰচীডালৰ মূৰত এটা ফাঁচি গাঁথি লগাই সেইটো হাতৰ কেঞা আঙুলি এটাত লগাই বিশেষ কিটিপেৰে মাটিলৈ নিক্ষেপ কৰাৰ পিছত লাটুমটো সূতাৰপৰা মুকলি হৈ মাটিত ঘূৰিবলৈ ধৰে। সূতাডাল হাততে ৰয়। একে সময়তে কেবাবাৰো মাটিত লাটুমটো নিক্ষেপ কৰাৰ পিছত যিটো লাটুম অধিক সময় ঘূৰি থাকে, সেই লাটুমৰ গৰাকী জয়ী হয়। কেতিয়াবা এজনে লাটুমটো মাটিত নিক্ষেপ কৰাৰ পিছত আন এজনে লাটুমেৰে আক্ৰমণ কৰে। যাৰ লাটুম পৰি যাব, তেওঁ পৰাজয় বৰণ কৰিবলৈ বাধ্য।

প্ৰ.দা.

।। লাপাং।।

অৰুণাচল প্ৰদেশৰ আপাটানিসকলৰ মিটে মুৰাৰ বংশৰ প্ৰতিটো ফৈদৰে একোখনিকৈ লাপাং অৰ্থাৎ ডেকা চাং আছে যদিও তাত কোনো গাভৰুৱে ৰাতি শোৱামেলা নকৰে। দৰাচলতে লাপাঙবোৰ সভা-সমিতি, উছৱ-পৰৱ, বিচাৰ প্ৰভৃতি কৰাৰ সমূহীয়া কেন্দ্ৰ। ইয়াৰ উপৰি আপাটানিসকলৰ প্ৰতিটো ফৈদৰে একোখনিকৈ নাগ' আছে- য'ত চিকাৰ কৰি অনা জীৱজন্তুবোৰ উছৰ্গা কৰি পূজা-পাতলৰ ব্যৱস্থা কৰে। লাপাঙত বহা বিচাৰ সভা তিনিধৰণৰ- ক) আঁকা বুলিয়াং, খ)ইয়েপা বুলিয়াং আৰু গ) আজং বুলিয়াং। গাঁৱৰ প্ৰতিটো বংশতে বৃদ্ধ বিজ্ঞলোকৰ দ্বাৰা গঠিত বিচাৰ সভাক আঁকা, আদহীয়া লোকেৰে গঠিত বুলিয়াঙক ইয়েপা আৰু ডেকাৰদ্বাৰা গঠিত সভাক আজং কোৱা হয়। বুলিয়াঙত বিচাৰ কৰা বিষয়সমূহৰ ভিতৰত হাই-কাজিয়া মাটি-বাৰীৰ সমস্যা, পূজা-পাৰ্বণ অনুষ্ঠিত কৰা, চুৰি-ডকাইতিৰ বিচাৰ প্ৰভৃতিয়ে প্ৰধান। লাপাং অনুষ্ঠানৰ সৈতে অসমীয়া নামঘৰৰ

একাধিক দিশত সাদৃশ্য দেখা যায়।

না. দা.

।। লেৱাটানা বিহু ।।

অসমৰ আদিম জনগোষ্ঠীৰ হাজংসকলৰ এটা উল্লেখযোগ্য বসন্তকালীন উৎসৱ হ'ল লেৱাটানা। বড়োসকলৰ বৈছাগু, ৰাভাসকলৰ বায়খো উৎসৱৰ দৰে হাজংসকলৰ এই লেৱাটানা উৎসৱ আচলতে বিহু নৃত্যহে। লেৱা মানে লতা আৰু টানা মানে টনা। বিহু গীতত ডেকা- গাভৰুৰ মাজত প্ৰেমক লৈ টনা আজোৰাৰ যি চিত্ৰ দেখিবলৈ পোৱা যায়, অনুৰূপ চিত্ৰ লেৱাটানা উৎসৱতো দেখা যায়। হাজং ডেকা-গাভৰুসকলে লেৱাটানা নৃত্য আৰু গীত পৰিৱেশন কৰোঁতে ল'ৰা আৰু ছোৱালীৰ দুটা দলত বিভক্ত হয়। হাজং ডেকা ল'ৰা সকলে আঁঠুলৈকে গামোচা পিন্ধে আৰু গাভৰু ছোৱালীবিলাকে বুকুৰপৰা আঁঠুলৈকে ৰংচঙীয়া মেথনি মাৰে। কঁকালত বুক আগ্ৰন (দীঘল ফুলাম গামোচা) আৰু বিভিন্ন আ-অলংকাৰ পিন্ধি ডেকা-গাভৰু প্ৰত্যেকে হাতত একোখনকৈ ৰুমাল লৈ মুখামুখিকৈ শাৰী পাতি ৰুমাল জোকাৰি অগা পিছাকৈ নাচি নাচি গীত গায় ঃ

চিৰা চিৰা পানীতে / কাউচা ডিমা পাৰিছে / চল বৈনী বিচিৰিবাক খাং।

অসমীয়া বিহু গীতৰ লগত সদৃশ্য থকা এনেবোৰ গীতত প্ৰেমৰ মাধুৰ্য প্ৰবহমান।

উৎসঃ লোক সংস্কৃতিৰ সঁফুৰা গ্ৰন্থৰ নীলকান্ত হাজঙৰ হাজং বিহু লেৱাটানা প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

কি.ক.

।। লোকাপাৰ।।

অসমৰ যোৰহাট অঞ্চলত গঢ়োৱা এইবিধ বিশেষ আৰু আপুৰুগীয়া অলংকাৰ। ই পিঠিয়া-পিঠিকৈ থকা চাৰিটা পাৰ চৰাইৰ আৰ্হিৰ। সাধাৰণতে ইয়াক ৰঙা আৰু সেউজীয়া পাথৰেৰে সোণত খচিত কৰি গঢ়োৱা হয়। লোকাপাৰ অসমীয়া মহিলাৰ বৰ হেঁপাহৰ আৰু আদৰৰ বস্তু। ই এবিধ সুৰুচিপূৰ্ণ আৰু মৰ্যাদাসম্পন্ন অলংকাৰ। আহোম ৰজা-মহাৰজাৰ আৰু ডা-ডাঙৰীয়াসকলে লোকাপাৰ পৰিধান কৰিছিল বুলি বুৰঞ্জীয়ে আমাক জানিবলৈ দিছে। আহোমৰ দিনত উৎসৱ-পাৰ্বণ আদিত লোকাপাৰ পৰিধান কৰাটো এটা পৰম্পৰাৰ দৰে আছিল। এই পদ অলংকাৰত বাখ্ৰাম বা মিনা কৰা থাকে আৰু ই কাণৰ লতিত ঝুমকাৰ দৰে ওলমি থাকে। পাৰকেইটি পিঠিয়া-পিঠিকৈ থকাৰ বাবে দেখাত ইয়াক অশোকস্তম্ভৰ সিংহ কেইটাৰ দৰে লাগে। পাৰ চাৰিটাৰ মূৰৰ ওপৰৰপৰা চাৰিডাল শিকলি গৈ কাণৰ লতিত লাগি থকাকৈ থকা সোণৰ বিৰিটোত লগ লাগে। পাৰকেইটাৰ ঠেং কেইখনত মুকুতামণিৰ দৰে লটকন গঁঠা থাকে। ইয়াৰ বিৰিটোৰ পিছফালে এডাল হাঁকোটা লগোৱা থাকে - হাঁকোটাডালৰ সহায়ত কাণৰ লতিৰ ফুটাত এই বিশেষ অলংকাৰ

পদ পৰিধান কৰা হয়। চৰাইৰ আকৃতিৰ লোকাপাৰৰ দৰে কাণফুলিক খণ্ডখিলি বুলিও কোৱা হয়। প্ৰ. শ. গো.

**।। ৰ'ল কেতেৰ ।।**

ৰ'ল কেতেৰ কাৰ্বিসকলে ফেব্ৰুৱাৰী-মাৰ্চ মাহত উদ্‌যাপন কৰা এক বছৰেকীয়া পূজা অনুষ্ঠান। জিৰই (সাধাৰণ কাৰ্বি প্ৰজাৰ আবাস ভূমি)ৰ লোকে কৰিব নোৱাৰা এই অনুষ্ঠান কেৱল পিনপ (ৰাজ বিষয়া) সকলেহে উদ্‌যাপন কৰিব পাৰে। ৰাজ বিষয়াসকলে হাবেপি লংৰি আৰু উম্‌লাৰং লংৰিৰ হাবে (লিন্দকপ'ৰ আলতীয়া বিষয়া)ৰ ঘৰলৈ আহি পূজাৰ দিন বাৰ থিৰাং কৰি যা-যোগাৰসহ নিৰ্দিষ্ট দিনত ৰাজধানীলৈ আহিবলৈ কিদ অৰ্থাৎ ৰাজ আজ্ঞা জ্ঞাপন কৰে। এই পূজাৰ কাৰণে হাবেলি অঞ্চলে ডাক দিয়া ৰঙা কুকুৰা চাৰিটা, মদ এশ বটল, তামোল-পাণ, ধপাত আৰু নগদ ধন কৃৰিৰপৰা পঞ্চাছ আৰু উম্‌লাৰং অঞ্চলে ডাক দিয়া দুটা ৰঙা আৰু এটা বগা কুকুৰা লগতে হাবেপিৰ সমানেই মদ, তামোল-পাণ, ধপাত আদি ৰাজভঁৰালীক জমা দিব লাগে। পূজাৰ যাৱতীয় বস্তুৰ উপৰি শুকান মিছামাছ, শুকুৱাই থোৱা কাউৰী-কেৰেলা আৰু শুকান ফিৰিঙী জলকীয়া নিব লাগে। ৰজাৰ কিদ' পোৱাৰ পিছত হাবে দুজনে এই সম্ভাৰবোৰ লৈ মুক্ৰাং দেৱতালৈ পূজা আগবঢ়াই ৰাজধানীলৈ যাত্ৰা কৰে। তাত ৰাজপুৰোহিত কাথাৰ বুৰাক পূজা সম্পাদন কৰিবলৈ অনুৰোধ কৰে আৰু আটাইবোৰে গৈ পূজাৰ কাৰণে ৰজা লিন্দকপ'ৰ অনুমতি বিচাৰে আৰু পূজাত মুখ্য আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়।

ৰ'ল কেতেৰ অনুষ্ঠান সাধাৰণতে শুক্লপক্ষতহে অনুষ্ঠিত কৰা হয়। মূল পূজাৰ দিনটোক ঘিৰলা আৰু তাৰ আগৰ দিনটোক থিমিত বোলে। থিমিতৰ দিনাখন ছেছাদী বোধন অনুষ্ঠানৰ আয়োজনেৰে দেৱতাসকলক পূজালৈ আহ্বান জনায়। ঘিৰলাৰ দিনাখন কাথাৰ বুৰাই উম্‌ৰাছি জুৰিত স্নান কৰি এক নিৰ্দিষ্ট স্থানত পূজাৰ কাৰণে যাৱতীয় কাৰ্য সম্পন্ন কৰে। বহুযুগীয়া ঐতিহ্য বহন কাৰী ল'ৰিং অৰ্থাৎ খাৰ গছ এজোপাৰ গুৰিত তিনিটা বেদী স্থাপন কৰা হয়। সেইকেইটা যথাক্ৰমে হেমফু, মুক্ৰাং আৰু ৰাছিংজা দেৱতাৰ বেদী। হেমফু, মুক্ৰাং দুয়ো পুৰুষ দেৱতা আৰু ৰাছিংজা হ'ল এগৰাকী দেৱী। এই দেৱদেৱী সকল হিন্দুৰ বিষ্ণু, শিৱ আৰু মহাকালীৰ সমপৰ্যায়ৰ বুলি অনুমান কৰিব পাৰি। নৈবেদ্য স্বৰূপে হেমফু আৰু মুক্ৰাং দেৱতালৈ ৰঙা কুকুৰা দুটা আৰু ৰাছিংজা দেৱীলৈ বগা ৰঙৰ কুকুৰাটো উছৰ্গা কৰা হয়। পূজাৰ শেষত আহাৰাদি গ্ৰহণ কৰাৰ লগে লগে আৰু সামাজিক মান আদি বিতৰণ কৰা হয়। পূজাৰ সামৰণি কাৰ্য অতি তাৎপৰ্যপূৰ্ণ। ৰজা-প্ৰজা একত্ৰিত হৈ হেমফু, মুক্ৰাং আৰু ৰাছিংজা দেৱীক পৱিত্ৰ অন্তৰেৰে নৈবেদ্য আগবঢ়ায়। তিনিটা গীতেৰে ৰাজপুৰোহিতে এই পূজা অনুষ্ঠানৰ সামৰণি মাৰে। গীত তিনিফাঁকিয়ে কৃষিজীৱী কাৰ্বিসকলৰ ধ্যান-ধাৰণাৰ স্বৰূপ প্ৰকাশ কৰে।

(ৰংবং তেৰাঙৰ কাৰ্বি সংস্কৃতি প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

কি.ক.

।। বানচোৱা ।।

তিৱাসকলৰ এটা উল্লেখযোগ্য লোক উৎসৱ হ'ল বানচোৱা অৰ্থাৎ পিঠাগুড়ি খুন্দা উৎসৱ। জুন-জুলাই মাহত সাধাৰণতে মঙলবাৰৰপৰা বৃহস্পতিবাৰলৈ এই উৎসৱ পালন কৰা হয়। তিৱাসকলৰ মাজত আমচাই, মাৰ্জং, ৰংখাই, আমলি, আমখা, আমৰি আদি বিভিন্ন ফৈদ আছে। সকলোবোৰ ফৈদে একেদিনাই এই উৎসৱটো পালন নকৰে। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰেহে এই বানচোৱা উৎসৱটো নিৰ্দিষ্ট ফৈদবোৰে পালন কৰে আৰু যিটো ফৈদে এই উৎসৱটো পাতে সেই ফৈদৰ লোকসকলেহে ইয়াত অংশগ্ৰহণ কৰিব পাৰে।

বানচোৱা অনুষ্ঠানটো আৰম্ভ কৰাৰ আগেয়ে ইষ্ট দেৱতাক সন্তুষ্ট কৰিবলৈ এটা গাহৰি উৎসৰ্গা কৰা হয়। এই উৎসৱ পালন কৰা হয় চামাদি (ডেকাচাং)ৰ প্ৰধাৰ মুৰব্বী চাংদলৈৰ চোতালত। পিঠাগুড়ি খুন্দিবৰ বাবে চোতালত প্ৰায় ২০/২১ টা মান উৰল পুতি থোৱা হয়। আনহাতে যিসকল পাঠাই পিঠাগুড়ি খুন্দিব তেওঁলোকে অইন এঘৰত ধুতী, তাগলা (জেকেট) আৰু খেনাছ (পাগুৰি) এই পৰম্পৰাগত পোচ্ছাক পৰিধান কৰে। নিৰ্দিষ্ট সময়ত তেওঁলোকক চাংদলৈৰ ঘৰলৈ আদৰণি জনোৱা হয়। পাঠাসকল চাংদলৈৰ চোতালত উপস্থিত হ'লে দুগৰাকীমান যুৱতীয়ে তেওঁলোকক বাঁহৰ চুঙাত জু (মদ) আপ্যায়ন কৰে আৰু কিছুমানে উৰলৰ চাৰিওফালে খ্ৰাম (ঢোল), পংশী (বাঁহী) বজাই থাকে। চাংদলৈৰ ঘৰৰ ভিতৰৰপৰা অইন এটা পাঠাৰ দলে ইজনে সিজনৰ কঁকালত ধৰি নাচি নাচি স্তুতি গীত গাই চোতাললৈ ওলাই আহে আৰু তেওঁলোকৰ লগত পূৰ্বৰ পাঠাৰ দলটোৱেও লগ হৈ উৰলৰ চৌদিশে ঘূৰি ঘূৰি নাচিবলৈ ধৰে। নাচৰ শেষত পাঠাসকলে উৰলৰ ওপৰৰপৰা কলপাত গুচাই তিয়াই থোৱা চাউলবোৰ খুন্দিবলৈ ধৰে। চাংদলৈৰ চোতালত সমবেত একে ফৈদৰ আন আন লোকসকলেও তেতিয়া এই পিঠাগুড়ি খুন্দাত ভাগ লয় আৰু আনন্দত মতলীয়া হৈ ইজনে আনজনৰ গালৈ পিঠাগুড়ি ছটিয়াই আৰু গালে মুখে সানে। তাৰ পিছত পিঠাগুড়ি খুন্দাৰ বাবে ৰখা অৱশিষ্ট চাউলখিনি প্ৰত্যেকৰে মাজত অলপ অলপকৈ বিৰতণ কৰা হয়। ইয়াক লক্ষ্মী ঘৰলৈ নিয়া বুলি কয়। পিঠাগুড়ি খুন্দা শেষ হোৱাৰ পিছত উৰলৰ মাৰিবোৰ চোতাললৈ দলিয়াই দি বানচোৱা উৎসৱৰ সামৰণি মাৰে।

(অসমীয়া প্ৰতিদিন কাকতৰ এনাজৰী ২৬ মে ২০০৭ ত প্ৰকাশিত মনোজ অগস্তিৰ পিঠাগুড়ি খুন্দা উৎসৱ শীৰ্ষক নিবন্ধৰ আধাৰত যুগুতোৱা।)

কি.ক.

**।। শংখ ।।**

'শংখ ঘন্টা কৰতাল, দুন্দুভি বজাৱে ভাল, ঢাক ঢোল ডগৰ নাগাৰা (দৰং ৰাজবংশাৱলী)। ভাৰত ভূমিৰ কাশ্মীৰৰপৰা কন্যাকুমাৰীলৈ আৰু অসমৰপৰা গুজৰাটলৈকে মাংগলিক বাদ্যৰূপে শংখৰ স্বীকৃতি মুন কৰিবলগীয়া। হৰপ্পাৰ ধ্বংসাৱশেষত প্ৰাপ্ত শংখৰ অৱশেষে এইবিধবাদ্যৰ প্ৰাচীনতাত এচেৰেঙা পোহৰ পেলায়। পঞ্চ মহাসভাৰ অংগৰূপ শংখক বেদত বকুৰ ৰূপে আৰু সূত্ৰ সাহিত্যত গোমুখ ৰূপে জনা গৈছিল। যুদ্ধ বিগ্ৰহাদিত বহুল পৰিমাণে ব্যৱহৃত শংখৰ নাম মহাকাব্য দুখনিত ভৰি আছে। ভৰতে ৰামচন্দ্ৰক লগধৰাৰ বাবে নন্দিগ্ৰামলৈ যোৱাকালত তেওঁৰ লগত শংখ আৰু দুন্দুভি বাদকৰ দল এটি যোৱাটো উল্লেখ কৰিবলগীয়া। শ্ৰী কৃষ্ণৰ হাতৰ শংখ বাদ্যটিৰ ৰূপময় ৰসাশ্ৰয়ী বৰ্ণনাৰে শ্ৰী মদ্ভাগৱত ভাস্বৰ। এবিধ সাগৰীয় শামুকৰ খোলাটোৰে এইবাদ্য নিৰ্মিত হয়। শামুকটোৰ মূৰৰ বন্ধ ফালটোত এনেভাৱে সৰু ফুটা এটা কৰা হয়, যাতে সেইটো ফুৰাই দিলে মুখৰ বতাহখিনি গৈ ভিতৰফালৰ পাকখোৱা অংশটোত সোমাব পাৰে। পোনপতীয়াভাৱে ফুন্দি বজোৱা শংখ ঘন্টাধ্বনি আজিও হিন্দু মঠ-মন্দিৰৰ নিত্য আৰতিৰ কালত বজোৱা হয়।

(বি. চৈতন্যদেৱৰ ভাৰতীয় বাদ্যযন্ত্ৰৰ আধাৰত যুগুতোৱা)

না. দা.

**।। শবৰোৎসৱ ।।**

শাক্তসকলৰ বিভিন্ন উৎসৱৰ ভিতৰত কুমাৰী পূজা আৰু শবৰোৎসৱে বহুতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ। কালিকা পুৰাণত (৬১।১৭-২৩) এই উৎসৱৰ আহল-বহল বৰ্ণনা দিয়ালৈ চাই এটা কালত এই উৎসৱ উত্তৰ-পূৰ্ব ভাৰতত প্ৰচলিত থকা বুলি অনুমান কৰিব পাৰি। এই উৎসৱ শবৰাদি আৰ্যভিন্ন লোকৰ মাজত প্ৰচলিত অশ্লীল আমোদ-প্ৰমোদৰপৰা অহা বুলি কোৱাত অসুবিধা নাই। ড° বাণীকান্ত কাকতিয়ে পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা গ্ৰন্থত লিখিছে, সবৰসকল হ'ল দাক্ষিণাত্যৰ আদিম জাতি। তেওঁলোকে প্ৰৱৰ্তন কৰা বাবেই বোধহয় উৎসৱটোৰ নাম শবৰোৎসৱ। শাৰদীয় উৎসৱৰ বিজয়া দশমীৰ দিনা দেৱী দুৰ্গাক বিসৰ্জন দিয়া কালত এই উৎসৱৰ আয়োজন কৰা বাঞ্ছনীয়। পুৰাণকাৰে লিখিছে, - 'বিজয়া দশমী তিথিৰ শ্ৰৱণা নক্ষত্ৰৰ অন্তিম পাদত শবৰোৎসৱেৰে সৈতে দেৱীক পানীত বিসৰ্জন দিব। সুবেশা কুমাৰী, বেশ্যা আৰু নৰ্তক কিছুমানক লগত লৈ নানাবিধ ধ্বজ আৰু বস্ত্ৰ উৰাই আখৈ, ফুল প্ৰভৃতি সিঁচৰতি কৰি, ধূলি-বোকা চটিয়াই ক্ৰীড়া-কৌতুক আৰু মংগলাচৰণৰ লগে লগে স্ত্ৰী-পুৰুষৰ গুপ্তাংগৰ নাম কৈ ভগ-লিংগৰ গীত গাই জনগণে প্ৰভূতভাৱে ধেমালি কৰিব লাগে। যি পুৰুষে এই উৎসৱত যোগ নিদিয়ে সেই পুৰুষৰ ওপৰত দেৱী ক্ৰুদ্ধা হৈ শাপ দিয়ে।'

বংগদেশৰ স্মৃতি-নিবন্ধকাৰ শূলপাণিয়ে দুৰ্গোৎসৱ বিবেকত শবৰোৎসৱ পালনৰ নিৰ্দেশ দিছে। স্মৃতিশাস্ত্ৰকাৰ ৰঘুনন্দনৰো একেই নিৰ্দেশ ঃ 'সংপূজ্য প্ৰেষণং কুৰ্য্যাৎ দশম্যাং শাবৰোৎসবৈ'। (তিথিতত্ত্ব। ২৮ তত্ত্বম) বৃহদ্ধৰ্মপুৰাণত অশ্লীল সংগীতেৰে শবৰোৎসৱ পালনৰ বিধান দিছে - 'ভগালিংগাভিধানৈশ্চ শৃংগাৰ বচনৈস্তথা গানং কাৰ্যম'। (২২।২৩) ড° জিতেন্দ্ৰনাথ বন্দ্যোপাধ্যায় ডাঙৰীয়াই পঞ্চোপাসনা (পৃষ্ঠা ২৮৪) মেৰুতন্ত্ৰৰপৰা শ্লোকচয়ন কৰি দেখুৱাইছে যে বামাচাৰী তন্ত্ৰ সাধনাৰ পাঁচটি শাখাৰ অন্যতম হ'ল - শাবৰমাৰ্গ। এই উৎসৱ বংগদেশৰ পাল নৃপতিমণ্ডলীৰ ৰাজত্বকাললৈ প্ৰচলিত আছিল। নদীয়াৰ মহাৰাজা কৃষ্ণচন্দ্ৰয়ো দুৰ্গোৎসৱৰ সামৰণিত আত্মীয়-স্বজন সহ শবৰোৎসৱ পালন কৰা বুলি শুনা যায়। সময়ৰ অগ্ৰগতিৰ লগে লগে এই উৎসৱে মেলানি মাগিব লগাত পৰিল।

না. দা.

।। শৰাই ।।

শৰাইখন অসমীয়া সংস্কৃতিৰ এপদ অনবদ্য সম্পদ। ই একেধাৰে সন্মানৰ প্ৰতীক, থাপনাৰ আসন, নৈবেদ্য-পাত্ৰ আৰু উপহাৰ তথা গৃহসজ্জাৰ কলাত্মক সামগ্ৰী। পিতল আৰু কাঁহ উভয়ৰে শৰাই নিৰ্মাণ কৰিলেও পিতলৰ শৰাইৰ প্ৰচলন বেছি। ফুলাম পিতলৰ শৰাই অসমীয়া শিল্পীৰ শিল্প নৈপুণ্যৰ পৰিচায়ক। আঢ্যৱন্ত লোকৰ ঘৰত ৰূপৰো শৰাই দেখা যায়। বনকৰা তামৰ শৰাই দেখিবলৈ ধুনীয়া। কিছুমান শৰাইত ঢাকনি থাকে - আন কিছুমানত নাথাকে। অসমত শৰাইৰ চলতি কেতিয়াৰপৰা হ'ল তাক নিশ্চিতভাৱে কোৱা টান। মধ্যযুগত সিংহাসনৰ সন্মুখত নৈবেদ্য দিবলৈ আৰু সত্ৰাধিকাৰসকলক সেই বিষ্ণু নৈবেদ্য আগবঢ়াই দিবলৈ সন্মানাৰ্থে ব্যৱহাৰ কৰা হৈছিল শৰাই। সত্ৰবোৰত অদ্যাপি এই দুই কৰ্মত বিনে আন কামত শৰাইৰ ব্যৱহাৰ নহয়। অন্য পাত্ৰতকৈ শৰাইৰ মান্যতা সদায় বেছি। বৰ শৰাইত ভাগৱত আদি স্থাপন কৰা, মধ্যমীয়া শৰাইত নৈবেদ্য অৰ্পণ আৰু সৰু শৰাইত উপহাৰ, তামোল-পাণ প্ৰভৃতি আগবঢ়োৱা হয়। সময়ত ধাতৱ শৰাইৰ উপৰি কাঠ আৰু বাঁহৰো শৰাই সাজি উলিওৱা হৈছে। কাঠৰ শৰাইবোৰত হাইতালেৰে বোলাই দেখাত সুন্দৰ কৰি তোলাৰ প্ৰযত্ন পৰিলক্ষিত হ'লেও কাঠ, বাঁহ অথবা কাঁহৰ শৰাইত সত্ৰসমূহত নৈবেদ্য আগবঢ়োৱা ৰীতি আজিলৈ চলা নাই।

আহোমৰ ৰাজত্ব কালত ৰজা, ডা-ডাঙৰীয়া আৰু গুৰুজনক অসমীয়া লোকে শৰাই আগবঢ়াই সন্মান যাচিছিল। চ'তৰ বিহুৰ দিনাখন ৰঙচৰি গোৱা সকলৰ্লৈ ফুলাম গামোচা এখনেৰে তামোল-পাণ সহ টকা এটি শৰাই এখনত আগবঢ়োৱাটো এটা পুণ্যৰ কৰ্ম ৰূপে বিবেচিত হৈছিল ঃ

চ'তৰে চকৰী ব'হাগত বগৰী/ জেঠতে অমনা ধান;
চ'তৰ বিহুৰ দিনাখন শৰাইখন যাচিবা/ তেহে পাবা বৈকুণ্ঠত থান।।

অবশ্যে 'ৰূপৰ চকলা' হীন শৰাই বিহুৱা ডেকাইঁতে গ্ৰহণ কৰিবলৈ টান পাইছিল-

কৰদৈ চকলা পাত সমনীয়া/ কৰদৈ চকলা পাত।
ৰূপৰে চকলা নেপাওঁ এ মানে/ শৰাইলৈ নেমেলো হাত।।

বৈশিষ্ট্যপূৰ্ণ শৰাই সম্পৰ্কে আমাৰ দেশৰ কথাই নকওঁ, সুদূৰ আমেৰিকাতো ইয়াৰ বিদ্যায়তনিক অধ্যয়ন হোৱাটো তাৎপৰ্যপূৰ্ণ।

না. দা.

**।। শলিতা লগোৱা ।।**

সাঁজ/সাজ (বা লাও) পানী হৈছে টাই-আহোমসকলে ঘৰতে প্ৰস্তুত কৰা এবিধ পানীয়। ইয়াৰ পৰিবেশনৰো এক সুনিৰ্দিষ্ট নিয়ম আছে। এই নিয়মৰ লগতে শলিতা লগোৱা কথাষাৰৰ প্ৰাসঙ্গিকতা আছে। সাঁজপানী গৃহস্থই নিজে ব্যৱহাৰৰ কৰাৰ উপৰি অতিথি সৎকাৰ আৰু পৰম্পৰাগত বহু পূজা-পাৰ্বণত নৈবেদ্যৰ লগত এক উপকৰণ হিচাপে আগবঢ়ায়। সাঁজপানী উপৰি পুৰুষক প্ৰথমে অৰ্পণ নকৰাকৈ গৃহস্থই খাব নোৱাৰে। সাধাৰণতে বিহু, খেতিৰ আৰম্ভণীৰ দিনা, মৃতকৰ বাৰ্ষিক সকামৰ দিনা কেইজনমান ভকতক নিমন্ত্ৰণ কৰি নতুনকৈ তৈয়াৰ কৰা সাঁজপানীৰে আপ্যায়ন কৰাকে বহুতে শলিতা লগোৱা বুলি কয়। এনে অনুষ্ঠানত মাহ-প্ৰসাদ আদি উপকৰণ নাথাকে। কেৱল সাঁজ পানীৰ লগতে মাংস ৰান্ধি দিয়া হয়। ভকতৰ আগত চাকি শলিতা লগাই গৃহস্থই আঁঠু লয়। ভকতসকলে কলহৰ উৎকৃষ্ট অংশ উপৰি পুৰুষলৈ উৎসৰ্গা কৰি গৃহস্থক আশীৰ্বাদ দিয়ে। ভকতক আপ্যায়ন কৰাৰ পিছতহে সেই সাঁজপানী গৃহস্থই গ্ৰহণ কৰে।

সো. বু.

**।। শাওনীয়া পূজা বা হাওনীয়া পূজা।।**

দেউৰীসকলৰ ব'হাগ বিহু জেঠ মাহৰ প্ৰায় শেষলৈকে চলি থাকে। জেঠ মাহৰ পিছত আহাৰ মাহ আৰম্ভ হয় আৰু আহাৰ মাহৰ সাতদিনৰপৰা দহ দিনৰ ভিতৰত অম্বুবাচী যাঁঠ আৰম্ভ। এই কেইদিনৰ ভিতৰত বসুমতী ঋতুমতী হয় বুলি এক জনবিশ্বাস আছে। সেই একে বিশ্বাস দেউৰীসকলৰ মাজতো পৰম্পৰাগত ভাৱে চলি আহিছে। দেউৰীসকলে বসুমতীক মাতৃ জ্ঞান কৰে। নাৰী ঋতুমতী হ'লে যিদৰে অশুচি হয়। ঠিক সেইদৰে বসুমতী মাতৃ গৰাকী ঋতুমতী হ'লেও অশুচি হয় বুলি এটি ধাৰণা। সেই সময়ছোৱাত কোনো কাম-কাজ কৰা নহয়। দেউৰীসকলেও এই দিনত হালবোৱা, বাৰীৰ গছ-গছনি কটা আদি কোনো কাৰ্য নকৰে। গোসাঁই ঘৰৰ কোনো পূজা-পাতল কৰা নহয়। সেই কেইদিন মন্দিৰৰ দুৱাৰ বন্ধ কৰা হয়। আহাৰ মাহৰ পাছত শাওণ-মাহত দেউৰীসকল

শাওণীয়া পূজা বা হাওণীয়া পূজা আৰম্ভ হয়। এই পূজা শাওণ মাহৰ কোনো এটা বুধবাৰে পালন কৰা হয়। শাওণীয়া পূজাৰ দিনা প্ৰথমে অম্বুবাচী চুৰা ভঙা হয়। সেই দিনা গোসাঁনীশালৰ ভিতৰত পূজাৰ সকলো সামগ্ৰী ধুই চাফ-চিকুণ কৰা হয়। সকলো নীতি-নিয়মেৰে গোসাঁই ঘৰ পৰিষ্কাৰ কৰি উক্ত ঘৰৰ দুৱাৰ খোলা হয়। তাৰ পিছত তেত্ৰিশ কোটি দেৱতাৰ পূজা পতা নিয়ম। শাওণীয়া পূজাটো ডাঙৰকৈ ধুম ধামেৰে পাতি সকলোৰে আনন্দৰে এই উৎসৱ উদ্‌যাপন কৰে। এই পূজাক ন -ভাত খোৱা পূজা বুলিও কোৱা হয়। প্ৰৱাদ অনুসৰি শদিয়াত দেউৰীসকল থকা সময়ত চুজেকু নামৰ বিশেষ এবিধ ধান-খেতি কৰিছিল। সেই ধান বিধ আহুধানৰ দৰে শাওণ মাহত কাটিছিল। এই ধানৰপৰা বনোৱা মদ সোৱাদ যুক্ত আছিল। এই ধানৰপৰা হোৱা চাউল বিধ উন্নত মানৰ আছিল বুলি জনা যায়। আজিকালি এই ধানবিধ পোৱা নাযায়। ধান বিধ শাওণ মাহত কটা হৈছিল বাবে তাক গুড়ি কৰি পূজাত নৈবেদ্য হিচাপে ব্যৱহাৰ কৰিছিল, পূজাত ন চাউলেৰে ভোজ ভাত খোৱা হৈছিল বাবে এই পূজাক ন-ভাত খোৱা পূজা বুলিও কোৱা হৈছিল।

ৰ. ৰ. দা.

।। শাখা।।

শংখৰপৰা কাটি গঢ়োৱা হাতত পিন্ধা অলংকাৰ। শংখৰ পৰা কাটি গঢ়োৱা বাবে ইয়াৰ বৰণ বগা। এই শাখাৰ লগতে এপাত ৰঙা খাৰুও পিন্ধা হয়। অসমৰ সকলো ঠাইৰ মহিলাই অৱশ্যে শাখা নিপিন্ধে। কইনাক দৰা ঘৰৰপৰা জোৰোণ পিন্ধাওতে অন্যান্য অলংকাৰৰ লগতে কোনো কোনো অঞ্চলত শাখাও দিয়ে। হাতত পিন্ধা খাৰু জাতীয় অলংকাৰবোৰে মানুহক নানান বেমাৰৰপৰা ৰক্ষা কৰে। খাৰু পৰিধান কৰাৰ ফলত শৰীৰলৈ ওজস্বিতা আহে আৰু শৰীৰ আভাযুক্ত হয়। হাতত পিন্ধা সৰু সৰু খাৰু বা বালাবোৰে হাতৰ সৰু সৰু শিৰাবোৰত ৰক্তসঞ্চালন কৰে। ই চকুৰ জ্যোতিবো উজ্জ্বলতা বঢ়ায়। খাৰু, বালা, বলয়, কংকণ আদি পৰিধান কৰাৰ ফলত হৃদৰোগ, হিষ্টিৰিয়া, অনিদ্ৰা, দাঁতৰ বিষ, আদি কমাৰ সম্ভাৱনা থাকে।

প্ৰ.শ.গো

।। শিৱৰাত্ৰি ।।

শিৱৰাত্ৰি অসমৰ শৈৱ ভক্তসকলৰ এক প্ৰধান উৎসৱ। এই উৎসৱ সকলোবোৰ শিৱ মন্দিৰ, বুঢ়াগোসাঁইৰ থান, বাথৌ মন্দিৰ তথা পৰম্পৰাগত ভাৱে শিৱালয়ৰ লগত জড়িত স্থানসমূহত পালন কৰা হয়। শিৱ অসমৰ সকলো জনজাতিৰ মাজতে আদি দেৱতা। লৌকিক ৰূপত শিৱ ভোলানাথ। চহাজীৱনৰ সকলো স্তৰতে সামান্য নৈবেদ্য প্ৰদানেৰে সকলো স্তৰতে পূজিত হয়। শিৱৰ এহাতে ত্ৰিশূল, আনটো হাতত ডম্বৰু অৰ্থাৎ এফালে ধ্বংস (অসুন্দৰক) আনহাতে সুন্দৰৰ (সুকুমাৰ কলাৰ) সৃষ্টিৰ প্ৰতীক, কংকালত

বাঘৰ ছাল, গাত ভস্ম, শিৰত জঁটা আৰু প্ৰধান সহচৰী হ'ল নন্দী আৰু ভৃংগী। লগত প্ৰধান বাহন হিচাপে বৃষভ। অসমত বড়ো জনগোষ্ঠীৰ বাথৌ মন্দিৰ, কাৰ্বি, তিৱা, দেউৰী আদি জনগোষ্ঠীৰ দেওশাল তথা মহাদেও থানসমূহৰ উপৰি শিৱসাগৰ, তেজপুৰ, গুৱাহাটী, ধুবুৰী, শিঙৰী আদিত শিৱৰাত্ৰি পালন কৰা হয়। শিৱ অৰ্চনাৰ বাবে বছৰৰ এটা দিন ধাৰ্য কৰা হৈছে। এই দিনটো ফাগুন মাহৰ কৃষ্ণ পক্ষৰ চতুৰ্দশী তিথিৰ ৰাত্ৰি। এই ৰাত্ৰিকে শিৱৰাত্ৰি বোলে। এই পূজাৰ দুটা আনুষঙ্গিক দিশ হ'ল বৃহৎ মেলা আৰু শিৱ পূজাৰ নৈবেদ্যৰ নামত নিচাযুক্ত দ্ৰব্য ভাং, ঘোটা আদি। গুৱাহাটীৰ উমানন্দ, শিৱসাগৰৰ মুক্তিনাথ শিৱদৌল প্ৰঙ্গণ, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ আদিত অতি বিশাল জন সমাবেশ হয়। গুৱাহাটীৰ উমানন্দত শিৱৰাত্ৰিৰ দিনা পৰম্পৰাগত ভাৱে বলি দিয়া প্ৰথাও চলি আহিছে। এই বলি ডিঙি মুচৰি নিধন কৰা হয়। লৌকিক বিচাৰত শিৱ দেৱাদিদেৱ হৈও ভঙুৱা আৰু নিদ্ৰামগ্ন; ত্ৰিজগতক বৰ দি আপুনি নাঙঠ হোৱা শিৱক বন্দনাকৰি সেয়ে ভকত-ভকতনীসকলে গায়...'এ শিৱ এ তোমাৰ শিৰে জঁটা ত্ৰিজগতক বৰ দি আপুনি নঙঠা এ বাঘ এ../' এইজন দেৱতা জনসাধাৰণৰ ইমান ওচৰ চপা হোৱাৰ কাৰণ হ'ল শক্তি অনুসাৰে ভক্তি কৰিলেই তেওঁ সন্তুষ্ট হয়। গতিকে ভোলানাথ শিৱ সাধাৰণ ৰাইজৰ প্ৰধান উপাস্য দেৱতা হৈ পৰাটো স্বাভাৱিক।

জ্যো. ডে.

**।। শুকতি / শিনদল/ নাখেম।।**

অসমীয়া সমাজ অতি প্ৰাচীন কালৰপৰা মাছ ধৰা, চিকাৰ কৰা আদি কাৰ্যত পাৰ্গত। শুকান মাছ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলোৱে ব্যৱহাৰ কৰে। এই বিধ প্ৰিয় খাদ্য অসম তথা চুবুৰীয়া জনজাতিসকলেও ব্যৱহাৰ কৰে। বিভিন্ন পদ্ধতিৰে শুকান মাছৰ ব্যঞ্জন তৈয়াৰ কৰা হয়। সৰু সৰু মাছ ভাজি খাৰৰ লগত পিটিকা খোৱাৰ উপৰি সৰু সৰু মাছ শুকাই শাক পাচলিৰ লগত ৰান্ধি খোৱা হয়। মাছবোৰ ৰ'দত শুকাই বা ৰান্ধনী ঘৰৰ চৌকাৰ ওপৰত ধোঁৱা আৰু তাপ লগাকৈ চালনীত দি থয়। মাছবোৰ শুকাই মছমছীয়া হ'লে ইয়াক শাক, খাৰ বা টেঙাৰ জোলত দিলে অতি সুস্বাদু হৈ পৰে। অসমীয়াসকলে ইয়াক শুকতি মাছ বুলি কয়। ৰাভা জনজাতিসকলে শুকান মাছ বিশেষ পদ্ধতিৰে তৈয়াৰ কৰি বহুদিনলৈ সংৰক্ষণ কৰি ৰাখে। ইয়াক পাতি ৰাভাসকলে শিনদল আৰু ৰংদানী ৰাভাসকলে নাখেম বোলে। এই মাছ সংৰক্ষণ কৰিবলৈ তেওঁলোকে মাছখিনি প্ৰথমতে জুইত বা ৰ'দৰ তাপত শুকাই উৰলত গুড়ি কৰি লয়। গুড়ি কৰা সময়ত চালকচু বা মানকচুৰ কোমল ঠাৰি, পদিনা, ব্ৰাহ্মী মচলা বা বনমচলাৰ পাত, জলকীয়া আৰু নিমখ ব্যৱহাৰ কৰা হয়। ইয়াক বাঁহৰ চুঙাত ভৰাই চুঙাৰ মূৰত সোপা দিয়া হয়। এসপ্তামান পিছত ইয়াক খাবৰ বাবে ব্যৱহাৰ কৰিব পাৰি। কেতিয়াবা খাৰ, তেল

সানি আৰু কেতিয়াবা শাক পাচলিৰ লগত ৰান্ধি খোৱা হয়।

(বিভিন্ন সাময়িকীৰ প্ৰকাশিত লেখাৰ আধাৰত যুগুতোৱা)

জ্যো. ডে.

### ।। শুদ্ধি কৃত্য ।।

শুদ্ধি কৃত্য ত্ৰিধাৰা বিশিষ্ট - আদ্য শ্ৰাদ্ধ, সপিণ্ডন আৰু মৎস্যস্পৰ্শ। আগৰ কালত ব্ৰাহ্মণে তেৰ দিনত আৰু শুদিৰসকলে এমাহত শুদ্ধি কৃত্য সম্পাদন কৰিছিল যদিও সময় পৰিৱৰ্তনৰ প্ৰেক্ষাপটত শূদ্ৰসকলেও ১৪-১৫ দিনত শুদ্ধিৰ কামসমূহ কৰিবলৈ লৈছে। আদ্যশ্ৰাদ্ধক কামৰূপৰ ফালে চুৱা কাম কোৱা হয়। সেইদিনা পুৱাৰ পৰতে ঘৰৰ কাপোৰ-কানি তিয়াব লাগে, কেঁচা ঘৰ হ'লে গোবৰ-মাটিৰে লিপিব লাগে, সোণ ৰূপৰ পানীত তিল মিহলাই দুবৰিৰে সকলো ঘৰুৱা দ্ৰব্য-সম্ভাৰত সিঁচি দি শুদ্ধ কৰি লোৱা প্ৰয়োজন। কাম লোৱা জনে পুৱাৰেপৰা ভালেখিনি শাস্ত্ৰীয় নীতি পালন কৰাৰ পিছত এভাগ বিষ্ণু পূজা সম্পাদন কৰে। ইয়াৰ পিছতে গড়ুৰ পুৰাণৰ মতে গ্ৰহ-যাগ সম্পাদন কৰা বাঞ্ছনীয়। মৃতজনে পুষ্কৰপালে এই কৃত্য অলপ দীঘলীয়া হয়। আদ্যশ্ৰাদ্ধৰ দিনা মৃতকৰ আত্মাৰ সদ্‌গতি কামনাৰে মৃতকে ব্যৱহাৰ কৰা সমগ্ৰ দ্ৰব্য-সম্ভাৰ আগবঢ়োৱা কৰ্তব্য। বৈতৰণী পাৰ হ'বলৈ এটি দমৰা গৰুও আগবঢ়াব লাগে। এই সমস্ত দ্ৰব্য এটা কালত অগ্ৰদানী ব্ৰাহ্মণে গ্ৰহণ কৰিছিল। আদ্যশ্ৰাদ্ধৰ দিনাই কোনো কোনো আঢ্যৱন্ত লোকে বৃষোৎসৰ্গও কৰা দেখা যায়। এই উপলক্ষে হোম কৰা প্ৰয়োজন। আদ্যশ্ৰাদ্ধৰ সমাপ্তিত পুৰোহিতজনক দান-দক্ষিণা দিব লাগে, আমন্ত্ৰিতসকলক জা-জলপান খুৱাব লাগে।

আদ্যশ্ৰাদ্ধৰ পিছ দিনা সপিণ্ডন। ব্ৰাহ্মণসকলে বাৰদিনৰ দিনা ইয়াক সম্পাদন কৰে। আন জাতিৰ কোনো কোনোৱে ইয়াক তেৰ বা চৈধ্য দিনৰ দিনা পালন কৰা দেখা যায়। তদুপৰি আদ্যশ্ৰাদ্ধ আৰু সপণ্ডিন একে লগে অনুষ্ঠিত কৰা লোকো নোহোৱা নহয়। সুবিধা-অসুবিধাই ইয়াৰ বাবে দায়ী। মৃতকক চতুৰ্দশ পিণ্ড আগবঢ়োৱাৰ লগতে পাঁচটা উপৰি পিৰিলৈকেও পিণ্ডভাগ আগবঢ়ায়। শ্ৰাদ্ধ শেষ হোৱাৰ পিছত নিমন্ত্ৰিতসকলক জা-জলপানেৰে আপ্যায়ন কৰা প্ৰয়োজন। ব্ৰাহ্মণক দান-দক্ষিণাৰে বিদায় দিব লাগে। দামোদৰ মিশ্ৰই স্মৃতি-জ্যোতিষ-সাৰ সংগ্ৰহত আদ্যশ্ৰাদ্ধ-সপিণ্ডনৰ আহল-বহল বিধান দিছে। মাধৱ কন্দলিয়ে ৰামায়ণত (অযোধ্যা) আৰু দুৰ্গাবৰে গীতি-ৰামায়ণত সপিণ্ডনৰ বৰ্ণনা দিবলৈ কাৰ্পণ্য কৰা নাই।

মৃতকৰ মৃত্যুৰ তেৰ-চৈধ্য অথবা পোন্ধৰ দিনত মৎস্যস্পৰ্শ পালন কৰা হয়। কামৰূপত আগেয়ে ইয়াক ব্ৰহ্ম ভোজ আখ্যা দিয়া হৈছিল। ব্ৰাহ্মণক আমন্ত্ৰণ কৰি অনা হৈছিল। বন্ধু-বান্ধৱ আৰু ৰাইজেও নিমন্ত্ৰণ পায়। মৃতকৰ অৰ্থে শ্ৰাদ্ধকৰ্তাই মাছ-মাংস

আৰু আন আঞ্জা পাতি ৰান্ধি জলপাত্ৰ, তামোল-পাণ-চূণ হোকা-চিলিম-ধপাতেৰে পৰিপূৰ্ণকৈ ভাত এসাঁজ সভক্তিৰে ঘৰৰ ওচৰত আগবঢ়োৱা নিয়ম। ইয়াৰ পিছত জ্ঞাতি আৰু ৰাইজে ভোজ-ভাত খায়। জ্ঞাতিয়ে মৃতকৰ ঘৰৰ আটাইকে মিঠাতেল আগবঢ়াই চুৱা আঁতৰায়। ব্ৰাহ্মণৰ ঘৰত নিমন্ত্ৰিত ব্ৰাহ্মণে শান্তি কৰ্মেৰে উক্তদিনৰ কৃত্যৰ সামৰণি মাৰে। এই দিনা মাছ-মাংস খোৱাৰ পিছৰেপৰা মৃতকৰ ঘৰে মাছ-মাংস খাব পাৰে, গাত তেল ঘঁহাৰ অনুমতি পায়। কোনো কোনোৱে এই দিনাই ভকত-সজ্জনক মাতি আনি গীতা-ভাগৱত পাঠ কৰে আৰু নাম-কীৰ্তন কৰি মনৰ দুখ আঁতৰায়। কোনো কোনো ঠাইত ইয়াক কোৱা হয় শুদ্ধিৰ সবাহ। না. দা.

।। শেন-যুঁজ ।।

শেন-যুঁজ আছিল আহোম স্বৰ্গদেৱসকলৰ আমোদজনক অনুষ্ঠান। হৰকান্ত বৰুৱা সদৰামিনে তেওঁৰ বুৰঞ্জীত লিখিছে ঃ 'চৈয়দ বাবাকৰ নবাব পৰিলত তাৰ লগৰ মীৰা শেনচোৱাক কুহি শেনে সহিতে ধৰি ৰাখিলে। তাৰেপৰা সৰু শেনৰ খেল চলিল।' মাঘৰপৰা ব'হাগলৈকে শেন-যুঁজ অনুষ্ঠিত হৈছিল। জয়জয়তে কেইটামান কণুৱা ধৰি জেৰেঙা পথাৰৰ খালত থৈ দিয়ে। সিহঁতক সৰু মাছ নিয়মীয়াকৈ খাবলৈ দিয়া হয়। মাছ খাবলৈ পাই অ'ৰ-ত'ৰপৰা এটা-দুটাকৈ কণুৱা আহি হেজাৰ-বাৰশ গোট খায়। ৰাতিপুৱা গোট খাই গধূলি উৰি যায়। ছয়-সাত ঠাইত এনেদৰে কণুৱা-চোং পতা হয়। আনফালে শেনচোৱাই দীৰ্ঘ দিন জুৰি শেনক প্ৰশিক্ষণ দি লৈ আহে। ৰজা-প্ৰজা সকলো আহি গোট খোৱাৰ পিছত কণুৱাবোৰ ভয় খুৱাই উৰাই দিয়ে। সিহঁতে গৈ আকাশ ছানি পেলায়। এনেতে শেনচোৱাই শেনমেলৰপৰা শেন মেলে। শেন গৈ কনুৱাৰে যুঁজ দিয়ে। দুই-এটা মৰা কণুৱা আহি মাটিত পৰেহি। অৱশেষত শেনে এটা কণুৱা মাৰি লৈ তললৈ নামি আহে। শেনচোৱাই কাপোৰ এখন মেলি দিয়াৰ লগে লগে লগে কণুৱাসহ শেন আহি তাত পৰে। শেনচোৱাই লগে লগে শেনৰ ভৰিত ডোল লগাই তাৰ মুখ গৰম পানীৰে ধোৱাই জালুক, পিপলি আৰু কুমটি খুৱায়। পিছে ভালকৈ শিকনি নোলোৱা শেন এৰি দিয়াৰ পিছত শেনচোৱাৰ ওচৰলৈ নাহি ক'ৰবালৈ গুছি যায়। উৰি গ'লে শেনচোৱাই শেন বিচৰাত লাগে। শেন মেলাৰ পিছত ঘূৰি অহা-নহাটো কপাল। সেইবাবে শেনৰ সংবাদ সুধিলে শেনচোৱা বৰুৱাই উত্তৰ দিয়ে - 'স্বৰ্গদেৱ, আজি শেনৰ এজাত ঃ কণুৱা মাৰি শেন উভতি আহিলে শেনচোৱাই বঁটা পায়। উভতি নাহিলে পুৰস্কাৰ পায় - কাণ ঢকা আৰু চামতাৰ কোব। গতিকে শেন যুঁজত প্ৰতি বছৰে কোনোবা শেনচোৱাৰ ভাগ্যত মিলে বঁটা-বাহন আৰু দুৰ্ভগীয়া কোনোবাজনে পায় তিৰস্কাৰ। হিষ্ট্ৰি অৱ্ জাপান গ্ৰন্থত ডঃ মুখাৰ্জীয়ে লিখিছে যে চৰাই যুঁজ ভাৰত আৰু পাৰশ্যৰপৰা জাপান পায়গৈ।

না. দা.

**।। শোণিতপুৰ-শিঙৰি মন্দিৰৰ স্থাপত্য-ভাস্কৰ্য ।।**

খ্রীষ্টীয় নৱম-দশম শতাব্দীৰ স্থাপত্য-ভাস্কৰ্যৰ কিছু সংখ্যক নিদৰ্শন শিঙৰিত দেখা যায়। ইয়াৰ বিশ্বকৰ্মা মন্দিৰ থকা, জংঘলেৰে পৰিপূৰ্ণ ভূখণ্ডত একাধিক মন্দিৰ থকা বুলি অনুমান কৰিব পাৰি। বিশ্বকৰ্মা মন্দিৰৰ গৰ্ভগৃহৰ চটীয়া শিলচটাৰ (২১০ × ২১০ ছে.মি.) সোঁ মাজত বিগ্ৰহ স্থাপনৰ ৩০ ছে.মি. জোখৰ কুণ্ডটি এতিয়াও দৃশ্যমান। ইয়াৰ ওপৰত ব্যৱহৃত মুৰ্ধাবৰণৰ (চিলিং) জোখ পাঁচ মিটাৰ বৰ্গৰ। চটীয়া শিলৰ মাজত অনুপম বিকশিত পদ্মৰ অলংকৰণ। মন্দিৰত ব্যৱহৃত দ্বাৰ -দেহলীৰ (৮০ × ৪৫ ছে.মি.) মাজত মংগল কলহ। তাৰ দুকাষে দুটি কেশৰ বিহীন সিংহ, তাৰ কাষত লক্ষ্মী আৰু সৰস্বতীৰে ত্ৰিভংগ ভংগীৰ কলাসন্মত ৰূপ। দ্বাৰশাখা দুডালৰ দৈৰ্ঘ ২৪০ ছে. মিটাৰকৈ। ইয়াৰ একেবাৰে তলৰ পেনেলত আছে- দ্বাপালৰ প্ৰতিকৃতি। ওপৰৰ চাৰিটা প্ৰকোষ্ঠত দেখা যায় কিন্নৰ-কিন্নৰীৰ লাস্যময় ৰূপ। অলপ আঁতৰত পৰি থকা অৰ্ধভগ্ন দ্বাৰ-শিৰপট্টিডালত সূৰ্য, ঈশান আৰু কেইজনমান নৱগ্ৰহৰ মূৰ্তি বিৰাজমান।

শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰৰ মেৰামতি আহোম যুগত সম্পাদিত হ'লেও মূল মন্দিৰটো নৱম-দশম শতাব্দীৰ ভিতৰত নিৰ্মিত। ই মুখ মণ্ডপ, মণ্ডপ আৰু গৰ্ভগৃহ সমৃদ্ধ। মূল মন্দিৰটো পঞ্চৰথ আৰু পঞ্চৰত্ন সমৃদ্ধ। জঙ্ঘাৰ তিনিফালে থকা ভূমি আমলক আৰু মণ্ডপৰ মুৰ্ধাবৰণ শোভিত নটি অষ্টদল বিশিষ্ট পৰিস্ফুট পদ্মৰ অলংকৰণ গুপ্তেশ্বৰ মন্দিৰৰ অন্যতম আকৰ্ষণ। গৰ্ভগৃহলৈ যোৱা পথত পোৱা সম্পূৰ্ণ শৈলদ্বাৰখনিৰ সৌন্দৰ্যও চকুত পৰা। ডেল্টন চাহাবে ভাবে গুপ্তেশ্বৰ আদিতে বৌদ্ধ মন্দিৰ আছিল। পিছলৈ তাক হিন্দু মন্দিৰলৈ ৰূপান্তৰিত কৰা হয়।

না.দা.

**।। শোণিতপুৰৰ মূৰ্তিকলা।।**

প্ৰাচীন সভ্যতাৰ লীলাভূমি শোণিতপুৰ জিলাৰ ভিন্ন প্ৰান্তৰৰ দেৱধামসমূহত ধ্বংসাৱশেষৰপৰা ভালেসংখ্যক বিভিন্ন দেৱ-দেৱীৰ শৈল প্ৰতিমা উদ্ধাৰ হৈছে। বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰিবলৈ যাওঁতে ভাস্কৰ শিল্পীসকলে সাধাৰণতে ভাৰতীয় শিল্পশাস্ত্ৰৰ অনুশাসন মানি চলিব লগা হৈছিল যদিও তাৰ মাজেদিয়ে তেওঁলোকৰ নন্দনতাত্ত্বিক সৌন্দৰ্যবোধৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। দেৱ-দেৱীৰ মূৰ্তিমালাক শৈৱ, শাক্ত, বৈষ্ণৱ প্ৰভৃতি ভিন্ন ভাগত ভাগ কৰিব পাৰি। শিৱৰ শৈল প্ৰতিমাৰ ভিতৰত লকুলীশ শিৱ(দ-পৰ্বতীয়া), ঈশান শিৱ (চিত্ৰলেখা উদ্যান, বিশ্বকৰ্মা মন্দিৰ, বৰবালীমৰা সত্ৰ), সদাশিৱ (বিশ্বনাথ), নটৰাজ (বামুণী পাহাৰ), আৰু উমা-মহেশ্বৰ (বিশ্বনাথ, শিঙৰি আৰু চিত্ৰলেখা উদ্যান) প্ৰতিমা লেখৰ। কেতেকীবাৰীৰ মুখলিংগ পূৰ্বাঞ্চলৰ একক আৰু অতুলনীয়। শিৱৰ লগে লগে শক্তিৰ সাধনা চলা শোণিতপুৰৰ শক্তি প্ৰতিমাৰ

ভিতৰত মহিষমৰ্দিনী (বামুণী পাহাৰ, শিঙৰি, চিত্ৰলেখা উদ্যান, ঢেকীয়াজুলি), মহাভৈৰৱী (আহোমযুগীয় ধাতৱ), জগদ্ধাত্ৰী (বামুণী পাহাৰ), মনসা (গহপুৰৰ কল্যাণী থান), কালী (কল্যাণী দেৱালয়), ত্ৰিপুৰসুন্দৰী (মস্তক ছিন্ন, কল্যাণী দেৱালয়), তাৰা (বুধ মাধৱ দেৱালয়) গজলক্ষ্মী (চিত্ৰলেখা উদ্যান), সৰস্বতী (চিত্ৰলেখা উদ্যান) আৰু গংগা-যমুনা (দ-পৰ্বতীয়া আৰু মাজগাঁও) প্ৰধান। বৈষ্ণৱ মূৰ্তিকলাৰ ভিতৰত বাসুদেৱ (চিৰাজুলি, বৰ পুখুৰীপাৰ, বৰালীমৰা, উমাটুমনি আৰু বাসুদেৱ দ'ল), মুৰুলীধাৰী কৃষ্ণ (দ-পৰ্বতীয়া আৰু বিশ্বনাথ), বিষ্ণুৰ দশাৱতাৰ (বামুণী পাহাৰ, চিত্ৰলেখা উদ্যান, শিঙৰি আৰু বিশ্বকৰ্মা মন্দিৰ) আৰু নৃসিংহ (বামুণী পাহাৰ) উল্লেখযোগ্য। সূৰ্যৰ শৈল প্ৰতিমা দেখা যায় গহপুৰ, দ-পৰ্বতীয়াৰ শৈলদ্বাৰ, চিত্ৰলেখা উদ্যান, বৰপুখুৰীৰ পাৰ, বিশ্বকৰ্মা আৰু বামুণী পাহাৰৰ ধ্বংসাৱশেষৰ মাজত। শেষৰ ধ্বংসাশেষতে পোৱা গৈছে মুণ্ডমালা শোভিত ভৈৰৱৰো শৈল প্ৰতিমা এখনি। ব্ৰহ্মাৰ শৈল প্ৰতিমা উদ্ধাৰ হৈছে বৰপুখুৰীপাৰ, এগেল হোষ্টেল কম্পাউণ্ড, চিত্ৰলেখা উদ্যান আৰু ভঙামন্দিৰ গাঁৱত। নৱগ্ৰহৰ শৈল প্ৰতিমা উদ্‌গত হৈছে-বিশ্বকৰ্মা আৰু তেজপুৰৰ সূৰ্যমন্দিৰৰ দ্বাৰ শিৰপট্টিত। উপৰ্যুক্ত শৈল প্ৰতিমাসমূহে যে পুৰণি অসমৰ সাংস্কৃতিক ইতিহাসত ভালেখিনি অৰিহণা যোগাইছে তাক দোহাৰিবৰ আৱশ্যক নাই।

না.দা.

।। শোণিতপুৰৰ স্থাপত্যকলাৰ বৈশিষ্ট্য ।।

গুপ্ত যুগৰ স্থাপত্য কলাৰ একাধিক বিষয়ত সাদৃশ্য ৰখা দ-পৰ্বতীয়া, বামুণী পাহাৰ, শিঙৰি, মাজগাঁও-দ'লৰগুৰি প্ৰভৃতি স্থানৰ ধ্বংসাৱশেষসমূহ চাই শোণিতপুৰৰ স্থাপত্যৰ বৈশিষ্ট্যসমূহ এনেদৰে দেখুৱাব পাৰি— ক. পঞ্চম-ষষ্ঠ শতাব্দীৰ ভাৰতীয় গুপ্তকালীন দেৱগৃহৰ দৰে তৎকালীন শোণিতপুৰৰ দেৱধাম সমূহো আছিল— চতুষ্কোণী গৰ্ভগৃহ, মণ্ডপ আৰু মুখমণ্ডপ সমৃদ্ধ, খ) শিল আৰু ইটা উভয়বিধেই মন্দিৰ নিৰ্মাণৰ আহিলাৰূপে ব্যৱহৃত হৈছিল, গ) মধ্যযুগীয় উত্তৰ-পূৰ্ব ভাৰতৰ বিভিন্ন দেৱধামৰ দৰে ইয়াৰ মন্দিৰৰ জঙ্ঘাতো টেৰাকটা ভাস্কৰ্য ফলক সন্নিবেশ কৰা হৈছিল, ঘ) মধ্যকালীন উৰিষ্যাৰ মন্দিৰৰ দৰে ইয়াৰ মন্দিৰসমূহৰ শিখৰো আছিল নাগৰাকৃতিৰ। শিখৰৰ শিৰস্থানত আমলক আৰু তাৰ ওপৰত কলসী স্থাপন কৰা হৈছিল। ভূমি আমলকৰ স্থিতিও লক্ষ্য কৰা যায়। কোলপাৰ্ক, বামুণী পাহাৰ, মাজগাঁও প্ৰভৃতিত উদ্ধাৰ হোৱা মন্দিৰৰ শিৰপট্টিত উদ্‌গত শিখৰৰ অনুকৃতিয়ে উপৰ্যুক্ত মন্তব্যত শাণ দিয়ে, ঙ) গ্ৰীক-ৰোমান স্থাপত্যত বহুলভাৱে ব্যৱহাৰ হোৱা আৰু কাশ্মীৰৰ কোনো কোনো মন্দিৰত দেখিবলৈ পোৱা অলংকৰণৰ বাবে ব্যৱহৃত ত্ৰিভুজাকৃতিৰ পেদিমেন্টৰ প্ৰয়োগ ইয়াৰ দুই এটা মন্দিৰত দেখা যায়, চ) মন্দিৰৰ শিখৰ একৰত্ন আৰু পঞ্চৰত্ন পদ্ধতিৰ, ছ) কোনো কোনো মন্দিৰৰ গৰ্ভগৃহ আৰু

মণ্ডপৰ মাজত আছিল কাৰুকৰ্মখচিত স্তম্ভ শোভিত অন্তৰাল, জ) পঞ্চবিগ্ৰহ স্থাপনাৰ ৰীতি শোণিতপুৰৰ একাধিক মন্দিৰত প্ৰচলিত আছিল, ঝ) গুপ্তকালীন ভাৰতীয় মন্দিৰৰ দৰে শোণিতপুৰৰো কোনো কোনো মন্দিৰৰ দ্বাৰশাখাৰ নিম্নাংশত গংগা-যমুনাৰ মূৰ্তি খোদিত হৈছিল, অৱশ্যে পৰৱৰ্তী মন্দিৰসমূহৰ দ্বাৰশাখাৰ নিম্নাংশত দ্বাৰপাল, দ্বাৰপালিকা আৰু অঞ্জলি মুদ্ৰাৰতা নাৰীমূৰ্তিহে দেখা যায়, ঞ) আহোম যুগত নিৰ্মিত মন্দিৰবোৰত গৰ্ভগৃহ আৰু মণ্ডপৰ অৱস্থিতি লক্ষণীয়। গৰ্ভগৃহৰ ওপৰত নিৰ্মাণ কৰা মন্দিৰবোৰত ত্ৰিৰথ, পঞ্চৰথ অথবা সপ্তৰথৰ সংযোজনা চকুত পৰে। মণ্ডপৰ ওপৰত সাধাৰণতে দুচলীয়া চালি থাকে, ট) দ্বাৰ-শিৰপট্টি আৰু দ্বাৰ-দেহলীত কল্পবৃক্ষৰ অলংকৰণ শোণিতপুৰীয় স্থাপত্য ভাস্কৰ্যৰ এটি উল্লেখযোগ্য দিশ। শোণিতপুৰীয়া স্থাপত্য শৈলীয়ে পুৰণি প্ৰাগ্‌জ্যোতিষৰ আন ঠাইৰ দেৱধামৰ নিৰ্মাণ-কৰ্মতো প্ৰভাৱ পেলাইছিল।

না.দা.

।।শ্বপৌং য়ৌংমানও পয়।।

উজনি অসমৰ মাৰ্ঘেৰিটাৰ বিস্তীৰ্ণ অঞ্চলত বসবাস কৰা চিংফৌসকলৰ জাতীয় উৎসৱটো শ্বপৌং য়ৌংমানও পয় ৰূপে পৰিচিত। কিংবদন্তী অনুযায়ী শ্বংপৌ য়ৌং হ'ল চিংফৌসকলৰ আদি পুৰুষ। সেইজনাৰ স্মৰণত উদ্‌যাপিত অনুষ্ঠানে শ্বংপৌ য়ৌ। এই অনুষ্ঠান নৃত্য-গীতময়। চিংফৌ ভাষাত মানও মানে নৃত্য আৰু পয় মানে উছৱ। গতিকে পূৰ্ব পুৰুষক সুঁৱৰি অনুষ্ঠিত কৰা নৃত্যগীতমুখৰ উছৱেই শ্বংপৌং য়ৌংমানও পয়। ফাগুন মাহৰ পহিলা তাৰিখত আৰম্ভ হৈ তিনি তাৰিখে এই উছৱৰ সামৰণি মৰা হয়। মুকলি পথাৰত উদ্‌যাপিত এই উৎসৱত জয়জয়তে এডাল দীঘল ভলুকাবাঁহ (বাৰা) থিয়কৈ পোতা হয়। বাঁহডাল পোতা ঠাইখনে শ্বাদুং আখ্যা পায়। শ্বাদুঙৰ দুয়োকাষে ভিন্ন দৈৰ্ঘৰ সাত অথবা ন ডাল বিভিন্ন পশু-পক্ষীৰ নক্সা অংকিত ৰং চঙীয়া কাঠ পোতা নিয়ম। ওখ কাঠবোৰ দেৱতাৰ (দুংলা = পুৰুষ) আৰু চুটিবোৰ দেৱীৰ (দেংবী = নাৰী) প্ৰতীক। প্ৰতিছটা কাঠত শক্তিৰ প্ৰতীক। প্ৰতিছটা কাঠত শক্তিৰ প্ৰতীক জোন বেলিৰ চিত্ৰও অংকিত হয়। বিশ্বাসমতে, সূৰ্যৰ পোহৰত এদিন প্ৰকৃতি শস্য শ্যামলা হৈছিল। প্ৰকৃতিৰ পাৰভঙা সৌন্দৰ্য চাই চাই ধনেশ পখীৰ (খুংৰাং) নেতৃত্বত পক্ষীকুলে আনন্দত আত্মহাৰা হৈ সৃষ্টিকৰ্তাৰ গুণ গান গাই উদ্‌বাউল হৈ পৰিছিল। পখীকুলৰ সেই আনন্দোৎসৱ প্ৰত্যক্ষ কৰা মানৱ ম্যাংদিং য়াউ এ নৃত্য গীতৰ অনুষ্ঠানটো পৃথিৱীত প্ৰৱৰ্তন কৰিছিল। আজিও এই অনুষ্ঠানত স্ত্ৰী-পুৰুষ উভয়ে ভাগ লয়। পুৰুষসকলে বহুৰঙী সূতাৰে বোৱা লুঙী (লাছবাবু), গাত দীঘল চোলা (ফুলুং), মূৰত পাগুৰী (ভাতক বুমবাম), কান্ধত মোনা আৰু খাপ থকা দা লৈ আৰু তিৰোতাসকলে ৰংচঙীয়া মেখেলা (পুকাং), কঁকালত টঙালি (চিনকেট), বুকুত মেঠনি (নাংৱাট), মূৰত গামোচা (বুমবাম) মাৰি একোখনি

ডলা বা ৰুমাল লৈ শ্বাদুঙৰ চৌদিশে ঢোল (চেং), বাঁহী (পিমান) আৰু বৰকাঁহৰ চেৱে চেৱে নাচি নাচি 'অ' ৰা ৰাগা অ'ৰা ৰাগা, অ'ৰা ৰাগা, অ'ৰা ৰাগালৌ...' গীতৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এই উছৱত যোগদান কৰাটো ইয়াৰ এটা উল্লেখনীয় দিশ।

(অসমীয়া প্ৰতিদিনত (১৮ মাৰ্চ, ২০০৬) মুৰলীধৰ দাসে লিখা চিংফৌ গাঁৱত, শ্বপৌং য়ৌংমানও পয় নিবন্ধৰ আধাৰত যুগুতোৱা)।

না. দা.

**।। শ্ববে কদৰ ।।**

পাক কোৰাণত উল্লেখ কৰা আছে যে শ্বেবে কদৰ হাজাৰ মাহ (অৰ্থাৎ ৮৩ বছৰ ৪ মাহ)তকৈও উৎকৃষ্ট। শবে শব্দৰ অৰ্থ ৰাতি আৰু কদৰ শব্দৰ অৰ্থ সন্মান অৰ্থাৎ শ্বেবে কদৰৰ অৰ্থ সন্মানিত ৰাতি। এই শ্বেবে কদৰ মুছলমানসকলৰ সৰ্বশ্ৰেষ্ঠ মাহ ৰমজানৰ ভিতৰত। পবিত্ৰ হাদিছত উল্লেখ কৰা আছে যে হজৰত নবী কৰিমে (দঃ) কৈছে 'আল্লাহতালাই পবিত্ৰ শ্বেবেকদৰৰ দ্বাৰাই ৰাতিসমূহৰ সৌন্দৰ্য দান কৰিছে, তোমালোকে এই ৰাতিটোত অধিক এবাদত কৰা (আল্লাহতালাৰ নাম-গুণ গোৱা) কাৰণ এই ৰাতিটোৱেই সৰ্বশ্ৰেষ্ঠ ৰাতি' আল্লাই এই ৰাতিৰ ভিতৰত বৰ ডাঙৰ ডাঙৰ অনুদান (নিয়ামত) ৰাখিছে। আনকি হাদিছ শ্বৰিফত আছে, যিসকলে এই ৰাতি এবাদত কৰিব আল্লাই তেওঁলোকৰ সকলো প্ৰকাৰৰ গুনাহ (পাপ) মাফ কৰিব আৰু কেয়ামতৰ দিনা আল্লাই তেওঁলোকক কেতিয়াও বিমুখ নকৰিব। গতিকে এই ৰাতিটোত এবাদত কৰা উচিত।

হজৰত নবী কৰিমে (দঃ) কৈছে - তোমালোকে ৰমজান মাহৰ শেষৰ দহ দিনৰ বেযোৰ ৰাতিত শ্বেবে কদৰ বিছৰা। অৰ্থাৎ ৰমজান শ্বৰীফৰ ২১/২৩/২৫/২৭/২৯ তাৰিখৰ ৰাতিত শ্বেবে কদৰক অনুসন্ধান কৰিব লাগিব। এই ৰাতি সম্বন্ধে বহুতো মতভেদ দেখা যায় যদিও অধিকাংশ আলিম (ইছলাম শিক্ষিত লোক) সকলে ২৭ ৰমজানৰ ৰাতিতেই শ্বেবে কদৰ হোৱা সম্ভৱ বুলি অভিমত দিয়ে। এই কাৰণেই আল্লাহ পাকে শ্বেবে কদৰক অলপ গোপনে ৰাখিছে - যাতে তেওঁৰ বান্দাসকলে আগ্ৰাহান্বিত হৈ এই ৰাতিটো বিচাৰি উলিয়াই এবাদত কৰে। কাৰণ এই ৰাতিটোত ফজিলত সম্বন্ধে এনে কেতবোৰ কথা আছে যিবোৰ অইন ৰাতিত নাই। শ্বেবে কদৰৰ ৰাতি এশাৰ নামাজৰ পিছত ৰাতিপুৱালৈ শ্বেবে কদৰৰ নামাজ পঢ়াৰ সময় থাকে। এই ৰাতিত বাৰ ৰাকাত নামাজ পঢ়া নিৰ্দিষ্ট আছে। ইয়াৰ উপৰি যিমান পঢ়িব পাৰি সিমানেই ভাল।

প. আ.

**।। শ্বেব বৰাত ।।**

আৰবী ছাবান মাহৰ ১৫ তাৰিখৰ ৰাতিয়েই হ'ল শ্বেব বৰাতৰ ৰাতি। ইছলাম ধৰ্মমতে ৰাতি আগতে হয় দিন পিছত হয়। গতিকে শ্বেব বাৰাত দিনত ১৪ তাৰিখ গৈ ৰাতিলৈ পৰে। শ্বেব বাৰতৰ ৰাতিটোক ভাগ্যৰ ৰাতি বুলি কোৱা হয়। শ্বেব মানে ৰাতি আৰু বাৰাতৰ অৰ্থ ভাগ্য। সেই ৰাতিয়েই অহা বছৰটোৰ বাবে সকলোৰে ভাগ্য তালিকা প্ৰস্তুত কৰে। যিসকল লোকে ছাবান মাহৰ ১৫ তাৰিখৰ দিনা এবাদত কৰিব, তেওঁলোকৰেই সৌভাগ্য আৰু তেওঁলোকৰ বাবেই সুখ-সন্তোষ। যিসকলে এই তাৰিখৰ দিনত ৰোজা ৰাখিব তেওঁলোকক দোজখৰ জুয়ে কেতিয়াও স্পৰ্শ নকৰে। ই অতি পবিত্ৰ ৰাতি। সেইবাবে এই ৰাতিটোত সকলোৱে সমগ্ৰ ৰাতি উজাগৰে থাকি এবাদত বন্দেগী কৰে অৰ্থাৎ আল্লাহতালাৰ নাম-গুণ গায় আৰু প্ৰাৰ্থনা জনায়।

পবিত্ৰ হাদিছত উল্লেখ কৰা আছে - 'হজৰত নবী কৰিমে (দঃ) কৈছে যে হিজৰী চনৰ ছাবান মাহৰ ১৫ তাৰিখৰ ৰাতিত আল্লাহ পাকে তেওঁৰ খাচ ৰমতৰ দুৱাৰ খুলি দিয়ে আৰু তেওঁৰ বান্দাসকলৰ ওপৰত অফুৰন্ত ৰহমত (করুণা) বৰ্ষণ কৰি থাকে।' এই ৰাতিৰ ফজিলতত (শ্ৰেষ্ঠত্ব) আল্লাহ পাকে প্ৰচুৰ অনুদান (নিয়ামত) ৰাখিছে। সেইবাবে এই শ্বেব বৰাতৰ দিনটোত ৰোজা ৰাখা আৰু ৰাতি জাগি নফল এবাদত বন্দেগী কৰা বৰ ভাল কাম।

ছাবানৰ চান্দৰ ১৪ তাৰিখৰ দিন গৈ ৰাতিত এশাৰ নামাজৰপৰা ৰাতিপুৱালৈ (সুবেহ চাদেৰ) শ্বেব বাৰাতৰ নামাজৰ সময়। এই নামাজ অতি কমেও ১২ ৰাকাত। তাতকৈ যিমান বেছি পঢ়িব পাৰি সিমানেই ভাল।

প. আ.

**।। শ্বেব মে'ৰাজ ।।**

হজৰত মহম্মদ মোস্তাফা (দঃ) ই হিজৰী চনৰ ৰজব মাহৰ ২৭ (সাতাইশ) তাৰিখৰ ৰাতি আল্লাহতালাৰ আমন্ত্ৰণক্ৰমে আল্লাৰ সাক্ষাৎ লাভৰ (দেখা কৰাৰ) উদ্দেশ্যে আৰশে আজিমলৈ (স্বৰ্গযাত্ৰা) গৈছিল। এই সময়তেই তেওঁ আল্লাহতালাৰ ইচ্ছা অনুসৰি বেহেস্ত আৰু দোজখ (স্বৰ্গ আৰু নৰক) পৰিভ্ৰমণ কৰিছিল। তদুপৰি এই সময়তে তেওঁ আল্লাহতালাৰ লগত নামাজ সম্বন্ধে আলোচনা কৰি তেওঁৰ উম্মতসকলৰ (মুছলমান সমাজৰ) বাবে দিনটোৰ ভিতৰত পঢ়িব লগা পাঁচ অৱাক্ত নামাজ নিৰ্ধাৰিত হয়। এই ৰাতিটোৰ মহত্ব (ফজিলত) বহুত বেছি। এই ৰাতিটোত ১২ ৰাকাত নামাজ পঢ়া বৰ পুণ্যৰ কাম। সিদিনা (২৭ ৰজত) ৰোজা ৰাখিলে ১০০ নফল ৰোজা ৰখাৰ সমান পুণ্য হয়।

প. আ.

**।। শ্ৰাৱনী/ঋষি তৰ্পণী/জনৈ পূৰ্ণিয়া ।।**

শ্ৰাৱণী পূৰ্ণিমা অৰ্থাৎ শাওণ মাহৰ পূৰ্ণিমা নেপালীলোকৰ বাবে এটা স্মৰণীয় দিন। এই দিনত পিতৃ-পুৰুষ, ঋষি সকলক তৰ্পণ দিয়া হয় বাবে ইয়াক ঋষি তৰ্পণী পূৰ্ণিমা বোলা হয়। আনহাতে এই দিনতে এবছৰ কাল পৰিধান কৰিবলগীয়া জনৈ (যজ্ঞোপৱীত)বোৰৰ সংস্কাৰ কৰা বাবে ইয়াক জনৈ পূৰ্ণিমা বোলা হয়। তদুপৰি এই দিনতে পুৰোহিতবৰ্গই নিজ নিজ যজমানৰ ঘৰলৈ গৈ ৰক্ষাবন্ধন (ৰাখীবন্ধন) কাৰ্যও সম্পন্ন কৰে। এই দিনতে বিশেষকৈ নেৱাৰসকলে কোক্তী (গাজী) খোৱা প্ৰথা থকা বাবে ইয়াক কোক্তীখানে পূৰ্ণিমাও বোলা হয়।

নি.চ.

**।। সখিপতা।।**

সখিপতা কাৰ্য মহাকাব্যৰ যুগতে আৰম্ভ হৈছিল। মহাভাৰতৰ কৃষ্ণাৰ্জুনৰ সখিত্বৰ কথা দোহাৰিবৰ আৱশ্যক নাই। দুটা ভিন্ন মন এক হোৱা, মিত্ৰতাৰ সূত্ৰত আৱদ্ধ হোৱাটোৱে সখিপতাৰ মূল কথা। সম বয়সত দুজন ল'ৰা অথবা দুজনী ছোৱালীৰ মাজত সখি পাতি দিয়াটোৱে সাধাৰণ নিয়ম। মাক-বাপেক অথবা জ্যেষ্ঠজনে সখিপাতি দিয়া কাৰ্যত আগ ভাগ লয়। দুঘৰৰ দুজন ল'ৰাৰ এজনক এখন ঘৰলৈ মাতি আনি দহজনৰ আগত চোতাল বা মুকলি কোঠাত দুয়োকে একেলগে বহাই একেখনি গামোচা দুয়োৰে কান্ধত দি একেখন দাপোন অথবা এচৰিয়া পানী চাবলৈ কৈ পৰস্পৰে পৰস্পৰক সখি সম্বোধন কৰিবলৈ কয়। দুয়ো সখি সখি বুলিলেই সখি পতাৰ প্ৰথম পৰ্যায় শেষ হয়। তাৰ পিছত দুয়োজনকে একে লগে ভাত পানী খুৱায় আৰু আন ঘৰৰপৰা অহাজনক নতুন কাপোৰ কানি দি বিদায় দিয়ে। কেইদিনমান পিছত ইখন ঘৰৰ ল'ৰাজন সিখন ঘৰলৈ আমন্ত্ৰণ ৰক্ষা কৰি যায় আৰু ভাত-পানী খাই নতুন কাপোৰ কানি লৈ সখিয়েকৰপৰা বিদায় মাগে। কোনো কোনো ঠাইত দুজন ল'ৰা বা দুজনী ছোৱালীয়ে হাতত ধৰা ধৰিকৈ একে লগে পানীত নামি সখি সখি বুলি পানীত বুৰ মাৰি সখি পতা প্ৰকাৰ্য সম্পাদন কৰে। ছোৱালীৰ ক্ষেত্ৰতো একে কথা। সখিপতাৰ পিছত দুয়ো সখিৰ মাক-বাপেকক তাঁৰৈ-আমৈ বুলি সম্বোধন কৰিব লাগে। সখি পতাৰ ক্ষেত্ৰত ধৰ্ম-বৰ্ণ - সম্প্ৰদায়ৰ কোনো কথা নাই; মনৰ মিলেই আচল কথা। চৰ-চাপৰিৰ মুছলমান ডেকাই হিন্দু ডেকাৰসৈতে সখি পাতি গোৱা গীতবোৰ প্ৰাণস্পৰ্শী—

তোমাৰ বাৰী আমাৰ বাৰী একই নদীৰ পাৰে
তুমি আমি নাও বাইয়্যা যাই
তুমি গাইব্যা বনগীত আমি ভাটিয়ালী সখিৰে
অ' সখি আইঅ' আমাৰ বাৰী

খাইবু নতুন ধানেৰে মুড়িৰে।।
(বিশ্বকোষ ঃ পঞ্চমখণ্ড, পৃ. ১৫-খৰ পৰা)

দৰাৰ বিয়াত সখিয়েক নহ'লেই নহয়। কাৰোবাৰ বাল্য সখি নাথাকিলে বিয়াৰ দিনা এজন বন্ধুক সখিৰ মৰ্যাদা দি দৰাৰ সৈতে এফেলগে কন্যা ঘৰলৈ নিব লগা হয়। ছাতি ধৰা, পাশখেলা প্ৰভৃতি প্ৰকাৰ্যত সখিয়েকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

না. দা.

।। সত্যনাৰায়ণ পূজা।।

স্কন্ধ পুৰাণৰ ৰেবাখণ্ডৰ ২৩৩ অধ্যায়ত সত্যনাৰায়ণ দেৱৰ মাহাত্ম্য সবিস্তাৰে বৰ্ণনা কৰা হৈছে। সত্যনাৰায়ণ আৰু নাৰায়ণ বিষ্ণুৰ ৰূপৰ বিশেষ পাৰ্থক্য নাই। সত্যনাৰায়ণ পীতাম্বৰ, নীলবৰ্ণ, কৌস্তুভ মণি শোভিত আৰু শংখ চক্ৰ-গদা-পদ্মধাৰী। এই দেৱতাৰ পূজা-অৰ্চনা হয় ৰাতিৰ বেলা (২৩৩/১৭)। মনৰ কামনা পূৰণাৰ্থে আয়োজন কৰা এই পূজাত গৰু গাখীৰ, গায়া ঘি, চেনি (অভাৱত গুড়), আটা (ভাল চাউলৰ গুড়ি) আৰু পকা কল- এই পাঁচবিধ উপকৰণ সম পৰিমাণে লৈ (পুৰণি হিচাপ মতে পাঁচ ছটাক বা পাঁচ পোৱা বা পাঁচ সেৰ) প্ৰস্তুত কৰা ভোগৰ নৈবেদ্য আগবঢোৱা প্ৰয়োজন। পূজাত সিন্দূৰ, ঘট, ঘটৰ কাপোৰ, পাণ -তামোল, কল, তিল, শিলিখা, ফুল, তুলসী, দুবৰি, বেলপাত, ধূপ-দীপ-ধুনা, পূজাৰ বস্ত্ৰ আসন- অঙ্গুৰী, মধুপৰ্কৰ বাটি, প্ৰভৃতিও নহ'লে নহয়। পূজাত পঞ্চ দেৱতা আৰু বিষ্ণুৰ পূজাভাগ কৰাৰ পিছত পাঁচালী পাঠ কৰা নিয়ম। পাঁচালীত সত্যনাৰায়ণৰ মহিমা কীৰ্তন কৰা হয়। পণ্ডিতসকলৰ মতে হিন্দু আৰু মুছলমানৰ সংস্কৃতিৰ সমন্বয়ৰ সুফলেই সত্যনাৰায়ণ পূজা। আনদেৱতাৰ পূজাতকৈ সত্যনাৰায়ণৰ পূজা পৰৱৰ্তী কালত লুইতৰ পাৰলৈ আহিলেও উজনি-নামনি সৰ্বত্ৰ ইয়াৰ ব্যাপকতা মন কৰিবলগীয়া।

না. দা.

।। সত্ৰৰ গঠন প্ৰণালী ।।

গঠন প্ৰণালীৰ ফালৰপৰা সত্ৰৰ প্ৰধান অংগ কেইটা হ'ল - ক. মণিকূট, খ. নামঘৰ বা কীৰ্তন-ঘৰ, গ. চাৰিহাটী আৰু ঘ. বাটচ'ৰা বা কৰাপাট। সত্ৰৰ বস্তু থকা ঘৰটোৱে মণিকূট। দুখন ধনুভিৰীয়া অথবা চাৰিখন চেপেটা চালেৰে ইয়াক নামঘৰৰ পূৰ্ব প্ৰান্তত সংলগ্ন কৰি সজাটো মন কৰিবলগীয়া। মণিকূটৰ অন্য নাম ভঁজঘৰ। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথদেৱৰ মতে বংগ গৃহ শব্দৰপৰা ভঁাজঘৰৰ উদ্ভৱ। ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে অনুমান কৰে যে মাধৱ মন্দিৰৰ মণিকূট শব্দৰে ই সম্প্ৰসাৰিত ৰূপ। দ্ৰাবিড় কোট্টম শব্দৰপৰা কূট শব্দ অহাৰ সম্ভাৱনা দেখিছে ড° সৰ্বেশ্বৰ ৰাজগুৰুৱে। মণিকূটত থাকে (ব্ৰহ্ম সংহিতৰ সত্ৰৰ) - বিষ্ণুৰ অৱতাৰৰ বিগ্ৰহ অথবা গুৰু আসনৰ

ওপৰত কীৰ্তন, দশম, ঘোষা-ৰত্নাৱলী আদি পৱিত্ৰ পুথিসমূহ।

মণিকূটৰ পশ্চিমত থকা পূবা-পশ্চিমা (প্ৰস্থ ১৭-৩৫ মিটাৰ, দৈৰ্ঘ ৩৫-৭০ মিটাৰ) ডাঙৰ ঘৰটোৱে নামঘৰ বা কীৰ্তন ঘৰ। কীৰ্তনঘৰৰ দুয়োফালে থাকে দুখন আহল-বহল বাৰান্দা। কীৰ্তন ঘৰৰ খুঁটাবোৰ বেচ ডাঙৰ। একো-একোটাৰ পৰিধি তিনি-চাৰি মিটাৰ। নামঘৰৰ পশ্চিম মূৰত থাকে এটি টুপ। টুপৰ পিনৰ মূল দুৱাৰখনৰ নাম মুখ দুৱাৰ বা সিংহ দুৱাৰ।

উদাসীন সত্ৰবোৰত অধিকাৰ ডেকা-অধিকাৰ আৰু বিভিন্ন বিষয়-বাবৰ ভকতসকল থাকিবলৈ কীৰ্তন-ঘৰৰ চাৰিওফালে যি চাৰি শাৰী ঘৰ থাকে তাক কোৱা হয় চাৰিহাটী। সত্ৰৰ প্ৰধান প্ৰৱেশ পথত থকা ঘৰটোৰ নাম কৰাপাট বা বাট চ'ৰা। বৰপেটা, সুন্দৰীদিয়া, চমৰীয়া আদি সত্ৰত নামঘৰৰ কাষতে একোটিকৈ মঠ চকুত পৰে। ইয়াৰ উপৰি বহুতো সত্ৰত দৌল-মন্দিৰ, ছোঁঘৰ, ভঁৰাল-ঘৰ, খৰম ঘৰ, পদশিলা ঘৰ আদিও দেখা যায়। সত্ৰৰ ভিতৰত এটি পকী-কুঁৱা নহ'লেই নহয়। সাধাৰণভাৱে এই খিনি অংগৰ সমষ্টিয়ে সত্ৰ। সত্ৰৰ পূৰ্ণাংগ ৰূপায়নত মহাপুৰুষ দামোদৰ দেৱৰ অৱদান ভালেখিনি।

না. দা.

**।। সত্ৰৰ বিষয়ববীয়া ।।**

সত্ৰ এখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন বিষয় ববীয়াৰ ওপৰত কাৰ্যভাৰ অৰ্পণ কৰা হয়। ড° মহেশ্বৰ নেওগে তেওঁৰ শংকৰদেৱ এণ্ড হিজ টাইমচ্‌ত, ড° কেশবানন্দ দেৱ গোস্বামীয়ে তেওঁৰ সত্ৰৰ সংস্কৃতিৰ ৰূপৰেখাত আৰু শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীয়ে তেওঁৰ সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাত সত্ৰৰ বিভিন্ন বিষয় ববীয়াৰ একোটি তালিকা দিছে। সেই তালিকাৰ আধাৰত বৰ্তমানৰ তালিকাখনি যুগুতোৱা হ'ল -

১। অধিকাৰ - সত্ৰৰ ধৰ্মীয় কাম-কাজ সুচাৰুৰূপে সম্পাদন কৰিবলৈ যি গৰাকী গুৰিয়াল বাছি লোৱা হয় সেই গৰাকীয়ে অধিকাৰ অথবা সত্ৰাধিকাৰ, ২। ভাগতী বা ভাগৱতী - সংস্কৃত গীতা-ভাগৱত প্ৰভৃতৰ পাঠ আৰু তাৰ ব্যাখ্যা কৰা ব্যক্তি, ৩। পাঠক - ভাগৱত পাঠৰ প্ৰাৰম্ভত কীৰ্তন ঘোষা গোৱা আৰু ভাগৱত পাঠৰ অন্তত পদ পুথি পাঠ কৰাটো পাঠকৰ কাম। ভাগৱতীতকৈ পাঠকৰ সন্মান বেছি। কেতিয়াবা ভাগৱত পাঠ বন্ধ থাকিব পাৰে, কিন্তু পাঠ বন্ধ নহয়, ৪। নাম লগোৱা - কীৰ্তন ঘৰৰ প্ৰসংগ চলাবৰ বাবে নিযুক্তি ব্যক্তি। বেলেগ বেলেগ সময়ৰ প্ৰসংগৰ বাবে বেলেগ বেলেগ নাম লগোৱা নিযুক্ত হয়, ৫। মেধি - মেধি হ'ল সত্ৰাধিকাৰ প্ৰভূৰ প্ৰতিনিধি/ সত্ৰৰ নিলগত থকা শিষ্যসকলৰ কৰ-কাটল তোলে - মেধিসকলে। বৰমেধি, ৰাজমেধি আদিকৈ মেধিৰ বিভিন্ন ভাগ আছে, ৬। মুক্তিয়াৰ - সত্ৰৰ মাটি-বাৰীৰ উৎপাদানৰ হিচাপ-পত্ৰ ৰাখে মুক্তিয়াৰে। কোনো কোনো সত্ৰত মুক্তিয়াৰৰ সলনি থাকে মজুমদাৰ, ৭। খাটনিয়াৰ

- ৰজাঘৰ আৰু সত্ৰৰ মাজৰ সমন্বয় ৰক্ষী বিষয়া খাটনিয়াৰ জনে কোনো কোনো সত্ৰত মুক্তিয়াৰৰ কাৰ্যও নিৰ্বাহ কৰে, ৮। গায়ন-বায়ন - সত্ৰৰ যোৰা প্ৰসংগাদি চলাবলৈ গায়ন-বায়নৰ প্ৰয়োজন। গায়ন-বায়নৰ সহায়কসকল হ'ল পালি গায়ন-বায়ন, ৯। সূত্ৰধাৰ - সত্ৰীয়া সংগীত, নাচ আৰু ভাওনাত পাৰদৰ্শী লোক, ১০। ভঁৰালী - সত্ৰৰ ভঁৰালৰ অধিকৰ্তা, ১১। হাটীমতা - সত্ৰৰ হাটীত থকা ভকত সকলক নাম -প্ৰসংগলৈ মাতিবলৈ নিযুক্ত কৰা ব্যক্তি, ১২। নামঘৰীয়া - কীৰ্তন ঘৰ সাৰি-মচি ৰাখিবলৈ নিযুক্ত কৰা লোক, ১৩। আলধৰা - সত্ৰাধিকাৰৰ আলপৈচান ধৰা, সত্ৰৰ নিত্য-নৈমত্তিক কৰ্মত সাহাৰ্য দান কৰা আৰু আলহী শুশ্ৰুষা কৰাৰ দায়িত্ব পালন কৰা লোক, ১৪।পাঁচনী - সত্ৰৰ বাৰ্তাবাহক, ১৫। দেউৰী - সত্ৰৰ নিত্য-নৈমিত্তিক পৰ্বত প্ৰসাদ আৰু নিৰ্মালি বিতৰণ কৰা লোক, ১৬। দবাদাৰী - সত্ৰৰ নিত্য-নৈমিত্তিক কৰ্মকালত দবা পিটা লোক, ১৭। লিখক - সত্ৰৰ বাবে পুথি-পাঁজিৰ প্ৰতিলিপি কৰা লোক, ১৮। খনিকৰ - ভাওনাৰ ছো-মুখা, আসন, ঠগা, থাপনা আৰু পুথি-পাঁজি চিত্ৰিত কৰা লোক। এইসকলৰ উপৰি সত্ৰত ওজা, নটুৱা বহুৱা আদি লোকো থাকে।

না দা.

।। সত্ৰৰ সংজ্ঞা ।।

অসমীয়া সত্ৰ শব্দটো সংস্কৃতৰপৰা অহা - ইয়াৰ অৰ্থ হ'ল দীৰ্ঘকালীন যজ্ঞ। বাৰ দিনতকৈ অধিককাল ব্যাপী অনুষ্ঠিত হোৱা যজ্ঞৰ নাম সত্ৰ যজ্ঞ। ভাগৱত পুৰাণত আছে - নৈমিষাৰণ্যত সৌনকাদি মুনিসকলে সহস্ৰকাল ব্যাপি সত্ৰানুষ্ঠান কৰোঁতে ঋষিসকলে উগ্ৰশ্ৰবা সূতক ভাগৱত ক'বলৈ অনুৰোধ জনায়। ঋষিসকলৰ অনুৰোধমৰ্মে সূতে যজ্ঞৰ অৱসৰ কালত ভাগৱতৰ ব্যাখ্যা শুনায়। ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত, 'যিহেতুকে সত্ৰক উপলক্ষ্য কৰি ভাগৱত চৰ্চা হৈছিল আৰু হৰি ভক্তিৰ মাহাত্ম্য প্ৰকাশ হৈছিল, সেই কাৰণে অসমীয়া বৈষ্ণৱসকলে নৈমিষা সত্ৰৰ লাক্ষণিক অৰ্থকে প্ৰধানভাৱে গ্ৰহণ কৰি বৈষ্ণৱ ভক্তিৰ কেন্দ্ৰ আৰু ভক্তসকলৰ সংযোগ স্থল অৰ্থত শব্দটো প্ৰয়োগ কৰিবলৈ ধৰে'। আমবাৰী শিলালিপিত সাবাসিক সত্ৰৰ প্ৰয়োগ চকুত লগা। অনন্ত কন্দলিয়ে বৃত্ৰাসুৰ বধত সত্ৰ শব্দৰ প্ৰয়োগ কৰিছে। বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্যই তেওঁৰ শৰণ-সংহিতাত সত্ৰৰ যিটো সূত্ৰ আগবঢ়াইছে, সেইটোৱে অসমৰ সত্ৰ সম্পৰ্কে প্ৰাচীনতম সংজ্ঞা। ভট্টদেৱে লিখিছেঃ

> যত্ৰাচৰন্তি সদ্ধৰ্মান্ কেবলা ভগৱত প্ৰিয়াঃ/
> নৱধা ভৱদ্ভক্তি প্ৰত্যহং যত্ৰবৰ্ততে//
> তত্ সত্ৰং উত্তমং ক্ষেত্ৰং বৈষ্ণৱা সুৰবন্দিতম্/
> তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বে হৰিনাম পৰায়ণাঃ//

— যি স্থান দেৱতা আৰু বৈষ্ণৱৰদ্বাৰা বন্দিত, যি স্থানত একান্ত ভকতসকলে ঈশ্বৰৰ প্ৰিয়কাৰ্য সাধন কৰে আৰু যি স্থানত দৈনিক নৱধা ভক্তি বিৰাজ কৰে, সেই শ্ৰেষ্ঠ স্থানকেই - সত্ৰ বুলি কোৱা হয়। তাত থকা সমস্ত বৈষ্ণৱেই হৰিনাম পৰায়ণ।

জয়জয়তে অসমত মহাপুৰুষ শংকৰদেৱে সত্ৰানুষ্ঠানৰ লাই খুঁটা পুতিছিল যদিও পৰৱৰ্তী কালত মহাপুৰুষ দামোদৰদেৱৰ হাতত ই 'পূৰ্ণ' পৰ্যায়ৰ আদৰ্শনীয় ৰূপ পৰিগ্ৰহ কৰাৰ সুযোগ পায়।

না. দা.

**।। সত্ৰীয়া চিত্ৰশৈলী ।।**

মধ্যযুগীয় অসমত যিকেইটা চিত্ৰশৈলীত পুথিসমূহ চিত্ৰিত কৰা হৈছিল সেই শৈলী কেইটাৰ ভিতৰত সত্ৰীয়া চিত্ৰশৈলী অন্যতম। এই চিত্ৰশৈলীৰ বৈশিষ্ট্যৰ সন্দৰ্ভত চিত্ৰকলা সমীক্ষক ড° নৰেন কলিতাই কয় — (১) এই চিত্ৰশৈলী ঘাইকৈ ৰৈখিক আৰু আকৃতি সৰ্বস্ব; (২) প্ৰকৃতি চিত্ৰণত খনিকৰসকলে কিছু মনযোগ দিয়াটো লক্ষ্য কৰিবলগীয়া; (৩) চিত্ৰভূমিত বস্তুনিচয় আনুভূমিক ক্ৰমত আৰু সেই ক্ৰমতে ৰেখা আৰু ৰঙেৰে প্ৰকাশ কৰিবলগীয়া কথা অংশ নাটকীয় ৰীতিত বিন্যাস কৰাটোৱে গৃহীতবিধি; (৪) সকলো ৰূপবন্ধকে দৃষ্টিৰ গোচৰলৈ আনি বিন্যাস কৰাৰ একান্তিক প্ৰযত্ন; (৫) নৃত্য সূচক চলমান দৃশ্যৰ প্ৰাধান্য; (৬) এই চিত্ৰশৈলীত আলেখ্য স্থানসমূহক চঞ্চল আৰু নিস্তৰংগ - এই দুই ভাগত ভগাব পাৰি। প্ৰথমটো ভাগত চিত্ৰৰ বস্তুনিচয় বিন্যাস কৰা হয়। আনহাতে চন্দ্ৰকলাৰ বাহিৰৰ নিস্তৰঙ্গ অংশটো আকাশী ক্ষেত্ৰৰ জ্ঞাপক; (৭) মুখাৱয়ৱ সাধাৰণতে পাৰ্শ্বগত কৰি চিত্ৰিত কৰাত উৎসাহন; (৮) এই চিত্ৰশৈলীৰ খনিকৰসকলে লোক শিল্পীৰ দৰে স্বভাৱজ উজ্জ্বল ৰঙৰ মেলনত গুৰুত্ব দিছিল। এওঁলোকৰ আটাইতকৈ আদৰৰ ৰঙটো হ'ল- হেঙুলীয়া; (৯) বস্তু নিচয় স্বচ্ছন্দভাৱে কৰাৰ বিপৰীতে লেখনীৰ বিস্তাৰত অধিক মনযোগ দিয়া দেখা যায় আৰু (১০) এই শৈলীৰ 'চিত্ৰত বৰণ বস্তুৰ স্বৰূপৰ লগত সংগত নহৈ বস্তুৱে প্ৰতিনিধিত্ব কৰা চৰিত্ৰক' প্ৰতীকাত্মক ৰূপত প্ৰকাশ কৰিছিল। সত্ৰীয়া চিত্ৰশৈলীত ওপজা মাটিৰ গোন্ধ থাকিলেও ৰাজপুত মোগল আৰু কাংগ্ৰা চিত্ৰশৈলীৰ মধুৰ নিৰ্যাসো নথকা নহয়।

(আধাৰ গ্ৰন্থ ঃ ড°নৰেন কলিতা ঃঅসমৰ পুথিচিত্ৰ)

না.দা.

**।। সদাশিৱ সকাম।।**

শোণিতপুৰ জিলাৰ বৰঙাবাৰী অঞ্চলত প্ৰচলিত এই ধৰ্মানুষ্ঠান কৃষিৰ লগত জড়িত। এই অঞ্চলৰ মানুহৰ জীৱিকাৰ ঘাই উৎস হ'ল কৃষি। প্ৰচুৰভাৱে ধান হোৱা এই ঠাইত ব'হাগৰ শেষ বা জেঠ মাহত ঘাইকৈ শালি খেতি ৰোৱাৰ আগে আগে গৃহস্থই এই

সকামৰ আয়োজন কৰে। শিৱক আদি কৃষক বুলি জ্ঞান কৰা অসমীয়া মানুহে তেওঁক কৃষিৰ লগত জড়িত পশুৰো পালনকর্তা বুলি গণ্য কৰে। হালৰ গৰু হানি-বিঘিনি নোহোৱাকৈ বছৰটোৰ খেতিটো নিয়াৰিকৈ সম্পন্ন হ'বলৈ পশুপতি শিৱৰ আশীষ বিচাৰি সদাশিৱ সকাম পতা হয়। অন্য মহাপুৰুষীয়া নামৰ দৰেই ইয়াক আয়োজন কৰা হয়। নাম সন্ধ্যা কালত অনুষ্ঠিত হয়। এই সকামত বুট, মুগ, বতৰৰ ফল-মূল নৈবেদ্য হিচাপে আগবঢ়োৱা হয়। ভাঙৰ ঘোটাও নৈবেদ্যৰ আন এটি উপকৰণ। শিৱৰ বন্দনাৰ বাবে নামত কীর্তনৰ হৰমোহন অধ্যায়টো পাঠ কৰা হয়। নাম-কীর্তনৰ পিছত প্রসাদৰ লগতে সামান্য পৰিমাণৰ ঘোটা সকলোৱে গ্রহণ কৰে।

সো. বু.

।। সন্ধি পূজা ।।

দুর্গা পূজাৰ অষ্টমী আৰু নৱমী তিথিৰ সন্ধিস্থলত দেৱীৰ সন্ধি পূজা অনুষ্ঠিত হয়। লোক বিশ্বাসৰ উপৰিবৃহদ্ধর্মপুৰাণত সন্ধি পূজাৰ মাহাত্ম্য বর্ণিত হৈছে। এই উপ-পুৰাণখনিৰ মতে, আহিন মাহৰ কৃষ্ণা নৱমী তিথিত ৰাৱণ বধৰ বাবে স্বয়ং ব্রহ্মাই দেৱীক বোধন কৰিছিল। দেৱী জাগ্রত হৈ ৰাক্ষস নিধনৰ বৰ দান কৰে। দেৱীৰ বৰত, কৃষ্ণা নৱমীত কুম্ভকর্ণ, ত্রয়োদশী তিথিত অতিকায়, অমৱস্যাৰ ঘনঘোৰ নিশা মেঘনাদ আদি আৰু শুক্লা সপ্তমী তিথিত দেৱী ৰামৰ অস্ত্রত প্রৱেশ কৰাৰ অন্তত অষ্টমীত ৰাম-ৰাৱণৰ মহাসংগ্রাম হ'ব। অষ্টমী আৰু নৱমীৰ সন্ধিক্ষণত ৰাৱণৰ শিৰচ্ছেদ হ'ব আৰু সেই শিৰ পুনর্বাৰ সংযোজিত হ'লেও নৱমী তিথিতেই দশানন নিধন হ'ব। দেৱীৰ বৰ অনুযায়ী ৰামে ৰাৱণক অষ্টমী-নৱমীৰ সন্ধিক্ষণত ৰাৱণৰ দশমুণ্ড ছেদন কৰা গুণে দেৱীয়ে কৈছে যে অষ্টমী-নৱমী তিথিক সন্ধিক্ষণৰ পূজাৰ মাহাত্ম্য বেচি (বৃহদ্ধর্ম পুৰাণ, ২২/২৯)। সন্ধিপূজা এবছৰ পূজাৰ সমসৰ। সেইবাবেই আজিও অগণন ভক্তই সন্ধি পূজাত ভাগ লয়। এই পূজাত লৌকিক আচাৰ-নীতিও কিছু পালন কৰা হয়।

না.দা.

।। সপ্তম শতাব্দীৰ কামৰূপৰ বস্ত্রসংস্কৃতি ।।

প্রবল প্রতাপী নৰপতি কুমাৰ ভাস্কৰ বৰ্মাই হংসবেগৰ হাতত শ্রীহর্ষলৈ আগবঢ়োৱা উপঢৌকনসমূহে তৎকালীন সমৃদ্ধিশালী কামৰূপ-প্রাগ্‌জ্যোতিষৰ উন্নত বস্ত্রধর্মী সংস্কৃতিৰ ভিন্ন দিশত এচেৰেঙা স্পষ্ট পোহৰ পেলায়। উক্ত উপঢৌকনৰ প্রথম পদ সম্পদ হ'ল— কামৰূপ ৰাজে বংশ পৰম্পৰাত লাভ কৰা মুক্তা-জাল শোভিত, চামৰেৰে অলংকৃত (চামৰিকা-ৱলীভিঃ ৱিৰচিত পৰিৱেশম্‌), ওপৰ ভাগ উৰোঁ উৰোঁ কৰি থকা, শ্বেত দুকূলবস্ত্রেৰে মেৰোৱা, জুয়ে নোপোৱা, বতাহে উৰাব নোৱাৰা, পানীত নিতিতা, ধূলিত

মলিন নোহোৱা চিৰ নতুন আভোগ ছত্ৰ। আন সম্পদৰ ভিতৰত ভগদত্তৰ কালৰেপৰা পৰম্পৰাক্ৰমে আগত হাৰ, চিন্তামণি প্ৰমুখ্যে আভৰণসমূহ, জকমকীয়া বেতৰ জপা (অনেক-ৰাগ-ৰুচিৰ বেত্ৰ-কৰণ্ড) ভৰা শাৰদ জ্যোৎস্নাৰ দৰে জিক্‌মিকাই থকা ধুব পৰা (শৌচক্ষম)ক্ষৌমবস্ত্ৰ, নিপুণ শিল্পীৰদ্বাৰা নিৰ্মিত শামুক, শংখ আৰু গন্ধৰ্কৰ চিত্ৰ-বিচিত্ৰ বিবিধ পানপাত্ৰ, কাৰ্দৰংগ বা চামৰাৰ ঢাল, ভোজপত্ৰৰ দৰে কোমল-পাতল জাইফুল বৰণীয়া পাটৰ কাপোৰ, চৰাই-পহুৰ নোম ভৰোৱা চিত্ৰিত গাৰু, প্ৰিয়ংগু মঞ্জৰী স্পৰ্শিত বেত্ৰাসন, সাঁচিপাতত লিখা সুভাষিতালী, হৰিতবৰ্ণৰ ৰসাল তামোলৰ থোক; কাপোতিকাৰ পাতেৰে মুখ বন্ধা সুগন্ধি আমৰ ৰসেৰে পূৰ্ণ বাঁহৰ চুঙা, গো শীৰ্ষ চন্দন, বৰফন্যায় কৰ্পূৰ - কস্তুৰী (কস্তুৰিকা কোশক), কক্কোল ফল, লৱংগ পুষ্প, জাইফল, কলহে কলহে মৌৰস, বগা ক'লা ৰঙৰ চংবৰ, চিত্ৰফলক আৰু ৰংথোৱা লাওৰ পাত্ৰ (অৱলম্বমান - তুলিকা-লাবুকান্‌-লিখিতান্‌ আলেখ্য ফলক- সংপুটান), সোণৰ পানী চৰোৱা বেতৰ সজাত থোৱা শুক-সাৰিকা আদি। কবি বাণভট্টই হৰ্ষচৰিত সপ্তম উচ্ছ্বাসত লিখা উপৰ্যুক্ত ৰসসিক্ত আলংকাৰিক বৰ্ণনাই কুমাৰভাস্কৰ বৰ্মাৰ দিনৰ পুৰণি প্ৰাগজ্যোতিষৰ অৰ্থনীতি আৰু কলা -সংস্কৃতিৰ সুখকৰ বিকাশৰ সজীৱ চিত্ৰ এখনি দাঙি ধৰে।

না. দা.

**।। সভা গন্ধ ।।**

কামৰূপ জিলাৰ এখন ঐতিহ্যপূৰ্ণ গাঁও বামুন্দিত পালিত এটি উল্লেখযোগ্য ধৰ্মীয় উৎসৱ হ'ল সভা গন্ধ। বামুন্দিৰ উপৰি কামৰূপ জিলাৰ বিভিন্ন ঠাইত মাঘ মাহত এই সভা গন্ধ উৎসৱ পালিত হয়। জনবিশ্বাস অনুসৰি মাঘ অতি পুণ্যৰ মাহ। এই মাহতে তিল মাহেৰে অগ্নি দেৱতাক পূজা কৰা হয়। এই বিশ্বাসৰ আধাৰতে গাঁৱৰ সমূহ ৰাইজ একগোট হৈ এই সভা গন্ধৰ আয়োজন কৰে। সভা গন্ধত বিষ্ণুৰ বাবে হোমাঞ্জলি দিয়াৰ লগতে সভাত থকা আন আন ঠাইৰ লোকসকলক সিধা দিয়া নিয়ম। অৱশ্যে বামুন্দিত বাদে প্ৰায়বোৰ গাঁৱৰে আৰ্থিক অনাতন, মাছৰ অভাৱ আদি বিভিন্ন কাৰণত এই প্ৰথাটো সীমিত হৈ পৰিছে। বামুন্দিত প্ৰতিবছৰৰ মাঘ মাহত পাঁচ আৰু ছয় তাৰিখে সভাগন্ধ পালিত হয়। প্ৰথম দিনা সিধাৰ বাবে গাঁৱৰ প্ৰতিটো পৰিয়ালে নিৰ্ধাৰিত পৰিমানৰ চাউল, খৰি, বেঙেনা, লাও, আলু আদি নিৰ্দিষ্ট কৰি থোৱা ভঁৰালত জমা দিয়ে আৰু পুৱাৰপৰাই নিৰ্দিষ্টকৈ ৰখা বিলৰ পাৰত হাতে হাতে জাল, পল আদি লৈ গোট খায়। সকলোবোৰ গোট খোৱাৰ পিছত ৰাইজৰ মাজৰে এজনে 'জয় গোপাল গোসাঁইক চিত্তি হৰিবোল হৰিবোল' বুলি ধ্বনি কৰাৰ লগে লগে বাকীসকলেও সমস্বৰে হৰিধ্বনি কৰে আৰু আটাইয়ে মাছ ধৰিবলৈ নামে। এক নিৰ্দিষ্ট পৰিমাণৰ মাছ ভাৰ বান্ধি ভঁৰাললৈ লৈ

অনা হয়। তদুপৰি ৰাইজে সমূহীয়াভাৱে তেল, মছলা, নিমখ, তামোল-পাণ যোগাৰ কৰি ভঁৰালত জমা কৰি ৰাখে। ভঁৰাল ঘৰৰ সমুখত চোতালত ৰভা সাজি সূৰ্যাস্তৰ পিছতে নিমন্ত্রিত গোসাঁই -ব্রাহ্মণৰ চৰণ ধুৱাই নির্দিষ্ট কৰি ৰখা আসনত বহুওৱা হয়। ৰভাৰ তলীত চাৰিটা কল পুলি পুতি তাত চাকি ধূপ-ধুনা জ্বলাই এখন ডাঙৰ ডলা পতা হয়। এই ডলাখন চাউলেৰে পৰিপূর্ণ কৰি প্রতিজন কর্মীৰে আগত নিজৰ নিজৰ দিব লগা বস্তুবোৰ ৰাখি তেওঁলোকক মালা পিন্ধাই দিয়া হয়। ডলাৰ ওচৰত বহা চাউল দিবলগা মানুহজনক কঠধৰা বোলা হয়। ইয়াৰ পিছত গোসাঁয়ে ভঁৰাল চুই এটা মন্ত্র মাতি দিয়াৰ লগে লগে সিধা দিয়া আৰম্ভ কৰা হয় আৰু নির্দিষ্ট সময়ৰ পিছত তিনিবাৰ ডাক দি এই কার্যৰ সামৰণি মৰা হয়। গন্ধৰ দিনা ৰাতি সভাস্থলীত মালোৱা জ্বলোৱা হয়। মালোৱা জ্বলোৱা সময়ত মাটিৰ চুপি আৰু বেহী ব্যৱহাৰ কৰে। গন্ধৰ নিশা ওজা পালি (ব্যাস গোৱা ওজাপালি) ঢুলীয়া আৰু যাত্রাদলৰ অভিনয় আৰম্ভ হয়। সভাৰ দিনা অর্থাৎ ছয় মাঘৰ দিনা দুপৰীয়া নিমন্ত্রিত গাঁৱৰ বয়সীয়া ভকতসকলক সিধা দিয়া হয়। বামুন্দি ৰাইজে সভাগন্ধৰ সকলোবোৰ ধর্মীয় কৃত্য শ্রীশ্রী গোপালেশ্বৰ গোসাঁই ঘৰত সম্পন্ন কৰে। সভাৰ দিনা বিষ্ণুৰ নামত ৰাজহুৱা হোমাদি কৃত্য সমাপন কৰি সমূহীয়াভাৱে নির্মালি, প্রসাদ আদি গ্রহণ কৰে। বামুন্দিৰ এই মহান ধর্মীয় উৎসৱভাগত গাঁৱৰ সকলো শ্রেণীৰ লোকে দুয়োদিনতে শ্রদ্ধাৰে ভাগ লয়।

বি. ভূ. ব.

।। সর্থেবাৰীৰ সভা।।

নামনি অসম সভাৰ বাবে প্রখ্যাত। উত্তৰ আৰু দক্ষিণ উভয় কূলতে আঙুলি মূৰত লেখিব নোৱাৰা সভা অনুষ্ঠিত হয় যদিও সর্থেবাৰীৰ সভাৰ সুকীয়া বৈশিষ্ট্য এটা অদ্যাপি বিদ্যমান। জন্ম কুণ্ডলীৰ অভাৱ সত্ত্বেও এই সভাই ডেৰশতিকাৰ কাল অতিক্রম কৰা বুলি বহুতে মন্তব্য আগবঢ়ায়। পূত মাঘী তিথিত পাঁচদিনীয়াকৈ এই সভা অনুষ্ঠিত হয়। পূর্ণিমাৰ আগদিনটো সভাৰ গন্ধৰূপে পৰিচিত। সেই দিনা ভিন্নখেলৰ, যেনে-আতাথেৰ কলিয়া ঠাকুৰ, চৌধুৰীথেৰ শ্যামৰায়, তালুকদাৰথেৰ নতুন খেলৰ গোপাল, গোবিন্দ, কাজিথেৰ গোপাল বাসুদেৱ, বহতাথেৰ লক্ষ্মী আৰু তামুলীথেৰ ৰাধা-কৃষ্ণৰ বিগ্রহ উলিয়াই অনা হয়। পূর্ণিমাৰ দিনা হোম আৰু নাম কীর্তনে মুখ্য স্থান পায়। হোমত ১০৮ গৰাকী ব্রাহ্মণে লাগি ভাগি দিয়াটো উল্লেখযোগ্য। এই দিনা আগবঢ়োৱা প্রসাদ জগন্নাথ মন্দিৰৰ দৰে শর্কৰামিশ্রিত। তৃতীয় দিনা ভৰসভা, চতুর্থ দিনা ছেৰাসভা আৰু অন্তিম দিনটো ভঙা সভাৰূপে পৰিচিত। অন্তিম দিনা ভকত ভকতনীৰ বৰনাম। ভকতসৱৰ থিয়নামৰ দৃশ্য চাবলগীয়া। নামৰ অন্তত বিগ্রহসমূহ স্বস্থানলৈ নিয়া হয়। এই সভা উপভোগ কৰিবলৈ

অহা দূৰ-দূৰণিৰ যাত্ৰীসকলক হোমৰ দিনাৰপৰা তিনিদিন জুৰি সিধা দিয়াৰ ব্যৱস্থা আছে। যাত্ৰীসকলে মাটিৰ পাত্ৰত খৰিৰে ভাত ৰান্ধি খোৱা-বোৱা কৰিব লাগে। তাৰ বাবে অঞ্চলৰ প্ৰতিঘৰ গৃহস্থই চাউল পাঁচকেজি আৰু খৰি এক আটিকৈ দিয়াৰ দস্তুৰ আজিও চলি আছে। এই সভাই সৰ্থেবাৰী অঞ্চলৰ বিভিন্ন শ্ৰেণীৰ লোকক ঐক্য আৰু সংহতিৰ এনাজৰীৰে বন্ধাত সাহাৰ্যদান কৰি আহিছে। (অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিবেশনৰ স্মৃতিগ্ৰন্থ ভোৰতালৰ আধাৰত যুগুতোৱা)।

না. দা

।। **সৰমালা** ।।

বিয়াৰ কালত পদুলিমুখত দুটা কলপুলি ৰুই তাত এডাল মালা আঁৰি দিয়া নিয়ম। এই মালাডালিকে কোৱা হয় সৰমালা (সৰ = সৰুবাট), সৰু মালা বা বাটমালা। উজনি অসমত কপাহী সূতাৰে আমপাতৰ মালা গাঁঠি পদুলি মুখত ৰোৱা কলপুলি দুটাত তাৰ জোৰণৰ দিনাই আঁৰি থয়। আমপাতত সিন্দূৰৰ ফোট দিয়া প্ৰয়োজন। নামনিৰ ফালে সৰমালাডালি প্ৰস্তুত কৰা হয় - উলুখেৰেৰে। তাত কপাহৰ পাঁজি খুচি দিয়াৰ উপৰি আমপাত আৰু তিনি বা পাঁচটা সৰ চাকিও (ফুটা থকা চাকি) গাঁঠি দিয়া নিয়ম। তিনিটা বা পাঁচটা সৰ চাকিৰ সোঁ মাজৰটোত এজোৰ চাকি মুখা-মুখিকৈ ৰাখি ভিতৰত এটা গোটা তামোল বান্ধি দিয়া বাঞ্ছনীয়। এই যোৰ চাকিক বহুতে জাপ চাকিও বোলে। উজনিৰ দৰে নামনিতো আমপাতত সিন্দূৰৰ ফোট দিয়া হয়।

জোৰণৰ দিনা দৰা-কইনা উভয়ৰে পদুলিমুখত সৰমালা বান্ধি দিয়ে। তাৰ তলেদি জোৰণৰ দল অহা-যোৱা কৰে - অধিবাসৰ পানী তোলা আয়তী যায়। কোনো কোনো ঠাইত বিয়া শেষ নোহোৱালৈকে সৰমালা বন্ধা থাকে। আন কোনো কোনো ঠাইত জোৰণ অথবা অধিবাস শেষ হোৱাৰ পিছত ইয়াক খুলি ঘৰত ভালকৈ থয়। বিয়াৰ দিনা পিণ্ড উটোৱা আৰু আয়তীয়ে পানী তোলা কালত সাময়িকভাৱে সেইডাল পদুলি মুখত বান্ধি দি আবেলিৰেপৰা বিয়া পৰ্ব শেষ নোহোৱালৈকে তাক স্থায়ীভাৱে বান্ধি থয়। দৰাই বিয়া কৰাবলৈ যাওঁতে সৰমালাৰ তলেদি গৈ কইনা ঘৰ পায়। বিয়াৰ শেষত দৰা-কইনা উভয়ে একেলগে সৰমালাৰ তলেদি আহি দৰাঘৰত প্ৰৱেশ কৰা নিয়ম। কিবা কাৰণত কইনাক এৰি থৈ আহিব লাগিলে দৰাই মালাৰ বাহিৰত ৰৈ থাকি কইনালৈ অপেক্ষা কৰে। কইনা আহি পোৱাৰ পিছত দম্পতিক পদুলি মুখৰপৰা ঘৰলৈ বৰণ কৰি লৈ যায়।

দৰা গৈ কইনা ঘৰ পোৱাৰ লগে লগে দৰা পক্ষৰ লোকে সৰমালাৰ জাপ চাকিৰ ভিতৰত থকা গোটা তামোলটো সংগ্ৰহ কৰাত গুৰুত্ব দিয়ে। জনবিশ্বাস মতে, দৰাপক্ষই কইনাঘৰৰ মালাৰ তামোলটো সংগ্ৰহ কৰিব পাৰিলে কইনাই দৰাৰ ওপৰত কথা ক'ব

নোৱাৰে; কিন্তু যদি দৰা কইনা চোতাল সোমোৱাৰ লগে লগে কইনাপক্ষই সেই তামোলটো হাতলৈ আনিব পাৰে, তেনেহলে কইনাই দৰাক বশ কৰি ৰাখিবলৈ সমর্থ হয়। বিয়াৰ পিছত কইনা দৰাঘৰলৈ যাত্রা কৰাৰ লগে লগে পদূলিৰ সৰমালা ডালি খুলি ভঁৰাল অথবা গোহালি ঘৰত ভালদৰে সংৰক্ষণ কৰে।

না. দা.

### ।। সৰি বা সুঁৱৰি ।।

সৰি বা সুঁৱৰি দক্ষিণ কামৰূপৰ এটি এদিনীয়া বসন্তোৎসৱ। এই উৎসৱৰ সৰ্বাতোকৈ উল্লেখযোগ্য আকর্ষণ হ'ল দধি মথন ভাওনাৰ অভিনয়। শিশু কৃষ্ণৰ বাবে নন্দজায়া যশোদাৰ দধিমথন, কানাইৰ চাতুৰী প্রভৃতি এই উৎসৱৰ জৰিয়তে জনসাধাৰণে স্মৰণ কৰাৰ সুযোগ পোৱা গুণে ইয়াৰ নাম সুঁৱৰি (সংস্কৃত স্মৰণিকা)। আদিতে এই উৎসৱ গুইমাৰা, পলাশবাৰী, ৰামপুৰ, খতিয়ামাৰী, পাল্লী, নহিৰা, ছয়গাঁও, বৰদুৱাৰ, আজাৰা, বৰ হেৰামদ, শ্যামৰায়, শিকাৰহাটী আদিকৈ মাত্র কেইখনমান ঠাইতে পালন কৰা হৈছিল যদিও বর্তমানে তাৰ ব্যাপকতা চকুত পৰে। সাধাৰণতে গাঁৱৰ নামঘৰত এই উৎসৱ অনুষ্ঠিত হয় যদিও সুবিধা নথকা ঠাইবোৰত মুকলি পথাৰতেই সাময়িকভাৱে বাঁহৰ চাত পুতি ৰভা দি ইয়াৰ আয়োজন কৰে। ওচৰৰ নামঘৰসমূহৰ বিগ্রহসমূহ আসনেৰে সৈতে আনি সুঁৱৰি থলীৰ পূর্ব দিশত এটা শাৰীত স্থাপন কৰা হয়। উপস্থিত লোকসকলে ফুলৰ মালা আৰু পইচা বিগ্রহলৈ আগবঢ়াই সেৱা জনায়।

সুঁৱৰি থলীত চাৰিটা কলৰ পুলিৰ সোঁমাজত কলৰ দোনাৰে সুদৃশ্যকৈ সজা বেদীৰে দধি মথন মণ্ডপ সজা হয়। বেদীত সংস্থাপিত হয় পাঁচডাল জাকজমকপূর্ণ মথনিমাৰি। মাৰিকেইডাল ভালদৰে ঘূৰিবলৈ তাৰ তলত থাকে মাটিৰ টেকেলি একোটা। দধি মথন মণ্ডপত পকা কলৰ থোক, মাখনৰ টেকেলি প্রভৃতি আঁৰি থোৱা হয়। আবেলি পৰত আৰম্ভ হয় দধিমথন ভাওনা। খুলীয়া দলৰ সহায়ত অনুষ্ঠিত এই ভাওনাৰ নাট মেলনৰ পদ্ধতি চকুত লগা। নাটৰ চৰিত্রসমূহৰ ভিতৰত আছে - শিশু কৃষ্ণ, বলোৰাম, নন্দ, যশোদা আৰু গোৱালিনীসকল।

কিছুদিনৰ আগলৈকে দধিমথন ভাওনাৰ আটাইবোৰ ভাও মতা মানুহেই দিছিল। আজিকালি অৱশ্যে গোপী আৰু যশোদাৰ ভাও ছোৱালীয়ে দিয়ে। দধি মথনৰ লগে লগে পালন কৰা আনটো অনুষ্ঠান হ'ল - ডলা দিয়া বা ঠগী দিয়া অনুষ্ঠান। ইয়াত কৃষ্ণ-বলোৰামৰ উপৰি বাৰগোপাল, নাৰদ, গর্গ মুনি আৰু বান্দৰৰ ভাও দিয়া ল'ৰা কেইজনমান থাকে। এওঁলোক ৰভাৰ তলত বিশেষভাৱে সংৰক্ষিত আসনত বহে। ধর্মপ্রাণ লোকে বাৰগোপাললৈ বিভিন্ন সামগ্রী আগবঢ়ায়। তেওঁলোকে ওঁঠ বজাই

আশীৰ্বাদ দিয়ে। সুঁৱৰি থলী দুপৰীয়াৰপৰা গধূলিলৈ মেলামুখী হয়। গধূলিৰ লগে লগে পথাৰলৈ অনা বিগ্ৰহবোৰ লৈ গাঁও ফুৰোৱা হয়। কোনো কোনো ঠাইত সুঁৱৰিৰ দিনা গধূলি পাউৰা ঘূৰাই বিহুৰ সবি ভাঙে।

কিছুদিন আগলৈকে কোনো কোনো সুঁৱৰিৰ থলীত অগণন লোকৰ সমুখত ডেকা-গাভৰুৱে মালা দি বিবাহ-পাশত আবদ্ধ হৈছিল। এনে বিয়া মালা দিয়া বিয়া ৰূপে পৰিচিত। সুঁৱৰি উৎসৱৰ গইনা লৈ ভালেখিনি লোকবিশ্বাসে গা কৰি উঠাটো উল্লেখযোগ্য। দক্ষিণ কামৰূপৰ স'ৰিৰ সমপৰ্যায়ৰ উৎসৱ হ'ল দৰঙৰ মথেনি।

না. দা

।। সাঁজ /সাঁজপানী ।।

উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতিৰ ভিতৰত টাই আহোম সকলেও চাউলৰপৰা এবিধ পানীয় ঘৰতে প্ৰস্তুত কৰে। ইয়াকয় সাঁজ বা সাজ বা লাওপানী বোলে। ইয়াক ব্যৱহাৰ কৰা কিছুমান ৰীতি নীতি পৰম্পৰাগত ভাৱে চলি আহিছে। আহোম সমাজত সাঁজক এবিধ পবিত্ৰ দ্ৰব্য আৰু এক উৎকৃষ্ট পানীয় খাদ্য হিচাপেহে ব্যৱহাৰ কৰা হয়। তেওঁলোকে ইয়াক তৈয়াৰ কৰি যে কেৱল নিজেই খাইছিল এনে নহয়- সকলো পৰম্পৰাগত পূজা, মৃতকৰ সকাম, বুঢ়া ডাঙৰীয়াৰ সকাম, বিহু, খেতি আৰম্ভ কৰাৰ দিনা সাঁজপানী নৈৱেদ্য হিচাপে অন্যান্য উপকৰণৰ লগত উছৰ্গা কৰা হয়। তদুপৰি সাঁজ পানীৰ কলহৰ উৎকৃষ্ট অংশ উপৰিপুৰুষৰ নামত উছৰ্গা কৰিহে পিছত গৃহস্থই ব্যৱহাৰ কৰিব পাৰে। সাঁজপানীৰে আলহী-অতিথিকো আপ্যায়ন কৰা হয়।

সাঁজপানী আহোম মহিলাইহে প্ৰস্তুত কৰে। মহিলা গৰাকীয়ে ঘৰৰ মজিয়া লিপি-মচি পৰিষ্কাৰ কৰি লোৱাৰ উপৰি গা-পা ধুই, পৰিষ্কাৰ কাপোৰ পিন্ধিহে ইয়াক কৰে সাঁজপানী বৰা চাউল বা লাহী চাউল সিজাই *কিণ্বন* কৰি প্ৰস্তুত কৰা হয়। বৰা চাউল হ'লে ভাপত সিজোৱা হয়; লাহী চাউলৰ ক্ষেত্ৰত কমকৈ পানী দি সিজাব লাগে। সিদ্ধ চাউল ডলাত কলাপাত পাৰি ঠাণ্ডা হ'বলৈ মেলি দিয়া হয়। চাউল খিনি কুহমীয়া হ'লে এবিধ দৰবৰ ঘিলাপিঠা ভাঙি গুড়ি কৰি চাউলৰ লগত সানি দিব লাগে। এনে সাঁজৰ পিঠাক সিদ্ধ চাউলৰ লগত নিৰ্দিষ্ট পৰিমাণত মিহলাই এটা খৰাহীত কলপাত পাৰি এটা পাত্ৰৰ ওপৰত ৰখা হয়। খৰাহীটো ঢাকি ৰাখিব লাগে। দৰবে ৰাসায়নিক ক্ৰিয়া কৰা বাবে সিদ্ধ চাউলখিনিত কিণ্বন আৰম্ভ হয় আৰু খৰাহীৰ তলৰ পাত্ৰত দুই/তিনি দিনৰ পিছত ৰস নিগৰি পৰে। ইয়াক ৰহি বোলে। ইয়াৰ পিছত চাউলখিনি পৰিষ্কাৰ মাটিৰ কলহলৈ স্থানান্তৰিত কৰা হয়। কলহত ভৰোৱা চাউলখিনিক সাঁজৰ গুটি বুলি কয়। তিনি চাৰিদিন পিছত সাঁজপানী খাবৰ উপযুক্ত হৈ উঠে। মাত্ৰ খোৱাৰ আগদিনা নিৰ্দিষ্ট পৰিমানৰ পানী কলহত

ভৰাব লাগে। এইদৰে এটা কলহৰ সাঁজ কেইবাবাৰো পানী দি খাব পাৰি। অৱশ্যে প্ৰথমৰ খিনি চোক বেছি আৰু সুস্বাদু হয়।

সো.বু.

।। সাঁচিপাত ।।

পুৰণি অসম আগৰ বা অগৰু গছৰ বাবে প্ৰখ্যাত। ব্ৰহ্মপুত্ৰৰ দক্ষিণ কূলত প্ৰচুৰ পৰিমাণে অগৰু গছ উৎপন্ন হোৱাৰ কথা গুৰু চৰিতত পোৱা যায়। এই অগৰু গছৰ ছালৰপৰাই প্ৰস্তুত কৰা হৈছিল সাঁচিপাত। ড° দীনেশ সৰকাৰে ইণ্ডিয়ান ইপিগ্ৰাফী গ্ৰন্থত উল্লেখ কৰিছে যে সাঁচিপাতত লিখা পদ্ধতিটো একমাত্ৰ অসমত বিনে উত্তৰ-পূৰ্ব ভাৰত ভূমিৰ অন্যত্ৰ বিৰল। বাণভট্টৰ হৰ্ষচৰিতত আছে কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষ শিলাদিত্যলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্ৰীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত বচনৰ সংগ্ৰহ পুথি আছিল অন্যতম। সাঁচিপাত প্ৰস্তুত কৰাৰ বিষয়ে চাৰ এডোৱাৰ্ড গেইটে এ হিষ্ট্ৰি অব্ আচামৰ চতুৰ্থ পৰিশিষ্টত এনেদৰে লিখিছে ঃ '৩০-৩৫ ইঞ্চি বেৰৰ ১৫-১৬ বছৰীয়া অগৰু গছৰ মাটিৰপৰা চাৰিফুটমান ওপৰৰ বাকলি ছয় ফুটৰপৰা ওঠৰ ফুট দীঘল তিনি ইঞ্চিৰপৰা সাতাইশ ইঞ্চিলৈকে বহল কৰি দীঘলে দীঘলে বাকলিবোৰ এৰুৱাব লাগে। বাকলিবোৰৰ ভিতৰৰ ফালটো বাহিৰলৈ কৰি প্ৰত্যেকখন বাকলিকে বেলেগে বেলেগে নুৰিয়াই কেইদিনমান ৰ'দত দিয়া প্ৰয়োজন। বাকলিৰ ওপৰৰ টান ভাগটো এৰুৱাবৰ কাৰণে কাঠৰ তক্তা বা টান বস্তুৰ ওপৰত মেলি দি হাতেৰে মোহাৰি বাকলিৰ বাহিৰৰ খপলা-খপলি নিকৰিবোৰ এৰুৱাব লাগে। এইবাৰ বাকলিখিনি এনিশাৰ বাবে নিয়ৰত ৰখা প্ৰয়োজন। পিছদিনা বাকলিৰ ওপৰ ভাগটো সাৱধানে এৰুৱাই পেলাই বাকলিবোৰ প্ৰয়োজনমতে দীঘলে ন ইঞ্চিৰপৰা সাতাইশ ইঞ্চি আৰু পুতলে তিনি ইঞ্চিৰপৰা ওঠৰ ইঞ্চিলৈকে ডোখৰ ডোখৰকৈ কাটিব লাগে। কটা টুকুৰাবোৰ এঘন্টা পানীত জুবুৰিওৱা প্ৰয়োজন। তাৰ পিছত ইয়াৰ বাকলিত লাগি থকা খাৰ জাতীয় বস্তুবোৰ উলিয়াই দিয়া ভাল। এইবাৰ কটাৰীৰে বাকলিবোৰ ধুনীয়াকৈ চুচি আধাঘন্টা ৰ'দত শুকাব লাগে। শুকোৱাৰ পিছত তাত পোৱা ইটা মাৰি মিহি কৰাৰ পিছত মাটি মাহৰ গুড়িৰে লুঠুৰি কৰি (বা মাটিমাহ বটি) বাকলিবোৰত সানি তাত হাইতালৰ ৰং দিয়াৰ পিছত আকৌ এবাৰ ৰ'দত শুকাই মোহাৰি মাৰ্বলৰ দৰে মিহি হোৱাৰ পিছত সিবোৰ লিখিবলৈ উপযুক্ত হয়।'

লিখাৰ উপযোগী হোৱাৰ পিছত পাতবোৰ জাপি, কুটনীৰে ফুৰি, সৌমাজতে এটা বিন্ধা কৰা দৰকাৰ। সেইটো লোৰ শলখাৰে নকৰিবলৈ যোগিনী-তন্ত্ৰই নিৰ্দেশ দিছে। সাঁচিপাতত লিখাৰ পূৰ্বে জোখ কৰি সূক্ষ্ম কলমেৰে সমান দূৰত্বত শাৰী টনা

চকুত পৰে। তাৰ নাম হ'ল কুট দিয়া। হাতে লিখা সাঁচিপতীয়া পুথিবোৰৰ তলে-ওপৰে কেইখনমান উকা পাত থাকে। সিবোৰৰ নাম বেটীপাত। বেটীপাতত সাধাৰণতে গ্রন্থৰ নাম, মালিকৰ নাম লিপিকাৰৰ নামো লেখা থাকে।

সাঁচিপাতত পুথি লিখাৰ লগতে তাত চিত্রও অঁকা হৈছিল। সাঁচিপাতত লিখা সচিত্র পুথিৰ ভিতৰত হস্তিবিদ্যার্ণৱ, শংখচূড় বধ, গীত-গোৱিন্দ আদি প্রখ্যাত।

না. দা.

।। সাত বিহু ।।

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি, ফুলিলে ভেবেলি লতা/ কৈ থাকো মানে ওৰকে নপৰে ব'হাগী বিহুৰে কথা//' বিহুৱা ডেকাই কি ভাবি গীত ফাঁকি ৰচিছিল, কোৱা টান; কিন্তু ব'হাগৰ ৰঙালী বিহুৰ ৰহণীয়া কথা কৈ শেষ কৰিব নোৱাৰি। ব'হাগ বিহু মূলতঃ কৃষি উৎসৱ। প্রজনন তত্ত্বও ইয়াৰ বুকুত লুকাই নথকা নহয়। প্রজনন মানৱ সমাজৰ আদিমতম সম্পদ। কৃষিৰ ইতিহাসো দীর্ঘদিনীয়া। আন কথাত ক'বলৈ গ'লে বিহুৰ বুৰঞ্জীও সহজে ঢুকি নোপোৱা। এনে দীঘলীয়া বাট অতিক্রম কৰোঁতে বিহুৱে নিজৰ জোলোঙাত সময়ৰ ভালেখিনি সম্ভাৰ সোমাই লৈছে। অসমত দীর্ঘদিন জুৰি মিলিজুলি বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ স্বকীয় কৃষ্টিৰ সংমিশ্রণত আত্মপ্রকাশ কৰা জাতীয় উৎসৱেই বিহু। মহাপুৰুষ শংকৰদেৱৰ লেখাত বিহু শব্দই বিষু ৰূপত মূর্তিমান হৈছে - 'বিষুদিনা বিধিমতে পঞ্চতীর্থ কৰি/ শুদ্ধমতে সুভদ্রা দেখয় ৰাম হৰি//' ইন্দ্রবংশী আহোম স্বর্গদেৱসকলৰ পৃষ্ঠপোষকতাত বিহুৱে বিশালতাৰ ৰূপ লোৱাৰ সুযোগ পায়। ৰঙালী বিহু এদিন এদিনকৈ সাত দিনলৈ সম্প্রসাৰিত হয়। সাতদিনলৈ চলা বিহুৱে সাত বিহু। সাত বিহুৰ প্রথম বিহু হ'ল - গৰু বিহু। গো-সম্পদৰ সুৰক্ষা সাধন আৰু কুশল কামনাই গৰু বিহু। গৰুক সেইদিনা গা-পা ধুৱাই লাউ-বেঙেনা খুৱাই দীঘলতি-মাখিয়তিৰে কোবাই গধূলি জাগ দি নতুন পঘা দিয়াৰ লগতে সৰুৱে বৰজনৰপৰা আশীর্বাদো লয়। 'গৰু বিহু দিনাখন ল'বা আশীর্বাদ, তেহে পাবা বৈকুণ্ঠত ঠাই।'

দ্বিতীয় দিনাৰ বিহু মানুহ বিহু। সেইদিনা মৰমৰ দীঘ দি চেনেহৰ বাণি বই হেঁপাহৰ আঁচুৰে বোৱা / সপোনৰ ফুলেৰে ফুলাম' বিহুৱান মূৰত লৈ ডেকাইঁতে বিহু মৰাৰ পাতনি তঁৰে - হুঁচৰি মৰাৰ জয় যাত্রা আৰম্ভ কৰে। তৃতীয় দিনাৰ বিহু গোসাঁই বিহু ৰূপে জনাজাত। সেইদিনা নামঘৰত গোসাঁইৰ নামত নৈবেদ্য আগবঢ়োৱা হয়। চতুর্থ দিনাখনো ৰঙালী বিহুৰ ৰং-ৰহইচ চলে পূর্ণোদ্যমে। সেইদিনাৰ বিহুৰ নাম হাট বিহু। অকল বিহুৱা ডেকাই অন্তৰ উজাৰি বিহুগীত - বনঘোষা গাই বিহু মাৰিলেই বিহুৰ সৌন্দর্য প্রকাশ নাপায়। যৌৱনৰ মৌবনত আত্মহাৰা হোৱা নাচনীৰ সহযোগেহে বিহুৰ

পূৰ্ণতা আনে। চেনেহীৰ স্মৃতি ৰক্ষাৰ্থে পঞ্চম দিনাৰ বিহুৰ নাম দিয়া হৈছে চেনেহী বিহু। ৰাঙলীহঁত আছে বুলিয়ে ব'হাগৰ বিহু ৰঙালী। ষষ্ঠ দিনাৰ বিহুৰ নাম ৰাঙলী। 'আজি বিহু বিহু কালি বিহু বিহু, বিহুৰে বিৰিণা পাত/ বিহু থাকে মানে সিহুকে বিনাবি বিহু গ'লে বিনাবি কাক/' সময়ক কোনোৱে বাধা দি ৰাখিব নোৱাৰে। সময়ৰ সোঁতত অতিকৈ চেনেহৰ ৰঙালী বিহু আহে আৰু সময়ত তাক বিদায় দিব লগাত পৰে। সাত দিনতকৈ অধিক দিন বিহুক ৰাখিব নোৱাৰি। সাত বিহুৰ দিনা উৰাব লাগে। উজনিত সেই দিনা বৰগছৰ গুৰিত হাঁচতি আগবঢ়াই বিহু উৰায়। সেইবাবেই সাত বিহুৰ নাম চেৰা বিহু। উজনি-নামনি উভয়তে সেইদিনা সাত-শাকী খোৱা প্ৰথা অদ্যাপি প্ৰচলিত। সাত বিহু শেষ হয়, কিন্তু ৰঙালী বিহুৰ উলহ-আনন্দ আৰু ঢোল-পেঁপাৰ মাত সাত বিহুৰ পিছতো আৰু কিছু দিনলৈ চলি থাকে।

না. দা.

**।। সাতৰাজ মাৰি একৰাজ কৰা বা এঘাৰ কোঠা মাৰি এক কোঠা কৰা।।**

অনৈক্যৰ মাজত ঐক্য বুজাবলৈকে সাতৰাজ মাৰি একৰাজ কৰা বা এঘাৰ কোঠা মাৰি এক কোঠা কৰা এই বাক্যাংশ প্ৰয়োগ কৰা হয়। আহোম নৃপতিসকলৰ কাৰ্য-কুশলতা বুজাবলৈ আহোম বুৰঞ্জী প্ৰণেতাসকলে এই বাক্যাংশ ব্যৱহাৰ কৰাৰপৰা ই জনপ্ৰিয় হৈ পৰে।

যেতিয়া আহোমৰ প্ৰথমজনা স্বৰ্গদেউ চুকাফাই পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল, তেতিয়া অসমখন বিভিন্ন জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে জনসাধাৰণে বসবাস কৰিছিল। সৰু সৰু গোটত অসংখ্য ৰজা-সামন্তসকলৰ অধীনত অসমৰ জনসাধাৰণ ছেদেলি-ভেদেলি হৈ আছিল। তেতিয়াই চুকাফাই এই সৰু সৰু ৰাজ্যবোৰ অধিকাৰ কৰি এক বৃহৎ অসমীয়া জাতি আৰু অসম ৰাজ্য গঢ়াৰ কাঠামো তৈয়াৰ কৰে। ইয়াৰ পিছতো অন্যান্য স্বৰ্গদেউসকলেও চুকাফাৰ আদৰ্শেৰে আগবঢ়াৰ বাবে আহোম স্বৰ্গদেউসকলৰ কাৰ্যাৱলীৰ সন্দৰ্ভতেই সাতৰাজ মাৰি একৰাজ বা এঘাৰ কোঠা মৰি এক কোঠা কৰা এই বাক্যাংশ ব্যৱহাৰ হৈ আহিছিল। পিছলৈ ই অনৈক্যৰ মাজত ঐক্য বুজাবলৈকো ব্যৱহাৰ কৰা হয়।

প.ৰা.

**।। সাত শাক তোলা বিহু।।**

নামনি অসমত ঘাইকৈ অবিভক্ত উত্তৰ কামৰূপত ছয় ব'হাগৰ বিহুটো শাকবিহু অথবা সাত শাক তোলা বিহুৰূপে পৰিচিত। এই বিহুত মহিলাসকলে আগভাগ লয়। উক্ত দিনা গাঁও অথবা চুবুৰীৰ জীয়ৰী-বোৱাৰীহঁতে বোৱাৰী পুৱাতে উঠি জেতুকা বলোৱা হাতত চালনী লৈ শাক তুলিবলৈ বিভিন্ন ধৰণৰ গীত পদ গাই নদী, বিল অথবা পুখুৰীৰ

পাৰ পায়গৈ আৰু নদী বিল অথবা আন জলাশয়ত গা-পা ধুই ডাঙৰ গছৰ তলৰ ঠাই এড়ুখুৰি পৰিষ্কাৰ কৰি তাতে কিছু সময় বহি নাম প্ৰসংগ কৰে আৰু পিছত সাত শাকীৰ গীত গাই শাক তোলেগৈ। গীতবোৰ এনেধৰণৰঃ (টিহু অঞ্চলৰ)- 'খুদ্‌না হাতৰ গলে ধৰি/ ভৌকা শাকে কান্দে/আজি খুদ্‌নাক নিবা আইছু/ভাজা খাবা লাগে। '(সৰ্থেবাৰী অঞ্চলৰ)- 'সাত শাকৰ কি কি নাও/ওলাই আহা পাৰবতী মন্দোদৰী/সাতশাক তুলিবলৈ যাওঁ।' (বৰপেটা অঞ্চলৰ) – 'সাঠেকৰ কি নাউ হে/ ভোম্‌ৰাই কয় পাৰ্বতি মাউ হে/সাঠেক তুলিবাকে যাউ।' সাতশাক তোলাৰ পিছত গায়– (সৰ্থেবাৰী অঞ্চলৰ) 'ৰহিলা ও সাতশাক তুঁলি আহিলু/ৰহিলা এ আমি সমনীয়া/ৰহিলা এহে মনে আনন্দ কৰি।' সাতশাক তোলাৰ পিছত মহিলাসকলে আকৌ গছৰ ছাঁত বৃত্তাকাৰে বহি পৌৰাণিক হৰণ আৰু বধ কাব্যৰ কিছু অংশৰ নাট্যাভিনয় কৰি ঠাট্টা মস্কৰা আৰু ধেমালিৰ গীতো পৰিবেশন কৰে। পৰিশেষত দলবদ্ধহৈ ঘৰলৈ উভতি আহি পৰিয়ালৰ সকলোৱে মিলি সাতশাক খাই বছৰেকলৈ নিৰোগী হৈ থকাৰ সপোন ৰচে।

না.দা.

।। সাত শাকী ।।

বিহুৰ বতৰত সাত শাকী খোৱা প্ৰথা অসমৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মাজতে আছে। কোনোৱে গৰু বিহুৰ দিনা, কোনোৱে সাতবিহুৰ যিকোনো এদিন সাতশাক খায়। কোনো কোনো অঞ্চলত পুৱা তিৰোতাবোৰে সাত শাকী তোলা গীত গাই শাক তোলে আৰু দুপৰীয়া ৰান্ধি ঘৰৰ পৰিয়ালৰ আটায়ে খায়।

সাত শাকী শব্দই যদিও সাতবিধ শাক বিহুৰ সময়ত খোৱাৰ অৰ্থ সূচিত কৰে আচলতে তেনে নহয়। খোৱাৰ উপযোগী সকলোবোৰ তৰু-তৃণেই এই শাকৰ ভিতৰত পৰে। সিজাই অথবা কেঁচাই খোৱা ডাল-পাত, ফুল মাত্ৰেই শাক। অসমীয়া ভোজন-দ্ৰব্যত শাকৰ গুৰুত্ব অপৰিসীম। প্ৰাচীন কালৰেপৰা অসমীয়াই শাক ব্যৱহাৰ কৰি আহিছে। শাকৰপৰা ঔষধি গুণো আহৰণ হয়। বনৌষধিৰ দ্বাৰা প্ৰাথমিক চিকিৎসা কাৰ্য কৰা অসমীয়াই শাক ভক্ষণৰ দ্বাৰা পেট তথা দেহৰ বিভিন্ন ৰোগ উপশম হোৱাৰ কাৰণো সাত শাকী ভক্ষণৰ লগত জড়িত হৈ আছে।

উজনি অসমত সাত শাকী বুলিলে এশ বা এশ আঠবিধ শাক বুজায়। ঠাই বিশেষে ইয়াতকৈ অধিক শাকো ব্যৱহাৰ কৰে। সাত শাকীৰ ব্যৱহাৰ চীনকে আদি কৰি অন্যান্য মংগোলীয় জনগোষ্ঠীৰ মাজতো প্ৰচলিত আছে। সাতশাকী ব্যৱহাৰ কৰোঁতে ভিন্ন স্বাদৰ শাকতহে গুৰুত্ব দিয়া হয়। তিতা শাকৰ ব্যৱহাৰ অৱশ্যম্ভাৱী শাকৰ ভিতৰত বাহকাক তিতাৰ ৰজা আৰু মৰলীয়া অথবা ঠৌটনি শাকক শাকৰ ৰজা বুলি জনসাধাৰণে বিশ্বাস কৰে।

অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰি অহা এশ পোন্ধৰবিধ শাকৰ নামবোৰ এনেধৰণৰ - ঢেঁকীয়া, টিকনি বৰুৱা, নেফাফু, বনজালুক, কঁচু, ভেদাইলতা, লৰ বৰুৱা, খুতুৰা, কলমৌ, মাটি কাদুৰী, মানিমুনি, মহানিম, নৰসিংহ, ভাং, বেতগাজ, কেৰেলা, বেঙেনা, বৰঠেকেৰা, বিহলঙনি, মছন্দৰী, জিলমিল, মানধনিয়া, জেতুলী পকা, শুকলতি, দোৰোণ, কল পচলা, পিৰালী পালেং, ব্ৰাহ্মী, পিৰালী কুঁৱৰী, কঁঠালৰ মুচি, পিপলী, পদিনা, জালুক, কেহৰাজ, পচতীয়া, বাহেক, মধু সোলেং, ভেকুৰী, মৰলীয়া বা ঠোটনি, গাখিৰতী, টেঙেচী, তুলসী, জলকুঁৱৰী, কাচিপকা, আগেজলা, চালকুঁৱৰী, হেলঞ্চি, তিতাফুল, বকফুল, লাইজাবৰি, বৰ মানিমুনি, সৰু মানিমুনি, হাতী খুতুৰা, সৰিয়হ, তিল, চিৰতা, মেটেকা, পানী কলা, ভেট ফুল, মৰিছা, দুপৰ টেঙা, ভৃঙ্গৰাজ, পুৰৈ, বিয়নি সাবটা, অগৰা, ভঁৰালী ভকুৱা, আমৰ মল, ধুতুৰা, বৃন্দাবন, কাচিপকা, বৰ্হমথুৰি, বিশল্যকৰণি, মালভোগ, টেঙামৰা, ফুতুকলা, টুপুৰীলতা, শেৱালি ফুল, কুৰ্হিলা, অশোক, ধনীয়া, পালেং, চুকা, মেঠি, মৰাপাট, থেৰেজু, ৰাজুপকা, হাড়ঘুনুচা, নুনী, নিলাজী, পনৌনৌৱা, কুকুৰা ঠেঙীয়া, কোৱা ভাতুৰী, আৰফুল, পদুম, থৈলাংনী, মচুৰ, কেএগ্ৰবন, কাচকল, জবাফুল, মদাৰ, জাতিলাও, ৰঙালাও, আলু, পিঁয়াজ, তিয়হ, গৰুখিচ, সোণ বৰিয়াল, বৰ বৰিয়াল, দুৰ্লভা, সৰ্পজিভা, ইন্দ্ৰযৱ, জবেত্ৰি, মাজেঠি, জেষ্ঠমধু আৰু ৰাম তুলসী।

বড়ো, কাৰ্বি, মিচিং আদি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজতো শাকতোলা প্ৰথা আজিকোপতি প্ৰচলিত। (প্ৰবীৰ দত্তৰ সহযোগত)

প. ৰা.

**।। সাতসৰী ।।**

সাতসৰী এবিধ বিশেষ মৰ্যাদাসম্পন্ন ডিঙিত পিন্ধা অলংকাৰ। ইয়াক দীঘলীয়া স্বৰ্ণসূত্ৰ বুলিও জনা যায়। এভাগ সোণৰ চেইনকে ডিঙিৰপৰা বুকুত পৰিধকাকৈ সাতপেচ মাৰি পৰিধান কৰা হয়। আগৰদিনত আঢ্যৱন্ত ঘৰৰ মহিলাই সাতসৰী পিন্ধা দেখা গৈছিল। কোনো কোনো অঞ্চলত সাতসৰী ৰত্নৰ গাজ গোৱা থাকে। ইয়াক ৰত্নগঠিত সাতসৰী বুলি জনা যায়। বৰ্তমান সাতসৰী পিন্ধোৱা দুৰৈৰে কথা, ইয়াক দেখিবলৈকে নোহোৱাৰ দৰে হৈ পৰিছে। বিহুগীত, বনগীত, বিয়ানাম আদি সকলোতে সাতসৰীৰ উল্লেখ আছে। সাতসৰী অসম বুৰঞ্জী নামেৰে এখন অসম বুৰঞ্জীও পোৱা যায়। আনকি অতি আধুনিক বোলছবিৰ গীততো ইয়াৰ ধ্বনি-প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

'হিয়াৰ মৰম মুকুতা হৈ / আছে যে মন ওপোচাই'

তাৰে গঢ়াই সাতেসৰী / দিম মই তোকে পিন্ধাই।' ইত্যাদি

প্ৰ.শ. গো.

**।। সান্দহ ।।**

'যেতিয়াৰ দিন তেতিয়াই গ'ল, সান্দহ থোৱা বালি তল গ'ল' 'এক খলা সান্দহ নুকুটিবি, এখন কাপোৰ নুধুবি'— সান্দহক লৈ প্ৰচলিত এই প্ৰৱচনবোৰে অসমীয়া সমাজত সান্দহৰ দীৰ্ঘদিনীয়া জনপ্ৰিয়তা সূচায়। মাঘৰ বিহুত সান্দহ নুখুন্দিলেই নহয়। এটা কালত মানুহ ফুৰিবলৈ গ'লে গামোচাত সান্দহ আৰু আঠীয়া কল বান্ধি লৈ গৈছিল। ভোক লাগিলে কাৰোবাৰ ঘৰত পানী খুজি লৈ সান্দহে কলে সানি তাত পানী মিহলাই ভোক পলুৱাইছিল। অসমীয়া লোকে সান্দহক পুষ্টিকৰ খাদ্য বা জলপান ৰূপে গণ্য কৰিছিল। সান্দহৰ বাবে দুবাৰ সিজোৱা (দুই উহা) উখুহা চাউলৰ প্ৰয়োজন। সেই চাউল কেইঘন্টামান পানীত তিঁয়াই বাঁহৰ ডুকুলা বা পাচীত তৰিয়াই (টুকি) থব লাগে। চাউলৰ পানী নিগৰি যোৱাৰ পিছত তাক মাটিৰ পাটচৰুত ভজা প্ৰয়োজন। দুই এটা চাউল খোলাত ফুটিলে তাক খুবলিত দি গুড়ি কৰিব লাগে। ভাল দৰে গুড়ি নহ'লে গুড়ি চালনিৰে চালি মোটা অংশটো আকৌ এবাৰ ভাজি খুন্দিলে সুন্দৰকৈ গুড়ি হয়। ভজা চাউলৰ গুড়িয়ে সান্দহ বা সান্দহ গুড়ি। কোনো কোনোৱে সান্দহত মখা তুলিবলৈ সান্দহৰ চাউলৰ লগত বৰা চাউল মিহলায়। আন কোনোৱে আকৌ আলোৱা চাউলেৰেও সান্দহ নুখুন্দা নহয়।

জ্যো. দা.

**।। সিংহাসন ।।**

সিংহাসন অসমৰ সত্ৰীয়া সংস্কৃতিৰ হীৰক খণ্ড। কীৰ্তন ঘৰৰ পূৰ্ব দিশৰ দ্বিতীয় কোঠাটোত পশ্চিমমুৱাকৈ থাকে সিংহাসন। বহাৰ উপযোগী আহিলাই আসন আৰু যি আসনত সিংহ সংযুক্ত হৈ থাকে সেয়ে সিংহাসন। ইষ্টদেৱতাৰ স্থান সদায় সিংহাসনত। গুৰুজনাৰ ভাষাত, 'হেন মন্দিৰে ৰত্ন সিংহাসনে। আসন্ত বসি প্ৰভু নাৰায়ণে।।' (ধ্যান বৰ্ণন) সিংহাসনৰ একেবাৰে তলত চাৰি কোণত থাকে পাখিলগা চাৰিটা সিংহ আৰু তাৰ তলত বশ্যতা স্বীকাৰ কৰি আঁঠু লৈ থকা চাৰিটা হাতী। সিংহই আগ ঠেং দুখনেৰে হাতীৰ মূৰত আৰু পিছ ঠেং দুখনেৰে পৃষ্ঠদেশত ধৰি থকা দেখা যায়। কোনো কোনো সিংহাসনৰ একেবাৰে তলত থাকে চাৰিটা কাছৰ প্ৰতিকৃতি। সিংহাসনত সিংহ-হস্তীৰ অৱস্থান সম্পৰ্কে সত্ৰাধিকাৰ নাৰায়ণচন্দ্ৰ গোস্বামীদেৱে লিখিছে — 'শংকৰ-মাধৱ দুজনা গুৰুৱে পাৰমাৰ্থিক দৃষ্টিৰে নাম আৰু পাপৰ প্ৰতীক হিচাপে সিংহ আৰু হস্তীক ব্যৱহাৰ কৰিছে।'

চতুষ্কোণী সিংহাসনত সাতোটা থাক থাকে। থাকবোৰ অনুক্ৰমে তলৰপৰা ওপৰলৈ সৰু। একেবাৰে ওপৰৰ থাকটোত কীৰ্তন-ভাগৱত সংস্থাপন কৰা হয়। ওপৰৰ থাকটোৰ সত্ৰীয়া নাম আমহী ঘৰ। 'আমহী ঘৰটোৰে সৈতে সিংহাসনৰ থাকৰ সংখ্যা হয় - আঠ। সাত খলপীয়া সিংহাসনৰ চাৰিও কোণত চাৰিটাকৈ সিংহ থাকিলে সাত খলপাত সিংহৰ

সংখ্যা হয় আঠাইশটা। সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখাত গ্ৰন্থকাৰৰ দৃষ্টিত এয়া হ'ল 'অষ্টবিংশতি তত্ত্ব'ৰ চাক্ষুস ৰূপ। পঞ্চ তন্মাত্ৰ (শব্দ, স্পৰ্শ, ৰূপ, ৰস, আৰু গন্ধ), পঞ্চ মহাভূত (ক্ষিতি, অপ্, তেজ, মৰুৎ আৰু ব্যোম্), পঞ্চ কৰ্মেন্দ্ৰিয় (বাক্, পাণি, পাদ, পায়ু আৰু উপস্থ), পঞ্চ জ্ঞানেন্দ্ৰিয় (চক্ষু, কৰ্ণ, ত্বক, আৰু ঘ্ৰাণ), তিনি গুণ (সত্ত্ব, ৰজ আৰু তমঃ), প্ৰকৃতি, পুৰুষ, মহৎ, অহংকাৰ আৰু মন— এই অষ্টাবিংশতিতত্ত্ব সিংহাসনত বিৰাজমান। সিংহাসনত থকা সাতটা থাক সপ্ত বৈকুণ্ঠৰ প্ৰতীক। সপ্ত বৈকুণ্ঠৰ ওপৰত সপ্ত ঈশ্বৰৰ নিয়ন্ত্ৰক হিচাপে থাকে পৰমব্ৰহ্ম। সত্ৰীয়া পৰম্পৰা অনুযায়ী আমহী ঘৰ হ'ল ভাগৱত-গৃহ। ইয়াৰ পশ্চিম দিশ মুকলি - আন ত্ৰিদিশ ঢকা। সিংহাসনৰ ওপৰত চন্দ্ৰতাপ তৰা থাকে।

কোনো কোনো সিংহাসনত খনিকৰসকলৰ কুশল হস্তৰ পৰিচয় পোৱা যায়। সিংহ, হাতী আৰু কাছৰ উপৰি কোনো কোনোৱে অলংকৰণৰ বাবে লতা-ফুল আদিও কাটে আৰু হেঙুল-হাইতালেৰে বোলাই চালে চকুৰোৱা কৰি পেলায়। দুই এখন সিংহাসনত চিত্ৰ কৰ্মৰো সংযোজন উল্লেখযোগ্য। বিষ্ণুৰ দশাৱতাৰ, চতুৰ্বিংশতি অৱতাৰ প্ৰভৃতি তাৰ বিষয়বস্তু। দৰ্শকে বুজিব পৰাকৈ প্ৰতিখন চিত্ৰৰ তলে তলে প্ৰতিমাখনিৰ নাম লিখা থাকে।

না. দা.

**।। সিদল।।**

সিদল অবিভক্ত গোৱালপাৰাবাসীৰ একপ্ৰকাৰ আচহুৱা জনপ্ৰিয় খাদ্যসম্ভাৰ। সাধাৰণতে চন্দা, পুঠি, খলিহনা প্ৰভৃতি মাছ কাটি ধুই পখালি চালনিত ৰাখি ৰ'দ অথবা জুইত সেকি শুকান কৰি লোৱাৰ পিছত মানকচুৰ ঠাৰি অথবা কচু পৰিমাণ মতে লৈ একেলগে বা বেলেগে বেলেগে ঢেঁকী বা উৰালত খুন্দি গুড়ি কৰা প্ৰয়োজন। তাৰ পিছত দুয়োবিধ গুড়ি একেলগ কৰি পৰিমাণমতে মিঠাতেল, হালধি গুড়ি আৰু নহৰু বটা একগোট কৰি ভালদৰে হাতেৰে সানি লৈ লাৰু সাজি, চেপেটা কৰি ভালদৰে ৰ'দত শুকাই লোৱা খাদ্য বিধেই সিদল। ইয়াক বহুদিনলৈ সাঁচি থব পাৰি। কল বা তামোলৰ ঢকুৱাৰে টোম সাজি তাত সিদলখিনি থৈ মুখখন মাৰি ভিতৰত বতাহ সোমাব নোৱাৰাকৈ মাটি লিপি শিকিয়াত তুলি ওলোমাই থৈ প্ৰয়োজনীয় কালত নমাই আনি যিকোনো আঞ্জা-তৰকাৰীত দি খাব পাৰি। কোনোৱে খাৰ দি সিদল খায়। ড° ধীৰেন দাসৰ ভাষাত 'এবাৰ ইয়াৰ জুতি পালে এৰাটো টান।'

(মো° আব্দুল গফুৰৰ গোৱালপৰীয়া সংস্কৃতিৰ আধাৰত যুগুতোৱা)

জ্যো. দা.

**।। সিন্দূৰ ।।**

কাম চৰাইৰ ৰঙা ঠোঁট
তাতে দিলে সিন্দূৰৰ ফোট
পিতাদেউ দূৰলৈ নিদিবি মোক।

উত্তৰ-পূৰ্ব ভাৰতত বিবাহ আচাৰৰ মাজত আনুষ্ঠানিকভাৱে সিন্দূৰৰ ফোট দিয়াটো এটা অপৰিহাৰ্য অংগ। শিৰৰ সিন্দূৰ পূৰ্বাঞ্চলৰ হিন্দুৰ বাবে সধবাৰ লক্ষণ। জোৰণৰ দিনাই দৰা অথবা দৰাৰ নিকট সম্পৰ্কীয়জনে কইনাৰ শিৰত অথবা কপালত ৰঙা সিন্দূৰৰ ফোট দিয়ে - সেই ফোট লৈয়ে মৃত্যুক সাৱটি ল'ব পৰাটো হিন্দু নাৰীয়ে সৌভাগ্য ৰূপে গণ্য কৰে। শিৰত সিন্দূৰ লোৱাটো পিছে সনাতন হিন্দু বিবাহ আচাৰৰ অন্তৰ্ভুক্ত নহয়। ই লৌকিক আচাৰ মাত্ৰ। এজন পাশ্চাত্য পণ্ডিতে অভিমত দিছে যে ৰঙা ৰং নৱোদিত সূৰ্যৰ প্ৰতীক। সূৰ্য উপাসক কোনো কোনো আদিম জাতিৰ মাজত বিয়াৰ সময়ত ৰঙা ৰঙৰ ব্যৱহাৰ হৈছিল। সূৰ্য শক্তি আৰু উৰ্বৰতাৰ প্ৰতীক। সূৰ্যৰ সেই তেজশক্তি ভূমি আৰু নাৰী - উভয়ৰে ওপৰত প্ৰযোজ্য জ্ঞান কৰা হৈছিল। সেই বাবে দৰাই কইনাৰ কপালত ৰঙা সিন্দূৰৰ ফোট দিয়াৰ অন্তৰালত সূৰ্যৰ অমিত তেজ তেওঁৰ দেহ-মনত প্ৰবিষ্ট কৰাই দিয়াৰ উদগ্ৰ কামনা প্ৰচ্ছন্ন হৈ থাকে। এই সূত্ৰটি পিছে সৰ্বজন গ্ৰাহ্য বুলি কোৱা টান। বিয়াৰ কালত সিন্দূৰ ব্যৱহাৰ কৰা প্ৰথা ভাৰতৰ বাহিৰে অন্যত্ৰ দেখা নাযায়। ভাৰতভূমিৰ ভিতৰতো ই উত্তৰ ভাৰততে সীমিত। দাক্ষিণাত্যত বিয়াৰ কালত সিন্দূৰৰ ব্যৱহাৰ নাই। ছোটনাগপুৰৰ বিভিন্ন জনজাতিয়ে বিয়াৰ কালত সিন্দূৰ ব্যৱহাৰ কৰে। ওৰাও, চাওতাল আদিৰ মাজত ইসুং সিন্দ্ৰি, সিন্দূৰ উড়ানি প্ৰভৃতি অনুষ্ঠান চকুত লগা। সেইকাৰণে আৰ্যভিন্ন সংস্কৃতিৰপৰা ই হিন্দু সংস্কৃতিলৈ অহাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। সিন্দূৰৰ সৈতে বিধৱাৰ কোনো সম্পৰ্ক নাই।

অকল বিয়াৰ লগতহে যে সিন্দূৰৰ সম্পৰ্ক তেনে নহয়। উত্তৰ-পূৰ্ব ভাৰতৰ পূজা-পাতলৰো অবিচ্ছেদ্য অংগ সিন্দূৰ। শক্তি আৰু আন বহুজন দেৱতাৰ পূজা অৰ্চনাত সিন্দূৰ নহ'লেই নহয়। শক্তিদেৱীলৈ আগ কৰা পাৰ, ছাগলী আদিক সিন্দূৰ ঘঁহি দিয়াটো সাধাৰণ নিয়ম। সাধাৰণ শিল এচলাত সিন্দূৰ ঘঁহাৰ পিছত সেয়াই দেৱতাৰ বিগ্ৰহৰ সন্মান পায়। জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ আদিতো ইয়াৰ ব্যৱহাৰ নগণ্য নহয়। এক কথাত অসমীয়া সংস্কৃতিত সিন্দূৰে যে এখনি বিশিষ্ট আসন লাভ কৰিছে, তাক দোহাৰিবৰ আৱশ্যক নাই।

না. দা.

**।। সুতুলি পিঠা।।**

উজনি-নামনি সৰ্বত্ৰ বহুলভাৱে প্ৰচলিত সুতুলি পিঠাৰ বাবে প্ৰয়োজন-কৰা বা

আৰৈ চাউলৰ পিঠাগুড়ি, তিল, গুড় আৰু তেল। পিঠাগুড়িখিনি পানীৰে ভালদৰে মাৰি সৰু লুচিৰ আকৃতিৰ পিঠা সাজি মাজত ভজা তিল-গুড় মিশ্ৰণৰ পুৰ দি জোনবিৰিটোৰ দৰে দুয়োমূৰ জোঙা কৰাৰ লগতে কাষবোৰো ভালদৰে টিপি দিব লাগে। সুতুলিপিঠাৰ মাজত বহুতে তিল গুড়ৰ পৰিবৰ্তে ৰোকা নাৰিকল চেনিৰে ভাজিও দিয়ে। পিছত কেঁচা পিঠাবোৰ তেল অথবা ডালডাত ভজাৰ পিছত খোৱাৰ উপযোগী হৈ উঠে। সুতুলি হ'ল এবিধ মাটিৰে সজা মুখেৰে বজোৱা বাদ্য। এইবিধ পিঠা দেখাত সুতুলিৰদৰে দেখি বাবেই তাৰ সেই নাম।

জ্যো. দা.

।। সুঁৱাগুৰি তোলা ।।

সুঁৱাগুৰি তোলা হিন্দু বিয়াৰ এটি অত্যাৱশ্যকীয় অংগ। বিয়াৰ দিনা দৰা-কইনাক ধুওৱাৰ (নোৱনিৰ) পিছত দৰা বা কইনাৰ মাক যায় - সুঁৱাগুৰি তুলিবলৈ। মাকে গা ধুই পানী যুঁৱলিত এটি গাত কৰি তাৰ চাৰিওফালে চাৰিডাল খৰিকা পুতি এবাঁসুতা মেৰাই গাঁতটোত পিঠাগুড়ি, কল আৰু তামোল-পাণ দুভাগে দিয়ে। লগত যোৱা তিৰোতা এজনীয়ে হাতত আমপাতেৰে কোবাই সোধে ঃ 'বিয়ানো কাৰ?' মাকে উত্তৰ দিয়ে - 'হৰ গৌৰীৰ'ৰ। এনেকৈ কোবাৰ পিছত তেওঁ পুনৰ্বাৰ গা ধুই মুখত পানী লৈ ঘৰলৈ ওভোতে। প্ৰত্যাবৰ্তন কৰা কালত এজনী তিৰোতাই কোৰেৰে একোটা সৰু সৰু গাত খান্দি আহে - মাকে তাত দৈ-কল দিয়ে। মাকৰ পিছে পিছে অহা আন এগৰাকী তিৰোতাই অলপ দৈ আৰু কল গাঁতৰপৰা সংগ্ৰহ কৰে। থলুৱা ভাষাত ইয়াক কোৱা হয় — আইলান। আইলান দৰা কইনাক শুভিবলৈ দিয়া প্ৰয়োজন।

সুঁৱাগুৰি তুলি ঘৰ পোৱাৰ পিছত দুগৰাকী তিৰোতাই দৰা বা কইনাৰ ওপৰত এখনি কাপোৰ মেলি ধৰে। মাতৃয়ে সোঁফালৰপৰা বাঁওফাললৈ ঘূৰি ৰূপৰ টকা এটা কাপোৰখনৰ ওপৰত থয়। আন এগৰাকীয়ে টকাতো তাৰ পৰা উঠায়। এনেদৰে তিনিবাৰ কৰাৰ পিছত দৰা বা কইনাই টকাটো মাকক দি সেৱা জনায়। টকা জৰাৰ পিছত মাকে মুখত লৈ অহা পানী পেলায়।

উজনিৰ সুঁৱাগুৰি তোলা প্ৰথা নামনিতকৈ অলপ বেলেগ। ইয়াত দৰা আহি পদূলিমূৰত উপস্থিত হোৱাৰ পিছতহে কন্যাঘৰত সুঁৱাগুৰি তোলা হয়। ইয়াক তুলি আনোঁতে সহস্ৰ বাতিৰ কাঁহীত সাত গছি বন্তি জ্বলাই মুখত এমোকোৱা পানী ভৰাই আনে আৰু ৰান্ধনী ঘৰৰ চুকত পানীখিনি পেলাই দি কয় - 'লাগিলে জীয়েই মৰক, তথাপি জোঁৱাই থাকক।' (মুকুন্দ শৰ্মাৰ বিবাহ-বিচিত্ৰাৰ আধাৰত)।

না. দা.

**।। সুঁৱেৰি।।**

বৰপেটাৰ দেউল উৎসৱৰ চতুৰ্থ অৰ্থাৎ অন্তিম দিনটো সুঁৱেৰি ৰূপে জনা যায়। সেইদিনা কৃষ্ণ গোসাঁই ঘুনুচাৰ ঘৰৰপৰা লক্ষ্মীদেৱীৰ ঘৰলৈ ঘূৰি আহে। জয়জয়তে ভক্তসৱে কলীয়া ঠাকুৰক ফাকু গুড়িৰে ওপচাই দৌলৰপৰা নমাই এখনি দোলাত বহুৱায়। সেই সময়তে বাৰাদি সত্ৰৰ ভক্ত বৈষ্ণৱসকলেও দোলা আনি বৰপেটাত উপস্থিত হয়। সমগ্ৰ চহৰ জন-সমুদ্ৰত পৰিণত হয়। ইজনে-সিজনক ৰং-বিৰঙৰ ফাকু দি আনন্দত মতলীয়া হৈ পৰে। কলীয়া ঠাকুৰক লৈ ৰাইজ কণৰীয়াপাৰা পায়। অধিকাৰ প্ৰভুৱে তাতে ক্ষন্তেক সময় দৌলৎসৱ সম্পৰ্কে দুআষাৰ কয়। সৰু সৰু ল'ৰা-ছোৱালীহঁতে তাতে মহাপ্ৰভুক পথাৰৰপৰা হেকতীয়া মাহ আনি হেকৃতা খুৱায়। ইয়াৰ পিছত গোসাঁইক লৈ কীৰ্তনঘৰ অভিমুখে আগবাঢ়ে। তেওঁলোকে আহি দেখে - চাৰিডাল ডাঙৰ বাঁহ হেঙাৰ বান্ধি কীৰ্তন ঘৰৰ প্ৰৱেশ পথ বন্ধ কৰি ৰখা হৈছে। মথুৰা দাস বুঢ়া আতাৰ দিনৰেপৰা এই চাৰিডাল বাঁহেৰে হেঙাৰ বন্ধা নীতি চলি আহিছে। বাঁহ চাৰিডালৰ দুডাল উত্তৰহাটীৰ আৰু আন দুডাল দক্ষিণ হাটী আৰু নহাটীৰ বাপুসকলৰ যোগেদি পোৱা। প্ৰভু ৰ প্ৰজাসকলে ক্ষমা মাগি বাট বিচাৰে - কিন্তু আনটো দলে বাট এৰি দিবলৈ নাৰাজ। এখন ব্যংগ তৰ্কযুদ্ধ চলে বহুপৰ। অৱশেষত কলীয়া ঠাকুৰে হেঙাৰ ভাঙি ভিতৰলৈ যায় আৰু কীৰ্তন ঘৰৰ চাৰিওফালে সাত পাক ঘূৰি ক্ষন্তেকৰ বাবে জিৰণি লয়। এই সময়তে আকৌ বাক্‌যুদ্ধ। অৱশেষত কলীয়া ঠাকুৰে হাৰ মানে আৰু ভগৱান শ্ৰীকৃষ্ণই টকা-পইচা দি লক্ষ্মীৰ মন্দিৰত প্ৰৱেশ কৰাৰ দৰে ইয়াতো গোসাঁই পক্ষৰ ভক্তসকলে নগদ টকা-সিকা দিয়াৰ পিছতহে কলীয়া ঠাকুৰক ভাঁজ ঘৰলৈ নিয়াৰ অনুমতি পায়। লগে লগে সুঁৱৰি উৎসৱৰ ইতি পৰে। মেলামুখী সুঁৱৰি উৎসৱে ঐক্য আৰু সংহতিত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে।

না. দা.

**।। সূত্ৰধাৰী নাচ।।**

অংকীয়া ভাওনাৰ সূত্ৰধাৰজন একেধাৰে গায়ক, নৰ্তক, ঘোষক আৰু পৰিস্থিতিৰ ব্যাখ্যাকাৰী বিচক্ষণ লোক হোৱা প্ৰয়োজন। ভাওনাৰ জয়জয়তে সূত্ৰধাৰে আঁৰ কাপোৰৰ আঁৰত, অগ্নিগড়ৰ তলত আঁঠু কাঢ়ি সেৱা জনোৱা ভংগিত বৈ থাকে। আঁৰ কাপোৰ আঁতৰ হোৱাৰ লগে লগে বিভিন্ন বাদ্য একেসময়তে বাজি উঠে। ৰাইজে দিয়ে হৰিধ্বনি। বিলম্বিত লয়ত খোল-মৃদংগ-তাল বাজে, সূত্ৰধাৰে সৰু ভংগিৰ এটি নাচ আগবঢ়ায়। নাচৰ মাজতেই সূত্ৰধাৰজন থিয় দিয়ে আৰু মধ্যম লয়ৰ বাজনাত তেওঁ আৰম্ভ কৰে—

বৰভংগিৰ নাচ। এই দুই অংশ নাচৰ শেষত সূত্ৰধাৰে স্বস্তিক হস্তেৰে গোটেই ভাওনা থলীৰ চতুস্পৰ্শ পৰিভ্ৰমণ কৰি ৰাইজ তথা দৰ্শকৰ মংগল কামনা কৰে। এই নৃত্যৰ খোলত সোতৰ খন আৰু শ্লোকত ৯ খন, মুঠতে ২৬ খন বাজনা থকাটো উল্লেখযোগ্য। ৪, ৭, ১০, ১১, ১২, ১৪, ১৫ আৰু ১৭ সংখ্যক বাজনাত সূত্ৰধাৰে খৰ নাচ প্ৰদৰ্শন কৰাৰ সুযোগ পায়। নৱম বাজনাত বহু পাকৰ নাচ আৰু ষোড়শ বাজনাত জিধিনাকত হাত-সলোৱা হাত পৰে।

'নাচ শিকোৱা বায়নজনে শ্লোকটো মুখেৰে বায় আৰু নাচত খোল বজাই থকা বায়ন দুজনে তাকে খোলত বজায় দুবাৰকৈ আৰু সূত্ৰধাৰীয়ে নাচে। বায়নে শ্লোক গাই থাকোঁতে সূত্ৰধাৰীয়ে নানাচে।' (সত্ৰীয়া নৃত্য) সূত্ৰধাৰে নৃত্য সমাপ্ত কৰাৰ লগে লগে প্ৰধান চৰিত্ৰ ৰাম বা কৃষ্ণৰ প্ৰৱেশৰ কথা ঘোষিত হয়। তাৰ পিছত আন চৰিত্ৰৰ প্ৰৱেশ ঘটে। সূত্ৰধাৰী নৃত্যৰ অবিহনে অংকীয়া ভাওনাৰ অভিনয় অসম্ভৱ।

না. দা.

**।। সূত্ৰধাৰৰ সাজপাৰ ।।**

অংকীয়া ভাওনাৰ সূত্ৰধাৰ জনে গাত পিন্ধে আস্তিনৰ কোঁচ থকা বগা সূত্ৰধাৰী চোলা। হাতৰ মুঠিত ৰূপৰ গামখাৰু। সি সোণ-পানী চৰোৱা আৰু বাখৰুৱা। ডিঙিত মতা মণি আৰু আন অলংকাৰ। কাণত লোকাপাৰৰদৰে ওলমি থকা উন্টি। গাত দীঘল মুখমণ্ডলৰ ৰঙাত বগা ফুলতোলা সূত্ৰধাৰী বস্ত্ৰ। এইখনি দীঘলে দীঘলে জাপি পিছফালৰপৰা দুই বাহুৰ ওপৰেদি আনি আঁঠুলৈকে ওলোমাই ৰখা হয়। কঁকালৰপৰা ভৰিৰ গোৰোবালৈকে ওলমি থকা শুধ বগা কপাহী লহঙা আৰু তাৰ ওপৰত আঁঠুৰ তললৈকে ওলমি পৰা ডাঙৰ ফুল বচা কপাহী টঙালি। ভৰিত জুনুকা। মূৰত পাগ। মোগলাই পাগৰ দৰে। অৱশ্যে কমলাবাৰী প্ৰভৃতি সত্ৰত এই নাম অচল। পাগ নিৰ্মাণ পদ্ধতি নাৰায়ণচন্দ্ৰ গোস্বামীদেৱে বৰ্ণাইছে এনেদৰে - 'মাটিৰ ডাঙৰ চপৰা এটা আনি তাক মূৰৰ জোখাৰে সাঁচ কৰা হয়। তাৰ পিছত কেন্দু বিহমনা গুটিৰ ৰস উলিয়াই তুলাপাতত সানি মাটিৰ সাঁচটোত মৰা হয়। ৰ'দত দি শুকুৱাই সাঁচটো মাটিৰপৰা ফালি উলিওৱাৰ পিছত তাত বগা পটি মেৰিয়াই বেজিৰে চিলাই কৰিব। পাগটোৰ তলত ক'লা মখমল কাপোৰ খণ্ডত গুণা, চম্‌কি লগাই তাত চিলাই দিব আৰু ওপৰ অংশতো এটা কল্কি তৈয়াৰ কৰি তাতো গুণা-চম্‌কি লগাব। এই পাগ দেখাত বৰ ধুনীয়া হয়।'

সূত্ৰধাৰী সাজটোত বহুতে মোগল প্ৰভাৱ লক্ষ্য কৰে। ঔৰংজেৱৰ তৃতীয় পুত্ৰ আজমতৰাই এবাৰ আহোম স্বৰ্গদেৱলৈ দুসাজ বিলাতী জামাএৰে শুক্লপাগ পঠিয়াই দিছিল। আনন্দ মোহন ভাগৱতীদেৱৰ ভাষাত 'ধৰ্মভীৰু স্বদেশ পৰায়ণ ৰজাই পৰিধান

নকৰি সত্ৰলৈ পঠিয়াই দিলে। ৰজাই দিয়া দান বুলি ভক্তপ্ৰিয় সত্ৰাধিকাৰে পবিত্ৰ সূত্ৰধাৰ নাচৰ পোছাক হিচাপে ব্যৱহাৰ কৰিলে।' (ৰামধেনু ১৭/২)

না. দা.

।। সোণাপুৰ ইঁহৰা গাঁৱৰ মহিষমৰ্দিনীৰ ধাতৱ প্ৰতিমা ।।

ইংৰাজী ১৯৭৮ চনৰ মে' মাহত কামৰূপ জিলাৰ সোণাপুৰ অঞ্চলৰ ইঁহৰা গাঁৱৰ পুখুৰী এটাত ডুবি থকা তামৰ পাত্ৰ বিশেষত ভালেকেইটা প্ৰাক্ আহোম আৰু আহোম যুগীয় দেব-দেৱীৰ মূৰ্তি উদ্ধাৰ হয়। সেই মূৰ্তিমালাৰ ভিতৰত আছে দুজনা মহিষমাৰ্দিনীৰ প্ৰতিমা। ইয়াৰে প্ৰথম খনত (৮ X ৫ ছে.মি.) সিংহ আৰু মহিষাসুৰৰ ওপৰত ভৰ দি আছে দেৱী দশভুজা। তেওঁৰ সোঁফালৰ পঞ্চভুজত অনুক্ৰমে ত্ৰিশূল, শক্তি, বাণ, চক্ৰ আৰু খড়্গ; বাঁওফালৰ পঞ্চভুজত পৰশু, অংকুশ, ধনু আৰু খেটকৰ উপৰি অসুৰৰ কেশগুচ্ছত ধৃতৰূপ বিদ্যমান। দেৱীৰ দুয়োফালে নিজস্ব বাহনত স্থানক ভংগীত চতুৰ্ভুজ গণেশ আৰু কাৰ্তিকক দেখা যায়। আহোম ৰাজত্বৰ অন্তিম তৰংগত (অষ্টদশ শতাব্দী) এই প্ৰতিমাখনিৰ দৰে দ্বিতীয় এখনি শৈল কিংবা ধাতৱ দেৱীৰ প্ৰতিমা অদ্যাপি উদ্ধাৰ হোৱা নাই। ইঁহৰাত প্ৰাপ্ত দ্বিতীয়খনি আহোম যুগীয় মহিষমৰ্দিনীৰ (৯ × ৪ ছে.মি.) দশভুজত ত্ৰিশূল, খেটক, টংক, শৰ, খড়্গ, ধনু, পৰশু, নাগপাশ আৰু সূচীমুদ্ৰা দেখা যায়। সংগ্ৰামলিপ্ত অসুৰৰ হাতত খড়্গ আৰু ঢাল আছে। ইয়াত দেৱীৰ বাহনো সংগ্ৰাম লিপ্ত। প্ৰতিমাখনি খ্ৰীষ্টীয় সপ্তদশ শতাব্দীৰ পৰৱৰ্তী নহয়।

(উৎসঃ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ বছৰেকীয়া প্ৰকাশন চিহ্নত প্ৰকাশিত (১৯৮৩) লেখকৰ অসমৰ ধাতৱ মূৰ্তি)।

না.দা.

।। সোণাপুৰ-ইঁহৰাত প্ৰাপ্ত বিষ্ণুৰ ধাতৱ মূৰ্তি ।।

ইংৰাজী ১৯৭৮ চনৰ মে' মাহত সোণাপুৰ ইঁহৰাগাঁৱত যিকেইটা ধাতৱ মূৰ্তি উদ্ধাৰ হৈছিল, তাৰে দুটা হ'ল-ভগবান বিষ্ণুৰ। ইয়াৰে প্ৰথমটিত (৯ × ৫ ছে.মি.) অঞ্জলিমুদ্ৰাৰত গৰুড়পখীৰ ওপৰত সমপাদ স্থানক ভংগীত দণ্ডায়মান। সোঁফালৰ সমুখ হাতত পদ্ম, পিছ হাতত চক্ৰ; বাঁওফালৰ সমুখ হাতত শংখ আৰু পিছ হাতত গদা দৃশ্যমান। কিৰীটি, কুণ্ডল, হাৰ, কেয়ূৰ, বৈজয়ন্তী আৰু কটিবস্ত্ৰ শোভিত বিষ্ণুৰ সোঁফালে পদ্মপীঠৰ ওপৰত কটিহস্তা চামৰ ধাৰিণী শ্ৰী বা লক্ষ্মী আৰু বাঁওফালে পদ্মপীঠস্থা বীণাপাণি সৰস্বতী। বিষ্ণুৰ ত্ৰিবিক্ৰম ৰূপৰ এই অপূৰ্ব ধাতৱ প্ৰতিমাখনি খ্ৰীষ্টীয় ষোড়শ শতাব্দীৰ সম্পদ। আলোচিত স্থানত প্ৰাপ্ত দ্বিতীয়খনি প্ৰতিমাও (৮ × ৫ ছে.মি.) প্ৰথমখনিৰে অনুৰূপ।

পাৰ্থক্যৰ ভিতৰত মাথোঁ, ত্ৰিবিক্ৰমৰ মুখখনি কিছু দীঘলীয়া আৰু দ্বিদশ পদ্মপীঠৰ ওপৰত সমাসীন। প্ৰভামণ্ডলৰ ওপৰত কীৰ্তিমুখ আৰু অঞ্জলিমুদ্ৰাৰ গৰুড় পখী সন্মুখলৈ পিঠি দিয়াকৈ খোদিত কৰা। আলোচিত দুয়োখনি ধাতৱ প্ৰতিমাই অজ্ঞাত ভাস্কৰৰ কল্পনা শক্তিৰ পৰিচয় প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। না.দা.

।। সোণামাকৰি।।

নামনি অসমৰ কিছুমান গাঁৱলীয়া তিৰোতাই কেৰু সদৃশ এবিধ অলংকাৰ পৰিধান কৰিছিল। এই পদ অলংকাৰকে সোণামাকৰি বুলি কোৱা হয়। পুৰঠ ডেম-ডেউকাৰ গুটি এটা পিটিকি দিলে যি গঢ় লয় এই পদ অলংকাৰৰ গঢ়ো সাইলাখ তেনে। অৰুণাচলৰ কানিয়াক আৰু নক্‌টে সম্প্ৰদায়ৰ মানুহখিনিয়ে এইধৰণৰ গছৰ লতা পাত পিন্ধে।

প্ৰ শ .গো

।। সোণাৰায় পূজা ।।

সোণাৰায় হ'ল বাঘৰ দেৱতা। এটা সময়ত অসম হাবি-জংগলেৰে ভৰা আছিল। হাবিত আছিল প্ৰচুৰ পৰিমাণে বাঘ। বাৰিষা কালত বাঘবোৰে পাহাৰত আশ্ৰয় লৈ খৰালিৰ লগে লগে ভৈয়ামলৈ নামি আহি মানুহ আৰু মানুহৰ পোহনীয়া গৰু-ম'হ, ছাগলী প্ৰভৃতি খায়। পথাৰ আৰু গোহালিৰপৰা বাঘে গৰু আৰু গৰু পোৱালী লৈ যোৱা ছবিখনি বহুতৰে চিনাকি। এই সম্ভাব্য বিপদ আঁতৰাবলৈ গাঁৱৰ গৰখীয়া আৰু ডেকাইতে খোল, তাল আৰু লাঠি লৈ ঘৰে ঘৰে পা-পইচা সংগ্ৰহ কৰি পুহ মাহৰ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা পাতি সকলোৱে এক লগ হৈ ভোজ ভাত খায়। আঘোণ মাহৰ সংক্ৰান্তিৰ দিনাৰেপৰা সোণাৰায়ৰ মাগন আৰম্ভ হয় আৰু গোটেই পুহ মাহটোত ই অব্যাহত থাকে। পশ্চিম গোৱালপাৰাৰ উপৰি ৰংপুৰ, কোচবেহাৰ আৰু উত্তৰ-পূব মৈমন সিং জিলাত সোণাৰায় পূজা অদ্যাপি অব্যাহত ৰূপে চলি আছে। গোৱালপাৰাৰ বড়োসকলৰ মাজতো সোণাৰায় পূজাৰ চল্‌তি মন কৰিবলগীয়া। তেওঁলোকে বাঘক মৌছা আৰু বাঘৰ উপাসকসকলক বোলে মৌছাহাৱী। গৰখীয়া ল'ৰাইতে এই পূজা কৰিবলৈ ঘৰে ঘৰে মাগি ফুৰোঁতে যি গীত গায় তাৰ অসমীয়া ভাৱানুবাদ এনেধৰণৰ — 'বাঘ বা শিয়াল ৰজাই যাতে পোহনীয়া জীৱ-জন্তুবোৰ অনিষ্ট কৰিব নোৱাৰে, তাৰ বাবে আমি পহৰা দিম। গৃহস্থসকল! বাঘ বা শিয়াল পূজাৰ বাবে দক্ষিণা দিয়া।'

সাতডাল বিৰিণা (মাদুৰা) সমানকৈ কাটি মৰাপাটেৰে সজা ফুল এটা তাৰ ওপৰত লগায়। ফুলটো ত্ৰিৰঙী। মাটিৰ টিপ এটা সাজি তাতে বিৰিণাৰে সজা এই সোণাৰায় স্থাপন কৰি গৰখীয়া আৰু ডেকাইতে সভক্তিৰে পূজা কৰাৰ পিছত নদীত উটাই দিয়া নিয়ম। সোণাৰায় গীতত ধৰ্ম ঠাকুৰ, শিৱ ঠাকুৰ আৰু ৰাখোৱাল গীত একাকাৰ হৈ

পৰিছে। গীতৰ নমুনা—

ক. 'জংগল পোৰা গেইল ৰে/ ওৰে উৰিয়া পৰে ছাই/
এমন সুন্দৰী কন্যাৰ/ নাই বাপ ভাই/ জংগল পোৰা গেলৰে//'
খ. সত্য ঠাকুৰ সোণৰায়/ গাইৰস্থক দে তুই বৰ/' আদি। না. দা.

**।। সোণোৱাল কছাৰীৰ জেঙামৰা বিয়া।।**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে সোণোৱাল কছাৰীসকলৰ বৈৱাহিক ৰীতি-নীতি সিমান বেচি নিক্‌পকপীয়া নহয়। তেওঁলোকৰ মাজত দুই প্ৰকাৰৰ বিৱাহ প্ৰথা প্ৰচলিত আছে। সেয়া হ'ল সামাজিক ভাৱে খোজা বঢ়া কৰি সামাজিক নীতি নিয়মেৰে পতা বিয়া। সামাজিক বিয়া হ'লেও বৈদিক নিয়ম অনুসৰি হোম পুৰি বিয়াত সোমোৱাৰ প্ৰথা সোণোৱাল কছাৰীসকলৰ নাই। আন বিধ বিয়া হ'ল সামাজিক বিয়াৰ পৰিৱৰ্তে চুৰ কৰি নিয়া বা পলুৱাই নিয়া বিয়া। সাধাৰণতে ল'ৰা- ছোৱালীৰ মনৰ মিল হৈ চুৰকৈ বিয়া হয়। ছোৱালী ঘৰৰ পৰা, কেতিয়াবা আনৰ ঘৰৰপৰা নতুবা ছোৱালী কৰবালৈ যোৱাৰ ছলেৰে ছোৱালী পলুৱাই নিয়া হয়। ইয়াৰ উপৰিও ঘৰৰ অভিভাৱকে জনাকৈ আৰু ল'ৰা ছোৱালীৰ মাজত পূৰ্বৰপৰা প্ৰেমৰ উদ্ৰেগ নোহোৱাকৈ ছোৱালী চুৰ কৰি নিয়াৰ প্ৰথা আছে। এনেধৰণৰ বিয়া সোণোৱাল কছাৰীসকলৰ মাজত সামাজিকভাৱে স্বীকৃত। এনেদৰে ছোৱালী পলুৱাই নিয়াৰ পিছত দৰাঘৰৰ দায়িত্ব বাঢ়ে। পলুৱাই নিয়া দুই তিনিমাহৰ ভিতৰত দৰাঘৰৰপৰা ছোৱালীঘৰত খবৰ দিব লাগে। ইয়াকে জাননী দিয়া বুলি কোৱা হয়। জাননী দিওঁতে সাধাৰণতে ডাঙৰ শৰাইত এশৰাই তামোল-পাণ আৰু মাননি আগবঢ়াই মিতিৰ হ'বলৈ অনুৰোধ জনায়। কিন্তু নিজৰ সম্প্ৰদায়ৰ পৰিৱৰ্তে আন সম্প্ৰদায় নাইবা নিকটাত্মীয়ৰ লগত বিয়া হ'লে মিতিৰ নোহোৱাকৈ থাকে।

তামোল-পাণৰ শৰাই গ্ৰহণ কৰি দুয়োঘৰে মিতিৰ হোৱাৰ পিছত আলোচনা কৰি সুবিধাজনক দিন বাৰ চাই পলুৱাই নিয়া বিয়াখনৰ 'জগৰ মাৰে'। এনেদৰে জগৰ মৰাকে 'জেঙা মৰা' বুলিও কয়। জেঙা মৰা বিয়াখন ছোৱালী পলুৱাই নিয়াৰ - এমাহ, দুমাহ, ছমাহ বা এবছৰৰ মূৰতো অনুষ্ঠিত হ'ব পাৰে। অগ্নিসাক্ষী, হোমৰ সাক্ষী নাইবা ধৰ্মদেৱতাৰ সাক্ষী নাথাকিলেও কথাৰ বান্ধেই সোণোৱাল কছাৰীসকলৰ বৈৱাহিক জীৱনৰ পৰিতৃপ্তি দান কৰে।

দী. দে.

**।। সোণোৱাল কছাৰীৰ বিয়া ।।**

সোণোৱাল কছাৰীসকল অসমৰ অন্যতম সৰ্ববৃহৎ ভৈয়ামৰ জনজাতি। এওঁলোক

বৃহৎ বড়ো জনগোষ্ঠীৰ এক অন্যতম ঠাল। সোণোৱাল কছাৰীসকলৰ ভাষা-সাজ-পোচাক, আচাৰ-ব্যৱহাৰ আদি প্ৰায় সকলো বিষয়তে বৃহৎ অসমীয়া জাতিৰ সৈতে এনেদৰে মিলি গৈছে যে তেওঁলোকৰ জনজাতীয় বৈশিষ্ট্য প্ৰায় নোহোৱাৰ দৰেই হৈ পৰিছে।

সোণোৱাল কছাৰীসকলৰ বিবাহৰ ক্ষেত্ৰত একে খেলৰ মাজত বিবাহ নিষিদ্ধ। সোণোৱাল কছাৰীসকলৰ মাজত চাৰিপ্ৰকাৰৰ বিবাহ প্ৰচলিত-নোৱা-ধোৱা বা বৰ বিয়া, হোম দিয়া, গন্ধৰ্ব আৰু চুৰ্‌চুৰীয়া বা ৰভা সৰকাই দিয়া। বিবাহ অনুষ্ঠান কইনাৰ ঘৰত অনুষ্ঠিত হয়। কেৱল হোম দিয়া বিয়াহে ব্ৰাহ্মণে সমাধা কৰে। সাধাৰণতে গন্ধৰ্ব বিবাহৰ প্ৰচলন বেছি। ইয়াত ল'ৰাই ছোৱালী পলুৱাই নি গন্ধৰ্ব বিবাহ কৰে। পিছত ল'ৰাই গাঁওবাসীক ভোজ ভাত খুৱাব লাগে। ৰভা সৰকাই দিয়া বিয়া পাতি পলুৱাই নিয়া বিবাহক সামাজিক স্বীকৃতি দিয়া হয়। বিবাহ ছোৱালী ঘৰক গা-ধন দিয়াৰ নিয়ম আছে। ইয়াৰ কোনো নিৰ্দিষ্ট পৰিমাণ নাই আৰু আজিকালি কেৱল গন্ধৰ্ব বিবাহতহে গা-ধন লোৱা হয়। সাধাৰণতে একে বিবাহ প্ৰচলিত যদিও বহু বিবাহত বাধা নাই। সোণোৱাল কছাৰীসকলৰ বিবাহ উৎসৱত কইনা বা দৰাৰ বিয়াৰ দিন খাটাং কৰা দিনাৰেপৰা উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হয়। সঘনাই অহা যোৱা কৰা বিয়াত বিয়া নাম গাই এক বেদনাদায়ক মুহূৰ্ত সৃষ্টি কৰাৰপৰা দৰা ঘৰ নাইবা কইনা ঘৰত যোৰা নাম গাই বিপদত পেলাই অন্য এক পৰিৱেশ সৃষ্টি কৰা মহিলাসকলৰ এক স্বকীয় কৃতিত্ব। বিয়াৰ আগতে কইনাক বিভিন্ন বন্ধু-বান্ধৱী আৰু আপোনজনৰ ঘৰত কইনা ভাত খোৱাই উপহাৰ দিয়া মহিলাসকলে সৃষ্টি কৰা অন্য এক মধুৰ কৃষ্টি। বিয়া নাম, জোৰা নাম, দৈয়ন দিয়া, মাহ হালধিৰে নোওৱা, কইনাৰ মাকে জী-জোঁৱাইক ভিতৰলৈ নি জলপান, মিঠাই দিয়া, আঙঠি লুকুওৱা খেলবোৰ সোণোৱাল কছাৰীসকলৰ মাজতো বিদ্যমান। ব. চে.

।। সোণোৱাল কচাৰীৰ হুচৰিৰ টকা।।

'ইফালে টকাৰ মাত সিফালে টকাৰ মাত মাজত সোলেংগুৰি সুঁতি। টকাৰ মাতে শুনি বাঢ়িল চতিয়না পুলিয়ে ধৰিলে গুটি।।' —বিহুত টকা নহ'লেই নহয়। পৰ্বত ভৈয়ামত বসবাস কৰা ভিন্ন জাতি-জনজাতিৰ মাজত টকাৰ ব্যৱহাৰ মন কৰিবলগীয়া। অসমত বসবাস কৰা সোণোৱাল কছাৰীকলে হুঁচৰিত ব্যৱহাৰ কৰা টকাতো আকৌ সাধাৰণতে ব্যৱহাৰ কৰা টকা নহয়— এডাল গোটা বাঁহহে। দীঘলীয়া বাঁহডালত তিনি চাৰি যোৰ বাঁহৰ খুঁটিৰ ওপৰত মাটিৰ সমান্তৰালকৈ ৰাখি ব্যৱহাৰ কৰা দেখা যায়। এনে টকাৰ প্ৰতি তেওঁলোকৰ অগাধ ভক্তি। বহুতে এনে টকাক সতীৰ ৰাজহাড় বুলি গণ্য কৰে। আন কোনোৱে ইয়াক মানৱ দেহৰ নৱগ্ৰন্থীৰ প্ৰতীক জ্ঞান কৰাটো উল্লেখযোগ্য। 'চালি পাণ খুৱৰী আৰৈ চাউল কঠা/জপনা মাৰ ঐ মাৰ মাৰ কৰে//"—এনে কথাই সোণোৱাল

কছাৰীসকলে হুচৰি টকাটোক পাণ-তামোল আৰু আৰৈ চাউলৰ নৈবেদ্য আগ কৰি ভক্তিভাৱে গ্ৰহণ কৰা বুলিব পাৰি। খ্ৰীং খ্ৰীং বাইথ পূজাত তেওঁলোকে আনুষ্ঠানিকভাৱে টকাটো নমাই ঘৰে ঘৰে সৰু সৰু এচাৰিবে কোবাই হুঁচৰি গোৱাটো এটা পৰম্পৰা। কোনো কোনোৱে মাটিৰ ওপৰত সমান্তৰালকৈ ৰখা চাৰিটা খুঁটাক উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ — এই চাৰি মুঠি জীৱ জ্ঞান কৰে। আকৌ 'ন পাৰৰ কথা গীত-মাত, বাদ্য যন্ত্ৰৰ সুৰ নমাই বৰদৈচিলাৰ চতাই, কমলা, জইমলা, ৰহিমলা, ৰামতী, ৰতী, বাঁহপাতী, বিচানদৈ আৰু সৰুমতী— এই ন ভনী সখীয়েকৰ প্ৰতীক ৰূপে গণ্য কৰে।

(আমাৰ অসমত ৮ ফেব্ৰুৱাৰী ২০০৫ত প্ৰকাশিত ড° দীলিপৰঞ্জন বৰঠাকুৰৰ সোণোৱাল কছাৰীৰ হুচৰিৰ টকা নিবন্ধৰ আধাৰত যুগুতোৱা।)

না. দা.

।। হজ ।।

ইছলামৰ পাঁচটা ভিত্তিৰ ভিতৰতে হজো (মক্কা-মদিনা শ্বৰীফ দৰ্শন) এক ভিত্তি। হজ পালন কৰা দীন ইছলামৰ (ধৰ্মৰ) চতুৰ্থ ৰোকন (স্তম্ভ)। জিলহজ্জ চান্দৰ ৯ তাৰিখে মক্কালৈ গৈ পৱিত্ৰ কাবাগৃহ তোআফ কৰা (প্ৰদক্ষিণ কৰা) আৰু অন্যান্য কেইটামান অনুষ্ঠান যেনে মক্কা শ্বৰীফলৈ গৈ কাবা শ্বৰীফ বা আল্লাৰ ঘৰৰ চাৰিওপিনে সাতবাৰ ঘূৰা, আৰাফাৰ মইদানত উপস্থিত হোৱা, চাফা মাৰাৱা (দুখন পাহাৰ), দেৰা আদি কামকে হজ বোলা হয়। ই এটা ডাঙৰ এবাদত। জীৱনত হজ কৰিবলৈ পোৱাটো সৌভাগ্যৰ কথা। হজৰ কাম শেষ কৰি মদিনা শ্বৰীফলৈ গৈ মছজিদত নবী আৰু হজৰত (দঃ) ৰ ৰওজ জিয়াৰত কৰা কৰ্তব্য। হজ তিনি প্ৰকাৰৰ। যেনে - ফৰজ, ওৱাজেব আৰু নফল। এহৰাম বান্ধা মূৰৰ চুলি খুৰুৱা প্ৰয়োজন। যিসকলৰ (ধনে-ৰত্নে, সামৰ্থে আৰু নিৰ্বিঘ্নে) হজলৈ যাবৰ ক্ষমতা আছে, তেওঁলোকৰ পক্ষে আলাহতালাৰ সন্তুষ্টিৰ উদ্দেশ্যে হজ কৰা ফৰজ অৰ্থাৎ ধনী, জ্ঞানী, স্বাধীন, চক্ষুমান (দৃষ্টিশীল) আৰু যাৰ হজ পালনৰ কামত স্ত্ৰী, পুত্ৰ-কন্যা আদি পৰিজনবৰ্গৰ (পৰিয়ালবৰ্গৰ) খৰচ-পাতি, আহাৰ, কাপোৰ, বাসস্থান আদি কামত কোনো প্ৰকাৰৰ অসুবিধা নহয় তেওঁলোকৰ পক্ষে জীৱনত এবাৰ হজ কৰা ফৰজ। বিশেষ মন কৰিবলগীয়া এই যে সৎ উপায়ে উপাৰ্জন কৰা বা সঞ্চয় কৰা ধনেৰে যিয়ে পৰিয়ালবৰ্গৰ বা নিজৰ ইচ্ছাকৃত বিপদ নঘটাই হজ পালন কৰিবলৈ সমৰ্থ হয়, তেনে লোকৰ ইমানদাৰ, পৰহেজগাৰ (খোদাভীৰু) নাইবা অনুতপ্ত লোকৰ বাবে জীৱনত এবাৰ হজ কৰা ফৰজ (কৰ্তব্য)। তিৰোতা মানুহৰ বাবে স্বামী বা নিকটতম আত্মীয়ৰ বাদে আন কাৰো লগত গৈ হজব্ৰত পালন কৰিবলৈ যোৱা ফৰজ (কৰ্তব্য) নহয় অৰ্থাৎ নিষিদ্ধ।

প. আ.

।।হৰ্‌কলা।।

হৰ্‌কলাক ঠাই বিশেষে হল্‌কলা বুলিও কোৱা হয়। উজনি অসমতকৈ নামনি অসমত হৰ্‌কলাৰ প্ৰয়োগ অধিক। নঙলাৰ মুখত জপনাৰ বিকল্প স্বৰূপে হৰ্‌কলাৰ ব্যৱহাৰ কৰা হয়। হৰ্‌কলাই নঙলাৰ সৌন্দৰ্য বৰ্ধন কৰাৰ উপৰি গৰু, ছাগলী আদি জীৱ-জন্তুৰ প্ৰৱেশতো বাধা দিয়ে। হৰ্‌কলাবোৰে অসমীয়া মানুহৰ সুনিপুণ হাতৰ শিল্পকলাৰ পৰিচয় দিয়ে। অসমীয়া সমাজ আৰু সংস্কৃতিৰ বাবে বাঁহ অপৰিহাৰ্য সম্পদ। হৰ্‌কলাত সাধাৰণতে দুটা বা তিনিটা খুঁটা আৰু চাৰি বা পাঁচডাল হৰ্‌কলা মাৰি থাকে। খুঁটাবোৰ প্ৰায়ে ভলুকা বাঁহৰ দ্বাৰা সজা হয় আৰু সেইবোৰ একেটা শাৰীতে পোতা হয়। খুঁটাবোৰত চাৰি পাঁচটা পাব থাকে আৰু প্ৰত্যেকটো পাবত হৰ্‌কলা মাৰিবোৰ সোমাবৰ বাবে খোল্‌ কৰা হয়। হৰ্‌কলা মাৰিবোৰ সাধাৰণতে পূৰঠ ডাঙৰ আৰু পোন আকাৰৰ বিজুলী বাঁহৰ দ্বাৰা সজা হয়। পূৰ্বৰ তুলনাত হৰ্‌কলাৰ প্ৰয়োগ কিছু পৰিমাণে কমিছে যদিও গ্ৰাম্য অঞ্চলসমূহত এতিয়াও ইয়াৰ প্ৰচুৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। হৰ্‌কলাৰ সংৰক্ষণৰ গুৰুত্ব আৰু সাংস্কৃতিক দিশৰ প্ৰতি লক্ষ্য কৰি পূৰ্বৰ অসমৰ কেই গৰাকীমান মন্ত্ৰী বিধায়কে হৰ্‌কলা খুলি নতুন ভৱন আদি উদ্বোধন কৰা দেখা গৈছিল। হৰকলাক লৈ অসমীয়া সাথঁৰবো সৃষ্টি হৈছে। যেনে -'ৰজা ঘৰৰ কলিগাই ঃ হৰক্‌লা ভাঙি বৰকলা খাই//' (বৰুৱী) কি. ক.

।। হাইতাল ।।

মধ্যযুগীয় অসমীয়া সংস্কৃতিৰ ঘাইকৈ সত্ৰীয়া সংস্কৃতিত হেঙুলৰ দৰে হাইতালৰো এখনি নিজস্ব স্থান আছে। ভাওৰীয়া সকলে মুখত ৰং ঘঁহা কামত, ছো-মুখা বোলাবৰ কালত, সত্ৰৰ সিংহাসন, কাঠৰ বিভিন্ন প্ৰতিমা আৰু শৰাই প্ৰভৃতি ব্যৱহাৰ্যত ৰং সনা কামত, নামঘৰৰ চ'তি আদিত চিত্ৰ-বিচিত্ৰ ফুল-নক্সা আঁকিবৰ পৰত, সাঁচিপাত - তুলাপতীয়া পুথি সচিত্ৰ কৰা কালত, পোক-পৰুৱাৰ আক্ৰমণ ৰোধ কৰিবলৈ হাতে লিখা পুথি বলোৱা কাৰ্যত আৰু আন ভালে খিনি কামতে জয়জয়তে সত্ৰৰ খনিকৰ সকলে হাইতাল ব্যৱহাৰ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে ই সত্ৰৰ চাৰিবেৰৰ মাজৰপৰা জনগণৰ বহল ক্ষেত্ৰলৈ নামি আহে। হালধীয়া এইবিধ পদাৰ্থক শিলৰ কাঁহিত মাৰিব লাগে। শিলত মৰাৰ পিছতো গম আঠা মিহলোৱা প্ৰয়োজন। হাইতালৰ স্বাভাৱিক ৰং হালধীয়া যদিও আন ৰঙেৰে মিলাই ইয়াৰপৰা যৌগিক ৰঙো পাব পাৰি। যেনে, ধল বা খৰিমাটি আৰু হাইতালৰ মিশ্ৰণত পাণ্ডু, হাইতাল আৰু হেঙুলৰ মিশ্ৰণত গৌৰ, নীল আৰু হাইতালৰ মিশ্ৰণত হৰিৎ অথবা সেউজীয়া ৰং পোৱা যায়। হাইতালৰ ওপৰত বালিচন্দা ছটিয়াই দিলে তাৰ উজ্জ্বলতা বাঢ়ে।

না. দা.

**।। হাউ বা হাদুগুদু খেল ।।**

দুদল ল'ৰাৰ মাজত এই খেল অনুষ্ঠিত হয়। হাউ মৰা দলক খেদা দল আৰু বিপক্ষ দলটোক দৌৰা দল বোলে। হাউ মাৰি দৌৰা দলৰ ল'ৰাক একে উশাহে চুই নিজৰ সীমান্তত প্ৰৱেশ কৰিব পাৰিলে দৌৰা দলৰ ছোৱা জন মৰে। আনহাতে হাউমৰা জনক যদি তাৰ সীমাৰ বাহিৰত দ্বিতীয় দলটোৱে উশাহ সকলোৱালৈকে ধৰি ৰাখিব পাৰে তেনেহলে সি মৰা পৰে। প্ৰথম দলৰ এজনে হাউ মৰাৰ পিছত দ্বিতীয় দলৰ এজনে হাউ মাৰিবলৈ আৰম্ভ কৰে। অনুক্ৰমে হাউত ল'ৰা মৰা-মৰি হয়। এদলৰ এজন মৰিলে আন দলৰ এজন জীয়ে। এনেদৰে যি পক্ষৰ ল'ৰা মৰা মৰি শেষ হয়, সেই দলটো পৰাজিত হয় আৰু বিপৰীত দলটোৱে জয় লাভ কৰে। হাউ মৰা ল'ৰা জনে বিভিন্ন গীত গায় আৰু তাৰ দ্বাৰা তেওঁ উশাহলোৱা নোলোৱাৰ কথা গম পায়। গীতৰ নমুনা —

ক. হাউ হাউ জাকৈৰ চিঙিলো বাউ
খালৈৰ চিঙিলো জৰী, ডাকি বোলা ৰাম হৰি/ ডাকি বোলা ৰাম হৰি .......

খ. কুচ'তি কুতৌ মাটিত কুবৌ/ কুপতি আধাৰ খায়/ ঘনচিৰিকাৰ দুখন ভৰি/ জাপ দি দি খায়/...

না. দা.

**।। হাঁচতি ।।**

হেমকোষৰ মতে হাঁচতি হ'ল 'তামোলৰ গামোচা, তামোল-পাণ আদি বান্ধি লৈ ফুৰা সৰু ঠেক কাপোৰ।' ড° লীলা গগৈয়ে কেবাবিধো হাঁচতিৰ উল্লেখ কৰিছে। যেনে - তামোল বন্ধা হাঁচতি, তালুত সোণৰ ফুল দিয়া হাঁচতি, মুৰ-হাঁচতি, সোণৰ সূতা দিয়া হাঁচতি আদি। শিপিনীয়ে ৰঙা ক'লা আৰু গাঁৰি ফুলৰ হাঁচতি বয় (আগেয়ে খুজলো গাঁৰি ফুল হাঁচতি) বিহুৱা-বিহুৱতী উভয়ৰে বাবে হাঁচতিখন বৰ মৰমৰ। বিহুৱতীয়ে এইখনিৰ চুক এটিত সৰু ডবুৱা কটাৰী এখন বান্ধি লৈ কঁকালত খুচি থয়। বিহুৱা ডেকাই হাতৰ গাঁঠিৰ ওচৰত বান্ধি লয়। হুঁচৰি গোৱা ডেকাক গৃহস্থই মান ধৰোঁতে হাঁচতি দিয়া প্ৰয়োজন - 'আমাৰে শৰাইত্তে হাঁচতি নেপালে শৰাইলৈ নেমেলোঁ হাত।' পিছে সেইখিনি বোৱাত বেয়া হ'লে লেঠা - 'এনেকুৱা হাঁচতি আমাকো নেলাগে জাল মাৰিবলৈ ভাল।' তাঁতৰ শালত সপোনৰ ফুল বচা লাহৰীজনীয়ে গাঁৱৰ ডেকালৈ হাঁচতি বয়। সেই হাঁচতি হাত কৰিব পাৰিলে কথা নাই; নোৱাৰিলে গায় —

'হাতে মেলি হাঁচতি বলা ঐ আইদেউ ভৰি মেলি হাঁচতি বলা;
দিবৰে সময়তে এখনি নিদিলা কালৈ সামৰি থলা।'

মুখচোকা বিহুৱতীয়ে চুঙা চাই সোপা দিয়ে এনেদৰে ঃ

'হাঁচতি হাঁচতি কৰ তই হাঁচতি হাঁচতি থৈছোঁ লৈ।
হাঁচতি পাবি তই মোকেহে নেপাবা কান্দিবি আগতে লৈ।'

যুগৰ পৰিবৰ্তন আহিছে - হাঁচতিত টেমী-কটাৰী, তামোল-পাণ বন্ধা দস্তুৰ টুটি আহিছে, কিন্তু বিহুৱা-বিহুৱতীসকলৰ সৌজন্যত হাঁচতিখন হ'লে চলি আছে।

না. দা.

।। হাছি (মাৰাংগা) ।।

হাছি বা মাৰাংগা হ'ল ৰাভাসকলৰ দুৰ্ভিক্ষ, অপায়-অমঙ্গল আৰু পাপ বা অধৰ্মৰ দেৱতা। সেয়েহে গাঁওখনত মাৰি-মৰক, হাইজা, কটা-কটি, মৰা-মৰি, অপমৃত্যু বা অগ্নিদাহ হ'লে প্ৰতিকাৰ পালৰ বাবে এই দেৱতাক অকালবোধন কৰি প্ৰয়োজন সাপেক্ষে পূজা দিয়া হয়। সাধাৰণতে প্ৰতিবছৰে চ'ত মাহৰ কোনোবা এদিন শনিবাৰে বা মঙ্গলবাৰে লগ লাগি বিগত বছৰটিৰ সকলো অপকাৰ্য, অপঘাত আৰু অপবাদ মৰিষণৰ বাবে আৰু আহিবলগীয়া দিনকেইটা নিয়মিত বৰষুণ আৰু অনুকূল বতৰেৰে গাঁওবাসীৰ শ্ৰীবৃদ্ধি কামনা কৰি এই পূজা অনুষ্ঠিত কৰা হয়। এই পূজাৰ বাবে উপচাৰ হিচাপে উঁই পৰুৱাৰ শুকান বাঁহ (হাখানচি), পুৰণি তিতালাউৰ খোল (ব্ৰেক), নকৈ বৈ উলিওৱা দীঘল নালযুক্ত বিচনী (জাপ) আদিৰ প্ৰয়োজন আৰু এইবিলাক সামগ্ৰী বাঁহৰ খুঁটি কেইটামানৰ ওপৰত খুজি দি এজোপা প্ৰকাণ্ড গছৰ গুৰিত বা এটা শিলৰ খোৰোঙত বেদী (হাচিদাম) নিৰ্মাণ কৰি তাত মদ বাকি, বলিৰ তেজ দি, পিঠাগুড়ি ছটিয়াই স্তুতি গীতেৰে আৰাধনা কৰি হাছি দেৱতাক পূজা দিয়া হয়। ৰাইজে নিৰ্বাচন কৰা দেউৰী আৰু পালিৰ হতুৱাই এই পূজাত বলি-বিধান দিয়া হয় যদিও সকলো গৃহস্থৰ মুৰব্বীসকলে এই পূজাত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰে। এই পূজাত তিৰোতাসকলক আৰু নাবালক ল'ৰা-ছোৱালীক অংশ গ্ৰহণ কৰিবলৈ দিয়া নহয়। এই পূজাত সেইবাবে নৃত্য-গীতৰ বিশেষ আয়োজন নাথাকে। তেওঁলোকৰ মাজত বিশ্বাস আছে যে এই পূজা দিয়াৰ পিছতে বতাহ বৰষুণ হয়; আৰু তেতিয়া ঝুম খেতি আৰু আহু খেতিৰ বাবে বতৰ উপযোগী হৈ পৰে। ইয়াক কাৰ্বিসকলৰ চজুন পূজাৰ লগত ৰিজাব পাৰি।

উ.ৰা.হা.

।। হাছাং পূজা ।।

হাছাং দেৱতা মায়তাৰি ৰাভাসকলৰ খোক্‌চি বা বায়খো দেবীৰ নতুন ৰূপ বুলিব পাৰি। আগতে ৰংদানি ৰাভাসকলে কৰা খোক্‌চি পূজা এতিয়া এৰি পেলাইছে। কিয়নো এই পূজাৰ নীতি নিয়ম বহুত আৰু কষ্টসাধ্য। সেইবাবে তেওঁলোকে আজিকালি হাছাং বা বাস্তু দেৱতালৈ পূজা আগবঢ়ায়। এই পূজা সাধাৰণতে জেঠ-আহাৰ মাহত

অনুষ্ঠিত হয়। ৰাভাসকলৰ বিশ্বাস অনুযায়ী হাছুং হ'ল -ৰোগ- ব্যাধিৰ ত্ৰাণকৰ্তা। বহুতৰ মতে, বহুদেৱতাৰ সমষ্টিয়ে হাছুং দেৱতা। ইয়াৰে মুখ্য দেৱতা দাৰ্মাঙৰ প্ৰতীক শিলাখণ্ডক (ৰংজুমুক) মাজত স্থাপন কৰি সোঁফালে ক্ৰমে কন্‌চো, ফেডোৰ, লাংগাচাৰা, লাংগাচা, আৰু বুঢ়াবদি দেৱতাৰ ৰংজুমুকক আৰু বাঁওফালে ক্ৰমে কয়নাং, ত্ৰয়নাং, তুৰা, পাজাম্বা আৰু খুচুৰিৰ প্ৰতীক শিলাখণ্ড স্থাপন কৰে। পূজাৰ মন্ত্ৰাদি চলে ৰাভা ভাষাত। পূজাৰ কাজ কাম সম্পন্ন কৰে বায়ব্ৰা (পুৰোহিত) আৰু টাকব্ৰাই (সহকাৰী পুৰোহিত)। বাৰজনা দেৱতাৰ ছজনাক ডেকেৰা কুকুৰা বলিৰে চাৰিজনক, কুকুৰা বা হাঁহ বলিৰে, তুৰাক পঁঠাছাগলী আৰু দাৰমাং দেৱতাক গাহৰি বলিৰে পূজা কৰাটো নিয়ম। এই পূজাত ফোকচাল নামৰ উদ্ভিদৰ ছালৰ ৰস, ঢেকীয়াপাত, চাউলৰ গুড়ি, নিমখ, কুকুৰা -হাঁহ -পাৰ প্ৰভৃতি চৰাইৰ মঙহ বাহঁৰ চুঙাত ভৰাই জুইত সেকি এক বিশেষ ধৰণৰ ভোগ ৰান্ধি দেৱতাসকলক উৎসৰ্গা কৰে। পূজাৰ শেহত গাঁৱলীয়া ৰাইজ মিলি বায়ব্ৰা বা টাকব্ৰাৰ ঘৰত গোটখাই জোঙামদ পান কৰি ওৰেটি নিশা খোক্‌ছিৰ গীত গায়। এই পূজা পদ্ধতি গাঁৱে গাঁৱে অলপ বেলেগ দেখা যায়।

(ৰাজেন ৰাভাৰ ৰাভা জনজাতি আৰু দৈনিক বাতৰিত (১৯ ফেব্ৰুৱাৰী, ২০০৫) দীনেশচন্দ্ৰ ৰাভাই লিখা 'হাছুং পূজা উৎসৱ' নিবন্ধৰ আধাৰত যুগুতোৱা)

না.দা.

**।। হাজোৰ পুষ্পশিল্প ।।**

পঞ্চ তীৰ্থ পৰিবেষ্টিত পুণ্যভূমি হাজোৰ দেৱালয়কেইখনিৰ গইনালৈ গঢ় লৈ উঠিছে পুষ্পশিল্পই। মালাকাৰসকলৰ একচেতীয়া শিল্প সম্ভাৰৰূপে স্বীকৃত পুষ্পশিল্পৰ ভিতৰত মালা প্ৰস্তুত কৰণৰ কথা পোনতে উল্লেখ কৰিব পাৰি। মালা বহুত প্ৰকাৰৰ। তাৰ ভিতৰত (১) জালমালা (২) কণ্ঠমালা (৩) মুৰমালা (৪) টুকটুকী মালা (৫) ফুলৰ কাটা মালা (৬) সূতাহীন মালা (৭) বেলপাতৰ মালা (৮) টোপমালা (৯) দোলামালা (১০) চাউলৰ মালা আৰু (১১) ধানৰ মালা প্ৰধান। বুঢ়ামাধৱৰ উদ্দেশ্যে গঁথা মালাধাৰিৰ নাম জালমালা। আগদিনাখন উপবাসে থাকি কল গছৰ পৰা উলিওৱা মালীসূতাৰে কাঠ এচলাত দুটা খুঁটা লগাই ঘোটনীত ১০৮ পাত তুলসী গাঁথে। এই মালাধাৰি পুৱা স্নানৰ পূৰ্বে আৰু গধুলি স্নানৰ কালত পিন্ধোৱা নিয়ম। জালমালাৰ দৰে কণ্ঠ মালাও তুলসী পাতৰ। বিভিন্নফুলৰ জোলাম সমৃদ্ধ মালাধাৰি বুঢ়া মাধৱৰ উপৰি দ্বিতীয় মাধৱ, গোবিন্দ আৰু বাসুদেৱকো পিন্ধোৱা হয়।

বুঢ়া মাধৱৰ শিৰ শোভাকাৰী, ফুলৰ জোলোম দি তুলসী পাতেৰে সজা এই মালাধাৰি মন্দিৰপৰা নি নিজা ঘৰত ৰখা দেখা যায়। ফুল আৰু তুলসীৰে গঁঠা টুকটুক মালাধাৰি মনৰ কামনা পূৰ হোৱাৰ পিছত ভক্তই ভক্তিভাৱে মাধৱ প্ৰভুক পিন্ধায়। সংক্ৰান্তি

আৰু আন উছ্ৱকালত মাধৱ, কেদাৰ আৰু কামেশ্বৰ প্ৰভু বাহিৰলৈ ওলোৱা কালত গুলঞ্চ ফুলৰ দৰে নাৰ্জীফুলেৰে সূতাবিহীন ভাৱে সজা মালাধাৰিৰ নিৰ্মান কৌশল লক্ষ্য কৰিবলগীয়া। মালাসূতাৰে ঘোটনীত গাঁথি উলিওৱা বেলপাতৰ মালা সাধাৰণতে গণেশ, কামেশ্বৰ, কমলেশ্বৰ আৰু কেদাৰেশ্বৰ বিগ্ৰহক লগোৱা নিয়ম। টোপমালাৰ গঠা পদ্ধতি জালমালেৰে অভিন্ন। উৎসৱ-পাৰ্বণত বাহিৰলৈ উলিওৱা হাজোৰ তিনিও গৰাকী বিগ্ৰহক দোলাৰূঢ় কৰোঁতে দোলাত দিয়া মালাৰ নাম দোলামালা। সৰু ঘোটনীত সূতাৰ সহায়েৰে গঁঠা চাৰিশিৰীয়া চাউলৰমালা সৰস্বতী আৰু লক্ষ্মীদেৱীৰ প্ৰতিমাক পিন্ধোৱা পৰম্পৰা আছে। বিয়াৰ দৰা -কন্যাৰ কাটামালা আৰু দৰাৰ চালেচকুৰোৱা মুকুট হাজোৰ পুষ্পশিল্পৰ উল্লেখযোগ্য পুষ্পসম্ভাৰ।।

অসম সাহিত্য সভাৰ হাজো অধিবেশনৰ স্মৃতিগ্ৰন্থ মণিকূট প্ৰকাশিত সম্ভুদত্ত শৰ্মাৰ হাজোৰ পঞ্চতীৰ্থ আৰু পুষ্পশিল্প লেখাৰ আধাৰত যুগুতোৱা।

প্ৰ. দা

**।। হাজোৰ পোৱামক্কাৰ উৰুচ উৎসৱ ।।**

হাজো হৈছে কামৰূপৰ এটি উল্লেখযোগ্য অঞ্চল। এই হাজোতেই আছে অসমৰ পবিত্ৰ পঞ্চতীৰ্থ হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, কমলেশ্বৰ, কামেশ্বৰ আৰু গণেশ মন্দিৰ। লগতে আছে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাহক গৰুড়াচল পাহাৰৰ ওপৰত থকা পোৱামক্কা। ঐতিহাসিক এই পোৱামক্কাত প্ৰতি মাঘ মাহত অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয় হিন্দু-মুছলমানৰ মহামিলনৰ মহামেলা উৰুচ। উৰুচৰ প্ৰচলনৰ ক্ষেত্ৰত কোৱা হয়-হজৰত মহম্মদে প্ৰতি বছৰ ধৰ্ম যুদ্ধত শ্বহীদ হোৱা ব্যক্তিসকলৰ কবৰলৈ গৈ তেওঁলোকক চালাম দিছিল লগতে তাত পবিত্ৰ কোৰাণ পঢ়ি শ্বহীদসকলৰ আত্মাৰ সদ্গতি কামনা কৰিছিল। পিছলৈ এয়ে এটা পৰম্পৰা হৈ উঠিল। সেয়াই হ'ল উৰুচ। আৰবী ভাষাত উৰুচ শব্দটোৰ অৰ্থ হৈছে মিলন বা দেখা কৰা। গতিকে মিলন পূৰ্বক উৎসৱেই উৰুচ। হাজো পোৱামক্কাৰ উৰুচ মানে হিন্দু - মুছলমানৰ আঞ্চলিক আধ্যাত্মিক দৃষ্টিভংগী আৰু সম্প্ৰীতিৰ প্ৰতিচ্ছবি। এই উৰুচ মাঘৰ দোমাহীৰপৰা আৰম্ভ হৈ ফাগুন মাহলৈকে চলি থাকে। পূৰ্ণ উৰুচ পালন কৰা হয় মাঘ মাহৰ পূৰ্ণিমাৰ দিনা। এই পূৰ্ণ উৰুচ উদ্যাপনৰ দিনা হাজো তথা পোৱামক্কা হৈ পৰে হিন্দু-মুছলমানৰ মহামিলনৰ এক মহাতীৰ্থ। গৰুড়াচল পাহাৰত অৱস্থিত এই পবিত্ৰ তীৰ্থস্থান প্ৰতিষ্ঠা কৰে — ত্ৰয়োদশ শতাব্দীৰ দ্বিতীয় দশকত কমতাপুৰৰ ৰজা দুলৰ্ভনাৰায়ণৰ ৰাজত্ব কালত সুদূৰ ইৰানৰপৰা অহা সিদ্ধ পুৰুষ গিয়াচুদ্দিন আওলিয়া চাহাবে। তেওঁ এই মছজিদ নিৰ্মাণ কৰি কামৰূপ-অসমত প্ৰথম বাৰৰ বাবে নামাজ পঢ়াৰ ব্যৱস্থা কৰে। পীৰজনাই মক্কাৰ কাবা শ্বৰিফৰপৰা এপোৱা মাটি আনি মচজিদৰ ভেটিত দিছিল ইয়াৰ নাম হয় পোৱামক্কা।

প্ৰতি মাঘ মাহৰ ৩০ তাৰিখে পালন কৰা পূৰ্ণ উৰুচত হাজোৰ পোৱামক্কা স্বকীয় ৰূপেৰে মূৰ্ত হৈ উঠে। হিন্দু-মুছলমান উভয় ভক্তবৃন্দৰে মনত উদ্ভাসিত হয় ভক্তি আৰু আনন্দানুভূতি। উক্ত দিনা মহান পুৰুষ গিয়াচুদ্দিন আওলিয়াৰ সমাধিত ধূপ আৰু মম জ্বলাবলৈ অসম তথা ভাৰতৰ অসংখ্য লোক সমবেত হয়। ভক্তসকলে লগত চাউল, চেনি, মিঠাই আদি লৈ আহে আৰু তাত দৰগাহৰ কৰ্মীসকলে চিন্নি (ভোগ) বনাই ভক্তসকলক বিতৰণ কৰে। সমাধিৰ কাষত দিনে ৰাতিয়ে বিভিন্ন ভক্তিমূলক গীত আদি পৰিৱেশন কৰি থকা হয়।

নী. ক.

*।। হাট-ফাটৰ দান ।।*

মধ্যযুগীয় অসমীয়া বুৰঞ্জীসমূহত ওচৰা-ওচৰিকৈ দুটা শব্দ পোৱা যায় - হাট আৰু ফাট। বেপাৰ কৰা, কিনা-বিকা চলা ঠাইৰ নাম হাট। এই হাটকেই আহোম ভাষাত কোৱা হয় ফাট। গতিকে হাট আৰু ফাট সমাৰ্থক। আহোম ৰাজ্যৰ ভিতৰত আৰু বৰ অসমৰ তিনিওফালে থকা পৰ্বতীয়া জাতিবোৰৰ মাজত অবাধে বেহা-বেপাৰ চলিছিল। চাহাবুদ্দিনে লিখি গৈছে - দিখৌৰ পাৰৰ ৰাজ কাৰেঙৰ ওচৰৰ হাট এখনিত কেৱল পাণহে পোৱা গৈছিল। যোৰহাটৰ কাষত আছিল দুখন বজাৰ। এখন - মাছৰ হাট আৰু আনখন চকী হাট। দুয়োখন হাট ওচৰা-ওচৰিকৈ যোৰ পাতি বহা বাবে কালক্ৰমত ঠাইখনৰ নাম হয় যোৰহাট। বংগদেশৰ সৈতে বেপাৰ কৰিবলৈ বঙাল হাট আছিল হাৰিদাচকীত। দৰঙা, শোৱনখাটা, ওদালগুৰি আৰু ঘগ্ৰাপাৰত থকা হাটসমূহত ভৈয়ামবাসীৰে ভূটিয়াসকলে বেপাৰ কৰিছিল। ৰেদ চাহাবে যিকেইখন হাটৰ নাম লৈছে, সেই কেইখন হ'ল - লুইতৰ উত্তৰে লক্ষীমপুৰত ফুকনৰ হাট, উপৰ দৈয়াঙত কছাৰী হাট আৰু নগা ফাট, কাজিৰঙাৰ উত্তৰে - কলৰ হাট, কাকদোঙা নৈৰপাৰত খিৰলুৰ ফাট, নাজিৰাত নাজিৰা হাট আৰু দিফলুৰ পাৰত হলাৰ ফাট। তামুলী ফুকনৰ বুৰঞ্জীত আছে - স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত বৌমুৰীয়া গণক ভৰালি বৰুৱাই - 'হাট-ফাটৰ দান পহাৰেপতি মাহে ৪ কৰা দৰে লগালে (পৃঃ ২৪)

দেওধাই অসম বুৰঞ্জীত আছে - কীৰ্তিচন্দ্ৰ বৰবৰুৱাই ৰহাত এখন হাট পাতিছিল। সেই হাটৰ দান এনেধৰণৰ ঃ 'গৰুটোৰ লব কৰি তিনি পোণ, এঠেংগ এৰিব। তামোল কাউনৰ তিনি পোণ, পাণ ২০, পাণ তিনি গুছি, ধান ২০ পুৰা তিনিকঠা, ৰূপ ২০ টকা তিনি অনা, কপাহ ২০১ টা, পাহাড়ী দান কড়ি ১৭ পোণ।' এনেদৰে আন আন হাট-ফাটবোৰবো দান নিৰ্বন্ধ কৰি দিয়া হৈছিল। এয়ে হাট-ফাটৰ দান।

না. দা.

### ।। হাতী যুঁজ ।।

আহোম যুগৰ খেল-ধেমালিৰ ভিতৰত হাতী যুঁজ উল্লেখযোগ্য। তামুলী ফুকনৰ সাক্ষ্যমতে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰেপৰা ৰংঘৰৰ বাকৰিত হাতী-যুঁজ অনুষ্ঠিত হৈছিল। যুঁজৰ বাবে ৰংঘৰৰ উত্তৰে থকা হাতী খোকত প্ৰায় দুশ দঁতাল হাতী ৰখা হৈছিল। সেই হাতীবোৰক কিছুদিন আগৰেপৰা পুৰা-গধূলি বৰা-চাউলৰ ভাত আৰু মাটি মাহৰ আঞ্জা খাবলৈ দি যুঁজাৰু কৰি তুলিছিল। তদুপৰি ফাগুন-চ'ত মহীয়া কুম ফাটি বলিয়া হোৱা হাতীকো যুঁজত লগোৱা হৈছিল। যুঁজ দুই প্ৰকাৰে হৈছিল - ক. এটা হাতী নঙলা দি খোকত সুমুৱাই আনটো হাতী বাহিৰত ৰাখি আৰু খ. দুয়োটা হাতীকে মুকলিকৈ ৰাখি। যুঁজিবৰ কালত পাঁকৈত মাউত হাতীৰ পিঠিত আছিল। হৰা-জিকা হ'লে নতুন নতুন হাতী যুঁজায়। মাউতে গদা-কোঁহেৰে খুচি হাতীৰ যুঁজ লগাই দিছিল। সাধাৰণতে হাতীয়ে শুঁৰে-শুঁৰে, মূৰে মূৰে আৰু দাঁতে-দাঁতে খুন্দিয়া খুন্দি কৰি দুই চাৰি দণ্ড যুঁজ কৰিছিল। মুকলি হাতী যুঁজত গজ ঘন্টা আঁৰি দিয়া নিয়ম। কেতিয়াবা হাতী পলালে গজ ঘন্টাৰ শব্দ শুনিয়ে মানুহ পলাই পটং দিছিল। হাতীৰ পিঠিত থকা মাউতসকলক গছৰ ওপৰৰপৰা খোৱা খাদ্যৰ যোগান ধৰা হৈছিল। নহলেবা গছৰ তলেদি হাতী দৌৰি যাওঁতে গছৰ ডালত ধৰি মাউত পলাইছিল। দেওধাই অসম বুৰঞ্জীত আছে, হাতী যুঁজত কেতিয়াবা মাউত মৰিছিলোঁ।

না. দা.

### ।। হাতীশালৰ শব্দ ।।

মহাভাৰতৰ যুগৰেপৰা অসমদেশ হাতীৰ বাবে প্ৰখ্যাত। হাতীৰ গইনা লৈ ভালেসংখ্যক শব্দৰ সৃষ্টি হৈছে। তলত তাৰে কিছু সংখ্যক শব্দ দিয়া হ'ল -

ক. হাতীৰ কৰ্মচাৰী - আওলাটনা (বনৰীয়া হাতীয়ে খাই যোৱা ঠাইত থকা জাবৰ জোথৰ পেলোৱা কৰ্মী), কুকুৰ চুঙীয়া (হাবিত টঙী সাজি থাকি বনৰীয়া হাতীক হাতী গড়লৈ ঢাল খুৱাই দিয়া লোক), ধনী (হাতীৰ মহলদাৰ), ঘাঁহী (ঘাঁহৰ যোগান ধৰা লোক), ফান্দী (বনৰীয়া হাতী ধৰা লোক), মাউত (চালক) আদি।

খ. হাতী চলোৱা শব্দ - আগতে (আগলৈ অহা), ইটে তেৰ (বাগৰ সলা), গৱাধৰ (গছ-বন হেঁচা মাৰি ধৰ), চভোৱা (হাতীৰ গা মালিচ কৰা কাৰ্য), চেই (পাক দি ঘূৰ), জুক (আগ ঠেং দুখন চপৰাই দে), তেৰে (বাগৰ সলা), ধাত/ ধেত (ৰ) আদি।

গ. হাতীৰ প্ৰকাৰ - কিৰিঙা (সৰু দীঘল দাঁতৰ দঁতাল), কুনকী (বনৰীয়া), চখনা (শকত দাঁতৰ হাতী), চাহুন (জাক), টুৰী ((পোৱালী মাইকী), বনুৱা (হাবিত থকা), মখনা (শকত চুটি দাঁতৰ), মাখুন্দী (মাইকী হাতী), মূঢ়া (দাঁত নোহোৱা) আদি।

ঘ. হাতী ধৰা সঁজুলি - অংকুশ (হাতী খোচা অস্ত্ৰ), কেনামাৰী (হাতীক মাৰিব

আৰু খুচিব পৰা অস্ত্ৰ), কাচ (হাতীৰ ৰাজহাড়ৰ দুফালেদি নি নেজৰ তলেৰে বুকুত বান্ধি থোৱা ৰচি); খাটাং (হাতীৰ আগ ঠেং দুখনি যুঁতি থোৱা ৰচি), গলাখামাৰী (কনৰীয়া হাতীক ডাঙৰ ৰচিৰে বন্ধা খুঁটা), চৰি (ডাঙৰ ৰচি টান কৰিবলৈ লোৱা সৰু ৰচি), জটকা (আগ ঠেং বান্ধিবলৈ ব্যৱহাৰ কৰা খাটাঙৰ ওপৰঞ্চি ৰচি), ডুলচী (ডিঙিত বান্ধি থোৱা সৰু ৰচিৰ মুঠা), ফান্দ (হাতী ধৰা শকত ৰচি), ফৈ (হাতী বন্ধা ডাঙৰ ৰচি), ফেৰা (ফান্দৰ চিপটোৰ ওচৰত বন্ধা থকা সৰু ৰচি), মেগ্নো (মাউতে কুনকী চেকুৰোৱা ৰচি বিশেষ) ইত্যাদি। না. দা.

।।হাতে লিখা পুথিৰ মলাটৰ চিত্ৰিকা।।

হাতেলিখা পুথিৰ মলাট আৰু পুথি থোৱা বাকচত অঁকা ভালেখিনি ছবি অসমত পোৱা যায়। ড° ৰজতানন্দ দাস গুপ্তই তেওঁৰ Eastern Indian Manu Script Painting শীৰ্ষক গৱেষণা গ্ৰন্থত কাঠৰ ফলিত চিত্ৰিত চিত্ৰমালাক এক সুকীয়া শৈলীৰূপে স্বীকৃতি দিয়াটো তাৎপৰ্যপূৰ্ণ। লোককলাৰ প্ৰভাৱ পুষ্ট চিত্ৰক সুকীয়া শৈলীবোলাতকৈ সত্ৰীয়া শৈলীৰে নামান্তৰ বুলিলেহে অধিক ৰজিতা খায়। ড° দাসগুপ্তৰ গ্ৰন্থত তিনিখনি কাঠৰ ফলিত চিত্ৰিত চিত্ৰিকা সংযোজন কৰাটো তাৎপৰ্যপূৰ্ণ। গোৱালপাৰাৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰে সংগ্ৰহ কৰা অষ্টমংগলা (১৮০২ খ্ৰী. ত চিত্ৰিত), শ্যামা ৰহস্য আৰু লক্ষ্মী চৰিতৰ কাঠৰ মলাটৰ চিত্ৰৰ সুষমাই আমাৰ দৃষ্টি আকৰ্ষণ কৰে। একালত অসমৰে অন্তৰ্ভুক্ত কোচবেহাৰতো মলাটত চিত্ৰিত পুথি পোৱা গৈছে। ড° দাসগুপ্তই তেওঁৰ গৱেষণা গ্ৰন্থত প্ৰকাশ কৰা প্ৰথম খনিত আছে এখনি যুদ্ধৰ চিত্ৰ (১৬৯৩ খ্ৰী.ত চিত্ৰিত), দ্বিতীয়খনিত শ্ৰীকৃষ্ণ বিচ্ছেদত গোপীৰ বিৰহ (অষ্টদশ শতাব্দী) আৰু তৃতীয়খনিত শ্ৰীকৃষ্ণক আমন্ত্ৰণ জনোৱা চিত্ৰ। কোচবেহাৰ ৰাজকীয় পুথিভঁৰালৰ গ্ৰন্থ বিশেষৰ মলাটত আছে—সভাসদৰ কথা ৰজাই শুনি বহি থকা দৃশ্য। ৰজাৰ সমুখত এখনি শৰাই, কাষত দণ্ডায়মানা চামৰধাৰিণী। মায়ামৰ দিনজয় সত্ৰত সংৰক্ষিত নিত্যানন্দ কায়স্থৰ শ্ৰীভাগৱত মৎস্য চৰিত্ৰৰ কাঠৰ মলাটৰ ওপৰত চিত্ৰিত দশাৱতাৰৰ চিত্ৰকেইখনি কলাসন্মত। তেজপুৰৰ নিকটৱৰ্তী মদাৰগুৰি সত্ৰৰ সংৰক্ষিত শংকৰদেৱৰ বৰগীত শীৰ্ষক সাঁচিপতীয়া পুথিৰ মলাটত সোঁমাজত দেখা যায় শ্ৰীকৃষ্ণই ত্ৰিভংগিম ধামত থিয় দি বাঁহী বজাইছে। তেওঁৰ সোঁফালে সমপাদ স্থানক ভংগীৰ শংখ চক্ৰ গদা পদ্মধাৰী বিষ্ণু আৰু তেওঁৰ সোঁফালে ষষ্টাংগে সেৱাৰত দণ্ডীয়া ব্ৰহ্মা। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত ৰক্ষিত বিভাগ ৰক্ষিতঅংকীয়া নাটৰ (৯৩ নং) বাকচত অঁকা দশাৱতাৰৰ চিত্ৰমালা মনোৰম। একেস্থানত ৰক্ষিত কীৰ্তন ঘোষাৰ (১৬৩৫) বাকচৰ চিত্ৰ মালা এতিয়া নষ্ট হ'ল। তেজপুৰৰ নিকামূল সত্ৰৰ ৰক্ষিত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ দিনত নকল কৰা চন্দ্ৰ ভাৰতীৰ ভাগৱতৰ বাকচটিৰ চাৰিও ফালে দশাৱতাৰৰ চিত্ৰ দৃষ্টিযোগ্য। *নহিৰা সত্ৰৰ স্তুতি গোবিন্দ ১৮৫৮ খ্ৰী.*)ৰ বাকচত

অংকিত বিষ্ণু, দেৱী আৰু ব্ৰহ্মাৰ তিনিখন চিত্ৰিকাই চালে চকুৰোবা।

না.দা.

।। হানাঘোঁৰা বা জাৰীঘোঁৰা ।।

এই পূজা দক্ষিণ কামৰূপ অঞ্চলৰ পাতিৰাভা আৰু হানাৰাভা সকলৰ মাজতহে অনুষ্ঠিত হোৱা দেখা যায়। সাধাৰণতে ই পহিলা ব'হাগৰ পৰা সাতদিন ধৰি অনুষ্ঠিত হয়। হানাঘোঁৰা বা জাৰীঘোঁৰা হ'ল ঘোঁৰাৰ প্ৰতীকী সাজ (দেৱীৰ বাহন) বিশেষ। বিশেষ এজন মানুহে (বাপেকে) ইয়াক পৰিধান কৰি বাদ্যবাদকৰ দলসহ ঘৰে ঘৰে ঘূৰি গোৱাদি গাই গৃহস্থৰপৰা আশীৰ্বাদ দানেৰে চাউল, কুকুৰা, কণী (চৰে ডিমা) পঁচা তুলি আনি গাঁওখনৰ বাহিৰত ভোজ- ভাত ৰান্ধি দেৱীৰ নামত আগবঢ়াই নিজেও লগে ভাগে খাই এই পূজা সমাপ্তি কৰে। জাৰীঘোঁৰাৰ বেলিকা ঘোঁৰাৰ জলম হিচাপে ব্যৱহাৰ কৰা কাপোৰডোখৰ বাঁহৰ কামিৰপৰা এৰুৱাই আনি গোসাঁই ঘৰত পৰৱৰ্তী বছৰলৈ সংৰক্ষণ কৰি ৰখা হয়। কিন্তু হানাঘোঁৰাৰ সকলো সামগ্ৰী পূজাথলীত ভাঙি ছিঙি মাটিত পুতি থৈ অহা হয়। উল্লেখযোগ্য যে দুয়োটা অনুষ্ঠানতে আৰম্ভণিতে লাঙাদেওৰ নামত পূজা এভাগি দিয়া হয় আৰু ঘোঁৰা নচুৱাজনক মহাদেৱৰ ঘোঁৰা অৰ্থাৎ অনুচৰ বুলি ভক্তি সহকাৰে গৃহস্থৰ পদুলি মুখলৈ আগবঢ়াই আনি যথোচিত মাননিৰে বিদায় দিয়া হয়। পাৰ্থক্য মাথোন ঘোঁৰা নচুৱা পৰ্বতহে -জাৰীঘোঁৰা এদিনীয়াকৈ ৰাতিৰ ৰাতিটো নচুৱায় কিন্তু হানাঘোঁৰা এসপ্তাহ বা ততোধিক কাললৈ দিনৰ বেলিকা নচুৱায়। ঘোঁৰাৰ মূৰত দেওছাগলীৰ শিং এজোৰ, কপালত সাত ধাতুৰ মাদলি এটা আৰু চকু দুটা পিতলেৰে জিলিকি থকাকৈ তৈয়াৰ কৰা হয়। ঢোল, শিঙা, কালি, বাঁহীৰ লগতে বেসুৰাকৈ ভগা কোৰ বজাই, আঁঠুমূৰীয়া গামোচা পিন্ধি গাঁৱৰ ডেকা ল'ৰা বা মুৰব্বীসকলে এলানি গীত গাই হানা গাৱোসকলৰ গোৰে ৰদলা নাচৰ দৰে আদ্‌বলিয়ালি (জাৰী) কৰি নাচে বাবে এই পৰ্বটোক হানাঘোঁৰা বা জাৰীঘোঁৰা বোলা হৈছে যেন ধাৰণা হয়। এই অনুষ্ঠানটোৰ প্ৰচলন ৰাভা সমাজত সতীৰ বিৰহত দগ্ধ হৈ উলঙ্গ মহাদেৱে কৰা তাণ্ডৱ নৃত্যৰ পৰা হোৱা বুলি ভবা হয়। ই দৰাচলতে লাঙামাৰাৰে স্থানীয় সংস্কৰণ।

উ.ৰা.হা.

।। হাৰ ।।

ডিঙিত পিন্ধা অলংকাৰ। ইয়াক সোণ, ৰূপ আদি ধাতুৰে গঢ়োৱা হয়। হাৰ এবিধ ডিঙিৰপৰা বুকুলৈ ওলমি পৰা মৰ্যাদাসম্পন্ন শিকলি সদৃশ অলংকাৰ। বিভিন্ন চানেকিৰ শিকলিৰে ইয়াক নিৰ্মাণ কৰা হয়। কণ্ঠত পৰিধান কৰা বাবে ইয়াৰ এটা নাম কণ্ঠহাৰ। কিছুমান কণ্ঠহাৰ বান্ধিব নলগাকৈ ডিঙিত এনেয়ে সুমুৱাই পৰিধান কৰা হয়। কিছুমান বন্ধা হাৰ। বান্ধিব নলগা অলংকাৰ আৰোপ্য অলংকাৰ বুলি কোৱা হয়। বান্ধিব

লগাবোৰ এটা মূৰত এটা ক্ষুদ্ৰ ৰিং আৰু আনটো মূৰত এটা ইংৰাজী S ৰ আৰ্হিত হাকোটা এডাল লগোৱা থাকে। দুই মূৰ লগলগাই হাকোটাডাল ৰিংটোত সুমুৱাই এই পদ অলংকাৰ পৰিধান কৰা হয়। কিছুমান হাৰত বিৰি বা লটকন ওলোমাই অধিক সুৱগা কৰি তোলা হয়। বিবাহিতা, অবিবাহিতা, পুৰুষ-মহিলা, ল'ৰা-ছোৱালী সকলোৱে ইয়াক পৰিধান কৰিব পাৰে। প্ৰভেদ মাত্ৰ ইমানেই যে পুৰুষে পিন্ধা হাৰত লটকন নাথাকে। বিভিন্ন চানেকিৰে তৈয়াৰ কৰা হাৰৰ নামো বেলেগ। যেনে- গজ হাৰ, চন্দ্ৰ হাৰ, চিতাহাৰ ইত্যাদি।

প্ৰ.শ.গো

**।। হাসলী বা হাচলি ।।**

ডিঙিৰ গলপতাৰ তলতে পিন্ধা এবিধ অলংকাৰ। হাচলিডাল গোটা আৰু চাৰিচুকীয়া। বুকুৰফালে থকা ভাগ শকত আৰু দুয়োকাষত লগতে পিছফালে থকা ভাগ চিয়া। সাধাৰণতে নামনি অসমত আগৰ দিনত শিক্ষিত অশিক্ষিত সকলো ঘৰৰ ল'ৰা-ছোৱালীয়ে হাচলি পিন্ধা নিয়ম আছিল। জনবিশ্বাস আছে যে হাচলি পৰিধান কৰিলে ইয়াক সমতাই ডিঙিৰ হাৰ শকত আৰু পোন কৰে। আন আন হাৰ বা কণ্ঠমণিবোৰ হাচলিৰ তলত পৰি থকাকৈ পিন্ধা হয়।

প্ৰ.শ. গো

**।। হাড় শুচি কৰা বিয়া ।।**

বিবাহ অবিহনে মানৱ জীৱনে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। মানুহৰ দহোটা সংস্কাৰৰ ভিতৰত বিবাহ অন্যতম। বিবাহ অবিহনে মানুহৰ আত্মা মৃত্যুৰ পিছতো শান্তি নাপায় অথবা মুক্তি লাভ নকৰে। স্বৰ্গবাসী হ'ব নোৱাৰে। এয়া ভাৰতীয় হিন্দু ধৰ্মাবলম্বীসকলৰ সাধাৰণ বিশ্বাস। সেয়ে মৃত্যুৰ আগতে কোনো অবিবাহিত লোকৰ সংস্কাৰ-ত্ৰুটি মোচনাৰ্থে যি বিবাহ কাৰ্য সম্পন্ন কৰা হয় সেয়ে হাড় শুচি কৰা বিয়া। বহুসময়ত এনে বিবাহত দৰা বা কইনাৰ প্ৰতীক হিচাপে গছ, যিকোনো মূৰ্তি, বাদ্যযন্ত্ৰ আদি লৈ অপৰিহাৰ্য মাংগলিক কাৰ্য সহকাৰে এই বিয়া পতা হয়। হিন্দুসকলে বিবাহ অবিহনে মানুহৰ হাড় শুচি নহয় বুলি বিশ্বাস কৰাৰ ভিত্তিত এই হাড় শুচি কৰা বিয়াৰ প্ৰচলন হোৱাৰ অন্য কাৰণ।

প. ৰা

**।। হীৰাৰ বাচন-বৰ্তন ।।**

'সোণাৰি কুমাৰ হীৰা কৈবৰ্ত চমাৰ /মুচিয়াৰ হাড়ি আদি দিলা নিৰন্তৰ।' (দৰং ৰাজবংশাৱলী)। মধ্যযুগীয়া অসমীয়া সাহিত্যত উল্লিখিত হীৰা সকলে পাত্ৰ গঢ়া সঁজুলি, মাটি প্ৰভৃতি কুমাৰতকৈ সুকীয়া। এওঁলোকে চাক প্ৰয়োগ নকৰে আৰু তেওঁলোকৰ পাত্ৰগঢ় আপেক্ষিকভাৱে বগা মাটিৰ হীৰা মাটি ৰূপে জনা যায় হীৰামাটিৰ বিষয়ে এড্ৱোৰ্ড

গেইট চাহাবে লিখি গৈছে—'এই মাটি স্থান বিশেষত হে পোৱা যায়। হীৰাসকলে ভাৰ বান্ধি বা নাৱেৰে এই মাটি নিজ গাঁৱলৈ লৈ যায়। কামৰূপৰ আগীয়া ঠুৰী, মু নুং আদি ঠাই এনে মাটিৰ বাবে প্ৰখ্যাত।' হীৰা সকলে কেঁচা পাত্ৰবোৰ থুপা দি পোৰে। তাৰ বাবে পোনতে তুঁহ আৰু গোবৰেৰে সৰু খুঁটি দি তাৰ ওপৰত যতনেৰে পাত্ৰবোৰ জাপি মাজে মাজে ধানখেৰ, নৰা, তুঁহ, সৰু বাঁহ কাঠৰ টুকুৰা আদি সুমুৱাই দি ওপৰত ছাইৰে ঢাকি দিয়ে। গধূলি জ্বলোৱা থুপাটো ওৰে নিশা জ্বলে। পুৱাৰ পৰত বাচনবোৰ টিং টিঙিয়া হৈ উঠে। এওঁলোকে বাচন গঢ়োঁতে ব্যৱহাৰ কৰা বস্তু কেইপদ হ'ল-গোট্‌কা, পিটনি, পাথলা আৰু লেছা। পুৰুষতকৈ তিৰোতাসকলে আগভাগ লোৱা হীৰাৰ পাত্ৰবোৰ হ'ল - (১) কলহ (সাধাৰণ মাটিৰ কলহ) (২) কাটা (ডাঙৰ আকাৰৰ কাণ থকা চৰু ) (৩) চৰু (ভাত ৰন্ধা পাত্ৰ), (৪) চাকি(৫) চিলিম (৬) জঙা (লাও পানী প্ৰস্তুত কৰা পাত্ৰ (৭) জপা কাটা (কাপোৰ থোৱা দীঘলীয়া কলহ), (৮)জাপ চাকি (বিয়াৰ সৰমালাত ব্যৱহাৰ কৰা যুৰীয়া চাকি), (৯) টিপা (লুৰ্কিত কৈ সৰু ঘট), (১০) টেকেলি (বিয়াৰ পানী তোলা, দৈ সজা সৰু পাত্ৰ), (১১) ডাবৰ (মুখ ধোৱা, পিক্ পেলোৱা পাত্ৰ, কাপোৰ থোৱা, ঢাকনি থকা ডাঙৰ পেটুৱা কলহ), (১২) নাগাৰা (বাদ্য যন্ত্ৰৰ খোলা), (১৩) পাইলা (মাটিৰ ভাত ৰন্ধা পাত্ৰ), (১৪) পাত চৰু (পিঠা পোৱা পাত্ৰ), (১৫) মলা (চৰুতকৈ সৰু পাত্ৰ), (১৬) মালোই (চৰু), (১৭) মুট্‌কী (ডাঙৰ কলহ) (১৮) মুহি (ধাতু গলোৱা পাত্ৰ) (১৯) হাড়ি (চুটি ডিঙিৰ ভাত ৰন্ধা পাত্ৰ) আদি।

(প্ৰদীপ চলিহাৰ পুৰণি *অসমৰ কাৰিকৰী শিল্প* গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

।। হুঁচৰি ।।

হুঁচৰি অসমীয়া জনসাধাৰণৰ এক জনপ্ৰিয় সৃষ্টি। আহোম ৰাজত্বৰ দিনত হুঁচৰি গোৱা প্ৰথাই ব্যাপকতা লাভ কৰে। স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলেও বিহুৰ ৰং-ৰহইচক উদগনি দিছিল, পৃষ্ঠপোষকতা কৰিছিল। সাধাৰণ প্ৰজাই নহয় আহোম ডা-ডাঙৰীয়াৰ পো-পোৱালীয়েও হুঁচৰিত ভাগ লৈছিল।

হুঁচৰি সাধাৰণতে ল'ৰা-ডেকা-বুঢ়া সকলোৱে একেলগে মিলি গায়। গাভৰুৰ তাত স্থান নাই। বয়স্কসকলে চোলা-চুৰিয়াৰ উপৰি গাত চেলেং মেৰিয়াই লয়। মুৰত পাগুৰি মাৰে।

আমাৰ হুঁচৰিৰ লেখীয়াকৈ মিচিং সম্প্ৰদায়েও গুমৰাগ নাচে। এই নাচ ফাগুন মাহৰ আলি আই লৃগাং উৎসৱত জুম বান্ধি মানুহৰ ঘৰে ঘৰে নচা হয়। বড়ো জনগোষ্ঠীৰ মাজতো ব'হাগ মাহৰ দ্বিতীয় দিনা নৃত্য গীত কৰা প্ৰথা পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে। তিৱা সম্প্ৰদায়ৰ মাজত প্ৰচলিত ব'হাগ বিহুত পৰিৱেশন কৰা বোকানাচো আমাৰ

হুঁচৰিৰ লেখীয়া।

হুঁচৰিৰ প্ৰধান ভাগ দুটা। এটা হ'ল হুঁচৰি কীৰ্তন, আনটো বিহুনাম। ইয়াৰ প্ৰথম ভাগ হ'ল আধ্যাত্মিক ভাৱসম্পন্ন আৰু দ্বিতীয় ভাগ হ'ল যৌনগন্ধবিহীন স্বাভাৱিক আনন্দ উত্তেজনা আৰু নৈসৰ্গিক সৌন্দৰ্যৰ প্ৰকাশ।

কোনো এঘৰৰ পদুলিত হুঁচৰি দল উপস্থিত হ'লে গৃহস্থই তামোল-পাণ শৰাইৰে আদৰি আনে। চোতালত থিয় হৈয়ে হুঁচৰি দলে পোনতে 'জয় ৰাম বোলা' বুলি গৃহস্থৰ কুশল কামনাসূচক আশীৰ্বাদ দি ঢোলত চাপৰ মাৰি ঘোষা আৰম্ভ কৰি পদ জোৰে এইদৰে -

আমি যে হুঁচৰি গাওঁ ঘূৰি ঘূৰি খুচৰি খাম
ডিঙি ফালি ফালি ৰাগকে টানিছো ৰূপ জানো একুৰি পাম'।

হুঁচৰি গাওঁতে ধুনীয়াকৈ মেৰপাতি গোৱা হয়, ডিঙি ফালি বগা টনা হয়। কেতিয়াবা কঁকালত ধৰা-ধৰিকৈ লহৰী খেলাৰ দৰে গোৱা হয়। ইয়াৰ অন্তত গৃহস্থৰ পদসেৱা গ্ৰহণ কৰে। গৃহস্থয়ো হুঁচৰিৰ আশীৰ্বাদ গ্ৰহণ কৰি কৃতাৰ্থ মানে। এইদৰে হুঁচৰিৰ সামৰণি পৰে।

হুঁচৰি আৰ্যভিন্ন প্ৰজাতিৰ দান। পিছত শংকৰদেৱৰ নাম-ধৰ্মৰ অখণ্ড প্ৰভাৱত ই অধিক ব্যাপক হৈ পৰে।

ই. ক

।। হুদুমদেওৰ পূজা ।।

পশ্চিম গোৱালপাৰাত বহুলভাৱে উদ্‌যাপিত হুদুমদেওৰ পূজা উত্তৰ বংগৰ কোচবেহাৰ, জলপাইগুৰিৰ উপৰি বাংলাদেশৰ ৰংপুৰ, পূব দিনাজপুৰ আৰু পশ্চিমবংগৰ পশ্চিম দিনাজপুৰলৈকে পৰিব্যাপ্ত। বিগত দিনত অনাবৃষ্টিৰ ফলত খেতিপথাৰ চিৰাল ফটা দিলে বৰষুণৰ ঐকান্তিক কামনাৰে আঁউসীৰ এন্ধাৰ ৰাতি হুদু চৰাই এটা ধৰি আনি জন-সমাগমহীন পথাৰত এটি খুঁটি পুতি তাতে সেইটো বান্ধি থৈ গাঁৱৰ তিৰোতাসকলে তিমিৰাচ্ছন্ন উজাগৰী নিশা খুঁটিৰ চৌদিশে উলংগ হৈ নৃত্য-গীতৰ পোহাৰ মেলিছিল। সৰলা গ্ৰাম্য বধুৰ বিবসনা নৃত্য আৰু আকুল প্ৰাৰ্থনাত ইন্দ্ৰদেৱতা সন্তুষ্ট হৈ ভূমিত ঢালে বৰ্ষাৰ মুষল ধাৰা - এনে এটি লোক বিশ্বাসৰ ভেটিতে হুদুমদেও পূজাই আত্মপ্ৰকাশৰ সুযোগ পায়। আজিকালি অৱশ্যে হুদু বন্ধা নিয়ম নাই। এডাল কলগছ ৰোপণ কৰিয়ে অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। কল পুলিটো হুদুম খুঁটি ৰূপে জনা যায়। এক সন্তানৰ মাতৃয়ে ৰাতি বিবস্ত্ৰা হৈ একে উশাহে হুদুম খুঁটি পোতা নিয়ম। খুঁটি পোতাৰ সাত দিন আগৰেপৰা সাতজনী অকুমাৰী ছোৱালীয়ে সাত ঘৰ লোকৰপৰা ঘটিৰে আনি জমাই থোৱা পানী পূজাথলীত ছটিয়াই তিৰোতাসকলে হালোৱা আৰু গৰুৰ ভূমিকা লৈ নাঙল

এখনেৰে মাটিডৰা চহোৱা বাঞ্ছনীয়। লোক বিশ্বাস মতে, হুদুম খুঁটি পোতাৰ লগে লগে নহ'লে তিনি দিনৰ ভিতৰত বৰষুণ হয়। নহ'লে তিৰোতাসকলে আৰম্ভ কৰে হুদুম দেওৰ পূজা-অৰ্চনা। অৱশ্যে ইয়াত পুৰোহিতৰ স্থান নাই। চকুত কাপোৰ বান্ধি মাথোন ঢাকুৱাই ঢাক বজাই থাকে। তিৰোতাসকলে গৃহস্থক খুৱাই-বুৱাই ৰাতি হুদুমদেওৰ পূজাৰ থলীলৈ আহি উলংগ হৈ শ্লীল-অশ্লীল গীত গাই হুদুম খুঁটাৰ চাৰিওফালে নৃত্যৰ পদুম ফুলায়। নাৰীৰ যৌনধৰ্মী নৃত্য-গীতৰ ফলত বৰষুণ হোৱাৰ এটি প্ৰবল জনবিশ্বাস আজিও এই ভূখণ্ডত জীৱন্ত হৈ থকাটো উল্লেখযোগ্য। হুদুমদেওৰ পূজা উপলক্ষে গোৱা গীতসমূহ গোৱালপৰীয়া লোক সাহিত্যৰ অমূল্য সম্পদ।

না দা.

।। হুৰুম ।।

অসমীয়া মানুহৰ মুখৰোচক জলপান ভিতৰত হুৰুম উল্লেখযোগ্য। এইবিধ জলপান নামনি অসমতকৈ উজনি অসমত অধিক জনপ্ৰিয়। ইয়াক তৈয়াৰ কৰিবলৈ নিম্নোক্ত উপকৰণ কেইবিধৰ প্ৰয়োজন— ক) এক কেজি বৰা ধান, খ) ডাঙৰ মুখৰ পাত্ৰ এটা, গ) ঘিঁ অলপ আৰু ঘ) আধাকেজি বালি।

প্ৰস্তুত প্ৰণালী ঃ পোনতে মিহলি নোহোৱা বৰা ধানকেজি ডাঙৰ পাত্ৰ এটাত ডুব যোৱাকৈ ভিজাব লাগে। প্ৰতিদিনে পানীখিনি সলাই থাকিব লাগে- ৪/৫ দিন। পিছত ধানৰ পাত্ৰটো জুইত তুলি দি সিজোৱা প্ৰয়োজন। সিজাওঁতে ধানৰ কণকেইটাহে ওলাব লাগে— ধানটো সম্পূৰ্ণৰূপে ফাটি যাব নালাগে। সিজোৱা ধানখিনি কিছু সময় পৰাহীত তুলি থৈ পানীখিনি সৰি পৰাৰ পিছত কেৰাহী এটাত অলপ অলপকৈ সেইখিনি ভাজিব লাগে। ভাজোঁতে মুৰমুৰীয়া হোৱা বেয়া— লিকটিয়া হোৱা ভাল। সেইখিনি অলপ ঠাণ্ডা হ'লে ঢেঁকী বা উৰলত চিৰাৰ আকৃতি লোৱাকৈ খুন্দা প্ৰয়োজন। পিছত চিৰাখিনিৰপৰা তুঁহবোৰ জাৰি জোকাৰি অলপ ঘিঁউৰে সেই খিনি ভালদৰে মোহাৰি লৈ কেৰাহী এটাত বালি গৰম কৰি মুঠি মুঠিকৈ ভাজিলেই সিঁহ'ব মুড়িতকৈ ডাঙৰ স্বচ্ছ চালে চকুৰোৱা হুৰুম। ঘি মিহলোৱা চিৰাকৃতিৰ চাউলখিনি সাফৰ থকা পাত্ৰত থলে যেতিয়াই তেতিয়াই গৰম বালিত ভাজি হুৰুমৰ সোৱাদ ল'ব পাৰি।

জ্যো.দা.

।। হেংদান ।।

টাই ভাষাৰপৰা অহা হেংদান হ'ল এবিধ বিশেষ ধৰণৰ তৰোৱাল। ই ৰাজদণ্ডৰ প্ৰতীক। আহোমসকলৰ বিশ্বাস মতে, তেওঁলোকৰ ইষ্টদেৱতা ফা-নু-ক-লেঙ্দনক দেৱী খান্ খাম্ ফাই স্বৰ্গলোকৰ দেৱগণক শাসন কৰিবলৈ ইয়াক দান দিছিল। দীননাথ চাঙ্কুন বৰুৱাৰ হাতে লিখা চক্লঙ্ বিধি গ্ৰন্থৰ সাক্ষ্য অনুযায়ী এই হেংদানখনি মৰতভূমিৰ ৰজা হৈ প্ৰজাৰ শাসন কৰিবলৈ খুন্লুঙ্ খুন্লাইক বিদ্যাৰ গৰাকী জাহিঙৰ পৰামৰ্শ অনুযায়ী

লগুড়নে লগত দি পঠায়। চক্‌লং পদ্ধতিৰে বিয়া পাতিলে কন্যাই দৰাক দুই হাতেদি হেংদানখনি আগবঢ়াই দি কয়ঃ 'এই হেংদানেৰে দেশ-জাতি-পুত্ৰ-পৰিবাৰ, ধন সম্পদ ৰক্ষা কৰিবলৈ সমৰ্থ হওক।' দৰাই জ্বলি থকা এশ এগছি চাকিৰ সাক্ষী কৰি কন্যাৰ কথা আখৰে আখৰে মানিবলৈ ভীষ্ম প্ৰতিজ্ঞা কাঢ়ে। দেশ আৰু জাতিৰ কল্যাণৰ হেতু এনেদৰে প্ৰতিজ্ঞাবদ্ধ হোৱা নিয়ম আন সম্প্ৰদায়ৰ মাজত বিৰল।

(ড° সুখ বৰুৱাৰ আহোমসকলৰ উৎসৱ-অনুষ্ঠান গ্ৰন্থৰ আধাৰত যুগুতোৱা)

না.দা.

।। হেঙুল ।।

হেঙুল এবিধ ৰঙা পদাৰ্থ। অসমীয়া সংস্কৃতিত ঘাইকৈ সত্ৰীয়া সংস্কৃতিত হেঙুলৰ স্থান বিশিষ্ট। খনিকৰসকলৰ কল্যাণত এইবিধ পদাৰ্থই ভাওৰীয়াৰ কপালৰ ফোটত, মুখাত, পুথি চিত্ৰিত, বাঁহ-কাঠৰ প্ৰতিমাত, সত্ৰৰ সিংহাসন, দুৱাৰ আৰু চ'তিৰ অলংকৰণত, পোক-পৰুৱাৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ সাঁচিপাত-তুলাপাত বলোৱা কামত, সাঁচিপাত-তুলাপতীয়া পুথি ৰখা বাকচৰ পৃষ্ঠদেশত আৰু শৰাই প্ৰমুখ্যে বিভিন্ন কাঠৰ সঁজুলিত ব্যৱহাৰৰ সুযোগ পায়। শিলৰ কাঁহিত পতাগুটিৰে মিহি হোৱাকৈ মাৰি লৈ তাতে পানী দি এৰাতি ডুবাই থব লাগে। দ্বিতীয় দিনা ওপৰৰ পানীখিনি পেলাই দি আকৌ নতুন পানী দি ডুবাই ৰখা প্ৰয়োজন। এনেদৰে তিনি-চাৰি ৰাতি পানীত ডুবাই ৰাখিব লাগে। এনে কৰাৰ কাৰণ হ'ল - হেঙুলত এবিধ দুষিত বাষ্প থাকে। সেই বাষ্পই চকুৰ অন্যায় কৰাৰ সম্ভাৱনা। তিনি-চাৰি দিন দুষিত পানী আঁতৰোৱাৰ পিছত হেঙুলৰ ৰং উজ্জ্বল হৈ আহে আৰু ব্যৱহাৰৰো সুবিধা হয়। এতোলা হেঙুলত আধা তোলা গম আঠা মিহলাই তাক ভালদৰে কাঁহিত মাৰি সেই মিশ্ৰণেৰে ভাওৰীয়াৰ কপালত ফোট আৰু গালত ৰেখা অংকন কৰা হৈছিল। ওঁঠ ৰঙা কৰিবলৈও হেঙুলৰ ব্যৱহাৰ নেহোৱা নহয়। হেঙুলৰ সৈতে হাইতাল মিহলি কৰিলে উজ্জ্বল গৌৰ ৰং পোৱা যায়। গতিকে সংকৰ বৰ্ণ ৰূপেও ইয়াৰ প্ৰয়োগ উল্লেখযোগ্য। অসমত উদ্ধাৰ হোৱা প্ৰায়বোৰ মধ্যযুগীয় পুথি চিত্ৰতে সণ্চালনি ভাৱে হেঙুলৰ প্ৰয়োগ দেখা যায়। আয়ুৰ্বেদ নিদান শীৰ্ষক সাঁচিপতীয়া অপ্ৰকাশিত পুথি ৫২ বাবত হিঙ্গুল আওতাবৰ (প্ৰস্তুত কৰাৰ) কথা লিখা আছে এনেদৰে -

'পাৰা এসেৰ, গন্ধক এসেৰ, সিহ এসেৰ = সিহক পিটি ডোখৰ ডোখৰ কৰি ৰহ দুই ফাৰন লিপাব সকলে তাকে আটাই ৰহ খালি ঢুকালে পাছে চাৰিউ দৰবকে মাড়িব = কলিয়া হুব পাছে কাচৰ টাড়িত ভৰাব। মুখ ভালকৈ মাৰিব = পাছে মাটিৰ থালি এটাত বালি ভৰাই তাতে টাড়িত ভৰাব = বাৰে পৰ ১২ জাল দিব = তেবে ৰ হিংগুল হেন হুব = পিয়াজৰ ৰহেৰে কাকত লিখিব ৰঙ্গ হুব।। ৫৪৯ ।। আজি...

হেঙুলৰ প্ৰয়োগ নাইকিয়া হ'ল। সিন্দূৰে তাৰ স্থান অধিকাৰ কৰিলে।

না. দা.

**।। হেজাৰী ভাওনা।**

নগাঁও-জিলাৰ কবৈয়ণি অঞ্চলত অনুষ্ঠিত কলংপৰীয়া বাৰগএগ্ৰা সমাজৰ হেজাৰী ভাওনা মহোৎসৱ অসমীয়া সংস্কৃতিৰ এক অপূৰ্ব নিদৰ্শন। নামকৰণৰ ক্ষেত্ৰত উল্লেখনীয় যে কলংপৰীয়া শব্দই ভৱিষ্যতলৈ কলং নদীৰ দুয়ো পাৰৰ বৃহৎ এলেকা আৰু হেজাৰী শব্দই নিৰ্দিষ্ট হাজাৰক নুবুজাই হাজাৰ হাজাৰ গুৰু ভকতৰ সন্মিলনত গুৰু-ভকতৰ পদৰেণুৰে ৰঞ্জিত ক্ষেত্ৰৰ অনুষ্ঠানক সূচাইছে। তদুপৰি ভাওনা অনুষ্ঠিত হোৱা পৱিত্ৰ ববদোৱা পথাৰখনিও বুৰঞ্জীয়ে গৰকা উল্লেখযোগ্য ক্ষেত্ৰ। সম্ভৱত ইং ১৯৬৯ চনত আৰম্ভ হোৱা সাৰ্বজনীন হেজাৰী ভাওনা মহোৎসৱ সমাজে সাধাৰণতে প্ৰতি চাৰি বছৰৰ অন্তৰে অন্তৰে বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰি আহিছে। হেজাৰী ভাওনাৰ প্ৰথম বৰ্ষটোত সুউচ্চ শিমলু গছৰ স্তম্ভ ৰোপণ কৰি সাতখন ৰভাৰে দিনে-ৰাতিয়ে সৰ্ব্বমুঠ ২১ খন অঙ্কীয়া আৰু অঙ্কীয়া আৰ্হিৰ ব্ৰজবুলী ভাষাৰ নাটক অনুষ্ঠিত হয়। একেখন ৰভাৰ তলতে ১২ / ১৩ খন গাঁৱৰ ৰাইজে নিজা নিজা সুকীয়া ঠাই গ্ৰহণ কৰি একেলগে ভাওনা পাতে। সকলোৱে মাহ-প্ৰসাদ খায়, নাম-কীৰ্তন কৰে, একে সময়তে গায়ন- বায়ন জোৰে। আটাইতকৈ আকৰ্ষণীয় দিশ হ'ল ভাৱৰীয়াৰ প্ৰৱেশ। সকলো নাটৰ ভাৱৰীয়াই একে লগে প্ৰৱেশ কৰি ৰভাৰ চাৰিওফালে এপাক ঘূৰি নিজৰ ঠাইত ভাওনা প্ৰদৰ্শন কৰে। এই দৃশ্য অতিকৈ মনোমোহা।

মঞ্চভীত্তিৰ কথা ক'বলৈ গ'লে ক'ব পাৰি যে— কেইবাখনো ভাওনাৰ খলা একেখন ৰভাৰ তলত ৰচনা কৰাই হেজাৰী ভাওনাৰ ৰীতি। ভাওনাৰ ক্ষেত্ৰত পথাৰৰ মুকলি ঠাইত এটা দৌলক কেন্দ্ৰ স্বৰূপে লৈ তাৰ চৌঘুৰী ভাওনাৰ খলাৰে সজাই তোলাই নিয়ম। দৌলটোৰ চৌঘুৰী খলাৰে জোখাত বহলাই এপাহ মেলখোৱা পদুমৰ আৰ্হিতে অস্থায়ী স্থাপত্য ৰূপটো গঢ়া হয়। বৰ্ত্তমান হেজাৰী ভাওনাৰ স্থায়ী সু-উচ্চ মন্দিৰ, একেলগে একে সময়তে ১২/১৩ খন ভাওনা পাতিব পৰা স্থায়ী ৰভা, ১০/১২ হাজাৰ দৰ্শক বহিব পৰা স্থায়ী ৰভা, নব দ্বাৰযুক্ত হৰি মন্দিৰ, ন-কোনীয়া সাতখলপীয়া ৬৩ জন সিংহ সমন্বিতে সিংহাসন গ্ৰন্থালয় মুকলি মঞ্চ আদি আছে। ইয়াত ৰাইজৰ উদ্যোগত বাৰ্ষিক দৌল মহোৎসৱ, বাৰ্ষিক পালনাম, ওৰে বছৰটো চাৰি প্ৰসঙ্গৰে মুখৰিত হোৱাৰ উপৰিও তিথি, মহোৎসৱ, ধৰ্মালোচনী সভা আদি অনুষ্ঠিত হয়। হেজাৰী ভাওনা মহোৎসৱ কবৈয়নী অঞ্চলৰ ৰাইজৰ সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক বিকাশৰ এটি বাটকটীয়া অনুষ্ঠান। জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনাৰ লগত ইয়াৰ সাদৃশ্য লক্ষনীয়।

বি.চ.ব

।। হেতালি খেল ।।

'খোলাকাটি, গুটি আদি হাতৰপৰা ওপৰলৈ মাৰি দি আকৌ হাতেৰে ধৰা খেল'ৰ নাম হাতালি বা হেতালি। ইয়াৰ আন নাম ছেংগুটি। কামৰূপত ইয়াক লাচখেল ৰূপে জনা যায়। এই খেল ল'ৰাতকৈ ছোৱালীৰ মাজত বেছি জনপ্ৰিয়। সাধাৰণতে এই খেলত তিনিটা, পাঁচটা, সাতটা বা নটা বিযুৰীয়া সংখ্যাৰ গুটি প্ৰয়োগ কৰা হয়। খেলা ছোৱালীৰ বয়সৰ তাৰতম্যই গুটিৰ সংখ্যা বঢ়া টুটা কৰে। খেলটি কেবাটাও পৰ্যায়ভুক্ত। পৰ্যায়মতে, শিলগুটি ওপৰ-তল, হাতৰ পিঠিলৈ, দুই আঙুলিৰ ওপৰলৈ, বুঢ়া আৰু তৰ্জনী আঙুলিৰ ফাঁকেদি মুঠিত লৈ — এই কেইটা স্তৰ অতিক্ৰম কৰা প্ৰয়োজন। অঞ্চল ভেদে স্তৰসমূহৰো ভিন্নতা দেখা যায়। যেনে — ক. এটিয়া, দুটিয়া, তিনিটিয়া, চাৰিটিয়া, ওপৰধূপ, হাচিয়া, কেপিয়া,বেগেত আৰু সলোৱা। খ. হেতালি, ধূপ, বেগেত, কুকাৰ, কেপেনা, বগলী, হানচিয়া আৰু সলোৱা।

ক আৰু খ — এই ভাগ দুটাত উল্লিখিত স্তৰ দুটিৰে বিভিন্ন অঞ্চলত হেতালি [illegible]লে। সলোৱা শেষ হ'লে এপক হয়। নতুন খেল আৰম্ভ হয়। এগৰাকীয়ে হাতৰ গুটি নপৰাকৈ বহুপৰ খেলি থাকিলে বাকীবোৰে মাটিত হাতৰ তলুৱা মাৰি গায় — 'ছেংগুটি হেতালি হাতৰ পৰা পিছলি, ঘমঘন্ট লাগিল, মন্ত্ৰ মাতো এফাকি।' মন্ত্ৰ শেষ হোৱাৰ লগে লগে খেলি থকা গৰাকীয়ে গায় -'নপৰিবি সৰকি, ছেংগুটি হেতালি, নেযাবি তই পিছলি।।' খেল খেলোঁতে এগৰাকীৰ হাতৰ গুটি পৰিলে আন গৰাকীয়ে খেলিবলৈ লয়। যাৰ যি স্তৰত গুটি পৰে, সেই স্তৰটো নিজে নিজে মনত ৰখা বাঞ্ছনীয়। পাহৰিলে আনে নকয়। ভুলতে আন স্তৰত আৰম্ভ কৰিলে তেওঁক গেলা বুলি কয়। ভুল কৰাজনে প্ৰত্যেকে এবাৰকৈ খেলাৰ পিছতহে খেলিবলৈ পায়। এতিয়াও গাঁৱৰ ছোৱালীৰ মাজত এই খেলটিৰ জনপ্ৰিয়তা টুটা নাই।

(আমাৰ অসমৰ ৫ নৱেম্বৰ, ২০০৫ ত প্ৰকাশিত অজিত ভৰালীৰ 'ছেংগুটি হেতালি হাতৰ পৰা পিছলি' প্ৰবন্ধৰ আধাৰত যুগুতোৱা।)

প্ৰ. দা

সংযোজন ঃ-

।। আঁকমাৰী, কুটনী, কাঠী ।।

আঁকমাৰী হ'ল বাঁহ অথবা কাঠৰ পোন স্কেল। সংস্কৃত অংকন শব্দৰপৰা এই শব্দটো আহিছে। কুটনীৰে জোখ দিয়াৰ পিছত আঁকমাৰী আৰু শলাৰ (এই শলা তাঁতৰ

ঠাই বিশেষে আঁকিয়া কাঠী বোলে) দ্বাৰা সাঁচি পাত, তুলাপাত প্ৰভৃতিত সমান্তৰাল ভাৱে ৰেখাসমূহ আঁকি লোৱা হয়।

হেমচন্দ্ৰ বৰুৱাই কুটনীৰ অৰ্থ দিছে— 'কম্পাচৰ দৰে জোখ লৈ চিন দিয়া যতন।' ইয়াৰ মূল সম্ভৱ সংস্কৃত কুট্টন। গুৰুচৰিত কথাত কুট দিয়া সংবাদ পৰিৱেশিত হৈছে। সাঁচিপাত - তুলাপতীয়া পুথিৰ শাৰীবোৰ যাতে সম দূৰত্বৰ হয়, সেই বাবে কুটনীৰে জোখ দি আঁকমাৰী আৰু অঁকীয়া কাঠী বা সীহৰ সূক্ষ্ম শলাৰে আঁক মাৰি লোৱাৰ পৰম্পৰা দীৰ্ঘদিনীয়া। কুটনীৰ আন নাম কতৰা-কাঠী। ড° নৰেন কলিতাৰ ভাষাত, এইবিধ কাঠীৰ এটা মূৰে কাণ কটাৰ দৰে কাটি দুডাল শুং ৰখা হয় আৰু এই শুঙেৰে পাতৰ বুকুত খুঁচি খুঁচি চেউনি দি আখৰৰ শাৰীবোৰৰ স্থান আৰু দূৰত্ব নিৰ্ণয় কৰা হয়।'

সাঁচিপাত - তুলাপতীয়া পুথিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে সিবোৰৰ লিখা অংশ, কাষৰি আৰু নাভিস্থল এটা পদ্ধতিত নিৰ্ধাৰণ কৰি লোৱা হৈছিল। সেইবাবে জোখ-মাফৰ বাবে খনিকৰসকলে কেবাবিধো কাঠী ব্যৱহাৰ কৰা দেখা যায়। সেই কাঠীবোৰৰ নাম কাণ জোখা কাঠী বা শিৰোনামা কাঠী, কতৰা কাঠী, আঁকিয়া কাঠী আদি।

না.দা.

।। কৱচ কাপোৰ ।।

মধ্য যুগৰ অসমীয়া শিপিনীয়ে যুদ্ধ-বিগ্ৰহত অভেদ্য ক পাহী কাপোৰেৰে এবিধ কাপোৰ বৈছিল। সেই বিধৰ নাম কৱচ কাপোৰ। সাধাৰণতে মাজনিশা সেই কাপোৰৰ কপাহ নেওঠনিত ধুনি, পাজি বটি, সূতা কাটি বাতি কাঢ়ি ব তুলিলৈ কাপোৰখন বৈ ৰাতি নৌ পুৱাতেই শেষ কৰা প্ৰয়োজন। উপযুক্ত ক্ষণত আৰম্ভ কৰা সেই কাপোৰ তৰোৱাল অথবা শৰে ভেদ কৰিব নোৱাৰে বুলি জনশ্ৰুতি আছে। ভিক্ৰাই নৈৰ পাৰত তুৰ্বকৰ সৈতে অসমৰ যি যুঁজ হৈছিল, তালৈ বীৰাংগনা মূলা গাভৰুৱে কৱচ কাপোৰ বৈ উলিয়াইছিল।

মোৱামৰীয়া ৰণত মৰাণ জীয়াৰী ৰাধা আৰু ৰুক্মিণীয়ে এৰী সূতাৰে কৱচ কাপোৰ বৈ ৰণাংগনত যেতিয়া উপস্থিত হৈছিল তেতিয়া অসমীয়া সেনাই হিলৈ বৰটোপত গুলী আৰু শৰ নিক্ষেপ কৰি দুই বীৰাংগনাক পৰাভূত কৰিব পৰা নাছিল। বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মাৰ ভাষাত, অসমীয়া সেনাৰ 'গুলী গৈ জোঁট পোত লাগি ৰয়, ৰাধা-ৰুক্মিণীৰ এৰীয়াৰ গাঁতি মৰা কাপোৰতে সোমাই থাকিবগৈ নহয়। মেখেলাতে লাগি থাকিবগৈ। কাপোৰৰ মহিমা বুজিব নোৱাৰাত ৰজাঘৰীয়া সৈন্যৰ মাজত উস্‌সিস্ লাগিল বোলে— ৰাধা ৰুক্মিণী কি সাক্ষাৎ ৰণ চণ্ডীকা ঔ! কোঁচপাতি গুলী ধৰে? ভয়ত, পেপুৱা লাগি ৰাজসৈনে পলাবলৈ বাধ্য হয়। কৱচ কাপোৰৰ মহিমা এনেকুৱা।

(উৎস ঃ বেণুধৰ শৰ্মা- বুৰঞ্জীৰ সফুঁৰা)

না.দা.

।। কাপ-মৈলাম ।।

লেখনী বুজাবলৈ অসমীয়াত কাপ শব্দৰ ব্যৱহাৰ দীৰ্ঘদিনীয়া। লেখনী বুজোৱা সংস্কৃতৰ বৰ্ণক শব্দ ললিত বিস্তৰত, বৰ্ণিকা শব্দ অমৰ কোষত (৩.৫.৩৮), বৰ্ণ বৰ্তিকা শব্দ দশ কুমাৰ চৰিতত (দ্বিতীয় উচ্চবাচ) শলকা শব্দ মালতী মাধৱত (১/২); কমল শব্দ শব্দ ৰত্নাকৰত পোৱা যায়। যোগিনী তন্ত্ৰত বাঁহ, তাম, লো, পিতল কাঁহ, খাগৰি আৰু সোণৰ কাপৰ কথা উল্লিখিত হৈছে। অৱশ্যে বাঁহ আৰু কাঁহৰ কাপেৰে নিলিখিবলৈ তন্ত্ৰখনিয়ে সাৱধান কৰি দিছে। তাৰ কাৰণ, প্ৰথম বিধেৰে লিখিলে শ্ৰীহানি আৰু দ্বিতীয় বিধেৰে লিখিলে মৃত্যু পৰ্যন্ত হ'ব পাৰে। আনহাতে তামৰ কাপেৰে লিখিলে অক্ষয় বৈভৱ, সোণৰ কাপেৰে লিখিলে বিপুলা লক্ষ্মী, লৌহ কাপেৰে লিখিলে পুত্ৰ-পৌত্ৰ লাভ আৰু পিতলৰ কাপেৰে লিখিৱে লক্ষ্মী লাভ উল্লেখযোগ্য। তন্ত্ৰখনিয়ে কাপৰ দৈৰ্ঘৰো নিৰ্দেশ দিবলৈ পাহৰা নাই। দণ্ডীৰাম দত্তই জনাইছে যে কাকতিসকলে হাঁহ আৰু ম'ৰাৰ পাখিৰে হিচাপ পত্ৰ লিখিছিল। কলপাতত ন শিকাৰুৱে লিখাৰ কমল হ'ল - খাগৰি আৰু বাঁহৰ জোকনিৰ কাপ। তালপাত, তুলাপাত, সাঁচিপাত আৰু বাঁহৰ কামিত বাঁহৰ কলমৰ উপৰি ঢেকীয়া-ঠাৰিৰ কাপো ব্যৱহাৰ কৰিছিল। কাপ-ঢেকীয়া কলমে কাপ শব্দৰ জন্ম দিয়া বুলি কালিৰাম মেধিয়ে মন্তব্য দিছে (লিখাৰ সঁজুলি)। চিলাৰ পাখি, বেত বটা বা ইকৰা আৰু কহুৱাৰ ঠাৰিৰ পৰাও পুৰণি অসমত কলম প্ৰস্তুত কৰা হৈছিল।

চিয়াঁহি ৰখা পাত্ৰটোক কোৱা হয় মৈলাম। ড° বুহলৰৰ মতে, চিয়াঁহিৰ প্ৰাদেশিক শব্দ মৈলাৰ লগত -আম প্ৰত্যয় যোগ হৈ মৈলাম শব্দটো নিষ্পন্ন হৈছে। হেমচন্দ্ৰ বৰুৱাই হেমকোষত ইয়াৰ বুৎপত্তি দিছে এনেদৰে- মহী=লেখা জোল + ল= গ্ৰহণ কৰা অৰ্থাৎ মহীক যি লয় অথবা ধৰে- বাবে মৈলাম। মধ্যযুগত অসমত চিয়াহি ৰখাৰ সামগ্ৰী আছিল- বাঁহৰ চুঙা। সেইবাবে তাৰ নাম মহীচুঙা। ইয়াক বুজাবলৈ সংস্কৃতত মসিভাণ্ড আৰু মসিপাত্ৰৰ প্ৰয়োগ হয়। আৰবী ভাষাৰ দৱা আৎ শব্দকাৰা অসমীয়ালৈ অহা মহীচুঙাৰ যথাৰ্থত শব্দটো হ'ল দোৱাত। কাপৰ উল্লিখন বিদ্যাপতিত পোৱা যায়- 'আনহ কেতকিকেৰ পাত/মৃগমদ মসি নখ কাপ//' অসমীয়া প্ৰৱাদ-প্ৰৱচনত আছে— 'সাপে খায় কাপে খায়', 'কাপ-কাঠি পাত, তেহে চাবা আখৰৰ জাত', 'কাপ-চেলেকা' (কেৰাণী, বিদ্ৰূপাৰ্থত), 'কাপে খা' (নিজৰ লেখাই নিজকে নষ্ট কৰা)

(আধাৰ গ্ৰন্থ ঃ নাৰায়ণ দাস- *বিশ্বলিপিৰ ভূমিকা*)

না.দা.

।। ছিৰীলুইত আৰু অসমীয়া লোক সংস্কৃতি ।।

'লুইতৰে বালি বগী চকেচকী কাছুই কণী পাৰে লেখি'— লুইতৰ চকেচকী বালিত কাছুই কণীপৰা দৃশ্যটি এদিন বিহুবলীয়া ডেকাই প্রত্যক্ষ কৰিছিল। মৰমৰজনীয়ে মনে মিলা মানুহ জনক লুইতৰ বুকুত নাওমেলি যোৱা দেখি মনে মনে গুণগুণাই — 'চিৰিপ চিৰিপ কৰি— কাপোৰ ধুই আছিলোঁ ছিৰী লুইতলৈ চাই/ছিৰী লুইততে কিৰিলি মাৰিয়ে চেনাই নাও মেলি যায়/' চিৰী লুইত অসমীয়া লোকগীত সৃষ্টিৰ কঠিয়াতলী অসমীয়া সংস্কৃতিৰ বৰপেৰা। অন্ন-বস্ত্ৰৰ সন্ধানত বৰ নদীখনৰ পাৰলৈ অহা আষ্ট্রিকসকলে নিৰমল পানীৰ নৈখন দেখি নাম দিছিল— লাও তু বা তি-লাও (ফটিক পানীৰ নৈ)। ছিৰীৰ অৰ্থও জলধাৰা। সেয়ে ছিৰী লুইত। কালক্রমত আৰ্যীকৰণ প্রক্রিয়াত সি ৰূপান্তৰ হ'ল শ্রীলুইত বা শ্রীলৌহিত্যলৈ . এই লৌহিত্যৰ দুয়োপাৰে গঢ় ল'লে এখন দুখনকৈ দেৱধাম। যোগিনী তন্ত্ৰই লৌহিত্য তীৰ্থত বসবাস কৰিব পৰাটো ভাগ্যৰ কথা ৰূপে স্বীকৃতি দিছে— 'সুলভোহ যাত্র লৌহিত্য পঞ্চস্থানেষু দুলৰ্ভ' কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰই ছিৰী লুইতৰ নামটো ব্রহ্মপুত্রলৈ সলনি কৰাত আগভাগ লয়। কলাগুৰু বিষ্ণু ৰাভাৰ মতে বড়ো বুলুংবুথুৰে আৰ্যীকৰণ ফলত ব্রহ্মপুত্রলৈ মোট সলায়। চ'ত মাহৰ অশোকাষ্টমীৰ দিনাখন 'ওঁ ব্রহ্মপুত্র মহাভাগ শান্তনোঃ কুলনন্দন/অমোঘা গৰ্ভসম্ভূত পাপং লৌহিত্য মেহৰ/' বুলি সহস্র লোকে আজিও মুক্তিৰ কামনাত ব্রহ্মপুত্রত স্নান কৰে। বিহুবলীয়া ডেকায়ো ব্রহ্মপুত্রলৈ শ্রদ্ধা নিৱেদন কৰিবলৈ পাহৰা নাই — 'ব্রহ্মপুত্র দেৱতা উটুৱাই নিনিবা তামোল দি মাতোতা নাই।' 'লৰুৱা বিলখন জাপ মাৰি ডেউ যাম ব্রহ্মপুত্র কেনেকৈ ডেম'।

বৰ লুইতে অসমীয়া লোক সংস্কৃতি সোণসেৰীয়া কৰি তুলিছে। বিয়া-পূজাত লুইতৰ পানী অপৰিহাৰ্য। বহুতে পূজাৰ পানী তোলে লুইতৰপৰা- মূর্তি ঘট বিসৰ্জন দিয়ে ইয়াৰ গড়াত। বিধুতি গাৰে ব্রহ্মপুত্র পাৰ হ'ব নাপায় বোলা লোকবিশ্বাস এটা এতিয়াও আমাৰ মাজত প্রচলিত। আগতে বৰলুইত পাৰ হ'বলৈ লোকে তামোল-পাণ এযোৰ বা টকা সিকা অৰ্পণ কৰিছিল। অসমৰ বুৰঞ্জীৰ সোঁত সলনি কৰাতো লুইতৰ ভূমিকা উলামূলা নহয়। এই লুইতেৰেই এদিন মোগল উজাই আহি লুইত তেজেৰে ৰাঙলী কৰিছিল লুইতৰ শৰাইঘাটতে অসমে মহাৰণ দি দেশৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিছিল। বৰ অসমত নৱবৈষ্ণৱ ধৰ্মৰ উপৰি ইছলাম আৰু খ্রীষ্টধৰ্মৰ সম্প্রসাৰণতো লুইতৰ ভূমিকা শূন্যৰ প্রতিবেশী নহয়। এই লুইতে দিয়ে দুয়োপাৰ গুম্‌গুমাই আহিছিল কোম্পানীৰ জাহাজ, লগত আনিছিল পাশ্চাত্য সভ্যতাৰ মাণিকী মাধুৰী। কামাখ্যা পিছলাৰ মুখলৈ চাই এদিন আইনামৰ আই এই লুইতেদিয়ে উজাই আহিছিল। এনেদৰে দেখা যায়- বুঢ়া লুইতে আজিও অসমীয়া লোকসংস্কৃতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হৈছে।

না. দা.

**।। ফুৰালুঙ্ পূজা ।।**

তাই আহোম সকলে পৰম্পৰাগতভাৱে বৌদ্ধিক সত্তাৰে আয়োজন কৰি অহা নিজ বৈশিষ্ট্যসম্পন্ন এটি প্ৰধান পূজা হৈছে ফুৰালুঙ্ পূজা। সৰ্বশক্তিমান দেৱতা 'ফুৰা'ৰ গুণানুকীৰ্তন কৰাৰ উদ্দেশ্যে এই পূজাৰ আয়োজন কৰা হয়। ফুৰালুঙ্ পূজা সাধাৰণতে প্ৰতি বছৰে নাপাতি কেইবা বছৰৰ মূৰত ৰাজহুৱা ভাৱে আয়োজন কৰা হয়। অৱশ্যে কিছুমান লোকে ব্যক্তিগত ভাৱেও এই পূজাৰ আয়োজন কৰে। এই পূজা ৰৌন্চাও ছেঙৰ ভিতৰত পতা হয় আৰু যদিহে এই ৰৌন্চাও ছেঙ্ নাথাকে তেতিয়া এটা আঠকোণীয়াকৈ মণ্ডপ সাজি মণ্ডপটোৰ মাজত ভেটি স্থাপন কৰা হয়। ফুৰালুঙ্ পূজা পতাৰ বাবে কিছুমান আৱশ্যকীয় সামগ্ৰীৰ প্ৰয়োজন। যেনে- কল গছ এডাল, কলৰ পাত, কলপটুৱা, কেঁচা বাঁহ এডাল, মাটিৰ চাকি, এৰাঁ সূতা, খুচুৰা পইচা, সিকি দুটা, ধূপ-ধুনা, তামোল-পাণ, ফল-ফুল ইত্যাদি। পূজাৰ বাবে প্ৰথমে মণ্ডপত কল মধুনাৰে লাক্ আৰু বাঁহৰ কাঠিৰে মেৰিয়াই এশডাল চিটিকা সাজি লোৱা হয়। লাকত দহটা খাপ কৰি চিটিকাবোৰত সালিমাৰি লগোৱা হয় আৰু লাকত থুৰিয়া তামোল দিয়া হয়। ইয়াৰ উপৰিও কলপটুৱাৰ এশ এটা ডোং সজা হয় আৰু তিনিশ দহখন কলপাতৰ ক্ষেত্ৰত কটা হয়। প্ৰতিটো ডোঙত এশ এটা খুচুৰা পইচা, এশ দুখন মাটিৰ চাকি আৰু তিনিমুখীয়া চাকি এগছি দিয়া হয়।

তাৰ পাছত ম'লুঙে এখন শৰাইত বস্ত্ৰ, থুৰিয়া তামোল, তিনি/পাঁচ টকা অৰিহণা হিচাপে আগবঢ়াই 'পেঞ্কাকা' শাস্ত্ৰ স্থাপন কৰি পূজা আৰম্ভ কৰা হয়। ফুৰালুঙ্ পূজাত ব্যৱহৃত 'ঞাপুলক' (ঘটৰ পানী জাৰা) সকলোৱে সেৱন কৰে। ইয়াক অফুৰন্ত শক্তিৰ প্ৰতীক বুলি গণ্য কৰা হয়। পূজাৰ অন্তত ৰাইজ তথা নিমন্ত্ৰিত অতিথিৰ মাজত প্ৰসাদ বিতৰণ কৰা হয় আৰু ভোজ ভাত খুওৱা হয়। ফুৰালুঙ্ পূজাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াত বলি বিধান দিয়া নহয়। ফুৰাদৰ্শন মতে বন্তি জ্বলাই মাটিমাহ, আঁৰৈ চাউল, কল, মিঠৈ, ফুল-ফল দক্ষিণা আদি দি ফুৰা স্তুতি গীতেৰে ফুৰালুঙ্ পূজাৰ সামৰণী পেলায়।

(ড° সুখ বৰুৱাৰ আহোমসকলৰ উৎসৱ অনুষ্ঠান গ্ৰন্থৰ ফুৰালুঙ্ পূজা প্ৰবন্ধৰ আধাৰত যুগুতোৱা)

কি.ক.

**।। বৰপেটা সত্ৰৰ দবা ।।**

অনবদ্ধ বা আনদ্ধ বাদ্যৰ অন্তৰ্গত দবা বৰ নাগাৰাতকৈ আকাৰত ডাঙৰ আৰু সিবোৰ সাধাৰণতে সত্ৰ বা নামঘৰ কোণ এটাত কাঠৰ আধাৰত ৰখাৰ ব্যৱস্থা কৰা হয়। নামঘৰত নিতৌ পুৱা গধূলি প্ৰসংগৰ কালত বৰকাঁহ, শংখ আৰু ঘণ্টাৰ লগতে দুডাল মাৰিৰে দবা বজাই এটা ভক্তিৰ পৰিৱেশ সৃষ্টি কৰাটো সকলোৱে বাবে এখনি চিনাকি

ছবি। মাধৱ কন্দলিৰ ৰামায়ণত দবাৰ উল্লিখন মন কৰিবলগীয়া- 'দুন্দভি মৃদংগ দাম বাজে ঢাক ঢোল।' নিচুকণি গীততো উক্ত বাদ্যবিধৰ নাম পোৱা যায়— 'গধূলিত দম দম দবা কোবায়।' বৰপেটা কীর্তন ঘৰৰ ভিতৰত গুৰু আসনত উত্তৰ-পূব দিশত ৰখা দবা বা দামা বা দামনিটোৰ সমুখ ভাগৰ ব্যাস প্ৰায় পাঁচ মিটাৰ। সেইটি বোৱাৰী পুৱাৰ, পুৱাত প্ৰসংগৰ শেষত আবেলি কীর্তনঘৰ আৰু আতাৰ ভেটিত চাকি জ্বলোৱাৰ পিছত, ৰাতিৰ প্ৰসংগৰ অন্তত আৰু ৰাতি কীর্তন ঘৰ মচাৰ শেষত পাঁচবাৰ কৈ বজোৱাটো এটা পৰম্পৰা। দবাৰ শব্দ শুনাৰ লগে লগে ধৰ্ম প্ৰাণ ৰাইজ আৰু আইসকলে মূৰ দোৱাই ভক্তিৰে সেৱা জনায়। কীর্তন মহোৎসৱৰ কালত আঠাইবিধ নাম-প্ৰসংগৰ অনন্ত শেহ নিশাহে দবাত কোব পৰে। ভাদ মাহৰ জন্মাষ্টমীৰ ৰাতি কৃষ্ণ জন্ম পোৱাৰ কালত আকাশত জোন ওলোৱাৰ কালতে দবা বজোৱা হয়। দৌল মহোৎসৱত গোন্ধৰ দিনা দৌল গোবিন্দ আৰু কলীয়া ঠাকুৰক মণিকূটৰপৰা উলিয়াই মঠৰ চোতাললৈ অনা কালত আৰু সুৱেৰীৰ দিনা গোসাঁইক ঘুনুচাৰ বাৰীলৈ নিয়া কালতো দবা কোবোৱা ৰীতি আজিও অব্যাহত। সত্ৰত সংৰক্ষিত মহাপুৰুষ দুজনাৰ সেৱাৰ বস্তুখিনি দর্শনাৰ্থীৰ বাবে বাহিৰলৈ উলিওৱা কালৰ উপৰি শংকৰ মাধৱ গুৰু দুজনাৰ জন্মোৎসৱত চহৰ ভ্ৰমি দালান ঘৰৰ সন্মুখ পোৱাৰ সময়তো দবা কোবোৱাটো অপৰিহার্য। অৱশ্যে অম্বুবাচীৰ প্ৰবৃত্তি কালৰপৰা নিবৃত্তিৰ সময়লৈকে কীর্তন ঘৰৰ দবা বজোৱা নিষেধ। 'দম-দয়া-দান' অর্থজ্ঞাপক গম্ভীৰ ধ্বনিৰে এশ আঠবাৰ পালধৰীয়াজনে দবা কোবায়।

(আধাৰগ্ৰন্থ ঃ অধৰচন্দ্ৰ দাসৰ *সচিত্ৰ বৰপেটা সত্ৰ*)

না.দা.

**।। বৰপেটাৰ হোলী ।।**

মনে প্ৰাণে হাৰিনাম, হালীখেলো অবিৰাম/উতলা ফাগুনে নাচে, বৰপেটা বৰধাম//' অসমৰ দ্বিতীয় বৈকুণ্ঠপুৰী বৰপেটা বৰধামৰ ৰঙৰ উছৱ হোলীয়ে আবাল-বৃদ্ধ-বণিতাৰ কাষলৈ কঢ়িয়াই আনে এক অবৰ্ণনীয় আনন্দৰ জোৱাৰ। দৌল উছৱক স্থানীয় লোকে দেউল ৰূপে চিনাকি দিবলৈকে ভাল পায়। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ প্ৰতিষ্ঠা কৰা বৰপেটা সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰীমথুৰা দাস বুঢ়া আতাই বৰপেটা বৰ ধামত দৌলোৎসৱৰ পাতনি মেলে বুলি কোৱা হয়। বৰপেটাৰ সত্ৰত এই উছৱ তিনি দিনৰপৰা চাৰিদিন পৰ্যন্ত উদ্‌যাপন কৰাটো উল্লেখযোগ্য। ফাগুন মাহৰ দেউল ডেকা দেউল ৰূপে চাৰিদিন জুৰি চলে আৰু চ'ত মাহত পালন কৰা বুঢ়া দেউলৰ কাল পৰিধি তিনিদিন। ইয়াৰ প্ৰথম দিনটো গোন্ধ (গন্ধ) যাত্ৰা পৰৱৰ্তী দিনটো ভৰা দেউল আৰু অন্তিম দিনটো সুঁৱেৰী ৰূপে জনাজাত। গোন্ধৰ দিনা আগবেলা ৰাইজে খাগৰি, ইকৰা আদিৰে কীৰ্তনঘৰৰ সন্মুখৰ টুপৰ চোতালৰ মেজি এটা সাজে।

আবেলিপৰত নিৰ্দিষ্ট ক্ষণত দৌল গোবিন্দৰ বিগ্ৰহ স্নান কৰোৱাই কীৰ্তন ঘৰৰ পূব দুৱাৰেদি আৰু কলীয়া ঠাকুৰৰ বিগ্ৰহ মূল দুৱাৰেদি উলিয়াই আনি একেলগে এখনি বৃহৎ আকাৰৰ শৰাইত থৈ অধিবাস পৰ্ব সম্পন্ন কৰাৰ পিছত প্ৰজ্বলিত মেজিৰ চাৰিওফালে ঢোল, খোল, মৃদংগ, তাল প্ৰভৃতি বাদ্য বজাই সাতপাক ঘূৰায়। এয়ে গহেৰ জুই পুওৱা পৰ্ব। উপস্থিত লোকে মেজিৰ ছাইৰ ফোট লৈ আশীস্ মাগে। এই কালছোৱাত সহস্ৰজনৰ হৰ্ষধ্বনি, আতছবাজীৰ বাহাৰ , ফাগুনৰ উৰণ আৰু হোলী গীতৰ প্ৰাচুৰ্যই সত্ৰৰ আকাশ-বতাহ মায়াময় কৰি তোলে। ইয়াৰ পিছত প্ৰথম চিৰিৰপৰা সপ্তম চিৰিলৈ সাতপাক প্ৰদক্ষিণ কৰাৰ অন্তত গোসাঁইক দৌলত আৰোহন কৰায়। ৰাতিৰ ভাগত বিভিন্ন হাটীৰ শিল্পীয়ে পাল পাতি অংকীয়া ভাওনা প্ৰদৰ্শন কৰা এটা চিনাকি প্ৰথা। ভৰা দেউলৰ দিনা পুৱাৰ গীতৰ অন্তত দৌল গৃহৰ সন্মুখত বন্তি প্ৰজ্বলিত আঠখন শৰাই পাতি ওজাপালি, ঢুলীয়াৰ চং আদি প্ৰদৰ্শন কৰে আৰু ৰাতিৰ ভাগত অনুষ্ঠিত হয় ভাওনা।

সুবেৰীৰ দিনা গোসাঁইক ফাকুগুড়িৰে ৰাঙলী কৰি দৌলৰপৰা নমাই চো-দোলাত তুলি গণক কুছিৰ কলবাৰী সত্ৰলৈ হেকতা খুৱাবলৈ নি বৰপেটাৰ চৌদিশ শংখ ঘণ্টা বৰকাঁহ আদিৰে মুখৰিত কৰি আবিৰেৰে আকাশ ধুৰলি কৰি পেলায়। এয়ে বৰপেটাৰ হোলী খেলা। কলীয়া ঠাকুৰ আহি কীৰ্তন ঘৰৰ সমুখ পোৱাৰ লগে লগে আৰম্ভ হয় একুৰি দুখন সত্ৰৰ বাপুসকলৰ মাজত বাঁহ ভগা মহাসমৰ অনুষ্ঠান। অনুষ্ঠানৰ সফল সামৰণিৰ পিছত গোসাঁইৰ কীৰ্তন ঘৰ প্ৰদক্ষিণ অনুষ্ঠানৰ লগে লগে তিনি বা চাৰিদিনীয়া বৰপেটাৰ দেউল মহোৎসৱৰ সফল সামৰণি হয়। বৰপেটা সত্ৰৰ দেউল মহোৎসৱে অসমৰ জাতীয় জীৱনৰ ঐক্য সংহতি আৰু সমন্বয়ত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ঔপন্যাসিক সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে মনোমতী উপন্যাসৰ জৰিয়তে বৰপেটাৰ হোলী উৎসৱৰক ধ্ৰুপদী স্বীকৃতি প্ৰদান কৰি গৈছে।

না.দা.

।। মহী ।।

লেখন সামগ্ৰীৰ ভিতৰত মহী আৰু চিয়াঁহি অন্যতম। ইয়াৰ সংস্কৃত নাম কালী, মসি বা মষী (মষী ভৱন্ত অম্বুবাহা, মাঘ ২০.৬৩, মষীলিপ্ত, *কথা সৰিৎ সাগৰ* ৪.৬৯) মসি শব্দটো গৃহ্যসূত্ৰসমূহত সঘনাই প্ৰয়োগ হৈছে। √ মস ধাতুৰ অৰ্থ হ'ল -মোহাৰা বা গুড়ি কৰা। পুৰণি কালত বিভিন্ন দ্ৰব্য মোহাৰি গুড়ি কৰি মিশ্ৰিত কৰাৰ পিছত মসী ৰূপ লোৱা বাবে তাৰ সেই নাম। বেনফাই আৰু বেবৰ চাহাবে শব্দটো গ্ৰীক melas 'মেলচ' শব্দৰপৰা অহা বুলি ভাবে। মধ্যযুগীয় বংগদেশত শিমলু গছৰ ছাল, ছাগলীৰ গাখীৰ, তেল লোধ্ৰ, লাক্ষা, লোৰ গুড়ি, মদাৰ গছৰ ছাই, জবাফুলৰ কলি, আমলখি,

হাৰীতকী, ডালিমৰ ৰস, অৰ্জুন গছৰ চাল, বাবলা গছৰ ছাল, গাবৰ ফল আৰু আঁৰৈ চাউল পুৰি গুডি কৰি মহী প্ৰস্তুত কৰিছিল। এই সম্পৰ্কে পুৰণি বাংলা পুথিত আছে-- 'তিল ত্ৰিফলা শিমুল ছালা/ছাগ দুগ্ধে দিয়া তেলা//লোহ দিয়া লাগাই মসি/মসি বলে অকাট বসি/' (বিশ্বভাৰতী সংগ্ৰহ। পুথি নং ৪৫৩) 'কাজল গোমূত্ৰ লায়েৰ জল) ভৃংগ ভেলা দিয়ে চোল//পীত কাষ্ঠ দিয়ে বসি/তোটে পত্ৰ না তোটে মসি//(ঐ)। সাধাৰণতে চৰুৰ ছাইত কেহৰাজৰ ৰস মিহলাই বহুতে চিয়াঁহি প্ৰস্তুত কৰিছিল। আন কোনোৱে চৰুৰ ছাইত গোমূত্ৰ মিহলাই লিখাৰ ব্যৱস্থা কৰিছিল। বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই লিখিছে-- 'চৰু ছাই বা বৰা চাউলৰ ছাই, কেহৰাজৰ ৰস, লোৱাচুৰ, গৰু মৃত, শিলিখা, আমছাল, জামছাল- এইবোৰ বস্তু একেলগে লৈ কেৰাহিত সিজাই মাটিৰ চৰু এটাত ভৰাই নিযৰত থৈ দিব লাগে। চৰুটোৰ বাহিৰে যি ৰস ঘামি ঘামি নিগৰি ওলাব। সেয়ে অসমীয়া মহী।' (অসমীয়া সংস্কৃতিৰ অন্তৰ্গত হাতে লিখা পুথি)। দণ্ডীৰাম দত্তই তেওঁক কৌতুক আৰু কাইথেলী অংকৰ পুথিত কেইবিধ মান চিয়াঁহিৰ উল্লেখ কৰিছে-- সাঁচি মহী, ৰং সলোৱা মহী, তেলমহী, কাৰে মহী, নাৰিকল বা কাজলৰ মহী আৰু ধাতু, কাঠ আদিত লিখা চিয়াঁহি (পৃ ২৪০)। মধ্যযুগীয় অসমত বোন্দা কেঁচুৰ ৰসেৰে গোপনীয় চিঠি পত্ৰ লিখা হৈছিল। সেই চিঠি আন্ধাৰতহে পঢ়িব পাৰি। মহীক লৈ অসমীয়াত একাধিক প্ৰবাদৰ সৃষ্টি হৈছে। যেনে-- 'কালি কলম মন, লিখে তিনিজন 'কাপ-কাঠি-মহী-পাত, তেহে চাবা আখৰ জাত।'

(আধাৰ গ্ৰন্থ - নাৰায়ণ দাস *বিশ্বলিপিৰ ভূমিকা*)

না.দা.